অসমৰ উদ্ভিদ কোষ

ফটিক চন্দ্ৰ গগৈ

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী - ৭৮১০২১

ASOMOR UDHBID KOSH : Short description of plants creepers etc. of Assam by **Phatik Chandra Gogoi** and published by **Dr. Rafiquz Zaman** IAS, Secretary, Publication Board Assam, Guwahati 781021, Assam, India.

First edition : December 2007

অসম প্ৰকাশন পৰিষদ

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেক্ট্ৰনিক বা যান্ত্ৰিক উপায়েৰে অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপত ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক

ড° ৰফিকুজ জামান, আই এ এছ

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১০২১

প্ৰথম প্ৰকাশ ঃ ডিছেম্বৰ, ২০০৭

মুদ্ৰক

অৰোৰা ফাইন আৰ্টচ

উদ্যোগ পাম, বামুণীমৈদাম

গুৱাহাটী - ৭৮১০২১

সচিবৰ একাষাৰ

১৯৫৮ চনত প্ৰতিষ্ঠাপিত অসম প্ৰকাশন পৰিষদৰ প্ৰথম প্ৰকাশিত গ্ৰন্থখন হ'ল 'কথা-মহাভাৰত'। পোনতে তামিল ভাষাত চমু গদ্য-ৰূপ দিয়া চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীৰ মহাভাৰতখন মহাদেৱ শৰ্মাই অসমীয়ালৈ অনুবাদ কৰে। কথা-মহাভাৰতৰ যোগেদি প্ৰকাশনৰ জয়জগতত বাট বুলা অসম প্ৰকাশন পৰিষদে বিগত পাঁচটা দশক জুৰি অসমৰ ভাষা-সাহিত্য-সংস্কৃতিলৈ অনেক মূল্যবান গ্ৰন্থ আগবঢ়াইছে।

২০০৭ বৰ্ষৰ ডিছেম্বৰত অনুষ্ঠিতব্য দ্বাবিংশ গুৱাহাটী গ্ৰন্থমেলাত পৰিষদ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কৰা হৈছে। পৰিষদৰ পঞ্চাছ বৰ্ষ পূৰ্তিৰ প্ৰাক্‌ক্ষণত এইবাৰ বৈভৱপূৰ্ণ বিষয়-বস্তুৰে পঞ্চাছখনতকৈও অধিক নতুন গ্ৰন্থ প্ৰকাশ কৰি উলিওৱা হৈছে।

পৰিষদে প্ৰকাশ কৰা গ্ৰন্থসমূহৰ ভিতৰত ৰচনাৱলী, বুৰঞ্জী, সমাজ-সংস্কৃতি, সাহিত্য সমালোচনা, বিজ্ঞান, জীৱনী, শিশু-উপযোগী আদি বিভিন্ন বিষয় অন্তৰ্ভুক্ত হৈছে।

শ্ৰীফটিক চন্দ্ৰ গগৈৰ 'অসমৰ উদ্ভিদ কোষ' পৰিৱেশ প্ৰেমী তথা সৰ্বসাধাৰণ পাঠক সমাজৰ আদৰৰ গ্ৰন্থ হ'ব নিশ্চয়। গ্ৰন্থখনৰ বাবে গগৈদেৱক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

ডিছেম্বৰ ২০০৭
গুৱাহাটী

ড° ৰফিকুজ জামান, আই এ এছ
সচিব
অসম প্ৰকাশন পৰিষদ

লিখকৰ একাষাৰ

আমাৰ অসম ৰাজ্যখন নানাবিধৰ উদ্ভিদ সম্পদেৰে ভৰপূৰ। তৃণ আৰু গুল্মৰে পৰিপূৰ্ণ এই ৰাজ্যখনক সেইবাবে সেউজী অসম আখ্যা দিয়া হয়। পুণ্যভূমি ভাৰতৰ পূৰ্বাঞ্চলত অৱস্থিত আটাইকেইখন চুবুৰীয়া ৰাজ্যৰ মাটি-পানী আৰু জলবায়ুৰ অনুকূল পৰিৱেশে নানা প্ৰকাৰৰ বিচিত্ৰ উদ্ভিদ ধাৰণ কৰি অপূৰ্ব অভিলেখৰ সৃষ্টি কৰিছে। উদ্ভিদবিদ্ বিজ্ঞানীসকলে ক'ব খোজে যে পৃথিৱীখনৰ উপৰিভাগত যিমানবিলাক উদ্ভিদৰ জাত আৰু অন্যান্য প্ৰাকৃতিক সম্পদ বিৰাজমান হৈ সৃষ্টিৰ মহিমা ঘোষণা কৰিছে সেই আটাইবিলাকৰ ভিতৰত সৰ্ববৃহৎ পৰিমাণৰ উদ্ভিদ গ্ৰীষ্ম-মণ্ডলীয় আৰু উপ-গ্ৰীষ্মমণ্ডলীয় ভূ-ভাগে ধাৰণ কৰি আছে। সেইকাৰণে এই অঞ্চলবিলাকে বহন কৰি থকা বৃক্ষ সমাজে গোটেই পৃথিৱীতে এখন উল্লেখনীয় আসন অধিকাৰ কৰিব পাৰিছে। এই দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিবেচনা কৰি চাই প্ৰকৃতিবিদ আৰু প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণকামী ব্যক্তিসকলে এই ভূ-খণ্ডত স্বাভাৱিকতে উৎপন্ন হোৱা উদ্ভিদ সমাজক সংৰক্ষণ কৰাত অধিক গুৰুত্ব আৰোপ কৰিছে। মাটি-পানী আৰু অনু-জলবায়ুৰদ্বাৰা প্ৰভাৱান্বিত অসমৰ বৃক্ষ-সমাজে যি বিতৰণ-পদ্ধতি অনুসৰণ কৰিছে সেই পদ্ধতিক ভিত্তি কৰি উদ্ভিদবিদ্ তথা বনবিদ পণ্ডিতসকলে অসমখনক তিনিটা মৌলিক ভাগত ভাগ কৰিছে। থাউকতে এই তিনিটা ভাগক—**উজনি অসম, মধ্য অসম আৰু নামনি অসমত** থকা স্বভাৱজাত বনভূমিবিলাকে নিৰূপণ কৰিছে। উজনি অসম খণ্ডত হেলোং, শলখ, নাহৰ আদি চিৰহৰিৎ গোষ্ঠীৰ বৃক্ষ সমাজে প্ৰাধান্য লাভ কৰিছে। নানাবিধৰ তৃণ-তৰু-লতাৰে ঠাহ খাই থকা এই অঞ্চলৰ হাবি-বননিবিলাকক সেইবাবে চিৰহৰিৎ বনাঞ্চলৰ আখ্যা দিয়া হৈছে। মধ্য অসমত বিস্তৃতি লাভ কৰি থকা গছ-গছনিবিলাকৰ ভিতৰত কিছুমানে চিৰহৰিৎ আৰু আন কিছুমান গছে পৰ্ণপাতী ৰূপত আত্মপ্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। সেইবাবে এই অঞ্চলত স্বাভাৱিকতে উৎপত্তি হোৱা বনাঞ্চলবিলাকক অৰ্দ্ধ-চিৰহৰিৎ (semi-evergreen) বনৰ আখ্যা দিয়া হয়। বছৰৰ এটা ঋতুত সম্পূৰ্ণভাৱে পৰ্ণপাতী গছ (Decidious) বুলি অভিহিত কৰা হয়। উভয় গোষ্ঠী গছৰ সংমিশ্ৰণত যিবিলাক বনভূমিৰ সৃষ্টি হৈছে সেইবিলাকক অৰ্দ্ধ চিৰহৰিৎ (Semi-evergreen) বনাঞ্চল বুলি কোৱা হয়। অৱশ্যে চিৰহৰিৎ বনাঞ্চলবিলাকতো কেতিয়াবা কেতিয়াবা দুই-চাৰি বিধৰ অৰ্দ্ধ-চিৰহৰিৎ গছৰ উৎপত্তি হোৱা দেখিবলৈ

পোৱা যায়। মধ্য অসমত উৎকৰ্ষ লাভ কৰি থকা পৰ্ণপাতী গছবিলাকৰ ভিতৰত শাল, বগীপমা চাম, শিমলু আদি মূল্যবান গছৰ নাম বিশেষভাৱে উল্লেখ কৰিব পৰা যায়। উত্তৰপাৰৰ হাবি-বননিবিলাকে ওপৰত উল্লেখ কৰা দুয়োবিধ বনাঞ্চলক স্থানীয়ভাৱে প্ৰতিনিধিত্ব কৰা পৰিলক্ষিত হৈছে।

নামনি অসমৰ বিভিন্ন ঠাইত যিবিলাক গছ-গছনি স্থানীয়ভাৱে থুপ খাই খাই বিকাশ লাভ কৰিছে সেইবিলাকৰ সৰহ ভাগৰেই গোটেইবোৰ পাত জাৰকালি মাটিত সৰি সৰি পৰাৰ বাবে গছবোৰ পত্ৰহীন লঠঙা হৈ পৰে। শালজাতীয় গছবিলাকে এই অঞ্চলৰ ব্যাপক এলেকা অধিকাৰ কৰি আছে। বসন্ত কাল আহি পোৱাৰ উমান পালে এই গছ-গছনিবিলাকে নতুন পাত আৰু কুঁহিপাতৰ পোহাৰ মেলি অপৰূপ সৌন্দৰ্যৰ সৃষ্টি কৰে। এই গছবিলাকক পৰ্ণপাতী নামেৰে পৰিচিত কৰি এনে গছ-গছনি ধাৰণ কৰা হাবিবিলাকক পৰ্ণপাতী বনাঞ্চল (Decidious forests) বুলি কোৱা হয়।

প্ৰজাতি অনুযায়ী এই গছ-গছনিবিলাকৰ ৰূপৰেখা বৰ্ণনা থকা পুথি আমাৰ ভাষাত এতিয়ালৈকে ওলোৱাৰ কথা জনা নাযায়। সেইবাবে এনে ধৰণৰ এখন পুথি সংকলন কৰাটো আমাৰ বাবে একান্ত প্ৰয়োজনীয় হৈ পৰিছে বুলি ক'ব পাৰি।

ডিফুত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ঐতিহাসিক অধিবেশনলৈ যাওঁতে কেইজনমান সাহিত্যসেৱী বন্ধুৱে অভিমত প্ৰকাশ কৰি কৈছিল যে আমাৰ ভাষাত গছ-গছনিবিলাকৰ বৰ্ণনা থকা এখন পুথিৰ অভাৱ অনুভৱ কৰা হৈছে। ডিফু কলেজৰ অধ্যক্ষ শ্ৰীজিতেন্দ্ৰ নাথ নেওগৰ কাৰ্যালয় কক্ষ আৰু তেওঁৰ বাসভৱনতো এইবিলাক বিষয় অনানুষ্ঠনিকভাৱে আলোচনা কৰা হৈছিল। শ্ৰীনেওগ ডাঙৰীয়াই এই কাম হাতত ল'বলৈ বুলি মোকেই অনুৰোধ কৰিছিল।

অধিবেশনৰ অন্তত ডিফু এৰি শ্বিলং অভিমুখে যাত্ৰা কৰিলো। শ্বিলং আহি পোৱাৰ কিছুদিনৰ পাছতে অসমৰ গছ-গছনিবোৰৰ বৰ্ণনা থকা এখন পুথি লিখাৰ কাম আৰম্ভ কৰিবলৈ মন স্থিৰ কৰিলো। লগে লগে কাম আৰম্ভ কৰি পেলালো। কাম আৰম্ভ কৰাৰ কিছুদিনৰ পাছতহে উপলব্ধি কৰিব পাৰিলো যে এই কাম মই ভবাৰদৰে সহজ নহয়। কাৰণ বনাঞ্চলবিলাকৰ মাজত স্বাভাৱিকতে উৎপন্ন হোৱা বহুতো গছ-গছনিৰ অসমীয়া নাম বিচাৰি পোৱা টান। তদুপৰি অসম আৰু পূৰ্বাঞ্চলত থকা গছ-গছনিবিলাকৰ বৰ্ণনা দিবলৈ গ'লে কেৱল বনাঞ্চলবিলাকৰ অন্তৰ্গত থকা গছ-গছনিবিলাকতে আবদ্ধ থাকি সংকলন-কাৰ্য সম্পাদন কৰিলে বিষয়টো অসম্পূৰ্ণ হৈয়ে থাকি যাব। আজিকালি বনৰীয়া (হাবি-বননিত স্বাভাৱিকতে উৎপন্ন হোৱা) আৰু ঘৰচীয়া (মানুহে বাৰীত লগাই দি প্ৰতিপালন কৰা) গছবোৰৰ মাজত থকা

ব্যৱধান লাহে লাহে সঙ্কুচিত হৈ আহিবলৈ আৰম্ভ কৰিছে। সামাজিক বনানীকৰণৰ নতুন ভাবধাৰা প্ৰবৰ্তন কৰি বনবিভাগে আলি-পদূলিৰ কাষে-পাঁজৰে আৰু অন্যান্য ৰাজহুৱা অথবা ব্যক্তিগত মাটিত ব্যাপকভাৱে বৃক্ষৰোপণৰ প্ৰগতিমূলক আঁচনি হাতত লোৱাত এই ব্যৱধানৰ মাত্ৰা সৰ্বনিম্নলৈ নামি অহাৰ উপক্ৰম পৰিদৃষ্ট হৈছে।

এই সুযোগতে মোৰ পূৰ্বসূৰী কেইজনমান স্বনামধন্য ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলো। পূৰ্বৰ অবিভাজিত বৰ অসমত বিৰাজ কৰি থকা সমুদায়, বৃক্ষৰাজি আৰু তৃণ-তৰু-লতা সমন্বিতে সমস্ত উদ্ভিদৰ বৰ্ণনা লিপিবদ্ধ কৰি Flora of Assam নামৰ এখন কালজয়ী গ্ৰন্থ উনৈশ শতিকাৰ প্ৰথম অৰ্দ্ধশতাব্দীত প্ৰকাশিত হৈছিল। যিকেইজন প্ৰাতঃস্মৰণীয় প্ৰাক্তন বনবিষয়াই স্বইচ্ছাৰে বহু পৰিশ্ৰমৰ বিনিময়ত পাঁচটা খণ্ডত এই গ্ৰন্থখন প্ৰকাশ কৰি থৈ গৈছে তেওঁলোক আমাৰ আটাইৰে ধন্যবাদাৰ্হ। সেই কেইজন স্বনামধন্য ব্যক্তি হ'ল ক্ৰমে ডেপুটি কনজাৰভেটৰ উপেন্দ্ৰনাথ কাঞ্জিলাল আৰু তেওঁ সুযোগ্য পুত্ৰ তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন বনবিষয়া পি. চি. কাঞ্জিলাল। সোণত সুৱগা চৰোৱাৰ দৰে প্ৰাক্তন বনবিষয়া এ. এন. দাস আৰু এম. এল.বোৰ এওঁলোকৰ সহযোগী আছিল। এওঁলোকৰ যৌথ প্ৰচেষ্টাত সংকলিত হোৱা তথ্যসমৃদ্ধ গ্ৰন্থৰ পাঁচোটা খণ্ড অসম চৰকাৰৰ সৌজন্যত ১৯৩৪ চনৰ পৰা ১৯৫০ চনত প্ৰকাশিত হৈছিল।

উল্লেখ্য যে ইতিমধ্যে অসমলৈ বহু প্ৰজাতি বৃহৎ আকাৰৰ গছ, আলংকাৰিক ঋতুধৰ্মী ফুল গছৰ আমদানি হোৱাত অসমৰ উদ্ভিদ জগতলৈ বহু পৰিৱৰ্তন আহিল। সদ্যহতে অসমীয়া মাধ্যমত যুগুত কৰা এই পুথিত খণ্ড খণ্ডৰ আধাৰত সকলো উদ্ভিদক পাৰ্যমানে স্থান দিবৰ বাবে প্ৰয়াস কৰা হৈছে।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উদ্ভিদতত্ত্ব বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক নৃপেন্দ্ৰনাথ ডেকাদেৱে মোৰ অনুৰোধ ক্ৰমে পুথিখনৰ পাণ্ডুলিপি পৰীক্ষা কৰি দিছে।

অসম প্ৰকাশন পৰিষদৰ সুযোগ্য সচিব মাননীয় ড° ৰফিকুজ জামানদেৱ আৰু সহকাৰী সচিব শ্ৰীযুত দিলীপ কুমাৰ দত্তদেৱে পুথিখন প্ৰকাশৰ দায়িত্বভাৰ গ্ৰহণ কৰাত দুয়োজন ব্যক্তিলৈ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ এই পুথিখনৰ দ্বাৰা অসমৰ চহা পণ্ডিত সকলো ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী কিঞ্চিৎমান উপকৃত হ'লে মোৰ এই বৃদ্ধ বয়সৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিব পাৰিম।

গুৱাহাটী-৭৮১০২৪ ফটিক চন্দ্ৰ গগৈ

শিৰীষ সেউতী তমাল মালতী
লবংগ বাগি গুলাল
কৰবীৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাঙে ডাল।

— শঙ্কৰদেৱ

সূচীপত্ৰ

ভলুকা বাঁহ	১	চিত্ৰনলা	১৩
মোকাল বাঁহ	১	মেগেলা	১৪
কোটোহা বাঁহ	২	মাদুৰি	১৪
বিজুলি বাঁহ	২	খাগৰি	১৪
জোপোহা বাঁহ	৩	বিৰিণা	১৫
হালধীয়া বাঁহ	৩	ববচা বন	১৫
জাতি বাঁহ	৪	কোৱামণি	১৬
কাক বাঁহ	৫	চেঁচোৰ	১৬
বৰুৱা বাঁহ	৫	কেঁহেৰু	১৬
মুলি বাঁহ	৬	বনগুটি	১৭
দলৌ বাঁহ	৭	কেঞাবন	১৭
বজাল বাঁহ	৭	ধান	১৮
কালিচুন্দি বাঁহ	৮	বাওধান	১৮
ইকৰা	৮	দুবৰি বন	১৯
গোমধান	৯	দলঘাঁহ	১৯
বাওনা বাঁহ	৯	বাঁহপতীয়া ঘাঁহ	১৯
শ্যাম বাঁহ	৯	তামোল	২০
পুছা জায়েণ্ট হাইব্ৰিদ নেপিয়াৰ ঘাঁহ	১০	চেৰাগছ	২১
গোৱাটেমালা ঘাঁহ	১০	নাৰিকল	২১
উলুখেৰ	১০	গেৰেগুৱা তামোল	২২
কহুঁৱা	১১	মামৈ তামোল	২৩
গান্ধ বিৰিণা	১১	বটল পাম	২৩
কুঁহিয়াৰ	১২	তাল	২৪
মুৰফুলা বন	১২	খেজুৰ	২৪
ছাতি পাতা ঘাঁহ	১৩	গঠীয়া খেজুৰ	২৫

টকৌ গছ	২৬	মাধবী লতা	৪১
জাপি পাত	২৬	মাধবী লতা	৪১
থাল্‌জি মুঢ়া	২৭	ডোদোনিয়া	৪২
জাতিবেত	২৭	বনলিচু	৪২
তিতা বেত	২৮	মণিছাল	৪৩
ৰাইডাং বেত	২৯	ৰমণ বিহ	৪৩
লেজাই বেত	২৯	লিচু	৪৪
গোল্লা বেত	৩০	অমৰা	৪৪
সৌকা বেত	৩০	আম	৪৫
চুন্দি বেত	৩১	কাজু-বাদাম	৪৬
জেং	৩১	জীয়া পমা	৪৬
হিলজাতি	৩২	ধিনদৌ-বাগৰি লতা	৪৭
ওৱাহিং বেত	৩২	নগা-টেঙা	৪৭
সৰল গছ	৩৩	লক্ষী আম	৪৮
জাপানী সৰল	৩৩	ভেলা গছ	৪৮
কুকি	৩৪	অপৰাজিতা	৪৯
আৰাকৰিয়া	৩৫	আওছা	৪৯
থুজা	৩৫	উৰচি	৫০
থুজা (২য় বিধ)	৩৬	উৰহি	৫০
কাউৰী পাইন	৩৬	উলুচা	৫১
কেজুৰিণা বা বিলাতী ঝাও	৩৭	কৰচ্‌	৫২
বগৰী	৩৭	কুহিলা	৫২
আহিনা	৩৮	ক'লা মাহ	৫৩
কুকুৰা-ঠেঙীয়া	৩৮	গছ বিয়নী-সাবটা	৫৩
পানী লতা	৩৯	ঘন্টা কৰণ	৫৩
আঠুভঙা	৩৯	চয়া মাহ	৫৪
হাড় যোৰা	৪০	চিচু	৫৪
পুনলি ফুল	৪০	ছালি	৫৫

টেলিগ্ৰাফ্ প্লেণ্ট	৫৫	তেঁতেলি	৬৯
পলাশ	৫৬	দেও-জখলা	৭০
পিং	৫৬	বন মেদেলুৱা	৭০
পেল্‌টোফৰম	৫৭	বাঘ-আঁচোৰা	৭১
ফৰাছ	৫৭	মৰই	৭১
বক ফুল	৫৮	মাকই চপা	৭২
বগা-মেদেলুৱা	৫৮	নাক-কাটি-লোৱা	৭২
বাগী	৫৯	ৰাধা-চূড়া	৭৩
বান্দৰ কেঁকোৱা	৬০	লেটা গুটি	৭৩
বুট	৬০	সৰু কৃষ্ণচূড়া	৭৪
বিয়নী সাবটা	৬১	সোণাৰু	৭৪
মগুমাহ	৬১	হণ্টটেঙা	৭৫
মটৰমাহ	৬২	হালধীয়া মেদেলুৱা	৭৫
মদাৰ	৬২	অষ্ট্ৰেলিয়াৰ একেছিয়া	৭৬
মাখিলতি	৬২	কণীবিহ	৭৬
মাখিয়তী	৬৩	কৰৈ	৭৭
মাটি মাহ	৬৩	কুঁচিয়া কাঁইট	৭৭
মেদেলুৱা	৬৪	খৈৰ একেছিয়া	৭৮
ৰহৰ	৬৪	ঘিলা লতা	৭৮
লাতুৰ মণি	৬৫	চ-গছ	৭৯
লেছেৰা মাহ	৬৫	তৰুৱা কদম	৭৯
ডাংবড়ি	৬৬	বাবুল একেছিয়া	৮০
হাতী-বন্ধা লতা	৬৬	মক্কা তেঁতেলি	৮১
অশোক	৬৭	মজ	৮১
কটৰা	৬৭	মণিপুৰী উৰহি	৮২
কাঞ্চন	৬৮	চেন্নাই কাঁটা	৮২
কৃষ্ণ চূড়া	৬৮	নিলাজী বন	৮৩
খৰপতা	৬৯	ওৱাট্‌ল	৮৩

হিহাঙ্ক	৮৪
চজিনা	৮৪
চিলভাৰ অ'ক	৮৫
আপেল	৮৫
আহোম বগৰী	৮৬
গোলাপ ফুল	৮৬
জেটুলি পকা	৮৭
থেৰেজু	৮৭
নগা-জেজেৰু	৮৮
নৰা বগৰী	৮৮
নাচপাতি	৮৯
বগা গোলাপ	৮৯
ৰঙা গোলাপ	৮৯
লতা গোলাপ	৯০
থেকেৰা মাহী	৯০
অর্জুন	৯১
পাট কুহিৰ	৯১
ধোৱালতা	৯২
নাহৰ লতা	৯২
ভোমোৰা	৯৩
মালতী	৯৩
শলখ	৯৪
শলখ লতা	৯৪
শিলিখা	৯৫
ইউকেলিপ্টছ (১ম বিধ)	৯৬
কোঁটাহি জামু	৯৭
গোলাপী জামু	৯৮
বগী জামু	৯৮
বটল বুৰুজ	৯৯
বৰ জামু	৯৯
মধুৰি আম	১০০
লং	১০০
কুণ্ডী	১০১
কেনন বল	১০১
হিজল	১০২
কাকৈ-চেৰা	১০২
গছ ফুটকলা	১০২
ফুটকলা	১০৩
বগা ফুটকলা	১০৩
বগী টেঙা	১০৪
বিলাতী ফুট্কলা	১০৪
ৰঙা ফুটকলা	১০৫
লতা ফুটকলা	১০৫
আজাৰ জাৰুল	১০৬
খোকন	১০৭
চিদা	১০৭
জেতুকা	১০৮
ডালিম	১০৮
পাৰুল তমাল	১০৯
পানী শিঙৰি	১০৯
কথবেল	১০৯
কৰণি ফুল	১১০
মেৰা	১১০
কুৱাচ	১১০
কেৰেলা	১১১
কোমোৰা	১১১

কোৱা-ভাতুৰি	১১২	সৰু মানিমুনি	১২৫
চাল-কোমোৰা	১১৩	গাহৰি চপা (২য় বিধ)	১২৬
ছিঁৰাল	১১৩	আকাল বিহ	১২৬
জাতি লাও	১১৪	ইপিকেক্	১২৬
জিকা	১১৪	কফি	১২৭
টিয়হ	১১৫	কঠনা ফুল	১২৭
তৰমুজ	১১৫	কদম	১২৮
ধুন্দুলি	১১৬	কাকৈচিৰা	১২৮
বাঙি	১১৬	কেতকুৰা	১২৯
ভাত কেৰেলা	১১৭	চিন্‌কনা	১৩০
ভোল লুফা	১১৭	তিতা	১৩০
ৰঙালাও	১১৮	তিমি	১৩০
ভেলেউ	১১৮	পাদুৰী লতা	১৩১
খ্ৰীষ্ট্মাছ কেক্‌টাছ	১১৯	পানী কদম	১৩১
নাগফনা	১১৯	পুলি কাঁইট	১৩২
নাগফেণী	১২০	বনবেঙেনা	১৩২
বৰ সিজু	১২০	বন থেৰেজু	১৩৩
বল কেক্‌টাছ	১২০	বিহমনা	১৩৩
ৰাতিৰ ৰাণী	১২১	ভেদেলি লতা	১৩৪
ৰাতিৰ ৰাণী	১২১	মুছেন্দা	১৩৪
সিজু	১২২	মুছেন্দা বা সোণাৰুপা মুছেন্দা	১৩৫
গাজৰ	১২৩	সৰু মইন	১৩৫
চফ্	১২৩	হালধি চঁপা	১৩৬
জীৰা	১২৩	হাতী কেৰেপা	১৩৬
বৰ মানিমুনি	১২৪	বিষা কুলিয়া	১৩৭
মান-ধনিয়া	১২৪	দীঘলপতীয়া	১৩৭
মানিমুনি	১২৫	ফিলোডেন্দ্ৰন	১৩৮
মেমেধু	১২৫	আৰোহী	১৩৮

মনষ্টেৰা	১৩৮	ক্লাব মচ	১৪৮
ৰঙা কচু বা সেন্দুৰী কচু	১৩৯	ৰঙা মেকুৰী-নেজীয়া	১৪৯
বগা কচু	১৩৯	মুকুট কাঁটা	১৪৯
মান কচু	১৩৯	পৰটোলাকা	১৪৯
কচু	১৪০	গাধ-নেজীয়া	১৫০
পদ্মকচু	১৪১	চুইটপি ফুলাম মটৰমাহ	১৫০
দহিকচু	১৪১	মকৰা ফুল	১৫০
পানীকচু	১৪২	কাঁহীপতীয়া ভেট	১৫০
কলীয়া কচু	১৪২	বিহমেটেকা	১৫১
ইটালীয় কচু	১৪২	মেটেকা বা পানী মেটেকা	১৫১
ওল কচু	১৪৩	পদুম ফুল	১৫১
বগাফুলীয়া কচু	১৪৩	সুগন্ধী ভেটফুল	১৫১
বিগনিয়া	১৪৩	নীলোৎপল বা নীলাভেটফুল	১৫২
বহলপতীয়া ঢেঁকীয়া	১৪৩	ৰঙাভেট বা ৰক্ত উৎপল	১৫২
ফিট'নিয়া	১৪৪	সৰু ভেটফুল	১৫২
বিগনিয়া	১৪৪	বাগান বিলাস	১৫৩
মাৰাণ্টা	১৪৪	জিনাৰি	১৫৩
বিগনিয়া	১৪৫	পপ্লাৰ পপোলাচ	১৫৪
ৰংচঙীয়া	১৪৫	বন তিল	১৫৪
সৰু ৰংচঙীয়া পাণৰ মাহী	১৪৬	জিলমিল	১৫৪
গাইনুৰা	১৪৬	স্পিডি জেনি	১৫৪
বাঘ লিলি	১৪৬	বৰ্হমথুৰি	১৫৫
এমেৰিলিছ লিলি	১৪৬	উলটি হুত	১৫৫
ফেয়াৰি লিলি	১৪৭	বগা ফুটকলা	১৫৫
বাৰবাদছ লিলি	১৪৭	বগৰী	১৫৬
কমলা লিলি	১৪৭	বন-বগৰী	১৫৬
নাহৰফুটুকী ফুল	১৪৮	বিলাতী বগৰী	১৫৬
খ্রিম্পা প্লেন্ট	১৪৮	ৰিহা বা ৰেমি	১৫৬

ফাকডেমা	১৫৭	পিপলি	১৬৮
চীনা ছাতি	১৫৭	মোবা আলু	১৬৯
তিতা বাহক	১৫৮	পাঁচপতীয়া আলু	১৬৯
বন আমলখি	১৫৮	গঠীয়া আলু	১৭০
টোলঠা পকা	১৫৮	চীনা আলু	১৭০
বন সৰিয়হ	১৫৮	কাঠ আলু	১৭১
বেল লাও	১৫৯	ভূমিচম্পা	১৭১
জেফিৰ লিলি	১৫৯	তৰা	১৭২
ভেদাই লতা	১৫৯	আদা	১৭২
আমচৈ	১৬০	মৰাণ আদা	১৭৩
অমিতা	১৬০	জংগলী আদা	১৭৩
মাটি-কঁঠাল বা আনাৰস	১৬১	হালধি	১৭৩
কেএৰাকঁঠাল	১৬১	কেতুৰি হালধি	১৭৪
বাঘলিলি	১৬২	কৰ্ফুল	১৭৪
জেব্ৰা গছ	১৬২	স্বৰ্ণকান্তি ফুল	১৭৪
শ্ৰিম্প প্লেণ্ট	১৬৩	কৃষ্ণ চুড়া	১৭৫
কাৰনেচন	১৬৩	জেতুকা	১৭৫
তৰোৱাল পতীয়া টেঁকীয়া	১৬৪	চোৰাত	১৭৫
বচ	১৬৪	হাতী চোৰাত	১৭৬
ডাম্ব কেইন	১৬৫	সৰু চোৰাত	১৭৬
ফুটুকীয়া	১৬৫	যম লাখটি	১৭৬
মছুন্দৰী	১৬৫	পান্থতৰু	১৭৭
পাণ	১৬৬	চীনা বাদাম	১৭৭
আউনি পাণ	১৬৬	আগৰা	১৭৮
গান পাণ	১৬৭	মানুহ কটা ফুল	১৭৯
চৈ পাণ	১৬৭	সৰ্পগন্ধী	১৭৯
জালুক	১৬৮	ইষ্টাৰ লিলি	১৮০
পেপেৰেমিয়া	১৬৮	গ্ৰোৱি লিলি	১৮০

এম্ফোৰিয়াম	১৮১	চেনিচম্পা	১৯১
শ্যামা কচু	১৮১	গকুল ধুপ	১৯১
বৰপুণি পিন্তিয়া	১৮২	গংগা বেনা	১৯১
আঁকাবিকা	১৮২	শিয়ালনেজীয়া বন	১৯১
কলগছ	১৮৩	শিয়ালনেজীয়া	১৯২
ভীমকল	১৮৩	পানী কটালী	১৯২
মালভোগ কল	১৮৪	যখিনী লতা	১৯২
চেনিচম্পা কল	১৮৪	মৰশাল	১৯৩
মনোহৰ কল	১৮৫	এগ্লাউমা	১৯৩
জাহাজী কল	১৮৫	এগ্লাউমা	১৯৩
বৰতমণি কল	১৮৫	ত্রিৰংগ পতীয়া আঠাবড়	১৯৩
পুৰা কল	১৮৬	আঠাবড় বা ৰবৰ গছ	১৯৪
দীগ্জোৰা কল	১৮৬	মাৰাণ্টা	১৯৪
জাতি কল	১৮৬	সোণ বৰিয়ল	১৯৪
বনকল	১৮৭	লাভেন্দাৰ কটন	১৯৫
সৰগ মোহিনী ফুল	১৮৭	সৰু সূৰ্যকান্তি ফুল	১৯৫
পাৰ্টিদে	১৮৮	প্রবাল ফুল	১৯৫
কুকুৰা জঁ	১৮৮	আইভি জেৰানিয়ম	১৯৫
কুকুৰা জ	১৮৮	ফুছিয়া	১৯৬
মৌ সিতা	১৮৯	প্লেনটেইন লিলি	১৯৬
গঁঠীয়া কবি	১৮৯	সাধাৰণ কেমেলিয়া	১৯৬
বৰ হাইটা	১৮৯	পখিলা ফুল	১৯৭
মৌ শিলিখা	১৮৯	ৰঙা শিৰীষ	১৯৭
মৰ কুহি	১৮৯	ৰাণী বাবুল	১৯৭
চিৰঞ্জীয়া	১৯০	গুজমাণিয়া	১৯৭
দেৱী	১৯০	গম আৰবীয় বাবুল	১৯৮
পতংগ	১৯০	বাওবাব	১৯৮
মাছ কটা	১৯০	বগা ডামাৰ	১৯৮

মালিনা শন	১৯৮	গোলাপী ৰঙৰ ফুলধৰা কানা	২০৪
কৰ্ণ কৰুল	১৯৮	গকুল ধূপ	২০৪
পেৰা পেটাৰি	১৯৮	গংগাবেনা	২০৪
লাতুমণি	১৯৯	কুহুম ফুল	২০৫
বাবুল	১৯৯	লতা	২০৫
কেছেৰি কাঁইট	১৯৯	কুন্তী	২০৫
কেছাই লতা	১৯৯	বগা জিৰা	২০৫
কেছাই লতা	১৯৯	জনি	২০৬
বিলাতী শন	২০০	ৰান্ধনি	২০৬
মতাভেলা	২০০	বন কেচেৰু	২০৬
টাং গছ	২০০	খৰপাট	২০৬
কনৰু	২০০	ৰঙা সোণাৰু	২০৬
ভোজপত্ৰ	২০১	গৰীয়া আলু	২০৭
ভোজপত্ৰ	২০১	বান্দৰ লাখুটি	২০৭
ধুপা পাৰলি	২০১	মেদেলুৱা	২০৭
জৰঠ	২০১	বিলখনি	২০৭
বৰ কাছিদৰিয়া	২০২	আকাশীলতা	২০৭
সৰু কাছিদৰিয়া	২০২	বৰ শিঙৰি	২০৮
বৰ হাইটা	২০২	সৰু শিঙৰি	২০৮
পাটকুহিৰ	২০২	সাধাৰণ শিঙৰি গছ	২০৮
টিকনি বৰুৱা লতা	২০২	ফুল শিঙৰি	২০৮
পাতাং বা পাতাংগাকা	২০৩	কেজুৰিণা	২০৮
মাছ কটা	২০৩	জাতিপমা বা ফুটা পমা	২০৯
টংলটি	২০৩	জাতিপমা	২০৯
চেনিচম্পা বা নাগচম্পা ফুল	২০৩	বগা শিমলু	২০৯
কানা ফুল	২০৩	কুনকুনি লতা	২০৯
হালধীয়া ফুল	২০৪	মৌসিতা	২০৯
ৰঙা ফুলধৰা	২০৪	মিঠা চকলা টেঙা	২১০

পাণ মুহুৰি	২১০
বগা ভোটমলা	২১০
ব্ৰহ্মজাস্থি	২১১
বনজুই	২১১
কণা শিমলু	২১১
সোণালী লতা	২১১
প্ৰভাত সুন্দৰী	২১২
খৰিকাজাঁই	২১২
শংখমালা	২১২
গুটিমালি	২১২
ঘুগুলি	২১৩
সোণটিলতা	২১৩
মৰাপাট	২১৩
মিঠা মৰাপাট	২১৩
মিঠা মৰাপাট	২১৩
ডুমুনি বোৱাল	২১৪
কতৰা	২১৪
মহিদল	২১৪
বীনালাও	২১৪
বন নহৰু	২১৪
বন নহৰু	২১৫
মাটি কেচেৰু	২১৫
শণ বা শণসুতা	২১৫
ঘণ্টাকৰ্ণ	২১৫
ঘণ্টাকৰ্ণ	২১৫
জুনজুনিয়া	২১৬
লতা মাহুদি	২১৬
মাহুদি বনজুই	২১৬
কণি বিহ	২১৬
আমাদা হালধি	২১৬
কেতুৰি হালধি	২১৭
বন হালধি বা বনৰীয়া হালধি	২১৭
ক'লা হালধি	২১৭
খোৱা হালধি	২১৮
একাংগি হালধি	২১৮
গান্ধ বিৰিণা	২১৮
গান্ধ বিৰিণা	২১৮
গান্ধ বিৰিণা	২১৯
চিত্ৰনলা	২১৯
হাড় কটা বন	২১৯
মুথা	২১৯
বৰ মেদেলুৱা বা মৌ সিতা	২২০
ফলচ্ এৰেলিয়া	২২০
দাঁত বিজলা বা গাৰো দেওশাল	২২০
লালেং ছালি	২২১
পোহাৰী লতা	২২১
মাটোকা টোকা	২২১
ছালাপাৰনি	২২১
বনচন্দন	২২১
উলুচা	২২২
তেলী গৰ্জন	২২২
আম চেলেংগা বা আমচিয়া	২২২
ৰূপ চক্লা	২২২
লাই জাবৰি	২২২
কাটা কাঁইট	২২৩
গেৰেলা চপা	২২৩

মৰুৱা ফুল	২২৩	কাছিদৈয়া	২২৮
শিলপমা	২২৩	জুনকা ফুল	২২৯
হেলঞ্চি শাক	২২৩	হাতী চোৰা	২২৯
বনকপাহ	২২৪	গোল নাৰগিছ	২২৯
পছ শিঙীয়া ঢেঁকীয়া	২২৪	অনন্তমূল	২২৯
শ্ৰীফল	২২৪	গৰখীয়া কড়াই	২২৯
হিং	২২৪	মেচেকা টেঙা বা টেঙামৰা	২৩০
বিহ শশী	২২৪	পছ	২৩০
পানী কলা	২২৫	থল পদুম	২৩০
মাইফাক	২২৫	ভোলা	২৩০
বাঘ চিৰতা	২২৫	থেবন লতা	২৩১
বনপনিয়ল	২২৫	হিল কদম	২৩১
চফগুটি	২২৫	যৱধান	২৩১
বিলাতী টেপৰ	২২৬	বাঘ নখী	২৩১
চচপা টেঙা	২২৬	গছ ইলাছি	২৩১
সৰু চোৰাত	২২৬	বনমেথী	২৩২
কুকুৰ চোৰাত	২২৬	হেংগুনীয়া বনপচলা	২৩২
পানী চিটিকি	২২৬	থৌ থৌৰা	২৩২
গৰু মৰা	২২৬	বন মৰা	২৩২
টোলোঠা পকা বা হেঙেনা পকা	২২৭	বেলি পোকা	২৩২
কপাহী বন	২২৭	পদিনা	২৩৩
দেওকপাহ	২২৭	পদিনা	২৩৩
জৰপাত	২২৭	বন পদিন	২৩৩
মন বিজুল	২২৭	কলীয়া লতা	২৩৩
কুকুৰ সুতা	২২৮	চাগু গছ	২৩৩
চৌৰা বা থৌৰা ফুহুৰা	২২৮	মাইকেনিয়া	২৩৪
কাউৰী কৰলা	২২৮	বন পনিয়ল	২৩৪
ৰঙা ভোটমলা	২২৮	শংখমালা	২৩৪

স্বৰ্ণ মালতী	২৩৪	ৰঙা এগেচিটা	২৪০
ডোবামালি	২৩৪	বগা এগেচিটা	২৪০
বঙালী এৰা	২৩৫	বগা গুলছি	২৪০
ৰঙা ভোট এৰা	২৩৫	ৰঙা গুলছি	২৪০
আখৰুট	২৩৫	বহলপতীয়া গুলছি	২৪১
পানী খুতৰা	২৩৫	বৰ বেচু	২৪১
বন জলকীয়া	২৩৫	বাঘ আছোঁৰা	২৪১
জুৰণ বন	২৩৬	মৌ চৰালি	২৪১
চন্দ্ৰমলা	২৩৬	মালভোগ খুতৰা	২৪১
চেঙ্মৰা	২৩৬	পৰ্তুলাকা পৰ্তুলাকা	২৪২
ডাঢ়ি থকা আইৰিছ	২৩৬	বৰালি বুকুৰা	২৪২
জাপানী আইৰিচ	২৩৬	গনিয়ৰি	২৪২
স্পেনীয় আইৰিছ	২৩৭	কাঠ বাদাম	২৪২
কৰ্ণ লিলি	২৩৭	চাৰি সিৰীয়া উৰহি	২৪২
ৰজত ডলাৰ	২৩৭	লতা কস্তুৰী	২৪২
তুলসী	২৩৭	বন মৰলীয়া	২৪৩
বন জালুক	২৩৮	পানী আলু	২৪৩
বন জালুক	২৩৮	পানী আলু	২৪৩
বন ৰিহা	২৩৮	বন মধুৰি	২৪৩
জতৰি ৰিহা	২৩৮	মাজাথি	২৪৩
গন্ধ নিকুলি	২৩৮	জেটুলি পকা	২৪৩
মতা বকুল বিহ	২৩৯	চুকা শাক	২৪৪
কঠলুৰা আঠা গছ	২৩৯	বনৰীয়া চুকা শাক	২৪৪
নিমতিতা	২৩৯	বনৰীয়া শাক	২৪৪
দীঘল পতীয়া সৰল গছ	২৩৯	চুকা শাক	২৪৪
দেওদাৰ সৰল	২৩৯	সোমলতা	২৪৪
ইচপ গোল	২৪০	বৰ কঁহুৱা ঘাঁহ	২৪৪
নীলা এগেচিটা	২৪০	পানী হিজল	২৪৫

কড়া	২৪৫
অশোক গছ	২৪৫
মেছ্যকি	২৪৫
সোমলতা	২৪৫
মাক্রি শাল	২৪৬
টকা গছ	২৪৬
ৰৰগুমুনি	২৪৬
বনজনি	২৪৬
সোণ বৰিয়ল	২৪৬
সৰু সোণ বৰিয়ল	২৪৬
বৰিয়ল	২৪৭
কাটাম পাম	২৪৭
মাখিধৰা গছ	২৪৭
হাতীকণীয়া লতা	২৪৭
ৰঙা কোটাহি-বেঙেনা	২৪৭
কোটাহি—বেঙেনা	২৪৭
বৰ বেঙেনা	২৪৮
খৰুৱা বেঙেনা	২৪৮
ছাগলী শিঙীয়া বেঙেনা	২৪৮
তিতাকুছি	২৪৮
বিহকুলি তিতা	২৪৮
পিৰাজা	২৪৮
খামই টেঙা	২৪৯
মৰিলিয়া শাক	২৪৯
টুবুকি লতা	২৪৯
পাহাৰী তুলা	২৪৯
কাঠ ওডাল	২৪৯
বলিয়া ওডাল	২৫০
নগা বা মতা ভোমলতি	২৫০
টাং টিঙালি	২৫০
ভোমলতি	২৫০
নাৰ্জিফুল	২৫০
জাতি নাৰ্জিফুল	২৫১
চুঙা লতা	২৫১
কুকুহা লতা	২৫১
শগুণি লতা	২৫১
শগুণি লতা	২৫১
ডুমুনি চোৰাত	২৫১
জনি কেৰম	২৫২
ৰাদ্ধনি গছ	২৫২
বন ধুন্দুলি	২৫২
মেথি	২৫২
ঘেঁহু	২৫২
বন অগৰা	২৫৩
পানী লেটেকু	২৫৩
অন্ত মূল	২৫৩
শিয়াল-নেজীয়া	২৫৩
শিয়াল-নেজীয়া	২৫৩
বৰ সোণ বৰিয়ল	২৫৩
পানী কোটালি	২৫৪
গহিংগা	২৫৪
মৰশাল	২৫৪
বনফুল	২৫৪
আহে	২৫৪
পানী অমৰা	২৫৫
চেপেটা লতা	২৫৫

মেজেংগা	২৫৫	ৰাংগল	২৬০
বনৰীয়া খুতৰা	২৫৫	বগা ৰাংগল	২৬০
বাবৰা বন	২৫৫	ৰাংগল	২৬১
গংগাই	২৫৬	বন মালতী বা কাঠ মালতী	২৬১
বিলাতী ৰবৰ	২৫৬	নৱমল্লিকা	২৬১
দলৈ চপা	২৫৬	ধুপা পাৰলি	২৬১
মৰলিয়া গছ	২৫৬	কাউৰী কঁাইট	২৬১
কেতুৰি হালধি	২৫৬	কুচিয়া কঁাইট	২৬২
পানী টেঙেচি	২৫৬	কঁাইটবিহীন লাজুকী বন	২৬২
বাঘ নলা বা হেলুকা	২৫৭	চেটকপৰা	২৬২
তেলী মহুৱা	২৫৭	সৰু ভাতকেৰেলা	২৬২
মিঠা মহুৱা	২৫৭	মেকুৰী ঘিলা	২৬২
চুছিপমা	২৫৭	উৰিধান	২৬২
মাছপুৰা	২৫৭	গংগা তুলসী	২৬৩
টিচি গছ	২৫৮	দুধখুৰি লতা	২৬৩
মেজাংকৰি গছ	২৫৮	বন বকুল	২৬৩
পেটাৰি চাৰা	২৫৮	চন্দ্ৰকান্তি	২৬৩
বন সোঁৱালু	২৫৮	কলমৌ	২৬৩
কঠলুৱা সোঁৱালু	২৫৮	ৰঙা আলু	২৬৪
সোঁৱালু	২৫৮	ফুলকবি	২৬৪
মেকুৰী মাহ	২৫৯	চীনালাই	২৬৪
নগা লিচু বা কাঠ লিচু	২৫৯	ভেগছ	২৬৫
ক'লা জীৰা	২৫৯	চতিয়না	২৬৫
পানী কদম নিচা	২৫৯	মাহী থেকেৰা	২৬৬
বন তুলসী	২৫৯	মেইডেন হেয়াৰ টেঁকীয়া	২৬৬
কলীয়া তুলসী	২৬০	তপাচুলি	২৬৬
ৰাম তুলসী	২৬০	বাদাম গছ	২৬৬
মাধুৰী লতা	২৬০	বন মৰা	২৬৭

চোম	২৬৭	বাবৰি ইন্দ্র মালতী	২৭৯
বনচোম	২৬৮	কচমচ	২৭৯
পাতি সোন্দা	২৬৯	সূৰ্যকান্তি ফুল	২৮০
কফুৰ গছ	২৬৯	বনৰীয়া বেলিফুল	২৮০
ডালচেনি	২৬৯	কেলেন্দুলা	২৮১
নগা ডালচেনি	২৭০	সাধাৰণ চন্দ্ৰ মল্লিকা	২৮১
লং লৱংগ	২৭০	তিনি বৰণীয়া ইন্দ্ৰমালতী	২৮২
তেজপাত	২৭০	গৰু চকুৱা ইন্দ্ৰমালতী	২৮২
গন্ধকবৈ	২৭০	বন কপাহ	২৮৩
নহৰু	২৭১	কেঁহেৰাজ	২৮৩
পিয়াঁজ	২৭১	দেওদাৰু	২৮৪
গ্লোব লিলি বা ব্লাড লিলি	২৭১	এচিয়া মহাদেশীয় পপি	২৮৪
ক্ৰাইনাম লিলি	২৭২	ছালমুগৰা	২৮৪
নৰসিংহ	২৭২	কানি	২৮৫
হিজল	২৭৩	ডাল মুগ্‌ৰা	২৮৫
নেচ্‌টেৰচিয়াম	২৭৩	পনিয়ল	২৮৬
পুৰৈ	২৭৪	ঝাওবন	২৮৬
বৰুণ	২৭৪	ৰূপহী থেকেৰা	২৮৭
সৰ্পগন্ধা	২৭৫	টেপৰ টেঙা	২৮৭
ডালিয়া	২৭৫	শিলিখা	২৮৮
বিনোৱা লতা	২৭৬	মালতী	২৮৮
সাধাৰণ নাৰ্জিফুল	২৭৬	বগা ৰোডদেন্দ্ৰন	২৮৯
আফ্ৰিকীয় নাৰ্জিফুল	২৭৬	বান্দৰ ডিমা	২৮৯
ভমকা ফুলীয়া ইন্দ্ৰমালতী	২৭৭	আমাৰি	২৯০
নাৰ্জিফুলীয়া	২৭৭	ঘোঁৰানিম	২৯০
চন্দ্ৰমল্লিকা বা ইন্দ্ৰমালতী	২৭৮	লালি	২৯১
বগা চন্দ্ৰমল্লিকা বা ইন্দ্ৰমালতী	২৭৮	গেন্ধেলী পমা	২৯১
জিনিয়া	২৭৯	আইঁত	২৯২

জৰিগছ	২৯২
শাল গছ	২৯৩
গর্জন	২৯৪
হোলোং	২৯৪
সৰুপুনি	২৯৫
সোঁৱালু	২৯৫
গন্ধ সৰৈ	২৯৫
চন্দন	২৯৬
অগৰু	২৯৬
নগাভ্ৰে	২৯৭
আতলাচ	২৯৮
চিয়াঁ নাহৰ	২৯৮
ধোবালতা	২৯৯
মেকাহি	২৯৯
মেজাংকৰি	২৯৯
দীঘলতি	৩০০
মেধ	৩০০
গধূলি গোপাল	৩০১
জুটুলি	৩০১
তগৰ	৩০২
কৰবী	৩০২
হালধীয়া কৰবী	৩০৩
তুলসী	৩০৩
বৃন্দাবন	৩০৪
ৰবৰ গছ	৩০৪
বঙালী এৰা	৩০৫
লাল ভোট এৰা	৩০৫
শিমলু আলু	৩০৫
ফুলাম শিমলু আলু	৩০৬
পাতাবাহাৰ	৩০৬
শিমলু	৩০৬
ধুম বইল	৩০৮
ৰোচডদেন্দ্ৰন	৩০৯
সৰু গুমলি	৩০৯
ধনু বন্ধা শন	৩১০
চাহ গছ	৩১০
কেমেলিয়া	৩১০
জুপুৰি চপা	৩১১
বৰ কচু	৩১১
মানকচু	৩১২
পদ্ম কচু	৩১২
সেন্দুৰী কচু বা ৰঙাকচু	৩১২
নগা কচু	৩১৩
এন্থোৰিয়ম	৩১৩
বগা কচু	৩১৩
এগ্লাওমা	৩১৪
ডাম্ব কেইন	৩১৪
ডাম্ব কেইন	৩১৫
বচ্	৩১৫
কৰ্দৈ	৩১৬
টেঙেচি টেঙা বা চাঙেৰী	৩১৬
বৰ টেঙেচি টেঙা	৩১৬
ভেলেউ	৩১৭
মাটি কঁঠাল	৩১৭
কেন্দু	৩১৮
কলিয়ৰি	৩১৮

কেতেকী ফুল	৩১৯	বিলাহী বেঙেনা	৩৩৪
গছ ঢেঁকীয়া	৩১৯	ভেকুৰি	৩৩৪
জৰি গছ	৩২০	হাতী ভেকুৰি	৩৩৫
লতা ডিমৰু	৩২০	সৰিয়হ	৩৩৫
যজ্ঞ ডিমৰু	৩২১	ওলকবি	৩৩৬
টেঙা বড়	৩২১	মেৰলাই	৩৩৬
জৰিবড়	৩২২	মূলা	৩৩৭
লতাজৰি	৩২২	সৰুলাই	৩৩৭
চিলুবড়	৩২৩	বন্ধাকবি	৩৩৮
গেড গোবড়	৩২৩	কেণ্ডিটাফ্ট	৩৩৮
পাখৰি বড়	৩২৪	ডেন্দ্ৰবিয়াম	৩৩৮
আঠা বড়	৩২৪	ডেন্দ্ৰবিয়াম	৩৩৯
কঁঠাল পতীয়া বড়	৩২৫	চিম্বিদিয়াম	৩৪০
কতীয়া ডিমৰু	৩২৬	ফেয়াচ	৩৪০
ধোপাবড়	৩২৬	ৰিংকষ্টাইলিচ ৰেটুচা	৩৪০
খাৰি-পাতি ডিমৰু	৩২৭	ডেন্দ্ৰবিয়াম পাইৰাৰ্দিয়াই	৩৪১
মন ডিমৰু	৩২৭	চিম্বিদিয়াম জাইগানটিয়াম	৩৪১
মৌ ডিমৰু	৩২৮	চিম্বিদিয়াম ডেভনিয়ানাম	৩৪২
নুনি	৩২৮	ব্লু ভেন্দা	৩৪৩
বোলা	৩২৯	সুগন্ধি কপৌ ফুল	৩৪৩
জলকীয়া	৩৩০	ফুলাম কপৌফুল	৩৪৩
কপাল-ফুটা	৩৩১	এলোমিনিয় প্লেণ্ট	৩৪৪
আলুগুটি	৩৩১	নগাহাবি	৩৪৪
পেটুনিয়া	৩৩২	কানা বা সৰ্বজয়া	৩৪৪
বেঙেনা	৩৩২	কলহী গছ	৩৪৪
লাচকচি	৩৩৩	দীঘলতি বা দীগলতি	৩৪৫
গছ বিলাহী	৩৩৩	জেকাৰান্দা	৩৪৫
কেপ্চিকম	৩৩৪	টুটিয়া লফা	৩৪৫

বাঘ আঁছোৰা	৩৪৬	চেগুণ	৩৫৯
গনিয়ৰি	৩৪৬	ব্ৰাহ্মী শাক	৩৬০
পিছলা	৩৪৬	বনপচলা	৩৬০
সুগন্ধি ভোলা	৩৪৬	সৰগ ফুলা	৩৬১
গোলাপী জবা	৩৪৭	বৰপাত	৩৬১
আহৈ	৩৪৭	ৰঘুমলা	৩৬২
পচতীয়া	৩৪৭	ৰঘুমলা	৩৬২
গুফুল	৩৪৮	পথৰুৱা বিহলঙনি	৩৬৩
গহৰা	৩৪৮	মধুসোলেং	৩৬৩
নেফাফু	৩৪৯	মিৰ টেঙা	৩৬৩
ৰঙা ধপাত	৩৫০	ধুনা	৩৬৪
ধপাত তিতা	৩৫০	ঠোটমলা	৩৬৪
পানী শিঙৰি	৩৫১	পুলি কাঁইট	৩৬৫
বল কেকটাছ	৩৫১	এপিকেক	৩৬৬
নাগফেণী	৩৫২	তিতা শোকোতা	৩৬৬
খ্ৰীষ্টমাছ কেকটাছ	৩৫২	চিনকনা	৩৬৭
ৰাতি ফুলা বৰ কেকটাছ	৩৫৩	কেতকুৰা	৩৬৭
নাগফণা	৩৫৩	পানী-কদম	৩৬৮
ৰাতিৰ ৰাণী	৩৫৪	হালধি চপা	৩৬৮
বৰ সিজু	৩৫৫	কফি	৩৬৮
জাতামান্‌ছি	৩৫৫	কাকৈচিৰা	৩৬৯
ভেহ	৩৫৫	কদম বা ৰঘু	৩৬৯
ছালি লতা	৩৫৬	কঠ্‌না ফুল	৩৭০
বৰুণ	৩৫৬	ভেদাই লতা	৩৭০
বৰুণ প্ৰকাৰ	৩৫৭	আকাল বিহ	৩৭১
বৰুণ	৩৫৮	মেহগিনি	৩৭১
বিজি-লিজি	৩৫৮	পমা	৩৭২
ডেমডেউকা	৩৫৯	বগী পমা	৩৭২

সৰু মানিমুনি	৩৭৩	স্থল পদ্ম	৩৮৭
বৰ মানিমুনি	৩৭৩	হলিহক	৩৮৮
চফ্	৩৭৪	এগেৰুৱা	৩৮৮
মান ধনিয়া	৩৭৪	কপাহ	৩৮৯
গাজৰ	৩৭৫	ৰক্ত জবা বা ৰঙা জবা	৩৮৯
ধনিয়া	৩৭৬	বগা জবা ফুল	৩৯০
জিৰা	৩৭৬	লটকন জবা	৩৯১·
সৰ্পগন্ধা	৩৭৬	নীলা ফুল	৩৯১
কৰ্দৈ	৩৭৭	বৰ-মেদেলুৱা	৩৯২
উলুচা	৩৭৮	অঞ্জনিয়া	৩৯২
স্কুৱাছ	৩৭৮	মেকুৰী কেন্দু	৩৯২
জিকা	৩৭৮	কমল উৰহি	৩৯২
টিয়ঁহ	৩৭৯	বগা পলাশ	৩৯৩
তৰমুজ	৩৭৯	মাটি কাটোতা	৩৯৩
ধুন্দুলি	৩৮০	মাটি জাম	৩৯৩
কেৰেলা	৩৮০	বৰ মানিমুনি	৩৯৪
জাতি লাউ	৩৮১	আজাৰ	৩৯৪
ছিৰাল	৩৮২	পাৰুল	৩৯৪
চাল কোমোৰা	৩৮২	চিদা	৩৯৫
কোৱাভাতুৰি	৩৮৩	খোকন	৩৯৫
কোমোৰা	৩৮৩	লতা পলাশ	৩৯৬
টিলিঙা জবা	৩৮৪	বান্দৰ লাখুটি	৩৯৬
ভেণ্ডি	৩৮৪	সমিধ	৩৯৬
লফা-শাক	৩৮৫	কণিবিহ	৩৯৭
টেঁঙা মৰা	৩৮৫	ৰাধা চূড়া	৩৯৭
পিছলা লতা	৩৮৬	তৰুৱা কদম	৩৯৮
ভোল লুফা	৩৮৬	চ-গছ	৩৯৮
ভাত-কেৰেলা	৩৮৭	শিৰীষ	৩৯৯

কৰৈ	৩৯৯
হিহাৰু	৪০০
হাতী বন্ধা লতা	৪০০
তেঁতেলি	৪০১
লেটাগুটি	৪০১
মেদেলুৱা	৪০২
হালধীয়া মেদেলুৱা	৪০২
উৰহি	৪০৩
বকুল বিহ	৪০৩
মক্কা তেঁতেলি	৪০৩
মণিপুৰী উৰহি	৪০৪
বগা-মেদেলুৱা	৪০৫
খেচাৰী মাহ বা ক'লা মাহ	৪০৫
ৰঙা মদাৰ	৪০৬
মাখিয়তি বা মাখিলতি	৪০৬
বাবুল	৪০৭
মজ	৪০৭
বুটমাহ	৪০৮
কাউৰী কটা	৪০৮
গাৰো মাহ	৪০৯
বন ৰহৰ	৪০৯
মেৰমেৰী লতা	৪০৯
মৰই কেচিয়া	৪১০
মচুৰ মাহ	৪১০
লতা পলাশ	৪১১
উৰছি	৪১১
বান্দৰ কেঁকোৱা	৪১১
বকুল বিহ	৪১২
কঠীয়া কৰৈ	৪১২
খুকৃৰো	৪১২
কটাৰি ডবুৱা মাহ	৪১২
ৰঙা কাঞ্চন	৪১৩
বৰ বিয়নী সাবটা	৪১৩
জৰ লেৱা	৪১৩
গছ বিয়নী সাবটা	৪১৩
বকুৰা বিহ	৪১৪
বিলষনি	৪১৪
ৰঙা সোণাৰু	৪১৪
লাতুমণি	৪১৫
বান্দৰ কেঁকোৱা	৪১৫
ৰঙা পলাশ	৪১৬
ঘিলা লতা	৪১৬
ঔ টেঙা	৪১৭
বাঁজী ঔ	৪১৭
অক্সি ডেলিনিয়া	৪১৮
ঔ লতা	৪১৮
তিতা ফুল	৪১৯
পেতাৰি ছেৱা	৪২০
আমলখি	৪২০
ভেলকৰ	৪২০
এলোমিনিয়ম প্লেণ্ট	৪২১
নগা হাবি	৪২১
কানা	৪২২
শুকলতি	৪২২
ভীমৰাজ লতা	৪২২
গমাৰি	৪২৩

কলহী গছ	৪২৩	ডোদনিয়া	৪৩৬
গছ কল্‌মৌ	৪২৩	পেন্‌চি	৪৩৬
মতা ভোমলতি	৪২৪	ভাৰবিনাম	৪৩৭
মিৰ টেঙা	৪২৪	ৰজনী গন্ধা	৪৩৭
গ্লক্সিনিয়া	৪২৫	চুইট উইইলয়ম	৪৩৭
ডায়েন্থাছ	৪২৫	কাছুই লতা খুতৰা-পতীয়া বন	৪৩৮
আফ্রিকান ভায়োলেট্	৪২৬	পাতা বাহাৰ	৪৩৮
জংলী ভাং	৪২৬	জৰথ	৪৩৯
এণ্টিৰিনাম	৪২৭	টোলঠা পকা	৪৩৯
মেকাহি	৪২৭	এৰাগছ	৪৩৯
ফ্লক্স	৪২৭	বঙালী এৰা	৪৪০
হাইড্রেঞ্জিয়া	৪২৮	লাল ভোট এৰা	৪৪০
দুপৰ টেঙা	৪২৮	সোণালী পাতাবাহাৰ	৪৪১
শেবালি	৪২৯	মৰলীয়া	৪৪১
আহিনা	৪২৯	পার্থেনিয়ম	৪৪২
স্পিডি জেনি	৪৩০	কেঁহেৰাজ	৪৪২
নুনি	৪৩০	লাল পাতা	৪৪৩
তৰা	৪৩১	বিছাবন	৪৪৩
হাড় যোৰা	৪৩১	ধাপাপতীয়া	৪৪৩
ওদাল	৪৩২	কাঠ হালধি	৪৪৪
মাক্রিশাল বা নগাভে	৪৩২	চিৰতা	৪৪৪
লাভেন্দাৰ	৪৩২	বাঘ চিঁৰতা	৪৪৪
ভোমলতি বা গাৰো ভাংৰা	৪৩৩	গোবৰ সুতা	৪৪৪
বন ঔ	৪৩৩	বোৱাল	৪৪৫
টংগল লতি	৪৩৪	বন-পছলা	৪৪৫
পানী লতা	৪৩৪	টাং টিঙালি	৪৪৬
থৈলাঙনি	৪৩৪	পৰামলখি	৪৪৬
পিছলা	৪৩৫	গোবৰ সুতা	৪৪৬
বগা বাহক	৪৩৫	মতাভেলা	৪৪৭

টোং এলিওৰাইটিছ	৪৪৭
কক্‌লবা	৪৪৭
দল পদুলি	৪৪৮
পানী চিটিকি	৪৪৮
ক্ল'ৰোফাইটম বা স্পাইদাৰ প্লেন্ট	৪৪৮
জাৰবেৰা	৪৪৮
বিগনিয়া	৪৪৯
বনপিঠা	৪৫০
পিছলা	৪৫০
পিয়ঁালি সুন্দৰী	৪৫১
সৰ্পগন্ধা	৪৫১
বিগনিয়া	৪৫২
আঙুলি ফুল	৪৫২
মিৰিকা	৪৫৩
কৰবী	৪৫৩
কৰবী	৪৫৩
হালধীয়া কৰবী	৪৫৪
গুলচী	৪৫৪
আকণ	৪৫৫
সৰু আকণ	৪৫৬
ৰঙা গুলচি	৪৫৬
বেল	৪৫৭
বজ্ৰনলি	৪৫৭
বজ্ৰনলি	৪৫৮
বজৰ মালি বা বজ্ৰনলি	৪৫৯
টোলোঠা পকা	৪৬০
মুচাম্বি	৪৬০
জবা	৪৬০
চোকা টেঙা	৪৬১
ৰবাব টেঙা	৪৬১
মেমাং নাৰেং	৪৬২
সুমথিৰা টেঙা	৪৬২
নেমুটেঙা বা গোলনেমু	৪৬৩
লংফুল-বা লৱংগ	৪৬৩
তেজমৈ	৪৬৩
পাহাৰী ৰবাব টেঙা	৪৬৪
বিৰা-জৰা টেঙা	৪৬৫
কলিয়ৰি	৪৬৬
তিমি	৪৬৬
খ্ৰীষ্টমাছ ফুল বা ৰঙাপতীয়া গছ	৪৬৭
মুছেন্দা বা সোণা-ৰূপা মুছেন্দা	৪৬৭
মুছেন্দা মুছেন্দা	৪৬৮
সোণা-ৰূপা	৪৬৮
বিহমনা	৪৬৮
চক্‌লতি	৪৬৮
পানী কদম	৪৬৯
বৰপাত	৪৬৯
গোবৰ সিথা	৪৬৯
পুলি কাঁইট	৪৭০
বিহমনা	৪৭০
আকাল বিহ	৪৭১
চেলেং	৪৭১
ৰঙাপতীয়া বা খ্ৰীষ্টমাছ ফুল	৪৭২
লেটেকু	৪৭২
লতা কৰবী	৪৭৩
মহুৱা বা জৰথ বা ৰোহিণী	৪৭৩

মাছ কৈতা	৪৭৪	বেঙেনা	৪৮৬
ডালিয়া	৪৭৪	হাতী ভেকুৰি	৪৮৭
কচমচ্	৪৭৪	গছ ভেকুৰি	৪৮৭
কেলেন্দুলা	৪৭৫	বন ভেকুৰি	৪৮৭
এষ্টাৰ	৪৭৫	কপাহ	৪৮৮
টঙ্গন-লতি	৪৭৫	পমা	৪৮৮
জলফাই	৪৭৬	জাতিপমা	৪৮৯
ৰুদ্ৰাক্ষ	৪৭৬	মহানিম	৪৮৯
হেঙেনা পকা	৪৭৬	ঘোঁৰা নিম	৪৯০
হালধীপতীয়া	৪৭৭	লালি	৪৯০
ৰজনী গন্ধা	৪৭৭	গেন্ধেলি	৪৯০
পেটুনিয়া	৪৭৮	বৰ বান্দৰডিমা	৪৯১
ধতুৰা	৪৭৮	বগা বান্দৰ ডিমা	৪৯২
বগা ধতুৰা	৪৭৯	বান্দৰ ডিমা	৪৯২
আপেশ্বৰীৰ বিকুল	৪৭৯	বান্দৰ ডিমা	৪৯৩
কপাল ফুটা	৪৮০	বৰ আমাৰি	৪৯৩
লাচক্চি	৪৮০	বগা আমাৰি	৪৯৪
হাচ্নাহানা	৪৮১	বান্দৰ ডিমা	৪৯৪
বৰপাতা ধপাত	৪৮১	আমাৰি	৪৯৫
বিলাহী বেঙেনা	৪৮১	বোলা	৪৯৫
ধতুৰা ডতুৰা	৪৮২	বঁহত	৪৯৬
মান ধপাত	৪৮৩	কঠীয়া ডিমৰু	৪৯৬
সৰু বিলাহী	৪৮৩	চাম কঁঠাল	৪৯৭
কেপচিকম বা লংকা	৪৮৩	যজ্ঞ ডিমৰু	৪৯৭
ভোট জলকীয়া	৪৮৪	লতা ডিমৰু	৪৯৮
আলুগুটি	৪৮৪	গেদগো বড়	৪৯৮
অশ্বগন্ধা	৪৮৫	ঢোপা বড়	৪৯৯
ভেকুৰি ছোলানম	৪৮৫	আঠা বড়	৪৯৯
জলকীয়া	৪৮৫	পাখৰি বড়	৪৯৯

খাৰিপাটি ডিমৰু	৫০০
চিলু বড়	৫০০
টেঙাবড়	৫০১
কঠীয়া বড়	৫০১
জৰি বড়	৫০২
কঁঠালপতীয়া বা কঁঠলুৱা বড়	৫০২
কঁঠাল	৫০৩
আঁহত	৫০৩
বড় গছ	৫০৪
জঁৰি	৫০৪
লতাজৰি	৫০৫
কুঁজী থেকেৰা	৫০৫
কাও থেকেৰা	৫০৬
আকাশীলতা	৫০৬
কলিয়া লতা	৫০৭
কুঞ্জলতা	৫০৭
পনিয়ল	৫০৭
কাঠাগুা ফুল	৫০৮
দোৰোণ	৫০৮
বক ফুল	৫০৯
মিৰিকা টেঙা	৫০৯
টেঙা কতৰা	৫০৯
বিনোৱা লতা	৫১০
পটল	৫১০
ছবি	৫১১

অসমৰ উদ্ভিদ কোষ

ভলুকা বাঁহ, বেম্বোছা বালুকা পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি বৰুআ (কাছাৰ) ভুৰকা (ৰাভা) মাইছান (তাই-আহোম)
(Bhaluka Bamboo) Bambusa balcooa Family-Gramineae Sub-family–Bambuseae

এবিধ ডাঙৰ আকাৰৰ মজবুত বাঁহ। গাঁৱে-ভূঞে বাৰীপাতি নিগাৰ্জীকৈ বাস কৰা মানুহে এইবিধ বাঁহৰ দুই-এজোপা বাৰীত লগাই ৰাখে। বাঁহডাল মোকাল, জাতি আদি বাঁহৰ তুলনাত বহুত ডাঠ হয় আৰু সেই অনুপাতে চুঙাৰ ফোপোলাবোৰ ঠেক আৰু সৰু হয়। বাঁহ-কাঠেৰে সজা ঘৰ নিৰ্মাণ কৰোঁতে এইবিধ বাঁহৰ গুৰিভাগ খুঁটা হিছাপে ব্যৱহাৰ কৰা হয়। ই বহুত দিন টিকে। বিয়াই-সবাহে কিম্বা অন্য কোনো উৎসৱ-অনুষ্ঠান পালন কৰিবৰ বাবে ৰভা-পৰলা নিৰ্মাণ কৰোতে এইবিধ বাঁহ খুঁটা হিছাপে লগাব পাৰি।

ভলুকা বাঁহৰ গুৰিত উৎপন্ন হোৱা গাঁঠিবোৰ ঘন ঘন হয়। সেই অনুপাতে গাঁঠিবোৰত বিকশিত হোৱা চেকনিবোৰো মজবুত হয়। গাইগুটীয়া বাঁহৰ দীৰ্ঘতা ১৫-১৬ মিটাৰ পৰ্যন্ত হোৱা দেখিবলৈ পোৱা যায়। গাঁজবোৰ ভোটোকা আৰু মণ্ডহাল হয়। খৰিচা কৰি খাবলৈ ভাল। গাঁজৰ গাঁঠিয়ে গাঁঠিয়ে উৎপত্তি হোৱা সেই বৌথাৰ উপৰিভাগত অসংখ্য শুঙৰ উৎপত্তি হয়। ফুল ফুলিবলৈ বহুতো বছৰ লাগে।

মোকাল বাঁহ, বেম্বোছা পেলিদা পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি
(Mokal Bamboo) Bambusa pallida Family—Gramineae Sub-family-Bambuseae

আমাৰ মানুহে বাৰীত লগাই থকা বাঁহবিলাকৰ ভিতৰত মোকাল বাঁহ অন্যতম। অৱশ্যে কোনো কোনো বনভূমিত ইয়াক স্বাভাৱিকভাৱে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। উত্তৰ কাছাৰ আৰু কাৰবি আংলং পাৰ্বত্য জিলা দুখনৰ বনাঞ্চলবিলাকত ইয়াক ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। এজোপা বাঁহগছত বিকাশ সাধন হোৱা বাঁহবোৰে ঘন ঘনকৈ বৃদ্ধি লাভ কৰে। চেকনিবোৰ সেই অনুপাতে গেজেপ মৰা হোৱাৰ বাবে এইবিধ বাঁহৰ মাজৰপৰা কোনো এডাল বাঁহ বিচাৰি কাটি আনিবলৈ বহুত কষ্ট কৰিব লগা হয়। বাঁহডাল আকাৰত ডাঙৰ হয়। একোজোপা

বাঁহগছে ১৫-২০ মিটাৰ পৰ্যন্ত উচ্চতা লাভ কৰে আৰু গাইগুটীয়াভাৱে একোডাল বাঁহৰ গুৰিভাগে প্ৰায় ৪-৫ চেণ্টিমিটাৰৰ পৰিধি ধাৰণ কৰা পৰিলক্ষিত হয়।

গাঁঠিৰপৰা ওলোৱা বেটুবিলাকৰ অগ্ৰভাগে অলপ ঘূৰণীয়া ৰূপ প্ৰদৰ্শন কৰে। বেটুপাতে অসংখ্য চুটি চুটি নোম ধাৰণ কৰে। পাতৰ আকাৰ দীঘলীয়া আৰু স্পৰ্শত খহটা হয়। সকলো কামতে এইবিধ বাঁহ লগাব পাৰি। ঘৰৰ চাট, মাৰলি আদি লগোৱা কামৰ বাবে বিশেষ উপযুক্ত বুলি ক'ব পাৰি।

কোটোহা বাঁহ, বেম্বোছা অৰুণদিনেছিয়া পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি
(Kotoha Bamboo) Bambusa arundinacea Family—Gramineae Sub-family—Bambuseae

ঘন ঘনকৈ জোপাৰ আকাৰে উৎপন্ন হোৱা এবিধ মজলীয়া আকৃতিৰ বাঁহ। অসমৰ কোনো কোনো বনভূমি আৰু অন্যান্য মুকলি মূৰীয়া হাবিত এইবিধ বাঁহৰ উৎপত্তি পৰিলক্ষিত হয়। গাইগুটীয়া বাঁহৰ গাঁঠিবোৰো ঘন ঘন হয় আৰু দুটা দুটা গাঁঠিৰ মধ্যভাগত বিকশিত হোৱা পাব (Internode) বিলাকত থকা চুঙাৰ ফোপোলা সামান্য হয়। তদুপৰি গাঁঠিবিলাকৰপৰা ওলাই ওলাই অহা চেকনিবোৰে বাঁহৰ জোপাটোক গেজেপ মাৰি ধৰে। জোপাৰ মাজত পৰা এডাল বাঁহ কাটি আনিবলৈ বহু পৰিশ্ৰম কৰিব লগা হয়।

গাইগুটীয়া বাঁহৰ মূঢ়াৰপৰা পোখা ওলাই গাঁজৰ উৎপত্তি হয়। অন্যান্য জাতীয় বাঁহৰ দৰেই বাঁহ-গাজৰ গাঁঠিবোৰত বৌখাৰ উৎপত্তি হয়। বৌখাৰ উপৰিভাগত চুটি চুটি শুঙৰ আৱিৰ্ভাৱ হোৱা দেখা যায়। এইবিধ বাঁহে কিমান বছৰৰ অন্তৰে অন্তৰে পুষ্প ধাৰণ কৰে সেই কথা স্পষ্টভাৱে জনা নাযায়। যেই কোনো লাপি-লুপা কামত এইবিধ বাঁহ ব্যৱহাৰ কৰিব পাৰি।

বিজুলি বাঁহ, বেম্বোছা টুলদা পৰিয়াল-গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি
(Bijuli Bamboo) Bambusa tulda Family—Gramineae Sub-family—Bambuseae

বিজুলি বাঁহে জোপাৰ আকাৰে বিকাশ লাভ কৰে। একো একোটা জোপা প্ৰায় ২০ মিটাৰ পৰ্যন্ত ওখ হয়। বাঁহ একোডালৰ পৰিধি প্ৰায় ৬ চেণ্টিমিটাৰমান হয়। বাঁহৰ ভিতৰভাগ ফোপোলা হয় আৰু মিহি উপৰিভাগে সেউজীয়া বৰণ ধাৰণ কৰে। কোনো কোনোডাল বাঁহৰ উপৰিভাগত দীঘল চানেকীয়া হালধীয়া দাগৰ উৎপত্তি হয়। তলৰ অংশত বিকশিত হৈ থকা পুৰঠ চেকনিবোৰে মাটিৰ উপৰিভাগৰ

সমান্তৰাল হৈ থকাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বাঁহ-গাজৰ গাঁঠিয়ে গাঁঠিয়ে উৎপত্তি হৈ পাববোৰ আগুৰি ৰখা যিবোৰ বেটুৰ উৎপত্তি হয় পূৰঠ গছত সেই বেটুবোৰে অলপ দীঘল আকৃতি ধাৰণ কৰি কিছুদিনলৈ থাকি যায় আৰু বাঁহডাল বুঢ়া হ'লে বেটুৰ আবৰণ মাটিত সৰি পৰে।

এইবিধ বাঁহ ঘৰৰ বেৰা দিয়া, চকোৱা দিয়া আৰু ঢাৰি, টুকুৰি, খৰাহি-পাচি আদি সৰঞ্জাম তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

জোপোহা বাঁহ, বেম্বোছা নানা পৰিয়াল —গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি (Jopoha Bamboo) Bambusa nana Family—Gramineae Sub-family—Bambuseae

জোপোহা গছৰ আকৃতি ধাৰণ কৰা এবিধ সৰু আকাৰৰ বাঁহ আমাৰ মানুহে আলঙ্কৰিক উদ্ভিদ হিছাপে লগাই ৰখা অৱস্থাত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। চেকনিৰ নিচিনা ঠানিডাল ডাঠ হয় আৰু ভিতৰত সামান্য অংশহে ফোপোলা থাকে। বাঁহ জোপাৰ গাঁৰিৰ উপৰিভাগ মিহি হয়। আৰম্ভণিতে সেউজীয়া বৰণ ধাৰণ কৰে যদিও পূৰঠ হ'লে বাঁহডালে অলপ হালধীয়া বৰণ প্ৰদৰ্শন কৰে। এইবিধ বাঁহ জাতীয় উদ্ভিদ ২-৩ মিটাৰতকৈ ওখ হোৱা দেখিবলৈ পোৱা নাযায়। তদুপৰি একোডাল বাঁহৰ পৰিধি প্ৰায় ৩.০ চেণ্টিমিটাৰমানহে হ'ব।

একোজোপা বাঁহৰ মুঢ়াৰপৰা বহুতো পোখাৰ উৎপত্তি হয় আৰু এই আটাইবোৰ পোখা পূৰঠ হ'লে অসংখ্য পাত ধাৰণ কৰা জোপাটো সেউজীয়া হৈ পৰে।

কোনো কোনো মানুহে এইবিধ বাঁহ বাৰীৰ কাষত শাৰী শাৰীকৈ জোপাৰ আকাৰে লগাই দি সেউজ বুলীয়া বেৰা (Live hedge) ৰূপে ব্যৱহাৰ কৰে। ডালডোলবোৰ সমান সমানকৈ পৰিপাটিভাৱে ৰাখিলে দেখিবলৈ ভাল লাগে।

হালধীয়া বাঁহ, বেম্বোছা ভল্‌গেৰিছ পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল- বেম্বোছি (Halodhia Bamboo) Bambusa vulgaris Family—Gramineae Sub-family—Bambuseae

এবিধ হালধীয়া বৰণৰ বিতোপন বাঁহ জাতীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান শ্ৰীলঙ্কা বুলি জনা যায়। আজিকালি অসমৰ বহুতো ৰাজহুৱা উদ্যান আৰু ব্যক্তিৰ বাৰীত এইবিধ বাঁহ আলঙ্কাৰিক উদ্ভিদ হিছাপে লগাই থকা অৱস্থাত দেখিবলৈ পোৱা যায়।

এইবিধ বিচিত্ৰ বাঁহ জাতীয় উদ্ভিদে জোপাৰ আকাৰে বিকাশ লাভ কৰে। মুঢ়াৰপৰা গজালিবিলাক ওলাই আহে আৰু এইদৰে প্ৰতিটো জোপাত নতুন নতুন বাঁহৰ উৎপত্তি হয়। সাধাৰণতে প্ৰতিডাল বাঁহে হালধীয়া বা সোণালী বৰণ ধাৰণ

কৰে। পাববিলাকত সেউজীয়া বৰণৰ দীঘলীয়া পট্টিৰ বিকাশ লাভ হোৱা দেখিবলৈ পোৱা যায়। গাঁঠিয়ে গাঁঠিয়ে চেকনিৰ উৎপত্তি হয় আৰু এই চেকনিবিলাকৰ আগত যিবিলাক শাখা চেকনিৰ উৎপত্তি হয় সেইবিলাকে দীঘল পহীয়া খহটা পাত ধাৰণ কৰে। নতুনকৈ ওলোৱা কুঁহিৰ ওপৰত যি বৌখা বিকশিত হয় সেই বৌখা লাহে লাহে সৰি পৰে।

আমাৰ মানুহে বাৰীত লগাই ৰখা এবিধ বাঁহ জাতীয় উদ্ভিদ। জোপাৰ আকাৰত এইবিধ বাঁহৰ উৎপত্তি হয় আৰু খৰালি মহীয়া ইয়াৰ পাতবোৰ একে সময়তে সৰি পৰে।

জাতি বাঁহ, দেন্দ্ৰোকালামছ্ ষ্ট্ৰিক্টছ পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি

(Jati Bamboo) Dendro-calamus strictus Family—Gramineae Sub-family—Bambuseae

গাইগুটীয়া বাঁহৰ ভিতৰখন ফোপোলা হয় আৰু বাকলিখন নিয়মীয়াকৈ ডাঠ হয়। পাববিলাক অলপ দীঘল হয় আৰু গাঁঠিয়ে গাঁঠিয়ে চেকনিৰ উৎপত্তি হয়। চেকনিৰ আগত উৎপত্তি হোৱা পাতবোৰ খহটা হয়। পৰ্বতীয়া ঠাইত বনৰীয়াকৈ উৎপত্তি হোৱা জাতি বাঁহৰ বাকলি বেছি মঙহাল হয়। সেই অনুপাতে ফোপোলা চুঙাবোৰ ঠেক হয়। পৰ্বতীয়া ঠাইত উৎপত্তি হোৱা জাতি বাঁহবোৰক পাহাৰী জাতি বাঁহ বা হিল জাতি বুলি কোৱা হয়।

গাইগুটীয়া বাঁহবোৰৰ মুঢ়াৰপৰা প্ৰতিবছৰে নতুন নতুন গাজ ওলায়। গাজৰ গাঁঠিয়ে গাঁঠিয়ে বৌখাৰ উৎপত্তি হয়। বৌখাৰ উপৰিভাগত চুটি চুটি শুঙৰ উৎপত্তি হয়। গাজবোৰ বাঢ়ি বাঢ়ি ওখ হ'বলৈ ধৰাৰ লগে লগে বৌখাবোৰ শুকাই শুকাই মাটিত খহি পৰিবলৈ ধৰে আৰু কালক্ৰমত প্ৰত্যেকটো গাজ ওখ ডাঙৰ হৈ একোজোপা পূৰ্ণাঙ্গ বাহ গছত পৰিণত হয়। পঁচিশ-ত্ৰিছ বছৰৰ অন্তৰে অন্তৰে এইবিধ বাঁহে ফুল ধৰে।

নানা ৰকমৰ ঘৰোৱা কামত এইবিধ বাঁহ লগাব পাৰি। কাগজ কলত মণ্ড তৈয়াৰ কৰিবলৈ এইবিধ বাঁহো ব্যৱহাৰ কৰা হয়।

(কাক বাঁহ)

জোপা জোপাকৈ একেলগে বহুতো বাঁহৰ উৎপত্তি হোৱা এবিধ বনৰীয়া বাঁহ। যিবোৰ বনভূমিয়ে এইবিধ বাঁহ জাতীয় উদ্ভিদ ধাৰণ কৰা দেখা যায় সেইবোৰ বনভূমিৰ একোটা বৃহৎ অঞ্চল ই অধিকাৰ কৰি থকা পৰিলক্ষিত হয়। এনে ধৰণে সৰহীয়াকৈ একেলগে বাঁহ জাতীয় উদ্ভিদ ধাৰণ কৰা বনাঞ্চলবিলাকক থাউকতে "বাঁহনি হাবি" বা Bamboo Forest নামেৰে অভিহিত কৰা হয়। কাৰবি আংলং

কাক বাঁহ, দেন্দ্ৰোকালামছ হেমিলটনিয়াই পৰিয়াল—গ্ৰামিনি পেচা বাঁহ (কাছাৰ) বাজং (বাভা)
(Kako Bamboo) Dendrocalamus hamiltonii Family–Gramineae

আৰু উত্তৰ কাছাৰ জিলাৰ পৰ্বতীয়া ঠাইবোৰত এনেবিধৰ বাঁহনি হাবিয়ে প্ৰাধান্য লাভ কৰি থকা দেখা যায়। কামৰূপ পূব সংমণ্ডলৰ অন্তৰ্গত থকা গড়ভাঙ্গা সংৰক্ষিত বনাঞ্চলকে ধৰি ভৈয়ামৰ আন কোনো কোনো বনভূমিয়েই এই জাতীয় বাঁহ ধাৰণ কৰে। কাগজ তৈয়াৰ কৰা কাৰখানাবিলাকত কাগজৰ মণ্ড তৈয়াৰ কৰিবৰ বাবে ধাৰাবাহিকভাৱে এইবিধ বাঁহৰ যোগান ধৰা হয়।

এইবিধ বাঁহৰ বাকলি পাতল আৰু চুঙাবোৰ ডাঙৰ ডাঙৰকৈ ফোপোলা হয়। গাইগুটীয়া বাঁহৰ লেকেচিবোৰে মাটিলৈ হাউলি অহাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গাজৰ বৌখাত গুঙৰ উৎপত্তি হয়। খৰিচা বনাবৰ বাবে এই গাজ ব্যৱহাৰ কৰা হয়। গাঁঠিয়ে গাঁঠিয়ে বাঁহডালত শিপাৰ গজালি ওলায়।

চকোৱা আদি নিৰ্মাণ কৰা কামতো এইবিধ বাঁহ ব্যৱহাৰ কৰা হয়। ২০-২৫ বছৰৰ অন্তৰে অন্তৰে ফুল ফুলে। ফুল ফুলাৰ পাছত বাঁহবোৰ একেসময়তে মৰি যায়।

বৰুৱা বাঁহ, দেন্দ্ৰোকালামছ জাইগানতিয়াছ পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—বেম্বোছি
(Barua Bamboo) Dendrocalamus giganteus, Family—Gramineae Sub-family—Bambuseae

অসমত উৎপন্ন বাঁহ গোষ্ঠীৰ উদ্ভিদবিলাকৰ ভিতৰত এইবিধ বাঁহ আকাৰত আটাইতকৈ ডাঙৰ হয়। এইবিধ বাঁহো জোপাৰ আকাৰে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। একোজোপা বাঁহগছৰ উচ্চতা প্ৰায় ৩০ মিটাৰৰ ওচৰা-উচৰি হ'ব আৰু গুৰিছোৱাৰ পৰিধি ১৪-১৫ চেণ্টিমিটাৰ মান হ'ব। গুৰিভাগত চেকনিৰ উৎপত্তি হোৱা দেখা নাযায়। কিন্তু বাঁহডালৰ ওপৰৰ ফালে থকা গাঁঠিবোৰত চেকনিৰ বিকাশ সাধন হয়। গাঁঠিৰ উপৰিভাগৰ ওপৰৰফালে আঁহৰ নিচিনা নিচেই চুটি নোমৰ উৎপত্তি হয়। বাঁহ একোডালৰ বিৰাট বিৰাট আকাৰৰ লগত সঙ্গতি ৰাখি গাঁঠিয়ে গাঁঠিয়ে উৎপত্তি হোৱা বেটুবোৰেও প্ৰকাণ্ড আকাৰ ধাৰণ কৰে। সেই অনুপাতে দীঘল দীঘল আৰু খহটা পাতবোৰে আকৃতিত অন্যান্য জাতীয় বাঁহৰ পাতৰ তুলনাত ডাঙৰ হয়।

এইবিধ বাঁহৰ দুই এজোপা আমাৰ মানুহে বাৰীত লগাই ৰাখে। সময়ত দুই এডাল কাটি আৰু কড়িয়া আদি তৈয়াৰ কৰে আৰু আৱশ্যক অনুযায়ী অন্যান্য কামতো লগায়।

মূলি বাঁহ, মেলোকান্না বেম্বোছইদিছ
পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—
বেম্বোছি (Muli Bamboo)
Melocanna bambusoides
Family—Gramineae
Sub-family—Bambuseae

এবিধ সৰু আকাৰৰ এডলীয়া বাঁহ। বাঁহ জাতীয় অন্যান্য উদ্ভিদৰ দৰে এইবিধ বাঁহৰ উৎপত্তি জোপা জোপাকৈ হোৱা দেখিবলৈ পোৱা নাযায়। এজোপা বাঁহৰ মুঢ়াৰপৰা ওলোৱা গজালিবোৰ মাটিৰ ওপৰে ওপৰে নিলগলৈ বাঢ়ি গৈ অৱশেষত আকৌ পুখা মেলি পুনৰ আন এজোপা এডলীয়া বাঁহৰ সৃষ্টি হয়। এইদৰে বাঢ়ি বাঢ়ি একোডৰা বাঁহনি বাৰীৰ সৃষ্টি হয়।

চুঙাৰ মাজত উৎপত্তি হোৱা গাঁঠিবোৰ সৰু সৰু হয়। গাঁঠিত উৎপন্ন হোৱা বৌখাবোৰ গছৰ ডালত বহুত দিনলৈ থাকি যায়।

কালি চুন্দি বাঁহ
(Oxytenthera albociliata)

কাছাৰ জিলাত এই জাতীয় বাঁহৰ উৎপত্তি বেছি হয়। উত্তৰ কাছাৰ আৰু কাৰবি আংলং জিলাৰ পাৰ্বত্য অঞ্চলবোৰেও ঠাই বুজি এই জাতীয় বাঁহৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰে। চকোৱা আদি নিৰ্মাণ কৰাৰ বাবে এইবিধ সৰু আকাৰৰ বাঁহ ব্যৱহাৰ কৰিব পাৰি। গোটা বাঁহৰ টুকুৰাবোৰ খেতালি "চাটাই" বা গাধৈ তৈয়াৰ কৰা হয়।

দলৌ বাঁহ, নিউহজিওৱা দলুৱা পৰিয়াল— গ্ৰামিনি উপ-পৰিয়াল–বেম্বোছি (Dolow Bamboo) Neohouzeaua dulloa Family–Gramimeae Sub-family–Bamuseae

জোপাৰ আকাৰে সৰহীয়াকৈ একেলগে উৎপন্ন হোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ মজলীয়া আকাৰৰ ৰূপ ৰুনবীয়া বাঁহ। গাইগুটীয়া বাঁহবোৰে আকাশমুৱা হ'বলৈ চেষ্টা কৰাৰ ৰীতি অনুসৰণ কৰে। গাঁঠিবিলাক সিমান ডাঙৰ হোৱা দেখা নাযায়। বাকলি নিয়মীয়াভাৱে ডাঠ হয় আৰু চুঙাৰ ফোপোলাও ঠিক সেইদৰে মজলীয়া হয়। আন আন জাতীয় বাঁহৰ দৰে প্ৰত্যেকটো গাঁঠিৰপৰা বৌখাৰ উৎপত্তি হয় আৰু সময়ত মাটিলৈ সৰি নপৰা পৰ্যন্ত বৌখাবোৰে গাজৰ "পাব"বোৰক সাবটি ধৰি থাকে। বৌখাৰ উপৰিভাগত অসংখ্য চুটি চুটি শুঙৰ উৎপত্তি হয়।

কাগজৰ মণ্ড তৈয়াৰ কৰাৰপৰা আৰম্ভ কৰি এইবিধ বাঁহ নানা কামত লগাব পাৰি। প্ৰতিবছৰে কাছাৰ জিলাৰপৰা এই জাতীয় বহু পৰিমাণৰ বাঁহ ৰেলৰ ডবাত তুলি অন্য ঠাইলৈ ৰপ্তানি কৰা হয়। বাংলাদেশলৈও পঠোৱা হয়। ফুল ফুলাৰ পাছত এইবিধ বাঁহৰ যিবোৰ ফল হয় সেইবোৰ ফলৰ আকাৰ একোটা ৰূপহী থেকেৰাৰ সমান হয়।

বজাল বাঁহ, চিউদোষ্টাচিয়ম্ পলিমৰ্ফম্ পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল— বেম্বোছি

(Bojal Bamboo) Pseudostachyum polymorphu Family–Gramineae Sub-family–Bambuseae

নিলগা নিলগিকৈ একোডোখৰ ঠাইত ডৰা ডৰাভাৱে উৎপত্তি হোৱা এবিধ মজলীয়া আকাৰৰ বাঁহ জাতীয় গছ। মুঢ়াৰপৰা বিকাশ লাভ কৰা পুখাবোৰ মাটিয়ে মাটিয়ে অলপ আঁতৰলৈ বগাই গৈ পুনৰ একোজোপা বাঁহৰ সৃষ্টি আৰু এইদৰে একোখন ঠাই বিয়পি পৰা বজালনি হাবিৰ উৎকৰ্ষ সাধন কৰে। একোডাল গাইগুটীয়া বাঁহগছৰ উচ্চতা প্ৰায় ১৫-১৬ মিটাৰমান হয়। পাববিলাক তুলনামূলকভাৱে দীঘল দীঘল হয় আৰু অন্যান্য জাতীয় বাঁহৰ গাঁঠিবোৰে পথালিকৈ ওখহি ওখহি থকাৰ প্ৰবৃত্তি প্ৰদৰ্শন নকৰে। গাঁঠিত উৎপন্ন হোৱা বেটুবিলাকে চুটি আকৃতিৰ ত্ৰিকোণীয়া আৰু নেজাল মূৰ্তি ধাৰণ কৰে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ পাৰত থকা নগা পৰ্বতৰ নামনি অঞ্চলবিলাকত এইবিধ বাঁহৰ উৎপত্তি পৰিলক্ষিত হয়। ঘৰৰ বেৰা, চকোৱা আদি বনোৱা কামত ইয়াক ব্যৱহাৰ কৰিব পাৰি।

কালিচুন্দি বাঁহ, পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–বেম্বোছি

(Kali-sundi) Oxytenanthera albo-ciliata Family–Gramineae, Sub-family–Bambuseae

বৰাক উপত্যকাৰ কোনো কোনো সীমামূৰীয়া এলেকাৰ বনাঞ্চলত কালিয়া বা কালচুন্দি নামেৰে পৰিচিত এবিধ বাঁহৰ উৎপত্তি পৰিলক্ষিত হয়। বিশেষকৈ কৰিমগঞ্জ জিলাৰ অন্তৰ্গত থকা লঙ্গাই বনভূমি আৰু ই বনভূমি সমীপৱৰ্তী ঠাইত থকা কোনো কোনো ঠাইত এইবিধ বাঁহ দেখিবলৈ পোৱা যায়।

জোপাৰ আকাৰত এইবিধ বাঁহে বৃদ্ধি লাভ কৰে। একো একোডোখৰ ব্যাপক এলেকাত এনে ধৰণৰ বহুতো বাঁহৰ জোপাই সৰহীয়াকৈ ব্যুৎপত্তি লাভ কৰি থাকে। একেলগে জোপাৰ আকাৰে ব্যুৎপত্তি লাভ কৰি থকা একোজোপা বাঁহে ৭-৮ মিটাৰমান উচ্চতালৈ আৰোহণ কৰা পৰিলক্ষিত হয়। গাঁঠিবোৰত ঘন ঘনকৈ চেকনিৰ উৎপত্তি হয়। গাঁঠিবোৰে কেঁচীয়া ৰূপ ধাৰণ কৰে। চুঙাবিলাক প্ৰায় ১৫-১৬ চেণ্টিমিটাৰমান দীঘল হোৱা দেখা যায়।

মূলি বাঁহ আৰু দলৌ বাঁহৰ দৰে বৰাক উপত্যকাৰ জনসাধাৰণে কালিচুন্দি বাঁহ নানা কামত ব্যৱহাৰ কৰা দেখা যায়। কিমান বছৰৰ পিছত এইবিধ বাঁহৰ ফুল ফুলে সেই বিষয়ে সঠিকভাৱে জনা নাযায়।

ইকৰা ফ্ৰেগমাইটিচ কাৰ্কা

(Ekora) Phragmites karka Family—Arundinae

এবিধ ঘাঁহ জাতীয় ডাঙৰ আকাৰৰ উদ্ভিদ। সাধাৰণতে দ চানেকীয়া ঠাইত এইবিধ ওখ ঘাঁহৰ উৎপন্ন হয়। একেডাল শিপাৰপৰা বহুতো পুখা ওলায় আৰু এই পুখাবিলাকৰপৰা একো একোটা গোছৰ সৃষ্টি হয়। যি ঠাইত এইবিধ উদ্ভিদৰ উৎপত্তি হয় সেই ঠাইত ইয়াৰ পুলি পুখাবোৰে ছানি ধৰে। তাৰ মাজে মাজে নল, খাগৰি, বৰতা আদি ওখ ঘাঁহ জাতীয় উদ্ভিদ উৎপন্ন হৈ গোটেইডোখৰ ঠাই ওখ ওখ ঘাঁহ জাতীয় উদ্ভিদবিলাকে একচেতিয়াকৈ দখল কৰি লয়। এইবিধ ঘাঁহ জাতীয় বন দ্ৰব্যৰ উৎপত্তি হয় সেই বনদ্ৰব্য আমাৰ মানুহে ঘৰৰ বেৰ আদি সজা কামত ব্যৱহাৰ কৰে। বনবিভাগে মহল আকাৰে ইয়াক থাওকতে বিক্ৰী কৰে।

গোমধান এবিধ ঘাঁহ জাতীয় লাগতিয়াল বছেৰেকীয়া ফচল। এইবিধ ফচল আমাৰ মানুহে ভৰা ভৰাকৈ বাৰীত লগায়। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ জনজাতীয় লোকসকলে জুমখেতিৰ সাৰুৱা ভূমি চহ কৰি এইবিধ শস্যৰ গুটিবোৰ সিচি দিয়ে। সময়ত গুটিৰপৰা

গোমধান জিয়া মেইজ পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–মেইদি
(Gum-dhan) Maize Zea mays
Family–Gramineae
Sub-family–Maydeae

গজা পুলি ক্ৰমে ডাঙৰ হৈ পূৰঠ হ'লে পাবে পাবে ফল ধৰে। সেই ফলৰ থোকাবোৰ মানুহে গছৰপৰা ছিঙি আনে, কুমলীয়া অৱস্থাত দাঁতেৰে ছিঙি ছিঙি খায়, জুইত বা গৰম আঙঠাত সেকি ল'লে খাবলৈ ভাল লাগে। এইবিধ ফলৰপৰা কৰ্ণ ফ্লেক্ (Corn Flake) নামৰ সাচতীয়া খাদ্য তৈয়াৰ কৰি খাদ্য হিছাপে ব্যৱহাৰ কৰা হয়। টিন বা বটলৰ ভিতৰত ৰসায়নিক পদাৰ্থ মিহলোৱা গুটিবোৰ বতাহ নসৰকাকৈ সংৰক্ষণ কৰি ৰখা হয়। ইত্যাদি কাৰণত এইবিধ খাদ্য শস্যৰ অৰ্থনৈতিক আৰু ব্যৱহাৰিক প্ৰমূল্য অতি বেছি।

গা-গছডালক কুঁহিয়াৰ জাতীয় উদ্ভিদৰ গা-গছৰ লগত ৰিজাব পাৰি। ভিতৰখন আঁহযুক্ত আৰু নিৰস হয়। পাবে পাবে দীঘল দীঘল আকাৰৰ খহটা পাত ধৰে। পাতৰ আহল বহল ঠাৰিডালে কলগছৰ দৰে গছজোপাক মেৰিয়াই ধৰে। গাঁঠিবোৰত ফলৰ থোক ধৰে। ডিলাৰ চাৰিওকাষে বিকাশিত হোৱা ফলবোৰে ডিলাডালক আগুৰি ৰাখে। গছজোপাৰ আগভাগে পুং পুষ্পপুঞ্জ ধাৰণ কৰে।

বাওনা বাঁহ, উপ-পৰিয়াল—বেম্বোছি
(Baona Bamboo)
Species—Dwarf Bamboo
Family—Gramineae
Sub-family—Bambuseae

এবিধ চুটি-চাপৰ আকাৰৰ বিৰল বাঁহ। ইয়াক সাধাৰণতে বাৰী বা বঙলা ঘৰ আদিৰ দাঁতি কাষৰীয়া ঠাইত জীৱন্ত বেৰা (Life Hedge) হিছাপে শাৰী শাৰীকৈ ৰোপণ কৰা হয়।

ফুল জাৰু প্ৰজাতি—থাইচানোলিমা মেক্সিমা **(Phul Jaru) Broom-making grass Species—thysanolaema maxima Family—Gramineae**

এবিধ চুটি-চাপৰ আকাৰৰ ওখ ঘাঁহ জাতীয় বনৰীয়া উদ্ভিদ। ইয়াৰ ফুলধৰা ঠাৰিবোৰ কাটি আনি জাৰু, কুছি আদি বনোৱা হয়। এনে ধৰণেৰে তৈয়াৰ কৰা জাৰুবিলাক বজাৰত কিনিবলৈ পোৱা যায়।

শ্যাম বাঁহ, প্ৰজাতি—বেম্বোছা চাইয়ামেন্সিছ পৰিয়াল—গ্ৰামিনি **(Siamesa Bamboo) Species—Bambusa siamensis Family—Gramineae**

মজলীয়া আকাৰৰ এবিধ বিৰল বাঁহ জাতীয় উদ্ভিদ। বহুতো মানুহে আলংকাৰিক উদ্ভিদ হিছাপে ইয়াক বাৰীত লগায়।

এবিধ অলপ ওখ বিধৰ ঘাঁহ জাতীয় বিদেশী উদ্ভিদ। নেপিয়াৰ ঘাঁহ আৰু বাজৰা

পুছা জায়েণ্ট হাইব্রিদ নেপিয়াৰ ঘাঁহ, পেনিচেটম্ পাৰ্পুৰিয়ম পৰিয়াল—গ্ৰামিনি
(Pusa giant hybrid Napier grass) Pennisetum purpureuim Family—Gramineae

ঘাঁহৰ (মাকৈ) সংমিশ্ৰণত কৃত্ৰিম উপায়েৰে এইবিধ ঘাঁহৰ সৃষ্টি কৰা হৈছে। অসমৰ চাহ বাগিচাবিলাকত এইবিধ ঘাঁহ বাগান আকাৰে লগাই দি মাটিৰ উৰ্বৰা শক্তি উন্নত কৰাৰ ব্যৱস্থা কৰা হয়। শিপাৰ অগ্ৰভাগবিলাকে ধাৰণ কৰা নাইট্ৰোজেনৰ কণিকাবোৰে মাটিখিনি ফচ্‌ফচীয়া কৰি উৎপাদন শক্তি বৃদ্ধি কৰে।

ন-ভাঙনি মাটিত এই জাতীয় ঘাঁহ প্ৰথমতে লগাই চাহৰ পুলি লগাবৰ বাবে মাটিখিনি উৰ্বৰা কৰা হয়। প্ৰথমতে মাটিডোখৰত কোৰ মাৰি কিম্বা হালবাই তৈয়াৰ কৰি লোৱা হয়। তাৰ পিছত খুলি খান্দি শিপাৰ মুঢ়াবিলাক ১.২০ মিটাৰ আঁতৰে আঁতৰে শাৰী শাৰীকৈ লগাই দিয়া হয়। মুঢ়াবিলাকৰ পাৰস্পৰিক ব্যৱধান ৩০-৪০ চেণ্টিমিটাৰমান কৰা হয়।

গোৱাটেমালা ঘাঁহ, ত্ৰিপ্চাকম লাক্সম্ পৰিয়াল–গ্ৰামিনি
(Guatemela grass) Tripsacum laxum Family––Gramineae

এবিধ ডাঙৰ আকাৰৰ ঘাঁহ জাতীয় বিদেশী উদ্ভিদ। চাহ বাগিচাবিলাকত নতুনকৈ চাহ পুলি লগাবলৈ ঠিক-ঠাক কৰি লোৱা ঠাইত এইবিধ ঘাঁহ শাৰী শাৰীকৈ লগোৱা হয়।

নলাৰ কাষে কাষে এই জাতৰ ঘাঁহ ৰোপণ কৰিলে ভূমিক্ষয়ৰপৰা বহুতখিনি হাত সাৰিব পাৰি।

বছৰে বছৰে উৎপত্তি হৈ বছৰে বছৰে নাইকিয়া হৈ যোৱা এবিধ ঘাঁহ জাতীয় উদ্ভিদ। যি ঠাইত এই জাতৰ খেৰ বা ঘাঁহ হয় সেই ঠাইত অন্যান্য জাতীয় খেৰ বৰ বেছিকৈ হ'ব নোৱাৰে। মাটিৰ তলত ইয়াৰ শিপাবোৰ থাকি যোৱাৰ বাবে বছৰি বছৰি উৎপন্ন হ'ব পাৰে। তাৰে কিছুমান ঠাইত হোৱা এইবিধৰ খেৰ অলপ চুটি হয় আৰু আন কিছুমান ঠাইত হোৱা এই একেজাতৰ খেৰে কেতিয়াবা ভালেখিনি দীঘল হয়। এইবিধ খেৰ ঘৰছোৱাৰ বাবে বেছি উপযুক্ত হোৱাৰ কাৰণে মানুহে কিনিবৰ বাবে খেদি খেদি বিচাৰি ফুৰে। ব্ৰহ্মপুত্ৰ নদী আৰু অন্যান্য নৈৰ চাপৰিবোৰত ইয়াৰ উৎপত্তি বেছি। অৰণ্যভূমিৰ মাজৰ মুকলিমুৰীয়া ঠাইবোৰতো কেতিয়াবা ডবা

উলুখেৰ, ইম্পাৰটা চিলিন্দ্ৰিকা পৰিয়াল–গ্ৰামিনি টুৰি-বড়ো
(Ulu Kher) Imparata cylindrica Family–Gramineae Sub-family–Andropogoneae

ডৰাকৈ উৎপন্ন হোৱা দেখা যায়। বনবিভাগে মহল হিছাপে থাউকতে এইবিধ সামগ্ৰী বিক্ৰী কৰে।

এইবিধ ঘাঁহৰ পাতবিলাক দীঘলীয়া দীঘলীয়া হয়। ঠাৰিৰে সৈতে সেই পাত লগ লাগি খেৰৰ সৃষ্টি হয়। ফুলবোৰ দীঘলীয়া দীঘলীয়াকৈ ঘোঁৰা-নেজীয়া হয়। ফুলবোৰ বৰণত বগা হয়। এইবিধ ঘাঁহ গৰু-ম'হে খাবলৈও বৰ ভাল পায়। হাবিত পহুবিলাকে কুমলীয়া আগবোৰ ছিঙি ছিঙি খায়।

কহুঁৱা, চাকাৰম্ স্পণ্টেনিয়ম
পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–এণ্ড্ৰোপোগনি
(Kahua) Saccarum spontaneum Family–Gramineae Sub-family–Andropogoneae

দ-চানেকীয়া, বালি অঁহীয়া আৰু নদীকূলৰ পলসুৱা মাটি কিছুমান কঁহুৱা নামৰ এবিধ ঘাঁহ জাতীয় ওখ আকাৰৰ উদ্ভিদ ধাৰণ কৰে। ইয়াৰ উৎপত্তি ডৰা ড়ৰাকৈ সৰহীয়াভাৱে পৰিলক্ষিত হয়। গছডাল কুঁহিয়াৰ গছৰ দৰে দীঘল পৰীয়াকৈ ওখ হয়। গাঁঠিবোৰৰপৰা পাতৰ ঠৰুৱা ডাল কল পতুৱাৰ দৰে ওলাই আহি তাৰ আগভাগত দীঘলীয়া আৰু খহটা পাতৰ উৎপত্তি হয়। নল, খাগৰি, ইকৰা আদি ঘাঁহ গোষ্ঠী উদ্ভিদৰ সহযোগ এইবিধ ওখ ঘাঁহৰ উৎপত্তি হয়।

গান্ধ বিৰিণা, চিমনোপগন্ চাইট্ৰেটচ
পৰিয়াল—গ্ৰামিনি
(Gandh Birina) Lemon Grass Cymnopogon citratus Family—Gramineae

মূল ঠাৰি বা শাখাঠাৰিৰ আগভাগত পুষ্প-গুচ্ছৰ উৎপত্তি হয়। ফুলৰ বৰণ বগা হয় আৰু একে সময়তে বহুত গছত ফুল ধৰি পকিবলৈ আৰম্ভ কৰিলে বগা কপাহৰ দৰে গোটেইডোখৰ ঠাই নিলগৰপৰা জিলিকি থাকে। ঠাৰিৰ ভিতৰভাগ কুঁহিয়াৰৰ ভিতৰৰ অংশৰ দৰে আঁহ থকা হ'লেও তাৰ ভিতৰত কুঁহিয়াৰৰ ৰসৰ দৰে পনীয়া পদাৰ্থ নাথাকে।

অসমৰ কোনো কোনো বনভূমিত গান্ধ-বিৰিণা নামেৰে জনাজাত এবিধ সুগন্ধি পাত বহন কৰা ঘাঁহ দেখিবলৈ পোৱা যায়। উত্তৰপাৰৰ সুবৰণখাটা, বৰনদী আদি বনাঞ্চলে এইবিধ ঘাঁহ দাৰণ কৰা পৰিলক্ষিত হয়। চিত্ৰনলা ঘাঁহৰ দৰে এইবিধ ঘাঁহৰ পাতবোৰৰ পৰাও এক প্ৰকাৰ সুগন্ধি তেল প্ৰস্তুত কৰিব পাৰি। অৱশ্যে বনভূমিৰ স্বাভাৱিক পৰিবেশত ইয়াৰ উৎপত্তি সীমিত হোৱাৰ বাবে ব্যৱসায়িক ভিত্তিত এই তেল প্ৰস্তুত কৰা দেখিবলৈ পোৱা নাযায়।

চিত্ৰনলাৰ দৰে গান্ধ-বিৰিণা ঘাঁহৰ উৎপত্তিত জোপাৰ আকাৰে বিকশিত হোৱা

দেখা যায়। শিপা ধাৰণ কৰা মূঢ়াৰপৰা কেবাজোপা ঘাঁহৰ উৎপত্তি হয়। গভীৰ অৰণ্যভূমিৰ মাজে মাজে যিবিলাক নদী কূলীয়া ঠাই থাকে সেই ঠাইৰ বালিঅহীয়া পৰিৱেশবিলাকে এইবিধ উদ্ভিদৰ বাবে অনুকূল পৰিৱেশৰ যোগান ধৰা দেখিবলৈ পোৱা যায়।

কুঁহিয়াৰ, চাকাৰম্ অফিচিনেৰম্ পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–এন্দ্ৰোপগনি কুচ্ছ ফাং (ৰাভা) কুচিয়াৰ (বড়ো) গন্না (হিন্দী) নক্ (কাৰবি)

(Kuhiyar) Sugar-cane *Saccharum officinarum*, Family–Sub-family–Andropogoneae

কুঁহিয়াৰ এবিধ ডাঙৰ আকাৰৰ ঘাঁহ জাতীয় উদ্ভিদ। গছডালৰ বাকলিৰ ওপৰিভাগ মিহি হয় আৰু তাৰ মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। গাঁঠিত সৰু সৰু আকাৰৰ শিপা আৰু পুখাৰ আবিৰ্ভাৱ হয়। পাতৰ বৌখাবোৰ গাঁঠিয়ে গাঁঠিয়ে উৎপত্তি হয় আৰু এই বৌখাই কুঁহিয়াৰ জোপাৰ পাববোৰ সাবটি ধৰে। বৌখাৰ উপৰিভাগত দীঘল দীঘল খহটা পাতৰ উৎপত্তি হয়। কুঁহিয়াৰ গছডাল ওখ হৈ গৈ থকাৰ লগে লগে গুৰিৰ পাতবোৰ এখিলা এখিলাকৈ শুকাবলৈ আৰম্ভ কৰি অৱশেষত মাটিত সৰি পৰেগৈ। ফুল থোপা-থোপে ফুলে আৰু এই ফুলৰ বৰণ বগা চানেকীয়া হয়।

কুঁহিয়াৰৰ কেবাটাও জাত আছে। তাৰ ভিতৰত পুৰা-কুঁহিয়াৰ আৰু আঁকি-কুঁহিয়াৰৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। কুঁহিয়াৰৰ ভিতৰভাগ অলপ কোমল আৰু আঁহযুক্ত হয়। ভিতৰখন সোৱাদ ৰসেৰে পৰিপূৰ্ণ হৈ থাকে। এই ৰস শালত পেৰি আৰু প্ৰকাণ্ড প্ৰকাণ্ড থালিত পগাই গুৰ তৈয়াৰ কৰা হয়। চেনি তৈয়াৰ কৰা কাৰখানাবিলাকত গুৰৰ ৰসেৰে চেঁনি তৈয়াৰ কৰা হয়। পাববোৰ কটাৰিৰে টুকুৰা-টুকুৰ কৈ কাটি আৰু আগতে বাকলি গুচাই লৈ চোবাই ৰসখিনি খাব পাৰি। আজিকালি চকা লগা গাড়ীত কুঁহিয়াৰ পেৰা সৰু শাল লৈ ফুৰা মানুহ কিছুমানে গিলাচে গিলাচে কুঁহিয়াৰৰ ৰস বিক্ৰী কৰি ধন উপাৰ্জন কৰে।

মূৰফুলা বন, চাইপেৰছ আইৰিয়া পৰিয়াল–গ্ৰামিনি

(Mur Phula Bon) *Cyperus iria* Family–Gramineae

এবিধ মজলীয়া আকাৰৰ ঘাঁহ জাতীয় উদ্ভিদ। উলুখেৰণিৰ মাজে মাজে এইবিধ ঘাঁহৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। আকৃতিত এইবিধ ঘাঁহ উলুখেৰত অলপ সৰু হয়। কোনো কোনো মানুহে ইয়াক শিয়াল-নেজীয়া বন বুলিও কয়। মূল গছডালৰ আগভাগত যিখিনি ফুল ফুলে সেই ফুলৰ থোপাটো শিয়ালৰ নেজৰ দৰে দীঘলীয়াকৈ জোপোহা হয়। এই ফুলৰ বৰণ মুগা বৰণীয়াকৈ বেঙুনীয়া

হয়। উলু খেৰৰ মাজত এইবিধ ঘাঁহৰ উৎপত্তি হয় উলুখেৰবোৰ ভেজাল হয় আৰু তেনে ঘাঁহ বাছি বাছি পেলাই দিব নোৱাৰিলে উলুখেৰৰ মানদণ্ড হ্ৰাস পায়।

ছাতি পাতা ঘাঁহ, চাইপেৰাচ অল্‌টাৰ্নিফলিয়চ্‌ পৰিয়াল— গ্ৰামিনি
(Chati patta ghah) Umbrella grass Cyperus alternifolius Family— Gramineae

এবিধ ঘাঁহ জাতীয় বিতোপন উদ্ভিদ। পাত ধাৰণ কৰা দীঘল দীঘল ঠাৰিবোৰে কম-বেছি পৰিমাণে গোল আকৃতি ধাৰণ কৰে। ঠাৰিৰ উপৰিভাগে সেউজ-বুলীয়া ৰং পৰিধান কৰা ঘাঁহবিদে জোপাৰ আকাৰে বিকাশ লাভ কৰে। শিপা ধাৰণ কৰা মুঢ়াৰপৰা পাতৰ ঠাৰিবোৰ ওলাই আহে। ঠাৰিৰ অগ্ৰভাগত যিবিলাক দীঘল চানেকীয়া আৰু অলপ ছিৰিলি ছিৰিলি আকৃতিৰ পাতৰ উৎপত্তি হয় সেই পাতবোৰ ছাত্ৰকাৰ ৰূপ পৰিধান কৰে। পাতৰ ঠাৰিৰ উপৰিভাগৰ পৰা ফুলধৰা সৰু সৰু ঠাৰিৰ উৎপত্তি হয়। থোপাৰ আকাৰে বিকশিত হোৱা ফুলবোৰে বগা চানেকীয়াকৈ সেউজবুলীয়া ৰং পৰিধান কৰে।

স্বাভাৱিক পৰিবেশত এইবিধ ঘাঁহ আমাৰ এইফালৰ ঠাইবোৰত দেখিবলৈ পোৱা নাযায়। অন্য ঠাইৰপৰা সচ আনি আমাৰ মানুহে আলঙ্কাৰিক পাত ধাৰণ কৰা উদ্ভিদ হিছাপে ফুলনি বাৰীত কিম্বা মাটিৰ চৰু বা গামলাত লগাই ৰাখে। ইয়াৰ জহৰা গজা পুলি বা জোপা বকৰাণিত উৎপত্তি হোৱাও দেখা যায়।

চিত্ৰনলা, চিম্‌নোপগন নাৰদচ্‌ পৰিয়াল–গ্ৰামিনি
(Chitranella) Chitranella grass Cymnopogon nardus Family–Gramineae

এবিধ খহটা পাত ধাৰণ কৰা জোপোহা ঘাঁহ জাতীয় উদ্ভিদ। স্বাভাৱিক অৱস্থাত এইবিধ ঘাঁহ অসমত দেখিবলৈ পোৱা নাযায়। চিত্ৰনলা তেল নামেৰে পৰিচিত এবিধ সুগন্ধি তেল ইয়াৰ পাতবিলাকৰপৰা তৈয়াৰ কৰা হয়। একোজোপা চিত্ৰনলা ঘাঁহৰ উচ্চতা প্ৰায় এক মিটাৰমান হোৱা দেখিবলৈ পোৱা যায়। একোটা জোপাত কেবাজোপা ঘাঁহৰ উৎপত্তি হয়। পাতৰ আকৃতি বহল চানেকীয়াকৈ তৰোৱালৰ দৰে দীঘল হয়। এই পাত হাতেৰে ভাঙি নাকৰ ওচৰত ধৰিলে চিত্ৰনলা তেলৰ সুগন্ধ অনুভৱ কৰিব পাৰি। কাৰখানাত এই সুগন্ধি তেল প্ৰস্তুত কৰা হয়। কেৰাচিন তেল, নাৰিকল তেল আদিৰ লগত মিহলি কৰি হাত-ভৰিত ঘঁহি ল'লে মহ, জোক আদিৰপৰা ৰক্ষা পাব পাৰি।

আজি ব্যৱসায়িক ভিত্তিত কোনো কোনো উদ্যোগী লোকে এইবিধ ঘাঁহৰ

খেতি সৰহীয়াকৈ কৰে। শিপাৰপৰা উৎপত্তি হোৱা মুঢ়া লগাই দিলে ইয়াৰ উৎপত্তি হয়। মেঘালয়ৰ বনবিভাগ আৰু ভূমি সংৰক্ষণ বিভাগেও ভূমি স্খলন কমাবৰ বাবে আৰু আৰ্থিকভাৱেই লাভবান হ'বলৈ ইয়াৰ খেতি ঠায়ে ঠায়ে কৰিছে।

এইবিধ মূল্যবান ঘাঁহৰ দুটা জাত থকা দেখিবলৈ পোৱা যায়।

মেগেলা, চকাৰম অৰুন্দ্ৰিনেচিয়ম্ পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–এন্দ্ৰোপোগনি

(Megela) Saccharum arundinaceum Family–Gramineae, Sub-family–Andropogoneae

জোপাৰ আকাৰে দ-চানেকীয়া ঠাইত উৎপত্তি হোৱা এবিধ ডাঙৰ আকাৰৰ ঘাঁহ জাতীয় উদ্ভিদ। গাইগুটীয়াভাৱে জোপাত বিকাশ লাভ কৰি থকা একো একোডাল গছৰ উচ্চতা প্ৰায় ৬ মিটাৰমান হোৱা দেখা যায়। পাববিলাক দীঘল দীঘল হোৱাৰ বাবে একোজোপা গছত উৎপন্ন হোৱা গাঁঠিৰ পৰিমাণ তাকৰ হয়। প্ৰত্যেকটো গাঁঠিত বিকাশ লাভ কৰা পাতৰ দীৰ্ঘতা প্ৰায় ১.৫ মিটাৰ হয় আৰু পাতখিলা বহলে প্ৰায় ৫ চেণ্টিমিটাৰমান হয়।

এইবিধ ঘাঁহ জাতীয় উদ্ভিদে ধাৰণ কৰা পুষ্প-পুঞ্জৰ ঠানিডাল অস্বাভাৱিকভাৱে দীঘল আৰু দেখনিয়াৰ হয়। এডাল লাঠিৰ দৰে পুষ্প গুচ্ছই আকৰ্ষণীয় ৰূপ ধাৰণ কৰে। এই পুষ্প পুঞ্জৰ লাঠিডাল নিলগৰপৰা দৃষ্টিগোচৰ হ'লে অতি সহজে গছজোপাক চিনি উলিয়াব পৰা যায়।

মাদুৰি, স্কিপছ্ টেগেটছ্ পৰিয়াল–গ্ৰামিনি

(Maduri) Scripus tegetus Family–Gramineae

নৈৰ চাপৰিত উৎপন্ন হোৱা এবিধ বহল আৰু চেপেটা পাত ধাৰণ কৰা বনৰীয়া ঘাঁহ জাতীয় উদ্ভিদ। ইয়াৰ কোমল আমল চেপেটা পাতবোৰ গাঁঠি বহাৰ আসন, বেৰ আদি তৈয়াৰ কৰা হয়।

ব্যৱহাৰিক আৰু অৰ্থনৈতিক দৃষ্টিকোণৰপৰা বিবেচনা কৰি চালে এইবিধ ঘাঁহ জাতীয় উদ্ভিদৰ যথেষ্ট মূল্য আছে বুলি ক'ব পাৰি। ইয়াৰ পাতেৰে তৈয়াৰ কৰা কঠ বজাৰত কিনিবলৈ পোৱা যায়।

খাগৰি, চাকাৰম ফুচকম্ পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–এন্দ্ৰোপোগনি

(Khagori) Saccharum fuscum Family—Gramineae Sub-family—Andropogoneae

নদীকূলীয়া পলসুৱা ঠাইবিলাকত যিবিলাক ওখ ওখ ঘাঁহ জাতীয় উদ্ভিদৰ বিকাশ সাধন হোৱা দেখা সেইবিলাকৰ ভিতৰত খাগৰি অন্যতম। ইকৰা, নল আদিৰ

দৰে এইবিধ ঘাঁহ জোপা জোপা হৈ উৎপত্তি হয় আৰু ভালেখিনি ঠাই আগুৰি থাকে।

পাতৰ ঠাৰিৰ গুৰিভাগত উৎপন্ন হোৱা কলঠৰ্ব্বাৰ নিচিনা বৌথা গছজোপাক মেৰিয়াই ৰাখে। পাতবিলাক কুঁহিয়াৰৰ পাতৰ দৰে দীঘল দীঘল হয়। থোপা থোপে ফুল ফুলে। অস্থায়ী ঘৰত বেৰা আদি দিয়াৰ বাহিৰে অন্য কোনো কামত এইবিধ বনৰ ঠাৰি ব্যৱহাৰ কৰাৰ উপযুক্ত নহয়।

বিৰিণা, চাকাৰম্ স্পন্টেনিয়ম্ পৰিয়াল–গ্ৰামিনি উপ-পৰিয়াল–এন্দ্ৰোপোগোনি
(Birina) Saccharum spontaneoum Family–Gramineae Sub-family–Andropogoneae

এবিধ দ-চানেকীয়া ঠাইত উৎপন্ন হোৱা ওখ বিধৰ ঘাঁহ জাতীয় উদ্ভিদ। অন্যান্য ঘাঁহ জাতীয় উদ্ভিদৰ দৰে এইবিধ বন সৰহীয়া সৰহীয়া একেডোখৰ ঠাইতে উৎপত্তি হয়। গছডালে উলু বৰতা আদি খেৰ জাতীয় উদ্ভিদৰ দৰে ওখ ধৰণৰ ঘাঁহৰ ৰূপ ধাৰণ কৰে।

পাতবোৰে উলু বৰতা আদি খেৰ জাতীয় উদ্ভিদৰ দৰে দীঘল ৰূপ ধাৰণ কৰে। থোপা-থোপে ফুল ফুলে।

ববচা বন, এলিওচাইনে ইন্দিকা পৰিয়াল–গ্ৰামিনি ববচা বন কাণ খজোৱা বন (অসমীয়া) মালুকুৰি (হিন্দী) এল্-ফিট্ (তাই-আহোম)
(Bobosa Bon) Leusine indica Family–Gramineae

শাকনি বাৰী, চোতাল, মুকলি ঠাই আৰু আলিবাটৰ কাষে-পাজৰে যিবিলাক মাটিৰ উপৰিভাগৰ আৱৰণ হিছাপে ঘাঁহ জাতীয় উদ্ভিদৰ উৎপত্তি হোৱা পৰিলক্ষিত হয় সেইবিলাকৰ ভিতৰত ববচা বন অন্যতম। আপোনা-আপুনি মাটি ফুটি ওলোৱা ববচা বনৰ এধানমানি পুলিটো লাহে লাহে ডাঙৰ হৈ যেতিয়া চাৰিওফালে মেলাহি খাই ওলাই অহা শাখা উপশাখাবোৰে আকাশ মুৱা হ'বলৈ যত্ন কৰে তেতিয়া ঘাঁহ জোপাই জোপোহা ৰূপ ধাৰণ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। চুলি একোছাৰ দৰে মাটিৰ তলত খামোচ মাৰি ধৰা শিপাখিনিত উৎপত্তি হোৱা জোপাটো শাখা বনবোৰৰ আগভাগবোৰত একোডালকৈ বা একাধিক পুষ্প ঠাৰিৰ উৎপত্তি হয় আৰু এই ঠাৰিৰ আগত তিনি বা চাৰিডলীয়া পুষ্পদণ্ডৰ সৃষ্টি হৈ তাৰ ওপৰত একাষৰীয়াকৈ গাঠি থকা পুষ্প-গুচ্ছৰ উৎপত্তি হয়। ফুলৰ বৰণ সেউজবুলীয়া আৰু চেলাপতীয়া পুষ্প-গুচ্ছ চকুত নলগাকৈ সামান্য হয়। ফুল ধৰা ঠাৰিকেইডাল ওপৰৰপৰা তলৰ ফালে বখলিয়াই চাঁচি দিলে যিখিনি আঁহ মূল ঠাৰিত থাকি যায় তাৰে কাণ খজুৱাব পাৰি।

কোৱামণি, পৰিয়াল–গ্ৰামিনি
(Kowamoni) Job's tears
Family–Gramineae

ঘাঁহ জাতীয় উদ্ভিদৰ দৰে ঠায়ে ঠায়ে গাইগুটীয়াভাৱে কিম্বা কেবাজোপা গছৰ দ্বাৰা গঠিত হোৱা জোপাৰ আকাৰে বিকাশ লাভ কৰি থকা এবিধ অলাগতিয়াল উদ্ভিদ। মূল ঠাৰিডালৰ দুয়ো কাষে দীঘল দীঘল আৰু খহটা পাতবোৰ ওলাই আছে। পাতৰ ঠাৰিৰ গুৰিভাগত বৌখাৰ উৎপত্তি হয় আৰু এই বৌখাই মূল গছডাল কল পটুৱাৰ দৰে সাবটি ধৰে।

ঠাৰিৰ আগভাগত থোপা-থোপে ফুল ধৰে। ফুলৰ বৰণ উজ্জ্বল নোহোৱাৰ বাবে নিলগৰপৰা লক্ষ্য কৰিলে সহজে চকুত ধৰা নপৰে। এই ফুল পুৰঠ হ'লে তাৰপৰা যি ফল ধৰে সেই ফলৰ আকৃতি দীঘল চানেকীয়াকৈ গোটা হয়। এই গুটি পকিলে নীল বৰণীয় ৰূপ ধাৰণ কৰে। দেখাত একো একোটা পোল মটি যেন লাগে। কোনো কোনো গৰখীয়া ল'ৰাই এই গুটিবোৰৰ মালা গাঁঠি চখতে ডিঙিত পিন্ধে।

চেঁচোৰ, চেইৰপছ কেইচোৰ
পৰিয়াল–গ্ৰামিনি
মাক–নিঙ্-নাম (তাই-আহোম)
(Sesur) Seirpus kysoor
Family–Gramineae

জাৰকালি ধাননি পথাৰৰ মাজত কিম্বা তেনে ধৰণৰ দ চানেকীয়া ঠাইত বিকাশ লাভ কৰা এবিধ বন। ইয়াৰ পাতবোৰ পিয়াঁজৰ পাতৰ দৰে চুঙাৰ লেখীয়াকৈ দীঘলীয়া দীঘলীয়া হয়। বেলেগ কোনো ঠৰুৱা বা গা গছৰ উৎকৰ্ষ সাধন হোৱা দেখিবলৈ পোৱা নাযায়। এই চুঙা পহীয়া পাতবোৰেই গা গছৰ কাম কৰে। চুঙা সদৃশ পাতবোৰৰ ভিতৰখন ফোপোলা হয় আৰু উপৰিভাগে মিহিকৈ সেউজীয়া বৰণ ধাৰণ কৰে।

গুৰিভাগত বিকাশ লাভ কৰা চুলি সদৃশ শিপাবোৰ মাটিৰ তলত পোত খাই বন গছডালক আহাৰ যোগায়। শিপাৰপৰা ওলোৱা কেইডাল ঠাৰিয়ে দীঘল ৰূপ ধাৰণ কৰি মাটিৰ তলেদি ভালেখিনি দূৰ পায়গৈ। এনেদৰে বিকশিত হোৱা শিপাৰ আগভাগত বুটমাহৰ দৰে গোটা আকাৰৰ আলু ধৰে। ইয়াকে চেঁচোৰ বুলি কোৱা হয়। এই চেঁচোৰ খাবলৈ বাদামৰ দৰে মিঠা মিঠা লাগে। গৰখীয়া ল'ৰাই হোলাঙেৰে পম খান্দি চেঁচোৰ বাহিৰ কৰে। তাকে ধুই-পখালি লৈ চোবাই চোবাই খায়।

কেঁহেৰু, চেইৰপাছু কাইচোৰ
পৰিয়াল–গ্ৰামিনি
(Keheru) Scirpus kysoor
Family–Gramineae

বাম-চানেকীয়া পানীত উৎপন্ন হোৱা এবিধ ঘাঁহ জাতীয় উদ্ভিদ। পাতবিলাক তৰোৱালৰ নিচিনা চেপেটা চেপেটা হয়। বিল আদিৰ কাষত থকা

বোকাময় ঠাইত আৰু ধাননি পথাৰবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কিছুমান দ-চানেকীয়া ঠাইত ইয়াক ডৰা ডৰাকৈ বিকাশ সাধন হোৱা দেখিবলৈ পোৱা যায়।

বনগছ জোপাৰ গুৰিত আঁহৰ নিচিনা সৰু সৰু শিপাৰ উৎপত্তি হয়। একোডাল শিপা মাটিৰ তলে তলে গৈ অলপ মজলীয়া আকাৰৰ আলু ধৰে। এই আলুৰ উপৰিভাগ চেঁচোৰ দৰে মিহি নহৈ ওলকচুৰ নিচিনা হোৱা দেখা যায়। এইদৰে লগা কেঁহেৰু চেঁচোৰবোৰ খাবলৈ তেলেতীয়া হয়।

বনগুটি, পৰিয়াল—প্ৰামিনি
Andropogon aciculatus Syn Chrysopogon aciculatus Damily–Gramineae

আমাৰ ঘৰৰ চোতালত, শাকনি বা ফুলনি বাৰীত, বাটৰ কাষত আৰু বাম ঠাইত থকা মুকলি পথাৰত এক প্ৰকাৰৰ বহল পতীয়া ঘাঁহ জাতীয় উদ্ভিদে দুবৰি বনৰ দৰে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। খেল পথাৰ, উদ্যান আদিতো এইবিধ বনৰ উৎপত্তি প্ৰচুৰ পৰিমাণে হোৱা দেখা যায়। ঘন ঘনকৈ সমানভাৱে উৎপত্তি হৈ গোটেইবোৰ ঠাইত দলিছাৰ দৰে বিয়পি পৰিব পৰা বিধৰ বন হোৱাৰ বাবে উদ্যান, খেল পথাৰ আদিত এইবিধ বন বাঢ়িবলৈ দিয়া হয়। ভূমিস্খলন নহ'বৰ বাবে মথাউৰি আদিৰ কাষতো ইয়াক শিপাসহ চপৰা-চপৰে মাটিবোৰ উঠাই নি লগাই দিয়া হয়।

অলপ বহল আকৃতিৰ সেউজীয়া পাতবোৰ দীঘল চানেকীয়াকৈ আগৰফালে ক্ৰমে সৰু হয়। ইয়াৰ দীঘল দীঘল ঠাৰিবোৰৰ আগত যিবোৰ ফুল ধৰে সেই ফুলে কোনো চকুত লগা বৰণ ধাৰণ নকৰে। এই ফুলৰপৰা যিবিলাক গুটিৰ উৎপত্তি হয় সেই গুটিবোৰে ক্ষুদ্ৰ আকাৰৰ ধানৰ ৰূপ ধৰে। আচলতে এই ফলবোৰে বনগুটিৰ নাম পায়। কাপোৰত এই বনগুটিবোৰে সোপা-সোপে লাগি ধৰি খোজকাঢ়ি যোৱা মানুহৰ বাবে পয়মালৰ সৃষ্টি কৰে।

কেএৱাবন, কালিঙীয়া ব্ৰেডফলিয়া, পৰিয়াল—গ্ৰামিনী
Kallingia bredifolia, Family–Gramineae

ঘৰৰ চোতাল, উদ্যান উপবন আদিত বিকশিত হোৱা ঘাঁহ জাতীয় উদ্ভিদবিলাকৰ ভিতৰত কেএৱাবন নামেৰে পৰিচিত ক্ষুদ্ৰাকাৰ ঘাঁহক অন্যতম বুলি ক'ব পাৰি। এইবিধ ঘাঁহে ধাৰণ কৰা পাতখিলাকৰ আকৃতি তৰোৱাল একোখনৰ নিচিনা চেপেটা আৰু দীঘলীয়া হয়। পাতখিলাৰ মাজভাগত থকা অস্পষ্ট ঠাৰিৰ বাহিৰে পাতবোৰত কোনো ধৰণৰ সিৰৰ বিকাশ হোৱা দেখা নাযায়। কিছুমান ঠাইত এইবিধ ঘাঁহ জাতীয় উদ্ভিদে দুবৰি

বনৰ দৰে ডৰা ডৰাকৈ উৎপত্তি হোৱাৰ লক্ষণ প্ৰদৰ্শন কৰে। পাতবোৰৰ গুৰিভাগত থকা ঠাৰিয়ে বৌখাৰ দৰে মূল ঘাঁহডালত মেৰিয়াই ধৰে।

মাটিৰ তলত উৎপত্তি হোৱা চুলি যেন শিপাবোৰ মাটিৰ তলে তলে অলপ নিলগলৈ হৈ কেঁহেৰু চেঁচোৰৰ নিচিনাকৈ একোটা সৰু আলুৰ সৃষ্টি কৰে আৰু এই আলুৰপৰা উৎপত্তি হোৱা পুখা একোডাল মাটিৰ উপৰিভাগলৈ উঠি আহি একো একোজোপা নতুন কেঞাবন সৃষ্টি কৰে আৰু এইদৰে ঘাঁহৰ সংখ্যা বাঢ়ি বাঢ়ি গৈ থাকে।

ধান, অ'ৰিজা চেটিভা, পৰিয়াল— গ্ৰামিনি, উপ-পৰিয়াল—অ'ৰিজি
Dhan, The Paddy Plant Oryza sative, Family–Gramineae, Sub-family–Orizae

অলপ ওখ বিধৰ ঘাঁহ জাতীয় উদ্ভিদ। সাধাৰণতে বাম চানেকীয়া পানীত ধান খেতি কৰা হয়। পাতৰ আকৃতি দীঘলীয়া হয়। ঠাৰিৰ মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। এই গাঁঠিবোৰে পাতৰ বৌখা ধাৰণ কৰে। ঠাৰিডালৰ ভিতৰখন ফোপোলা হয়। থোপা-থোপে ফুল ধৰে। এই ফুলবোৰ পুৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলকে আমি ধান বুলি কওঁ। এই ধানৰপৰা উৎপন্ন হোৱা চাউলে আমাক মৌলিক খাদ্যৰ যোগান কৰে। অসমত বহুজাতৰ ধান হোৱা দেখা যায়। তাৰ ভিতৰত শালি ধান, বৰা ধান, জহা ধান, সুৱাগমণি ধান আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

দ ধানৰ খেতি কৰিবৰ বাবে আমাৰ খেতিয়কসকলে পথাৰত আলি দি পানীত ডুবাই ৰাখে। তাৰপাছত বহাগ-জেঠ মাহত মাটিডোখৰত ঘন ঘনকৈ হালবাই কঢ়ায়, সমাৰে আৰু মৈ দি বোকাখিনি সমান কৰি কঠীয়াৰ গোছবিলাক ৰুই দিয়ে। ধানগছবোৰ লহপহকৈ বাঢ়ি আহিন-কাতি মহীয়া থোকা-থোকে ফুলে। আঘোণ-পুহ মাহত ধান পকিলে কাচিৰে কাটি ডাঙৰিবোৰ ভঁৰালত থয়হি। মৰণা মাৰি উলিওৱা ধান ঢেঁকীত খুন্দি চাউল উলিয়ায়।

বাওধান, অৰিজা চেটিভা প্ৰকাৰ ফেটুৱা, পৰিয়াল—গ্ৰামিনি, উপ-পৰিয়াল—অ'ৰিজি
(Bao-dhan) Oryza sativa var fatua, Family–Gramineae Sub-family–Oryzeae

এবিধ ধান জাতীয় উদ্ভিদ। অলপ দ চানেকীয়া পানী কিম্বা ভেৰোণীয়া বোকাময় পথাৰত ইয়াৰ উৎপত্তি হয়। এনেবিলাক দ ঠাইত আপোনা-আপুনি গোছাৰ আকাৰে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। উদ্যোগী খেতিয়কসকলে সুবিধা বুলি এই গোছাবোৰ

নিৰাই দিয়ে আৰু অলপ সেৰেঙা সেৰেঙাকৈ গোছাবোৰ লগাই দিয়ে। সময়ত ধানবোৰ পকিলে কাটি আনি ভঁৰালত ৰাখে।

দুবৰি বন, চাইনোদন–ডেক্‌টিলন উপ-পৰিয়াল–ক্লোৰিডি এগা-ন্সা-ফেট (তাই-আহোম)
(Dubori Bon) Cynodon dactylon Family–Gramineae

নিচেই সৰু আকাৰৰ এবিধ ঘাঁহ জাতীয় উদ্ভিদ। বনডালে গোটা আকৃতি ধাৰণ কৰে আৰু ইয়াৰ মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। প্ৰত্যেকটো গাঁঠিতে চুলি যেন শিপাৰ উৎপত্তি হয় আৰু এইবিলাকত বিকশিত হোৱা পুখাবিলাক বাঢ়ি বাঢ়ি চৌপাশৰ ঠাইখিনি এই একেবিধ ঘাঁহে দখল কৰি লৈ লয়। সেইবাবে ঘাঁহৰ আৱৰণেৰে সেউজীয়া পথাৰ সৃষ্টি কৰিবলৈ এইবিধ ঘাঁহ কামত লগোৱা হয়। মেচিনৰ সহায়ত ঘাঁহৰ উপৰিভাগ সমানকৈ কাটি কাটি দিলে সেউজ বৰণীয়া দলিচাৰ সৃষ্টি হয়।

ইয়াৰ পাতবিলাক বাঁহ গছৰ পাতৰ দৰে দীঘলীয়া দীঘলীয়া হয়। ফুলৰ আকাৰ নিচেই সৰু সৰু হয়। হিন্দু ধৰ্মাৱলম্বী লোক সকলে দুবৰি বনক পবিত্ৰ জ্ঞান কৰে। ফুল, তুলসীৰ দৰে, দুবৰি বনৰ আগ ধৰ্ম কাৰ্যত লগায়।

দলঘাঁহ, (Dol Ghah)

ভেৰভেৰীয়া বোকাময় জলাশয়বিলাকৰ তলিত পুঞ্জীভূত হৈ থকা বোকাৰপৰা দীঘলীয়া দীঘলীয়া ঠাৰিৰ আকাৰে বিকশিত হৈ পানীৰ উপৰিভাগত দীঘল পতীয়া ঘাঁহ হৈ বিকাশ লাভ কৰি থকা এবিধ ঘাঁহ জাতীয় উদ্ভিদ। শিপাবোৰ বোকাৰ তলত পোত খাই থাকে। ঠাৰিডাল দীঘল দীঘল পাব আৰু গাঁঠিয়ে বিকাশ লাভ কৰে। গাঁঠিয়ে গাঁঠিয়ে পাতৰ ঠাৰিৰ বৌখাৰপৰা ওলোৱা পাতবোৰে দীঘল চানেকীয়া ঘাঁহৰ ৰূপ ধাৰণ কৰি পানীৰ উপৰিভাগত একো একোডৰা ঘাঁহৰ নিচিনাকৈ উৎপত্তি হয়। তেতিয়া দ পানীৰ উপৰিভাগে বাম ঠাইত থকা একোডৰা ঘাঁহনি পথাৰৰ আকৃতি ধাৰণ কৰে।

হাতীয়ে এইবিধ ঘাঁহ খাবলৈ ভাল পায়। ঘৰচীয়া হাতীৰ পিঠিত মাউতে এই ঘাঁহবোৰ কোছা-কোছে হাতীৰ পিঠিত লাডি আনি বান্ধি ৰখা অৱস্থাত খুৱাইহি।

বাঁহপতীয়া ঘাঁহ, পৰিয়াল–গ্ৰামিনি
(Banh Potia Ghah) Family–Gramineae

চেঁচুকীয়া ঠাইত বহুখিনি ঠাই জিনি ডৰা ডৰাকৈ উৎপত্তি হোৱা এবিধ ঘাঁহ জাতীয় বনৰীয়া উদ্ভিদ। ক্ষুদ্ৰ আকাৰৰ অলপ দীঘল চানেকীয়া ঠাৰিবোৰৰ গাঁঠিয়ে গাঁঠিয়ে বৌখাই বিকাশ লাভ কৰি পাতৰ ঠাৰিৰ উৎপত্তি কৰে। পাতবোৰে তেনেই ক্ষুদ্ৰ আকাৰৰ বাঁহপাতৰ নিচিনা

ৰূপ প্ৰদৰ্শন কৰে। মুকলি হাকলি বাম ঠাইবোৰৰ মুক্ত পৰিৱেশত উৎপত্তি হোৱা এই জাতৰ ঘাঁহবোৰ দুবৰি বনৰ নিচিনাকৈ অন্যান্য ঘাঁহ জাতীয় উদ্ভিদৰ লগত সহজে চিনি উলিয়াব নোৱৰাকৈ মাটিৰ উপৰিভাগত লিপিট খাই থাকে। ছাঁয়াযুক্ত চেঁচুকীয়া ঠাইত বিকাশ লাভ কৰা ঘাঁহবোৰে দীঘল চানেকীয়া পাব ধাৰণ কৰি আকাশমুৱা হৈ উৰ্দ্ধগতি লাভ কৰিবলৈ চেষ্টা কৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা দেখা যায়।

গৰু-ছাগলীয়ে খোৱাৰ বাহিৰে এইবিধ ঘাঁহ অন্য কোনো কামত মানুহে ব্যৱহাৰ কৰাৰ কথা জনা নাযায়। বৰঞ্চ ফুলনিবাৰী, শাকনিবাৰী আদিত উৎপত্তি হোৱা ঘাঁহ খেতিয়কসকলে উঘালি উঘালি পেলাবলগীয়া হয়।

তামোল, এৰিকা কেটেছু পৰিয়াল–
এৰিকেঁছি কোৱাই (খাচিয়া) চাপাৰি (বড়ো) ইংতোত্ (কাৰবি) কুই (ৰাভা) গই (তিৱা) গোৱাই (বড়ো) টুন্-মা-মু (তাই-আহোম)
(Tamul) The Betelnut tree Areca catechu Family–Arecaceae

তামোল এবিধ ওখ বিধৰ এডলীয়া গছ। তাল, খেজুৰ, নাৰিকল আদি গছৰ লগত ইয়াক তুলনা কৰিব পাৰি। আমাৰ মানুহে ডৰা ডৰাকৈ বাৰীত লগোৱা তামোলনি বাৰীৰ দৃশ্য দেখিবলৈ অতি মনোৰম হয়। টিকনি আগত বিকশিত হোৱা ছিৰিলি ছিৰিলি পাতৰ থোপাৰে সৈতে সুদীৰ্ঘ গছডালক স্বৰ্গৰপৰা কোনোবা দেৱতাই নিক্ষেপ কৰি পৃথিৱীলৈ মাৰি পঠোৱা কাঁড় এপাটৰ লগত ৰিজাব পাৰি।

তামোলৰ গছডালে ছাই-বৰ্ৰণীয়া ৰূপ ধাৰণ কৰে। গছজোপাৰ গুৰিৰপৰা মাটিত উৎপত্তি হোৱা সূক্ষ্ম শিপাৰ কিছু অংশ মাটিৰ ওপৰতো দেখিবলৈ পোৱা যায়। গছ জোপাৰ বাকলিখনৰ ওপৰত ঘন ঘন গাঁঠিৰ উৎপত্তি হয়। এই গাঁঠিৰ সংখ্যা গণনা কৰি একোজোপা তামোল গছৰ আনুমানিক বয়স নিৰ্ণয় কৰিব পাৰি। নতুন পাত ধৰাৰ সময়ত পাতখিলাৰ ঠাৰিৰ গুৰিত বৌখাৰ উৎপত্তি হয় আৰু এইদৰে উৎপত্তি হোৱা বৌখাৰ গুৰিত গছডালৰ বাবে একোটা নতুন গাঁঠিৰ বিকাশ সাধন হয়। এই বৌখাচটাক তামোলৰ ঢকুৱা বুলি কোৱা হয়।

প্ৰতিবছৰে জেঠ-আহাৰ মাহত পাতবোৰৰ তলত কেইথোপামান ফুল ধৰে। এই ফুলবোৰ পূৰঠ হ'লে সৰু সৰু তামোলৰ উৎপত্তি হয়। কেচা তামোল খাবলৈ কেঁহা কেঁহা লাগে। একোটা তামোলৰ উপৰিভাগত আঁহ থকা বাকলিৰ উৎপত্তি হয়। পকিলে সেউজীয়া বাকলিখন হালধীয়া হৈ পৰে। বুঢ়া কিম্বা পকা তামোলৰ ভিতৰত যি ফল ধৰে সেই ফল অলপ টান হয়। সেই তামোল কটাৰিৰে ফালি পাণ

আৰু চূণৰ লগত লগ লগাই খোৱা হয়। কোনো কোনো মানুহে বুঢ়া তামোলবোৰ ৰ'দত শুকুৱাই চুপাৰি তৈয়াৰ কৰে। সেই চুপাৰি খিলিপাণ তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

তামোল গছৰ ভিতৰখন আঁহযুক্ত ফোপোলা হয়। সেইবাবে কাঠ হিচাপে গছডাল ব্যৱহাৰ কৰিব নোৱাৰি। অস্থায়ী ঘৰ আদি নিৰ্মাণ কৰোঁতে খুঁটা হিচাপে ব্যৱহাৰ কৰিব পাৰি।

চেৱাগছ, কেৰিওটা ইউৰেন্‌ছ উপ-পৰিয়াল–এৰিকেছি
(Sewa-gach) Caryota urens
Family–Arecaceae

এবিধ তামোল জাতীয় বনৰীয়া গছ। মুকলি-মূৰীয়া হাবি-বননিত আৰু মানুহৰ বাৰীত এইবিধ আকৰ্ষণীয় গছৰ ব্যুৎপত্তি পৰিলক্ষিত হয়। একোজোপা গছৰ উচ্চতা ১৫-১৬ মিটাৰমান হোৱা দেখিবলৈ পোৱা যায়। তামোল গছৰ তুলনাত গছজোপাৰ বেৰ ভালেখিনি ডাঙৰ হয় আৰু ঠিক সেই অনুপাতে ইয়াৰ পাতবোৰ দীঘলীয়া দীঘলীয়াভাৱে ছিৰিলি ছিৰিলি হোৱা দেখা যায়। পোলোঙা গছজোপাৰ টিকনি আগত বিকশিত হোৱা পাতৰ বৌখাই গছজোপাৰ আগভাগ সাবটি ধৰে আৰু বৌখাৰে সৈতে পূৰঠ পাতখিলা মাটিলৈ সৰি পৰিলে নতুন নতুন বৌখা আৰু পাতৰ উৎপত্তি হয়।

তামোল আৰু খেজুৰৰ নিচিনাকৈ থোপা-থোপে ফুল ধৰে আৰু এই ফুল পূৰঠ হ'লে তামোলৰ নিচিনা সৰু সৰু আকাৰৰ ফলৰ উৎপত্তি হয়। দীঘল দীঘল ঠাৰিত লমালমে লাগি থকা ফলৰ থোকাবোৰে আকৰ্ষণীয় ৰূপ ধাৰণ কৰে।

এইবিধ গছ আলিবাটৰ কাষত কিম্বা কোনো ৰাজহুৱা অনুষ্ঠানৰ পদূলিত শাৰী শাৰীকৈ লগাই দিলে বিতোপন পৰিবেশৰ সৃষ্টি কৰিব পাৰিব। গছডালৰ ভিতৰখন আঁহযুক্তভাৱে কোমল হয়। মাজে মাজে ফালি আৰু মাজৰ আঁহবোৰ গুচাই ইয়াক বহুতো মানুহে নাওৱা হিচাপে ব্যৱহাৰ কৰে।

নাৰিকল, ক'কছ্‌ কুছিফেৰা পৰিয়াল–এৰিকেছি নালেংখৰ (বড়ো)
(Narikol) The cocoa-nut tree Cocoskucifera Family–Arecaceae

তামোল গছৰ আকৃতি ধাৰণ কৰা এবিধ উচ্চ পৰ্যায়ৰ লাগতিয়াল গছ। বাকলিৰ ৰং ছাই-বৰণীয়া হয়। পাতৰ বৌখা ধাৰণ কৰি পাছত মাটিলৈ সৰি সৰি পৰা ঠাইবোৰত পথালি পথালি দাগ বা গাঁঠিৰ উৎপত্তি হয়। মাটিৰ তলত বিকশিত হোৱা সূক্ষ্ম শিপাবোৰৰ কিছু অংশ মাটিৰ উপৰিভাগতো আৱিৰ্ভাৱ হোৱা দেখিবলৈ পোৱা যায়।

পাতবোৰ তামোল গছৰ পাতৰ দৰে ছিৰিলি ছিৰিলি হয়। অৱশ্যে আকাৰত তামোলৰ পাততকৈ ভালেখিনি ডাঙৰ হয়। ঠিক সেইদৰে গছডালো তামোলৰ গছতকৈ ডাঙৰ আৰু মোটা হয়। তামোলৰ দৰে নাৰিকল গছৰ পাতৰ ঠাৰিত আহল-বহল ঢকুৱাৰ উৎপত্তি হোৱা দেখা নাযায়। বৌখাৰ আকৃতি ফেঁটী সাপৰ ফেঁটটোৰ নিচিনা হয়। দীঘল দীঘল শাখা পাতৰ ঠাৰিবোৰৰপৰা চেপেটা পাতবোৰ গুচাই বাঢ়নি বা জাৰু তৈয়াৰ কৰিব পাৰি।

থোপে-থোপে ফুল ফুলে। সেই ফুলবোৰৰপৰা যি ফল ধৰে সেই ফলেই খাদ্যাপযোগী সামগ্ৰী ধাৰণ কৰা মূল্যবান নাৰিকল ফলৰ যোগান ধৰে। নাৰিকলৰ বাকলিখন আঁহযুক্ত হয়। এই বাকলিৰ ভিতৰত থকা খোলাৰ ভিতৰত যি শাহৰ উৎপত্তি হয় সেই শাহ খোৱাৰ উপযুক্ত নাৰিকলৰ ফলৰূপে মানুহে ব্যৱহাৰ কৰে। শাহৰ ভিতৰত যি পানী থাকে সেই নিৰ্মল পানী খাবলৈ সোৱাদ হয়। পুলি গজিবলৈ ধৰাৰ সময়ত নাৰিকলটোৰ ভিতৰত এটা গোটা মণ্ডহাল পদাৰ্থই বিকাশ লাভ কৰে। ইয়াক নাৰিকলৰ ফুল বুলি কয়। এই ফুল খাবলৈ মিঠা হয়।

নাৰিকলৰ পুলি তিনি মিটাৰমান আঁতৰে আঁতৰে লগাব লাগে। পুলি লগাবলৈ খনা গাঁতটোত জাবৰ আদি গোটাই পুৰি লৈ কীট-পতঙ্গবিলাকৰ বিনাশ সাধন কৰি ল'ব লাগে। তদুপৰি গাঁতটোৰ চাৰিওকাষে নিমখ ছটিয়াই দি মাটিৰ লগত মিহলাই দিব লাগে। নাৰিকলৰ আঁহেৰে ৰচি তৈয়াৰ কৰা হয়। দক্ষিণ ভাৰতৰ মানুহে এই আঁহবোৰেৰে অন্যান্য বহুতো লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰি আৰ্থিকভাৱে লাভবান হয়। হিন্দু ধৰ্মাৱলম্বী লোকসকলে নাৰিকলক পূজা-পাতলৰ এক অপৰিহাৰ্য সামগ্ৰী বুলি গণ্য কৰে। মাঙ্গলিক কাৰ্যত নাৰিকল ব্যৱহাৰ কৰা হয়।

গেৰেগুৱা তামোল, এৰিকা গ্ৰেচিলিছ পৰিয়াল-এৰিকেছি

(Wild Areca nut) Areca gracilis (Var) Family-Arecaceae

এবিধ সৰু আকাৰৰ বনৰীয়া তামোল গছ। সাধাৰণতে বনাঞ্চলবিলাকৰ দ-চানেকীয়া আৰু চেঁচুকীয়া ঠাইবিলাকত এইবিধ তামোল জাতীয় গছৰ উৎপত্তি পৰিলক্ষিত হয়। শিপাৰপৰা যি মুঢ়াৰ উৎপন্ন হয় সেই মুঢ়াত একাধিক পুলিৰ অভ্যুদয় হৈ জোপাৰ আকাৰে একোজোপা নতুন পুলি গছৰ বিকাশ সাধন হয়। এডলীয়া গছডালৰ বাকলিৰ উপৰিভাগ সাধাৰণ তামোল গছৰ বাকলিৰ দৰে টান হয়। মাজে মাজে পথালি পথালিকৈ গাঁঠিৰ উৎপত্তি হয়। গছডালৰ আগভাগত প্ৰতিবছৰে নতুন নতুন পাত ওলায়। পাতৰ ঠাৰিৰ গুৰিভাগে ঢকুৱাৰ আকাৰে গছডালত সাবটি ধৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতবোৰ তামোল গছৰ পাতৰ

দৰে ছিৰিলি ছিৰিলি হয়। গা গছৰ ভিতৰখন সোপোকা আঁহেৰে পৰিপূৰ্ণ হৈ থাকে।

প্ৰত্যেকজোপা গছৰ আগত ফুলা পুষ্প গুচ্ছক একোখন বেঁটু বা বৌখাই আবৰি ৰাখে। ফুল পূৰঠ হ'লে সৰু সৰু তামোলৰ উৎপত্তি হয়। তেতিয়া বৌখা মাটিত সৰি পৰে। তামোলবোৰ খাবলৈ কেঁহা কেঁহা লাগে।

গছডাল কাটি আনি ঘৰৰ ৰুৱা আদিত লগাব পাৰি।

মামৈ তামোল, এৰিকা গেছিলিছ পৰিয়াল–এৰিকেছি মাক্-থ'ই (তাই-আহোম)
(Mamoi Tamul) Areca gracilis Family–Arecaceae

এবিধ সৰু আকাৰৰ তামোল জাতীয় গছ। এটা পুলিৰপৰা বহুতো পুখা ওলায় আৰু এইদৰে একেটা থোপাতে একাধিক গছৰ উৎপত্তি হয়। শিপাৰ মুঢ়াত উৎপন্ন হোৱা টেপুৰপৰা নতুন নতুন পুলিৰ পুখা ওলায় আৰু এই আটাইবোৰ পুলি ডাঙৰ হ'লে জোপাত ভালেমান গছৰ উৎপত্তি হয়। দেখিবলৈ আকৰ্ষণীয় হোৱাৰ বাবে কোনো কোনো চৌখিন লোকে এইবিধ গছ উদ্যানত লগাই ৰাখে।

সাধাৰণ তামোল গছৰ দৰে গাঁঠিয়ে গাঁঠিয়ে বৌখাৰ উৎপত্তি হয়। বৌকা বা ঢকুৱাৰ উপৰিভাগত পাতৰ ঠাৰি ধৰে। তামোল গছৰ পাতৰ দৰে ইয়াৰ পাতবোৰে ছিৰিলি ছিৰিলি ৰূপ প্ৰদৰ্শন কৰে। থোপা-থোপে বগা চানেকীয়া ফুল ধৰে। পুষ্পৰ থোকাটো একোখন পাতলীয়া বেটুৰে আগুৰি ৰাখে। ফুলবোৰ পূৰঠ হ'লে সৰু সৰু তামোলৰ উৎপত্তি হয়। এই তামোল খাবলৈ অলপ কেঁহা কেঁহা লাগে।

বটল পাম, ৰয়ষ্টোনিয়া ৰেজিয়া পৰিয়াল–এৰিকেছি
(Bottle Palm) Roystonia regia Family–Arecaceae

গা গছডালে একোটা বটলৰ নিচিনাকৈ মাজভাগত বহল আৰু আগৰফালে চিঁয়া আকৃতিৰ ৰূপ ধাৰণ কৰা এবিধ প্ৰকাণ্ড আকাৰৰ তাল জাতীয় গছ। স্বাভাৱিক অৱস্থাত অসমত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হোৱা দেখা নাযায়। কিউবা, পানামা আদি দেশত স্বাভাৱিকতে উৎপত্তি হোৱা এই জাতীয় গছৰ সঁচ আহি অতীজতে ভাৰতৰ কোনো কোনো ঠাইত থিতাপি ল'বলৈ সক্ষম হৈছিল। আজিকালি অসমতো এইবিধ গছৰ পুলি ৰোপণ কৰিবলৈ বহুতে আৰম্ভ কৰিছে। দিশপুৰ সচিবালয়ৰ চৌহদত এইবিধৰ ভালেমান কেইজোপা গছে আলঙ্কৰিক গছ হিচাপে থিতাপি লাভ কৰিছে।

গছৰ মাজভাগে গুৰিভাগতকৈ ডাঙৰ ৰূপ ধাৰণ কৰে আৰু পুনৰ আগভাগ চিঁয়া

হয়। আগভাগত তামোলৰ পাতৰ নিচিনা ছিৰিলি ছিৰিলি পাতবোৰে বিকাশ লাভ কৰে। ওপৰত ছেৱা গছৰ দৰে থোপা-থোপে তামোলৰ নিচিনা সৰু সৰু ফল ধৰে।

তাল, বৰাচছ ফ্লেবিলিফৰ্মিছ পৰিয়াল–এৰিকেছি টুন্–থান (তাই-আহোম)

(Tal) Tal Palm tree Borassus flabelliformis Family–Arecaceae

তামোল, নাৰিকল, খেজুৰ আদিৰ গছৰ নিচিনা এবিধ এডলীয়া গছ। অসমত এইবিধ গছৰ উৎপত্তি কম। কোনো কোনো মানুহৰ বাৰীত দুই-এজোপা তালগছ দেখিবলৈ পোৱা যায়। পশ্চিম বঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ, উৰিষ্যা আদি বিভিন্ন ৰাজ্যত এই জাতৰ অসংখ্য গছ মানুহে ডৰা ডৰাকৈ লগাই ৰখা অৱস্থাত দেখিবলৈ পোৱা যায়।

তাল গছবিলাক টকৌ গছৰ নিচিনা হ'লেও আকাৰত অলপ ডাঙৰ হয়। পাতবিলাকে টকৌ গছৰ পাতৰ নিচিনাকৈ প্ৰকাণ্ড আকাৰ ধাৰণ কৰে। পাতবিলাকে প্ৰথমতে তৰপা-তৰপিকৈ ভাঁজ খায় থাকে। পূৰঠ হোৱা পাতবোৰে ঠাৰিৰে সৈতে তললৈ সৰি পৰে আৰু তাৰ ঠাইত নতুন পাতৰ উৎপত্তি হয়।

তামোলৰ নিচিনাকৈ ফুল ফুলে। এই ফুলৰপৰা যি ফল ধৰে সেই ফলে নাৰিকলৰ নিচিনা আৰু আকৃতিৰ দুই মুৰ চেপেটা ফল ধৰে। ফলৰ ভিতৰত থকা পদাৰ্থখিনি মণ্ডহাল হয়। এই ফল খাব পাৰি। তালৰপৰা উন্নত পৰ্যায়ৰ গুৰ আৰু মিচিৰি তৈয়াৰ কৰা হয়।

খেজুৰ, খাজুৰি, ফইনিক্স চিল্‌ভেষ্ট্ৰিছ পৰিয়াল–এৰিকেছি তেলে (কাৰবি)

(Khejur Khajuri) Date-sugar Palm Phoenix sylvestris Family–Arecaceae

খেজুৰ এবিধ তামোল জাতীয় গছ। তামোলৰ নিচিনা আৰু তামোলতকৈ আকাৰত সৰু এবিধ ফল থোকা-থোকে ধৰে। এই ফল পকিলে খাবলৈ সোৱাদ লাগে। অসমৰ বাহিৰৰ মানুহে এইবিধ গছৰ ফলবোৰ পেকেট আকাৰে সংৰক্ষণ কৰি বিক্ৰীৰ বাবে বিভিন্ন ঠাইলৈ ৰপ্তানি কৰে। অসমত এইবিধ গছৰ উৎপত্তি বৰ বেছি নোহোৱাৰ বাবে ইয়াৰ ফল মানুহে ছিঙি আনি এনেয়ে খায়।

খেজুৰ গছৰ ওপৰত খাঁজ কাটি এটা টেকেলি বা কলহ ওলোমাই দিয়া হয়। ৰাতিৰ ভিতৰতে গছজোপাৰপৰা ওলোৱা ৰস টেকেলিত গোট খালে পিছদিনা ৰাতিপুৱা সেইবোৰ সংগ্ৰহ কৰি আনে। এই ৰসক 'তাৰি' বুলি কোৱা হয়। খাবলৈ মিঠা লাগে। বেছি সময় ৰাখি দিলে তাৰিত নিচা হয়। খেজুৰৰ ৰসৰপৰা গুৰ তৈয়াৰ কৰা হয়।

খেজুৰৰ পাতবিলাক তামোল গছৰ পাততকৈ বেছি ছিৰিলি ছিৰিলি হয়। সেই অনুপাতে গছজোপাও মোটা হয়।

গঁঠীয়া খেজুৰ, ফইনিক্‌চ চিল্‌ভেচ্‌ট্রিছ (প্রকাৰ) পৰিয়াল–এৰিকেছি ফিছা খেজুৰি (বড়ো)
(Gathia Khejur) The dwarf Date Palm Phoenix sylvestris (Variety) Family–Arecaceae

এবিধ চুটি-চাপৰ আকাৰৰ খেজুৰ জাতীয় বনৰীয়া গছ। সাধাৰণ জাতীয় খেজুৰ গছৰ দৰে ইয়াক ডাঙৰ-দীঘল আকাৰত দেখিবলৈ পোৱা নাযায়। মাটিত উৎপত্তি হোৱা মুঢ়াটো কেইফুটমানহে ওখ হয় আৰু ইয়াৰ ছিৰিলি ছিৰিলি পাতৰ ঠাৰিবিলাক চাৰিওফালে মেল খাই থাকে। এইবিধ খেজুৰৰ যি ফল ধৰে সেই ফল আকাৰত তেনেই সৰু সৰু হয়। খাবলৈ মিঠা মিঠা লগাৰ বাবে এইবিধ গছে ধাৰণ কৰা ফলবিলাক গছৰপৰা থোকা-থোকে ছিঙি আনি মানুহে খায়। কোনো কোনো হাবিতলীয়া বজাৰত ইয়াক কিনিবলৈ পোৱা যায়।

মেঘালয়ৰ পাৰ্বত্য এলেকাত ইয়াক দেখিবলৈ পোৱা যায়। বৰাপানী হ্ৰদৰ পাৰৰ হেলনীয়া ঠাইবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। অসমৰ ভৈয়ামৰ ঠাইবোৰত কেতিয়াবা অকস্মাতে ইয়াক দেখিবলৈ পোৱা যায়।

গঁঠীয়া খেজুৰ গছ (Dwarf date palm)
Phoenix sylvestris (variety)
Family—Palmaceae

টকৌ গছ তামোলৰ নিচিনা এবিধ এডলীয়া গছ। গছজোপাই তামোল গছৰ নিচিনাকৈ লেং লেংকৈ বাঢ়ি নগৈ থাউকাল ৰূপ প্রদর্শন কৰে। ইয়াৰ পাতবিলাকে

টকৌ গছ, লিভিষ্টোনিয়া জেন্‌কিন্‌ছিয়ানা পৰিয়াল–এৰিকেছি টকৌ (অসমীয়া) থক্ (বড়ো) টুন-এৰ্ট-টঙু (তাই-আহোম)

(Tokow gach) Livistonia jenkinsiana Family–Arecaceae

তামোল, নাৰিকল আদি গছৰ পাতৰ দৰে ছিৰিলি ছিৰিলি নহৈ ফেৰেঙনি মেলাকৈ এখনীয়া হয়। প্ৰথম অৱস্থাত পাতখিলাই দীঘলীয়া দীঘলীয়া সিৰৰ ভাঁজে ভাঁজে জাঁপ খাই থাকে। কালক্ৰমত বিচনী এখনৰ দৰে মেল খাই থকাৰ ৰূপ ধাৰণ কৰে। তাল গছৰ পাতৰ লগত টকৌ গছৰ পাতক ৰিজাব পাৰি।

পাতৰ সেউজবুলীয়া ঠাৰিডালে নাও এখনৰ নিচিনাকৈ ভাঁজ খোৱাৰ ৰূপ ধাৰণ কৰে। দাঁতিত চুটি চুটি কাঁইটৰ আৱিৰ্ভাৱ হয়। প্ৰথম অৱস্থাত গা-গছডাল ফপৰীয়া হয় আৰু তাত পাত সৰাৰ আঁহবোৰ থাকি যায়। থোপা-থোপে ফুল ধৰে আৰু এই ফুলৰপৰা তামোলৰ নিচিনা ফলৰ উৎপত্তি হয়। টকৌ-তামোল কিন্তু অতিপাত টান হয়। তাক সহজে দাঁতেৰে কামুৰি ভাঙিব নোৱাৰি।

টকৌ গছৰ কুমলীয়া পাত জাপি সজা, ঘৰৰ চাল ছোৱা আদি কামত ব্যৱহাৰ কৰা হয়।

জাপি পাত, একান্থোপানক্স ট্ৰাইফলিয়েটম্ পৰিয়াল–এৰিকেছি

(Japipat) Acanthopanax trifoliatum Family–Arecaceae

টকৌ তামোলৰ নিচিনা এবিধ বনৰীয়া গছ। অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকৰ কোনো কোনো এলেকাত এইবিধ এডলীয়া গছৰ উৎপত্তি পৰিলক্ষিত হয়। এইবিধ তামোল জাতীয় গছ বৰ বেছি ওখ হোৱা দেখিবলৈ পোৱা নাযায়। গা-গছডাল তামোল গছৰ দৰে মিহি নহৈ আঁহ আদিৰে উপৰিভাগ ভৰপূৰ হৈ থাকে। পাতবিলাক শুকাই সৰি পৰিলে পাতৰ ঠাৰিৰ গুৰিভাগ আঁহৰ আকাৰে গছজোপাত লাগি লাগি থাকি আছে। সেইবাবে দেখাত গছডাল মিহি নহৈ ফপৰীয়া হয়। অলপ দ-চানেকীয়া আৰু চেঁচুকীয়া ঠাইবিলাকে এইবিধ গছৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰা দেখা যায়।

নতুনকৈ ধৰা পাতবিলাক প্ৰথম অৱস্থাত ভাঁজে ভাঁজে জাঁপ গৈ থাকে। পাছত মেল খাই বিচনীৰ আকৃতি প্ৰদৰ্শন কৰে। পাতৰ আগভাগে ঘূৰণীয়া কিম্বা ফুলকটা ৰূপ ধাৰণ নকৰি সমানে সমানে কাটি ৰখাৰ স্বৰূপ ধাৰণ কৰে। জাপি সজা, ঘৰ ছোৱা আদি কামত এই পাত ব্যৱহাৰ কৰা হয়।

টকৌ বা তামোল জাতীয় এবিধ বনৰীয়া গছ। আমাৰ সংৰক্ষিত বনাঞ্চল

থাল্‌জি মুঢ়া, চাইকাছ পেক্টিনাটা
পৰিয়াল–চাইকেদেছি
(Thalji Murha) Cycas pectinata Family–Cycadaceae

কিছুমানত ছেগা-চোৰোকাকৈ ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। হাবিত এইদৰে আপোনা-আপুনি আৱির্ভাব হোৱা গছবোৰে আকৰ্ষণীয় ৰূপ ধাৰণ কৰা দেখা নাযায়। উদ্যানত পৰিপাটীকৈ ৰোপণ কৰিলে কিম্বা উন্নত পৰ্যায়ৰ পুলিৰ সঁচ আনি আলফুলকৈ লগাই ৰাখিলে গছডালে অপৰাগ সৌন্দৰ্য প্ৰদৰ্শন কৰে।

গছডালৰ গুৰিত এটা গোলাকৃতি মুঢ়াৰ উৎপত্তি হয় আৰু এই মুঢ়াৰ তলৰ অংশৰপৰা দীঘল দীঘল ঠাৰিয়ে ধাৰণ কৰা ছিৰিলি ছিৰিলি পাতে বিকাশ লাভ কৰে। মুমাত প্ৰতিবছৰে নতুন নতুন পাতৰ উৎপত্তি হয় আৰু গছজোপা এইদৰে ওখ হৈ গৈ থাকে। গা-গছডাল একোজোপা সৰু আকাৰৰ নাৰিকল গছৰ সমানেই হয়। ঠিক নাৰিকল, তামোল আদি গছৰ নিচিনাকৈ গা-গছৰ উপৰিভাগত সৰা পাতৰ দাগ চক্ৰাকাৰে চক্ৰাকাৰে থাকি যায়। এইবিধ গছে তামোলৰ দৰে ফুল আৰু ফল ধাৰণ কৰা দেখিবলৈ পোৱা নাযায়।

জাতিবেত, কালামচ্ টেনুইচ
পৰিয়াল–পামি
(Jati Bet) Calamus tenuis Family–Palmie

এবিধ সৰু আকাৰৰ বেত জাতীয় উদ্ভিদ। লতাৰ নিচিনাকৈ গছৰ ওপৰলৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। উজনি অসমৰ শিৱসাগৰ, ডিব্ৰুগড় আৰু লক্ষীমপুৰ জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকত এইবিধ বেতৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। সাধাৰণতে দ-চানেকীয়া ঠাইবিলাকত এইবিধ বেতৰ উৎপত্তি পৰিলক্ষিত হয়।

লতাডালৰ গুৰিত যিটো মুঢ়াৰ উৎপত্তি হয় সেই মুঢ়াত বিকশিত হোৱা ঘাই শিপাডালৰপৰা অসংখ্য ক্ষুদ্ৰ শিপাৰ উৎপত্তি হয়। এই শিপাবোৰে লতাডালক মাটিত খামোচ মাৰি ধৰি ৰাখে। মুঢ়াত যিবিলাক পুলি হয় সেই পুলি ক্ৰমে ডাঙৰ হৈ ওচৰত থকা গছ-গছনিবিলাকৰ ওপৰলৈ বগাই যায়।

লতাৰ মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। লতাৰ উপৰিভাগ মিহি আৰু ভিতৰখন আঁহযুক্তভাৱে কঠুৱা হয়। পাবে পাবে বৌখাৰ উৎপত্তি হয় আৰু এই বৌখাৰপৰা উদ্ভৱ হোৱা ঠাৰিৰ আগত ছিৰিলি ছিৰিলি পাত ধৰে। লতাডাল বাঢ়ি যোৱাৰ লগে লগে পাতবোৰ সৰি যায় আৰু কেৱল আগভাগত পাতবিলাক ওলমি ওলমি থাকি যায়। হাকুটাৰ কাইট বহন কৰা আঁকুহিৰ উৎপত্তি হয়। টুকুৰি আদি

বনোৱাৰপৰা আৰম্ভ কৰি অন্যান্য সামগ্ৰী তৈয়াৰ কৰালৈকে নানা কামত এই জাতীয় বেত ব্যৱহাৰ কৰা হয়। বকটু গুচাই সুত তৈয়াৰ কৰা হয়। ঘৰৰ বেৰাৰ কামি বন্ধা, খৰাহি-পাচিৰ বাও বন্ধা আদি নানা কামত এই বেতৰ সুতবিলাক ব্যৱহাৰ কৰা হয়।

বন-বিভাগে মহল আকাৰে এই বেতবিলাক থাউকতে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছিল। আজিকালি ইয়াৰ সংখ্যা কমি অহাত এই মূল্যবান উদ্ভিদবিলাকৰ বাবে জিৰণিৰ আৱশ্যক হৈছে। আগতে সংৰক্ষিত বনভূমিবিলাকৰ বাহিৰেও গৰু-ম'হৰ চৰণীয়া ভূমি আৰু অন্যান্য পতিত মাটিত এইবিলাক বেত জাতীয় উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হৈছিল। খোৱাং অঞ্চলৰ ডিহিং নৈৰ পাৰে পাৰে থকা দ-চানেকীয়া ঠাই কিছুমানে এতিয়াও এইবিধ বেত ধাৰণ কৰা দেখা যায়।

এইবিধ বেতৰ আগবোৰ কাটি আনি গাঁজ হিছাপে তৰকাৰি বনাই খোৱা হয়। বৌখাৰে সৈতে জুইত পুৰি খাবলৈও ভাল লাগে। খাবলৈ তিতিকি তিতিকি লাগে যদিও বেত গাঁজৰ এটা বেলেগ সোৱাদ আছে।

থোপা-থোপে ফুল ধৰে। সেই ফুলবোৰ পূৰঠ হ'লে থোপা-থোপে বাকলি থকা ফল ধৰে। এই ফুলবোৰক বেতগুটিৰ আখ্যা দিয়া হয়। বেতবিলাক কাপ কাপ আকাৰে বান্ধি বিক্ৰী কৰা হয়। ব্যৱসায়ী লোকসকলে অসমৰ বাহিৰলৈও বেত চালান দিয়ে।

এবিধ সৰু আকাৰৰ বেত জাতীয় উদ্ভিদ। জাতি বেতৰ দৰে গছৰ ওপৰলৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। অন্যান্য জাতীয় বেতৰ দৰে মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। আচলতে পাতৰ বৌখাবিলাকে গাঁঠিৰ উৎপত্তি কৰে। লতাডাল বাঢ়ি যোৱাৰ লগে লগে বৌখাৰে সৈতে পাতবিলাক তললৈ সৰি যায়। এইদৰে পাত সৰি যোৱা ঠাইবোৰতে গাঁঠিৰ উদ্ভৱ হয়। আগলি ভাগত বিকশিত হোৱা আঁকুহিবোৰে গছ-গছনিৰ ওপৰলৈ উঠি যাবৰ বাবে লতাডালক সহায় কৰে।

তিতা বেত, কালামচ্ লেপ্‌টেচ্‌পেচিছ পৰিয়াল–পামি

(Tita Bet) Calamus leptespasis Family–Palmie

গোলাঘাট জিলাৰ অন্তৰ্গত থকা বৰপথাৰ, নাওজানৰ দাঁতি কাষৰীয়া বনভূমি আৰু কাৰবি আংলং জিলাৰ বোকাজান অঞ্চলে এইবিধ বেত ধাৰণ কৰা দেখা যায়। বেতৰ উপৰিভাগে মাখন বৰণীয়া ৰং প্ৰদৰ্শন কৰে। এই বেত সেইবাবে দেখিবলৈ

ধুনীয়া হয় আৰু সেই অনুপাতে ইয়াৰ অৰ্থনৈতিক মূল্যও বেছি। আজিকালি এইবিধ বেত পাবলৈ নোহোৱা হৈছে। কটকটীয়াভাৱে সংৰক্ষণ ব্যৱস্থা প্ৰবৰ্তন কৰি আৰু সম্ভৱস্থলত মুঢ়া ৰোপণ কৰি সংখ্যা বৃদ্ধিৰ ব্যৱস্থা নকৰিলে এইবিধ মূল্যবান বেত এদিন বিলুপ্ত হৈ যোৱাৰ আশঙ্কা ঘনীভূত হৈছে।

অন্যান্য বিষয়ত এইবিধ বেতে আন জাতীয় বেতৰ চাৰিত্ৰিক আচৰণ প্ৰদৰ্শন কৰা দেখা যায়।

ৰাইডাং বেত, কালামচ্ ফেচিকুলেটছ কালামচ ফ্লেজিলম পৰিয়াল–পামি
(Raidang Bet) Calamus fasciculatus Syn Calamus flagellum Family–Palmie

এবিধ বৰ ডাঙৰ আকাৰৰ বেত জাতীয় উদ্ভিদ। কোছা-কোছে উৎপত্তি হোৱা শিপাৰ মুঢ়াত বিকশিত হোৱা পুখাবোৰ ক্ৰমে ডাঙৰ হৈ একোজোপা জোপোহা গছৰ আকৃতি ধাৰণ কৰে। সুবিধা অনুযায়ী লতাডালে পোনপটীয়াভাৱে আকাশমুৱা হৈ আঁকুহিৰ সহায়ত গছৰ ওপৰলৈ উঠি যায়। আঁকুহি কাঁইটযুক্ত হয়। বৌখাৰ সহায়ত পাতৰ ঠাৰি ধৰে আৰু এই ঠৰুৱাৰ আগলি অংশত ছিৰিলি ছিৰিলি পাতবোৰ বিকশিত হয়। ৰাইডাং বেতৰ আন এটা বৈশিষ্ট্য হ'ল এয়ে যে গুৰি ভাগতকৈ লতাডালৰ আগভাগ ক্ৰমে মোটা হয়। এইবিধ বেত লাখুটি, লাঠি আদি তৈয়াৰ কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। ভাঁজ দিলে ভাঁজ কৰা ঠাইডোখৰত পথালি পথালি আঁচৰ উৎপত্তি হয়। চকি, মেজ আদিৰ খুঁটি তৈয়াৰ কৰা কামতো এই বেত ব্যৱহাৰ কৰিব পাৰি। আগলি ভাগে ধাৰণ কৰা কোমল বকটুৰ গাঁজ খাবলৈ ভাল লাগে। সেই গাঁজ সিমান তিতা নহয়। কাৰবি আংলং জিলাৰ ধনশিৰী আৰু দলদলি বনাঞ্চল আৰু ডিব্ৰুগড় জিলাৰ পানীডিহিং বনাঞ্চলত ইয়াৰ উৎপত্তি বিশেষভাৱে পৰিলক্ষিত হয়।

লেজাই বেত, কালামচ্ ইৰেক্টাছ পৰিয়াল–পামি
(Lejai Bet) Calamus erectus Family–Palmie

এবিধ সৰু আকাৰৰ বেত জাতীয় উদ্ভিদ। আকাৰত জাতি বেতৰ সমান হোৱা দেখা যায়। ডিব্ৰুগড় সংমণ্ডলৰ অন্তৰ্গত অৱস্থিত উজনি আৰু নামনি ডিহিং সংৰক্ষিত বনাঞ্চল, ডিব্ৰুগড় বনাঞ্চল, জকাই বনভূমি আদি বিভিন্ন এলেকাত এইবিধ বেতৰ উৎপত্তি পৰিলক্ষিত হয়। কাৰবি আংলং জিলাৰ দলদলি, ধনশিৰী, ডিফু আদি বনভূমিয়েও এইবিধ বেত কম-বেছি পৰিমাণে ধাৰণ কৰে। তদুপৰি উত্তৰ পাৰৰ লক্ষীমপুৰ সংমণ্ডলৰ অন্তৰ্গত থকা বনভূমিবিলাকতো ইয়াক দেখিবলৈ পোৱা যায়। শোণিতপুৰ আৰু দৰং জিলাৰ অন্তৰ্গত অৱস্থিত নদুৱাৰ, বালিপাৰা, চাৰিদুৱাৰ,

বৌতা আৰু ভৈৰৱকুণ্ড বনাঞ্চলবিলাকত এইবিধ বেতৰ উৎপত্তি পৰিলক্ষিত হয়। অৰুণাচল প্ৰদেশৰ বিভিন্ন বনভূমিত এইবিধ বেত দেখা যায়।

শাৰীৰিক আৰু চাৰিত্ৰিক গুণাগুণত এইবিধ বেতে অন্যান্য বেত জাতীয় উদ্ভিদবোৰক অনুসৰণ কৰা দেখা যায়। চকি, মেজ আদি তৈয়াৰ কৰাৰপৰা আৰম্ভ কৰি চাহপাত তোলাৰ টুকুৰি বনোৱালৈকে নানা কামত এই বেত ব্যৱহাৰ কৰা হয়। ফলা বেতৰ বগুল বনাই কাপ হিছাপে ইয়াক বিক্ৰী কৰা হয়। এইবিধ বেত আহৰণ কৰিবৰ বাবে আগতে বনবিভাগে মহল সৃষ্টি কৰিছিল।

গোল্লা বেত, ডেক্‌মোনৰপ্‌ছ জেন্‌কিনছিয়ানছ পৰিয়াল–পামি (Golla Bet) Dacmonorops jenkinsianus Family–Palmie

ৰাইডাং বেতৰ নিচিনা এবিধ ডাঙৰ আকাৰৰ বেত জাতীয় উদ্ভিদ। এইবিধ বেত বৰাক উপত্যকাৰ কাছাৰ আৰু কৰিমগঞ্জ বন-সংমণ্ডলৰ অন্তৰ্গত থকা বিভিন্ন বনভূমিয়ে ধাৰণ কৰা দেখিবলৈ পোৱা যায়। ইনাৰ লাইন, লক্ষীপুৰ, দোহালিয়া, বাদচাহটিল্লা, লঙ্গাই, লাঠিটিলা আদি বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

শিপা গুচ্ছৰপৰা উৎপত্তি হোৱা নতুন নতুন পুখাবোৰে ক্ৰমে বাঢ়ি ওচৰত থকা গছ-গছনিবিলাকৰ ওপৰলৈ ৱগাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গাঁঠিয়ে গাঁঠিয়ে বৌখাৰ উৎপত্তি হয় আৰু এই বৌখাই ধাৰণ কৰা ঠৰুৱাৰ আগলিৰ ছিৰিলি ছিৰিলি পাতৰ উদ্ভৱ হয়। কাঁইটীয়া আৰ্কৃতিয়ে গছৰ ওপৰলৈ বগাই যোৱা বিষয়ত লতাডালক সহায় কৰে। অলপ শেঁতা বৰণৰ থোপা-থোপে ফুল ফুলে। ফুল পূৰঠ হ'লে লিচুৰ নিচিনা বাকলি থকা ফল ধৰে।

চকি, মেজ আদি সৰঞ্জাম তৈয়াৰ কৰিবৰ বাবে গোল্লা বেত ব্যৱহাৰ কৰা হয়। ইয়াক সহজে ভাঁজ দিব পাৰি।

সৌকা বেত, কালামচ্‌ লেটিফলিয়চ্‌ পৰিয়াল-পামি (Houka Bet) Calamus latifolius Family-Palmie

আকাৰত ৰাইডাং বেততকৈ সৰু আৰু লেজাই বেততকৈ ডাঙৰ এবিধ বেত জাতীয় উদ্ভিদ। শোণিতপুৰ আৰু দৰং জিলাৰ অন্তৰ্গত থকা ভৈৰৱকুণ্ড, বৌতা, চাৰিদুৱাৰ, বালিপাৰা, নদুৱাৰ, বিহালি, বিশ্বনাথ আদি বিভিন্ন বনাঞ্চলত কম-বেছি পৰিমাণে ঠাই অনুযায়ী এইবিধ বেতৰ উৎপত্তি পৰিলক্ষিত হয়।

অন্যান্য জাতৰ বেতৰ দৰে এইবিধ বেত জোপাৰ আকাৰে বনভূমিৰ মাজে

মাজে উদ্ভৱ হয়। মুঢ়াৰপৰা ওলোৱা পুলিবোৰ ক্ৰমে ডাঙৰ হৈ ওচৰত থকা গছ-গছনিবিলাকৰ ওপৰলৈ উঠি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গছৰ অভাৱত মাটিৰ ওপৰেদিও বগাই যায়। গছ-গছনিৰ ওপৰলৈ বগাই যোৱা কামত কাঁইটযুক্ত আঁকুহিবিলাকে লতাডালক সহায় কৰে।

সৌকা বেত লাখুটি, লাঠি আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

চুন্দি বেত, কালামচ্ গেৰুপা পৰিয়াল-পামি
(Sundi Bet) Calamus garupa Family-Palmie

উত্তৰ কাছাৰ জিলাৰ পাৰ্বত্য ভূ-ভাগত থকা বনভূমিবিলাকে এবিধ মজলীয়া আকাৰৰ বেত ধাৰণ কৰা দেখিবলৈ পোৱা যায়। এইবিধ বেতক চুন্দি নামেৰে অভিহিত কৰা হয়। আন আন জাতীয় বেতৰ দৰে এই জাতীয় বেতেও জোপাৰ আকাৰে বিকশিত হয়। মুঢ়াৰপৰা ওলাই অহা পুখাবিলাক ক্ৰমে ডাঙৰ হৈ কাঁটাযুক্ত আঁকুহিৰ সহায়ত গছ-গছনিৰ ওপৰলৈ আৰোহণ কৰে।

গাঁঠিয়ে গাঁঠিয়ে বৌখাৰ উৎপত্তি হয় আৰু বৌখাৰ আগলি ভাগৰপৰা পাতৰ ঠৰুৱাডালে বিকাশ লাভ কৰে। ঠৰুৱাই তামোল গছৰ পাতৰ দৰে ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। ঠাৰিৰ আগভাগত থোপা-থোপে ফুল ফুলে। এই ফুলবোৰ পূৰঠ হ'লে ডাঙৰ ডাঙৰ আকাৰৰ বেতগুটিবোৰ থোকাৰ আকাৰে বিকশিত হয়। বেতগুটি নামেৰে পৰিচিত ফলবোৰৰ উপৰিভাগত লিচুৰ নিচিনা বাকতিৰ উৎপত্তি হয়। ভিতৰখন মগুহাল হয় আৰু এই মগুহাল পদাৰ্থৰ ভিতৰত একোটাকৈ ঘূৰণীয়া গুটি ধৰে।

জেং, জেঙু, কালামচ্ লেটিফলিয়ছ পৰিয়াল–পামি
(Jeng, Jengu) Calamus latifolius Family–Palmie

এবিধ চাপৰ বিধৰ বেত জাতীয় উদ্ভিদ। সাধাৰণতে কাৰ্বি আংলং জিলাৰ ধনশিৰী, দলদলি আৰু ডিফু বনাঞ্চল আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত থকা উজনি আৰু নামনি ডিহিং বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। আন আন জাতীয় বেতৰ দৰে জোপাৰ আকাৰত ইয়াক দেখিবলৈ পোৱা যায়। শিপাই ধাৰণ কৰা মুঢ়াৰপৰা পুলিৰ উদ্ভৱ হয়।

গুৰিৰেপৰা দীঘল দীঘল আকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। এই পাতবিলাক কাটি আনি মানুহে ঘৰ ছোৱা কামত ব্যৱহাৰ কৰে। বনবিভাগে মহল আকাৰে জেঙু পাতবিলাক থাউকতে বিক্ৰী কৰাৰ ব্যৱস্থা কৰে।

শোণিতপুৰ আৰু দৰং জিলাৰ অন্তৰ্গত থকা বৌতা, চাৰিদুৱাৰ বালিপাৰা আদি

হিলজাতি, কালামচ্ টেনিয়াচ্ (প্ৰকাৰ) পৰিয়াল–পামি
(Hill Jati) Calamus tenuis (Var) Family–Palmie

সংৰক্ষিত বনভূমিৰ সীমামুৰীয়া ঠাইবিলাকে হিলজাতি নামেৰে পৰিচিত আন এবিধ বেত জাতীয় উদ্ভিদ ধাৰণ কৰা দেখা যায়।

ৰাঙ্গি বেত, (Rangi Bet)

নগাঁও জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকত ৰাঙ্গি বেত নামেৰে জনাজাত আন এবিধ বেত জাতীয় উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়।

ওৱাহিং বেত, (Owahing Bet)

কাৰবি আংলং পৰ্বতীয়া জিলাৰ অন্তৰ্গত থকা ধনশিৰী, ডিফু, দলদলি আদি বনভূমিত ওৱাহিং বেত নামে পৰিচিত এবিধ বেত জাতীয় উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। অৰুণাচল প্ৰদেশৰ সোৱণশিৰি জিলাৰ অন্তৰ্গত থকা বনভূমিবিলাকেও এইবিধ বেত ধাৰণ কৰা দেখা যায়। মেঘালয়ৰ গাৰো পাহাৰ জিলাৰ অন্তৰ্গত থকা বনভূমি কিছুমানেও এইবিধ বেত ধাৰণ কৰা দেখা যায়।

খাচিয়া সৰল (Khasi Pine)
Pinu khasia
Family—Pinaceae

সৰল গছ, পাইনচ খাচিয়া ইন্‌চিগ্‌নিছ পৰিয়াল—কনিফেৰি দিয়েং ছে (খাচিয়া) থেংজাংথু (কাৰবি)
(Haral Gach) Khasi Pine Pinus Khasia Syn. Pinus insignis Family–Coniferae

বেজিৰ নিচিনা দীঘল আকৃতিৰ পাত ধাৰণ কৰা এবিধ বিতোপন গছ। একেডোখৰ ঠাইতে ডৰা ডৰাকৈ উৎপত্তি হোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মেঘালয়ৰ পূব খাচিয়া, পশ্চিম খাচিয়া আৰু জয়ন্তীয়া পাহাৰ জিলাত এইবিধ গছৰ উৎপত্তি স্বাভাৱিক পৰিৱেশত দেখিবলৈ পোৱা যায়। আজিকালি গাৰো পাহাৰ জিলাতো এইবিধ মূল্যবান গছ বাগান আকাৰে লগোৱাৰ ব্যৱস্থা কৰা হৈছে। ঠিক সেইদৰে অসমৰ উত্তৰ কাছাৰ আৰু কাৰবি আংলং পাৰ্বত্য জিলা দুখনত ভূমি সংৰক্ষণ আৰু বনবিভাগে এইবিধ গছৰ বাগান নিৰ্মাণ কৰিছে। মণিপুৰ আৰু নগাভূমিৰ পাৰ্বত্য ঠাইবিলাকেও এই জাতীয় গছ ধাৰণ কৰা দেখিবলৈ পোৱা যায়। অসমৰ ভৈয়ামীয়া ঠাইত ইয়াৰ দুই-চাৰিজোপা গছ আলঙ্কাৰিক গছ হিছাপে ঠায়ে ঠায়ে লগোৱা হৈছে।

একো একোজোপা পূৰঠ গছৰ উচ্চতা ৪৫-৫০ মিটাৰ পৰ্যন্ত হোৱা দেখিবলৈ পোৱা যায়। কোণবিলাকে দীঘলীয়া আকৃতি ধাৰণ কৰে।

সৰল গছৰ কাঠ ফালি নানা কামত লগোৱা হয়। গছজোপাৰ গুৰিত খাঁজ কাটি এক প্ৰকাৰৰ সুগন্ধি ৰস বাহিৰ কৰা হয় আৰু সেই ৰসৰপৰা টাৰপিন তেল তৈয়াৰ কৰা হয়।

শাৰী শাৰীকৈ খুলি খান্দি তাত গুটি পচাই সৰল জাতীয় গছৰ বাগান সৃষ্টি কৰা হয়। খাচিয়া আৰু জয়ন্তীয়া পাহাৰৰ খেতিয়কসকলৰ মাজত আলু খেতিৰ লগতে সৰল গছৰ বাগান নিৰ্মাণ কৰা পদ্ধতি বংশাণুক্ৰমে চলি আহিছে।

জাপানী সৰল, ক্ৰিপ্‌টোমেৰিয়া জাপানিকা পৰিয়াল-কনিফেৰি
(Japanese Pine) Cryptomeria japonica Family—Coniferae

এবিধ সৰল জাতীয় বিদেশী গছ। মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰত আলঙ্কাৰিক গছ হিছাপে বহুদিন পূৰ্বে এইবিধ গছ ৰাস্তাৰ কাষে কাষে লগোৱা হৈছিল। এতিয়া সেই গছবিলাক পূৰঠ হৈ নগৰখনৰ প্ৰাকৃতিক সৌন্দৰ্য দুগুণে বঢ়াইছে। নগাভূমি আৰু মণিপুৰ ৰাজ্যতো ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। আধুনিক অসমৰ ভৈয়াম অঞ্চলত ইয়াক দেখিবলৈ পোৱা নাযায়। পশ্চিম বঙ্গৰ দাৰ্জিলিং বন সংমণ্ডলৰ অন্তৰ্গত থকা বনভূমিত এইবিধ গছ বাগান আকাৰে ৰোপণ কৰিছে। ইয়াৰ উৎপত্তি স্থান জাপান আৰু চীন দেশ।

গছজোপা আকাৰত বিৰাট আৰু আকৃতিত মনোমোহা হয়। বছৰৰ সকলো সময়তে গছজোপাই বিতোপন পাতৰ আৱৰণ পৰিধান কৰি থকা দেখা যায়। পাতবিলাকে এক ৰকমৰ ম'ৰা চৰাইৰ পাখি সদৃশ চেপেটা চেপেটা আৰু ফেৰেঙনি মেলা পাত ধাৰণ কৰে। একোজোপা পূৰঠ গছে প্ৰায় ৩৫-৩৬ মিটাৰ উচ্চতালৈ আৰোহণ কৰা দেখা যায়। সৰ্বোচ্চ স্তৰত বিকশিত হোৱা ঠাল ঠেঙুলিবিলাকে ক্ৰমে ঠেক হৈ যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। একেজোপা গছে বেলেগে বেলেগে পুং পুষ্প ধাৰণ কৰা কোণবিলাক স্ত্ৰী পুষ্পৰ কোণবোৰতকৈ আকাৰত সৰু আৰু আকৃতিত থোপোৰা হয়। গুটিবোৰে চেপেটা আকৃতি ধাৰণ কৰে।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ নানা কামত লগাব পাৰি।

কুকি, আৰকাৰিয়া কুকিয়াই
পৰিয়াল–কনিফেৰি
(Kooki) Araucaria cookii
Family–Coniferae

এবিধ ধুনীয়া আকাৰৰ সৰল জাতীয় বিদেশী গছ। গছজোপাই তলৰপৰা ক্ৰমে ওপৰলৈ সৰু হৈ দ'ল এটাৰ দৰে বিতোপন ৰূপ ধাৰণ কৰে। বাকলিৰ বৰণ ক'লা চানেকীয়াকৈ মদৰুৱা হয়। বাকলিখনৰ ওপৰত সৰু সৰু আকাৰৰ নিকৰি এৰাই এৰা লাগি থকা দেখিবলৈ পোৱা যায়। ডালবোৰৰ উৎপত্তি চক্ৰাকাৰে গছজোপাৰ চাৰিওফালে সমভূমিৰ সমান্তৰালভাৱে হোৱা দেখা যায়। গছজোপাৰ আগভাগত প্ৰতিবছৰে একোটা ডালধৰা চক্ৰৰ উদ্ভৱ হয় আৰু চক্ৰৰ গণনা কৰি গছজোপাৰ অনুমানিক বয়স নিৰ্ণয় কৰিব পাৰি। চুলিৰ নিচিনা আৰু চুলিতকৈ মোটা ৰূপ ধাৰণ কৰা পুষ্প পাতৰ শুকান-মুৰা ঠাৰিবোৰ ডালবোৰত চিৰস্থায়ীকৈ থাকি যায়।

নৰ্থ ফক দ্বীপৰ সৰল গছ
North-folk Island Pine
Araucaria excelsa

প্ৰত্যেকটো ডালৰ অগ্ৰভাগত কিম্বা শাখাডালৰ আগৰফালে একে সমতলত ঘোঁৰাৰ নেজৰ আকৃতি ধাৰণ কৰা অসংখ্য পাতে বিকাশ লাভ কৰি থাকে। ম'ৰা চৰাইৰ পাখিৰ দৰে এই পাতবোৰে বিতোপন ৰূপ ধাৰণ কৰে। কোণ (Cone) বিলাক আকাৰত সৰু সৰু হয়।

কোনো ৰাজহুৱা অনুষ্ঠানৰ প্ৰৱেশ পথৰ দুয়োকাষে এইবিধ বিতোপন গছ শাৰী শাৰীকৈ লগাই দিলে এক অনুপম পৰিৱেশৰ সৃষ্টি হয়। এইবিধ বিতোপন সৰল গছৰ উৎপত্তি স্থান নৰফক্ দ্বীপ বুলি জনা যায়। আজিকালি মেঘালয় আৰু পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ মানুহেও ইয়াক ৰুবলৈ আৰম্ভ কৰি কৃতকাৰ্যতা লাভ কৰিছে।

আৰাকৰিয়া, আৰাকৰিয়া একচেল্চা
পৰিয়াল–কনিফেৰি
(Araucaria) Araucaria excelsa Family–Coniferae

নৰ্ফক দ্বীপত স্বাভাৱিকভাৱে বিকশিত হোৱা এবিধ সৰল জাতীয় গছ। কুকি নামেৰে পৰিচিত (Araucaria cooki) এবিধ সৰল জাতীয় বিচিত্ৰ উদ্ভিদৰ লগত এইবিধ সৰল গছৰ সাদৃশ্য থকা দেখা যায়। আগৰ শিতানত কুকিৰ বৰ্ণনা আগবঢ়োৱা হৈছে।

বিতোপন ৰূপ ধাৰণ কৰা এবিধ চুটি-চাপৰ আকাৰৰ সৰল জাতীয় জোপোহা গছ। হিমালয় শৈলমালাৰ পৰ্বতীয়া ঠাই কিছুমানে এইবিধ উদ্ভিদৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰা দেখিবলৈ পোৱা যায়। আলঙ্কাৰিক গছ হিছাপে আজিকালি ভাৰতবৰ্ষৰ নানা ঠাইত এইবিধ গছ লগোৱা দেখা যায়। অসমৰ মানুহেও ইয়াক লগাই কৃতকাৰ্যতা লাভ কৰা দেখা গৈছে। সেইবাবে বনবিভাগৰ সামাজিক বনানীকৰণ শাখাই এইজাত মনোমোহা গছ লগাই পৰিৱেশ উন্নত কৰিবলৈ সকলোকে উদগনি দিছে আৰু বিনামূলীয়াকৈ পুলি বিতৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে।

থুজা, (১ম বিধ) থুজা কম্পেক্টা
পৰিয়াল–কনিফেৰি
Thuja Thuja compacta Family–Coniferae

ইয়াৰ পাতবিলাক সৰু সৰু আৰু চেপেটা চানেকীয়া হয়। বহুতো সূক্ষ্ম পাতৰ দ্বাৰা একোখিলা ম'ৰাৰ পাখি সদৃশ আকৰ্ষণীয় পাতৰ উৎপত্তি হয়। পাতৰ গুৰিয়ে গুৰিয়ে সৰু সৰু আকাৰৰ কোণৰ উৎপত্তি হয়। গুটিবোৰ চেপেটা আৰু সৰু সৰু হয়। ৰাজহুৱা উদ্যান-উপবন, অনুষ্ঠান-প্ৰতিষ্ঠানলৈ ওলোৱা-সোমোৱা কৰা প্ৰৱেশ পথৰ দুয়োকাষ আৰু বাসগৃহৰ পদুলি মুখত শাৰী শাৰীকৈ লগাই দিলে ই অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰ সৃষ্টি কৰিব পাৰে।

থুজা, (২য় বিধ) থুজা অৰিয়েণ্টেলিছ্ পৰিয়াল-কনিফেৰি.

Thuja Thuja orientalis Family–Coniferae

এই শিতানত বৰ্ণনা আগবঢ়াবলৈ চেষ্টা কৰা দ্বিতীয় বিধ থুজা নামৰ উদ্ভিদ প্ৰথম আকাৰত ওখ-ডাঙৰ আৰু আকৃতিত অলপ বেলেগ হয়। আগতে উল্লেখ কৰি অহা বিধ থুজাৰ দৰে এইবিধ থুজাৰো উৎপত্তি স্থান হিমালয় পৰ্বতমালা। অসমৰ ভৈয়াম অঞ্চলবিলাকত ই গা কৰিব পৰা নাই। মেঘালয়ৰ ৰাজধানী শ্বিলঙৰ আশে-পাশে থকা পৰ্বতীয়া ঠাইবিলাক ইয়াৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰা দেখা যায়। মেঘালয়ৰ বনবিভাগে পালেঙৰ গুটি সিচি ইয়াৰ পুলি উৎপাদন কৰে। পূৰ্ণ বয়স প্ৰাপ্ত একোজোপা গছৰ উচ্চতা প্ৰায় ৭-৮ মিটাৰমান হোৱা দেখা যায়।

পাতৰ আকৃতি অলপ দীঘলীয়া হয় আৰু আগৰ বিধ থুজাৰ পাত আৰু এইবিধৰ পাতৰ মাজত লেখত ল'বলগীয়া পাৰ্থক্য দৃষ্টিগোচৰ নহয়। ডালবিলাকে গছজোপাৰ গুৰিভাগৰপৰা এডাল-দুডালকৈ ওলাই আহি ওপৰমুৱা হ'বলৈ চেষ্টা কৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ডাল-পাতবোৰে এনেদৰে বিকাশ লাভ কৰাৰ ফলত গছজোপাই একোটা দ'লৰ কলচিৰ ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। কোণবিলাক আকাৰত সৰু সৰু হয়। গুটিবোৰে চেপেটা ৰূপ ধাৰণ কৰে।

কাউৰী পাইন, আগাথিচ্ ৰোবাষ্টা পৰিয়াল–কনিফেৰি

(Kauri Pine) Agathis robusta Family–Coniferae

এবিধ বহল পাত ধাৰণ কৰা সৰল জাতীয় বিতোপন গছ। ইয়াৰ উৎপত্তি স্থান কুইনচ্‌লেণ্ড বুলি জনা যায়। ১৮৬৫ খ্ৰীষ্টাব্দত এইবিধ গছৰ সঁচ আনি শ্ৰীলঙ্কাত ৰোপণ কৰা হৈছিল। ভাৰতবৰ্ষলৈ এইবিধ গছ কেতিয়া আহিল তাক সঠিকভাৱে জনা নাযায়। অসমত ইয়াৰ উৎপত্তি একেবাৰে নগণ্য। গুৱাহাটীৰ ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানত এইবিধ বিচিত্ৰ উদ্ভিদৰ এজোপা মাজ বয়সীয়া গছ দেখিবলৈ পোৱা যায়।

গা-গছডালে পোলোঙা আকৃতি ধাৰণ কৰে। ওপৰৰ ফালে ঠাল-ঠেঙুলি-বিলাকৰ উৎপত্তি হয়। অলপ ডাঠ চানেকীয়া আৰু গভীৰ সেউজ-বুলীয়া পাতবোৰে কম-বেছি পৰিমাণে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ উপৰিভাগ মিহি আৰু চকচকীয়া হয়।

মাজে সময়ে এইবিধ গছে সৰল গছৰ নিচিনা 'কোণ' ধাৰণ কৰে। কোণবিলাকে

গোটা চানেকীয়াকৈ অল্প দীঘলীয়া ৰূপ প্ৰদৰ্শন কৰে।

কেজুৰিণা বা বিলাতী ঝাও, কেজুৰাৰিণা একিজিটিফলিয়া পৰিয়াল—কেজুৰাৰিণেছি (Bilati Jhao) The Beef-wood tree Casuarina eqisitifolia Family– Casuarinaceae

দেখাত জাওবনৰ নিচিনা এবিধ মজলীয়া আকাৰৰ বিতোপন গছ। এইবিধ উদ্ভিদ অসমৰ থলুৱা গছ নহয়। দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত ইয়াৰ উৎপত্তি ডৰা ডৰাকৈ হোৱা দেখিবলৈ পোৱা যায়। তাৰপৰা সঁচ আনি আজিকালি আলঙ্কাৰিক গছ হিছাপে আমাৰ ইয়াত লগোৱা হৈছে।

গছজোপা ওখই প্ৰায় ১৪-১৫ মিটাৰমান হোৱা দেখা যায়। গা-গছ আৰু ডালবোৰে ধোঁৱা বৰণীয়া ৰং ধাৰণ কৰে। পাতবোৰ ম'ৰা চৰাইৰ পাখিৰ দৰে চেপেটা আৰু চুলিৰ দৰে দীঘলীয়া হয়। পাত ধাৰণ কৰা ঠালবিলাকে মাটিলৈ ওলমি পৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। একেজোপা গছে বেলেগে বেলেগে পুং আৰু স্ত্ৰী পুষ্প ধাৰণ কৰে। ফলৰ আকৃতি সৰল গছৰ কোণবিলাকৰ নিচিনা হয়।

আলঙ্কাৰিক গছ হিছাপে এইবিধ উদ্ভিদ অসমৰ বিভিন্ন ঠাইত লগোৱা হয়। দক্ষিণ ভাৰতত ডৰা ডৰাকৈ উৎপন্ন হোৱা গছৰ কাঠ নানা কামত ব্যৱহাৰ কৰা হয়।

বগৰী, জিজিফাছ জুজুবা পৰিয়াল-ৰাম্‌নাছি থাক্ৰি আৰং কুকুৰি (কাৰবি) থেংখি (আছিক) দিয়েং চহ ব্ৰই (খাচিয়া) বৈগ্ৰী (বড়ো) খিংখি (ৰাভা) (Bogori) Jujube Plam) Zizyphus jujuba Family– Rhamnaceae

এবিধ মজলীয়া আকাৰৰ গছ। আমাৰ মানুহে দুই-এজোপা গছ বাৰীত লগাই ৰাখে। বনৰীয়া অৱস্থাতো ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। বাকলি ছাই-বৰণীয়া হয়। দীঘলে দীঘলে ছিৰা-ছিৰাকৈ ফাট মেলে। বাকলিৰ ভিতৰখন আঁহযুক্ত আৰু বগা চানেকীয়া হয়। নতুনকৈ পুখা মেলা ডালত চুটি চুটি শুং ওলায়।

পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। স্পৰ্শ কৰিলে খহটা খহটা লাগে। ডালবোৰত চুটি চুটি কাঁইটৰ উৎপত্তি হয়।

ফুল থোপা-থোপে ধৰে। ফুলৰ বৰণ পাতলীয়াকৈ সেউজ-বুলীয়া হয়। ফুল ফুলাৰ সময়ত অসংখ্য মৌমাখি আহি গছজোপাত পৰেহি। ফলবিলাক মঙহাল হয়। এই ফল খাবলৈ মিঠা কিম্বা গছ অনুযায়ী টেঙা হয়। সাধাৰণতে ফলৰ আকৃতি ঘূৰণীয়া হয়। গাইগুটীয়াভাবে কোনো কোনো গছে দীঘলীয়া ফল ধাৰণ কৰে।

এবিধ মজলীয়া আকাৰৰ আওকাঠী বনৰীয়া গছ। গা-গছৰ গুৰি অংশই খুলুৰ

আহিনা, লিয়া আকুলিফেৰা পৰিয়াল—এম্পেলিডেছি গাছ্-গাংমা (কামৰূপ) ৰাখিবায়িং আছিং (মিচিং) পান্দুচা-বাফাং (কছাৰী) দিয়েং-চং-উইয়া (খাচিয়া) চপ্লিপলি (কাৰ্বি) গাংমা জাচিন (আছিক) আচ্ৰাজোলা (মেচ)

(Ahina) Leea umbraculifera
Family–Ampelidaceae

নিচিনা গোটা আকৃতিৰ কাঠ ধাৰণ কৰে (Fluted)। কোনো কোনো গছৰ ডালৰপৰা বায়বীয় শিপা বিকশিত হয়। বাকলিৰ উপৰিভাগ মদৰুৱা হয় আৰু বাকলিৰ ভিতৰৰ ফালে থকা মণ্ডহাল অংশটোৱে ৰঙচুৱা বৰণ ধাৰণ কৰে।

প্ৰত্যেক খিলা পাতে দুযোৰ বা তিনিযোৰ শাখাপাত ধাৰণ কৰে। পাত ধাৰণ কৰা ঠাৰিডালৰ একাষে এটা লোৰ উদ্ভৱ হয়। শাখাপাতবোৰে দীঘলীয়া অথবা জাঠিৰ নিচিনা ৰূপ প্ৰদৰ্শন কৰে। দাঁতি ভাগত খাঁজকটা চিনৰ উৎপত্তি হয়। আগভাগে গাইগুটীয়াভাৱে কেতিয়াবা নেজাল আৰু কেতিয়াবা সূক্ষ্ম কৌণিক আকৃতি ধাৰণ কৰে।

ফুলৰ বৰণ বগা চানেকীয়াকৈ সেউজীয়া হয়। ফলৰ আকৃতি অলপ ঘূৰণীয়াৰ নিচিনা হয়।

কুকুৰা-ঠেঙীয়া, লিয়া চম্বুচিলা পৰিয়াল–এম্পেলিডেছি

(Kukura Thengia) Leea sambucina
Family–Ampelidaceae

উজনিৰ চিৰসেউজীয়া বনভূমিবিলাকত সাধাৰণতে দেখিবলৈ পোৱা এবিধ লেংলেঙীয়া বিধৰ জোপোহা গছ। একোজোপা গছৰ উচ্চতা ৩-৪ মিটাৰমান হোৱা দেখা যায়। পাত ধাৰণ কৰা দীঘলীয়া ঠাৰিবোৰে কেতিয়াবা দুযোৰা আৰু কোনো কোনো ক্ষেত্ৰত তিনিযোৰা শাখা-পাত ধাৰণ কৰা দেখিবলৈ পোৱা যায়।

পাতৰ আকৃতি দীঘল-চানেকীয়াকৈ আগৰফালে জোঙা হয়। কেতিয়াবা ওভতাকৈ নাল লগোৱা চামুচৰ আকৃতি ধাৰণ কৰে। আগডোখৰ দীঘলীয়া নেজৰ নিচিনা হয়। পাতবিলাক অলপ ডাঠ আৰু মিহি হয়। মূলসিৰ দুয়োকাষে ৭ যোৰাৰপৰা ১২ যোৰা পৰ্যন্ত শাখাসিৰ বিকশিত হয়। অগ্ৰভাগত শাখা সিৰবিলাক দুডলীয়াকৈ বিভক্ত হোৱা দেখিবলৈ পোৱা যায়।

ফুলবোৰে বগা চানেকীয়াকৈ সেউজ-বুলীয়া বৰণ প্ৰদৰ্শন কৰে। পাতৰ মূল ঠাৰিডালে একাধিক শাখাঠাৰি বহন কৰে আৰু প্ৰত্যেকডাল শাখাঠাৰিৰ অগ্ৰভাগে থোপাৰ আকাৰে কেবাপাহ ফুল ধাৰণ কৰে। কম-বেছি পৰিমাণে ঘূৰণীয়া আকৃতিৰ

মগুহাল ফলবোৰ সামান্যভাৱে চেপেটা হয়। ফলবিলাক খালে অলপ মিঠা মিঠা লাগে।

পানী লতা, ভাইটিছ ৰিপান্দা পৰিয়াল–এম্পেলিডেছি
(Pani-lota) Vitis repanda
Family–Ampelicaceae

এবিধ প্ৰকাণ্ড আকাৰৰ আৰোহী গুল্ম। নতুনকৈ ওলোৱা কুমলীয়া অংশ উল-সদৃশ নোমেৰে আবৃত। কাণ্ড কোমল, পৰ্যাপ্তভাৱে সছিদ্ৰ। পুৰঠ হ'লে মৌচাকৰ দৰে জালিযুক্ত সোপোকা হয়।

পাত সৰল, দীঘ-পুতল ক্ৰমে প্ৰায় ১২ চেণ্টিমিটাৰ আৰু ৭ চেণ্টিমিটাৰ। কেতিয়াবা আকৌ দীঘলতকৈ বহলৰ পৰিমাণহে বেছি হয়। উপ-বৃত্তাকাৰ, গভীৰভাৱে হৃদয়াকাৰ। কেতিয়াবা সপ্ত-কোণাকাৰ বালতিকাকাৰ, দন্তাকাৰ অথবা কৰতাকাৰ, হ্ৰস্ব কুশাগ্ৰী, পাতল, লোমবিহীন সিৰ সামান্য কেশযুক্ত। আধাৰিত সিৰ ৫, প্ৰথম সিৰ মূলতে শাখাযুক্ত। মাধ্যমিক সিৰ ৪-৬, খীণাকাৰ, সামান্যভাৱে ভাঁজখোৱা। পাত্ৰবৃণ্ড ৮-১৩ চেণ্টিমিটাৰ দীঘল। উপপত্ৰ প্ৰায় স্বতন্ত্ৰ, কেশযুক্ত, দীৰ্ঘায়তাকাৰ, গোল কেতিয়াবা কাঁচিৰ আকাৰ।

পুষ্পক্ৰম পত্ৰাভিমুখ, কোমল, কেশপূৰ্ণ, সঘন ছত্ৰাকাৰ, সমশীৰ্ষাকাৰভাৱে খণ্ডিত, সৰ্বশেষৰ কক্ষত বিকশিত ছত্ৰবিন্যাসে নিচেই কমেই ২০ পাহ ফুল ধাৰণ কৰে। পুষ্প বৃন্ত প্ৰায় ৬ চেণ্টিমিটাৰ দীৰ্ঘ, কামিহাড় ওলোৱা, কেশযুক্ত, বৃতি আৰু বৃতিকা ক্ষুদ্ৰাকাৰ।

ফুলৰ বৰণ ৰঙচুৱাকৈ মুগা, চাৰি পহীয়া, উভয়লিংগী। পাহি ডিম্বাকাৰ, দীৰ্ঘায়তাকাৰ, শীৰ্ষবিন্দু মুণ্ডাকাৰ কেশযুক্ত। চকা-চাৰি লতিকা ধাৰী, ফল অদোডিম্বাকৃতি এক বীজধাৰী।

নামনি অসমৰ শালনি হাবিবোৰত পোৱা যায়। লতাডালে দুটুকুৰা কাটিলে বহু পৰিমাণৰ পানী ওলায়। হাবিত কাম কৰা মানুহে সেই পানী খাই পিয়াহ নিবাৰণ কৰে।

আঠুভঙা, লিয়া আলাতা পৰিয়াল–এম্পেলিডেছি
(Athu Bhonga) Leea alata
Family–Ampelicaceae

প্ৰায় ডেৰ মিটাৰমান ওখ এবিধ হাবিত উৎপন্ন হোৱা বনৰীয়া গছ। ঠাৰিডাল অলপ টান চানেকীয়া হয়। ঠাৰিৰ উপৰিভাগত ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰন্থিৰ উৎপত্তি হোৱা দেখা যায়। দীঘল চানেকীয়া ঠাৰিডালৰ দুয়োকাষে ৫ যোৰাৰপৰা ৯ যোৰা পৰ্যন্ত শাখাপাতৰ উদ্ভৱ হয়। ঠাৰিৰ আগভাগত এখিলা অকলশৰীয়া পাত বিকশিত

হৈ থাকে। ঠাৰিয়ে এফলীয়া বাকলিৰ আকৃতি ধাৰণ কৰে আৰু এই ঠাৰিৰ কাষত পাখিৰ নিচিনা পাতলীয়া ছালৰ উৎপত্তি হয়।

পাতৰ আকৃতি দীঘল চানেকীয়াকৈ আগৰফালে জুঙুনিমুৱা হয়। ৰঙচুৱা বৰণৰ ফুলবোৰ থোপা-থোপে ফুলে। ফলবোৰ কোমল ধৰণে মঙহাল হয়। বৰণত প্ৰথমতে ৰঙা আৰু অৱশেষত নীলা চানেকীয়া হয়।

হাড় যোৰা, হাড় যোৰোৱা লতা ভাইটিছ কুৱাড্ৰেঙ্গোলাৰিছ পৰিয়াল- এম্পেলিজিছ (Harjora) Vitis quadrangularis Family- Amplecaceae

এক প্ৰকাৰৰ লতা গোষ্ঠীৰ উদ্ভিদৰ দৰে গছ-গছনিৰ ওপৰলৈ হেলাৰঙে বগাই যাব পৰা এবিধ কেক্‌টাছ জাতীয় বিচিত্ৰ উদ্ভিদ। গা-গছ আৰু ঠাল-ঠেঙুলিৰ ঠৰুৱাবোৰেই এইবিধ উদ্ভিদৰ পাতক প্ৰতিনিধিত্ব কৰে। ঠৰুৱাবোৰৰ উপৰিভাগে সেউজীয়া বৰণ ধাৰণ কৰে। মাটিৰ তলৰপৰা উদ্ভৱ হোৱা গুৰিৰ শিপাবোৰে লতাডালক মাটিত খামোচ মাৰি ধৰি ৰাখে আৰু মাটি-পানীৰ লগত মিহলি হৈ থকা ৰসায়নিক পদাৰ্থৰপৰা ৰস শুহি আহাৰ সংগ্ৰহ কৰে। ঠৰুৱাত বিকাশ সাধন হোৱা সেউজীয়া বাকলিৰ কোষবোৰে হয়তো বতাহৰ পৰা অম্লজান গেছ আহৰণ কৰে।

মূল ঠৰুৱাডালৰপৰা শাখা-প্ৰশাখা ওলাই আহি উদ্ভিদডালে চৌপাশে বিস্তৃতি লাভ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। এস চাৰিত্ৰিক গুণৰ সুবিধা লৈ কোনো কোনো চৌখিন লোকে এইবিলাক লতা সদৃশ কেক্‌টাছ বগাবলৈ একোখন দীঘলীয়া হেদালি কিম্বা চাং বনাই দিয়ে। তেতিয়া লতা সদৃশ কেক্‌টাছডালে বিচিত্ৰ ৰূপত বিকাশ লাভ কৰিবলৈ সক্ষম হয়।

পুনলি ফুল, ৰেইনৱাৰ্ট্‌দিয়া ত্ৰিগাইনা পৰিয়াল—লিনেছি (Punli Phool) Reinwardia trigyna Family—Linaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। সাধাৰণতে হাবি-বনানীবিলাকত বনৰীয়া অৱস্থাত ঠাই অনুযায়ী উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়। উজনি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ যিবোৰ বনাঞ্চল নগালেণ্ডৰ সীমামূৰীয়া ঠাইবিলাকত অৱস্থিত সেইবোৰ ঠাইতে এই জাতীয় উদ্ভিদ মাজে সময়ে দেখিবলৈ পোৱা যায়। মেঘালয়ৰ খাচিয়া পাহাৰ জিলাতো ইয়াৰ উৎপত্তি হোৱা দেখা যায়। কামৰূপ জিলাৰ মানাহ ব্যাঘ্ৰ যোজনা তথা অভয়াৰণ্যৰ অন্তৰ্গত মঠনগুৰি নামৰ ঠাইত যিটো বন বিভাগৰ জিৰণি ঘৰ আছে সেই জিৰণি ঘৰৰ

চৌহদৰ ভিতৰতো এইবিধ গছ ফুলি থকা অৱস্থাত জাৰকালি দেখিবলৈ পোৱা যায়।

পাতবিলাক ঠেক আৰু দীঘলীয়া হয়। সাধাৰণতে পাতৰ কাষবিলাক সমান হয় আৰু তাৰে ভিতৰতে কোনো কোনো পাতৰ দাঁতি খাঁজ কটা বিধৰ হোৱাও দেখা যায়। ফুলৰ বৰণ উজ্জ্বল হালধীয়া। এই ফুল কোনো কোনো ক্ষেত্রত গাইগুটীয়া হয় আৰু কোনো কোনো ক্ষেত্রত কেইবাটাও ফুল লগ লাগি একোটা সৰু থোকা হয়। চুপহী ৫ মুখীয়া আৰু পাহি দীঘলীয়াকৈ চুঙা পহীয়া হয়। কোনো কোনো মানুহে এই জাতীয় ফুলৰ পুলি হাবিৰপৰা উঠাই আনি ফুলনিত লগাই ৰাখে।

মাধৱী লতা, হিপ্টেজ মাধৱলতা পৰিয়াল—মাল্পিঘিয়েছি বাসন্তী (বঙালী) মাধৱী লতা (সংস্কৃত, বঙালী আৰু মণিপুৰী) মেইছেইন (খাচিয়া) ডুগৰাক বুদু (আছিক) দিম্-ত্রিৰাং ৰিকা (কাৰবি)

(Madhabi lota) Hiptage madhablota Family–Malpighiaceae

এবিধ ডাঙৰ আকাৰৰ জোপোহা গছ। কুমলীয়া ঠাৰিবোৰত চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। ঠাল-ঠেঙুলিবিলাকে মুগা বৰণীয়া ৰূপ ধাৰণ কৰে। এই বাকলিৰ ওপৰত ফুট ফুটীয়া দাগৰ উৎপত্তি হয়। দীঘল চানেকীয়া পাতবোৰৰ দুয়োটা মূৰে জোঙা মুৱা আকৃতি প্রদর্শন কৰে। পাতবোৰ অলপ ডাঠ আৰু মিহি হয়। বৰণত গভীৰ সেউজীয়া হয় আৰু কুমলীয়া অৱস্থাত পাতবোৰে ৰঙচুৱা বৰণৰ আভাস প্রদর্শন কৰে। মুলসিৰ দুয়োকাষে চাৰি পাঁচ যোৰামান উপসিৰৰ উৎপত্তি হয়। পাত ধাৰণ কৰা ঠাৰিডালত এটা লোৰ আৱিৰ্ভাৱ হয়।

পুষ্প-পুঞ্জৰ মূল ঠাৰিডালে বহন কৰা শাখা ঠাৰিত একোপাহকৈ ফুলৰ উদ্ভৱ হয়। প্রত্যেক পাহ ফুলত চাৰি পাহ চাৰি পাহকৈ বগা বৰণৰ পাহি বিকশিত হয়।

গুটিবিলাকে কম-বেছি পৰিমাণে ঘূৰণীয়া ঘূৰণীয়া আকৃতি ধাৰণ কৰে।

মাধৱী লতা, (প্রকাৰ) হিপ্টেজ একিওমিনেটা পৰিয়াল-মাল্পিঘিয়েছি জেৰেমাই-চহ-পাদ-পুৰাও (খাচিয়া)

Madhabi lota (Variety) Hiptage acuminata

Family-Malpighiaceae

মেলাহিকৈ ডাল-পাত মেলি ভালেখিনি ঠাই আগুৰি থকা বিধৰ এবিধ জোপোহা গছ। ঠাল-ঠেঙুলিবিলাকে প্রথম অৱস্থাত চুটি চুটি কোমল নোম পৰিধান কৰে। তদুপৰি ডালবোৰত দীঘলীয়া দীঘলীয়াকৈ শোটোৰা-শোটোৰ দাগৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। দীঘলীয়া পাতবোৰ প্রায় ৩-৪ চেণ্টিমিটাৰ বহল হয়। আকৃতিত পাতবোৰে একোপাট

যাঠিৰ স্বৰূপ ধাৰণ কৰা দেখা যায়। পাতৰ দৈৰ্ঘ্য প্ৰায় ৮ চেন্টিমিটাৰ মানৰপৰা ১৩ চেন্টিমিটাৰ পৰ্যন্ত হোৱা দেখা যায়। পাতৰ আগভাগে নেজাল আকৃতি প্ৰদৰ্শন কৰি শীৰ্ষ বিন্দুত ক্ৰমে জোঙা হৈ পৰে। মধ্যসিৰত উৎপত্তি হোৱা পাৰ্শ্বসিৰবোৰৰ সংখ্যা ৮-৯ যোৰাৰ ভিতৰত থকা দেখা যায়। পাৰ্শ্বসিৰবোৰৰ কিছুমানে সূক্ষ্ম কৌণিকভাৱে অংকণ কৰা সৰলৰেখা আৰু আন কেইডালমানে ধনুভিৰীয়াকৈ পাক খোৱাৰ আকৃতি ধাৰণ কৰে। তৃতীয় পৰ্যায়ত বিকশিত হোৱা শাখাসিৰবোৰ কম-বেছি পৰিমাণে সমান্তৰাল হয়। সিৰবোৰত ঠায়ে ঠায়ে মাটিমাহ একোটাৰ সমান গ্ৰন্থীৰ উৎপত্তি হয়। সামগ্ৰিকভাৱে এই সিৰ উপসিৰবোৰে পাতৰ কিনাৰলৈ বিয়পি নপৰা একপ্ৰকাৰ মকৰা জালৰ আকৃতি ধাৰণ কৰা দেখা যায়। পাত ধাৰণ কৰা সৰু ঠাৰিডাল চুটি আৰু মজবুত হয়। পুষ্প-পুঞ্জৰ ঠাৰিডালে বহন কৰা ফুলবোৰ সৰ্বতোমুখীভাৱে মেলাহি হয়।

ডোদোনিয়া, ডোদোনিয়া ভিচক'চা পৰিয়াল—চেপিন্দেছি
(Dodonaea) Dodonaea viscosa
Family—Sapindaceae

এবিধ সৰু আকাৰৰ বনগছ জাতীয় উদ্ভিদ। অলপ দীঘলীয়া আকৃতিৰ গভীৰ সেউজীয়া পাতবোৰে জখলা খলপীয়াকৈ ঠাৰিবোৰৰপৰা উৎপত্তি হয়। পাতৰ ঠাৰিডাল নিচেই সামান্যভাৱে বিকশিত হয়। ঠাৰিবিলাকে মদৰুৱা বৰণ ধাৰণ কৰে আৰু বাকলিৰ ওপৰত ফুটফুটীয়া বগা দাগৰ উৎপত্তি হয়। পাতৰ উপৰিভাগ মিহি আৰু উজ্জ্বল হয়। একেজোপা গছে উভয়লিঙ্গী কিম্বা একলিঙ্গী পুষ্প ধাৰণ কৰে।

ফুলবিলাক আকৃতিত সৰু আৰু বৰণত অনুজ্জ্বল হয়। গুটিবিলাক সৰু সৰু আৰু অলপ মঙহাল হয়। ফুলনিবাৰী বা সীমামুৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই সমানভাৱে কলম দি ৰাখিলে বিতোপন ৰূপ ধাৰণ কৰে।

বনলিচু, নেফেলিয়ম লঙ্গানা পৰিয়াল—চেপিন্দেছি মাৰলি আৰং (কাৰবি) দিয়ে লৱা (খাচিয়া) বল চাম্ফাল (আছিক) লেচু (ৰাভা)
(Bon Lichi) Nephelium longana
Family—Sapindaceae

এবিধ লিচুৰ নিচিনা বনৰীয়া গছ। উজনি অসমৰ সংৰক্ষিত বনাঞ্চল-বিলাকত এইবিধৰ দুই-এজোপা গছ মাজে সময়ে দেখিবলৈ পোৱা যায়। গছজোপা মজলীয়া আকাৰৰ হোৱাৰ বাবে বন-জঙ্গলৰ মধ্যস্তৰত ইয়াৰ বিকাশ সাধন হয়। গা-গছ আৰু এই গা-গছৰপৰা চৌপাশে বিস্তৃত হৈ থকা ঠাল-ঠেঙুলিবোৰৰ বাকলিয়ে মদৰুৱা হৈ থকা ঠাল-ঠেঙুলিবোৰৰ আকৃতি মানুহে বাৰীত লগোৱা লিচু গছৰ পাতৰ নিচিনা হ'লেও আকাৰত অলপ ডাঙৰ আৰু দেখাত বেলেগ হয়।

থোপা-থোপে ফুল ধৰে। এই ফুলবোৰৰ পূৰ্ণবিকাশ হৈ পূৰঠ হ'লে যিবিলাক লিচু সদৃশ ফল ধৰে সেই ফলবোৰ তেনেই সৰু হয়। ফলৰ বাকলিৰ উপৰিভাগ লিচুৰ দৰে খহটা হয়। ভিতৰৰ ফালে বিকশিত হোৱা শাহখিনি খাবলৈ ভাল নালাগে। সাধাৰণ লিচুৰ দৰে ফলৰ মাজভাগত একোটাকৈ অলপ ঘূৰণীয়া আকাৰৰ গুটি থাকে।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ সিমান উন্নত পৰ্যায়ৰ নোহোৱাৰ বাবে সাধাৰণ কামৰ বাহিৰে বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

মণিছাল, ছেপিন্দাছ মুকৰছি পৰিয়াল-ছেপিন্দেছি মণিছাল বা ৰিঠা (অসমীয়া) ৰিঠা (বঙালী) মণিছাল, হাইটা-গুটি (মিচিং) থি ডাক্ ডাক্ আৰং (কাৰবি) হাইঠাল, ফুআঠাই (কাছাৰ) দিয়েং স্পিয়েং ৰাহ (খাচিয়া) টুন্-মাক-চাক (তাই-আহোম) মণিছাল (বড়ো)
(Monisal) Sapindus mukorossi
Family-Sapindaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। বন-জঙ্গলৰ দাঁতি-কাষৰীয়া ঠাইত বসবাস কৰা মানুহৰ বাৰীতো এই জাতীয় দুই-এজোপা গছ দেখিবলৈ পোৱা যায়। জাৰকালি আহি পালে গছজোপাৰ আটাইবোৰ পাত মাটিলৈ সৰি পৰে আৰু তেতিয়া গোটেই জোপা গছে পত্ৰহীন হৈ উলঙ্গ ৰূপ ধাৰণ কৰে।

বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাগত সেউজ-বুলীয়া বৰণৰ আভাস পৰিলক্ষিত হয়। বাকলিৰ ওপৰত দীঘল দীঘল ৰেখাৰ উদ্ভৱ হয়।

পাতৰ আকৃতি দীঘল চানেকীয়া হয়। মূল পাতৰপৰা কেবাখিলাও শাখা পাত ওলায়। থোপা-থোপে ধৰা ফুলবোৰৰ আকাৰ সৰু হয়। ফুল পূৰঠ হ'লে ঘূৰণীয়া আকৃতিৰ ফল ধৰে। ফলৰ উপৰিভাগে মেৰুটা-মেৰুটি হৈ শোটোৰা পৰাৰ আকৃতি ধাৰণ কৰে। বাকলিখনৰ ভিতৰত একোটাকৈ ঘূৰণীয়া আকাৰৰ গুটি ধৰে। ফল পূৰঠ হৈ শুকালে গুটিতো বাকলিৰপৰা বিচ্ছিন্ন হৈ ভিতৰতে সোমাই থাকে।

মণিছালৰ গুটিৰ বাকলিখন চাবোনৰ দৰে ব্যৱহাৰ কৰিলে ফেন ওলায়। ইয়াৰ কাঠ অস্থায়ী কামত লগাব পাৰি। এইবিধ গছৰ সংখ্যা লাহে লাহে কমি অহাৰ উমান পোৱা গৈছে।

ৰমণ বিহ, এচকুলাচ পাণ্ডুৱানা পৰিয়াল-ছেপিন্দেছি ৰমণ আছিং (মিচিং) ফাক্লাং-জান-আৰং (কাৰবি) ফ্ৰাদো-বুফাং (কছাৰী) ডিংগৰি (মেচ) বল-বিমু (আছিক)
(Romon Bih) Aesculus punduana
Family–Sapindaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি সৰি পৰে। ঠাল-ঠেঙুলিবিলাকে তলৰ ফালে ওলমি পৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা দেখা যায়।

বাকলিৰ উপৰিভাগ মদৰুৱা হয় আৰু ইয়াৰ ওপৰত কাঠ আচিনাৰ উৎপত্তি হয়। বাকলি কাটিলে ভিতৰ ভাগৰ বৰণ বগা-চানেকীয়া হোৱা দেখা যায় আৰু তাত মুগা বৰণৰ অসংখ্য ফুট্‌ফুটীয়া দাগ বিকশিত হয়। কটা ঠাইৰপৰা পনীয়া পদাৰ্থ ওলাই ওলাই আহে।

পাতৰ আকৃতি গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে ক্ৰমে জোঙা হয়। একোডাল পাতল মূল ঠাৰিয়ে ১০-১২ যোৰা শাখা সিৰ ধাৰণ কৰে। ফুলৰ বৰণ বগা হয়। ফুল ধৰা ঠাৰিডালৰ পৰা শাখাডালৰ উৎপত্তি হয় আৰু এই শাখাঠাৰিবোৰে ধাৰণ কৰা ফুলবোৰ ডাণ্ডৰ থোপাৰ আকাৰে বিকশিত হয়। ফলবিলাকে কম-বেছি পৰিমাণে ঘূৰণীয়া আকৃতি ধাৰণ কৰে। ফলৰ উপৰিভাগ মেৰুটা-মেৰুটি হয়। নলা, ঝৰণা আদিৰ কাষত এইবিধ গছৰ উৎপত্তি হয়। ইয়াৰ কাঠ কুণ্ডত দিয়া সামগ্ৰী তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

লিচু, লিচি, নেফেলিয়ম লিট্‌চি পৰিয়াল-ছেপিন্দেছি
(Lichu) Nephelium litchi Family-Sapindaceae

এবিধ সুখাদ্য ফল ধৰা মজলীয়া আকাৰৰ বাৰীত লগা গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবোৰে ছাই বৰণীয়া বা ক'লা চানেকীয়াকৈ মদৰুৱা ৰূপ ধাৰণ কৰে। সৰু সৰু আকাৰৰ সেউজ-বুলীয়া পাত অলপ দীঘলীয়া হয়। চাৰিওফালে ডাল-পাত মেলা গছজোপা জোপোহা হয়। বহুতো মানুহে বাগান আকাৰে এইবিধ গছৰ খেতি সৰহীয়াকৈ কৰে আৰু ইয়াৰ ফলবোৰ থাউকতে বিক্ৰী কৰি লাভবান হয়।

জাৰকালি সৰু সৰু ফুল ধৰে। এই ফুলবোৰ সময়ত পূৰঠ হ'লে থোপা-থোপে ফল ধৰে। আকাৰত এই ফলবোৰ সৰু সৰু আকাৰৰ তামোল একোটাৰ সমান হয়। ফলৰ বাকলিখনৰ উপৰিভাগে কঁঠালৰ বাকলিৰ ৰূপ ধাৰণ কৰে। বাকলি গুচালে ভিতৰৰফালে থকা মঙহাল পদাৰ্থখিনি ওলাই পৰে। এই মঙহাল পদাৰ্থখিনি খাবলৈ ভাল লাগে। তাৰ ভিতৰত উৎপন্ন হোৱা ক'লা চানেকীয়া গুটিটো টান হয়।

অমৰা, আমৰা, স্পন্দিয়াছ্‌ মেঙ্গিফেৰা পৰিয়াল-এনাকাৰদিয়েছি দেৰগি আছিং (মিচিং) চিমিং আৰং (কাৰ্বি) আম্বি থং (আছিক) দিয়েং-চহ-পিয়াৰ (খাচিয়া) টাইছিবি (বড়ো)
(Amora) Hog Plum Spondias mangifera Family-Anacardiaceae

আমৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। বাকলিৰ বৰণ মদৰুৱা হয়। বাকলিৰ উপৰিভাগত পথালি পথালিকৈ কাটি ৰখা দাগৰ উৎপত্তি হয়। ঠিক সেইদৰে গছজোপাৰ তলৰ-পৰা ওপৰলৈ কাটি ৰখাৰ নিচিনা

কিছুমান দাগে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। বাকলিৰ ভিতৰখন ৰঙচুৱা হয়। পাতৰ আকৃতি দীঘল চানেকীয়া হয়। পাতবোৰ হাতেৰে ভাঙিলে কিম্বা বাকলিত দা-কটাৰিয়ে কাটি ঘা লগাই দিলে আমপাতৰ নিচিনা গোন্ধ অনুভৱ কৰিব পাৰি। থোপা-থোপে ধৰা ফুলবোৰ আকাৰত সৰু সৰু হয়। এই ফুল পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। সেউজীয়া বৰণৰ ফলবোৰ পকিলে হালধীয়া হয়। ফলৰ ভিতৰত থকা গুটিটো ডাঙৰ হয়।

পকা ফলৰ শাহখিনি খাবলৈ মিঠা মিঠা লাগে। কুমলীয়া ফল গছৰপৰা ছিঙি আনি আচাৰ তৈয়াৰ কৰা হয়।

এইবিধ গছৰ কাঠ কোমল চানেকীয়া হোৱাৰ বাবে কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

আম, মেঙ্গিফেৰা ইন্দিকা পৰিয়াল–এনাকাৰ্ডিয়েছি কেঁইদি আছিং (মিচিং) খাবৃবি আৰং (কাৰবি) ঠেগাৎচু (আছিক) দিয়েং-চহ্‌-পিয়েন (খাচিয়া) ঠাইজৌ, টাইজাই (বড়ো) ঠিং-জু (তিৱা) মাক-ম-মঙ্ (তাই-আহোম)
(Am) Mango Mangifera indica
Family–Anacardiaceae

ডাঙৰ আকাৰৰ চিৰ-সেউজীয়া গছ। এইবিধ ফল ধাৰণ কৰা লাগতিয়াল গছ আমাৰ মানুহে বাৰীত লগাই ৰাখে। ৰাষ্ট্ৰীয় পথ আৰু অন্যান্য ৰাস্তাৰ কাষতো ছায়া প্ৰদান কৰা আৰু খাদ্যাপযোগী ফল ধাৰণ কৰা গছ হিছাপে ইয়াৰ পুলি ৰোপণ কৰা হয়। ভাটিৰফালৰ মানুহ-বিলাকে এইবিধ গছৰ বাগান নিৰ্মাণ কৰে।

বাকলিখন ডাঠ হয় আৰু এই বাকলিৰ উপৰিভাগে মদৰুৱা ৰং ধাৰণ কৰে। পাতৰ আকৃতি দীঘলীয়া হয়। দুয়ো কাষত কোনো প্ৰকাৰৰ খাজকটা দাগ থকা দেখা নাযায়। মিহি আৰু খমখমীয়া পাতৰ দাঁতি অংশ কেতিয়াবা কেতিয়াবা টৌকটাৰ আকৃতি প্ৰদৰ্শন কৰে।

চ'ত-বহাগ মাহত আম মলিয়ায়। থোপা-থোপে ধৰা ফুলৰ বৰং সেউজ বুলীয়া হয়। এই ফুল শুঙি চালে এক প্ৰকাৰৰ সুগন্ধ অনুভৱ কৰিব পাৰি। গোটা গোটা মঙহাল ফল ধৰে। গছৰ বিধ অনুযায়ী ফলৰ আকৃতি আৰু আকাৰ বেলেগ বেলেগ হয়। মঙহাল ফলৰ ভিতৰত একোটা চেপেটা গুটি হয়। সাধাৰণতে অসমত উৎপন্ন হোৱা আমতকৈ ভাটিৰ আম খাবলৈ মিঠা হয়।

আম গছৰপৰা উৎপন্ন হোৱা কাঠ পেকিং বাকচ বনোৱা আদি কামত লগোৱা হয়।

অলপ নিগৰপৰা লক্ষ্য কৰিলে আমচীয়া গছৰ পাতবোৰক আমগছৰ পাতৰ

নিচিনা দেখা যায়। অলপ দীঘল চানেকীয়া পাতৰ আগটো ক্ৰমে জোঙা হয়।

ফুলৰ বৰণ বগা হয়। এই ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেই ফলৰ বৰণ কেঁচাতে সেউজীয়া হয়। পকিলে অৱশ্যে হালধীয়া পৰে।

আমচীয়া গছবৰপৰা উৎপাদন হোৱা কাঠ উন্নত পৰ্যায়ৰ নহ'লেও অস্থায়ী কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

কাজু-বাদাম, এনাকাৰ্দিয়ম্ অক্সিদেণ্টেল
পৰিয়াল–এনাকাৰদিয়েছি
(Kazu Badam) Catchu-nut
Anacardium occidentale
Family–Anacardiaceae

এবিধ মজলীয়া আকাৰৰ লাগতিয়াল গছ। এইবিধ গছক অসমৰ থলুৱা গছ বুলি ক'ব নোৱাৰি। দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। কাজু বাদামৰ নিচিনা মূল্যবান পণ্য সামগ্ৰী উৎপাদনকাৰী গছ হোৱাৰ বাবে তাৰ মানুহে বাগান আকাৰে ইয়াৰ খেতি কৰে। গছডালৰ বাকলিৰ বৰণ মদৰুৱা হয়। পাতবিলাকে দীঘলীয়া আকৃতি ধাৰণ কৰে। অসমৰ ভূমি সংৰক্ষণ বিভাগে এইবিধ গছৰ সঁচ আনি পাৰ্বত্য জিলাকেইখনত বাগান আকাৰে লগাই দিছিল।

অসমৰ মাটি, পানী আৰু জলবায়ুত এইবিধ মূল্যবান গছ লহপহকৈ বাঢ়ি অহাৰ প্ৰমাণ পোৱা গৈছিল। কিন্তু আমাৰ বৰষুণ প্ৰধান ঠাইত ইয়াৰ ফুলবোৰ সোনকালে সৰি সৰি যোৱাত ফলৰ উৎপত্তি আশানুযায়ী হোৱা দেখা নগ'ল। বৰ্তমানে অসমৰ ভূমি সংৰক্ষণ ইয়াৰ বাগান নিৰ্মাণ কৰা আঁচনি পৰিত্যাগ কৰিছে।

এইবিধ গছে যি গুটি ধৰে সেই গুটিৰ আগভাগত একোটা মঙহাল ফল ধৰে।

জীয়া পমা, লনিয়া গ্ৰান্দিছ পৰিয়াল–এনাকাৰদিয়েছি কায়েলো (কাছাৰ) ডিজি আৰং (কাৰবি) জীয়া (বড়ো) জীয়া বা জীয়া পমা (অসমীয়া)
(Jia Poma) Lannea grandis
Family–Anacardiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। য'তে ত'তে সয়াৰ উৎপত্তি পৰিলক্ষিত হয়। বাকলিয়ে ছাই বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ উপৰিভাগ খলা-বমা হৈ থাকে। তাত কিছুমান সৰু সৰু দীঘলীয়া আঁচে বিকাশ লাভ কৰি থাকে। আঁচবোৰৰপৰা নিকৰি এৰাই এৰাই আছে। বাকলিখন দা বা কুঠাৰেৰে কাটি ঘা লগালে ভিতৰৰ অংশ ৰঙচুৱা দেখা যায়। তাত দীঘল দীঘল আঁচ বা ৰেখাৰ উৎপত্তি পৰিলক্ষিত হয়। বাকলিখন আঁহযুক্ত হয়। ঠানিৰ আগত পাতবোৰ কম-বেছি পৰিমাণে থোপ খাই থাকে। পাতৰ ঠাৰিবোৰ দীঘল দীঘল হয়। শাখা পাতবিলাক

বিপৰীতমুখী হয়। ফুলবোৰৰ আকাৰ সৰু আৰু বৰণত সামান্যভাৱে হালধীয়া আৰু তাত সেউজীয়া বৰণৰ আভাস থাকে।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ বগা চানেকীয়া হয়। কাঠ কোমল হোৱাৰ বাবে বেছিদিন নিটিকে। আগ বা ডাল কাটি গোজ মাৰি থ'লেই তাৰপৰা শিপা আৰু গজালি ওলাই নতুন গছৰ উৎপত্তি হয়।

খিনদৌ-বাগৰি লতা, টাপিৰিয়া হিৰছোটা পৰিয়াল–এনাকাৰদিয়েছি মিদি টাকিৰ (মিচিং) ভু-চেং-ক্ৰুপ (আদ্দিক) হাং দিং (কাৰ্বি)

Tapiria hirsula Family–Anacardiaceae

বগুৱা বাই আন গছৰ ওপৰলৈ উঠি উঠি যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ জোপোহা আকৃতিৰ বনৰীয়া উদ্ভিদ। বাকলিৰ বৰণ ক'লা চানেকীয়া হয়। বুঢ়া গছৰ বাকলিৰ উপৰিভাগ দীঘলীয়া দীঘলীয়াকৈ বখল খাই ওলমি ওলমি থকা দেখা যায়। নিকৰি এৰোৱা বাকলিৰ অৱশিষ্ট অংশৰ বৰণ মুগা হয়। শাখা পাতবোৰৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। ঠাৰিৰ আগত উৎপন্ন হোৱা পাতখিলা অকলশৰীয়াভাৱে থাকে।

ফুলবোৰৰ বৰণ বগা চানেকীয়া হয়। এই ফুল সামান্যভাৱে সুগন্ধি হয়। এই ফুল পূৰঠ হ'লে যি ফল ধৰে সেই ফলৰ আকৃতি দীঘলীয়া হয়। পকিলে ফলবোৰ ক'লা হয়। কাৰবিসকলে এই জাতীয় গছৰ কুমলীয়া পাতবোৰ তৰকাৰি হিছাপে ব্যৱহাৰ কৰে। এইবিধ গছৰপৰা ওলোৱা আঠা গাৰোসকলে কটা ঘাত লগাই দিয়ে। তেজ ৰখা আৰু ঘা সোনকালে শুকুৱা বিষয়ত এই আঠাই ঔষধৰ কাম কৰে বুলি জনা যায়।

নগা-টেঙা, ৰাচ্ চেমিআলাটা পৰিয়াল–এনাকাৰদিয়েছি খেত্মা (আদ্দিক) দিয়েং-চহ্মা (খাচিয়া) গিম্বাও (কছাৰী) খক্মা থিং (কুকি)

(Noga Tenga) Rhus semialata Family–Anacardiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰিলে গোটেই জোপা গছ উদং হৈ পৰে। বাকলিৰ বৰণ মদৰঙা বা ছাই বৰণীয়া হয়। বাকলিৰ উপৰিভাগত খহুলা-খহুলি দাগৰ উৎপত্তি হয়। এডাল মূল ঠাৰিৰপৰা শাখা-পাতবিলাকে বিকাশ লাভ কৰে। দীঘলীয়াকৈ ডিম্বাকৃতি ধাৰণ কৰা পাতৰ দাঁতিত খাঁজ কটা দাগৰ উৎপত্তি হয়। পাতৰ মূল সিৰ বা ঠাৰিৰ দাঁতিকাষৰীয়া ঠাইত নিচেই চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। পাতখিলাৰ বাকী অংশ মিহি ৰূপ ধাৰণ কৰে। পাতৰ তলত লুটিতো চুটি চুটি

নোম থকে। পাতৰ দুয়োকাষে উপ-সিৰবিলাকৰ উৎপত্তি হয়। প্ৰত্যেক খিলা পাতত ১০-১৫ যোৰা উপ-সিৰ বিকাশ লাভ কৰে।

থোপা-থোপে ফুল ফুলে আৰু এই ফুলে বগা চানেকীয়া বা সামান্যভাৱে সেউজীয়া ৰং ধাৰণ কৰে। ফুল পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলে কোমল আৰু খহুলা-খহুলি ৰূপ ধাৰণ কৰে। এই ফল খাবলৈ টেঙা হয়। আচাৰ বনাই খাব পাৰি।

লক্ষী আম, বনআম, মেঙ্গিফেৰা চিলভেটিকা পৰিয়াল–এনাকাৰদিয়েছি লক্ষী আম (কাছাৰ) পাচো (ৰাভা) ঠাইজৌ (বড়ো) ঠেগাচু (আছিক) (Bon Am) Wild Mango Mangifera sylvetica Family–Anacardiaceae

বনাঞ্চলবিলাকত আপোনা-আপুনি উৎপত্তি হোৱা এবিধ বনৰীয়া আমগছ। এইবিধ আমৰ গা-গছডালে পোলোঙা আকৃতি ধাৰণ কৰে। সেইবাবে ইয়াৰপৰা উৎপন্ন হোৱা কাঠ বিভিন্ন কামত লগোৱাৰ বাবে অধিক উপযোগী হয়। ইয়াৰ বাকলিৰ বৰণো মদৰুৱা হয়। দা বা কুঠাৰেৰে কোব মাৰি বাকলিত ঘা লগাই দিলে ভিতৰখন অলপ হালধীয়া দেখি। কটা ঠাইডোখৰৰপৰা এক প্ৰকাৰৰ বগা পনীয়া পদাৰ্থ ওলাই অহা দেখা যায়।

পাতবিলাক ঘৰচীয়া আমৰ পাততকৈ অলপ সৰু হয়। অৱশ্যে আকৃতিত দুয়োবিধ আমগছৰ পাতৰ মাজত বিশেষ পাৰ্থক্য থকা দেখা নাযায়। ফুলৰ বৰণ গুলপীয়া হয় আৰু তাৰ ওপৰত সেউজী ৰঙৰ আভাস পৰিলক্ষিত হয়। ফলৰ আকাৰ তেনেই সৰু হয়। সেই ফলবোৰ খাবলৈও সিমান ভাল নালাগে।

এইবিধ আমগছৰপৰা উৎপন্ন হোৱা কাঠ প্লাইউদ নিৰ্মাণৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।

ভেলা গছ, চেমেকাৰ্পছ এনাকাৰদিয়ম পৰিয়াল–এনাকাৰদিয়েছি বাৰলা আৰং (কাৰবি) বল আগাল (আছিক) ববভোলা (নগাঁও) ভেলা বা ভলা (অসমীয়া) Bhela gach Semecarpus anacardium Family–Anacardiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। নামনি অসমৰ বনভূমিবিলাকত এইবিধ গছ প্ৰায়েই দেখিবলৈ পোৱা যায়। গা-গছ আৰু ডালৰ বাকলি ছাই বৰণীয়া হয়। পাতবোৰ অঙ্গি গছৰ পাতৰ দৰে ধপলা-ধপল হয়। জাৰকালি একেসময়তে পাতবোৰ লাহে লাহে মাটিলৈ সৰি পৰে আৰু শেষান্তৰত গছজোপাই লঠঙা ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ খহটা হয়। দা বা কুঠাৰেৰে কাটি বাকলিত ঘা লগাই দিলে ভিতৰৰ মঙহাল পদাৰ্থখিনি ৰঙচোৱা দেখি। ঠাল-

ঠেঙুলিৰ আগে আগে ডাঙৰ আকাৰৰ পাতবোৰ সৰহীয়াকৈ বিকশিত হয়। গুলপীয়া ৰঙৰ ফুলবোৰ মাটিলৈ সৰি পৰিলে তলখন অসংখ্য ফুলেৰে উপচি পৰে।

ফুলৰ চুপহি মঙহাল হয় আৰু এই চুপহি মুখত দিলে মিঠা মিঠা লাগে। ফলৰ ভিতৰত উৎপত্তি হোৱা গুটি মঙহাল হয়। আগৰ দিনত কাপোৰত দাগ দিবলৈ ধোবাই এই গুটি ব্যৱহাৰ কৰিছিল।

কাঠ কোমল চানেকীয়া হোৱাৰ বাবে বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

অপৰাজিতা, ক্লিটৰিয়া টাৰনাটিয়া
পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি ব্লক-খিউ (তাই-আহোম)
(Aporajita) Clitoria ternatia, Family–Leguminaceae Sub family–Papilionatae

বিতোপন ফুল ধাৰণ কৰা এবিধ ঘৰচীয়া লতিকা। নতুনকৈ উৎপত্তি হোৱা শাখালতাবিলাকৰ বৰণ সেউজীয়া হয়। সেউজ-বুলীয়া পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। প্ৰত্যেক খিলা পাতে পাঁচ খিলা পাঁচ খিলাকৈ শাখাপাত পৰিধান কৰে। দুই যোৰা শাখাপাতৰ স্থাপন ৰীতি বিপৰীতমুখী হয় আৰু পাতৰ ঠাৰিৰ আগভাগত পঞ্চম শাখা পাত খিলাই বিকাশ লাভ কৰি থাকে।

জাত অনুযায়ী অপৰাজিতাই নীলা আৰু বগা বৰণীয়া ফুল ধাৰণ কৰে। দুয়োটা বৰণৰ ফুল ধৰা লতাৰ দুটা দুটা উপজাত থকা দেখা যায়। এটা জাতৰ ফুলবোৰ এতৰপীয়া (Single) হয় আৰু আনটো জাতে বহু-তৰপীয়া পাহিৰ (Double) ফুল পৰিধান কৰে। ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া ছেঁইৰ উৎপত্তি হয়। ছেঁইৰ ভিতৰত সৰু সৰু গুটি ধৰে।

ফুলৰ এটা পাহি আকাৰত আনকেইটা পাহিতকৈ বহুখিনি ডাঙৰ হয়। নাও এখনৰ দৰে গোতোঙা আকৃতি ধাৰণ কৰা এই ডাঙৰ পাহিখিলাৰ বুকুত আনকেইটা পাহি লগ লাগি এটা বলৰ আকৃতি ধাৰণ কৰি থাকে।

আওছা, ক্ৰোট'লেৰিয়া জানচিয়া
পৰিয়াল-লেগুমিনেছি উপ–পৰিয়াল-পেপিলিওনেটি
(Aosa) Crotolaria juncia Family–Leguminaceae Sub-family–Papilionatae

এবিধ মেনেলুৱাৰ নিচিনা জোপোহা আকৃতিৰ উদ্ভিদ। মাটি সাৰুৱা আৰু ফচ্‌ফচীয়া কৰিব পৰা নাইট্ৰোজেনধাৰী উদ্ভিদ হিছাপে এই বিধক জোপোহা গছ আগতে চাহ বাগিচাবিলাকত লগোৱা হৈছিল। 'ৰেড ৰাষ্ট্' নামৰ এবিধ ৰোগৰ বাবে আজিকালি চাহ

খেতিয়কসকলে ইয়াক চাহ বাগিচাত লগোৱা প্ৰায় বন্ধ কৰি দিলে।

জোপোহা গছ বিধৰ উচ্চতা প্ৰায় দুই মিটাৰমান হোৱা দেখা যায়। গা-গছে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। নতুনকৈ ওলোৱা ঠাল-ঠেঙুলিৰ পুখাবোৰ সেউজবুলীয়া হয়। পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে আৰু গুৰিৰ ভাগতকৈ আগৰফালে থকা ভাগ বহল হয়। পাতৰ উপৰিভাগ মিহি হয়। এই পাতবোৰৰ ওপৰত কোমল আমল নোমৰ আভাস পৰিলক্ষিত হয়। ফুলৰ পাহিয়ে উজ্জ্বল হালধীয়া বৰণ পৰিধান কৰে। ফুল পূৰঠ হ'লে মটৰ মাহৰ নিচিনা ছেঁই ধৰে। ছেঁইৰ ভিতৰত প্ৰায় ১০-১৫ টামান গুটি ধৰে।

উৰচি, ডেচ্‌মোদিয়ম্ পাল্‌চেলাম্ পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-পেঁপিলিওনেটি

(Ursi) Desmodium pulchellum Family–Leguminaceae Sub family–Papilionatae

এবিধ জোপোহা বিধৰ বনৰীয়া গছ। ঠালবিলাকৰ ওপৰত দীঘল দীঘল পটিটৰ আবিৰ্ভাৱ হয়। মদৰুৱা বৰণৰ ঠালবোৰে তলৰফালে ওলমি পৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠাৰিৰ আগভাগত তিনিখিলাকৈ পাত ধৰে। এই ঠাৰিৰ গুৰিত এযোৰা গ্ৰন্থিৰ উৎপত্তি হয়। দুয়োকাষত বিকশিত হোৱা পাত দুখিলাতকৈ অগ্ৰভাগত উৎপত্তি হোৱা পাতখিলা আকাৰত ডাঙৰ হয়। পাতকেইখিলাই ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে কিম্বা দুয়োকাষ কিছুদূৰ সমান্তৰালভাৱে আগবাঢ়ি গৈ আগৰফালে জোঙা আকাৰ ধাৰণ কৰে। পাতৰ গুৰিভাগে কম-বেছি পৰিমাণে গোল আকৃতি প্ৰদৰ্শন কৰে। পাতৰ প্ৰতি অৰ্দ্ধাংশই ৮-১০ যোৰা উপ-সিৰ ধাৰণ কৰে। উপসিৰবিলাকে কেঁচীয়া-কেঁচিয়াকৈ ধনুৰ আকৃতি পৰিধান কৰে।

ফুলৰ ঠাৰিৰ অগ্ৰভাগে কেবাপাহো বগা বগা ফুল ধাৰণ কৰে। প্ৰত্যেক পাহ ফুলৰ গুৰিত একোখিলা অতিৰিক্ত চুপহিৰ আৱৰণ থাকে আৰু এই আৱৰণ বা বাকলি কম-বেছি পৰিমাণে স্থায়ী হয়। ফুলবোৰ পূৰঠ হ'লে কোমল চানেকীয়া ছেইৰ উৎপত্তি হয়। ছেইৰ ভিতৰত সৰু সৰু গুটিৰ উদ্ভৱ হয়।

উৰহি, ডলিকচ্ লেব্‌লেব পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি উপ-পৰিয়াল–পেপিলিওনেটি কুৰছি (ৰাভা) গৰছি (বড়ো) থু-থেপ (তাই-আহোম) ছিম (বঙালী)

Urohi (Butter Bean) Dolichos lablab Family–Leguminaceae Sub-family–Papilionatae

এবিধ ডাঙৰ বিধৰ আৰোহী গুল্ম। গাঁঠিয়ে গাঁঠিয়ে কঠিন শাখালতাৰ উৎপত্তি হয়। উপ-পত্ৰ পত্ৰবৃন্তৰ গুৰিত উদ্ভৱ হয়। আকাৰ সৰু। যৌগিক পত্ৰ তিনি পতীয়া, তাৰে দুখিলা পত্ৰিকা অভিমুখ, তৃতীয় পত্ৰিকা শীৰ্ষবিন্দুত প্ৰতিষ্ঠিত। ডিম্বাকাৰ, চতুৰ্ভুজী আকৃতিৰে

বৃত্তাকাৰ, প্ৰস্থ কুশাগ্ৰী, মূলসিৰ আৰু শাখাসিৰ নিম্ন পৃষ্ঠাত স্পষ্ট। ওপৰ পিঠিত অস্পষ্ট, শাখাসিৰ আৰু শাখাসিৰ নিম্নপৃষ্ঠাত স্পষ্ট, ওপৰ পিঠিত অস্পষ্ট, শাখাসিৰ ৩-৫ সূক্ষ্মকৌণিকভাৱে আৰু কেঁচীয়াকৈ ঊৰ্দ্ধমুখী। উপ-শাখাসিৰবোৰ জালৰ দৰে সংলগ্ন। আধাৰ দীৰ্ঘ-গোলাকাৰ। যৌগিক পাতৰ পত্ৰবৃন্ত ৫-১০ চেন্টিমিটাৰ, গুৰি গ্ৰন্থিযুক্ত, পত্ৰিকাধাৰী পত্ৰবৃন্ত ৫ চেন্টিমিটাৰ। বৃত্তিমণ্ডল ঘণ্টাকাৰ, ৫ মিলিমিটাৰমান দীৰ্ঘ।

দলমণ্ডলৰ পাহি বগা, ৰঙা অথবা বেঙুনীয়া। ষ্টেণ্ডাৰ্ড বা সৰ্ববৃহৎ পাহি অৰ্দ্ধবৃত্তাকাৰ, কীল বা তৰীদল ঠোঁট সদৃশ, গভৰ্ক্ষাশয় দণ্ড ডাঠ। ভিতৰফাল কেশযুক্ত। ছিৰা বা ছেই বগা, সেউজীয়া, বেঙুনীয়া অথবা ৰঙচুৰা। চেপেটা আটিল। বীজাণু ডাঙৰ, চেপেটা, ৰঙচুৰা, সেউজীয়া বা ক'লা।

উৰহিৰ কেবাটাও জাত আছে। পাকঘৰৰ তৰকাৰি হিছাপে ব্যৱহাৰ কৰিবৰ বাবে প্ৰায় মানুহে বাৰীত লগায়। হেদালি তৈয়াৰ কৰি লতাডাল বগাবলৈ সুবিধা কৰি দিলে সুফল পাব পাৰি।

উলুচা, ডেচ্‌মোদিয়ম্ ট্ৰাইকুৰেট্ৰাম পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি
(Ulucha) Desmodium triquetrum Family–Leguminaceae Sub-family–Papilionatae

মাটিলৈ হাউলি পৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ ক্ষুদ্ৰ আকাৰৰ বনৰীয়া বনগছ। ঠাল-ঠেঙুলিবিলাকে তিনিসিৰীয়া ৰূপ প্ৰদৰ্শন কৰে। প্ৰতিডাল পাত ধাৰণ কৰা মূল ঠাৰিত এখিলা এখিলাকৈ বেলেগে বেলেগে শাখাপাত বিকশিত হয়। এই শাখা-পাতবিলাকে দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ গুৰিভাগ ঘূৰণীয়া আৰু আগৰফালে ক্ৰমে সৰু হৈ জোঙা হৈ যোৱাৰ আকৃতি প্ৰদৰ্শন কৰে। ঠাৰিৰ চৌপাশে ফুলৰ থোপাৰ উৎপত্তি হয়। এই থোপাবোৰে সাধাৰণতে চেলাপেটীয়া আকৃতি ধাৰণ কৰে। ফুলৰ থোপাবোৰত চুটি চুটি নোমৰ উৎপত্তি হয়।

ফুলৰ বৰণ ৰঙচুৰা হয়। চুপহিৰ আবৰণ চুঙাপহীয়া হয় আৰু এই চুপহিৰ ওপৰত চুটি চুটি নোমৰ আবিৰ্ভাৱ হয়। চুপহিৰ অগ্ৰভাগে খাঁজকটা আকৃতি ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে চুটি চুটি ছেই ধৰে আৰু এই ছেইবোৰৰ উপৰিভাগত কোছা-কোছে নোমৰ আবিৰ্ভাৱ হয়।

অসমৰ প্ৰায় সকলো ঠাইতে এইবিধ উদ্ভিদৰ উৎপত্তি কম-বেছি পৰিমাণে পৰিলক্ষিত হয়।

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। গা-গছৰ নিম্নভাগতে ডালৰ উৎপত্তি

কৰচ, পংগেমিয়া গ্লেব্ৰা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Karas)Pongamia glabra Family–Leguminaceae Sub-family–Papilionatae

হোৱাৰ ফলত গছডালে জোপোহা আকৃতি ধাৰণ কৰে। বাকলিয়ে ছাই বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ ওপৰত সামান্য বিধৰ ফুটফুটীয়া দাগো বিকাশ লাভ কৰি থকা দেখা যায়।

ঘাই পাতৰ ঠাৰিডালৰপৰা ওলাই অহা শাখাপাতবিলাকৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। সাধাৰণতে প্ৰত্যেক খিলী মূলপাতে পাতখিলা সাতখিলাকৈ শাখা পাত ধাৰণ কৰা দেখা যায়। শাখা পাতবিলাকে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে জোঙা হয়। শীৰ্ষ বিন্দুত অকলশৰীয়াভাৱে শাখাপাত খিলা আকাৰত আটাইতকৈ ডাঙৰ হয়।

ছায়া প্ৰদান কৰিবৰ বাবে এইবিধ গছৰ পুলি কেতিয়াবা আলিবাটৰ কাষত ৰুই দিয়া হয়। খৰিৰ বাহিৰে এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগোৱা নহয়।

কুহিলা, এস্কিন'মিন্ ইন্দিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Kuhila) Aeschynomene indica Family–Leguminaceae, Sub-family–Papilionatae

বছৰেকীয়া আয়ুৰ এবিধ ডালমেলা জোপোহা বন। দ পথাৰ, পানী-যুঁৱলি আদিত কেতিয়াবা সৰহীয়াকৈ আৰু কোনো ক্ষেত্ৰত তাকৰীয়াভাৱে স্বাভাৱিকতে উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়। কাণ্ডৰ ভিতৰভাগ সোপোকা হোৱাৰ বাবে বটলৰ ঠিলা হিছাপে ব্যৱহাৰ কৰিব পাৰি। কাণ্ডৰ বাকলি ছাই বৰণীয়া, শাখা-প্ৰশাখা গোলাকাৰ, সূক্ষ্মভাৱে ৰেকাংকিত খহুলা-খহুলি দাগেৰে খহটা।

যৌগিক পত্ৰৰ দৈৰ্ঘ্য প্ৰায় ৩ চেণ্টিমিটাৰ উপ-পত্ৰ প্ৰায় ৫ চেণ্টিমিটাৰ, পাতলীয়াকৈ স্পৰ্শকাতৰ, লতিকাযুক্ত, লোমশ-দন্তাগ্ৰী, পত্ৰিকা ৪১-৬১ নিচেই সৰু সৰু। ঘন ঘন, ডিম্বাকাৰ, শীৰ্ষবিন্দু আকস্মিক খুৰধাৰ চোকা। পুষ্পক্ৰম সমীকাক্ষ, শাখাযুক্ত, বৃতি আৰু উপবৃতি আশুপাতী, কেতিয়াবা গ্ৰন্থিযুক্ত আৰু কেশময়। পত্ৰবৃন্ত ০.৫-১.০ চেণ্টিমিটাৰ দৈৰ্ঘ্য। বৃতি মণ্ডল প্ৰায় ০.৫ চেঃমিঃ পাতলভাৱে স্পৰ্শকাতৰ, লোমবিহীন। দলমণ্ডলৰ পাহি হালধীয়া, ছেই ৫-১০ সংযুক্ত।

ৰহৰ, মচুৰ আদি দাইলৰ নিচিনা খাদ্যৰ উপযোগী শস্য উৎপাদন কৰা আন এবিধ নিম্ন পৰ্যায়ৰ দাইলৰ গছ আমাৰ কোনো কোনো মানুহে বামখেতিৰ অন্যতম

ক'লা মাহ, খেচাৰী মাহ, লাঠিৰহ চেটিভা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি

Lathyrus sativa Family–Leguminaceae Sub-family–Papilionatae

ফচল হিছাপে লগোৱা দেখিবলৈ পোৱা যায়। সৰু আকাৰৰ আৰু জোপোহা ধৰণৰ গছবোৰৰ গুটি মাটি চহাই বাম ঠাইৰ সাৰুৱা মাটিত সিঁচি দিলে সময়ত পুলি গজি একোডৰা শস্যপূৰ্ণ ফচলৰ সৃষ্টি হয়। কোনো কোনো মানুহে বাৰীৰ সীমামূৰীয়া ঢাপত কিম্বা অন্যান্য শস্যৰ মাজত ইয়াক শাৰী শাৰীকৈ লগাই দিয়ে।

গছডালে ছাইবৰণীয়া ৰূপ প্ৰদৰ্শন কৰে। পাতৰ আকাৰ দীঘল চানেকীয়া হয়। থোপা-থোপে ধৰা ফুলবোৰৰ বৰণ অলপ হালধীয়া হয়। ফুলবোৰ পূৰঠ হ'লে দীঘল দীঘল ছেইৰ উৎপত্তি হয়। ছেইৰ ভিতৰত যিবোৰ গুটি ধৰে সেই গুটিবোৰৰ বৰণ ক'লা চানেকীয়া হয়। ইয়াক দাইল হিছাপে তৈয়াৰ কৰি খাব পাৰি। সিমান উচ্চ খাপৰ নহ'লেও এই দাইল খাবলৈ বৰ বেয়া নালাগে।

গছ বিয়নী-সাবটা, ডেচমোদিয়ম লেটিফলিয়ম পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি ননথে আৰং (কাৰবি) আচাক্-কিমাচান্ (আছিক)

(Gach-bioni Sabota) Desmodium latifolium Family–Leguminacease Sub-family–Papilionatae

এবিধ সৰু আকাৰৰ বনগছ। ঠাল-ঠেঙুলিবিলাকে গোল গোল আকৃতি ধাৰণ কৰে। দীঘল দীঘল ঠালবোৰত বাম চানেকীয়া লোৰৰ উৎপত্তি হয় আৰু বাকলিৰ উপৰিভাগত ঘন ঘন নোমৰ আবিৰ্ভাব হয়। পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ ওপৰলুটিত নোমৰ উদ্ভৱ হয় আৰু তলৰ লুটি কোমল চানেকীয়া হোৱা দেখা যায়।

ফুল ধাৰণ কৰা মূল ঠাৰিডালত একাদিক্ৰমে ফুলৰ উৎপত্তি হয়। পাহিৰ বৰণ ৰঙচুৱা হয়। এই ফুল পূৰঠ হ'লে ছেইৰ উৎপত্তি হয়। ছেইৰ উপৰিভাগত হাকোটা থকা নোমৰ উৎপত্তি হয়।

ঘন্টা কৰণ, ঝুনঝুনীয়া ক্ৰ'টোলেৰিয়া ষ্ট্ৰিয়েটা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি

(Ghanta Karan, Jhunjhunia) Crotolaria striata Family-Leguminaceae Sub family-Papilionatae

মুকলিমূৰীয়া ঠাইৰ তৃণভূমিবিলাকত উৎপত্তি হোৱা এবিধ সৰু আকাৰৰ জোপোহা বন। কেতিয়াবা একেঠাইতে আৰু অন্যান্য জোপোহা-বনৰ সৈতে বহুসংখ্যক এই জাতীয় উদ্ভিদ দেখিবলৈ পোৱা যায়। শাখা-প্ৰশাখাবিলাক ক্ষুদ্ৰ ক্ষুদ্ৰ খহুৱাৰ নিচিনা দাগ

থকা, অস্পষ্টভাৱে পাতৰ সূতাৰ নিচিনা নোমযুক্ত। যৌগিক পত্রক্রম ৩ পতীয়া, উমৈহতীয়া পত্রবৃন্তৰ দৈর্ঘ্য প্রায় ৩-৪ চেণ্টিমিটাৰ, খীণাকাৰ, উপপত্র ক্ষুদ্রতম্, আশুপাতী। পত্রিকাৰ দৈর্ঘ্য ২-৪ চেণ্টিমিটাৰ। অধো-ডিম্বাকাৰ-আয়তাকাৰ, সূক্ষ্মাগ্রী। তলৰ লুটি কোমল, কাগজৰ দৰে পাতলীয়া, সেউজীয়া, লোমবিহীন, তলৰ লুটি অলপ শেঁতা। উপ-পত্র ক্ষুদ্রাকাৰ, পুষ্পক্রমৰ বিন্যাস প্রণালী সমিকাক্ষ ১৫-৩০ চেণ্টিমিটাৰ দৈর্ঘ্য, ২০-৫০ পুষ্পযুক্ত। বেটুপাত ক্ষুদ্রকাৰ আশুপাতী। বৃত্তিমণ্ডল প্রায় ১ চেণ্টিমিটাৰ। দলমণ্ডলৰ পাহি ক্ষুদ্রাকাৰ হালধীয়া। ছেই দীঘলীয়াকৈ গোলাকাৰ, লোমবিহীন। গুটি ২০-৩০, কলিজাকাৰ, কেঁচা অৱস্থাত সেউজীয়া, পকিলে ক'লা চানেকীয়াকৈ মুগা বৰণীয়া আৰু উজ্জ্বল।

আঁহযুক্ত বাকলিৰপৰা ৰচি বটি উলিয়াব পাৰি যদিও সাধাৰণতে কামত লগোৱা দেখা নাযায়।

চয়া মাহ, গ্লাইচিন মেক্স পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Soya Bean) Glycine max
Family–Leguminaceae
Sub-family–Papilionatae

লেছেৰা মাহৰ নিচিনাকৈ ছেঁই ধাৰণ কৰা এবিধ বছেৰেকীয়া লতা জাতীয় উদ্ভিদ। অসমত এইবিধ ফচলৰ খেতি কৰা দেখিবলৈ পোৱা নাযায়। এইবিধ মাহ কিন্তু বজাৰত কিনিবলৈ পোৱা যায়।

ভাৰতৰ পশ্চিমৰ ফালে থকা বিহাৰ, উত্তৰ প্রদেশ আদি বিভিন্ন ৰাজ্যত ইয়াৰ খেতি কৰা হয়। ইয়াৰ উৎপত্তি স্থান দক্ষিণ-পূৱ এচিয়াৰ দেশসমূহ বুলি জনা যায়। আজিকালি ভাৰতবৰ্ষৰ বাহিৰে চীন দেশ, জাপান আদিত ইয়াৰ খেতি কৰা হয়। ইয়াৰপৰা গাখীৰৰ নিচিনা এবিধ খোৱাৰ উপযোগী পনীয়া দ্রব্য আৰু আন এবিধ তেল তৈয়াৰ কৰা হয়। তৰকাৰি হিচাপে খাবলৈ অতি ভাল লাগে।

চিচু, দাল্‌বাৰ্‌জিয়া চিচু পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি চিচুপান (ৰাভা) খুজৰাৰ (বড়ো)
(Sisoo) Dalbergia sisoo
Family–Leguminaceae
Sub-family–Papilionatae

এবিধ অলপ ডাঙৰ আকাৰৰ সুকাঠী বনৰীয়া গছ। নদীৰ পাৰৰ বালিঅহীয়া পলসুৱা ভূমি আৰু পাহাৰৰ নামনিত থকা আৰু পলসেৰে ঢকা শিলাময় ভূমিবিলাকত এইবিধ উদ্ভিদ ধাৰণ কৰা দেখা যায়। অন্যান্য বাম চানেকীয়া ঠাইবিলাকতো ইয়াৰ স্বাভাবিক উৎপত্তি পৰিলক্ষিত হয়। আজিকালি বনবিভাগে ঠায়ে ঠায়ে চিচু গছৰ পুলি বাগান

আকাৰে লগাইছে। সামাজিক বনানীকৰণ শাখাই আলি-পদূলিৰ কাষে কাষে ইয়াৰ পুলি শাৰী শাৰীকৈ লগাই দিয়াৰ উপৰিও ৰাইজৰ মাজত বিনামূল্যে পুলি বিতৰণ কৰি এইবিধ সুকাঠী মূল্যবান গছৰ সংখ্যা বৃদ্ধি কৰিবলৈ যত্ন কৰিছে।

বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ আকাৰ সৰু হয়। এই পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। ফুল ধাৰণ কৰা একোডাল ঠাৰি তিনিখিলাৰ পৰা পাঁচখিলা পৰ্যন্ত শাখাপাত ধৰে। ফুলবিলাক আকাৰত সৰু হয়। ফুল পূৰঠ হ'লে ছিৰা ছিৰাকৈ গুটি ধৰে।

শাৰী শাৰীকৈ তৈয়াৰ কৰা মাটিত গুটি পচাই চিচুৰ বাগান কৰা হয়। পালেঙত গজা পুলিৰ মুঢ়া লগাই দিও ইয়াৰ উৎপাদন বৃদ্ধি কৰিব পাৰে।

চিচুৰ কাঠ অতি মূল্যবান। চকি, মেজ আদি সৰঞ্জাম বনোৱাৰপৰা দুৱাৰ-খিৰিকি আদি নিৰ্মাণ কৰালৈকে নানা কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

ছালি, ডালবাজিয়া টামাৰিন্দিফলিয়া পৰিয়াল-লেগুমিনেছি
উপ-পৰিয়াল–পেপিলিওনেটি লালেং ছালি (লক্ষীমপুৰ) চুবিন্, ৰিকাং (কাৰবি) দুখেণ্ট্ৰি (আছিক) জাৰমৈই থুবাত চিয়াৰ (খাচিয়া)
(Chali) Dalbergia tamarindifolia Family–Leguminaceae Sub-family–Papilionatae

পাণৰ দৰে গাঁঠিয়ে গাঁঠিয়ে শিপা মেলি ওখ গছৰ ওপৰলৈ বগাই যোৱা এবিধ লতা-জাতীয় বনৰীয়া গছ। এইবিধ লতাৰ বাকলি আৰু ঠাৰি কাটি আনি তামোলৰ লগত খোৱা হয়। আজিকালি ইয়াৰ প্ৰচলন কমি অহা দেখা গৈছে। মানুহে কাটি কাটি অনাৰ বাবে স্বাভাৱিক পৰিৱেশবিলাকত ইয়াৰ সংখ্যাও লাহে লাহে কমি আহিছে। লতাৰ উপৰিভাগে ধোঁৱা বৰণীয়া অথবা মদৰুৱা ৰূপ ধাৰণ কৰে।

গাঁঠিয়ে গাঁঠিয়ে শিপাৰ উৎপত্তি হয় আৰু শিপাবোৰে ধাৰক গছডালৰ বাকলিত খামোচ মাৰি ধৰে। গাঁঠিৰপৰা ওলাই অহা পুখাৰপৰা ঠাল-ঠেঙুলি উৎপত্তি হয়। এই পুখাবোৰে তিনিপতীয়া শাখাপাত ধাৰণ কৰে।

টেলিগ্ৰাফ্ প্লেন্ট, ডেচমেদিয়ম গাইৰেঞ্চ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Indian Telegraph Plant) Desmodium gyrans Family–Leguminaceae Sub-family–Papilionatae

এবিধ বনগছ জাতীয় বনৰীয়া উদ্ভিদ। অসমৰ বিভিন্ন বনভূমিবিলাকত ঠায়ে ঠায়ে উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়। একোখিলা যৌগিক পাতত মূল

পাতৰ দুয়োকাষে দুখিলা সৰু আকাৰৰ শাখা-পাতে বিকাশ লাভ কৰে। এই শাখাপাত দুখিলাই বিচিত্ৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। শাখাপাত দুখিলাই একে সমতল দিনৰ দিনটো তলৰপৰা ওপৰলৈ আৰু পুনৰ ওপৰৰপৰা তলৰ ফাললৈ অহা-যোৱা কৰি থাকে। এনে ধৰণৰ ৰহস্যজনক চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰাৰ বাবে ইয়াক ইংৰাজী ভাষাত ইন্দিয়ান টেলিগ্ৰাফ প্লেন্ট নামেৰে অভিহিত কৰা হয়।

গুৱাহাটী চিৰিয়াখানাৰ অন্তৰ্গত থকা উদ্ভিদৰ উদ্যানত এইবিধৰ উদ্ভিদ কেইজোপামান ৰোপণ কৰি ৰখা হৈছে।

পলাশ, বিউটিয়া ফ্ৰান্দোছা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি পলাশ (অসমীয়া আৰু বঙালী) পালাছু (বড়ো) পালাছ (ৰাভা)
(Polash) The Flame of the forest
Butea frondosa Family–Leguminaceae
Sub-family–papilionatae

এবিধ অলপ ডাঙৰ আকাৰৰ বনৰীয়া গছ। বাকলিৰ উপৰিভাগে ক'লা চানেকীয়াকৈ ছাই-বৰণীয়া ৰং ধাৰণ কৰে। ইয়াৰ ওপৰত নীলা বৰণৰ সামান্য আভাস পৰিলক্ষিত হয়। বাকলিৰ বাহিৰখন ফপৰীয়া আৰু ভিতৰভাগ আঁহযুক্ত হয়। বৰণ আঁহখিনি ৰঙচুৱা হয় আৰু কাটি ঘা লগাই দিলে ইয়াৰপৰা গম আঠাৰ নিচিনা পদাৰ্থ বাহিৰ হোৱা দেখা যায়। ঠাৰিৰ আগভাগত বিকশিত হোৱা শাখাপাতবোৰ মিহি আৰু উজ্জ্বল হয়।

ফুলৰ পাহিবোৰে উজ্জ্বল ৰঙা বৰণ ধাৰণ কৰে। একে সময়ত ফুলবোৰ ফুলিলে গছজোপাই উজ্জ্বল ৰূপ ধাৰণ কৰে। তেতিয়া পলাশ গছবোৰ নিলগৰপৰা জিলিকি থাকে।

পলাশ গছৰপৰা উৎপন্ন হোৱা কাঠ উন্নত পৰ্যায়ৰ বুলি ক'ব নোৱাৰে। পানীৰ তলত লগালে এই কাঠ বহুদিন টিকে বুলি জনা যায়।

পিং, চাইনেট্ৰা পলিয়েন্দ্ৰা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি পিং (কাছাৰ) চেৰাছো (আছিক)
(Ping) Cynometra polyandra Family–Leguminaceae Sub-family–Papilionatae

এবিধ অলপ ডাঙৰ আকাৰৰ চিৰসেউজীয়া গছ। কাছাৰ জিলাৰ ইনাৰ লাইন সংৰক্ষিত বনাঞ্চলত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। অসম উপত্যকাত ইয়াক দেখিবলৈ পোৱা নাযায়।

গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ বৰণ মদৰুৱা বা মুগা চানেকীয়া

হয়। পাতবোৰে অলপ দীঘল চানেকীয়া ৰূপ ধাৰণ কৰে। ফুলৰ বৰণ শেঁতা হয়। এই ফুলবোৰ ডালৰ আগত থোপা-থোপে ফুলি থকা দেখিবলৈ পোৱা যায়। ফুলবোৰ পূৰঠ হ'লে যিবিলাক ফলৰ উৎপত্তি সেই ফলবিলাকৰ ছেই বা ছিৰাৰ আকাৰত বিকশিত হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ ৰঙচুৱা হয়। এই কাঠৰ কুণ্ডা বাতাম আৰু তক্তাৰ আকাৰত ফালি নানা কামত আৱশ্যক অনুযায়ী লগোৱা হয়।

পেল্টোফৰম, পেল্টোফৰম্ ফেৰোজিনম পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি (Peltophorum) Peltophorumferrugin-um Family–Leguminaceae Sub-family–Papilionatae,

এবিধ ডাঙৰ আকাৰৰ বিতোপন ফুল ধাৰণ কৰা বিজাতীয় গছ। ইয়াৰ উৎপত্তি স্থান মালয়াছিয়া আৰু শ্ৰীলঙ্কা বুলি জনা যায়। অসমত এইবিধ গছ য'তে ত'তে দেখিবলৈ পোৱা নাযায়। কাছাৰ জিলাৰ সদৰ ঠাই শিলচৰ নগৰৰ আলিবাটৰ কাষত ইয়াৰ কেইজোপামান গছ আছে।

ওখ-ডাঙৰ গছজোপাৰ ডাল-পাতবোৰে ওপৰৰফালে মেলাহি খাই বিকাশ লাভ কৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। সেউজীয়া বৰণৰ দীঘল চানেকীয়া সৰু সৰু পাতিবিলাক মূল ঠাৰিত দুখিলা দুখিলাকৈ উৎপত্তি হোৱা দেখা যায়। গা-গছডালে মদৰুৱা বৰণ প্ৰদৰ্শন কৰে।

ফুলৰ থোপাই ধাৰণ কৰা গাইগুটীয়া পুষ্পৰ পাহিবোৰে ক'লা চানেকীয়াকৈ হালধীয়া বৰণ ধাৰণ কৰে। সাধাৰণতে খৰালি মহীয়া ফুলৰ পয়োভৰ হয়। ফুলবোৰ পূৰঠ হ'লে দীঘল ছেইৰ উৎপত্তি হয়। গছজোপা ফুলৰ থোপাৰে উপচি পৰিলে বিতোপন ৰূপৰ সৃষ্টি হয়।

ফৰাছ, পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পপিলিওনেটি (Foras) French Bean Phaseolus vulgaris Family–Leguminaceae Sub-family–Papilionatae

এবিধ চাপৰ আকাৰৰ আৰু অলপ দীঘলীয়া আকৃতিৰ ছেই ধৰা ফচল। সেউজীয়া ছেই উৎপাদন কৰিব পৰা ফচলবিলাকৰ ভিতৰত ফৰাছক সৰ্বশ্ৰেষ্ঠ বুলি ক'ব পাৰি। যিকোনো তৰকাৰিৰ লগত মিহলাই ইয়াৰে নানা তৰহৰ উপাদেয় আঞ্জা বা ভাজি বনাই খাব পাৰি।

ফৰাছ বা ফ্ৰেন্স বিনৰ উৎপত্তি স্থান দক্ষিণ আৰু মধ্য আমেৰিকা বুলি জনা যায়। অতীজতে হেনো ৰেড্ ইন্দিয়ান্‌বিলাকে গোমধানৰ সৈতে এইবিধ শস্যৰ খেতি

কৰিছিল। ইউৰোপৰপৰা শ্বেতাঙ্গ দেহী লোকসকল আমেৰিকালৈ প্ৰব্ৰজন কৰি যোৱাৰ পাছত ইয়াৰ গুণাগুণ দেখিবলৈ পালে আৰু তেওঁলোকেও ইয়াৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে। স্পেনীয়সকলে ইয়াৰ সঁচ আনি ইউৰোপ পোৱালেহি। কালক্ৰমত এচিয়া আৰু আফ্ৰিকাৰ বিভিন্ন দেশলৈ ইয়াৰ সঁচ নিয়া হ'ল। ভাৰতৰ মানুহেও ইয়াৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে।

ফৰাছৰ তিনিটা উপজাতি আছে। চাপৰ জাতৰ ঠাৰিডাল থিয় হৈ ওপৰমুৱা হয়। ঠাৰিৰ মাজে মাজে গাঁঠিৰ উৎপত্তি হয়। বৰ্ষাকালত হোৱা বিধ ফৰাছ লতা চানেকীয়া হয়। তৃতীয় বিধ ফৰাছেও লতাৰ আকৃতি প্ৰদৰ্শন কৰে আৰু ইয়াৰ গাঁঠিৰ মাজে মাজে বিকাশ হোৱা ঠাৰি অলপ বেছি দীঘল হয়। তিনিও বিধে গুলপীয়া ফুল ধাৰণ কৰে। সময়ত দীঘল চানেকীয়া ছেই ধৰে। শুকান গুটিবোৰৰপৰা তৰকাৰি হয়।

বক ফুল, ছেচ্‌বেনিয়া গ্ৰেন্দিফ্লোৰ পৰিয়াল- লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি বক বিবাৰ (বড়ো) বক বিবাল (আছিক) ব্লক-এৱা-না (তাই-আহোম)
(Bok-phul) Sesbania grandiflora Family–Leguminaceae Sub-family–Papilionatac

বক ফুল মানুহে বাৰীত লগোৱা এবিধ মজলীয়া আকাৰৰ লাগতিয়াল গছ। ই অলপ ডাঙৰ আকাৰৰ শুধবগা ফুল ধাৰণ কৰে। সেউজ-বুলীয়া চুপহিৰ ভিতৰৰফালে বিকাশ লাভ কৰি থকা ডাঙৰ আকাৰৰ এটা পাহিয়ে শামুকৰ বাকলিখনৰ দৰে পুংকেশৰ আৰু গৰ্ভকেশৰত উৎপত্তি হোৱা ৰেণুবিলাক আৱৰি ৰাখে। ফুলৰ পাহিবোৰ এনেয়ে ভাজি খাবলৈ ভাল লাগে। আতা বা ময়দা গুৰিৰপৰা তৈয়াৰ কৰা পনীয়া পদাৰ্থৰ লগত মিহলাই ভাজি খাবলৈ ততোধিক উপাদেয় লাগে।

গা-গছৰপৰা উৎপত্তি হোৱা শাখা-প্ৰশাখাবিলাক সেৰেঙা-সেৰেঙা হয়। গা-গছৰ বাকলিখনে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে। গাইগুটীয়াকৈ উৎকৰ্ষ লাভ কৰি থকা পাতবোৰৰ আকৃতিয়ে ডিম্বাকৃতিকৈ আগজোঙা ৰূপ প্ৰদৰ্শন কৰে। এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ মূল্য নগণ্য যদিও জেউৰাৰ খুঁটি লগোৱা আদি কামত খটাব পৰা যায়।

বগা-মেদেলুৱা, টেপ্ৰোছিয়া কেন্দিদা পৰিয়াল- লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি বল- মেন্দু, চামেন্দু (আছিক) দিয়েং টহ (খাচিয়া) মিথ্‌ ফাং (কছাৰী) ঝাওৰা, বালাচৰ (মেচ)
(Boga medelua) Tephrosia candidaFamily–Leguminaceae Sub-family–Papilionatae

বগা-মেদেলুৱা এবিধ মজলীয়া আকাৰৰ জোপোহা গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকে ছাই বৰণীয়া ৰং ধাৰণ কৰে। ওখই গছজোপা প্ৰায় দুই মিটাৰমান হোৱা দেখা যায়। ঠাল-

ঠেঙুলিবিলাকে চুকীয়া-চুকি আৰু ভিতৰলৈ সুমাইপৰা লোৰ শিৰ থকা আকৃতি প্ৰদৰ্শন কৰে। বহুতো শাখাপাত লগলাগি একোখিলা যৌগিক পাতৰ উৎপত্তি হয়। শাখাপাতবিলাকৰ আকৃতি ঠেক আৰু দীঘলীয়া হয়। স্পৰ্শত ওপৰৰ লুটি মিহি আৰু তলৰ লুটি কোমল-আমল হয়। পাতৰ দাঁতিত কটা-কটিৰ কোনো চিহ্নই বিকাশ লাভ কৰি থকা দেখা নাযায়।

ফুলবোৰে বগা চানেকীয়াকৈ মাখনৰ বৰণ ধাৰণ কৰে। চুপহিৰ আৱৰণে ধাৰণ কৰা পাহিৰ গঠন-প্ৰণালীয়ে হেলনীয়া আকৃতি প্ৰদৰ্শন কৰে। এইবিধ উদ্ভিদৰ শিপাবোৰত নাইট্ৰোজেনৰ উৎপত্তি হোৱাৰ বাবে মাটি ফচ্‌ফচীয়া আৰু উৰ্বৰা কৰি তুলিবৰ বাবে চাহ বাগিচাবিলাকত চাহ গছৰ মাজে মাজে শাৰী শাৰীকৈ গুটি পচাই ইয়াক সুৰক্ষা প্ৰদানকাৰী শস্য (Cover crop) হিছাপে লগাই দিয়া হয়। কিন্তু ৰঙা মামৰ (Red Rust) নামৰ এবিধ ৰোগৰ দ্বাৰা এইবিধ গছ আক্ৰান্ত হোৱাত আৰু সেই বেমাৰ চাহ গছলৈ বিয়পা দেখি আজিকালি বগা মেদেলুৱা গছ লগোৱা প্ৰথা চাহ্ বাগানবিলাকত বন্ধ কৰি দিয়া হৈছে বুলি বাহিৰ পুখুৰী চাহ বাগিচাৰ প্ৰাক্তন মেনেজাৰ শ্ৰী অৰুনী গোহাঁইৰপৰা জানিব পৰা গৈছে। বন-বিভাগে মূল্যবান গছৰ বাগান নিৰ্মাণ কৰাৰ আগতে শাৰী শাৰীকৈ এইবিধ গছৰ পুলিয়ে পোনপটীয়া ৰ'দৰ উত্তাপ সহ্য কৰিব নোৱাৰে সেইবিলাক গছৰ পুলিবোৰ এইবিধ গছৰ ছায়াত ডাঙৰ-দীঘল হ'বলৈ সুবিধা হয়।

ফুলবোৰ পূৰঠ হ'লে এইবিধ উদ্ভিদে দীঘল দীঘল ছেঁই ধৰে। সেই ছেঁইবোৰৰ বাকলিৰ ভিতৰত সৰু সৰু গুটিৰ উৎপত্তি হয়। শুকানমুৱা ছেঁই ধাৰণ কৰা পূৰঠ ঠানিবোৰ কাটি কাটি আনি ভৱিষ্যতৰ বাবে গুটি সংগ্ৰহ কৰি ৰখাৰ ব্যৱস্থা কৰা হয়।

বাগী, ইন্দিগোফেৰা পালচেলা
পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Indigofera pulchella)
Desmodium gyrans Family–Leguminaceae Sub-family–Papilionatae

ডাঙৰ ডাঙৰ আকাৰৰ গছে প্ৰাধান্য লাভ কৰি থকা বনভূমি আৰু মুকলিমুৰীয়া চাপৰ চাপৰ উদ্ভিদেৰে উপচি থকা হাবিবনানীবোৰত সাধাৰণতে স্বাভাৱিকতে বিকশিত হোৱা লিংলিঙীয়া এবিধ দীঘল পৰীয়া বন জাতীয় গছ দেখিবলৈ পোৱা যায়। এইবিধ সৰু উদ্ভিদে এক প্ৰকাৰৰ নীলাফুলৰ থোপা ধাৰণ কৰে। এইবিধ উদ্ভিদক বুজাবলৈ বাগী শব্দ প্ৰয়োগ কৰা হয়। অৰ্থনৈতিক আৰু ব্যৱহাৰিক দৃষ্টিকোণৰ ফালৰপৰা বিবেচনা কৰিবলগীয়া হ'লে এইবিধ বনৰ বিশেষ মূল্য আছে বুলি কোৱা টান।

হাবি বনানীৰ নিম্ন স্তৰত উৎপত্তি হোৱা এইবিধ বনৰ পাতবোৰ ছিৰিলি পতীয়া হয়।

বান্দৰ কেঁকোৱা, দাইচোলবিয়ম্ গ্ৰান্দে পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Bandar Kekua) Dysolobium grande Family–Leguminaceae Sub-family–Papilionatae

বান্দৰ কেঁকোৱা এবিধ ডাঙৰ আকাৰৰ জোপোহা জাতৰ বনৰীয়া গছ। গছডালৰ ডাল উপ-ডালবিলাকে লতাৰ দৰে চৌপাশে বিস্তাৰ লাভ কৰি বগোৱা বাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে আৰু বাকলিৰ উপৰিভাগত সামান্য ধৰণৰ শুং ওলায়। পাতবিলাকে কম-বেছি পৰিমাণে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। গুৰিৰ ফালে অলপ ঘূৰণীয়া আৰু আগৰফালে ক্ৰমে জোঙা হয়। পাতৰ তলৰ পিঠিতকৈ ওপৰৰ পিঠি অধিক সেউজীয়া হয়।

গছজোপাই দীঘল চানেকীয়া ঠাৰিৰ আগত থোপা-থোপে পুষ্প ধাৰণ কৰে। সেই ফুলবোৰ পূৰ্ঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলে অলপ ধনুভিৰীয়া আকৃতিৰ উৰহী সদৃশ ছেই ধৰে। ছেঁইৰ ভিতৰত চেপেটা চেপেটা আকৃতিৰ গুটি হয়। ছেঁইৰ বাকলিৰ উপৰিভাগত অসংখ্য শুঙৰ উৎপত্তি হয়। এই শুংবোৰ কেনেবাকৈ গাত লাগিলে সহিব নোৱৰা খজুৱতি উঠে আৰু ছালত চকলা-চকল দাগৰ উৎপত্তি হৈ কেবা ঘণ্টা জোৰা সময় মানুহজনৰ দুৰ্গতি হয়।

বুট, চাইচাৰ এৰিয়েণ্টিমম্ পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি
(Boot) Horse-gram Chiken-pea Cicer arientimum Family–Leguminaceae Sub-family–Papilionatae

এবিধ সৰু আকাৰৰ বছেৰেকীয়া উদ্ভিদ। ইয়াৰপৰা উৎপন্ন হোৱা সৰু সৰু আকাৰৰ ফলবিলাক দাইল হিছাপে তৰকাৰি বনাই খোৱা হয়। অসমত এইবিধ ফচলৰ খেতি ব্যাপকভাৱে কৰা দেখিবলৈ পোৱা নাযায়। বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মানুহে ইয়াৰ খেতি কৰে। তেওঁলোকৰ মানুহে বস্তাই বস্তাই বুট আৰু বুটৰ দাইল অসমলৈ প্ৰতিবছৰে ৰপ্তানি কৰে। ইয়াৰ কেবাটাও জাত আছে। সাধাৰণ বিধ বুটৰ বাকলি ক'লা চানেকীয়া হয়। দ্বিতীয় বিধৰ বাকলিয়ে অলপ বগা হয়। এইবিধ বুটক গোলাপী বুট বুলি কোৱা হয়। তৃতীয় বিধ বুট বৰণত বগা চানেকীয়া আৰু আকাৰত অলপ ডাঙৰ হয়। এইবিধ বুটক কাবুলি বুট বুলি কোৱা হয়।

অসমৰ হিন্দু সমাজে গোটা বুট প্ৰসাদ হিছাপে ব্যৱহাৰ কৰি ইষ্ট দেৱতাক অৰ্পণ কৰে। ঘোঁৰাই বুট খাবলৈ ভাল পায়।

বনগছডালে সৰু সৰু পাত ধাৰণ কৰে। ফুলৰ বৰণ কম-বেছি পৰিমাণে

গুলপীয়া হয়। সৰু সৰু ছেইৰ বাকলিখন পাতলীয়া হয়। তাৰ ভিতৰত এটাকৈ বা একাধিক ফল ধৰে।

বিয়নী সাবটা, ডেচ্‌মোদিয়ম্ লেবৰনিফলিয়ম্
পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিনেটি
(Biyoni Sabota) Desmodium laburnifolium
Family– Leguminaceae Sub-family–Papilionatae

এবিধ দীঘলীয়া ঠাৰি ধাৰণ কৰা বনৰীয়া বনগছ। মূল ঠাৰিডাল সৰু আৰু সেউজ-বুলীয়া হয়। এই ঠাৰিৰ মাজে মাজে হেৰেঙাকৈ গাঁঠিৰ উৎপত্তি হয়। প্ৰত্যেকটো গাঁঠিতে দুখিলা দুখিলাকৈ বিপৰীতমুখী সেউজীয়া পাতৰ আৱিৰ্ভাৱ হয়। পাতল চানেকীয়া আৰু লেহুকা পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ সিৰ আৰু উপসিৰাবিলাকক স্পষ্টভাৱে বিকশিত হোৱা দেখা নাযায়। গাঁঠিত আৱিৰ্ভাৱ হোৱা পাত দুখিলা ওপৰৰপৰা একো একোডাল দীঘল দীঘল ঠানিৰ উৎপত্তি হয়। এই ঠানিবিলাকৰপৰা সৰু সৰু আকাৰৰ সেউজীয়া ফুলৰ পাহিয়ে বিকাশ লাভ কৰে।

ফুলৰ অগ্ৰভাগ কঁাইটৰ দৰে জোঙা জোঙা হয়। কাপোৰত এই ফুলবোৰ লাগি লাগি ধৰে।

মগুমাহ, ফেছিওলছ আওৰিয়ছ
পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি
(Mogu Mah) Phaseolus aureus
Family–Leguminaceae Sub-family–Papilionatae

মাটি মাহৰ নিচিনা এবিধ সৰু আকাৰৰ বছেৰেকীয়া ফচল জাতীয় উদ্ভিদ। গছডালত নিচেই চুটি চুটি শুঙৰ উৎপত্তি হোৱা দেখা যায়। পাতবোৰে অলপ দীঘল চানেকীয়া ৰূপ ধাৰণ কৰে। পাতৰ উপৰিভাগ অলপ খহটা হয়। মাটিমাহৰ নিচিনা অলপ সৰু বিধৰ আৰু গোল আকৃতিৰ ছেই ধৰে। ছেইৰ বাকলিৰ ভিতৰত মাটিমাহ একোটাৰ সমান গোল গোলকৈ অলপ দীঘলীয়া বিধৰ ফল ধৰে। এই ফল যাঁতত ভাঙি দাইল হিছাপে খাব পাৰি। ফলা মগু অথবা গোটা মগু আমাৰ হিন্দু সমাজে প্ৰসাদ হিছাপে আৰাধ্য দেৱ-দেৱীৰ উদ্দেশ্য অৰ্পণ কৰে। ছেইৰ বাকলিখনৰ ওপৰতে চুটি চুটি শুঙৰ উদ্ভৱ হোৱা দেখা যায়। বগা চানেকীয়া ফুল ধৰে।

হালবাই চহোৱা পলসুৱা মাটিত মগুমাহৰ গুটি সিঁচি দিয়া হয়।

মটৰমাহ, পিচুম ছেটিভাম্ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি
(Motor) Peas Pisum sativum Family–Leguminaceae Sub-family–Papilionatae

অসমত এইবিধ শস্যৰ খেতি বৰ বেছি পৰিমাণে কৰা দেখা নাযায়।

আঞ্জা আৰু দাইল হিছাপে খাব পৰা উত্তম খাদ্য শস্যবিলাকৰ ভিতৰত মটৰমাহ অন্যতম। কৃষিজাত শস্য হিচাপে ভাৰতীয় অৰ্থনীতিত এক বিশিষ্ট আসন লাভ কৰিবলৈ সক্ষম হৈছে। মটৰ মাহত উচ্চ পৰিমাণৰ খাদ্যপ্ৰাণ থাকে।

মদাৰ, ইৰিথ্ৰিনা ষ্ট্ৰিক্টা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি তাগাৎ আছিং (মিছিং) ফাৰছে আৰং (কাৰ্বি) মান্দাল (বড়ো) মান্দাৰে (ৰাভা) বল মাদাল (আছিক) দিয়েং চংদাখাৰ (খাচিয়া)
(Modar) The coral tree Erythrina stricta Family–Leguminaceae Sub-family–Papilionatae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ফাগুন-চ'ত মাহত গছজোপা ৰঙা ৰঙা ফুলেৰে উপচি পৰে। গা-গছ আৰু ডাল-ডোলৰ বাকলিয়ে ধোঁৱা-বৰণীয়া ৰং ধাৰণ কৰে আৰু তাৰ উপৰিভাগত সেউজীয়া ৰঙৰ আভাস পৰিলক্ষিত হয়। গা-গছডাল চেপেটা বিধৰ চুটি চুটি কাঁইটেৰে ভৰপূৰ হৈ থাকে। পাতৰ আকৃতি তিনিকোণীয়া হয় আৰু প্ৰত্যেক খিলা পাতৰ ঠাৰিয়ে তিনিখিলা তিনি খিলা শাখাপাত ধাৰণ কৰে।

ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া দীঘলীয়া ছেই ধৰে। ছেইৰ আৱৰণৰ ভিতৰত গোল গোল আকৃতিৰ গুটি থাকে। ছেইবোৰ পকিলে এই গুটিবোৰ মাটিলৈ সৰি পৰে। তেতিয়া গছজোপাৰ তলত অসংখ্য পুলি গজে।

লাপিলুপা কামত ব্যৱহাৰ কৰাৰ বাহিৰে এইবিধ গছৰ কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

মাখিলতি, ডেচ্‌ম'দিয়ম্ চিফাল'টিছ পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি বন-লান্দু, মাখিলতি (অসমীয়া) চামব্ৰা ফং (আছিক) কাকাং স্কেই (খাচিয়া)
(Makhiloti) Desmodium cephalotes Family–Leguminaceae Sub-family–Papilionatae

এবিধ সৰু আকাৰৰ জোপোহা গছ। কোনো কোনো মানুহে এইবিধ উদ্ভিদক বনৰীয়া ৰহৰ দাইলৰ আখ্যা দিয়ে। আচলতে নামনিৰ কোনো ঠাইত ৰহৰ দাইলক বুজাবলৈ 'লান্দু' শব্দ ব্যৱহাৰ কৰা হয়।

বন গছডালৰ উচ্চতা এক বা ডেৰমিটাৰমান হোৱা দেখা যায়। বাকলিৰ বৰণ ক'লা চানেকীয়া হয়। প্রত্যেকখিলা মূল পাতে তিনি খিলা তিনি খিলাকৈ শাখাপাত ধাৰণ কৰে। পাতৰ ঠাৰিডাল চুটি হয় আৰু ঠাৰি আগভাগত একোখন নাৱৰ দৰে দ চানেকীয়া লোৰ উৎপত্তি হয়। শাখাপাত তিনি খিলাৰ ভিতৰত ঠাৰি অগ্রভাগত অকলশৰীয়াভাৱে থকা পাতখিলা আন দুখিলাতকৈ আকাৰত অলপ ডাঙৰ হয়। শাখাপাত কেইখিলাৰ আকৃতি দীঘলীয়া আৰু দুয়োটা মূৰ ক্রমে চাপ খোৱা হয়। পাতৰ ওপৰ লুটি গভীৰ সেউজীয়া আৰু তলৰ লুটি অলপ শেঁতা চানেকীয়া হয়। তদুপৰি ওপৰৰ লুটি অলপ মিহি আৰু তলৰ লুটি খহটা হোৱা দেখা যায়। প্রত্যেকখিলা পাতত ১০-১২ যোৰাকৈ শাখাসিৰ উৎপত্তি হয়।

থোপা-থোপে ফুল ফুলে। ফুলবোৰ পূৰঠ হ'লে দীঘল চানেকীয়া ছেই ধৰে। নামনি অসমৰ শালনি হাবিবিলাকে এইবিধ উদ্ভিদৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰে।

মাখিয়তী, ফ্লেমিংগিয়া ষ্ট্রবিলিফেৰা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি কা-খং (খাচিয়া)

(Makhioti) Flemingia strobilifera Family–Leguminaceae Sub-family–Papilionatae

এবিধ সৰু আকাৰৰ আৰু জোপোহা আকৃতিৰ বনৰীয়া উদ্ভিদ। বাকলিৰ বৰণ মদৰুৱা হয়। ঠাল-ঠেঙুলিবিলাকে কোনো এক নির্দিষ্ট সমতলত সমভাৱে বিকশিত হৈ হাউলি হাউলি যোৱাৰ চাৰিত্রিক প্রবৃত্তি প্রদর্শন কৰে। পাতলীয়া বিধৰ কোমল চানেকীয়া পাতবোৰে অলপ দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ প্রদর্শন কৰে। ঠালৰ আগত ছেইৰ নিচিনা ৰূপ ধাৰণ কৰা ফুলবোৰ বিকশিত হয়। কেঁচাতে এই পুষ্পগুচ্ছৰ বৰণ সেউজ-বুলীয়া হয়। পকিলে মুগা বা শুকান পতীয়া বৰণ ধৰে আৰু ফুলবোৰ মাটিলৈ সৰি নপৰাকৈ চুটি চুটি মালাৰ দৰে ঠানিতে লাগি থাকে।

মাখিয়তীৰ শুকান বা কেঁচা ফুল ধৰা ঠাৰিয়ে বহাগৰ বিহুৰ দিনা গৰুৰ গা-ধুওৱাৰ পাছত গৰুৰ পিঠিত কোবাই বছৰটোলৈ মাখি খেদায়।

মাটি মাহ, মাটি কলাই, ফেছিওলছ্ ৰেডিয়েটছ্ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি

(Mati Mah) Phaseolus radiatus Family–Leguminaceae Sub-family–Papilionatae

দাইল হিছাপে তৈয়াৰ কৰি খাব পৰা মাহৰ গুটি ধাৰণ কৰা এবিধ দেশী মাহ। দাইল হিছাপে খোৱাৰ উপৰিও এইবিধ মাহৰ গুটিবোৰ অন্যান্য বহু প্রকাৰে খাব পাৰি।

অসমৰ মানুহে নৈ বিলৰ পাৰৰ বালি অহীয়া পলসুৱা ঠাই, কঠীয়া তলিৰ বাম চানেকীয়া ঠাই আদিত হালবাই মাটি তৈয়াৰ কৰি মাটিমাহৰ বিধান তাত সিঁচি দিয়ে। আহিন-কাতি মহীয়া গুটি সিঁচি দিলে পুখা গজি পুলিবোৰ লহপহকৈ বাঢ়ি আহে। চাৰিওফালে ডাল-পাত ধৰি চাপৰ বনগছ জোপাই জোপোহা আকাৰ ধাৰণ কৰে। আঘোণ-পুহ মাহত সৰু সৰু ফুল ফুলে। সেই ফুল পূৰ্ঠ হ'লে তাৰ পৰা দীঘলীয়াকৈ সৰু আৰু গোটা আকাৰৰ ছেই ধৰে। ছেইৰ গুটিবোৰ পূৰ্ঠ হৈ পকিবলৈ ধৰোঁতেই গছবোৰ উঘালি আনি ৰ'দত দিয়া হয়। তাৰ পাছত মৰণা মাৰি কিম্বা মাৰিৰে টঙনিয়াই গুটিবোৰ ছেইৰপৰা বাহিৰ কৰা হয়।

মেদেলুৱা, ক্ৰোটোলৰিয়া আলাটা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি
(Medelua) Crotolaria Family–Leguminaceae Sub-family–Papilionatae

দীঘল চানেকীয়া ঠাৰি ধাৰণ কৰা এবিধ বনৰীয়া বন জাতীয় উদ্ভিদ। অলপ দ চানেকীয়া আৰু চেঁচুকীয়া ঠাইত ইয়াক সৰহীয়াকৈ একেলগে বিকশিত অৱস্থাত দেখিবলৈ পোৱা যায়। ঘাই গছডালে ধোঁৱা বৰণীয়া ৰং প্ৰদৰ্শন কৰে আৰু কুমলীয়া ঠাল-ঠেঙুলিবিলাক সেউজ-বুলীয়া হয়। পাতৰ আকৃতি দীঘল চানেকীয়া হয় আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। লেংলেঙীয়া ঠাৰি ধাৰণ কৰা বনগছ ডালৰ উচ্চতা প্ৰায় দুফুটমান হোৱা দেখা যায়।

ফুল থোপা-থোপে ফুলে আৰু প্ৰত্যেক পাহ ফুলৰ পাহিয়ে অলপ হালধীয়া বৰণ ধাৰণ কৰে। ফুলবোৰ পূৰ্ঠ হ'লে মটৰ মাহৰ নিচিনা আৰু মটৰ মাহতকৈ অলপ সৰু ছেই ধৰে। ছেইৰ ভিতৰত বহুসংখ্যক সৰু সৰু গুটি ধৰে।

ৰহৰ, কেজেনাছ ইন্দিকছ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি থেথেক্ (কাৰবি) ৰহৰ (বড়ো)
(Rahar) Cajanus indicus Family–Leguminaceae Sub-family–Papilionatae

ৰহৰ বা অৰহৰ দাইলৰ গছ আকাৰত সৰু আৰু দেখনত অলপ লিং-লিঙীয়া হয়। পূৰ্বতে এইবিধ উদ্ভিদৰ উৎপত্তি অসমত দেখিবলৈ পোৱা নগৈছিল। আজিকালি অসমৰ মানুহেও ঠাই বুজি এইবিধ ফচলৰ খেতি কৰিবলৈ আৰম্ভ কৰিছে। মুলঠাৰিডালৰ ৰং ধোঁৱা বৰণীয়া হয়। পাতবোৰে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে। প্ৰত্যেক খিলা পাতে তিনি খিলা তিনি খিলাকৈ লেহুকা বিধৰ শাখাপাত পৰিধান কৰে।

ফুল থোপা-থোপে ফুলে আৰু এই ফুলৰ পাহিয়ে অলপ হালধীয়া বৰণ ধৰে।

ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া ছেঁই ধৰে। এই ছেঁইৰ ভিতৰত চেপেটা চেপেটা গুটি ধৰে। ছেঁইবোৰ পকিলে ছেঁই ধৰা ঠানিবিলাক কাটি আনি কেইদিনমানৰ বাবে ৰ'দত শুকাবলৈ মেলি দিয়া হয়। তাৰ পাছত ছেঁইবিলাক ঠাৰিৰপৰা এৰোৱাই গুটিবোৰ বাহিৰ কৰা হয়।

লাতুৰ মণি, এব্ৰাছ প্ৰিকেটৰিয়াছ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি (Laturmoni) Abrus precatorius Family–Leguminaceae Sub-family–Papilionatae

গছৰ ওপৰলৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ লতা জাতীয় বনৰীয়া উদ্ভিদ। আকাৰত লতাডাল সৰু হোৱাৰ বাবে আৰু পাতবোৰ দেখনিয়াৰ নোহোৱা কাৰণে গছৰ ওপৰত এইবিধ লতাক সহজে চিনি উলিয়াব নোৱাৰি। লতাডালে মটৰ মাহৰ নিচিনা ছেঁই ধৰে। পকিলে ছেঁইবোৰ গছৰ ওপৰতে লাগি থকা অৱস্থাত মেল খাই যায় আৰু তেতিয়া ছেঁইৰ ভিতৰত বিকশিত হোৱা ৰঙা ৰঙা গুটিবোৰ ওলমি থকা অৱস্থাত দেখিবলৈ পোৱা যায়।

এইবিধ লতাই ধাৰণ কৰা শিপা, পাত আৰু গুটিৰপৰা বনৌষধি তৈয়াৰ কৰা হয় বুলি জনা যায়। সোণাৰিবিলাকে ৰতিৰ ওজন জুখিবলৈ লাতুৰমণিৰ গুটি ব্যৱহাৰ কৰে।

লেছেৰা মাহ, ভিগ্‌না চাইনেন্‌চিছ্ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-পেপিলিওনেটি ডাংবদি (বঙালি) (Lesera Mah) Cowpea Vigna sinensis Family–Leguminaceae Sub-family–Papilionatae

দীঘল দীঘল ছেঁই ধাৰণ কৰা এবিধ বছৰেকীয়া ফচল। ফ্ৰেন্স বিন বা পৰাছৰ দৰে এইবিধ মাহ ধাৰণ কৰা উদ্ভিদেও কেঁচাই কেঁচাই বাকলি সহ ভাজি খোৱা ছেঁই আৰু শুকান গুটিৰ যোগান ধৰে। উদ্ভিদডালে লতাৰ দৰে বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গাঁঠিয়ে গাঁঠিয়ে ঠাল মেলে আৰু পাতবোৰে তিনি পতীয়া আকৃতি প্ৰদৰ্শন কৰে। ইয়াক ঘাইকৈ তিনিটা উপ-প্ৰজাতিত ভাগ কৰিব পাৰি। আটাইতকৈ দীঘল ছেঁই ধাৰণ কৰা জাতক Vigna sinensis sesquipedalis গোটা বিধক Vigna senensis cylindrica আৰু তৃতীয় বিধক Vigna sinensis বুলি কোৱা হয়।

বছৰৰ বেলেগ বেলেগ সময়ত এই তিনিটা উপ-প্ৰজাতিৰ ফচল খেতিত লগালে সুফল পোৱা যায়। ফাগুন-চ'ত মাহত হোৱা বিধৰ গছডাল চুটি-চাপৰ আৰু জোপোহা হয়। ছেঁইবিলাক দীঘল দীঘল আৰু গভীৰ সেউজীয়া হয়। দ্বিতীয় বিধ বৰ্ষাকালত লগাব লাগে। ইয়াৰ ছেঁইবোৰে পাতলীয়া বৰণ ধাৰণ কৰে। তৃতীয় বিধক

বছৰৰ সকলো সময়তে লগাব পাৰি। তাৰে এবিধে ৰঙচুৱা বৰণ ছেই ধাৰণ কৰে।

ডাংবডি, সৰু বিয়নী সাবটা, ডেচ্‌মোদিয়ম চেকুৱাক্স্ পৰিয়াল- লেগুমিনেছি উপ-পৰিয়াল- পেপিলিওনেটি

(Vigna cajang) (Horu Biyoni Habota) Desmodium sequax Family–Leguminaceae Sub-family–Papilionatae

এবিধ জোপাৰ আকাৰে বিকশিত হোৱা সৰু আকাৰৰ বনৰীয়া গছ। একোজোপা গছৰ উচ্চতা তিনি মিটাৰমান হোৱা দেখা যায়। ঠাল-ঠেঙুলিবিলাকে ঘূৰণীয়া আকৃতি ধাৰণ কৰে।

একোডাল পাত ধাৰণ কৰা ঠাৰিয়ে তিনি খিলা তিনি খিলাকৈ শাখাপাত বহন কৰে। অলপ দীঘল চানেকীয়া পাতবিলাকৰ দুয়োটা মূৰে কম-বেছি পৰিমাণে ঘূৰণীয়া ৰূপ প্ৰদৰ্শন কৰে। পাতৰ অগ্ৰভাগ টৌ-কটাৰ নিচিনাকৈ ওখ-চাপৰ হয়। গবীৰ সেউজ-বুলীয়া পাতবোৰৰ ওপৰৰ লুটি কম-বেছি পৰিমাণে মিহি আৰু তলৰ লুটি সামান্যভাৱে ফপৰীয়া হয়। তদুপৰি তলৰ লুটিত চুটি চুটি কোমল নোমৰ আভাস পৰিলক্ষিত হয়। পাতৰ মধ্যভাগত থকা মূল সিৰডালৰ দুয়োকাষে ৪ বা ৫ যোৰা শাখাসিৰৰ উৎপত্তি হয়। সামান্যভাৱে ধনুভিৰীয়া আকৃতি ধাৰণ কৰা পাতৰ উপ-সিৰ বা শাখা সিৰবিলাক পাতৰ তলৰ লুটিত স্পষ্টভাৱে দৃষ্টিগোচৰ হয়।

ফুলৰ পাহিবোৰে বেঙুনীয়া ৰং ধাৰণ কৰে। একেডাল মূল ঠাৰিয়ে পুষ্পগুচ্ছৰ শাখা-ঠাৰিবোৰ বহন কৰে। কম-বেছি পৰিমাণে প্ৰত্যেকডাল সমদৈৰ্ঘ্য ঠাৰিয়ে একোপাহ ফুল ধাৰণ কৰে। গুটি ধাৰণ কৰা ছেইবিলাক চুটি চুটি হয় আৰু ছেইৰ উপৰিভাগত নোমৰ আৱিৰ্ভাৱ হয়।

হাতী-বন্ধা লতা, স্পেথোল'বাছ্ ৰাক্সবাৰগিয়াই বিকল্পে–বিউটিয়া পাৰভিফ্লোৰা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–পেপিলিওনেটি পাণ-লতা, হাতী-বন্ধা লতা (কামৰূপ) গাবং লতা (শোণিতপুৰ) শাল-মামা (বঙালী) জেব-মেই (খাচিয়া) মাৰি, মাউৰি (আছিক) চিচিপিয়া বিং খং (কাৰ্বি)

(Hatibandha Lota) Spatholobus roxburghii Syn.Butea parviflora Family–Leguminaceae Sub-family–papilionatae

এবিধ ডাঙৰ আকাৰৰ লতা জাতীয় বনৰীয়া উদ্ভিদ। পাতবিলাক ধপলা-ধপল হয় আৰু আকৃতিত এই পাতবোৰে একোখিলা পাণৰ ৰূপ ধাৰণ কৰে। লতাডাল মেৰুটা-মেৰুটি হয় আৰু দা বা কটাৰিৰে কোব মাৰি কাটিলে ৰঙচুৱা পানীৰ নিচিনা এবিধ আঠা ওলায়। লতাডালে সাধাৰণতে মাটিত কিম্বা সৰু-সুৰা গছত বগাই যোৱা প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

ডাঙৰ হ'বলৈ ধৰা বনাঞ্চলৰ মূল্যবান গছবিলাকত মেৰিয়াই মেৰিয়াই ধৰি এইবিধ লতাই এই গছবোৰৰ অপকাৰ কৰে। অসমৰ বনবিভাগে সেইবাবে এই লতাবোৰ কাটি পেলোৱাৰ ব্যৱস্থা কৰিব লগা হয়।

ফুলবোৰে গুলপীয়া ৰং ধাৰণ কৰে। আকৃতিত এই ফুলবোৰ একো একোপাহ কলমৌৰ ফুলৰ নিচিনা হয়।

অশোক, ছাৰাকা ইন্দিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিৱইদি মিৰ ক্ৰেম্ আৰং (কাৰবি) দিয়েং-চহ্‌-কিৰখা (খাচিয়া) বল বাং (আছিক)

(Asoka) Saraca indica Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ জোপোহা বিধৰ দীঘল পতীয়া গছ। সাধাৰণতে ইয়াক অসমৰ বনভূমিবিলাকত দেখিবলৈ পোৱা নাযায়। ইয়াৰ দুই-এটা পুলি মানুহে বাৰীত লগাই ৰাখে। ফুল থোপা-থোপে ফুলে। প্ৰত্যেক থোপা ফুলে একোটা বলৰ আকৃতি ধাৰণ কৰে। ফুলৰ বৰণ তেজৰঙা হয়। খৰালি কালত এইদৰে থোপা থোপাকৈ ফুলা ফুলবোৰে গছজোপা উপচি পৰে। তেতিয়া গছজোপা দেখিবলৈ আকৰ্ষণীয় হৈ পৰে।

এইবিধ ফুলধৰা গছৰ উচ্চতাই দুই-তিনি মিটাৰমান ওপৰলৈ আৰোহণ কৰা দেখা যায়। পাতবোৰৰ আকৃতি দীঘলীয়া হয়। ঘাই পাতৰ ঠাৰিডালৰ পৰা যিবিলাক শাখাপাতে যোৰা যোৰাকৈ বিকাশ লাভ কৰি থাকে সেইবিলাকৰ সংখ্যা তিনিৰ পৰা ছয় হোৱা দেখা যায়। নতুনকৈ উৎপত্তি হোৱা পাতৰ বৰণ ৰঙচুৱা বা বেঙুনীয়া হয়।

ইয়াৰ ফুল আৰু বাকলি ঔষধত লাগে।

কটৰা, বহিনিয়া ভেৰিগেটা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৱইদি

(Kotora) Bauhinia variegata Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। স্বাভাৱিক বনভূমি-বিলাকত মাজে সময়ে দেখিবলৈ পোৱা যায়। বাকলিৰ উপৰিভাগৰ বৰণ মদৰুৱা হয়। তদুপৰি বাকলিৰ ওপৰত খলা-বমা দাগ বিকাশ লাভ কৰি থকা দেখা যায়। পাতবোৰে পখিলাৰ পাখি দুখনৰ নিচিনা আকৃতি ধাৰণ কৰে। পাতৰ মাজভাগ বহল আৰু দুয়োমূৰ চাপ খাই থকা যেন লাগে।

ফুলৰ বৰণ বগা হয়। বৰ্ষাকালত গোটেই জোপা গছ বগা বগা ফুলেৰে উপচি পৰিলে নিগৰপৰা হাবিৰ মাজত গছজোপা জিলিকি থকা দেখা যায়।

এইবিধ গছৰ কাঠ অস্থায়ী কামত ব্যৱহাৰ কৰিব পাৰি।

কাঞ্চন, বহিনিয়া পুৰ্পুৰিয়া পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিৱইদি

(Kanchan) Bauhinia purpurea Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ গছ। বিতোপন ফুল ধাৰণ কৰাৰ বাবে কোনো কোনো মানুহে এইবিধ গছৰ দুই-এটা পুলি বাৰীত লগাই ৰাখে। ৰাজহুৱা উদ্যান আদিতো ইয়াক লগোৱা হয়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু দা বা কুঠাৰেৰে কাটি গা লগালে বাকলিৰ ভিতৰখন ৰঙচুৱা হোৱা দেখিবলৈ পোৱা যায়। তাত মুগা বৰণীয়া দীঘল দীঘল আঁচৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়। পাতবিলাক পাতলীয়া হয়। এই পাতলীয়া পাতবোৰে একপ্ৰকাৰৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰা দেখা যায়। ঘূৰণীয়া আকৃতিৰ পাতখিলাৰ আগভাগ ভিতৰৰ ফাল চাপ খাই থাকে। ঠিক সেইদৰে গুৰিৰ ফালৰ দুয়োটা অংশ চক্ৰাকাৰে ঠাৰিডালৰ ওচৰলৈ চাপখাই অহা দেখা যায়। পাতৰ সিৰ আৰু উপসিৰবিলাক পাতৰ তলৰ পিঠিত স্পষ্টভাৱে জিলিকি থাকে। জাৰকালি আটাইবোৰ পাত সৰে।

ইয়াৰ দুই জাত আছে। এটা জাতে গুলপীয়া আৰু আনটো জাতে বগা ফুল ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে দীঘল দীঘল ছেই ধৰে। ছেইৰ ভিতৰত চেপেটা চেপেটা গুটি ধৰে।

কৃষ্ণ চূড়া, ডেলোনিক্স ৰেজিয়া পইন্সিয়ান ৰেজিয়া পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিৱইদি

(Krishna chura) Delonix regia syn Poinciana regia Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ বিতোপন গছ। চাৰিওফালে ফেৰেঙনি মেলা ডাল-পাত পৰিধান কৰে। মুকলি ঠাইত উৎপন্ন হোৱা গছজোপাই ছত্ৰাকাৰ ৰূপ ধাৰণ কৰে। গা-গছে ছাইবৰণ প্ৰদৰ্শন কৰে। পাতবিলাক সৰু সৰু হয়। মূল ঠাৰিত ১৮-১৯ যোৰা শাখাপাতৰ ঠাৰি হয়। শাখা ঠাৰিয়ে ১৫-২০ যোৰা সৰু সৰু পাত ধাৰণ কৰে।

এইবিধ গছে ৰংচঙীয়া ফুল ধাৰণ কৰে। বসন্ত আৰু গ্ৰীষ্মকালত যেতিয়া গছজোপাৰ আটাইবোৰ ডাল ফুলেৰে উপচি পৰে তেতিয়া অতুলনীয় সৌন্দৰ্যৰে গছজোপা ৰমক্ জমক্ কৈ জিলিকি থাকে। লমা-লমে ফুলা ফুলবিলাকৰ বৰণ তেজৰঙা হয়। কোনো কোনো গছে ধাৰণ কৰা ফুলৰ বৰণ ৰঙচুৱা হয়, কিম্বা সামান্যভাৱে শেঁতা ৰূপ ধৰে। ফুল পূৰঠ হ'লে ডাঙৰ আকাৰৰ চেপেটা চেপেটা ছেই ধৰে। ছেইৰ ভিতৰত দীঘল আকৃতিৰ গুটিবোৰ পথালি পথালিকৈ সজোৱা থাকে।

বিতোপন ফুল ধাৰণ কৰা আকৰ্ষণীয় গছ হোৱাৰ বাবে এইবিধ গছ আলিবাটৰ কাষে কাষে শাৰী শাৰীকৈ লগোৱা হয়। ৰাজহুৱা উদ্যান-উপবন, কাৰ্যালয় অনুষ্ঠান আদিৰ চৌহদ আৰু মানুহৰ বাৰী কিম্বা পদূলি-মুখতো ইয়াৰ দুই-চাৰিটা পুলি সুবিধা অনুযায়ী লগোৱা হয়।

অস্থায়ী কামত লগোৱাৰ বাহিৰে এইবিধ গছৰ কাঠ অন্য কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

খৰপতা, কেচিয়া আলাটা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৱইদি

(Kharpota) Cassia alata

Family–Leguminaceae Sub-family–Caesalpinioideae

মেলাহিকৈ ঠানি ধৰা এবিধ জোপোহা গোষ্ঠীৰ বনৰীয়া উদ্ভিদ। ওখই প্ৰায় ডেৰ-দুই মিটাৰমান হোৱা দেখিবলৈ পোৱা যায়। গা-গছডালৰ গুৰিভাগে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে। ঠানিবিলাকৰ বাকলি সেউজ-বুলীয়া হয় আৰু এই ঠানিৰ উপৰিভাগত দীঘলীয়া দীঘলীয়া সিৰৰ উৎপত্তি হয়। এই ঠানিত আগতে সৰি যোৱা পাতৰ চিহ্নবোৰ থাকি যায়। একো একোডাল ঠানিয়ে কম-বেছি পৰিমাণে একে সমতল মূল পাত দীঘল ঠাৰিবোৰ জখলা খলপীয়াকৈ বহন কৰে। ঠাৰিৰ গুৰিভাগে গোটা চানেকীয়া গ্ৰন্থি ধাৰণ কৰে। সেউজীয়া ঠাৰিৰ দুয়োকাষে যোৰা যোৰাকৈ বিপৰীতমুখী পাত ধৰে। অলপ বহল বিধৰ দীঘলীয়া পাতবোৰৰ দুয়ো মূৰে ঘূৰণীয়া আকৃতি প্ৰদৰ্শন কৰে।

পাতৰ মূল সিৰৰ দুয়োকাষে গাইগুটীয়া, কিম্বা বিপৰীতমুখী শাখা সিৰ ধাৰণ কৰে। পাতৰ ওপৰৰ লুটি অলপ মিহি আৰু তলৰ লুটি সামান্যভাৱে ফপৰীয়া হয়। আবেলি পৰত পাতবোৰ যোৰা যোৰা কৈ জাপ যাবলৈ আৰম্ভ কৰে আৰু গোটেই নিশা এই পাতবিলাক জাপ খাই থাকে।

ঠানিৰ অগ্ৰভাগত ফুলৰ একাধিক ঠাৰিয়ে বিকাশ লাভ কৰে। দীঘলীয়াকৈ ফুলৰ হালধীয়া থোপা ধৰে। ফুল পূৰঠ হ'লে চাৰিসিৰীয়া ছেই ধৰে। ছেইৰ ভিতৰত সৰু সৰু গুটি ধৰে। এইবিধ উদ্ভিদ ঔষধত ব্যৱহাৰ কৰা হয় বুলি জনা যায়।

তেঁতেলি, তামাৰিন্দছ্ ইন্দিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৱইদি

ইম্‌লি (হিন্দী) খৈন থিৰি (আহিক) চেন্‌ট্ৰেং (ৰাভা) থিন্ থ্লাং (বড়ো)

(Teteli) Tamarindus indicus Family–Leguminaceae Sub-family–Caesalpiniodeae

এবিধ অলপ ডাঙৰ আকাৰৰ চিৰ সেউজীয়া গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে ধোঁৱা বৰণীয়া ৰং ধাৰণ কৰে। এই গা-গছৰ উপৰিভাগে দীঘল সিৰীয়াভাৱে বিকশিত হোৱা ওখ-

চাপৰ আকৃতি প্ৰদৰ্শন কৰে তদুপৰি ঠায়ে ঠায়ে গাঁঠিৰ উৎপত্তি হয়।

পাতবিলাকে সৰু সৰু আকাৰ ধাৰণ কৰে। এই সৰু সৰু পাতবোৰ একোডাল ঠানিত ওলটা-ওভটাকৈ যোৰা পাতি বিকশিত হয়। একোখিলা পূৰ্ণাঙ্গ পাতত ১৫-২০ যোৰা পৰ্যন্ত শাখাপাত থাকে।

ফুলৰ বৰণ হালধীয়া চানেকীয়া হয়। এই ফুল পূৰঠ হ'লে দীঘলীয়া ছেইৰ উৎপত্তি হয়। ছেইৰ বাকলি টান হয়। বাকলিৰ ভিতৰত যি মঙহাল পদাৰ্থ থাকে সেই পদাৰ্থৰ মাজে মাজে বাকলি থকা গুটি ধৰে। কেঁচা তেঁতেলি টেঙাৰ অম্বল তৈয়াৰ কৰা হয়। টেঙা আঞ্জাও বনাব পাৰি। কাঠ আঁহযুক্ত হয়। বিশেষ নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

দেও-জখলা, বহিনিয়া এঙ্গেইনা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিবইদি কিপিয়াদং-কাম, টিছু-দনবি-ৰিকাং, টিছু-আদন-আৰিকং (কাৰ্বি) মেই-লাং-ৰিহ্ (খাচিয়া) মিমা জাংখি (আছিক) দেও-জখলা, সীতা-জখলা (অসমীয়া)
(Deo-jakhala) Bauhinia anguina Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ টান বিধৰ লতা জাতীয় বনৰীয়া উদ্ভিদ। আখাৰত লতাডাল প্ৰকাণ্ড হয় আৰু আকৃতিত চেপেটা ৰূপ ধাৰণ কৰে। তদুপৰি লতাডালত পকোৱা-পকি ভাঁজে বিকাশ লাভ কৰি থকাৰ বাবে ভিন্ ভিন্ ৰূপ প্ৰদৰ্শন কৰে। লতাডাল খণ্ড খণ্ডকৈ কাটি বৈঠকখানাত শুকান সঁজুলি (Dry decoration) ৰূপে সজাই পৰাই ৰাখিব পাৰি।

পাতবোৰে কাঞ্চন গছৰ পাতৰ নিচিনা আকৃতি ধাৰণ কৰে। ফুল থোপা-থোপে ফুলে আৰু আকাৰত এই ফুলবোৰ সৰু সৰু হয়। ফুলবোৰ পূৰঠ হ'লে ধনুভিৰীয়া আকৃতিৰ চেপেটা চেপেটা ছেই ধৰে। ছেইৰ ভিতৰত মাত্ৰ এটা বা দুটা গুটিৰ উৎপত্তি হয়।

এইবিধ লতাৰ বাকলিখন বখলিয়াই ৰছি তৈয়াৰ কৰা হয়।

বন মেদেলুৱা, কেছিয়া টোৰা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিবইদি হাদি দিকা আৰং (কাৰ্বি)
(Bon Medelua) Cassia tora Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ ক্ষুদ্ৰ আকাৰৰ বনৰীয়া উদ্ভিদ। বৰ্ষাকালত এইবিধ উদ্ভিদৰ উৎপত্তি য'তে ত'তে দেখিবলৈ পোৱা যায়। অন্যান্য জাতৰ মেদেলুৱা, ঘণ্টাকৰ্ণ, ঢেঁকীয়া আদি উদ্ভিদৰ সহযোগত কেতিয়াবা ইয়াক একেডোখৰ ঠাইতে সৰহীয়াকৈ দেখিবলৈ পোৱা যায়। মূল ঠাৰিৰ বাহিৰে ডালবোৰৰ উপৰিভাগে সেউজবুলীয়া ৰং পৰিধান

কৰে। পাতবোৰৰ আকৃতি দীঘল চানেকীয়া হয়। আগ আৰু গুৰিভাগে জোঙা ৰূপ ধাৰণ কৰে। পাতৰ বৰণ সেউজীয়া হয় যদিও এই পাতৰ উপৰিভাগত ক'লা চানেকীয়া বৰণৰ সামান্য আভাস পৰিলক্ষিত হয়।

ফুলৰ বৰণ গুলপীয়া হয়। ফুলবোৰ পূৰঠ হ'লে দীঘল চানেকীয়া ছেঁই ধৰে। ছেঁই ভিতৰত গুটি ধৰে। খৰালি এই বনগছবিলাক মৰি মৰি যায়। মাটিত পৰি থকা গুটিবোৰৰ পৰা চ'ত-বহাগ মাহত নতুন পুলি গজে।

বাঘ-আঁছোৰা, মিজোনিউৰম্ কুচকুলেটম পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৰইদি বাঘ-আঁছোৰা (উজনি অসম) ঘিলাকটা (নামনি অসম) ইংছো ছাৰটেল আৰং (কাৰবি) ডু জাচিং বুচু (আছিক) ইনছু টেংগাং (মিচিং) (Bagh Anchura) Mezoneurum cuscullatum Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ অলপ ডাঙৰ আকাৰৰ লতা জাতীয় উদ্ভিদ। লতাডালে মাটিৰ ওপৰত বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গছডালে হাকোটা থকা কাঁইট ধাৰণ কৰা দেখা যায়। বাকলিৰ বৰণ অলপ হালধীয়া চানেকীয়া হয়। বাকলি পাতলীয়া হয়। দা বা অন্য কোনো অস্ত্ৰেৰে বাকলিত গা লগালে বাকলিৰ ভিতৰৰ ফালে থকা মঙহাল পদাৰ্থ দৃষ্টিগোচৰ হয়। এই পদাৰ্থৰ বৰণ ৰঙচুৱা হয়। চুপহিয়ে সেউজীয়া বৰণ প্ৰদৰ্শন কৰে আৰু পাহিৰ ৰং হালধীয়া হয়।

মৰই, কেচিয়া চিয়ামিয়া পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৰইদি (Moroi) Cassia siamia Family–Leguminaceae Sub-family–Caesalpinioideae

গভীৰ হালধীয়া বৰণৰ বিতোপন ফুল ধাৰণ কৰা এবিধ বিজাতীয় গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকে মদৰুৱা বৰণ ধাৰণ কৰে। জাৰকালি গছজোপাৰ আগলি ঠাৰিবিলাকত হালধীয়া ফুলৰ থোপাৰে উপচি পৰে।

এইবিধ উদ্ভিদ পূৰ্বতে অসমৰ থলুৱা গছ নাছিল। সেইবাবে আজিকালিও ইয়াক আমাৰ বনাঞ্চলবিলাকৰ স্বাভাৱিক পৰিৱেশবিলাকত দেখিবলৈ পোৱা নাযায়। আলংকাৰিক গছ হিছাপে কোনোবা উদ্যোগী ব্যক্তিয়ে ইয়াৰ সঁচ অসমলৈ আমদানি কৰি আনি ঘৰৰ চৌহদত অথবা অন্য কোনো ৰাজহুৱা অনুষ্ঠানৰ চৌহদত ৰুবলৈ আৰম্ভ কৰিছিল। আজিকালি ইয়াক প্ৰায়বিলাক ঠাইতে দেখিবলৈ পোৱা যায়।

পকোৱা সূতাৰ দৰে আকৃতি ধাৰণ কৰা এবিধ ডাঙৰ আকাৰৰ গুল্ম। গাঁঠিবোৰৰপৰা ওলাই অহা শাখাবোৰ লোমযুক্ত কোমল। দীঘল দীঘল পাতৰ বৃন্তবোৰো দীঘলীয়া হয়। শাখাপাতবোৰ আয়তাকাৰ অথবা অধোমুখ ডিম্বাকাৰ

মাকই চপা, ডেৰিচ ইলিপ্টিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিবইদি মাকই চপা, বকল বিহ, ইটাম ছালি (অসমীয়া) হিৰু আলু (কাৰ্বি)
(Makoi sopa) Derris elliptica Family–Leguminaceae, Sub-family–Caesalpinioideae

সূক্ষ্মকোণী কিম্বা আখস্মিকভাবে বা নেজালকৈ ভোটা। ওপৰৰ লুটি লোমবিহীন মসৃণ আৰু তলৰ লুটি সামান্যভাৱে নোমাল। পাতৰ প্ৰতি অৰ্দ্ধাংশত উৎপত্তি হোৱা উপসিৰবোৰ সূক্ষ্মকৌণিকভাৱে কেচীয়া অথবা ধনুৰ দৰে ভাঁজখোৱা। পত্ৰবৃন্ত দীৰ্ঘাকাৰ, কঠিন আৰু লোমযুক্ত। পুষ্পক্ৰম ৰেছিম বা সমীকাক্ষ।

বেটু দীঘল, দন্তযুক্ত। পাহি ৰঙচুৱা অথবা বগা চানেকীয়া। ফলধৰা চিৰা দীঘলীয়া। প্ৰতি চিৰাই ২-৩ টা মান গুটি ধাৰণ কৰে।

অসমৰ প্ৰায় সকলো ঠাইত এইবিধ লতাৰ উৎপত্তি পৰিদৃষ্ট হয়।

নাক-কাটি-লোৱা, মেৰমেৰি লতা বহিনিয়া বালাই পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিবইদি
(Nak-kati-lewa) Bauhinia vahlii Family–Leguminaceae, Sub-family–Caesalpinioideae,

এবিধ ডাঙৰ আকাৰৰ গুল্ম। নামনি অসমৰ বনভূমিবিলাকত প্ৰায়েই দেখিবলৈ পোৱা যায়। মূল কাণ্ডই অনিয়মিতভাৱে দীঘল দীঘল আঁহযুক্ত পেশীৰে গঠিত আকৃতি ধাৰণ কৰে। বাকলিৰ উপৰিভাগৰ ৰং মটীয়া বা ছাইবৰণীয়া হয়। কেতিয়াবা মাটিত বগোৱা অৱস্থাত আৰু কেতিয়াবা গছৰ ডাললৈ আৰোহণ কৰা লতা হিছাপে দেখিবলৈ পোৱা যায়। শাখা ঠালবিলাকৰ অগ্ৰভাগে আঁকুহি পৰিধান কৰে। নতুনকৈ ওলোৱা পুখা, পাতৰ তলৰ লুটিৰ সিৰ আৰু পত্ৰবৃন্তই মুগা বৰণীয়া নোম ধাৰণ কৰে। ডাঙৰ আকাৰৰ পাতবোৰে কাঞ্চন জাতীয় গছৰ পাতৰ আকৃতি ধাৰণ কৰা দেখা যায়।

পাতৰ আকাৰ পৃথক পৃথক হয়। বহল আৰু দীঘল হিছাপে প্ৰায় সমান হয়। লতিকাৰ আকৃতি গোল অথবা সামান্যভাৱে জোঙা। পত্ৰৰ ওপৰৰ পিঠি ক্ৰমে লোমশূন্য হৈ মসৃণ হয়। তলৰ লুটি খহটা লোমবিহীন। গুৰিৰ অংশ হৃদয়াকাৰ। পাতৰ প্ৰতি অৰ্দ্ধাংশই ১১ ৰ পৰা ১৫ ডাল পৰ্যন্ত শাখাসিৰ ধাৰণ কৰে। পত্ৰবৃন্তৰ দৈৰ্ঘ্য ৫-৬ চেণ্টিমিটাৰ। দুয়ো অগ্ৰাংশ ওখহা আৰু কঠিন। উপপত্ৰ ডিম্বাকৃতি, দীৰ্ঘাকাৰ। শিৰ্ষবিন্দু গোলাকাৰ। ফুল বগা, পথালিয়ে পথালিয়ে প্ৰায় ৩ চেণ্টিমিটাৰ বহল। পুষ্পক্ৰম সমশীৰ্ষক বৃন্তই ধাৰণ কৰা ফুলৰ থোপা। বেটু আশুপাতী, বল্লমাকাৰ। চুপহিৰ নলি চুটি। পঞ্চমুখীকৈ অনিয়মিতভাৱে বিভক্ত। পাহি ওলোটাভাৱে ডিম্বাকাৰ,

বল্লমাকাৰ। অণ্ডাশয় লোকযুক্ত। চিৰা কঠিন, সুষম লোমদাবী। গুটি সৰু সৰু।

আঁহযুক্ত বাকলিৰপৰা ৰচি তৈয়াৰ কৰিব পাৰি।

ৰাধা-চূড়া, কেচিয়া নদোচা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিঅইদি (Radha-chura) Cassia nodosa Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মেলানি আকৃতি ধাৰণ কৰা বিতোপন গছ। ঠাল-ঠেঙুলিবোৰ চাৰিওফালে বিস্তাৰিত হৈ গছজোপাই ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। ফুল থোপা-থোপে ধৰে। ফুল ফুলাৰ সময়ত গছজোপাৰ ডাল-পাতবোৰ গুলপীয়া বৰণ ফুলেৰে উপচি পৰে। তেতিয়া গছজোপা দেখিবলৈ ধুনীয়া হৈ পৰে।

আকৰ্ষণীয় ফুল ধাৰণ কৰাৰ বাবে আমাৰ কোনো কোনো মানুহে সুবিধা অনুযায়ী এইবিধ গছৰ দুই-এটা পুলি বাৰীত লগাই ৰাখে। কাৰ্যালয়, অনুষ্ঠান আদিৰ চৌহদ, ৰেল ষ্টেচন, বাছ ষ্টেচন আদিতো ইয়াক লগাব পাৰি। ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষত ঠাই বুজি আলংকাৰিক গছ হিছাপে লগাই দিলে ফুল ফুলাৰ সময়ত অপূৰ্ব সৌন্দৰ্যৰ সৃষ্টি হয়।

খৰি হিছাপে ব্যৱহাৰ কৰাৰ বাহিৰে ইয়াৰ কাঠ অন্য কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

লেটা গুটি, ছিজালপিনিয়া ক্ৰিষ্টা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিঅইদি ছিৰকম্ আৰং, কাৰবুৰু ৰিকাং (কাৰবি) (Leta-guti) Caesalpinia crista Family–Leguminaceae Sub-family–Caesalpinioideae

কাঠৰ নিচিনা কঠিন আৰু মোটা ধৰণৰ ঠাৰি আৰু ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ জেপোহা আকৃতিৰ ফেৰেঙনি মেলা উদ্ভিদ। ঠাল-ঠেঙুলিবিলাকে চৌপাশে হাউলি হাউলি বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মূল গছডালৰ গুৰিভাগৰপৰাই শাখা-প্ৰশাখাবিলাক বিকশিত হয়। ফলত এজোপা গছে এডোখৰ আহল বহল ঠাই অধিকাৰ কৰি পেলায়।

বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। ঠালবিলাকৰ উপৰিভাগত চুটি চুটি আৰু হাকোটাৰ নিচিনা কাঁইটৰ উৎপত্তি হয়। শাখাপাতবোৰৰ স্থাপন ৰীতি বিপৰীতমুখী হয়।

ফুলৰ বৰণ বগা চানেকীয়া বা ৰঙচুৱা হয়। ফুলৰপৰা উৎপন্ন হোৱা ফলবিলাক ছেই বা ছিৰাৰ আকাৰত বিকশিত হয়। ছেইৰ ভিতৰত উৎপত্তি হোৱা গুটিবোৰ ঔষধ তৈয়াৰৰ কামত ব্যৱহাৰ কৰা হয়।

সৰু কৃষ্ণচূড়া, ছিজালপিনিয়া পল্‌ছেৰিমা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৱইদি
(Horu Krishnachura) Caesalpinia pulcherima Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ বিতোপন ফুল ধাৰণ কৰা জোপোহা গছ। ফুলনিবাৰী কিম্বা উদ্যানত আলংকাৰিক গছ হিছাপে এইবিধ উদ্ভিদ লগোৱা হয়। বাৰী কিম্বা চৌহদৰ কাষত শাৰী শাৰীকৈ কোনো কোনোৱে ৰুই দিয়া দেখিবলৈ পোৱা যায়। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাক ছাই বৰণীয়া হয়। ঠায়ে ঠায়ে সামান্য আকাৰৰ কাঁইটে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়।

পাতৰ আকৃতি অলপ দীঘলীয়া হয়। প্ৰত্যেক খিলা মূল পাতে ছয় যোৰাৰপৰা আঠ বা ন যোৰা শাখাপাত ধাৰণ কৰে। শাখাপাতবিলাক বিপৰীতমুখী হয়। ইয়াৰ দুটা-জাত আছে। এটা জাতে কমলা ৰঙৰ আৰু আনটো জাতে হালধীয়া বৰণৰ ফুল ধাৰণ কৰে।

সোণাৰু, কেচিয়া ফিস্তোলা পৰিয়াল–লেগুমিনেছ উপ-পৰিয়াল–ছিজালপিনিৱইদি চুনাৰু (আহিক) চুনালু (বড়ো)
(Sonaru)Cassia fistula Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ঘাই গছ আৰু ঠাল-ঠেঙুলিবিলাকে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে। সাধাৰণতে বাকলিৰ উপৰিভাগ মিহি চানেকীয়া হয়। কিন্তু গছজোপাৰ বয়স বাঢ়ি যোৱাৰ লগে লগে এই অৱস্থাৰ সালসলনি ঘটে আৰু গছডালৰ বাকলিত কিছুমান পথালি পথালিকৈ কাটি ৰখা দাগৰ উৎপত্তি হয়।

পাতবিলাকে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। থোপা-থোপে ফুল ধৰে. এই ফুলবোৰৰ পাহিয়ে ঈৰ্ষৎ হালধীয়া ৰং ধাৰণ কৰে। ফাগুন চ'ত মাহত গছজোপাৰ আটাইবোৰ পাত সৰি যায়। বহাগ-জেঠ মাহত ফুলা ফুলৰ থোপাৰে কেতিয়াবা গছজোপা উপচি পৰে। তেতিয়া গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। এই ফুলৰপৰা দীঘল দীঘল ছেই বা ছিৰাৰ উৎপত্তি হয়। ভিতৰত ক'লা চানেকীয়া পদাৰ্থৰ উৎপত্তি হয়। তাৰ ভিতৰত চেপেটা চেপেটা গুটি ধৰে।

সোণাৰু কাঠৰ খুটা দীৰ্ঘস্থায়ী হয়। অন্যান্য কামতো এই কাঠ কেতিয়াবা ব্যৱহাৰ কৰা হয়।

এবিধ কোমল বিধৰ নিম্ন জোপোহা গছ। আয়ুস বছৰেকীয়া। ওখই প্ৰায় ২.৫০ মিটাৰ। নৱজাত ঠাৰি পাত লোমযুক্ত। পত্ৰক অক্ষৰ দৈৰ্ঘ্য ৫-৫.৫০ চেণ্টিমিটাৰ, নৌকাকাৰ আৰু গ্ৰন্থি আদাৰিত। উপ-পত্ৰ প্ৰায় ১ চে.মি. দীৰ্ঘ। হেলনীয়াকৈ

হন্টটেঙা, কেচিয়া অক্সিডেন্টেলিছ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-ছিজালপিনিৱইদি মেই-টাৰ-বি (কুকি) হাদি-দিকা-আৰং (কাৰ্বি) (Hant-thenga) Cassia occidentalis Family–Leguminaceae Sub-family–Caesalpinioideae

কলিজাকাৰ সামান্যভাৱে কুশাগ্ৰী ক্ষণস্থায়ী। পত্ৰিকা সাধাৰণতে ৪ যোৰা কেতিয়াবা ৫ যোৰা, আয়তন দৈৰ্ঘ্য ৪ চেণ্টিমিটাৰৰপৰা প্ৰায় ৬ চেণ্টিমিটাৰ প্ৰস্থ ২-৪ চে.মি.। ডিম্বাৰ, আয়তাকাৰ, বল্লমাকাৰ প্ৰান্ত সূক্ষ্ম লোমযুক্ত, পাতলীয়া, উভয়পিঠি লোমমুক্ত অথবা তলৰ লুটি সামান্যভাৱে লোমযুক্ত। পাৰ্শ্বসিৰ ৮-১০ পত্ৰবৃন্ত নিচেই চুটি।

ফুল হালধীয়া, ২ চেণ্টিমিটাৰমান ব্যাস, পাৰ্শ্ব অথবা শীৰ্ষভাৱে সমশীৰ্ষ যৌগিক মঞ্জৰী, পুষ্পবৃন্ত প্ৰায় ১.৫ চেণ্টিমিটাৰ, বৃত্তি পত্ৰ ৫, হালধীয়াভাৱে সেউজবুলীয়া। পাহি ৫ পুংকেশৰৰ সূত্ৰ ১০, ২ ডাল দীঘল ৪ ডাল চুটি আৰু বাকী কেইডাল নামমাত্ৰ।

চিৰা দীঘলীয়া, অলপ চেপেটা, পকিলে মুগা হয়। ভিতৰত ২০-৩০ টামান চেপেটা চেপেটা গুটি থাকে।

হালধীয়া মেদেলুৱা ,কেচিয়া গ্লৌকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–ছিজালপিনিৱইদি (Halodhia Madelua) Cassia glauca Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী জোপোহা উদ্ভিদ। ই অসমৰ থলুৱা উদ্ভিদ নহয়। সেইবাবে স্বাভাৱিক পৰিবেশত ইয়াক দেখিবলৈ পোৱা নাযায়। উত্তৰ প্ৰদেশৰ ডেৰাডুন, মিচৌৰি, চাক্ৰাটা আদি ঠাইত ৰাস্তাৰ কাষে কাষে এইবিধ মজলীয়া আকাৰৰ গছ আলঙ্কাৰিক বিৰিখ হিছাপে লগাই দিয়া হৈছে। খৰালি মহীয়া গছজোপাৰ ডালে ডালে থোপা থোপাকৈ ফুল ফুলিলে ৰমক জমক হৈ পৰে।

১৯৮০ চনত মই ইয়াৰ সঁচ আনি গুটিবোৰ বিভাগৰ কৰ্মচাৰীসকলৰ মাজত বিলাই দিছিলোঁহি। আজিকালি বহুতো মানুহৰ বাৰীত আৰু ৰাজহুৱা অনুষ্ঠানবিলাকত এই জাতৰ বিতোপন পুষ্পধাৰী গছ দেখিবলৈ পোৱা যায়।

গা-গছ আৰু ঠাল-ঠেঙুলিয়ে ধাৰণ কৰা বাকলিৰ ৰং ছাই-বৰণীয়া আৰু কম-বেছি পৰিমাণে নিমজ। পত্ৰিকা অভিমুখ, বিযুগ্ম, ডিম্বাকাৰ-আয়তাকাৰ, সূক্ষ্মাগ্ৰী, মসৃণ। তলৰ লুটিৰ তুলনাত ওপৰৰ লুটি চক্‌চকীয়া। ফুল হালধীয়া, বৃত্তিমণ্ডল, দলমণ্ডল পাঁচ পহীয়া। ছিৰা দীঘলীয়াকৈ চেপেটা। গুটি সৰু সৰু।

অষ্ট্ৰেলিয়াৰ একেছিয়া, একেছিয়া অ'ৰিকুলিফৰ্মিছ পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি (Australian Acacia) Acacia auriculiformis Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ মজলীয়া আকাৰৰ বিদেশী (Exotic species) গছ। ইয়াৰ উৎপত্তি স্থান অষ্ট্ৰেলিয়া মহাদেশ বুলি জনা যায়। বৰ্তমানে অসমৰ বিভিন্ন ঠাইত ইয়াক দেখিবলৈ পোৱা যায়। বনবিভাগৰ সামাজিক বনানীকৰণ শাখাই ৰাষ্ট্ৰীয় পথ আৰু অন্যান্য ৰাস্তা পুলিৰ কাষে-পাজৰে এইবিধ গছ আলঙ্কাৰিক গছ হিছাপে ৰোপণ কৰিছে।

গা-গছ আৰু ডালবিলাকে ছাইবৰণীয়া ৰং ধাৰণ কৰে। এইবিধ গছে যিবিলাক পাত ধাৰণ কৰে সেইবিলাক প্ৰকৃততে পাত নহয়। পাতৰ ঠাৰিডাল ৰূপান্তৰ হৈ চেপেটা ৰূপ প্ৰদৰ্শন কৰিছে। সেইবাবে পাতৰ বিকাশ সাধন নোহোৱাকৈ এই ঠাৰিয়ে পাতৰ কাম কৰিছে। ভালদৰে নিৰীক্ষণ কৰিলে দেখিবলৈ পোৱা যাব যে পাতৰ আকৃতি ধাৰণ কৰা এই ঠাৰিডালত কোনো সিৰ বা উপ-সিৰৰ বিকাশ নহয়।

ফুলৰ বৰণ হালধীয়া হয়। সৰু সৰু হালধীয়া ফুল ধাৰণ কৰা দীঘলীয়া ঠাৰিবোৰ লগ লাগি একো থোপা পুষ্পগুচ্ছৰ উৎপত্তি হয়। বৰ্ষাকালত এনে ধৰণৰ ফুলৰ থোপাৰে গছজোপা উপচি পৰে। তেতিয়া গছজোপাই আকৰ্ষণীয় ৰূপ ধাৰণ কৰে। ফুল পূৰঠ হ'লে দীঘল চানেকীয়া ছেই ধৰে আৰু এই ছেইবোৰৰ আকৃতি অকোৱা-পকোৱা হয়। ছেইৰ ভিতৰত গুটি ধৰে।

কণীবিহ, এডেনেন্থেৰা পেভোনিনা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–সাইমোছেৰইদি (Koni-bih) Adenanthera pavonina Family–Leguminaceae Sub-family–Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি যায়। তেতিয়া গছজোপাই লঠঙা ৰূপ ধাৰণ কৰে। বাকলিৰ বৰণ মদৰুৱা কিম্বা ক'লা চানেকীয়া হয়। দা বা কটাৰিৰে বাকলিত ঘা লগাই দিলে ভিতৰখন বগা চানেকীয়া দেখি। ঘাই পাতখিলাৰ ঠাৰিডালে বহুতো শাখাপাত ধাৰণ কৰে। ঠাৰিত শাখাপাতবিলাকৰ স্থাপন ৰীতি জখলা খলপীয়া হোৱা দেখা যায়।

ফুলবিলাক আকাৰত সৰু সৰু হয় আৰু ফুলবোৰে হালধীয়া ৰূপ প্ৰদৰ্শন কৰে। ফুলবোৰ পূৰঠ হ'লে দীঘল দীঘল ছিৰাৰ উৎপত্তি হয়। চেপেটা ছেই বা ছিৰাবিলাকে পকোৱা-পকি ৰূপ ধাৰণ কৰে। ইয়াৰ ভিতৰত সৰু সৰু গুটি ধৰে। কিছুমান মানুহে এই গুটিৰে মালা গাঁঠে। বস্তু ওজনৰ বাবে কোনো কোনো মানুহে এই গুটিবোৰ ব্যৱহাৰ কৰে।

কৰৈ, আল্‌বিজিয়া প্ৰোছেৰা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি ৰাৱলং আৰং (কাৰবি) কেলভি বা কেৰেওভি বল (আছিক) টান্‌টাবি আছিং (মিচিং) চাই-নই-ৰমৰি (কুকি) দিয়েং বি লং, দিয়েং চহ্ ক্ৰাইত, দিয়েং চাও (খাচিয়া) লাখ্‌বি (বড়ো)

(Koroi) Albizzia procera Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ প্ৰকাণ্ড আকাৰৰ ওখ গছ। সাধাৰণতে নদীৰ পাৰত উৎপত্তি হোৱা পলসুৱা ভূমিয়ে এইবিধ সুকাঠী গছৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰা দেখা যায়। বাকলিয়ে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে আৰু এই বাকলিৰ উপৰিভাগত হালধীয়া ৰঙৰ সামান্য আভাস পৰিলক্ষিত হয়। বাকলিৰপৰা সৰু সৰু নিকৰি ওলাই আহে। পাতবোৰে দীঘলীয়া আকৃতি প্ৰদৰ্শন কৰে। মূল পাতৰ ঠাৰিডালৰ পৰা যোৱা পাতি একাধিক শাখা পাতৰ উদয় হয়।

থোপা-থোপে ধৰা ফুলবোৰে অলপ হালধীয়া কিম্বা মাখন ৰং ধাৰণ কৰে। ফুল পূৰঠ হ'লে ছিৰা ছিৰাকৈ ফলৰ উৎপত্তি হয়। প্ৰত্যেকটো ছেই বা ছিৰাৰ ভিতৰতে ৬ টাৰপৰা ১০ টা পৰ্যন্ত চেপেটা চেপেটা গুটি হয়।

গছডালৰ মাজ অংশত উৎপত্তি হোৱা কাঠৰ বৰণ ক'লা চানেকীয়া হয়। এই কাঠ নিৰ্মাণ কাৰ্যত লগাব পাৰি। পলসৰ বৰণ বগা চানেকীয়া হয়। ন-ভাঙনি মাটিত চিতা চিতাকৈ মাটি তৈয়াৰ কৰি গুটি লগাই কৰৈৰ বাগান কৰা হয়।

কুঁচিয়া কাঁইট, একেছিয়া কণচিনুৱা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-মাইমোছিৱইদি পাচই-টেঙা, কুঁচিয়া কাঁইট, কাচোৰাই, আমচিৰিকা, চুচে লেৱা (অসমীয়া) চেৰহু আৰং (কাৰ্বি) চিৰেংখি চুচেই-ৰাকচিগং (গাৰো) (Kuchia Kaint) Acacia concinua Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ কণ্টকধাৰী শায়ী জোপোহা বা আৰোহী গুল্ম। কাণ্ড গোল আৰু তাৰ উপৰিভাগে ৫ শাৰীকৈ গুৰি নোদোকা আৰু আগৰফালে ক্ৰমে জোঙা আকৃতিৰ আৰু কম-বেছি পৰিমাণে আঁকোৰা কাঁইট ধাৰণ কৰে। ঠাল-ঠেঙুলিবিলাক ছিদ্ৰযুক্ত। নৱজাত অংশ মঁটীয়া, গেৰুৱা, লোমশ।

পত্ৰক অক্ষ ৭-১৪ চেণ্টিমিটাৰ দীঘল। তলৰফালে ওলমি পৰা প্ৰায় ক্ষেত্ৰতে কাঁটাযুক্ত আৰু শীৰ্ষাংশ জোতাৰ অগ্ৰভাগৰ দৰে বেঁকা আৰু সামান্যভাৱে চুলিযুক্ত। অক্ষৰ গুৰিৰ অংশ গ্ৰন্থিযুক্ত। উপ-পত্ৰ প্ৰায় এক চেণ্টিমিটাৰ দীঘল, কেশযুক্ত, কেচীয়াভাৱে অৰ্দ্ধবৃত্তাকাৰ, সূক্ষ্মাগ্ৰী আৰু একপ্ৰকাৰৰ লতিকাযুক্ত। পাখি-পত্ৰ ৩-৬ যোৰা। পত্ৰিকা ৫-৬ যোৰা, শীৰ্ষাংশ প্ৰায় গোলাকাৰ। দীঘলীয়াভাৱে আগজোঙা। আধাৰিত অংশ কেচীয়াভাৱে খণ্ডিত, মধ্যসিৰ উচ্চ প্ৰান্তৰ সমীপৱৰ্তী। পাতল শেঁতাভাৱে সেউজবুলীয়া প্ৰায় লোমবিহীন।

ফুল কলিতে উজ্জ্বল ৰঙা, ফুলৰ পাছত বগা হৈ পৰে। পুষ্পক্ৰমৰ ফুল প্ৰায় বৃন্তবিহীন। উপ-বেটু মণ্ডল আশুপাতী, উপ-পত্ৰৰ নিচিনা। বৃত্তি ৰঙচুৱা বেহীৰ আকৃতি, গভীৰভাৱে লতিকাধাৰী। দলমণ্ডল সামান্যভাৱে বহিৰ্মুখী। লতিকা বগা আৰু মধ্যভাগ ৰভা ৰেখাযুক্ত। অণ্ডকোষ লোমবিহীন। পলধৰা ছিৰা ডাঠ আৰু মঙহাল।

অসম উপত্যকাৰ ভৈয়াম অঞ্চলত পোৱা যায়।

খৈৰ একেছিয়া, কেটেছু পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-মাইমোছিৱইদি খৈৰ (অসমীয়া) খয়ৰ পান্‌ (ৰাভা) খাইৰু (বড়ো)
(Khair) Acacia catachu Family–Leguminaceae Sub-family–Mimosaoideae

ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ সুকাঠী গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি গছজোপা লঠঙা হয়। বাকলিৰ বৰণ ক'লা চানেকীয়া হয় অথবা মুগা চানেকীয়া বৰণ ধাৰণ কৰে। বাকলিৰ উপৰিভাগৰ নিকৰিবোৰ ওলাই ওলাই আহি গছজোপাতে ওলমি থাকে। দা বা কুঠাৰেৰে বাকলি কাটিলে ভিতৰভাগ ৰঙচুৱা দেখি। বাকলি আঁহযুক্ত হয় আৰু ভিতৰৰ ফালে গছজোপাতে লাগি এটা পাতলীয়া তৰপে বগা বৰণ প্ৰদৰ্শন কৰে। শাখাপাতবোৰ দীঘলীয়া হয় আৰু মূল পাতৰ ঠাৰিডালে ৪০-৫০ খিলামান শাখাপাত ধাৰণ কৰে।

খৈৰ কাঠৰ পলস ভাগে বগা চানেকীয়া ৰং ধাৰণ কৰে। পলসৰ ভিতৰত থকা কাঠৰ বৰণ ক'লা চানেকীয়া হয়। কেচা ঘৰৰ খুঁটা আদিত লগোৱা কামত খৈৰ কাঠ ব্যৱহাৰ কৰা হয়। এই কাঠে টেনিন নামৰ পদাৰ্থ ধাৰণ কৰে। এই কাঠ টুকুৰা-টুকুৰকৈ কাটি পানীত উতলুৱা হয়। ৰসযুক্ত পানীখিনিৰপৰা কাথা বা খৈৰ নামৰ দুবিধ পণ্যদ্ৰব্য বাহিৰ কৰা হয়।

ঘিলা লতা, ঘিলা লেৱা, এন্টাদা স্কেন্দেন্স্ পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-মাইমোছিৱইদি ঘিলাৰ লত (কাছাৰ) ছুৱে বুদু (আছিক) হাম্‌বি আৰিকং (কাৰবি) ঘিলা-লেৱা (নামনি অসম) পাপিয়া ৰিউবে (মিচিং)
(Ghila) (Ghila-lewa) Entada scandens Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ ডাঙৰ আকাৰৰ আৰু টান বিধৰ বনৰীয়া লতা। গছ-গছনি ওপৰলৈ বগাই বগাই উঠি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বাকলিৰ বৰণ ক'লা চানেকীয়া হয়। কাটিলে বাকলিৰ ভিতৰখন ৰঙচুৱা দেখি। পাতৰ ঠাৰিডালৰ আগত আঁকোহিৰ উৎপত্তি হয়। শাখাপাতৰ স্থাপন ৰীতি বিপৰীতমুখী আৰু প্ৰত্যেক খিলা

মূল পাতে দুযোৰাৰপৰা চাৰিযোৰা পৰ্যন্ত শাখাপাত ধাৰণ কৰে।

ফুলৰ বৰণ হালধীয়া হয় আৰু এই ফুলবোৰ আকাৰত সৰু হোৱা দেখা যায়। ফুল পূৰঠ হ'লে দীঘল দীঘল আৰু ডাঙৰ আকাৰৰ ছেঁই ধৰে। ছেঁইৰ ভিতৰত ডাঙৰ ডাঙৰ চেপেটা আকৃতিৰ গুটি হয়। এই গুটিকে জনপ্ৰিয় ভাষাত ঘিলা বুলি কোৱা হয়।

আগৰ দিনত মূৰৰ চুলি ধুবৰ বাবে ঘিলাৰ ভিতৰৰ কোমল অংশ চাবোনৰ সলনি ব্যৱহাৰ কৰা হৈছিল।

চ-গছ, আল্‌বিজিয়া ষ্টিপুলেটা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি
(Sa-gach) Albizzia stipulata Family–Leguminaceae, Sub-family–Mimosaoideae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ঠাল-ঠেঙুলিবিলাকে ফেৰেঙনি মেলি চৌপাশে বিস্তাৰ লাভ কৰি থকাৰ বাবে গছজোপাই কম-বেছি পৰিমাণে ছত্ৰাকাৰ ৰূপ ধাৰণ কৰে। বাকলিৰ বৰণ ক'লা-চানেকীয়াকৈ মুগা হোৱা দেখা যায়। ইয়াৰ ওপৰত ফুট্‌ফুটীয়া দাগৰ আভাস থাকে আৰু ঠায়ে ঠায়ে পথালি পথালিকৈ কাটি ৰখা আঁচৰ উৎপত্তি হয়।

পাতবোৰ আকাৰত সৰু সৰু হয়। মূল পাতৰ ঠাৰিডালৰ গুৰিত গোটা বিধৰ উঠঙা গ্ৰন্থি একোটাৰ উৎপত্তি হয়। শাখাপাতবিলাক বিপৰীতমুখি হৈ যোৰা পাতি পাতি থাকে। শাখাপাতৰ প্ৰত্যেকডাল ঠাৰিয়ে ২০ যোৰাৰ পৰা ২৪ যোৰা পৰ্যন্ত শাখাপাত ধাৰণ কৰে।

ফুলবোৰৰ বৰণ বগা চনেকীয়াকৈ হালধীয়া হোৱা দেখা যায়। ফুলবোৰ পূৰঠ হ'লে দীঘল চানেকীয়া আৰু চেপেটা আকৃতিৰ ছেঁই ধৰে। ছেঁইৰ ভিতৰত চেপেটা চেপেটা আকৃতিৰ গুটি হয়। ছেঁইবোৰ পকি শুকাই গ'লে গুটিবোৰ মাটিলৈ সৰি সৰি পৰে আৰু সেইদৰে মাটিত সৰি গুটি গজি নতুন নতুন পুলি হয়।

চ-গছৰ কাঠ উত্তম পৰ্য্যায়ৰ বুলি গণ্য কৰিব নোৱাৰি। কোনো কামত লগালে এই কাঠ বৰ বেছি দিন নিটিকে।

তৰুৱা কদম, একেছিয়া ফাৰ্ণেছিয়ানা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি
(Tarua Kadam) Acacia farnesiana Family–Leguminaceae, Sub-family–Mimosaoideae

এবিধ সৰু আকাৰৰ জোপোহা গছ। গা-গছ আৰু ডালবিলাকত চুটি চুটি কাঁইটৰ উৎপত্তি হয়। বাকলি ছাই বৰণীয়া হয় আৰু এই বাকলিৰ উপৰিভাগত সামান্যবিধৰ ফুট্‌ফুটীয়া দাগৰ আভাস পৰিলক্ষিত হয়। ঠাল-ঠেঙুলিবিলাকে

লিংলিঙীয়া আকৃতি ধাৰণ কৰে। সৰু সৰু পাতৰ দৰে। শাখাপাতবিলাকৰ স্থাপন পদ্ধতি বিপৰীতমুখী হোৱা দেখা যায়। এখিলা মূল পাতৰ ঠাৰিয়ে ১০ যোৰাৰ পৰা ২০ যোৰা পৰ্যন্ত শাখাপাত ধাৰণ কৰে।

কদম ফুলৰ নিচিনা গোল আকৃতিৰ সৰু সৰু ফুলৰ থোপা ধৰে। পুষ্পগুচ্ছৰ বৰণ হালধীয়া হয়। এই ফুলবোৰ পূৰঠ হ'লে অলপ দীঘল আকৃতি গোটা ছেই ধৰে। ছেইৰ উপৰিভাগ সেউজীয়া হয় আৰু পকিলে ক'লা হয়। ছেঁইৰ ভিতৰত যি কোমল পদাৰ্থ থাকে সেই পদাৰ্থ ছেই পকিলে ক'লা পৰে আৰু লিকটা ধৰণৰ পদাৰ্থলৈ ৰূপান্তৰ হয়। ইয়াৰ মাজত দুশাৰী সৰু সৰু গুটি ধৰে।

এইবিধ উদ্ভিদৰ উৎপত্তিস্থল মধ্য আমেৰিকা বুলি জনা যায়। আমাৰ মানুহে আঁলঙ্কাৰিক গছ হিছাপে দুই-এজোপা ফুলনি বাৰীত লগাই ৰাখে।

বাবুল একেছিয়া, এৰেবিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি খৈৰ (অসমীয়া) খয়ৰ পান (ৰাভা) খাইৰু (বড়ো)
(Babul) Acacia arabica Family–Leguminaceae Sub-family–Mimosaoideae

ক্ষুদ্ৰ ক্ষুদ্ৰ পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ গছ। অসমৰ হাবি বনানীবিলাকৰ স্বাভাৱিক পৰিবেশত এইবিধ গছ সাধাৰণতে দেখিবলৈ পোৱা নাযায়। মাদ্ৰাজৰ ফালৰপৰা ইয়াৰ সঁচ আনি ইয়াত লগোৱা হৈছে। আজিকালি বহুতো মানুহৰ বাৰীত ইয়াক দেখিবলৈ পোৱা যায়। সীমামূৰীয়া ঠাইত ইয়াক সাৰী শাৰীকৈ লগোৱা হয়। তেতিয়া এইদৰে ঘন ঘনকৈ লগোৱা গছবোৰে জীৱিত গছৰপৰা উত্তৰ হোৱা চকোৱাৰ কাম কৰে। সমানভাৱে কলম দি দি পৰিপাটিকৈ সজাই-পৰাই ৰাখিব পাৰিলে বিতোপন ৰূপ ধাৰণ কৰে।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে মদৰুৱা বা ক'লা চানেকীয়া ৰং প্ৰদৰ্শন কৰে। গাঁঠিয়ে গাঁঠিয়ে চুটি চুটি কাঁইটৰ উৎপত্তি হয়। গাঁঠিত কাঁইট ধাৰণ কৰা ঠাইবোৰৰ পৰা এডাল বা একাধিক সৰু সৰু পাতৰ ঠাৰি ওলাই আছে। এই ঠাৰিৰ আগভাগত দুটা দুটা সমআকাৰৰ শাখাঠালত বিভক্ত হয়। প্ৰত্যেকটো শাখাঠালে দুখিলা দুখিলাকৈ ক্ষুদ্ৰ আকাৰৰ শাখাপাত ধাৰণ কৰে। পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। ওচৰা-উচৰিকৈ থকা পাতৰ অৰ্দ্ধাংশ বাহিৰৰফালে থকা অৰ্দ্ধাংশতকৈ ঠেক হয়। শাখাপাত দুখিলা লগ লাগি এযোৰা মেল খাই থকা পাখিৰ আকৃতি প্ৰদৰ্শন কৰে। ফুলৰ বৰণ হালধীয়া হয় আৰু এই ফুল পূৰঠ হ'লে গুটি ধাৰণ ছেইৰ উৎপত্তি হয়।

এবিধ প্ৰকাণ্ড আকাৰৰ চিৰহৰিৎ গছ। অসমৰ থলুৱা গছ নহয়। উৎপত্তি স্থান গিয়ানা দেশ। আজিকালি অসমৰ বহুতো ঠাইত দেখিবলৈ পোৱা যায়। কাঠ ৰঙচুৱা।

মক্কা তেঁতেলি, এন্টেৰোলবিয়ম চাইক্লোকাৰ্পম্ পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি মক্কা তেঁতেলি (অসমীয়া) মক্কা-থিন-থ্লাং (বড়ো)
(The Rain tree) Enterolobium cyclocarpum Family–Legumin-ÎceaeSub-family–Mimosaoideae

কোমল হোৱাৰ বাবে কোনো নির্মাণ কার্যত লগাব নোৱাৰি। শাখা-প্রশাখাবিলাক বিস্তৃতভাৱে প্রসাৰিত হোৱাৰ বাবে আলিৰ কাষত ছাঁয়া প্রদান কৰা গছ হিছাপে লগোৱাৰ উপযোগী। বাকলিৰ ৰং গভীৰ ছাই-বৰণীয়া। নৱজাত পোকা চুটি নোমযুক্ত।

পাত্রক অক্ষ ১০-১৫ চেন্টিমিটাৰ দীঘল। কেতিয়াবা প্রত্যেক যোৰা পাখি পত্রৰ মধ্যস্থানত গ্রন্থিৰ উৎপত্তি হয়। উপপত্র সৰু, লোমযুক্ত, আশুপাতী। পাখিপত্র ৩-৭ যোৰা, পত্রক অক্ষৰ গুৰিৰফালে উদ্ভৱ হোৱা পত্রিকাবোৰ ক্রমে সৰু. আগৰফালে উৎপন্ন হোৱা পাখিবোৰে প্রায় ৬-১০ যোৰা আৰু গুৰিৰফালে বিকশিত হোৱা পাখিয়ে ২-৩ যোৰা পত্রিকা ধাৰণ কৰে। ডিম্বাকাৰ-বৃত্তাকাৰ, একপ্রকাৰৰ বৃহৎকৌণিক, লোমবিহীন, তলৰ পিঠি সামান্যভাৱে নোমাল। মধ্যসিৰ উজ্জ্বল।

ফুলৰ বৰণ গুলপীয়া। ৫ পহীয়া। গাইগগুটীয়া পুষ্পবৃত্তই ধাৰণ কৰা ফুলসমূহে একোটা থোপাৰ সৃষ্টি কৰে। বৃত্তিমণ্ডলৰ বাহিৰ লুটি লোমযুক্ত দন্ত বহলভাৱে ত্রিকোণাকাৰ, দলমণ্ডল গুলপীয়া। নলি সামান্যভাৱে নোমাল, লতিকা নলিৰ তুলনাত চুটি। পুংকেশৰ সংলগ্ন, সূত্র ৰঙচুৱা। গৰ্ভকোষ বৃন্তহীন, বহুসংখ্যক বীজাণুযুক্ত। গর্ভমুণ্ডধাৰী বৃন্ত সূত্রসম। ছিৰা দীৰ্ঘস্থায়ী। ফল মণ্ডহাল।

মজ, আলবিজিয়া লুছিদা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি চুন্দি (কাছাৰ) মিছি, লুৱাংখই (মণিপুৰী) লাং-গিট্ আছিং (মিচিং) ইং-হক্ আৰং (কাৰবি) মাছা বৰগা (আছিক) দিয়েং তলপট (খাচিয়া) বুমৰুন্দো (মেচ)
(Moj) Albizzia lucida Family–Leguminaceae Sub-family–Mimosaoideae

মজলীয়া আকাৰৰ এবিধ পোলোঙা গছ। ঠাল-ঠেঙুলিবিলাকে ওপৰলৈ আৰোহণ কৰি তললৈ ওলমি থকাৰ প্রবৃত্তি প্রদর্শন কৰে। বাকলিৰ বৰণ মদৰুৱা হয়। সমান বাকলিখনৰ ওপৰত অথালি-পথালিকৈ কাটি ৰখাৰ নিচিনা দাগৰ উৎপত্তি হোৱা দেখা যায়। বাকলি ওপৰৰ তৰপে ৰঙচুৱা বৰণ ধাৰণ কৰে। ভিতৰৰফালে থকা অংশ সেউজবুলীয়া হয়।

প্রত্যেকখিলা মূল পাতত এযোৰৰপৰা আৰম্ভ কৰি তিনি যোৰা পর্যন্ত শাখাপাতে বিকাশ লাভ কৰি থাকে।

থোপা-থোপে ধৰা ফুলবোৰৰ বৰণ কম-বেছি পৰিমাণে সেউজীয়া হয়। ফুলবোৰৰপৰা সময়ত যি ফল ধৰে সেই ফলবোৰ চেপেটা চেপেটা ছেইৰ আকৃতিত বিকশিত হয়। ছেইৰ ভিতৰত ঘূৰণীয়া আৰু চেপেটা বিধৰ গুটি ধৰে। এই গুটিবোৰ বতাহত সৰি পৰিলে গছজোপাৰ তলত অসংখ্য পুলি গজে।

এই জাতীয় গছৰপৰা উৎপন্ন হোৱা কাঠ কোমল চানেকীয়া হোৱাৰ বাবে বিশেষ নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

মণিপুৰী উৰহি, পাৰ্কিয়া ৰাক্সবাৰ্গিয়াই পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি
(Manipuri Urohi) Parkia roxburghii Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ মজলীয়া আকাৰৰ গছ। ঠাল-ঠেঙুলিবিলাক চৌপাশে মেলাহি হৈ থকাৰ বাবে গছজোপাই ছত্ৰাকাৰ ৰূপ ধাৰণ কৰা দেখা যায়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলি কোনো কোনো অংশই কেতিয়াবা শেঁতা ৰং প্ৰদৰ্শন কৰে। বাকলিত দা বা কুঠাৰে ঘা লগালে কটা ঠাইত গেৰুৱা ৰং দৃষ্টিগোচৰ হয়। পাতবিলাকে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে। প্ৰত্যেকখিলা মূল পাতে ৪০ যোৰাৰপৰা আৰম্ভ কৰি ৮০ যোৰা শাখাপাত ধাৰণ কৰে।

থোপা-থোপে ফুল ধৰে। এই ফুলবোৰ পূৰঠ হ'লে দীঘল দীঘল চেপেটা ছেইৰ উৎপত্তি হয়। কুমলীয়া ছেইবিলাক গছজোপাৰপৰা ছিঙি আনি আঞ্জা তৈয়াৰ কৰি খোৱা হয়। কিন্তু অসমত এইবিধ উদ্ভিদৰ উৎপত্তি বৰ বেছি নহয়।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগোৱাৰ বাবে উপযুক্ত বুলি গণ্য কৰা নহয়।

চেন্নাই কাঁটা, ইন্‌গা ডোল্‌চিচ্ পিথেকোলবিয়ম ডুলছি পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি
(Chenai thorn) Inga dulcis Syn. Pithecolobium dulce Family–Leguminaceae Sub-family–Mimosaoideae

সৰু সৰু কাঁইট ধাৰণ কৰা এবিধ বিজাতীয় গছ। এইবিধ গছ স্বাভাৱিক অৱস্থাত অসমত দেখিবলৈ পোৱা নাযায়। দক্ষিণ ভাৰতৰ প্ৰায় ঠাইতে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। গছজোপাই জোপোহা আকৃতি ধাৰণ কৰে আৰু ওখই প্ৰায় ৫-৬ মিটাৰমান হোৱা দেখা যায়। বাসগৃহৰ চৌহদ বা অন্যান্য অনুষ্ঠানৰ সীমামূৰীয়া ঠাইত ইয়াৰ গুটি শাৰী শাৰীকৈ সিঁচি দি জীয়াই থকা গছৰ বেৰা নিৰ্মাণ কৰা হয়।

নিলাজী বন, আদৰ মালতী, মাইমোছা পুডিকা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি নিলাজী বন আদৰ মালতী লজ্জাৱতী বন (Nilaji Bon, Ador Maloti) Sensitive Plant Mimosa pudica Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ সৰু আকাৰৰ কাঁইটীয়া বন। শাকনি বাৰী, ফুলনি বাৰী অথবা অন্য কোনো মুকলিমূৰীয়া বাম ঠাই কিম্বা চেচুকীয়া পৰিবেশত এইবিধ বনৰ উৎপত্তি পৰিলক্ষিত হয়। একোঠা গাঁঠি থকা আলু সদৃশ শিপাৰপৰা পুলি-পোখাই বিকাশ লাভ কৰি বহলমূৰাকৈ জোপাটো চৌপাশে বিয়পি পৰে। গাঁঠিবোৰত কাঁইটৰ উদ্ভৱ হয়। পাতবোৰে ছিৰিলি ছিৰিলিকৈ যোগিক ৰূপ ধাৰণ কৰে। মানুহৰ হাত-ভৰি স্পৰ্শ লাগিলে লগে লগে পাতবোৰ জাপ যায়। গোটেইবোৰ পাত এইদৰে জাপ গ'লে বন জোপাই লঠঙা ৰূপ ধাৰণ কৰে। এই বিশিষ্ট চাৰিত্ৰিক প্ৰবৃত্তিৰ অধিকাৰী হোৱাৰ বাবে ইয়াক লাজুকী বন নামেৰে অভিহিত কৰা হয়।

এইবিধ বনগছৰ শিপা ঔষধত ব্যৱহাৰ কৰা হয়। কদম ফুল বা তৰুৱা কদমৰ নিচিনা ফুল ফুলে। ফুলৰ বৰণ গুলপীয়া হোৱা দেখা যায়।

ওৱাট্‌ল, একচিয়া ডিয়ালবাটা পৰিয়াল–লেগুমিনেছি উপ-পৰিয়াল–মাইমোছিৱইদি (Wattle) Acacia dealbata Family–Leguminaceae Sub-family–Mimosaoideae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। এইবিধ উদ্ভিদৰ উৎপত্তি স্থান অষ্ট্ৰেলিয়া। মেঘালয়ৰ শিলঙত প্ৰথমতে ইয়াৰ সঁচ আনি লগোৱা হৈছিল। এতিয়া তাৰ কোনো কোনো ঠাইত বাগানৰ আকাৰে ইয়াক দেখিবলৈ পোৱা যায়। শিপাৰপৰা নতুন নতুন পুলিৰ উদ্ভৱ হয়। ইয়াৰ বাকলিয়ে টেনিক এচিদ ধাৰণ কৰে।

বাকলিৰ ৰং মদৰুৱা বা ছাই বৰণীয়া হয়। কাণ্ড বা শাখা-প্ৰশাখাবিলাকে কোনো প্ৰকাৰৰ কাঁইট ধাৰণ নকৰে। পুষ্পক্ৰমৰ আকৃতি থোপাৰ নিচিনা হয়। যৌগিক পাতৰ শাখাপাতবিলাক বিপৰীতমুখী হয়। এখিলা যৌগিক পত্ৰই ১০ যোৰাৰপৰা ২০ যোৰা পৰ্যন্ত পক্ষক পাত ধাৰণ কৰে। প্ৰতিডাল পক্ষকে ৩০-৪০ যোৰা শাখাপাত পৰিধান কৰে। শাখাপাতৰ বিন্যাস থোপ খোৱা, ৰৈখিক, মসৃণ আৰু লোমযুক্ত।

ফুল হালধীয়া, সুগন্ধি, গোলাকাৰ। বেটু সূক্ষ্ম, ঘণ্টাকাৰ। দলমণ্ডল হালধীয়া, বেটুমণ্ডলৰ তুলনাত দ্বিগুণ দীঘল। গভীৰভাৱে ৫ লতিকাযুক্ত। গৰ্ভাকোষ বৃন্তবিহীন,

হিহাৰু, আলবিজিয়া অ'দৰোটিছিমা
পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-মাইমোছিৱইদি হিহাৰু, গুৰৈ (অসমীয়া) চাম কৰৈ (কামৰূপ) টুৰুট্‌ আৰং, আৰং নাব্‌লং (কাৰবি) খেলবি চিচু (আছিক) মৰই খৰো (কছাৰী) দিয়েং চাও (খাচিয়া) হেজুই বাং চিং (নগা)
(Hiharu) Albizzia odoratissima
Family–Leguminaceae Sub-family–Mimosaoideae

সূক্ষ্ম, নোমাল। গৰ্ভদণ্ড পুং বৃত্ততকৈ দীঘল। ছিৰা ৰঙচুৰাকৈ মুগা বৰণীয়া।

অসমত এইবিধ গছৰ উৎপত্তি কম। আলংকাৰিক গছ হিছাপে লগাব পাৰি।

এবিধ প্ৰকাণ্ড আকাৰৰ জাৰকালি পাতসৰা গছ। বাকলিয়ে মুগা চানেকীয়া বা ধোঁৱা বৰণীয়া ৰং পৰিধান কৰে। বাকলিৰ উপৰিভাগ খহটা হয় আৰু ভিতৰত থকা কোমল অংশটোৱে ৰঙচুৰা বৰণ ধাৰণ কৰে। তদুপৰি ইয়াত বগা বৰণীয়া দীঘল দীঘল আঁচে বিকাশ লাভ কৰি থাকে।

মূল পাতৰ ঠাৰিডালে বহুসংখ্যক শাখাপাত ধাৰণ কৰে। শাখাপাতবিলাকৰ স্থাপন ৰীতি বিপৰীতমুখী হয়।

সৰু সৰু ফুল ধৰে আৰু এই ফুল নাকৰ ওচৰলৈ নিলে এক প্ৰকাৰৰ সুগন্ধৰ ভাৱ অনুভৱ কৰা হয়। ফুল পূৰঠ হ'লে দীঘল দীঘল ছিৰা বা ছেই ধৰে। ছেইৰ ভিতৰত চেপেটা চেপেটা গুটি ধৰে।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ নানা কামত লগাব পাৰি। কৰৈৰ দৰে গুটি পচাই ইয়াৰ বাগান কৰিব পাৰি।

চজিনা, মৰিঙ্গা টেৰিগোস্পাৰম
পৰিয়াল–মৰিঙ্গেছি
(Sajina) The Horse Raddish
Mornga pterigosperma
Family–Moringaceae

এবিধ মজলীয়া আকাৰৰ বাৰীত লগোৱা গছ। এইবিধ গছৰ কাঠ কোমল হয়। ঠিক সেইদৰে গছজোপাৰ বাকলিখনো কোমল আৰু সোপোকা হয়। বাকলিৰ উপৰিভগে ছাই বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ ওপৰত ফটা-চিটা দাগৰ উৎপত্তি হয়। বাকলি কাটিলে ৰঙচুৰা আঠা ওলায়।

পাতবিলাকে ছিৰিলি ছিৰিলি আকৃতি ধাৰণ কৰে। শাখাপাতবিলাকৰ স্থাপন পদ্ধতি বিপৰীতমুখী হয়।

জাৰকালি গছজোপাৰ আটাইবোৰ পাত সৰি সৰি নাইকিয়া হয়। সেই সময়ত গছডালে উদং ৰূপ ধাৰণ কৰে। ফাগুন, চ'ত মাহত নতুন পাতৰ পুখা মেলে। ঠিক সেই সময়তে গছজোপাই ফুল ধৰিবলৈ আৰম্ভ কৰে। থোপা-থোপে ফুলা বগা বৰণীয়া ফুলবোৰ ছিঙি আনি ভাজি কৰি খাব পাৰি। ফুলবোৰ পূৰঠ হ'লে দীঘল

দীঘল ছেই ধৰে। কুমলীয়াতে এই ছেইবোৰ ভাজি খাবলৈ ভাল লাগে। বুঢ়া ছেইবোৰৰ তৰকাৰি বনালে ভিতৰৰ কোমল অংশ চুপি চুপি খাবলৈ ভাল লাগে।

বহুতে মানুহে এইবিধ গছ বাৰীত লগাই ৰাখে। ডাল এটা মাটিত গুজি দিলেই শিপা ওলায় গছত পৰিণত হয়।

চিলভাৰ অ'ক, গ্ৰেভিলিয়া ৰোবাষ্টা প্ৰটিয়েছি
(Silver Oak) Grevillea robusta Proteaceae

গ্ৰেভেলিয়া ৰোবাস্তা বা চিলভাৰ অ'ক নামেৰে জনাজাত গছবিধ পূৰ্বতে আমাৰ দেশৰ গছ নাছিল। সেই কাৰণে এইবিধ গছ আমাৰ সংৰক্ষিত বনাঞ্চল বা অন্য কোনো প্ৰকাৰৰ স্বাভাৱিক হাবি-বননিত দেখিবলৈ পোৱা নাযায়। বৰ্তমান এই জাতীয় গছৰ দুই-চাৰিজোপা মাজে সময়ে দেখিবলৈ পোৱা যায়। গছজোপা দেখিলে এজোপা সৰল বা পাইন গছ যেন লাগে। কাৰণ ইয়াৰ পাতৰ বেজিৰ দৰে দীঘল চানেকীয়া নহয় যদিও সৰল্ জাতীয় গছবিলাকৰ পাতৰ লগত ইয়াৰ পাতৰ অলপ সামঞ্জস্য আছে যেন লাগে। উজনি অসমৰ চাহ বাগিচাবিলাকৰ মাজত থকা দীঘলীয়া পথৰ কাষত বহুত দিনৰ আগতে মেনেজাৰসকলে লগাই দিছিল। সেইবোৰ গছ এতিয়া পূৰঠ হৈছে। আজিকালি অসম আৰু মেঘালয়ৰ বন বিভাগে এই জাতীয় গছৰ পুলি আলঙ্কাৰিক গছ হিছাপে বহুতো ঠাইত লগাইছে।

গছজোপা বহুতো ওখ হয়। শিপাবোৰ মাটিৰ বেছি তললৈ নাযায় কাৰণে বতাহত গছজোপা সহজে উঘালি পৰে। ফুলবোৰ হালধীয়াকৈ ধুনীয়া হয়। ইয়াৰপৰা উৎপন্ন হোৱা কাঠ সিমান লাগতিয়াল বুলি ক'ব নোৱাৰি।

আপেল, পাইৰাছ মেলাছ পৰিয়াল–ৰোজেছি
(Apel) Apple Pyrus malus Family–Rosaceae

আপেল গছ অসমৰ থলুৱা উদ্ভিদ নহয়। আচলতে হিমালয় শৈলমালাৰ ওখ ওখ পৰ্বতীয়া ঠাইবোৰে এইবিধ মূল্যবান উদ্ভিদৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰে। উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ আৰু কাশ্মিৰৰ অন্তৰ্গত অৱস্থিত হিমালয়ৰ পৰ্বতীয়া ঠাই কিছুমানত এইবিধ ফল ধৰা গছৰ খেতি বাগান আকাৰে কৰা হয়। আজিকালি অৰুণাচল প্ৰদেশৰ কিছুমান ঠাইত এইবিধ মূল্যবান গছ বাগান আকাৰে লগোৱা হৈছে। অসমৰ ফল ব্যৱসায়ীসকলে প্ৰচুৰ পৰিমাণে এই ফল বিক্ৰী কৰে। সেইবাবে আপেলৰ লগত আমাৰ পৰিচয় এইদৰে বজাৰবোৰত বিক্ৰী কৰা ফলবোৰৰ যোগেদি হৈছে বুলি ক'ব পাৰি।

আপেলৰ গছবোৰ নাচপতিৰ গছৰ দৰে আকাৰত মজলীয়া আৰু দেখনত

অলপ জোপোহা হয়। বাকলিৰ বৰণ মদৰুৱা হয়। পাতবোৰে অলপ দীঘল চানেকীয়া আকৃতি ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেই ফলৰ আকৃতি কম-বেছি পৰিমাণে ঘূৰণীয়া হয় আৰু দুয়োটা মূৰ সামান্যভাৱে চাপ খাই থাকে। জাত অনুযায়ী ফলৰ আকৃতি আৰু আকাৰত তাৰতম্য পৰিলক্ষিত হয়। আপেল ফলবোৰ যে খাবলৈ অতি ভাল এই কথাৰ অৱতাৰণা নিস্প্ৰয়োজন। অৱস্থা বুজি ৰোগীক পথ্যৰ অংশ হিছাপে দিব পাৰি।

আহোম বগৰী, প্ৰোনাছ–কমিউনিছ পৰিয়াল–ৰোজেছি
(Ahom bogori) Plum Prunus communis Family-Rosaceae

এবিধ সৰু আকাৰৰ ঘৰচীয়া গছ। গছজোপাই কম-বেছি পৰিমাণে জোপোহা আকৃতি ধাৰণ কৰে। আমাৰ মানুহে দুই-এজোপা গছ বাৰীত লগাই ৰাখে। মেঘালয়ৰ শ্বিলঙত এইবিধ গছৰ উৎপত্তি বেছি হোৱা দেখিবলৈ পোৱা যায়। গোল গোল আকৃতিৰ মঙহাল ফল ধৰে। শ্বিলঙৰ পৰ্বতীয়া ঠাইত উৎপন্ন হোৱা গছবিলাকত অলপ ডাঙৰ আকাৰৰ ফল ধৰে। এইবিলাক ফল খাবলৈও ভাল হয়। অসমৰ ভৈয়াম অঞ্চলত উৎপত্তি হোৱা গছৰ ফলবোৰ সৰু সৰু হয়।

বাকলিৰ বৰণ মদৰুৱা হয়। বাকলিৰ উপৰিভাগত ফুটফুটীয়া দাগৰ আভাস পৰিলক্ষিত হয়। সৰু সৰু পাতবোৰ অলপ দীঘলীয়া আকৃতি প্ৰদৰ্শন কৰে। পাতৰ কিনাৰত খাজকটা দাগ থাকে। ফুলৰ বৰণ গুলপীয়া হয়। গছজোপা ফুলেৰে উপচি পৰিলে মনোৰম ৰূপ ধাৰণ কৰা দেখা যায়।

শ্বিলঙৰ কোনো কোনো মানুহে সৰহীয়াকৈ এইবিধ গছ ৰোপণ কৰি নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰে। কেঁচাতে ফলবোৰে সেউজীয়া বৰণ ধাৰণ কৰে। পকিবলৈ আৰম্ভ কৰিলে ৰঙচুৱা হয়। একেবাৰে পকি ৰহ দিলে ফলবোৰ ক'লা হৈ পৰা যেন দেখি। তদুপৰি পকা ফলৰ ভিতৰখন কোমল হয়। খাবলৈ মিঠা মিঠা লাগে।

গোলাপ ফুল, ৰোজা ইন্দিকা পৰিয়াল-ৰোজেছি
(Rose) Rosa indica Family–Rosaceae

আমাৰ মানুহে অতি আগ্ৰহেৰে বাৰীত লগোৱা ফুল জাতীয় উদ্ভিদবিলাকৰ ভিতৰত গোলাপ ফুলক সকলোৱে আদৰ কৰে। ইয়াৰ নানা জাত আছে। গা-গছ আৰু ঠাল-ঠেঙুলিবোৰে অলপ হাকোটাৰ নিচিনা চুটি চুটি কাঁইট ধাৰণ কৰে। ফুলৰ চুপহিবিলাক সেউজীয়া হয় আৰু পাহিবিলাকে সাধাৰণতে বগা, গুলপীয়া কিম্বা ৰঙচুৱা বৰণ ধাৰণ কৰে। আজিকালি পুষ্পপ্ৰেমী লোকসকলে বিভিন্ন বৰণৰ ফুলৰ সংমিশ্ৰণ কৰি

নানা বৰণৰ ফুল ধাৰণ কৰা গোলাপৰ সৃষ্টি কৰিছে।

সাধাৰণতে ৰোগ-ব্যাধিয়ে সহজে আক্ৰমণ কৰিব নোৱৰা লতা গোলাপৰ গছ এজোপা গুৰিতে কাটি দি তাত উন্নত জাতৰ আৰু বিতোপন ফুল ধাৰণ কৰা গোলাপৰ ডাল লগাই দি নতুন জাতৰ গোলাপ ফুল উদ্ভাৱন কৰা হয়। এইদৰে বিভিন্ন ৰঙৰ বিতোপন আৰু সুগন্ধি ফুল উৎপাদন কৰা গোলাপৰ খেতি কৰি চৌখিন লোকসকলে গোলাপ ফুলৰ একোখন বাগান সৃষ্টি কৰা দেখা যায়।

জেটুলি পকা, জেটেলু পকা, ৰুবাছ মলোক্কানছ পৰিয়াল–ৰ'জেচি চুমাহাৰ আৰিকাং (কাৰবি) মা-পু (তাই-আহোম) (Jetuli Poka, Jetelu Poka) A kind of Wild Gooseberry Rubus moluccanus Family–Rosaceae

ডালে-পাতে কাঁইট উৎপন্ন হোৱা এবিধ বনৰীয়া জোপোহা উদ্ভিদ। গুৰিভাগৰপৰা চাৰিওফালে প্ৰসাৰতা লাভ কৰি জপ্‌জপীয়া আকৃতি ধাৰণ কৰা গছজোপাৰ গা-গছ আৰু ঠাল-ঠেঙুলিবোৰৰ উপৰিভাগ ছাই বৰণীয়া হয়। গাঠিয়ে গাঠিয়ে হাকুটিৰ নিচিনা কাঁইটৰ বিকাশ সাধন হয়।

থোপা-থোপে ধৰা ফুলবোৰৰ বৰণ গুলপীয়া হয়। ফুলবোৰ পূৰঠ হ'লে তাৰপৰা যি ফলৰ উৎপত্তি হয় সেই ফলবোৰ টেঙেচিৰ ৰূপ ধাৰণ কৰে। পকিলে এই ফলবোৰ খাবলৈ মিঠা মিঠা লাগে। গৰখীয়া ল'ৰাবিলাকে পথাৰত গৰু চৰাই থাকোতে এই ফলবোৰ ছিঙি ছিঙি খাই আনন্দ লাভ কৰে।

থেৰেজু প্ৰোনাচ্ জেন্‌কিন্‌চিয়াই পৰিয়াল–ৰোজেছি (Thereju) Prunus jenkinsii Family–Rosaceae

এবিধ মজলীয়া আকাৰৰ চিৰসেউজীয়া গছ। গা-গছ আৰু ঠাল-ঠেঙুলিৰ ওপৰত থকা বাকলিৰ বৰণ ক'লা চানেকীয়া হয়। ডিম্বাকৃতি ধাৰণ কৰা পাতবোৰৰ আগভাগ ক্ৰমে চিয়া হৈ শেষত জোঙা হয়। এই ফুলবোৰ পূৰঠ হ'লে সময়ত যিবোৰ ফলৰ উৎপত্তি হয় সেইবোৰ ফল দেখাত একোটা সৰু আকাৰৰ জলফাই টেঙাৰ নিচিনা হয়। পকিলে ৰঙা হয়।

থেৰেজু ফলৰ উপৰিভাগত উৎপন্ন হোৱা মঙহাল পদাৰ্থখিনি খাবলৈ মিঠা লাগে। অৱশ্যে কেঁচা অৱস্থাত এই ফল খোৱাৰ উপযুক্ত হোৱা দেখা নাযায়। ফলৰ ভিতৰত থকা টান গুটিটোৰ উপৰিভাগ শিলিখাৰ গুটিৰ দৰে ওখোৰা-মোখোৰা হয়। আমাৰ মানুহে এই জাতৰ দুই-এজোপা গছ বাৰীত লগাই ৰাখিবলৈ চেষ্টা কৰে।

জেটুলি-পকা বা জেটেলু-পকাৰ কেবাটাও জাত আছে। অঞ্চল আৰু পৰিবেশৰ

নগা-জেজেৰু, ৰুবচ্ হেক্সাগাইনাছ
পৰিয়াল–ৰোজেছি
(Noga-jejeru) Rubus hexagynus
Family–Rosaceae

বিভিন্নতা অনুযায়ী বেলেগ বেলেগ জাতে বেলেগ বেলেগ পৰিবেশত প্ৰতিনিধিত্ব কৰা দেখিবলৈ পোৱা যায়। নগা-জেজেৰু নামেৰে জনাজাত বিধ জেটুলি সাধাৰণতে পৰ্বতীয়া ঠাইত আৱিৰ্ভাৱ হোৱা দেখা যায়। অসমৰ সীমামূৰীয়া ঠাইত থকা পৰ্বতৰ নামনি অঞ্চলবিলাকতো ঠাই অনুযায়ী ইয়াক দেখিবলৈ পোৱা যায়।

এইবিধ জেটুলি-পকাই লতাৰ দৰে জোপোহা গছবিলাকৰ ওপৰলৈ উঠি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে আৰু এই বাকলিৰ উপৰিভাগ খহটা হয়। গাঁঠিবোৰত কাঁইটৰ উৎপত্তি হয়। পাতবোৰে আঙুলি পহীয়াকৈ ফেৰেঙনি মেলা ৰূপ প্ৰদৰ্শন কৰে। ফুলৰ বৰণ বগা হয়। ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেই ফলৰ আকৃতি গৰু-খিচৰ নিচিনা হয়। খাবলৈ মিঠা মিঠা লাগে।

নৰা বগৰী, প্ৰোনাছ পাৰ্ছিকা
পৰিয়াল–ৰোজেছি
(Nora Bagori) Peach Prunus persica Family–Rosaceae

এবিধ সুখাদ্য ফল ধাৰণ কৰা সৰু আকাৰৰ লাগতিয়াল গছ। এইবিধ ফলধৰা গছৰ দুই-এজোপা আমাৰ মানুহে বাৰীত লগাই ৰাখে আৰু সময়ত ফল ধৰি পকিলে তাৰে দুই-এটা ছিঙি আনি খায়হি। দুই-এজন উদ্যোগী কৃষকে বাগান আকাৰে সৰহীয়াকৈ লগাই দি আৰ্থিকভাৱে উপকৃত হোৱাৰ পথ উলিয়ায়। শ্বিলঙৰ নিচিনা পৰ্বতীয়া ঠাইত উৎপন্ন হোৱা নৰা বগৰীৰ ফলবিলাক আকাৰত ডাঙৰ আৰু মঙহাল হয়। খাবলৈও ভাল লাগে।

নৰা বগৰী গছৰ বাকলিয়ে ছাই বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ উপৰিভাগত ফুটফুটীয়া দাগৰ আভাস পৰিলক্ষিত হয়। ঠাল-ঠেঙুলিবিলাকে দীঘল চানেকীয়া আকৃতি ধাৰণ কৰে। ফলৰ ভৰত ঠালৰ আগবোৰ তললৈ ওলমি ওলমি আহে।

পাতৰ আকৃতি অলপ দীঘলীয়াকৈ দুই মূৰ চাপ খোৱাৰ নিচিনা হয়।

থোপা-থোপে ফুল ফুলে। ফুলৰ বৰণ গুলপীয়া হয়। এই ফুলবোৰ পূৰঠ হ'লে অলপ দীঘল চানেকীয়াকৈ মঙহাল ফল ধৰে। বাকলিৰ ওপৰত কোমল কোমল নোমৰ আৱিৰ্ভাৱ হয়। ভিতৰত এটা ডাঙৰ গুটি ধৰে। গুটিৰ উপৰিভাগ ওখোৰা-মোখোৰা হয়। উপৰিভাগে আৰু মঙহাল পদাৰ্থৰ গুটিত লাগি থকা অংশই ৰঙচুৱা বৰণ ধাৰণ কৰে।

নৰা বগৰীক উত্তম পৰ্যায়ৰ ফলবিলাকৰ অন্যতম বুলি ক'ব পাৰি।

নাচপতি, পাইৰাছ কমিউনিছ পৰিয়াল–ৰোজেছি নাচপতি (অসমীয়া) নাচপতি (বঙালী) নাচ্‌পাতি (বড়ো) (Nashpati) Pear Pyrus communis Family–Rosaceae

ওখ চানেকীয়া এবিধ মজলীয়া আকাৰৰ খোৱাৰ উপযোগী ফলধৰা গছ। বাকলিখনে ছাই বৰণীয়া ৰূপ ধাৰণ কৰে। পাতবোৰে অলপ দীঘল চানেকীয়া আকৃতি প্ৰদৰ্শন কৰে। দুয়োমূৰ চাপ আৰু মাজৰ অংশ অলপ বহল হয়। পাতৰ ওপৰ লুটি মিহি আৰু তলৰ লুটি সামান্যভাৱে খহটা হয়। ফুল থোপা-থোপে ফুলে। ফুল ফুলাৰ সময়ত গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে।

ফুলবিলাক পূৰ্ঠ হ'লে যি ফল ধৰে সেই ফলৰ আকৃতি হাঁহকণী একোটাৰ নিচিনাকৈ অলপ দীঘলীয়া হয়। কিছুমান ফলৰ আগৰ অংশ ঠাৰিৰফালে থকা অংশতকৈ সামান্যভাৱে মোটা হয়। ফলৰ বাকলিখন কঠিন হয় আৰু ভিতৰত থকা মণ্ডহাল পদাৰ্থখিনি অলপ আঁহযুক্ত আৰু সাম্যভাৱে চনকা হয়। কেঁচাতে ফলবিলাক সেউজীয়া হৈ থাকে আৰু পকিলে সামান্যভাৱে হালধীয়া হয়। দুয়ো অৱস্থাতে এই ফল খাব পাৰি।

মেঘালয়ৰ খাচিয়া পাহাৰত এইবিধ ফলধৰা গছৰ খেতি কৰা হয়। অসমত ইয়াৰ উৎপত্তি কম।

বগা গোলাপ, ৰোজা মাইক্ৰোফাইলা পৰিয়াল–ৰোজেছি (Boga Golap) Rosa microphylla Family–Rosaceae

গৃহস্থৰ ফুলনিবাৰী ৰমক্-জমক্কৈ জিলিকাই ৰাখিব পৰা আনবিধ স্থানীয় গোলাপ ফুলৰ গছক সাধাৰণতে বগা গোলাপ বুলি কোৱা হয়। এইবিধ গোলাপৰ গছে বহন কৰা ফুলবোৰে শুধবগা বৰণ পৰিধান কৰে। গাইগুটীয়াভাৱে কোনো কোনো পাহ ফুলে অলপ ৰঙচুৱা বা গুলপীয়া বৰণৰ আভাস প্ৰদৰ্শন কৰে। গছজোপাৰ ডাল-পাত আদিৰ আকাৰ আকৃতিত আগতে উল্লেখ কৰি অহা গোলাপৰ সাদৃশ্য পৰিলক্ষিত হয়।

ৰঙা গোলাপ, ৰ'জা দামাচেনা পৰিয়াল–ৰ'জেছি (Ronga Golap) Rosa damascene Family–Rosaceae

ইতিপূৰ্বে বৰ্ণনা কৰি অহা উন্নত জাতৰ গোলাপ ফুলবিলাকৰ বাহিৰে অসমৰ মাটি-পানীয়ে কেইবাবিধো স্থানীয় জাতৰ গছ ধাৰণ কৰা দেখা যায়। তাৰ ভিতৰত এবিধে শেঁতা ধৰণৰ ৰঙচুৱা ফুল ধাৰণ কৰে। ঠাল-ঠেঙুলিবিলাক দীঘল চানেকীয়াকৈ লেহুকা হয় আৰু নতুন নতুন ঠালবিলাকৰ বাকলিৰ বৰণ সেউজীয়া হয়। এই ঠালবোৰত চুটি চুটি আকাৰৰ কাঁইটে বিকাশ লাভ কৰে। গছজোপাৰ ডালবোৰে লেং লেংকৈ বাঢ়ি যোৱা চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

লতা গোলাপ, ৰোজা চেন্টিফলিয়া পৰিয়াল–ৰোজেচি
(Lota Golap) Rosa centifolia Family–Rosaceae

এবিধ লতা জাতীয় গোলাপ ফুলৰ গছ। গছৰ ওপৰলৈ বগাই বগাই যাব পাৰে। অন্যান্য জাতীয় গোলাপ ফুলৰ দৰে এইবিধ গোলাপৰ ঠাৰি আৰু পাতৰ ঠৰুৱাৰ গুৰিত চুটি চুটি কাঁইটৰ উৎপত্তি হয়। পাতৰ আকৃতি আৰু গঠন প্ৰণালী অন্যান্য জাতীয় গোলাপ ফুলৰ লগত কম-বেছি পৰিমাণে মিলি যোৱা দেখা যায়। প্ৰত্যেকখিলা যৌগিক পাত তিনি খিলাৰপৰা পাঁচখিলা শাখাপাতৰদ্বাৰা গঠিত হয়। দুযোৰা শাখাপাত বিপৰীতমুখী হয় আৰু শেষৰ পাতখিলা অকলশৰীয়াভাৱে আগভাগত বিকশিত হয়। তদুপৰি এই শাখাপাতখিলা আকাৰত ডাঙৰ হয়।

লতা-গোলাপৰ আন এটা বৈশিষ্ট্য হ'ল এয়ে যে ইয়াৰ ফুলবোৰ গাইগুটীয়াভাগে বিকশিত নহৈ থোপা বান্ধি লাগে। ফুলৰ পাহিবোৰে ৰঙচুৱা বৰণ ধাৰণ কৰে। পদুলি-মুখত কিম্বা প্ৰৱেশ পথৰ গেটৰ ওপৰত দীঘলীয়াকৈ চাং সাজি এইবিধ গোলাপ ফুল বগাবলৈ সুবিধা কৰি দিব পাৰি। বসন্ত কালত ফুলৰ থোপাৰে লতাডাল উপচি পৰিলে দেখিবলৈ ভাল লাগে। শ্বিলঙৰ পৰ্বতীয়া ঠাইত উৎপন্ন হোৱা বিধ লতা-গোলাপৰ ফুল অলপ ডাঙৰ আৰু বৰণত উজ্জ্বল ৰঙা হয়। কাজিৰঙাত এবিধ এপহীয়া পাহি থকা বগা বৰণৰ ফুলধৰা বনৰীয়া গোলাপ দেখিবলৈ পোৱা যায়।

থেকেৰা মাহী, কেৰেলিয়া লুচিদা পৰিয়াল–ৰাইজোফৰেচি ডাইনি জাম (অসমীয়া) থেং-বু-থু (কাৰবি) বল-নেং-ৰাং (আছিক) দিয়েং চহ চাইলি (খাচিয়া)
(Thekera Mahi) Caralia licida Family–Rhizophoraceae

সৰু সৰু ফল ধাৰণ কৰা এবিধ সৰু আকাৰৰ বনৰীয়া গছ। এইবিধ গছে সৰু সৰু ফল ধৰে। জামুকৰ নিচিনা আৰু কোটাহি জামুকৰ ফলবোৰতকৈ অলপ ডাঙৰ আৰু বৰ বিলাহীৰ নিচিনা চেপেটা আকৃতিৰ ফল ধৰে। পকিলে এই ফলবোৰ প্ৰথমতে ৰঙচুৱা পৰে আৰু সৰ্বশেষত ক'লা বৰণ ধৰে। পকা ফলৰ মণ্ডহাল শাহখিনি মুখত দিলে খাবলৈ মিঠা মিঠা লাগে। কোনো কোনো এইবিধ থেকেৰাৰো দুই-এজোপা গছ বাৰীৰ এচুকত লগাই ৰাখে। কিম্বা স্বাভাৱিকতে গুটি পৰি উৎপন্ন হোৱা এইবিধ গছৰ একো একোটা পুলি কাটি নেপেলোৱাকৈ বাঢ়িব দিয়ে।

সাধাৰণতে এইবিধ গছ তিনিমিটাৰ মানতকৈ বেছি ওখ হোৱা দেখিবলৈ পোৱা নাযায়। ঠালবোৰে পথালি পথালিকৈ চৌপাশে বিকাশ লাভ কৰাৰ ফলশ্ৰুতিত গছজোপাই এক ৰকমৰ ছাতিৰ আকৃতি ধাৰণ কৰে। ইয়াৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগোৱাৰ বাবে উপযুক্ত হোৱা দেখা নাযায়।

অৰ্জুন, টাৰ্মিনেলিয়া অৰ্জুনা
পৰিয়াল–কম্ব্রেটেছি
(Arjun) Terminalia arjuna
Family–Combretaceae

এবিধ মজলীয়া আকাৰৰ চিৰসেউজীয়া বিতোপন গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ ৰং ছাই-বৰণীয়া হয়। বাকলিৰ ওপৰত বগা-চানেকীয়া ফুটুকা-ফুটুকী দাগৰ আভাস পৰিলক্ষিত হয়। পাতবোৰৰ আকৃতি দীঘল চানেকীয়া হোৱা দেখা যায়। একোখিলা পাতৰ দীৰ্ঘতা প্ৰায় ৮ চেণ্টিমিটাৰ আৰু পুতল ২.৫ চেণ্টিমিটাৰমান হয়। পাতৰ উপৰিভাগ মিহি আৰু পিছল হয়। তলৰ লুটিৰ তুলনাত ওপৰৰ লুটি অধিক সেউজীয়া হয়। পাতখিলাৰ দাঁতিভাগ সমান হয় আৰু তাত কোনো ধৰণৰ খাঁজ-কটা কাৰুকাৰ্যই বিকাশ লাভ কৰা দেখিবলৈ পোৱা নাযায়। পাতৰ দাঁতিভাগে অৱশ্যে টৌ কটাৰ স্বৰূপ প্ৰদৰ্শন কৰে। ফুলৰ আকাৰ সৰু হয়।

আলঙ্কাৰিক গছ হিছাপে ইয়াক আলিবাটৰ কাষত কিম্বা উদ্যান উপবনত লগাব পাৰি। স্বাভাৱিক অৱস্থাত অসমৰ বনভূমিবিলাকত এইবিধ গছ দেখিবলৈ পোৱা নাযায়।

পাট কুহিৰ, টাৰ্মিনেলিয়া টমেনটছা
পৰিয়াল–কম্ব্রেটেছি
(Pat Kuhir) Terminalia tomentosa Family–Combretaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। কোকৰাঝাৰ আৰু ধুবুৰী বন-সংমণ্ডলৰ অন্তৰ্গত থকা ভিন ভিন জাতৰ গছৰ সানমিহলি বনাঞ্চলবিলাকত পোৱা যায়। উৎপাদিত কাষৰ বৰণ মুগা চানেকীয়া হয়। চনকা হোৱাৰ বাবে স্থায়ী নিৰ্মাণ কাৰ্যৰ বাবে সিমান উপযোগী নহয় যদিও সাধাৰণ ঘৰ বনোৱা আৰু খেতি-পথাৰৰ উপযোগী সৰঞ্জাম তৈয়াৰ কৰা কামত ব্যৱহাৰ্য।

বাকলিৰ ৰং ছাইবৰণীয়া, গভীৰভাৱে সিৰলি কটা। ভিতৰৰ অংশ ৰঙচুৱা, আঁহযুক্ত। নৱজাত ঠাল-ঠেঙুলি লোমশ। পাত উপ-অভিমুখ, ডিম্বাকাৰ, অৰ্দ্ধবৃত্তাকাৰ, অগ্ৰাংশ বৃহৎ কৌণিক আকাৰে সূক্ষ্মাগ্ৰী। বহলভাৱে সূক্ষ্মকৌণিক, চুটিকৈ কুশাগ্ৰী, প্ৰান্ত সৰল, কেতিয়াবা সামান্য দন্তযুক্ত। পাট সূতাৰ দৰে সুকোমল বয়সানুক্ৰমে লোমশ। নিম্ন পিঠিত থকা সিৰৰ কাষ কেশযুক্ত। কেতিয়াবা শিৰৰ সঙ্গমস্থল উপপত্ৰযুক্ত।

ফুলৰ বৰণ সামান্যভাৱে হালধীয়া, ফুল উভয়লিংগী। বৃন্তি মণ্ডল কেশযুক্ত অথবা নামমাত্ৰ লোমশ। বৃন্তিধাৰী অংগ ৰাতিৰ দৰে অলপ দ। ফুল মঙহাল পাখি চাৰ্মিল।

আৰকেং আৰং (কাৰ্বি) থেৰ চলি (খাচিয়া) ভুগি-ছিং, ডু-গ্ৰাক্ (আহিক)

ডাঙৰ আকাৰৰ সেউজীয়া ঠাৰি ধাৰণ কৰা এবিধ লতা জাতীয় বনৰীয়া উদ্ভিদ। পুৰঠ হোৱা ঠাৰিবিলাকে ধোঁৱা-বৰণীয়া ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। এই

ধোবালতা, কম্ব্ৰেটম্ ডেকান্দ্ৰম্ পৰিয়াল–কম্ব্ৰেটেছি
(Dhoba-lota) Combretum decandrum Family–Combretaceae

ঠাৰিবোৰৰপৰা পাতলীয়া পাতলীয়া নিকৰি ওলাই অহা দেখা যায়। পাতবোৰে ঠালত বিপৰীতমুখীভাৱে বিকাশ লাভ কৰি থাকে। পাতৰ আকৃতি দীঘল চানেকীয়া আৰু আগৰফালে অলপ জোঙা ধৰণৰ হয়। পাতৰ উপৰিভাগে খহটা ৰূপ ধাৰণ কৰে আৰু সিৰবিলাকৰপৰা চুটি চুটি নোম ওলোৱা দেখা যায়।

ফুলৰ বৰণ ৰঙচুৱাকৈ বগা হোৱা দেখা যায়। এই ফুলবোৰ থোপা-থোপে ফুলে। ফলৰ আকৃতি দীঘলীয়া হয় আৰু এই ফলৰপৰা এক প্ৰকাৰৰ পাখি ওলায়।

বাকলিখন কটাৰি এখনেৰে পথালিকৈ 'পাৰ' দি কাটি চুঙাৰ আকাৰে ঠাৰিৰপৰা উলিয়াই আনিব পাৰি। এই ঠাৰি আৰু বাকলিৰ চুঙা লগ লগাই হুইচেলৰ নিচিনা শব্দ কৰি ল'ৰা-ছোৱালীবিলাকে আনন্দ কৰিবলৈ ভাল পায়। গৰখীয়া ল'ৰাবোৰে এই লতাৰ ঠাৰি বিচাৰি হুইচেল বজায়।

নাহৰ লতা, কম্ব্ৰেটম্ একিওমিনেটম পৰিয়াল–কম্ব্ৰেটেছি
(Nahar Lota) Combretum acuminatum Family–Combretaceae

এবিধ কঠিন কাষ্ঠবাহী আৰোহী গুল্ম। বাকলিয়ে মদৰুৱা অথবা ছাই-বৰণীয়া ৰং পৰিধান কৰে। নতুনকৈ ওলাই অহা কুঁহিপাতবোৰ অনু লোমযুক্ত। পাতবোৰৰ স্থাপন ৰীতি পৰস্পৰিকভাৱে বিপৰীতমুখী। ডিম্বাকাৰ, বৃত্তাকাৰ, আয়তাকাৰ, দীৰ্ঘ বল্লমাকাৰ, নেজালভাৱে অন্তিম বিন্দু সূক্ষ্মকৌণিক, মসৃণ। মধ্যসিৰ আৰু শাখাসিৰ অনুমাত্ৰ লোমযুক্ত। সিৰবোৰৰ নিম্নপৃষ্ঠ খহুযুক্ত অথবা চেকুৰাযুক্ত আৰু সামান্যভাৱে ছিদ্ৰধাৰী।

পাতৰ প্ৰতি অৰ্দ্ধাংশই ১০-১৫ ডালমান শাখাসিৰ পৰিধান কৰে। উপ-শাখাসিৰবোৰে জখলাৰ আকৃতি ধাৰণ কৰে। পাতৰ গুৰিভাগ গোলাকাৰ, উপ-হৃদয়াকাৰ অথবা সূক্ষ্মকৌণিকাকাৰ। পত্ৰবৃন্ত হ্ৰস্ব, মজবুত মঞ্জৰীৰ পুষ্প দীঘলীয়া, সৰল। ফুলৰ পাহিবোৰে শাখাকাণ্ডৰ শীৰ্ষস্থানত সমদৈৰ্ঘ্যৰ বৃন্তবাহী ফুল ধাৰণ কৰে। কম-বেছি পৰিমাণ সূক্ষ্ম সূক্ষ্ম চেকুৰাৰে আবৃত। উপবেটুপত্ৰ সূক্ষ্ম আৰু ক্ষণস্থায়ী।

পুষ্প চতুৰ্মুখী, সূক্ষ্ম। বেটুপাত ক্ষুদ্ৰ ক্ষুদ্ৰ বাকলিৰ দ্বাৰা আবৃত। সামান্যভাৱে লোমযুক্ত আৰু নিম্নাংশ চেকুৰাযুক্ত। পাহি ঠেকভাৱে আৰু বিপৰীতমুখীকৈ বল্লমাকাৰ। ফল বৃত্তাকাৰ, দুয়োটা মুৰ ক্ৰমে ঠেক, উফৰিভাগ কৰ্দৈৰ আকৃতিৰে দীঘল দীঘলকৈ খাঁজকটা।

ভোমোৰা, বহেৰা, টাৰ্মিনেলিয়া বেলেৰিকা পৰিয়াল–কম্ব্ৰেটেছি বহেৰা (বঙালী) ভোমোৰা, বহেৰা (অসমীয়া) ভোওৰা (বড়ো) ভাওৰাই (ৰাভা) বল-জাদক (আছিক)
(Bhumura, Bohera) Terminalia belerica Family–Combretaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। উজনি আৰু নামনি অসমৰ বনাঞ্চলবিলাকত এইবিধ গছ দেখিবলৈ পোৱা যায়। বৰাক উপত্যকাতো ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। জাৰকালি গছজোপাৰ পাতবোৰ সৰি যায় আৰু তেতিয়া গছজোপা লঠঙা হৈ পৰে। গা-গছৰ বাকলিয়ে ধোঁৱা-বৰণীয়া অথবা মদৰুৱা বৰণ ধাৰণ কৰে আৰু বাকলিৰ উপৰিভাগৰ পৰা সৰু সৰু নিকৰি ওলাই আহে। বাকলিখনত ঘাপ মাৰি কাটি দিলে ভিতৰত হালধীয়া বৰণ দেখিবলৈ পোৱা যায়। নতুন ঠাৰিবোৰে গেৰুৱা বৰণ প্ৰদৰ্শন কৰে।

ঠাৰিবোৰৰ আগভাগত পাতবোৰে থুপ খাই একেলগে উৎপত্তি হোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতবোৰে বহল চানেকীয়া দীঘলীয়া আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৱাৰ আকৃতি ধাৰণ কৰে। ফুলবোৰ সেউজ-বুলীয়াকৈ হালধীয়া ৰং প্ৰদৰ্শন কৰে। ফলবোৰে শিলিখাৰ নিচিনা দীঘলীয়া আকৃতি ধাৰণ কৰে।

আমলখি, শিলিখা আৰু বহেৰাৰ ফল লগ লগাই ঔষধত ব্যৱহাৰ কৰা হয়। তিনিওবিধ ফলক সমূহীয়াকৈ ত্ৰিফলা বুলি কোৱা হয়। বহেৰাৰ কাঠ উন্নত পৰ্যায়ৰ নহয় যদিও লাপি-লুপা কামত ব্যৱহাৰ কৰিব পাৰি।

মালতী, কুইচকুৱালিচ্ ইন্দিকা পৰিয়াল–কম্ব্ৰেটেছি
(Maloti) Quisqualis indica Family–Combretaceae

এবিধ অলপ ডাঙৰ আকাৰৰ জোপোহা গছ। পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। বগা বৰণৰ বিতোপন ফুল ফুলে আৰু পাছত এই ফুলৰ বৰণ লাহে লাহে সলনি হৈ ৰঙচুৱা হৈ পৰে। ধুনীয়া ধুনীয়া পুষ্প ধাৰণ কৰা উদ্ভিদ হোৱাৰ বাবে এইবিধ উদ্ভিদ ফুলনিবাৰী কিম্বা উদ্যানত লগোৱা হয়।

এইবিধ ফুলজাতীয় উদ্ভিদৰ উৎপত্তিস্থান ব্ৰহ্মদেশ আৰু মালয়াচিয়া বুলি জনা যায়। আজিকালি আমাৰ দেশত ই স্বাভাৱিকভাবে উৎপত্তি হোৱা উদ্ভিদৰ অন্যতম ৰূপে পৰিগণিত হৈ পৰিছে।

তলৰফালে ওলমি পৰাকৈ বিস্তৃতি লাভ কৰি থকা এবিধ ডাঙৰ আকাৰৰ চিৰহৰিৎ গছ। উজনি অসমত ইয়াৰ উৎপত্তি বেছি। অসম উপত্যকা, বৰাক উপত্যকা আৰু পাৰ্বত্য জিলা দুখনতো ঠাই অনুযায়ী ইয়াক পোৱা যায়। এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ উৎকৃষ্ট হোৱাৰ বাবে ঘৰ বনোৱা, দলং সজা আদি

শলখ, টাৰ্মিনেলিয়া মিৰিওকাৰ্পা পৰিয়াল–কম্ব্ৰেটেছি শলখ (অসমীয়া) চিলক (মিচিং) টুৰ্টং আৰং (কাৰ্বি) ঝলনা (কাছাৰ) ঝালনা (মণিপুৰী) ৰাক্ছেং (গাৰো) দিয়েং টাল (খাচিয়া)
(Sollock) Terminalia myriocarpa Family–Combretaceae

নিৰ্মাণ কাৰ্যত লগোৱাৰ উপৰিও চকি, মেজ, চোফা আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

বাকলিৰ ৰং ছাই-বৰণীয়া বা মটীয়া হয় আৰু কাণ্ডৰ খহটা বাকলিখনে চকলীয়া ফাট মেলি ওলমি পৰিব খোজাৰ আকৃতি পৰিধান কৰে। বাকলিৰ ভিতৰৰ অংশই ৰঙচুৱা বৰণ ধাৰণ কৰে। বৰ্দ্ধনশীল কাঠাংশৰ সৈতে লাগি থকা বাকলিৰ তৰপে হালধীয়া ৰূপ প্ৰদৰ্শন কৰে। পুষ্পক্ৰম আৰু কুঁহিপাত সামান্যভাৱে সুকোমল লোমযুক্ত। পাত আয়তাকাৰভাৱে বল্লমাকাৰ অথবা উপ-বৃত্তাকাৰভাৱে সূক্ষ্মকৌণিক কিম্বা নেজাল আকাৰে সূক্ষ্মকৌণিক। দাঁতিভাগ সৰল অথবা দন্তযুক্ত। পাতৰ প্ৰত্যেক অৰ্দ্ধাংশই বহুসংখ্যক শাখাসিৰ ধাৰণ কৰে। শাখাসিৰ উপ-সমান্তৰাল আৰু পাতৰ গুৰি অংশই ধাৰণ কৰা শাখাসিৰ সৰল। পাতৰ গুৰিৰ দুয়ো অংশ পাৰস্পৰিক অসমান হৃদয়াকাৰ। উপৰিভাগ প্ৰায় নিমজ অথবা সামান্যভাৱে নোমাল। পত্ৰবৃন্ত ডাঠ আৰু শীৰ্ষবিন্দু খহুলা।

ফুলৰ বৰণ ৰঙচুৱা। পুষ্পক্ৰমৰ ফুল দন্তবিহীন মঞ্জৰী। বেটুপাত চামুচাকৃতি। নিম্নাংশৰ বেটু ডাঙৰ, পত্ৰাকাৰ ফল ত্ৰিকোণাকাৰ পাখিযুক্ত।

এবিধ কঠিন কাষ্ঠাবাহী আৰোহী গুল্ম। বাকলিমটীয়া অথবা ছাইবৰণীয়া।

শলখ লতা, কম্ব্ৰেটম্ ডাইচিষ্টেচিয়ম্ পৰিয়াল–কম্ব্ৰেটেছি শলখলতা (অসমীয়া, মিচিং) আৰ্কেং কেট্ (কাৰ্বি)
(Hollock Lota) Combretum dasystachyum Family–Combretaceae

পাতৰ আকাৰ মজলীয়া। পাত বিপৰীতমুখী, কেতিয়াবা ত্ৰি-বিভাজিত, আয়তাকাৰ, বল্লমাকাৰ, বৃত্তাকাৰ অথবা বিপৰীতমুখীভাৱে গদাকাৰ। গুৰিৰ অংশ হৃদয়াকাৰ আৰু অগ্ৰভাগ নেজালকৈ সূক্ষ্ম কৌণিক। পাতবোৰ পাতলীয়া আৰু ওপৰ পিঠিত সূক্ষ্মাকাৰ খহু থকা। দুয়ো পিঠি নিমজ যদিও তলৰ পিঠিৰ সিৰবোৰে চুটি চুটি কোমল নোমৰ আৱৰণ পৰিধান কৰে। পত্ৰবৃন্ত মজবুত, চুটি আৰু সামান্যভাৱে নোমযুক্ত। পুষ্পক্ৰম সমিকাক্ষিকভাৱে সৰল, কেতিয়াবা শাখাযুক্ত। কক্ষবৃন্তই বহন কৰা ফুলকলি পাতবোৰৰ তুলনাত হ্ৰস্ব।

ফুল উভয়লিংগী, চুপহি, পাহি আদি চাৰিপহীয়া। পাহি সূক্ষ্ম। ফল পাখিযুক্ত।

উজনি অসমৰ প্ৰায় সকলোবিলাক ঘোষিত বনভূমি আৰু অন্যান্য হাবি-বনানীত এইবিধ গুল্মৰ উৎপত্তি পৰিদৃষ্ট হয়।

অলপ দীঘলীয়া আকৃতিৰ আগজোঙা পাত ধাৰণ কৰা এবিধ জাৰকালি পাতসৰা (Deciduous) গছ। বনাঞ্চলবিলাকত আপোনা-আপুনি উৎপত্তি হয় যদিও কোনো কোনো মানুহে দুই-এজোপা গছ্ বাৰীতো লগাই ৰাখে।

বাকলিৰ উপৰিভাগে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিৰ ওপৰত অলপ দ চানেকীয়াকৈ দীঘল দীঘল লোৰ বিকাশ সাধন হয়। বাকলিৰ ভিতৰত থকা মণ্ডহাল পদাৰ্থবোৰ ৰঙচীয়া হয় আৰু তাত হালধীয়া বৰণৰ সামান্য আভাস পৰিলক্ষিত হয়। পাতৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। অৱশ্যে কোনো কোনো ক্ষেত্ৰত এই পাতবোৰ ঠাৰিৰ আগভাগত জখলা-কলপীয়াক সজাই ৰখা যেন দেখা যায়। ফুলবোৰে এক প্ৰকাৰৰ একোটা গোন্ধ বিকিৰণ কৰে। ফলৰ আকৃতি দীঘল চানেকীয়া হয় আৰু এই ফলৰ উপৰিভাগ কৰ্দৈসিৰীয়া হোৱা দেখা যায়। খাবলৈ এই ফলবোৰ কেঁহা কেঁহা লাগে।

শিলিখা, টাৰ্মিনেলিয়া ছেবুলা পৰিয়াল-কম্ব্ৰেটেছি হৰিতকী (বঙালী) হাৰা (হিন্দী) চিলিকা (বড়ো) হালায় পান (ৰাভা) আৰিটাক্ (আছিক)
(Silikha) Terminalia chebula, Family–Combretaceae

এই ফল ঔষধত লাগে। ইয়াক ত্ৰিফলাৰ অন্যতম অঙ্গ বুলি বিবেচনা কৰা হয়। পূজা পাতলতো হিন্দু সমাজে এইফল ব্যৱহাৰ কৰে।

এইবিধ গছৰ পৰা উৎপন্ন হোৱা কাঠৰ বৰণ অলপ হালধীয়া হয়। নানা কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

ইউকেলিপটাছ

Eucolyptus globulus

Family–Myrtaceae

ইউকেলিপ্‌টছ, (১ম বিধ) ইউকেলিপটছ গ্লবিওলছ পৰিয়াল–মিৰ্‌টেছি
Eucalyptus (Blue Gum) Eucalyptus globulus Family–Myrtaceae

এবিধ ওখ জাতীয় বিতোপন গছ। বাকলি আৰু পাত ভাঙি নাকৰ ওচৰলৈ নিলে এক প্ৰকাৰৰ সুগন্ধৰ আভাস অনুভৱ কৰা যায়। ইউকেলিপ্‌টাছ পূৰ্বতে ভাৰতবৰ্ষত নাছিল। ইয়াৰ উৎপত্তি স্থান অষ্ট্ৰেলিয়া মহাদেশ বুলি কোৱা হয়। ১৭৯০ খ্ৰীষ্টাব্দত পোন প্ৰথমতে মহীশুৰৰ ৰিন্দা পৰ্বতমালাত ইউকেলিপটাছ ৰোপণ কৰা হৈছিল। তামিলনাডুৰ নীলগিৰি পৰ্বতমালাতো পৰৱৰ্তী কালত এইবিধ গছ লগোৱা হৈছিল। বহুদিন পূৰ্বে ৰাস্তাৰ কাষে কাষে লগোৱা গছবোৰে এতিয়া প্ৰকাণ্ড আকাৰ ধাৰণ কৰিছে। ইয়াৰে কিছুমান গছ মৰি এতিয়া জকাবোৰহে থিয় দি দি আছেগৈ। আন কিছুমান পূৰ্ণবয়সীয়া গছ মৰিবলৈ আৰম্ভ কৰিছে। স্মৃতিৰ সৌধ হিছাপে সেইবিলাক গছ নকটাকৈ ৰাখি দিয়া হৈছে।

অষ্ট্ৰেলিয়াৰপৰা ইউকেলিপটাছ গছৰ সঁচ নি আমেৰিকাত লগোৱা সম্পৰ্কে এটা হাস্য-প্ৰণোদিত জনশ্ৰুতি আছে। অতি কম সময়তে ডাঙৰ হোৱা গছ হ'লেও ইউকেলিপটছ্ গছ চনকা হয় আৰু গছজোপা কাটি ছেও দিলে কুণ্ডাৰ দুই মূৰত ফাট মেলে। সেই কাৰণে আমেৰিকাৰ মানুহবিলাকে অষ্ট্ৰেলিয়াৰ মানুহক You clipped us বুলি কৈ ৰসৰ সৃষ্টি কৰিছিল। সেইবাবেই হেনো এইবিধৰ গছৰ নাম Eucalyptus হ'লগৈ। লছ্ এঞ্জেলছত থকা বনভূমিবিলাকত এইবিলাক গছৰ বাগান আজিকালি দেখিবলৈ পোৱা যায়।

মালাবাৰ উপকূলৰ পশ্চিমঘাট পৰ্বতমালাত এইবিধ বিজাতীয় গছৰ পুলি বাগান আকাৰে লগাবলৈ আৰম্ভ কৰা হ'ল। কালক্ৰমত ভাৰতৰ অন্যান্য ঠাইলৈ এইবিধ গছে প্ৰসাৰতা লাভ কৰিলে। কৰ্ণাটক, গুজৰাট, উত্তৰ প্ৰদেশ আৰু হাৰিয়ানাত সামাজিক বনানীকৰণৰ অঙ্গ হিছাপে ব্যাপক আকাৰৰ ইউকেলিপটছৰ বাগান কৰা হ'ল। অবিভক্ত অসমৰ শ্বিলং পাহাৰতো বহুদিন পূৰ্বেই এইবিধ বিতোপন গছ লগোৱা হৈছিল। এতিয়া তাত দুই-চাৰিজোপা প্ৰকাণ্ড আকাৰৰ ইউকেলিপটাছ্ গছ দেখিবলৈ পোৱা যায়।

বৰ্তমান অসমৰ ভৈয়ামীয়া ঠাইলৈ ইউকেলিপটছ্ গছৰ আগমন বৰ বেছি দিনৰ পুৰণা ঘটনা নহয়। স্বাধীনোত্তৰ কালৰ পঞ্চম দশকত পোন প্ৰথমতে ইয়াৰ সঁচ আনি ঠায়ে ঠায়ে লগোৱা হ'ল। যুদ্ধকালীন সময়ত অসমৰ বনাঞ্চলবিলাকত যি হেঁচা পৰিল তাৰ ফলত মূল্যবান গছ-গছনি ধাৰণ কৰা বহুতো বনভূমি উদং হোৱাৰ উপক্ৰম হ'ল। ক্ষতিপূৰণৰ বাবে খৰতকীয়া ব্যৱস্থা ল'বলৈ পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ যোগেদি পুনৰ বনানীকৰণ আঁচনি (Reafforestation Programme) প্ৰবৰ্তন

কৰিবলগীয়া হ'ল। এই সুযোগতে ইউকেলিপটছ্ গছৰ সঁচ আনি লামডিং সংৰক্ষিত বনাঞ্চল আৰু অন্যান্য ক্ষয়প্ৰাপ্ত বনভূমিত লগোৱাৰ ব্যৱস্থা কৰা হ'ল। খৰতকীয়াভাৱে অতি কম সময়ত লহপহকৈ বাঢ়িব পৰাৰ স্বাভাৱিক প্ৰবৃত্তি থকাৰ বাবে আৰু কাগজৰ মণ্ড তৈয়াৰ কৰাৰ বাবে কেঁচা সামগ্ৰীৰ যোগান ধৰিবলৈ ইয়াৰ ৰোপণ কাৰ্য্য যুক্তিসঙ্গত হ'ব বুলি বিবেচনা কৰা হ'ল।

আজিকালি বনবিভাগৰ সামাজিক বনানীকৰণ শাখাও ৰাস্তাৰ কাষে-পাজৰে এইবিধ গছৰ ৰোপণ কাৰ্য আৰম্ভ কৰিছে। কালক্ৰমত ইয়াৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে।

দক্ষিণ ভাৰতৰ মানুহে ইউকেলিপটছ্ গছৰ পাতৰপৰা এক প্ৰকাৰৰ সুগন্ধি তেল বাহিৰ কৰে আৰু আটোমটোকাৰিকৈ বটলত ভৰাই ভৰাই ইউকেলিপটছ্ তেল (Eucalyptus oil) বিক্ৰী কৰে।

ইউকেলিপটছ্ গছ দেখিবলৈ ধুনীয়া হয়। নতুন ঠাল-ঠেঙুলিবিলাকে আকাশী বৰণ ধাৰণ কৰে। পাতবোৰৰ বৰণ নীলা চানেকীয়াকৈ সেউজ বুলীয়া হয়। বাকলিৰ উপৰিভাগৰ পৰা ৰাংপাতাৰ নিচিনা পাতলীয়া ছাল ওলাই ওলাই আহে। ইয়াৰ ফলশ্ৰুতিত বাকলিখনে বগা বৰণীয়াকৈ মিহি আকৃতি ধাৰণ কৰে।

সৰু আকাৰৰ দীঘলীয়া পাতবোৰে কাঁচি একোখনৰ দৰে ধনুভিৰীয়া আকৃতি ধাৰণ কৰে। কম বয়সীয়া গছৰ পাতবিলাকে কম-বেছি পৰিমাণে একোখিলা পাণৰ আকৃতি ধাৰণ কৰে। একেলগে সৰহীয়াকৈ উৎপন্ন হোৱা গছবিলাকে বিতোপন পৰিবেশৰ সৃষ্টি কৰা দেখা যায়।

ফুলৰ আকাৰ অলপ ডাঙৰ হয়। ফুল বহন কৰা মূল ঠাৰিডাল অলপ কোণীয়া-কোণী হয়। গাইগুটীয়াকৈ ফুল ধাৰণ কৰা ঠাৰিকেইডাল নিচেই চুটি চুটি হয়। চুপহিৰ চুঙাটোৱে অলপ শেঁতা ধৰণৰ মুগা বৰণীয়া ৰং পৰিধান কৰে। পুং-কেশৰৰ ঠৰুৱাবোৰ দীঘল দীঘল হয় আৰু পুং ৰেণুত একাধিক ছিদ্ৰই বিকাশ লাভ কৰি থকা দেখা যায়। ফলবোৰ শুকালে মেৰুটা-মেৰুটি আকৃতি ধাৰণ কৰে।

কোটাহি জামু, ইউজেনিয়া অপাৰকি-উলেটা পৰিয়াল–মিৰ্‌টেছি মক্ৰা জাল, ঝাৰুৱা, গোদাজাম (অসমীয়া) চুমুক্ আবং (কাৰবি)

(Kotahi Jamu) Eugenia operculata Family–Myrtaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। অসম উপত্যকা আৰু বৰাক উপত্যকাৰ প্ৰায়বিলাক ঠাইতে দেখিবলৈ পোৱা যায়। সৰু সৰু পকা ফলবোৰ ল'ৰা-ছোৱালীয়ে বুটলি বুটলি খাবলৈ ভাল পায়। গছজোপাৰ

মূলকাণ্ড, শাখা আৰু অন্যান্য সকলো অংশ লোমবিহীন। বাকলিৰ বৰণ মটীয়া বা মদৰুৱা, তাৰ উপৰিভাগৰপৰা অনিয়মিতভাৱে ফাট মেলা চেকুৰাৰ উৎপত্তি হয়।

পাত উপ-বৃত্তাকাৰ, অদোমুখ ডিম্বাকাৰ, সূক্ষ্মকৌণিকভাৱে জোঙাকাৰ অথবা শীৰ্ষস্থান গোলাকাৰ, লোমমুক্ত উপ-মসৃণ। পাৰ্শ্বসিৰৰ সংখ্যা পাতৰ প্ৰতি অৰ্দ্ধাংশত ৮-১০। সীমান্তৰ আগে আগে গোল গোল আকাৰে সলগ্নিত। উপ-পাৰ্শ্বসিৰবোৰ জালি সম। পত্ৰবৃন্তৰ দৈৰ্ঘ্য ৩-৪ চেণ্টিমিটাৰ।

ক্ষুদ্ৰাকাৰ ফুলৰ বৰণ সেইজ-বুলীয়াকৈ বগা, বৃন্তহীন। পুষ্পক্ৰম পাশ্ব-ছত্ৰাকাৰ আয়োজিত নিয়তাক্ষ। পুষ্পক্ৰম পাৰ্শ্ব-ছত্ৰাকাৰে আয়োজিত নিয়তাক্ষ। ত্ৰিমুখী প্ৰশাখাৰ দ্বাৰা বিভাজিত। চুপহিৰ বৃত্ত ঘণ্টাকাৰ। পাহি বগা। মঙহাল ফল সুষ্মাকাৰ। গোল আৰু শীৰ্ষবিন্দু খণ্ডিতভাৱে সমাকাৰ।

গোলাপী জামু, ইউজেনিয়া জাম্বচ্‌পৰিয়াল-মিৰ্‌টেছি
(Golapi Jamu) Rose Apple Eugenian jambos Family–Myrtaceae

এবিধ মজলীয়া আকাৰৰ লাগতিয়াল গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ ৰং ছাই বৰণীয়া হয়। শাখাডালবিলাকে ধাৰণ কৰা সেউজীয়া বৰণৰ পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। ঠালত পাতবোৰৰ সংস্থাৰণ ৰীতি দুখিলা দুখিলাকৈ বিপৰীতমুখী হোৱা দেখা যায়। পাতৰ দাঁতিভাগ সমান হয় আৰু তাত কোনো প্ৰকাৰৰ খলপা-খলপী দাগ নাথাকে। তলৰ পিঠিতকৈ ওপৰৰ পিঠি অধিক সেউজীয়া হয়। পাতৰ উপশিৰাবোৰ মূল ঠাৰিৰপৰা সমান্তৰালভাৱে বাহিৰৰ ফালে অঙ্কিত হৈ থাকে।

বগী জামু, ইউজেনিয়া লেন্সিফলিয়া পৰিয়াল –মিৰ্‌টেছি
(Bogi Jamu) Eugenia lancifolia Family–Myrtaceae

ফুলৰ বৰণ গুলপীয়া হয়। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলৰ বৰণ ৰঙচীয়া হয়। মঙহাল ফলবোৰ খাবলৈ মিঠা মিঠা লাগে।

এবিধ মজলীয়া আকাৰৰ চিৰ সেউজীয়া গছ। খোৱাৰ উপযোগী এবিধ ফল ধাৰণ কৰাৰ বাবে আমাৰ মানুহে এই জাতৰ দুই-এজোপা গছ বাৰীত লগাই ৰাখে।

গা-গছ আৰু ডাল-ডালবোৰে অন্যান্য গছৰ দৰে মদৰুৱা বৰণ ধাৰণ কৰে। পাতবোৰৰ আকাৰ দীঘল চানেকীয়াকৈ আগৰ ফালে চেলাপেটীয়াকৈ জোঙা হয়। পাতৰ ওপৰ লুটি তলৰ লুটিতকৈ অধিক সেউজীয়া হয়। এইবিধ গছে অলপ মজলীয়া আকাৰৰ বিতোপন ফুল ধাৰণ কৰে। ফুলৰ পুংকেশৰ আৰু গৰ্ভকেশৰবোৰ

দীঘল দীঘল হোৱাৰ বাবে দেখাত এক ৰকম বিতোপন ৰূপ ধাৰণ কৰে। ফলবিলাক ডাঠ বাকলিৰ দ্বাৰা গঠিত হয়। ভিতৰখন ফোপোলা হয় আৰু তাৰ ভিতৰত ক'লা চানেকীয়াকৈ মজলীয়া আকাৰৰ গুটি থাকে।

বটল বুৰুজ, কেলিষ্টেমন লিনিয়েৰিচ্ পৰিয়াল–মিৰটেছি (Bottle Brush)Callistemon linearis Family–Myrtaceae

এবিধ মজলীয়া আকাৰৰ বিতোপন গছ। গা-গছ আৰু ডাল-ডোলৰ উপৰিভাগে ক'লা চানেকীয়াকৈ ছাই বৰণীয়া ৰূপ ধাৰণ কৰে। এই বাকলিৰ ওপৰত গছজোপাৰ ওপৰৰ পৰা তললৈ বিয়পি থকাকৈ ফাটি-ছিটি থকাৰ নিচিনা দীঘলীয়া দীঘলীয়া ফাটৰ উৎপত্তি হয়। ডালবিলাকে তললৈ ওলমি থকাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। নতুনকৈ পুখা মেলা ঠালবোৰৰ ওপৰত আঁহুৰ নিচিনা চুটি চুটি নোম বিকাশ লাভ কৰি থাকে। পাতবোৰ ভাঙিলে তাৰ পৰা একপ্ৰকাৰ গোন্ধ ওলায়। ছিৰিলি ছিৰিলিকৈ বিকশিত হোৱা পাতবিলাক জখলা খলপীয়াভাৱে ডালত উৎপত্তি হয়।

ফুলৰ বৰণ লগ লাগি এডাল ঠাৰিত এডাল বটল চাফা কৰা বুৰুজৰ আকৃতি প্ৰদৰ্শন কৰে। জামুকৰ নিচিনা ফলবোৰৰ মূৰভাগ কাটি থোৱা যেন দেখি। একেলগে ফলবোৰ ফুলগছজোপা উপচাই দিলে দেখিবলৈ বৰ ভাল লাগে। সেইবাবে এইবিধ গছৰ দুই-এজোপা মানুহে বাৰীত লগাই ৰাখে।

বৰ জামু, ইউজেনিয়া জাম্বুলানা ৰিয়াল–মিৰ্টেছি জাম পান (ৰাভা) টুন্‌-মাক্ (তাই-আহোম) জাম্ গিছোম (বড়ো) (Bor Jamu) Eugenia jambolana Family–Myrtaceae

এবিধ মজলীয়া আকাৰৰ কিম্বা অলপ ডাঙৰ বিধৰ চিৰ সেউজীয়া গছ। বছৰৰ সকলো সময়তে এইবিধ গছৰ ডালবোৰে সেউজ-বুলীয়া পাত ধাৰণ কৰি থাকে। খোৱা উপযোগী ফল ধাৰণ কৰাৰ বাবে আমাৰ মানুহে সম্ভৱস্থলত দুই-এজোপা বৰ জামুৰ গছ বাৰীত লগাই ৰাখে। বনবিভাগৰ সামাজিক বননিকৰণ শাখাই আলিবাটৰ কাষত অন্যান্য জাতীয় মূল্যবান গছৰ পুলিৰ দৰে বৰ জামুৰ পুলিও ঠাইবুলি ৰোপণ কৰে। ৰাইজৰ মাজত বিনামূল্যে পুলি বিতৰণ কৰি বৃক্ষৰোপণ কৰিবলৈ উদগনি দিয়ে।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে ধোঁৱা-বৰণীয়া ৰং পৰিধান কৰে। মুকলি ঠাইত উৎপন্ন হোৱা গছে মেলাহিকৈ ডাল-ডোল মেলি ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে।

পাতৰ আকৃতি অলপ দীঘল চানেকীয়া হয়। পাতৰ উপৰিভাগ মিহি হয় আৰু দাঁতিত কোনো ধৰণৰ খাঁজকটা দাগ থকা দেখা নাযায়। থোপা-থোপে ফুল ধৰে।

ফুলৰ বৰণ সামান্যভাৱে সেউজ-বুলীয়া হয়। থোকা-থোকে ফল ধৰে। ফলৰ আকৃতি অলপ দীঘলীয়া হয়। সেউজীয়া ফলবোৰ পকিলে ক'লা হয়। খাবলৈ ভাল লাগে। ঔষধৰ কাম কৰে।

বৰ জামুৰ কাঠ পানীৰ তলত নিৰ্মাণ কৰা কামৰ বাবে বেছি উপযোগী।

মধুৰি আম, ছিডিয়ম্ গুৱাভা পৰিয়াল-মিৰ্‌টেছি চুম্ ফ্ৰাম্ (বড়ো)
(Madhuri Am) Guava Psidium guyava Family–Myrtaceae

এবিধ সৰু কিম্বা মজলীয়া আকাৰৰ চিৰ-সেউজীয়া গছ। অৱশ্যে গছজোপাৰপৰা বছৰৰ প্ৰায় সকলো সময়তে পাত সৰি সৰি থাকে। বাকলিয়ে মুগা চানেকীয়া বৰণ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ মিহি হয়। এই মিহি বাকলিৰ উপৰিভাগৰপৰা পাতলীয়া পাতলীয়া নিকৰিবোৰ এৰাই আহি গছতে লাগি লাগি থাকে।

পাতৰ আকৃতি দীঘলীয়াকৈ দুয়োটা মূৰ চাপ খোৱা হয়। পাতৰ ওপৰলুটি মিহি আৰু তলৰ লুটি অলপ খহটা হয়। তদুপৰি তলৰ লুটিৰ তুলনাত ওপৰৰ লুটি অধিক সেউজীয়া হয়। পাতৰ মাজভাগত বিকশিত হোৱা ঠাৰিডাল পাতখিলাৰ তলৰ লুটিত স্পষ্টভাৱে দৃষ্টিগোচৰ হয়। ইয়াৰ দাঁতিত উদ্ভৱ হোৱা শাখা-সিৰবিলাকে সমান্তৰালভাৱে পাতৰ কিনাৰৰ ওচৰলৈকে বিকশিত হৈ থাকে। এই শাখা-সিৰবোৰৰ আগবোৰ ধনুভিৰীয়াকৈ ভাঁজ খাই থাকে আৰু এইদৰে ওচৰা-উচৰিকৈ থকা শাখাসিৰবিলাকক লগ লগাই ৰাখে। পাতৰ স্থাপন পদ্ধতি বিপৰীতমুখী হয়।

ঠালৰ আগত বগা বৰণীয়া ফুল ধৰে। একেডাল ঠাৰিতে দুই-তিনি পাহকৈ ফুল ধৰে। ফল মণ্ডহাল হয়। জাত অনুযায়ী ফলৰ আকাৰ-আকৃতিত তাৰতম্য পৰিলক্ষিত হয়। ফলৰ ভিতৰৰ পদাৰ্থখিনি সাধাৰণতে বগা আৰু কোনো কোনো বিধ মধুৰি আমৰ ক্ষেত্ৰত ৰঙচীয়া হয়। ভিতৰত অসংখ্য গুটি হয়। কাঠ টান হয়। দা-কটাৰিৰ নাল লগাব পাৰি।

লং, লৱংগ ইউজেনিয়া কেৰিওফাইলাটা কেৰিওফাইলচ এৰোমেটিকচ পৰিয়াল-মিৰ্‌টেছি
(Long) (Lavanga) Eugenia caryophyllata Caryophyllus aromaticus Family–Myrtacea

লং বা লঙ্গ নামেৰে পৰিচিত এবিধ মজলীয়া আকাৰৰ গছ। অসমত অৱশ্যে এইবিধ গছ দেখিবলৈ পোৱা নাযায়। লং নামেৰে জনাজাত মছলা জাতৰ সৰু সৰু ফলবিলাক এইবিধ গছে ধাৰণ কৰে। অসমলৈ এই ফল পশ্চিমীয়া ৰাজ্যবিলাকৰপৰা আহে। তামোলৰ লগত মছলা হিছাপে এই ফল খোৱা হয় আৰু উপাদেয় তৰকাৰি তৈয়াৰ

কৰোঁতে মছলা হিছাপে লং অন্যান্য মছলাৰে সৈতে ব্যৱহাৰ কৰা হয়।

কুম্ভী, কেৰিয়া আৰবৰিয়া পৰিয়াল–লেচিথিদেচি
(Kumbhi) Careya arborea Family–Lecythidaceae

ধপলা-ধপল পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। নামনি অসমৰ শালনি হাবি আৰু অন্যান্য জাতৰ গছ-গছনি থকা বনাঞ্চল বিলাকত এইবিধ গছৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। ওখই প্ৰায় দহ-পোন্ধৰ মিটাৰমান হোৱা পৰিলক্ষিত হয়। শালনি হাবি আৰু নানা জাতীয় গছৰ বিকাশ সাধন হোৱা মুকলিমূৰীয়া বনাঞ্চলবিলাকত যিবিলাক বিভিন্ন জাতৰ গছৰ উৎপত্তি হয় সেইবিলাক গছৰ ভিতৰত কুম্ভী গছ অন্যতম।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ উপৰিভাগত উদ্ভৱ হোৱা বাকলিবোৰ কোমল চানেকীয়া হয় আৰু এই বাকলিৰ বৰণ মদৰুৱা হয়। ঠিক সেইদৰে বাকলিৰ ভিতৰত উৎপন্ন হোৱা কাঠৰ বৰণৰ বগা চানেকীয়াকৈ শেঁতা হয় আৰু এই কাঠ কোমল চানেকীয়া হোৱা দেখা যায়। থোপা-থোপে ফুল ধৰে।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ কোমল হোৱাৰ বাবে বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি। কাপোৰত দাগ দিবলৈ ধোবাই এইবিধ গছৰ গুটি ব্যৱহাৰ কৰে।

কেনন বল, কৌৰপিটা গোৱানেনচিচ্ পৰিয়াল–লেচিথিদেচি
(Cannon-ball tree) Couroupita guianensis Family–Myrtaceae

এবিধ সৰু বা মজলীয়া আকাৰৰ বিচিত্ৰ গছ। ইয়াৰ উৎপত্তি স্থান দক্ষিণ আমেৰিকা গ্ৰীষ্ম মণ্ডল বুলি জনা যায়। ১৮৮১ চনত ইয়াৰ সঁচ আনি পোন প্ৰথমতে সিংহলত আৰু পৰৱৰ্তী কালত ভাৰতৰ অন্যান্য ঠাইত লগোৱা হয়। আজিকালি অসমতো কোনো কোনো মানুহৰ ঘৰত দেখিবলৈ পোৱা যায়। ডাঙৰ আকাৰৰ পাতবোৰে ডিম্বাকৃতিৰ ৰূপ ধাৰণ কৰে। পাতখিলা ঠাৰিৰ ফালে সৰু সৰু আৰু আগৰ ফালে বহল হয়। পাতবোৰৰ দুয়োফালে ঔ-টেঙাৰ পাতৰ দৰে শাখাসিৰবোৰে বিকাশ লাভ কৰি থাকে।

দীঘল দীঘল ঠাৰিৰ আগভাগত ডাল মেলা থোপাৰ আকৃতিত পুষ্পগুচ্ছৰ (Inflorescence) উৎপত্তি হয়। তেতিয়া গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে বেল বা শ্ৰীফলৰ নিচিনা প্ৰকাণ্ড আকাৰৰ গোল গোল ফল ধৰে। এই ফলৰ কঠিন বাকলিখনৰ ভিতৰত কোমল ধৰণৰ উগ্ৰগন্ধী পদাৰ্থৰ উৎপত্তি হয়। ৮-৯ মাহমানৰ পাছত যেতিয়া এই ফল পকে তেতিয়া অকটা গোন্ধৰ পৰিমাণ বেছি হয়।

বিচিত্র আকাৰ আকৃতিৰ ফল ধাৰণ কৰাৰ বাবে ইয়াক লগোৱা হয়।

হিজল, বেৰিংটোনিয়া একিউটেঙ্গুলা পৰিয়াল–লেচিথিদেচি চিং চং আৰং (কাৰবি) হিজল, পানী-অমৰা, ভেহ (অসমীয়া)
(Hijal) Barringtonia acutangula
Family–Myrtaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। সাধাৰণতে দ-চানেকীয়াবিলাকত ইয়াৰ উৎপত্তি হয়। বাৰিষা গছজোপা আধা-আধি পানীৰ তলতে ডুব গৈ থাকে। বাকলি মদৰুৱা কিম্বা ক'লা চানেকীয়া বৰণ ধাৰণ কৰে। বাকলিৰ উপৰিভাগৰ দীঘলে দীঘলে পাট মেলি থকা দেখা যায়। ভিতৰৰ মঙহাল পদাৰ্থখিনি ৰঙচুৱা হয়।

ঠাৰিবিলাকৰ আগৰ থোপা-থোপে পাতৰ আৱিৰ্ভাৱ হয়। এই পাতবোৰে ডিম্বাকৃতি প্ৰদৰ্শন কৰে। পাতবিলাক মিহি আৰু চনকা হয়। দাঁতিত সামান্য আকৃতিৰ খাঁজ কটা দাগ থাকেঁ। পাতৰ মাজভাগত থকা মূলসিৰৰ দুয়োফালে কেবা যোৰাও শাখাসিৰ থাকে।

দীঘল চানেকীয়া ঠালৰ আগভাগবিলাকে থোপা-থোপে ফুল ধৰে। ফুলৰ বৰণ ৰঙচুৱা হয়। ফুলবোৰ পূৰঠ হ'লে সৰু সৰু মঙহাল ফল ধৰে।

কাকৈ-চেৰা, মেমেচাইলন চেৰাচিফৰনি পৰিয়াল–মেলাষ্টমেচি নৰাকং (কাৰবি) পান্দাওজে (কছাৰী)
(Kakoi-Chera) Mamecylon cerasiforme
Family–Melastomacee

এবিধ সৰু আকাৰৰ বনৰীয়া গছ। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাগত ওপৰৰ পৰা তললৈ বৈ পৰা দীঘল দীঘল ফাটৰ উৎপত্তি হোৱা দেখা যায়। পাতবিলাকে গাইগুটীয়াভাৱে কেতিয়াবা সমানভাৱে দীঘলীয়া আৰু কেতিয়াবা ভোটোকাভাৱে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। এই পাতবোৰৰ দুয়োটা মূৰেই দীঘল-নেজীয়া ৰূপ ধাৰণ কৰে। পাতবোৰে চামৰাৰ দৰে ডাঠ আৰু মিহি হোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বৰণত হালধীয়া চানেকীয়াকৈ সেউজ-বুলীয়া হোৱা দেখা যায়।

ফুলৰ বৰণ শেঁতা চানেকীয়া হয়। ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া ফল ধাৰণ কৰে। এই ফল জামুৰ দৰে মঙহাল হয়। পকিলে ক'লা পৰে।

গছ ফুটকলা, ব্লাচ্‌টচ্‌ কচিন্‌চাইনেনচিচ্‌ পৰিয়াল–মেলাষ্টমেচি
(Gach Phutkala) Blastus cocrinchinensis
Family–Melastomaceae

এবিধ অলপ ডাঙৰ আকাৰৰ ফুটকলা জাতীয় বনৰীয়া জোপোহা উদ্ভিদ। সাধাৰণতে উজনি অসমৰ কোনো কোনো এলেকাত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। চুপহিৰ তলৰফালে বগা চানেকীয়া অতিৰিক্ত চুপহি বা আৱৰণৰ

আৱিৰ্ভাৱ হোৱা দেখিবলৈ পোৱা যায়। এই আবৰণৰ ওপৰতো ঘূৰণীয়া ঘূৰণীয়া বাকলিৰ উৎপত্তি হয়। গুৰিৰ ফালে বহল ৰূপ ধাৰণ কৰা পাতবোৰ অগ্ৰভাগ ক্ৰমে জোঙা হৈ যায়। পাতৰ দুয়োকাষত তিনি যোৰাৰপৰা পাঁচ যোৰা উপ-সিৰৰ উদ্ভৱ হয়। পাতৰ তলৰ লুটিত উপ-সিৰকেইডালৰ ওপৰে ওপৰে ক্ষুদ্ৰাকাৰ বাকলিয়ে বিকাশ লাভ কৰে। গাইগুটীয়াভাৱে কোনো কোনো পাতৰ ওপৰৰ পিঠিতো এনে বাকলি সেৰেঙাভাৱে বিকশিত হোৱা দেখিবলৈ পোৱা যায়।

পাত ধৰা ঠাৰিৰ গুৰিয়ে গুৰিয়ে সৰু সৰু ফুল ধৰে। আকাৰত চুপহিবিলাকে· কম-বেছি পৰিমাণে সমান সমান আকাৰ ধাৰণ কৰে। শুকান শুকান ফলবোৰৰ ভিতৰত সৰু সৰু গুটিৰ আৱিৰ্ভাৱ হয়।

ফুটকলা, মেলাষ্ট্ৰোমা মালাবাথ্ৰিকম্ পৰিয়াল–মেলাষ্ট্ৰমেচি বিট আৰং (কাৰবি) ফুটুলি (কাছাৰ) থুং থু (মেচ) দিয়েং-চহ-খিং (খাচিয়া) (Phutkala) Melastoma malabathricum Family–Melastomaceae

এবিধ বিতোপন আকৃতিৰ বনৰীয়া জোপোহা গছ। মুকলিমূৰীয়া হাবি বা বাম চানেকীয়া পথৰুৱা ঠাইবিলাকত ইয়াক দেখিবলৈ পোৱা যায়। কেতিয়াবা একেডোখৰ ঠাইতে বহু-সংখ্যক গছ একেলগে দেখিবলৈ পোৱা যায়। গছডালৰ বৰণ মদৰুৱা হয় আৰু ঠাল-ঠেঙুলিবিলাকত চেপেটাকৈ লাগি থকা চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। কুমলীয়া কুমলীয়া ঠাৰিবোৰতো নোমৰ উৎপত্তি হোৱা দেখা যায়। অলপ দীঘলীয়া পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। গুৰিৰ ফালে গোল আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। অলপ ডাঠ চানেকীয়া এই পাতবিলাক স্পৰ্শ কৰিলে খহটা খহটা লাগে।

ফুলৰ পাহিবিলাকে ৰঙচুৱা অথবা বেঙুনীয়া বৰণ ধাৰণ কৰে। ফুল ফুলি থকাৰ সময়ত গছজোপাই আকৰ্ষণীয় ৰূপ প্ৰদৰ্শন কৰে। ফুলৰ গুৰিত ডাঠ চানেকীয়া অতিৰিক্ত চুপহি বা আবৰণৰ উৎপত্তি হয়। ফুল ধাৰণ কৰা ঠাৰিডাল মজবুত হয়। ফুল পূৰঠ হ'লে গৰু-খিচৰ নিচিনা মঙহাল ফল ধৰে। এই ফল খাবলৈ মিঠা মিঠা লাগে। জিভাত ক'লা ৰং ধৰে।

বগা ফুটকলা, অ'চবেকিয়া নেপালেন্সিচ্ পৰিয়াল–মেলাষ্ট্ৰমেচি (Boga Phutkala) Osbeckia nepalensis Family–Melastomaceae

ফুটকলা বা ফুটকি জাতীয় আন এবিধ জোপোহা বিধৰ বনৰীয়া উদ্ভিদ। মুকলিমূৰীয়া হাবি বা বাম চানেকীয়া পথাৰত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। দীঘলীয়া বিধৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰা

পাতবোৰৰ বৰণ অলপ ধেলা বা শেঁতা চানেকীয়া হোৱা দেখা যায়। পাতবিলাক খহটা হয় আৰু এই পাতৰ উপৰিভাগত চেপেটা খাই লাগি থকা নোমৰ আবিৰ্ভাব হয়। পাতবোৰৰ অগ্ৰভাগ জোঙা আৰু গুৰিৰ অংশ হেলনীয়াকৈ গোল হয় মূলসিৰৰ দুয়ো কাষে পাঁচ ডাল পাঁচ ডাল উপ-সিৰৰ উৎপত্তি হয়। পাত বহন কৰা ঠাৰিবোৰ চুটি চুটি হয়।

ফুলৰ পাহিবোৰে এক ৰকমৰ বগা ৰং প্ৰদৰ্শন কৰে। প্ৰত্যেক পাহি ফুলে পাঁচ পাহ পাঁচ পাহকৈ চক্ৰাকাৰে পাহি ধাৰণ কৰে। একেডাল ঠাৰিতে কেবাপাহো ফুলৰ ঠাল ধৰে। তলৰ ঠাৰিবিলাক ওপৰৰ ফালে বিকশিত হোৱা ঠাৰিত ক্ৰমে দীঘল হোৱাৰ ফলত আটাইকেইপাহ ফুলে কম-বেছি পৰিমাণে একে সমতলত বিকাশ লাভ কৰি থাকে। ফলবোৰে কলহ বা টেকেলিৰ আকৃতি প্ৰদৰ্শন কৰে।

এবিধ সৰু বিধৰ বনৰীয়া গছ। ঠাল-ঠেঙুলিবিলাকৰ আকৃতি কম-বেছি পৰিমাণে গোল গোল হোৱা দেখা যায়। এই ঠালবোৰৰ উপৰিভাগত এক প্ৰকাৰ কৰ্দৈসিৰীয়া আঁচ বা ৰেখাৰ উৎপত্তি হয়। নতুনকৈ ওলোৱা কুঁহিপাতৰ পোখাবিলাকে ৰঙচীয়া বৰণ ধাৰণ কৰে। পাতবিলাকে কেতিয়াবা গাইগুটীয়াভাৱে ডিম্বাকৃতিৰ ৰূপ প্ৰদৰ্শন কৰে। কোনো কোনো ক্ষেত্ৰত এই পাতবোৰৰ দুই-এখিলাই দীঘলীয়া ৰূপ ধাৰণ কৰে। দুয়ো ক্ষেত্ৰত পাতৰ অগ্ৰভাগ সামান্য আকাৰে নেজাল হয়। পাতৰ গুৰি অংশ মধ্য ভাগতকৈ ঠেক হয়। ঘাই সিৰৰ দুয়ো কাষত তিনিযোৰৰপৰা আৰম্ভ কৰি পাঁচ যোৰা পৰ্যন্ত উপ-সিৰৰ উৎপত্তি হয়। পাত ধাৰণ কৰা ঠাৰিডাল তেনেই চুটি হোৱা দেখা যায়।

বগী টেঙা, মেদিনিলা ৰুবিকুন্দা পৰিয়াল–মেলাষ্ট্ৰমেচি (Bogi-tenga) Medinilla rubicunda Family–Melastomaceae

ফুলৰ বৰণ ৰঙচীয়া হয় আৰু প্ৰত্যেক পাহ ফুলে ৪ খিলাকৈ সমান আকাৰৰ চুপহি ধাৰণ কৰে। ঠাৰিৰ অগ্ৰভাগত থোপাৰ আকাৰে ফুলবোৰ বিকশিত হয়। ফুলবোৰ পূৰঠ হ'লে মঙহাল ফল ধৰে। এই ফল খাবলৈ টেঙা টেঙা লাগে। পাতবিলাকক তৰকাৰি হিছাপে কোনো কোনো লোকে ব্যৱহাৰ কৰে।

উজনি ডিহিং সংৰক্ষিত বনাঞ্চলত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

বিলাতী ফুট্‌কলা, টিবোচিনা চেমিডেকান্ড্ৰা পৰিয়াল–মেলাষ্ট্ৰমেচি (Bilati Phutkola) Tibouchina semidecandra Family–Melastomaceae

ফুটকলাৰ নিচিনা এবিধ বিজাতীয়া জোপোহা আকৃতিৰ সৰু উদ্ভিদ। এইবিধ উদ্ভিদৰ উৎপত্তি সাধাৰণতে অসমত দেখিবলৈ পোৱা নাযায়। মেঘলায়ৰ ৰাজধানী শ্বিলঙত

আকৰ্ষণীয় ফুল ফুলা উদ্ভিদ হিছাপে ইয়াক ফুলনি বা উদ্যানত ৰোপণ কৰা হয়। ঠাল-ঠেঙুলি, পাতৰ ঠাৰি আৰু পুষ্প ধাৰণ কৰা ঠৰুবাবিলাকত চুটি নোমৰ আবিৰ্ভাৱ হয়।

পাতবোৰে দীঘল পহীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ অগ্ৰভাগ জোঙা চানেকীয়া হয়। এই পাতৰ দুয়ো পিঠিত কোমল আমল আৰু চুটি চুটি নোমৰ আবিৰ্ভাৱ হয়। প্ৰত্যেকখিলা পাতৰ দুয়ো পিঠিয়ে ৫ ডালৰপৰা ৭ ডাল পৰ্যন্ত উপ-সিৰ ধাৰণ কৰে।

ফুলৰ বৰণ গভীৰভাৱে বেঙুনীয়া হয় আৰু এই ফুলবিলাকে অতি মোহনীয়া ৰূপ ধাৰণ কৰে। প্ৰত্যেক পাহ ফুলে ৫ খিলা বেঙুনীয়া চুপহি চক্ৰাকাৰে প্ৰদৰ্শন কৰে। পুং কেশৰৰ ঠাৰিবোৰেও উজ্জ্বল বেঙুনীয়া বৰণ ধাৰণ কৰে।

ইয়াৰ উৎপত্তি স্থান দক্ষিণ আমেৰিকা বুলি জনা যায়। অসমৰ ভৈয়াম অঞ্চলত ইয়াক লগালেও বেছি দিন নিটিকে।

ৰঙা ফুটকলা, অ'চবেকিয়া ৰোষ্ট্ৰেটা পৰিয়াল–মেলাষ্ট্ৰমেচি
(Ronga Phutkola) Osbeckia rostrata Family–Melastomaceae

দ-চানেকীয়া কিম্বা ভেৰোণীয়া ঠাইত উৎপত্তি হোৱা এবিধ দীঘলীয়া আকৃতিৰ জোপোহা উদ্ভিদ। একোজোপা গছৰ উচ্চতা প্ৰায় ডেৰ-দুই মিটাৰমান হোৱা দেখা যায়। ঠালবোৰে চেপেটাকৈ বাকলিত লাগি লাগি থকা চুটি চুটি নোম ধাৰণ কৰে। ডিম্বাকৃতিৰ দীঘল পহীয়া পাতবোৰে ঢেলা অথবা পাতলীয়াকৈ সেউজ-বুলীয়া বৰণ ধাৰণ কৰে। গুৰিৰফালে ঘূৰণীয়া আৰু আগৰ ফালে ক্ৰমে জোঙা হয়। এই পাতৰ উপৰিভাগত চুটি চুটি নোমৰ আবিৰ্ভাৱ হয়।

ফুলৰ বৰণ গুলপীয়া বা ৰঙচুৱা হয়। পুষ্প ঠাৰিৰ অগ্ৰভাগে এপাহ ফুল ধাৰণ কৰে আৰু আন আন ফুল ধাৰণ কৰা ঠাৰিবোৰ মুখ্য ঠাৰিয়ে ধাৰণ কৰাৰ ফলত একোটা থোপাৰ আকাৰ ফুলৰ বিকাশ হয়। এই ফুলবোৰ পূৰঠ হ'লে যিবিলাক মগুহাল ফলৰ উৎপত্তি হয় সেই ফলবোৰে টেকেলি বা কলহৰ আকৃতি ধাৰণ কৰে।

লতা ফুটকলা, এন্‌প্লেক'ট্ৰাম আচামিকম পৰিয়াল–মেলাষ্ট্ৰমেচি
(Lota Phutkola) Anplectrum assamicum Family–Melastomaceae

এবিধ অলপ ওখবিধৰ ফুটকলা জাতীয় বনৰীয়া গছ। উত্তৰপাৰে লক্ষীমপুৰ জিলা আৰু দক্ষিণপাৰে শিৱসাগৰ, ডিব্ৰুগড় প্ৰভৃতি জিলাই ধাৰণ কৰা ঘোষিত অথবা অঘোষিত বনভূমি-বিলাকত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। জোপোহা গছডালৰ উচ্চতা ৩ মিটাৰ পৰ্যন্ত হোৱা দেখা যায়। মূলকাণ্ড, শাখা-প্ৰশাখা, পত্ৰবৃন্ত, পাতৰ মধ্যসিৰ দাঁতিভাগ আৰু পুষ্পক্ৰমৰ বৃন্ত ঠৰঙা ঠৰঙা আৰু চুটি চুটি নোমৰদ্বাৰা

সামান্যভাৱে আবৃত। বিপৰীতমুখী পত্ৰৰ আকাৰ দীঘলে দীঘলে প্ৰায় ১০ চেণ্টিমিটাৰ আৰু পথালিভাৱে ৫-৬ চেণ্টিমিটাৰমান হোৱা দেখা যায়। আয়তাকাৰ-বল্লমাকাৰ বা ডিম্বাকাৰ-আয়তাকাৰ, কেতিয়াবা উপ-বৃত্তাকাৰ-বল্লমাকাৰ, কুশগ্ৰী, সুষ্মাকাৰে আৰু সেৰেঙা সেৰেঙে সীমা দন্তী আৰু শেষান্তৰত প্ৰায় সৰল। পত্ৰৰ নিম্নাংশ ৩-৫ সিৰযুক্ত, উপ-হৃদয়াকাৰ, ক্ৰমে ঠেক, গোলাকাৰ, কেতিয়াবা অসমান, উপ-চৰ্মিল, ওপৰ লুটি লোমমুক্ত। পত্ৰবৃন্ত অতি হ্ৰস্ব।

ফুল চতুৰ্পাহি যুক্ত, পষ্পক্ৰম পিৰামিদাকাৰে শীৰ্ষস্থানীয় যৌগিক মঞ্জৰী, প্ৰশাখা বিপৰীতমুখী, ত্ৰৈৰাশিকভাৱে নিয়তাক্ষ। সূক্ষ্মাকাৰ বেটুসমূহ বল্লমাকাৰ, ডিম্বাকাৰ, লোমযুক্ত। বেটু প্ৰায় আধা চেণ্টিমিটাৰ দীৰ্ঘ, আয়তাকাৰ, প্ৰায় লোমমুক্ত। দন্ত অস্পষ্ট, বৰ্দ্ধনশীল। পাহি চতুমুৰ্খী, বগা পাকখোৱা। ভোটা মুখীয়া আৰু শীৰ্ষবিন্দু সামান্যভাৱে নোমাল। পুংকেশৰ ৮, আধাৰিত অঙ্গত প্ৰতিস্থিত, সুত্ৰ ৪ দীৰ্ঘ পুংমুণ্ডধাৰী আৰু ৪ হ্ৰস্ব পুংমুণ্ডধাৰী। গৰ্ভকোষ আধাৰ সংলগ্নিত, মুক্ত অংশ নিমজ। গুটি বাহক ফুলে চাৰিটাকৈ বীজ বহন কৰে। ফল প্ৰায় গোলাকাৰ, মঙহাল।

আজাৰ জাৰুল, লেগাষ্ট্ৰমিয়া ফ্ৰচ্ৰিজাইনা পৰিয়াল–লিথ্ৰেছি জাৰুল (বঙালী) আজকাৰি (আছিক) চেহাৰ আৰং, ওঝাৰ (কাৰবি) আজাৰ আছিং (মিছিং) আজ্ৰি (ৰাভা) আওঝাৰ (বড়ো) (Ajhar) Lagerstrolmia flos-reginae Family–Lythraceae

এবিধ মজলীয়া আকাৰৰ জাৰকালি পাত সৰা গছ। মুকলি ঠাইত উৎপন্ন হোৱা আজাৰ গছে প্ৰথমৰে পৰা চৌপাশে ডাল-ডোল মেলি জোপোহা আকৃতি ধাৰণ কৰে। গছজোপাৰ বাকলিবিলাকে পাতলীয়াকৈ ছাই-বৰণীয়া ৰং ধাৰণ কৰে। বাকলিখনৰ উপৰিভাগৰ পৰা পাতল চানেকীয়া নিকৰি এৰাই এৰাই ওলমি পৰা দেখা যায়। খম্খমীয়া পাতবোৰে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে।

ফুল থোপা-থোপে ফুলে। একোথোপা ফুল ধাৰণ কৰা ডালিবোৰে গছজোপাৰ উপৰিভাগ ৰং চঙীয়া ফুলেৰে উপচাই পেলায়। ফুলৰ পাহিবোৰ বেঙুনীয়া হয়। ফুল ফুলাৰ সময়ত গছজোপাই বিতোপন ৰূপ প্ৰদৰ্শন কৰে।

এইবিধ গছৰ পৰা উৎপন্ন হোৱা কাঠ অতিশয় টান হয়। কেঁচা ঘৰত খুঁটা লগোৱা, নাও সজা, গাড়ীৰ চকা বনোৱা আদি নানা কামত এই কাঠ লগোৱা হয়।

বনবিভাগে দ-চানেকীয়া ঠাইবিলাকত এইবিধ মূল্যবান গছৰ বাগান নিৰ্মাণ কৰে। বাগানত লগাই দিয়া গছবিলাক পোলোভা হয়। আলঙ্কাৰিক গছ হিচাপে সামাজিক বননিকৰণ শাখাই এইবিধ গছ আলিবাটৰ কাষত ঠায়ে ঠায়ে লগাই দিছে।

খোকন, দোৱাবাংগা গ্ৰেণ্ডিফ্ৰোৰা দোবাংগা চোনেৰাটিয়ইদিছ পৰিয়াল-লিথ্ৰেছি থৰা (কামৰূপ) ৰাম-ডালা (কাছাৰ) মুঞ্জিন্ আৰং (কাৰ্বি) দিয়েং-মলই, দিয়েং-বাই, দিয়েং পাৰাম (খাচিয়া) কাবো আছিং (মিচিং) বান্দৰ-কান্দা (মেচ) বান্দৰ কান্দা (বড়ো)
(Khukan) Duabanga grandiflora
Syn. Duabanga sonneratioides
Family–Lythraceae

অলপ ডাঙৰ আকাৰৰ বনৰীয়া গছ। অসমৰ বনভূমিবিলাকত ঠাই অনুযায়ী উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। বাকলিয়ে মদৰুৱা বৰণ প্ৰদৰ্শন কৰে। এই বাকলিৰ উপৰিভাগত দীঘল দীঘল ফাটৰ আভাস পৰিলক্ষিত হয়। বাকলিৰ ভিতৰখন মুগা চানেকীয়া হয়। পাতৰ আকৃতি দীঘলীয়া হয় আৰু একোখিলা পাতৰ এক অৰ্দ্ধাংশ দ্বিতীয় অৰ্দ্ধাংশৰ তুলনাত ডাঙৰ হোৱা দেখা যায়। ডালবোৰ মাটিলৈ ওলমি ওলমি থাকে।

থোপা-থোপে ফুল ফুলে। ফুলৰ পাহিবোৰে সেউজীয়াকৈ শেঁতা বৰণ ধাৰণ কৰে। এই ফুলবোৰ নাকেৰে সুঙিলে এক প্ৰকাৰৰ অকটা গোন্ধ অনুভৱ কৰিব লগা হয়। গোটা গোটা ফলবোৰে নিচেই সৰু আকাৰৰ গুটি ধাৰণ কৰে।

এইবিধ গছৰ পৰা উৎপাদন হোৱা মুগা চানেকীয়া বৰণ প্ৰদৰ্শন কৰে। তাৰ মাজে মাজে অলপ হালধীয়া বৰণৰ আভাস দৃষ্টিগোচৰ হয়। নানা কামত এই কাঠ লগাব পাৰি।

চিদা, লেগাষ্ট্ৰমিয়া পাৰ্ভিফ্লোৰা পৰিয়াল-লিথ্ৰেছি থেংক্ৰি আৰং (কাৰ্বি) বল দিছাই (আছিক) দিয়েং লাং-চিং (খাচিয়া) বনচিথা আজৰাই (কছাৰী) চিদা (বড়ো)
(Sida) Lagerstroemia parviflora
Family–Lythraceae

এবিধ ওখ ডাঙৰ আকাৰৰ জাৰকালি পাতসৰা বনৰীয়া গছ। নামনি আৰু মধ্য অসমৰ অৰণ্যভূমিবিলাকৰ ঠায়ে ঠায়ে এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। উত্তৰ পাৰৰ বনাঞ্চলবিলাকতো ইয়াক দেখিবলৈ পোৱা যায়। কাছাৰ জিলা, কৰিমগঞ্জ জিলাকে ধৰি কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত এইবিধ গছে বিকাশ লাভ কৰা দেখা যায়।

গছজোপা গোলোঙা হয়। বনভূমিবিলাকত উৎপন্ন হোৱা বিভিন্ন জাতৰ ওখ ওখ গছবিলাকৰ লগত মিহলি হৈ থকা দেখা যায়। সৰু সৰু আকাৰৰ ঠালবিলাকে চাৰিসিৰীয়া আকৃতি ধাৰণ কৰে। সিৰৰ পৰা কেতিয়াবা কেতিয়াবা এচটা চেপেটা আৰু দীঘলীয়া বাকলি ওলাই অহা দেখা যায়। পাতবোৰ দীঘলীয়াকৈ আগৰ ফালে জোঙা হয়। ফুল থোপা-থোপে ফুলে আৰু বৰণত ফুলৰ পাহিবোৰ বগা হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ সামান্যভাৱে মুগা চানেকীয়া হয়। কেঁচা ঘৰত খুঁটা লগোৱা, নাও সজা, খেতিৰ সঁজুলি তৈয়াৰ কৰা আদি কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

জেতুকা, লচনিয়া ইন্টাৰমিচ পৰিয়াল–লিথ্ৰেছি
(Jetuka) Lawsonia intermis Family–Lythraceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। এইবিধ গছৰ দুই-এটা পুলি আমাৰ মানুহে বাৰীত লগাই ৰাখে। বহাগৰ বিহুৰ আগদিনা এইবিধ গছৰপৰা পাত ছিঙি আনি পটাত বটে আৰু অলপমান পানীত মিহলি কৰি ৰাতাৰাত হাতৰ তলুৱা আৰু ভৰিৰ তলুৱাত আঙুলিৰ ভিতৰভাগৰ লগত বান্ধি ৰাখে। পিছদিনা বান্ধটো খুলি দিলে হাত-ভৰিৰ তলুৱা আৰু আঙুলিবোৰত ৰঙচুৱা ৰং ধৰে। এইদৰে বহাগৰ বিহুত জেতুকাৰ বুল লগাই আমাৰ জিয়াৰী-বোৱাৰীবিলাকে আনন্দ লাভ কৰে।

একোজোপা জেতুকা গছে ২-৩ মিটাৰমান উচ্চতা লাভ কৰা দেখা যায়। বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। ঠালত বিপৰীতমুখী হৈ সংস্থাপিত হৈ থকা সেউজীয়া পাতবিলাক সৰু সৰু হয়। ডিম্বাকৃতি ৰূপ ধাৰণ কৰা পাতৰ গুৰি অংশ বহল আৰু আগৰফালে ক্রমে জোঙা হয়। পাতল চানেকীয়া পাতবোৰে সেউজীয়া বৰণ প্রদর্শন কৰে। সৰু সৰু ফুল ফুলে। ডাল এটা কাটি লগাই দিলে তাৰ পৰা পোখা ওলাই নতুন গছৰ উৎপত্তি হয়।

ডালিম, পিউনিকা গ্রেনেটম্ পৰিয়াল–লিথ্ৰেছি
(Dalim) Pomegranate Punica granatum Family–Lythraceae

এবিধ মজলীয়া আকাৰৰ বাৰীত লগোৱা আৰু খোৱাৰ উপযোগী ফল ধৰা গছ। বছৰৰ এটা সময়ত পাতবিলাকে সৰি গছজোপা লঠঙা হয়। বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে। সেউজ-বুলীয়া পাতবিলাকে দীঘল চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। ঠাৰিৰ মাজে মাজে পাতবোৰ বিপৰীতমুখীভাৱে স্থাপিত হৈ থকাৰ প্রবৃত্তি প্রদর্শন কৰে। কেতিয়াবা কেবাখনো পাতৰ একে ঠাইতে উৎপত্তি হয়। পাতৰ লগে লগে বিপৰীতমুখীভাৱে দুডাল দুডালকৈ শাখা ঠাৰিৰ বিকাশ হয়। মাজে মাজে দুই-এডাল শাখা ঠাৰি ৰূপান্তৰ হৈ কাঁইটৰ আকাৰে বিকশিত হোৱা দেখা যায়। কাঁইটৰ গুৰিৰপৰা এযোৰা বা দুযোৰা পাতৰ উৎপত্তি হয়।

ফুলৰ বৰণ গভীৰ ৰঙা হয়। ফুলৰ পাহি চুঙা পহীয়া আৰু মঙহাল হয়। ফুল ফুলিলে গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। ফলৰ ওপৰত ডাঠ বাকলি হয়। ভিতৰত

থকা গুটিৰ উপৰিভাগ গুলপীয়াকৈ মঙহাল হয়। এই গুটিবোৰ খাবলৈ ভাল লাগে।

পাৰুল তমাল, লেগাষ্ট্ৰমিয়া ইন্দিকা পৰিয়াল–লিথ্ৰেছি
(Parul) (Tomal) Lagerstroemia indica Family–Lythraceae

বিতোপন ফুল ধাৰণ কৰা এবিধ ফুল জাতীয় জোপোহা গছ। আকৰ্ষণীয় ফুল ফুলা গছ হোৱাৰ বাবে ইয়াৰ দুই-এজোপা গছ ফুলনিবাৰী কিম্বা উদ্যান-উপবনত লগোৱা হয়। ওখই এইবিধ গছ তিনি-চাৰি মিটাৰমান হোৱা দেখা যায়। ডাল উপ-ডালবিলাকে গছজোপাৰ চৌপাশে বিকাশ লাভ কৰে। পাতবোৰ আকাৰত ৰং ছাই-বৰণীয়া হয়। বাকলি উপৰিভাগৰ পৰা সৰু সৰু নিকৰি ওলাই ওলাই আছে।

ইয়াৰ দুটা জাত আছে। এই জাতে ধাৰণ কৰা ফুলবিলাক ৰঙচুৱা বা গুলপীয়া হয়। আনটো জাতে বগা ফুল ধাৰণ কৰে।

বনৰীয়া অৱস্থাত এইবিধ গছ অসমৰ বনভূমিবিলাকত দেখিলৈ পোৱা নাযায়।

পানী শিঙৰি, থাপা বাই স্পাইনোছা পৰিয়াল–অনাগ্ৰেছি শিঙ্গাৰা, পানীফল (বঙালী) ৱাটাৰ চেষ্টনট্ (ইংৰাজী)
(Pani Hingori) Water ChestnutTrapa bispinosa Family–Onagraceae

পানীত ওপঙি উৎপত্তি হোৱা এবিধ জলবাসী উদ্ভিদ। বিল, পুখুৰী আদিৰ স্ৰোতহীন জলাধাৰ কিছুমানে এইবিধ বিচিত্ৰ উদ্ভিদৰ বাবে অনুকূল পৰিবেশৰ যোগান ধৰা দেখিবলৈ পোৱা যায়। কিছুমান জলাধাৰত গোটে খাই থকা পানীৰ উপৰিভাগ এইবিধ উদ্ভিদে ঢাকি ৰখা দেখা যায়। পানীৰ ওপৰলৈ উঠি অহা পাতবোৰ পানীৰ উপৰিভাগৰ লগত সমানভাৱে মিলি থাকে।

ফুলৰ বৰণ বগা চানেকীয়া হয়। ফলবোৰে চুকীয়া-চুকি ৰূপ প্ৰদৰ্শন কৰে। ফলৰ উপৰিভাগৰ বৰণ ৰঙচুৱা বা সেউজ-বুলীয়া হয়। অলপ টান বিধৰ বাকলিখন বখলিয়াই দিলে ভিতৰত থকা বাদামৰ নিচিনা শাহখিনি গোটাভাৱে ওলাই পৰে। বৰণত বগা হয় আৰু চোবাই খাবলৈ তেলেতীয়া লাগে।

কথবেল, লতাবেল, পেচিফ্লোৰা এডুলিছ্ পৰিয়াল–পেছিফ্লোৰেছি
(Kothbel, Lotabel) Passiflora edulis Family–Passifloraceae

আমাৰ মানুহে কেতিয়াবা বাৰীত লগোৱা এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। ঘৰৰ চালত কিম্বা হেদালিত বগাবলৈ লগাই দিয়া হয়। ইয়াৰ পাতবোৰে আঙুলি পহীয়া ৰূপ ধাৰণ কৰে। বেলৰ নিচিনা ঘূৰণীয়া আকৃতিৰ ফল ধৰে। ফলবোৰৰ বাকলিৰ উপৰিভাগে সেন্দুৰী আমৰ নিচিনা ৰঙচুৱা বৰণ ধাৰণ কৰে। ফলৰ ভিতৰত অসংখ্য গুটিৰ

উৎপত্তি হয়। গুটিবোৰ বিজলৰ নিচিনা আৰু অলপ ৰঙচুৰা বৰণৰ পদাৰ্থই ঢাকি ৰাখে। এইবোৰ খাবলৈ মিঠা মিঠা লাগে। ফুলবোৰৰ বৰণ নীলা চানেকীয়া হয়।

কৰণি ফুল, পেচন ফুল, পেছিফ্লোৰা এডেনোফাইলা পৰিয়াল–পেছিফ্লোৰেছি (Passion flower). Passiflora adenophylla Family–Passifloraceae

মানুহে বাৰীত বা উদ্যানত ৰোপণ কৰা এবিধ বিচিত্ৰ আকাৰৰ পুষ্প ধাৰণ কৰা লতাজাতীয় উদ্ভিদ। এইবিধ লতাই ধাৰণ কৰা ফুলবোৰৰ আকাৰ পদুমৰ চকাৰ নিচিনা হয়। চকাৰ চাৰিওকাষে পুংকেশৰৰ ৰেণুবোৰ ধাৰণ কৰা দীঘল চানেকীয়া ঠাৰিবোৰে বেঙুনীয়া ৰং পৰিধান কৰে। ফুলপাহৰ মাজ ভাগত বিকাশ লাভ কৰি থকা গৰ্ভকেশৰৰ আকৃতিও চাৰিপহীয়াকৈ বিচিত্ৰ হয়। ৰাতিপুৱাভাগতে ফুলবোৰ ফুলি লতাডালে ৰমক-জমক ৰূপ ধাৰণ কৰে। বেলি উঠি দুপৰীয়া হওঁতে-নৌহওঁতে ফুলবোৰ জামৰি যায়। গধূলি পৰতো ফুল ফুলে।

ঘৰৰ চাল, বাটচৰা, হেদালি আদিত বগাবলৈ সুবিধা পালে এইবিধ লতাই গোটেই ঠাইৰ উপৰিভাগ আৱৰি ধৰে। যৌগিক গাঠনিৰ পাতবোৰে তিনিশিৰীয়া ৰূপ পৰিধান কৰে।পূৰ্বতে এইবিধ লতা মদাগাস্কাৰ দ্বীপত আছিল।

মেৱা, মেৱাবেল, পেছিফ্লোৰা কুৱাড্ৰেঙ্গোলাৰিছ পৰিয়াল–পেছিফ্লোৰেছি (Mewa) A kind of gourd Passiflora quadrangularis Family–Passifloraceae

এবিধ কোমোৰাৰ নিচিনা সৰু আকাৰৰ ফলধৰা লতা। এই লতাবিধ আমাৰ অসমতে স্বাভাৱিকভাৱে উৎপত্তি হোৱা দেখা নাযায়। কিন্তু পাচলি হিছাপে ব্যৱহাৰ কৰিব পৰা অলপ দীঘলীয়া আকাৰৰ ফল ধাৰণ কৰা লতা হোৱাৰ বাবে আমাৰ মানুহে দুই-এজোপা কেতিয়াবা বাৰীত লগাই ৰাখে। জেং বা গছৰ ওপৰলৈ বগাই যোৱা বিধৰ লতাডালে কোমোৰা খাদ্যৰ উপযোগী ফল ধৰে।

লতাডালৰ ঠাৰিৰ বাকলিৰ বৰণ সাধাৰণতে সেউজীয়া হয়। গাঁঠিবিলাকত দীঘলীয়াকৈ বহল পাত ধৰে আৰু সেই সেউজীয়া পাতবোৰৰ উপৰিভাগ সেউজীয়া হয়।

কুৱাচ, ছেচিম্ ইদিউল পৰিয়াল–কিউকাৰবিটেছি কুৱাচ বা এচকুৱাচ (অসমীয়া) স্কোয়াস (বঙালী) চায়ত, চোচো বা চহ্ কুৱাচ (খাচিয়া) (Kuwas) squash Sechiumedule, Family–Cucurbitaceae

মানুহে বাৰীত লগোৱা আৰু তৰকাৰি হিছাপে খোৱাৰ উপযোগী ফল ধাৰণ কৰি থকা এবিধ লতা জাতীয় উদ্ভিদ। শ্বিলঙৰ মানুহে এইবিধ ফচলৰ খেতি কৰি লাভবান হয়। ফলৰপৰা পোখা ওলায় আৰু সেই লতাডাল বগাবলৈ একোখন হেদালি বনাই

দিয়া হয়। শিপাই ধাৰণ কৰা আলুৰ পৰাও পুলি হয়।

লতাডালৰ উপৰিভাগত থকা বাকলিয়ে সেউজ-বুলীয়া ৰং পৰিধান কৰে। গাঁঠিয়ে গাঁঠিয়ে পোখা ওলায়। এই পোখাবোৰে নতুন নতুন ঠাল-ঠেঙুলিৰ সৃষ্টি কৰে। পাতবোৰে আঙুলি পহীয়া ৰূপ ধাৰণ কৰে। ফুলৰ বৰণ হালধীয়া চানেকীয়া হয়। ফুলবোৰ পূৰঠ হ'লে মঙহাল ফল ধৰে। সেইফলে কোমোৰাৰ নিচিনা আকৃতি ধাৰণ কৰে। গুৰিভাগ চিঁয়া আৰু আগৰফালে মোটা হয়। এই ফালৰপৰা নানা ধৰণে তৰকাৰি বনাই খাব পাৰি।

অসমৰ ভৈয়াম অঞ্চলত ইয়াৰ উৎপত্তি কম হয়। দুই এজোপা লতা লগালেও বৰ বেছি পৰিমাণৰ ফল নধৰে।

কেৰেলা, মমৰদিকা কেৰেন্তিয়া পৰিয়াল–কিউকাৰবিটেছি কেৰেলা, তিতা-কেৰেলা (অসমীয়া) কাৰালা (বঙালী) কাং কালেও (ৰাভা) খৰলা (বড়ো) মাক্-খ্রু-খ্রাই (তাই-আহোম) (Kerela) Bitter-Gourd Momordica charantia Family–Cucurbitaceae

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। এইবিধ উদ্ভিদ আমাৰ মানুহে বাৰীত লগায়। নদী-কুলীয়া বালি-অহীয়া পলসুৱা ঠাইত কিছুমান মানুহে সৰহীয়াকৈ এইবিধ শস্যৰ খেতি কৰে আৰু ইয়াত লগা ফলবোৰ বিক্ৰী কৰি লাভৱান হয়।

লতাডালৰ বাকলিয়ে সেউজীয়া বৰণ ধাৰণ কৰে। অৱশ্যে বঢ়া ঠালবিলাকে ছাই বৰণীয়া ৰং পৰিধান কৰে। গাঁঠিয়ে গাঁঠিয়ে পাতৰ পোখা ওলায় আৰু শাখাডালৰ উৎপত্তি হয়।

পাতবিলাকে আঙুলি পহীয়া আকৃতি ধাৰণ কৰে। ফুলৰ বৰণ হালধীয়া হয় আৰু এই ফুল পূৰঠ হ'লে দীঘল দীঘল ধৰণৰ মঙহাল ফল ধৰে। ফুলৰ উপৰিভাগ খলা-বমা হয় আৰু এই ফলবোৰে সেউজীয়া বৰণ ধাৰণ কৰে। কেঁচাতে ভাজি বনাই খোৱা হয়। ভিতৰখন মঙহাল হয় আৰু তাত দীঘল দীঘল গুটি ধৰে। পকিলে ফল হালধীয়া হৈ পৰে আৰু ফলটোৱে ফাট মেলে। পকাফলৰ ভিতৰভাগ ৰঙচুৱা হয়।

কোমোৰা, কিউকাৰবিটা পেপো পৰিয়াল–কিউকাৰবিটেছি কোমৰা (বড়ো) ফাক্-পাক (তাই-আহোম) (Kumura) Summer-squash Cucurbita pepo Family–Cucurbitaceae

আমাৰ মানুহে বাৰীত লগোৱা এবিধ লতা জাতীয় লাগতিয়াল উদ্ভিদ। সাধাৰণতে খেৰেৰে সজা ঘৰৰ চালত কিম্বা হেদালিত এইবিধ লতাক বগাবলৈ সুবিধা কৰি দিয়া হয়। মাটিত খুলি খান্দি আৰু সেই খুলিত গোবৰ

জাবৰ দি গুটি পচোৱা হয়। সময়ত গুটি গজি পুলি ওলায়। কালক্ৰমত সেই পুলিকেইটা ডাঙৰ হৈ হেদালি এখনত কিম্বা ঘৰৰ চালৰ উপৰিভাগত বগাই আগুৰি ধৰে। ইয়াৰ একাধিক জাত বা প্ৰকাৰ আছে। পৰ্বতীয়া ঠাইত যিবিধ কোমোৰাৰ উৎপত্তি হয় সেইবিধ কোমোৰা আকাৰত সৰু হয় যদিও তাৰ পৰা জহাচাউলৰ নিচিনা সুগন্ধ ওলায়। এইবিধ কোমোৰাক সেইবাবে জহা-কোমোৰা নামেৰে অভিহিত কৰা হয়। জহৰা গজা পুলি মাটিৰে সৈতে ভেটি খান্দি উঠাই আনি যথাস্থানত আলফুলকৈ লগাই দি এইবিধ শাক জাতীয় ফচলৰ খেতি কৰিব পাৰি।

কোমোৰাৰ লতাডালে প্ৰথমতে সেউজীয়া বৰণ ধাৰণ কৰে। পূৰঠ ঠাৰিবোৰে ছাই-বৰণীয়া ৰং প্ৰদৰ্শন কৰে। ঠাৰি আৰু পাতৰ ঠাৰিত চুটি চুটি শুঙৰ উৎপত্তি হয়। ডাঙৰ ডাঙৰ পাতবোৰে টুবুকা আকৃতি ধাৰণ কৰে। জালি কোমোৰা চকল চকলকৈ কাটি তাত ময়দাৰ পিঠা মিহলাই তেলত ভাজিলে উপাদেয় ভাজি হয়। পূৰঠ কোমোৰাৰ তৰকাৰি খাবলৈ ভাল লাগে। গছতে বুঢ়া হোৱা কোমোৰা এবছৰলৈ সাঁচি ৰাখি সময়ে সময়ে তৰকাৰি বনাই খাব পাৰি।

কোৱা-ভাতুৰি, মমৰদিকা মনোদেল্‌ফা পৰিয়াল–কিউকাৰবিটেছি মাক্‌-খি-কা (তাই-আহোম)
(Kuwa Bhaturi) Momordica monodelpha, Family– Cucurbitaceae

কোৱা-ভাতুৰি এবিধ হাবিয়ে বননিয়ে উৎপন্ন হোৱা লতা জাতীয় উদ্ভিদ। গোটা আকৃতিৰ ফল ধৰে। ফলৰ উপৰিভাগৰ বৰণ ৰংচঙীয়া হয়। দেখিবলৈ ভাল লাগে। ভিতৰ অংশ ক'লা চানেকীয়া হয়। এইবিধ ফল খোৱাৰ উপযুক্ত নহয়। সেইবাবে কোনো এবিধ ধুনীয়া বস্তুত গুণৰ অভাৱ প্ৰতিপন্ন কৰিবলৈ আমাৰ মানুহে "বাহিৰে ৰং চং ভিতৰে কোৱা-ভাতুৰি" বুলি কয়।

হাবিৰ মাজত ইয়াৰ উৎপত্তি হয়। লতাডালে ঠাল-ঠেঙুলি মেলি চাপৰ বিধৰ জোপোহা গছ থকা হাবি-বনানীত বগুৱা বাই বাই ওপৰলৈ উঠি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মজলীয়া আকাৰৰ ৰঙচীয়া ফুলবোৰ আকৰ্ষণীয় হয়। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলবোৰ গছৰ ওপৰলৈ বগাই যোৱা লতা ডালৰপৰা ওলমি ওলমি থাকে। পকিলে ফলবোৰ ৰঙা পৰে আৰু পকা ফলবোৰ পকা কেৰেলাৰ দৰে মেলখাই যায়। তাৰ ভিতৰত থকা গুটিবোৰ মাটিত সৰি পৰিলে পুলি গজি সময়ত নতুন লতাৰ আবিৰ্ভাৱ হয়।

এবিধ লতা জাতীয় বছেৰেকীয়া আয়ুসৰ উদ্ভিদ। লতাডাল ডাঙৰ আৰু

চাল-কোমোৰা, বেনিন্‌কাচা চেৰিফেৰা
পৰিয়াল–কিউকাৰবিটেছি চাল-কোমৰা (কাছাৰ) মেৰাও (ৰাভা) পাৰক বংহম (কাৰবি) খুমব্রা (বড়ো) ফাক-পাক (তাই-আহোম)
(Chal-kumra) White-gourd Melon

কোমল হয়। উপৰিভাগৰ বৰণ সেউজীয়া। মাজে মাজে গাঁঠি থাকে। পাত ওলাই ওলাই অহা ঠাইবোৰতে এই গাঁঠিবিলাকৰ উৎপত্তি আৰু তাৰ চিন লতাজোপা মৰি নাযায় মানে থাকি যায়। পাতবিলাক আয়তনত ডাঙৰ হয় পাতৰ তলৰফালে গুৰিত ঠাৰিডাল থাকে। পাতখিলাৰ গুৰিভাগত উৎপত্তি হোৱা ঠাৰিডাল তিনি ভাগত ভাগ হৈ এডাল ওপৰলৈ আৰু বাকী দুডাল দুয়ো কাষৰ ফালে যায়। উপ-শিৰাবিলাকৰে সৈতে পাতখিলাৰ গঠন এখিলা পাণৰ আকাৰে সম্পূৰ্ণ হয়। পাতৰ ঠাৰিডাল আৰু উপৰিভাগত সৰু সৰু নোমৰ আভাস থাকে।

ফুলবোৰ হালধীয়া পুং পুষ্প আৰু স্ত্রী পুষ্প বেলেগ বেলেগ হয়। ফল আকাৰত ডাঙৰ আৰু দীঘল চানেকীয়া হয়। মানুহে তৰকাৰি কৰি খায়। কোমোৰা কেইবা বিধৰো আছে। যেনে—শিল কোমোৰা, জহা কোমোৰা ইত্যাদি। জহা কোমোৰা পাহাৰী ঠাইত বেছিকৈ হয়। ইয়াৰে তৈয়াৰ কৰা তৰকাৰি মিঠা হয় আৰু তৰকাৰি জহা জহা গোন্ধায়। কোমোৰা গছৰ লতাডাল বগাই যাবলৈ মানুহে বাঁহৰ চাং বনাই দিয়ে। ঘৰৰ চালতো বগাই বগাই যায়।

ছিঁৰাল, কিউকুমিছ্ মমৰদিকা
পৰিয়াল–কিউকাৰবিটেছি চিনাল (ৰাভা) থেইথে ৰামপ্রে (কাৰবি)
(Chiral) Water-melon
Cucumis momordica
Family–Cucurbitaceae

দীঘল চানেকীয়া সুকোমল ফল ধাৰণ কৰা এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। ইয়াৰ ফলবোৰ আকাৰত বাঙীতকৈ অলপ ডাঙৰ হয়। ফলৰ উপৰিভাগে সেউজীয়া বৰণ ধাৰণ কৰে আৰু সেইজীয়া বৰণৰ ওপৰত চিলাপখৰা দাগৰ আভাস পৰিলক্ষিত হয়। পকিলে ফলৰ উপৰিভাগে হালধীয়া ৰং প্রদর্শন কৰে। বাকলিখনৰ উপৰিভাগত ফটা-ছিঙা দাগে বিকাশ লাভ কৰাৰ ফলত ভিতৰৰ কোমল অংশ আংশিকভাৱে দৃষ্টিগোচৰ হয়।

মণ্ডহাল পদাৰ্থখিনি দেখনত গুলপীয়া হয়। কেঁচাতে সেউজীয়া হৈ থাকে। পকা ছিৰাল দীঘলীয়া দীঘলীয়াকৈ কাটি চেনি মিহলাই খাবলৈ ভাল লাগে। চেনি নিমিহলোৱাকৈ সুদাই সুদায়ো খাব পাৰি। গাখীৰ আৰু চেনি একেলগে মিহলাই খালে জলপানৰ কাম কৰে।

এইবিধ লতায়ো মাটিত বগাই যোৱাৰ চাৰিত্রিক প্রবৃত্তি প্রদর্শন কৰে। খেৰ পাৰি দিলে লতাডাল মাটিৰ ওপৰত বগাবলৈ সুবিধা হয়। পকা ফলবিলাক খেৰৰ ওপৰত

থাকিলে গেলি-পচি নোযোৱাকৈ নিৰোগী হৈ পকে। ফুলৰ বৰণ হালধীয়া হয়।

জাতি লাও, লাগেনাৰিয়া ভল্‌গেৰিছ পৰিয়াল–কিউকাৰবিটেছি জাতি লাও বা পানী লাও (অসমীয়া) লাও বা পানী লাও (বঙালী) লাউ (বড়ো) বংলা (কাৰবি)

(Jati Lao) The bottle gourd Lagenaria vulgaris Family–Cucurbitaceae

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। দীঘল দীঘল আকৃতি ডাঙৰ ফল ধাৰণ কৰে। কুমলীয়া অৱস্থাত এই ফলবিলাক তৰকাৰি বনাই খোৱা হয়। সেইবাবে এইবিধ উদ্ভিদ প্ৰায় মানুহে বাৰীত লগাই ৰাখে। লতাডাল বগাবলৈ হেদালি বনাই দিয়া হয়। দীঘল দীঘল লাওবোৰ তললৈ ওলমি ওলমি থাকে কিম্বা হেদালিৰ ওপৰতে পথালি পথালিকৈ পৰি থাকে। জাত অনুযায়ী জাতি লাওৰ আকৃতি দীঘলীয়া, থোপোৰা কিন্তু ডিঙি সৰু হয়।

ঠাৰিবিলাক কোমল চানেকীয়াকৈ মঙহাল হয়। উপৰিভাগ সেউজ-বুলীয়া ৰং পৰিধান কৰে। ঠাৰি চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। গাঠিয়ে গাঁঠিয়ে পুঙা মেলি ঠাল ঠেঙুলি ধৰে।

অলপ ডাঙৰ আকাৰৰ দীঘলীয়া ফুল ফুলে। এই ফুলবোৰ পূৰঠ হ'লে মঙহাল ফল ধৰে। ডাঙৰ আকৃতিৰ পাত ধৰে। আহল-বহল পাতখিলাৰ গুৰিৰপৰা তিনিডালকৈ সিৰ আৰু শাখাসিৰৰ উৎপত্তি হয়। পাতবিলাক খহটা হয় আৰু তাৰ উপৰিভাগত চুটি চুটি শুঙৰ আৱিৰ্ভাৱ হয়।

বমা জাতি লাওৰ খোলাটো পানী ৰখা পাত্ৰ হিছাপে ব্যৱহাৰ কৰিব পাৰি। জনজাতীয় লোকসকলে দেশী মদ খাবৰ বাবে সৰু ফুটীয়া এবিধ লাওৰ খোলা ব্যৱহাৰ কৰে।

জিকা, লুফা একিউটেঙ্গুলা পৰিয়াল–কিউকাৰবিটেছি জিঙ্গা (বঙালী) টৰি (হিন্দী) থেছি (কাৰবি) জিংগ্ৰা (ৰাভা) জিংখা (বড়ো) মাক-অয় ৰুঙ্ (তাই-আহোম)

(Jika) Ridge-gourd Luffa acutangula Family–Cucurbitaceae

তৰকাৰিৰ উপযোগী ফল ধৰা এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। লতাডাল কোমল চানেকীয়া আৰু বাকলিয়ে সেউজ-বুলীয়া বৰণ ধাৰণ কৰে। ঠালবোৰৰ আগত আঁকুহিৰ উৎপত্তি হয় আৰু এই আঁকুৰি সহায়ত লতাডালে গছ বা হেদালিৰ ওপৰলৈ বগাই যাব পাৰে।

পাতবোৰে আঙুলি পহীয়া ৰূপ ধাৰণ কৰে। গাঁঠিয়ে গাঁঠিয়ে পোখা মেলে আৰু এই পোখাবোৰ ক্ৰমে ডাঙৰ দীঘল হৈ

ঠাল -ঠেঙুলিত পৰিণত হয়। হালধীয়া বৰণৰ ফুল ফুলে। সাধাৰণতে আবেলিপৰত লতাডালৰ ফুলবোৰ ফুলিবলৈ আৰম্ভ কৰে আৰু ৰাতিৰ ভিতৰত জয় পৰি যায়। ফুলবোৰ পূৰঠ হ'লে যিবিলাক দীঘলীয়া দীঘলীয়া মঙহাল ফল ধৰে আৰু সেই ফলৰ উপৰিভাগত কৰ্দৈৰ নিচিনা সিৰৰ উৎপত্তি হয়।

ফলবোৰ পকিলে হালধীয়া পৰে। ফলৰ ভিতৰত থকা মঙহাল আঁহখিনি জালিলৈ ৰূপান্তৰ হয়। তাৰ ভিতৰত দীঘল চানেকীয়া গুটি ধৰে। পকিলে এই গুটিবোৰে ক'লা বৰণ প্ৰদৰ্শন কৰে।

টিয়হ, কিউকুমিছ ছেটিভাছ পৰিয়াল- কিউকাৰবিটেছি টিয়হ বা টিহু (অসমীয়া) শসা (বঙালী) খিৰা (হিন্দী) নাৰিমা, চেঙছ (ৰাভা) থাইবেং (বড়ো) (Tiyoh) Cucumber Cucumis sativus Family–Cucurbitaceae

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। ঠাৰিবিলাকে সেউজীয়া বৰণ প্ৰদৰ্শন কৰে। পাতবিলাকে লাও-কোমোৰাৰ পাতৰ আকৃতি ধাৰণ কৰে। অৱশ্যে এইবিধ লতাই লাও-কোমোৰাৰ দৰে ডাঙৰ আকাৰ ধাৰণ নকৰে। ঠিক সেইদৰে পাতৰ আকাৰো সৰু সৰু হয়। আঁকুহিৰ (Tendril) সহায়ত জেঙত বগাই বগাই যোৱাৰ চাৰিত্ৰিক আচৰণ প্ৰদৰ্শন কৰে। চাপৰ বিধৰ হেদালি তৈয়াৰ কৰি দিও এইবিধ ফচলৰ খেতি কৰিব পাৰি।

ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। নতুন কুঁহিপাতৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে গছজোপাত ফুলৰ বিকাশ সাধন হয়। ফুলবোৰ পূৰঠ হ'লে দীঘল চানেকীয়া ফল ধৰে। কুমলীয়াতে এই ফল চকলিয়াই খাবলৈ ভাল লাগে। অন্য ফলৰ লগত মিহলাই চালাদ বনাই খোৱা হয়। তৰকাৰি বনায়ো খাব পাৰি। মঙহাল পদাৰ্থৰ মাজভাগত চেপেটা চেপেটা আৰু লাওগুটিৰ দৰে দীঘলীয়া গুটিৰ উৎপত্তি হয়।

উদ্যোগী কৃষকসকলে সাৰুৱা মাটিত কিম্বা নদীৰ পাৰৰ পলসুৱা ভূমিত সৰহীয়াকৈ এইবিধ ফচল লগাই লাভবান হয়।

তৰমুজ, ছাইট্ৰোলছ ভলগেৰিছ পৰিয়াল- কিউকাৰবিটেছি তৰমুজ (বঙালী), তাৰ বুজা, কাৰমুজা (হিন্দী) তৰমুছ (ৰাভা) থসতে বংহেম্ (কাৰবি) (Tormuj) Water-melon Citrullus vulgaris Family–Cucurbitaceae

তৰমুজ এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। খাদ্যৰ উপযোগী ফল ধৰাৰ বাবে এইবিধ ফচল আমাৰ মানুহে শাকনি বাৰীত লগাই ৰাখে। উদ্যোগী কৃষকে পলসুৱা মাটিত সৰহীয়া ইয়াৰ খেতি কৰা দেখা যায়। লতাডালে মাটিৰ ওপৰত বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মাটিৰ ওপৰত খেৰ আদি পাৰি দিলে বগাবলৈ সুবিধা হয়।

পাতবোৰে লাও-কোমোৰা আদি লতাই ধাৰণ কৰা পাতৰ আকৃতি পৰিধান কৰে। অৱশ্যে এই পাতবোৰ আকাৰত তুলনামূলকভাৱে সৰু হয়। ঠিক সেইদৰে লতাডাল আকাৰত সৰু হয়। গাঁঠিয়ে গাঁঠিয়ে নতুন ঠালৰ পুখা মেলে।

ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। ফুল পূৰঠ হ'লে গোল আকৃতিৰ ফল ধৰে। ফলৰ ভিতৰত থকা মঙহাল পদাৰ্থই ৰঙচুৱা বৰণ ধাৰণ কৰে। মাজত গুটি ধৰে। কেঁচাই কেঁচাই এই পকা ফলবিলাক চকলিয়াই বা দীঘলীয়া দীঘলীয়াকৈ কাটি খাব পাৰি। ফলৰ মূৰটোৰ পৰা এচকল কাটি তাত চেনি ভৰাই ৰাখিলে মঙহাল পদাৰ্থখিনি পমিগৈ পানীত পৰিণত হয়। এই পানী খাবলৈ সোৱাদ লাগে।

ধুন্দুলি, ট্ৰাইকোছান্থেছ এংগুইনা পৰিয়াল–কিউকাৰবিটেছি মাক্-অয়-লাই (তাই-আহোম) নিলাজী (বড়ো) Cucumis sativus Family–Cucurbitaceae

দীঘল দীঘল আকৃতিৰ শাক জাতীয় ফল ধাৰণ কৰা এবিধ ভোল-জিকাৰ নিচিনা বাৰীত লগোৱা লতা। ফলৰ উপৰিভাগ কোমোৰা, পটল আদিৰ দৰে মিহি হয় আৰু ভিতৰখন কোমল-আমল সোপোকা পদাৰ্থৰে পৰিপূৰ্ণ হৈ থাকে। ফলৰ ভিতৰত জিকা, ভোল, কোমোৰা আদিৰ দৰে চেপেটা চেপেটা আকাৰৰ অসংখ্য গুটিৰ উৎপত্তি হয়। এই গুটিবোৰ বুঢ়া হোৱাৰ আগতে ধুন্দুলিটো চকল চকলকৈ কিম্বা দীঘল পহীয়াকৈ কাটি জুলীয়া তৰকাৰি কিম্বা ভাজি হিছাপে তৈয়াৰ কৰি খাব পাৰি। ফলৰ উপৰিভাগত সেউজীয়া আৰু বগা চানেকীয়া বৰণৰ দীঘলপহীয়া আঁচৰ বিকাশ সাধন হয়।

বাঙি, কিউকুমিছ মেল' পৰিয়াল–কিউকাৰবিটেছি চিম্থাই (ৰাভা) (Bangi) Musk-melon Cucumis melo Family–Cucurbitaceae

ছিৰালৰ নিচিনা আৰু ছিৰালতকৈ অলপ সৰু আকাৰৰ ফল ধাৰণ কৰা এবিধ বাৰীত লগোৱা লতা জাতীয় উদ্ভিদ। সাধাৰণতে এইবিধ লতাই মাটিৰ ওপৰে ওপৰে বগাই যোৱাৰ আচৰণ প্ৰদৰ্শন কৰে। ঠাৰিৰ ৰং ধোঁৱা বৰণীয়া বা মদৰুৱালৈ ৰূপান্তৰ হয়। গাঁঠিয়ে গাঁঠিয়ে পাত ধৰে আৰু গাঁঠিবোৰৰ পৰাই শাখাঠাৰিবিলাকে বিকাশ লাভ কৰে। ঠাৰিৰ আগত থোপা-থোপে ফুল ফুলে।

ফুলৰ বৰণ হালধীয়া চানেকীয়া হয়। ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া দীঘলীয়া আকাৰৰ মঙহাল ফল ধৰে। ফলৰ বৰণ সেউজীয়া হয় আৰু তাত চিলা-পখৰা দাগৰ আভাস পৰিলক্ষিত হয়। পকিলে ফলবোৰৰ বৰণ হালধীয়ালৈ ৰূপান্তৰ হয়। পকা ফলৰ উপৰিভাগত ছিৰাছিৰাকৈ ফটা দাগৰ উৎপত্তি হয়। এই ফল খাবলৈ মিঠা মিঠা লাগে।

ফলৰ মাজভাগত দীঘলীয়া গুটি ধৰে। এই গুটিবোৰ পচাই বছৰি বছৰি এইবিধ ফচলৰ খেতি কৰা হয়। নদীৰ পাৰৰ ফচ্‌ফচীয়া মাটিয়ে ইয়াৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰে।

ভাত কেৰেলা, মমৰদিকা কোচিনচাইনেনচিছ পৰিয়াল–কিউকাৰবিটেছি খাংগ্ৰিখলা (বড়ো) কাক্‌ৰল (বঙালী) মাক্‌-খুম্‌-খাও (তাই-আহোম)

(Bhat-Kerela) Momordicacochin-chinensis Family–Cucurbitaceae

আঞ্জা তৈয়াৰ কৰি খোৱাৰ উপযোগী ফল ধৰা এবিধ লতা জাতীয় উদ্ভিদ। আমাৰ মানুহে বাৰীত দুই-চাৰিজোপা ভাত-কেৰেলাৰ লতা লগাই ৰাখে আৰু সময়ত ফল ধৰিলে ছিঙি আনি খায়হি। লতাডাল প্ৰতিবছৰে মৰি মৰি যায় আৰু পাছৰ বছৰত আলুৰ পৰা পুখা ওলাই নতুন লতাৰ উৎপত্তি হয়।

পাতবিলাকে আঙুলি পহীয়া ৰূপ ধাৰণ কৰে। মাটিৰ তলত থকা আলুৰপৰা একাধিক পুখাই বিকাশ লাভ কৰি কেবাজোপা লতাৰ উৎপত্তি হয়। লতা বগাবলৈ হেদালি বনাই দিব পাৰি। জেং আদি গুজি দিও সুফল পাব পাৰি। ফুলবিলাকৰ বৰণ বগা হয়। ফুল পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলৰ আকৃতি দীঘল চানেকীয়াকৈ গোটা হয়। ফলৰ উপৰিভাগ অলপ দীঘল বিধৰ সোপোকা শলাৰে আবৃত হৈ থাকে। কুমলীয়া অৱস্থাতে ফলবোৰ ছিঙি আনি তৰকাৰি বনাই কিম্বা তেলত ভাজি খাব পাৰি। ফলৰ ভিতৰত থকা কোমল পদাৰ্থৰ মাজত চেপেটা চেপেটা গুটি ধৰে। বুঢ়া হ'লে আৰু পকিলে ফলবোৰ খোৱাৰ অনুপযুক্ত হৈ পৰে।

ভোল লুফা, এতিজ্‌টিয়াকা পৰিয়াল–কিউকাৰবিটেছি ফৌল্লা (বড়ো) মাক-ফংলুঙ্‌ (তাই-আহোম)

(Bhul) Sponge-gourd Luffa aegyptica Family–Cucurbitaceae

তৰকাৰি বনাই খাব পৰা এবিধ বাৰীত লগোৱা লতা জাতীয় উদ্ভিদ। এইবিধ ফচল কৰিবলৈ বৰ বিশেষ যতন নকৰিলেও হয়। সাধাৰণতে জহৰা গছ পুলিবোৰ ডাঙৰ হৈ হৈ গছৰ ওপৰত কিম্বা অন্যান্য সুবিধাজনক ঠাইত বগাই বগাই গৈ সময়ত হালধীয়া বৰণৰ ফুল ফুলে। সেই ফুলবোৰ পূৰঠ হ'লে জিকাৰ নিচিনা সোপোকা ফল ধৰে। অৱশ্যে জিকাৰ নিচিনাকৈ এই ফলবোৰৰ উপৰিভাগে কৰ্দৈসিৰীয়া ৰূপ প্ৰদৰ্শন নকৰে। লাও-কোমোৰাৰ দৰে ফলৰ উপৰিভাগ সমান হয়। জাত অনুযায়ী এই ফলবোৰ ভিন ভিন আকাৰ আৰু আকৃতি ধাৰণ কৰা দেখিবলৈ পোৱা যায়। দুই-এজাত ভোল দীঘল আৰু আন দুই-এজাত অলপ খোপোৰা হয়। কোনো কোনো জাত ভোল সেউজীয়া আৰু তাত কজলা বৰণৰ আভাস পৰিলক্ষিত হয়। আন দুই-এবিধ ভোলৰ বৰণ বগা চানেকীয়া হয়।

কুমলীয়া ভোলৰ তৰকাৰি খাবলৈ ভাল লাগে। বুঢ়া ভোলৰ ভিতৰত আঁহবোৰ টান হয় আৰু তেতিয়া সেই ভোল খোৱাৰ বাবে অনুপযুক্ত হৈ পৰে। বুঢ়া ভোলৰ আঁহৰপৰা উৎপন্ন হোৱা জালি বুৰুজৰ দৰে ব্যৱহাৰ কৰা হয়।

ৰঙালাও, কিউকাৰ্বিটা মচ্‌কেটা পৰিয়াল– কিউকাৰবিটেছি লাল কোমৰা, মিঠা লাউ (বঙালী) কাদু, মিঠাকাদু (হিন্দী) বং হম্ (কাৰবি) জগনাত (ৰাভা) জৌগৌনাথ (বড়ো)
(Ronga Lao) Pumpkin Cucurbita moschata Family–Cucurbitaceae

মাটিৰ ওপৰত বগুৱা কিম্বা গছৰ ওপৰলৈ বগাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ লতাজাতীয় ঘৰচীয়া উদ্ভিদ। আহিন-কাতি মহীয়া খুলি-খান্দি তাত ৰঙালাওৰ গুটি পচোৱা হয়।

গুটিৰপৰা পুলি গজি লতাডাল লাহে লাহে বাঢ়িবলৈ আৰম্ভ কৰে। সাধাৰণতে ৰঙালাও মাটিত বগায়। হেদালি বনাই সেই হেঁদালিৰ ওপৰত বগাবলৈ সুবিধা কৰি দিব পাৰি। পাতবিলাক ধপলা-ধপল হয়। গাঁঠিয়ে গাঁঠিয়ে শিপাৰ আৱিৰ্ভাৱ হয়। গাঁঠিত নতুন ঠালৰ উৎপত্তি হয় আৰু এইদৰে লতাজোপাই ভালেখিনি ঠাই অধিকাৰ কৰিবলৈ সক্ষম হয়।

ফুলৰ বৰণ হালধীয়া হয়। পুং আৰু স্ত্ৰী পুষ্পই গাইগুটীয়াভাৱে বেলেগ বেলেগে বিকাশ লাভ কৰে। কীট পতঙ্গৰ সহায়ত স্ত্ৰী পুষ্পই ফল ধৰে। জাত অনুযায়ী ফলবোৰ বেলেগ বেলেগ আকৃতি আৰু আকাৰ ধাৰণ কৰে।

ৰঙালাওৰ তৰকাৰি খাবলৈ ভাল লাগে। ভাজি বনায়ো খাব পাৰি।

ভেলেউ, ভেলৌ টেট্ৰামেলেছ নোদিফ্লোৰা পৰিয়াল দেটিছ্কেছি পাৰাগাং পাক আৰু (কাৰবি) দিয়েং টাবো (খাচিয়া) বং লেপ (কছাৰী) তলা (কাছাৰ) বল বক্ (আছিক) চামচলা (বঙালী) বলুম (বড়ো)
(Bhelu) Tetrameles nudiflora Family–Datiscaceae

এবিধ প্ৰকাণ্ড আকাৰৰ বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত সৰি গ'লে ই উদং ৰূপ ধাৰণ কৰে। গছজোপাৰ গুৰিত চেপেটা আকৃতিৰ বাকলি থকা ঠেকাৰ আৱিৰ্ভাৱ হয়। ডালবোৰে বহুত ওপৰত বিকাশ লাভ কৰা দেখা যায়। বাকলিৰ উপৰিভাগ কম-বেছি পৰিমাণে মিহি হয়। বৰণত বাকলিয়ে অলপ বগা চানেকীয়া ৰূপ প্ৰদৰ্শন কৰে। বাকলিৰ উপৰিভাগত পথালি পথালি দাগৰ বিকাশ সাধন হয়। বাকলিৰ উপৰিভাগৰ পাতলীয়া পাতলীয়া ছাল ওলাই আহে।

পাতৰ আকৃতি দীঘল চানেকীয়া হয়। পাতৰ দাঁতি ছেগা-চোৰোকাকৈ খাজকটা দাগৰ উদ্ভৱ হয়। প্ৰত্যেকখিলা পাতৰ দুয়োকাষে ৩ ডালৰপৰা ৫ ডাল পৰ্যন্ত শাখা সিৰ উৎপত্তি হয়।

একেজোপা গছে বেলেগে বেলেগে পুং আৰু স্ত্রী পুষ্প ধাৰণ কৰে। সৰু সৰু ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। ফলবোৰ মঙহাল হয়।

এইবিধ গছৰ কাঠ কোমল চানেকীয়া হয়। চাহৰ বাকচ আদি তৈয়াৰ কৰিবলৈ এই কাঠ ব্যৱহাৰ কৰিব পাৰি। পকী-ঘৰত ঢলাই কৰিবলৈ ইয়াৰ তক্তাৰ চাং বনোৱা হয়।

খ্রীষ্টমাছ কেক্‌টাছ, জাইগোকেক্‌টাছ ট্রাঙ্কেটাছ পৰিয়াল–কেক্‌টেছি (Christmas cactus or Ball cactus) Zygocactus truncatus Family–Cactaceae

এবিধ কেক্‌টাছ গোষ্ঠীৰ ক্ষুদ্রাকাৰ বিদেশী উদ্ভিদ। চেপেটা চেপেটা মঙহাল ঠাৰিবিলাকেই পাতৰ কামো কৰে। এই ঠাৰিবোৰে কেঁচিৰে চুকীয়া-চুকিকৈ কাটি বনোৱা কৃত্রিম ফুলৰ আকৃতি প্রদর্শন কৰে। তদুপৰি ঠাৰিডালৰ আগভাগত নতুন নতুন পোখাৰ উৎপত্তি হয়। সাধাৰণতে মাটিৰ চৰু কিম্বা অন্য কোনো বাচনত সাৰুৱা মাটি ভৰাই এইবিধ কেক্‌টাছ আলফুলকৈ লগোৱা হয়। সময়ে অসময়ে পানী দি থাকিলে খাৰ ধৰি পুলিবোৰ মৰি যোৱাৰ আশঙ্কা থাকে।

ভালেমান কেইটা পুলি বা ঠানি ঘূৰণীয়া আকাৰে একেটা পাত্রতে লগাই ৰাখিলে সুফল পাব পাৰি। একে সময়তে বহু পৰিমাণৰ ফুল ফুলিলে জোপাটোৱে বিতোপন মূর্ত্তি ধাৰণ কৰে। ফুল ফুলি থকা কেক্‌টাছ খিনি ৰখা পাত্রটো ইচ্ছানুযায়ী ৰচিৰে ওলোমাই কিম্বা ওখ আসনত আলফুলকৈ বহুৱাই বৈঠকখানাত ৰাখিব পাৰি।

নাগফনা, অপাংচিয়া মনোকান্থা পৰিয়াল–কেক্‌টেছি (Nagphona) Prickly Pear Opuntia monocantha Family–Cactaceae

মঙহালকৈ ডাঠবিধৰ চেপেটা চেপেটা ঠানি ধাৰণ কৰা এবিধ বনৰীয়া কেক্‌টাছ গোষ্ঠীৰ উদ্ভিদ। একো একোডোখৰ ঠাইত সৰহ পৰিমাণৰ কেক্‌টাছে সমূহীয়াভাৱে বিকাশ লাভ কৰি থকা অৱস্থাত ঠাই বুলি দেখিবলৈ পোৱা যায়। মঙহাল ঠানীবোৰে একে সমতলত ফেৰেঙনি মেলি থকাকৈ যোৰা দি ৰখা আকৃতি ধৰে। প্রতিৰূপ প্রদর্শন কৰে। ফনাবিলাকত পাতলীয়া আৰু দীঘল বিধৰ অসংখ্য কাঁটাৰ উৎপত্তি হয়।

কোনো কোনো মানুহে এইবিধ কেকটাছ বাৰীৰ কাষৰ ঢাপত শাৰী শাৰীকৈ লগাই দিয়ে। এনে ধৰণেৰে লগাই দিয়া এই কেক্‌টাছবিলাকে জীয়াই থকা উদ্ভিদেৰে নির্মাণ কৰা চিৰস্থায়ী জেউৰাৰ কাম কৰে। গৰু-ছাগলীয়ে সহজে পাৰ হৈ আহিব নোৱাৰে। তদুপৰি চোৰ-ডকাইতৰ বাবেও এই উদ্ভিদবোৰে এক প্রকাৰ অভেদ্য প্রাচীৰ সৃষ্টি কৰে বুলি ক'ব পাৰি।

বছৰৰ এটা সময়ত কিম্বা কেবা বছৰৰ ব্যৱধানত ইয়াৰ ফুল দৃষ্টিগোচৰ হয়। ফুলৰ বৰণ ৰঙচুৱা হয়। গুৰি শকত চুঙা পহীয়া ফুলবোৰ একে সময়তে সৰহীয়াকৈ ফুলিলে কেক্‌টাছডালে বিতোপন ৰূপ ধাৰণ কৰে।

নাগফেণী, অপাংচিয়া টাটা
পৰিয়াল –কেক্‌টেছ্
(Nag-pheni) Opuntia tata
Family–Cactaceae

কেক্‌টাছ্ গোষ্ঠীৰ আন এবিধ বিচিত্ৰ উদ্ভিদ। গঠন-প্ৰণালীত আগৰ শিতানত বৰ্ণনা কৰি অহা কেক্‌টাছ্‌ৰ লগত ইয়াক একে দেখি। ইয়াৰ ঠানিত বিকশিত হোৱা ফণাবোৰে কোমল আকৃতি ধাৰণ কৰে। ফণাৰ উপৰিভাগত দীঘল দীঘল কাঁইটৰ পৰিবৰ্তে অৱলম্বন নকৰাকৈ কেক্‌টাছে হাতেৰে স্পৰ্শ কৰিলে হাতৰ তলুৱাত শুংবোৰ সোমাই অপকাৰ কৰাৰ গভীৰ আশঙ্কা থাকে। সেইবাবে অতি সাৱধানেৰে ইয়াক মাটিৰ মলাত আলফুলকৈ লগাই ৰখা হয়। ইয়াৰে আন দুই-এবিধ ক্ষুদ্ৰ আকাৰৰ বিচিত্ৰ কেক্‌টাছ্ কৰ্ষণ কৰিবৰ বাবে শীত-তাপ নিয়ন্ত্ৰিত ঘৰ সাজি ল'ব লগা হয়। গ্ৰীণ হাউচ বা সেউজীয়া লতা আদিয়ে আগুৰি ৰখা ঘৰৰ ব্যৱস্থায়ো এনে ধৰণৰ কেক্‌টাছ্ প্ৰতিপালন কৰি ৰখা বিষয়তে ভালেখিনি অৰিহণা যোগায়।

বৰ সিজু, পেকাইচেৰচ মাৰ্জিনেটচ্
পৰিয়াল–কেক্‌টেছি
(Bor Hiju) Organ Cactus
Pachyceres marginatus
Family–Cactaceae

দেখাত সিজুৰ নিচিনা আৰু সিজুতকৈ ভালেখিনি মোটা আকাৰৰ মঙহাল উদ্ভিদ। মোটা ঠাৰিৰ গছডালে মাটিৰ ওপৰত লম্বভাৱে ওপৰমুখী হোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠাৰিৰ উপৰিভাগ কৰ্দৈসিৰীয়াকৈ বহু তৰপীয়া হোৱা দেখা যায়। সিৰে সিৰে থোপাৰ নিচিনাকৈ সৰু সৰু কাঁইটৰ উৎপত্তি হয়। ঠাৰিবোৰৰ উপৰিভাগত নতুন ঠাৰিৰ বিকাশ হয়। কোনো কোনো ক্ষেত্ৰত একাধিক শাখাঠাৰিৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়। এইবিধ কেক্‌টাছ্ বাৰীৰ কাষত শাৰী শাৰীকৈ লগাই দি জেউৰাৰ নিচিনাকৈ ব্যৱহাৰ কৰিব পাৰি।

বছৰত এবাৰ আৰু কেতিয়াবা কেবা বছৰৰ মূৰত ৰঙচুৱা অথবা গুলপীয়া বৰণৰ বিতোপন ফুল ফুলে। ফুল ধৰিলে গছবোৰে বিতোপন ৰূপ ধাৰণ কৰে।

বল কেক্‌টাছ, একিনোকেক্‌টাছ গ্ৰেছনিয়াই পৰিয়াল–কেক্‌টেছি
(Ball Cactus) Echinocactus grusonii Family–Cactaceae

এবিধ ঘূৰণীয়া আকাৰৰ প্ৰকাণ্ড কেকটাছ্। উদ্ভিদ জোপাৰ দুয়োমূৰ চাপ খাই বৰ বিলাহী একোটাৰ নিচিনা আকৃতি ধাৰণ কৰা দেখা যায়। গোটা বলটোৰ নিচিনা

উদ্ভিদডালৰ বাকলিয়ে সেউজীয়া ৰূপ ধাৰণ কৰে। তদুপৰি এই বাকলিৰ উপৰিভাগ সমান নহৈ কৰ্দৈসিৰীয়া আকৃতি ধাৰণ কৰে। চেপেটা আকৃতি প্ৰদৰ্শন কৰা মঙহাল সিৰবিলাকৰ ওপৰত শাৰী শাৰীকৈ দীঘল দীঘল কাঁইটৰ কোছা উদ্ভিদ হয়। উদ্ভিদ বিজ্ঞানৰ তত্ত্ব অনুসাৰে এই কাঁইটৰ কোছাবোৰক পাতৰ ৰূপান্তৰ বুলি গণ্য কৰিব পাৰি। তদুপৰি এই কাঁইটবোৰক আত্মৰক্ষাৰ সঁজুলি (Defensive mechanism) বুলি কোৱা হয়।

কেকটাছডালৰ গুৰিত বিকশিত হোৱা শিপাত নতুন নতুন পোখাৰ উৎপত্তি হয় আৰু কালক্ৰমত এই পোখাবোৰে স্বাধীন জীৱন যাপন কৰিবলৈ আৰম্ভ কৰে।

এইবিধ কেকটাচৰ পুলি গামলাত লগাই ৰাখিলে দেখিবলৈ ভাল লাগে।

ৰাতিৰ ৰাণী, ফাইলোকেকটাছ লেটিফ্ৰঞ্চ পৰিয়াল–কেক্‌টেছি (Night blooming Cactus) Phyllocactus latifrons Family–Cactaceae

দীঘলীয়া আকৃতিৰ চেপেটা চেপেটা পাতৰ নিচিনা মঙহাল ঠাৰি ধাৰণ কৰি থকা এবিধ কেক্‌টাছ গোষ্ঠীৰ বিচিত্ৰ উদ্ভিদ। ঠাল একোটা গছৰপৰা ছিঙি আনি মাটিত গুজি দিলেই তাৰ গুৰিভাগৰ পৰা শিপা মেলি নতুন নতুন গছৰ উৎপত্তি হয়। গা-গছৰ গুৰিভাগে ছাই-বৰণীয়া গোটা আকৃতি ধাৰণ কৰে। এই গুৰিভাগৰপৰা ওলাই ওলাই অহা শাখাডালবোৰৰ বাকলিৰ বৰণ সেউজীয়া হয়। শাখা ডালবোৰৰ আকৃতিও কম-বেছি পৰিমাণে ঘূৰণীয়াকৈ গোটা হয়। দীঘলীয়া ঠাৰিৰ আগৰ অংশই ক্ৰমে চেপেটা হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। চেপেটা আগভাগৰ দুয়োকাষে পাখি সদৃশ চেপেটা পাতৰ বিকাশ সাধন হৈ শেষান্তৰত একো একোখিলা পূৰ্ণাঙ্গ দীঘলীয়া পাতৰ ৰূপ ধাৰণ কৰে।

পাতৰ নিচিনা চেপেটা ঠাৰিবোৰৰপৰা ফুল ধৰা কুঁহি পোখাৰ আকাৰে ওলাই আহে। এই পোখা ক্ৰমে ডাঙৰ হৈ একোপাহ পদুম ফুলৰ নিচিনা পূৰ্ণাঙ্গ ফুলে বিকাশ লাভ কৰে। সাধাৰণতে এই এবিধ কেক্‌টাছ ৰাতি ফুলে। জোনাক নিশা ডাঙৰ ডাঙৰ ফুলবোৰ ফুলিলে গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। পাছনিশা ফুলবোৰ মৰহী যায়।

ৰাতিৰ ৰাণী, চিৰিয়চ্‌ গ্ৰেন্দিফ্লৰচ্‌ পৰিয়াল–কেক্‌টেছি (Ratir Rani) Night-flowering Cactus (Variety) Cereus grandiflorus Family–Cactaceae

গছ-গছনিৰ ওপৰলৈ বগাই যোৱা এবিধ ডাঙৰ আকাৰৰ মঙহাল কেক্‌টাছ। লতাৰ নিচিনাকৈ বগাই যোৱা উদ্ভিদ ডালৰ ঠাৰিবোৰে কমবেছি পৰিমাণে তিনিসিৰীয়া আকৃতি প্ৰদৰ্শন কৰে। ঠাৰিডালৰ মাজে মাজে শিপাৰ উৎপত্তি হয় আৰু

এই শিপাই আশ্ৰয় প্ৰদান কৰা গছৰ বাকলিত খামোচ মাৰি ধৰি লতাডালক গছজোপাৰ ওপৰলৈ বগাই যোৱাত সহায় কৰে। মাজে মাজে তিনিসিৰীয়া লতাডাল সূক্ষ্ম ঠাৰিলৈ ৰূপান্তৰ হৈ গাঁঠিৰ নিচিনা আকৃতি ধাৰণ কৰে। এই গাঁঠিবোৰৰপৰা শাখাঠাৰিৰ উৎপত্তি হয়। সৰহীয়াকৈ শাখাঠাৰি ধৰা কেক্‌টাছডালে কোনো কোনো আশ্ৰয় প্ৰদান কৰা গছক সম্পূৰ্ণকৈ আৱৰি ৰখা দেখিবলৈ পোৱা যায়।

বছৰৰ কোনো কোনো সময়ত এইবিধ কেক্‌টাছে বিৰাট আকাৰৰ পদুমৰ নিচিনা ফুল ধাৰণ কৰে। বিৰাট আকাৰৰ পদুমৰ নিচিনা ফুল ধাৰণ কৰে। ফুলৰ বৰণ বগা হয় আৰু এই ফুল ৰাতিৰ ভিতৰতে ফুলি পাছ নিশা মৰহি যায়। ফুলবোৰ সুগন্ধি হয়।

সিজু, ইউফৰবিয়া নেৰিফলিয়া পৰিয়াল–কেক্‌টেছি জাঙ-কান (তাই-আহোম)
(Siju) Euphorbia neriifolia Family–Cactaceae

এবিধ কোমল বিধৰ গা-গছ আৰু ঠাল-ঠেঙুলি ধাৰণ কৰা সেউজবুলীয়া বিচিত্ৰ উদ্ভিদ। আমাৰ দেশত আৰু পৃথিৱীৰ অন্যান্য এলেকাত বিকাশ লাভ কৰি থকা কেক্‌টাছ গোষ্ঠীৰ ইয়াক অন্যতম প্ৰতিনিধি বুলি গণ্য কৰা হয়। ইয়াৰ গা-গছ আৰু শাখা-প্ৰশাখাবিলাকৰ উপৰিভাগত অলপ দীঘল চানেকীয়া কাঁইটৰ উৎপত্তি হয়। ঠাৰিবোৰে চাৰিসিৰীয়া ৰূপ ধাৰণ কৰে আৰু এই সিৰবোৰৰ চেপেটা আগত কাঁইটবোৰে বিকাশ লাভ কৰা দেখা যায়।

সিজু (প্ৰকাৰ)

ঠাৰিবোৰত কোনো ধৰণৰ পাতে বিকাশ লাভ নকৰে যদিও ঠাৰিৰ আগভাগবোৰত অলপ দীঘলীয়াকৈ থোপোকা আকৃতিৰ আৰু আগৰ ফালে ঘূৰণীয়া ৰূপ ধাৰণ কৰা কিছুসংখ্যক ডাঠ-চানেকীয়া পাতৰ উৎপত্তি হয়। এই পাতবোৰ ছিঙিলে কিম্বা গছজোপাত কিবা প্ৰকাৰে ঘা লগাই দিলে ক্ষত অংশৰপৰা গাখীৰৰ নিচিনা বগা আঠা ওলাই আহে। অক্ষত অৱস্থাত বহু বছৰ জীয়াই থকাৰ সুযোগ-সুবিধা পালে সিজু গেছৰ একোটা জোপাৰ উচ্চতা কেতিয়াবা দুই-তিনি মিটাৰ পৰ্যন্ত হোৱা পৰিলক্ষিত হয়। পূৰঠ গছৰ আগভাগত কেতিয়াবা আকৰ্ষণীয় ফুলৰ আৱিৰ্ভাৱ হোৱা দেখা যায়।

গাজৰ, দাউকাছ কেৰটা পৰিয়াল-অম্বেলিফেৰি
(Gajor) Carrot Daucas carota Family–Umbelliferae

তৰকাৰি হিছাপে খাব পৰা আলু ধাৰণ কৰা এবিধ বছেৰেকীয়া ফচল। বাম খেতি হিছাপে ইয়াৰ গুটি সিঁচি দি শাকনি বাৰীত লগোৱা হয়। নাৰ্চাৰী বা গুটি ব্যৱসায়ীসকলৰ কবি গুটিৰ দৰে এইবিধ শাক জাতীয় উদ্ভিদৰ গুটি কিনি অনা হয়। শাকনি বাৰীত এডোখৰ মাটি তৈয়াৰ কৰি গাজৰৰ গুটিবোৰ সিঁচি দিয়া হয়। সময়ত এই গুটিবোৰ গজি গজি পুলিৰ উৎপত্তি হয়। পুলিবিলাকে এক প্ৰকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। ঠাৰিৰ গুৰিভাগত মূলাৰ দৰে দীঘলীয়া আলু ধৰে। আলুৰ বৰণ হালধীয়া হয় বনগছডালৰে সৈতে এই আলুবোৰ উঠাই আনি তৰকাৰি হিছাপে ব্যৱহাৰ কৰা হয়। চালাদ হিছাপে কেঁচাই কেঁচাই বিলাহী, পিঁয়াজ, মূলা আদিৰ লগত মিহলি কৰি খাব পাৰি।

চফ্, গুৱামৰি, পিম্পিনেলা এনিচম্ পৰিয়াল-অম্বেলিফেৰি
(Sof, Guwamori) Pimpinella anisum Family–Umbelliferae

ধানৰ নিচিনা সৰু সৰু আকাৰৰ ফল ধৰা এবিধ বছেৰেকীয়া লাগতিয়াল উদ্ভিদ। ধনিয়াৰ নিচিনাকৈ শাকনি বাৰীত গুটিবোৰৰ সিঁচি দি মানুহে এইবিধ ফচল বাৰীত লগায়। গা গছডাল কোমল চানেকীয়াকৈ লেহুকা হয়। আৰু পাতবোৰে আঙলি পহীয়াকৈ যৌগিক গাঠনিত আত্মপ্ৰকাশ কৰে। ঠাল ঠেঙুলিৰ ঠাৰিৰ আগভাগবোৰত ছাতিৰ আকৃতি ধাৰণ কৰা পুষ্প গুচ্ছই বিকাশ লাভ কৰে। ফুলবোৰ পূৰ্ঠ হ'লে তাৰ পৰা যিবিলাক সৰু সৰু আকাৰৰ গুটি ধৰে সেই গুটিবোৰে চফ্, চফ্গুটি অথবা গুৱামৰি নাম পায়।

চফ্গুটি তামোল-পাণৰ লগত মিহলি কৰি খোৱা হয়। কেৰাহিত নিয়ামীয়াকৈ ভাজি ৰাখিলে খাবলৈ ভাল লাগে। ভাজি ৰখা চফগুটিবোৰ অন্যান্য মছলাৰ লগত মিহলি কৰি বটলত ভৰাই ৰাখিলে সময়ত আলহী-অতিথিক আগ বঢ়াবলৈ সুবিধা হয়।

জীৰা, কিউমিমম্ চাইমিমম্ পৰিয়াল-অম্বেলিফেৰি
(Jira) Cumimum cymimum Family–Umbelliferae

এবিধ সৰু আকাৰৰ বন জাতীয় উদ্ভিদ। এইবিধ ক্ষুদ্ৰ আকাৰৰ বনৰপৰা উৎপত্তি হোৱা নিচেই সৰু সৰু গুটিবিলাক মছলা হিছাপে তৰকাৰিত দি খোৱা হয়। এইবিধ মছলাৰ খেতি সাধাৰণতে অসমৰ মানুহে কৰা দেখা নাযায়। ভাটিৰপৰা অহা মছলা দোকানত কিনিবলৈ পোৱা যায়। দোকানৰপৰা এইদৰে কিনি অনা মছলাৰেই আমাৰ মানুহে কাম চলাই দিয়ে।

মাটিত হাউলি হাউলি পৰি থকা এবিধ ক্ষুদ্ৰ আকাৰ বন জাতীয় উদ্ভিদ। শাকনি

বৰ মানিমুনি, হাইড্ৰোকটিল এচিয়াটিকা পৰিয়াল–অম্বেলিফেৰি আম-আই (তাই-আহোম) মানিমুনি গিদিৰ (বড়ো)
(Bor Manimuni) Hydrocotyle asiatica Family–Umbelliferae

বাৰী ফুলনি বাৰী আৰু অন্যান্য চেঁচুকীয়া ঠাইবিলাকত এইবিধ উদ্ভিদে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। ঠালবোৰৰ আকাৰ তাঁৰৰ নিচিনা সৰু আৰু বৰণত সেউজ-বুলীয়া হয়। পাতবোৰে টেঙেচি শাকে ধাৰণ কৰা পাতৰ আকৃতি প্ৰদৰ্শন কৰে। গুৰিৰ অংশ দীঘলতকৈ বেছি বহল হয়। পাতৰ উপৰিভাগ মিহি হয় আৰু এই মিহি পাতৰ ওপৰত কোনো প্ৰকাৰ নোম বা শুঙৰ আৱিৰ্ভাৱ হোৱা পৰিলক্ষিত নহয়।

সৰু সৰু ফুল ফুলে। ফুলৰ বৰণ ৰঙচুৱা হয়। ফুলৰ পাহিবোৰে ঠাৰিত উপৰা-উপৰিকৈ সজোৱাৰ নিচিনা আকৃতি ধাৰণ কৰে। ফুলবোৰ পূৰ্বঠ সৰু সৰু ফলৰ উৎপত্তি হয়।

বৰ মানিমুনিৰ আঞ্জা তৈয়াৰ কৰি খাব পাৰি। সাধাৰণতে অন্যান্য শাকৰ লগত মিহলি কৰি তৰকাৰি বনোৱা হয়।

মান-ধনিয়া, ইৰিঞ্জিয়ম্ ফিটিদম্ পৰিয়াল–এম্বেলিফেৰি মান-ধনিয়া, জঙ্গলী মেমেধু (অসমীয়া) পদো মছলা (কাছাৰ) খাছিধাৰ (কামৰূপ) কুঙ্গাৰ ধুন্দিয়া (গোৱালপাৰা, বড়ো)
(Mandhonia) Eryngium foetidum Family–Umbellllierae

ধনিয়াৰ নিচিনা গোন্ধ থকা এবিধ বনৰীয়া ক্ষুদ্ৰ আকাৰৰ উদ্ভিদ। শাকনি বাৰী অন্যান্য মুকলিমূৰীয়া আৰু চেঁচুকীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কোনো কোনো মানুহে বাৰীতো ইয়াৰ মুঢ়া বা পুলি লগাই ৰাখে। পাতবিলাক কাটি তৰকাৰিত পেলাই দিলে এক প্ৰকাৰ সুগন্ধৰ উৎপত্তি হয়।

মুঢ়াৰ গুৰিভাগৰপৰা পাতৰ ঠাৰিবোৰ ওলাই আহে। পাতৰ আকৃতি দীঘলীয়া হয়। গুৰি অংশৰ তুলনাত পাতৰ মাজভাগ ক্ৰমে বহল হয় আৰু আগৰ অংশৰে সৈতে লগ লাগি একেখিলা পাতে দীঘলীয়া চামুচ এখনৰ আকৃতি ধাৰণ কৰে। পাতৰ উপৰিভাগ তলৰ পিঠিৰ তুলনাত গভীৰ সেউজীয়া হয়। পাতবোৰ দাঁতিত সৰু সৰু খাঁজ কটা দাঁতৰ উৎপত্তি হয়।

মান-ধনিয়াই সেউজীয়া ধৰণৰ বগা ফুল ধাৰণ কৰে। ঠাৰিৰপৰা ওলোৱা শাখা-ঠাৰিৰ আগবোৰত ঘূৰণীয়া আকৃতিৰ ফুল ধৰে। খৰালি গছজোপা মৰি যায়। ফুলৰপৰা সৰিপৰা গুটিবোৰ গজি গজি পৰৱৰ্তী বছৰত নতুন গছৰ উদ্ভৱ হয়।

মানিমুনি, হাইড্রোকটিল জাভানিকা পৰিয়াল–অম্বেলিফেৰি
(Manimuni) Hydrocolyle javanica Family–Umbelliferae

এবিধ কোমল শাক জাতীয় শয়ান উদ্ভিদ। সাধাৰণতে দুবিধ মানিমুনি আমাৰ ভৈয়ামীয়া ভূখণ্ডত উৎপত্তি হোৱা দেখা যায়। তৃতীয় বিধ মানিমুনি পাৰ্বত্য অঞ্চলত পোৱা যায়। পাতৰ আকৃতি খণ্ডিতভাৱে গোলাকাৰ অথবা মূত্ৰাশয়াকাৰ (বৃক্কাকাৰ)। দীঘলতকৈ বহল বেছি। লোমবিহীনভাৱে মসৃণ। ওপৰৰ লুটি তলৰ পিঠিতকৈ অধিক উজ্জ্বল আৰু সেউজ-বুলীয়া। হৃদয়াকাৰ, কুণ্ঠদন্তী অথবা গভীৰভাৱে লতিকাধাৰী।

পত্ৰবৃন্ত দীৰ্ঘাকাৰ, কোমল আমল লোমযুক্ত ছত্ৰবিন্যাস পুষ্পক্ৰম বহু সংখ্যক ফুলযুক্ত। পুষ্পবৃন্ত পাতৰ বিপৰীতমুখী। পাহি সৰল প্ৰান্তীয়। ফল নিচেই, চেপেটা আৰু থালাকাৰ।

মেমেধু, ধনিয়া, কৰিয়েন্দ্ৰম্ ছেটিভম্ পৰিয়াল–অম্বেলিফেৰি ধুন্দিয়া (বড়ো) ধনিয়া, মেমেধু (অসমীয়া)
(Dhania) Coriandrum sativum Family–Umbelliferae

এবিধ সৰু আকাৰৰ বন-জাতীয় সুগন্ধী উদ্ভিদ। প্ৰতিবছৰে উৎপন্ন হৈ প্ৰতিবছৰে মৰি শেষ হৈ যায়। সুগন্ধি পাত আৰু কুমলীয়া আগবিলাক ছিঙি আনি তৰকাৰি দি খোৱা হয়। চালাদৰ লগত মিহলি কৰি লৈ কেঁচাই কেঁচায়ো খাব পাৰি। সেইবাবে এইবিধ মছলা জাতীয় উদ্ভিদৰ গুটি বাৰীৰ এঠাইত সিঁচি দি আমাৰ মানুহে শাক পাচলিৰ লগত ইয়াকো বছেৰেকীয়া বাম খেতিৰ অঙ্গ হিছাপে বাৰীত লগাই ৰাখে।

ঠাৰিবোৰৰ আগত থোপা বান্ধি বান্ধি বিকাশ লাভ কৰা ফুলবোৰে বগা চানেকীয়া বৰণ ধাৰণ কৰে। এই ফুলবোৰ পূৰঠ হ'লে অলপ দীঘলীয়া বিধৰ সৰু সৰু ফল ধৰে। এই ফলবোৰ মছলা হিছাপে খাব পাৰি।

সৰু মানিমুনি, হাইড্ৰোকটিল ৰিটন্দিফলিয়া পৰিয়াল–অম্বেলিফেৰি মানিমুনি ওন্দই (বড়ো) ফা-অম্-নয় (তাই-আহোম)
(Soru Manimuni) Hydrocotyle retundifolia Family–Umbelliferae

ইয়াৰ আগৰ শিতানত বৰ্ণনা কৰি মানিমুনিৰ এটা সৰু জাতৰ য'তে ত'তে দেখিবলৈ পোৱা যায়। এইবিধ ক্ষুদ্ৰ আকাৰৰ উদ্ভিদকো সাধাৰণতে চেঁচুকীয়া ঠাইত উৎপত্তি হোৱা দেখা যায়। শাকনি বাৰী, ফুলনি, ঘৰৰ আগৰ চোতাল আদি গৰু খিচ্, টেঙেচি টেঙা আদি ক্ষুদ্ৰাকাৰ উদ্ভিদৰ সৈতে একেবোৰ ঠাইতে উৎপত্তি হোৱা দেখা যায়।

ইয়াৰ পাতবিলাক বৰ মানিমুনি পাততকৈ আকাৰত সৰু হয়। পাতবিলাকে বৰ মানিমুনি পাতৰ দৰে আঙুলিপহীয়া অথবা ফেৰেঙনি মেলা আকৃতি ধাৰণ কৰে। পাতৰ উপৰিভাগ মিহি হয় আৰু তাৰ ওপৰত কোনো নোম বা শুঙৰ বিকাশ সাধন হোৱা

দেখা নাযায়। ফুলৰ আকাৰ সৰু সৰু হয়। ফুল পূৰঠ হ'লে সৰু সৰু গুটি ধৰে।

এইবিধ বনৰীয়া উদ্ভিদকো আন শাকৰ লগত তৰকাৰি বনাই খাব পাৰি।

গাহৰি চপা, (২য় বিধ) নিছা ছেচিলিফলিয়া
পৰিয়াল—কাৰ্ণোছি
Gahori Sopa Nyssa sessilifoliya
Family–Cornaceae

ইতিপূৰ্বে গাহৰি চপা নামেৰে পৰিচিত এবিধ সুকাঠী গছৰ বিষয়ে আলোচনা কৰি অহা হৈছে। উজনি অসমৰ বনাঞ্চলবিলাকে ধাৰণ কৰা আন এবিধ সুকাঠী গছকো আমাৰ ভাষাত গাহৰি চপা বুলি কোৱা হয়।

এইবিধ গছৰ বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ খহটা হয় আৰু ইয়াৰ ওপৰত খহুলি দাগো বিকাশ লাভ কৰি থাকে। বাকলিৰ ভিতৰখন মুগা-চানেকীয়া হয় আৰু তাত ফুটফুটীয়া দাগৰ আভাস পৰিলক্ষিত হয়। পাতবিলাকে দীঘলীয়া ধৰণে ধপলা-ধপল আকৃতি ধাৰণ কৰে। ঠালবোৰৰ আগ-ভাগবিলাকত পাতবোৰে থোপ বান্ধি বিকাশ লাভ কৰি থাকে। প্ৰত্যেকখিলা পাতে ১৩ যোৰাৰপৰা আৰম্ভ কৰি গাইগুটীয়াভাৱে ১৭ যোৰা পৰ্যন্ত শাখাসিৰ ধাৰণ কৰে।

ফুলৰ বৰণ সেউজীয়া হয় আৰু একেজোপা গছে বেলেগ বেলেগ পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। অলপ দীঘল চানেকীয়াকৈ মঙহাল ফল ধৰে।

এইবিধ গছৰ কাঠ ফালি নানা কামত লগোৱা হয়।

আকাল বিহ, মৰিন্দা এঙ্গোষ্টিফলিয়া
পৰিয়াল—ৰুবিয়েছি
(Akal-bih) Morinda angusti-folia Family–Rubiaceae

এবিধ থাকাল আকাৰৰ বনৰীয়া গছ। ইয়াক ডাঙৰ আকাৰৰ এবিধ জোপোহা গছৰ আখ্যাও দিব পাৰি। কোনো কোনো ঠাইৰ মানুহে ইয়াক আঁছুগছ নামেৰেও পৰিচয় কৰিব খোজে। বাকলিৰ বৰণ মুগা চানেকীয়া হয় আৰু বাকলিখনে দীঘল দীঘল ফাট মেলাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠেক ঠেক পাতবোৰে দীঘল পহীয়া ৰূপ ধাৰণ কৰে। পাতৰ দাঁতিত কোনো প্ৰকাৰৰ খাঁজ কটা চিন নাথাকে। প্ৰত্যেকখিলা পাতৰ মূল সিৰাৰ দুয়োকাষে ১০-১৫ ডালমান শাখাসিৰা উৎপত্তি হয়। উপসিৰা আৰু মূল সিৰাৰ কাষে কাষে চুলিৰ নিচিনা আঁহ ওলায়। ফুলবোৰ সুগন্ধি হয়।

ইপিকেক্, চেপিলিচ্ ইপিকেকোৱানহা
পৰিয়াল—ৰুবিয়েছি
(Ipecac) Cephaelis ipecacua-nha Family–Rubiaceae

বনৌষধ প্ৰস্তুত কৰিব পৰা ৰসায়নিক পদাৰ্থ ধাৰণ কৰা এবিধ বিজাতীয় ক্ষুদ্ৰ আকাৰৰ উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান ব্ৰাজিল আৰু বলিভিয়াৰ অন্তৰ্গত থকা সেমেকা

বনাঞ্চলবিলাক বুলি জনা যায়। ১৮৬৬ চনত ইয়াৰ সঁচ আনি পোনপ্ৰথমতে ভাৰতত লগোৱা হৈছিল। কলিকতাৰ ৰয়েল বোটানিকেল গাৰ্ডেনৰ তৎকালীন অধীক্ষক ডঃ এন্দাৰচন চাহাবে কিউ গাৰ্ডেনৰপৰা ইয়াৰ সঁচ আনি লগাইছিল। তাৰে কিছুসংখ্যক পুলি নি পশ্চিমবঙ্গৰ দাৰ্জিলিং, মেঘালয়ৰ নংপো, তামিলনাডুৰ নীলগিৰি পাহাৰ আৰু ছিক্কিমৰ ৰংগীত থকা চিনকনাৰ বাগানত লগোৱা হ'ল। পৰীক্ষামূলকভাৱে অসমৰ বনবিভাগে এতিয়া নগাঁও জিলাৰ আমচৈত ইয়াৰ পালেং বনাই ব্যৱসায়িক ভিত্তিত খেতি কৰিব পৰাৰ চেষ্টা চলাইছে। ইয়াৰ পাতবিলাক অলপ ডাঙৰ হয়। শিপা কোছা-কোছে ধৰে। ফলবোৰৰ আকৃতি গোল চানেকীয়া হয়।

শিপাৰপৰা যি ঔষধ তৈয়াৰ কৰা হয় সেই ঔষধ গ্ৰহণী বেমাৰত ব্যৱহাৰ কৰা হয়। সেইবাবে ইপিকেকৰ অৰ্থনৈতিক মূল্য অতি বেছি বুলি ক'ব লাগিব।

কফি, কফিয়া এৰেবিকা কফিয়া ৰোবাষ্টা পৰিয়াল–ৰুবিয়েছি
(Ipecac) (1) Coffea arabica
(2) Coffea robusta Family–Rubiaceae

ওপৰত নাম উল্লেখ কৰা জোপোহা আকৃতিৰ গছ দুবিধক বুজাবলৈ কফি শব্দ ব্যৱহাৰ কৰা হয়। পূৰ্বতে এই কফি গছ অসমত থলুৱাভাৱে উৎপন্ন হোৱা দেখিবলৈ পোৱা নগৈছিল। অসমৰ পাৰ্বত্য জিলা দুখনত (কাৰবি আংলং আৰু উত্তৰ কাছাৰ) ঠাই বুজি ভূমি সংৰক্ষণ এই দুয়োবিধ গছৰ বাগান নিৰ্মাণ কৰিছে। দুয়োবিধ গছে থোপা-থোপে ফল ধৰে। সেই ফলবোৰ পকিলে গছৰপৰা ছিঙি আনি ৰ'দ শুকুৱাই বাকলিবোৰ গুচাই ভিতৰত থকা গুটিবোৰ বাহিৰ কৰা হয়। এই গুটিবোৰ মেচিনত ভাঙি কফি পাউদাৰ তৈয়াৰ কৰা হয়। সেইবাবে অৰ্থনৈতিক দৃষ্টিকোণৰপৰা এই দুবিধ গছৰ মূল্য অত্যন্ত বেছি।

গছজোপাই গুৰিৰেপৰা চাহ-গছৰ দৰে ঠাল-ঠেঙুলি মেলি জোপোহা আকৃতি ধাৰণ কৰে। ঘাই গছ আৰু ডালবোৰে ছাই-বৰণীয়া ৰং প্ৰদৰ্শন কৰে। পাতবোৰে মাজভাগ বহল আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৱা আকৃতি ধৰে। থোপা-থোপে ফুল ফুলে। সেই ফুলবোৰ পুৰঠ হ'লে লমা-লমে ফল ধৰে।

কঠনা ফুল, কফিয়া বেঙ্গলেঞ্চিছ পৰিয়াল–ৰুবিয়েছি আখাজি, দেৱামলি কঠনা ফুল (অসমীয়া) মিৰথেলো (কাৰবি) ফুল দৌদাই (বড়ো) ব্লুক্-খাউ-পে (তাই আহোম)
(Kothna Phul) Coffea bengalensis Family–Rubiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। সাধাৰণতে গছবোৰৰ উচ্চতা প্ৰায় এক মিটাৰমান হোৱা দেখা যায়। মূল গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে ছাই বৰণীয়া ৰং ধাৰণ

কৰে। নামনি অসমৰ শালনি হাবিবোৰত এইবিধ গছে সৰ্বনিম্ন স্তৰত বিকাশ লাভ কৰা দেখা যায়। কোনো কোনো ঠাইত ওচৰা-উচৰিকৈ বহুতো গছৰ উৎপত্তি পৰিলক্ষিত হয়।

পাতৰ আকৃতি দীঘল চানেকীয়া আৰু আগজোঙা হয়। পাতৰ উপৰিভাগ মিহি হয়। চ'ত-বহাগমহীয়া গোটেইবোৰ পাত একে সময়তে সৰি গ'লে গছবোৰ উদং হৈ পৰে। খৰালিমহীয়া বগা বগা বৰণৰ ফুল ফুলে। তেতিয়া গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। একে সময়তে ফুল ধাৰণ কৰিলে শালনি বাৰীৰ তলখন আকৰ্ষণীয় হৈ পৰে।

কোনো কোনো মানুহে এই জাতৰ দুই এজোপা গছ ফুলনি বাৰীত লগাই ৰাখে।

কদম, ৰঘু, এন্থোচিফালছ কদম্বা পৰিয়াল–ৰুবিয়েছি
(Kadam, Raghu) Anthocephalus cadamba Family–Rubiaceae

এবিধ বিৰাট আকাৰৰ চিৰসেউজীয়া গছ। গা-গছডাল কম-বেছি পৰিমাণে পোলোঙা হয় আৰু ডালবিলাকে সৰহ ক্ষেত্ৰত সমভূমিৰ লগত প্ৰায় সমান্তৰালভাৱে চক্ৰাকাৰ ৰূপ ধাৰণ কৰে। ধপলা-ধপল পাতবোৰ গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে চিঁয়া হৈ যোৱা দেখা যায়। পাতৰ উপৰিভাগ অলপ খহটা চানেকীয়া হয়। ওপৰ পিঠি অলপ মিহি আৰু তলৰ পিঠি খহটা হয়। ফুলবোৰে তৰুৱা কদম ফুলৰ নিচিনা ঘূৰণীয়া আকাৰ ধাৰণ কৰে। চুপহিৰ আৱৰণ ৫ খণ্ডত বিভক্ত হৈ থাকে, পাহিবোৰে চুঙাৰ নিচিনা ৰূপ ধাৰণ কৰি আগৰফালে ক্ৰমে বহল হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

এইবিধ গছৰপৰা উৎপাদন হোৱা কোমল চানেকীয়া আৰু বগা বৰণীয়া হোৱা দেখা যায়। ইয়াৰ তক্তাৰে বস্তু চালান দিয়া বাকচ তৈয়াৰ কৰা যায়। দিয়াচলাই বাকচ নিৰ্মাণ কৰা কামতো ইয়াক ব্যৱহাৰ কৰা হয়।

কাকৈচিৰা, ট্ৰাইকেলিচিয়া চিংগুলাৰিছ পৰিয়াল–ৰুবিয়েছি খুক্ৰো, গাৰো খুকৰো, কাকৈচিৰা (অসমীয়া) বল খুংখাং, বল জাকিংচক (গাৰো) পনডনজে বেফাং, কেহুবাই আৰং (কাৰবি)
(Kakoichira) Tricalysia singularis Family–Rubiaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অৱস্থিত প্ৰায় কেইখন জিলাৰ বনভূমিবিলাকত কম-বেছি পৰিমাণে দেখা যায়। বৰাক উপত্যকা, উত্তৰ কাছাৰ আৰু কাৰ্বি আলং জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকেও এইবিধ গছ ধাৰণ কৰে। কাঠৰ বৰণ বগা। কেঁচা ঘৰৰ খুঁটা আদি লগোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ ৰং ছাই-বৰণীয়া হয়। গা-গছত এক প্ৰকাৰৰ খহুলা-খহুলি দাগৰ উৎপত্তি হয় আৰু তাৰপৰা এক প্ৰকাৰ আঠা ওলায়। বাকলি নিমজ। পূৰঠ গছৰ বাকলিখন টুকুৰা-টুকুৰকৈ পালি তাৰপৰা চেঁকুৰাবোৰ ওলমি ওলমি থাকে। বাকলিৰ ভিতৰৰ কোমল অংশ অনুজ্জ্বলভাৱে শেঁতা আৰু কোনো কোনো ক্ষেত্ৰত সেউজ-বুলীয়াকৈ মুগা হয়। বাকলিখন কটাৰ কিছু সময়ৰ পাছত ক'লা ৰঙলৈ পৰিবৰ্তন হয়। পাতবোৰ স্থাপন ৰীতি বিপৰীতমুখীভাৱে সমকৌণিক। পাতবোৰ আয়তাকাৰ, উপ-বৃন্তাকাৰ প্ৰান্তৰেখা সৰল, অগ্ৰাংশ নেজালভাৱে সূক্ষ্মকৌণিক, নিমজ ওপৰৰ পিঠি উজ্জ্বল, তলৰ লুটি অলপ শেঁতা। শাখাসিৰবোৰ সূক্ষ্মকাৰ।

ফুল চাৰিপহীয়া চাৰিপহীয়া, সেউজ-বুলীয়াভাৱে বগা। উপ-বৃন্তহীন, উভয়লিংগী। বৃত্তি দন্ত পুষ্প বিকাশৰ পাছতো বৃদ্ধিপ্ৰাপ্ত হয়। দমমণ্ডল সেউজ-বুলীয়া, দীৰটাকাৰ, লতিকা, কুশাকাৰ, আয়তাকাৰ, কণ্ঠ দীৰ্ঘৰোমী। পুংকেশৰ দলমণ্ডলৰ মুখত স্থাপিত। অণ্ডকোষ দুকোঠালিয়া। ফল মঙহাল, চেৰি সদৃশ। বীজ চেপেটা।

কেতকুৰা, ভেঙোৰিয়া স্পাইনোছা
পৰিয়াল–ৰুবিয়েছি থিছুকিয়ং (আছিক)
চহ্-মন (খাচিয়া)
(Kethura) Vangueria spinosa
Family–Rubiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। গা-গছ আৰু ডাল-ডোলৰ বাকলিখন ক'লা চানেকীয়াকৈ মদৰুৱা হয়। বাকলিৰ উপৰিভাগত ঠায়ে ঠায়ে কটাৰ নিচিনা দাগৰ উৎপত্তি হয়। দা এখনেৰে বাকলিখনত কোব মাৰি ঘা লগাই দিলে দেখিবলৈ পোৱা যাব যে বাকলিৰ ভিতৰৰ পদাৰ্থবোৰ অলপ হালধীয়া বৰণ ধাৰণ কৰে। গোটেইজোপা গছতে দীঘল চানেকীয়া কাঁইটৰ বিকাশ সাধন হয়। অলপ ডাঠ ধৰণৰ মিহি চানেকীয়া পাতবোৰ আগৰফালে জোঙা আৰু গুৰিৰ অংশ দুয়োফালৰ পৰা ঘূৰণীয়াকৈ ভাঁজ খাই ঠাৰিত লগা লগা ধৰণৰ হয়। এই পাতবোৰে ঠাৰিত যোৱা পাতি পাতি বিপৰীতমুখী ৰূপ প্ৰদৰ্শন কৰে। ফুলৰ পাহিবোৰে পাতলীয়াকৈ সেউজীয়া ৰং ধৰে।

ফলৰ আকৃতি একো একোটা বৰবিলাহীৰ নিচিনা হয়। ভিতৰত ফুটা থাকে আৰু সেই ফুটাবোৰৰ ভিতৰত অলপ ডাঙৰ আকাৰৰ ক'লা ক'লা একোটা গুটি ধৰে। সেউজীয়া ফলবোৰ পকিলে ৰঙচুৱা হয়। খালে মিঠা মিঠা লাগে। জোঁটা জোঁটাকৈ মালা গাঁঠি ৰ'দত শুকুৱাই ৰাখিলে এমেটাৰ নিচিনা লেকেটুৱা হয়। তেতিয়া খাবলৈ বেয়া নালাগে।

এবিধ মজলীয়া আকাৰৰ ঔষধ জাতীয় বিদেশী উদ্ভিদ। পূৰ্বতে অবিভক্ত

চিন্‌কনা, চিনকণা অফিচিনেলিচ্ পৰিয়াল–ৰুবিয়েছি (Chinchona) Chinchona officinalis Family–Rubiaceae অসমৰ খাচিয়া-জয়ন্তীয়া আৰু গাৰো পাহাৰ জিলাত এইবিধ মূল্যবান গছৰ খেতি বাগান আকাৰে কৰিবলৈ লোৱা হৈছিল। খ্বিলঙৰ ওচৰৰ নংখ্‌লাও বনভূমি আৰু তুৰাৰ গাতে গা লাগি থকা তুৰা পাহাৰৰ অলপ হেলনীয়া ঠাইত এইবিধ গছৰ ৰোপণ কাৰ্য প্ৰণালীবদ্ধভাৱে কৰিবলৈ লোৱা হৈছিল। পাছত চিনকনাৰ চাহিদা আশানুৰূপ নোহোৱাত ইয়াৰ ৰোপণ কাৰ্য বন্ধ কৰি দিব লগা হ'ল। সেইবোৰ ঠাইত এতিয়াও ইয়াৰ চিন-মোকাম দেখিবলৈ পোৱা যায়।

পাতবোৰে দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ শিৰাৰ উপৰিভাগত ক্ষুদ্ৰাকাৰ ছিদ্ৰ কিছুমানৰ উৎপত্তি হয়।

ফুলৰ বৰণ ৰঙচুৱা হয়। ফুল থোপা-থোপে ফুলে।

তিতা, শোকোতা চেচালিয়া এম্বিগোৱা পৰিয়াল–ৰুবিয়েছি (Tita Hukuta) Chasalia ambigua Family–Rubiaceae এবিধ চাপ আকৃতিৰ জোপোহা গছ। অসমৰ বিভিন্ন ঠাইত থকা হাবি-বনানীবোৰত এইবিধ বনৰীয়া উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। নতুনকৈ ওলোৱা ঠাল-ঠেঙুলিবোৰ লেহুকা আৰু কোমল বা মঙহাল হ'লেও পূৰঠ ডালবোৰে কঠিন ৰূপ ধাৰণ কৰে। পাতলীয়া বাকলিৰ উপৰিভাগ বৰণত মুগা চানেকীয়া আৰু স্পৰ্শত মিহি হয়। বাকলিৰ ভিতৰখন বগা হয়। সামান্যভাৱে ভিন্ন ৰূপৰ আভাস পৰিলক্ষিত হয়।

ফুলৰ বৰণ বগা হয়। প্ৰত্যেক পাহ ফুলৰ আগভাগ ৰঙচুৱা হয়। মূল পুষ্প ঠাৰিৰ আগভাগত বিকাশ লাভ কৰা পুষ্প পুঞ্জই চক্ৰাকাৰ ৰূপ ধাৰণ কৰে।

আধুনিক অসমৰ প্ৰায় আটাইকেইখন জিলাতে এইবিধ গছৰ উৎপত্তি কম-বেছি পৰিমাণে পৰিলক্ষিত হয়।

তিমি, মিত্ৰাগাইনা ৰিটান্দিফলিয়া মিত্ৰাগাইনা ডাইভাৰচিফলিয়া পৰিয়াল–ৰুবিয়েছি ইটোম-পো-আৰং (কাৰবি) (Timi) Mitragyna retundifolia Syn. Mitrangyna diversifolia Family–Rubiaceae এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। বাকলি মটীয়া অথবা ছাই-বৰণীয়া। পাতৰ আকৃতি দীঘলীয়া, মণ্ডলাকাৰ, বৃত্তাকাৰ, বহলভাৱে ডিম্বাকাৰ, উপ-বৃত্তাকাৰ, অগ্ৰাংশ হ্ৰস্বভাৱে নেজালকৈ সূক্ষ্মকৌণিক। লোমবিহীন নিমজ অথবা সামান্যভাৱে চুটি চুটি নোমযুক্ত। পাতৰ প্ৰতি অৰ্দ্ধাংশই ৭-৮ ডাল পাৰ্শ্বসিৰ ধাৰণ

কৰে। আধাৰ গোলাকাৰ, হৃদয়াকাৰ, ক্ৰমাগতভাৱে সংকীৰ্ণাকাৰ। পত্ৰবৃন্তৰ দৈৰ্ঘ্য প্ৰায় ২ চেণ্টিমিটাৰ, উপ-পত্ৰ অধোমুখ ডিম্বাকাৰ, দৈৰ্ঘ্য প্ৰায় ১-২ চেণ্টিমিটাৰ।

পুষ্পক্ৰম সেউজ-বুলীয়াভাৱে বগা, কোনো ক্ষেত্ৰত তিনি পহীয়া পুষ্পেৰে গঠিত নিয়তাক্ষ। পত্ৰ সদৃশ বেটুৰ দ্বাৰা আবৃত অথবা সম্পূৰ্ণভাৱে অনাবৃত। বেটুৰ আকৃতি পত্ৰবৃন্তৰ সমতুল্য। দীৰ্ঘস্থায়ী। উপবেটু নিমজ অথবা অলপ দীৰ্ঘলোমযুক্ত। বৃত্তি হ্ৰস্ব। বৃত্তিধাৰী বৃন্ত অস্পষ্ট, প্ৰান্তীয়ভাৱে দীৰ্ঘলোমযুক্ত। দলমণ্ডল ক্ষুদ্ৰাকাৰ, ফল সিৰযুক্ত। বীজ দুয়োমুৰ পাখিযুক্ত।

পাদুৰী লতা, পাদ্ৰী লেৰা, পিদেৰিয়া ফিটিদা পৰিয়াল–ৰুবিয়েছি মুকুণ্ড লতা (কাছাৰ) মাদত্থি, পাছুম (গাৰো) দৌথি-বন্দুং (মেচ) চাম-খি-ফু (কছাৰী) বেই-নাম-ব্ৰাং (কুকি) মেই-ইন্টু, মেই-চহ-মাচেম্ (খাচিয়া)
(Paduri lota, Padri lewa) Paederia faetida Family–Rubiaceae

এডাল তাঁৰৰ সমান ক্ষুদ্ৰ আকাৰৰ এবিধ বৃক্ষাৰোহী গুল্ম। গছৰ ওপৰলৈ আৰোহণ কৰোঁতে ঘড়ীৰ কাঁটাৰ বিপৰীতমুখী পথ অনুসৰণ কৰে। পাতবিলাক পত্ৰবৃন্তত বিপৰীতমুখ, দৈৰ্ঘ্য প্ৰায় ৬ চেণ্টিমিটাৰ আৰু প্ৰস্থ কম-বেছি পৰিমাণে ২ চেণ্টিমিটাৰ। বৃত্তাকাৰ-ডিম্বাকাৰ, বল্লমাকাৰ, চুটিকৈ সূক্ষ্মকৌণিক, সৰল-প্ৰান্ত, পাতলীয়া, লোমবিহীন।

পাতৰ প্ৰতি অৰ্দ্ধাংশই ৫-৭ ডাল শাখাসিৰ ধাৰণ কৰে। শাখাসিৰ কক্ষ কৌণিক। কেতিয়াবা চুলি যুক্ত। আধাৰ গোল অথবা উপ-হৃদয়াকাৰ। পত্ৰবৃন্ত প্ৰায় তিনি চেণ্টিমিটাৰ দীঘল।

ফুল মটীয়াভাৱে গুলপীয়া। ফুলৰ মুখ বেঙুনীয়া। কক্ষৰ পাৰ্শ্বভাগ আৰু অন্তিম বিন্দুৰে বহন কৰা ফুলৰ পাহিবোৰে সামগ্ৰিকভাৱে নিয়তাক্ষ যৌগিক মঞ্জৰীৰ ৰূপ লয়। নিয়তাক্ষ বৃন্ত বিপৰীতমুখী। বেটুপত্ৰৰ দাঁত সূক্ষ্ম, সাধাৰণতে তিনিকোণীয়া। দলমণ্ডল বেহি-সদৃশ। নলিৰ অন্তৰভাগ লোমযুক্ত। ফল বৃত্তাকাৰ, ৰঙচুৱা, শোটোৰা পৰা, পাইৰিণ পাখিযুক্ত।

পানী কদম, হাই মেনোডিক্টিয়ন এক্সেল্‌চম্ পৰিয়াল–ৰুবিয়েছি
(Pani Kadam) Hymenodictyon excelsum Family–Rubiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি লঠঙা হয়। সৰাৰ আগতে পাতবোৰে ৰং সলাই হালধীয়া হৈ পৰে। গা-গছ আৰু ঠাল-ঠেঙুলিবোৰৰ বাকলি মুগা

চানেকীয়া বৰণ ধাৰণ কৰে। কুমলীয়া অৱস্থাত বাকলিবোৰৰ উপৰিভাগ মিহি হয়। পূৰঠ ডাল আৰু গা-গছৰ বাকলি সোপোকা হয়। বাকলিৰ ভিতৰ অংশ বগা আৰু আঁহযুক্ত হয়।

পাতবোৰে দীঘল চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে আৰু আগৰফালে জোঙা হয়। ফুলৰ বৰণ বগা হয়। থোপা-থোপে ফুলবোৰে ছাতি আকৃতি ধাৰণ কৰে। ফলবোৰে পাখিৰ নিচিনা ৰূপ প্ৰদৰ্শন কৰে।

পুলি কাঁইট, ৰান্দিয়া লঙ্গিফ্লোৰা পৰিয়াল ৰুবিয়েছি পুলি কাঁইট, সৰু মইন (অসমীয়া) চুহো (কাৰ্বি) মা-লঙ্-শ্লু (তাই-আহোম)

(Puli-Kaint) Randia longiflora
Family–Rubiaceae

সৰু আকাৰৰ এবিধ জোপোহা গছ। স্বাভাৱিকতে উৎপন্ন হোৱা এইবিধ বনৰীয়া উদ্ভিদৰ দুই-এজোপা য'তে ত'তে দেখা পাবলৈ আশা কৰিব পাৰি। গা-গছৰ তল ভাগৰ অলপ ওপৰৰ পৰা ঠাল-ঠেঙুলিবিলাক বিকাশ লাভ কৰি জোপোহা আকৃতি ধাৰণ কৰাত গছজোপাক সহায় কৰে। ঠাল আৰু পাতৰ গুৰিয়ে গুৰিয়ে ভোটা ধৰণৰ কাঁইটৰ উৎপত্তি হয়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ ওপৰত কলপতীয়া বৰণৰ আভাস পৰিলক্ষিত হয়। বাকলিৰ উপৰিভাগত অলপ ওখোৰা-মোখোৰা দাগৰ উৎপত্তি হয়। তদুপৰি এই বাকলিৰ উপৰিভাগত দীঘল দীঘল আঁচৰ উৎপত্তি হোৱা দেখা যায়।

ফুলবোৰ আকাৰত সৰু আৰু বৰণত বগা চানেকীয়া হয়। প্ৰত্যেক থোপা ফুলৰ তিনি-চাৰিটা ফুলৰ উৎপত্তি হয়। ফুলবিলাক সামান্যভাৱে সুগন্ধি হয়।

বনবেঙেনা, ৰান্দিয়া ইউলিজিনোছা পৰিয়াল–ৰুবিয়েছি চেহেপি আৰং (কাৰবি) পিৰালা (বঙালী) এজেন্দ্ৰা, চুক্‌চেং (গাৰো) বনাপহি ফাং (কছাৰী) থিংপুই (কুকি)

(Bonbagana) Randia uliginosa
Family–Rubiaceae

এবিধ কঠিন পৰ্ণপাতী গছ। বাকলিৰ বৰণ ৰংচঙীয়াকৈ মুগা। পথালি পথালিকৈ ফাট-মেলা দাগৰ উৎপত্তি হয়। শাখা-প্ৰশাখাবিলাকে চাৰিকোণীয়া আকৃতি ধাৰণ কৰে। কুমলীয়া ঠেঙুলিবোৰ নোমাল। বৃদ্ধিবিঘ্ন প্ৰশাখাৰ অগ্ৰাংশই কাঁইটৰ নিচিনা শলা ধাৰণ কৰে।

পাতৰ দৈৰ্ঘ্য প্ৰায় ৮ চেণ্টিমিটাৰ আৰু প্ৰস্থ কম-বেছি পৰিমাণে ৩.৫ চেণ্টিমিটাৰ। অধোমুখ ডিম্বাকাৰ, আয়তাকাৰ, ওপৰৰ পিঠি উজ্জ্বল মিহি, তলৰ পিঠি সিৰ সামান্যভাৱে লোমযুক্ত। পাতৰ প্ৰতি অৰ্দ্ধাংশ ৬-৮ ডাল পাৰ্শ্বসিৰ ধাৰণ কৰে।

পত্রবৃন্ত ২ চেণ্টিমিটাৰ দীঘল। উপপত্র তিনিকোণীয়া।

ফুলৰ বৰণ বগা। গাইগুটীয়া। দ্বিৰূপী। সূক্ষ্ম বৃন্তধাৰী অথবা উপ বৃন্তহীন ডাঙৰ। বৃত্তি নলি ১.৫ চেণ্টিমিটাৰ দীঘল, বৃত্যাংশ গোল। দলমণ্ডল বহলাকাৰভাৱে পাহমেলা। নলি হ্ৰস্ব। লতিকা ৫-৭ গোলাকাৰ। পুং কেশৰ বৃন্ত বিহীন। গৰ্ভমুণ্ড দ্বি-লতিকাধাৰী। ফল দ্বিকোষযুক্ত।

বন থেৰেজু, কেণ্থিয়ম গ্লেব্ৰম্ পৰিয়াল–ৰুবিয়েছি চিটু অক্‌ৰাণ আৰং (কাৰ্বি) জেনেমুই আৰং (কাৰবি) বলথিন্ কিং (গাৰো) বগাকলি, ভেলা (অসমীয়া) দিয়েং-ৰি-চাই (খাচিয়া)

(Bon-Thereju) Canthium glabrum
Family–Rubiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। অসম উপত্যকাৰ বনাঞ্চলবিলাকত ঠাই বুজি উৎপন্ন হোৱা দেখা যায়। গা-গছৰ কাণ্ড অনিয়মিতভাৱে খহুলা। উপ শাখাকাণ্ড ব্যত্যস্ত আৰু অনিয়মিতভাৱে স্থূলযুক্ত। বুঢ়া পাত হালধীয়া। বাকলিৰ বাহিৰাংশ কুহিলাৰ দৰে সোপোকা, আঁহযুক্ত, মুগা। ভিতৰৰ ফালে থকা অংশ শেঁতা। কৰ্তাংশ ৰেখা-চিহ্নিত ৰঙা আৰু হালধীয়া, খন্তেকৰ পাছতে ক'লা পৰাকৈ ৰং সলোৱা।

পাতৰ দৈৰ্ঘ্য ১১-১২ চেণ্টিমিটাৰ, প্ৰস্থ ৪-৫ চেণ্টিমিটাৰ। সমকৌণিক দ্বি-অভিমুখ। সৰল প্ৰান্তীয়, উপ-বৃত্তাকাৰ, ডিম্বাকাৰ-দীৰ্ঘায়তাকাৰ, দীৰ্ঘ-বল্লমাকাৰ, সূক্ষ্মকৌণিক বা আকস্মিকভাৱে দীঘ-সূক্ষ্মকৌণিক, পাতল-মসৃণ, লোমবিহীন, ওপৰ পিঠি জকমকীয়া সেউজী, তলৰ লুটি অনুজ্জ্বল। পাতৰ প্ৰত্যেক অৰ্দ্ধাংশত ৫-৭ সিৰ। সিৰৰ অক্ষ কেতিয়াবা পেশীৰ গুটিযুক্ত, দ্বিতীয় পৰ্যায়ৰ সিৰ অৰ্দ্ধ শংখাকাৰ, আধাৰ গোল বা খণ্ডিতাকাৰ। পত্রবৃন্ত হ্ৰস্ব, উপপত্র বহল। বৃত্তি নলি উপ-গোলাকাৰ ফল গোলাকাৰ। বাকলিৰ বহিৰাংশ মঙহাল।

বিহমনা, ৰান্দিয়া দুমেটৰম্ পৰিয়াল–ৰুবিয়েছি ৰুথি আৰং (কাৰ্বি) বিছ্ খনিহক্‌ৰা (মেচ) থিচ্ কেং (আছিক) কটহ্ বিহ (দৰং আৰু শোণিতপুৰ) দিয়েং মাকাছিং খ্লাও (খাচিয়া)

(Bihmona) Randia dumetorum
Family–Rubiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া জোপোহা গছ। পাত ওলোৱা ঠাৰিৰ গুৰিত আৰু গা-গছ ডালত অলপ দীঘল চানেকীয়া কাঁইটৰ উৎপত্তি হয়। খৰালি কালত গছজোপাৰ আটাইবোৰ পাত একেসময়তে সৰি পৰে। তেতিয়া গছজোপাই পত্র পুষ্পহীন উদং ৰূপ ধাৰণ কৰে। বাকলিবোৰে মুগা চানেকীয়া বা মদৰুৱা ৰূপ প্ৰদৰ্শন কৰে। ঠাল-ঠেঙুলিবিলাকৰ

আগভাগে আধা ডোখৰতে কাটি পেলোৱাৰ নিচিনা বিচিত্ৰ ৰূপ ধাৰণ কৰা দেখা যায়। সৰু সৰু আকাৰৰ ফুলৰ পাহিবোৰৰ বৰণ পাতলীয়াকৈ হালধীয়া বা কলপতীয়া হয়। চুপহি চুঙাপহীয়া হয়। ফুলবোৰ সুঙি চালে অলপ অলপ মিঠা গোন্ধৰ উমান পোৱা যায়।

মণ্ডহাল ফলবোৰে এক প্ৰকাৰৰ ঘূৰণীয়া আকৃতি ধাৰণ কৰে। মণ্ডহাল পদাৰ্থৰ মাজত গুটিৰ উৎপত্তি হয়। একো একোটা তামোলৰ সমান ঘূৰণীয়া ফলবোৰ পকিলে হালধীয়া পৰে। এই ফলৰ ৰস চেপি নদী বা নিজৰাৰ ডুবিত পেলাই দিলে তাত থকা মাছবোৰে ধেল-ওপঙা দি কমাবলৈ ধৰে। সেইবাবে মাছধৰা কামত কোনো কোনো মানুহে এইবিধ গছৰ ফলবোৰ ব্যৱহাৰ কৰা দেখা যায়।

ভেদেলি লতা, চেপ্ৰচ্‌মা টাৰনেটম
পৰিয়াল–ৰুবিয়েছি
(Bhedeli Lota) Saprosma ternatum Family–Rubiaceae

"চ'তে চ'তে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেদেলি লতা;
কৈয়ো থাকো মানে ওৰকে নপৰে
প্ৰাণ বান্ধৌৰে কথা।"

এবিধ জোপোহা আকৃতিৰ আৰু সৰু আকাৰৰ চিৰসেউজীয়া গছ। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিৰ উপৰিভাগে অলপ মুগা চানেকীয়া ৰূপ ধাৰণ কৰে। বাকলি দীঘল চানেকীয়া ফাট মেলে। পাতৰ বিন্যাস-প্ৰণালীয়ে এক প্ৰকাৰৰ চক্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে। এই পাতবোৰ হাতেৰে ভাঙিলে তাৰ পৰা অকটা গোন্ধ ওলায়। পাত খহটা হয়। পাতৰ ঘাই সিৰাডাল দুয়োকাষে বিকাশ লাভ কৰি থকা টপ-সিৰাবিলাকে সমান্তৰালভাৱে ওপৰৰ ফালে বাগৰি যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। চক্ৰাকাৰে থোপা বন্ধা পুষ্প-পুঞ্জৰ বৰণ বগা হয়।

ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফল পকিলে ক'লা হয়। মণ্ডহাল ফলৰ আগভাগ এক প্ৰকাৰৰ ঘূৰণীয়া চকাৰ উৎপত্তি হয়।

দ্ৰষ্টব্য : ভেদা লতা নামেৰে জনাজাত আন এবিধ লতাৰ বৰ্ণনা স্থানান্তৰত দিয়া হৈছে।

মুছেন্দা, (গোলপটীয়া) মুছেন্দা ফ্ৰন্দছা
পৰিয়াল–ৰুবিয়েছি
(Mussaenda) Mussaenda frondosa Family–Rubiaceae

অসমীয়া ভাষাত সোণা-ৰূপা নামেৰে জনাজাত এবিধ বনৰীয়া জোপোহা আৰু কম-বেছি পৰিমাণে লতাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ স্বদেশী ফুল জাতীয় আকৰ্ষণীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান ভাৰতৰ বিষুব মণ্ডল বুলি জনা যায়। অসমতো আজিকালি কোনো কোনো চৌখিন আৰু পুষ্প প্ৰিয়

লোকৰ চৌহদত বা গামলাত লগোৱা অৱস্থাত দেখিবলৈ পোৱা যায়।

ফুলবিলাক তেনেকৈ সৰু সৰু হয়। প্ৰত্যেক পাহ ফুলে পাঁচ.পাহকৈ চুপহি ধাৰণ কৰে। ইয়াৰ ভিতৰত এপাহ চুপহি আকাৰত ডাঙৰ, কম-বেছি পৰিমাণে গোল আৰু তগৰৰ দৰে উজ্জ্বল বগা হয়।

পাতবোৰে দীঘল চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে।

মুছেন্দা বা সোণাৰূপা মুছেন্দা, ফিলিপিকা পৰিয়াল–ৰুবিয়েছি
(Mussaenda or Sona-Rupa) Exotic cultivated species) Mussaenda philipica Family–Rubiaceae

ইয়াৰ আগৰ শিতানত বৰ্ণনা কৰি অহা বনৰীয়া সোণা-ৰূপাৰ আন তিনি বৰণৰ পুষ্প· ধাৰণ কৰা ফুল জাতীয় বিদেশী গছ আজিকালি কোনো কোনো ব্যক্তিৰ ফুলনি বাৰীত দেখিবলৈ পোৱা যায়। ফুলৰ ৰং অনুযায়ী তিনি জাতৰ মুছেন্দা গছ দেখিবলৈ পোৱা যায়। প্ৰথম বিধে বগা ফুল, দ্বিতীয় বিধে গুলপীয়া আৰু তৃতীয় বিধে তেজৰঙা বৰণৰ ফুল ধাৰণ কৰে। বৰ্ষা কালত তিনিও বিধ গছ আকৰ্ষণীয় ফুলৰ থোপাৰে উপচি পৰে। তেতিয়া এই গছকেইবিধে বাৰীখন ৰমক্-জমক্ কৈ সজাই তোলে।

ঘাই গছ আৰু পুৰঠ ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগত ফুট্ফুটীয়া দাগৰ উৎপত্তি পৰিলক্ষিত হয়। পাতবোৰে এক ৰকমৰ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। মাজ-ভাগ বহল আৰু দুয়োটা মুৰ ক্ৰমে চিয়া হৈ আগৰফালে জোঙা হয়। তলৰ লুটিৰ তুলনাত ওপৰৰ লুটি অধিক সেউজীয়া হয়। পাতৰ ঠাৰিডাল পাতখিলাৰ তলৰ লুটিত চকুত লগাকৈ বিকশিত হয়। ঠিক সেইদৰে উপ-সিৰবোৰে ধনুভিৰীয়াকৈ সমান্তৰাল ৰূপ প্ৰদৰ্শন কৰে।

আচলতে পাতৰ আকৃতিলৈ ৰূপান্তৰ হোৱা চুপহিবিলাকে ফুলৰ আকৰ্ষণীয় অংশৰূপে বিকাশ লাভ কৰি থাকে। কীট-পতঙ্গবিলাক ইয়াৰ দ্বাৰা আকৰ্ষিত হ'লে গৰ্ভকেশৰত সহজে পুং কেশৰৰ ৰেণু সংস্থাপিত হয়।

সৰু মইন, পুলি-কাঁহিট বান্দিয়া ফেচিকুলেটা পৰিয়াল–ৰুবিয়েছি
(Soru moyon) Randia fasciculata Family–Rubiaceae

এবিধ মজলীয়া আকাৰৰ বিতোপন গছ। কক্ষ কাঁটাযুক্ত। ঠাল-ঠেঙুলি লোমযুক্ত। বাকলিৰ বৰণ সেউজ-বুলীয়াকৈ মদৰুৱা। খহলা-খহলিভাৱে চিহ্নিত। গা-গছৰ উপৰিভাগ লম্বাকাৰ আঁহযুক্ত। চেঁকুৰাৰ ভিতৰৰ কোমল অংশ কাটি চালে হুৰিং ৰঙৰ আভাস পৰিদৃষ্ট হয়।

পাতৰ দৈৰ্ঘ্য প্ৰায় ৭ চেণ্টিমিটাৰ, পথালিভাৱে ১.৫ চেণ্টিমিটাৰমান। দীৰ্ঘায়তাকাৰ, বল্লমাকাৰ, উপ-বৃত্তাকাৰ অথবা ডিম্বাকাৰ, সূক্ষ্মাগ্ৰী অথবা কুশাগ্ৰী, সৰলপ্ৰান্তী, পিৰপিৰীয়া ছালসদৃশ পাতল, গভীৰ হৰিৎ, উজ্জ্বল, লোমবিহীন। পাতৰ প্ৰতি অৰ্দ্ধাংশ ৯-১১ ডাল শাখাসিৰ ধাৰণ কৰে। সাধাৰণতে গোলাকাৰে আধাৰিত। উপ-পত্ৰ ৫ চেণ্টিমিটাৰৰপৰা ২ চেণ্টিমিটাৰমান দীঘল, ঠেক বল্লমাকাৰ।

ফুলৰ বৰণ শুভ্ৰ। সুগোন্ধযুক্ত। সূক্ষ্ম বৃত্তিধাৰী। সাধাৰণতে প্ৰতি প্ৰশাখাৰ অগ্ৰভাগত অগকেন্দ্ৰীয় নিয়তাক্ষৰ তিনিপাহ ফুল থাকে। কেতিয়াবা কক্ষ পুষ্পা। কেতিয়াবা আকৌ ঘন ঘন ভাৱে থোপাকাৰ। বৃত্তি লোমযুক্ত। দন্ত প্ৰান্তীয়ভাৱে সৰল, পৰ্ণপাতী। দলমণ্ডলীয় নলি ক্ষীণাকাৰ, লতিকা বহলাকাৰ, দীৰ্ঘায়াতাকাৰ, সূক্ষ্মাকাৰ অগ্ৰাংশৰ গুৰিভাগ লোমযুক্ত, পুংকেশৰ বৃন্তবিহীন। স্ত্ৰী-মুণ্ড সামান্যভাৱে বহিৰ্মুখী, মূলাকাৰ। মণ্ডহাল ফল প্ৰায় গোল, পকিলে ৰঙচুৰাকৈ ক'লা পৰে। গুটিৰ আকৃতি কোণীয়াকোণি। কাঠ বাদামী ৰঙৰ।

হালধি চঁপা, হলদু অদিনা কৰ্ডিফলিয়া পৰিয়াল –ৰুবিয়েছি
(Halodhi Sopa, Haldu) Adina cordifolia Family–Rubiaceae

এবিধ ডাঙৰ আকাৰৰ সুকাঠী বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰিলে গোটেই জোপা গছে লঠঙা ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ অলপ গেৰুৱা হয়। গা-গছৰ গুৰিভাগত চেপেটা চেপেটা শিপাই অলপ ওপৰলৈকে বিকাশ লাভ কৰি থকা দেখা যায়। শাখা-প্ৰশাখাবিলাকে মেলাহি ৰূপ ধাৰণ কৰে। বাকলিৰ ঠায়ে ঠায়ে ফটা-ছিতা দাগৰ উৎপত্তি হয়। বাকলিৰ ভিতৰৰ অংশ ৰঙচুৰা হয় আৰু তাৰ বগা চানেকীয়াকৈ দীঘলীয়া দীঘলীয়া আঁচৰ আৱিৰ্ভাৱ হয়। পাতবোৰ গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে জোঙা হয়।

গোটা চানেকীয়া ফুলবোৰৰ বৰণ হালধীয়া হয়। এইবিধ গছৰপৰা উৎপত্তি হোৱা কাঠৰ বৰণ ৰঙচুৰাকৈ হালধীয়া হয়। কুণ্ডত দি তৈয়াৰ কৰা নানা সৰঞ্জাম তৈয়াৰ কৰিবলৈ এই কাঠ ব্যৱহাৰ কৰিব পাৰি। অন্যান্য কামতো এই কাঠ লগোৱা হয়।

হাতী কেৰেপা, আইলেক্স গোদাজাম্ একুইফলিয়েছি বন-বকুল (লক্ষীমপুৰ) থেং টুনি (কাৰবি)
(Hati Kerepa) Ilex godajam Aquifoliaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। জাৰকালি এটা সময়ত গছজোপাৰ আটাইবোৰ পাত সৰি পৰিলে গছজোপাই উদং ৰূপ ধাৰণ কৰে। নতুনকৈ ওলোৱা কুহিপাতৰ থোপা আৰু ফুলৰ গুচ্ছবোৰত চুটি চুটি নোমৰ আৱিৰ্ভাৱ

হয়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাগত পথালি পথালিকৈ বিকশিত হোৱা কুঁচ-খোৱা আঁচৰ উৎপত্তি হয়। দা বা কটাৰিৰে কাটিলে বাকলিৰ ভিতৰৰ অংশ মুগা চানেকীয়া দেখি যদিও খন্তেক পাছতে এই ৰঙৰ সলনি হৈ ক'লা পৰে।

পাতবিলাকে দীঘলীয়াভাৱে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ অগ্ৰভাগ কৌণিকভাৱে ভোটা হয়। সেউজী-বুলীয়া পাতবোৰ মিহি চানেকীয়াকৈ কোমল হয়। ফুল থোপা-থোপে ধৰে আৰু এই ফুলৰ পাহিবোৰে শেঁতা বৰণ ধাৰণ কৰে। ফলৰ আকৃতি অলপ দীঘলীয়া হয়।

বিষা কুলিয়া, আইলেক্স চালকেটা একুইফলিয়েছি কটকী (কামৰূপ), চেকনান, থেং পিচুনি (কাৰবি) বল-থাজং (আছিক) দিয়েং জালি (খাচিয়া) (Bikha-kulia) Ilex sulcata Aquifoliaceae

মজলীয়া আকাৰৰ জাৰকালি পাতসৰা বনৰীয়া গছ। বাকলিৰ বৰণ বগা চানেকীয়াকৈ গেৰুৱা হোৱা দেখা যায়। বাকলিৰ ওপৰত পথালি পথালিকৈ বিকশিত হোৱা সৰু সৰু ৰেখাৰ উৎপত্তি হয়। বাকলি কাটিলে ভিতৰৰফালে থকা অংশই প্ৰথমতে সেউজীয়া আৰু তলৰফালে মাখন বৰণীয়া ৰং ধাৰণ কৰা দেখা যায়। খন্তেক পাছতে এই দুয়োটা ৰঙৰ পৰিবৰ্তন হৈ ক'লা ৰূপ ধাৰণ কৰা দেখা যায়। অলপ দীঘল চানেকীয়া পাতবোৰৰ অগ্ৰভাগে ঘূৰণীয়া আকৃতি প্ৰদৰ্শন কৰে কিম্বা সামান্যভাৱে জোঙা হয়। পাতৰ দাঁতিত কোনো ধৰণৰ খাঁজকটা দাগ নাথাকে। ওপৰৰ লুটি তলৰ লুটিতকৈ উজ্জ্বল আৰু মিহি হয়। শাখাসিৰবিলাক সৰু সৰু আৰু পাতলীয়া হয়।

থোপা-থোপে ফুল ধৰে। ফুলৰ মূল ঠাৰিডালত সৰু সৰু শাখাঠাৰিৰ উৎপত্তি হয় আৰু এই শাখাঠাৰিবোৰে গাইগুটীয়াকৈ একাধিক পুষ্প ধাৰণ কৰে। ফলৰ উপৰিভাগ মঙহাল হয়।

শেলুৰৈ Moss

আমাৰ ৰ'দ নপৰা চেঁচুকীয়া ঠাইবোৰত বিভিন্ন প্ৰজাতিৰ ক্ষুদ্ৰাকাৰ উদ্ভিদৰ উৎপন্ন পৰিলক্ষিত হয়। এই উদ্ভিদবোৰক আমাৰ ভাষাত শেলুৰৈ বা শেলাই বুলি কোৱা হয়।

দীঘলপতীয়া, ফিলেডেন্দ্ৰন ফিলো-ডেন্দ্ৰন হেষ্টেটম পৰিয়াল—এৰেছি Long Leaved Philodendron Species—Philodren dron hastatum Family–Araceae

দীঘলীয়া আকৃতিৰ প্ৰকাণ্ড পাত ধাৰণ কৰা বিবিধ Philodren ফৈদৰ উদ্ভিদ আমাৰ অসমত দেখিবলৈ পাওঁ সেই বিধ

গাইগুটীয়াভাৱে Phildendron hastatum নামেৰে বিজ্ঞানসম্মতভাৱে চিহ্নিত কৰা হয়। ঠাৰিডালৰ প্ৰত্যেকটো গাঁঠিৰপৰা বায়বীয় শিপাৰ উৎপত্তি হয়। ফুলবোৰে কচুকলাৰ ৰূপ ধাৰণ কৰে।

বহুতো উদ্ভিদ প্ৰেমী ব্যক্তিয়ে গামলাত ৰোপণ কৰি এইবিধ গছ আলংকাৰিক উদ্ভিদৰূপে ঘৰৰ বাৰাণ্ডা বা বৈঠকখানাত সজাই পৰাই ৰাখে।

ফিলোডেন্দ্ৰন, (প্ৰকাৰ) প্ৰজাতি-ফিলোডেন্দ্ৰন বাইপিনেটিফলিয়ম এৰেছি
Philodendron (variety) Species—Philodendron bipinnatifolium Family—Araceae

এই গোষ্ঠীত অন্তৰ্ভুক্ত হৈ থকা উদ্ভিদবিলাকৰ উৎপত্তি স্থান হ'ল ব্ৰাজিল। আজিকালি পৃথিৱীৰ সকলো অঞ্চলতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ফিলোডেন্দ্ৰন শব্দ গ্ৰীক ভাষাৰপৰা আহিছে। গ্ৰীক ভাষাত Phileo মানে ভাল পোৱা আৰু dendron শব্দই গছ বুজায়। এই গোষ্ঠীৰ লতা জাতীয় উদ্ভিদবিলাকৰ গছ বগোৱা প্ৰবৃত্তি প্ৰবল হোৱা বাবে সিহঁতক বুজাবলৈ Philodren শব্দ ব্যৱহাৰ কৰা হ'ল। ফুলৰ আকৃতি কচুগছৰ ফুলৰ দৰে হয়।

সদ্যহতে উল্লেখ কৰাবিধ ফিলোডেন্দ্ৰনৰ পাতবোৰে ছিৰাছিৰাকৈ ফটা আকৃতি ধাৰণ কৰে। দীঘল দীঘল ঠাৰিৰ অগ্ৰভাগত বিকশিত হোৱা পাতবোৰে ছিৰাছিৰকৈ ফটা আকৃতি ধাৰণ কৰে।

আৰোহী ফিলোডেন্দ্ৰন, ফিলোডেন্দ্ৰন স্কেন্দেনছ পৰিয়াল—এৰেছি
(Climbing Philodendron)' Species—Philodendron scanderns Family – Araceae

পাণৰ নিচিনা সেউজীয়া বৰণৰ দেখনিয়াৰ পাত ধাৰণ কৰা এবিধ পকা বেৰা, গছ আদিত বগাই জীৱন নিৰ্বাহ কৰা ফিলোডেন্দ্ৰন ফৈদৰ উদ্ভিদ। আলংকাৰিক লতা হিছাপে ইয়াক ফুলনিৰ দাঁতি-কাষৰীয়া ঠাই অথবা বাৰাণ্ডা বা বৈঠকখানাত লগোৱা হয়।

মনষ্টেৰা, মনষ্টেৰা ডেলিচিওচা বৰচিগিয়ানা পৰিয়াল এৰেছি
(Monstera) Species—Monstera deliciosa borsigiana Family—Araceae

এই জাতীয় উদ্ভিদবিলাকৰো উৎপত্তি স্থান হ'ল মেক্সিকো। এই উদ্ভিদবিলাকৰ আগমন ভাৰতলৈ কেতিয়া ঘটিছিল সেই বিষয়ে সঠিকভাৱে জনা নাযায়। এই ফৈদৰ উদ্ভিদবিলাক খণ্ড-বিখণ্ড হৈ এক প্ৰকাৰ দৈত্যৰ (Mosnter) ৰূপ ধাৰণ কৰিছে বুলি ভাবি সেই কালত মেক্সিকোত বাস কৰা মানুহে ইহঁতক বুজাবলৈ Monster শব্দ ব্যৱহাৰ কৰিছিল।

আজিকালি আলংকাৰিক পাত ধাৰণ কৰা উদ্ভিদ হিছাপে Monster শব্দ সামগ্রিকভাৱে ব্যৱহাৰ কৰা হয়। বর্ষা কালত এই জাতৰ উদ্ভিদবোৰে এক প্রকাৰৰ ফুল ধাৰণ কৰে। লতাৰ দৰে গছত বগাব পৰাৰ ক্ষমতা থাকিলেও ডাল কাটি আনি তাক গামলাত ৰোপণ কৰি বৈঠকখানা বা অন্যান্য কোঠাত সজাই-পৰাই ৰাখিব পৰা যায়।

ৰঙা কচু বা সেন্দুৰী কচু, প্রজাতি—কেলেডিয়ম মিছেছ এফ এম জয়নাৰ পৰিয়াল এৰেছি

(Red Arum) Species—Caladium Mrs F.M. Joyner Family—Araceae

বগা বৰণৰ আলংকাৰিক পাত ধাৰণ কৰা এবিধ কচু জাতীয় উদ্ভিদৰ বর্ণনা স্থানান্তৰত আগবঢ়াই অহা হৈছে। এই স্তম্ভ ৰঙা বৰণৰ আলংকাৰিক পাত ধাৰণ কচুজাতীয় উদ্ভিদৰ কথা ক'বলৈ প্রয়াস কৰা হৈছে। এইবিধ কচু জাতীয় উদ্ভিদক সেন্দুৰী কচু বুলিও কোৱা হয়। ইয়াৰ একাধিক জাত থকা দেখা যায়। এবিধৰ ৰঙচুৱা পাতবোৰত ফুটফুটীয়া দাগৰ উৎপত্তি হয়। আনবিধ পাতত তেনে দাগ নাথাকে। কিন্তু পাতখিলাৰ মধ্যভাগ টিকটিককৈ ৰঙা হয়।

আগতে বর্ণনা আগবঢ়োৱা বগা পাতধাৰী কচুৰ দৰে এইবিধ আলংকাৰিক কচুও ফুলনি বাৰী বা চোতালৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ লগোৱা হয় গামলাত ৰোপণ কৰি ড্রয়িং ৰুমতো ৰাখিব পাৰি।

বগা কচু, প্রজাতি—কেলেডিয়ম মেৰি মইৰ পৰিয়াল এৰেছি

(White Arum) Species — Caladium Mary Moir Family— Araceae

অসমত থকা কচু জাতীয় উদ্ভিদবিলাকৰ ভিতৰত বগা বৰণৰ আকর্ষণীয় পাত ধাৰণ কৰা কচুগছবোৰে এক উল্লেখ্য স্থান দখল কৰিবলৈ সক্ষম হোৱা পৰিদৃষ্ট হয়। পাতবোৰৰ বৰণ টৌ টৌকৈ বগা হোৱা গছজোপা নিলগৰপৰা টল টলকৈ জিলিকি থাকে।

আলংকাৰিক উদ্ভিদ হিছাপে বহুতো মানুহে এইবিধ কচু শাৰী শাৰীকৈ ফুলনি বাৰী বা চৌহদৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই দিয়ে। কোনো চৌখিন লোকে ইয়াৰ গোটাচেৰেক পুলি গামলাত লগাই বাৰাণ্ডা বা বৈঠকখানাত সজাই ৰাখে।

মান কচু, এলোকেচিয়া ইন্দিকা মান কচু (অসমীয়া) মান কচু (বঙালী) মান কান্দা (হিন্দী) (ইংৰাজী)

Giant Taro Species—Alocasia indica Giant Taro

প্রকাণ্ড আকাৰৰ ধপলা-ধপল পাত ধাৰণ কৰা এবিধ বিৰাট আকাৰৰ বনৰীয়া কচু। কোনো কোনো মানুহে এইবিধ কচু জাতীয় উদ্ভিদৰ দুই-চাৰি জোপা গছ বাৰীত

লগাই ৰাখে। কচুজোপাৰ মূল গছডাল আৰু পাতৰ ঠৰুবাই কোমল চানেকীয়াকৈ মণ্ডহাল ৰূপ প্ৰদৰ্শন কৰে। মাটিৰ তলত উৎপন্ন হোৱা মূলৰ আকৃতি দীঘলীয়া হয় আৰু ইয়াৰ লগত কোনো ধৰণ সৰু-সুৰা টেপুৰ বিকাশ সাধন হোৱা দেখিবলৈ পোৱা নাযায়।

বনভূমিবিলাকৰ মাজৰ কোনো কোনো এলেকাত এইবিধ বনৰীয়া কচুৱে ডৰা ডৰাকৈ উদ্‌গতি লাভ কৰি বিস্তীৰ্ণ ঠাই আগুৰি থাকে। দীঘলীয়া কচুৰ মূলডাল খাদ্যোপযোগী নোহোৱা এইবিধ কচুক কেৱে আদৰ কৰা দেখিবলৈ পোৱা নাযায়।

কচু, ক'লোকেচিয়া এন্টিকোৰম্ ক'লোকেচিয়া এস্কোলেণ্টা পৰিয়াল এৰাছি (ইংৰাজী) পানী কচু, কলীয়া কচু, নগা কচু ইত্যাদি (অসমীয়া নাম)
Arum Species—Colocasia antiquorum Syn—Colocasia esculanta Family—Araceae Arum

আহল-বহল পাত আৰু কোমল বিধৰ সোপেকা ঠৰুৱা ধাৰণ কৰা কিছুমান বিচিত্ৰ আকৃতিৰ ক্ষুদ্ৰাকাৰ উদ্ভিদক থাউকতে 'কচু' নামেৰে অভিহিত কৰা হয়। ইয়াৰ বহুতো জাতি বা প্ৰকাৰ আছে। পৃথিৱীৰ বিভিন্ন দেশৰ ভিন্ ভিন্ পৰিবেশত কচু গোষ্ঠীৰ উদ্ভিদক বেলেগ বেলেগ জাত হিছাপে দেখিবলৈ পোৱা যায়। মোটা-মুটিভাৱে এই কচু গোষ্ঠীৰ উদ্ভিদবিলাকক দুটা ফৈদত (Genera) ভাগ কৰিব পাৰি। তাৰে এটা ফৈদৰ কচুবিলাকৰ পাত ধাৰণ কৰা ঠাৰিডালে পাতখিলাৰ মধ্যভাগত সংযোগ হোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। এনে আকৃতিৰ পাত ধাৰণ কৰা কচুবিলাকক কলোকেচিয়া (Colocasia) নামৰ ফৈদত (Genus) অন্তৰ্ভুক্ত কৰা হৈছে। দ্বিতীয় প্ৰকাৰৰ কচুবিলাকে যি পাত ধাৰণ কৰে সেই পাতৰ ঠাৰিডাল পাতখিলাৰ গুৰিভাগত সংযোগ হয়। এনেবিলাক কচুৰ পাতে কাঁড়ৰ আকৃতি ধাৰণ কৰে আৰু এনে আকৃতি ধাৰণ কৰা পাতক (হেচটেট লিফ বা চেগিটেট লিফ) অৰ্থাৎ কাঁড়গঢ়ীয়া পাত বুলি কোৱা হয়। এনে আকৃতিৰ পাত ধাৰণ কৰা কচুবিলাকক সাধাৰণতে জেন্‌থোচোমা (Xanthosoma) ফৈদত (Genus) অন্তৰ্ভুক্ত কৰা হয়।

অসমত সেই অনুপাতে ভালেমান বিধ বা প্ৰকাৰৰ কচু দেখিবলৈ পোৱা যায়। আমাৰ খেতিয়কসকলৰ বহুতে তাৰে কিছুমান বিধৰ কচুৰ খেতি কৰে। আন কিছুমান জাতৰ কচু স্বাভাৱিক পৰিবেশত আপোনা-আপুনি উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। সাধাৰণতে প্ৰায় সৰহ জাতৰ কচু চেচুকীয়া বা পানীয়ে গৰকা ঠাইত উৎপত্তি হয়। কিছুমান জাতৰ কচু অৱশ্যে বাম ঠাইতো বিকাশ লাভ কৰা দেখিবলৈ পোৱা যায়।

প্ৰায় সকলো জাতৰ কচুৱে গুৰি ভাগত আলুৰ নিচিনা মণ্ডহাল মূল বা টেপু

ধাৰণ কৰে। বহুতো জাতৰ কচুৰ টেপু (Tuber) মানুহে তৰকাৰি হিছাপে ব্যৱহাৰ কৰে কিম্বা পানীত উখুৱাই অথবা অন্য প্ৰকাৰৰ উপাদেয় ভাজি আদি তৈয়াৰ কৰি খায়। কচুৰ মূলৰ উপৰিভাগত শিপা আৰু পাতলীয়া বাকলিয়ে বিকাশ লাভ কৰে। ভিতৰৰ মণ্ডহাল পদাৰ্থই এক ৰকমৰ খজুৱতিৰ সৃষ্টি কৰিব পৰা আঠা ধাৰণ কৰে। অৱশ্যে পানীত উখুৱালে এই আঠা মাৰ যায় আৰু সেই কচু মুখত দিলে কোনো অপকাৰ নহয়। পৃথিৱীৰ বহুতো দেশৰ মানুহে আলুগুটিতকৈও কচু খাবলৈহে ভাল পায় বুলি জনা যায়। কিছুমান জাতৰ কচুৰ কোমল ঠাৰি আৰু পাতৰ পৰাও উপাদেয় তৰকাৰি বনাই কিম্বা পিটিকা কৰি খাব পাৰি।

অসমতো ভালেমান কেইবিধ খাদ্যৰ উপযোগী অথবা সুখাদ্য কচুৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত নলকচু, দহী কচু, নগা কচু, গাৰো কচু, পঞ্চমুখী কচু আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। ইয়াৰ বাহিৰেও পানী কচু, কলিয়া কচু আদি কেবাবিধো খোৱাৰ বাবে অনুপযোগী কচু উৎপত্তি হোৱা দেখা যায়।

সাধাৰণতে টেপুৰ পৰা কচুৰ উৎপত্তি হয়। সাৰুৱা মাটি তৈয়াৰ কৰি শাৰী শাৰীকৈ টেপুবিলাক ৰুই দিয়া হয়। ৮-৯ মানৰ ভিতৰত কচুৰ মূল ডাঙৰ হ'লে খোৱাৰ উপযোগী হয়। মূল আলুৰপৰা ওলাই অহা পুখাবোৰে সিৰলিৰ ৰূপ ধাৰণ কৰি বংশবৃদ্ধি কৰে। এই কচুৰ সিৰলি পাতো তৰকাৰি বনাই খোৱা হয়।

পদ্মকচু কলকেচিয়া এন্টিকোৰম (প্ৰকাৰ) পৰিয়াল—এৰাছি পদ্মকচু (অসমীয়া) (Padma Kachu) Species—Colocasia antiquorum (Variety Family—Araceae

ৰঙচুৱা বৰণৰ ঠাৰি আৰু পাত ধাৰণ কৰা এবিধ মানুহে শাকনি বাৰী অথবা অন্য প্ৰকাৰৰ খেতি কৰাৰ উপযোগী ঠাইত ডৰা ডৰাকৈ ৰোপণ কৰা এবিধ কচু জাতীয় বিতোপন উদ্ভিদ। দহি কচুৰ দৰে এইবিধ কচু ঠাৰিৰ মণ্ডহাল অংশ আৰু ঠুৰি পাত ভাজি কৰা অথবা তৰকাৰি হিছাপে বনাই খোৱা হয়। পূৰঠ গছৰ মণ্ডহাল আলুবোৰো তৰকাৰি বনাই খোৱা হয়।

দেখিবলৈ আকৰ্ষণীয় হোৱাৰ বাবে বহুতো মানুহে এইবিধ কচু আলঙ্কাৰিক উদ্ভিদ হিছাপে বাৰীৰ দাঁতি-কাষৰীয়া ঠাইত ৰোপণ কৰি ৰাখে।

দহিকচু পৰিয়াল—আৰেছি দহি কচু (অসমীয়া)
Dohi Kachu Species —Colocasia antiquorum Syn C Asculenta (Var) Family—Araceae A variety of Arum

এবিধ অলপ ডাঙৰ আকাৰৰ কচু জাতীয় উদ্ভিদ। ইয়াৰ গা-গছ আৰু পাতৰ ঠাৰিবোৰ আকাৰত ডাঙৰ হয়। কচুৰ মূলডালে দীঘলীয়া ৰূপ ধাৰণ কৰি মাটিৰ

তললৈ যায়। এই মূলডাল সাধাৰণতে তৰকাৰি হিছাপে খোৱাৰ উপযুক্ত বুলি বিবেচনা কৰা নহয়। গা-গছ্ আৰু পাতৰ ঠৰুৱাৰ বৰণ পাতলীয়াকৈ সেউজীয়া কিম্বা শেতা চানেকীয়া হয়। ঠৰুৱাৰ ভিতৰত উৎপত্তি কোমল অংশ আঞ্জা হিছাপে ব্যৱহাৰ কৰিব পাৰি। ইয়াক ভাজি খাব পাৰি আৰু চাট্‌নি হিছাপেও তৈয়াৰ কৰি খাবলৈ ভাল লাগে।

পানীকচু, কলকেচিয়া এচকুলেণ্টা বিকল্প নাম কলকেচিয়া পৰিয়াল অৰেছি পানী কচু, বনৰীয়া কচু (অসমীয়া) কচু (সংস্কৃত) কচু, তাৰো (বঙালি) কচু আৰভি গ্যান (হিন্দী) (Pani Kachu) (A variety of Arum) Species—Colocasia esculenta Syn. Colocasia antiuquorum Family—Araceae

এবিধ সৰু আকাৰৰ ডাঙৰ পাতধাৰী সুকোমল ঠাৰি ধৰা বনৰীয়া উদ্ভিদ। ইয়াৰ বহুতো জাত আছে। তাৰে কেইটামান জাতৰ কচু মানুহে বাৰীত লগায় ৰাখে। বহুতে সৰহীয়াকৈ খেতি কৰি কচুৰ আলু, টেপু আৰু কচু সিৰা আদি বজাৰত বিক্ৰী কৰি লাভবান হয়। কুমলীয়া পাতৰ ঠুৰিবিলাক আঞ্জা হিছাপে ব্যৱহাৰ কৰা হয়।

কলীয়া কচু, প্ৰজাতি কলোকেছিয়া এণ্টিকোৱৰম, কলোকেছিয়া এস্কোলেণ্টা পৰিয়াল-এৰেছি কলীয়া কচু (অসমীয়া) (Kalia Kachu) (A Kind of Arum) Species—Colocasia antiquorum Syn–Colocasica esculenta Family—Araceae

এবিধ ক'লা চানেকীয়া কোমল আমল ঠাৰি আৰু পাত বহন কৰা বনৰীয়া কচু জাতীয় উদ্ভিদ। ইয়াৰ শিপাৰ আলু খাদ্যৰ উপযোগী বুলি বিবেচনা কৰা নহয়। কোনো কোনোৱে কুমলীয়া পাতৰ ঠুৰি তৰকাৰি হিছাপে ব্যৱহাৰ কৰা দেখা যায়।

ইটালীয় কচু, এৰাম ইটালিকম্ (Italian Arum) Species—Arum italicum Family—Araceae

এবিধ দক্ষিণ ইউৰোপৰ কচুজাতীয় আলংকাৰিক উদ্ভিদ। আগতে এইবিধ উদ্ভিদ আমাৰ দেশত দেখিবলৈ পোৱা নগৈছিল। পাছত বহুত উদ্ভিদপ্ৰেমী চৌখিন মানুহে ইয়াৰ সঁচ বিদেশৰপৰা ব্যৱসায়ী সন্থাৰ সহায়ত গোটাই আনি ফুলনি বাৰী, উদ্যান আদিত ৰোপণ কৰিবলৈ ল'লে। আজিকালি ইয়াক বহুতো মানুহৰ উদ্যানত দেখিবলৈ পোৱা যায়।

এবিধ প্ৰকাণ্ড আকাৰৰ আলু ধাৰণ কৰা কচু জাতীয় বনৰীয়া উদ্ভিদ। বহুতো মানুহে এইবিধ কচু শাকনি বাৰীত লগাই ৰাখে। আলু পুৰঠ হ'লে খান্দি আনি

ওল কচু, প্ৰজাতি—এৰাম কেম্পেনুলাটছ্ বিকল্পে এমৰফাফালচ কেম্পেনুলেটছ্ পৰিয়াল—এৰেছি (Ul Kachu) (Italian Arum) Species—Arum Campanulatum Syn. Amorph-aphalus campanulatus Family—Araceae

তৰকাৰি বনাই খোৱা হয়। পাতৰ আকৃতি অলপ দীঘল চানেকীয়া হয়। উল্লেখ যে সংস্কৃত ভাষাত ৱল শব্দই নাশ বা বিনাশ কৰা বুজায়। অৰ্থাৎ অৰ্শৰোগ বিনাশ কৰাৰ বাবে এইবিধ কচু ঔষধ হিছাপে খোৱা হয়।

এইবিধ বিচিত্ৰ উদ্ভিদৰ উৎপত্তি স্থান উত্তৰ আমেৰিকাৰ কলম্বিয়া ৰাজ্য। আজিকালি বহুতো পুষ্পপ্ৰেমী মানুহৰ ফুলনি বাৰীত অথবা চোতাল-চৌহদৰ কাষে-

বগাফুলীয়া কচু, প্ৰজাতি—স্পেথিফাইলাম ওৱালিচিয়াই (ইং) পৰিয়াল—এৰেছি (Boga Phulia Kachu) Species—Spathiphyllum Wallisii White sail Family—Araceae

পাশে ৰোপণ কৰি থোৱা অৱস্থাত ইয়াৰ অৱস্থিতি পৰিলক্ষিত হয়। ঠাৰিৰ মধ্যভাগত ব্যাপ্তি লাভ কৰি থকা কচুকলাৰ পুষ্প ধকধককৈ বগা হয়। বহুতো পুষ্পপ্ৰেমী গৃহিণীয়ে এইফুল ছিঙি নি ফুলদানিত সজাই বৈঠকখানাৰ টেবুল বা দাঁতি-কাষৰীয়া মেজত সজাই ৰাখে।

বিগনিয়া, প্ৰজাতি—বিগনিয়া ৰেক্স পৰিয়াল—বিগনিয়েছি (Begonia) Species—Begonia rex Family—Begoniaceae

বিগনিয়া নামেৰে জনাজাত বহুপ্ৰকাৰৰ আকৰ্ষণীয় পাত ধাৰণ কৰা আলংকাৰিক উদ্ভিদ আমাৰ ফুল ব্যৱসায় নাৰ্ছাৰিবিলাকৰ অনুষ্ঠানত কিনিবলৈ পোৱা যায়। বৰ্তমানে এই নিবন্ধৰ মাধ্যমেৰে যিবিধ বিগনিয়াৰ বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে সেইবিধ বিগনিয়াৰ বৈজ্ঞানিক নাম হ'ল Begonia rex।

বহুতো চৌখিন মানুহে ইয়াক গামলা আদিত ৰোপণ কৰি বৈঠকখানা, লাইব্ৰেৰী আদিত সজাই-পৰাই ৰাখে।

বহলপতীয়া ঢেঁকীয়া, প্ৰজাতি—ফাইলিটিছ্ স্কোলোপেন্দ্ৰিয়ম পৰিয়াল—এচ্‌প্লেনিয়েছি Hart's tongue ferm Species—Phyllitis scolopendrium Family—Aspleniaceae

এবিধ দীঘল আকাৰৰ বহল পাত ধাৰণ কৰা ঢেঁকীয়া জাতীয় উদ্ভিদ। পকী বেৰা, দেৱাল আদিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কোনো কোনো উদ্যোগী ব্যক্তিয়ে গামলাত ৰোপন ইয়াক ফুলনি বাৰীত সজাই পৰাই ৰাখে। বৈঠক খানাতো ৰাখিব পাৰি।

গ্ৰীক ভাষাত Phyllion শব্দই পাত বুজায়। গতিকে এইবিধ উদ্ভিদক বুজোৱা বৈজ্ঞানিক নামৰ প্ৰথম শব্দটো এই গ্ৰীক শব্দৰপৰা উৎপত্তি হৈছে বুলি বিজ্ঞানীসকলে অভিমত প্ৰকাশ কৰে।

আংশিকভাৱে ছায়া পৰা সেমেকা পৰিবেশে উত্তম প্ৰাকৃতিক অৱস্থাৰ সৃষ্টি কৰা পৰিদৃষ্ট হয়। পাতৰ তলৰ ফালে উৎপত্তি হোৱা ৰেণুৰপৰা পুলি গজি নতুন গছৰ বিকাশ সাধন হয়। মুঢ়া ৰোপণ কৰিও বংশবৃদ্ধি কৰিব পাৰি। মাজে সময়ে পানী ছটিয়াই দিব লাগে।

ফিট'নিয়া, প্ৰজাতি—ফিটনিয়া ভাৰ ছাফেল্‌টিল 'আৰগিৰোনিউৰা' পৰিয়াল—একান্‌থেছি (Fittonia) Species—Fittonia Verschaffeltil 'Argyroneura' Family—Acantheceae

বৰ্ষা ঋতুত সৰু সৰু আকাৰৰ ফুল ধাৰণ কৰা এবিধ বৰ্ষাজীৱী উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান পেৰু। আজিকালি অসমৰ কোনো কোনো পুষ্পবিলাসী মানুহে নাৰ্ছাৰিৰপৰা সঁচ আনি গামলাত আলফুলকৈ প্ৰতিপালন কৰি ৰাখে।

বহু বছৰৰ পূৰ্বে M and E Fitton নামৰ দুগৰাকী মহিলাই Conversations on Botany নামৰ এখন গ্ৰন্থ ৰচনা কৰি বিশেষ খ্যাতি অৰ্জন কৰিছিল। তেওঁলোকৰ স্মৃতি চিৰযুগমীয়া কৰিবৰ বাবে এই ফৈদৰ উদ্ভিদবোৰক বুজাবলৈ Fittonia শব্দটো ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা হ'ল।

বিগনিয়া, (প্ৰকাৰ) প্ৰজাতি—বিগনিয়ানা মেছোনিয়ানা পৰিয়াল—বিগনিয়েছি Begonia (Var) Species—Begonia Masoniana Family—Begoniaceae

মাটিৰ গামলা বা অন্য প্ৰকাৰৰ সামগ্ৰীৰে তৈয়াৰ কৰা বাচনত আলফুলকৈ ৰোপণ কৰি দ্ৰয়িং ৰুমত সজাই-পৰাই ৰাখিব পৰা পত্ৰবিলাসী উদ্ভিদবিলাকৰ ভিতৰত 'বিগনিয়া'বিলাকে এক দৰ্শনীয় মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অতিশয় লেতুসেতু উদ্ভিদ হোৱাৰ বাবে ইহঁতক বচাই ৰাখিবৰ বাবে বিশেষ যতন ল'বলগীয়া হয়।

সদ্যহতে উল্লেখ কৰা বিধ বিগনিয়াৰ পাতবোৰে ক'লা আৰু বগা বৰণৰ বিচিত্ৰ আকৃতিৰ স্বৰূপ প্ৰদৰ্শন কৰে।

মাৰাণ্টা প্ৰজাতি—মাৰাণ্টা লিওক'নিউৰা পৰিয়াল—মাৰাণ্টেছি (Maranta) Species—Maranta leuconeura Family—Marantaceae

এইবিধ আকৰ্ষণীয় পত্ৰধাৰী আলংকাৰিক উদ্ভিদৰ উৎপত্তি স্থান ব্ৰাজিল। তাৰপৰা ভাৰতবৰ্ষলৈ ইয়াৰ আমদানি কেতিয়া হ'ল তাক বিচাৰি পোৱা নাই এথোন। ষোলশ শতিকাতে জন্মলাভ কৰা ভেনেচিয়াৰ প্ৰকৃতিবিদ বি মাৰাণ্টিৰ (B. Maranti) নাম অনুসৰি এই জেনেচৰ নাম মাৰাণ্টা ৰখা হ'ল।

ই এবিধ ঠাৰি বিহীনপত্ৰধাৰী উদ্ভিদ। অণ্ডাকৃতিৰ পাতবোৰৰ মূল সিৰ আৰু শাখা সিৰবিলাক বগা আৰু ৰঙচুৰা আঁচৰ দ্বাৰা অংকিত হৈ থকা পৰিলক্ষিত হয়। ইয়াক মাটিৰ গামলা বা অন্যান্য বিতোপন পাত্ৰত ৰোপণ কৰি ড্ৰয়িং ৰুম আদি দৰ্শনীয় কোঠাত সজাই-পৰাই ৰাখিব পাৰি।

বিগনিয়া, (প্ৰকাৰ) প্ৰজাতি—বিগনিয়া চেম্পাৰ ফ্লোৰেন্স্ পৰিয়াল—বিগনিয়েছি
Begonia (Var) Species—Begonia semperflarens Family—Begoniaceae

ফৰাচী প্ৰকৃতিবিদ এম মাইকেল বিগনৰ (M. michel Begon) নাম চিৰযুগমীয়া কৰিবৰ বাবে এই ফৈদৰ চিহ্নিত হোৱা পৰিয়ালক Bogoniaceae নামেৰে নামকৰণ কৰা হৈছিল। এই নিবন্ধত উল্লেখ কৰা বিধ উদ্ভিদৰ উৎপত্তি স্থান ব্ৰাজিল। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজহুৱা উদ্যান আৰু ব্যক্তিগত ফুলনি বাৰীত ইয়াক দেখিবলৈ পোৱা যায়। গামলা আদি মাটিৰ বাচনত ৰোপণ কৰি ইয়াক বৈঠকখানা, বাৰাণ্ডা আদিত সজাই-পৰাই ৰাখিব পাৰি। ডাল অথবা শিপা থকা গুৰি অংশ ৰোপণ কৰি ইয়াৰ বংশ বৃদ্ধি কৰিব পাৰি।

ৰংচঙীয়া, পাণৰ মাহী প্ৰজাতি—ড্ৰাছিনা টাৰমিনেলিচ পৰিয়াল—লিলিয়েছি
(Maranta) Species—Dracaena terminalis Family—Liliaceae

ৰঙা বৰণৰ ডাঙৰ ডাঙৰ পাত ধাৰণ কৰা এবিধ অতি আকৰ্ষণীয় কোমল দেহধাৰী উদ্ভিদ। বাৰীৰ ঢাপত দুই-চাৰি জোপা এই জাতৰ উদ্ভিদ শাৰী শাৰীকৈ লগাই ৰাখিলে নিলগৰ পৰা চকুত লগাকৈ জিলিকি থাকে। গামলাত লগাই ঘৰৰ বৈঠকখানাত সজাই ৰাখিলে কোঠাটো মনোৰম হৈ পৰে।



ৰঙা পাণৰ মাহী
Dracaena, Dracaena radii

সৰু ৰংচঙীয়া পাণৰ মাহী, প্ৰজাতি— ড্ৰাচিনা মেয়াই পৰিয়াল—লিলিয়েছি (Colourful lesser Dracaena) Species—Dracaena mayii Family—Liliaceae

এবিধ দীঘল দীঘল ৰঙচীয়া পাত ধাৰণ কৰা আকৰ্ষণীয় ফুল জাতীয় উদ্ভিদ। বহুতো চৌখিন মানুহে এইবিধ উদ্ভিদ শাৰী শাৰীকৈ চোতাল বা চৌহদৰ কাষে কাষে লগাই ৰাখে। উল্লেখযোগ্য যে ড্ৰইং ৰুম বা অন্যান্য কোঠাত আটোমটোকাৰিকৈ লগাই ৰাখিবৰ বাবে এইবিধ মনোৰম গছৰ ডাল গামলাত লগাই ৰখা হয়।

গাই নুৰা, প্ৰজাতি—গাই নুৰা চাৰমেনটোছা Gynura Species—Gynura

এবিধ বিচিত্ৰ আকৃতিৰ আৰু ৰঙচুৰা বৰণৰ মনোৰম পাত ধাৰণ কৰা পত্ৰবিলাসী উদ্ভিদ। অতি আলসুৱা উদ্ভিদ হোৱাৰ বাবে ইয়াক সযতনেৰে গামলাত লগাই প্ৰতিপাল কৰি ৰাখিব লগা হয়।

প্ৰসংগক্ৰমে উল্লেখ্য যে এইবিধ আকৰ্ষণীয় উদ্ভিদ অসমৰ থলুৱা গছ নহয়। ইয়াক বিদেশৰপৰা আমদানি কৰি আনিহে আমাৰ ব্যৱসায়িক নাৰ্চাৰিবিলাকৰ দুই একে পুলিৰ যোগান ধৰে আৰু পুষ্পপ্ৰেমী চৌখিন ব্যক্তিয়ে তেনে ফুল জাতীয় উদ্ভিদ আলফুলকৈ গামলাত ৰোপণ কৰি ড্ৰইং ৰুমত সজাই ৰাখে।

বাঘ লিলি; অ'গাৰ লিলি, প্ৰজাতি— লিলিয়ম টাইগ্ৰিনাম্ পৰিয়াল— লিলিয়েছি (Tiger Lily; Ogre Lily) Species—Lillim tigrinum Liliaceae

এইবিধ লিলি জাতীয় উদ্ভিদৰ উৎপত্তিৰ স্থান চীন দেশ, জাপান আৰু কোৰিয়াৰ বিস্তৃত ভূখণ্ডবোৰত নিৰ্ণয় কৰা পৰিলক্ষিত হয়। আজিকালি ভাৰতীয় পাৰ্বত্য ভূখণ্ডবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ফুলৰ পাহিবোৰে ফুটুকা-ফুটুকী আলংকাৰিক দাগ পৰিধান কৰে। বসন্ত, গ্ৰীষ্ম আৰু বৰ্ষা ঋতুত উদ্ভিদ বিধে ফুল ধাৰণ কৰে।

এমেৰিলিছ লিলি, প্ৰজাতি—হিপিয়েষ্ট্ৰম ভাইটেটম পৰিয়াল—এমেৰিলিডেছি (Amaryllis Lily) Species—Hippestrum vittatum Family—Amaryllidaceae

এইবিধ লিলিফুলৰ উৎপত্তি স্থান এন্দেছৰ মধ্যাঞ্চল আছিল। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো অঞ্চলতে ইয়াক কম-বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। অৱশ্যে বৰ্ণসংকৰ আকাৰত ইয়াৰপৰা বহুপ্ৰকাৰ প্ৰজাতিৰ উৎপত্তি হোৱা পৰিদৃষ্ট হৈছে।

বসন্ত ঋতুত প্ৰায় সকলো উপপ্ৰজাতিত লিলিয়ে বিতোপন ফুল ধাৰণ কৰে।

ফেয়াৰি লিলি, ৰেইন লিলি বা জেফিৰ লিলি, প্ৰজাতি— জেফিৰাণ্ঠেছ্ কেৰিনাটা বিকল্পে— জেফিৰাণ্ঠেছ গ্ৰান্দিফ্লোৰা পৰিয়াল— আমাৰিলিডেছি

Fairy Lily, Rain Lily or Zephyr Lily
Species—Zephyranthes carinata
Syn— Zephyranthes grandiflora
Family—Amaryllidaceae

এইবিধ লিলি জাতীয় উদ্ভিদৰ উৎপত্তি স্থান হ'ল ওৱেষ্ট ইন্দিজ দ্বীপপুঞ্জ। আজিকালি প্ৰায় সকলো ঠাইত থকা চৌখিন মানুহে এইবিধ লিলি শাৰী শাৰীকৈ বাৰীত লগায়। গ্ৰীক ভাষাৰ Zephyros শব্দৰপৰা এইবিধ লিলি নামৰ উৎপত্তি হৈছে বুলি জনা যায়। Zephyros শব্দই West wind বুজায়। সেইবাবে এইবিধ সৰু আকাৰৰ লিলি Flower of the West Wind Rain Lily বুলি কোৱা হয়।

বৰ্ষা আৰু গ্ৰীষ্ম ঋতুত ই ৰঙচুৱা বৰণৰ চকুত লগা ফুল ধাৰণ কৰে।

আমাৰিলিছ; বাৰবাদছ লিলি, অথবা ইকুয়েষ্ট্ৰিয়ান ষ্টাৰ ফ্লাৱাৰ প্ৰজাতি—হিপিয়েচ্‌ট্ৰাম ইকুয়েষ্টাৰ পৰিয়াল—এমেৰিলিডেছি

Amaryllis : Barbados Lily; Equestrian Star Flower. Species—Hippeastrum equestre Family—Amaryllidaceae

এইবিধ লিলি জাতীয় উদ্ভিদৰ উৎপত্তি স্থান ওৱেষ্ট ইণ্ডিজ দ্বীপপুঞ্জ বুলি জনা যায়। আজিকালি অসমৰ বহুতো পুষ্পপ্ৰেমী চৌখিন মানুহে এইবিধ লিলি শাৰী শাৰীকৈ বাৰীত লগোৱা দেখিবলৈ পোৱা যায়। ফুলৰ বৰণ টিক টিককৈ ৰঙা হয়। তুলনামূলকভাৱে এইবিধ লিলিৰ উৎপত্তি কম।

কমলা লিলি, প্ৰজাতি—লিলিয়ম বল্বিফেৰম পৰিয়াল—লিলিয়েছি

(Orange Lily) Species—Lilium bulbiferum Syn-Croceum Family—Liliaceae

এইবিধ লিলি জাতীয় উদ্ভিদৰ উৎপত্তি স্থান ইউৰোপ মহাদেশৰ দক্ষিণত বুলি জনা যায়। আজিকালি অসমৰ প্ৰায় সকলো মানুহৰ ফুলনি বাৰী বা ৰাজহুৱা উদ্যানত দেখিবলৈ পোৱা যায়। লিলি ফুলবোৰে কমলা বৰণ ধাৰণ কৰা দেখা যায়।

বসন্ত কালৰপৰা আৰম্ভ কৰি মধ্য বৰ্ষা কালৰ সময়খিনিত এইবিধ লিলি জাতীয় উদ্ভিদে ফুল ধাৰণ কৰে। ফুলনিবাৰীৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰী কৈ এইবিধ উদ্ভিদ ৰোপণ কৰিলে সুফল পোৱা যায়। গামলাত সাৰুৱা মাটি ভৰাই কমলা লিলি লগাব পাৰি।

নাহৰফুটুকী ফুল, প্ৰজাতি—বেলামকান্দা চাইনেন্সিছ পৰিয়াল — ইৰিডেছি (Blackberry Lily, Leopard Flower) Species—Belamcanda chinensis Family—Iridaceae

এইবিধ বিচিত্ৰ উদ্ভিদৰ উৎপত্তি স্থান চীনদেশ বুলি জনা যায়। এচিয়া মহাদেশৰ বহুতো ঠাইত থকা মানুহে এইবিধ উদ্ভিদক বুজাবলৈ Balamtandum শব্দ ব্যৱহাৰ কৰিছিল হেনো। এতিয়া সেই নামটো হয়তো পাহৰণিৰ গৰ্ভত অদৃশ্য হৈছে।

আজিকালি অসমৰ বহুতো পুষ্পপ্ৰিয় মানুহে এইবিধ উদ্ভিদ আলিবাটৰ কাষে-পাজৰে, আৰু ফুলনি বাৰীত ৰোপণ কৰা পৰিলক্ষিত হয়। পাতবোৰৰ বৰণ সেউজীয়া হয়। ফুলৰ পাহিবোৰে ৰঙচুৱা বৰণ ধাৰণ কৰে। প্ৰত্যেকটো স্তৰত পাঁচ পাহ পাঁচ পাহ চুপহিৰ উৎপত্তি হয়। গ্ৰীষ্ম কালত উদ্ভিদজোপাই ফুল উৎপাদন কৰে।

সেউজীয়া ঘাঁহনিৰ মাজত গোলগোল আকাৰৰ ভেটি নিৰ্মাণ কৰি এইবিধ ফুল ৰোপণ কৰিলে সুফল পাব পাৰি।

শ্ৰিম্পা প্লেন্ট, (বা বিলাতী মাখিয়তী) প্ৰজাতি—বেলোপেৰণ গুটাটা পৰিয়াল—একানথেছি Shrimp Plant Species—Beloperone guttata Family—Acantheceae

এইবিধ উদ্ভিদৰ উৎপত্তিৰ স্থান মেক্সিকো বুলি জনা যায়। ভাৰতত ইয়াৰ আৱিৰ্ভাৱ কেতিয়া হৈছিল তাক সঠিকভাৱে জনা নাযায়। আনহাতে অসমৰ বহুতো পুষ্পপ্ৰিয় লোকে গামলাত লগাই ৰখা অৱস্থাত ইয়াক দেখিবলৈ পোৱা যায়। গ্ৰীক ভাষাত Belos অৰ্থাৎ কাঁড় শব্দৰপৰা এইবিধ গছৰ নামৰ উৎপত্তি হৈছে বুলি উদ্ভিদ বিজ্ঞানীসকলে ক'ব খোজে।

কণীৰ আকাৰৰ সেউজীয়া পাত ধাৰণ কৰা এবিধ চুটি-চাপৰ জোপোহা উদ্ভিদ। সৰু সৰু ফুলৰ বৰণে মাখনৰ ৰূপ ধাৰণ কৰে। ফুলবোৰত চকুত পৰা বিধৰ পাহিয়ে আৱৰি ৰখা দেখা যায়। আন এটা জাতৰ পাহিবোৰে বগা পাহি ধাৰণ কৰা পৰিলক্ষিত হয়।

গামলাত লগাই ৰখা ফুল গছৰ গুৰিত পানী দি থাকিলে সুফল পাব পাৰি। বসন্ত কালৰপৰা শৰৎ-হেমন্ত কালৰ সময়ত উদ্ভিদজোপাই ফুল ধৰা প্ৰত্যক্ষ কৰিব পাৰি।

ক্লাব মচ, প্ৰজাতি—চিলাজিনেলা মাৰ্টেচিয়াই পৰিয়াল—ছেলাজিনেল্লাছি (Club Moss) Species—Selaginela martesii Family—Selaginellaceae

এবিধ ঢেঁকীয়া জাতীয় উদ্ভিদৰ স্বৰূপ ধাৰণ কৰা শেলুৱৈ ফৈদৰ বিৰল উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান মেক্সিকো। লাইকোপডিয়ম চেলাগো (Lycopodium Selago) নামেৰে জনাজাত এবিধ

দুষ্প্ৰাপ্য উদ্ভিদৰ নামৰ আৰ্হিত Selaginellaceae পৰিয়ালৰ উদ্ভাৱন হৈছে বুলি জনা যায়। আজিকালি অসমতো ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বনৰীয়া ঢেঁকীয়া সদৃশ উদ্ভিদ জোপাই বহুমুখী ডাল-পাত ধাৰণ কৰে। শিপা গুচ্ছই মাটিত খামোচ মাৰিলে উঘালি অনা কঠিন হৈ পৰে। সেমেকা উৰ্বৰা মাটিত আলফুলকৈ ৰোপণ কৰিলে সুফল পোৱা যায়। বতৰ খৰাং হ'লে মাজে-সময়ে পানী দি থাকিব লাগে।

ৰঙা মেকুৰী-নেজীয়া, প্ৰজাতি—একালাইফা হিচ্পিদা ইউফৰবিয়েছি (Red-hot Cat's tail) (Or Chenille Plant) Species—Acalypha hispida Family—Euphorbiaceae

এইবিধ বিচিত্ৰ আকৃতিৰ ৰঙা বনৰীয়া ফুলৰ দীঘলীয়া নেজ আৰু কণীৰ আকৃতিৰ সেউজীয়া পাত ধাৰণ কৰা বিদেশী উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান হ'ল নিউগিনি দ্বীপ-পুঞ্জ। ভাৰতলৈ ইয়াৰ আগমন কেতিয়া হৈছিল সেই বিষয়ে সঠিকভাৱে জনা নাযায়। আজিকালি আমাৰ অসমৰ কোনো কোনো চৌখিন মানুহে এইবিধ উদ্ভিদ ফুলনি বাৰী বা ৰাজহুৱা উদ্যানত লগোৱা দেখিবলৈ পোৱা যায়। একালাইফা নামৰ এবিধ চোৰাত ফৈদৰ উদ্ভিদৰ নামৰপৰা "একালাইফা হিচ্পিদা" বৈজ্ঞানিক নামৰ উৎপত্তি হৈছে বুলি জনা যায়।

ফচ্ফচীয়া সাৰুৱা মাটিত [illegible]াপণ কৰি খৰাং বতৰত বেছীকৈ মাজে সময়ে পানী দিলে জো[illegible]লহপহকৈ বাঢ়িবলৈ সুবিধা হয়।

মুকুট কাঁটা, প্ৰজাতি—ইউফৰবিয়া [illegible] বিকল্পে—ইউফৰবিয়া স্পেন্ডে[illegible] পৰিয়াল—ইউফৰবিয়েছি (Crown of Thorns) Species—Euphorbia milli Syn—Euphorbia splendens Family—Eupherbiaceae

[illegible]উৰেটানিয়া দেশৰ কৃতবিদ্য [illegible]সা বিজ্ঞানী ইউফৰবছৰ নাম অনুসৰি এইবিধ উদ্ভিদৰ বৈজ্ঞানিক নাম ইউফৰবিয়া মিলি ৰখা হৈছিল বুলি জনা যায়। ই এবিধ কাঁইটধাৰী কোমল দেহৰ উদ্ভিদ। কণীৰ আকৃতিধাৰী পাতৰ বৰণ সেউজীয়া হয়। গাঁঠি আৰু ঠালৰ অগ্ৰভাগত ৰঙচুৱা ফুলৰ উৎপত্তি হয়। বহুতো মানুহে ইয়াক গামলাত আলফুলকৈ সজাই ৰাখে।

পৰটোলাকা, প্ৰজাতি—পৰ্টুলাকা গ্ৰেণ্ডিফ্লোৰা পৰিয়াল—পৰটুলাকাছি (Portulaca, Rose Moss, Sun plant) Species—Portulaca grandiflora Family—Portulacaceae

এবিধ বিতোপন ফুল ধাৰণ কৰা বৰ্ষাঋতু বৰ্গীয় উদ্ভিদ। ফুলনি বাৰীৰ দাঁতি-কাষৰীয়া ঠাইত ভেটি কৰি ডৰা ডৰাকৈ লগাই ৰাখিলে সময়ত আশানুৰূপ সুফল পোৱা যায়।

গাধ-নেজীয়া, প্ৰজাতি—চেডিয়ম মৰ্গানিয়েনাম পৰিয়াল—ক্ৰেছুলেচি (Donkey Tail) Species—Sedium morg-anianum Family—Crassulaceae

পকী বেৰা, পাথৰ আদিত আপোনা-আপুনি উৎপত্তি হোৱা এক প্ৰকাৰৰ কোমল আমল ঠাৰি ধাৰণ কৰা উদ্ভিদ। এইবিধ উদ্ভিদৰ উৎপত্তি স্থান মধ্য আমেৰিকা আৰু দক্ষিণ আমেৰিকা। ইয়াৰ বহুতো উপজাত আছে। সদ্যহতে এই নিবন্ধৰ মাধ্যমেৰে উল্লেখ কৰা বিধ উদ্ভিদ আমাৰ বহুতো মানুহে আটোম-টোকাৰিকৈ গামলাত লগাই ৰাখে। ঠাৰিত উৎপন্ন হোৱা পাতবোৰে ডাঠ ধৰণৰ ছিৰাৰ ৰূপ ধাৰণ কৰে।

চুইটপি ফুলাম মটৰমাহ, প্ৰজাতি—লাঠিৰছ অদৰেটছ পৰিয়াল—লেগুমিনেছি (Sweet Pea) Species—Lathyrus odoratus Family—Leguminaceae

আকৰ্ষণীয়ভাৱে বিতোপন ফুল থোপা-থোপে ধাৰণ কৰা এবিধ মটৰ মাহ জাতীয় উদ্ভিদ। বহুতো পুষ্পপ্ৰেমী মানুহে ফুলনি বাৰীৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ এইবিধ ফুলধৰা উদ্ভিদ লগাই দিয়ে। ফুলৰ বৰণ গছ অনুযায়ী বগা, হালধীয়া মুগা আদি হোৱা দেখা যায়।

মকৰা ফুল, প্ৰজাতি—ক্লিয়ম [illegible] পৰিয়াল—কেপেৰিডেছি (Spider Flower) Species—[illegible] spinosa Family—Capparida[illegible]

অসমৰ আলি-পদূলিৰ কাষে-[illegible]ৰে উৎপত্তি হোৱা পানী-[illegible]বোৰত এইবিধ উদ্ভিদৰ উৎপত্তি [illegible]লক্ষিত হয়। জোপোহা গছবোৰে [illegible] ধাৰণ কৰা ফুলৰ থোপা অপূৰ্ব সুন্দৰ সৌন্দৰ্যৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। সাধাৰণতে বৰ্ষাকালত ফুলৰ উৎপত্তি হয়।

কোনো কোনো মানুহে এইবিধ ফুলধৰা বনৰীয়া ফুলৰ পুলি আনি বাৰীত লগায়হি।

কাঁহীপতীয়া ভেট, প্ৰজাতি—ভিক্টোৰিয়া ৰেজিয়া বিকল্পে—ভিক্টোৰিয়া আমাজনিকা পৰিয়াল—নিমফিয়েছি (Royal Water Lily) Species—Victoria regia Syn. V. amazonica Family—Nympheaceae

এইবিধ ভেটফুল জাতীয় উদ্ভিদৰ পাতবোৰে একোখন প্ৰকাণ্ড কাঁহীৰ আকৃতি ধাৰণ কৰি পানীৰ উপৰি ভাগত উপঙি থকা পৰিলক্ষিত হয়। এইবিধ ভেট জাতীয় উদ্ভিদৰ উৎপত্তি স্থান দক্ষিণ আমেৰিকা বুলি জনা যায়। কোনে কেতিয়া ইয়াৰ সঁচ আনি ভাৰতত ৰোপণ কৰিলেহি এই বিষয়ৰ তথ্য সঠিকভাৱে জনা নাযায়। কলকাতাৰ বোটানিকেল গাৰ্ডেনত ইয়াক দেখিবলৈ পোৱা যায়।

বিহমেটেকা, প্ৰজাতি—ইকৰ্নিয়া ক্ৰাচিপেছ্ বিকল্প—ইকৰনিয়া স্পেচিঅ'ছা পৰিয়াল—পণ্টিডেৰিয়েছি
(Water Hyacinth) Species—Eichhornia crossipes syn.—Eichhornia speciosa Family—Pontederiaceae

এবিধ মেটেকা জাতীয় সৰ্বগ্ৰাসী চাৰিত্ৰিক জাতৰ জলবিলাসী উদ্ভিদ। পানীত উপঙি থকা উদ্ভিদবিধে কৃষকৰ অগণন অপকাৰ সাধন কৰে। পথাৰৰ পানীত সোপা-সোপে উৎপন্ন হোৱা এই জাতীয় উদ্ভিদবোৰে খেতিয়কৰ অপকাৰ সাধন কৰে। উদ্ভিদবিধে আকৰ্ষণীয় ফুল ধাৰণ কৰিলে মনোৰম পৰিবেশৰ সৃষ্টি হয়।

মেটেকা বা পানী মেটেকা, প্ৰজাতি—পণ্টেদেৰিয়া কৰডেটা পৰিয়াল—পণ্টেদেৰিয়েছি
(Meteka) Pickerel weed, Wampee Species—Pontederia cordata Family—Pontederiaceae

অসমৰ দ চানেকীয়া পানীয়ে গৰকা ঠাইবোৰত নানা প্ৰকাৰৰ জলবিলাসী উদ্ভিদৰ উৎপত্তি পৰিদৃষ্ট হয়। এইবোৰৰ ভিতৰত মেটেকা বা পানী মেটেকা নামেৰে জনাজাত এবিধ উদ্ভিদৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। পাতধৰা কোমল ঠাৰিবোৰৰ আগডালে এক প্ৰকাৰৰ নীলা ফুল ধাৰণ কৰে।

পদুম ফুল, নিলম্বো নুচিফেৰা বিকল্প—নিলম্বিয়ম স্পেচিয়োচম পৰিয়াল—নিলম্বোনেছি
(Indian Lotus) Nelumbo nucifera Synonym. Nelumbium speciosum Family—Nelumbonaceae

অসমৰ ডোবা, বিল, পুখুৰী আদিৰ কিছুমান জলাশয়ত ধুনীয়া ধুনীয়া পদুম ফুলবোৰ ফুলি ৰমক-জমক পৰিবেশৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। দীঘল দীঘল ঠাৰি ধাৰণ কৰা শিপাই পানীৰ তলৰ বোকাময় মাটিত শিপাৰে খামোচ মাৰি ধৰি ফুলগছ জোপাৰ উৎপত্তি হয়। বিতোপন ফুলবোৰ সুগোন্ধি হয়।

হিন্দুধৰ্মী ভক্তসকলে এই পদুম ফুলবোৰ জলাশয়ৰপৰা সংগ্ৰহ কৰি আনি আৰাধ্য দেৱ-দেৱীৰ পূজাত সভক্তিৰে অৰ্পণ কৰে। বৌদ্ধধৰ্মী লোকসকলে বিশ্বাস কৰে যে এই পদুম ফুলৰ কৰণি মহাপ্ৰভু বুদ্ধদেৱে জন্ম লাভ কৰিছিল।

সুগন্ধী ভেটফুল, প্ৰজাতি—নিম্ফিয়া অদৰ'ৰাটা পৰিয়াল—নিম্ফিয়েছি
(Fragrant water Lily) Species—Nymphaea odorata Family—Nynphaeaceae

এবিধ দ চানেকীয়া পানীত উৎপন্ন হোৱা বিতোপন ফুলধাৰী জলবিলাসী উদ্ভিদ। বোকাময় জলাশয়বোৰৰ কোনো কোনো ঠাইত বিকশিত হোৱাবোৰে অপূৰ্ব

প্ৰাকৃতিক সৌন্দৰ্যৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। পদুম ফুলৰ দৰে এইবিধ উদ্ভিদৰ ফুলবোৰক হিন্দুধৰ্মাৱলম্বী ভক্তসকলে আদৰ কৰে আৰু পূজা-পাতলত দেৱ-দেৱীৰ চৰণত অৰ্পণ কৰে।

নীলোৎপল বা নীলাভেটফুল, প্ৰজাতি— নিম্‌ফিয়া স্পেচিজ পৰিয়াল— নিমফিয়েছি (Blue Water Lily) Species— Nymphaea species Family— Nymphaeaceae

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ কোনো কোনো ঠাইত বিৰাজ কৰা জলাশয়ত কেতিয়াবা নীল বৰণীয়া ফুল ধৰা এবিধ ভেটফুলৰ উৎপত্তি প্ৰত্যক্ষ কৰা হয়। তুলনামূলকভাৱে এইবিধ ভেটৰ উৎপত্তি নিচেই কম। গতিকে কৃত্ৰিম উপায়েৰে ইয়াৰ বংশবৃদ্ধি কৰি ইয়াক বিলুপ্ত হৈ যোৱাৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰাটো নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে।

ৰঙাভেট বা ৰক্ত উৎপল, প্ৰজাতি— নিম্‌ফিয়া ৰুব্ৰা নিমফেছি (Red Water Lily) Species— Nymphaea rubra Family— Nympheaceae

ৰঙা বৰণৰ আকৰ্ষণীয় ফুল ধাৰণ কৰা এবিধ ভেট ফুল অসমৰ কোনো কোনো জলাশয়ত দেখিবলৈ পোৱা যায়। কোনো কোনো বিল, পুখুৰী আদিত ৰঙা আৰু বগা বৰণৰ ফুল ধৰা ভেটফুল দেখিবলৈ পোৱা যায়। ফুলবোৰৰ দীঘল দীঘল ঠাৰিৰ অগ্ৰভাগত ৰঙচুৱা বৰণৰ ফুলৰ উৎপত্তি হৈ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যৰ সৃষ্টি কৰা পৰিদৃষ্ট হয়।

আমাৰ দেশৰ কোনো কোনো ঠাইত প্ৰতিষ্ঠা কৰা পাৰ্ক বা উদ্যানবোৰৰ জলাশয়ত এই জাতৰ ভেটফুল লগোৱা দেখা যায়।

সৰু ভেটফুল, প্ৰজাতি—নিম্‌ফিয়া টেট্ৰাগনা পৰিয়ালনিম্‌ফিয়েছি (Pygmy water Lily) Species— Nymphaea tetragona (Pygmaea) Family—Nymphaeaceae

অসমৰ আলিখাৰৈ, গড়খাৰৈ আৰু ধাননি পথাৰৰ পানীত ডুব খাই থকা জলাশয়বোৰত এবিধ সৰু আকাৰৰ ফুল ধৰা ভেটফুল জাতীয় উদ্ভিদ প্ৰায়েই দেখিবলৈ পোৱা যায়। ফুলৰ বৰণ ঘাইকৈ বগা হয়। দলঘাঁহ, পানী শিঙৰি আদি নানা জাতৰ জলবিলাসী উদ্ভিদৰ মাজে মাজে এইজাত ভেটফুলৰ উৎপত্তি পৰিদৃষ্ট হয়।

এবিধ কাঁইট থকা আৰু গছৰ ওপৰত বগোৱা বিধৰ লতা। ঠাল-ঠেঙুলি বিলাকত অলপ অলপ শুং থাকে। পাতৰ গঠন দীঘলীয়া আৰু আগৰ ফালে জোঙা।

বাগান বিলাস, বৌগেইনভিলা স্পেকটিবিলিছ পৰিয়াল টিক্‌টেজিনেছি
(Bagan Bilash) Species—Bougainvilla spectibilis
Family—Nyctaginaceae

পাতবিলাক ঠালত এটাৰ পাছত এটাকৈ একাদিক্রমে ওলোটা ওলোটাকৈ সজোৱা থাকে। ফুলবিলাক সৰু। প্ৰত্যেক ফুলৰ চুপহিৰ তলত তিনিটা তিনিটাকৈ উজ্জ্বল বৰণৰ ব্ৰেক্ট বা অতিৰিক্ত চুপহি থাকে। এই ব্ৰেক্ট বিলাকৰ বৰণ গছ অনুযায়ী বেলেগ হয় আৰু এই ধৰণৰ চুপহিৰ বাকলিবিলাকেই আচলতে লতাজোপা ৰমক-জমকৈ সজাই ৰাখে।

আজিকালি বিশেষজ্ঞসকলে বেলেগ বেলেগ ৰঙৰ চুপহিৰ বাকলিৰ ফুল ফুলা বাগানবিলাকৰ পুখা অন্যান্য ৰঙৰ মুঢ়াৰ লগত লগ লগাই বহুতো প্ৰকাৰৰ নতুন নতুন বৰণৰ ফুল ফুলা বাগান বিলাসৰ সঁচ সৃষ্টি কৰিছে। এইবিলাকৰ কিছুমানৰ ক্ষেত্রত দেখা যায় যে একেজোপা গছৰ বেলেগ বেলেগ ডালত বেলেগ বেলেগ বৰণৰ ফুলৰ সৌন্দৰ্যই শোভা বৰ্দ্ধন কৰিছে।

অতীজতে ব্ৰাজিলত হোৱা এইবিলাক লতা আজিকালি আমাৰ দেশৰ সকলোবিলাক ঠাইৰ মানুহে লগাবলৈ আৰম্ভ কৰিছে।

জিনাৰি, পদোকাৰ্পছ নেৰিফলিয়া পৰিয়াল—টেক্সেছি
(Jinari) Species—Podocarpus nerifolia
Family—Taxaceae

উজনি অসমৰ ফালে থকা বনাঞ্চলবিলাকত উৎপন্ন হোৱা এবিধ দীঘল পতীয়া গছ। কাছাৰ জিলা আৰু দৰং জিলাতো এই জাতীয় গছ মাজে-সময়ে দেখিবলৈ পোৱা যায়। ডালবিলাক ঘূৰণীয়া ঘূৰণীয়া আকাৰে একেডোখৰ ঠাইৰপৰা ওলাই ওলাই আহে। গা-গছ আৰু ডালৰ ওপৰত হোৱা বাকলিৰ বৰণ মুগাৰ নিচিনা হয়। দাৰে কাটি চালে ভিতৰখন ৰঙা দেখি। পাতবিলাক চিলচিলীয়াকৈ দীঘলীয়া দীঘলীয়া হয়। দাঁতিবিলাক খলা-বমা নহৈ মিহি হয়। পাতখনৰ মাজে মাজে যিডাল ডাঙৰ সিৰ থাকে সেইডাল পাতখিলাত জিলিকি থাকে যদিও দীঘলে দীঘলে থকা আনবিলাক উপসিৰা সিমান স্পষ্ট নহয়।

এই জাতীয় গছৰপৰা উৎপন্ন হোৱা কাঠ যি কোনো ঘৰুৱা নিৰ্মাণ কাৰ্যত লগাব পৰা যায় যদিও কাঠৰ মান সিমান ওপৰ খাপৰ বুলি ক'ব নোৱাৰি।

এইবিধ গছৰ সঁচ বহুত দিনৰ আগতে কাশ্মীৰৰপৰা আনি মেঘালয়ৰ শ্বিলং নগৰৰ আশে-পাশে লগোৱা হৈছিল। যিবিধ পপলাৰ গছ ১৯৪০ চনৰ আগতে শ্বিলঙত লগোৱা হৈছিল সেইবিধ আকাৰত প্ৰকাণ্ড গছ।

পপ্লাৰ পপোলাচ, ডেল্‌নইদিচ্ পৰিয়াল—চেলিকেছি

(Poplar) Species—Populus delnoides Family—Salicaceae

বৰ্তমানে পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ পোৱা গৈছে যে পপ্লাৰ জাতীয় গছৰ কাঠ জুইশলা কাঠি আৰু জুইশলা বাকচ তৈয়াৰ কৰাৰ বাবে অতি উত্তম। তদুপৰি এইবিধ গছ অতি কম সময়ৰ ভিতৰতে বাঢ়ি ডাঙৰ হয় আৰু জুইশলা শিল্পত লগোৱাৰ উপযুক্ত হৈ পৰে। গতিকে অসমত বনবিভাগে এই জাতীয় গছৰ বাগান ঠায়ে ঠায়ে কৰিবৰ বাবে ব্যৱস্থা হাতত লৈছে। ধুবুৰীত থকা জুইশলা কোম্পানীয়েও তেনে কামত হাত দিছে। ধুবুৰী ডিভিজনৰ গোমা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত মাছাংডোবা কেন্দ্ৰ আৰু আইভেলি ডিভিজনৰ লক্ষীপুৰ কেন্দ্ৰত জলসিঞ্চনৰ জৰিয়তে পপলাৰ বাগান নিৰ্মাণ কৰা হৈছে। বহলপুৰৰ ওচৰত ধুবুৰীৰ জুইশলা কোম্পানীৰ তৰফৰপৰা এই গছৰ বাগান নিৰ্মাণ কৰিছে।

বন তিল, প্ৰজাতি—এনিচোমেলেছ ইন্দিকা বিকল্পে এনিচোমেলেছ অভাটা পৰিয়াল—এনোনেছি। বনতিল, গৰখীয়া তুলসী (অসমীয়া) গবুৰা (বঙালী) গবোৰা, গোপালী, কালাভাংৰা (হিন্দী)

(Bon-til) Species—Anisomeles indica Syn Anisomeles ouata Family—Ananaceae

এবিধ বছেৰেকীয়া আনতৰ সুগন্ধি ফুল ধাৰণ কৰা বনৰীয়া বন। ফলৰ ৰস চেপি এক প্ৰকাৰৰ প্ৰস্ৰাৱৰ বেমাৰত ঔষধ ৰূপে ব্যৱহাৰ কৰা হয়।

অসমৰ উপত্যকাৰ প্ৰায় সকলো অঞ্চলতে ইয়াক পোৱা যায়।

জিলমিল, চেনোপদিয়ম এলবাম (প্ৰজাতি) পৰিয়াল—চেনোপদিয়েছি। জিলমিল শাক (অসমীয়া) চন্দন বেটু, বেথুয়া শাক (হিন্দী) গুজ ফুট, লেম্বচ কোৱাৰ্টাৰ, পিগ-উইদ (ইংৰাজী)

(Jilmil) Species—Chenopodium album Family—Chenopodiaceae

এবিধ বছেৰেকীয়া আনতৰ শাক জাতীয় সৰু উদ্ভিদ। শাক হিছাপে অন্যান্য শাক জাতীয় উদ্ভিদৰ লগত খাব পাৰি। পাতবোৰৰ আকৃতি কণীৰ নিচিনা দীঘলীয়া হয়। বৰণত অলপ মদৰুৱা হয়।

আমাৰ মানুহে গুটি পচাই এই বিধ শাক জাতীয় উদ্ভিদ শাকনি বাৰীত লগাই ৰখা দেখা যায়।

স্পিডি জেনি, ওৱান্দাৰিং জিও প্ৰজাতি—ট্ৰেদেছকান্টিয়া ফ্লুমিনেনচিছ "ভেৰিগাটা" পৰিয়াল—কমেলিনেছি

(Speedy Jenny, Wende-ring Jew) Species—Tradescantia fluminensis Variegata Family—Commelinaceae

ডিম্বাকৃতি পাত ধাৰণ কৰা এবিধ বন জাতীয় আলঙ্কাৰিক উদ্ভিদ। ঠাৰিবোৰ কোমল চানেকীয়াকৈ মগুহাল হয়। গাঁঠিয়ে গাঁঠিয়ে পাতৰ উৎপত্তি হয়। পাতবোৰত দীঘল দীঘল আৰু

বগা বৰণৰ আঁচৰ আবিৰ্ভাব হয়। ওলোমাই ৰাখিব পৰা মাটিৰ চৰু বা গামলা এটাত সাৰুৱা মাটি ভৰাই এইবিধ আকৰ্ষণীয় উদ্ভিদৰ আগবোৰ লগাই দিলে গাঁঠিৰপৰা শিপাৰ আৰ্বিভাব হয় আৰু লতা-চানেকীয়া উদ্ভিদ জোপাই গাঁঠিবোৰৰপৰা পুখা মেলি জোপোহা আকৃতি ধাৰণ কৰে আৰু অগ্ৰভাগবিলাকে তললৈ ওলমি ওলমি পৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

ঘৰৰ বাৰাণ্ডা কিম্বা বৈঠকখানাত আলফুলকৈ সজাই ৰখাৰ উপযোগী উদ্ভিদৰ ভিতৰত ইয়াক অন্যতম বুলি গণ্য কৰা হয়। ইয়াৰ কেবাটাও জাত আছে। স্বাভাৱিক পৰিবেশত অসমৰ মাটি-পানীয়ে এই জাতৰ উদ্ভিদ ধাৰণ কৰা দেখা নাযায়।

বৰ্হমথুৰি, বৰমথুৰি, প্ৰজাতি—টেলৌমা হডচনি পৰিয়াল—মেগ্‌নোলিয়েছি। বৰমথুৰি, বৰহ্‌মথুৰি, দাতৰালা (অসমীয়া) ওখাইল চম্পা (বঙালি) ওখাইল চম্পা (হিন্দী) থইটম্ প্লেৰ (কাৰ্বি)
(Borhomthuri) Species—Talauma hodgsoni Family—Magnoliaceae

এবিধ মজলীয়া আকাৰ বিতোপন পৰ্ণপাতী গছ। ইয়াৰ কাঠ সিমান উন্নত মানৰ নহয় যদিও সাধাৰণ পৰ্যায়ৰ চকি, মেজ, আলনা, তক্তাপোষ্ট, আলমাৰি আদি তৈয়াৰ কৰা কামত লগাব পৰা যায়।

উজনি অসমৰ সংৰক্ষিত বনাঞ্চল ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

উলটি হত, বনশোধ এচিকাঠছ, এচপাৰা প্ৰজাতি—আব্‌ভা এচ্‌পেৰা পৰিয়াল—আম্‌ৰাণ্ঠাছি। উলাটহত, বনশোধ (অসমীয়া) অপমাৰ্গা (সংস্কৃত) বংশত, বাংখাত আপাং (বঙালী) লাটজিৰা (হিন্দী) (ইংৰাজী)
(Ultihot, Bonsodh) Species—Achycanthes aspara Syn—Arva aspera Family—Amran thaceae Prickly shaff flower

এবিধ মজলীয়া আকাৰৰ জোপোহা বন। এইবিধ গছৰ শিপাৰ ৰস পোকে কামোৰা বিষ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়।

অসমৰ সংৰক্ষিত ঠাইবোৰত ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বগা ফুটকলা, প্ৰজাতি—অচ্‌বেকিয়া নেপালেন্সিছ পৰিয়াল—মেলাচটমেছি বগা ফুটকলা (অসমীয়া) শ্বেত ফুটকি (বঙালী)
(Boga Phutkota) Species—Osbeckia nepalensis Family—Melastomaceae

বগা ৰঙৰ বিতোপন ফুল ধাৰণ কৰা এবিধ বনৰীয়া জোপোহা বন। অন্যান্য জাতীয় জোপোহা বনৰ মাজত অথবা মুকলিমূৰীয়া পথৰুৱা ভূমিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। বগা বৰণৰ ফুলবোৰ একে সময়তে ফুলিলে চকুত লগাকৈ আকৰ্ষণীয় হৈ পৰে।

বগৰী, প্ৰজাতি—জিজিফচ জুজুবা পৰিয়াল—ৰামনেছি বগৰী—(অসমীয়া) জাতি বগৰি (বঙালী) বেজ, বৰণি, কুল (হিন্দী) ইন্দিয়ান জুজুবা প্লাম (ইংৰাজী) **(Bogori, Jujuba Plum) Species—Zizyphus Jujuba Family—Rhamnaceae**

এবিধ মজলীয়া আকাৰৰ বাৰীত লগাই ৰখা গছ। পাতবোৰৰ আকৃতি কণীৰ নিচিনা অলপ দীঘলীয়া হয়। ডাল-ডোলবোৰত এক প্ৰকাৰৰ চুটি চুটি কাঁইটৰ উৎপত্তি হয়। ঠায়ে ঠায়ে বনৰীয়াকৈও এইবিধ গছৰ উৎপত্তি হোৱা দেখা যায়।

গৰমৰ দিনত ফুল ফুলে। সেই ফুলৰপৰা উৎপত্তি হোৱা ফলবোৰ আকৃতিত ঘূৰণীয়া আৰু মঙহাল। এই ফল খাবলৈ ভাল। আচাৰ কৰি বা তৰকাৰি বনাইও খাব পাৰি।

বন-বগৰী, জিজিফছ ৰোগছা পৰিয়াল—ৰামনেছি
Bon Bogori (Wild Jujuba Plum) Species—Zizyphus rugosa Family—Rhamn aceae

অসমৰ কোনো কোনো সংৰক্ষিত বনাঞ্চলৰ ভিতৰত এইবিধ বনৰীয়া বগৰীৰ উৎপত্তি পৰিলক্ষিত হয়। আকাৰত গছজোপা চুটি-চাপৰ হয়। ইয়াত ফল খোৱাৰ বাবে সিমান উপযোগী নহয়।

বিলাতী বগৰী, জিজিফছ ভল্‌গেৰিছ পৰিয়াল—ৰামনেছি
Bilati Jujuba plum Species—Zizyphus vulgaris Family—Rhamnaceae

অসমৰ কোনো কোনো মানুহে বাৰীত দীঘল আকাৰৰ মঙহাল ফলধৰা বগৰী গছ লগাই ৰাখে। সংখ্যাত এই জাতৰ বগৰী গছ তেনেই কম। ইয়াৰ সুকোমল ফল বজাৰত কিনিবলৈ পোৱা যায়। এই ফল অসমৰ বাহিৰৰপৰা আমদানি কৰি অনা হয়।

ৰিহা বা ৰেমি, বেহমেৰিয়া নিভিয়া পৰিয়াল—আৰটিকেছি ৰিহা গছ (অসমীয়া) কাণখোৰা (বঙালী) ৰিয়া প্লেণ্ট, ৰেমি ফাইবাৰ প্লেণ্ট ইত্যাদি (ইংৰাজী) **(Rhea Plant) Species—Bachmeria nivea Family—Urticaceae**

টুবুকা-টুবুকী পাত ধাৰণ কৰা এবিধ খেতিত লগোৱা ঘৰচীয়া উদ্ভিদ। ইয়াৰ ছালবোৰৰপৰা মৰাপাটৰ দৰে ৰচি উৎপাদন কৰিব পাৰি। আমাৰ মানুহে ডৰা ডৰাকৈ মাটি চহ কৰি সেই ঠাইত এইবিধ ফচলৰ গুটি সিঁচি দিয়ে। গছবোৰ লাহে লাহে ডাঙৰ হৈ পূৰঠ হ'লে সেই ঠাৰিবোৰ কাটি মুঠা মুঠাকৈ বন্ধা হয়। সেই মুঠাবোৰ পানীত ডুবাই ৰাখিলে কোমল হয়। তেতিয়া আঁহবোৰ হাতেৰে বখলিয়াই ৰ'দত শুকুৱালে মৰাপাটৰ নিচিনা আঁহবোৰ ওলাই পৰে। সেই আঁহৰপৰা ৰচি আদি তৈয়াৰ কৰা হয়। সেই ৰচি নানা কামত লগাব পাৰি।

ফাকডেমা, ট্ৰেমা অৰিয়েণ্টেলিছ প্ৰজাতি—চেলটিছ অৰিয়েণ্টেলিছ পৰিয়াল—আলমিনেছি।
(Phakdema) Species—Trema orientalis Syn—Celtis orientalis Family—Ulmaceae

এবিধ মজলীয়া আকাৰৰ আওকাঠী বনৰীয়া গছ। উচ্চবৰ্গৰ বনভূমিবিলাকৰ নিম্ন মহলত যিবিলাক মজলীয়া আকাৰৰ গছ-গছনিয়ে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায় সেইবিলাকৰ ভিতৰত ফাক্‌ডেমা নামেৰে জনাজাত আওকাঠী গছ অন্যতম। এইবিধ গছৰ বাকলিখনে যিবিলাক দীঘল পহীয়া আঁহ ধাৰণ কৰেসেইবিলাক আঁহ মৰাপাটৰ দৰে যি কোনো বস্তু আঁটি আঁটি বন্ধা কামত লগাব পাৰি। গছজোপাৰ ঘাই ঠাৰি আৰু ডাল-ডুলবোৰ কান্ধমাৰি হিছাপে ব্যৱহাৰ কৰিব পাৰি। এই সম্পৰ্কত অসমীয়া সমাজত প্ৰচলিত এফাকি যোজনা তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি।

"ফাকডেমা চাই লুৰিবা খৰি।
ঠাইতে কান্ধমাৰি ঠাইতে জৰি।।"

ফাক্‌ডেমাৰ পাতবোৰ কলডিলীয়াকৈ দীঘলীয়া হয়। পাতৰ উপৰিভাগ তুলনামূলকভাৱে খহটা হোৱা দেখা যায়।

চীনা ছাতি, হ'মচ্‌কল্‌দিয়া চেঙ্গোনিয়া পৰিয়াল—ভাৰ্বেনেছি মানুহকটা-ফুল (অসমীয়া) সাপুষ্টা (বঙালী) কাৰ্পনি (হিন্দী)
(Chinese Umbrella) Species—Holmskoldia songunia Family—Verbe naceae

আমাৰ বাম মাটিবিলাকত কিম্বা পাহাৰৰ হেলনীয়া ঠাইত উৎকৰ্ষ লাভ কৰা গছ-গছনিৰ নিম্নখাপত বাগান বিলাসৰ নিচিনা এবিধ ফুলজাতীয় জোপোহা উদ্ভিদে বিকাশ লাভ কৰা দেখিবলৈ পোৱা যায়। ইয়াক চীনা ছাতি নামেৰে অভিহিত কৰা হয়। এইবিধ উদ্ভিদে ধাৰণ কৰা ফুলৰ বাকলি কিম্বা আৱৰণে একোটা গোটোঙা জাপিৰ নিচিনা আকৃতি প্ৰদৰ্শন কৰে। এই আৱৰণৰ ভিতৰত সূক্ষ্মপুষ্পই বিকাশ লাভ কৰি থাকে। ফুলৰ বাকলিয়ে সাধাৰণতে তেজৰঙা বা ৰঙচীয়া বৰণ ধাৰণ কৰে যদিও পীতবৰ্ণ পৰিধান কৰা আৱৰণৰ ফুল বিৰল নহয়।

খৰালি মহীয়া একেলগে ফুলবোৰ ফুলিলে গছজোপাই ৰমক-জমক ৰূপ ধাৰণ কৰে। বহুত চৌখিন লোকে এইবিধ বনৰীয়া ফুলৰ গছ বাৰীত কিম্বা বঙলাৰ চৌহদত লগাই ৰাখে। ৰাজহুৱা উদ্যানবিলাকতো ইয়াক লগোৱা হয়। পাতৰ আকৃতি বহল পহীয়াকৈ আগৰফালে জোঙা হয়। পাতৰ উপৰিভাগ খহটা হয়।

তিতা বাহক, প্ৰজাতি—গেন্দেৰুচ্ছ ভলগাৰিছ বিকল্পে—জষ্টিকা গেন্দেৰুচ্ছা তিতা বাহক, তিতা খাৰি, বিশালয়াকাৰান্দ (অসমীয়া) জগত মৰ্দন (বঙালী) নীলানিগন্ধী, উদিচাম্ভালু (হিন্দী)

(Tita Bahok) Species—Genderuss vulgoris Syn—Justica genderussa Family – Acanthaceae

এবিধ সৰু আকাৰৰ মাটিত বগোৰা জোপোহা উদ্ভিদ। জীৱিত উদ্ভিদৰ বেৰা হিছাপে কাটা কাঁইটৰ দৰে ব্যৱহাৰ কৰা হয়। গছজোপাৰ কুমলীয়া পাত আৰু ডালত ঔষধীয় গুণ আছে।

অসমৰ প্ৰায় সকলো ঠাইতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বন আমলখি, প্ৰজাতি—ফাইলেন্থছ চিম্পেক্স পৰিয়াল—ইউফৰ-বিয়েছি বন আমলখি (অসমীয়া)

(Bon Amlakhi) Species—Phyllan-thus simplex Family—Euphorbia-ceae

অৰণ্য ভূমিৰ মাজত ঠায়ে ঠায়ে উৎপত্তি হোৱা এবিধ বনৰীয়া জাতৰ আমলখি উদ্ভিদ। ইয়াৰ ফল আকাৰত সৰু হ'লেও গৰখীয়া ল'ৰাই সেই ফল খাই আনন্দ লাভ কৰা দেখা যায়।

টোলঠা পকা, প্ৰজাতি—আৰ্দিছা চোলানেছিয়া বিকল্পে আৰ্দিছা হিউমিলিছ পৰিয়াল—মিৰচিনেছি টৌলঠা পকা, চাউল ধোৱা (অসমীয়া) বন জামু (বঙালী) মাইয়াৰাৱা (হিন্দী)

(Tultha Poka) Species—Ardisa Solanacea Syn Andisa humilis Family—Myrsinaceae

এবিধ ডাঙৰ আকাৰৰ চিৰ হৰিৎ জোপোহা উদ্ভিদ। ইয়াৰ পকা ফলবোৰ খোৱাৰ উপযোগী। বাকলি ঔষধ হিচাবে বিভিন্ন ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়।

ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বিভিন্ন ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বন সৰিয়হ, প্ৰজাতি—নেচটাৰচিয়াম ইন্দিকম বিকল্পে—পৰিপা ইন্দিকা পৰিয়াল— ক্ৰুচিফেৰি বন সৰিয়হ (অসমীয়া) বিল ৰাই (বঙালী) ব্ৰান্মা শাক (হিন্দী) (ইংৰাজী)

Species— Passiflora quadrangula-ris Family – Passifloraceae Giant Granadilla, CommonGranadilla

জীপাল ঠাইত উৎপন্ন হোৱা এবিধ বনৰীয়া সৰিয়হ জাতীয় উদ্ভিদ। ইয়াৰ গুটিবোৰ সংগ্ৰহ কৰি সৰিয়হৰ দৰে ব্যৱহাৰ কৰা হয়।

অসমৰ প্ৰায় সকলো দ চানেকীয়া হাবি বনানীত ইয়াক দেখিবলৈ পোৱা যায়।

এবিধ চাৰিকোণীয়া ঠাৰি ধাৰণ

বেল লাও, কথ বেল, প্ৰজাতি — পেছিফ্লোৰা কোৱাড্ৰেংগোলৰিছ্ পৰিয়াল— পেছিফ্লোৰেছি বেল লাও (অসমীয়া) কথ লাও (ইংৰাজী)

Species— Passiflora quadrangularis Family—Passifloraceae Giant Granadilla, CommonGranadilla

কৰা বৰ্ষীয় বা দ্বিবাৰ্ষিক আয়ুসৰ আৰোহী লতা। তৰকাৰি হিছাপে বনাই খাব পৰা ইয়াৰ ফলবোৰ ছিঙি আনিবৰ বাবে বহুতো মানুহে এইবিধ উদ্ভিদ বাৰীত লগাই ৰাখে।

অসম আৰু মেঘালয়ত ইয়াক পোৱা যায়।

জেফিৰ লিলি, জেফিৰাণ্টেচ কেন্দিদা পৰিয়াল— আমেৰিলিডেছি

(Zephyr Lily) Species— Zephyranthes candida Family— Amaryllidaceae

আজিকালি আমাৰ ইয়াত এবিধ বগা বৰণৰ বিতোপন ফুল ধাৰণ কৰা ক্ষুদ্ৰ আকাৰৰ লিলি দেখিবলৈ পোৱা যায়। এইবিধ লিলিৰ উৎপত্তি স্থান দক্ষিণ আমেৰিকা বুলি জনা যায়। ১৮২২ খ্ৰীষ্টাব্দত ইয়াৰ সঁচ আনি ইংলণ্ডত ৰোপণ কৰা হৈছিল। আজিকালি ভাৰত ভূমিত ইয়াক কৃতকাৰ্য্যতাৰে ৰোপণ কৰা দেখিবলৈ পোৱা যায়।

মাটিৰ তলত পিয়াজৰ নিচিনা আকৃতিৰ আৰু মণ্ডহাল গোটা আকাৰৰ আলু বা মূলৰ উৎপত্তি হয়। আলুৰ মূঢ়াৰপৰা দীঘল চানেকীয়া ক্ষুদ্ৰাকাৰ পাতৰ উৎপত্তি হয়। দীঘল দীঘল ঠাৰিৰ অগ্ৰভাগত বগা বৰণীয়া বিতোপন ফুল ধৰে। শৰৎ-হেমন্ত কালত ফুল ফুলে। কেতিয়াবা বছৰত একাধিক বাৰ ফুল ধৰা দেখা যায়।

উদ্যান বা ফুলনি দাঁতি-কাষৰীয়া ঠাইত ভেটি তৈয়াৰ কৰি শাৰী শাৰীকৈ আলু ৰোপণ কৰি ৰাখিলে সময়ত আটাইবোৰ পুলিয়ে একে সময়ত ফুল ধৰিলে বিতোপন ৰূপ ধাৰণ কৰা দেখা যায়।

ভেদাই লতা, পিদেৰিয়া স্কান্দেঞ্চ বিকল্পে পিদেৰিয়া ফিটিদা পৰিয়াল—ৰুবিয়েছি ভেদাই লতা, ভেদেলি লতা, পাদ্ৰিলেৰা (অসমীয়া) গন্ধ ভাদুলিয়া, মুকুণ্ড লতা, গন্ধনা পাত্ৰী লেৰা (বঙালী) গান্ধেলি (হিন্দী)

(Bhedai Lota) Species – Paederia Scandens Syn Paederia fietida Family—Rubiaceae

এবিধ বছেৰেকীয়া আনতৰ অৰ্দ্ধ কঠিন লতাজাতীয় দুৰ্গন্ধযুক্ত উদ্ভিদ। গোটেই জোপা গছতে ঔষধীয় গুণ আছে। ইয়াক তৰকাৰি বনাই খোৱা হয়।

এইবিধ গোন্ধময় উদ্ভিদ অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। সেয়েহে বিহুগীত গাওতে এইবিধ

উদ্ভিদৰ নাম বিহুৱান, বিহুবলীয়া সকলে শ্ৰদ্ধাৰে স্মৰণ কৰা দেখা যায়। যেনে ঃ

চ'তে চ'তে গৈয়ে বহাগে পালেহি,
ফুলিলে ভেবেলী লতা।
কৈয়ে থাকো মানে ওৰকে নপৰে,
বহাগ বিহুৰে কথা।।

এবিধ অলপ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। এইবিধ গছৰ কাঠ মান মজলীয়া হয়। কাঠ কয়লা তৈয়াৰ কৰিবৰ বাবে এই কাঠ ব্যৱহাৰ কৰা হয়। সাধাৰণ প্ৰকাৰৰ চকি-মেজ আদি বনাবৰ বাবেও এই কাঠ ব্যৱহাৰ কৰা হয়। উজনি অসমৰ হাবি জংগলবোৰত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

আমচৈ, বেইলচ মেদিয়া ব্ৰান্দিছিয়াইপৰিয়াল—লৰেছি। আমচৈ, বন সোৱালু, সৰু পাত্ৰাই (অসমীয়া) (Amchoi) Species—Beilschmiedia brandisii Syn—Beilschiniedia assamica Family—Lauraceae

কোমল বিধৰ গা-গছ ধাৰণ কৰা এবিধ ডাল নেমেলা উদ্ভিদ। একোজোপা অমিতা গছৰ উচ্চতা প্ৰায় ৫-৬ মিটাৰমান হোৱা দেখা যায়। বাকলিৰ উপৰিভাগে বগা-চানেকীয়াকৈ সেউজ-বুলীয়া ৰং ধাৰণ কৰে। গছডালৰ ভিতৰ ভাগ কোমল হয় আৰু তাৰ মাজত ফোপোলা ধৰণৰ খালি ঠাইৰ উৎপত্তি হোৱা দেখা যায়।

অমিতা, কেৰিকা পেপেয়া কেৰিকেছি পৰিয়াল অমিতা (অসমীয়া) পেপেয়া (বঙালী) পেপেয়া (হিন্দী) (ইংৰাজী) (Papaya) Species—Carica papaya Family—Caricaceae Papaya

গছজোপাৰ ওপৰ ভাগত যিবিলাক পাতৰ আৱিৰ্ভাৱ হয় সেই পাতবিলাকে মেলাহিভাৱে বিকাশ লাভ কৰাৰ বাবে গছডালে ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে। পাতৰ ঠাৰি বিলাক ফোপোলা হয় আৰু প্ৰকাশ আকাৰৰ পাতবোৰে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। পাতবোৰ তলত আৰু এই পাতৰ ঠাৰিৰ মাজে মাজে বগা বৰণীয়া ফুল ফুলে। গাইগুটীয়াভাৱে বেলেগ বেলেগ গছত পুং আ স্ত্ৰী পুষ্পৰ উদ্ভৱ হয়। মতা অমিতাবিলাকত দীঘল ঠাৰি থকা ফুল ধৰে। এনে গছৰ ফল নিচেই নগণ্য হোৱাৰ বাবে সেই গছ কাটি পেলাব লগা হয়। ফলৰ আকৃতি গছৰ জাত অনুযায়ী গোল বা দীঘলীয়া হয়। মঙহাল পদাৰ্থৰ ভিতৰত অসংখ্য গুটি ধৰে। পকা অমিতা খাবলৈ ভাল। কেঁচা অমিতাৰ তৰকাৰি বনাব পাৰি।

মাটি-কঁঠাল বা আনাৰস (Mati Kothal) Species – Annaras salivas আনাৰচ্ চেটিভাচ Family— Bromellaceae ব্ৰমেলিয়েচি পৰিয়াল মাটি-কঁঠাল, আনাৰচ (অসমীয়া) আনাৰস (বঙালী) অনাৰাস (হিন্দী) Pine Apple (ইংৰাজী)

গা-গছ আৰু ডাল-ডোল নথকা এবিধ দীঘল দীঘল আৰু মঁঙহাল পাত ধাৰণ কৰা উদ্ভিদ। শিপাৰপৰা উদ্ভৱ হোৱা ডিলা ডালৰপৰা তৰোৱালৰ নিচিনা মঙহাল পাতবোৰে বিকাশ লাভ কৰে। পাতৰ উপৰিভাগ মিহি আৰু সেউজীয়া হয়। ইয়াৰ কেবাটাও জাত আছে। জাত অনুযায়ী কিছুমান গছৰ পাতৰ দাঁতিত কাঁইটৰ উৎপত্তি হয় আৰু আন কিছুমানৰ দাঁতিভাগ সমান হয়। তদুপৰি কেইবিধমান মাটি-কঁঠাল গছৰ পাতবোৰে অলপ ৰঙচীয়া বৰণ ধাৰণ কৰা দেখিবলৈ পোৱা যায়।

মাটিৰ তলৰপৰা উদ্ভৱ হোৱা ডিলাৰ অগ্ৰভাগে মাটি-কঁঠাল বা আনাৰচ্ ফল ধাৰণ কৰে। এই ফলৰ উপৰিভাগ খহুলা-খুহুলি বাকলিৰ দ্বাৰা গঠিত হয়। ফলৰ ভিতৰত অংশ কোমল বিধৰ মঙহাল পদাৰ্থৰ দ্বাৰা গঠিত হয়। মাজ ভাগত দীঘলীয়াকৈ অলপ কঠিন ধৰণৰ ডিলাই বিকাশ লাভ কৰে। এই ফল পকিলে খাবলৈ মিঠা লাগে। গাইগুটীয়াভাৱে কিছুমান গছে ধাৰণ কৰা ৰসাল ফল টেঙা চানেকীয়া হয়। ফলৰ উপৰিভাগত নতুন পুলিৰ পোখা গজে। এই পুলি ৰুই দিলে নতুন গছৰ উৎপত্তি হয়। শিপাৰপৰাও নতুন পুলি-পোখা ওলায়। এবাৰ ফল ধৰাৰ পাছত গছজোপা মৰি যায়।

মাটি-কঁঠালৰ অৰ্থনৈতিক মূল্য অতি বেছি। কিছুমান উদ্যোগী কৃষকে ইয়াৰ খেতি সৰহীয়াকৈ কৰি লাভৱান হয়। আম, জেলি, চৰ্বত আদি এই ফলৰপৰা প্ৰস্তুত কৰি সংৰক্ষিত খাদ্য সামগ্ৰীৰ যোগান ধৰা হয়।

কেঞাকঁঠাল, আনানাচ্ মেগ্‌ডালিনি ব্ৰমেলিয়েছি পৰিয়াল কেঞা কঠাল (অসমীয়া) (Wild Pine Apple) Species – Ananas magdalanae Family—Bromaliaceae

আলি বাটৰ কাষত বাৰীৰ ঢাপত আৰু অন্যান্য দ চানেকীয়া ঠাইত মাটি-কঁঠাল গছৰ নিচিনা আকৃতি ধাৰণ কৰা এবিধ উদ্ভিদ প্ৰায়েই দেখিবলৈ পোৱা যায়। বহুতো মানুহে এইবিধ উদ্ভিদ বাৰীৰ সীমামূৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই দিয়ে। কিছুমান দ-চানেকীয়া ঠাইত এনেয়ে আপোনা-আপুনি অসংখ্য গছৰ উৎপত্তি হয়।

মাটিৰ তলৰপৰা ওলাই অহা ডিলাডালৰ চৌপাশে দীঘল দীঘল সেউজ-

বুলীয়া পাতৰ উৎপত্তি হয়। মাটি-কঁঠালৰ দৰে ইয়াৰো কোনো গা-গছ্ বা ঠাল-ঠেঙুলি নাথাকে। শিপাৰপৰা ওলোৱা পোখাই নতুন নতুন পুলিৰ সৃষ্টি কৰে।

মাটি-কঁঠালৰ নিচিনা ফলবোৰ আকাৰত নিচেই সৰু হয় আৰু সেই ফল খোৱাৰ উপযোগী হোৱা দেখা নাযায়। ফলৰ ওপৰত পুলি গজে। দীঘলীয়া পাতবোৰৰ কাষে কাষে চুটি কাঁইটৰ উদ্ভৱ হয়।

বাঘলিলি, বেলাম্‌কান্দা চাইনেন্‌চিচ্ পৰিয়াল— আইৰিডেছি বাঘ লিলি (অসমীয়া) (ইংৰাজী) (Tiger Lily) Species—Belamcanda chinensis Family—Iridaceae Black berry Lily, Leopard flower

তৰোৱালৰ নিচিনা দীঘলীয়া পাত বহন কৰা এবিধ সৰু আকাৰৰ বন গছ। বছৰি বছৰি বৰ্ষা কালত উৎপত্তি হৈ শীতৰ অন্তত মৰি যায়। মাটিৰ তলত মূল আৰু শিপাৰ উৎপত্তি হয়। এই মূলত ঠাৰি পোখাই বিকাশ লাভ কৰে। মাটিৰ সমতলৰপৰা আৰম্ভ কৰি বিপৰীতমুখীভাৱে দুখিলা দুখিলা দীঘলীয়া পাতৰ উৎপত্তি হয়। এইদৰে একে সমতলত নতুন নতুন পাতৰ পোখা মেলে। একেঠাইতে কেইবাটাও পুলিয়ে বিকাশ লাভ কৰাৰ ফলত উদ্ভিদ বিধে জোপাৰ আকৃতি প্ৰদৰ্শন কৰে। অলপ ডাঠ চানেকীয়া আৰু সেউজবুলীয়া পাতবোৰত কোনো প্ৰকাৰ সিৰ বা উপসিৰ নাথাকে।

ফুল ধৰা ঠানিডাল দীঘল লয়। এই ঠানিৰ অগ্ৰভাগত একাধিক ফুলৰ একোটা থোপা বিকশিত হয়। প্ৰত্যেক পাহ ফুলে পাঁচ খিলাকৈ পাহি চক্ৰকাৰে ধাৰণ কৰে। ফুলৰ বৰণ হালধীয়া হয় আৰু পাহিত ফুটফুটীয়া ৰঙা দাগ থাকে। আইৰিচৰ বহুতো প্ৰজাতি আছে। অন্যান্য প্ৰজাতিৰ ফুল গছ সাধাৰণতে অসমত স্বাভাৱিক অৱস্থাত দেখিবলৈ পোৱা নাযায়।

জেব্ৰা গছ, এফেলান্দ্ৰা স্কোৱাৰ'জা একানথেছি জেব্ৰা ফুল (অসমীয়া) (ইংৰাজী) Zebra Plant Species—Aphelandra squarrosa Acantheceae Zebra Plant

অলপ ডাঠ আৰু কোমল বিধৰ দীঘলীয়া দীঘলীয়া আকৰ্ষণীয় আঁচ ধাৰণ কৰা পাতৰ এবিধ আলঙ্কাৰিক বিজাতীয় জোপোহা বনগছ। বিতোপন পাত পৰিধান কৰাৰ বাবে এইবিধ উদ্ভিদ ফুলনি বাৰী বা উদ্যানত আলফুলকৈ লগাই ৰখা হয়। ইয়াৰ স্বাভাৱিক উৎপত্তিস্থান ব্ৰাজিল বুলি জনা যায়। ভাৰতবৰ্ষলৈ ইয়াৰ সঁচ কেতিয়া কোনে আনিছিল তাক সঠিকভাৱে জনা নাযায়। আজিকালি অসমৰ কোনো কোনো উদ্ভিদপ্ৰেমী ব্যক্তিয়ে ফুলনি বাৰীত ইয়াৰ দুই-এজোপা পুলি লগাই ৰখা দেখিবলৈ পোৱা যায়।

মূল ঠাৰিডাল মদৰুৱা হয় আৰু আকাশ-মুৱাহৈ বিকশিত হোৱা কোমল বিধৰ শাখাঠাৰিবোৰে সেউজ-বুলীয়া ৰং পৰিধান কৰে। উজ্জ্বল সেউজীয়া আৰু আঁচ ধাৰণ

কৰা পাতবোৰে এক ৰকমৰ ডিম্বাকৃতি ৰূপ পৰিধান কৰে। গুৰিৰ অংশ ঘূৰণীয়া, মাজৰ ভাগ বহল আৰু আগৰ ফালে ক্ৰমে জোঙা হয়। মূল সিৰ আৰু শাখাসিৰবিলাকৰ ওপৰত ফুলবছাকৈ হাতীদঁতীয়া বৰণে বিকাশ লাভ কৰে।

ফুলৰ বৰণ হালধীয়া হয় আৰু এই ফুলৰ গুৰিত গভীৰ হালধীয়া তথা ৰঙচীয়া পাৰি থকা অতিৰিক্ত চুপহিৰ আৱিৰ্ভাৱ হয়। প্ৰত্যেক পুষ্প-গুচ্ছই চাৰি-পাঁচ পাহ ফুল বহন কৰে।

শ্ৰিম্প প্লেন্ট, বেলুপোৰৱান গুটাটা পৰিয়াল—একানথেছি বিলাতী মাখিয়তী (অসমীয়া) (ইংৰাজী) (Shrimp Plant) Species—Beloperone guttata Family—Acatheceae Shrimp Plant

মাখিয়তিৰ নিচিনা চেলপেটীয়া পুষ্প ধাৰণ কৰা এবিধ বিজাতীয় আলঙ্কাৰিক উদ্ভিদ। এইবিধ উদ্ভিদৰ উৎপত্তিস্থান মেক্সিকো বুলি জনা যায়। লেহুকা ধৰণৰ ঠাৰিবিলাকে সেউজ-বুলীয়া ৰং পৰিধান কৰে। ঠিক সেইদৰে অলপ পাতলীয়া পাতবিলাকো সেউজীয়া হয়। পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। মাজৰ অংশ বহল আৰু দুয়ো মূৰ জোঙা চানেকীয়া হয়।

এডাল ঠাৰিত সৰু সৰু মাখন বৰণীয়া ফুলৰ উৎপত্তি হয়। প্ৰত্যেক পাহ ফুল একোখিলা দুতৰপীয়া ৰঙচীয়া বা মুগা বৰণীয়া আৱৰণ বা অতিৰিক্ত চুপহিৰ দ্বাৰা আবৃত হৈ থাকে। প্ৰত্যেক থোপা ফুলে মাখিমৰা বা মাখিয়তি ফুলৰ আকৃতি ধাৰণ কৰে। সাধাৰণতে মাটিৰ বাচনত এইবিধ ফুলগছ ৰোপণ কৰি ৰখা হয়।

কাৰনেচন, ডায়েণ্ঠছ কেৰিওফাইলছ পৰিয়াল—কেৰিওফাইলেছি কাৰনেচন (আন্তৰ্জাতিক নাম) (Carneson) Species—Dainthus caryophyllus Family—Caryophyllaceae

আকৰ্ষণীয় ফুল ধাৰণ কৰা এবিধ ঋতুজাত ঘৰচীয়া উদ্ভিদ। নাৰ্চাৰি কিম্বা অন্যান্য গুটি ব্যৱসায়ীসকলৰপৰা পেকেটত ভৰাই ৰখা গুটি কিনি আনি পালেঙত পচোৱা হয়। পুলিবোৰ ঠন ধৰিলে সাৰুৱা মাটিৰ ভেটিত শাৰী শাৰীকৈ লগাই দিয়া হয়। পোনপটীয়াভাৱে ফুলৰ ভেটিত গুটি সিঁচি দিও ইয়াৰ খেতি কৰিব পাৰি।

একোপাহ ফুলত বহুসংখ্যক পাহিৰ উৎপত্তি হয়। পাহিৰ দাঁতিৰফালে থকা অংশ অলপ মেৰুটা-মেৰুটি আকৃতি ধাৰণ কৰে। গাইগুটীয়া ফুলৰ গছবোৰে বেলেগ বেলেগ বৰণৰ ফুল বহন কৰে। কিছুমান ফুল বগা, কিছুমান ৰঙচীয়া আৰু আন কিছুমান কজলা

হয়। একেটা ভেটিতে বহুসংখ্যক ফুল ফুলিলে অনুপম সৌন্দৰ্যৰ সৃষ্টি হয়।

তৰোৱাল পতীয়া ঢেঁকীয়া, নেফ্ৰোলেপিচ্ একজাল্টেটা অ'লিয়েন্দ্ৰেচি (ইংৰাজী) তৰোৱাল পতীয়া ঢেকীয়া (অসমীয়া) (Swordfern) Swordfern—Nephrolepis exhaltata Oleandraceae Sword-fern

মাটিৰ চৰু কিম্বা গামলাত ৰোপণ কৰি ঘৰৰ বাৰাণ্ডা অথবা বেঠকখানাত আলফুলকৈ ওলোমাই ৰাখিব পৰা এবিধ বিতোপন ঢেঁকীয়া গোষ্ঠীৰ উদ্ভিদ। স্বাভাৱিক অৱস্থাত অসমৰ হাবি-বনানীত এইবিধ ঢেঁকীয়া জাতীয় উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত নহয়। সেইবাবে বিদেশৰপৰা সঁচ আনিহে এইবিধ ঢেঁকীয়া আলঙ্কাৰিক উদ্ভিদ হিছাপে সজাই পৰাই ৰখা হয়। গ্ৰীক্ ভাষাত নেফ্ৰচ (Nephros) মানে হাওঁফাওঁ আৰু লেপিচ (Lepis) মানে বাকলি বুজায়। পাতৰ তলৰ লুটিত উৎপত্তি হোৱা স্পোৰৰ আৱৰণত হাওঁফাওঁৰ সাদৃশ্য থকাৰ বাবে এইবিধ ঢেঁকীয়াৰ বৈজ্ঞানিক নামকৰণ হৈছে বুলি জনা যায়।

স্পোৰবিলাক মাটিত সৰি পৰিলে নতুন নতুন পুলিৰ আৱিৰ্ভাৱ হয়। শিপাৰপৰা ওলাই অহা পোখাৰ পৰাও পুলিৰ উৎপত্তি হয়।

ফুটা থকা মাটিৰ পাত্ৰৰ তলত ভাঙা পাথৰ অলপ ভৰাই তাৰ ওপৰত ফচফচীয়া বালীয়া মাটিৰ লগত পচা পাত আদি মিহলাই পুলি ৰোপণ কৰিলে কম সময়ৰ ভিতৰতে সুফল পাবলৈ আশা কৰিব পাৰি। এইবিধ ঢেঁকীয়া দেখাত আটাইতকৈ ধুনীয়া বুলি ক'ব পাৰি।

বচ, একবছ কালামছ পৰিয়াল—এৰেছি বচ (অসমীয়া) বস (বঙালী) সফেদ বাচ (হিন্দী) (ইংৰাজী) (Boch) Species—Acorus calamus Family—Araceae Sweet flag

এবিধ দীঘল দীঘল আৰু চেপেটা আকাৰৰ সেউজীয়া পাত ধাৰণ কৰা বছৰেকীয়া বন। সাধাৰণতে চেঁচুকীয়া আৰু দ চানেকীয়া ঠাইত এইবিধ উদ্ভিদৰ উৎপত্তি হয়। গেৰেকণি, চোৱা পাতনি আদি অলাগতিয়াল ঠাইত এইবিধ গোন্ধোৱা বনৰ উৎপত্তি হয়। এঠাইত এটা বা দুটি পুলি কেনেবাকৈ গজিলে টেপুৰপৰা সংখ্যা বাঢ়ি বাঢ়ি যায় আৰু এই বনগছবোৰে তেতিয়া এডোখৰ আহল-বহল ঠাই অধিকাৰ কৰি লোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মাটি ভিতৰত আদা-হালধিৰ দৰে এথোপা মূলৰ উৎপত্তি হয়। পাত কিম্বা শিপাৰ আলু ভাঙি দিলে তাৰ পৰা এক প্ৰকাৰৰ গোন্ধ ওলায়।

পাতবোৰে গভীৰ সেউজীয়া ৰং পৰিধান কৰে। শিপাৰপৰা ওলাই অহা সৰু

ঠাৰিডালত এই পাতবোৰে চেপেটাকৈ দুতৰপীয়া গাঠনি ধাৰণ কৰে আৰু আগভাগত এখনীয়া পাতৰ আকৃতি ধাৰণ কৰে। বচৰ আলু ঔষধত ব্যৱহাৰ কৰা হয়।

ডাম্ব কেইন, ডিফেনবেচিয়া প্ৰজাতি—ডিফেনবেছিয়া এমিলা পৰিয়াল—এৰেছি (Dumb Cane) Species—Dieffenbachia amoena Family—Araceae

ডিফেন বাছ নামেৰে পৰিচিত এজন জাৰ্মান দেশীয় উদ্ভিদবিদৰ নাম অনুযায়ী এই বিধ আলংকাৰিক উদ্ভিদৰ নাম ডিফেন বাছ ৰখা হয়। ইয়াৰ জনপ্ৰিয় নাম হ'ল ডাম্ব কেইন। এই শব্দাৱলীক অসমীয়ালৈ ৰূপান্তৰ কৰিবলগীয়া হ'লে "বোবা বেড" শব্দাৱলী ব্যৱহাৰ কৰিবলগীয়া। সদ্যহতে Dumb came শব্দ দুটাৰ ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰা হৈছে।

এই জাতীয় উদ্ভিদ গা-গছডাল কোমল আৰু মঙহাল হয়। গছডালৰ পাৰে পাৰে বিকশিত হোৱা পাতৰ ঠাৰিৰ গুৰিৰ অংশ গছডালত তামোল গছৰ পাতৰ ধকুৱাৰ দৰে উৎপত্তি হয়। আহল-বহল আকাৰৰ পাতবোৰ ডাঠ হয় আৰু এই সেউজ-বৰণীয়া পাতৰ ওপৰত ফুটুকা-ফুটুকি দাগৰ উৎপত্তি হয়।

গা-গছৰ ঠাৰি অংশ আৰু শিপা টুকুৰা-টুকুৰকৈ কাটি মাটিত ৰোপণ কৰিলে নতুন গছৰ উৎপত্তি হয়।

ফুটুকীয়া, ডিফেনবেছিয়া বা ডাম্বকেইন ডিফেনবেছিয়া পিকটা পৰিয়াল—এৰেছি (Spotted Diffenbasia or Dumb cane) Species—Dieffenbachia picta Family—Araceae

জাৰ্মান দেশৰ খ্যাতনামা বোটানিষ্ট ডিফেনবাছৰ নাম অনুসৰি ডামকেইনৰ বৈজ্ঞানিক নাম ডিফেনবাছিয়া ৰখা হয়। পূৰ্বতে এই জাতৰ উদ্ভিদ কলম্বিয়া ভেনেজুৱালা, ইকুৱেডৰ আদি দেশত আছিল যদিও আজিকালি ভাৰত তথা অসমৰ প্ৰায় সকলো মানুহৰ ফুলনি বাৰী আৰু গামলাত আলফুলকৈ ৰোপণ কৰি ৰখা অৱস্থাত দেখিবলৈ পোৱা যায়।

গা-গছ, ঠাৰি আদি কোমল আৰু মঙহাল হয়। অলপ দীঘলীয়া আকাৰৰ ফুটফুটীয়া পাতবোৰে বিতোপন ৰূপ ধাৰণ কৰে।

মছুন্দৰী, হাইটুইনিয়া কৰ্ডেটা পৰিয়াল—পাইপাৰেছি (Mochundori) Species—Houttuynia cordata Family—Piperaceae

এবিধ বছেৰেকীয়া আনতৰ মাটিত বগোৱা সৰু আকাৰৰ উদ্ভিদ। মাটিত বগোৱা শিপাডালৰপৰা সূক্ষ্ম আকাৰৰ সৰু সৰু শিপাৰ উৎপত্তি হয়।

সেউজীয়া পাতবোৰে পাণৰ নিচিনা আকৃতি ধাৰণ কৰে। পাতবোৰ ভাঙি-ছিঙি পেলালে তাৰপৰা কেঁচা মাছৰ গোন্ধ অনুভূত হয়।

পেটত ডায়েৰিয়া ৰোগৰ উৎপত্তি হ'লে এই পাত অলপ সিজাই খালে উপকাৰ পোৱা যায়। এক প্ৰকাৰৰ তৰকাৰি কৰি খালেও পেটৰ অসুখ ভাল হয়।

আজিকালি বহুতো মানুহে এইবিধ ঔষধৰ উদ্ভিদ বাৰীৰ এচুকত লগাই ৰাখে। শিপাৰপৰা বংশ বৃদ্ধি কৰিব পাৰি।

পাণ, পাইপাৰ বিটিল পৰিয়াল—পাইপেৰেচি পাণ (অসমীয়া) ফাথৈ (বড়ো) পানা (ৰাভা) (ইং) (Pan) Species—Piper bettle Family—Piperacae Betel leat Vine

তামোল আৰু চুপাৰিৰ সৈতে লগ লগাই আৰু অন্যান্য মছলা মিহলি কৰি আমাৰ ভাৰতীয় মানুহে সচৰাচৰ খোৱা পাণ নামৰ গছৰ পাতৰ লগত আমাৰ সকলোৰে পৰিচয় আছে। তামোল-পাণৰ বটাটো আগবঢ়াব নোৱাৰিলে অতিথি শুশ্ৰূষা অসম্পূৰ্ণ হৈ থাকি যায় বুলি আমাৰ মানুহে বিশ্বাস কৰে।

এই পাণ লতাজাতীয় উদ্ভিদ। ঠাৰিডাল সেউজীয়া হয়। পাতৰ গুৰিভাগ বহল আৰু আগৰ ভাগ ক্ৰমে ঠেক হৈ যোৱা হয়। আগটো দীঘলপতীয়াকৈ জোঙা। পাতবোৰ ঠাৰিডালৰ গাঁঠিবিলাকৰপৰা খনে খনে ওলায় আহে। পাতৰ সিৰা-উপসিৰা উপৰিভাগৰপৰা চালে স্পষ্টভাৱে দেখিব পাৰি।

গছৰ ওপৰলৈ বগাই যাবৰ বাবে লতাডালে ঠাল-ঠেঙুলি বা মূল লতাৰ গাঁঠিবোৰৰপৰা ওলাই অহা শিপাবোৰ কামত লগায়। এই শিপাবোৰে গছজোপাত কামোৰ মাৰি ধৰে। তামোল গছৰ আগভাগলৈকে পাণ গছ উঠে আৰু তেনে পাণ লতাৰপৰা বহুত পৰিমাণৰ পাণ উৎপাদন হয়। সৰি পৰাৰ আগতে 'পাণ' গছতে পকি হালধীয়া হয়। কিছুমান মানুহে হেঁদালি তৈয়াৰ কৰি দি তাত পাণ লতা বগাবলৈ সুবিধা কৰি দিয়ে।

আউনি পাণ, প্ৰজাতি—পাইপাৰ চিলভেটিকম পৰিয়াল—পাইপেৰেছি আউনি পাণ—(অসমীয়া) পাহাৰী পিপলি (বঙালী) (Auni Pan) Species—Piper Sylveticum Family— Piperaceae

এবিধ হাবি-বনানীৰ গছত বগোৱা পাণ জাতীয় আৰোহী লতা। এইবিধ পাণ জাতীয় লতাই ধাৰণ কৰা পাণ সাধাৰণতে খোৱা নহয়। অৱশ্যে অভাৱ-অনাটনত বনাঞ্চলৰ কাষে-পাজৰে বাস কৰা মানুহে ইয়াৰ পাণেৰে মুখৰ্দি মাৰে।



আউনি পাণ
Piper stlveticum
Family-Piperaceae

গান পাণ, প্ৰজাতি—পাইপাৰ বিটিল (প্ৰকাৰ) পৰিয়াল—পাইপেৰেছি।
(Gan pan) Species—Piper betle
Family—Piperaceae

আমাৰ মানুহে বাৰীত লগোৱা তামোল গছত যিবিধ পাণ জাতীয় আৰোহী লতা ৰোপণ কৰে সেই পাণ লতাৰে এটা জাতৰ পাণবোৰ খাবলৈ অলপ মিঠা হয়। বহুতে এই দ্বিতীয় বিধ পাণৰ সঁচ আনি বাৰীত থকা তামোল কিম্বা অন্যান্য গছৰ গুৰিত ৰোপণ কৰে।

তামোল গছৰ গুৰিত গাঁত খান্দি তাত জাবৰ-জোঁথৰ আৰু গোবৰ আদি মিহলি কৰি পাণ লতা আগ গাঁঠিৰে সৈতে আলফুলকৈ ৰোপণ নকৰিলে সুফল পাবলৈ আশা কৰিব নোৱাৰি। সেই সম্পৰ্কে অসমীয়া ভাষাত এটা সুশ্ৰাব্য প্ৰবচন মানুহৰ মুখত শুনিবলৈ পোৱা যায়। যেনে—

পঢ়াই পঢ়ে ৰোৱে পাণ
এই দুয়োজনে নিচিন্তে আন।

চৈ পাণ, পাইপাৰ চাবা—প্ৰজাতি পৰিয়াল—পাইপাৰেছি চৈপাণ (অসমীয়া) চৈ পাণ (বঙালী) চাব (হিন্দী) (ইংৰাজী)
(Chai Pan) Species - Piper Chaba
Family—Piperaceae A wild variety of Betel vine

এবিধ বনৰীয়া আৰোহী পাণ জাতীয় উদ্ভিদ। সাধাৰণ তামোলৰ লগত এইবিধ পাণ খোৱা নহয় বহুতো মানুহে অভাৱ-অনাটনৰ সময়তে ইয়াৰে মুহদি কৰে।

উজনি অসমৰ হাবি-

বনানীবোৰত আৰু কাৰ্বি আংলঙৰ বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

জালুক, প্ৰজাতি—পাই পাৰ নাই গ্ৰম পৰিয়াল—পাইপেৰেছি জালুক (অসমীয়া) গোল মৰিচ (বঙালী) গোল মৰিচ (হিন্দী) কালি মৰিচ (হিন্দী) কৃষ্ণমৰিচ (সংস্কৃত) (ইংৰাজী)

(Jaluk) Species—Piper nigrum Family—Piperaceae Black Pepper

এবিধ গছত বগোৱা পাণ গোষ্ঠীৰ আৰোহী লতা। এইবিধ লতাই ধাৰণ কৰা জালুক গুটিৰ চাহিদা অত্যন্ত বেছি। সেই বাবে পাহাৰী ভূমিত বাস কৰা ঝুমখেতি কৰা মানুহক এইবিধ লতাৰ খেতি কৰি আৰ্থিকভাৱে লাভবান হ'বলৈ জালুকৰ খেতি কৰিবলৈ শিক্ষা প্ৰদান কৰা হয়। চাহ বাগিচাৰ কোনো কৰ্তৃপক্ষই চাহ বাগানৰ মাজত ছায়া প্ৰদানৰ বাবে ৰোপণ কৰি শিৰীষ প্ৰভৃতি গছৰ ওপৰত বগাব পৰাকৈ জালুক জাতীয় আৰোহী লতা ৰোপণ কৰা দেখা যায়।

পেপেৰেমিয়া, পাইপাৰেছি পেপেৰেমিয়া (অসমীয়া আন্তৰ্জাতিক)

(Peperomia) Species—Peperomia caperata Piperaceae

পাতবিলাকে কম-বেছি পৰিমাণে পাণ অথবা জালুকৰ পাতৰ নিচিনা আকৃতি ধাৰণ কৰা এবিধ লতা গোষ্ঠীৰ বিজাতীয় আলঙ্কাৰিক উদ্ভিদ। পাতবিলাকে সেউজীয়া ধৰণৰ কজলা বৰণ ধাৰণ পাতৰ উপৰিভাগ ওখোৰা-মোখোৰা হোৱা দেখা যায়। এইবিধ আকৰ্ষণীয় উদ্ভিদৰ উৎপত্তি স্থান মধ্য আৰু দক্ষিণ আমেৰিকা বুলি জনা যায়। ভাৰতবৰ্ষলৈ ইয়াৰ আমদানি কেতিয়া হ'ল সেই বিষয়ে সঠিকভাৱে জনা নাযায়।

ঠানি কাটি বা ছিঙি আনি নতুন নতুন পুলি লগাব পাৰি। বৰ্ষাকালত ফুল ধৰে। ফুলৰ আকৃতি পাণৰ পিপলিৰ নিচিনা হয় আৰু এই পিপলিবোৰে বগা বৰণ পৰিধান কৰে।

এইবিধ আলঙ্কাৰিক উদ্ভিদ পোহৰপৰা কোঠাত ৰখা মাটিৰ পাত্ৰত লগাই ৰাখিব পাৰি। সূৰ্যৰ প্ৰখৰ উত্তাপ ই সহ্য কৰিব নোৱাৰে।

ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, উত্তৰ কামৰূপ আদি জিলাৰ অন্তৰ্গত যিবিলাক বনাঞ্চল আছে সেইবিলাকৰ ভিতৰত ভুটানৰ নামনিত থকা গভীৰ অৰণ্যভূমিবিলাকে

পিপলি, পাইপাৰ লঙ্গম পাইপাৰ চিলভেটিকমা পৰিয়াল—পাইপাৰেছি

(Pipoli or Pipul) Species—Piper longum Syn. Piper Sylveticum Family—Piperaceae

পাণ জাতীয় এবিধ মাটিত বগুৱা উদ্ভিদ ধাৰণ কৰা দেখা যায়। এইবিধ উদ্ভিদজাত প্ৰাকৃতিক সম্পদক পিপলি বা পিপুল বুলি কোৱা হয়। পিপলিৰ অৰ্থনৈতিক প্ৰমূল্য সৰ্বজন বিদিত।

এই গছবোৰে এক প্ৰকাৰৰ পাণৰ পিপলি বা নুনিৰ ফলৰ নিচিনা দীঘলীয়া ফল ধাৰণ কৰে। বনবিভাগে মহল আৰু এই পিপলিবিলাক ধাৰণ কৰা এলেকাবোৰ প্ৰতিবছৰে বন্দোবস্তী দিয়ে।

এইবিধ উদ্ভিদৰ পাতবিলাকে জালুক আৰু পাণ লতাৰ পাতৰ নিচিনা ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। কিন্তু পাণৰ লতিকাবিলাকৰ দৰে গছত নবগাই ইহঁতৰ পুলি-পোখাবোৰে ডৰা ডৰাকৈ গভীৰ অৰণ্যভূমিয়ে ছাঁ পেলাই ৰখা সেমেকা মাটিত উৎপত্তি হোৱা দেখা যায়।

মোৱা আলু, ডায়োচকৰিয়া এচ্কুলেনটা ডায়োচকৰিয়েছি মোৱা আলু (অসমীয়া) আদা মোয়া আলু (বঙালী) পিণ্ড আলু, সুচনি আলু (হিন্দী)

(Moa Alu) Species—Dioscoria esculenta Family—Dioscoreaceae

মাটিৰ তলত কচুৰ আলুৰ নিচিনা অলপ ডাঙৰ আকাৰৰ দীঘলীয়া আলু ধাৰণ কৰা এবিধ লতা গোষ্ঠীৰ উদ্ভিদ। আলুৰ উপৰিভাগত থকা মুঢ়া এডোখৰ কাটি মাটিত গুজি ৰাখিলে তাৰ পৰা ওলাই লতাডালে বিকাশ লাভ কৰে। লগে লগে মাটিৰ তলত পোত খাই থকা আলুৰ মুঢ়াটো বাঢ়ি বাঢ়ি ডাঙৰ হয়। এজোপা ডাঙৰ গছৰ তলত গাঁত এটা খান্দি জাবৰ, তুঁহ আদিৰে গাঁতটো ভৰাই পেলোৱা হয়। তাত আলুৰ মুঢ়া পুতি ৰাখিলে ফচ্ফচীয়া মাটিত আলুটো বাঢ়িবলৈ সুবিধা হয়। লগে লগে লতাডাল গছজোপাৰ ওপৰলৈ বগাই গৈ টিকনি আগ পায়গৈ।

মাঘ বিহুৰ সময়ত লতাডালৰ গুৰি খান্দি আলুকেইটা বাহিৰ কৰা হয়। কেৰাহিত ছেৱা দি এই আলু খাব পাৰি। চীনা আলুতকৈ ইয়াক খাবলৈ ভাল লাগে। তেলত ভাজি আৰু তৰকাৰি বনায়ো ইয়াক খাব পাৰি।

পাতবোৰে পাণৰ নিচিনাকৈ গুৰিৰফালে পাক খাই থকাকৈ ঘূৰণীয়া আৰু আগৰফালে জোঙা ৰূপ ধাৰণ কৰে।

পাঁচপতীয়া আলু, ডায়োচকৰিয়া পেন্টাফাইলা ডায়োচ্কৰিয়া ট্ৰাইফাইলা ডায়োচ কৰিয়েছি

(Paspotia Alu) Species— Dioscorea pentaphylla Syn Dioscorea triphylla Family—Dioscoreaceae

এবিধ কাঠ আলু বা চীনা আলু ফৈদৰ লতা জাতীয় উদ্ভিদ। জাবৰ-জোঁথৰেৰে ওখ ভেটি নিৰ্মাণ কৰি এই জাতীয় কাঠ আলুৰ মুঢ়া ৰোপণ কৰি ৰাখিলে মাঘৰ বিহুৰ সময়ত ভেটি খান্দি আলু উলিওৱা হয়।

এইবিধ কাঠ আলু জাতীয় উদ্ভিদৰ আন এটা বৈশিষ্ট্য হ'ল এয়ে যে ইয়াৰ লতা ডাঙৰ গাঁঠিবোৰেও একপ্ৰকাৰ খাদ্যোপযোগী আলু ধাৰণ কৰে।

গঠীয়া আলু, ডায়োচকৰিয়া বুলবিফেৰা পৰিয়াল—ডায়োচ্‌কৰিয়েছি হলধা আলু (অসমীয়া) গঠীয়া আলু (অসমীয়া)
(Gothia Alu) Species – Dioscoria bulbifera Family—Dioscoreaceae

মোৱা আলু আৰু চীনা আলুৰ নিচিনাকৈ গছৰ ওপৰলৈ বগাই যাব পৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা তৃতীয় বিধ কাঠ আলু জাতীয় লতাক হলধা আলু বুলি কোৱা হয়। এইবিধ কাঠ আলুৰ বিশেষত্ব হ'ল এয়ে যে শিপাত আলুৰ উৎপন্ন হোৱাৰ উপৰিও লতাডালৰ গাঁঠিবিলাকত আলুগুটিৰ নিচিনা আৰু আলুগুটিতকৈও অলপ ডাঙৰ আকাৰৰ আলু ধৰে। এই আলুবিলাক লতাডালৰপৰা ছিঙি আনি চৰুত উখোৱাই, ছেৱা দি কিম্বা ভাজি বনাই খাব পাৰি। আলুবোৰৰ ভিতৰত থকা মঙহাল পদাৰ্থখিনিয়ে অলপ হালধীয়া বৰণ ধাৰণ কৰে।

সাৰুৱা ফচ্‌ফচীয়া মাটিত কিম্বা জাবৰ-জোঁথৰ পেলাই ভৰ্তি কৰা গাঁতত এইবিধ আলুৰ মুঢ়া লগাই দিব পাৰি। লতাডাল বগাবলৈ সাধাৰণতে হেদালি বনাই দিয়া হয়। হেদালিৰপৰা লাউ-কোমোৰাৰ দৰে আলুবোৰ ওলমি ওলমি বিকাশ লাভ কৰে। সেই আলু ছিঙি আনি ইচ্ছানুযায়ী তৈয়াৰ কৰি খাব পাৰি। পাতৰ আকাৰ আৰু আকৃতি মোৱাআলু কিম্বা চীনা আলুৰ পাতৰ দৰেই হয়।

চীনা আলু, ডায়চকৰিয়া স্পাইনোছা পৰিয়াল—ডায়চকৰিয়েছি চীনা আলু (অসমীয়া) কাঠ আলু (অসমীয়া)
(China Alu) Species— Dioscoria spinosa Family—Dioscoreaceae

মাটিৰ তলত ডাঙৰ আকাৰৰ আৰু দীঘলীয়া বিধৰ মঙহাল মূল বা আলু ধাৰণ কৰা আন এবিধ লতা জাতীয় উদ্ভিদ। মূলৰ উপৰিভাগ অলপ মেৰুটা-মেৰুটি হয়। ফচ্‌ফচীয়া মাটিত আলুৰ মুঢ়া বাঢ়ি বাঢ়ি কেতিয়াবা প্ৰকাণ্ড ৰূপ ধাৰণ কৰে। একোজোপা লতাই ধাৰণ কৰা মূল কেতিয়াবা ফেৰেঙনি মেলি কেবাডালো শাখা টেপুৰ উৎপত্তি হোৱা দেখা যায়। ফাগুন-চ'ত মাহত ইয়াৰ মুঢ়া ৰোপণ কৰা হয়। কোনো গছৰ তলত একোটা দ গাঁত কৰি তাত জাবৰ-জোঁথৰ, তুঁহ গুৰি আদি ভৰাই আলুৰ মুঢ়া লগাই দিয়া হয়। তেনে ব্যৱস্থা কৰিলে আলুৰ লতাডাল বাঢ়ি বাঢ়ি গছজোপাৰ ওপৰলৈ উঠাৰ লগে লগে মূলডাল বাঢ়িবলৈ আৰম্ভ কৰে। বছেৰেকৰ মূৰত বিশেষকৈ মাঘৰ বিহুত গাঁতটো খান্দি আলু বাহিৰ কৰা হয়।

চীনা আলু টুকুৰা-টুকুৰকৈ কাটি ডাঙৰ কেৰাহিত ছেৰা দিয়া হয়। কেৰাহিৰ তলত দলিৰ চপৰাৰ এখন ঢাকনি কৰি আৰু তাৰ ওপৰত বালি আদি দিয়া হয়। আলুৰ টুকুৰাবোৰ জাপ জাপকৈ বহুৱাই ওপৰত এখন কাপোৰ আৱৰণ দি পুনৰ বালিৰে ঢাকি ৰখাৰ ব্যৱস্থা কৰা হয়। কেৰাহিৰ তলত উমি উমি জুই বা আঙঠাৰ তাপ দিলে ভাপতে আলুৰ টুকুৰা সিদ্ধ হয়। সেইদৰে সিজোৱা আলু খাবলৈ তেলেতীয়া হয়। সাধাৰণ শ্ৰেণীৰ মানুহে তেনে ধৰণে তৈয়াৰ কৰা আলু খাই মাঘ বিহুৰ আনন্দ উপভোগ কৰে। চকলা-চকলকৈ কটা আলুৰ টুকুৰা তেলত ভাজি খৰতকীয়াভাৱে ভাতৰ লগত কিম্বা চাহ-জলপানৰ লগতো খাব পাৰি। তৰকাৰি হিছাপে এইবিধ আলু খোৱা হয়। মাঘৰ বিহুত খাবলগীয়া তিল পিঠা, ঘিলা পিঠা, চিৰা, সান্দহ , দৈ আদি উপাদেয় খাদ্য সামগ্ৰীৰ পৰিপূৰক হিছাপে আলু খোৱা হয়।

চীনা আলুৰ পাতবোৰে এক ৰকম পাণৰ আকৃতি ধাৰণ কৰে। লতাডাল গছৰ ওপৰলৈ বগাই যায় আৰু গাঁঠিয়ে গাঁঠিয়ে পাত কিম্বা শাখাঠাৰিৰ উৎপত্তি হয়।

কাঠ আলু, ডায়চকৰিয়া আলাটা পৰিয়াল ডায়চ্‌কৰিয়েছি কাঠ আলু (অসমীয়া) (ইংৰাজী)
(Kath Alu) Species – Dioscoria alata Family—Dioscoreaceae White Yam, Water Yam, Greater Yam

মাটিৰ তলত ডাঙৰ আকাৰৰ আলু ধাৰণ কৰা এবিধ আৰোহি লতা জাতীয় উদ্ভিদ। আমাৰ মানুহে অন্য জাতৰ কাঠ আলুৰ দৰে এইবিধ আলুও একোটা ওখ ভেটি তৈয়াৰ কৰি কাঠ আলুৰ গজালি ওলাব পৰা মুঢ়া কাটি লগাই দিয়া হয়। গাঁত আৰু ওখ টিপটো খেৰ, জাবৰ, তুহ আদিৰে ভৰাই পেলোৱা হয় যাতে আলুটো সহজে ডাঙৰ হৈ একোটা প্ৰকাণ্ড আলুত পৰিণত হ'ব পাৰে।

ভূমিচম্পা, কেম্পফেৰিয়া ৰটুণ্ডা পৰিয়াল— জিঞ্জিবাৰেছি ভূমিচম্পা (অসমীয়া) ভূমিচম্পা (বঙালী, হিন্দী)
(Bhumi Champa) Species— Kaempferia rotunda Family— Zingiberaceae

অলপ দ চানেকীয়া ঠাইত উৎপন্ন হোৱা এবিধ তৰা গছৰ নিচিনা উদ্ভিদ। এডলীয়াকে উৎপন্ন হোৱা ঠাৰিডালৰ পাবে পাতৰ ঠাৰিত একোখিলা পাতৰ উৎপন্ন হয়। পাতৰ ঠাৰিৰ আগভাগত বগা বৰণ সুগোন্ধী ফুল গুচ্ছৰ উৎপত্তি হয়। বহুতো চৌখিন মানুহে এইবিধ ফুল জাতীয় গছ ফুলনি বাৰীত অথবা চৌহদৰ কাষত আলংকাৰিক ফুলগছ হিছাপে লগাই ৰাখে।

এবিধ দ ঠাইত উৎপন্ন হোৱা দীঘলপতীয়া উদ্ভিদ। মাটিৰ তলত আদাৰ

তৰা, বগীতৰা, আলপাইনিয়া এলিওঘাছ জিঞ্জিবাৰেচি, তৰা (অসমীয়া) তৰা (বঙালী, হিন্দী) (ইংৰাজী)
(Tora or Wild Cardamon) Species—Alpinia allughas Family—Zingiberaceae Wild Cardamon

নিচিনাকৈ আলুৰ টেপু ধৰে। গছডাল কানা গছৰ দৰে কোমল আৰু ঠৰঙা হয়। দীঘল দীঘল পাতৰ ঠাৰিৰ গুৰিত কলগছৰ পটুৱাৰ দৰে বৌখাৰ উৎপত্তি হয়। এই বৌখাবোৰে গছডালক তৰপে তৰপে সাবটি ৰাখে। ফাগুন-চ'ত মাহত আমাৰ মানুহে বৌখাৰ বাকলিবোৰ গছৰপৰা বখলিয়াই আনি উলটা মুখীয়াকৈ গাঁঠি ৰ'দত শুকুৱায়। শুকান বৌখাবোৰ মৰাপাটৰ ৰচিৰ দৰে নোৰিয়াই নোৰিয়াই গাঠি পঘা তৈয়াৰ কৰা হয়। গৰু বিহুৰ দিনা গৰুৰ ডিঙিত তৰাৰ পঘা লগাই বন্ধা হয়। ইয়াৰ দ্বাৰা গো সম্পদক নৱ বস্ত্ৰ পৰিধানৰ সাৰ্থকতা সাব্যস্ত কৰা হয়।

বনৰীয়া হাতীয়ে তৰা গছৰ কোঁহবোৰ খাবলৈ ভাল পায়। ঘৰচীয়া হাতীক খুৱাবৰ বাবে মাউতে তৰা গছবোৰ হাতীৰ পিঠিত বোজা কৰি হাতীবন্ধা ঠাইলৈ আনে আৰু ৰাতি ৰাতি খুৱায়হি।

আদা, জিঞ্জিবাৰ অফিচিনেল জিঞ্জিবাৰেচি আদা (অসমীয়া) আদা (বঙালী) আদা (হিন্দী) (ইংৰাজী) চিংকু (ৰাভা) হাইজেং (বড়ো)
(Ada) Species—Zingiber officinale Zingiberaceae Ginger

কচু-আলুৰ দৰে মাটিৰ তলত উৎপন্ন হোৱা শিপাৰ মূলে মানুহৰ খাদ্য দ্ৰব্য যোগান ধৰিব পৰা উদ্ভিদৰ ভিতৰত আদাক অন্যতম বুলি গণ্য কৰিব পাৰি। হালধিৰ দৰে এইবিধ উদ্ভিদেও এক প্ৰকাৰৰ মছলা কৰিব পৰা খাদ্যদ্ৰব্যৰ যোগান ধৰে। আমাৰ মানুহে ভাতৰ লগত আদা চকলিয়াই খায়, মছলা হিছাপে থেতেলিয়াই তৰকাৰিত দিয়ে আৰু ৰস অলপ চাহৰ লগত মিহলি কৰি দি খায়। অসমীয়া হিন্দুসকলে ইষ্ট দেৱ-দেৱীৰ উদ্দেশ্যে উছৰ্গা কৰা প্ৰসাদৰ লগত আদা চকলিয়াই মিহলি কৰি দিয়ে। কাহ আদি সংক্ৰামক ৰোগৰপৰা নিৰাময় লাভ কৰিবৰ বাবেও আদাৰ ৰস ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়।

আদা গছৰ জোপাবোৰ দেখাত হালধি জাতীয় গছৰ জোপা যেন দেখি। দীঘল দীঘল কলপতীয়া পাতবোৰৰ ঠাৰিডালে কোমল গা-গছৰ গাঁঠিয়ে গাঁঠিয়ে সাবটি ধৰি থাকে। ফুলৰ থোপাবোৰে উজ্জ্বল ৰূপ ধাৰণ কৰা দেখা নাযায়। আদাৰ দুটা জাত আছে। এটা জাতক মৰাণ আদা আৰু আনটোক জাতি আদা বুলি কোৱা হয়।

আমাৰ মানুহে সাৰুৱা মাটি চহ কৰি আৰু ভেটি বনাই আদা ৰোপণ কৰে। ভূমি সংৰক্ষণ বিভাগে বনাঞ্চলবিলাকতো এইবিধ লাগতিয়াল উদ্ভিদ লগাই জনজাতীয় লোকসকলৰ মনোযোগ আকৰ্ষণ কৰি জুম খেতি বন্ধ কৰাৰ উপায় উদ্ভাৱন কৰিছে।

মৰাণ আদা, বন আদা, Moran Ada, Bon Ada Species—Zingiber cassumunar জিঞ্জিবাৰ কাছুমুনাৰ Family—Zingiberaceae জিঞ্জিবাৰেছি মৰাণ আদা, বন আদা (অসমীয়া)

ইতিপূৰ্বে স্থানান্তৰ আদা জাতীয় উদ্ভিদৰ বিষয়ে স্থানান্তৰত আলোচনা কৰি অহা হৈছে। এই নিবন্ধত উল্লেখ কৰা বিধ আদা আকাৰত অলপ সৰু হোৱা দেখা যায়। অন্যথাই এই দুয়ো প্ৰকাৰ আদাৰ মাজত বিশেষ পাৰ্থক্য থকা দেখা নাযায়। তৰকাৰি পাচলি তৈয়াৰ কৰোতে মছলাৰ দৰে এইবিধ উদ্ভিদৰ আলু সদৃশ মঙহাল শিপা গুচ্ছ ব্যৱহাৰ কৰা হয়।

জংগলী আদা, জিজিবাৰ জেৰুম্বেট জিঞ্জিবাৰেছি জংগলী আদা, ৰামশৰ অসমীয়া, জংলী আদা (বঙালী) (Wild Ginger) Species—Zingiber zerumbet Family—Zingiberaceae (Arrow of Rama)

এবিধ কোমল ঠাৰি থকা বনৰীয়া উদ্ভিদ। বহুতো গাঁওবাসী মানুহে মছলাৰ দৰে ইয়াক পটাত বাটি ব্যৱহাৰ কৰে। কেৰে কেৰে কাঁহ আদি ৰোগ নিৰাময়ৰ বাবে ঔষধ হিছাপেও ব্যৱহাৰ কৰে। উজনি আৰু নামনি অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

আঞ্জাত দি মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা এবিধ খোৱাৰ উপযোগী সামগ্ৰী যোগান ধৰিব পৰা লাগতিয়াল বনগছ। ইয়াৰ পাতবোৰ ধপলা-ধপল হয়। আমাৰ মানুহে শাকনি বাৰীত মাটি চহ কৰি এইবিধ ফচল উৎপাদন কৰে। মাটিৰ তলত উৎপন্ন হোৱা মূলৰ গুৰিভাগ মাটিত গুজি গুজি এইবিধ ফচলৰ বংশবৃদ্ধি কৰা হয়।

হালধি, কিউকাৰমা ডমেষ্টিকা কিউকাৰমা লঙ্গা পৰিয়াল— জিঞ্জিবাৰেছি, হালধি (অসমীয়া) হল দে, হালুদ (বঙালী) হালদি (হিন্দী) (ইংৰাজী) (Halodhi) Species—Cucurma domestica Syn. Cucurma longa Family—Zingiberaceae Cammon Turmeric

হালধি গছৰ ঠাৰিবোৰ পোখাৰ আকাৰে মাটিত গুজি দিয়া মুঢ়াৰপৰা গজালি মেলি ওলাই আছে। ইয়াৰ চৌপাশে পাতৰ ঠাৰিবোৰে বিকাশ লাভ কৰে। ঠাৰিৰ উপৰিভাগত উৎপন্ন হোৱা পাতবোৰ খৰালি মহীয়া মৰি যায়। মানুহে তেতিয়া শিপাত ধৰা মূলখিনি মহীয়া মৰি যায়। মানুহে তেতিয়া শিপাত ধৰা মূলখিনি উঠাই আনি ৰ'দত শুকাবলৈ দিয়ে। তাৰ পাছত পানীত উখুৱাই পুনৰ ৰ'দত দিয়ে আৰু শুকান মূলবোৰ গুৰি কৰি হালধি গুৰি তৈয়াৰ কৰে। হালধিৰ গুৰি (ৰং গুৰা) নিদিলে তৰকাৰিৰ সোৱাদ নোলায়। সেইবাবে এইবিধ উদ্ভিদৰ অৰ্থনৈতিক আৰু ব্যৱহাৰিক মূল্য অত্যন্ত বেছি।

কেতুৰি হালধি, (১) : কাৰকোমা ৰুবিছেঞ্চ (ঈশৎ হালধীয়া বৰণৰ আলু ধাৰণ কৰে) (২) কাৰকোমা কেছিয়া। (ক'লা আলু ধৰে) (৩) কাৰকোমা লেন্‌কোৰাইজা (বগা আলু ধৰে) পৰিয়াল—জিঞ্জিবাৰেচি (Wild Turmeric) Species —Curcuma rubescens Curcuma caesia Curcuma lenchorrhiza : Family—Zingiberaceae

অসমৰ বিভিন্ন ঠাইত থকা বনভূমি আৰু মুকলিমূৰীয়া বাম পথাৰ কিছুমানত বনৰীয়া জাতৰ কিছুমান হালধি গোষ্ঠীৰ উদ্ভিদে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। সাধাৰণতে নামনি অসমৰ বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি বেছি। উজনি অসমৰ কোনো কোনো গৃহস্থই দুই -চাৰিজোপা কেতুৰি হালধি বাৰীত লগাই ৰাখি বহাগৰ বিহুত গৰু গা ধুৱাওঁতে ব্যৱহাৰ কৰে।

ওপৰত নাম উল্লেখ কৰা অনুযায়ী বনৰীয়াকৈ উৎপত্তি হোৱা হালধিৰ তিনিটা জাত থকা দেখা যায়। থাউকতে সিহঁতক কেতুৰি হালধি বুলি কোৱা হয়। বনগছডালে কলপাতৰ আৰ্হিৰ দীঘলীয়াকৈ বহল চানেকীয়া পাত ধাৰণ কৰে। পাতৰ বৰণ সেউজীয়া যদিও ক'লা আলু ধৰা বিধ হালধিয়ে ধাৰণ কৰা পাতৰ ঠাৰিৰ হেজে হেজে কলা পাৰিৰ উৎপত্তি হোৱা দেখা যায়। জাৰকালি গছবোৰ মৰি যায় আৰু বসন্ত কালত শিপাৰ মূলৰপৰা বিতোপন পুষ্প ধাৰণ কৰা ঠুৰিবোৰ মাটিৰ তলৰপৰা ওলাই ওলাই আহি বিতোপন ৰূপ ধাৰণ কৰে।

কৰ্ফুল, পৰিয়াল চিটা মিনেছিকৰ্ফুল (অসমীয়া)
(Korphul) Species—Zingiber Spp. Family—Scitominaceae

এবিধ তৰা জাতীয় বনৰীয়া উদ্ভিদ। অলপ দ চানেকীয়া ইয়াৰ উৎপত্তি হয়। বহল আৰু দীঘল দীঘল পাতবোৰে তৰাৰ পাতৰ ৰূপ ধাৰণ কৰে। কোমল আৰু ঠৰঙা বিধৰ গছডাল পাতৰ বাকলিৰ বৌখাৰ দ্বাৰা আবৃত হৈ থাকে। তৰাপাতৰ নিচিনা পাতবোৰে সেউজীয়া ৰূপ ধাৰণ কৰে।

শিপাত হালধি-আদা আদি বনগছৰ দৰে টেঁপুৰ বিকাশ সাধন হয়। আমাৰ মানুহে এই শিপাৰ মূল কাটি আনি তামোলৰ লগত খায়।

স্বৰ্ণকান্তি ফুল, প্ৰজাতি—চিজালপিনিয়া পলচেৰিমা বিকল্পে পইনচিয়ানা পলচেৰিমা পৰিয়াল—লেগুমিনেছি বন্ন গন্ধী, কৃষ্ণ চূড়া (সংস্কৃত) স্বৰ্ণ কান্তি (অসমীয়া) কৃষ্ণ চূড়া (বঙালী)

বিতোপন দেখনিয়াৰ ফুল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ ফুল জাতীয় উদ্ভিদ। ফুলবোৰে বগা চানেকীয়া ৰূপ ধাৰণ কৰে। পুংকেশৰৰ পাহিবোৰ ৰং চঙীয়া বৰণৰ দীঘল আকৃতি প্ৰদৰ্শন কৰে।

কৃষ্ণ চুড়া, গুলি তোৰা (হিন্দী) (ইংৰাজী)
(Swarna Kanti) Species – Caesalpinia pulchernima Syn. Poinciana pulcherrima Family—Leguminaceae Peacock Flower, Dwarf Golmohar

অসমৰ বহুতো পুষ্পপ্ৰেমী ব্যক্তিয়ে ফুলনি বাৰীৰ দাঁতি-কাষৰীয়া ঠাইত অথবা বেৰাৰ কাষত এই জাতৰ দুই-চাৰি জোপা গছ লগাই ৰখা দেখা যায়।

এবিধ ঘূৰণীয়া আকাৰৰ সৰু সৰু পাত ধাৰণ কৰা এক প্ৰকাৰৰ আলংকাৰিক জোপোহা গছ। ইয়াৰ পাতবোৰ পটাত বটি এক প্ৰকাৰৰ ৰসযুক্ত সামগ্ৰী তৈয়াৰ কৰা হয়। হাত আৰু ভৰিৰ নখ, হাতৰ তলুৱা ভৰিৰ তলুৱা আদিত বান্ধি ৰাখিলে ৰহণ লগোৱা হয়। সাধাৰণতে বহাগৰ বিহুৰ সময়ত আমাৰ মানুহে এই জেতুকাৰ ৰং হাত-ভৰিত লগায়।

জেতুকা, লাওচনিয়া আলবা লাওচনিয়া ইন্টাৰমিছ পৰিয়াল—লিথ্ৰেছি জেতুকা (অসমীয়া) বেণ্ডী (বঙালী) হেন্না, মেহেন্দি (হিন্দী) (ইংৰাজী)
(Jetuka Henna Plant) Species—Lawsonia alba Syn.—Lawsonia intermis Family—Lythaceae The Henna Plant

চোৰাত, লেপৰটিয়া ক্ৰেনোলেটা পৰিয়াল—আৰ্টিকেছি টাৰ্মেপি—আৰং (কাৰ্বি) ফাজি (মিচিং) গিল্মাট্ জক্মা (আছিক) বাপ কাংছাম (কাৰবি) ফান্ (তাই-আহোম) চোৰাত (অসমীয়া) (ইংৰাজী)
(Nettle) Species – Laportea crenulata Family—Lythaceae Nettle

ধপলা-ধপল পাত ধাৰণ কৰা এবিধ কোমল বিধৰ জোপোহা গছ। ডাঙৰ ডাঙৰ গছ-গছনিৰ তলত থকা চেঁচুকীয়া ঠাইত একেলগে সৰহীয়াকৈ কিম্বা নিলগা-নিলগিকৈ একোডোখৰ সেউজীয়া হাবিত থাউকতে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। নতুনকৈ উৎপত্তি হোৱা কুমলীয়া ঠাল-ঠেঙুলি আৰু পাতৰ উপৰিভাগত চুটি চুটি শুঙে বিকাশ লাভ কৰে। এই পাত বা ঠাৰি গাত লাগিলে খজুৱটিত গা ৰাইজাঁই কৰে। ইয়াৰ বদ্‌গুণ বহুত পৰলৈকে থাকি যায় আৰু আক্ৰান্ত মানুহজনে অশান্তিত কটাব লগা হয়। ডাঠ চানেকীয়া কোমল পাতৰ গুৰিভাগে ঘূৰণীয়াকৈ ঠাৰিৰফালে চাপ খোৱাৰ আকৃতি প্ৰদৰ্শন কৰে আৰু আগৰফালে ক্ৰমে চিয়াঁ হৈ অৱশেষত জোঙা হয়। পাতৰ উপৰিভাগত বিকশিত হোৱা শুঙবিলাক চুটি চুটি হোৱাৰ বাবে খালি চকুৰে সিহঁতক মনিব নোৱাৰি।

অণুবিক্ষণ যন্ত্ৰৰ সহায়তহে সিহঁতৰ অস্তিত্ব উপলব্ধি কৰিব পাৰি। এই শুং বিলাকে এক প্ৰকাৰৰ বিষাক্ত পদাৰ্থ ধাৰণ কৰে। সেই পদাৰ্থ গাত লাগিলে খজুৱতি

আৰু পুৰণিৰ উৎপত্তি হয়। ইয়াক গছডালৰ আত্ম ৰক্ষামূলক বিচিত্ৰ আহিলা বুলি গণ্য কৰিব পাৰি।

জাৰকালি ফুল ফুলে। বৰণত ফুলবোৰ বগা চানেকীয়া হয়। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই সৰু সৰু ফলবোৰ বগা আৰু কোমলকৈ মঙহাল হয়।

হাতী চোৰাত, প্ৰজাতি লেপৰটিয়া টেৰোষ্টিগ্‌মা পৰিয়াল আৰ্‌টি-কেছি হাতী চোৰাত (অসমীয়া) (ইংৰাজী)

(Hati Chorat) Species—Leportea pterostigma Family—Urticaceae Elephant nettle

এবিধ মজলীয়া বিধৰ চিৰহৰিৎ উদ্ভিদ। পাতৰ আকাৰ ডাঙৰ হয়। পাতৰ উপৰিভাগত উৎপত্তি হোৱা শুং গাত লাগিলে অসম্ভৱ ধৰণে বেজ-বেজাবলৈ ধৰে। এই বেজবেজনি কেবা দিনলৈ থাকি মানুহজনক অশান্তি কৰি মাৰে। হাবি-বনানীৰ কোনো কোনো চেঁচুকীয়া ঠাইত ইয়াক সাধাৰণতে দেখিবলৈ পোৱা যায়।

অসমৰ প্ৰায়বিলাক বনভূমিৰ মাজত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

সৰু চোৰাত, প্ৰজাতি—জিৰাৰ দিনিয়া জেইলনিকা পৰিয়াল—আৰটিকেছি চোটা সৰু চোৰাত (অসমীয়া) চোৰে পাটিয়া (বঙালী) বিষ্‌মা চিক্ৰি (হিন্দী) (ইংৰাজী)

(Horu Chorat) Species—Girardinia Zeylonica Family—Urticaceae Common nettle

ই বহল পাত ধাৰণ কৰা জোপোহা গছ। পাত আৰু ঠাৰিবোৰে এক প্ৰকাৰৰ বিষযুক্ত শুং ধাৰণ কৰে। এই পাত বা ঠাৰি গাত লাগিলে খজুৱতিৰ বিজবিজনি কেবাদিনো আক্ৰান্ত মানুহজনক অশান্তিত ৰাখে।

যম লাখুটি, (Jam Lakhuti) Species—Costus speciosus কচ্‌টচ্‌ স্পেচিয়োচাচ Family—Zingiberaceae

দ-চানেকীয়া ঠাইত উৎপতি হোৱা এবিধ তৰাৰ নিচিনা উদ্ভিদ। মাটিৰ তলত থকা শিপাৰ উপৰিভাগত আদা বা হালধিৰ নিচিনা টেপুৰ উৎপত্তি হয়। গা-গছজোপা এডলীয়া হয় আৰু একেটা মুঢ়াৰপৰা কেবাজোপা গছৰ উৎপত্তি হয়। গা-গছডাল মঙহাল হোৱা দেখা যায়। এই গা-গছৰ উপৰিভাগত পাতল চানেকীয়া গাঠিবিলাকে বিকাশ লাভ কৰি থাকে। পাতৰ ঠাৰিৰ গুৰিত উৎপত্তি হোৱা বৌখাবোৰ সৰি সৰি পৰিলে গাঁঠিৰ উৎপত্তি হয়।

পাতৰ আকৃতি অলপ দীঘল চানেকীয়া হয়। গুৰিৰ ফালে বহল আৰু আগৰ ফালে ক্ৰমে সৰু হৈ পাতবোৰে এক ৰকমৰ দীঘলীয়া ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে।

পাতৰ বৰণ গভীৰ সেউজীয়া হয় আৰু ইয়াৰ উপৰিভাগে মিহি আকৃতি ধাৰণ কৰে। অলপ ডাঠ চানেকীয়া পাতৰ কিনাৰত কোনো খাঁজ কটা দাগ নাথাকে।

এইবিধ উদ্ভিদৰ শিপাৰ আলু ঔষধত ব্যৱহাৰ কৰা হয়।

পান্থতৰু, পৰিয়াল—জিঞ্জিবাৰেছি পান্থ তৰু, পান্থ পাদপ (অসমীয়া) (ইংৰাজী)
(Pantho Toru Traveller's Tree)
Species—Ravenala madagascaresis
Travellers tree

কল গছৰ নিচিনা ৰূপ ধাৰণ কৰা এবিধ বিদেশী গছ। অতীজতে এইবিধ গছ মদাগাস্কাৰ দ্বীপত বিকাশ লাভ কৰি আছিল বুলি জনা যায়। আজিকালি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত থকা প্ৰমোদ্যানবিলাকত ইয়াক দেখিবলৈ পোৱা যায়। গছজোপাই বিচিত্ৰ চাৰিত্ৰিক আৰু মনোমোহা গুণ প্ৰদৰ্শন কৰিব পৰাৰ বাবে ইয়াৰ সঁচ কোনোবাই কেতিয়াবা আমাৰ দেশলৈ আনি ৰোপণ কৰিছিল। আজিকালি ইয়াক ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

গছজোপাৰ গুৰিত আলুসদৃশ দীঘলীয়া ঘাই শিপাই বিকাশ লাভ কৰি থাকে। এই ঘাইশিপাৰপৰা ওলাই অহা ক্ষুদ্ৰশিপাবোৰে গছজোপাক মাটিত খামোচ মাৰি ধৰি ৰাখে। গা-গছৰপৰা ওলাই অহা পাতৰ ঠাৰিবোৰে চেপেটা ৰূপ ধাৰণ কৰে। ঠিক সেইদৰে পাতবোৰেই একে সমতলত ওপৰমুৱা হয়। পাতৰ আকৃতি কলপাতৰ নিচিনা হ'লেও অলপ ডাঠ চানেকীয়া হয়।

চীনা বাদাম, পৰিয়াল—আৰাকিচ হাইপোজিয়া পৰিয়াল—লেওমিনেছি।
চীনা বাদাম (অসমীয়া) চীনা বাদাম (বঙালী) মুংফলি (হিন্দী) গ্ৰাউণ্ড নট (ইংৰাজী) পি নট (ইংৰাজী) মংকি নট (ইংৰাজী)
(China Badam) (Ground Nut)
Species—Arachis hypogea Family—Lesuminaceae

এবিধ বছেৰেকীয়া আয়ুসৰ মাটিত উৎপন্ন হোৱা উদ্ভিদ। উদ্ভিদজোপাৰ শিপাৰ আগভাগে এক প্ৰকাৰৰ কঠিন বাকলি ধাৰণ কৰা ফল ধাৰণ কৰে। এই ফল মাটিৰ তলত উৎপত্তি হয়। গুটিবিলাক বাকলিসহ কেৰাহিত ভাজি, পানীত উতলাই নিমখ মিহলাই খাব পাৰি। মছলা মিহলাই তৈয়াৰ কৰা গুটিবোৰ টিনৰ পাত্ৰত অথবা বটলত ভৰাই বিক্ৰী কৰা হয়। পি নট আইচ ক্ৰিম, পি নট মিল্ক আদি উপাদেয় খাদ্য দ্ৰব্য প্ৰস্তুত কৰি বজাৰত বিক্ৰী কৰা হয়। অসমত এইবিধ খাদ্যশস্যৰ উৎপত্তি সামান্য।

খৰালি মহীয়া পথাৰত কিম্বা মুকলিমুৱীয়া বাম ঠাইবিলাকত এনেয়ে উৎপত্তি

আগৰা, ট্ৰাইয়োমফেটা ৰমবই দিয়া টিলিয়েছি

(Agora) Species—Triumfetta rhomboidea Tiliaceae

হোৱা এবিধ বন গছ। ইয়াৰ ফলবোৰৰ উপৰিভাগত হাকোটাৰ নিচিনা চুটি চুটি কাঁইটৰ উৎপত্তি হয়। কাপোৰত এই গুটি বা ফলবোৰ লাগিলে সহজে এৰাই নাহে। বনগছডালে গুৰি ভাগৰপৰা ঠাল-ঠেঙুলি ধৰে।

পাতৰ আকৃতি তিনি ফেৰেঙনীয়া হয়। এই পাতে এক ৰকমৰ কলডিলীয়া আকৃতি ধাৰণ কৰে। আগৰফালে দাঁতি অঞ্চলত খাঁজ কটা দাগৰ উৎপত্তি হয় আৰু গুৰিফালে পাতখিলাই কম-বেছি পৰিমাণে গোল আকৃতি প্ৰদৰ্শন কৰে।

দ্বিতীয় খণ্ড দ্বিতীয় ভাগ

মানুহ কটা ফুল, হোল্মচাকৰলদিয়া চেঙ্গোইনিয়া।
পৰিয়াল—ভাৰবিনেছি। হোৰমুলি আৰনামামিৰ, লং-ই-আৰং (কাৰ্বি) মিছি-নাছিল (গাৰো) খেমজোতা ফাং (কছাৰী) দিয়েং-স্কৰ-খানাই (খাচিয়া)
Manuh Kota Phul, Species–Holmskoldia sangunea Family–Verbenaceae

দীঘল চানেকীয়া আৰু চনকা ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ বনৰীয়া জোপোহা গছ। দীঘল দীঘল ঠাল-ঠেঙুলিবোৰ কেতিয়াবা কেতিয়াবা নিজৰ ওপৰত নিৰ্ভৰ কৰি ভালেখিনি ওপৰলৈ উঠি উঠি যায় আৰু ওপৰত আশ্ৰয় নাপালে তলৰফালে ওলমি পৰে। ওখ আৰু মজলীয়া আকাৰৰ গছৰ আশ্ৰয় পালে ওপৰলৈ উঠি উঠি গৈ থাকে। আৰু সেই গছজোপাৰ ডাল-পাতবোৰ মেৰিয়াই ধৰেগৈ। এই বিধ ফুল জাতীয় লতাৰ ফুলবোৰ সৰু হ'লেও ফুলৰ গুৰিভাগত উৎপত্তি হোৱা চুপহিডাল দেখাত বৰ ধুনীয়া হয়। দেখাত এই চুপহিডাল এটা জাপি বা টুপিৰ নিচিনা হয়। সেইবাবে বহুতো মানুহে এইবিধ লতাক "চাইনীজ হেট্" বুলি কয়। চুপহিৰ বৰণ সাধাৰণতে ৰঙা হয়। কেতিয়াবা কেতিয়াবা হালধীয়া ৰঙৰ চুপহি দেখিবলৈ পোৱা যায়। হাবিৰ মাজত ফুল ফুলি থাকিলে এইবিধ লতা বৰ আকৰ্ষণীয় হৈ পৰে। মানুহে বাৰীত লগালে বাগানবিলাকৰ দৰে ৰমক-জমক্কৈ জিলিকি থাকে।

সৰ্পগন্ধী, চান্সিভেৰিয়া ট্ৰাই ফেচিয়েটা পৰিয়াল—লিলিয়েছি (ইংৰাজী)
(Sarpa Gandhi) Species–Sansevieria trifasciata Family–Liliaceae Snake plant, Mother-in-law's tongue

শন গোষ্ঠীৰ তৃতীয়া বিধ ক্ষুদ্ৰাকৃতিৰ মঙহাল উদ্ভিদৰ দীঘল ঠেঙীয়া শন বুলি ক'ব পৰা যায়। ইয়াৰো কোনো ধৰণৰ গা-গছ বা ঠাল-ঠেঙুলি নাথাকে। পাতবিলাকৰ আকৃতি গোটা আৰু সেউজ-বুলীয়া হয় আৰু ইয়াৰ উপৰিভাগত সামান্য ধৰণে বগা চানেকীয়া চকলা-চকল দাগে বিকাশ লাভ কৰা দেখিবলৈ পোৱা যায়।

গুৰিত থকা শিপাৰ মূলৰপৰা এই দীঘল দীঘল পাতবিলাক ওলাই আহি গছডালে বিচিত্ৰ ৰূপ প্ৰদৰ্শন কৰে। সেইবাবে আলঙ্কাৰিক উদ্ভিদ হিছাপে এইবিধ বনগছো শাৰী

শাৰীকৈ কোনো কোনো মানুহে উদ্যানত লগাই ৰাখে। আন কিছুমান মানুহে মাটিৰ চৰু বা গামলাত লগাই ঘৰৰ বাৰাণ্ডা বা অন্যান্য ঠাইত পৰিপাটিকৈ সজাই থয়।

শিপাৰপৰা নতুন নতুন পোখা ওলায়। এই পোখা ডাঙৰ হ'লে নতুন বনগছৰ উৎপত্তি হয়। শিপাৰ গুৰিত ফুলৰ দীঘল দীঘল ঠাৰি ধৰে। সেই ঠাৰিত সিবিলাক সৰু সৰু শেঁতা বৰণৰ ফুল হয় সেইবোৰ ফুল সিমান আকৰ্ষণীয় বুলি ক'ব নোৱাৰি।

ইষ্টাৰ লিলি, লিলিয়াম লংগিফ্ৰৰাম লিলিয়েছি পৰিয়াল ইষ্টাৰ লিলি (অসমীয়া) (ইংৰাজী) (Easter Lily) Species–Lilium longiflorum Family–Liliaceae -Easte Lily

এবিধ সৰু আকাৰ লিলি গোষ্ঠীৰ ফুল জাতীয় উদ্ভিদ। মাটিৰ তলত পিঁয়াজৰ নিচিনা মণ্ডহাল আলু বা মূলৰ উৎপত্তি হয়। প্ৰত্যেকটো আলুৰপৰা একোডাল মণ্ডহাল আৰু অলপ টান ধৰণৰ সেউজীয়া ঠাৰি ওলাই আহে। এই ঠাৰিৰ আগভাগবোৰ দীঘলীয়া বিধৰ পাত হয়। দীঘলীয়া আৰু সেউজীয়া বৰণৰ পাতবোৰ দীঘলীয়া হ'লেও এক ৰকমৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে।

মূল ঠাৰিডালৰপৰা ফুল ধাৰণ কৰা দীঘলীয়া ঠাৰি ওলাই আহে। এই ঠাৰিৰ আগত ডাঙৰ আকাৰৰ বগা বগা ফুল ফুলে। ফুলবোৰে ধতুৰা ফুলৰ আকৃতি প্ৰদৰ্শন কৰে। বসন্ত কালত ফুলৰ উৎপত্তি হয়। ফুল ফুলাৰ পাছত গছবোৰ মৰি মৰি যায়। পৰৱৰ্তী বছৰত আলুৰপৰা নতুন নতুন পুলিৰ আৱিৰ্ভাৱ হয়।

দীঘলীয়া বা ঘূৰণীয়া আকৃতিৰ ভেটিত শাৰী শাৰীকৈ কিম্বা আন প্ৰকাৰে আলুবোৰ ৰুই ৰুই দিলে সময়ত বগা বগা ফুলেৰে উপচি পৰিলে বিতোপন ৰূপ ধাৰণ কৰে।

গ্লোৰি লিলি, গ্লোৰিওছা চুপাৰবা লিলিয়েছি পৰিয়াল গ্লোৰি লিলি (অসমীয়া-আন্তৰ্জাতিক) (ইং) (Glory Lily) Species–Gloriosa superba Family–Liliaceae Glory Lily

অনুপম পুষ্প ধাৰণ কৰা লিলি গোষ্ঠীৰ এবিধ বিচিত্ৰ বনৰীয়া উদ্ভিদ। বনগছডালে লতাৰ দৰে আন আন জোপোহা গছৰ ওপৰৰ ফালে বগাই উঠাৰ চাৰিত্ৰিক প্ৰকৃতি প্ৰদৰ্শন কৰে। খৰালি মহীয়া ফুল ফুলে আৰু বৰ্ষাকালত বনগছডাল মৰি চিনচাব নাইকিয়া হৈ পৰে। মাটিৰ তলত পোত খাই থকা দীঘলীয়া আলুৰপৰা পৰৱৰ্তী বছৰত নতুন নতুন পুলি-পোখা ওলায়।

সেউজ-বুলীয়া ঠাৰিডালে গোল চানেকীয়া ৰূপ ধাৰণ কৰে। গাঁঠিয়ে গাঁঠিয়ে পাত ধৰে। পাতৰ আকৃতি অলপ দীঘল চানেকীয়া হয়। ফুলৰ বৰণ গুলপীয়া কিম্বা

ৰঙা চানেকীয়া হয়। চুপহিৰ ওপৰ ভাগৰপৰা দীঘল দীঘল ৰঙচীয়া পাহিৰ আৱিৰ্ভাৱ হয়। এই পাহিবোৰে একা-বেঁকাকৈ বিচিত্ৰ ৰূপ প্ৰদৰ্শন কৰে। পাহিবিলাক ওপৰমুৱা নহৈ তলৰ ফালে ভাঁজ খাই থকাৰ আকৃতি ধাৰণ কৰে। পাহিবোৰৰ ওপৰৰ ফালে পাঁচডালকৈ পুং-কেশৰৰ ঠাৰি উৎপন্ন হয়। শীৰ্ষ স্থানত গৰ্ভকেশৰে বিকাশ লাভ কৰে।

এন্থোৰিয়াম, এন্থোৰিয়াম এন্দ্ৰিয়েনাম পৰিয়াল—এৰেছি
(Anthurium, Flaming Flower)
Species–Anthurium andreanum
Family–Araceae

কচু জাতীয় উদ্ভিদৰ নিচিনা পাত আৰু ঠাৰি ধাৰণ কৰা এবিধ বিদেশী আলঙ্কাৰিক উদ্ভিদ। নাৰ্চাৰিবিলাকত এইবিধ বিচিত্ৰ উদ্ভিদৰ পুলি কিম্বা গামলাত লগাই ৰখা অলপ পূৰঠ গছ কিনিবলৈ পোৱা যায়। উদ্ভিদ শ্ৰেণী উৎসাহী ব্যক্তিৰ কোনো কোনো লোকে এইবিধ বনগছৰ পুলি আহৰণ কৰি আনি আলফুলকৈ গামলাত লগাই ৰাখে। কোনো কোনোৱে ব্যৱসায়িক ভিত্তিত সৰহীয়াকৈ লগাই ৰাখি আৰ্থিকভাৱে উপকৃত হোৱাৰ প্ৰয়াস কৰে।

মাটিৰ তলত উৎপন্ন হোৱা ঘাই শিপাৰপৰা নতুন নতুন পুলিয়ে-পোখা মেলে। এই পুলিবোৰ কালক্ৰমত একেলগে ডাঙৰ হৈ বিকাশ লাভ কৰিলে একোজোপা বিতোপন জোপোহা গছলৈ ৰূপান্তৰ হয়। ঘাই গছৰ ঠাৰিডাল শুকান পাতৰ মৰহি যোৱা ঠাৰি আৰু বায়বীয় সূক্ষ্ম শিপাৰ ঠাৰিবোৰে আৱৰি ৰখাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতৰ দীঘল দীঘল ঠাৰিবোৰ কচুগছৰ ঠাৰিৰ দৰে কোমল আৰু সোপোকা নহৈ কঠিন হোৱা দেখা যায়। পাতৰ ঠাৰিৰ উপৰি ভাগ সেউজীয়া হয় আৰু এই চেকনি সদৃশ ঠাৰিবোৰৰ আগভাগত মিহি বিধৰ সেউজীয়া পাতে বিকাশ লাভ কৰে। পাতবোৰ পাতলীয়া হ'লেও কঠিন হয়। গছডালৰ গুৰিৰপৰা ওলাই অহা পুষ্পনলীৰ অগ্ৰভাগবোৰত কচুকলা সদৃশ গুলপীয়া পুষ্পৰ বিকাশ সাধন হয়। ত্ৰিকোণীয়া পুষ্পাধাৰ আৰু পুষ্পগুচ্ছৰ দীঘলীয়া নলাৰ সংযোগে গুলপীয়া বৰণৰ অপূৰ্বসুন্দৰ ৰূপৰ পোহাৰ মেলে।

শ্যামা কচু,
(Syama Kachu, Arrowhead arum)
Species – Sagitarus sagittifolia
Family – Alismataceae

বাৰিষা বতৰত শাকনি বাৰীত কিম্বা অন্যান্য আওহতীয়া ঠাইত এবিধ বহুমুখী পাত ধাৰণ কৰা কচু জাতীয় উদ্ভিদৰ আৱিৰ্ভাৱ পৰিলক্ষিত হয়। মাটিৰ তলত উৎপন্ন হোৱা বহুমুখী কচুটোৰ মূৰৰপৰা এডলীয়া ঠাৰিৰ পাতবিলাক ওলাই আহি সাইলাখ একোজোপা ওল কচুৰ নিচিনা ৰূপ ধাৰণ কৰে। খৰালিমহীয়া কচু গছজোপাৰ ঠাৰি আৰু পাতবোৰ মৰহি শেষত মৰি যায়। তেতিয়া মাটিৰ তলত

থকা আলুটোৰপৰা ওলাই অহা একোডাল নলাৰ ওপৰ ভাগত তামোল গছৰ পতুৱাৰ নিচিনা আৱৰণ থকা ফুল ফুলে। চুপহিৰ এই আৱৰণ দেখাত আকৰ্ষণীয় হৈ পৰে। এনে ফুলক আমাৰ মানুহে কচু কলা বুলি কয়। শ্যামা কচুৰ ঠাৰি কিম্বা কচু-টেপু খোৱাৰ উপযুক্ত বুলি গণ্য কৰা নহয়।

বৰপুণি পিস্তিয়া, ষ্ট্ৰাটিওটিছ পৰিয়াল—এৰেছি
বৰপুণি (অসমীয়া) টাকাপানা (বঙালী) (ইংৰাজী)
(Borpuni) Species – Pistia stratiotis
Family–Araceae Water Lettus

পানীত উপঙি থকা এবিধ ক্ষুদ্ৰ আকাৰৰ বিচিত্ৰ উদ্ভিদ। পানীৰ তললৈ ওলমি থকা বিধৰ সৰু সৰু শিপাৰ গুচ্ছই বিকাশ লাভ কৰি থাকে। শিপাৰ মুঢ়াৰপৰা টুবুকা-টুবুক পাতৰ উৎপত্তি হৈ মেল খাই থকা বন্ধাকবি একোটাৰ আকৃতি ধাৰণ কৰে। পাতবিলাক কোমল আৰু আগভাগ কম-বেছি পৰিমাণে ঘূৰণীয়া হয়। গুৰিৰফালে ক্ৰমে সৰু আকৃতি ধাৰণ কৰি ঠাৰিৰ লগত পাতখিলা লগ লাগেহি।

মুঢ়াৰ চাৰিওফালে নতুন নতুন পোখাৰ আৱিৰ্ভাৱ হয়। এই পোখাবোৰৰপৰা উৎপত্তি হোৱা পুলিবোৰ লহপহকৈ বাঢ়ি একোটা পুখুৰী, একোখন বিল বা কোনো পানীৰ সোঁত নবলা খাল-ডোঙৰ উপৰিভাগ ঢাকি পেলায়।

এইবিধ বিচিত্ৰ উদ্ভিদক বিশেষ কোনো আৱশ্যকীয় কামত লগোৱা দেখা নাযায়। মাগুৰ, কাৱৈ, গৰৈ আদি মাছে প্ৰখৰ ৰ'দত ইয়াৰ শিপাৰ তলত আশ্ৰয় লয়। সিহঁতে হয়তো এই শিপাবোৰৰ মাজত খাদ্য সামগ্ৰীও বিচাৰি পায়।

অঁকাবিকা, এন্থোৰিয়াম, এন্থোৰিয়ম ক্ৰিষ্টেলিনম্ এৰেছি
(Beautiful Anthurium) Species– Anthurium crystafolinum Family– Araceae

এবিধ বিতোপন আকৃতিৰ পাত ধাৰণ কৰা বনগছ জাতীয় বিজাতীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান পেৰু বুলি জনা যায়। উদ্ভিদপ্ৰেমী লোকসকলে নাৰ্চাৰিবিলাকৰপৰা ইয়াৰ সঁচ আনি মাটিৰ চৰু বা গামলাত আলফুলকৈ লগাই ৰাখে। আলঙ্কাৰিক পাত (ornamental foliage) ধাৰণ কৰা উদ্ভিদ সংগ্ৰাহকসকলে অতি যত্নেৰে এবিধ বিচিত্ৰ পাত ধাৰণ কৰা উদ্ভিদ সংযোগ কৰিবলৈ ইচ্ছা কৰে।

কচুপাতৰ নিচিনা অলপ ডাঙৰ আকাৰৰ আৰু ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰা পাতবিলাকে অলপ ক'লা বা চকলেট বৰণ ধাৰণ কৰে। পাত বহন কৰা ঠাৰিডালে পাতখিলাৰ গুৰিভাগত সংযোগ লাভ কৰে। (Sagittate or haslate leaves) ঠাৰি

দুয়োকাষে দুটা লতিকাৰ উৎপত্তি হয় আৰু পাতৰ মাজভাগ বহল আৰু আগৰফালে ক্রমে সৰু হৈ জোঙা আকৃতি ধাৰণ কৰে।

পাতৰ মধ্য স্থানত থকা মুলসিৰডালৰপৰা শাখাসিৰবিলাক বিকশিত হৈ জালৰ আকৃতি ধাৰণ কৰে। কচু কলাৰ নিচিনা বিচিত্র পুষ্পৰ উৎপত্তি হয়।

কলগছ, মুজা চেপিয়েণ্টম পৰিয়াল—মুজেছি ফিনু (কার্বি) থালিত বিফাং (বড়ো) ৰেফাং বেথেফাং (ৰাভা) থেলফাং (তিৱা বা লালুং) কুঞ (তাই আহোম) কলগছ (অসমীয়া) কলা (বঙালী) (ইংৰাজী)
Banana Plantain Species–Musa sapientum Family–Musaceae Banana, Plantain

কল মজলীয়া আকাৰৰ গছ। এইবিধ গছৰ বিশেষত্ব হ'ল এয়ে যে ফল ধৰাৰ পাছত গছজোপা লাহে লাহে মৰি যায়। অৱশ্যে কলথোকা লাগি পূৰঠ হোৱা অৱস্থালৈকে গছজোপাৰ কোনো হানি-বিঘিনি নহয়। কলথোকা গছৰ ওপৰতে পকাৰ পাছতহে গছজোপা মৰিবলৈ আৰম্ভ কৰে। কল পূৰঠ হ'লেই মানুহে তাক কাটি আনে আৰু গছজোপাৰ গুৰিতে কাটি টুকুৰা-টুকুৰ কৰি থৈ আহে।

কল গছৰ আন এটা বিশেষত্ব হ'ল এয়ে যে এইবিধ গছ এডলীয়া। গা-গছৰ বাহিৰে ইয়াৰ অন্য কোনো ঠাল-ঠেঙুলি নহয়। গা-গছডালো কোমল। মাজভাগত এটা মধুনা থাকে। এইডালক অন্যান্য গছৰ সাৰভাগৰ লগত তুলনা কৰিব পাৰি। মধুনাডাল মেৰিয়াই মেৰিয়াই পাতৰ ঠাৰিৰ গুৰিভাগত থকা পতুৱাবিলাকৰ উৎপত্তি হয়। আচলতে এইদৰে মেৰিয়াই থকা পতুৱাবিলাকেই গছজোপাৰ অৱয়বৰ সৃষ্টি কৰে। গছজোপা ডাঙৰ হৈ যোৱাৰ লগে লগে বাহিৰ ফালৰ ডাঙৰ পতুৱাবোৰ পাতেৰে সৈতে শুকাই মৰি মৰি গৈ থাকে আৰু তাৰ ঠাইত ভিতৰৰফালে নতুন পাত-পতুৱাৰ উদ্ভৱ হয়।

কলডিল বা কলফুল আকাৰে গছজোপাৰ আগভাগত ফুল হয় আৰু সেইফুল পূৰঠ হ'লে কল হয়। ভীমকল, আঠিয়া কল, মালভোগ কল, জাহাজী কল, মনোহৰ কল, চেনিচম্পা কল, বৰতমণি কল, তুলসী কল, অমৃত সাগৰ কল আদি বহুত বিধৰ কল আছে। এইবিধ ফল মানুহৰ উত্তম বিধৰ ফলাহাৰ বুলি গণ্য কৰা হয়। আমাৰ মানুহে বাৰীত কলগছ ৰোৱে আৰু বাৰী পাতি সৰহীয়াকৈ ইয়াৰ খেতি কৰে।

ভীমকল, মুজা চেপিয়েণ্টম (প্রকাৰ) পৰিয়াল—মুজেছি ভীম কল (অসমীয়া)
Bhim Kal Species–Musa sapientum (variety) Family–Musaceae

অসমত উৎপন্ন হোৱা বিভিন্ন কল জাতীয় উদ্ভিদৰ ভিতৰত ভীমকল নামেৰে জনাজাত কল গছৰ আকাৰ আটাইতকৈ ডাঙৰ হোৱা দেখিবলৈ

পোৱা যায়। সেই অনুপাতে এইবিধ কলগছৰ ফলবিলাকো আকাৰ-আকৃতিত ডাঙৰ আৰু মোটা হয়। কলৰ বাকলিখন ডাঠ আৰু এই বাকলিৰ উপৰিভাগ অলপ খহটা হয়। কলৰ ভিতৰত অসংখ্য গুটি থাকে। গুটি থকাৰ বাবে মানুহে সাধাৰণতে এইবিধ কল খাবলৈ ভাল নাপায়। পেটৰ অসুখ হ'লে এইবিধ কল খাব পাৰি। তদুপৰি শুকান বাকলিবোৰ জুইত পুৰি খাৰ তৈয়াৰ কৰা হয়।

ভীমকলৰ পুলি কাটি আনি পচলা হিছাপে তৰকাৰি কৰি খোৱা হয়। কলৰ পটুৱাৰপৰা ডোং তৈয়াৰ কৰি অস্থায়ী বাচনৰূপে ব্যৱহাৰ কৰিব পাৰি। পাতবিলাকো নাম কামত লগোৱা হয়। তদুপৰি কলৰ মধুনাৰপৰাও খাৰ তৈয়াৰ কৰা হয়। উৎসৱে-পাৰ্বনে, বিয়াই-সবাহে পদূলি-মুখত কিম্বা ৰভা তলত আৰু বেই ঘৰ বনাওতে সাধাৰণতে এইবিধ কলগছৰ পুলি ব্যৱহাৰ কৰা হয়।

মালভোগ কল, মুজা চেপিয়েণ্টম (প্ৰকাৰ) পৰিয়াল—মুজেছি মালভোগ কল (অসমীয়া) Malbhug Kol Species–Musa sapientum (Variety) Family-Musaceae

অসমত উৎপত্তি হোৱা কল জাতীয় উদ্ভিদৰ ভিতৰত মালভোগ কলৰ ফল আটাইতকৈ উত্তম বুলি ক'ব পাৰি। পূৰঠ হৈ পকিলে এইবিধ কল খাবলৈ বৰ ভাল লাগে। সেইবাবে এইবিধ কলৰ গছ বাৰীত লগাই ৰাখিবলৈ সকলোৱে ভাল পায়। বাৰীৰ আকাৰে সৰহীয়াকৈ কলৰ খেতি কৰা কৃষকসকলেও এইবিধ কল শাৰীয়ে শাৰীয়ে ৰোপণ কৰি আৰ্থিকভাৱে লাভৱান হোৱাৰ পথ মুকলি কৰে।

চেনিচম্পা কল, মুজা চাম্পা পৰিয়াল—মুজেছি চেনি চম্পা কল (অসমীয়া) Cheni Champa Kol Species–Musa Champa Family–Musaceae

এবিধ সুস্বাদু ফল ধাৰণ কৰা উত্তম জাতৰ কলগছ। পূৰঠ কলবোৰ পকিলে খাবলৈ ভাল লাগে। সেইবাবে এইবিধ কল গছো মানুহে বাৰীত লগায়। সৰহীয়াকৈ কলৰ খেতি কৰা উদ্যোগী কৃষকে শাৰী শাৰীকৈ ইয়াৰ পুলি লগাই দিয়ে। সময়ত কলৰ থোকবোৰ কাটি আনি বজাৰত বিক্ৰী কৰেহি। ইয়াৰ দ্বাৰা কৃষক নিজে আৰ্থিকভাৱে উপকৃত হোৱাৰ উপৰিও দেশৰ খাদ্য সম্পদ বৃদ্ধি কৰাত সহায় হয়।

চেনিচম্পা কল গছৰ বৌখাৰ ওপৰিভাগ, পাতৰ ঠাৰি আৰু পাতবোৰৰ কাষ আৰু ঠৰুৱাত সামান্য পৰিমাণৰ ৰঙচোৱা বৰণে বিকাশ লাভ কৰে। সেইবাবে নিলগৰপৰা সহজে এই জাতীয় কলৰ গছ চিনাক্তকৰণ কৰিব পাৰি।

কল-দ্ৰষ্টব্য

মনোহৰ কল, মুজা চেপিয়েন্টম (প্ৰকাৰ) মজেছি মনোহৰ কল (অসমীয়া)
Monohor Kol Species–Musa sapientum (Variety) Family–Musaceae

অলপ গোটা বিধৰ আৰু অলপ তুলনামূলকভাৱে ডাঙৰ ডাঙৰ আকাৰৰ ফল উৎপাদন কৰিবপৰা কল গছ। কলবোৰ আকাৰত ডাঙৰ হ'লেও চেনিচম্পা, মালভোগ, বৰতমণি, জাহাজী আদি জাতৰ কলৰ দৰে খাবলৈ সিমান মিঠা নালাগে। অৱশ্যে ফলবোৰ আকাৰত মোটা আৰু ডাঙৰ হোৱাৰ বাবে এইবিধ কলেও হয়তো সৰ্বসাধাৰণৰ খাদ্যাভাৱ পূৰণ কৰাত অভাৱনীয় বৰঙণি আগবঢ়ায়। সেইবাবে এই জাতৰ কলগছ বাৰীত লগাই ৰখা বিষয়ত আমাৰ মানুহে অভিৰুচি নোলোৱাকৈ থকা দেখা নাযায়।

এই জাতৰ কলগছবিলাক আকাৰত মালভোগ, চেনিচম্পা, জাতি আদি কলগছতকৈ অলপ ডাঙৰ হয়। ইয়াৰ পাতবোৰ কাটি আনি খোৱাৰ পাত্ৰ হিছাপে ব্যৱহাৰ কৰিব পাৰি। ডাঙৰ ডাঙৰ আকাৰৰ কলডিলবোৰ তৰকাৰি কৰি খাবলৈ ভাল লাগে।

জাহাজী কল, প্ৰজাতি মুজা নানা পৰিয়াল—মুজেছি জাহাজী কল (অসমীয়া)
Jahaji Kol Species–Musa nana Family–Musaceae

আমাৰ দেশত উৎপন্ন হোৱা কল জাতীয় উদ্ভিদবিলাকৰ ভিতৰত জাহাজী কল আটাইতকৈ চাপৰ হয়। অৱশ্যে ইয়াৰ ভিতৰত আন এবিধ জাহাজী কলৰ গছ জাতিকল, মালভোগ কল, চেনিচম্পা কল আদি কল গছৰ দৰে ওখ হয়। দুয়োবিধ গছে ধাৰণ কৰা কলবিলাক আকাৰত দীঘল হয়। পকি ৰহ দিলে বাকলিৰ বৰণ হালধীয়া হয় যদিও ৰহ দিয়া জাহাজী কল সাধাৰণতে খোৱাৰ অনুপযুক্ত হৈ পৰে। সেইবাবে অলপ কোমল হওঁতেই এইবিধ সাধাৰণতে খোৱা হয়।

জাহাজী কলৰ গছ সাধাৰণতে বিশেষ কোনো কামত লগোৱা দেখা নাযায়।

বৰতমণি কল, মুজা চেপিয়েন্টম পৰিয়াল—মুজেছি বৰতমণি কল (অসমীয়া)
Borotmoni Kol Species–Musa sapiantum Family–Musaceae

এবিধ সুস্বাদু ফল ধাৰণ কৰা আৰু মানুহে বাৰীত লগোৱা উত্তম জাতৰ কল গছ। এইবিধ কল খাবলৈ মালভোগ কলৰ দৰে সোৱাদ হয়। কলবোৰ পূৰঠ হ'লে ভিতৰি ভিতৰি পকে। গুচালে ভিতৰখন কোমল হোৱা দেখা যায় আৰু তেনে অৱস্থাতে তাক খাব পাৰি। অলপ পকিবলৈ আৰম্ভ কৰিলে বাকলিখন হালধীয়া

পৰিবলৈ ধৰে। সেইখিনি সময়লৈকে কলটো খোৱাৰ বাবে উপযুক্ত হৈ থাকে। ৰহ দিলে খাবলৈ বেয়া লাগে। সেইবাবে উপযুক্ত সময়ত এইবিধ কল খোৱা উচিত।

পুৰা কল, কাঁচ কল, মুজা পাৰাডাইছিকা মুজেছি, পুৰা কল, কাচ কল (অসমীয়া) কাঁচ কলা (বঙালী) কাঁচ কলা (হিন্দী) (ইংৰাজী) (Pura Kol) (Kach Kol Plantain) Species–Musa paradisica Family-Musaceae) Cooking Banana

আমাৰ মানুহে সাধাৰণতে বাৰীত লগোৱা কিম্বা বাগান আকাৰে সৰহীয়াকৈ খেতি কৰা কল গছবিলাকৰ ভিতৰত পুৰা কল অন্যতম্। এই একেবিধ কলকে কোনো কোনো মানুহে সোন্দা কল বুলিও কয়। এইবিধ কল পকিলে খাবলৈ সিমান ভাল নালাগে। কেঁচাতে ইয়াক ভাজি কৰি কিম্বা তৰকাৰি বনাই খাব পাৰি। পেটৰ অসুখত এনে তৰকাৰি খালে উপকাৰ পোৱা যায়।

শিপা, মধনা, গা-গছ, পতুৱা, পাতৰ ঠাৰি আৰু পাতৰ আকৃতি অন্যান্য জাতীয় কলগছৰ লগত প্ৰায় মিলি যায়।

দীগ্‌জোৱা কল, মুজা চেপিয়েণ্টম পৰিয়াল— মুজেছি দীগজোৱা কল (অসমীয়া) Digjuwa Kol Species-Musa sapientum Family-Musaceae

অসমৰ মাটি-পানীয়ে ধাৰণ কৰা কল জাতীয় গছবিলাকৰ ভিতৰত দীগজোৱা কলৰ ফলবিলাকে জাহাজী কলৰ দৰে দীঘল দীঘল আকাৰ ধাৰণ কৰে। আচলতে জাহাজী কলতকৈও দীগ্ যোৱা কলবোৰ আকাৰত দীঘল আৰু উপৰিভাগ আকৰ্ষণীয়ভাৱে মিহি হয়। কিন্তু জাহাজী কলৰ দৰে এইবিধ কল খাবলৈ সিমান মিঠা হোৱা দেখা নাযায়।

শিপা, মধুনা, গা-গছ আৰু পাতৰ আকৃতি-প্ৰকৃতি অন্যান্য কল জাতীয় উদ্ভিদৰ লগত প্ৰায় মিলি যায়।

জাতি কল, মুজা চেপিয়েণ্টম পৰিয়াল— মুজেছি জাতি কল (অসমীয়া) (ইংৰাজী) (Jati Kol) Banana Species-Musa sapientum Family–Musaceae Jati Plantain

এবিধ মজলীয়া আকাৰৰ কল ধাৰণ কৰা বাৰীত লগোৱা উদ্ভিদ। এইবিধ গছৰপৰা উৎপাদন হোৱা ফলবোৰ সিমান সোৱাদ নহয় যদিও খাবলৈ বৰ বেয়া নালাগে। তথাপি প্ৰায়বিলাক মানুহৰ বাৰীত এইবিধ কল গছ ৰোপণ কৰা দেখিবলৈ পোৱা যায়।

অন্যান্য জাতীয় কলগছৰ দৰে মাটিৰ তলত বিকশিত হোৱা মধুনাৰপৰা

কোছা-কোছে সৰু সৰু শিপাবোৰ ওলাই আহি মাটিত খামোচ মাৰি ধৰে। মধুনা উপৰি ভাগৰপৰা পোখা ওলাই আহি গা-গছজোপাই বিকাশ লাভ কৰে। গা-গছৰ মাজভাগত কোমল চানেকীয়া ডিলাই বিকাশ লাভ কৰে। এই ডিলাৰ চৌপাশে যিবিলাক পতুৱাৰ উৎপত্তি হয় সেই পতুৱাবিলাকৰ উপৰিভাগৰপৰা পাতৰ ঠাৰিবোৰ ওলাই আছে। এডলীয়া পাতৰ ঠাৰিডালে সেউজীয়া দীঘল দীঘল পাত ধাৰণ কৰে। কলডিল ভাজি কৰি খাব পাৰি।

বনকল, মুজা চেঙ্গুইনিয়া পৰিয়াল—মুজেছি বন কল (অসমীয়া) ৰঙা কল (অসমীয়া) সেন্দূৰী কল, ৰাম কল (অসমীয়া) ৰাম কলা (বঙালী) (ইংৰাজী) Bon Kol, Wild Plantain Species- Musa velutina Family–Musaceae Red Banana, Wild Plantain

উজনি আৰু মধ্য অসমৰ হাবি-বননিবিলাকত এবিধ কল গছ বনৰীয়াভাৱে ডৰা ডৰাকৈ বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। এইবিধ কলগছৰ উৎপত্তি নামনি অসম, সুৰমা উপত্যকা আৰু পাৰ্বত্য জিলা কেইখনতে পৰিলক্ষিত হয়।

এইবিধ কলগছ আকাৰত মানুহে বাৰীত লগোৱা চেনিচম্পা, জাতি আদি কল গছৰ সমানেই হয়। বৌখাৰপৰা বিকশিত হোৱা পাতবোৰে আকাশমুখীয়া ৰূপ ধাৰণ কৰে। কলডিলটোৱে ৰঙচীয়া ৰূপত বিকাশ লাভ কৰে। কলৰ আকাৰ একেবাৰে সৰু হয় আৰু সেই কল খোৱাৰ উপযুক্ত নহয়। বনৰীয়া হাতীয়ে এইবিধ কলগছ ভক্ষণ কৰে। ইয়াৰ পাতবিলাক মুঠাই মুঠাই কাটি আনি উৎসৱে-পাৰ্বণে খোৱাৰ পাত্ৰ হিছাপে ব্যৱহাৰ কৰা হয়।

সৰগ মোহিনী ফুল, ষ্ট্ৰেলিজিয়া ৰেজিনা পৰিয়াল—মুজেছি (Bird of paradise flower) Species–Flower strelitzia reginae Family–Musaceae

কৌপাতৰ নিচিনা আৰু সেউজীয়া বৰণৰ দীঘলীয়া পাত ধাৰণ কৰা এবিধ বনগছ গোষ্ঠীৰ বিজাতীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান হ'ল দক্ষিণ আফ্ৰিকা। ভাৰতভূমিলৈ ইয়াৰ সঁচ কোনে কেতিয়া আনিছিল তাক সঠিকভাৱে জনা নাযায়।

ইউৰোপ মহাদেশলৈ ইয়াৰ সঁচ ১৭৭৩ খ্ৰীষ্টীয় বছৰত নিয়া হৈছিল বুলি জনা যায়। ইংলণ্ডৰ ৰজা তৃতীয় জৰ্জৰ ৰাণী মেকেন্‌বাৰ্গ ষ্ট্ৰেলিজৰ নামত এইবিধ বিচিত্ৰ উদ্ভিদৰ বৈজ্ঞানিক নাম ষ্ট্ৰেলিজিয়া ৰেজিনা ৰখা হয়। উল্লেখযোগ্য যে ১৮১৮ চনত ৰাণী ষ্টেলিজৰ মৃত্যু হয়।

আমাৰ অসমত ইয়াক সাধাৰণতে দেখিবলৈ পোৱা নাযায়। ভাৰতৰ পৰ্বতীয়া স্বাস্থ্য নিবাসবিলাকত থকা উদ্ভিদৰ উদ্যানবিলাকত ইয়াক দেখা যায়। আজি-কালি অৱশ্যে কোনো কোনো চৌখিন আৰু উদ্ভিদপ্ৰেমী লোকে ব্যক্তিগত উদ্যানত ইয়াৰ দুই-চাৰিটা পুলি লগাই ৰখা দেখা যায়। পাতৰ মধ্যসিৰডাল চকুত লগাকৈ উজ্জ্বল হয়। মদাৰ বা পলাশৰ নিচিনা ৰঙা ৰঙা ফুল ধৰে। ফুলৰ ঠাৰিডালে ধাৰণ কৰা একোখিলা দীঘলীয়া অতিৰিক্ত চুপহিৰ আৱৰণে ফুলৰ থোপা একোটা ওপৰমুৱাকৈ ধৰি ৰাখে। ফলত প্ৰত্যেক পাহ ফুলৰ থোপাই একোটা ৰঙা ক্ষুদ্ৰ পক্ষীৰ আকৃতি প্ৰদৰ্শন কৰে। সাধাৰণতে বসন্ত কালত ফুলৰ উৎপত্তি হয়।

পাটিদৈ, ক্লিনোগাইনি ডাইকোটামা ফাইনিয়ম ডাইকোটামা পৰিয়াল—চিটামিনি
Patidoi Species-Clynogyne dichotana Synonym Phynium dichotama Family–Scitaminae

বনাঞ্চলত স্বাভাৱিকতে উৎপত্তি হোৱা এবিধ জোপোহা আকৃতি তৰাৰ নিচিনা উদ্ভিদ। ইয়াৰ ঠাৰিডালৰ ভিতৰৰ অংশই লেহুকা ৰূপ ধাৰণ কৰে। ইয়াৰ ঠাৰিডালৰপৰা পাতলীয়া সুত তৈয়াৰ কৰি বহাৰ উপযোগী পাটি তৈয়াৰ কৰা হয়। তাৰে কিছুমান সুতাত ৰং লগাই আলংকাৰিত পাটি তৈয়াৰ কৰা হয়। কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ মানুহে এইবিধ উদ্ভিদ বাৰীৰ ঢাপত লগাই খেতি কৰে।

কুকুৰা জঁ, চিলোচিয়া আৰ্জেটিয়া চিলোচিয়া ক্ৰিচটেটা পৰিয়াল আমাৰাণথাছি
Cock's comb Species–Celosia argentea Synonym–Celosea cristata Family–Amaranthaceae

এবিধ কুকুৰাৰ মূৰত গজা জঁৰ নিচিনা আকৰ্ষণীয় ফুল ধাৰণ কৰা বিতোপন উদ্ভিদ। বহুতো মানুহে আলংকাৰিক উদ্ভিদ হিছাপে ইয়াক ফুলনি বাৰীত বা চোতালৰ দাঁতি-কাষৰীয়া ঠাইত লগাই ৰাখে। মাটিৰ গামলা লগোৱা হয়।

কুকুৰাৰ জঁৰ নিচিনা দীঘল চানেকীয়া আকৰ্ষণীয় ফুলৰ থোপা ধাৰণ কৰা

কুকুৰা জঁ, (প্ৰকাৰ) চিলোচিয়া আৰ্জেটিয়া পৰিয়াল আমাৰান্টাছি
Cock's Comb (Var) Species–Celosia argentia Family–Amarantaceae

এবিধ ফুল জাতীয় উদ্ভিদ। ফুলৰ বৰণ সাধাৰণতে ৰঙা হয় যদিও কোনো ক্ষেত্ৰত হালধীয়া বৰণ ফুলৰ থোপা ধাৰণ কৰা উদ্ভিদ দেখিবলৈ পোৱা যায়।

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। উজনি অসমৰ কোনো বনাঞ্চলত ইয়াৰ উৎপত্তি হয়। স্থানীয় ইয়াক মৌসিতা, মিৰিশোকোতা, শুকতীয়া, ননিভোলা

মৌ সিতা, চেলটিছ্ টেট্ৰান্দ্ৰা চেলটিছ্ অষ্ট্ৰেলিছ পৰিয়াল আলমেছি

Mouhita Species–Cettis tetranda Synonym celtis australis Family–Ulmaceae

আদি বেলেগ বেলেগ নামেৰে জনা যায়। কাঠৰ বৰণ অলপ হালধীয়া হয়। এই কাঠ তক্তা ফলা, ঘৰৰ খুঁটা আদি লগোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

গঁঠীয়া কবি, ব্ৰাছিকা অলিৰাছিয়া ব্ৰাছিকা জেমিফেৰা পৰিয়াল ক্ৰুচিফেৰি

Gothia Kobi Species-Brassica oleracea (Var) Synonym (Brassica gemmifera (Var) Family–Cruciferae

বন্ধাকবিৰ নিচিনা পাতেৰে গঠিত এবিধ তৰকাৰি তৈয়াৰ কৰি খোৱা বাৰীত লগোৱা উদ্ভিদ।

বৰ হাইটা, ব্ৰাইডেলিয়া আচামিকা পৰিয়াল ইউফৰবিয়েছি

Borhaita Species-Bridelia assamica Family–Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ইয়াৰপৰা উৎপন্ন হোৱা কাঠ খৰিৰ বাহিৰে অন্য কামত ব্যৱহাৰ কৰাৰ উপযোগী নহয়। উজনি অসমৰ বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

মৌ শিলিখা, ব্ৰাইডেলিয়া ষ্টিপুলেটা পৰিয়াল-ইউফৰবিয়েছি

Mou shilikha Species–Bridelia stipulata Family–Euphorbiaceae

উজনি অসমৰ হাবি-বনানীবোৰত ঠায়ে ঠায়ে উৎপত্তি হোৱা এবিধ শিলিখা জাতীয় বনৰীয়া গছ। গছজোপাৰ আকাৰ মজলীয়া। ইয়াৰপৰা উৎপত্তি হোৱা শিলিখা জাতৰ সৰু সৰু ফলবোৰ কোনো কোনো মানুহে শিলিখাৰ দৰে ব্যৱহাৰ কৰে। এইবিধ শিলিখা গছক স্থানীয়ভাৱে মৌ শিলিখা, লতা মাছদি, হমহমালি আদি বিভিন্ন নামেৰে জনা যায়। ইয়াৰ কাঠ ঘৰৰ খুঁটা হিছাপে ব্যৱহাৰ কৰা অন্যান্য সৰু-সুৰা কামত লগাব পাৰি।

মৰ কুহি, পীত কুহি, ব্ৰাইডেলিয়া টমেনটছা পৰিয়াল ইউফৰবিয়েছি

Morkuhi Pitkuhi Species-Bridelia tomentosa Family–Euphorbiaceae

এবিধ ডাঙৰ আকাৰৰ জোপোহা গছ বা মজলীয়া ধৰণৰ হাবি-বনানীত উৎপন্ন হোৱা উদ্ভিদ। ইয়াক স্থানীয়ভাৱে মৰ কুহি, পীত কুহি আদি বিভিন্ন নামেৰে জনা যায়। সাধাৰণ ঘৰৰ খুঁটা, জেউৰা আদিত লগোৱাৰ বাহিৰে ইয়াৰ কাঠ অন্য কোনো কামত লগোৱাৰ বাবে উপযোগী নহয়।

গোৱালপাৰা জিলা, কোক্ৰাঝাৰ জিলা, বঙাইগাঁও, কামৰূপ আদিত থকা বনভূমিবোৰৰ ঠায়ে ঠায়ে উৎপত্তি হোৱা এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ।

চিৰঞ্জীয়া, বুকানেনিয়া লাজান পৰিয়াল— এনাকাৰ্ডিয়েছি
Chirongia Species–Buchanania lazar Family–Anacardiaceae

ইয়াৰপৰা উৎপন্ন হোৱা ফলবোৰ খাবলৈ মিঠা মিঠা লাগে। কাঠৰ মানদণ্ড মজলীয়া। ফলৰ বাকলিত ঔষধীয়া গুণ থকাৰ কথা জনা যায়।

দেৱী, চিজালপিনিয়া কৰিয়াৰিয়াপৰিয়াল— লেগুমিনেছি Debi Species–Caesalpinia coriaria Family–Leguminaceae

মজলীয়া আকাৰৰ এবিধ সুকাঠি গছ। এইবিধ গছক অসমীয়া কোনো কোনো মানুহে দেৱী গছ বুলি কয়। বঙালী ভাষাত ডিবি ডিবি আৰু হিন্দীত লিবি লিবি বুলি কোৱা হয়। গছজোপা দেখাত চকুত লগাকৈ আকৰ্ষণীয় হয় গছজোপাৰ বাকলি আৰু ছিঁৰাবিলাক গৰু-ম'হৰ ছাল শুকুৱা কামত ব্যৱহাৰ কৰা হয়। এইবিধ গছ পূৰ্বতে অসমত নাছিল। বিদেশৰপৰা গছ আনি ইয়াক অতীতত অসমত ৰোপণ কৰা হৈছিল। কাঠৰ মানদণ্ড মজলীয়া।

পতংগ, চিজালপিনিয়া চাপান পৰিয়াল— লেগুমিনেছি
Potanga Species-Caesalpinia Sappan Family–Leguminaceae

এবিধ মজলীয়া আকাৰত আলংকাৰিক গছ। চাহ বাগিচাৰ কোনো কোনো মেনেজাৰৰ বঙলা চৌহদত আৰু গাড়ী অহা-যোৱা কৰা বাটৰ কাষত ইয়াক শাৰী শাৰীকৈ লগোৱা হয়। ইংৰাজী ভাষাত ইয়াক ব্ৰাজিল উদ অথবা চাপান উদ নামেৰে জনা যায়। গছজোপাৰ কাঠৰপৰা এক প্ৰকাৰৰ ৰং তৈয়াৰ কৰি পাটৰ কাপোৰত লগাব পাৰি। কাঠৰপৰা আলংকাৰিক চকি, টোল আদি তৈয়াৰ কৰিব পাৰি।

মাছ কটা, বনমলা, গুণমলা, কেলিকাৰ্পা আৰবৰিয়া পৰিয়াল—ভাৰবিনেছি
Mach kota Bonmola Gunmola Species–Callicarpa arborea Family–Verbenaceae

মজলীয়া আকাৰৰ এবিধ চিৰ সেউজীয়া বনৰীয়া গছ। আমাৰ ভাষাত ইয়াক মাছকটা, বনমলা আৰু গুণমালা নামেৰে জনা যায়। বঙালী ভাষাত ইয়াক বৰমালা অথবা খাজা বুলি কোৱা হয়। হিন্দুস্থানী নাম হ'ল খজু। ইয়াৰ পাত গাখীৰ মিহলোৱা পানীত উতলাই কুল কুলিয়াই মুখ ধুলে বহুত বেমাৰৰপৰা হাত সাৰিব পাৰি বুলি জনা যায়। গছজোপাৰ বাকলি পানীৰ লগত ছালিৰ দৰে খোৱা হয়। এই গছৰ পাতবোৰ গৰু-ম'হৰ উত্তম আহাৰ।

অসমৰ বনভূমিবোৰৰ প্ৰায় সকলো ঠাইতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

চেনিচম্পা বা নাগচম্পা ফুল,
Chenichampa or Nagchampa
Species-Calophylium inophyllum
কেলোফাইলিয়ম ইনোফাইলম
Family-Guttiferae
পৰিয়াল গুটিফেৰি

এবিধ মজলীয়া আকাৰৰ সুগন্ধি ফুল ধাৰণ কৰা বনৰীয়া গছ। সুগন্ধি ফুল ফুলাৰ বাবে এইবিধ উদ্ভিদ দুই-এজোপা বাৰীত লগাই ৰাখে। বঙালী আৰু হিন্দী ভাষাত ইয়াক চুলতান চম্পা নামেৰে জনা যায়। গছজোপাত ঔষধীয় গুণ আছে বুলি জনা যায়। শিৱসাগৰ, যোৰহাট গোলাঘাট আৰু উত্তৰ কাছাৰ জিলাত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

গকুল ধুপ, Gokul Dhup
Species-Canarium sikkimene
কানাৰিয়ম চিকিমেনছে
Family-Burseraceae
পৰিয়াল বাৰছিৰেছি

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। বাকলিখনত দাৰে ঘা লগাই দিলে তাৰপৰা গমৰ দৰে আঠা বাহিৰ হয়। এই আঠাবোৰ ৰ'দত শুকুৱাই মলাত ধূনাৰ দৰে ব্যৱহাৰ কৰিব পাৰি। কাঠৰ বৰণ অলপ ৰঙচুৱা হয়। এই কাঠ কৰতেৰে তক্তা হিছাপে ফালি সাধাৰণ প্ৰকাৰৰ চকি, মেজ আদি তৈয়াৰ কৰিব পাৰি। নামনি অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

গংগা বেনা, Gongabena
Species-Capsella bursa-pastoris
কেপচেলা বাৰচাপেষ্ট'ৰিছ
Family-Cruciferae
পৰিয়াল ক্ৰুচিফেৰি

পানী মৰলীয়া সেমেকা ঠাইত উৎপত্তি হোৱা এবিধ বন জাতীয় উদ্ভিদ। ইংৰাজী ভাষাত ইয়াক Shepherd's purse অথবা Mother's heart নামেৰে জনা যায়। এই গছে ধাৰণ কৰা ছিৰাৰপৰা এক প্ৰকাৰ তেল বাহিৰ কৰি ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। উজনি অসমৰ কোনো কোনো বনাঞ্চল। উত্তৰ কাছাৰ, নগাভূমি আৰু মেঘালয়ত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

শিয়ালনেজীয়া বন, (প্ৰকাৰ)ইউৰাৰিয়া লাগপইদিছ ইউৰাৰিয়া ক্ৰিনিটা পৰিয়াল— লেগুমিনেছি
Sial Nejia Bon (Variety) Species-Uraria lagopoides Synonym Uraria crinita Family–leguminaceae

এবিধ সৰু কটীয়া গছ। শিয়ালৰ নেজৰ নিচিনা জোপোহা আকাৰৰ ফুলৰ থোপা ধাৰণ কৰা ইয়াক শিয়াল-নেজীয়া জোপোহা বন বুলি কোৱা হয়। বছেৰেকীয়া আৰু দুবছৰীয়া আয়ুস। এই

উদ্ভিদ ঠাই বুজি য'তে ত'তে দেখিবলৈ পোৱা যায়। ইয়াৰ পাত মূৰৰ ওকণি মৰা ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। স্ত্রী ৰোগৰ অব্যৰ্থ মহৌষধ বুলি জনা যায়। অসমৰ বহুতো ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

শিয়ালনেজীয়া, (প্রকাৰ) ইউৰাৰিয়া পিক্‌টা পৰিয়াল—লেগুমিনেছি

Sial Nejia (Variety) Species-Uraria picta Family–Leguminaceae

এইবিধ বনৰীয়া জোপোহা উদ্ভিদ আৰু ইতিপূৰ্বে উল্লেখ কৰি অহা বিধৰ মাজত বিশেষ পাৰ্থক্য থকা দেখিবলৈ পোৱা নাযায়। বঙালী ভাষাত ইয়াক শংকৰ জানা বুলি কোৱা হয়। হিন্দী নাম হ'ল ডাৱৰা। ইংৰাজীত Fox tail plant বুলি কয়। বছেৰেকীয়া বা দুবছৰীয়া বৰ্ষাজীৰী উদ্ভিদ। ইয়াৰ পাতবোৰ পিহি তাৰ ৰস বিভিন্ন ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়।

অসম আৰু নগাভূমিত কোনো কোনো বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

পানী কটালী, ইউট্রিকলেৰিয়া ৱালিচিয়ানা পৰিয়াল—লেগুমিনেছি

Species-Utricularia wallichiana Family–Leguminaceae

খাল-ডোঙ আদিৰ দৰে সোঁত বিহীন পানীৰ ৰ'দ নপৰা নলা আদিৰ পানীত উৎপত্তি হোৱা এবিধ জল বিলাসী উদ্ভিদ। অসমীয়া ভাষাত ইয়াক পানী কটালী বুলি কোৱা হয়। বঙালী আৰু হিন্দুস্থানী ভাষাত ক্রমে জানজি নামেৰে জনা যায়। ফুলপাহবোৰৰ অগ্ৰভাগে একৰকম জোলোঙাৰ ৰূপ ধাৰণ কৰে। জোলোঙাত গোট খোৱা লেকেটুৱা পনীয়া পদাৰ্থ কেনেবাকৈ কীট-পতংগ পৰিলে তাৰ মৃত্যু অনিবাৰ্য।

যখিনী লতা, ভেলেৰিছ চলানেছিয়া পৰিয়াল এপ'চায়ানেছি

Jokhini Lata Species–Valaris solanacea Family–Apocyanaceae

এবিধ কঠিন ঠাল-ঠেঙুলি ধাৰণ কৰা গছত বগোৱা লতা জাতীয় উদ্ভিদ। ইয়াক অসমীয়া ভাষাত যখিনী লতা বুলি কোৱা হয়। কোনো কোনো ঠাইৰ মানুহে গহিংগা লতা বুলিও কয়। ঠালত ঘা লগা দিলে তাৰপৰা গাখীৰৰ ৰস ওলাল। কটা ঘাত সেই ৰস লগাই দিলে তেজ বন্ধ হয়।

নগাভূমি, উত্তৰ কাছাৰ কাৰ্বি আংলং, মেঘালয় আদি পৰ্বতীয়া ভূখণ্ডবোৰত ইয়াত উৎপত্তি পৰিলক্ষিত হয়।

মৰশাল, ভেটিকা লেনছিফলিয়া পৰিয়াল—ডিপটেৰোকাৰ্পেছি
Morsal Species–Vatica Lanceaefolia Family-Dipterocarpeceae

উজনি আৰু নামনি অসমৰ কোনো কোনো বনাঞ্চলত মৰশাল নামেৰে জনাজাত সুকাঠী গছৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ কাঠ কৰতেৰে ফালি বা কাঠ ফলা মেচিনৰ সহায়ত ফালি তক্তা, বাতাম আদি তৈয়াৰ কৰিব পাৰি। এইদৰে ফলা কাঠ চকি, মেজ, পালেং আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰাত উপযোগী হয়।

এগ্লাউমা, এগ্লাউমা চিউডোব্রেকটিয়টম পৰিয়াল—এৰেছি
Aglaoma Species–Aglaoma pseudo-bracteatum Family–Araceae

গামলাত আলফুলকৈ ৰোপণ কৰাৰ উপযোগী এবিধ দীঘলীয়া পাতধাৰী আলংকাৰিক উদ্ভিদ। পাতৰ ঠাৰি আৰু গা-গছডাল কোমল চানেকীয়া হয়। একপ্রকাৰ কণীসদৃশ আকাৰ প্ৰদৰ্শন কৰা পাত কেইখিলাই ৰূপালী বৰণ ধাৰণ কৰে। পাতৰ উপৰিভাগেও দীঘলীয়া দীঘলীয়া আকৃতিৰ মনোমোহা দাগ প্ৰদৰ্শন কৰে।

এগ্লাউমা, চিলভাৰকুইন এগ্লাউমা চিলভাৰ কুইন পৰিয়াল—এৰেছি
Species-Aglaoma silver Queen Family–Araceae

ইয়াৰ আগৰটো লিখনিৰ জৰিয়তে এগলাউমা চিউডো-ব্রেক্টিয়াটম নামেৰে বিজ্ঞানসম্মতভাৱে নামকৰণ কৰা এবিধ গামলাত লগাবপৰা আলংকাৰিক উদ্ভিদৰ বৰ্ণনা আগবঢ়াই অহা হৈছে। এই একেবিধ উদ্ভিদৰে আন কেবাটাও উপপ্ৰজাতি আমাৰ ফুলনিবাৰীত লগোৱা অৱস্থাত দেখিবলৈ পোৱা যায়। সাধাৰণতে পুষ্পপ্ৰেমী ব্যক্তিসবে এই বিদেশী ফুল জাতীয় উদ্ভিদবোৰ মাটি বা প্লাষ্টিক প্ৰভৃতিৰে তৈয়াৰী গামলাত লগাই ঘৰৰ বৈঠকখানা বা গামলাত সজাই ৰাখে।

সদ্যহতে উল্লেখ কৰা বিধ মনোমোহা আলংকাৰিক উদ্ভিদক ইংৰাজী ভাষাত এগলাউমা চিলভাৰ কুইন নামেৰে জনা যায়।

ত্রিৰংগ পতীয়া আঠাবড়, ফাইকচ ইলাচটিকা ট্রিকলৰ পৰিয়াল—মোৰেছি
Tricolored rubber tree Species–Ficus elastica tricolor Family–Moraceae

আমাৰ অসমত (তথা সমগ্র ভাৰতত) বড়গছ বা আঠাবড় নামেৰে জনাজাত এবিধ ৰবৰ গছৰ উৎপত্তি পৰিলক্ষিত হয়। ৰবৰ উৎপাদনৰ বাবে বনবিভাগ আৰু ভূমি সংৰক্ষণ বিভাগে বাগান আকাৰে ইয়াক ৰোপণ কৰে।

সদ্যহ্তে এই নিবন্ধৰ জৰিয়তে বৰ্ণনা আগ বঢ়াবলৈ প্ৰয়াস কৰা বিধে তিনি বৰণীয়া আলংকাৰিক পাত ধৰে। পুষ্পপ্ৰেমী ব্যক্তিসকলৰ কোনো কোনোৱে ইয়াৰ ডাল ডাঙৰ গছ্ৰপৰা কাটি আনি গামলাত ৰোপণ কৰি বৈঠকখানা বা বাৰান্দাত আলফুলকৈ অন্যান্য ফুলৰ লগত সজাই ৰাখে।

আঠাবড় বা ৰবৰ গছ, ফাইকচ ইলাচটিকা ডেকৰা পৰিয়াল—মোৰেছি
Rubber plant Species–Ficus elastica decora Family–Moraceae

আমাৰ দেশত আঠাবড় বা ৰবৰ গছ নামেৰে জনাজাত এবিধ ডাঙৰ আকাৰৰ পৰ্ণপাতী গছৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ বাকলিত ঘা লগালে সেই কটা ঠাইৰপৰা এক প্ৰকাৰৰ গাখীৰসদৃশ আঠা নিৰ্গত হয়। এই আঠা উৎপাদনৰ বাবে এসময়ত বাগান আকাৰে এইবিধ ৰবৰ গছৰ খেতি বাগান আকাৰে বনবিভাগে কৰিছিল। আজিকালি Hevea brassilensis নামৰ আন এবিধ ৰবৰ গছৰ খেতি ভূমি সংৰক্ষণ বিভাগে কৰিবলৈ লৈছে।

Ficus elastica গছৰ ডালৰপৰা আকৰ্ষণীয়া কলম গামলাত ৰোপণ কৰি আলংকাৰিক উদ্ভিদ হিছাপে ড্ৰইংৰুম অথবা বাৰাণ্ডাত সজাই পৰাই ৰখা হয়। ইয়াক Ficus elastica decora নামেৰে জনা যায়।

মাৰাণ্টা, মাৰাণ্টা লিওকোনিওৰা ইৰিথ্ৰোফাইলা পৰিয়াল—মাৰাণ্টেছি
Maranta Species-Maranta leuconeura crythrophylla Family–Marantaceae

গামলাত ৰোপণ কৰি আলফুলকৈ ৰোপণ কৰি ড্ৰয়িং ৰুমত বা বাৰাণ্ডাত সজাই-পৰাই ৰখা এবিধ আলংকাৰিক উদ্ভিদ।

সোণ বৰিয়ল, চলিডাগো কানাডেন্সিছ পৰিয়াল কম্প্ৰিজিটি
Canada Golden Rod Species-Solidago Conadensis Family–Compositae

ৰমক-জমককৈ হালধীয়া বৰণৰ থোপা-থোপে বিতোপন ফুল ধাৰণ কৰা এবিধ ফুল গছ। ইয়াক সাধাৰণতে আমেৰিকা যুক্ত প্ৰদেশ আৰু কালাডাত দেখিবলৈ পোৱা যায়। ইয়াৰে এটা উপপ্ৰজাতি মেঘালয়ৰ পাৰ্বত্য ভূ-ভাগত দেখিবলৈ পোৱা যায়। কোনো কোনো পুষ্পপ্ৰেমী মানুহে ইয়াৰ সঁচ আনি অসমৰ ভৈয়াম অঞ্চলত লগোৱা দেখা যায়।

নাৰ্জি ফুলৰ নিচিনা সৰু সৰু আকাৰৰ মনোৰম গোটা চানেকীয়া ফুল ধাৰণ কৰা এবিধ বছেৰেকীয়া আনত ঋতু ফল। জোপোহা আকাৰৰ ফুলগছ জোপাই বহন

লাভেন্দাৰ কটন, চানটোলিনা চামিচাইপাৰিচছ পৰিয়াল কম্পজিটি
Lavender Cotton Species-Santolina chamaecyparissus Family–Compositae

কৰা ফুলবোৰ সুগন্ধি হয়। ফুলনি বাৰীৰ কাষে কাষে অথবা চৌহদৰ দাঁতিত শাৰী-শাৰীকৈ কিম্বা গাইগুটীয়াভাৱে লগাই ৰাখিব পাৰি। ডাল কাটি অথবা পূৰঠ ফুলৰ গুটি পচাই বংশ বৃদ্ধি কৰিব পাৰি। গ্ৰীষ্ম আৰু শৰৎ-হেমন্ত কালত ফুল ফুলে।

সৰু সূৰ্যকান্তি ফুল, হেলিয়াণ্ঠছ এনাছ (প্ৰকাৰ) পৰিয়াল কম্পজিটি
Dwarf Sunflower Species Halianthus annus (Var) Family–Compositae

সূৰ্যকান্তি ফুল এবিধ সকলোৰে পৰিচিত ঋতু ফুল। সৰহীয়াকৈ গুটি পচাই বাৰীত লগাই দিলে গোটেই পৰিবেশে ৰমক-জমক ৰূপ ধাৰণ কৰে। ইয়াৰে এটা জাত আকাৰত সৰু হয়। সেই জাতৰ ফুলবোৰো আকাৰত সৰু সৰু হয়। সৰহীয়াকৈ ডৰা ডৰাকৈ লগাই গোটেই পৰিবেশেই আকৰ্ষণীয় ৰূপ ধাৰণ কৰে। ফুলৰ পাহিবোৰৰ বৰণ হালধীয়া হয়।

প্ৰবাল ফুল, ৰাছেলিয়া-ইকুইজেটিফৰ্মিছ ৰাছেলিয়া জনছিয়া পৰিয়াল—স্ক্ৰফুলিয়েছি
Coral plant fountain plant Species-Russelia equisetiformis Synonym–Russelia juncea Family–Scrophulariaceae

আমাৰ ফুলনি বাৰীৰ কাষে-পাজৰে কোনো কোনো পুষ্পপ্ৰেমী মানুহ লগাই ৰখা এবিধ পাতল বিধৰ ঠাল-ঠেঙুলি মেলা বিদেশী ফুলৰ গছ দেখিবলৈ পোৱা যায়। ইংৰাজী ভাষাত ইয়াক Coral Plant অথবা Foutain Plant বোলে। অসমীয়া ভাষাত প্ৰবাল ফুল বুলি ক'ব পাৰি।

ফুলবোৰ আকাৰত সৰু হয় আৰু এই ফুলবোৰে তললৈ ওলমি ওলমি থকা চুঙাৰ ৰূপ প্ৰদৰ্শন কৰে। ফুলজোপাৰ বৈজ্ঞানিক নাম হ'ল Russelia equisetiformes. ড° আলেকজেণ্ডাৰ ৰাছেল নামৰ এজন উদ্ভিদবিদৰ নাম অনুসৰি এইবিধ উদ্ভিদৰ নামত Russelia শব্দৰ সংযোগ ঘটিছে। এইজনা উদ্ভিদ বিজ্ঞানীয়ে Natual history of Alippo নামৰ অমূল্য গ্ৰন্থখন ৰচনা কৰিছিল।

আইভি জেৰানিয়ম, পেলাৰগনিয়ম পেলটাটম পৰিয়াল জেৰানিয়েছি
IVY Geranium Species-Pelargonium peltatum Family–Geraniaceae

আজিকালি ফুল আৰু তৰকাৰি পাচলিৰ গুটি আৰু পুলি বিক্ৰী কৰা নাৰ্চাৰীবোৰত নানা প্ৰকাৰ ফুলৰ পুলি কিনিবলৈ পোৱা যায়। তাৰ ভিতৰত

জেৰানিয়ম (Geranium) নামৰ ফুলগছৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। গছজোপাই থোপা-থোপে বিতোপন ফুল ধাৰণ কৰে। ফুল, শাক আদিৰ পুলি বিক্ৰী কৰা ব্যৱসায়ীবিলাকৰ দোকানত ইয়াৰ গুটিৰ পেকেট আৰু পুলি আদি কিনিবলৈ পোৱা যায়।

এইবিধ ফুল জাতীয় উদ্ভিদৰ উৎপত্তি স্থান হ'ল দক্ষিণ আফ্ৰিকা।

ফুছিয়া, ফুছিয়া ট্ৰাইফাইলা পৰিয়াল— অনাগ্ৰেছি
Fuchsia Species–Fuchsia triphylla Family–Onagraceae

ফুছিয়া নামৰ জাৰ্মানীৰ এজন চিকিৎসক তথা উদ্ভিদবিদৰ নাম অনুযায়ী এইবিধ ফুল গছৰ নাম ফুছিয়া ৰখা হৈছে। বিজ্ঞানীজনৰ সম্পূৰ্ণ নাম Leonhart fuchs আছিল।

এইবিধ ফুলজাতীয় উদ্ভিদৰ উৎপত্তি স্থান হেইটি দ্বীপ। আজিকালি ভাৰতৰ পাৰ্বত্য অঞ্চলবোৰত ইয়াক দেখিবলৈ পোৱা যায়। মেঘালয়ৰ ছিলঙত থকা নাৰ্ছাৰী বিলাকতো ইয়াক পোৱা যায়।

ফুল গছজোপা আকাৰত সৰু হয়। ডালত ওলমি থকা ৰঙীন ফুলবোৰে বিচিত্ৰ আকৃতি ধাৰণ কৰে। অসমৰ ভৈয়ামীয়া ঠাইবোৰত ইয়াক সাধাৰণতে দেখিবলৈ পোৱা নাযায়।

প্লেনটেইন লিলি, হচটা প্লেণ্টগণিয়া, হচটা চবকৰডেটা পৰিয়াল লিলিয়েছি
Plantain Lily Species-Hosta plantagonia, H. Subcordat Family–Liliaceae

অষ্ট্ৰেলিয়া মহাদেশৰ বিখ্যাত চিকিৎসাবিদ Nicholous tomas hostaৰ (1761-1834) নাম অনুযায়ী এই ফেদৰ উদ্ভিদবিলাকৰ জেনেৰিক নামত Host শব্দ প্ৰয়োগ কৰা হৈছে। যেনে Hosta plantagonia.

এইবিধ ফুল জাতীয় বিচিত্ৰ উদ্ভিদৰ উৎপত্তি স্থান চীন দেশ বুলি জনা যায়। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো অঞ্চলত থকা নাৰ্ছাৰীবোৰত ইয়াক দেখিবলৈ পোৱা যায়। পাতবিলাক আকাৰত ডাঙৰ আৰু দীঘলীয়া হয়। ফুলৰ বৰণ বগলী চৰাইৰ পাখিৰ দৰে টৌ টৌ কৈ বগা হয়। ফুলনি-বাৰী আৰু ঘৰ-চোতালৰ দাঁতি-কাষৰীয়া ঠাইত পালেং তৈয়াৰ কৰি শাৰী শাৰীকৈ ৰোপণ কৰি ৰাখিলে সুফল পাব পাৰি।

সাধাৰণ কেমেলিয়া, কেমেলিয়া জাপনিকা পৰিয়াল—থিয়েছি
Common camelia Species–Camelia japonica Family–Theaceae

জৰ্জ যোছেফ কামেল নামৰ এজন বিশিষ্ট বৈজ্ঞানিকৰ নাম অনুযায়ী এই ফৈদৰ উদ্ভিদবোৰৰ জেনেৰিক নাম কেমেলিয়া ৰখা হৈছে। উল্লেখ্য যে চাহ (Tea) গোষ্ঠীৰ

উদ্ভিদবিলাকক কেমেলিয়া জেনেৰিক শব্দৰ দ্বাৰা চিহ্নিত কৰা হয়। সদ্যহতে এই নিবন্ধৰ মাধ্যমত উল্লেখ কৰা বিধ কেমেলিয়াই বিতোপন ফুল ধাৰণ কৰে। ফুলবোৰৰ বৰণ টৌ টৌ কৈ বগা হয়।

ফুলনি বাৰী বা ঘৰৰ চৌহদৰ দাঁতি-কাষৰীয়া ঠাইত গাইগুটীয়াভাৱে বা শাৰী শাৰীকৈ ৰোপণ কৰি ৰাখিলে শীত আৰু বসন্ত কালত গছবোৰে ৰমক-জমক ৰূপ ধাৰণ কৰে।

পখিলা ফুল, বুদেলজা ডেভিদিয়াই
পৰিয়াল—বুদলেজাছি
Butterfly Bush Species–Buddleja davidii Family–Buddlejaceae

ইংলণ্ডৰ কৃতবিদ্য উদ্ভিদ বিজ্ঞানী Rev. Adam Buddle (166-1715) নাম চিৰস্মৰণীয় কৰিবৰ বাবে এইবিধ বিচিত্ৰ পুষ্পধাৰী উদ্ভিদৰ জেনেৰিক নাম Buddleja ৰখা। এইবিধ ফুল মেঘালয়ৰ পাৰ্বত্য ভূমিত দেখিবলৈ পোৱা যায়। হিমালয় শেলমালা লাল বাহাদুৰ শাস্ত্ৰী শিক্ষানুষ্ঠান চৌহদতো এইবিধ ফুল জাতীয় উদ্ভিদ মই দেখা মনত পৰে।

ইয়াৰ উৎপত্তি স্থান চীন দেশৰ মধ্য আৰু পশ্চিমৰ অঞ্চল বুলি জনা যায়। অসমৰ ভৈয়ামীয়া ভূ-খণ্ডত ইয়াক সাধাৰণতে দেখিবলৈ পোৱা নাযায়।

ৰঙা শিৰীষ; আলবিজিয়া জুলিব্ৰিছিম
পৰিয়াল—লগুমিনেছি আলবিজিয়া মলিছ
(Pink Siris) Species-Albizzia julibrissin Family-Leguminaceae Synonym Albizzia mollis

এক প্ৰকাৰৰ ৰঙচুৱা বৰণৰ চুলিৰ নিচিনাকৈ পাহ মেলি থকা ফুলৰ থোপা ধাৰণ কৰা জোপোহা গছ। ধুনীয়া ফুলৰ থোপাৰে উপচি থকা গছ হোৱাৰ বাবে বহুতে ইয়াৰ পুলি বাৰীৰ কাষে-পাজৰে ৰোপণ কৰি ৰাখে। বঙালী ভাষাত ইয়াক কলকৰা বুলি কোৱা হয়। হিন্দীত লাল শিৰীষ।

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী। চাহ বাগিচাৰ মাজে মাজে লগাই ৰখা ছায়া প্ৰধান কৰি ৰখা শিৰীষ গছৰ (Albizzia lebbek) লগত ইয়াক ৰিজাব পাৰি।

ৰাণী বাবুল, একেচিয়া ডেকুৰেণছ
পৰিয়াল—লেগুমিনেছি
Queen Wattle Species–Acacia dacurrens Family–Leguminaceae

বাবুল জাতীয় এবিধ মজলীয়া আকাৰৰ চিৰ হৰিৎ গছ। সাধাৰণতে ইয়াক মেঘালয়, উত্তৰ কাছাৰ, কাৰ্বি আদিৰ পাহাৰীয়া ঠাইত দেখিবলৈ পোৱা যায়।

গুজমানিয়া, গুজমানিয়া লিংগুলাটা
ব্ৰমেলিয়েছি
Guzmania Species Guzmania lingulata Family–Bromeliaceae

স্পেইন দেশীয় উদ্ভিদ বিজ্ঞানী A. Guzman নামৰ ব্যক্তিৰ নাম অনুযায়ী এই বিধ উদ্ভিদৰ জেনেৰিক নাম

Guzmania ৰখা হৈছিল। ইয়াৰ উৎপত্তি স্থান কলম্বিয়া।

এবিধ সুন্দৰ আকৃতি পৰদেহী উদ্ভিদ ৰূপে ই এক প্ৰকাৰৰ অনুপম পুষ্প ধাৰণ কৰা দেখা যায়। ফুলৰ বৰণে ৰঙা আৰু হালধীয়া ৰঙক প্ৰতিনিধিত্ব কৰা পৰিলক্ষিত হয়।

গম আৰবীয় বাবুল, একেচিয়া চেনেগাল পৰিয়াল—লগুমিনেছি
Gum Arabic Wattle Species–Acacia Senegal Family–Leguminaceae

এবিধ বাবুল জাতীয় বনৰীয়া উদ্ভিদ। ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। ইয়াক খাচিয়া জয়ন্তীয়া পাহাৰৰ শ্বিলংত দেখিবলৈ পোৱা যায়।

বাওবাব, আদানচনিয়া ডিজিটাটা পৰিয়াল—বম্বাকেছি
Baobab Species-Adansoria digitata Family–Bombacaceae

আফ্ৰিকা মহাদেশীয় এবিধ বিচিত্ৰ আকৃতিৰ উদ্ভিদ। এই জাতৰ গছডালৰ অগ্ৰভাগে এক প্ৰকাৰৰ পত্ৰবিহীন ৰূপ প্ৰদৰ্শন কৰে। ভাৰতবৰ্ষত ইযাৰ উৎপত্তি কম। কেৱল দক্ষিণ ভাৰতত ইযাৰ দুই-এজোপা গছ দেখিবলৈ পোৱা যায়। অসমত নাই।

বগা ডামাৰ, আগাথিচ আলবা পৰিয়াল—পাইনেছি
White Damar Species–Agathis alba Family–Pinaceae

এবিধ মজলীযা আকাৰৰ বনৰীয়া গছ, অসমত ইয়াৰ উৎপত্তি নগণ্য। বাৰ্ণিছ তৈয়াৰ সমলৰ এইবিধ গছৰ আৱশ্যকতা অতিশয় তীব্ৰ।

মালিনা শন, এগেভে কাণ্টালা পৰিয়াল—এগেভেছি
Malina Maguey Species-Agave cartala Family–Agavaceae

এবিধ শন জাতীয় উদ্ভিদক প্ৰতিনিধি কৰা পৰদেশী উদ্ভিদ। ইয়াৰ তৰোৱালসদৃশ পাতবোৰে দৰ্শনীয় ৰূপ ধাৰণ কৰে। আজিকালি আলি-পদূলিৰ সংগম স্থলবিলাকত প্ৰতিষ্ঠিত সূক্ষ্ম উদ্যানবোৰত ইয়াক ৰোপণ কৰি ৰখা অৱস্থাত দেখিবলৈ পোৱা যায়।

কৰ্ণ কক্কল, এগ্ৰচটেমা গিথাগো পৰিয়াল—কেৰিওফাইলেছি
Corn-cockle Species-Agrostina githago Family–Caryophyllaceae

এইবিধ গছ সাধাৰণতে অসমত দেখিবলৈ পোৱা নাযায়। বহুতো মানুহে অসমৰ বাহিৰৰপৰা ইয়াৰ সঁচ আনি উদ্যানত ৰোপণ কৰা দেখা যায়।

পেৰা পেটাৰি, এবুটিলন ইন্দিকম পৰিয়াল—মালভেছি
Perapetari Species–Abutilon indicum Family–Malvaceae

দ্বিবাৰ্ষিক আয়ুসৰ এবিধ সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। ইংৰাজী ভাষাত ইয়াক Indian Mallow বুলি কোৱা হয়। ইয়াৰ ঠালৰ বাকলি বখলিয়াই প্ৰস্তুত কৰা ৰচি

নানা কামত ব্যৱহাৰ কৰা হয়। গছজোপাৰ ঠাৰি আৰু পাতে ঔষধীয় গুণ ধাৰণ কৰা দেখা যায়। উজনিৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

লাতুমণি, (প্ৰকাৰ) কণিবিহ এব্ৰছ পালচেলছ পৰিয়াল—লেগুমিনেছি

Latumoni (Var) Konibih Species-Abrus pulchellus Family–Leguminaceae

এবিধ সৰু আকাৰৰ আৰোহী লতা। ই ধাৰণ কৰা ছিৰাবোৰে সৰু সৰু আকাৰৰ গুটি ধাৰণ কৰে। সোণ প্ৰভৃতি মূল্যবান ধাতুৰ ওজন ল'বৰ বাবে ইয়াৰ গুটি ৰতি হিছাপে ব্যৱহাৰ কৰা হয়।

বাবুল, (প্ৰকাৰ) একেচিয়া নিলোটিকা একেচিয়া আৰাবিকা পৰিয়াল—লেগুমিনেছি

Wattle (Var) Species-Acacia nilotica Synonym Acacia arabica Family–Leguminaceae

এবিধ বাবুল গোষ্ঠীৰ পৰ্ণপাতী গছ। গছৰ আকাৰ। প্ৰায়ক্ষেত্ৰতে জাকৰুৱাভাৱে একেডৰা ঠাইতে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ ঠাল-পাতবোৰ গৰু-ম'হে খোৱাৰ উপযোগী। গা-গছৰ গুৰিৰ অংশ খেতি কৰা মানুহে নাঙল-যুৱলি আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰে। কোনো কোনো ঠাল-ঠেঙুলিৰ আগভাগ দাঁতোন হিছাপে ব্যৱহাৰ কৰা দেখা যায়।

কেছেৰি কাঁইট, (বাবুল প্ৰকাৰ) একেচিয়া অক্সিফাইলা পৰিয়াল—লেগুমিনেছি

Kecheri Kaint (Wattle Var) Species–Acacia oxyphylla Family–Leguminaceae

এবিধ মোটা আকাৰৰ কাঁইটীয়া লতা জাতীয় উদ্ভিদ। উজনি অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

কেছাই লতা, একেচিয়া পিনাটা পৰিয়াল—লেগুমিনেছি

(Kechai lota) Species–Acacia pinnata Family–Leguminaceae

এবিধ মোটা আকাৰৰ আকুহি লতা ফৈদৰ উদ্ভিদ। উজনি অসমৰ কোনো কোনো মানুহে ইয়াক কেছাই লতা বুলি কয়। বঙালী ভাষাই কুছুই আৰু হিন্দীত বিশ্বাল নামেৰে জনা যায়। পাতৰ আকৃতি দীঘল চানেকীয়াকৈ আগজোঙা হয়। দাঁতৰ গুৰিত তেজ ওলালে ইয়াৰ পাতকেইখন পটাত পিহি লগাই দিলে আৰোগ্য লাভ কৰিব পাৰি।

কেছাই লতা, (প্ৰকাৰ) একেচিয়া প্ৰুইনেছেন্স পৰিয়াল—লেগুমিনেছি

Kechai Lota (Var) Species–Acacia pruinescens Family–Leguminaceae

এইবিধ লতা জাতীয় উদ্ভিদ আৰু ইয়াৰ আগতে বৰ্ণনা আগবঢ়োৱা কেছাই লতা নামৰ উদ্ভিদৰ মাজত বিশেষ পাৰ্থক্য থকা দেখিবলৈ পোৱা নাযায়।

বিলাতী শন, এগেভে এমেৰিকানা পৰিয়াল এগেভেছি
Bilati Son Species-Agave americana Family–Agavaceae

এবিধ শন নামেৰে জনাজাত পৰদেশী গছ। আজিকালি অৱশ্যে আলংকাৰিক উদ্ভিদ হিছাপে ইয়াক কেঁকুৰি আলিৰ উদ্যান আৰু ঠাই বুজি আলি-পদূলিৰ কাষত ইয়াক ৰোপণ কৰা হয়। মাটি-কঁঠালৰ দৰে ফেৰ মেলা গছজোপাৰ মূঢ়াৰপৰা এডাল দীঘল ঠাৰি ওলাই আহে। এই ঠালৰ আগভাগত উৎপন্ন হোৱা ডালবোৰে কিছুমান বগা বৰণীয়া ফুলৰ থোপা ধাৰণ কৰে। এই ঠাৰিডাল আৰু ডাঠবিধৰ পাতবোৰ চেও চেওকৈ কাটি পানীত গোৰালে মৰাপাটৰ নিচিনা সূতাৰ উৎপত্তি হয়। আৰু এই সূতা নানা প্ৰকাৰ বস্তু বন্ধা কামত ব্যৱহাৰ কৰিব পাৰি।

মতাভেলা, এলিওৰাইটি মলোকানা এলিওৰাইটি ট্ৰাইলʼবা পৰিয়াল ইউফৰবিয়েছি
Mota Bhela Species-Aleurite molucanna Synonym–Aleurite triloba Family–Euphorbiaceae

মজলীয়া আকাৰৰ এবিধ বনৰীয়া গছ। এইবিধ গছ আচলতে অসমৰ থলুৱা গছ। কোনো কোনো চাহ বাগিচাৰ মেনেজাৰসকলে ইয়াৰ সঁচ বাহিৰৰপৰা আমদানি কৰি আনি ৰোপণ কৰিছিল। ইয়াৰ কাঠৰপৰা বাৰ্ণিচ পেইন্ট আদি তৈয়াৰ কৰিব পাৰি। ঘুণ আদি পতংগ বিতাৰণ কৰাত এই পেইন্ট সহায়ক হয়।

টাং গছ, এলিওৰাইটি মনটানা পৰিয়াল—ইউফৰবিয়েছি
(Tang Wood) Species–Aleurite montana Family–Euphorbiaceae

এইবিধ গছো অসমৰ থলুৱা উদ্ভিদ নহয়। বৃটিছৰ দিনত কোনো কোনো চাহ বাগিচাৰ মেনেজাৰে ইয়াৰ সঁচ বাহিৰৰপৰা আমদানি কৰি আনি কাঠত লগোৱা ৰং তৈয়াৰ কৰিবৰ বাবে সুবিধাজনক ঠাইত ৰোপণ কৰিছিল। আজিকালি বাগান আকাৰে ইয়াৰ খেতি কৰা নহয়। কিন্তু সৌন্দৰ্য বৰ্দ্ধনৰ বাবে বাটৰ কাষে কাষে শাৰী শাৰীকৈ ইয়াৰ ৰোপণ কাৰ্য সম্পাদন কৰা হয়।

কনৰু, এলিয়ম পৰোম পৰিয়াল—লিলিয়েছি
(Konoru) Species–Allium porrum Family–Liliaceae

তৰকাৰি হিছাপে খোৱাৰ উপযোগী এবিধ শাক জাতীয় উদ্ভিদ। কোনো কোনো মানুহে বাৰীত ইয়াৰ খেতি কৰি তৰকাৰি উৎপাদনৰ ব্যৱস্থা কৰে। অসমীয়া ভাষাত ইয়াক কনৰু বুলি কয়। বঙালী ভাষাত পাৰু আৰু হিন্দীত বিলাইটি, লাচুন আৰু গন্ধিনা নামেৰে জনা যায়।

ভোজপত্ৰ, বেটুলা এলনইদিছ বেটুলা একিউমিনেটা পৰিয়াল—বেটুলেছি
Bhuja Patra Species–Betula alnoides Synonym Betula acuminata Family–Betulaceae

এবিধ মজলীয়া অথবা অলপ ডাঙৰ আকাৰৰ বনৰীয়া গছ। অতীজতে এইবিধ গছৰ বাকলি গুচাই সেই বাকলিৰ ওপৰত এক প্ৰকাৰ চিয়াঁহিৰে আখৰ লিখি পুথিৰ আকাৰে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। ভোজপত্ৰত লিখি ৰখা বহুতো সাচীপতীয়া পুথি বহুতো মানুহৰ ঘৰত অপ্ৰকাশিত অৱস্থাত থকাৰ কথা জনা যায়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ মান মজলীয়া। এই কাঠ চকি, মেজ, পালেং আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

ভোজপত্ৰ, (প্ৰকাৰ) বেটুলা ভোজপত্ৰ বেটুলা ইউটিলিছ পৰিয়াল—বেটলেছি
Bhuja patra Species–Betula bhujapatra Synonym–Betula utilis Family–Betulaceae

ইয়াৰ আগৰ নিবন্ধৰ জৰিয়তে ভোজপত্ৰ নামৰ এবিধ বৃক্ষৰ বৰ্ণনা আগবঢ়াই অহা হৈছে। সদ্যহতে বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা ভোজপত্ৰ আৰু আগতে বৰ্ণোৱা বিধৰ মাজত বিৰাজ কৰা পাৰ্থক্যৰ পৰিমাণ তেনেই সামান্য।

ধূপা পাৰলি, বিগনিয়া চুবাৰোজা মিলিংটনিয়া হৰটেনচিছ পৰিয়াল বিগননিয়েছি
(Dhupa Paroli) Species-Biggonia suberosa Synonym-Millingtonia hortensisFamily-Bignoniaceae

চৌপাশে ডাল-পাত মেলি মেলাহি ৰূপ ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। এই গছৰ কাঠ অলপ কোমল চানেকীয়া। সেই কাঠ সাধাৰণ বিধ চকি, মেজ, পালেং, টুল আদি তৈয়াৰ কৰিব পাৰি।

বঙালী ভাষাত এইবিধ উদ্ভিদক আকাশ নীম আৰু হিন্দী ভাষাত চামেলি নিম বুলি কোৱা হয়।

জৰঠ, বিক্‌ছা অৰিলানা পৰিয়াল—বিক্‌চেছি
Joroth Species-Bixa orelana Family–Bixaceae

এবিধ মজলীয়া আকাৰৰ চিৰ হৰিৎ গছ। উজনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকৰ কোনো অঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কাৰ্বি আংলং, উত্তৰ কাছাৰ জিলাৰ পাৰ্বত্য ভূভাগতো দেখিবলৈ পোৱা যায়। বৰাক উপত্যকাৰ কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ বনাঞ্চলবোৰতো ইয়াক দেখা যায়। ই ধাৰণ কৰা ফলৰপৰা তৈয়াৰী ৰং কাঁপোৰত লগোৱা হয়।

বৰ কাছিদৰিয়া, বনায়া ৰেপটানছ পৰিয়াল স্ক্ৰফুলেৰিয়েছি
Bor Kasidoria Species-Bonnaya Reptans Family–Scrophulariaceae

এবিধ বছৰেকীয়া আনত বনৰীয়া বন। অসমৰ প্ৰায় সকলো ঠাইতে দেখিবলৈ পোৱা যায়। ইয়াৰ পাতৰপৰা ৰস উলিয়াই তেজ ওলোৱা বন্ধ হয়। অসমৰ বাহিৰে মেঘালয়ৰ চেঁচুকীয়া ঠাইবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

সৰু কাছিদৰিয়া, বনায়া ব্ৰাকিয়াটা পৰিয়াল স্ক্ৰফুলেৰিয়েছি
Soru Kasidoria Species-Bonnaya brachiata Family–Scrophulariaceae

চেঁচুকীয়া ঠাইত গজা এবিধ সৰু বিধৰ বন জাতীয় উদ্ভিদ। এইবিধ বনৰীয়া বন বিশেষ কোনো কামৰ উপযোগী নহয়। অৱশ্যে ইয়াৰ পাত কলপাতত দি ঘাৰপৰা ওলোৱা তেজ বন্ধ কৰিব পাৰি।

অসমৰ প্ৰায় সকলো ঘাঁহ-বননিত গজা হাবিতলীয়া ভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বৰ হাইটা, ব্ৰাইডেলিয়া আচামিকা পৰিয়াল—ইউফৰবিয়েছি
(Bor Haita) Species-Bridelia assamica Family–Euphorbia-ceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। খৰি হিছাপে ব্যৱহাৰ কৰাৰ বাহিৰে এইবিধ গছ অন্য কোনো কামত লগোৱাৰ উপযোগী নহয়। উজনি অসম, নগাভূমি, মেঘালয় আদিৰ বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

পাটকুহিৰ, মনকুহিৰ, ব্ৰাইডেলিয়া টমেন্টছা পৰিয়াল ইউফৰবিয়েছি
Patkuhir Monkuhir Species–Bridelia tomentosa Family–Euphorbiaceae

নামনি আৰু উজনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকৰ কোনো কোনো ঠাইত স্বাভাৱিকতে উৎপন্ন হোৱা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। কাঠৰ মান মধ্যবৃত্তি বিধৰ।

টিকনি বৰুৱা লতা, কুমাৰী লতা, বুয়েটনেৰিয়া এচপেৰা পৰিয়াল ষ্টাৰকুলিয়েচি
Tikoni Barua lata, Kumari Lata Species–Buetteneria aspera Family–Sterculiaceae

এবিধ মোটা আকাৰৰ আৰোহী লতা। পাতৰ আকাৰ ধপলা-ধপল হয়। বহাগৰ বিহুৰ দিনা গধূলি পদূলি-মুখত বছৰটোৰ বাবে মহ-ডাঁহৰ উপদ্ৰৱ কমিবলৈ জাক দিওঁতে ইয়াৰ ঠাৰি আৰু পাত জুইত দিয়া হয়। কুমলীয়া পোখা আৰু ঠাৰি পিহি সেই পানীতে মুখ ধুলে উপকাৰ হয়। উজনি আৰু নামনি অসমৰ হাবি-বননিত ইয়াত উৎপত্তি পৰিলক্ষিত হয়।

পাতাং বা পাতাংগাকা, চিজালপিনিয়া চাপান পৰিয়াল—লেগুমিনেছি
Patang Patangaka Species-Caesalpinia sappan Family-Leguminaceae

শাকনি বা ফুলনিবাৰীৰ কিনাৰত লগোৱা এবিধ মজলীয়া আকাৰৰ আলংকাৰিক উদ্ভিদ। ইয়াৰ কাঠৰপৰা এক প্ৰকাৰৰ বাৰ্ণিছৰ নিচিনা ৰং প্ৰস্তুত কৰা হয়। ইয়াৰ কাঠ সাধাৰণ বিধৰ আচবাব তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

মাছ্‌কটা, বনমলা, গুণমলা, কেলিকাৰপা আৰবৰিয়া পৰিয়াল—ভাৰবিনেছি
Machkota Bonmola, Gunmola Species–Callicarpa arborea Family–Verbenaceae

মজলীয়া আকাৰৰ এবিধ চিৰ সেউজীয়া গছ। পাত আৰু বাকলি পিহি গাখীৰত উতলাই মুখেৰে কুলু কৰিলে দাঁতৰ বিষ নিৰাময় হয় বুলি জনা যায়। ইয়াৰ বাকলি তামোলৰ দৰে পাণৰ লগত চোবাই খাব পাৰি। পাতবোৰ গৰু-ম'হে খোৱাৰ উপযোগী। উজনি অসম, বৰাক উপত্যকা আৰু মেঘালয়ত এইবিধ গছৰ উৎপত্তি পৰিদৃষ্ট হয়।

বঙালী ভাষাত এইবিধ গছক বৰমালা বা খাজা বুলি কোৱা হয়। হিন্দুস্থানী নাম খাজু।

টংলটি, কেলিকাৰ্পা মেক্ৰেফাইলা পৰিয়াল—ভাৰবিনেছি
Tongloti Species–Callicarpa macrophylla Family–Verbenaceae

চাৰিওফালে ডাল মেলি মেলাহি আকৃতি প্ৰদৰ্শন কৰা এবিধ মজলীয়া আকাৰৰ গছ। বঙালী ভাষাত মাখোৱা আৰু হিন্দীত ইয়াক দায়া বুলি কোৱা হয়। দৰং, শোণিতপুৰ, লক্ষীমপুৰ আদি উত্তৰপৰীয়া বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কাৰ্বি আংলং উত্তৰ কাছাৰ আৰু বৰাক উপত্যকাতো দেখিবলৈ পোৱা যায়।

চেনিচম্পা বা নাগচম্পা ফুল, কেলোফাইলম ইনোফাইলম পৰিয়াল—গুটিফেৰি
Cheni champa or Nagchampa flower Species–Calophyllum inophyllum Family–Guttiferae

আকৰ্ষণীয়ভাৱে সুগন্ধি ফুল ধাৰণ কৰা এবিধ কঠিন দেহৰ আৰোহী উদ্ভিদ। সুগন্ধি ফুল ফুলাৰ বাবে বহুতো মানুহে ইয়াৰ দুই-এজোপা গছ বাৰীত লগাই ৰাখে। উজনি আৰু মধ্য অসমৰ বনভূমিবিলাকতো ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

কানা ফুল, সৰ্বজয়া, পাৰিজাত কানা ইন্দিকা পৰিয়াল কানাছি
Cana Species-Cana indica Family–Canaceae

থোপা-থোপে ডাঙৰ আকাৰৰ বিভিন্ন ৰং-আকাৰ আকৃতিৰ ফুল ধাৰণ কৰা একাধিক জাতৰ ফুল ধৰা উদ্ভিদ।

ঠাৰিবিলাক কোমল হয় আৰু এই ঠাৰিত উৎপত্তি হোৱা পাতবোৰে দীঘল আৰু আগজোঙা আকৃতি ধাৰণ কৰে। ফুলনিবাৰীৰ কাষে শাৰী শাৰীকৈ ৰোপণ কৰিলে বাৰীখনে ৰমক-জমক ৰূপ প্ৰদৰ্শন কৰে।

হালধীয়া ফুল, ধৰা কানাফুল বা সৰ্বজয়া, কানা ফ্লেভা পৰিয়াল—কানাছি
Yellow-flowered canna Species–Canna flava Family–Cannaceae

ফুলৰ বৰণ অনুযায়ী কানা, সৰ্বজয়া অথবা পাৰিজাত ফুল নামেৰে উদ্ভিদৰ কেবাটাও জাত আছে। ইয়াৰ ভিতৰত হালধীয়া বৰণৰ উকা অথবা আংশিকভাৱে ৰং-বিৰঙৰ ফুল এবিধ কানা ফুলক বিজ্ঞানসম্মতভাৱে Canna flava নামেৰে জনা যায়।

ৰঙা ফুলধৰা কানা ফুল, কানা নেপালেনচিছ পৰিয়াল—কানাছি
Red flowered canna Species–Canna nepalensis Family–Cannaceae

ৰঙা বা ৰঙচুৱা বৰণৰ আকৰ্ষণীয় ফুলৰ থোপা ধাৰণ কৰা বিধ সৰ্বজয় বা পাৰিজাত ফুলক বিজ্ঞানসম্মতভাৱে Canna nepalensis নামেৰে চিহ্নিত কৰা হয়।

গোলাপী ৰঙৰ ফুলধৰা কানা, সৰ্বজয়া বা পাৰিজাত কানা স্পেচিৱছা পৰিয়াল—কানাছি
Pink-flowwred canna Species–Canna speciosa Family–Cannaceae

ইতিপূৰ্বে বেলেগ বেলেগ আকাৰ আৰু বৰণৰ ফুলধৰা একাধিক জাতৰ কানা ফুলৰ লগত পাঠক-পাঠিকাসকলক চিনাক্ত কৰি দিয়াৰ প্ৰয়াস কৰা হয়। সদ্যহতে উল্লেখ কৰা বিধ কান্নই গোলাপী ৰং ধাৰণ কৰে। ইয়াৰ বৈজ্ঞানিক নাম হ'ল Canna speciosa.

গকুল ধূপ, কানাৰিয়ম চিক্কিমেনচিছ পৰিয়াল—বাৰচিয়েছি
Gokul dhup Species–Canarium sikkimensisFamily–Burseraceae

এবিধ ধূনা জাতীয় চিৰ সেউজীয়া গছ। সাধাৰণতে নামনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। গছজোপাত গুৰিৰফালে থকা অংশৰপৰা বিজলৰ নিচিনা গম নিৰ্গত। এই গম ধূনাৰ দৰে ব্যৱহাৰ কৰিব পাৰি। গছজোপাৰ কাঠৰপৰা চকি-মেজ আদি লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰিব পাৰি।

গংগাবেনা, কেপচেলা বুৰচা-বেস্তৰিছ পৰিয়াল—ক্ৰুছিফেৰি
Gangabena Species–Capsella bursa-pastoris Family–Cruciferae

এবিধ সেমেকা ঠাইত উৎপত্তি হোৱা ঘাঁহ-বন জাতীয় বনৰীয়া উদ্ভিদ। ঔষধ হিছাপে ব্যৱহাৰ কৰিব পৰা এবিধ ৰস

ইয়াৰ পাতৰপৰা তৈয়াৰ কৰিব পাৰি বুলি জনা যায়। অসম, নগাভূমি আৰু মেঘালয়ত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

কুহুম ফুল, হেংগুল কাৰথামছ টিংকটৰিয়ছ পৰিয়াল—কম্পজিটি
Species–Carthamus tinctorius
Family–Compositae

বছেৰেকীয়া আয়ুসৰ এবিধ অলপ টান ধৰণৰ ঠাৰি ধাৰণ কৰা কাঁইটধাৰী উদ্ভিদ। জাবৰ-জোঁথৰ পেলনীয়া চেঁচুকীয়া ঠাইবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। আকৰ্ষণীয় ফুল ফুলাৰ বাবে কোনো মানুহে ইয়াক ফুলনি-বাৰীত লগাই ৰাখে। গছ অনুযায়ী ফুলৰ ৰং বেলেগ বেলেগ হোৱা দেখা যায়।

উজনি অসমৰ বনভূমিবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

লতা, কপাল ফুটা, কাৰদিয়চ পাৰমম হেলিকেকেবম্ পৰিয়াল চেপিন্দেছি
(Lota kopal phuta) Species–Cardiospernum heulicacabum
Family–Sapindaceae

পাতলীয়া বিধৰ ঠাৰি ধাৰণ কৰা লতা জাতীয় উদ্ভিদ। ইয়াৰ ফুলৰ ভিতৰত উৎপত্তি হোৱা গুটিৰ ওপৰত থকা ঢাকনিখন কপালত জোৰেৰে কোবাই দিলে এক প্ৰকাৰ শব্দৰ উৎপত্তি হয়। সেইবাবে ইয়াক লতা জাতীয় কপাল ফুটা বুলি কোৱা হয়। বঙালী ভাষাত ইয়াক নয়াফটকি, লতা ফুটকি আদি নামেৰে জনা যায়। হিন্দী ভাষাত কাণফুটকি বুলি কয়। ইংৰাজী নাম হ'ল Baloon vine.

কুম্ভী, পাণভেলা, কেৰিয়া আৰবৰিয়া পৰিয়াল—লেচিথিদেছি
Kumbhi Panbhela Species–Careya arborea Family–Lecithidaceae

এবিধ মজলীয়া বা সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। কাঠৰ বৰণ ৰঙচুৱা হয়। চকি, মেজ, পালেং আদি তৈয়াৰ কৰা কামত ব্যৱহাৰৰ উপযোগী। পানীত উপণ্ডি থকা নাও আৰু পানীত ডুব খাই থকা খুঁটা আদিত লগালে দীৰ্ঘস্থায়ী হয় বুলি জনা যায়। অসমীয়া ভাষাত এইবিধ উদ্ভিদক ঠাই অনুযায়ী কুম্ভী, পাণভেলা, কামৰঙা আদি বিভিন্ন নামেৰে জনা যায়। বঙালী আৰু হিন্দী ভাষাত কুম্ভী বুলি কোৱা হয়।

বগা জিৰা, কেৰম কাৰভি চেচেলি কাৰভি এপিয়ম কাৰ্ভি পৰিয়াল অম্বেলিফেৰি
(Boga Jira) Species–Carum carvi Synonyn–Seseli curvi 2nd Synonyn–Apium carvi Family–Umbelli–ferae

মছলা হিছাপে ব্যৱহাৰ কৰিবপৰা গুটি ধাৰণ কৰা এবিধ খেতিত লগোৱা উদ্ভিদ। অসমীয়া ভাষাত এইবিধ মছলাক জিৰা বা বগা জিৰা বুলি কোৱা হয়। বঙালী ভাষাত জিৰা আৰু হিন্দীত চিয়া বুলি কয়।

জনি, কেৰম কেপ্টিকম চেচেলি এমি এমি কেপ্টিকম ট্ৰেকাইস্পাৰমম এমি পৰিয়াল—অম্বেলিফেৰি

(Joni) Species–Carum capticum Synonym (1) Seseli ammi Synonym (2) Ammi capticum Synonym (3) Trachyspermum ammi Family–Umbelliferae

মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা গুটি ধাৰণ কৰা এবিধ বন জাতীয় উদ্ভিদ। বঙালী ভাষাত ইয়াক জনি অথবা আজান বুলি কোৱা হয়। হিন্দীত আজবান বা আজমদ বোলে।

ৰান্ধনি, কেৰম ৰাক্সবাৰঘিয়ানম ট্ৰেকাইস্পাৰমম ৰাক্সবঘিয়ানম পৰিয়াল—অম্বেলিফেৰি

Randhoni Species–Carum ruxburghianum Synonym–Trachyspermum ruxburghianum Family–Umbelliferae

মছলা হিছাপে তৰকাৰিত ব্যৱহাৰ কৰাৰ উপযোগী গুটি ধাৰণ কৰা আন এবিধ খেতি কৰি বাৰীত লগোৱা বন জাতীয় উদ্ভিদ।

বন কেচেৰু, চাংলাডুৰি, চিকাৰগুটি, কেচেৰিয়া ভেৰেকা পৰিয়াল—চেমিডেছি

Bonkeseru, Changladuri, Chikar Guti Species–Casearia vereca Family–Samidaceae

এবিধ অলপ ডাঙৰ আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ গুটি পতাত পিহি পানী মিহলাই সেই পানীৰে মুখত কুলকুলিয়ালে দাঁতৰ পোক মৰে। উজনি আৰু নামনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

খৰপাট, কেচিয়া আলাটা চেন্না আলাটা পৰিয়াল—লেগুমিনেছি Khorpat Species-Cassia alata Synonym-Senna alata Family–Leguminaceae

এবিধ সৰু আকাৰৰ পৰ্ণপাতী গছ। অসমত থকা প্ৰায়বিলাক বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ইয়াৰ পাত খুন্দি ৰস খালে পেলুৰ উপদ্ৰৱৰপৰা ৰক্ষা পাব পাৰি। ছালৰ বেমাৰতো ব্যৱহাৰ কৰা হয়।

ৰঙা সোণাৰু, কেচিয়া মাৰ্জিনাটা পৰিয়াল—লেগুমিনেছি

Ronga Sunaru Species–Cassia marginata Family–Leguminaceae

ৰঙা বৰণৰ ফুলেৰে ৰমক-জমক ৰূপ ধাৰণ কৰা এবিধ সোণাৰু জাতীয় উদ্ভিদ। ইয়াক অসমীয়া ভাষাত ৰঙা সোণাৰু বা বিলাতী সোণাৰু বুলি কোৱা হয়। তুলনামূলকভাৱে ইয়াৰ উৎপত্তি কম। আচলতে ই অসমৰ থলুৱা উদ্ভিদ নহয়। বিতোপন ফুল ধাৰণ কৰাত কোনো কোনো মানুহে আলি-পদূলিৰ কাষত শাৰী শাৰীকৈ ৰোপণ কৰে। ইংৰাজী ভাষাত ইয়াক Red cassia বা Indian Laburnum বুলি কোৱা হয়।

গৰীয়া আলু, চিচামপেলচ পেৰেইৰা চিচামপেলচ একিউমিনেটা পৰিয়াল— মেনিচপাৰমেছি Goria Alu Species-Cissampelos pareira Synonym-Cissampelos acuminata Family-Menispermaceae

বছেৰেকীয়া আনতৰ এবিধ পাতল চানেকীয়া আৰোহী লতা। অসমীয়া ভাষাত ইয়াক গৰীয়া লতা বুলি কোৱা হয়। বঙালী আৰু হিন্দীত ইয়াক ক্ৰমে আকানাদি আৰু আকানদি বোলে। সাধাৰণ ঘৰৰ চটি, মাৰলি আদি মজবুতকৈ বান্ধিবৰ বাবে ইয়াক ৰচি হিছাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ শিপা বিভিন্ন বেমাৰৰ ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়।

উজনি আৰু নামনি অসমৰ হাবি-বনানীবোৰত ইয়াক দেখিবলৈ পোৱা যায়।

বান্দৰ লাখুটি, কেচিয়া নদোছা পৰিয়াল—লেগুমিনেছি Bandor Lakhuti Species-Cassia nodosa Family-Leguminaceae

ৰঙা ৰঙা ফুলৰ থোপাৰে জিলিকি থকা এবিধ সোণাৰু সদৃশ মজলীয়া গছ। অসমীয়া নাম বান্দৰ লাখুটি। বঙালী ভাষাত বান্দৰ লাঠি বুলি কোৱা হয়। আলংকাৰিক গছ হিছাপে আলিবাটৰ কাষত শাৰী শাৰীকৈ ৰোপণ কৰিব পাৰি।

মেদেলুৱা, আলখনি, কেচিয়া চফেৰা চেন্না চফেৰা পৰিয়াল—লেগুমিনেছি Medelua Alokhoni Species-Cassia sophera Synonym-Senna sophera Family-Leguminaceae

জোপোহানি হাবি-বনানীৰ মাজে মাজে আৰু আলিবাটৰ কাষে-পাজৰে উৎপত্তি হোৱা এবিধ নমনীয়া ফুলধৰা দীঘল আকাৰৰ ছিৰা ছিৰা ফল ধৰা বনৰীয়া উদ্ভিদ। বছৰে বছৰে উৎপত্তি হৈ পাছত মৰি নাইকিয়া হ'লেও গুটিৰপৰা পুলি বছৰি গজে।

বিলখনি, কেচিয়া টোৰা কেচিয়া অবটিউচিফলিয়া পৰিয়াল—লেগুমিনেছি Bilokhoni Species-Cassia tora Synonym-Cassia obtusifolia Family-Leguminaceae

জোপোহা হাবি-বনানীৰ মাজে মাজে আৰু আলি-পদূলিৰ কাষে-পাজৰে উৎপত্তি হোৱা এবিধ বনৰীয়া বন। গছবোৰ জাৰকালি মৰিহাজি নাইকিয়া হ'লেও সৰিপৰা গুটিবোৰৰপৰা পুলি গজি পৰৱৰ্তী বছৰ একেজাতৰ গছ-বনৰ উৎপত্তি হৈ ঠাইডোখৰ পুনৰ উপচি পৰে।

আকাশীলতা, কেচিয়া ফিলিফৰ্মিছ পৰিয়াল—লেগুমিনেছি Aakakhi Lota Species-Cassytha filiformis Family-Leguminaceae

হালধীয়া বৰণৰ চুলিসদৃশ লতাৰে উপচিপৰা আশ্ৰয় দাতা গছৰ ওপৰত ওপচি থকা এবিধ লতাজাতীয় উদ্ভিদ। লতাজোপা বছৰি গজি বছৰি মৰি যায়।

বৰ শিঙৰি, কাষ্টানপ্চিছ হিচ্ট্রিক্ছ
পৰিয়াল—ফেগেছি
Bor Singori Species–Castaropsis hystrix Family–Fagaceae

এবিধ ডাঙৰ আকাৰৰ চিৰ হৰিৎ গছ। উজনি আৰু নামনি অসমত বিৰাজ কৰা সংৰক্ষিত বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ কাঠ কঠিন হয় আৰু এই কাঠ কৰতেৰে ফালি তাৰপৰা ওলোৱা বাটাম, তক্তা আদিৰে নানা প্ৰকাৰৰ লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰিব পাৰি। ঘৰ-দুৱাৰ নিৰ্মাণ কৰা কামতো এই কাঠ ব্যৱহাৰ কৰা হয়।

সৰু শিঙৰি, কাষ্টানপচিছ আৰনাটা
পৰিয়াল—ফেগেছি
Sorusingori Species–Castanopsis arnata Family–Fagaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ আগতে উল্লেখ কৰি অহা বৰ শিঙৰি গছৰ কাঠৰ দৰে মিহি নহয়। তথাপি এই কাঠ ঘৰ নিৰ্মাণ কৰা আদি কামৰ বাবে ব্যৱহাৰ কৰিব পাৰি। বেৰা নিৰ্মাণ কৰা আৰু খৰি হিছাপে ব্যৱহাৰ কৰা হয়।

সাধাৰণ শিঙৰি গছ, কাষ্টানপচিছ ইন্দিকা
পৰিয়াল—ফেগেছি
Common hingori tree Species–Castanopsis indica Family–Fagaceae

এবিধ মজলীয়া অথবা অলপ ডাঙৰ আকাৰৰ শিঙৰি জাতীয় গছ। আন দুবিধৰ দৰে ই টান আৰু দীৰ্ঘস্থায়ী কাঠ যি কোনো নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰিব পাৰি। উজনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকত এইবিধ শিঙৰি গছৰ উৎপত্তি পৰিলক্ষিত হয়।

ফুল শিঙৰি, কাষ্টানপচিছ ট্রিবুলইদিছ পৰিয়াল—ফেগেছি
Phul Singori Species–Castanopsis tribuloides Family–Fagaceae

মজলীয়া আকাৰৰ এবিধ চিৰ হৰিৎ গছ। কাঠৰ বৰণ বগা চানেকীয়া হয়। ইয়াৰ কাঠ যে কোনো নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰাৰ উপযোগী হয়। শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, উত্তৰ কাছাৰ, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ আদি জিলাৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কেজুৰিণা, কেজুৰিনা ইকুইজিটিফলিয়া
পৰিয়াল—বেজুৰাৰিনেছি
Casurina Species–Casurina equisitifolia Family–Casuarinaceae

সৰল গছ অথবা জাওবনৰ পাতৰ নিচিনা ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। সাধাৰণতে দক্ষিণ

ভাৰতত বিভিন্ন অঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। আজিকালি কোনো কোনো ঠাইৰ নাৰ্ছাৰিবিলাকত ইয়াৰ পুলি কিনিবলৈ পোৱা যায়।

জাতিপমা বা ফুটা পমা, চেদ্রেলা ফেব্রিফিউগা পৰিয়াল—মেলিয়েছি
Jati poma or phoota poma Species–Cedrela febrifuga Family–Meliaceae

মজলীয়া আকাৰৰ এবিধ চিৰহৰিৎ গছ। অলপ ৰঙচুৱা বৰণৰ কাঠ অলপ কোমল-চানেকীয়া হয়। এই কাঠ পেকিং, বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। উজনি অসমৰ বনাঞ্চলবোৰত ইয়াত উৎপত্তি পৰিদৃষ্ট হয়।

জাতিপমা, (প্ৰকাৰ) চেদ্রেলা মেক্রোকাপা পৰিয়াল—মেলিয়েছি
Jati poma (variety) Species–Cedrela nacrocapa Family–Meliaceae

জাতিপমা জাতীয় আন এবিধ মজলীয়া আকাৰৰ গছ। আগতে বৰ্ণনা আগবঢ়াই অহা বিধৰ দৰে এইবিধ জাতিপমা কাঠো কোমল-চানেকীয়া হয়। পেকিং বাকচ আদি তৈয়াৰ কৰাৰ বাহিৰে ইয়াৰ কাঠো কোনো স্থায়ী নিৰ্মাণ কাৰ্যত লগোৱাৰ উপযোগী নহয়।

বগা শিমলু, চেইবা পেন্টান্দ্রা বম্বাক্স পেন্টানদ্রম ইৰিডেন্দ্রন এনফ্রাবন্টবচম পৰিয়াল—মালভেছি
Boga Simolu Species–Ceiba pentandra Synonym–Bombax pentandrum 2nd synorym–Eriodendron antractuosum Family–Malvaceae

সাধাৰণ জাতৰ শিমলুগছ আৰু সদ্যহতে এই নিৰ্বন্ধৰ মাধ্যমৰ বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা শিমলু গছৰ মাজত বিশেষ পাৰ্থক্য থকা দেখা নাযায়। পাৰ্থক্য ইমানেই যে এই শিমলুৱে ৰঙাৰ সলনি বগা বৰণ ধাৰণ কৰে।

কুনকুনি লতা, চেলাষ্ট্রাছ পেনিকুলেটছ পৰিয়াল—চেলাচট্রেছি
Kunkuni lota Species–Celastrus paniculatus Family–Celastraceae

এবিধ মোটা আকাৰৰ মজবুত আৰোহি লতা জাতীয় উদ্ভিদ। ইয়াৰ বাকলিৰপৰা এক প্ৰকাৰৰ ঔষধ তৈয়াৰ হয়। বিষ-কুপ আদি বেমাৰ নিৰাময়ৰ বাবে ইয়াৰ গুটিৰে ঔষধ তৈয়াৰ কৰিব পাৰি বুলি জনা যায়। উজনি অসমৰ সংৰক্ষিত বনাঞ্চল এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

মৌসিতা, চেলটিছ টেট্রান্দা চেলটিছ অষ্টেলিছ পৰিয়াল আমাৰাথাছি
Mouhita Species–Celtis tetranda Synonym–Celtis australis Family–Amararthacae

এইবিধ গছক অসমীয়া ভাষাত মৌসিতা, মিৰি শোকোতা, শোকোতীয়া, ননীভোলা আদি বেলেগ

বেলেগ নামেৰে জনা যায়। ই এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। কাঠৰ বৰণ হালধীয়া-চানেকীয়া হয়। ঘৰ সজা আৰু চকি-মেজ আদি তৈয়াৰ কৰা কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

কাছাৰ, উত্তৰ কাছাৰ, কাৰ্বি আংলং, শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি জিলাৰ অন্তৰ্গত অৱস্থিত বনভূমিবোৰত ইয়াক দেখিবলৈ পোৱা যায়।

মিঠা চকলা টেঙা, চাইট্ৰাছ পাৰাডাইছি চাইট্ৰাছ ডেকুমানা পৰিয়াল —ৰুটেছি

Mitha chokola tenga Species–Citrus paradisi Synonym–Citrus decumana Family–Rutaceae

এবিধ ৰবাব টেঙা ফৈদৰ মিঠা বিধৰ ফল ধাৰণ কৰা মজলীয়া আকাৰৰ গছ। কোনো কোনো মানুহে ইয়াক বিলাতী চকলা বুলিও কয়। ইংৰাজী ভাষাত ইয়াক Sweet grape fruit বুলি কয়। মিঠা ধৰণৰ চকলা টেঙা ধাৰণ কৰাৰ বাবে বহুতো চৌখিন মানুহে ইয়াৰ দুই এজোপা গছ বাৰীত বা বঙলা চৌহদত ৰোপণ কৰি ৰখা দেখা যায়।

পাণ মুহুৰি, পদমছলা, ক্লওচেনা ৱামপিয়াই পৰিয়াল—ৰুটেছি

Pan muhuri podomochala Species–Clausena wampii Synonym–clausena lansium Family–Rutaceae

সৰু আকাৰৰ এবিধ লতা জাতীয় উদ্ভিদ। এইবিধ উদ্ভিদে পাণ লতাৰ নিচিনা এক প্ৰকাৰৰ পাত ধাৰণ কৰে। এই সুগন্ধি পাতবোৰ কোনো কোনো মানুহে পাণৰ দৰে তামোলৰ লগত চোবাই খায়। শিৱসাগৰ, যোৰহাট, গোলাঘাট জিলাৰ কোনো কোনো বনভূমি আৰু নগাভূমিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বগা ভোটমলা, ক্লিয়ম ভিচ্‌ক'ছা ক্লিয়ম আইকোচান্দ্ৰা পলানিচিয়া আইকোচান্দ্ৰা পৰিয়াল—কেপেৰিডেছি

Boga Bhutmola Species–Cleome viscosa Synonym–Cleome icosandra 2nd synonym–Polanisia icosandra Family–Capparidaceae

অসমীয়া ভাষাত বগা ভোটমলা নামেৰে জনাজাত বঙালী ভাষাত সাদা হোলহোল নামেৰে জনা যায়। হিন্দীত হোলহোল বা কাৰালিয়া নামেৰে পৰিচিত। ইংৰাজী নাম Cat's whisker.

এবিধ অলপ কঠিন বিধৰ ঠাৰি ধাৰণ কৰা বছেৰেকীয়া আনতৰ জোপোহা গছ। ইয়াৰ গুটিবিলাক কৃমি ৰোগৰ ঔষধ হিছাপে তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। উজনি অসমৰ বনাঞ্চলবোৰত এইবিধ গছ দেখিবলৈ পোৱা যায়।

ব্ৰহ্মজাস্থি, ক্লৰোডেন্দ্ৰন ইন্দিকম ক্লেৰোডেন্দ্ৰন চিফ'নান্থছ্ পৰিয়াল—ভাৰবিনেছি
Brahma Jasti Species–Clerodendron indicum Synonym–Clerodendrom siphonanthus Family–Verbenaceae

এবিধ সৰু আকাৰৰ বছেৰেকীয়া বা দ্বিবাৰ্ষিক আয়ুসৰ জোপোহা গছ। অসমীয়া ভাষাত ইয়াক ব্ৰহ্মজাস্থি বুলি কয়। বঙালী ভাষাত বামানহাতি বা সিংগাৰি নামেৰে জনা যায়। ইয়াৰ গুটি বিভিন্ন ৰোগৰ ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। উজনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বনজুই, ক্লিৰোডেন্দ্ৰন ইনটাৰমি পৰিয়াল—ভাৰবিনেছি
Bonjui Species–Clerodendron interme Family–Verbenaceae

এবিধ দুবছৰীয়া আনতৰ বনৰীয়া জেপোহা বন। ইয়াৰ শিপাৰ গুৰিত উৎপত্তি হোৱা আলুৰপৰা বিভিন্ন ৰোগ নিৰাময়ৰ ঔষধ তৈয়াৰ কৰা হয়। উজনি অসমত থকা প্ৰায়বিলাক বনাঞ্চলত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়।

কণা শিমলু, কমেলিনা বেংগলেন্সিছ পৰিয়াল—কমেলিনেছি
Kona Himolu Species–Commelina bengalensis Family–Commelinaceae

চেঁচুকীয়া ঠাইত উৎপন্ন হোৱা এবিধ সুকোমল ঠাৰি ধাৰণ কৰা লতা জাতীয় উদ্ভিদ। ইয়াৰ শিপাৰপৰা তৈয়াৰ কৰা ঔষধ জ্বৰ-বেমাৰ আৰু সৰ্প দংশনৰ প্ৰতিকাৰ হিছাপে ব্যৱহাৰ কৰা হয়। অসম উপত্যকাত থকা প্ৰায়বিলাক বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

সোণালী লতা, কনভলভিউলছ আৰভেনচিছ পৰিয়াল—কনভলভিউলেছি
Sunali Lota, Wild Morning Glory Species–Convulvulus arvensis Family–Convulvlaceae

হালধীয়া বৰণৰ চুঙাপহীয়া ফুল ধাৰণ কৰা এবিধ লতা জাতীয় আৰোহী উদ্ভিদ। ইয়াৰ পাতবোৰে আঙুলিৰ নিচিনা পাহিমেলা পাত ধাৰণ কৰে। আলি-পদূলিৰ কাষে-পাজৰে উৎপত্তি হয় ইয়াৰ একাধিক জাতৰ লতা য'তে ত'তে দেখিবলৈ পোৱা যায়।

প্ৰভাত সুন্দৰী, আইপমিয়া লিয়েৰাই পৰিয়াল—কনভলভিউলেছি
Morning Glory Species–Ipomoea learii Family–Convulvulaceae

ৰঙচুৱা বৰণৰ চুঙাপহীয়া ফুল ধাৰণ কৰা এবিধ লতা জাতীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিষুব মণ্ডল বুলি জনা যায়। আজিকালি ভাৰতৰ বহুতো অঞ্চলত ইয়াৰ উৎপত্তি। সাধাৰণতে ৰাতিপুৱা ভাগত ফুল ফুলে আৰু আবেলি পৰত ফুলবোৰ মহৰি যায়। সেইবাবে ইয়াৰ জনপ্ৰিয় নাম Morning Glory ৰখা হৈছে। অসমীয়াত ইয়াক প্ৰভাত সুন্দৰী বুলি ক'ব পাৰি।

খৰিকাজাঁই, জেচমিনম মলটিফ্লোৰস জেচমিনম পিউবিচেনছ পৰিয়াল—অলিয়েছি
Khorikajai Species–Jasminum multiflorum Synonym–Jasminum pubescens Family–Oleaceae

এবিধ জোপোহা বিধৰ বিতোপন ফুল ধাৰণ কৰা উদ্ভিদ। থোপা থোপাকৈ উৎপত্তি হোৱা বগাপহীয়া ফুলবোৰ সুগন্ধি হয়। আলংকাৰিক ফুল হিছাপে ইয়াক বহুতো মানুহে ফুলনিবাৰীত ৰোপণ কৰে। দুই-চাৰিজোপা এই জাতৰ ফুল গছ বনৰীয়া হিছাপে ঠায়ে ঠায়ে উৎপত্তি হোৱা দেখা যায়।

বঙালী আৰু হিন্দী ভাষাত ইয়াক কুণ্ডফুল নামেৰে জনা যায়। জনপ্ৰিয় ইংৰাজী নাম হ'ল Downy Jasmine.

শংখমালা, জেচমিনম অফিচিনেল জেচমিনম গ্ৰান্দিফ্লৰম পৰিয়াল—অলিয়েছি
Sankhomala Species – Jasminum officinale Synonym–Jasminum grandiflorum Family–Oleaceae

সুগন্ধি বগা বৰণীয়া ফুল ধাৰণ কৰা এবিধ ফুল জাতীয় উদ্ভিদ। বহুতো মানুহে এইবিধ ফুল ফুলনিবাৰীত লগাই ৰাখে। কোনো কোনো ঠাইত ইয়াক বনৰীয়াভাৱে উৎপত্তি হৈ থকা অৱস্থাতো দেখিবলৈ পোৱা যায়।

গুটিমালি, জেচমিনম লৰিফলিয়ম পৰিয়াল—অলিয়েছি
Gutimali Wild Jasmine Species–Jasminum laurifolium Family–Oleaceae

এইবিধ খৰিকাজাঁই ফুলক কোনো কোনো ঠাইৰ মানুহে কিৰকিৰি লতা বুলি কয়। লতা জাতীয় ফুলজোপাই অন্য গছ-গছনিৰ আশ্ৰয় লৈ ওপৰৰফালে বগাই যায়। হাবিডৰাই তেতিয়া অনুপম ৰূপ-লাৱণ্য প্ৰদৰ্শন কৰে।

নামনি অসমত থকা জোপোহানি হাবিত উৎপত্তি হোৱা এবিধ ক্ষুদ্ৰাকাৰ

ঘুগুলি, কমিফৰা মুকুল বালচা— মোদেন্দ্ৰন মুকুল পৰিয়াল—বাৰচিৰেছি
Ghuguli Species–Commiphora mukul Synonym–Balsamodendron mukul Family–Burseraceae

পৰ্ণপাতী উদ্ভিদ। বঙালী ভাষাত ইয়াক গোগুল বুলি কোৱা হয়। ইংৰাজী নাম Mukul Myrh বা Dellium ঔষধ হিছাপে বিভিন্ন ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা গম এই গছৰপৰা আহৰণ কৰা হয়।

সোণটিলতা, কনভালভিউলছ আৰভেনচিছ পৰিয়াল—কনভলভিউলেছি
Soonti Lota Species–Convulvulus arvensis Family–Convulvulaceae

হালধীয়া বৰণৰ চুঙাপহীয়া ফুল ধাৰণ কৰা এবিধ আৰোহী লতা। ইয়াক প্ৰভাত সুন্দৰী বা Morning Glory নামৰ আকৰ্ষণীয় নীল বৰণীয়া ফুল ধৰা আৰোহী লতাৰ অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। উজনি অসমৰ বনভূমিবিলাকৰ অন্যান্য ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

মৰাপাট বা তিতামৰা নামেৰে জনাজাত এবিধ শস্যৰ খেতি অসমৰ বহুতো

মৰাপাট, তিতামৰা, কৰকৰচ কেপচুলাৰিছ পৰিয়াল—টিলিয়েছি
Jute Species–Corchorus capsularis Family–Tiliaceae

ঠাইত ডৰা ডৰাকৈ কৰা হয়। ইয়াৰ সোপোকা ঠাৰিবোৰ কাটি মুঠা মুঠাকৈ বান্ধি পানীত গোৰোৱা হয়। আঁহবিলাকৰপৰা থৈলা, ৰচি, কেনভাছ আদি নানা প্ৰকাৰৰ লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰা হয়। পণ্য-সামগ্ৰী হিছাপে বৰ্তমান কালত ইয়াৰ চাহিদা অত্যন্ত বেছি।

মিঠা মৰাপাট, কৰকৰছ অলিটৰিয়ছ পৰিয়াল— টিলিয়েছি
Mithamora Pat Species–Corchorus olitorius Family–Tiliaceae

মিঠা মৰা বা মিঠা মৰাপাট নামেৰে জনাজাত আন এবিধ বাকলিৰ ৰচি তৈয়াৰ কৰিব পৰা শস্যৰ অন্যতম সংস্কাৰণ বুলি ক'ব পাৰি। আগতে উল্লেখ কৰা বিধৰ দৰে মিঠা মৰাৰ বাকলিৰপৰা তৈয়াৰ কৰা আঁহৰ চাহিদা অত্যন্ত বেছি। তদুপৰি ইয়াৰ কুমলীয়া পাতবোৰ তৰকাৰি বনাই খোৱাৰ বাবে উপযোগী হয়।

মিঠা মৰাপাট, (প্ৰকাৰ) কৰকৰছ ট্ৰাইলকিওলাৰিছ পৰিয়াল—টিলিয়েছি
Mitha Mora Pat–(Kind) Species–Corchorus trilocularis Family–Tiliaceae

মিঠা মৰা জাতীয় উদ্ভিদৰ ইয়াক অন্যতম সংস্কৰণ বুলি গণ্য কৰিব পাৰি। ইয়াৰ কুঁহিপাতবোৰ তৰকাৰি বনাই খাব পাৰি। পণ্যদ্ৰব্য হিছাপে ইয়াৰ চাহিদাও কম বুলি ক'ব নোৱাৰি।

ডুমুনি বোৱাল, গোবৰ সুতা, কৰ্ডিয়া মিকছা পৰিয়াল—বৰাজিনেছি
Dumuni Boal Gubor Suta Species–Cordia myxa Family–Boraginaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ ফলৰ ভিতৰত উৎপন্ন হোৱা গুটিৰ আঠা কাগজ-বহী আদিত লগোৱা হয়। কাঠৰ মান মধ্যমীয়া। ঘৰৰ খুঁটা আদি বনোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

কতৰা, গোবৰ সুতা, কৰ্ডিয়া গ্ৰেন্দিছ পৰিয়াল—বৰাজিনেছি
Kotora Gubor Suta Species–Cordia grandis Family–Boraginaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াক ইতিপূৰ্বে বৰ্ণনা আগবঢ়াই অহা বোৱাল গছৰ অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। গোল আকৃতিৰ সৰু সৰু ফলৰ ভিতৰত এক ৰকম আঠাৰ উৎপত্তি হয়। সেই আঠা গম আঠাৰ দৰে বহী, কিতাপ আদিত লগাব পাৰি। ইয়াৰ কাঠ সাধাৰণ বিধৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত লগাব পাৰি।

মহিদল, কৰ্ডিয়া ফ্ৰেগ্ৰেনটিচিমা পৰিয়াল—বৰাজিনেছি
Mohidol Species–Cordia fragrantissima Family–Boraginaceae

মহিদল বা বাহাৰি নামেৰে জনাজাত এই মজলীয়া আকাৰৰ গছ বিধে পৰ্ণপাতী চৰিত্ৰ প্ৰদৰ্শন কৰে। কাঠৰ মান মজলীয়া হয়। এই কাঠ সাধাৰণ প্ৰকাৰৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি। উজনি আৰু মধ্য অসমৰ প্ৰায়বিলাক বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বীনালাও, ক্ৰেছেণ্টিয়া কুজেট পৰিয়াল—বিগ্‌নোনিয়েছি
BinaLau Species–Cresantia cujete Family–Bignoniaceae

বীণ, টোকাৰি আদি বাদ্যযন্ত্ৰ তৈয়াৰ কৰিব পৰা কামৰ উপযোগী লাও ধাৰণ কৰা এবিধ মধ্যবিত্ত আকাৰৰ বাৰীত ৰোপণ কৰা উদ্ভিদ। আলংকাৰিক উদ্ভিদ ৰূপে সাধাৰণতে ইয়াক লগোৱা হয়। আচলতে এইবিধ অসমৰ থলুৱা নহয়।

বন নহৰু, ক্ৰাইনম এচিয়াটিকম পৰিয়াল—এমেৰিলিডেছি
Bon Nohoru Species–Crinum asiaticum Family–Amaryllidaceae

অসমৰ হাবি-বনানীবোৰত স্বাভাৱিকতে উৎপন্ন হোৱা এবিধ লিলি জাতীয় বনৰীয়া উদ্ভিদ। বগা বৰণীয়া আকৰ্ষণীয় ফুল ধৰা এইবিধ বনৰীয়া লিলি। বহুতো মানুহে হাবি-বনানীৰপৰা ইয়াৰ পুলি শিপা তথা আলুৰে সৈতে উঠাই আনি বাৰীত লগায়।

বন নহৰু, (প্ৰকাৰ) ক্ৰাইনম্ লেটিফলিয়ম পৰিয়াল—এমেৰিলিডেছি
Wild Lily (Kind) Species–Crinum latifolium Family–Amaryllidaceae

অসমৰ বনাঞ্চলবিলাকত উৎপত্তি হোৱা দ্বিতীয় বনৰীয়া লিলি ফুলৰ বিষয়ে এই নিবন্ধত উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে। এইবিধ বনৰীয়া লিলি তুলনামূলকভাৱে আকাৰত ডাঙৰ হয়। ফুলৰ বৰণ ৰঙচুৱা হয়। কোনো কোনো মানুহে ইয়াৰ আলু হাবিৰপৰা উঠাই আনি নিজৰ ফুলনিবাৰীত লগায়।

মাটি কেচেৰু, ক্ৰকছ চেটিভছ পৰিয়াল—আইৰিডেছি
Mati Keseru Species–Crocus sativus Family–Iridaceae

মাটি কেচেৰু নামেৰে পৰিচিত এবিধ বনৰীয়া বন উজনি অসমৰ বনাঞ্চলবিলাকত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। ই ধাৰণ কৰা আলু সদৃশ শিপাৰপৰা এক প্ৰকাৰৰ জ্বৰ প্ৰভৃতি ৰোগ নিৰাময়ৰ ঔষধ তৈয়াৰ হয় বুলি জনা যায়। বঙালী ভাষাত এইবিধ উদ্ভিদক কেও বা কুছি বুলি কোৱা হয়। হিন্দীত জাফ্ৰানি বুলি কয়।

শণ বা শণসূতা, ক্ৰটোলেৰিয়া জনচিয়া পৰিয়াল—লেগুমিনেছি
Sonn or Sonn Suta Species–Crotalaria juncea Family–Leguminaceae

এক প্ৰকাৰ মৰাপাটৰ নিচিনা দীঘল আকৃতিৰ বনৰীয়া উদ্ভিদ। ৰচি হিছাপে ব্যৱহাৰ কৰিব পৰা আঁহ থকা বাকলি ধাৰণ কৰাৰ বাবে কোনো কোনোৱে ইয়াক ডৰা ডৰাকৈ বাৰীত লগায়।

ছিৰা ছিৰা আকৃতিৰ ফল ধাৰণ কৰা এবিধ সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। অসমৰ জোপোহা হাবিৰ মাজে মাজে পৰিদৃষ্ট হয়। পকা পূৰঠ দেহৰ ছিৰা থকা

ঘণ্টাকৰ্ণ, ক্ৰটালেৰিয়া ৰেটুছা পৰিয়াল—লেগুমিনেছি
Ghonta Korna Species–Crotalaria retusa Family–Leguminaceae

ঠাৰিবোৰ ছিঙি জোঁকাৰি দিলে এক প্ৰকাৰৰ ৰুণুক-জুনুক শব্দৰ উৎপত্তি হয়। এইবিধ উদ্ভিদৰ বাকলিৰপৰা ওলোৱা আঁহবোৰ ৰচি হিছাপে ব্যৱহাৰ কৰা হয়। সাৰ উৎপাদন কৰিব পৰা শিপা ধাৰণ কৰা উদ্ভিদ হিছাপে ইয়াক চাহ পুলি লগোৱা নতুন বাৰীত লগোৱা হয়।

ঘণ্টাকৰ্ণ, (প্ৰকাৰ) ক্ৰটালেৰিয়া চেৰিচিয়া ক্ৰটালেৰিয়া স্পেক্টিবিলিছ পৰিয়াল—লেগুমিনেছি
Ghonta Korna (Kind) Species–Crotalaria sericea Synonym Crotalaria spectibilis Family–Leguminaceae

ঘণ্টাকৰ্ণ নামেৰে জনাজাত এবিধ বিচিত্ৰ উদ্ভিদৰ বৰ্ণনা ইতিমধ্যে আগৰ নিবন্ধৰ জৰিয়তে আগবঢ়াই অহা হৈছে। এইবিধ উদ্ভিদৰ বাকলিৰপৰাও এক প্ৰকাৰ ৰচি তৈয়াৰ কৰা হয়। তদুপৰি

ইয়াৰ ডাল-পাত আদিৰপৰা সেউজীয়া সাৰ প্ৰস্তুত কৰা হয়।

জুনজুনিয়া, ক্ৰট'লেৰিয়া ষ্ট্ৰিয়েটা ক্ৰট'লেৰিয়া মুক্ৰ নাটা পৰিয়াল—লেগুমিনেছি
Junjunia Species–Crotalaria striata
Synonym–Crotalaria mucronata
Family–Leguminaceae

এইবিধ সৰু আকাৰৰ বনৰীয়া উদ্ভিদকো ঘণ্টাকৰ্ণ নামৰ বনৰ অন্যতম প্ৰতিনিধি বুলি ক'ব পাৰি। ইয়াৰ ছিৰাবোৰৰ ভিতৰত উৎপত্তি হোৱা গুটিবোৰ জোঁকাৰি দিলে এক প্ৰকাৰৰ ৰুণুক-জুনুক শব্দৰ উৎপত্তি হয়। সেইবাবে ইয়াক জুনজুনিয়া গছ বুলি কোৱা হয়।

লতা মাহুদি, ক্ৰটন কডেটছ পৰিয়াল—ইউফৰবিয়েছি
Lota Mahudi Species–Croton caudatus Family–Euphorbiaceae

উজনি অসম আৰু উত্তৰ পৰীয়া বনাঞ্চলবিলাকত লতা মাহুদি নামৰ এবিধ সৰু ফুটীয়া উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। গছডালে মাটিৰ ওপৰে ওপৰে বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গছডালৰ শিপা, ডাল, পাত আদিত ঔষধীয় গুণ আৰোপিত হয়। গাৰ বিষ-কুপ মাৰিবৰ বাবে এই ঔষধ ব্যৱহৃত হয় বুলি জনা যায়।

মাহুদি বনজুই, ক্ৰটন জুৰফ্ৰা পৰিয়াল—ইউফৰবিয়েছি
Mahudi Bonjui Species–Croton joufra Family–Euphorbiaceae

মাহুদি বা বনজুই নামেৰে জনাজাত এই উদ্ভিদৰ পাত, শিপা আদি দেশী মদ বা সাঁজ তৈয়াৰ কৰিবৰ বাবে সিজোৱা চাউল মিহলি কৰা হয়। অসমৰ হাবি-বনানীবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কণি বিহ, (প্ৰ) ক্ৰটন টিগ্‌লিয়ম পৰিয়াল ইউফৰবিয়েছি
Koni Bih (Var) Species–Croton tiglium Family–Euphorbiaceae

এবিধ ক্ষুদ্ৰ আকাৰৰ চিৰ সেউজীয়া উদ্ভিদ। ইয়াৰ গুটিৰপৰা প্ৰস্তুত কৰা ঔষধ পাৰগেটিভ হিছাপে ব্যৱহাৰ কৰা হয়। দাঁতৰ বিষৰপৰা নিৰাময় লাভ কৰাৰ বাবে এই ঔষধ ব্যৱহাৰ কৰা হয়।

আমাদা হালধি, কাৰকিউমান আমাদা পৰিয়াল—জিঞ্জিবাৰেছি
Amada Halodhi Species–Curcuma amada Family–Zingiberaceae

আদাৰ নিচিনা শিপাৰ আলু ধাৰণ কৰা এবিধ হালধি জাতীয় বনৰীয়া গছ। শিপাৰ আলু কাটিলে আমৰ নিচিনা সুবাসৰ উৎপত্তি হোৱাৰ বাবেই হয়তো এইবিধ কেতুৰিক আমাদি হালধি নামেৰে চিহ্নিত কৰা হৈছে। ইয়াৰ আলু

তৰকাৰি পাচলিত মছলা হিছাপে ব্যৱহাৰ কৰিব পাৰি। কোনো কোনো ৰোগ নিবাৰণৰ বাবে ইয়াক ঔষধ ৰূপেও ব্যৱহাৰ কৰা হয়।

কেতুৰি হালধি, কাৰকিউমা এংগুষ্টিফলিয়া পৰিয়াল—জিঞ্জিবাৰেছি
Keturi Halodhi Species–Curcuma angustifolia Family–Zingiberaceae

ডৰা ডৰাকৈ মুকলি ঠাইত উৎপত্তি হোৱা এবিধ হালধি গোষ্ঠীৰ বনৰীয়া উদ্ভিদ। ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, গোৱালপাৰা আদি বন সংমণ্ডলৰ অন্তৰ্গত বিৰাজ কৰা শালনি হাবিবোৰৰ মাজে মাজে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। এইবিধ হালধি জাতীয় উদ্ভিদে ধাৰণ কৰা মূল মছলা হিছাপে খোৱাৰ উপযোগী নহয়। উজনি অসমৰ কোনো কোনো মানুহে বহাগৰ ৰঙালী বিহুত গৰু গা ধুওৱাৰ পাছত লাও খা, বেঙেনা খা, দিনে দিনে বাঢ়ি যা, মাৰ সৰু, বাপেৰ সৰু, তই হবি বৰগৰু আদি নাম গাই এইবিধ হালধিৰ টুকুৰা গৰু-ম'হৰ গালৈ দলিয়াই দিয়ে।

বন হালধি বা বনৰীয়া হালধি, কৰকিউমা এৰোমাটিকা কৰকিউমা জেদুৱাৰিয়া পৰিয়াল জিঞ্জিবাৰেছি
Bon Halodhi Wild Turmeri Species–Curcuma aromatica Synonym–Curcuma zedoaria Family–Zingiberaceae

এইবিধ বনৰীয়া হালধিকো বিকল্পভাৱে কেতুৰি হালধি বুলি কোৱা হয়। হাবিতলীয়া ঠাইত ডৰা ডৰাকৈ অথবা গাইগুটীয়াভাৱে উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়। শিপাৰ আলুৰপৰা এক প্ৰকাৰৰ ঔষধীয় ৰস উৎপাদন কৰিবৰ বাবে ইয়াক বাৰীৰ কাষে-পাজৰে লগাই ৰখা হয়। কোনো মানুহে আলংকাৰিক উদ্ভিদ হিছাপেও ইয়াৰ জোপাচেৰেগ পুলি বাৰীত লগাই থয়।

ক'লা হালধি, কৰকিউমা কেইচিয়া পৰিয়াল—জিঞ্জিবাৰেছি
Black Turmeric Species–Curuma caesia Family–Zingiberaceae

বনৰীয়াভাৱে হাবি-বননিৰ মাজত উৎপত্তি হোৱা হালধি গোষ্ঠীৰ বনৰীয়া উদ্ভিদ। এইবিধ হালধিয়ে ধাৰণ কৰা আলু বা মূল বৰণত ক'লা-চানেকীয়া হয়। মছলা হিছাপে খোৱাৰ উপযোগী নহয়। কোনো কোনো মানুহে ইয়াক গুৰি কৰি ভৰি আৰু হাতৰ তলুৱাত ৰং বোলায়। উজনি অসমৰ বনাঞ্চলবোৰত এইবিধ হালধি গছৰ উৎপত্তি পৰিলক্ষিত হয়।

তৰকাৰি পাচলি আৰু মাছ মঙহ আদিৰ তৰকাৰি ৰং বোলোৱা মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা গুৰিবোৰ যুগ যুগ ধৰি সকলো দেশৰ মানুহে ব্যৱহাৰ কৰি আহিছে।

খোৰা হালধি, কৰকুমা লংগা কৰকুমা ডমেষ্টিকা পৰিয়াল—জিঞ্জিবাৰেছি
Common turmeric Species–Curcuma longa Synonym–Cucurma domestica Family–Zingiberaceae

এইবিধ খোৰা হালধিক বিজ্ঞান সম্মতভাৱে Curcuma longa অথবা Curcuma domestica নামেৰে চিহ্নিত কৰা হয়। মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা গুণ থকাৰ বাবে এই বিধ হালধিৰ ব্যৱহাৰিক আৰু অৰ্থনৈতিক প্ৰমূল্য অপৰিসীম।

একাংগি হালধি, কৰকুমা জেডুৱাৰিয়া কৰকুমা জেডুমবেট পৰিয়াল—জিঞ্জিবাৰেছি
Indian arrowroot Species–Curcurma zedoaria Synonym–Curcuma zedumbet Family–Zingiberaceae

এইবিধ হালধি গোষ্ঠীৰ উদ্ভিদ আৰু ইতিপূৰ্বে বৰ্ণনা আগবঢ়াই হালধিৰ মাজত লেখত ল'বলগীয়া পাৰ্থক্য থকা দেখা নাযায়। এইবিধ হালধিৰ শিপাত অৱশ্যে একপ্ৰকাৰ ঔষধীয় প্ৰমূল্য আৰোপিত হোৱাৰ কথা জনা যায়। উজনি অসমৰ কোনো কোনো বনভূমি, নগালেণ্ড আৰু কাৰ্বি আংলং জিলাত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

গান্ধ বিৰিণা, (প্ৰকাৰ) চিমব'পবন চাইট্ৰেটছ এন্ড্ৰোপগন চাইট্ৰেটছ পৰিয়াল—গ্ৰামিনি প'য়েছি
Lemon Grass (Kind) Species–Cymbopogon citratus Synonym–Andropogon citratus Family–Graminae-poaceae

এইবিধ ঘাঁহ জাতীয় সুগন্ধি উদ্ভিদক অসমীয়া ভাষাত গান্ধ বিৰিণা (প্ৰকাৰ) বুলি কোৱা হয়। ইংৰাজী নাম Lemon Grass বনাঞ্চলবোৰৰ ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ পাতৰপৰা এক প্ৰকাৰৰ তেল প্ৰস্তুত কৰিব পৰাৰ গুণবিশিষ্ট ক্ষমতা থকাৰ বাবে কোনো কোনো উদ্যোগী ব্যক্তি খেতিৰ আকাৰে ইয়াক ৰোপণ কৰা দেখা যায়।

গান্ধ বিৰিণা, (প্ৰকাৰ) চিমব'পগম মাৰ্টিনিয়াই পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল পৱেছি
Lemon Grass (Kind) Species–Cymnopogan martinii Family–Gramineae Poaceae

গান্ধ বিৰিণা নামেৰে পৰিচিত এবিধ ঘাঁহ জাতীয় উদ্ভিদৰ বৰ্ণনা ইতিমধ্যে উপস্থাপিত হৈছে। সদ্যহতে, উল্লেখ কৰা বিধ গোন্ধ বিৰিণা আগতে উল্লেখ কৰা বিধৰে অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। এইবিধ গান্ধ বিৰিণাৰ পাতৰপৰা এক প্ৰকাৰৰ সুগন্ধি তেল প্ৰস্তুত কৰা হয়। অসম তথা পূৰ্বাঞ্চলত থকা কোনো কোনো চাহ বাগিচাত এইবিধ গান্ধ বিৰিণাৰ বাগান আকাৰে ৰোপণ কৰা হয়।

গান্ধ বিৰিণা, (প্ৰকাৰ) চিমব'পগম মাৰ্দছ পৰিয়াল—গ্ৰামিনি উপপৰিয়াল—পয়েছি এন্দ্ৰোপগন মাৰ্দছ
Ceylon chitronalla Grass or Gandh Birina (Var) Species–Cymbopogon mardus Family–Gramineae Sub-family–Peaceae Synonym–Andropogon mardus

সদ্যহতে এই নিবন্ধৰ জৰিয়তে বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা বিধ ঘাঁহ জাতীয় উদ্ভিদক গান্ধ বিৰিণাৰে অন্যতম সংস্কৰণ। অন্যহাতে ইয়াক বাগান আকাৰে খেতি কৰা চিত্ৰনলাৰে এটা জাত বুলি চিহ্নিত কৰা হৈছে। ইয়াৰ সুগন্ধি পাতবোৰৰপৰা এক প্ৰকাৰৰ ডাঁহ-মʼহ আদি কীট-পতংগ নিৰ্মূল কৰিব পৰা সুগন্ধি তেল প্ৰস্তুত কৰা হয়।

চিত্ৰনলা, (প্ৰকাৰ) চিমব'পগন উইন্টেৰানছ গ্ৰামিনি—পয়েছি
Java Chitranalla Species–Cymbopogon winteranus Family–Gramineae Sub-family–Poaceae

এইবিধ গান্ধ বিৰিণা ফৈদৰ ঘাঁহ জাতীয় উদ্ভিদক জাভাৰ চিত্ৰনলা নামেৰে বাণিজ্য জগতত চিহ্নিত কৰা হৈছে। ইয়াৰ পাতৰপৰা প্ৰস্তুত কৰা চিত্ৰনলা নামৰ তেলবিধ কীট-পতংগ বিতাৰণ কৰিব পৰা ঔষধীয় সুগন্ধি পনীয়া পদাৰ্থ ৰূপে ব্যৱহাৰ কৰা হয়। বটলত ভৰাই ৰখা সুগন্ধি তেল হিছাপে ইয়াক আজিকালি বজাৰত কিনিবলৈ পোৱা যায়।

আজিকালি অসমৰ বনবিভাগে ব্যাপক আকাৰে চিত্ৰনলা বনৰ খেতি কৰাৰ অভিলাষিত আঁচনি প্ৰবৰ্তন কৰি অৰ্থনৈতিকভাৱে উপকৃত হোৱাৰ প্ৰচেষ্টা হাতত লোৱা পৰিলক্ষিত হৈছে।

হাড় কটা বন, চাইপেৰছ পিলচছ পৰিয়াল চাইপাৰেছি
Harkota bon Species–Cyperus pilosus Family–Cyperaceae

এবিধ দীঘল আকাৰৰ চেপেটা চেপেটা পাত ধাৰণ কৰা ঘাঁহ-বন জাতীয় উদ্ভিদ। বছেৰেকীয়া বা দুবছৰীয়া আয়ুসৰ এইবিধ ঘাঁহ দ-চানেকীয়া পথৰুৱা ভূমিত ডৰা ডৰাকৈ বিকশিত হৈ থকা অৱস্থাত দেখিবলৈ পোৱা যায়। ইয়াৰে চেপেটা আকৃতিৰ পাতৰ ঢাৰি তৈয়াৰ কৰা হয়। এনে ঢাৰি আজিকালি বজাৰতো কিনিবলৈ পোৱা যায়।

মুথা, চাইপেৰছ ৰিটান্দছ পৰিয়াল—চাইপেৰেছি
Mutha Species–Cyperus retundus Family–Cyperaceae

বহিব পৰা কোমল বিধৰ ঢাৰি গুঠিৰপৰা পাতধাৰী ঘাঁহ সদৃশ বনৰীয়া উদ্ভিদ। দ-চানেকীয়া জীপাল ভূমিত

ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ইয়াৰ চেপেটা চেপেটা পাতবোৰৰপৰা কৰা কঠ বা ঢাৰি বজাৰত কিনিবলৈ পোৱা যায়। সেই কাৰণে এইবিধ বনৰীয়া উদ্ভিদৰ ব্যৱহাৰিক তথা অৰ্থনৈতিক প্ৰমূল্য অতি প্ৰবল বুলি ক'ব লাগিব।

বৰ মেদেলুৱা বা মৌ সিতা, ডালবাৰজিয়া আচামিকা পৰিয়াল—লেগুমিনেছি
Bor Medelua Species–Dalbergia assamica Family–Leguminaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া পৰ্ণপাতী গছ। উজনি অসমত বিৰাজমান হৈ থকা সংৰক্ষিত বনাঞ্চলবোৰৰ কোনো এলেকাত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। গছ বিধৰ কাঠৰ মধ্যভাগ বেছ উন্নত পৰ্যায়ৰ হয়। এই কাঠ চকি, মেজ, পালেং আদি তৈয়াৰ কৰাৰ কামত ব্যৱহাৰৰ উপযোগী। ঘৰ-দুৱাৰ নিৰ্মাণ কাৰ্যতো লগাব পৰা যায়।

ফলচ্ এৰেলিয়া, ডাই জিগোথেৰা এলিগাঁনটিচিমা এৰিলিয়া এলিগানটিচিমা পৰিয়াল—এৰেলিয়েছি
False Aralia Species–Dizygothera elegantissima Synorym–Aralia elegantissima Family–Araliaceae

ফলচ্ এৰেলিয়া নামেৰে জনাজাত এবিধ দীঘল দীঘল আকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা আলংকাৰিক উদ্ভিদ। আমাৰ কোনো কোনো চৌখিন ব্যক্তিয়ে ফুলনিবাৰীত লগাই থকা অৱস্থাত দেখিবলৈ পোৱা যায়। আচলতে এইবিধ উদ্ভিদ আমাৰ দেশৰ থলুৱা গছ নহয়।

বিদেশৰপৰা সঁচ আনিহে ইয়াক আমাৰ দেশত ৰোপণ কৰা হৈছে।

দাঁত বিজলা বা গাৰো দে'ওশাল, ডালবাৰজিয়া ষ্টিপুলেচিয়া পৰিয়াল—লেগুমিনেছি
Dat Bijola Garo Deosal Species–Dalbergia stipulata Family–Leguminaceae

মজলীয়া আকাৰৰ এবিধ পৰ্ণপাতী গছ। মুকলিমূৰীয়া ঠাইত বিকশিত এইজাতৰ একোজোপা গছে ঠাল-ঠেঙুলি মেলি মেলাহি ৰূপ প্ৰদৰ্শন কৰে। কাঠৰ মান মধ্যমীয়া। পুৰঠ কাঠ ঘৰসজা আৰু চকি, মেজ আদি প্ৰস্তুত কৰা কামত ব্যৱহাৰ কৰিব পাৰি। পাহাৰী নদীৰ মাছ মাৰিবৰ বাবে এইবিধ গছৰ শিপা আদি বিহ হিছাপে ব্যৱহাৰ কৰা হয়। আজিকালি অৱশ্যে বন্যপ্ৰাণী সংৰক্ষণ আইন বিধিমতে বিহ ঢালি মাছ ধৰা কাম বেআইনী হৈছে।

অসমৰ প্ৰায় সকলোবিলাক সংৰক্ষিত বনভূমিতে দাঁত বিজলা (বিকল্পে গাৰো দেওশাল) গছৰ উৎপত্তি পৰিদৃষ্ট হয়।

কঠিন বিধৰ ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ লতা জাতীয় আৰোহী উদ্ভিদ। ইয়াৰ

লালেং ছালি, ছালিলতা, ডালবাৰজিয়া টামাৰিন্দিগফলিয়া পৰিয়াল—লেগুমিনেছি
Laleng Chali Chali Lota Species–Dalbergia tamarindifolia Family–Leguminaceae

বাকলি তামোলৰ সলনি পাণৰ লগত খোৱা হয়। অসম আৰু মেঘালয়ৰ হাবি-বননিত এইবিধ মাজে সময়ে দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাত এইবিধ লতা জাতীয় আৰোহী উদ্ভিদক ছালি বুলি কোৱা হয়।

পোহাৰী লতা, টেলেকা লতা, ডালবাৰজিয়া ব্ৰেকটিয়েটা পৰিয়াল—লেগুমিনেছি
Pohari Lota Teleka Lota Species–Dalbergia bracteata Family–Leguminaceae

মাটিৰ উপৰিভাগত মেলাহিকৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ লতা সদৃশ উদ্ভিদ। গছবিধ চিৰ সেউজীয়া হয়। অৰ্থাৎ ইয়াৰ পাতবোৰতে একে ঋতুতে সৰি গছজোপাই কেতিয়াও লঠঙা ৰূপ ধাৰণ নকৰে। উজনি অসমৰ প্ৰায়বিলাক বনভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মাটোকা টোকা, ৰাঙলী লতা, ডিৰিংগা আমাৰাণ থইদিছ ডিৰিংগা চেলচিয়ইদিছ পৰিয়াল আমাৰাণথাছি
Maluktuka Rangoli Lota Species–Deeringa amaranthoides Synonym–Deeringa celosioides Family–Amaranthaceae

এবিধ লতা চানেকীয়া জোপাহা উদ্ভিদ। ফলবোৰৰ ভিতৰত উৎপত্তি হোৱা পনীয়া পদাৰ্থবোৰৰ বৰণ ৰঙা হয়। পাতবোৰত ঔষধীয় গুণ আছে বুলি জনা যায়। অসমৰ প্ৰায় সকলো বনভূমিত ইয়াক দেখিবলৈ পোৱা যায়।

ছালাপাৰনি, ডেচ্‌মদিয়ম গেনজেটিকম পৰিয়াল—লেগুমিনেছি
Shalaparni Species–Desmodium gangeticum Family–Leguminaceae

জোপোহা আকৃতিৰ এবিধ বনৰীয়া বন। ইয়াৰ শিপাতচ্ছত ঔষধীয় গুণ আছে বুলি জনা যায়। উজনি আৰু নামনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বনচন্দন, ডেচ্‌মদিয়ম গাইৰেন্‌ছ পৰিয়াল—লেগুমিনেছি
Bon Chandon Indian Telegraph Plant Species–Desmodium gyrans Family–Leguminaceae

হাবি-বননিত স্বাভাবিকতে উৎপত্তি হোৱা এবিধ ক্ষুদ্ৰকাৰ উদ্ভিদ। যৌগিক পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। এইবিধ উদ্ভিদৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল এয়ে যে ইয়াৰ যৌগিক পাতবোৰে দিনৰ পোহৰত মেল খোৱা আৰু জাপ যোৱাৰ বিচিত্ৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। সেইবাবে ইংৰাজী ভাষাত ইয়াক Indian Telegraph Plant বুলি কোৱা হয়।

উলুচা, (প্ৰকাৰ) ডেচ্‌মদিয়ম ট্ৰাইকুবেট্ৰম পৰিয়াল—লেগুমিনেছি
Ulucha (Variety) Species–Desmodium triquetrum Family–Leguminaceae

ই সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। উজনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কোনো কোনো জনজাতীয় মানুহে ইয়াত পাতবোৰ ৰ'দত শুকোৱাই চাহপাতৰ সলনি ব্যৱহাৰ কৰে।

তেলী গৰ্জন, গৰ্জন কুৰইন শাল, ডিপটেৰকাৰ্পচ টাৰবিনেটছ্‌ পৰিয়াল—ডিপটেৰ্‌কাৰ্পেছি
Teli Gorjon Gorjon Kurin Sal Species–Dipterocarpus turbinatus Family–Dipteroc-arpaceae

উজনি অসমৰ বনাঞ্চলবোৰে ধাৰণ কৰা বিৰাট বিৰাট আকাৰৰ হোলোং, গৰ্জন প্ৰভৃতি গছৰ সমতুল্য অন্যতম মূল্যবান গছ। ইয়াৰ কাঠ নানা প্ৰকাৰৰ নিৰ্মাণ কাৰ্যত লগাব পাৰি।

আম চেলেংগা বা আমচিয়া, ড্ৰিমিকাৰ্পচ ৰেচিমচছ্‌ পৰিয়াল—এনাকাৰডিয়েছি
Am selenga or Amchia Species–Drimycarpus racemosus Family –Anacardiaceae

আমাৰ নিচিনা এক প্ৰকাৰৰ মঙহাল ফল ধাৰণ কৰা বনৰীয়া গছ। কোনো কোনো মানুহে ইয়াক এক প্ৰকাৰৰ বন আমৰ আখ্যা দিব খোজে। ইয়াৰ কাঠ নানা প্ৰকাৰৰ নিৰ্মাণ কাৰ্যত লগাব পাৰি।

ৰূপ চক্‌লা, ড্ৰচেৰা বাৰ্মানি পৰিয়াল—ড্ৰচাৰেছি
Roop Chakola Species–Drocera burmanni Family–Drosaraceae

চেঁচুকীয়া ঠাইত উৎপত্তি হোৱা এবিধ কোমল ঠাৰি ধৰা ক্ষুদ্ৰাকাৰ উদ্ভিদ। এইবিধ উদ্ভিদৰপৰা বিভিন্ন ৰোগ নিৰাময় কৰিব পৰা গুণ থকা আয়ুৰ্বেদিক ঔষধ প্ৰস্তুত কৰা হয়। অসম, নগাভূমি মেঘালয়ৰ বনভূমিবিলাকত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ইংৰাজী ভাষাত ইয়াক চান ডিউ (Sundew) বুলি কোৱা হয়।

লাই জাবৰি ড্ৰাইমেৰিয়া কৰ্ডেটা পৰিয়াল—কেৰিওফাইলেছি
Lai Jabari Species–Drymaria cordata Family–Caryophyllaceae

শাকনি, ফুলনি আদিৰ মাজত বিকশিত হোৱা এবিধ বনৰীয়া বন। ইংৰাজী ভাষাত ইয়াক Heart Leaf Dry mary বুলি কোৱা হয়। শৌচ কঠিন হ'লে ইয়াৰ পাতৰ ৰস খুৱালে উপকাৰ পোৱা যায়। অসম, নগাভূমি আৰু মেঘালয়ৰ বন-জঙ্ঘলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

জীৱন্ত বেৰা (Life Hedge) হিচাপে সীমাৰ কাষে কাষে শাৰী শাৰীকৈ ঘন ঘন ডালেৰে ৰোপণ কৰা এবিধ কাঁটাযুক্ত উদ্ভিদ। বহুতো মানুহে ঘৰৰ চৌহদৰ কাষে

কাটা কাঁইট, ডুৰণ্ট প্লুমেৰি পৰিয়াল—ভাৰবিনেছি
Kata Kaint Species–Duranta Plumeri Family–Verbenaceae

কাষে এইবিধ উদ্ভিদ লগাই ৰাখে। ইয়াৰ থোপা-থোপে লগা গুটিবোৰ পকিলে হালধীয়া ৰং ধাৰণ কৰে। গাঁৱৰ গৰখীয়া ল'ৰাবোৰ ব্যৱহাৰ 'খুলি' নামৰ খেল খেলি সময় অতিবাহিত কৰে।

গেৰেলা চপা, নাগিনী চপা, ইলিওকাৰ্পছ এৰিচটাটছ পৰিয়াল—ইলিওকাৰ্পেদি
Gerela Chopa Nagini Chopa Species–Elaeocarpus aristatus Family–Elaeocarpaceae

প্ৰকাণ্ড আকাৰৰ এবিধ চিৰসেউজীয়া গছ হিছাপে গেৰেলা চপা অথবা নাগিনী চপা নাম বৃক্ষৰ অৰ্থনৈতিক আৰু ব্যৱহাৰিক মূল্য অত্যন্ত বেছি। এইবিধ গছে ধাৰণ কৰা কাঠৰ বৰণ অলপ মুগা চানেকীয়া হয়। এই কাঠ ঘৰ-দুৱাৰ নিৰ্মাণ কৰা, চকি-মেজ আদি আৱশ্যকীয় সৰঞ্জাম প্ৰস্তুত কৰা আদি বিভিন্ন কামত লগাব পাৰি। উজনি আৰু নামনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মৰুৱা ফুল, এলিওচিন কৰাকানা পৰিয়াল—গ্ৰামিনি
Morua Phul Species–Eleusine coracana Family–Gramineae

এইবিধ ঘাঁহ জাতীয় উদ্ভিদক অসম, নগাভূমি আদিত জনজাতীয় মানুহে খেতি আকাৰে উৎপাদন কৰা দেখিবলৈ পোৱা যায়। ভাত বনোৱা আৰু অন্যান্য জা-জলপান কৰা কামত ইয়াৰ চাউল ব্যৱহাৰ কৰা হয়। দেশী মদ দৈয়াৰ কৰা কামতো ইয়াৰ চাউলৰ প্ৰয়োজন হয়। নগাভূমি, অৰুণাচল প্ৰবেশ, মেঘালয় আদিৰ পৰ্বতীয়া ভূভাগত ইয়াৰ খেতি কৰা হয়।

শিলপমা, এনজেলহাৰ্ডটিয়া পলিষ্টেচিয়া পৰিয়াল—জুগ্লানডেছি
Sil Poma Species–Engelhardtia polystachya Family–Juglandaceae

নগাঁও, গোলাঘাট, যোৰহাট আদিত বিৰাজ কৰা অৰণ্য ভূমিবিলাকত এইবিধ মজলীয়া বিধৰ সেউজীয়া গছৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ পাতৰপৰা তৈয়াৰ কৰা ঔষধ যৌন ৰোগ নিৰাময় কৰিব পৰা গুণ আছে হেনো।

হেলচি শাক, এনহাইড্ৰা ফ্লাক্টোৱানছ এনহাইড্ৰা হেলঞ্চা হিংটেছা ৰিপেনছ পৰিয়াল—কম্পজিটি
Helanchi Sak Species–Enhydra fluctuans Synonym–Enhydra heloncha 2nd Synonya–Hingtosha repens Family–Compositae

দ-চানেকীয়া জীপাল ঠাইত উৎপত্তি হোৱা এবিধ শাক বা তৰকাৰি বনাই খাব পৰা উদ্ভিদ। ইয়াৰ পাতৰপৰা বিভিন্ন ৰোগ চিকিৎসা কৰিব পৰা ঔষধ তৈয়াৰ কৰা হয়।

উজনি অসম, নামনি অসম আৰু বৰাক উপত্যকাত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বনকপাহ, ইৰেকথিটিছ ভেলেৰিয়েনিফ্লিয়া ক্ৰেছ'চিফালছ ক্ৰেপিদিয়ইদিছ পৰিয়াল—কম্পজিটি উপ-পৰিয়াল—এষ্টেৰেছি

Bon kopah Species–Erechthites Valerianaefolia Synonym–Crassocephallus crepidioides Family–Compositae Sub-family–Asteraceae

কপাহ বা তুলাসদৃশ ফুলৰ থোপা ধাৰণ কৰা এবিধ চুটি-চাপৰ বন। পানী মৰলীয়া জীপাল পৰিবেশত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ইয়াৰ অৰ্থনৈতিক আৰু ব্যৱহাৰিক মূল্য অতি সামান্য।

পহু শিঙীয়া ঢেঁকীয়া, প্লেটিচেৰিয়ম বাইফাৰকেটম প্লেটিচেৰিয়ম এলচিকৰনি পৰিয়াল—পলিপদিয়েছি

Staghorn Fern Species–Platycerium bifurcatum Synonym–Platycerium alcicorne Family–Polypodiacae

হৰিণ জাতীয় জন্তুৰ শিঙৰ দৰে দীঘল আকৃতিৰ ফেৰমেলা পাতধাৰী এবিধ পৰদেশী ঢেঁকীয়া। এইবিধ ঢেঁকীয়াৰ জনমভূমি হ'ল অষ্ট্ৰেলিয়া মহাদেশ। আজিকালি ভাৰতবৰ্ষৰ নাৰ্চ্ছাৰি কিছুমানত ইয়াক দেখিবলৈ পোৱা যায়। ওলমাই ৰাখিব পৰা বিধৰ গামলাত ৰোপণ কৰি ড্ৰইংৰুমত সজাই ৰাখিলে অনুপম ৰূপ প্ৰদৰ্শন কৰে।

শ্ৰীফল, কাঠবেল, ফেৰনিয়া লিমনিয়া ফেৰনিয়া এলিফেন্টম পৰিয়াল—ৰুটেছি

Sriphol, Kathbel Species–Feronia limonia Synonym–Feronia elephantum Family–Rutaceae

এবিধ বেল জাতীয় বাৰীত ৰোপণ কৰি ৰখা ফল ধৰা মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। বেলৰ নিচিনা গোটা আকৃতি বাকলি ডাঠ ফল ধৰে। এইফল খোৱাৰ উপযোগী।

হিং, ফেৰুলা ফিটিদা ফেৰুলা আচাফিটিদা পৰিয়াল—আমবেলিফেৰি

Hing Species–Ferula foetida Synonym–Ferula assafoetida Family–Umbelliferae

এবিধ বন জাতীয় বনৰীয়া উদ্ভিদ। সৰু বিধৰ বছেৰেকীয়া বা দুবছৰীয়া আনতৰ বনডালৰ ঠাৰি বা শিপাত কাটি ঘা লগাই দিলে কটা ঠাইৰপৰা এক প্ৰকাৰৰ গম সদৃশ আঠা বাহিৰ হয়। এই আঠাত ঔষধীয় গুণ বিকশিত হয়।

বিহ শচী, একচ্'কেৰিয়া আগালোছা পৰিয়াল—ইউফৰবিয়েছি

Bih Sachi Species–Excoecaria agallocha Family–Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ চিৰ হৰিৎ গছ। ইয়াৰ শিপাৰপৰা নিৰ্গত হোৱা ৰসাল পদাৰ্থ ধনুৰ কাঁড়ত বিহ লগাবৰ বাবে ব্যৱহাৰ কৰে। বহুতো পাহাৰী জনগোষ্ঠীৰ

মানুহে পানীত বিহ ঢালি মাছ মৰা কামত এই বিষাক্ত ৰস প্ৰয়োগ কৰে। আজিকালি পানীত বিহ ঢালি মাছৰ বংশ বিলুপ্ত কৰিব পৰা কামক বেআইনী বুলি গণ্য কৰা হয়।

পানী কলা, ইউৰেইল ফেৰকচ্ পৰিয়াল—নিমফিয়েছি
Pani Kola Species–Euryate ferox Family–Nymphaeceae

সোঁত বিহীন পানীত বিকাশ লাভ কৰা এবিধ জলবিলাসী উদ্ভিদ। ইয়াৰ পাতবোৰৰ গুৰিৰ অংশত উৎপত্তি হোৱা ঠাৰিবোৰে এক প্ৰকাৰ কৰ্দৈৰ নিচিনা ফল ধাৰণ কৰে।

মাইফাক, ইভদিয়া মেলিফলিয়া পৰিয়াল—ৰুটেছি
Maiphak Species–Evodia meliacfolia Family–Rutaceae

এবিধ মজলীয়া আকাৰৰ চিৰিহৰিৎ গছ। কাঠৰ বৰণ হালধীয়া চানেকীয়া। মধ্য প্ৰকাৰৰ এই কাঠ ঘৰৰ খুঁটা, চটি লগোৱা আৰু সাধাৰণ পৰ্যায়ৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত লগোৱা হয়।

বাঘ চিৰতা, এক্চাকম টেট্ৰাগনম পৰিয়াল—জেনটিয়ানেছি
Bagh Chirota Species–Exacum tetragonum Family –Gentianaceae

চাৰি শিৰীয়া পাত ধাৰণ কৰা এবিধ বছেৰেকীয়া অথবা দ্বিবাৰ্ষিক বয়সীয়া উদ্ভিদ। তিতা বিধৰ ৰসাল পদাৰ্থ নিঃসৰণ কৰা উদ্ভিদবিধক বিভিন্ন ৰোগৰ ঔষধ হিছাপে ব্যৱহাৰ কৰাৰ বাবে উপযোগী হয়। উজনি আৰু নামনি অসমত বিৰাজমান হৈ থকা অৰণ্যভূমিবিলাকে এইবিধ উদ্ভিদৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰে।

বনপনিয়ল, ফ্লেকৰচিয়া ইন্দিকা পৰিয়াল—ফ্লেকৰটিয়েছি
Bon Poniol Species–Flacourtia indica Family–Flacourtiaceae

এবিধ সৰু আকাৰৰ কাঁইট থকা চিৰহৰিৎ বনৰীয়া গছ। সাধাৰণ জাতৰ পনিয়ল ফলৰ নিচিনা এই জাতৰ পনিয়ল খাবলৈ ভাল লাগে। পনিয়ল ফল মুখত দিয়াৰ পূৰ্বে পিটিকা-পিটিকি কৰি কোমলাই ল'ব লাগে। কাঠৰ বৰণ ৰঙচুৱা হয়। খেতি-বাতি কৰাৰ সৰঞ্জাম তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

চফগুটি, ফইনিকুলম ভলগাৰে পৰিয়াল—অম্বেলিফেৰি
Chofguti Species–Foeniculum vulgare Family–Umbelliferae

তামোল-পাণৰ সৈতে মছলা হিছাপে ব্যৱহাৰ কৰাৰ উপযোগী। গুটি ধাৰণ কৰা এবিধ শস্যক্ষেত্ৰত লগোৱা উদ্ভিদ।

টেঙা ধৰণৰ মঙহাল ফল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ গছ। পাতবোৰৰ আকৃতি দীঘল চানেকীয়া হয়। ফলবোৰে

বিলাতী টেপৰ, গাৰচিনিয়া মেংগোষ্টাটা পৰিয়াল—গুটিফেৰি
Bilati Tepor Species–Garcinia mangostata Family–Guttiferae

চচপা টেঙা, গাৰ্চিনিয়া পেনিকুলেটা পৰিয়াল—গুটিফেৰি
Chochopa Tenga Species–Garcinia paniculata Family–Guttiferae

সৰু চোৰাত, জেৰাৰদিনিয়া জেইলানিকা পৰিয়াল—আৰটিকেছি
Horu Surat (Common Nettle) Species–Girardinia Zeylanica Family–Urticaceae

কুকুৰ চোৰাত, জিৰাৰদিনিয়া হেটেৰোফাইলা পৰিয়াল—আৰটিকেছি
Kukur Churat Species–Girardinia heterophylla Family –Urticaceae

পানী চিটিকি, গ্লচিদিয়ম আচামিকম পৰিয়াল—ইউফৰবিয়েছি
Pani Chitiki Species–Glochidion assamicum Family–Euphorbiaceae

গৰু মৰা, গ্লচিদিয়ন মলটিলকুলাৰি পৰিয়াল—ইউফৰবিয়েছি
Gorumora Species–Glocidion multiloculare Family–Euphorbiaceae

ডাঙৰ আকাৰৰ থেকেৰাৰ ৰূপ ধাৰণ কৰে। খাবলৈ মিঠা মিঠা লাগে।

হাবি-বননিত স্বাভাৱিকতে উৎপন্ন হোৱা এবিধ মজলীয়া আকাৰৰ গছ। ফলবোৰে বৰথেকেৰাৰ আকৃতি ধাৰণ কৰে। খাবলৈ মিঠা মিঠা লাগে। উজনি অসম, কাৰ্বি আংলং, নগাভূমি আদিত থকা বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

এবিধ অলপ আকাৰৰ ডাঠ বিধৰ খহটা পাত ধাৰণ কৰা জোপোহা গছ। ইয়াৰ পাত গাত লাগিলে অসহনীয় ধৰণে বিজ বিজাবলৈ ধৰে। সেইবাবে হাবি-বননিৰ মাজে মাজে যাবলগীয়া হ'লে সতৰ্কতা অৱলম্বন কৰা অতিশয় প্ৰয়োজন।

আগতে উল্লেখ কৰা চোৰাত জাতীয় চোৰাত গছতকৈ এইবিধ চোৰাত আকাৰত ডাঙৰ হয়। সেইবাবে হাবি-ববনি অতিক্ৰম কৰাৰ বাবে সতৰ্কতা অৱলম্বন কৰা অত্যন্ত প্ৰয়োজন।

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। উজনি অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কাঠৰ বৰণ বগা-চানেকীয়া হয়। খৰি হিছাপে ব্যৱহাৰ কৰাৰ ব্যতিৰেকে এই কাঠ অন্য কামত ব্যৱহাৰৰ উপযোগী নহয়।

একে ঠাইতে জাকৰুৱাভাৱে বিকশিত হোৱা এবিধ সৰু আকাৰৰ চিৰ হৰিৎ গছ। শিৱসাগৰ, যোৰহাট, গোলাঘাট কামৰূপ প্ৰভৃতি বন সংমণ্ডলৰ অন্তৰ্গত বনাঞ্চলবোৰত এইবিধ গছৰ উৎপত্তি পৰিদৃষ্ট হয়। খৰি

হিছাপে ব্যৱহাৰ কৰাৰ বাহিৰে ইয়াৰ কাঠ কোনো নিৰ্মাণ কাৰ্যৰ উপযোগী নহয়।

টোলোঠা পকা বা হেঙেনা পকা, গ্লাইকচমিচ পেন্টাফাইলা গ্লাইকচমিচ কচিনচাইনেনচিছ পৰিয়াল—ৰুটেছি

Talotha Poka or Hengana Poka Species–Glycosmis pentaphylla Synonym–Glycosmis Cochinchinensis Family–Rutaceae

এবিধ মজলীয়া আকাৰৰ চিৰ সেউজীয়া গছ। ইয়াৰ পকা ফলবিলাক খোৱা উপযোগী। কোমল ঠাৰিবোৰ দাঁতোন হিছাপে ব্যৱহাৰ কৰা হয়। উজনি আৰু নামনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

কপাহী বন, গনাফালিয়ম ইন্দিকম কম্পজিটি—এষ্টাৰেছি

Kopahi Bon Species–Gnaphalium indicum Family–Compositae Arteraceae

এবিধ ক্ষুদ্ৰ আকাৰৰ কপাহৰ নিচিনা পাতলীয়া বিধৰ ফুল ধাৰণ কৰা কোমল ঠাৰি ধৰা বনৰীয়া বন। বতাহত কপাহৰ সৰু সৰু পাহিবোৰ উৰি ফুৰা অৱস্থাত দেখিবলৈ পোৱা যায়।

দেওকপাহ গাচিপিয়ম আৰ্বৰিয়ম গচিপিয়ম ইন্দিকম পৰিয়াল—মালভেছি

Deo Kopah Species–Gossypium arborium Synonym–Gossypium indicum Family–Malvaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ কলাবোৰ শিমলুৰ তুলা সদৃশ উৰণীয় কপাহ ধাৰণ কৰে। এই তুলা গাৰু, কুচন আদি তৈয়াৰ কৰা কামত সৰ্বত্ৰ ব্যৱহাৰ কৰা হয়।

জৰপাত, গৌনিয়া লেপ্‌টষ্টেচিয়া পৰিয়াল—ৰামনেছি

Jorpat Species–Gounia leptostachya Family–Rhamnaceae

এইবিধ কাঁইটবিহীন মাটিত বগোৱা উদ্ভিদ ৰ'দ নপৰা সেমেকা ঠাইবোৰত দেখিবলৈ পোৱা যায়। ইয়াৰ বাকলি মুৰ ধোৱা কামত চাবোনৰ সলনি ব্যৱহাৰ কৰা হয়। চৰ্মৰোগৰ ঔষধ ইয়াৰ ঠাৰি বা পাতৰ ৰস ব্যৱহাৰ্য। অসমৰ বনভূমিবোৰৰ কোনো অঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মন বিজল, বিজল গছ, গ্ৰিউইয়া এচিয়াটিকা গ্ৰিউইয়া ইলাচটিকা পৰিয়াল—টিলিয়েছি

Mon Bijol Bijol Goch Species–Grewia asiatica Synonym–Grewia elastica Family–Tiliaceae

এবিধ মজলীয়া আকাৰৰ লেহুকা ঠাৰি ধৰা উদ্ভিদ। কাঠৰ বৰণ মুগা-চানেকীয়া হয়। যাঠিৰ নাল, ঢেঁকীৰ কতৰা আদি লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰা কামত এই কাঠ ব্যৱহাৰ কৰা হয়। লা উৎপাদন কৰি

পতংগ পালন কৰিবলৈ এইবিধ গছৰ পাত আৰু ঠাৰি ব্যৱহাৰ কৰা হয়। উজনি আৰু নামনি অসমৰ হাবি-বননিত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিদৃষ্ট হয়।

কুকুৰ সুতা, গ্ৰিউইয়া মাল্‌টিফ্লোৰা পৰিয়াল—টিলিয়েছি
Kukur Suta Species–Grewia multiflora Family–Tiliaceae

ইতিপূৰ্বে স্থানান্তৰত বৰ্ণনা আগবঢ়াই অহা বিজল নামৰ উদ্ভিদৰে ইয়াক অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। আগৰ বিধৰ দৰে এইবিধ উদ্ভিদকে লা উৎপাদনকাৰী পতংগ পালন কৰা কামত লগাব পাৰি। ইয়াৰ পাত গৰু-ম'হে ঘাঁহ হিছাপে ভক্ষণ কৰে।

চৌৰা বা থৌৰা ফুহুৰা, গ্ৰিউইয়া চেপিদা পৰিয়াল—টিলিয়েছি
Soura or Thoura Phuhura Species–Grewia sapida Family–Tiliaceae

গ্ৰীউয়া বা বিজল ফৈদত থকা লেহুকা ঠাৰিযুক্ত উদ্ভিদৰ ইয়াক অন্যতম প্ৰতিনিধি বুলি ক'ব পাৰি। ইয়াকো লা উৎপাদনকাৰী পতংগৰ খাদ্য হিছাপে ব্যৱহাৰ কৰা পাতধাৰী গছ বুলি ক'ব পাৰি। অসমৰ দ-চানেকীয়া জীপাল ঠাইত ইয়াক দেখিবলৈ পোৱা যায়।

কাউৰী কৰলা, বন কুন্দলি, জিমনোপিটালম কচিনচাইনেনছে পৰিয়াল—কিউকৰবিটেছি
Kauri Korola, or Bon Kundoli Species–Gymnopetalum cochinchinense Family–Cucurbitaceae

পটলৰ নিচিনা ফল উৎপাদনকাৰী এবিধ লতা জাতীয় বনৰীয়া উদ্ভিদ। পটলৰ দৰে ইয়াৰ ফলবোৰ তৰকাৰি বনাই খাব পাৰি।

ৰঙা ভোটমলা, গাইনানড্ৰপচিছ গাইনান্দ্ৰা গাইনানড্ৰপচিছ পেন্টাফাইলা ক্লিয়ম পেন্টাফাইলা পৰিয়াল—কেপেৰিদেছি
Ronga Bhoot mola Species–Gynandropsis gynandra Synonym–Gynandropis pentaphylla Cleome pentaphylla Synonym Family–Capparidaceae

চেঁচুকীয়া ঠাইত উৎপন্ন হোৱা এবিধ বছেৰেকীয়া আনতৰ জোপোহা গছ। এইবিধ উদ্ভিদে ধাৰণ কৰা গুটিবোৰৰপৰা মিঠাতেলৰ নিচিনা এক প্ৰকাৰৰ তেল পেৰি উলিওৱা হয়। পেটৰ ভিতৰত উৎপন্ন হোৱা পেলু বাহিৰ কৰিবৰ বাবে এই তেল ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। অসমৰ সকলো ঠাইৰ থকা হাবি-বননিবোৰত এইবিধ উদ্ভিদ দেখিবলৈ পোৱা যায়।

কাছিদৈয়া, হেডিওটিছ লিনিয়েটা পৰিয়াল—ৰুবিয়েছি
Kasidoiya Species–Hedyotis Lineata Family–Rubiaceae

বছেৰেকীয়া আয়ুসৰ এবিধ বন জাতীয় উদ্ভিদ। ইয়াৰ শিপা আৰু

পাতৰপৰা এক প্ৰকাৰৰ আয়ুৰ্বেদীয় ঔষধ প্ৰস্তুত কৰা হয়। নিমনিয়া আদি ৰোগ নিৰাময়ৰ বাবে এই ঔষধ ব্যৱহাৰ কৰা হয় বুলি জনা যায়।

জুনকা ফুল, হেলিকটেৰেছ আইচৰা পৰিয়াল—ষ্টাৰকুলিয়েছি
Junka Phul Species–Helicteres isora Family–Sterculiaceae

মাটি-কঁঠাল, বা কেতেকী ফুল জাতীয় উদ্ভিদৰ পাতৰ নিচিনা এবিধ বনৰীয়া উদ্ভিদ। ইয়াৰ পাতবোৰ বখলিয়াই ৰচি তৈয়াৰ কৰা হয়।

হাতী চোৰা, হেলিওট্ৰপিয়ম ইন্দিকম পৰিয়াল—বৰাজিনেছি
Hati Chura Species–Heliotropium indicum Family–Boraginaceae

এবিধ ক্ষুদ্ৰ আকাৰৰ হাবি- বননিত গজা বনৰীয়া উদ্ভিদ। ইয়াৰ পাত আৰু শিপা পটাত বতি ৰোগ নিবাৰণৰ ঔষধ প্ৰস্তুত কৰা হয় বুলি জনা যায়। অন্য প্ৰকাৰে ইয়াৰ কোনো ব্যৱহাৰিক বা অৰ্থনৈতিক মূল্য থকা কথা জনা যায়। অসমৰ প্ৰায় সকলো ঠাইতে ইয়াত উৎপত্তি পৰিদৃষ্ট হয়।

গোল নাৰগিছ, হেমেৰোকেলিছ ফুলভা পৰিয়াল—লিলিয়েছি
Gulnargis Species–Hemerocallis fulva Family–Liliaceae

অসমৰ হাবি-জঙ্ঘলবোৰত স্বাভাৱিকতে উৎপত্তি হোৱা এবিধ লিলি জাতীয় উদ্ভিদৰ দৰে আকৰ্ষণীয় ফুল ধাৰণ কৰা বনৰীয়া উদ্ভিদ। বহুতো মানুহে এই জাতীয় লিলি শিপা আৰু আলুৰে সৈতে উঘালি আনি ফুলনিবাৰী বা গামলাত ৰোপণ কৰি ৰাখে।

অনন্তমূল, হেমিদেচমছ ইন্দিকছ পৰিয়াল—এচক্লেপিয়েদেছি
Anontamul Species–Hemidesmus indicus Family–Asclepiadaceae

শিপাৰ গুৰি ভাগৰপৰা থোপা-থোপে মূলা বা গাজৰৰ নিচিনা আলু ওলাই অহা এবিধ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা আকৰ্ষণীয় উদ্ভিদ। ইয়াৰ শিপা গুচ্ছ আৰু পাতৰপৰা তৈয়াৰ কৰা ঔষধ বিভিন্ন ৰোগ ব্যাধি নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয় বুলি আয়ুৰ্বেদীয় চিকিৎসক সকলৰপৰা জনা যায়।

গৰখীয়া কড়াই, হিবিচকছ এবেলমচকছ পৰিয়াল—মালভেছি
Gorokhia Korai Species–Hibiscus abelmoschus Family– Malvaceae

এবিধ জবাফুল গোষ্ঠীৰ বিচিত্ৰ বনৰীয়া উদ্ভিদ। গৰখীয়া ল'ৰাবিলাকে ইয়াৰ ফলবোৰে ধাৰণ কৰা গুটি ব্যৱহাৰ কৰি নানা খেল-ধেমালি কৰি দিনৰ দিনটো আনন্দত কটাই বাবেই বোধ হয় ইয়াক গৰখীয়া কড়াই নামেৰে অভিহিত কৰা হৈছে।

মেচেকা টেঙা বা টেঙামৰা, হিবিচকছ কানাবিনছ পৰিয়াল—মালভেছি

Mechaka Tenga or Tengamora Species–Hibiscus canabinus Family–Malvaceae

অসমীয়া ভাষাত টেঙা মৰা নামেৰে পৰিচিত জবাফুল জাতীয়া উদ্ভিদ। ই ধাৰণ কৰা উদ্ভিদ ফল তৰকাৰি সিজাই খোৱা হয়। এই ফুলৰপৰা জামু, জেলি আদি তৈয়াৰ কৰিও খোৱা হয়।

পহু, ওডাল হিবিচকছ মেক্রোফাইলছ পৰিয়াল—মালভেছি

Pohu Udal Species–Hibiscus macrophyllus Family–Malvaceae

এবিধ হিবিছকছ বা জবাফুল জাতীয় মজলীয়া আকাৰৰ বনৰীয়া উদ্ভিদ। ধুনীয়া ফুল ধাৰণ কৰাৰ বাবে বহুতো মানুহে ইয়াৰ দুই-চাৰিজোপা গছৰ পুলি বাৰীত ৰোপণ কৰি ৰাখে। ইয়াৰ কাঠৰ মান মজলীয়া। লাপি-লুপা কামত এই কাঠ ব্যৱহাৰ কৰা হয়। বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো ঠাইত ইয়াক পোৱা যায়।

থল পদুম, স্থল পদ্ম, হিবিচকছ মিউটাবিলিছ পৰিয়াল—মালভেছি

Thol Podum Sthala Padma Species–Hibiscus Mutabilis Family–Malvaceae

পদুম ফুলৰ নিচিনা ডাঙৰ আকাৰৰ আকৰ্ষণীয় ফুল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ জবা ফুল জাতীয় গছ। দিনটোৰ ভিতৰত ইয়াৰ ফুলবোৰে ৰং সলনি কৰি সন্ধিয়া পৰত মৰহি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা দেখা যায়। অসমীয়া ভাষাত ইয়াক থল 'পদুম বা স্থল পদ্ম বুলি কোৱা হয়।

ভোলা, হিবিচকছ টিলিয়েচিয়ছ পাৰ্টিনিয়ম টিলিয়েচিয়ছ পৰিয়াল—মালভেছি

Bhoola Species–Hibiscus tiliaceus Synonym–Partinium tiliaceus Family–Malvaceae

বিতোপন ফুল ধাৰণ কৰা জবাফুল ফৈদৰ এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ উদ্ভিদ। আলংকাৰিক গছ হিছাপে ইয়াক আলিবাটৰ কাষে কাষে লগোৱা হয়। কাঠৰ বৰণ বগা-চানেকীয়া আৰু দীৰ্ঘস্থায়ী হয়। এই কাঠ তক্তা আৰু বাটাম আকৰে নাও নিৰ্মাণ কৰা, ঘৰৰ মজিয়াত লগোৱা আদি কামত ব্যৱহাৰ কৰাৰ উপযোগী হয়। ইয়াৰ বাকলিৰপৰা তৈয়াৰ কৰা ৰচি নানা কামত ব্যৱহাৰ কৰিব পাৰি।

থেবন লতা, থপৌগুটি হড্‌চনিয়া হেটেৰ'ক্লিটা পৰিয়াল—কিউকৰবিটেছি
Thebonlota Thopow Guti Species–Hodgsonia heteroclita Family–Cucurbitaceae

এবিধ মজলীয়া আকাৰৰ আৰোহী লতা। ই ধাৰণ কৰা ঠাৰিৰ বাকলি বহুতো জনজাতীয় মানুহে তামোল-পাণৰ লগত চোবাই খাব পৰা ছালিব দৰে ব্যৱহাৰ কৰে। পাহাৰ পৰ্বতৰ নামনি ভাগত থকা বন-বননিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

হিল কদম, হমনইয়া ৰাইপেৰিয়া পৰিয়াল—ইউফৰবিয়েছি
Hill Kadam Species–Homonoia riparia Family–Euphorbiaceae

শিলাময় পাহাৰী পৰিবেশৰ ফাঁকৰ মাজত বিকশিত হৈ থকা উৰ্বৰা ভূমিত উৎপত্তি হোৱা এবিধ চিৰ হৰিৎ গছ। এইবিধ গছে বিতোপন ফুল ধাৰণ কৰে। মূত্ৰ প্ৰভৃতি ৰোগ নিৰাময়ৰ বাবে আয়ুৰ্বেদিক চিকিৎসকসকলে ইয়াৰ পাত আৰু শিপাৰপৰা প্ৰস্তুত কৰা ঔষধ সেৱনৰ বিধান দিয়ে। উজনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

যৱধান, হৰদিয়ম ভলগাৰে হৰদিয়ম চেটিভম পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—পোৱছি
Jo Dhar Species–Hordeum vulgare Synonym–Hordeum sativum Family–Gramireae Sub-family–Poaceae

খাদ্যৰ উপযোগী শস্য উৎপাদন কৰিব পৰা এবিধ ঘাঁহ জাতীয় উদ্ভিদ। অসমত ইয়াৰ খেতি কৰা নহয়। বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যৰ কৃষিজীৱী মানুহবিলাকে ডৰা ডৰাকৈ ইয়াৰ খেতি কৰে। ইয়াৰপৰা কেঁচুৱাৰ উপযোগী আহাৰ প্ৰস্তুত কৰা হয়।

বাঘ নখী, মাৰ্টিনিয়া ডায়েন্দ্ৰা পৰিয়াল—মাৰ্টিনিয়েছি
Bagh Nakhi Species–Martynia diandra Family–Martyniaceae

বছৰি বছৰি উৎপন্ন হোৱা এবিধ সৰু আকাৰৰ কাঁইটীয়া বন। ইয়াৰ মঙহাল ফলবোৰৰপৰা এক প্ৰকাৰ আচাৰ প্ৰস্তুত কৰা হয়। ফলবোৰৰপৰা আওৰোগীয়া বেমাৰ নিৰাময় কৰিব পৰা ঔষধ প্ৰস্তুত কৰিব পাৰি বুলি জনা যায়। ডিপ্তি বিষৰ ঔষধো তৈয়াৰ কৰা হয়।

গছ ইলাচি, মেলালিউকা লিউকাডেন্দ্ৰন পৰিয়াল—মিৰটেছি
Goch Elachi Species–Melaleuca leucadendron Family–Myrtaceae

গছ ইলাচি নামেৰে জনাজাত এইবিধ উদ্ভিদ অসমৰ থলুৱা গছ নহয়। অসমৰ বাহিৰৰপৰা সঁচ আমদানি কৰি

আনিহে কোনো কোনো মানুহে ইয়াক লগোৱাৰ নিয়ম প্ৰবৰ্তন কৰে। ইয়াৰ বাকলিৰপৰা কফুৰ সদৃশ সুগন্ধ নিৰ্গত হয়। মহ বিতাৰণ কৰিবৰ বাবে এই ৰস ব্যৱহাৰ কৰা হয়।

বনমেথী, মেলিলটচ্ আলবা পৰিয়াল—লেগুমিনেছি

Bon Methi Species–Melilotus alba Family–Leguminacea

জীপাল ভূমি আৰু ধাননি পথাৰত উৎপত্তি হোৱা এবিধ বনৰীয়া উদ্ভিদ। লগুৰ দৰে ইয়াক তামোল খোৱা মছলা হিছাপে ব্যৱহাৰ কৰা হয়। উজনি অসমৰ কোনো কোনো বনভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

হেংগুনীয়া, বন পচলা, মেলিৱচমা পিনাটা পৰিয়াল—চেবিয়েছি

Hengunia Bon Pochola Species–Meliosma pinnata Family–Sabiaceae

এবিধ চিৰ সেউজীয়া চৰিত্ৰ প্ৰদৰ্শন কৰা বনৰীয়া উদ্ভিদ। ইয়াৰ কুমলীয়া কুঁহিপাতবোৰ শাক হিছাপে তৈয়াৰ কৰি খোৱা হয়। কাঠৰ মান মজলীয়া আৰু এই কাঠ দা-কুঠাৰৰ নাল হিছাপে ব্যৱহাৰত লগোৱা হয়। উজনি অসমৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

থৌ থৌৱা, লাৰু বন্ধা, ধপাপতীয়া, মেলিয়চ্‌মা চিমপ্লিচিফলিয়া পৰিয়াল—চেবিয়েছি

Thow-thowa Laru-bondha, Dhopa-Potia Species–Meliosma simplicifolia Family–Sabiaceae

এবিধ সৰু আকাৰৰ চিৰ সেউজীয়া উদ্ভিদ। কাঠৰ বৰণ ৰঙচুৱা হয়। দা-কুঠাৰ আদিৰ নাল আৰু অন্যান্য প্ৰকাৰৰ সৰঞ্জাম, আৰু চকি, মেজ আদি তৈয়াৰ কৰা কামত ইয়াৰ কাঠ ব্যৱহাৰ কৰা হয়। অসমৰ প্ৰায় সকলো অৰণ্যভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বনমৰা, মেলোচিয়া কৰকৰিফলিয়া পৰিয়াল—ষ্টাৰকুলিয়েছি

Bonmora Species–Melochia corchorifolia Family–Sterculiaceae

এবিধ মৰাপাটৰ নিচিনা বনৰীয়া উদ্ভিদ। ডাল-ডোলবোৰে বৰশি সদৃশ এক প্ৰকাৰৰ ঠাৰি ধাৰণ কৰে। ইয়াৰ এবিধ বনৰীয়া মৰাপাট বুলিব পাৰি। বাকলিবোৰৰপৰা এক প্ৰকাৰৰ ৰচি তৈয়াৰ কৰিব পাৰি। অসমৰ অৰণ্য ভূমিবিলাকত ইয়াক দেখিবলৈ পোৱা যায়।

বেলিপকা, মেলোথ্ৰিয়া হেটেৰ'ফাইলা পৰিয়াল—কিউকাৰবিটেছি

Belipoka Species–Melothria heterophylla Family–Cucurbitaceae

এবিধ বছেৰেকীয়া আয়ুসৰ লতাজাতীয় উদ্ভিদ। গোটা গোটা আকাৰৰ ফল। ইয়াৰ ফল তৰকাৰি বনাই খোৱাৰ উপযোগী। অসমৰ অৰণ্যভূমিবোৰত ইয়াৰ

উৎপত্তি পৰিলক্ষিত হয়।

পদিনা, (প্ৰকাৰ) মেন্‌থা আৰভেনচিছ পৰিয়াল—লেবিয়েটি
Podina (Kind) Species–Mentha arvensis Family–Labiateae

মছলা হিছাপে শাক তৰকাৰিত মিহলাই দি ইয়াৰ সুগন্ধি মছলা হিছাপে খোৱা হয়। ঠাল-ঠেঙুলি আৰু শিপাৰ গুৰিৰ অংশ মাটিত গুজি দি ইয়াৰ বংশ বৃদ্ধি কৰিব পাৰি।

পদিনা, (প্ৰকাৰ) মেন্‌থা পাইপেৰিটা পৰিয়াল—লেবিয়েটি
Podina (Kind) Species–Mentha piperita Family–Labiateae

মাটিত বগাই বগাই উৎপত্তি হোৱা পদিনা নামৰ মছলা জাতীয় উদ্ভিদৰ ইয়াত অন্যতম প্ৰকাৰ বুলি গণ্য কৰা হয়।

বন পদিনা, মেনথা স্পাইকেটা পৰিয়াল—লেবিয়েটি
Bon Podina Species–Mentha spicata Family–Labiateae

বন-বননিৰ মাজত স্বাভাৱিকতে উৎপত্তি হোৱা এবিধ মছলা জাতীয় উদ্ভিদ। ইয়াৰ কুমলীয়া পাতবোৰো কুটি দি তৰকাৰিত মছলা হিছাপে ব্যৱহাৰৰ উপযোগী।

কলীয়া লতা, (প্ৰকাৰ) মেৰেমিয়া অম্বেলাটা আইপোমিয়া চাইমোছা পৰিয়াল—কনভলভিউলেছি
Kolia Lola (Variety) Species–Merremia umbellata Synonym–Ipomiea symosa Family–Convulvulaceae

মাটিৰ ওপৰত বগাই বগাই গৈ সুদীৰ্ঘ ধাৰণ কৰা এবিধ লতা জাতীয় উদ্ভিদ। হাবিত খৰি আদি লাগতিয়াল বস্তু বান্ধিবৰ বাবে এই লতা ৰচি হিছাপে ব্যৱহাৰ কৰা হয়। লতা ডালৰ গাঁঠিয়ে গাঁঠিয়ে পাত ৰহন কৰা ঠাৰিৰ উৎপত্তি হয়।

চাগুগছ, মেট্ৰোজাইলম চাগু পৰিয়াল—পামেছি
Sago Goch Species–Metroxylum sagu Family–Palmaceae

এবিধ ওখ ডাঙৰ আকাৰৰ তাল জাতীয় উদ্ভিদ। ইয়াৰ ৰসৰপৰা চাগু নামৰ খাদ্য প্ৰস্তুত কৰিব পৰা এবিধ পদাৰ্থ উলিওৱা হয়। বৈষ্ণৱ ধৰ্মাবলম্বী ভকতসকলে চাগুদানাৰে তৈয়াৰ কৰা খাদ্য পবিত্ৰ বুলি বিবেচনা কৰে।

মাইকেনিয়া নামেৰে সৰ্বত্ৰ পৰিচিত আৰোহী লতাজাতীয় এই পৰদেশী উদ্ভিদ বিধক অসমীয়া ভাষাত আচাম লতা বা জাপানী হাবি বুলি কোৱা হয়। এইবিধ

মাইকেনিয়া, আচাম লতা, মাইকেনিয়া মিক্ৰাণ্ঠা মাইকেনিয়া স্কাণ্ডেনছ পৰিয়াল—কম্পজিটি উপপৰিয়াল—এষ্টেৰেছি
Mikania Assam Lota Species–Mikania micranth Synonym–Mikania scandens Family–Compositae Sub-family–Asteraceae

লতাই আশ্ৰয়দাতা গছবোৰক ছানি ধৰি অসীম ক্ষতি কৰে। সেইবাবে ইয়াক সমূলঞ্চে উচ্ছেদ কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। অসমৰ প্ৰায় সকলো বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বন পনিয়ল, মিলিয়ছ ৰাক্সবাৰগিয়ান পৰিয়াল—এনোনেছি
Bon Poniol Species–Milius ruxburghiana Family–Anonaceae

মেলাহি আকাৰ ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ পাতৰ ভৰণ লৈ মূৰকামূৰণি বেমাৰৰপৰা আৰোগ্য লাভ কৰিব পাৰি। কাঠৰ বৰণ বগা-চানেকীয়া হয়। এই কাঠ বিভিন্ন প্ৰকাৰ সৰু-সুৰা কামত লগাব পাৰি। উজনি অসমৰ অৰণ্য ভূমিবোৰত ইয়াক দেখিবলৈ পোৱা যায়।

শংখমালা, পৰিয়াল—অলিয়েছি
Sonkhamala Species–Jasminum grandiflorum Family–Oleaceae

বঙালী আৰু হিন্দী ভাষাত এইবিধ উদ্ভিদক চামেলি বুলি কোৱা হয়। ইংৰাজী নাম Italian Jasmine ই এবিধ খৰিকা জাতীয় বনৰীয়া ফুল। কোনো মানুহে ইয়াৰ পুলি শিপাৰ সৈতে উঠাই আনি ফুলনিত লগায়। ফুলৰ বৰণ বগা। সুগন্ধি। লমা-লমে লাগে।

স্বৰ্ণ মালতী, জেচমিনম হিউমাইল জেচমিনম এনোডৰম পৰিয়াল—অলিয়েছি
Sworna Maloti Species–Jasminum humile Synonym–Jasminum inodorum Family–Oleaceae

লমা-লমে বগা বৰণৰ সুগন্ধি ফুল ফুলি অৰণ্য ভূমি জাতিষ্কাৰ কৰি ৰখা এবিধ বিতোপন খৰিকাজাঁই ফৈদৰ আৰোহী লতা। কোনো কোনোৱে হাবিৰ মাজৰপৰা শিপাৰে সৈতে উঘালি আনি এইবিধ ফুল বাৰীত লগায়। ইয়াৰ ফুলৰপৰা এক প্ৰকাৰৰ সুগন্ধি আতৰ তৈয়াৰ কৰা হয়।

ডোৱামালি, চন্দ্ৰিকা জেচমিনম, চামবাক পৰিয়াল—অলিয়েছি
Duamali Chandrika Species–Jasminum sambac Family–Oleaceae

ডোৱামালি বা চন্দ্ৰিকা নামে পৰিচিত এবিধ সৰু আকাৰৰ গুটিমালি জাতীয় ফুলৰ গছ। ফুল থোপা-থোপে ফুলে আৰু সুগন্ধি হয়। কোনো কোনো মানুহে হাবিৰ মাজৰপৰা শিপাৰে সৈতে ইয়াৰ পুলি আনি ফুলনিবাৰীত বা মাটিৰ গামলাত লগাই ৰাখে।

বঙালী এৰা, জেথ্ৰোফা কুৰকাছ পৰিয়াল—ইউফৰবিয়েছি
Bongali Era Species–Jathropha curcas Family–Euphorbiaceae

এবিধ কোমল ঠাৰি ধাৰণ কৰা বনৰীয়া উদ্ভিদ। ইয়াৰ ঠাল কাটিলে গাখীৰৰ নিচিনা বগা বৰণৰ আঠা ওলায়। দাঁতোন হিছাপে ইয়াৰ ঠাল ব্যৱহাৰ কৰা হয়। বেৰাৰ কাষে কাষে শাৰী শাৰীকৈ ঘন ঘনভাৱে লগাই দি জীৱন্ত বেৰাৰ অভাৱ পূৰণ কৰিব পাৰি।

ৰঙা ভোট এৰা, জেথ্ৰোফা গচিপিফলিয়া পৰিয়াল—ইউফৰবিয়েছি
Ronga Bhoot Era Species–Jothropha gossypifolia Family–

এইবিধ বঙালী জাতীয় কোমল ঠাৰি ধৰা ৰঙচুৰা বৰণৰ উদ্ভিদ। আলি-পদূলিৰ কাষে কাষে বিকশিত হৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰিব পাৰি। কোনো কোনো মানুহে আলংকাৰিক উদ্ভিদ হিছাপে ইয়াৰ দুই-চাৰিটা পুলি উঠাই আনি বাৰীৰ কাষত ৰোপণ কৰেহি।

আখৰুট, কাঠবাদাম, জগলানছ ৰেজিয়া পৰিয়াল—জগলানদাছি
Akhroot Kathbadam Species–Juglans regia Family–Juglandaceae

আখৰুট বা কাঠবাদাম নামেৰে জনাজাত এবিধ ওখ ডাঙৰ গছ। কাশ্মীৰ আৰু হিমালয় শৈলমালাৰ পশ্চিমাংশত বিৰাজ কৰি থকা হাবি-বননিত পৰিদৃষ্ট হয়। সুমিষ্ট বাদাম জাতীয় ফল ধাৰণ কৰা বাবে বহুতো মানুহে ইয়াক বাৰীত লগায়। অসমত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত নহয়। ইয়াৰ ফল অৱশ্যে বজাৰত কিনিবলৈ পোৱা যায়।

পানী খুতৰা, জুচিয়েইয়া ৰেপেনছ পৰিয়াল—অনাগ্ৰেছি
Pani Khutora Species – Jussiaea repens Family – Onagraceae

পানীয়ে গৰকা দ-চানেকীয়া ভূমিত বনৰীয়াভাৱে উৎপত্তি হোৱা এবিধ খুতৰা গোষ্ঠীৰ উদ্ভিদ। ইয়াৰ পাত বা ঠাৰি তৰকাৰি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা দেখা নাযায়। সেইবাবে ইয়াৰ ব্যৱসায়িক আৰু অৰ্থনৈতিক লাভ তেনেই নগণ্য।

বন জলকীয়া, পানী জলকীয়া, জুচিয়েইযা চুফুটিকছা পৰিয়াল—অনাগ্ৰেছি
Bon Jolokia Pani Jolokia Species–Jussiaia suffruticosa Family–Onagraceae

পানীত ডুব গৈ থকা দ-চানেকীয়া ঠাইত উৎপত্তি হোৱা এবিধ বনৰীয়া বন। এইবিধ উদ্ভিদক বঙালী ভাষাত বনমৰিচ কোৱা হয়। ভুঁহ লংকা আৰু লাল বন লংকা অন্যতম নাম। গছজোপাৰ

ঔষধি প্ৰমূল্য আছে বুলি জনা যায়। উজনি অসমৰ হাবি-বননি কিছুমানত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

জুৰণ বন, জচ্টিচিয়া প্ৰকমবেনছ
পৰিয়াল—একানথেছি
Juron Bon Species–Justicia procumbens Family–Acanthaceae

এবিধ সৰু আকৰৰ বনৰীয়া বন, ইয়াৰ পাত আৰু ঠাৰিত ঔষধীয় গুণ আছে বুলি জনা যায়। উজনি অসমৰ পথৰুৱা ঠাইবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

চন্দ্ৰমলা, কায়েমফেৰিয়া গেলেংগ
পৰিয়াল—জিঞ্জিবাৰেছি
Chandramola Species–Kaemferia galanga Family–Zingiberaceae

এবিধ বছেৰেকীয়া আয়ুসৰ বনৰীয়া বন। শিপা গুচ্ছৰপৰা ওলাই অহা এবিধ ৰঙচুৱা বৰণৰ ফুল ধাৰণ কৰে। উদ্ভিদডালৰ কোনো ব্যৱহাৰিক বা অৰ্থনৈতিক মূল্য থকাৰ কথা জনা নাযায়।

চেংমৰা, কাঁইটীয়া কচু, লেচিয়া স্পাইনোছা
পৰিয়াল—এৰেছি
Chengmora, Kaintia Kachu Species–Lasia spinosa Family–Araceae

কাঁইটীয়া ঠাৰি ধাৰণ কৰা এবিধ কচু। সাধাৰণতে সোঁতবিহীন পানীত ডুব গৈ থকা চেঁচুকীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

ডাঢ়ি থকা আইৰিছ, আইৰিচ জাৰমানিয়া
পৰিয়াল—আইৰিডেছি
Bearded Iris Species–Iris germania Family–Iridaceae

আইৰিচ নামেৰে জনাজাত বিতোপন ফুল ধৰা উদ্ভিদবিলাকে অৰ্কিডৰ (কপৌফুল বা ভাটৌ ফুল) দৰে বিচিত্ৰ আকৃতিৰ ফুল ধাৰণ কৰে। সদ্যহতে উল্লেখ কৰাবিধ আইৰিচ মেঘালয়ত দেখিবলৈ পোৱা যায়।

জাপানী আইৰিচ বা মেলাহি আইৰিচ, আইৰিছ জাপনিকা পৰিয়াল—আইৰিডেছি
Japanese Iris Species–Iris Japonica Family–Iridaceae

সৰ্বসাধাৰণে ব্যৱহাৰ কৰা ভাষাত সদ্যহতে নাম উল্লেখ কৰাবিধ উদ্ভিদক জাপানী আইৰিচ নামেৰে জনা যায়। ইয়াক অসমৰ প্ৰাকৃতিক পৰিবেশত দেখিবলৈ পোৱা নাযায়। মেঘালয়ৰ পৰ্বতীয়া ভূমিত ইয়াক দেখিবলৈ পোৱাৰ সম্ভাৱনা প্ৰবল।

এইবিধ আইৰিছ নামৰ উদ্ভিদে ধাৰণ কৰা ফুলৰ আকৃতি সাইলাখ অৰ্কিড ফুলৰ নিচিনা হয়। ইয়াৰ জনমভূমি স্পেইন আৰু পৰ্তুগীজ দেশ বুলি জনা যায়।

স্পেনীয় আইৰিছ, আইৰিছ জাইফিয়ম পৰিয়াল আইৰিডেছি
Spanish Iris Species–Iris xiphium Family – Iridaceae

কোনো কোনো পুষ্প-প্ৰেমী মানুহে ইয়াৰ সঁচ আমদানি কৰি আনি মেঘালয়ৰ পাহাৰী পৰিবেশত ৰোপণ কৰা পৰিদৃষ্ট হয়। অসমৰ ভৈয়াম অঞ্চলবোৰত এইবোৰ সাধাৰণতে দেখিবলৈ পোৱা নাযায়।

কৰ্ণ লিলি, ইকচিয়া আইৰিছ পৰিয়াল— আইৰিডেছি
Corn Lily Species–Ixia iris Family–Iridaceae

এইবিধ লিলি জাতীয় উদ্ভিদৰ ফুলৰ দৰে অনুপম ফুল ধাৰণ কৰা আইৰিছৰ জনমভূমি দক্ষিণ আফ্ৰিকা বুলি জনা যায়। মেঘালয়ৰ পৰ্বতীয়া পৰিবেশলৈ কোনো পুষ্পপ্ৰেমী ব্যক্তিয়ে ইয়াৰ সঁচ আনি ৰোপণ কৰিছিল বুলি সঠিকভাৱে জনা নাযায়। অসমত ইয়াক দেখিবলৈ পোৱাৰ সম্ভাৱনা নগণ্য।

ৰজত ডলাৰ, মুনৱৰ্ট মণি, প্লেণ্ট লুনাৰিয়া এনোয়া লুনাৰিয়া বাইয়েনিছ পৰিয়াল— ক্ৰুচিয়েৰি
Silver Dollar Moonwort, Money Plant Species–Lunaria annua Synonym–Lunaria biennis Family–Cruciferae

ৰজত ডলাৰ (Silver Dollar) নামেৰে জনাজাত এবিধ উদ্ভিদে সমগ্ৰ বিশ্বতে আলোড়নৰ সৃষ্টি কৰা পৰিদৃষ্ট হয়। ইয়াৰ ফুলৰ পাহিবোৰে ডলাৰ সদৃশ মুদ্ৰাৰ ৰূপ ধাৰণ কৰা দেখা যায়। শুকান ফুল আৰু পাতৰ দ্বাৰা প্ৰস্তুত কৰা দৰ্শনীয় ফুলদানিত সজোৱা ফুলৰ বাবে ইয়াৰ অৱদান অপৰিসীম।

তুলসী, অচিমম চেংকটম পৰিয়াল— লেবিয়েটি
Tulosi Sacred Basil Species–Ocimum sanctum Family–Labiatae

তুলসী নামেৰে জনাজাত উদ্ভিদবিধক হিন্দু ধৰ্মাৱলম্বী লোকসকলে পবিত্ৰ উদ্ভিদ বুলি শ্ৰদ্ধা কৰে। অসমীয়া হিন্দুসকলে কাতি মাহত গধূলি গধূলি তুলসীৰ ভেটিত চাকি জ্বলাই ভক্তিৰসৰ মাহাত্ম্য উপলব্ধি কৰে।

ওম বৃন্দা ঐ তুলসী দৈব্যৈই
প্ৰিয়াঐ কেশৱস্য চঃ
বিষ্ণুভক্তি প্ৰদায়িন্যৈ
সত্যৱত্যৈ নমো নমঃ

বন জালুক, অলডেনলানদিয়া কৰিম্বছা পৰিয়াল—ৰুবিয়েছি
Bon Jaluk Species–Oldenlandia corymbosa Family–Rubiaceae

বনাঞ্চলবোৰৰ কোনো কোনো গছৰ ডালে-পাতে বগোৰা এবিধ আৰোহী লতা। ই ধাৰণ কৰা গুটি মছলা হিছাপে তৰকাৰিত ব্যৱহাৰ হয় নে নহয় সঠিক-ভাৱে জনা নাযায়। জ্বৰ-বেমাৰ নিৰাময়ৰ ঔষধ হিছাপে ইয়াৰ ৰসেৰে মূৰত ভৰণ লোৱা হয়। অসম আৰু মেঘালয় প্ৰভৃতি পৰ্বতীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বন জালুক, (প্ৰকাৰ) অলডেনলানদিয়া ডিফিউছা পৰিয়াল—ৰুবিয়েছি
Bon Jaluk (Kind) Species–Oldenlandia diffusa Family–Rubiaceae

আগৰ নিবন্ধৰ মাধ্যমত বন জালুক নামৰ লতা জাতীয় উদ্ভিদৰ বিষয়ে আলোচনা কৰি অহা হৈছে। সদ্যহতে আলোচনাত অৱগাহন কৰিবলৈ প্ৰয়াস কৰা বিধ বন জালুক আগতে উল্লেখ কৰা বিধৰে অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। অসমৰ প্ৰায় সকলো ঠাইতে ইয়াক দেখিবলৈ পোৱা যায়।

বন ৰিহা, ছৈ পাৰলি, অলিয়কনিডি ইটিগ্ৰিফলিয়া পৰিয়াল—আৰটিকেছি
Bon Riha Choiparoli Species–Oreocnide itegrifolia Family–Urticacaeae

বনভূমিবোৰত আপোনা-আপুনি উৎপত্তি হোৱা জাতীয় বনৰীয়া উদ্ভিদ। ইয়াৰ ঠাৰিবোৰৰ বাকলিৰপৰা এক ৰকমৰ ৰচি তৈয়াৰ কৰা হয়। উৎপত্তি সৰ্বত্ৰ পৰিদৃষ্ট।

জতৰি ৰিহা, অৰিঅকনিড্ ফ্ৰুটেচ্চেন্‌ছ পৰিয়াল—আৰ্‌টিকেছি
Jotori Riha Species–Oreocnide fruitescens Family–Urticaceae

বনৰীয়াকৈ য'তে ত'তে উৎপত্তি হোৱা আন এবিধ ৰিহা জাতীয় উদ্ভিদ। ইয়াৰ ঠাৰিৰপৰাও ৰচি তৈয়াৰ কৰা হয়। বনাঞ্চলত সৰ্বত্ৰ দ্ৰষ্টব্য।

গন্ধ নিকুলি, অফিওৰাইজা মুনগছ পৰিয়াল—ৰুবিয়েছি
Gondha Nikuli Species–Ophiorrhiza mungos Family–Rubiaceae

এবিধ কোমল ঠাৰি ধাৰণ কৰা ক্ষুদ্ৰ আকাৰৰ বনৰীয়া বন। সৰ্প দংশনৰ অব্যৰ্থ ঔষধ ৰূপে ব্যৱহাৰ কৰিব পৰা যায়। বলিয়া কুকুৰে কামোৰা মানুহকো এইবিধ গছৰ ৰস খাবলৈ দিয়া হয় বুলি জনা যায়। উজনি অসমত ইয়াক দেখিবলৈ পোৱা যায়।

মতা বকুল বিহ, অক্চিমিত্ৰা ফৰ্ণিকাটা
পৰিয়াল—এনোনেছি
Mota Bokul Bih Species –Oxymitra fornicata Family–Anonaceae

সৰহীয়াকৈ একে ঠাইতে উৎপত্তি হোৱা এবিধ চিৰহৰিৎ আৰোহী লতা। ইয়াক ব্যৱহাৰিক তাৎপৰ্যৰ বিষয়ে সঠিকভাৱে জনা নাযায়। সৰ্বত্ৰ বিদ্যমান।

কঠলুৱা আঠা গছ, পালাকইয়ম অবভেটম
পৰিয়াল—চেপটেছি
Kotholua Atha Goch species–Palaquium obovatum Family–Sapotaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। কাঠৰ বৰণ ক'লা-চানেকীয়া। এই কাঠৰ তক্তা আৰু বাটাম কৰতেৰে ফালি ঘৰ সজা, চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ্য। উজনি অসমত এইবিধ গছ পোৱা যায়।

নিমতিতা, বনপচলা, পিক্ৰাচমা জাভানিকা
পৰিয়াল—চিমাৰুবিয়েছি
Neem-tita Bon Pochola Species–Picrasma Javanica Family–Simarubiaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। ইয়াৰ বাকলি মুখত দিলে তিতা তিতা লাগে। জনজাতীয় কিছুমান মানুহে ইয়াক তামোল-পাণৰ সলনি ব্যৱহাৰ কৰে। উজনি অসমৰ বনভূমিবোৰত এইবোৰ বিদ্যমান।

দীঘল পতীয়া সৰল গছ, পাইনচ লংগিফলিয়া পাইনচ ৰাক্সবাৰগিয়াই
পৰিয়াল পাইনেছি
Long leaed Pine Species–Pinus longifolia Synonym–Pinux ruxburghii Family–Pinaceae

হিমালয় শৈল মালাৰ নিম্নভাগৰ উচ্চতাত বিকাশ লাভ কৰি থকা সৰল (পাইন) গছক দীঘলপতীয়া সৰল কোৱা হয়। Pinus longifolia অসমৰ ভৈয়াম অঞ্চলত ইয়াক দেখা যায়। শ্বিলঙত আছে হ'বলা।

দেওদাৰ সৰল, চেড্ৰচ দেবদাৰা
পৰিয়াল—পাইনেছি
Deudar Pine Species–Cedrus debdara Family–Pinaceae

সৰ্বসাধাৰণৰ ভাষাত দেওদাৰ নামেৰে পৰিচিত এবিধ পাইন গছে জাকৰুৱাভাৱে মধ্যমীয়া উচ্চতাত বিকাশ লাভ কৰা দেখিবলৈ পোৱা যায়। বিজ্ঞানসম্মতভাৱে ইয়াক Cedrus debdara নামেৰে চিহ্নিত কৰা হৈছে। ইয়াৰ ওপৰৰ উচ্চতাই ধাৰণ কৰা বিধ পাইনক Pinus excelsa বোলে।

ইচপ গোল, টুটু মাহ, প্লানটাগো অভটা পৰিয়াল—প্লানটাজিনেছি
Esop-gul Species–Plantago ovata Family–Plantaginaceae

চেঁচুকীয়া ঠাইত উৎপত্তি হোৱা এবিধ ক্ষুদ্ৰাকাৰ উদ্ভিদ। ইয়াৰ গুটিবোৰ পানীত ভিজাই ৰাখি ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়।

নীলা এগেচিটা, প্লুমবাগো অৰিকুলেটা পৰিয়াল—প্লুমবাজিনেছি
Neela Agechita Species–Plumbago auriculata Family–Plumbaginaceae

এবিধ সৰু আকাৰৰ চিৰ সেউজীয়া উদ্ভিদ। ই ধাৰণ কৰা শিপাৰ আলুৰপৰা তৈয়াৰ কৰা ঔষধৰ দ্বাৰা নানা বেমাৰৰপৰা আৰোগ্য লাভ কৰিব পাৰি বুলি আয়ুৰ্বেদীয় চিকিৎসকসকলৰপৰা জনা যায়।

ৰঙা এগেচিটা, প্লমবাগো ৰেজিয়া পৰিয়াল—প্লুমবাজিনেছি
Ronga Agechita Species–Plumbago rosea Family–Plumbaginaceae

ইয়াৰ আগৰ লিখনিত উল্লেখ কৰা বিধ এগেচিটা নামৰ উদ্ভিদৰ ই অন্যতম সংস্কৰণ। গুণাগুণ প্ৰায় একে।

বগা এগেচিটা, প্লুমবাগো জেইলানিকা পৰিয়াল—প্লুমবাজিনেছি
Boga Agechita Species–Plumbago zeylanica Family–Plumbaginaceae

এইবিধ এগেচিটা নামৰ উদ্ভিদক একে নামেৰে পৰিচিত তৃতীয় প্ৰজাতি বুলি গণ্য কৰা যায়। ব্যৱহাৰ প্ৰণালী আৰু গুণাগুণ প্ৰায় একে।

বগা গুলছি, প্লুমেৰিয়া আলৰ্বা পৰিয়াল—এপচায়ানেছি
Boga Gulachi Species–Plumeria alba Family–Apocyanaceae

এবিধ কোমল দেহধাৰী আৰু ডাঠ বিধৰ দীঘল পাত ধাৰণ কৰা মজলীয়া আকাৰৰ উদ্ভিদ। থোপা-থোপে বগা বৰণীয়া আকৰ্ষণীয় ফুল ধাৰণ কৰাৰ বাবে ইয়াক বগা গুলছি বা বগা গুলঞ্চ বুলি চিহ্নিত কৰিব পাৰি। ইংৰাজী ভাষাত ইয়াক Temple Tree বুলি কোৱা হয়।

ৰঙা গুলছি, প্লুমেৰিয়া ৰুব্ৰা পৰিয়াল—প'চায়ানেছি
Ronga Gulchi Species–Plumeria rubra Family–Apocyanaceae

এইবিধ গুলছি ফুল আৰু ইতিপূৰ্বে পূৰ্বসুৰী নিবন্ধৰ মাধ্যমত বৰ্ণনা আগবঢ়াই অহা-বিধ গুলছিৰ মাজত বিশেষ পাৰ্থক্য পৰিদৃষ্ট নহয়। পৃথক ইমানেই যে এইবিধ গুলছিৰ ফুলবোৰে বগাৰ পৰিবৰ্তে ৰঙা বৰণ ধাৰণ কৰে।

বহলপতীয়া গুলছি, প্লুমেৰিয়া একিওটিফলিয়া পৰিয়াল—এপচায়ানেছি
Bohol Polia Gulochi Species–Plumeria acutifolia Family–Apocyanaceae

গুলছি নামৰ মজলীয়া আকাৰৰ ফুলৰ গছৰে আন এটা জাত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। ইয়াৰ ফুলবোৰৰ বৰণ অলপ ৰঙচুৱা হয়। গছডালে একপ্ৰকাৰৰ মজবুত ৰূপ ধাৰণ কৰে।

বৰ বেচু, পলিগনম হেমিলটনিয়াই পৰিয়াল—পলিগনেছি
Bor bechoo Species–Polygonum hamiltonii Family–Polygonaceae

পথৰুৱা বিহলঙনি গছৰ নিচিনা কোমল দেহ আৰু ঠাৰি ধাৰণ কৰা বছেৰেকীয়া আনত এবিধ সৰু উদ্ভিদ। সাধাৰণতে চেঁচুকীয়া ঠাইত ইয়াত উৎপত্তি হয়। ব্যৱহাৰিক আৰু অৰ্থনৈতিক দিশত ইয়াৰ অৱদান তেনেই সামান্য।

বাঘ আছোঁৰা, পলিগনম পাৰফলিয়েটম পৰিয়াল—পলিগনেছি
Bagh Anchura Species–Polygonum perfoliatum Family–Polygonaceae

বছেৰেকীয়া বা দুবছৰীয়া আয়ুসৰ এবিধ আৰোহী লতা জাতীয় উদ্ভিদ। ইয়াৰ কুমলীয়া পাতবোৰ তৰকাৰি বনাই খাব পাৰি। অসম, নগালেণ্ড আৰু মেঘালয়ত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মৌ চৰালি, পলিগনম ষ্ট্ৰিগচম পৰিয়াল—পলিগনেছি
Mon Sorali Species–Polygonum Strigosum Family–Polygonaceae

বছৰেকীয়া আয়ুসৰ মাটিৰ ওপৰে ওপৰে বগাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ আৰোহী লতা। পাতবোৰৰ তলৰ লুটি ক'লা-চানেকীয়া ৰূপ প্ৰদৰ্শন কৰে। পাতৰ গুৰিত একপ্ৰকাৰৰ বৰশি সদৃশ কাঁইট থাকে। অসম, নগাভূমি আৰু মেঘালয়ত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মালভোগ খুতৰা, পৰ্তুলাকা অলিৰাছিয়া পৰিয়াল—পৰ্তুলেকাছি
Malbhug Khutora Species–Portulaca oleracea Family–Portulacaceae

কোমল আৰু লেহুকা বিধৰ ঠাৰি ধাৰণ কৰা এবিধ বছেৰেকীয়া উদ্ভিদ। মালভোগ খুতৰা নামেৰে পৰিচিত এইবিধ উদ্ভিদ তৰকাৰি বনাই খাব পাৰি। অসমৰ সকলো প্ৰকাৰৰ শাকনি বা ফুলনিবাৰীত ইয়াক দেখিবলৈ পোৱা যায়।

পৰ্তুলাকা পৰ্তুলাকা, গ্ৰেন্দিফ্লোৰা পৰিয়াল পৰ্তুলাকাছি Portulaca Species–Portulaca grandiflora Family–Portulacaceae

মালভোগ খুতৰা বংশজাত এবিধ আকৰ্ষণীয় ফুল ধাৰণ কৰা ফুল জাতীয় উদ্ভিদ। ফুলনিবাৰীৰ কাষে কাষে ইয়াৰ ঠাৰি ৰোপণ কৰিলে অনুপম ৰূপ প্ৰদৰ্শন কৰে। গামলাতো লগাই ৰাখিব পাৰি।

বৰালি বুকুৱা, পৌজলজিয়া ইন্দিকা পৰিয়াল—আৰটিকেছি Borali Bukua Species–Pouzolzia indica Family–Urticaceae

এবিধ সৰু আকাৰৰ কোমল দেহধাৰী বছেৰেকীয়া উদ্ভিদ। যৌনৰোগ; সৰ্পদংশন আদি মাৰাত্মক ৰোগ নিৰাময়ৰ বাবে এইবিধ উদ্ভিদৰপৰা প্ৰস্তুত কৰা ঔষধ ব্যৱহাৰ কৰা হয়। কবিৰাজৰ পৰামৰ্শ অনুযায়ী কোনো মাৰাত্মক ৰোগত আক্ৰান্ত ল'ৰা-ছোৱালীৰ কঁকালত তাবিজত ভৰাই এই ঔষধ বান্ধি দিয়া হয়। অসমৰ বহুতো বনভূমিতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

গনিয়ৰি, প্ৰেমনা লেটিফলিয়া পৰিয়াল—ভাৰবিনেছি Goniori Species–Premna latifolia Family–Verbenaceae

এবিধ সৰু আকাৰৰ পৰ্ণপাতী উদ্ভিদ। কবিৰাজৰ পৰামৰ্শ অনুযায়ী বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে এইবিধ উদ্ভিদৰ পাত, শিপা আদিৰে তৈয়াৰ কৰা ঔষধ ৰোগীক খুওৱা হয়।

কাঠ বাদাম, প্ৰুনচ এমিগডেলাছ Kath Badam Species–Prunus amygolalus

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী উদ্ভিদ। ইয়াৰ ফল খোৱাৰ উপযোগী হোৱাৰ বাবে কোনো কোনো ব্যক্তিয়ে দুই-চাৰিজোপা গছ বাৰীত লগাই ৰাখে।

চাৰি সিৰীয়া উৰহি, চফোকাৰপছ টেট্ৰাগনোলটাছ পৰিয়াল—লেগুমিনেছি Chari-Siria urohi (Bean) Species–Psophocarpus tetragonolotus Family–Leguminaceae

উৰহি নামেৰে জনাজাত তৰকাৰি কৰি খোৱা ছিৰা ধাৰণ কৰা উদ্ভিদৰ কেবাটাও জাত আছে। এই নিবন্ধৰ জৰিয়তে বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা বিধ উৰহিৰ ছিৰাবোৰে চাৰি পহীয়া ৰূপ প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়।

লতা কস্তুৰী, চৰালিয়া কৰিলিফলিয়া পৰিয়াল—লেগুমিনেছি Lota Kosturi Species–Psoralia corylifolia Family–Leguminaceae

এবিধ বিৰল জাতৰ লতা-চানেকীয়া বনৰীয়া বন। নানা ৰোগৰ ঔষধ তৈয়াৰ কৰিবৰ বাবে ইয়াৰ গুটি আৰু পাত ব্যৱহাৰ কৰা হয় বুলি জনা যায়।

বন মৰলীয়া, মতা নাহৰ, বন তেঁতেলি টেৰোস্পাৰমম এচিৰিফলিয়ম পৰিয়াল—ষ্টাৰকুলিয়েছি
Bon morolia Mota nahor, Bon teteli Species–Pterospormum acerifolium Family–Sterculiaceae

এবিধ অলপ ডাঙৰ আকাৰৰ চিৰহৰিৎ গছ। উজনি আৰু নামনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কাঠৰ বৰণ অলপ ৰঙচুৱা হয়। ঘৰ সজা আৰু চকি, মেজ প্ৰভৃতি প্ৰস্তুত কৰা কামত এই কাঠ ব্যৱহাৰৰ উপযুক্ত।

পানী আলু, পিউএৰাৰিয়া ফেচিওলইদেছ পৰিয়াল—লেগুমিনেছি
Pani Alu Species–Pueraria phaseoloides Family–

বছেৰেকীয়া আনতৰ এবিধ গছতে বগোৱা বিধৰ আৰোহী লতা। ইয়াৰ শিপাই ধাৰণ কৰা আলুবোৰ তৰকাৰি বনাই বা কেঁচাই কেঁচাই খোৱাৰ বাবে উপযোগী হোৱাৰ বাবে বহুতে ইয়াৰ গাঁঠি থকা লতা অথবা শিপাৰ মূঢ়া বাৰীত ৰোপণ কৰে।

পানী আলু, (প্ৰকাৰ) পিউৰেৰাৰিয়া টিউবাৰোজা পৰিয়াল—লেগুমিনেছি
Pani Alu (Variety) Species–Pueraria tuberosa Family–Leguminaceae

এইবিধ পানী আলু আৰু ইতিমধ্যে স্থানান্তৰত বৰ্ণনা আগবঢ়াই অহা বিধৰ মাজত থকা পাৰ্থক্য তেনেই সামান্য। অৱশ্যে সদ্যহতে উল্লেখ কৰা বিধ পানী আলুৱে ধাৰণ কৰা আলু বা মূল আকাৰত অলপ ডাঙৰ হয়।

বন মধুৰি, পাইৰেনাৰিয়া বেৰিংটনিফলিয়া পৰিয়াল—থিয়েছি
Bon Modhuri Species–Pyrenaria barringtoniaefolia Family–Theaceae

মধুৰিৰ নিচিনা ফল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ইয়াৰ পকা ফলবোৰ খোৱাৰ উপযোগী। উজনি অসমৰ বনাঞ্চলবোৰত বিদ্যমান।

মাজাথি, মানজিছথা ৰুবিয়া কৰ্ডিফলিয়া পৰিয়াল—ৰুবিয়েছি
Majathi Manjistha Species–Rubia cordifolia Family–Rubiaceae

অলপ বিধৰ ঠাৰি ধাৰণ কৰা এবিধ বনৰীয়া উদ্ভিদ। ইয়াৰ পাত আৰু শিপা বিভিন্ন ৰোগৰ ঔষধৰূপে ব্যৱহাৰ কৰিব পৰা উপকৰণ হিচাপে ব্যৱহাৰৰ উপযোগী বুলি জনা যায়।

জেটুলি পকা, ৰুবাছ মলোকানছ পৰিয়াল—ৰুবিয়েছি
Jetuli poka Species–Rubus molucanus Family–Rubiaceae

এবিধ মজলীয়া বা সৰু আকাৰৰ কাঁইটীয়া উদ্ভিদ। আঙুলি-পতীয়া

পাতবোৰৰ উভয় পিঠি খহতীয়া হয়। থোপা-থোপে ৰঙচুৰা বৰণৰ ফুলে বিকাশ লাভ কৰে। বাকলি ৰঙা ফুলবোৰ খাবৰ বাবে মিঠা হয়। উজনি আৰু নামনি অসমৰ প্ৰায় সকলো ঠাইতে ইয়াক দেখিবলৈ পোৱা যায়।

চুকা শাক, (প্ৰকাৰ) ৰুমেক্স এচিটোচেলা পৰিয়াল—পলিগনেছি

Chuka sak (Var) Species–Rumex acitosella Family–Polygonaceae

শাকনিবাৰীত গুটি সিঁচি ডৰা ডৰাকৈ লগোৱা এবিধ শাক জাতীয় উদ্ভিদ। খাবলৈ অলপ টেঙা টেঙা লাগে।

বনৰীয়া চুকা শাক, (প্ৰকাৰ) ৰুমেক্স মেৰিটিনছ পৰিয়াল—পলিগনেছি

Wild chuka sak Species–Rumex maritinus Family–Polygonaceae

বনৰীয়াভাৱে য'তে ত'তে উৎপত্তি হোৱা এবিধ চুকা শাক জাতীয় উদ্ভিদ। ঘৰচীয়া হিছাপে শাকনি বাৰীত লগোৱা বিধ চুকা শাকৰ দৰে ইয়াকো বুটলি আনি তৰকাৰি হিছাপে ব্যৱহাৰ কৰিব পাৰি।

বনৰীয়া শাক, (প্ৰকাৰ) (চুকা) ৰুমেক্স নেপালেন্সিছ পৰিয়াল পলিগণেছি

Wild chuka sak (Var) Species–Rumex nepailensis Family–

ইয়াক বনৰীয়া চুকা শাকৰ আন এটা প্ৰজাতি বুলি চিহ্নিত কৰা হৈছে। চাৰিত্ৰিক আৰু ব্যৱহাৰিক পাৰ্থক্য নগণ্য।

চুকা শাক, (শাকনিবাৰীত লগোৱা) ৰুমেক্স ভেচিকেৰিয়ছ পৰিয়াল—পলিগনেছি

Chuka sak (Cultivated var) Species–Rumex vesicarius Family–Polygonaceae

এইবিধ চুকা শাক জাতীয় উদ্ভিদক শাকনি বাৰীত লগোৱা অন্যতম উদ্ভিদ বুলি ক'ব পাৰি। আগৰ বিধ ঘৰুৱা চুকা শাকৰ দৰে এই বিধকো মানুহে বাৰীত লগায়।

সোমলতা, ৰুটা গ্ৰেভিওলেন্স পৰিয়াল—ৰুটেছি

Sumlota Species–Ruta graveolens Family–Rutaceae

এবিধ দ্বিবাৰ্ষিক আনতৰ অলপ টান বিধৰ ঠাৰি ধাৰণ কৰা উদ্ভিদ। ইয়াৰ পাত আৰু শিপা এক প্ৰকাৰৰ মদ তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। গছজোপাত ঔষধীয় গুণ আৰোপিত হয়।

বৰ কঁহুৱা ঘাঁহ, (বন) চাকাৰম অৰুণদিনেচিয়ম পৰিয়াল—গ্ৰামিনি উপ-পৰিয়াল—পোৱেছি

Bor Kahua Grass Species-Saccharum arunolinaceum Family–Gramineae Sub-family–Poaceae

কঁহুৱা বন এবিধ ওখ ডাঙৰ জাতৰ ঘাঁহ জাতীয় উদ্ভিদ। চানেকীয়াবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ঘৰ ছোৱা, বেৰা আদি কামত ইয়াৰ ঠাৰি ব্যৱহাৰ্য। কাগজ তৈয়াৰ কৰা মণ্ডৰ বাবে এই ঠাৰিবোৰ ব্যৱহাৰ কৰিব পাৰি।

পানী হিজল, ভেহ (প্ৰকাৰ) চেলিক্স টেট্ৰাস্পাৰমা পৰিয়াল—চেলিকেছি
Pani Hijol, bheh (Willow) Species–Salix tetrasperma Family–Salicaceae

দ-চানেকীয়া ঠাইত বিকশিত হোৱা এবিধ দীঘল দীঘল পাতধাৰী পৰ্ণপাতী গছ। সাধাৰণতে গুটিৰপৰা পুলিৰ দ্বাৰা নতুন উৎপত্তি হয় যদিও কোনো ক্ষেত্ৰত শিপাৰপৰা উৎপত্তি হোৱা পুলি (Root sucker) কিছুমানেও এই অভাৱ পূৰণ কৰে। ইয়াৰ কাঠৰপৰা লাপি-লুপা বিধৰ লাগতিয়াল সৰঞ্জাম তৈয়াৰ কৰিব পাৰি।

কঢ়া, চেপিয়ম ইউজেনিফলিয়ম পৰিয়াল—ইউফৰবিয়েছি
Korha Species–Sapium eugeniaefolium Family–Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। উৎপাদিত কাঠৰ বৰণ বগা-চানেকীয়া হয়। এই কাঠৰপৰা নানা প্ৰকাৰৰ লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰিব পাৰি। এৰা গছৰ পাতৰ নাটনি পৰিলে এইবিধ গছৰ পাত এৰি-পলুক খাবলৈ দিয়া হয়।

অশোক গছ, চাৰাকা ইন্দিকা পৰিয়াল—লেগুমিনেছি
Ashoka Tree Species–Saraca indica Family–Leguminaceae

ৰঙচুৰা বৰণৰ উজ্জ্বল ফুলৰ থোপা ধাৰণ কৰা এবিধ চিৰ হৰিৎ গছ। আলংকাৰিক উদ্ভিদ হিছাপে বহুতো মানুহে এইবিধ গছ বাৰীত লগাই ৰাখে। অসম আৰু বৰাক উপত্যকাৰ বহুত ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মেছাকি, চাৰকচলেমিছ পালচেৰিমা পৰিয়াল—আৰটিকেছি
Meehaki Species–Sarcochllamys pulcherrima Family–Urticaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। ইয়াৰ আৰু কুমলীয়া পাতৰ তৰকাৰি বনাই খোৱাৰ উপযোগী হয়। লা উৎপাদনকাৰী পতংগই এইবিধ গছৰ পাত ব্যৱহাৰ কৰে। ব্ৰহ্ম উপত্যকাৰ বহুতো ঠাইত এইবিধ গছৰ উৎপত্তি পৰিদৃষ্ট হয়।

সোমলতা, (প্ৰকাৰ) চাৰকষ্টেমা এচিদম পৰিয়াল—এচক্লেপিয়েডেছি
Sumlata (Var) Species–Sarcostemma acidum Family–

আমাৰ ভাষাত সোমলতা নামেৰে জনাজাত এবিধ পাতলীয়া ঠাৰি ধৰা লতা জাতীয় উদ্ভিদ। অসম উপত্যকাৰ বহুতো ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

এবিধ অলপ ডাঙৰ আকাৰৰ চিৰহৰিৎ গছ। উদ্ভিদজোপাই ধাৰণ কৰা কাঠৰ

মাক্রি শাল, চিমা ৱালিচাই পৰিয়াল—থিয়েছি

Makri Sal Species–Schima wallichii Family–Theaceae

মান মজলীয়া। এই কাঠ নানা কামত ব্যৱহাৰৰ উপযোগী হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুত ঠাইত ইয়াক দেখিবলৈ পোৱা যায়।

টকা গছ, চাইজোলবিয়ম একচেলচম পৰিয়াল—লেগুমিনেছি

Toka Goch Species–Schizolobium excelsum Family Legumnaceae

সুন্দৰ পাত আৰু ফুল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ কাঠৰ মান উচ্চ পৰ্যায়ৰ বুলি ক'ব নোৱাৰি। এই কাঠ বিশেষ কাৰ্যৰ বাবে উপযোগী বুলি কোৱা নাযায়।

বৰগুমুনি, গজাইলতা, হাতী লতা, চাইনদাপচছ অফিচিনেলিছ পৰিয়াল—এৰেছি

Borgumoni, Gojailota Species–Schindapsus officinalis Family–Araceae

এইবিধ গছৰ পুলি আলংকাৰিক উদ্ভিদ হিছাপে আলি বাটৰ কাষে কাষে Avenue tree হিছাপে লগোৱা হয়। ই ধাৰণ কৰা শিপাৰ আলুত বিষাক্ত সৰ্প বিচৰণ কৰিব পৰাৰ গুণ থকাৰ কথা জনা যায়।

বনজনি, চেচেলি ইন্দিকম পৰিয়াল—অম্বেলিফেৰি

Bonjoni Species–Seseli indicum Family–Umbelliferae

এবিধ ক্ষুদ্ৰ আকাৰৰ বন জাতীয় উদ্ভিদ। ইয়াক বঙালী ভাষাত বঞ্জাবন আৰু হিন্দীতো সেই একে নামৰ দ্বাৰা চিহ্নিত কৰা হয় বুলি জনা যায়। উদ্ভিদজোপাৰ ব্যৱহাৰিক আৰু অৰ্থনৈতিক মূল্য সামান্য।

সোণ বৰিয়ল চিদা একিউটা পৰিয়াল—মালভেছি

Soon Boriol Species–Sida acuta Family–Malvaceae

এবিধ বছেৰেকীয়া আনতৰ ক্ষুদ্ৰাকাৰ জোপোহা উদ্ভিদ। ইয়াৰ বাকলিৰপৰা নানা কামত ব্যৱহাৰ কৰাৰ উপযোগী ৰচি তৈয়াৰ কৰিব পৰা যায়।

সৰু সোণ বৰিয়ল, চিদা ৰমবিফলিয়া পৰিয়াল—মালভেছি

Soru Sonborial Species-Sida rhombifolia Family–Malvaceae

এইবিধ মজলীয়া আকাৰৰ গছ আৰু ইতিপূৰ্বে স্থানান্তৰত উল্লেখ কৰি অহা সোণ বৰিয়ল নামৰ উদ্ভিদৰ মাজত লেখতল'বলগীয়া পাৰ্থক্য দেখা নাযায়।

এবিধ বছেৰেকীয়া আয়ুসৰ আত্মৰক্ষা মূল কঁাইটৰ সঁজুলি ধাৰী বনৰীয়া বন। ইয়াক ইংৰাজী ভাষাত Prickly sida বুলি কোৱা হয়। বঙালী ভাষাত বনমেথি

বৰিয়ল, চিদা স্পাইনোছা পৰিয়াল—মালভেছি
Boriol Species–Sida spinosa Family–Malvaceae

আৰু হিন্দীত গোল সাকাৰি নামেৰে জনা যায়। ইয়াৰ বাকলি বখলিয়াই এক প্ৰকাৰৰ ৰচি তৈয়াৰ কৰা হয়। শিপাত ঔষধীয় গুণ বিদ্যমান।

কাটাম পাম, চাইগেচবেকিয়া অৰিয়েণ্টেলিছ পৰিয়াল—কম্পজিটি
Katam Pam Species Siegesbekia orientalis Family–Compositae

বছেৰেকীয়া আনতৰ এবিধ ক্ষুদ্ৰকাৰ বনৰীয়া বন। উদ্ভিদ জোপাৰ পাত আৰু শিপাত ঔষধীয় গুণ ধাৰণ কৰে বুলি জনা যায়। অসম আৰু নগাভূমিৰ প্ৰায় ঠাইতে ইয়াৰ উৎপত্তি বিদ্যমান।

মাখিধৰা গছ, চাইলেনখাচিয়ানা পৰিয়াল—কেৰিওফাইলেছি
Makhidhora goch Species–Silene khasiana Family–Caryophyllaceae

ইংৰাজী ভাষাত এইবিধ উদ্ভিদক William catchfly বুলি কোৱা হয়। পাতবোৰৰ উপৰিভাগ একপ্ৰকাৰৰ ৰস সমৃদ্ধ চুলিৰ আৱৰণ আবৃত হৈ থকা পৰিলক্ষিত হয়। চৰ্মৰোগ, কৃমি আদি বেমাৰৰ অব্যৰ্থ মহৌষধ বুলি জনা যায়। ইয়াক অসমৰ প্ৰায় সকলো প্ৰাকৃতিক পৰিৱেশত দেখিবলৈ পোৱা যায়।

হাতীকণীয়া লতা, হস্তী কৰ্ণ লতা, স্মাইলেকচ্ মেক্ৰোফাইলা পৰিয়াল—লিলিয়েছি
Hatikonia Lota Species–Smilex macrophyla Family–Liliaceae

এবিধ দ্বিবাৰ্ষিক আয়ুসৰ বনৰীয়া আৰোহী লতা। উজনি অসম আৰু নগাভূমিত বিৰাজ কৰা হাবি-বননিবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ইয়াৰ পাত আৰু শিপাত ঔষধীয় উপাদান বিদ্যমান বুলি জনা যায়।

ৰঙা কোটাহি-বেঙেনা, চোলানম একিউলিয়েটিচিমম পৰিয়াল—চলানেছি
Ronga kotahi brinjal Species–Solanum aculeatisimum Family–

বেঙেনা সদৃশ ক্ষুদ্ৰাকাৰ ফল ধাৰণ কৰা এবিধ সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। অসম আৰু মেঘালয়ৰ হাবি-বননিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। ইয়াৰ ফলবোৰ খোৱাৰ উপযোগী নহয়।

কোটাহি—বেঙেনা চলানম খাচিয়ানম পৰিয়াল—চলানেছি
Kutahi Bengena Species–Solanum Khasianum Family–Solanaceae

বৰশি সদৃশ কাঁইটধাৰী এবিধ ক্ষুদ্ৰাকাৰ বনৰীয়া উদ্ভিদ। ই ধাৰণ কৰা ফলবোৰ খোৱাৰ উপযোগী নহয়।

বৰ বেঙেনা, চলানম মেলাংগনা পৰিয়াল— চলানেছি

Bor Bengena, Egg plant Species– Solanum melangona Family– Solanaceae

ডাঙৰ আৰু দীঘল আকাৰৰ খাদ্যোপযোগী ফল ধাৰণ কৰা উদ্ভিদ। কৃষিজীৱী মানুহবিলাকে ব্যাপক আকাৰে উৰ্বৰা ভূমিত ইয়াৰ খেতি কৰি আৰ্থিকভাৱে লাভবান হয়। কোনো কোনো গৃহস্থই শাকনিবাৰীত ইয়াক লগাই ৰাখে।

খৰুৱা বেঙেনা, চলানম ডিপ্রেচম পৰিয়াল— চলানেছি

Kharua Bengena Species–Solanum depressum Family–Solanaceae

সৰু আকাৰৰ খোৱাৰ উপযোগী ফল ধাৰণ কৰা বিভিন্ন জাতৰ বেঙেনা গছক থাউকতে খৰুৱা বেঙেনা বুলি কোৱা হয়। কৃষকসকলে বাগান আকাৰে সাৰুৱা ভূমিত ইয়াৰ খেতি কৰি আৰ্থিকভাৱে লাভবান হয়।

ছাগলী শিঙীয়া বেঙেনা, চলানম চাৰপেনটিনম পৰিয়াল—চলানেছি

Chagoli Hingia Bengena Species– Solanum serpentinum Family– Solanaceae

এইবিধ বেঙেনাক খৰুৱা বেঙেনাৰে অন্যতম সংস্কৰণ বুলি ক'ব পাৰি। ই ধাৰণ কৰা ফলবোৰে ছাগলী-শিঙৰ দৰে দীঘল আকৃতি ধাৰণ কৰাৰ বাবে ইয়াক জনপ্রিয় ভাষাত ছাগলীশিঙীয়া বেঙেনা, বুলি কোৱা হয়।

তিতাকুছি, ভাত তিতা চলানম স্পাইৰেইল পৰিয়াল—চলানেছি

TIta kuchi, Bhat tita Species– Solanum spirale Family–Solanaceae

সৰু আকাৰৰ ফল ধাৰণ কৰা এবিধ বেঙেনা গোষ্ঠীৰ উদ্ভিদ। বহুতো মানুহে ডৰা ডৰাকৈ ইয়াৰ পুলি লগাই ৰখা দেখা যায়। ফলবোৰ আঞ্জা বনাই খোৱাৰ উপযোগী।

বিহকুলি তিতা, চলানম জেনথোকাৰ্পম পৰিয়াল—চলানেছি

Bihkuli Tita Species–Solanum xanthocarpum Family–Solanaceae

এবিধ সৰু সৰু আকাৰৰ বেঙেনা সদৃশ ফল ধাৰণ কৰা বনৰীয়া উদ্ভিদ। ইয়াৰ ফল খোৱাৰ উপযোগী নহয়।

পিৰাজা, স্পাইলানথেছ একমেলা পৰিয়াল— কম্পজিটি

Piraja Species–Spilanthes acmella Family–Compositae

মাটিত বগাই বগাই বিকশিত হোৱা এবিধ বনৰীয়া বন। মʼহ-ডাঁহ

আদি বিনাশ কৰিব পৰাৰ গুণ এই উদ্ভিদত আৰোপিত হয়। তদুপৰি পানীত বিহ ঢালি মাছ মৰাৰ বাবেও ইয়াক ব্যৱহাৰ কৰা হয় বুলি জনা যায়।

খামই টেঙা, স্পনদিয়াছ একজিলাৰিছ পৰিয়াল—এনাকাৰদিয়েছি
Khamoi Tenga Species–Spondias axilaris Family–Anacardiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ইয়াৰপৰা উৎপন্ন হোৱা কাঠে ধেলা ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। এই কাঠ ঘৰৰ চিলিং নিৰ্মাণ, পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। উজনি অসমৰ সৰ্বত্ৰ ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মৰিলিয়া শাক, ষ্টেলাৰিয়া মেডিয়া পৰিয়াল—কেৰিওফাইলেছি
Morolia Sak Species–Stellaria media Family–Caryophyllaceae

এবিধ কুমলীয়া দেহধাৰী বনৰীয়া বন। ইয়াৰ পাত আৰু কোমল-চানেকীয়া ঠাৰিৰে তৈয়াৰ কৰা মণ্ড হাত-ভৰি ভগা ঠাইত বান্ধি দিলে যোৰা লগোৱা কাম খৰতকীয়া হয় বুলি জনা যায়। উজনি অসমৰ সৰ্বত্ৰ ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

টুবুকি লতা, ষ্টেফানিয়া এলিগেন্‌ছ পৰিয়াল—মেনিচপাৰমেছি
Tubuki Lota Species–Stephania elegans Family–Menisopermaceae

এবিধ বছেৰেকীয়া আয়ুসৰ আৰোহী লতা জাতীয় উদ্ভিদ। ইয়াৰ শিপা আৰু পাত নানা প্ৰকাৰ ৰোগৰ ঔষধ তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। এইবিধ লতা ৰচি হিছাপেও ব্যৱহাৰৰ উপযোগী। উজনি অসমৰ সৰ্বত্ৰ বিদ্যমান।

পাহাৰী তুলা, বান্দৰ পইলা, ষ্টাৰকুলিয়া আলাটা পৰিয়াল—ষ্টাৰকুলিয়েছি
Pahari Tula, Bandor Paila Species–Sterculia alata Family–Sterculiaceae

এবিধ অলপ ডাঙৰ আকাৰৰ পৰ্ণপাতী গছ। গছজোপাৰ ওপৰৰফালে থকা অংশই মুকুটৰ আকৃতি ধাৰণ কৰে। কাঠৰ বৰণ বগা-চানেকীয়া হয়। এই কাঠ কেৱল পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি। বাকলিৰপৰা ৰচি তৈয়াৰ কৰা হয়।

কাঠ ওডাল, জৰি ওডাল, ষ্টাৰকুলিয়া কল'ৰাটা পৰিয়াল—ষ্টাৰকুলিয়েছি
Kath Odal, Jori Odal Species—Sterculia colorata Family–Sterculiaceae

এবিধ মজলীয়া আকাৰৰ মজলীয়া গছ। ইয়াক ওডাল গছৰ এটা বেলেগ জাত বুলি ক'ব পাৰি।

ইয়াৰ কোমল কাঠ পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। উজনি অসম, নামনি অসম, মেঘালয়, নগাভূমি আদিৰ বনভূমিত ইয়াক পোৱা যায়।

বলিয়া ওডাল, ষ্টাৰকুলিয়া ডাইভাৰচিফলিয়া পৰিয়াল—ষ্টাৰকুলিয়েছি
Bolia Odal Species–Sterculia diversifolia Family–Sterculiaceae

এইবিধ গছক সাধাৰণ জাতৰ ওডাল গছৰে অন্যতম প্ৰকাৰ বুলি চিহ্নিত কৰিব পাৰি। কাঠৰ মান মধ্য পৰ্যায়ৰ। এই কাঠো পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। এবিধ বিৰল প্ৰজাতিৰ উদ্ভিদ।

নগা ভোমলতি বা মতা ভোমলতি, চিম্লকচ ফেৰুৰ্জিনিয়া পৰিয়াল-চিম্লকেছি
Noga Bhumloti Mota Bhumloti Speeies–Symplocus ferrurgine Family-Symplocaceae

ভোমলতি নামেৰে জনাজাত গছৰে এটা বেলেগ প্ৰজাতি। এই চিৰহৰিৎ গছজোপাৰ আকাৰ মজলীয়া হয়। গছবিধে মধ্যবিত্ত পৰ্যায়ৰ কাঠ ধাৰণ কৰে। এই কাঠো পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। উজনিৰ বনাঞ্চলবোৰত পোৱা যায়।

টাং টিঙালি, চিমপ্লকচ অক্সিফাইলা পৰিয়াল—চিমপ্লকেছি
Tang Tingali Species–Symplocus oxyphyla Family–Symplocaceae

এবিধ মজলীয়া আকাৰ চিঁৰহৰিৎ গছ। এইবিধ গছৰ.কাঠ ঘৰ আদি নিৰ্মাণ কৰা কামতো লগাব পাৰি। বাকলিৰপৰা তৈয়াৰ কৰা ৰং কাপোৰত লগাব পাৰি। সৰ্বত্ৰ বিদ্যমান গছবোৰ অন্যতম।

ভোমলতি, চিমপ্লকছ স্পাইকেটা পৰিয়াল—চিমপ্লকেছি
Bhomloti Species–Symplocus spicata Family–Symplocaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। কাঠৰ বৰণ বগাচানেকীয়া হয়। এই কাঠ দা, কুঠাৰৰ নাল, লাখুটি আদি তৈয়াৰ কৰা কামৰ উপযোগী। উজনি অসমত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

নাৰ্জিফুল, গেন্ধাই ফুল, টাগেটছ ইৰেক্টা পৰিয়াল—কম্পজিটি
Narji Phul, Marigold Species–Tagetos erecta Family–Compositae

নাৰ্জি ফুল এবিধ চিনাকি ফুল জাতীয় উদ্ভিদ। থোপে বেলেগ বেলেগ ৰং আৰু আকৃতিৰ ফুল ধাৰণ কৰি এই গোষ্ঠীৰ ফুল গছবোৰে আমাৰ ফুলনিবাৰী, বাৰাণ্ডা আদি ৰমক-জমককৈ জিলিকাই ৰাখে।

জাতি নাৰ্জিফুল, (প্ৰকাৰ) টাগেটেছ্ পেটুলা পৰিয়াল—কম্পজিটি
French Marigold (Var) Species–Tagetes petula Family–Compositae

গভীৰ হালধীয়া বৰণৰ ফুল ধৰা এইবিধ নাৰ্জিফুলক জাতি নাৰ্জিফুল (French Marigold) বুলি কোৱা হয়। আচলতে নাৰ্জিফুলৰ যিমানবিলাক ডিজাইন আছে সিহঁতক বেলেগ নামেৰে চিহ্নিত কৰা অতি কঠিন।

চুঙা লতা, থুনবাৰগিয়া কক্‌চিনিয়া পৰিয়াল—একানথেছি
Chunga Lota Species–Thunbergia coccinea Family–Acantheceae

চুঙাৰ নিচিনা আকৃতিৰ এবিধ নীলা বৰণীয়া ফুল ধাৰণ কৰা এবিধ আৰোহী লতা। লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ আদি জিলাত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কুকুহা লতা, থুন্‌বাৰগিয়া গ্ৰেণ্ডিফ্লোৰা পৰিয়াল—একানথেছি
Kukuha Lota Species–Thunbergia grandiflora Family–Acantheceae

পাতলীয়া বিধৰ নীলা ফুল ধাৰণ কৰা আৰোহী লতা। ইতিপূৰ্বে স্থানান্তৰত উল্লেখ কৰি অহা লতাৰ তুলনাত ইয়াৰ ফুলবিলাক আকাৰত ডাঙৰ হয়।

শগুণি লতা, টিনচপৰা কৰ্ডিফলিয়া পৰিয়াল—মেনিচপাৰমেছি
Soguni Lata Species–Tinospora cordifolia Family–Menispermaceae

এবিধ কঠিন বিধৰ ঠাৰি ধাৰণ কৰা লতা জাতীয় আৰোহী উদ্ভিদ। গছৰ ওপৰলৈ বগাই বগাই যোৱা লতাডালে বায়বীয় শিপা কিছুমান তললৈ ওলমি অহা অৱস্থাত পৰিদৃষ্ট হয়।

শগুণি লতা, (প্ৰকাৰ) পদ্মগুলঞ্চ **Soguni Lata (Var) Species–Tinospora malabarica Family–Menispermaceae**

শগুণি লতা নামেৰে জনাজাত লতা জাতীয় উদ্ভিদৰ একাধিক জাত আছে। সদ্যহতে উল্লেখ কৰাবিধ শগুণি লতাৰ আকাৰ অলপ সৰু হোৱা পৰিলক্ষিত হয়। এইবিধৰ উপৰি Tinospor crispa নামেৰে চিহ্নিত আন এবিধ শগুণি লতা দেখিবলৈ পোৱা যায়।

ডুমুনি চোৰাত, ট্ৰেগিয়া ইনভলুক্ৰাটা পৰিয়াল—আৰটিকেছি
Dumuni Churat Species–Tragia involucrata Family–Urticaceae

এবিধ সৰু আকাৰৰ চোৰাত ফৈদৰ উদ্ভিদ। প্ৰজাতি হিছাপে ইয়াক Tragia involucrata নামেৰে চিহ্নিত কৰা হয়। ইয়াৰ পাত গাত লাগিলে খজুৱতিৰ উৎপীড়নত থাকিব নোৱৰা অৱস্থাৰ উৎপত্তি হয়।

জনি কেৰম, কপটিকম ট্ৰাকিচপাৰমম আমমি পৰিয়াল—অমবেলিফেৰি
Joni Species–Carum copticum Synonym–Trachysopermum ammi Family–Umbelliferae

এবিধ বছেৰেকীয়া আয়ুসৰ বাৰীত লগোৱা উদ্ভিদ। ইয়াৰ গুটিবোৰ মছলা হিছাপে শাক-পাচলিত দি খোৱা হয়। এই মছলা গুটিত ঔষধীয় গুণ আৰোপিত হয়।

ৰান্ধনি গছ, কেৰম ৰাক্সবাৰঘিয়ানম ট্ৰাকিচপাৰমম ৰাক্সবাৰঘিয়ানম পৰিয়াল—অম্বেলিফেৰি
Randhoni gach Species–Carum ruxburghianum Synonym–Trachspermum ruxburghianum Family–Umbelliferae

এবিধ মছলা হিছাপে তৰকাৰিত দি খাব পৰা গুটি ধাৰণ কৰা উদ্ভিদ। ইয়াক মানুহে শাকনিবাৰীত লগাই ৰাখে।

বন্ ধুন্দুলি, ট্ৰাইক'চানথেচ কিউকামেৰিয়া পৰিয়াল—কিউকৰ্বিবিটেছি
Bon dhunduli wild snake gourd Species–Tricosanthes cucameria Family–Cucurbitaceae

ধুন্দুলি নামেৰে জনাজাত ফল ধৰা উদ্ভিদৰ ইয়াক বনৰীয়া সংস্কৰণ বুলি গণ্য কৰা হয়। ই ধাৰণ কৰা ফলবোৰো হাবি-বননিৰপৰা উঠাই আনি তৰকাৰি বনাই খোৱা হয়। এই ফলত ঔষধীয় গুণ আছে বুলি জনা যায়।

মেথি, ট্ৰিগনেলা-ফিনম-গ্ৰিকম পৰিয়াল—লেগুমিনেছি
Methi Specics–Trigonella fenum-graecum Family–Leguminaceae

এবিধ সৰু সৰু গুটি ধাৰণ কৰা মছলা জাতীয় উদ্ভিদ। মছলা উৎপাদনৰ বাবে এইবিধ উদ্ভিদৰ গুটি বাৰীত সিঁচি সিঁচি ৰখা হয়।

ঘেঁহু, ট্ৰিটিকম এষ্টিভম পৰিয়াল—গ্ৰামিনি
Ghehu (Wheat) Species–Triticum aestivum Family–Gramineae

খেতিৰ শস্য হিছাপে পথাৰত লগোৱা এবিধ উদ্ভিদ। ইয়াৰপৰা উলিওৱা চাউল, আটা হিছাপে ব্যৱহাৰ কৰা হয়। এই আটাৰপৰা ব্ৰেড, বিস্কুট, কেক, মিঠাই, লুচি আদি তৈয়াৰ কৰা হয়। বিয়েৰ নামেৰে জনাজাত পানীয় মদো এই আটাৰপৰাই প্ৰস্তুত কৰা হয়। ঘেঁহুৰ ঠাৰি ব্যৱহাৰ কৰি তৈয়াৰ কৰা হয়।

অসমত সাধাৰণতে ঘেঁহুৰ খেতি কৰা নহয়। বিহাৰ, উত্তৰ প্ৰদেশ আদিৰপৰা আমদানি কৰি আনিহে অসমৰ মানুহে আটাৰ অভাৱ পূৰণ কৰে।

এবিধ বছেৰেকীয়া আনতৰ অলপ টান বিধৰ ঠাৰি ধাৰণ কৰা বনৰীয়া উদ্ভিদ।

বন অগৰা, ট্রায়োমফেট্টা বাট্রামিয়া পৰিয়াল—টিলিয়েছি
Bon Agora Species–Triumfetta batramia Family–Tiliaceae

ইয়াৰ ঠাৰিবোৰৰপৰা এক প্ৰকাৰৰ ৰচি তৈয়াৰ কৰা হয়। বাকলি আৰু শিপাৰ নানা প্ৰকাৰৰ ৰোগৰ ঔষধ তৈয়াৰ কৰা হয়।

পানী লেটেকু, টাৰপিনিয়া পমিফেৰা টাৰপিনিয়া নেপালেচিছ পৰিয়াল—ষ্টাফইলিয়েছি
Pani Leteku Species–Turpinia pomifera Synonym–Turpinia nepalensis Family–Staphyleaceae

এবিধ ধুনীয়া আকৃতিৰ বনৰীয়া গছ। ইয়াৰ কাঠ পেকিং বাকচ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। নামনি অসম আৰু মেঘালয়ত ইয়াক পোৱা যায়।

অন্ত মূল, টাইলোফৰা এচমাটিকা পৰিয়াল—এচক্লেপিয়েডেছি
Antamul Species–Tylophora asthmatica Family–Asclepiadaceae

বছেৰেকীয়া কিম্বা দ্বিবাৰ্ষিক আয়ুসৰ এবিধ বন জাতীয় উদ্ভিদ। বঙালী ভাষাত ইয়াক অন্তমূল বুলি কোৱা হয়। হিন্দীত ইয়াৰ নাম অন্তমুল অথবা জংলী ফিলৰান বুলি জনা যায়। ইয়াৰ পাত আৰু শিপাৰপৰা বিভিন্ন ৰোগ নিৰাময়ৰ ঔষধ তৈয়াৰ কৰা হয়। অসমত সৰ্বত্ৰ বিৰাজমান এই উদ্ভিদ।

শিয়াল-নেজীয়া, (প্ৰকাৰ) ইউৰাৰিয়া লাগদইদিছ পৰিয়াল—লেগুমিনেছি
Sial Nejia (kind) Species–Uraria logodoides Family–Leguminaceae

ইংৰাজী ভাষাত ইয়াক Foxtail plant বুলি কোৱা হয়। ই এক প্ৰকাৰৰ মজলীয়া আকাৰৰ বনৰীয়া গছ। এইবিধ উদ্ভিদে ধাৰণ কৰা পুষ্পপুঞ্জৰ (Inflorescence) থোপাবোৰে শিয়ালৰ নেজৰ আকৃতি ধাৰণ কৰে। ইয়াৰ পাত আৰু শিপাত ঔষধীয় উপাদান থাকে। অসমৰ দ-চানেকীয়া ঠাইবোৰত ইয়াৰ উৎপত্তি বিদ্যমান।

শিয়াল-নেজীয়া, (প্ৰকাৰ) ইউৰাৰিয়া পিক্‌টা পৰিয়াল—লেগুমিনেছি
Sial Nejia Species–Uraria picta Family–Leguminaceae

এইবিধ উদ্ভিদে শিয়াল-নেজীয়া বনৰ অন্যতম ৰূপক প্ৰতিনিধিত্ব কৰে। ফুল আৰু পুষ্পৰ আকৃতি আৰু ভিন্নতাৰ ভিত্তিত ইয়াক স্বাভাৱিক পৰিৱেশত চিহ্নিত কৰা হয়।

বৰ সোণ বৰিয়ল, ইউৰেণা ল'বাটা পৰিয়াল—মালভেছি
Bor Son Boriol Species–Urena lobata Family–Malvaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া উদ্ভিদ। ইয়াৰ বাকলিৰপৰা এক প্ৰকাৰৰ ৰচি তৈয়াৰ কৰা হয়। গছজোপাত

ঔষধীয় গুণ বিদ্যমান।

পানী কোটালি, আৰটিকুলেৰিয়া ৱালিচিয়ানা পৰিয়াল—লেন্টিবুলেৰিয়েছি
Pani Kutali Species–Urticularia Wallichiana Family–

ইংৰাজী ভাষাত ইয়াক Bladder wort বুলি কোৱা হয়। সোঁতবিহীন পানীত বিকশিত হৈ থকা এবিধ জলবিলাসী উদ্ভিদ। গছজোপাৰ পাত আৰু ঠাৰিৰ অগ্ৰভাগত একপ্ৰকাৰ মোনাৰ উৎপত্তি। কোনো কীট-পতংগ এই মোনাত পৰিলে তেনে পোকে মৃত্যুক আকোৱালি ল'ব লগা হয়।

গহিংগা, যখিনী লতা, ভেলেৰিছ চলানেচিয়া পৰিয়াল—এপ'চায়ানেছি
Gohinga, Jakhini Lota Species–Vallaris solanacea Family–

এবিধ মোটা আকাৰৰ আৰোহী লতা। বঙালী ভাষাত সাপাৰমালি আৰু হিন্দীত ৰামসাগৰ বুলি কোৱা হয়। ইয়াৰ পাত আৰু ঠাৰিত ঔষধীয় উপাদান আছে বুলি জনা যায়। অসম, নগাভূমি আৰু মেঘালয়ত ইয়াৰ উৎপত্তি বিদ্যমান।

মৰশাল, ভেটিকা লেনচিফলিয়া পৰিয়াল—ডিপটেৰোকাপেছি
Morsal Species–Vatica lanceaefolia Family–Dipterocapaceae

নামনি অসমত থকা বনভূমিবোৰত সমূহীয়াভাৱে ডৰা ডৰাকৈ বিকাশ লাভ কৰি থকা শাল (Shorea robusta) গছ ইয়াক অন্যতম প্ৰতিনিধি বুলি গণ্য কৰিব। গছবিধে ধাৰণ কৰা কাঠ মজবুত আৰু দীৰ্ঘস্থায়ী হয়। উজনি আৰু নামনি অসমৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্টি হয়।

বনফুল, বনৰীয়া পেনছি ভায়োলা অদৰাটা পৰিয়াল—ভায়োলেছি
Bon phul Wild pancey Species–Viola odorata Family–Violaceae

আমাৰ ফুলনি বাৰীবিলাকত শাৰী শাৰীকৈ অথবা গাইগুটীয়াভাৱে ৰোপণ কৰি ৰখা Garden pancey নামৰ বিতোপন ফুলধাৰী উদ্ভিদৰ ইয়াক বনৰীয়া প্ৰতিনিধিৰ আখ্যা দিব পাৰি। চেঁচুকীয়া ঠাইবোৰে ইয়াৰ বাবে অনুপম প্ৰাকৃতিক পৰিবেশৰ যোগান ধৰে।

আহৈ, (প্ৰকাৰ) ভাইটেক্স আলটিছিমা পৰিয়াল—ভাৰবিনেছি
Ahoi (variety) Vitex attissima–Species Family–Verbenaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ পাতবোৰে ঔষধীয় গুণ ধাৰণ কৰে। Black water fever বা সন্নিপাত

জ্বৰৰ অব্যৰ্থ মহৌষধ। ই ধাৰণ কৰা কাঠ নানা কামত ব্যৱহাৰৰ উপযোগী। নামনি আৰু মেঘালয়ত ইয়াক পোৱা যায়।

পানী অমৰা, ভাইটেক্স গ্লেব্ৰাটা পৰিয়াল—ভাৰবিনেছি

Pani Omora Species–Vitex glabrata Family–Verbenaceae

এবিধ অলপ ডাঙৰ আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ কাঠৰ মান মজলীয়া। এই কাঠ নানা প্ৰকাৰৰ নিৰ্মাণ কাৰ্যত লগোৱা হয়। উজনি আৰু নামনি অসমৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

চেপেটা লতা, ভাইটিছ ট্ৰাইফলিয়া পৰিয়াল—ভাইটেছি

Chepeta Lota Species–Vitis trifolia Family–Vitaceae

কোমল ধৰণৰ ঠাৰি ধাৰণ কৰা এবিধ লতা। বঙালী ভাষাত ইয়াক অমল লতা বুলি কোৱা হয়। অসমৰ বিভিন্ন ঠাইত ইয়াক দেখিবলৈ পোৱা যায়।

মেজেংগা, জেনথোজাইল অক্সিফাইলম পৰিয়াল—ৰুটেছি

Mezenga Species–Xanthoxylum axyphyllum Family–Rutaceae

আত্মৰক্ষামূলক কাঁইট ধাৰণ কৰা এবিধ আৰোহী লতা। ইয়াৰ পাত আৰু ঠাৰিবোৰ তৰকাৰি হিছাপে খোৱাৰ উপযোগী। উজনি আৰু নামনিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বনৰীয়া খুতৰা, আমাৰণ্ঠছ ৰিট্ৰফ্লেচছ পৰিয়াল—আমাৰাণথাছি

Bonoria Khutora Species–Amaranthus retroflexus Family–Amaranthaceae

এটি চৰুত নহৰু, এটি চৰুত পনৰু, এটি চৰুত খুতৰা শাক
চুলি ছিঙি ছিঙি আশীৰ্বাদ কৰিছো গৃহস্থ কুশলে থাক

ওপৰত লিখা বিহুনামফাকিয়ে খুতৰা শাকৰ মাহাত্ম্য প্ৰকাশ কৰিছে। এই বনৰীয়া খুতৰা শাক আমাৰ বাৰীৰ চুকে-কোণে প্ৰায়েই দেখিবলৈ পোৱা যায়। ইয়াৰ কুমলীয়া পাত আৰু আগবোৰ ছিঙি আনি তৰকাৰি বনাই খোৱা হয়।

শাকনিবাৰী আৰু অন্যান্য প্ৰাকৃতিক পৰিবেশত উৎপত্তি হোৱা এবিধ বনৰীয়া উদ্ভিদ। ইয়াৰ ব্যৱহাৰিক আৰু অৰ্থনৈতিক গুৰুত্ব নিচেই সামান্য।

বাবৰা বন, আমবাৰ্ষ্টিয়া নবিলিছ পৰিয়াল—লেগুমিনেছি

Babra Bon Species–Amberstia nobilis Family–Leguminaceae

ইংৰাজী ভাষাত এইবিধ গছ Monkey facetree বুলি কোৱা হয়। বঙালী

গংগাই, সেন্দুৰী গুটি, মেলোটছ—ফিলিপেনচিছ
Gangai, Senduri Guti Species–Mallotus philippensis

আৰু হিন্দী ভাষাত কমলা বুলি জনা যায়। ই এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। দ-চানেকীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। এই উদ্ভিদ অসম, নগাভূমি আৰু মেঘালয়ত পোৱা যায়।

বিলাতী ৰবৰ, মেনিহট গ্ৰেজিওভি পৰিয়াল—ইউফৰবিয়েছি
Bilati Robor Species–Manihot graziovi Family–Euphorbiaceae

বনাঞ্চলত স্বাভাৱিকতে উৎপত্তি হোৱা এবিধ বনৰীয়া গছ। ইয়াৰ ছাল কাটিলে কটা ঠাইৰপৰা এক প্ৰকাৰ আঠা সদৃশ ৰসাল পদাৰ্থ নিৰ্গত হয়।

দলৈ চপা, মেগ্নোলিয়া টেৰোকাৰ্পা পৰিয়াল—মেগনোলিয়েছি
Doloi Chopa Species–Magnoia pterocarpa Family–Magnoliaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। বঙালী আৰু হিন্দী ভাষাত ইয়াক ডুলি চপা বুলি কোৱা হয়। ইয়াৰ কাঠৰ মান মজলীয়া। ঘৰ সজা আৰু চকি, মেজ আদি প্ৰস্তুত কৰা কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

মৰলিয়া গছ, লাৰু বন্ধা, মেলোটছ আলবছ পৰিয়াল—ইউফৰবিয়েছি
Morolia Goch, Laru Bondha Species–Mallotus albus Family–Euphorbiaceae

হাবি-বননিৰ মাজত সৰহীয়াকৈ স্বাভাৱিকতে উৎপত্তি হোৱা দীঘলপতীয়া বনৰীয়া গছ। আকাৰত গছজোপা মজলীয়া হয়। হিন্দুৰ ধৰ্মীয় কাৰ্যত ব্যৱহাৰ কৰা মাহ-প্ৰসাদ আদি বিতৰণৰ বাবে ইয়াৰ পাত ব্যৱহাৰ কৰা হয়। অৱশ্যে আজিকালি প্লাষ্টিক যুগত এনে পাতৰ ব্যৱহাৰে মেলানি মাগিছে।

কেতুৰি হালধি, মাৰাণ্টা অৰুন্দিনেচিয়া পৰিয়াল—মাৰাণ্টেছি
Keturi Halodhi Species–Maranta arundinaceas Family–

হালধি বংশৰ এবিধ বনৰীয়া উদ্ভিদ। ই ধাৰণ কৰা শিপা, আলু খোৱাৰ উপযোগী নহয়। বহাগ বিহুত গৰু গা ধুওৱাৰ পাছত ব্যৱহাৰৰ বাবে এই হালধি ব্যৱহাৰ কৰা হয়।

পানী টেঙেচি, মাৰ্চিলিয়া কুৱাড্ৰিফলিয়া পৰিয়াল—মাৰ্চিলিয়েছি
Pani Tengechi Species–Marsilea quadrifolia Family–Marsileaceae

পানীৰ তলত বিকশিত হৈ জীৱন নিৰ্বাহ কৰা এবিধ জলবিলাসী উদ্ভিদ। ই ধাৰণ কৰা ফল আৰু পাতৰ তৰকাৰি বনাই ভাতৰ লগত খোৱা হয়।

বাঘ নলা বা হেলুকা, লিটছিয়া চেবিফেৰা লিটছিয়া চাইনেনচিছ পৰিয়াল—লৰেছি
Baghnola or Heluka Species–Litsea sebifera Synonym–Litsea chinensis Family–Lauraceae

এবিধ অলপ ডাঙৰ আকাৰৰ জোপোহা বন জাতীয় উদ্ভিদ। ইয়াৰ কাঠ পেকিং বাকচ সজা, ঘৰৰ খুঁটা লগোৱা আৰু সাধাৰণ বিধৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। গুটিবোৰত ঔষধীয় গুণ আছে বুলি কোৱা যায়। এই গুটিৰপৰা উলিওৱা তেল মমৰ দৰে ব্যৱহাৰৰ উপযোগী হয়।

তেলী মহুৱা, মধকা লংগিফলিয়া বেছিয়া লংগিফলিয়া পৰিয়াল—চেপটেছি
Teli Mohua Species–Madhuka longifolia Synonym–Bassia longifolia Family–Sapotaceae

বঙালী আৰু হিন্দীত এইবিধ উদ্ভিদক মহুয়া আৰু মহুৱা বুলি কোৱা হয়। ইংৰাজীত Butter tree নামেৰে জনা যায়।

এবিধ মজলীয়া আকাৰৰ অৰ্দ্ধ চিৰহৰিৎ পাতধাৰী গছ। ইয়াৰ কাঠ সাধাৰণ পৰ্যায়ৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ্য। গুটিৰপৰা চাবোনৰ দৰে ব্যৱহাৰ্য তেল বাহিৰ কৰা হয়।

মিঠা মহুৱা, মধুকা ইন্দিকা মধুকা লেটিফলিয়া বছিয়া লেটিফলিয়া পৰিয়াল—চেপটেছি
Mitha Mohua, Mohua Tree Madhuka indica Species Synonym–Madhuka latifolia Synonym–Bassia latifolia Family–Sapotaceae

এবিধ বিতোপন ফুল ধাৰণ কৰা মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। ইয়াৰ গুটিৰপৰা এক প্ৰকাৰৰ ৰাগিয়াল ৰস তৈয়াৰ কৰা হয়। ফুলবোৰ শাক হিছাপে খাব পাৰি। অসম উপত্যকাৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি বিদ্যমান।

চুছিপমা, মেইছা চিছিয়া পৰিয়াল—মিৰচিনেছি
Chusipoma Species–Maesa chisia Family–Myrosinaceae

এবিধ সৰু আকাৰৰ চিৰ সেউজীয়া উদ্ভিদ। ইয়াৰ পকা ফলবোৰ খোৱাৰ উপযোগী হয়। খৰি হিছাপে ব্যৱহাৰ কৰাৰ ব্যতিৰেকে ইয়াৰ কাঠ অন্য কোনো কামত লগোৱা নহয়।

মাছপুৰা, চেচো মেইছা ইন্দিকা পৰিয়াল—মিৰচিনেছি
Machpura Chechoo Species–Maesa indica Family–Myrsinaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। ইয়াৰ পকা ফলবোৰ খোৱাৰ উপযোগী। বিহ ঢালি মাছ মাৰিবৰ বাবে ইয়াৰ পাতৰপৰা প্ৰস্তুত

কৰা ৰস ব্যৱহাৰ কৰা হয় হেনো। অসমৰ প্ৰায় সকলো বনভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

টিচি গছ, লিনম ইউচিটাটিচিমম পৰিয়াল—লিনেছি
Lin Seed oil plant Species–Linum usitatissimum Family–Linaceae

এবিধ সৰু আকাৰৰ বনৰীয়া বন। ইয়াৰ বাকলিৰপৰা একপ্ৰকাৰ আঁহ থকা ৰচি তৈয়াৰ কৰে। এই ৰচি নানা প্ৰকাৰৰ কামত লগোৱা হয়। কোনো কোনো মানুহে ইয়াৰ খেতি বাগান আকাৰে কৰি আৰ্থিকভাৱে উপকৃত হয়। সৰ্বত্ৰ বিদ্যমান।

মেজাংকৰি গছ, লিট্‌চিয়া চাইট্ৰেটা পৰিয়াল—লৰেছি
Mejangkori Goch Species–Litsea citrata Family–Lauraceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। এইবিধ গছৰ পাত গছ মুগাক খুৱাই মেজাংকৰি সূতা প্ৰস্তুত কৰা হয়। উজনি আৰু মধ্য অসমৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

পেটাৰি চাৱা, লিট্‌চিয়া ইলংগেটা পৰিয়াল—লৰেছি
Petari chawa Species–Litsea elongata Family–Lauraceae

এবিধ সৰু আকাৰৰ পৰ্ণপাতী গছ। খৰি হিছাপে ব্যৱহাৰ কৰাৰ বাহিৰে ইয়াৰ কাঠ অন্য কোনো কামত লগোৱা নহয়। উজনি অসমত ইয়াক পোৱা যায়।

বন সৌৱালু, লিটছিয়া লিটা পৰিয়াল—লৰেছি
Bon Sualu Species–Litsea laeta Family–Lauriaceae

এবিধ সৰু আকাৰ পৰ্ণপাতী গছ। কাঠৰ মান মজলীয়া। সাধাৰণ চকি, মেজ আৰু ঘৰ সজা কামত ব্যৱহাৰ্য। উজনিৰ বনভূমিবোৰত ইয়াক ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

কঠলুৱা সৌৱালু লিট্‌চিয়া নিচিদা পৰিয়াল—লৰিয়েছি
Kotholua Suwalu Species–Litsea nicida Family–Lauraceae

মজলীয়া আকাৰৰ এবিধ পৰ্ণপাতী গছ। কাঠৰ বৰণ হালধীয়া -চানেকীয়া হয়। এই কাঠ ঘৰ সজা আৰু চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি। সৰ্বত্ৰ বিদ্যমান গছ।

সৌৱালু লিট্‌চিয়া পলিয়েন্দ্ৰা পৰিয়াল—লৰেছি লিট্‌চিয়া মনপিটেলা
Suwalu, Species–Litseapolyandra Family–Lauraceae Synonym–Litsea monopetala

মেলাহি ডাল-পাত ধাৰণ কৰা এবিধ পৰ্ণপাতী গছ। চোম গছৰ পাতৰ দৰে এইবিধ গছৰ পাত গছ মুগা জাতীয় পলুক খুওৱা হয়।

নতুনকৈ জগা পলুবোৰ চকৰিয়ে সৈতে খৰিকাত বান্ধি গছজোপাৰ ওপৰলৈ বগাই যোৱাৰ সুবিধা কৰি দিয়া হয়। মুগা পোহা গৃহস্থই বাটুলি গুটি মাৰি কাউৰী প্ৰভৃতি চৰাইবোৰ বিতাৰণ কৰিব লগা হয়। এই কাম ৰহস্যজনকভাৱে উত্তেজনাপূৰ্ণ।

মেকুৰী মাহ, মুকুনা ব্ৰেকটিয়েটা পৰিয়াল— লেগুমিনেছি
Mekuri Mah Species–Mukuna bracteata Family–Leguminaceae

এবিধ মজবুত ঠাৰিৰে সমৃদ্ধ বনৰীয়া আৰোহী লতা। ইয়াৰ ফল ধাৰণ কৰা ছিৱাৰ বাকলিবোৰে এক প্ৰকাৰ চুলি সদৃশ শুং ধাৰণ কৰে। ইংৰাজী ভাষাত ইয়াক Horse eye bean প্ৰভৃতি নামেৰে জনা যায়। উজনি অসমত দেখিবলৈ পোৱা যায়।

নগা লিচু বা কাঠ লিচু, নেফেলিয়ম লংগানা পৰিয়াল—চেপিন্দেছি
Noga Lichu, Kath Lichu Species–Nephelium longana Family–

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। লিচুৰ নিচিনা ফল সিমান মঙহাল নোহোৱাৰ বাবে খাবলৈ ভাল নালাগে। ইয়াৰ কাঠ যিকোনো সাধাৰণ কামত লগাব পাৰি। উজনি অসমত পোৱা যায়।

ক'লা জীৰা, নেগালা চেটিভা পৰিয়াল— ৰেণনকিউলেছি
Kola Jira Species–Negalla sativa Family–Renurculaceae

ক'লা বৰণৰ গুটি ধাৰণ কৰা এবিধ মছলা জাতীয় বাৰীত লগোৱা উদ্ভিদ। ইয়াৰ ফলবোৰৰ বৰণ ক'লা হয়। সেইবাবে ইয়াক ক'লা জীৰা নামেৰে চিহ্নিত কৰা হয়।

পানী কদম নিচা, চেচিলিফ্লোৰা পৰিয়াল— কৰ্ণেছি
Pani Kadam Species–Nyssa sessiliflora Family–Cornaceae

এবিধ মধ্যমীয়া আকাৰৰ চিৰহৰিৎ গছ। অলপ দ-চানেকীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। কাঠৰ বৰণ অলপ ৰঙচুৱা হয়। সাধাৰণ পৰ্যায়ৰ বিভিন্ন কামত লগাব পাৰি। এবিধ সংখ্যালঘু সম্প্ৰদায়ৰ গছ।

বন তুলসী, অচিমম বেচিলিকম পৰিয়াল— লেবিয়েটি
Bon Tulosi Species–Ocimum basilicum Family–Labiatae

এবিধ বনৰীয়াকৈ উৎপত্তি হোৱা তুলসী জাতীয় উদ্ভিদ। ইয়াৰ গুটি আৰু পাতৰ ৰস উলিয়াই মছলাৰ দৰে খোৱা হয়। উজনি অসমত ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কলীয়া তুলসী, অচিমম কেনম পৰিয়াল— লেবিয়েটি
Kolia Tulosi, Species–Ocimum canum Family–Labiatae

ক'লা বৰণীয়া ঠাল-ঠেঙুলি আৰু পাত ধাৰণ কৰা এবিধ বনৰীয়া তুলসী। হিন্দু ধৰ্মালম্বী লোকসকলে এইবিধ তুলসী গছক পবিত্ৰতা নিৰূপণ কৰি কাতি মাহত চাকি নজ্বলায়। ইয়াক খুন্দি নখত লগাই ৰাখিলে জ্বৰ কমে বুলি জনা যায়। অসমৰ সকলো ঠাইতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

ৰাম তুলসী অচিমম গ্ৰেটিচিমম পৰিয়াল— লেবিয়েটি
Ram Tulosi Species–Ocimum gratissimum Family–Labiatae

এবিধ বছেৰেকীয়া বা দ্বিবাৰ্ষিক আয়ুসৰ বনৰীয়া তুলসী জাতীয় উদ্ভিদ। মহৰ উপদ্ৰৱ কমাবৰ বাবে ইয়াৰ পাতৰ ৰস ব্যৱহাৰ কৰা হয়। সেইবাবে জৈৱ নিয়ন্ত্ৰণৰ অব্যৰ্থ মহৌষধ বুলি ইয়াক কোৱা হয়।

মাধুৰী লতা, আইপমিয়া ডিজিটাটা আইপমিয়া মাউৰিটিয়ানা আইপমিয়া পেনিকুলেটা পৰিয়াল—কনভলভিউলেছি
Madhuri Lota Species–Ipomiea digitata Synonym–Ipomoea mauritiana Synonym(2)–Ipomiea paniculata Family–Convulvulaceae

সেন্দূৰীয়া বৰণৰ চুঙা পহীয়া বিতোপন ফুল ধাৰণ কৰা এবিধ প্ৰভাত সুন্দৰী (Morning Glory) প্ৰজাতিৰ বিচিত্ৰ উদ্ভিদ। বাট-পথৰ কাষে-পাজৰে থকা জেওৰা বা পকীবেৰা কিছুমানৰ ওপৰত ইয়াৰ অৱস্থিতি পৰিদৃষ্ট হয়।

ৰাংগল, ইক্‌জৰা একিউমিনেটা পৰিয়াল— ৰুবিয়েছি Rangol Garden Ixora Species–Ixora acuminata Family–Rubiaceae

থোপা থোপাৰ আকাৰে দৃষ্টিমধুৰ ফুল ধাৰণ কৰা এবিধ ফুলনিবাৰীত লগোৱা উদ্ভিদ। ইংৰাজী ভাষাত ইয়াক ইক্‌জৰা (Ixora) বুলি কোৱা হয়।

বগা ৰাংগল, ইক্‌জৰা আৰবৰিয়া পৰিয়াল— ৰুবিয়েছি ইক্‌জৰা পাৰ্ভিফ্লৰা
White Rangal Species–Ixora arborea Family–Rubiaceae Synonym–Ixora parviflora

বগা বৰণীয়া ফুলৰ থোপাৰে গছ উপচিপৰা বিধৰ এক প্ৰজাতিৰ ফুল জাতীয় উদ্ভিদ। ইয়াৰ দুই-এজোপা গছ ফুলনিবাৰী অথবা বেৰাৰ দাঁতিত লগাই ৰাখিলে নিলগৰপৰা জিলিকি থাকে।

ফুলনিবাৰীত আলংকাৰিক ফুল গছ হিছাপে লগোৱা এবিধ ৰঙা বৰণৰ ফুলেৰে

ৰাংগল, (প্ৰকাৰ) ফুল ইকজৰা ককচিনা পৰিয়াল—ৰুবিয়েছি

Rangol (variety) FlowerSpecies–Ixora coccina Family–Rubiaceae

উপচিপৰা উদ্ভিদ। বঙালী ভাষাত ইয়াক ৰাংগল বা ৰক্তলি নামেৰে জনা যায়। হিন্দীত ৰুক্মিণী, ৰাগটাক বা ৰঞ্জনা নামেৰে অভিহিত কৰা হয়। ইংৰাজী নাম হ'ল Jungle flame Ixora.

বন মালতী বা কাঠ মালতী, জেচ্‌মিনম এংগুষ্টিফলিয়ম পৰিয়াল—অলিয়েছি

Bon Maloti or wild jasmine Species–Jasminum angustifolium Family–Oleaceae

সুগন্ধি ফুল থোপা-থোপে ধাৰণ কৰা এবিধ খৰিকাজাঁই ফুল। বঙালী আৰু হিন্দী ভাষাত ইয়াক বনমল্লিকা বা নাৱাৰি নামেৰে জনা যায়। কাৰ্বি আংলং, উত্তৰ কাছাৰ, মেঘালয় আদিৰ পৰ্বতীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

নৱমল্লিকা, জেচমিনম আৰবৰেচেনছ পৰিয়াল—অলিয়েছি

Nobamollika Species–Jasminum arborescens Family–Oleaceae

নৱমল্লিকা নামেৰে জনাজাত এবিধ খৰিকা গোষ্ঠীৰ বনৰীয়া ফুলৰ উৎপত্তি আমাৰ হাবি-বননিবোৰৰ গছ-গছনিত বগাই ফুৰা দেখা যায়। হিন্দী ভাষাত ইয়াক চামেলি বুলি কোৱা হয়। ইংৰাজী নাম Italian Jasmine অথবা Spanish Jasmine কাৰ্বি আংলং, মেঘালয়, অৰুণাচল আৰু উজনি অসমৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

ধুপা পাৰলি, মিলিংটনিয়া হৰটেনচিছ পৰিয়াল—বিগনোনিয়েছি বিগনিয়া চুৰেৰ'জা

Dhupa Paroli Species–Millingtonia hortensis Family–Bignoneaceae Synonym–Bignonia Suberosa

এবিধ ওখ আকাৰৰ বিতোপন পৰ্ণপাতী গছ। ইয়াক বঙালী ভাষাত আকাশ নিম নামেৰে জনা যায়। হিন্দী নাম চামেলি নিম। ইংৰাজীত Indian Cork tree নামেৰে জনা যায়। ইয়াৰ কাঠ সাধাৰণ পৰ্যায়ৰ চকি, মেজ আদি প্ৰস্তুত কৰা কামত ব্যৱহাৰ কৰা হয়। এবিধ সংখ্যালঘু সম্প্ৰদায়ৰ গছ।

কাউৰী কাঁইট, মাইমোছা হিমালয়ানা পৰিয়াল—লেগুমিনেছি

Kauri Kait Species–Mimosa himalayana Family–Leguminaceae

এইবিধ গছ-গছনি ওপৰলৈ বগাই যোৱা চাৰিত্ৰিক প্ৰবৃত্তিৰ লাজুকী লতা বা আদৰি বন। বনজোপাই কাঁইটীয়া ঠাৰি ধাৰণ কৰে। ইয়াৰ কোনো ব্যৱহাৰিক অথবা আৰ্থিক মূল্য থকাৰ কথা জনা নাযায়।

কুচিয়া কাঁইট, মাইমোছা ৰুবিকলিছ পৰিয়াল—লেগুমিনেছি
Kuchia Kait Species–Mimosa rubicolis, Family–Leguminaceae

বছেৰেকীয়া আনতৰ এবিধ বৃক্ষাৰোহী লাজুকী লতা জাতীয় উদ্ভিদ। ইয়াৰ পাতবোৰ আকাৰত অলপ ডাঙৰ হয়। অৰ্থনৈতিক আৰু ব্যৱহাৰিক মূল্য সীমিত। উজনি অসমত দেখিবলৈ পোৱা যায়।

কাঁইটবিহীন লাজুকী বন, মাইমোছা ইনভিনছা পৰিয়াল—লেগুমিনেছি
Kaintbihin Lajuki Bon Species–Mimosa invinsa Family–

এইবিলাক লাজুকী বনে কোনো প্ৰকাৰৰ কাঁইট বা শুং ধাৰণ কৰা দেখা নাযায়। অৰ্থনৈতিক আৰু ব্যৱহাৰিক মূল্য নাই বুলিয়েই ক'ব লাগিব।

চেটকপৰা, মৰ্লোগো পেণ্টফাইলা পৰিয়াল—ফাইকইদি উপ-পৰিয়াল—আইজোৱাছি
Setkopora Species–Mollugo pentaphyla Family–Ficoidae Sub-family–Aizoaceae

বছেৰেকীয়া আয়ুসৰ এবিধ বন জাতীয় উদ্ভিদ। এইবিধ উদ্ভিদৰ পাত আৰু শিপাত ঔষধীয় গুণ আছে বুলি জনা যায়। পেটৰ অসুখ-বিসুখত ল'ৰা-ছোৱালী আৰু গৰ্ভৱতী মহিলাক চিকিৎসকৰ পৰামৰ্শ সাপেক্ষে খুৱাব লাগে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্বত্ৰ ইয়াৰ উৎপত্তি বিদ্যমান।

সৰু ভাতকেৰেলা, মমৰদিকা ডাইৱইকা পৰিয়াল—কনভলভিউলেছি
Soru Bhat Kerela Species–Momordica dioica Family–Convulvulaceae

অলপ সৰু আকাৰৰ ভাতকেৰেলা ধাৰণ কৰা এবিধ শাকনিবাৰীত লগোৱা আৰোহী। ইয়াৰ ফল তৰকাৰি তৈয়াৰ কৰি খোৱাৰ উপযোগী হয়। অসমৰ সকলো ঠাইতে ইয়াক পোৱা যায়।

মেকুৰী ঘিলা, মুকুনা ইম্ব্ৰিকেটা পৰিয়াল—লেগুমিনেছি
Mekuri Ghila Species–Mucuna imbricata Family–Leguminaceae

এবিধ মজবুত ঠাল-ঠেঙুলি ধাৰণ কৰা আৰোহী লতা জাতীয় উদ্ভিদ। লতাডালে অলপ চেপেটা ধৰণৰ ঠাৰি ধাৰণ কৰে। অসমৰ হাবি-বননিবোৰত ইয়াৰ উৎপত্তি বিদ্যমান।

উৰিধান, হাইগ্ৰোৰাইজা এৰিষ্ট্ৰাটা পৰিয়াল—গ্ৰামিনি উপ-পৰয়াল—পোৱাছি
Uridhan Species–Hygroryza aristrata Family–Gramineae Sub-family–poaceae

খেতিৰ আকাৰে পথাৰত লগোৱা ধান জাতীয় উদ্ভিদৰ নিচিনা এবিধ বনৰীয়া ধান। হিন্দী ভাষাত ইয়াত জংলী ধান বুলি কোৱা হয়। ধান খেতি কৰা পথাৰৰ

মাজে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়। এইবিধ বনৰীয়া ধানৰ চাউলো খোৱাৰ উপযোগী হয়। অসমৰ সকলো ধাননি পথাৰত ইয়াৰ উৎপত্তি বিদ্যমান।

গংগা তুলসী, হিপটিছ ছোৱাডিওলেনছ
পৰিয়াল—লেবিয়েটি
Ganga Tulosi Species–Hyptis suaveolens Family–Labiateae

ধাননি পথাৰত উৎপত্তি হোৱা তুলসী সদৃশ এবিধ বনৰীয়া বন। ইয়াৰ পাতবোৰত ঔষধীয় গুণ আছে বুলি জনা যায়। অসম উপত্যকাৰ সৰ্বত্ৰ বিদ্যমান।

দুধখুৰি লতা, ইকনোকাৰ্পছ ফ্ৰুটেচচেন্‌ছ
পৰিয়াল—এপচায়ানেছি
Dudhkhuri Lota Species–Ichnocarpus fruitescens Family–Apocyanaceae

অসমীয়া ভাষাত এইবিধ লতা জাতীয় উদ্ভিদক দুধখুৰি লতা বা দুধলতা বুলি কোৱা হয়। ইংৰাজী নাম Black Creeper ইয়াৰ ঠাৰিৰ বাকলিৰ আঁহৰপৰা একপ্ৰকাৰৰ ৰচি তৈয়াৰ কৰিব পাৰি। সৰ্বত্ৰ বিদ্যমান।

বন বকুল, হাতী কেৰেপা, আইলেক্‌চ গুদাজান
পৰিয়াল—একুইফলিয়েছি
Bon Bokul, Hatikerepa Species–Ilex godajan Family–Aquifoliaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। খৰি আৰু কাঠ কয়লা তৈয়াৰ কৰাৰ বাবে ইয়াৰ কাঠ উপযুক্ত। তদুপৰি ইয়াৰ কাঠ ঘৰ নিৰ্মাণ কৰা আৰু চকি, মেজ আদি তৈয়াৰ কৰা কামত লগাব পাৰি। উজনি অসম, নগাভূমি, কাৰ্বি আংলং, মেঘালয় আদিত ইয়াক দেখিবলৈ পোৱা যায়।

চন্দ্ৰকান্তি, আইপমিয়া আলবা পৰিয়াল—কনভলডিউলেছি
Chandra Kanti Species–Ipomoea alba Family–Convulvulaceae

বছেৰেকীয়া আয়ুসৰ এবিধ গছত বগোৱা আৰোহী লতা। লতাডালে একপ্ৰকাৰৰ সেন্দূৰীয়া ৰঙৰ ফুল ধাৰণ কৰে। বঙালী ভাষাত ইয়াক কাল্‌মি নামেৰে জনা যায়। হিন্দী নাম দুধিয়া কালমি। ইংৰাজীত Moon Flower বোলে। সৰ্বত্ৰ বিদ্যমান।

কলমৌ, আইপমিয়া একুৱাটিকা পৰিয়াল—কনভলভিউলেছি
Kolmow Species–Ipomoea aquatica Family–Convulvulaceae

বানপানীত বিকশিত হৈ থকা এবিধ জল বিলাসী উদ্ভিদ। ডাঠ বিধৰ সেউজীয়া পাত ধাৰণ কৰা উদ্ভিদজোপাই নীল বৰণীয়া ফুল ধাৰণ কৰে। ইয়াৰ কুমলীয়া আগ শাক হিছাপে খোৱাৰ উপযোগী।

ৰঙা আলু, আইপমিয়া বাটাটা, বাটাটাচ এডুলিছ পৰিয়াল—কনভলভিউলেছি
Ronga Alu Species–Ipomoea batata Batatas edulis Family–Convulvulaceae

ৰঙা বৰণীয়া দীঘল আকৃতিৰ আলুৰে সমৃদ্ধ এবিধ বাৰীত লগোৱাৰ উপযোগী লতা। ই ধাৰণ কৰা আলু তৰকাৰি বনাই খাব পাৰি। কেঁচাই কেঁচায়ো খোৱা হয়।

ফুলকবি, ব্রেছিকা বট্রিলিছ অলিৰাছিয়া বট্রিলিছ পৰিয়াল—ক্রুছিফেৰি Cauli–flower Species–Brassica botrylis Syn. Oleracea botrylis Family–Cruciferae

প্ৰতিবছৰে জাৰকালি উৎপন্ন হোৱা তৰকাৰি জাতীয় খাদ্য শস্যবিলাকৰ ভিতৰত ফুলকবিক সৰ্বোৎকৃষ্ট বুলি গণ্য কৰা হয়। ইয়াৰ বৈশিষ্ট্য হ'ল এয়ে যে পাত, আলু কিম্বা মঙহাল টেপুৰ সলনি ডাঁঙৰ আকাৰৰ ফুলবিলাকেই তৰকাৰি তৈয়াৰ কৰাৰ সমল যোগায়। নানা প্ৰকাৰে ফুলকবিৰ তৰকাৰি বনাই খাব পাৰি। আচাৰ আদি তৈয়াৰ কৰি বটলত ভৰাই ৰাখি দিলে বহুত দিনলৈ ইয়াৰ সোৱাদ ল'ব পাৰি।

ফুলকবিৰ গুৰি ভাগো মঙহাল হয়। লাইশাকৰ দৰে দীঘল দীঘল পাত ধৰে। মূলঠাৰিৰ আগ ভাগত এথোপা ফুলৰ উৎপত্তি হয়। এই ফুলৰ থোপাটোৱে ক্ৰমে ডাঙৰ আকাৰ ধাৰণ কৰি গছডালৰ উপৰিভাগত বিকাশ লাভ কৰে। এই পুষ্প গুচ্ছৰ ফুলবোৰে গাইগুটীয়াভাৱে ঠাৰিৰ আগে আগে, বিকাশ লাভ কৰে। ফুলবোৰ পুষ্ঠ হ'লে সময়ত ছেই ধৰি সৰু সৰু গুটিৰ উৎপত্তি হয়। এইদৰে ফুলবোৰ ফুলিবলৈ ধৰাৰ আগতে কবিটো উঠাই অনা হয়।

ফুলকবিৰ খেতিও বন্ধা কবিৰ দৰেই কৰা হয়। বহুতো উদ্যোগী মানুহে এইবিধ খাদ্য শস্য সৰহীয়াকৈ উৎপাদন কৰি আৰ্থিকভাৱে লাভবান হয়।

চীনালাই, মানলাই, ব্রাছিকা চাইনেনচিছ্ পৰিয়াল—ক্রোচিফেৰি
China Lai, Man Lai Species–Brassica Chinensis Family–

টুবুকা পাত ধাৰণ কৰা এবিধ লাই শাক জাতীয় ফচল। অন্যান্য জাতীয় লাই শাকৰ দৰে এই জাতৰ লাই শাক আমাৰ মানুহে শাকনি বাৰীত লগায় আৰু সময়ত উঠাই আনি ভাজি কৰি কিম্বা তৰকাৰি বনাই খাইহি।

অন্যান্য জাতীয় লাই শাকৰ দৰেই এই জাতীয় লাই শাকৰ গুৰিত উৎপন্ন হোৱা ঘাই শিপাডাল মাটিৰ তললৈ যায়। মূল শিপাডালৰপৰা বিকশিত হোৱা শাখা-শিপাবিলাকে গছজোপাক মাটিত খামোচ মাৰি ধৰি ৰাখে আৰু মাটি-পানীৰ লগত

মিহলি হৈ থকা ৰাসায়নিক পদাৰ্থবিলাক শুহি আনি গছডালক আহাৰ যোগায়। মূল গছৰ ঠাৰিডালৰ কাষৰপৰা ডাঠ আকাৰৰ পাতৰ ঠাৰিবোৰে বিকাশ লাভ কৰে আৰু অলপ উপৰিভাগৰপৰা বহল বিধৰ ডাঠ চানেকীয়া পাতবোৰ ওলাই আহে। ফুল থোপা-থোপে ফুলে। ফুলৰ বৰণ হালধীয়া হয়। ফুলবোৰ পূৰঠ হ'লে যিবিলাক ছেই ধৰে সেই ছেইবোৰৰ ভিতৰত সৰু সৰু গুটি হয়।

ভেগছ, চেলিক্স টেট্ৰাস্পাৰ্মা পৰিয়াল— চেলিকেছি। পানী হিজল (কাছাৰ) বল স্লাক (গাৰো) বেচ্‌বিফাং (মেচ্) দিয়েং-উম্ (খাচিয়া)

Willow Species–Salix tetrasperma Family–Salicaceae

মজলীয়া আকাৰৰ গছ। নদীৰ পাৰ আৰু অন্যান্য ঠাইত থকা দ-চানেকীয়া ঠাইবোৰত এই জাতীয় গছৰ উৎপন্ন হয়। বাকলিবোৰ ছাই বৰণীয়াকৈ ক'লা হয়। গছজোপাৰ তলৰপৰা ওপৰলৈ দীঘলে দীঘলে বাকলিখন ফাটি ফাটি থকা দেখা যায়। দা এখনেৰে ঘপিয়াই দিলে ভিতৰৰ আঁহবোৰৰ বৰণ ৰঙচুৱা হোৱা দেখা যায়। পাতৰ আকাৰ দীঘলীয়া আৰু দাঁতিভাগ খাঁজ কটা ধৰণৰ হোৱা দেখা যায়।

চতিয়না, এলচ্‌টনিয়া স্কলাৰিচ্ পৰিয়াল—এপোচায়েনেছি থেংমু আৰু থেংপেই-ৰেচু-আৰং (কাৰ্বি) চৌটি আছিং (মিচিং) ছটিয়ানা, ছাটিয়ান (অসমীয়া) দিয়েং ৰিটেং (খাচিয়া) চক্‌চন্ (গাৰো) বংখ্লং (কছাৰী) ছিতৌনা (বড়ো)

Sationa Species–Alstonia scholaris Family–Apocianaceae

এবিধ ডাঙৰ আকাৰৰ গছ। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰি লঠঙা হয়। গা-গছ ডালৰ তল ডোখৰত বহল আৰু চেপেটা বিধৰ ঠেকাৰ নিচিনা অংশ চাৰিওফালে ওলাই আহে। গছজোপাৰ পাতবোৰ ফুলৰ পাহিৰ নিচিনাকৈ সমানভাৱে ডালৰপৰা ওলাই ওলাই আহে। গা-গছৰ বাকলিৰ বৰণ মদৰুৱা হয় আৰু তাত খহুৰ দৰে সৰু সৰু দাগ থাকে। তদুপৰি তলৰপৰা ওপৰলৈ মুখ কৰি থকা বিধৰ এই বাকলিখনত কিছুমান সৰল ৰেখাৰ নিচিনা কটা দাগৰ উৎপত্তি হয়।

আকাৰত পাতবোৰ দীঘলীয়া আৰু ঠেক হয়। গুৰিৰফালে অৰ্থাৎ ঠাৰিৰ ওচৰত থকা অংশ ঘূৰণীয়াকৈ ঠাৰিডালত লগ লগা আৰু আগভাগ ক্ৰমান্বয়ে সৰু হৈ অলপ ঘূৰণীয়া ভাবৰ জোঙা আকাৰ ধাৰণ কৰে। ফুলৰ বৰণ অলপ সেউজীয়া। চেপেটা আৰু দীঘল আকাৰৰ গুটিবোৰ নোমাল হয়।

এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় তাৰপৰা চাহৰ বাকচ, পেকিং বাকচ আদি তৈয়াৰ কৰিব পৰা যায়। চিলট তৈয়াৰ কৰাৰ উপযুক্ত কাঠ এইবিধ গছৰপৰা পাইছিল।

মাহী থেকেৰা, প্ৰজাতি কেৰেলিয়া লুচিদা বিকল্প নাম—কেৰেলিয়া ইন্টেজেৰিমা পৰিয়াল—কম্পজিটি মাহী থেকেৰা (অসমীয়া) কাণ থেকেৰা (অসমীয়া) ডাইনী যম (অসমীয়া) কিয়েৰপা, মেটলাং (বঙালী) মাথাং (হিন্দী) কেৰিলা ট্ৰি (ইংৰাজী)
(Mahi Thekera) Species–Carallia lucida Syn–Carallia integerima Family–Compositae

এবিধ মজলীয়া আকাৰৰ চিৰ হৰিৎ গছ। কাঠৰ মানদণ্ড মজলীয়া। ঘৰৰ খুঁটা, চকি আদিত লগোৱা আৰু সাধাৰণ প্ৰকাৰৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত এই কাঠ লগোৱা হয়। নাঙল, যুৱলি আদি লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰা কামতো এই কাঠ ব্যৱহাৰ কৰা হয়। ইয়াৰ কাঠেৰে ধান-বন্দা ঢেঁকী আদিও তৈয়াৰ কৰা হয়।

অসমৰ বিভিন্ন ঠাইৰ বনভূমিত এই জাতীয় গছৰ উৎপত্তি পৰিলক্ষিত হয়।

মেইডেন হেয়াৰ ঢেঁকীয়া, প্ৰজাতি এডিযানথম্ কেপিলছ—ভেনেৰিছ পৰিয়াল—এডিমান্টাছি
(Maiden hair Fern) Species–Adianthum capillus–Veneris Family–

এবিধ ঢেঁকীয়া গোষ্ঠীৰ বিতোপন উদ্ভিদ। দীঘল দীঘল ঠাৰিৰ মধ্য ভাগত বহুত পৰিমাণৰ গোল-চানেকীয়া বিভিন্ন আকাৰৰ আকৃতিৰ পাতৰ উৎপত্তি হয়। এইবিধ ঢেঁকীয়া জাতৰ উদ্ভিদৰ বহুতো প্ৰকাৰ দেখিবলৈ পোৱা যায়।

উদ্ভিদপ্ৰেমী ব্যক্তিসকলে এই জাতৰ ঢেঁকীয়া গছ আলফুলকৈ গামলাত ৰোপণ কৰি ৰাখে। সিহঁতে নয়নাভিৰাম ৰূপত আত্মপ্ৰকাশ কৰা পৰিলক্ষিত হয়।

তপাচুলি, প্ৰজাতি—অৰুণদিনেলা বেংগলেন্‌চিছ বিকল্প—অৰুণদিনেলা ওৱালিচিয়াই মোৰেছি তপাচুলি (অসমীয়া)
(Topachuli) Species–Arundinella bengalensis Syn–Arundinella wallichici

ওখ-চানকীয়া ঠাইত বিকশিত হৈ থকা এবিধ ঘাঁহ জাতীয় উদ্ভিদ।

ফুল ধৰা ঠাৰিবোৰ ঝাৰু হিছাপে ব্যৱহাৰ কৰা হয়। ঘৰৰ ওপৰত উলু খেৰৰ দৰে ব্যৱহাৰ কৰা হয়।

অসমৰ প্ৰায়বিলাক বনভূমিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বাদাম গছ, মেনচনিয়া দিপিকা পৰিয়াল—ষ্টাৰকুলিয়েছি
Badam tree Species–Mansonia dipika Family–Sterculiaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। কাৰ্বি আংলং জিলাৰ ডিফু আৰু ধনশিৰী সংৰক্ষিত বনাঞ্চলত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। গভীৰ অৰণ্যভূমিৰ

মাজত বিকাশ লাভ কৰি থকা এই জাতীয় বহুতো গছ একেডোখৰ ঠাইতে উৎপত্তি হোৱা দেখা যায়।

পাতবিলাক ধপলা-ধপল হয়। একোখিলা পাতে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ উপৰিভাগ অলপ খহটা হয়। তলৰ পিঠিতকৈ পাতবোৰৰ ওপৰৰ পিঠি অধিক সেউজীয়া হয়। পাতৰ তলৰ লুটিত মূল সিৰ আৰু উপ-সিৰবিলাক স্পষ্টভাৱে জিলিকি থকা দেখা যায়। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একেসময়তে সৰিলে গছজোপাই উদং ৰূপ ধাৰণ কৰে। ফুলৰ আকাৰ সৰু সৰু হয়। এই ফুল পূৰঠ হ'লে ডাঙৰ ডাঙৰ ফল ধৰে। ফলৰ ভিতৰত পাখিলগা গুটি ধৰে।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ নানা কামত লগাব পাৰি। ডাঙৰ ডাঙৰ গছৰপৰা গুটি পৰি একেঠাইতে ডৰা ডৰাকৈ পুলি গজে। হাবি-বন কাটি দি এই পুলিবোৰৰপৰা স্বাভাৱিকতে উৎপত্তি হোৱা একোডৰা গছৰ সৃষ্টি কৰিব পাৰি।

বন মৰা, প্ৰজাতি—মেলোচিয়া কৰকৰিফলিয়া ষ্টাৰকুলিয়েছি পৰিয়াল—ষ্টাৰোকুলিয়েছি বন মৰা (অসমীয়া) বনৰীয়া মৰাপাট টিকিওক্ৰা (বঙালী) বন পাট (বঙালী) জংলী পাট (হিন্দী) (ইংৰাজী) (Bon Mora) Species–Melochia corchorifolia Family–Sterculiaceae

এবিধ বছেৰেকীয়া অথবা দুবছৰীয়া আয়ুসৰ সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। মৰাপাটৰ ফলৰ নিচিনা সৰু সৰু ফল ধৰে আৰু সেই ফলৰ উপৰিভাগত বৰশিৰ নিচিনা কাঁইটৰ উৎপত্তি হয়। ইয়াৰ ঠাৰি-বাকলিৰপৰা মৰাপাট নিচিনা ৰচি তৈয়াৰ কৰিব পাৰি। কুঁহিপাতবোৰ তৰকাৰি বনাই খাব পাৰি।

উজনি অসমৰ হাবি-বননিবোৰত ইয়াক স্বাভাৱিক পৰিবেশত দেখিবলৈ পোৱা যায়।

চোম, মেকিলচ অদৰ'টিচিমা মেকিলাচ বম্বিচিনা পৰিয়াল—লৰেছি আৰটুচেকুক্মান্ (কাৰ্বি) বনচোম (অসমীয়া) (Chum) Species–Machilus odorotissima Machilus bombycina Family–Lauraceae

এইবিধ মজলীয়া আকাৰৰ গছ। ইয়াৰ ডাল-পাতবিলাক গছজোপাৰ চাৰিওফালে মেলাহি খোৱা ধৰণেৰে বিয়পি থাকে। বাকলিৰ উপৰিভাগ খহটা আৰু এই খহটা বাকলিখন বৰণত ক'লা-চানেকীয়া হয়। গছজোপাৰ বাকলিত ঘাপ এটা মাৰিলে তাৰ পৰা একপ্ৰকাৰৰ পিছল পিছল বিজল বাহিৰ হয়। বাকলিৰ ভিতৰখন অলপ ৰঙচুৱা হয়। পাতবিলাক দীঘল-চানেকীয়া। গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে ক্ৰমে জোঙা হয়। ফুলবিলাক আকাৰত সৰু হয়।

এইবিধ গছৰ পাতবোৰ গছ-মুগাৰ পলুৱে খায়। সেইবাবে আমাৰ মানুহে সুবিধা বুজি ডৰাই ডৰাই বাৰীত চোমগছ লগাই দিয়ে। গছজোপাৰপৰা গুটি পৰি পৰিও তাৰ পৰা পুলি ওলায়। সেই পুলিবোৰ ডাঙৰ হ'লে এইবিধ গছৰ সংখ্যা বৃদ্ধি হয়। তাতে স্বাভাৱিকতে ওলোৱা পুলি কিছুমান ইফাল-সিফাল কৰি ভালদৰে লগাই দিলে একো একোখন চুমনিবাৰীৰ সৃষ্টি হয়। মুগা পুহা মানুহে তেতিয়া ঘৰতে নতুনকৈ কণী ফুটি ওলোৱা কণ কণ পলুবোৰ খেৰৰ শলাত লগাই লৈ গছবোৰৰ গা-গছৰ গুৰিভাগত ওলোমাই ওলোমাই দিয়ে। পলুবোৰ গছজোপাৰ তললৈ আহিব নোৱৰা কৰিবৰ বাবে গছৰ গুৰি অংশত কলগছৰ পিছল পাত বান্ধি দিয়া হয়। পলুবোৰ ওপৰলৈ উঠি গৈ পাত খাই খাই ডাঙৰ হয়।

বনচোম, ফিবি গোৱালপাৰেন্‌চিছ্ পৰিয়াল— লৰেছি বনচোম (অসমীয়া) বানচুম (বড়ো) (Bon Chum) Species–Phoobe goelparensis Family–Lauraceae

এবিধ ডাঙৰ আকাৰৰ গছ। অসমৰ গোৱালপাৰা, দৰং, শোণিতপুৰ, নগাঁও জিলা আৰু শিৱসাগৰ জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকৰ বিভিন্ন ঠাইত এই জাতীয় গছ স্বাভাৱিকভাৱে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। এইবিধ বনৰীয়া গছৰ অন্যতম বৈশিষ্ট্য হ'ল এয়ে যে পুলি অৱস্থাত প্ৰখৰ ৰ'দৰ উত্তাপ ই সহ্য কৰিব নোৱাৰে। সেইবাবে বন বিভাগে এই জাতীয় মূল্যবান গছৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবে হাবিত গছ-গছনিৰ তলে তলে হাবি কাটি একো একোটা সুৰঙ্গ নিৰ্মাণ কৰে আৰু সেইদৰে শাৰী শাৰীকৈ বনোৱা সুৰঙ্গবিলাকতে এইবিধ গছৰ পুলি ছয় ফুট অন্তৰে অন্তৰে শাৰী পাতি লগাই দিয়ে। পলিথিন বেগত গুটি পচাই পচাই লগোৱা এইবিধ গছৰ পুলি সুৰঙ্গ পদ্ধতিত লগালে অধিক কৃতকাৰ্যতাৰে বাগান নিৰ্মাণ কৰিব পৰাৰ সম্ভাৱনা আছে। বন-বিভাগীয় ভাষাত এই পদ্ধতিক "বনচোম টানেল্‌প্লেণ্টেচন্" অথবা "বনচোম সুৰঙ্গ বাগান" বুলি কোৱা হয়।

বনচোমৰ গা-গছৰ বৰণ ক'লালৈ ছাই-বৰণীয়া। বাকলিখন ফাটি-ছিটি থাকে। ভিতৰৰ ফাল বাকলিৰ বৰণ মুগা। পাতবোৰ ঠালবিলাকৰ আগভাগত একেলগে গোট খাই থাকে। ফুলৰ বৰণ মুগা। গুটিবোৰ সৰু সৰু।

বনচোমৰপৰা উত্তম বিধৰ কাঠ উৎপাদন হয়। চকি, মেজ আদি আৱশ্যকীয় সৰঞ্জাম বনোৱাৰ উপৰিও ঘৰ-দুৱাৰৰ বিভিন্ন কামত এইবিধৰ কাঠ ব্যৱহাৰ কৰা হয়।

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। গা-গছৰ বাকলি সাধাৰণতে ছাই-বৰণীয়া বা মুগা হয়। বাকলিখন কাটিলে তাৰ পৰা এক প্ৰকাৰ গোন্ধ বাহিৰ হয়।

পাতি সোন্দা, চিনামমম অবটিউছিফলিয়ম্ পৰিয়াল—লৰেছি পাটিহুন্দা, পাদেৰাই, নগা-ডালচেনি (অসমীয়া) থেং-কিছি-আৰং, থেং-কিছিং-আলো (কাৰ্বি) ছিইৰাং-আছিং (মিচিং) ধুপাতি জলা (মেচ) ছামেজং (গাৰো) দিয়েং পাথি (খাচিয়া) পাতি সোন্দা (অসমীয়া) (Pati Sunda) Species–Cinnamomum abtusifalium Family–Lauraceae

কাটোতে পোনেই দেখাত অলপ হালধীয়া হৈ ওলোৱা বাকলিৰ ভিতৰখন লাহে লাহে ক'লা পৰিবলৈ আৰম্ভ কৰে। পাটিহুন্দাৰ দীঘল-চানেকীয়া পাতবোৰ আকাৰত ডাঙৰ হয়। বাহিৰখন খম্‌খমীয়া হয় আৰু সিৰ-উপসিৰবিলাক স্পষ্টভাৱে জিলিকি থকা ধৰণৰ হয়। ফলবিলাক দীঘলীয়া।

এই জাতীয় গছ হাবিৰ মাজত থকাৰ উপৰিও গাঁৱে-ভুঁইয়ে থকা সৰু-সুৰা হাবিবোৰতে সেৰেঙা সেৰেঙাকৈ থকা দেখিবলৈ পোৱা যায়। ইয়াৰপৰা কোনো বিশেষ কামত ব্যৱহাৰ কৰিবপৰা বিধৰ কাঠ উৎপাদন হ'ব বুলি আশা কৰিব নোৱাৰি।

কফুৰ গছ, চিনামমম কেম্ফৰা পৰিয়াল—লৰেছি কফুৰ (অসমীয়া) (Caphor) Cinnamomum Camphora Family–Lauraceae

এবিধ সুগন্ধি পাত ধাৰণ কৰা মজলীয়া আকাৰৰ উদ্ভিদ। সাধাৰণতে বনৰীয়া অৱস্থাত ইয়াক য'তে ত'তে দেখিবলৈ পোৱা নাযায়। কিন্তু আলংকাৰিক হিছাপে এইবিধ গছ বহুতো মানুহে বাৰীত ৰোপণ কৰে।

স্বাভাৱিক পৰিবেশত ইয়াৰ উৎপত্তি কম। ইয়াৰ কাঠ সাধাৰণ বিধৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ কাঠৰপৰা তেল বাহিৰ কৰি কীট-পতংগ বিতাৰণ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

ডালচেনি, চিনামমম্ জাইলানিকম্ পৰিয়াল—লৰেছি ডালচেনি (অসমীয়া) ডালচেনি (বঙালী, হিন্দী) (ইংৰাজী) (Dalcheni) Species–Cinnamomum Zeylanicum Family–Lauraceae Cinnamomum

ডালচেনি গছ সাধাৰণতে অসমত উৎপত্তি হোৱা দেখিবলৈ পোৱা নাযায়। কোনো কোনো উদ্যোগী ব্যক্তিয়ে ইয়াৰ সঁচ অসমৰ বাহিৰৰপৰা আমদানি কৰি আনি বাৰীত লগাবলৈ চেষ্টা কৰা দেখিবলৈ পোৱা যায়।

বাকলিয়েই ছাঁই-বৰণীয়া ৰং ধাৰণ কৰে। পাতৰ আকৃতি তেজপাতৰ দৰে দীঘল চানেকীয়া হয়। এইবিধ গছৰ বাকলিবোৰ বখলিয়াই আনি মছলা হিছাপে ব্যৱহাৰ কৰা হয়। ডালচেনি তামোলৰ লগত খোৱা হয়। তৰকাৰিতো মছলা হিছাপে ব্যৱহাৰ কৰা হয়।

নগা ডালচেনি, চিনামমম অবটিউচিফলিয়ম পৰিয়াল—লৰেছি নগা ডালচেনি, পাঁজি সূতা, তেজপাত (প্ৰকাৰ), অসমীয়া, কিনটন, তেজপাতা, ৰাম তেজপাতা (বঙালী) ইংৰাজী (Noga Dalcheni) Species–Cinnamomum obtusifolium Family–Lauraccae Cassia Cinnamum, Bay Leaf

এবিধ মজলীয়া অথবা অলপ ডাঙৰ আকাৰৰ চিৰ সেউজীয়া বনৰীয়া গছ। ইয়াৰ পাতবোৰৰ আকৃতিয়ে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাত ভাঙিলে তাৰ পৰা এক প্ৰকাৰৰ সুগন্ধ বাহিৰ হয়। তৰকাৰি বনাওতে এই পাত মছলা হিছাপে তেজপাতৰ দৰে ব্যৱহাৰ কৰিব পাৰি।

অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত এইবিধ গছ ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

লুং লবংগ, ইউজেনিয়া কেৰিঅ'ফাইলাটা ইউজিনিয়া এৰোমাটিকা পৰিয়াল—মিৰটেছি লং লৱংগ (অসমীয়া) লং লবংগ (বঙালী) লবংগ (হিন্দী) (ইংৰাজী) Clove (Clove, Long, Lavang) Species–Eugenia caryophyllata Synonym–Eugenia aromatica Family–Myrtaceae

এবিধ পাণৰ নিচিনা আৰোহী লতা। ইয়াৰ ফল আৰু ফলৰ ঠাৰি মছলা হিছাপে তৰকাৰিত ব্যৱহাৰ কৰা হয়। তামোল-পাণৰ লগতো খোৱা হয়। ডালচেনিৰ লগত মছলা হিছাপে খাব পাৰি।

বহুতো মানুহে পাণৰ দৰে এইবিধ আৰোহী লতা তামোল আদি গছত লগায়। আজিকালি চাহ বাগিচাৰ পৰিচালকসকলে এই বিধ ফলধৰা আৰোহী লতা চাহ বাগানত ছায়া প্ৰদান কৰা শিৰীষ প্ৰভৃতি লগত লগাই আৰ্থিকভাৱে লাভৱান হোৱাৰ পথ উলিওৱা দেখা যায়।

তেজপাত চিনামমম টামালা পৰিয়াল—লৰেছি তেজপাত (অসমীয়া) তেজপাতা (বঙালী) তেজপাতা (হিন্দী) (ইংৰাজী) (Tezpat) Species–Cinnamomum tamala Family–Lauraceae Indian Cassia

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ বনৰীয়া গছ। ইয়াৰ সুগন্ধি পাত মছলা হিছাপে তৰকাৰিৰ লগত দিয়া হয়। বহুতো মানুহে পাত তৰকাৰিত ব্যৱহাৰ কৰিবৰ বাবে এই গছ বাৰীত লগায়। অসমৰ বনাঞ্চলবোৰত ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

গন্ধকৰৈ, গন্ধসৰৈ, গন্ধবাই (বঙালী) বাঘু (হিন্দী) চিনামমম চেচিক'ডেফনি পৰিয়াল—লৰেছি গন্ধকৰৈ বা গন্ধখৰৈ (অসমীয়া) গন্ধবাই (বঙালী) বাঘু (হিন্দী) (Gandhkoroi) Species–Cinnamomum cecicodaphane Family–Lauraceae

অসমৰ উত্তৰপৰীয়া সংৰক্ষিত বনাঞ্চলত এইবিধ বিৰাট আকাৰৰ চিৰসেউজীয়া গছ ঠায়ে ঠায়ে দেখিবলৈ

পোৱা যায়। ইয়াৰ কাঠৰপৰা এক প্ৰকাৰ সুগন্ধ বাহিৰ হয়। এই সুগন্ধি কাঠ ঘৰসজা আৰু চকি, মেজ, পালেং আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

নহৰু, এলিয়ম চেটিভম পৰিয়াল—আমেৰিলিডেছি ৰছুন (কাৰ্বি) ৰুছুন (ৰাভা) ছাম্ব্ৰাম গুফুং (বড়ো) নহৰু (অসমীয়া) ৰসুন (বঙালী)
(Garlic) Species–Allium Sativum Family–Amaryllidaceae

তৰকাৰি পাচলিৰ লগত মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা আন এবিধ পিয়াঁজ জাতীয় ফচলক আমাৰ ভাষাত নহৰু বুলি কোৱা হয়। নহৰুৰ মূল পিয়াঁজৰ মূলৰ দৰে ৰঙচুৱা নহৈ বগা ৰূপ পৰিধান কৰা দেখা যায়। মূলভাগ কিনাৰৰপৰা ফুটা ফুটাকৈ এৰোৱাব পাৰি। প্ৰত্যেকটো ফুটা গাইগুটীয়াভাৱে চহাই ৰখা মাটিত গুজি গুজি দিয়ে তাৰপৰা নতুন নতুন পোখাৰ উৎপত্তি হয়। নহৰুৰ পাত পিয়াঁজৰ দৰে গোটা নহৈ চেপেটা হোৱা দেখিবলৈ পোৱা যায়।

পিয়াঁজ, এলিয়ম চেপা ঃ বিকল্প ঃ এলিয়ম এছকালেনিকম্ পৰিয়াল ঃ আমেৰিলিডেছি হাৰছুন (কাৰবি) ৰায়ছুং চাক্কায় (ৰাভা) ছাম্ব্ৰাম (বড়ো)
(Onion) Species–Allium cepa : Synonym : Allium ascalanicum Family–Amaryllidaceae

তৰকাৰিৰ লগত মছলা হিছাপে ব্যৱহাৰ কৰিব পৰা এবিধ উগ্ৰগন্ধী ফচল। শিপা গুচ্ছৰ উপৰিভাগত বিকশিত হোৱা মূলভাগ তৰপা-তৰপি কৈ সজোৱা মঙহাল বাকলিৰ দ্বাৰা গঠিত হয়। ৰঙা বৰ্ণৰ এই মূলৰপৰা ভিতৰখন ফোপোলা আৰু বাহিৰৰ ফালে মিহিকৈ সেউজীয়া ৰূপ ধাৰণ কৰা দীঘলীয়া পাতৰ সৃষ্টি হয়। মূল ঠাৰিৰ মধ্যস্থলত থকা ঠাৰিৰপৰা দীঘল দীঘল ফুলৰ ঠাৰিয়ে বিকাশ লাভ কৰে। ঠাৰিৰ আগভাগত চক্ৰাকাৰ ৰূপ ধাৰণ কৰা পুষ্পপুঞ্জই বিকাশ লাভ কৰে।

খাদ্যোপযোগী মছলাৰ যোগান ধৰা ফচল হোৱাৰ বাবে বালিঅহীয়া ঠাইত মানুহে প্ৰচুৰ পৰিমাণে পিয়াঁজৰ খেতি কৰে। ইয়াক চালাদ হিছাপেও সৰ্বত্ৰ ব্যৱহাৰ কৰা হয়।

গ্লোব লিলি বা ব্লাড লিলি, পৰিয়াল—আমাৰিলিডেছি
Globe Lily or Blood Lily Species–Haemanthus punicius Family–Amaryllidaceae

ডাঙৰ ডাঙৰ আকাৰৰ ঘূৰণীয়া পুষ্প-পুঞ্জ ধাৰক এবিধ ফুল জাতীয় বিতোপন উদ্ভিদ। স্বাভাৱিক অৱস্থাত এইবিধ লিলি জাতীয় ফুলগছো অসমৰ মাটি-পানীত উদ্ভৱ হোৱা দেখিবলৈ পোৱা নাযায়। ভাটিৰ ফালৰ নাৰ্ছাৰিবিলাকৰপৰা সঁচ আনি আমাৰ মানুহে এইবিধ ফুল ফুলনি কিম্বা উদ্যানত আজিকালি লগাবলৈ ধৰিছে। শীতকালত গছজোপা মৰি

অন্তৰ্দ্ধান হয়। বহাগ-জেঠ মাহত মাটিৰ তলত পোত খাই থকা পিয়াঁজৰ নিচিনা আলুৰপৰা একোটা নলা ওলাই তাৰ ওপৰ ভাগত কদম ফুলৰ নিচিনা একোটা বিৰাটাকাৰ ফুলৰ প্ৰাদুৰ্ভাৱ হয়। এই ফুলৰ বৰণ ৰঙচুৱা হয়।

ফুল ফুলিবলৈ ধৰাৰ লগে লগে গছজোপাৰ গুৰিৰপৰা নতুন পুলি পোখা মেলিবলৈ আৰম্ভ কৰে। কেইদিনমানৰ পিছতে ফুলি থকা ফুলবোৰ মৰহি গৈ শেষত অন্তৰ্দ্ধান হয়। লাহে লাহে নতুনকৈ ওলোৱা পুলিবোৰ লহপহকৈ বাঢ়ি পূৰ্ণাঙ্গ গছত পৰিণত হয়। কোমল-চানেকীয়া ঠৰুৱাডালৰ চৌপাশে বিকাশ লাভ কৰা পাতবোৰে তৰাপাতৰ নিচিনা অথচ তৰাপাততকৈ ভালেখিনি চুটি আকাৰৰ মিহি মিহি পাত ধৰে। ঠাৰিৰ গুৰি অঞ্চলৰ উপৰিভাগত মুগা বৰণীয়া ফুটুকা-ফুটুকি দাগে বিকাশ লাভ কৰে। পুষ্পহীন গছবোৰো দেখিবলৈ শুৱনি হয়। বহুতো উদ্যোগী লোকে এইবিধ ফুলো গামলাত লগাই ৰাখে।

ক্ৰাইনাম লিলি, ক্ৰাইনাম প্ৰাটেঞ্চে পৰিয়াল—এমেৰিলিডেচি
(Crinum Lily) Species–Crinum pratense Family–Amaryllidaceae

এবিধ প্ৰকাণ্ড আকৃতিৰ লিলি জাতীয় জোপোহা উদ্ভিদ। মাটিৰ তলত উৎপত্তি হোৱা শিপাৰ আলুৰপৰা দীঘল দীঘল আৰু তৰোৱালৰ আকৃতি ধাৰণ কৰা সেউজীয়া পাতৰ উৎপত্তি হয়। জোপাৰ আকৃতি ধাৰণ কৰি শিপাৰ আলু আৰু ঠৰুৱাৰপৰা উৎপত্তি হোৱা সেউজীয়া পাতবোৰ সামান্যভাৱে মঙহাল হয়।

ফুলৰ বৰণ বগা হয়। একে ঠাইতে বিকশিত হোৱা ফুলৰ পাহিবোৰে চক্ৰাকাৰ ৰূপ ধাৰণ কৰে।

নৰসিংহ, মোৰাইয়া কণিগীয়াই পৰিয়াল—ৰুটেছি
(Narasinha) Species–Murrya koenigiai Family–Rutaceae

সৰু আকাৰৰ জপ্‌জপীয়া গছ। ঠাল-ঠেঙুলিবোৰ দেখাত লিংলিঙীয়া। পাতবোৰ হাতেৰে ভাঙিলে তাৰপৰা এক প্ৰকাৰৰ গোন্ধ বাহিৰ হয়। গা-গছৰ আৰু ডালৰ বাকলিখন তেনেই পাতল। বাকলিৰ বৰণ মুগা-চানেকীয়া ক'লা হয়। পিছে সেই বাকলিত দা বা কটাৰিৰে কাটি ঘা লগাই দিলে ভিতৰখন বগাচানেকীয়া সেউজীয়া দেখা যায়। পাতবোৰ দীঘলীয়া আৰু সৰু। গুৰিৰফালে আৰু ভিতৰৰ ঠাৰিৰফালে ঘূৰণীয়াকৈ ভাঁজ খোৱা আৰু আগৰফালে জোঙা হয়। পাতৰ কাষৰ দুই-এঠাইত কৰতৰ মুখত থকা দাঁতৰ নিচিনা চিন্ থাকে। ফুলবোৰ শেঁতা ধৰণৰ বগা হয় আৰু এই ফুলৰপৰাও এক প্ৰকাৰৰ গোন্ধ বাহিৰ হয়। ফলবোৰ বাকলিৰ তলত পাতলীয়া মাহ থকা ঘূৰণীয়া হয়। আকাৰত তেনেই সৰু ভিতৰত মাত্ৰ দুটা গুটি থাকে।

নৰসিংহ গছৰ পাত ধুই-মেলি দাইলৰ লগত পেলাই ৰান্ধিলে এক প্ৰকাৰৰ গোন্ধ ওলায়। কোনো কোনো মানুহে মাজে সময়ে ইয়াৰ পাতকেইখিলামান দাইলত পেলাই দি মুখৰ ৰুচি সলায়। পেটৰ বেমাৰত ই ঔষধৰ কাম কৰে বুলি বহুত মানুহে বিশ্বাস কৰে।

হিজল, বেৰিংটানিয়া একিউটেঙ্গুলা পৰিয়াল— লেচিথিদেছি হিজল (কাছাৰ), হিজল, পানী অমৰা, ভে (অসমীয়া) চিং-চং আৰং (কাৰ্বি)
Hijol Goch Species–Barringtonia acutangula Family–Lesithidaceae

সৰু আকাৰৰ গছ। সাধাৰণত বিলৰ কাষত বা তেনে ধৰণৰ পানীত ডুবি থকা ঠাইত এইবিধ গছ উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়। দ-চানেকীয়া ঠাইত থকা বিধৰ গছ হোৱাৰ বাবে আৰু কেতিয়াবা কেতিয়াবা অতিৰিক্ত বৰষুণ হোৱাৰ ফলত পানী বাঢ়িলে কিম্বা বানপানী হ'লে এইবিধৰ গছবোৰক অপাৰ সাগৰৰ নিচিনা পানীতে আধালৈকে পোত খাই থকাৰ নিচিনা দেখা যায়। এনেদৰে পানীৰ তলত বহুত দিন ডুব খাই থাকিলেও এইবিধ গছৰ কোনো অপকাৰ নহয়।

বাকলিখনৰ বৰণ প্ৰায় ক'লা আৰু এই বাকলিত দীঘলীয়া দীঘলীয়া বিধৰ খলা-বমাৰ চিন থাকে। দাৰে বাকলিত ঘাপ এটা মাৰি কাটি চালে দেখা যায় যে বাকলিৰ ভিতৰখনৰ বৰণ গুলপীয়া আৰু বাকলিখন কোমল কৈ আহঁ নথকা পদাৰ্থৰ দ্বাৰা গঠিত হয়। ফুল থোপা-থোপে ফুলে। বৰণত ৰঙা হয় আৰু তাৰ পৰা এক প্ৰকাৰৰ সুগন্ধ বাহিৰ হয়। ফলবিলাক সৰু সৰু আৰু অলপ দীঘলীয়া ধৰণৰ হয়।

এইবিধ গছৰপৰা যি কাঠ উৎপাদন হয় সেই কাঠৰ বৰণ ৰঙচুৱা বা শেঁতা বৰণীয়া বগা হয়। নাও আদি তৈয়াৰ কৰিবৰ বাবে আৰু অন্যান্য লাপি-লুপা কামত এই কাঠ কেতিয়াবা ব্যৱহাৰ কৰা হয়।

নেচ্‌টেৰচিয়াম, ট্ৰপিওলাম মেজোচ্ ট্ৰপিওলেচি
Nasturtium Species–Trapaeolum majus Tropaeolaceae

খৰালি মহীয়া বিকাশ লাভ কৰি বিতোপন ফুল ধাৰণ কৰা এবিধ ঋতু-সম্ভৱা বিদেশী উদ্ভিদ (Season plant)। নাৰ্ছাৰিবিলাকৰপৰা ইয়াৰ গুটি মঙ্গাই বা কিনি আনি পালেঙত বা কাঠৰ বাকচত আলফুলকৈ পচাই ৰখা হয়। গুটিৰপৰা হোৱা পুলি দুপতীয়া হৈ টনকিয়াল হ'লে ফুলনিবাৰী কিম্বা ঘৰৰ উদ্যান আৰু ঘাঁহ লগোৱা সেউজীয়া ঠাইত দীঘলীয়া বা অন্য আকাৰৰ ভেটিত লগাই দিলে সময়ত পুলিবোৰ ডাঙৰ হৈ বিতোপন ফুল ধৰে। বছৰৰ প্ৰায় একেটা সময়তে উৎপন্ন হ'ব পৰা অন্যান্য ফুলৰ পুলি বেলেগ বেলেগ ভেটিত লগাই দিলে বিভিন্ন জাতৰ

নানা বৰণৰ ফুল একেলগে ফুলি এক অপূৰ্ব সুন্দৰ পৰিবেশৰ সৃষ্টি কৰে।

এইবিধ ফুল জাতীয় উদ্ভিদৰ ঠাৰি আৰু পাতে সেউজীয়া ৰূপ ধাৰণ কৰে। ঠাৰিবিলাকে সৰু আকাৰৰ নলা সদৃশ আৰু পাতবোৰে টুকুৰা আকৃতি ধাৰণ কৰা পৰিলক্ষিত হয়। বনগছবোৰে গাইগুটীয়াভাৱে বিভিন্ন গছত বিভিন্ন বৰণৰ ফুল ধাৰণ কৰে। সামগ্ৰিকভাৱে একেডোখৰ ঠাইত একেলগে ফুলা বিভিন্ন বৰণৰ ফুলবোৰে মনোমোহা ৰূপ প্ৰদৰ্শন কৰে।

পুৰৈ, বাচেলা আল্‌বা পৰিয়াল—চেন'পডিয়েচি (Puroi, Indian Spinach) Species–Basella alba Family–Chenopodiaceae

পুৰৈ এবিধ কোমল বিধৰ ঠাৰি আৰু পাত ধাৰণ কৰা লতা জাতীয় শাক। আগলি আগলি সুকোমল ঠাৰি আঁৰু কুমলীয়া কুমলীয়া পাত আৰু কুঁহিপাতবোৰ কুটি-ভাজি খাবলৈ ভাল লাগে। ইয়াৰ দুটা জাত আছে। এটা জাতৰ পাত আৰু লতিকাৰ ঠাৰিবোৰ সেউজ-বুলীয়া আৰু আনটো জাত ৰঙচুৰা হয়।

পুৰৈ শাকৰ পুলিবোৰ বৰ্ষাকালত গুটিৰপৰা গজে। সাৰুৱা ঠাইত আপুনি উৎপন্ন হ'লে আৰু পুলিৰ গুৰিত গোবৰ-জাবৰ চপাই লতাবোৰ লহপহকৈ বাঢ়িবলৈ আৰম্ভ কৰে। বাঢ়ি অহা লতাবোৰ বগাবলৈ চাপৰকৈ হেঁদালি। এখন বনাই দিলে লাহে লাহে লতাবোৰে গোটেই চাংখন ঢাকি ধৰে। তৰকাৰি কৰি খাবৰ বাবে আগবোৰ ছিঙি বা কাটি আনিলে নতুন নতুন পোখাৰ আৱিৰ্ভাৱ হয়।

মঙহালকৈ ডাঠ বিধৰ পাতবোৰে ধনুভিৰীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। থোপা-থোপে ফুল ধৰে। ফুল পূৰঠ হ'লে যিবোৰ ফল ধৰে সেই ফলবোৰৰ আকৃতি পকা কোটাহি জামুকৰ নিচিনা হয়। এই ফলবোৰ অৱশ্যে খাদ্যোপযোগী হোৱা দেখা নাযায়।

বৰুণ, ইলিওকাৰপচ বৰুণা ইলিওকাৰপেছি Barun (Variety) Species–Elcocarpus varunaa Family–Elcocarpaceae

নদী, নলা, খাল আদিৰ কাষৰ জেকা ঠাইত স্বাভাৱিকভাৱে বিকাশ লাভ কৰা এবিধ আওকাঠী বনৰীয়া গছ। আকাৰত গছজোপাই মজলীয়া ৰূপ ধাৰণ কৰে। বৰ বেছিকৈ ডাল-পাত ধৰা দেখিবলৈ পোৱা নাযায়। গা-গছ আৰু ডাল-ডোলৰ বাকলিৰ উপৰিভাগে অলপ গেৰুৱা বা মুগা-চানেকীয়া বৰণ প্ৰদৰ্শন কৰে।

পাতবোৰে দীঘল-চানেকীয়াকৈ আগৰফালে ক্ৰমে জোঙা হৈ যোৱাৰ আকৃতি ধাৰণ কৰে। বৰুণ গছৰ ফুলবোৰ সৰু আৰু অনুজ্জ্বল হয়। এই ফুলবোৰ পূৰঠ হ'লে

যি ফল ধৰে সেইফলৰ ভিতৰত থকা গুটিবোৰ মাটিত সৰি পৰিলে নতুন নতুন পুলিৰ উদ্ভৱ হয়।

বৰুণ গছৰ কাঠৰপৰা বিশেষ কোনো প্ৰকাৰৰ লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰিব নোৱাৰি। ডাল-ডোল কাটি সৰু-সুৰা অস্থায়ী কামত লগাব পাৰি।

সৰ্পগন্ধা, গুমনি, ৰায়েলফিৱা চাৰপেনটিনা পৰিয়াল—এপোচায়েনেছি জোৱানচু (কাৰ্বি) টদং-পেইট পাৰাও (খাচিয়া) কাৰিকুৰুন্দা (বড়ো) (Sarpagondha, Gumoni) Species–Rowalfia serpentiena Family–Apocyanaceae

এইবিধ নিচেই চাপৰ আকাৰৰ জোপোহা গছ। হাবিৰ মাজে মাজে ঠায়ে ঠায়ে উৎপন্ন হয়। গা-গছৰ আৰু ঠাল-ঠেঙুলিবোৰৰ বাকলি সেউজীয়া হয়। পাতৰ আকাৰ দীঘলীয়া। আগৰফালে জোঙা আৰু গুৰিৰফালে ঘূৰণীয়া হয়। ফুলৰ বৰণ বগা হয়। সেই ফুলৰপৰা যি ফল উৎপত্তি হয় সেই ফল গছজোপাত থোকা-থোকে লাগে। বৰণত প্ৰথমতে সেউজীয়া আৰু পকিলে ৰঙচুৱা ক'লা হয়।

এইবিধ গছৰপৰা যি শিপা হয় সেই শিপাৰপৰা ঔষধ তৈয়াৰ কৰা হয়। সাপে খুটাৰ চিকিৎসা কৰা ঔষধো এইবিধ উদ্ভিদৰ শিপাৰপৰা তৈয়াৰ কৰিব পাৰি বুলি জনা যায়। এই জাতীয় গছৰে আৰু এটা বেলেগ জাত আছে। সেইটো জাতৰ গছক বৈজ্ঞানিকভাৱে ৰাৱেলফিয়া কানেচেন্স বুলি কোৱা হয়।

ডালিয়া, ডালিয়া ইম্পিয়েলিচ্ পৰিয়াল—কম্পোজিটি (Dahlia) Species–Dahlia impialis Family–Compositae

অতি বিতোপন ফুল ধাৰণ কৰা এজাত ঋতুজাত বছেৰেকীয়া উদ্ভিদ। বছৰি বছৰি জাৰকালি লগোৱা নানা বিধ ফুল জাতীয় উদ্ভিদৰ ভিতৰত ডালিয়া ফুলক আটাইতকৈ ধুনীয়াৰ আখ্যা দিব পাৰি। জাত বা বিধ অনুযায়ী গাইগুটীয়াভাৱে বিভিন্ন গছে ভিন্ ভিন্ আকাৰ আৰু বৰণৰ ফুল ধৰে। কিছুমানে ৰঙচুৱা ফুল ধৰে, কিছুমানে হালধীয়া আৰু আন কিছুমানে চকলেট বৰণৰ ফুল ধৰে। কিছুমানৰ ফুল আকাৰত প্ৰকাণ্ড হয় আৰু আন কিছুমানে সৰু আকাৰৰ ফুল ধৰে।

নাৰ্ছাৰি বা গুটি বাগানবিলাকৰপৰা গুটি ক্ৰয় কৰি আনি কাঠৰ বাকচত সাৰুৱা মাটি ভৰাই ইয়াৰ গুটি পচোৱা হয়। এই গুটিৰপৰা গজা পুলি ঠন ধৰিলে ওখ-চানেকীয়াকৈ দীঘল বা আন আকাৰৰ ভেটিত লগাই দিয়া হয়। পুলিবোৰ লহপহকৈ বাঢ়ি ডাঙৰ হ'লে যেতিয়া ফুলৰ পোহাৰ মেলে তেতিয়া দেখিবলৈ বৰ ভাল লাগে।

মাইকেনিয়া এবিধ লতা জাতীয় উদ্ভিদ। এইবিধ লতা আগতে আমাৰ ইয়াত

বিনোৱা লতা, মাইকেনিয়া মিক্ৰান্থা মাইকেনিয়া স্কেন্দেন পৰিয়াল—কম্পোজিটি
(Mikenia) Species–Mikenia micrantha Syn–Mikenia scandens Family–Compositae

নাছিল। যোৱা মহাযুদ্ধৰ সময়ত কেনেবাকৈ ইয়াৰ সঁচ আমাৰ অসমলৈ আহিল। তেতিয়াৰপৰা ইয়াৰ সংখ্যা ক্ৰমে বাঢ়ি বাঢ়ি গৈ এতিয়া সকলো ঠাইতে বিয়পি পৰিছে। অতীজতে এইবিধ লতা ব্ৰহ্মদেশত আছিল বুলি জনা যায়। জাপানীবিলাকে ব্ৰহ্মদেশ আক্ৰমণ কৰাৰ সময়ত বহুতো শৰণাৰ্থী সীমান্তইদি অসমলৈ আহিবলগীয়া হৈছিল। শুনা যায় যে এই শৰণাৰ্থীবিলাকৰ কাপোৰৰ টোপোলাত এইবিধ লতাৰ গুটি কেনেবাকৈ অহাত সেই গুটিৰপৰা পুলি গজিল আৰু লাহে লাহে সংখ্যা বাঢ়ি বাঢ়ি এতিয়া উত্তৰ-পূব ভাৰতৰ সকলো ঠাইতে বিয়পি পৰিল।

এইবিধ লতাই আমাৰ বনাঞ্চল, চাহ-বাগান আৰু অন্যান্য শস্য উৎপাদন কৰা ঠাইবোৰত বিয়পি বহুতো অপকাৰ কৰিছে। ইয়াক উচ্ছেদ কৰিবৰ কাৰণে এতিয়ালৈকে যিমানবিলাক ব্যৱস্থা হাতত লোৱা হৈছে সেইবিলাকৰ কোনো এটা ব্যৱস্থাই এতিয়ালৈকে কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই।

সাধাৰণ নাৰ্জিফুল, কেলেন্দুলা অফিচিনেলিচ পৰিয়াল—কম্পজিটি
Common Marigold Species–Calendula officinalis Family–Compositae

অতি আকৰ্ষণীয়ভাৱে মনোমোহা ফুল ধাৰণ কৰা এবিধ বছেৰেকীয়া আনতৰ আলংকাৰিক ঋতু ফুল (Season Flower)। চৌখিন মানুহে ইয়াৰ পুলিত ফুলনিবাৰীত অথবা বাৰাণ্ডাৰ কাষত শাৰী শাৰীকৈ ৰোপণ কৰে। সাধাৰণতে শীত কালৰ বা বসন্ত ঋতুৰ ফুল। জাত অনুযায়ী ফুলৰ বৰণ গোলাপী, হালধীয়া বা কজলা হয়। বহুতো মানুহে গামলাত পুলি ৰোপণ কৰি বাৰাণ্ডা বা বৈঠকখানাত আলফুলকৈ সজাই ৰাখে।

আফ্ৰিকীয় নাৰ্জিফুল, টাগেছ্‌টেচ ইৰেক্টা পৰিয়াল—কম্পোজিটি
African Marigold Species–Tagestes erecta Family–Compositae

বিতোপন ফুল ধাৰণ কৰা এবিধ বছেৰেকীয়া উদ্ভিদ। গাইগুটীয়াভাৱে বেলেগ আকাৰ আৰু বৰণৰ কেবাটাও জাত আছে। কিছুমানে হালধীয়া, কিছুমানে ৰঙচুৱা আন কিছুমানে গুলপীয়া বৰণৰ ফুল বহন কৰে। কিছুমান জাতৰ গছে ধাৰণ কৰা ফুলত জাপ জাপকৈ বহুতো পাহি বিকশিত হয়। আন কিছুমানত পাহিৰ সংখ্যা একেবাৰে নগণ্য হোৱা দেখা যায়। সাধাৰণতে ফুলগছজোপাৰ উচ্চতা এক-ডেৰ মিটাৰমান হয়। একে সময়ত এই বনগছবোৰ ফুলেৰে উপচি পৰিলে

ৰমক-জমক ৰূপৰ উদ্ভৱ হয়। আজিকালি গঠীয়া জাতৰ নাৰ্জি ফুলো দেখিবলৈ পোৱা যায়।

ঠাৰিৰ উপৰিভাগ ছাঁই-বৰণীয়া হয়। নতুন কুঁহিপাত আৰু কুমলীয়া ঠাৰিয়ে সেউজ-বুলীয়া বৰণ ধাৰণ কৰে। সেউজীয়া পাতবোৰে আঙুলি পহীয়া আকৃতি প্ৰদৰ্শন কৰে।

দীঘলীয়াকৈ ভেটিতত তৈয়াৰ কৰি নাৰ্জিফুলৰ পুলি শাৰী শাৰীকৈ লগাই দিলে সুফল পাব পাৰি। জাৰকালি এই জাতীয় ফুলৰ উৎপত্তি হয় আৰু এবাৰ ফুল ফুলাৰ পাছত গছজোপা মৰি যায়।

ভমকা ফুলীয়া ইন্দ্ৰমালতী, ক্ৰাইচেন্থেমম্ মেক্সিমাম্ কম্পোজিটি

Compositae Extra Large Chrysanthemum
Species–Chrysanthemum maximum

এইবিধ ক্ৰাইচেন্থেমম্ জাতীয় ফুলগছে ধাৰণ কৰা ফুলবিলাক আকাৰত আটাইতকৈ ডাঙৰ হয়। ফুলৰ পাহিবিলাকে গাইগুটীয়া গছ অনুযায়ী বেলেগ বেলেগ বৰণ পৰিধান কৰে। আমাৰ অসমত সাধাৰণতে এইবিধ ক্ৰাইচেন্থেমমৰ সঁচ দেখিবলৈ পোৱা নাযায়। চৌখিন আৰু পুষ্প প্ৰেমী কোনো কোনো আঢ্যৱন্ত লোকে অতিৰিক্ত খৰচ বহন কৰি এইবিধ ক্ৰাইচেন্থেমমৰ সঁচ বাহিৰৰপৰা আনি গামলাত বা চৌহদৰ সুবিধাজনক পৰিবেশত লগোৱা দেখা যায়।

পাতৰ আকৃতি অন্যান্য জাতৰ ক্ৰাইচেন্থেমমৰ পাতৰ লগত কম-বেছি পৰিমাণে মিলি যোৱা দেখিবলৈ পোৱা যায়।

নাৰ্জিফুলীয়া, ক্ৰাইচেণ্ঠেমম ক্ৰাইচেণ্ঠেমম্ চেগাটম্
পৰিয়াল—কম্পোজিটি

Corn Marigold Chrysanthemum
Species–Chrysanthemum segatum
Family–Compositae

এইবিধ ক্ৰাইচেণ্ঠেমম্ ফুলে নাৰ্জিফুলৰ দৰে গোটা-চানেকীয়া ফুল ধাৰণ কৰে। গাইগুটীয়াভাৱে বেলেগ বেলেগ জাতৰ ফুলগছে বেলেগ বেলেগ বৰণৰ ফুল ধাৰণ কৰে। মাটিৰ গামলা বা অন্যান্য উপকৰণেৰে তৈয়াৰী কৰা পাত্ৰত পুলিবোৰ আলফুলকৈ লগাই প্ৰতিপালন কৰি ৰাখিব পাৰিলে সময়ত আকৰ্ষণীয় ফুল ধৰাৰ আনন্দ লাভ কৰিব পাৰি।

সেউজীয়া পাতবিলাকৰ আকৃতি অন্যান্য জাতৰ ক্ৰাইচেণ্ঠেমমৰ পাতৰ লগত কম-বেছি পৰিমাণে মিলি যোৱা দেখা যায়। দৰাচলতে সকলো জাতৰ ক্ৰাইচেণ্ঠেমমে

প্ৰায় একে আকৃতিৰ পাত ধাৰণ কৰে। অৱশ্যে গাইগুটীয়া জাত হিচাপে এই পাতবিলাকত সামান্য বিভিন্নতা পৰিলক্ষিত হয়।

চন্দ্ৰমল্লিকা বা ইন্দ্ৰমালতী, পৰিয়াল— ক'ম্পোজিটি
Spcies–Common hrysanthemum
Family– Compositae

অতি আকৰ্ষণীয় ফুল ধাৰণ কৰা একাধিক প্ৰকাৰৰ এবিধ বছেৰেকীয়া বন। জাৰকালিৰ বিভিন্ন সময়ত প্ৰকাৰ অনুযায়ী ফুল ফুলি গোটেই জোপা গছ ফুলেৰে উপচাই পেলায়। প্ৰকাৰ অনুযায়ী ফুলবোৰৰ আকাৰ, আকৃতি আৰু বৰণেও ভিন্ ভিন্ ৰূপ ধাৰণ কৰে। কিছুমান গছৰ ফুল আকাৰত সৰু হয়; কিছুমানে মধ্যমীয়া আৰু আন কেইবিধমানে প্ৰকাণ্ড আকাৰৰ ফুল ধৰে। কিছুমানৰ ফুল ডবল হয়। ৰঙা, গুলপীয়া, বগা, হালধীয়া আদি নানা বৰণৰ ফুল ধৰা ক্ৰাইচেন্থেমম্ বা চন্দ্ৰ মল্লিকাৰ ফুলবোৰ ফুলি জাতিষ্কাৰ হ'লে গোটেই পৰিবেশ আকৰ্ষণীয় হৈ পৰে। সেইবাবে পুষ্পবিলাসী চৌখিন মানুহে এইবিধ ফুলৰ খেতি অলপ সৰহীয়াকৈ কৰি ফুলৰ পয়োভৰ কৰাত অভিৰুচি লয়। ৰাজহুৱা উদ্যান আদিতো ইয়াক লগোৱা হয়। সাধাৰণ উৰ্বৰা মাটি চহাই ভেটি কৰি ইয়াৰ শিপা ধাৰণ কৰা মূল বা ঠাল লগাই বংশবৃদ্ধি কৰা হয়। গামলাতো লগাব পাৰি। পাতৰ আকৃতি আঙুলি পহীয়া।

বগা চন্দ্ৰমল্লিকা বা ইন্দ্ৰমালতী, ক্ৰাইচেন্থেমম্ কৰণেৰিয়ম কম্পোজিটি—পৰিয়াল
White Chrysanthemum Species–Chrysanthemum Family–Compositae coronarium

ফাগুন-চ'তমহীয়া উৎপন্ন হোৱা নানা বিধৰ ঋতুজাত ফুলৰ ভিতৰত ক্ৰাইচেন্থেমম্ নামেৰে জনাজাত ফুলবিলাক আটাইতকৈ আকৰ্ষণীয় বুলি ক'ব পাৰি। এই ফুলবিলাকৰ ভিতৰত এবিধ ফুলে তুলা বা বগলী পাখিৰ দৰে বগা বৰণ ধাৰণ কৰে। ফুলনিবাৰী অথবা উদ্যানৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই দিলে ফুল ফুলাৰ সময়ত এইবিধ ক্ৰাইচেন্থমম্ দেখিবলৈ অতি মনোৰম হৈ পৰে।

মাটিৰ তলত উৎপত্তি হোৱা শিপা গুচ্ছৰপৰা নতুন নতুন পোখাৰ আবিৰ্ভাব হয়। শিপাৰ আলুৰে সৈতে এই পোখাবিলাক আলফুলকৈ লগাই ইয়াৰ সংখ্যা বঢ়াব পাৰি। কোনো কোনো পুষ্পপ্ৰেমী চৌখিন লোকে মাটিৰ গামলা বা অন্যান্য উপকৰণেৰে তৈয়াৰ কৰা পাত্ৰত এইবিধ ক্ৰাইচেন্থেমম্ লগাই ৰাখে।

কোমল-চানেকীয়া পাতবোৰে সেউজ-বুলীয়া ৰং ধাৰণ কৰে। পাতৰ আকৃতি আঙুলিপহীয়া হয়। মোটা-মুটিভাৱে প্ৰত্যেকখিলা পাতে পাঁচ পাহকৈ লতিকা প্ৰদৰ্শন

কৰে। প্ৰথম চাৰিখিলা লতিকাযোৰাৰ আকাৰে বিকশিত হয় আৰু শেষৰ লতিকাপাহ অকলশৰীয়াভাৱে উদ্ভৱ হয়। প্ৰত্যেক পাহ লতিকাৰ দাঁতিত খাঁজ কটা দাগৰ আবিৰ্ভাব হয়। ফুলৰ পাহিবোৰ বহুতৰপীয়াকৈ বিকশিত হয়।

জিনিয়া, জিনিয়া এলিগেন্‌চ্‌ পৰিয়াল— কম্পোজিটি
Zinnia Species–Zinnia elegans
Family–Compositae

বিতোপন ফুল ধাৰণ কৰা নানা বিধৰ ঋতুজাত ফুলগছৰ ভিতৰত জিনিয়া অন্যতম্। ইয়াৰ গুটিও নাৰ্চাৰিবিলাকৰপৰা কিনি অনা হয়। সাৰুৱা মাটিৰ ওখ ভেটিত কিম্বা কাঠৰ বাকচত তেনে মাটি ভৰাই এইবিধ ফুলৰ গুটি পচাব লাগে। পাছত ঠন ধৰা পুলিবোৰ শাৰী শাৰীকৈ ফুলনিবাৰী বা উদ্যানৰ একাষত লগাই দিয়া হয়। সময়ত এই পুলিবোৰ ডাঙৰ হ'লে বিতোপন ফুল ফুলে।

বাবৰি ইন্দ্ৰ মালতী, ক্ৰাইচেন্থেমম্ পম্‌পন্‌চ পৰিয়াল—কম্পোজিটি
Indramaloti, Chrysanthemum (Var). Species–Chrysanthemum Pompons Family–Compositae

বাবৰি ফুলৰ নিচিনা আকৃতি প্ৰদৰ্শন কৰা এবিধ ক্ৰাইচেন্থেমম্ জাতীয় ঘৰচীয়া ফুল। আমাৰ মানুহে অন্যান্য ফুলৰ শাৰীতে শাৰী মিলাই এইবিধ ফুলৰ পুলি ফুলনিবাৰী কিম্বা চৌহদৰ উদ্যানত লগাই ৰাখে। খৰালিমহীয়া গোটেইজোপা গছৰ ঠাল-ঠেঙুলিবোৰত হালধীয়া ফুলৰ থোপা ফুলিলে দেখিবলৈ ধুনীয়া হৈ পৰে। কোনো কোনো জাতে বেঙুনীয়া আৰু ৰঙচুৱা ফুল ধাৰণ কৰে।

চুলিৰ নিচিনা শিপাবোৰৰ গুৰিত বিকশিত হোৱা ঠাৰিবোৰে এখিলা এখিলাভাৱে সজোৱা পাত ধাৰণ কৰে। প্ৰত্যেকখিলা পাতে আঙুলি পহীয়াকৈ বিচিত্ৰ ৰূপ ধাৰণ কৰে। পাতবোৰৰ দাঁতিভাগে লতিকা সদৃশ খলা-বমা দাগ থকা স্বৰূপ প্ৰদৰ্শন কৰে। এইবিধ ফুলৰ গছ প্ৰতি বছৰে উৎপত্তি হৈ জাৰকালি ফুল ধৰাৰ পাছত মৰি যায়। বাৰিষাৰ দিন আহি পালে পুনৰ শিপাৰ আলুৰপৰা ওলোৱা পোখাৰ আবিৰ্ভাব হৈ পৰৱৰ্তী বছৰত নতুন বনৰ সৃষ্টি হয়।

কচমচ, কচ্‌মচ্‌ বাইপিনেটচ্‌পৰিয়াল— কম্পোজিটি
Cosmos Species–Cosmos bipinnatus Family–Compositae

নাৰ্জিফুলৰ নিচিনাকৈ আকৰ্ষণীয় ফুল ধাৰণ কৰা এবিধ ঋতুজাত ফুলৰ গছ। (Season flower) নাৰ্চাৰি কিম্বা অন্য পুলি ব্যৱসায়ী লোকৰপৰা দুপতীয়া পুলি ক্ৰয় কৰি আনি শাৰী শাৰীকৈ দীঘলীয়াভাৱে পালেঙত লগাব পাৰি। গাইগুটীয়াভাৱে ভিন্ ভিন্ গছে বেলেগ বেলেগ বৰণৰ ফুল ধাৰণ কৰে। আটাইবিলাক

গছে একেলগে ফুল ধৰিলে আকৰ্ষণীয় ৰূপ ধাৰণ কৰে।

সূৰ্যকান্তি ফুল, বেলি ফুল, হেলিয়াণ্ঠচ এনাচ্
পৰিয়াল—কম্পোজিটি
(Sun flower) Species–Helianthus annus Family–Compositeae

এবিধ হালধীয়া বৰণৰ প্ৰকাণ্ড ফুল ধাৰণ কৰা বছেৰেকীয়া উদ্ভিদ। বিতোপন ফুল ধাৰণ কৰাৰ বাবে ফুল জাতীয় উদ্ভিদ হিছাপে এইবিধ উদ্ভিদ মানুহে ফুলনিবাৰী বা উদ্যান-উপবনত শাৰী শাৰীকৈ কিন্তু দীঘলীয়া বা অন্য আকৃতি ভেটিত সৰহীয়াকৈ লগাই দিয়ে। ইয়াৰ কেবাটাও জাত আছে। কোনো কোনো জাতৰ বনগছবোৰ আৰু ফুলবোৰ আকাৰত সৰু হয়। কোনো বিধে মজলীয়া আৰু কোনো বিধে প্ৰকাণ্ড আকাৰৰ আকৰ্ষণীয় ফুল বহন কৰে। ফুলবিলাকে চক্ৰাকাৰ ৰূপ ধাৰণ কৰে। মাজভাগত বিকশিত হোৱা পুং আৰু গৰ্ভকেশৰৰ চকাৰ চৌপাশে চক্ৰাকাৰ হালধীয়া পাহিৰ উৎপত্তি হয়। ফুল পুৰঠ হ'লে মাজভাগত অলপ দীঘল-চানেকীয়া গুটি ধৰে।

গুটিৰপৰা এক প্ৰকাৰৰ তেল চেপি উলিয়াব পাৰি। পশ্চিমৰ ৰাজ্যবিলাকত সেইবাবে কোনো কোনো মানুহে ব্যৱসায়িক ভিত্তিত এইবিধ ফুল জাতীয় উদ্ভিদৰ খেতি কৰে। আমাৰ ইয়াত তেনে খেতি কৰা দেখা নাযায়।

বনৰীয়া বেলিফুল, হেলিয়েণ্ঠচ্ টিউবাৰোচচ্
পৰিয়াল—কম্পোজিটি
(Wild Sun-flower) Species–Helianthus tuberosus Family–Compositeae

এবিধ হাবিত উৎপন্ন হোৱা বনৰীয়া সূৰ্যকান্তি ফুল বা বেলিফুল। ফুল জাতীয় উদ্ভিদ। সাধাৰণতে পাহাৰী ঠাইত এইবিধ ফুলধৰা গছৰ উৎপত্তি পৰিলক্ষিত হয়। একোডোখৰ ঠাইতে সৰহীয়াকৈ বহুতো ফুলগছৰ উদ্ভৱ হয়। কাতি-আঘোণমহীয়া থোপা-থোপে ফুলা হালধীয়া বৰণৰ বিতোপন ফুলবোৰ নিলগৰপৰা জিলিকি থকা দেখা যায়।

শিপাৰ মূলৰপৰা ঘাই গছডালৰ উৎপত্তি হয় আৰু চাৰিওফালে ঠাল-ঠেঙুলি মেলি গছজোপা জোপোহা হৈ পৰে। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে। পাতবোৰে আঙুলিপহীয়া ৰূপ প্ৰদৰ্শন কৰে। সাধাৰণতে এই জাতীয় বেলিফুল বাৰীত লগোৱা নহয়। বনৰীয়াভাৱে হাবি-বননিত আপোনা-আপুনি উৎপত্তি হৈয়েই ই প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধি কৰাত অৰিহণা যোগায়।

বিতোপন ফুল ধাৰণ কৰা আন এবিধ ঋতুজাত উদ্ভিদ। এইবিধ ফুলৰ গুটিও বাহিৰৰপৰা মঙ্গাই বা গুটি ব্যৱসায়ীৰপৰা কিনি আনিব লগা হয়। এই গুটিবিলাক পালেঙত বা কাঠৰ বাকচত সাৰুৱা মাটি ভৰাই আলফুলকৈ পচাই ৰাখিলে সময়ত

কেলেন্দুলা, কেলেন্দুলা অফিচিলেনিচ পৰিয়াল—কম্পোজিটি
Calendula Species–Calendula officilan's Family–Compositeae

পুলি গজে। সেই পুলি ঠন ধৰি উঠিলে ওখ ভেটিত দীঘলীয়াকৈ শাৰী পাতি লগাই দিয়া হয়। চাপৰ ফুলগছবিলাক ফুলেৰে উপচি পৰিলে বিতোপন ৰূপ ধাৰণ কৰে।

বাবৰি শাক, পৰিয়াল—কম্পোজিটি
(Babori Sak) Species–Chrysenthemum (kind) Family–Compositeae

এবিধ বাৰীত লগোৱা শাক জাতীয় উদ্ভিদ। লাই, লফা আদি শাক জাতীয় উদ্ভিদৰ দৰে এইবিধ শাকো আমাৰ মানুহে শাকনিবাৰীত লগায় আৰু মাজে-সময়ে ইয়াৰ কুমলীয়া কুঁহি আৰু ঠাৰি পাত আদি আনি ভাজি কৰি কিম্বা তৰকাৰি বনাই খায়।

বাবৰি শাকৰ পাতবোৰে আঙুলিপহীয়াকৈ বহুমুখী আকৃতি ধাৰণ কৰে। ফুলৰ বৰণ অলপ হালধীয়া হয়।

সাধাৰণ চন্দ্ৰ মল্লিকা, চন্দ্ৰ মল্লিকাৰ ইংৰাজী নাম ক্ৰাইচেন্থেমম
(Common Chrysanthemum) Family–Compositeae

অতি জনপ্ৰিয় ফুল। গ্ৰীক ভাষাত ক্ৰাইয়চ্ (Chryos) মানে সোণ আৰু এন্থচ্ (Anthos) শব্দটোৱে ফুল বুজায়। এই দুয়োটা শব্দ লগ লাগি ক্ৰাইচেন্থেমম্ (Chrysanthemum) শব্দৰ উৎপত্তি হৈছে বুলি জনা যায়। এচিয়া আৰু ইউৰোপ মহাদেশ দুখন এই গোষ্ঠীৰ বিভিন্ন জাতৰ ফুলৰ উৎপত্তি স্থান বুলি কোৱা হৈছে। আজিকালি পৃথিৱীৰ প্ৰায় সকলোবিলাক দেশত ক্ৰাইচেন্থেমম্ গোষ্ঠীৰ বিভিন্ন ফুলে জনপ্ৰিয়তা লাভ কৰিছে। চীন দেশত উৎপন্ন হোৱা Chrysanthemum morifolium আৰু Chrysanthemum indicum নামৰ দুজাত ফুলৰপৰা আধুনিক যুগত বহু প্ৰকাৰৰ ক্ৰাইচেন্থেমম্ হাইব্ৰিদৰ উদ্ভৱ হৈছে। উদ্ভিদবিদ পণ্ডিতসকলে পাহিবিলাকৰ গঠন-প্ৰণালীৰ ওপৰত ভিত্তি কৰি ক্ৰাইচেন্থেমম্‌বিলাকৰ শ্ৰেণী নিৰ্দ্ধাৰণ কৰিছে। এই নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি তলত উল্লেখ কৰা শ্ৰেণীবিলাকৰ সৃষ্টি কৰা হৈছে।

(১) পাহিবিলাক ভিতৰলৈ পাক খোৱা জাত (Incurved)

(২) পাহিবিলাক বাহিৰফালে থকা জাত (Reflexed)

(৩) পাহিবিলাক সামান্যভাৱে পাক খোৱা (Intermediate)

(৪) এপহীয়া পাহি থকা (Single)

(৫) পাহিবোৰৰ মধ্যভাগত চকৰ থকা (Anemone flowered)

(৬) ঘূৰণীয়া আকৃতিৰ সৰু ফুল ধৰা (Pompom)

(৭) অন্যান্য (Other forms)

পৰৱৰ্তী শিতানত ইয়াৰে কেইবিধমান ক্ৰাইচেন্থেমমৰ গাইগুটীয়া বৰ্ণনা সদ্যহতে আগবঢ়াবলৈ চেষ্টা কৰা হ'ল।

তিনি বৰণীয়া ইন্দ্ৰমালতী, ক্ৰাইচেন্থেমম্ কেৰিনেটম্ পৰিয়াল—কম্পোজিটি
(Tricolour variety chrysanthemum)
Species–Chrysanthemum carinatum
Family–Compositae

হালধীয়া, মুগা, বগা আদি বিভিন্ন বৰণৰ কজলা পাহিৰ দ্বাৰা গঠিত হোৱা বিতোপন ফুল ধৰা এবিধ মনোমোহা ক্ৰাইচেন্থেমমৰ এটা জাত। এই বিধ ক্ৰাইচেন্থেমম ফুলৰ পুলিও শিপাৰপৰা উৎপত্তি হোৱা পোখাৰ সহায়ত লগাব পাৰি। মাটিৰ গাম্‌লাত কিম্বা অন্যান্য পদাৰ্থেৰে তৈয়াৰ কৰা পাত্ৰত সাৰুৱা মাটি ভৰাই পোখাবিলাক আলফুলকৈ লগাই ৰাখি সময় অনুযায়ী পানী দিলে সময়ত লহপহকৈ বাঢ়ি পুলিবোৰে পূৰ্ণাঙ্গ ৰূপ ধাৰণ কৰে। তেতিয়া থোপা-থোপে কলি ধৰি আকৰ্ষণীয় ৰঙীন পুষ্পেৰে ফুলগছবোৰ উপচি পৰে। বহুতো পুষ্পপ্ৰেমী চৌখিন লোকে এই জাতৰ ফুলবোৰ আলফুলকৈ অতি যতনেৰে লগাই ৰাখি সন্তুষ্টি লাভ কৰে আৰু দহজনৰ বাবে অপৰিসীম আনন্দৰ আহিলা যোগায়।

এইবিধ ক্ৰাইচেন্থেমমৰ সেইজ-বৰণীয়া পাতবোৰেও এক প্ৰকাৰৰ আঙুলি পহীয়া ৰূপ প্ৰদৰ্শন কৰে। লতিকা খাঁজবিলাক অলপ ভোটোকা হয়। লতিকাই লতিকাই উপসিৰৰ উৎপত্তি হয় আৰু ঘাই সিৰডাল অকলশৰীয়াকৈ বিকশিত হোৱা আগলিৰ লতিকাত অন্তৰ্দ্ধান হয়গৈ। ফুলৰ পাহিবিলাক বহু তৰপীয়া হোৱাৰ বাবে একো পাহ ফুলৰ আকৃতি বিতোপন হয়। ফুলনিবাৰী বা উদ্যানতো শাৰী শাৰীকৈ এইবিধ ফুল লগাব পাৰি।

গৰু চকুৱা ইন্দ্ৰমালতী, ক্ৰাইচেন্থেমম্ লিউকান্থেমম্ পৰিয়াল—কম্পোজিটি
(Ox-eye Chrysanthemum) Species–Chrysanthemum leucanthemum Family–Compositae

এবিধ অলপ ডাঙৰ আকাৰৰ ক্ৰাইচেন্থেমম জাতীয় বিতোপন ফুল ধাৰণ কৰা উদ্ভিদ। বহুতো চৌখিন আৰু পুষ্প-প্ৰেমী লোকে এইবিধ ক্ৰাইচেন্থেমমৰ পুলি গামলাত লগাই আন এবিধ আকৰ্ষণীয় ফুল ধৰা ক্ৰাইচেন্থেমমৰ খেতি কৰে। বগা-বৰণীয়া পাহি বহন কৰা ফুলবিলাক সাধাৰণ জাতীয় ক্ৰাইচেন্থেমম ফুলৰ গছে

ধাৰণ কৰা ফুলতকৈ আকাৰত ডাঙৰ ডাঙৰ হয়। সেই কাৰণে এইবিধ ক্ৰাইচেণ্ঠেমম ফুলে দৰ্শকৰ মন সহজে আকৰ্ষণ কৰা দেখা যায়।

বগা ফুল পাহৰ মাজভাগত হালধীয়া বা মুগা বৰণৰ কেশৰৰ উজ্জ্বল ৰেণু চকুত লগাকৈ বিকশিত হয়। সোণত সুবগা-চ'ৰাৰ দৰে কেন্দ্ৰ স্থলত বিকশিত হোৱা ৰেণুৰ বৰণে ফুলৰ পাহৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰে।

অন্যান্য প্ৰজাতিৰ ক্ৰাইচেণ্ঠেমম ফুলৰ দৰে এইবিধ ক্ৰাইচেণ্ঠেমমৰ খেতি কৰিবলৈ শিপাত বিকশিত হোৱা পোখাৰ সহায় ল'ব পাৰি।

বন কপাহ, প্ৰজাতি—এৰেকথিটেছ ভেলেৰিয়ানে বিকল্পে—ক্ৰেচোচিফালছ ক্ৰেপিদিয়ইদিছ পৰিয়াল—কম্পজিটি, এষ্টাৰ ৰেছি বন কপাহ (অসমীয়া) (ইংৰাজী) (Bon Kopah) Species–Erechthites valerianefolia Syn–Crassocephallus crepidioides Family–Compositae : Asteraceae Firewood Pilewort

এবিধ সৰু আকাৰৰ ৰসাল দেহধাৰী বনৰীয়া উদ্ভিদ। হাত-ভৰি বা গাত ঘা লাগি তেজ ওলালে তেজ বন্ধ কৰিবৰ বাবে ইয়াৰ ৰস ব্যৱহাৰ কৰিব লাগে।

অসমৰ প্ৰায় সকলো হাবি-বননিত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিদৃষ্ট হয়।

কেঁহেৰাজ, ইক্লিপ্টা এল্বা পৰিয়াল—কম্পজিটি। কেহেৰাজ (অসমীয়া) (Keheraj) Species–Eclipta alba Family–Compositae

এবিধ নিচেই সৰু আকাৰৰ মাটিৰ ওপৰত বগুৱা বাই যোৱা বিধৰ বন। গা-গছ আৰু ডালবিলাকৰ বাকলিখন পাতল, কোমল আৰু বৰণত সামান্যভাৱে মুগা-চানেকীয়া। বনডাল ইমান কোমল যে মাটি কান্দুৰি শাকৰ দৰে তাৰ ঠাল এটা সহজে হাতেৰে মুচুকা মাৰি ভাঙিব পাৰি। পাতৰ উপৰিভাগৰ বৰণো থিক তেনে ধৰণেৰে মুগা-চানেকীয়া। পাতবোৰ আকাৰত দীঘল, আগৰফালে ক্ৰমে জোঙা আৰু গুৰিৰফালেও থিক তেনেকুৱা হয়।

এই জাতীয় সৰু আকাৰৰ উদ্ভিদ বনৌষধিত ব্যৱহাৰ কৰা হয় বুলি জনা যায়। তদুপৰি কেঁহেৰাজ আৰু আমলখিৰ ছাল মিহলাই লৈ পটাত বটা হয় আৰু তাৰ লগত চৰুৰ ছাই মিহলি কৰি লৈ একপ্ৰকাৰৰ চিয়াঁহি ঘৰতে তৈয়াৰ কৰি ল'ব পাৰি। আজিকালি অৱশ্যে এনে কষ্টকৰ কাম কৰি কোনো মানুহে ঘৰত চিয়াঁহি তৈয়াৰ নকৰে।

এইবিধ দেওদাৰু গছ আৰু ইতিমধ্যে আগতে উল্লেখ কৰা বিধ দেখাত প্ৰায়

দেওদাৰু, (২য় বিধ) প্ৰজাতি—পলিয়ালঠিয়া লংগিফলীয়া পেন্দুলাছ এনোনেচি দেওদাৰু (অসমীয়া) দেওদাৰু (বঙালী) দেওদাৰু (হিন্দী) Deb Daru (Variety) Species–Polyalthia longitolia pendulus

একেই। পাৰ্থক্য ইমানেই যে এই দ্বিতীয় বিধ গছৰ পাতধৰা ডালবোৰ তললৈ ওলমি থাকে। সেইবাবে গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে।

বহুতো মানুহে এইবিধ গছ আলিবাটৰ দুয়ো কাষে আৰু বাৰীৰ কাষত শাৰী শাৰীকৈ লগাই ৰাখে।

এচিয়া মহাদেশীয় পপি, পৰিয়াল—পেপেভিৰেচি Oriental poppy Papaver orientale Family–Papaveraceae

অনুপম পুষ্প ধৰা এবিধ ঋতুজাত বিজাতীয় ফুল গছ। বছৰি বছৰি উৎপত্তি হৈ ফুলফুলাৰ পাছুত বনগছবোৰ মৰি মৰি শেষ হৈ যায়। উদ্ভিদপ্ৰেমী আৰু পুষ্পবিলাসী লোকসকলে অন্যান্য ঋতুজাত ফুলৰ (Season flower) গুটিৰ দৰে এইবিধ ফুলৰ গুটিও নাৰ্ছাৰি কিম্বা অন্য গুটি ব্যৱসায়ী লোকৰপৰা পেকেটত কিনি আনি পালেঙত পচায়। সাৰুৱা মাটিত দীঘলীয়া বা অন্য আকাৰৰ ভেটি নিৰ্মাণ কৰি পোনপটীয়াভাৱেও যথাস্থানত এইবিধ ফুল লগাব পাৰি। গাইগুটীয়াভাৱে বেলেগ বেলেগ ফুলৰ গছে বেলেগ বৰণৰ ফুল বহন কৰে।

ছালমুগৰা, গাইনোকাৰদিয়া অ'দৰাটা পৰিয়াল—ফ্লেকোৰটিয়াছি (Chalmugra) Species–Gynocardia odorata Family–Flacourtiaceae

অলপ দীঘলীয়া বিধৰ পাতল-চানেকীয়া ডাল-ডোল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। অসমৰ বিভিন্ন বনভূমিয়ে ধাৰণ কৰা চিৰ-সেউজীয়া বনবিলাকত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। মুগা-বৰণীয়া বাকলিবোৰৰ উপৰিভাগত সেউজীয়া ৰঙৰ সামান্য আভাস পৰিলক্ষিত হোৱা দেখা যায়। পাতৰ আকৃতি অলপ দীঘলীয়া আৰু আগৰফালে জোঙা হয়। ফুলৰ বৰণ সামান্যভাৱে হালধীয়া হয়। ফুল সুগন্ধি হয়। একেজোপা গছ পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰে। ফুল থোপা-থোপে ফুলে আৰু পুং-পুষ্পৰ তুলনাত স্ত্ৰী-পুষ্পবোৰ আকাৰত অলপ ডাঙৰ হয়।

ফুল পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলৰ বাকলিখন কঠিন হয়। ফলৰ বৰণো মুগা-চানেকীয়া হয়। এই ফল ঔষধত ব্যৱহাৰ কৰা হয়। বনবিভাগে মহল আকাৰে এই ঔষধ জাতীয় ফলবোৰ থাউকীয়াভাৱে গছতে বিক্ৰী কৰে।

কানি, আফিং, প্ৰজাতি—পেপেভাৰ-চাম্‌নিফেৰম পৰিয়াল—পেপেভেৰাছি কানি, আফিং (অসমীয়া) আফিং (বঙালী) আফিং, পস্তা (হিন্দী) অ'পিয়ম প্লেন্ট (ইংৰাজী) Opium plant Specium–Papaver somniferom. Family–Papaveraceae

এবিধ বছেৰেকীয়া আনতৰ সৰু আকাৰৰ উদ্ভিদ। কানি নামৰ মাদক দ্ৰব্য প্ৰস্তুত কৰিবৰ বাবে এইবিধ শস্য খেতিৰ আকাৰে ৰোপণ কৰা হয়। অসমত এইবিধ শস্যৰ খেতি কৰা নহয়।

অসমৰ বহুতো বয়সিয়াল মানুহে চুৰট-ধপাতৰ নিচিনাকৈ ৰাগিয়াল বস্তু হিছাপে কানি ব্যৱহাৰ কৰিছিল। ব্ৰিটিছৰ শাসন কালত কানি নামৰ পদাৰ্থ বিক্ৰী কৰিবৰ বাবে ঠায়ে ঠায়ে কানিৰ দোকান (মহল) স্থাপনৰ বাবে লাইচেঞ্চ দিয়া হৈছিল। স্বাধীনতা সংগ্ৰামৰ সময়ত অসমৰপৰা কানি নামৰ ৰাগিয়াল বস্তু উঠাই দিয়া হয়।

উল্লেখযোগ্য যে অসমৰ বহুতো বয়সিয়াল মানুহে ৰাগিয়াল বস্তু হিছাপে কানি ব্যৱহাৰ কৰিছিল যদিও অসমৰ কানি শস্যৰ খেতি কৰা নহয়।

ডাল মুগ্‌ৰা, হিদ্‌নোকাৰ্পচ কুৰ্জিয়াই পৰিয়াল—ফ্লেকোটিয়াচি (Dalmugra) Species–Hydnocarpus Kurzii Family–Flacoutiaceae

ছাল-মুগৰা নামেৰে পৰিচিত এবিধ ঔষধ জাতীয় গছৰ বিষয়ে আগৰ শিতানত বৰ্ণনা আগবঢ়োৱা হৈছে। একে গোষ্ঠীৰ আন এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছক ডাল-মুগৰা নামেৰে অভিহিত কৰা হয়। উজনি অসমৰ চিৰ-সেউজীয়া বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। এইবিধ গছৰ উচ্চতা ১৫ মিটাৰৰ ওচৰা-উচৰি হোৱা দেখা যায়। ইয়াৰ ঠাল-ঠেঙুলিবিলাকে তলৰ ফালে ওলমি ওলমি থকাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বাকলিৰ বৰণ ক'লা-চানেকীয়া হয়। বাকলিৰ উপৰিভাগত বগা-চানেকীয়া চকলা-চকল দাগে বিকাশ লাভ কৰি থাকে। বাকলিৰ ভিতৰৰ মঙহাল অংশই হালধীয়া ৰং ধাৰণ কৰে। পাতবিলাক অলপ দীঘলীয়া হয় আৰু এই পাতৰ উপৰিভাগ অলপ খহটা হয়।

ফুলৰ পাহিবোৰৰ বৰণ অলপ হালধীয়া হয়। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেইফল ঔষধত লাগে। বনবিভাগে ছাল্‌মুগৰাৰ ফলৰ লগতে এইবিধ গছৰ ফলবোৰো গছত লাগি থকা অৱস্থাতে মহল আকাৰে বিক্ৰী কৰে।

এবিধ মজলীয়া আকাৰৰ লাগতিয়াল গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ বৰণ মদৰুৱা হয়। গা-গছৰ ওপৰত থোপা-থোপে কাঁইটৰ উৎপত্তি হয়।

পনিয়ল, ফ্লেকৰ্চিয়া কাটাফ্রাক্টা পৰিয়াল— ফ্লেকৰচিয়েছি পয়নাল (ৰাভা) দাৰেছিক (আছিক) পন্যাল (বড়ো)
(Poniol) Species–Flacourtia cataphracta Family–

একেডাল ঠাৰিয়ে থোপাৰ আকাৰে বহুতো কাঁইট ধাৰণ কৰে। প্ৰত্যেকডাল কাঁইটৰ মূল ঠাৰিডালৰপৰা বহুসংখ্যক কাঁইটে চৌপাশে লেলিহান হৈ একো একো থোপা কাঁইট সৃষ্টি কৰে।

পাতবিলাকে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে। গাইগুটীয়া পাতবিলাকৰ স্থাপন ৰীতি বিপৰীতমুখী নহৈ জখলা-খলপীয়া হোৱা দেখা যায়। পাতৰ দাঁতিবোৰে নিচেই সূক্ষ্ম আকাৰৰ খাঁজ কটাৰ আভাস প্ৰদৰ্শন কৰে। তদুপৰি পাতৰ দাঁতি অঞ্চল টৌ-কটা হয়। ৰঙচুৱা ফুলবোৰ থোপা-থোপে ফুলে। এই ফুলবোৰ পূৰঠ হ'লে সময়ত গছজোপাই যিবোৰ ফল ধৰে সেইবোৰ ফলৰ আকৃতি বাটলুগুটি একোটাৰ দৰে ঘূৰণীয়া ঘূৰণীয়া হয়।

সেউজীয়া বৰণৰ ফলবোৰ পকিলে ৰঙা হয়। খাবলৈ মিঠা মিঠা লাগে। খোৱাৰ আগতে ফলবোৰ পিটিকি পিটিকি কোমল কৰি লোৱা হয়।

ঝাওবন, টামাৰিক্স ডাইঅইকা পৰিয়াল— টামাৰিকেছি জাহাউ (বড়ো) এগ্ৰা-লাউ-হাই (টাই আহোম)
(Jhaubon) Species–Tamarix dioica Family–Tamaricaceae

নদীৰ পাৰৰ পলসুৱা মাটিত সৰহীয়াকৈ একেলগে উৎপন্ন হোৱা এবিধ জোপোহা গছ। একোজোপা পূৰঠ গছ দুই মিটাৰ পৰ্যন্ত ওখ হোৱা দেখিবলৈ পোৱা যায়। গুৰিৰেপৰা ওপৰলৈকে গছজোপাৰ বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰে। বাকলিৰ ওপৰত দীঘলে দীঘলে সামান্যভাৱে ফাটমেলা দাগৰ উৎপত্তি হয়। পাতবিলাকে ম'ৰা-চৰাইৰ পাখিৰ স্বৰূপ প্ৰদৰ্শন কৰে। থুজা নামেৰে পৰিচিত সৰল জাতীয় গছৰ পাতৰ লগত এইবিধ বিতোপন উদ্ভিদৰ পাতবোৰক ৰিজাব পাৰি।

বৰ্ষাকালৰ ঢল পানীয়ে উজনিৰপৰা এইবিধ উদ্ভিদৰ গুটিবোৰ উটুৱাই উটুৱাই আনে। পানী শুকাই গ'লে এই গুটিবোৰ জেং-জাবৰ কিম্বা অন্যান্য নদীকূলীয়া বননিত লাগি ধৰেহি। কিছুমান গুটি চাপৰি আৰু নদীৰ পাৰৰ পলসুৱা মাটিত লাগি ধৰে। খৰালিৰ দিনবোৰ কাষ চাপি অহাৰ লগে লগে বালিয়া মাটিৰ ওপৰত অসংখ্য পুলি গজিবলৈ আৰম্ভ কৰে। কিছুদিনৰ পিছতে প্ৰায়বিলাক ব্ৰহ্মপুত্ৰৰ বালিয়া চৰভূমি, এইবিধ উদ্ভিদৰ পুলিৰে উপচি পৰি বিতোপন ৰূপ ধাৰণ কৰে।

ঝাওবনৰ ডালবোৰ খৰি হিছাপে ব্যৱহাৰ কৰিব পাৰি। চকোৱা আদি নিৰ্মাণ

কৰা কাৰ্যতো লগাব পাৰি। বনবিভাগে মহল আকাৰে থাউকতে গছবোৰ বিক্ৰী কৰি ৰাজহ সংগ্ৰহ কৰে।

ৰূপহী থেকেৰা, গাৰ্ছিনিয়া লেঞ্চিফলিয়া পৰিয়াল—গুটিফেৰি
(Rupahi Thekera) Species–Garcinia lanceaefolia Family–Guttiferae

এবিধ সৰু বা মজলীয়া আকাৰৰ থেকেৰা জাতীয় গছ। সাধাৰণতে আমাৰ মানুহে এইবিধ গছৰ দুই-এটা পুলি বাৰীৰ এচুকত লগাই ৰাখে। ডিম্বাকৃতি ৰূপ ধাৰণ কৰা সৰু আকাৰৰ দীঘল-চানেকীয়া পাতবোৰে গছজোপাক সেউজ-বুলীয়াকৈ আৱৰি ৰাখে। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকে ধাৰণ কৰা বাকলিৰ উপৰিভাগে ক'লা-চানেকীয়াকৈ ছাই-বৰণীয়া ৰূপ প্ৰদৰ্শন কৰে। ঘাই শিপা আৰু শাখাশিপাবিলাকেই গছজোপাক ধৰণী স্বৰূপে মাটিত ধৰি ৰাখে আৰু মাটিৰপৰা আৱশ্যকীয় খাদ্যৰস আহৰণ কৰি গছজোপাক আহাৰ যোগায়।

এইবিধ থেকেৰা জাতীয় গছে ধাৰণ কৰা ফলবোৰে বিতোপন ৰূপ ধাৰণ কৰে। অলপ দুই মূৰে চেপেটা আকৃতি প্ৰদৰ্শন কৰা ঘূৰণীয়া ফলবোৰ আকৃতিত একোটা অলপ সৰু আকাৰৰ আপেলৰ নিচিনা হয়। পকিলে গুলপীয়াকৈ ৰঙা বৰণ ধাৰণ কৰা ফলবোৰৰ ভৰত গছজোপাৰ ডাল-পাত তললৈ দোঁ খাই পৰে। তেতিয়া ফলবোৰে "মোক খা মোক খা" ৰূপ প্ৰদৰ্শন কৰে। আচলতে এই ফলবোৰ কিন্তু ঠুমঠাম টেঙা হয় আৰু মুখত দিলে জিভাখন বেজ বেজাই যায়। আচাৰ বনাই বটলত ভৰাই থ'লে সময়ত কামত আহে।

টেপৰ টেঙা, গাৰ্চিনিয়া জেন্থোকাইমচ পৰিয়াল—গুটিফেৰি
(Tepor) Species–Garcinia xanthocymus Family–Guttiferae

একেৰাহে বহল আৰু দীঘল আকাৰৰ সুচিকুণ মিহি পাত ধাৰণ কৰা এবিধ বনৰীয়া জোপোহা গছ। নতুনকৈ হাবি-বন কাটি ঘৰ-বাৰী কৰি নিগাজীকৈ হাবিতলীয়া ঠাইত বাস কৰিবলৈ লোৱা দুই-এঘৰ মানুহৰ বাৰীতো এইবিধৰ দুই-এজোপা গছ কেতিয়াবা দেখিবলৈ পোৱা যায়। সাধাৰণতে নদী, নলা, খাল আদিৰ পাৰত থকা চেঁচুকীয়া ঠাইত এইবিধ থেকেৰা গোষ্ঠীৰ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

ঘাই শিপাডাল পোনপটীয়াভাৱে মাটিৰ তললৈ প্ৰৱেশ কৰে আৰু এই ঘাই শিপাডালৰ কিনাৰৰপৰা শাখাশিপাবিলাকে বিকাশ লাভ কৰি থাকে। গা-গছ আৰু ডালবোৰে মদৰুৱা কিম্বা ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। অলপ বহল বিধৰ দীঘল

দীঘল পাতবোৰ তলৰ ফালে ওলমি ওলমি থাকি গছজোপাৰ ঠাল-ঠেঙুলিবোৰ আবৰি ৰাখে।

থেকেৰাৰ নিচিনাকৈ অলপ সৰু আকাৰৰ ফুল ধৰে। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলে একোটা থেকেৰা বা কেতকুৰাৰ ৰূপ প্ৰদৰ্শন কৰে। ভিতৰত থকা মণ্ডহাল পদাৰ্থখিনি ফলটো পকিলে খাবলৈ টেঙা-চানেকীয়াকৈ মিঠা মিঠা লাগে। পকিলে সেউজী বৰণীয়া ফলবোৰ হালধীয়া হয়।

শিলিখা, টাৰমিনেলিয়া চেবুলা পৰিয়াল—কম্ব্ৰেটেছী
হৰিতকী (বঙ্গালী) আৰিটাক্ আছিক হাৰা (হিন্দী)
চিলিকা (বড়ো) হালায় পান (ৰাভা)
Sihikha Species–Terminalia chebula Family–Combretaceae

এবিধ মজলীয়া আকাৰৰ গছ। খৰালি হ'লে গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি শেষ হৈ যায়। গছজোপাৰ বাকলিখন ছাই-বৰণীয়া। বাহিৰখন খহটা আৰু তাত দীঘলীয়া দীঘলীয়া বিধৰ অলপ দ-চানেকীয়া লোৰ থাকে। বাকলিৰ ভিতৰখন দাৰে ঘপিয়াই কাটি চালে দেখা যায় যে সেইখন দীঘল দীঘল আঁহেৰে পৰিপূৰ্ণ। বৰণত ৰঙচুৱা হ'লেও বাহিৰৰ ফালে অলপ হালধীয়া বৰণৰ আভাস থকা দেখা যায়। পাতবোৰ আকাৰত দীঘলীয়া হয়। ঠাৰিডালত এইবিলাক পাত বিপৰীতমুখীভাৱে সজোৱা থাকে যদিও কোনো কোনো ক্ষেত্ৰত অলপ ওপৰ-তলভাৱে থকাও দেখিবলৈ পোৱা যায়। ফুলৰপৰা এক প্ৰকাৰৰ অকটা গোন্ধ বাহিৰ হয়। ফল দীঘলীয়া আৰু সিৰ থকা বিধৰ। ফলটো কামুৰি খালে কেঁহা কেঁহা লাগে। শিলিখাৰ ফল ঔষধত লাগে। শিলিখা, আমলখি আৰু ভোমোৰাৰ ফল লগ লাগি ত্ৰিফলা নাম পায় আৰু এই তিনিবিধ ফল কবিৰাজী ঔষধত অপৰিহাৰ্য উপাদান বুলি গণ্য কৰা হয়। এই জাতীয় গছৰ কাঠ হালধীয়াৰ নিচিনা হয়। ঘৰ সজাৰপৰা আৰম্ভ কৰি চকি, মেজ আদি তৈয়াৰী কৰা কামত এই গছৰ কাঠ লগাব পাৰি।

মালতী, মাধৈ মালতী, কুইচকুৱালিচ ইণ্ডিকা পৰিয়াল—কম্ব্ৰেটেছি মালতী ফুল (অসমীয়া)
(Maloti, Madhoi Maloti) Species–Quisqualis indica Family–Combretaceae

এবিধ ডাঙৰ-দীঘল বিধৰ লতা আকাৰৰ উদ্ভিদ্। পাত অলপ দীঘলীয়া হয়। থোপা-থোপে ফুল ফুল। এই ফুলবোৰৰ বৰণ প্ৰথমতে বগা হয় আৰু পাছত লাহে লাহে ৰঙা হ'বলৈ আৰম্ভ কৰে। এইবিধৰ ফুল মানুহে পদূলিমুখত বা ঘৰৰ থিক সমুখৰ দুয়ো কাষে লগাই দি ওপৰত এখন দীঘলীয়া চাঙি বনাই দিয়ে। তেতিয়া লতা ফুলডালে তাৰ ওপৰত বগাই গোটেইখন

চাং ঢাকি পেলায়। পাছত বতৰ আহি পালে যেতিয়া গোটেইডাল লতাই লমা-লমে ফুল ধৰিবলৈ আৰম্ভ কৰে তেতিয়া গোটেইটো পৰিবেশ অতিশয় মনোৰম হৈ পৰে।

অতীজতে এইবিধ লতা আমাৰ দেশৰ থলুৱা উদ্ভিদ নাছিল। পূব বৰ্ম্মা, মালয়াচিয়া আদি দেশকেইখনহে এইবিধ লতাৰ পূৰ্বৰ বাসভূমি আছিল। এতিয়া অৱশ্যে এইবিধ লতা আমাৰ ইয়াত খোপনি পুতি ল'বলৈ সক্ষম হৈছে।

বগা ৰোডদেন্দ্ৰন, ৰোডদেন্দ্ৰন (বগা ফুল ধৰা)
ৰোডদেন্দ্ৰন্ ফৰ্মোচম্ এৰিকেচি
(White Rhododendron) Rhododendron
Rhododendron formosum Ericaceae

খিলঙৰ পৰ্বতীয়া ঠাই কিছুমানত থকা বন্যভূমিবিলাকত একাধিক জাতৰ ৰোডদেন্দ্ৰনৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। এই শিতানত সদ্যহতে বৰ্ণনা আগবঢ়াবলৈ লোৱা বিধ ৰোডদেন্দ্ৰনৰ উচ্চতা সাধাৰণতে এক-ডেৰ মিটাৰমানৰ ভিতৰত দেখা যায়। অৱশ্যে প্ৰায় তিনি মিটাৰ পৰ্য্যন্ত উচ্চতা লাভ কৰা গছো নথকা নহয়।

গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকে মুগা-চানেকীয়াকৈ মিহি ধৰণৰ বাকলি পৰিধান কৰে। কুমলীয়া ঠালবিলাকে এৰাই আহিবলৈ উপক্ৰম কৰা সৰু সৰু আৰু পাতলীয়া বাকলিৰ চকৰ ধাৰণ কৰে। পাতবিলাকে অলপ দীঘলীয়া ৰূপ প্ৰদৰ্শন কৰি আগৰফালে জোঙা হয়। কুমলীয়া পাতৰ দাঁতি-কাষৰীয়া ঠাইৰপৰা এক প্ৰকাৰ নোম বা চুটি চুটি চুলিয়ে বিকাশ লাভ কৰে।

পানীবোৰৰ অগ্ৰভাগত বগা বৰণীয়া ফুলবোৰ থোপাৰ আকাৰে আবিৰ্ভাৱ হয়। এই ফুল সামান্যভাৱে সুগন্ধী হয়। মঙহাল ফলবোৰ দীঘল-চানেকীয়া হয়। গুটিবোৰে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে।

বান্দৰ ডিমা, ডাইচ'জাইলম্ বাইনেক্‌টেৰিফেৰম্
পৰিয়াল—মেলিয়েছি গালিং আছিং (মিছিং), থ্ৰাং-কেলক্-আৰং (কাৰ্বি) ৰাতা (কাছাৰ) কাক্‌চো কেচাল (কুকি) ডিঙাৰি, ডিঙি বংফাম (মেচ) বল নাৰাং (গাৰো)
(Bandor Dima) Species–Dysoxylum binectariferum Family–Meliacea

ডাঙৰ বিধৰ মজলীয়া আকাৰৰ গছ। যিবোৰ হাবিত অতিপাত ওখ ওখ গছৰ উৎপত্তি হয়, তেনেবোৰ হাবিত ওপৰ মহলৰ তলভাগতে এই জাতীয় গছৰ আগভাগৰ অন্ত পৰে। ইয়াৰ গা-গছ আৰু ডাল-উপডালৰ বাকলিবোৰৰ বৰণ মদৰঙা হয়। বাকলি মিহি। নতুনকৈ পোখা মেলা ডালৰ বাকলিত ঠায়ে ঠায়ে খহুৰ নিচিনা দাগ ওলায়। সেইবোৰৰপৰা সময়ত দীঘলে দীঘলে আৰু কেতিয়াবা পথালিকৈ পাতলীয়া ফাট

ওলায়। পাতৰ গঠন যৌগিক। শাখাপাত দীঘলীয়া আৰু সমান কাষৰীয়া। অৱশ্যে সেৰেঙা সেৰেঙাভাৱে পাতৰ কাষত দুই-এটা দাঁত উৎপন্ন হয়। ফুলৰ বৰণ শেঁতাকৈ বগা হয়।

এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠৰ বৰণ ৰঙচুৱা হয়। ইয়াৰ পৰা তক্তা, বাটাম্ আদি কৰি ঘৰ সজাৰ কামত ব্যৱহাৰ কৰিব পাৰি। এই জাতীয় গছৰ কাঠ ৰেলৰে শ্লিপাৰ তৈয়াৰ কৰাৰ বাবেও উপযুক্ত বুলি গণ্য কৰা হয়।

আমাৰি, আমোৰা ৱালিচী পৰিয়াল—মেলিয়েছি গালিং আছিং (মিছিং), ৰাঙ্গী ৰাতা, ফুল ৰাতা (কাছাৰ) চাম্‌ফাল (গাৰো) পাত-আমাৰি (মেচ), ঘাং-লা-বৈই (খাচিয়া) আমাৰি (অসমীয়া) দিংগাৰি (বড়ো)

Amari Species–Amoora Wallichil Family–Meliaceae

আমাৰি নামেৰে বেলেগ বেলেগ ঠাইত জনাজাত গছবিলাকৰ ভিতৰত এইবিধ গছ আকাৰত আটাইতকৈ ডাঙৰ আৰু ওখ। বাকলি ছাই-বৰণীয়া হয় আৰু তাত বৰ বেছিকৈ খলা-বমা নাথাকে। বাকলিখন দা বা কুঠাৰেৰে ঘৈয়াই দিলে তাৰ পৰা বগা বৰণীয়া আঠাৰ নিচিনা জুলীয়া পদাৰ্থ ওলায়। বাকলিৰ ভিতৰত দীঘলীয়া দীঘলীয়া ৰঙা আঁক দেখিবলৈ পোৱা যায়। পাতৰ গঠন যৌগিক। শাখাপাত কেতিয়াবা সম্পূৰ্ণ বিপৰীতমুখী আৰু কেতিয়াবা ঠাৰিডালৰপৰা অলপ-অচৰপ ওপৰ-তল হৈ ওলোৱা অৱস্থাত দেখিবলৈ পোৱা যায়। থোপা-থোপে উৎপন্ন হোৱা ফুলবোৰ আকাৰত তেনেই সৰু হয়।

এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠৰ বৰণ ৰঙচুৱা। চকি, মেজ আদি তৈয়াৰ কৰা কামত আৰু ঘৰ সজা কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

ঘোঁৰানিম, মেলিয়া আজেদাৰাক্ পৰিয়াল—মেলিয়েছি আবাৰি আছিং (মিচিং), থাই মাদৌ বা থেমদৌ ফাং (কছাৰী) দিয়েং-জাহ-ৰাছাং (খাচিয়া) নিচ্‌টাং (বড়ো)

(Ghura Neem) Species–Melia azedarach Family–Meliaceae

ঘোঁৰানিম সৰু কিম্বা মজলীয়া আকাৰৰ বনৰীয়া গছ। খৰালিমহীয়া গছজোপাৰ গোটেইবোৰ পাত সৰি সৰি একেবাৰে লঠঙা হৈ পৰে। গা-গছ চুটি আৰু গা-গছৰ প্ৰায় মাজভাগৰপৰা ওলাই ওলাই অহা ঠাল-ঠেঙুলিবোৰ দীঘলীয়া। পাতৰ সৈতে গছজোপাৰ আগভাগ চাৰিওফালে ওলমি থাকে। গা-গছ আৰু ডাল-পাতৰ বাকলি মুগা বৰণীয়া আৰু প্ৰায় মিহি। নতুনকৈ পোখামেলা ঠাল আৰু ফুল-পাতৰ গুৰিৰ অংশত সামান্য ধৰণৰ নোম উৎপত্তি হয়।

পাতবোৰ দুমুখীয়া বা তিনিমুখীয়াকৈ যৌগিক। ফুলৰ চুপহি আৰু পাহি পাঁচমুখীয়া। পুংকেশৰৰ ঠাৰিডাল দীঘলীয়া হয় আৰু গৰ্ভকেশৰৰ কোষ পাঁচ তৰপীয়া।

এইবিধ গছ অতি সোনকালে ডাঙৰ হয়। সেইবাবে খৰি আদি লাগতিয়াল সামগ্ৰী কম সময়ৰ ভিতৰত উৎপাদন কৰিবৰ বাবে বহুতে এইবিধ গছ লগাই দিয়াৰ পৰামৰ্শ আগবঢ়াব খোজে।

লালি, ডাইচ'জাইলম্ প্ৰচেৰম্ পৰিয়াল—মেলিয়েছি এইবিধ গছৰ অন্যতম অসমীয়া নাম আমাৰি। গালিং-লিবৰ (মিছিং) খ্ৰাং (কাৰ্বি) থিং টুপুই (কুকি আৰু মিজো) থাখাও ফাং (কছাৰী) পাতামাৰি (মেচ), বল চাখাত (গাৰো)

(Lali) Species–Dysoxylum procerum Family–Meliaceae

যথেষ্ট ডাঙৰ আকাৰৰ বনৰীয়া গছ। গছজোপাৰ বাকলি মাজ বয়স পৰ্যন্ত মিহি হৈ থকা দেখা যায়। পাছত খহটা হয় আৰু গা-গছৰ বাকলিৰপৰা ঠায়ে ঠায়ে চকলা-চকল্ হৈ চেকুৰা ওলায়। দা বা কটাৰিৰে বাকলিখনত ঘা লগাই দিলে তাৰপৰা ৰঙচুৱা পানী বাহিৰ হয়। তাৰপৰা গম আঠাৰ নিচিনা পদাৰ্থও ওলায়। পাতৰ গঠন যৌগিক। শাখাপাতবোৰ কোনো কোনো ক্ষেত্ৰত ওলোটা-ওভতা হৈ ওলায় আন কেতিয়াবা জখলাপতীয়া হয়। ফুলৰ বৰণ গুলপীয়া। তাৰপৰা সুগন্ধ বাহিৰ হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ অলপ ৰঙচুৱা হয়। সেই কাঠ বাটাম, তক্তা আদিলৈ ফালি কোনো কোনো মানুহে ঘৰ সজাৰ কামত ব্যৱহাৰ কৰে। ইয়াৰ পৰা ৰেলৰে স্লিপাৰ তৈয়াৰ কৰা হয়।

গেন্ধেলী পমা, ডাইচ'জাইলম্া হেমিল্টনিয়াই পৰিয়াল—মেলিয়েছি কোনো কোনো অসমীয়া মানুহে এইবিধ গছকে কেউটাই গছ বুলিও কয়। চিটি-আছিং (মিচিং) মৌহিদল (কাছাৰ) থিং-চাফু, ইন্থেও (কুকি) বল আছিন (গাৰো) দিয়েং কিৰবেই (খাচি) গেন্ধেলী পমা (অসমীয়া)

(Gendheli Poma) Species–Dysoxylon hamiltonii Family–Meliaceae

ডাঙৰ আকাৰৰ গছ। অৰণ্যভূমিবিলাকত অন্যান্য জাতীয় গছবোৰৰ লগত মিহলি এইবিধ গছৰ উৎপত্তি হয়। বছৰৰ সকলো সময়তে এই জাতীয় গছৰ পাতবোৰ একেলগে সৰি গছজোপা লঠঙা নহয়। সেইবাবে ইয়াক চিৰ-সেউজীয়া গছৰ শাৰীত ঠাই দিবলগীয়া হৈছে। গা-গছ আৰু শাখা-প্ৰশাখাৰ বাকলি খহটা। মাজে মাজে এই বাকলিৰ ফাট মেলে আৰু তাৰপৰা এক প্ৰকাৰৰ চেঁকুৰা

উৎপত্তি হয়। গছজোপা কুঠাৰেৰে কাটিলে কিম্বা বাকলিত দাৰে ঘপিয়াই দিলে তাৰপৰা নহৰুৰ নিচিনা অকটা গোন্ধ ওলায়। সেইবাবে এনে ধৰণৰ গোন্ধ ওলোৱাৰ বাবে এইবিধ গছে গেন্ধেলি পমা নাম পাইছে। পাতবিলাকৰ গঠন যৌগিক। শাখাপাতবোৰ কেতিয়াবা বিপৰীতমুখী আৰু কেতিয়াবা ওপৰ-তল হৈ থাকে। ফুল বগা আৰু গোন্ধযুক্ত হয়।

এই জাতীয় গছৰপৰা উৎপন্ন হোৱা কাঠ উত্তম নহ'লেও ভাল কাঠৰ অভাৱ হ'লে ইয়াকো নানা কামত লগাব পাৰি।

আঁহত, ফাইকচ্ ৰিলিজিওছা পৰিয়াল—মোৰাছি পিপালা (সংস্কৃত) অশ্বত্থ (বঙালী) ফ্ৰাপ্-থি-ব্ৰং (গাৰো) আঁহত গছ (অসমীয়া) ফাক্ৰী (বড়ো) ধপ পান (ৰাভা) চিৰি (কাৰ্বি)
(Peepul Tree) Species–Ficus religiosa pipul tree Family–Moraceae

আঁহত গছ আকাৰত বৰ গছৰ নিচিনাই ডাঙৰ হ'লেও ইয়াৰ পাতবোৰ দীঘলীয়া নহৈ থোপোকা হয়। পাতখিলা দেখাত একো একোখন সৰু-সুৰা পাণৰ আকৃতিৰ হয়। গুৰিভাগ খাঁজ নকটা বিধ ঘূৰণীয়া হয়। আগৰফালে ক্ৰমান্বয়ে সৰু হৈ গৈ গৈ দীঘলনেজীয়া ৰূপ ধৰে। এই জাতীয় গছৰো সৰহভাগ ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে প্ৰথম অৱস্থাত আন গছৰ ওপৰত নিৰ্ভৰশীল হৈ ই জীৱন আৰম্ভ কৰে। পাছত অৱশ্যে স্বাধীন হৈ পৰে। খৰালিমহীয়া পাতবোৰ একে সময়তে সৰি লঠঙা হয়। বাটৰ কাষত এই বিধৰ গছ থাকিলে ফিৰ্ ফিৰ্ কৈ বতাহ বলি পথিকক প্ৰখৰ ৰ'দত বহুতো আৰাম দিয়ে। ছিলছিলীয়া পাতত বতাহ কোবালে পাতবোৰ নাচিবলৈ ধৰে আৰু ফলত গছজোপাৰ তলখন গা শাঁত লাগি যোৱাকৈ শীতল হৈ পৰে।

গা-গছডাল সৰহ ক্ষেত্ৰতে পোলোঙা হোৱা দেখা নাযায়। দীঘল দীঘলকৈ বাহিৰলৈ ওলোৱা আৰু ভিতৰলৈ সোমাই যোৱাৰ আকাৰ ধাৰণ কৰে। বৰণত ছাই-ৰঙীয়াকৈ ক'লা। উভয় বিধৰ ফুল একেটা ঠালৰপৰাই ওলাই আহে।

এইবিধ গছক হিন্দুসকলে সন্মানৰ চকুৰে চায়। মঠ, মন্দিৰ আদি ধৰ্মানুষ্ঠানবিলাকত এই জাতীয় গছ লগাই দিয়া হয়।

জৰিগছ, ফাইকাচ বেংগলেন্সিচ ফাইকাচ ইন্দিকা পৰিয়াল— ম'ৰেচি পৰফাং (তিৱা, লালুং) গনোক (গাৰো)
Banyan Tree Species–Ficus bengalensis Syn. Ficus indica Family–Moraceae

বৰগছ এবিধ দীঘলীয়া আকাৰৰ ডাঙৰ ডাঙৰ পাত ধৰা প্ৰকাণ্ড গছ। পাতবোৰ যেনেকৈ আকাৰত ডাঙৰ ঠিক

তেনেকৈয়ে ডাঠো। পাতৰ উপৰিভাগ নিমজ আৰু মিহি হয়। গোটেইটো বছৰ গছজোপাৰ ডালবোৰ পাতেৰে উপচি থাকে। পোন প্ৰথম অৱস্থাত বৰগছে অন্যান্য গছৰ কেৰেপনি বা পুৰণিকলীয়া ঘৰৰ দেৱালত জীৱন যাত্ৰা আৰম্ভ কৰে। এনেবোৰ অনুকূল ঠাইত চৰাইয়ে গুটি আনি পেলালে কিম্বা এইবিধ গছৰ গুটি খোৱাৰ পাছত তেনেবোৰ ঠাইত মলত্যাগ কৰিবলগীয়া হ'লে গুটি ফুটি পুলিৰ অঙ্কুৰ গজে। পুলিটো ডাঙৰ হ'বলৈ আৰম্ভ কৰাৰ লগে লগে গা-গছ বা ডালৰপৰা ওলাই অহা ওলোমা শিপাই মাটিত স্পৰ্শ কৰি ফেৰ মেলি অহা ডালবোৰক সহায় কৰে। লাহে লাহে গছজোপাই স্বাধীন জীৱন আৰম্ভ কৰি দিয়ে। মূল গছজোপাই অৱশেষত শুকাই-খীণাই গৈ মৃত্যু বৰণ কৰিবলৈ বাধ্য হয়।

একেডাল ঠালৰ আগভাগত পুং আৰু স্ত্ৰীপুষ্পৰ উপকৰণবোৰে খোপনি লয়। সিহঁতৰ সংমিশ্ৰণত যি ফল ধৰে সেই ফল আকাৰত সৰু হয়। বাহিৰফাল সেউজীয়াকৈ কোমল আৰু ভিতৰফাল মাজ ফোপোলাকৈ পাপৰি পহীয়া হয়। পকিলে ফলবোৰ হালধীয়া হয় আৰু হাইঠা, পৰ্ঘুমা আদি ফলভোজী পক্ষীয়ে সেইবোৰ ঠোঁটেৰে ছিঙি-ছিঙি খায়হি। তলসৰা ফলত গৰু ছাগলীয়েও মুখ দিব খোজে। পাতবোৰ গৰু-ম'হ আৰু হাতীৰ আহাৰ ছায়া প্ৰদান কৰিব পৰা গছ।

শাল গছ, চোৰিয়া ৰ'বাষ্টা পৰিয়াল—ডিপ্‌টেৰোকাৰপেছি , শাল (অসমীয়া) শাল (বঙ্গালী), চাল (বড়ো) হাই আৰং (কাৰ্বি) পানচান্ (ৰাভা), বলচাল্ (আছিক)

Sal Tree Species–Shorea robusta Family–Dipterocarpeceae

এবিধ ডাঙৰ আকাৰৰ পোলোঙাবিধৰ গছ। নামনি অসমৰ হাবি-বননিবিলাকতেই এই জাতীয় গছৰ প্ৰতিপত্তি বেছি। এইফালৰ বহুত বনাঞ্চল শাল জাতীয় গছবিলাকে একচেটীয়াকৈ দখল কৰি লৈছে। এনে ধৰণৰ বনভূমিবিলাকক শালনিবাৰী বুলি থাউকতে কৈ থ'ব পাৰি। উত্তৰপাৰে দৰং জিলাৰ কিছু অংশ আৰু দক্ষিণ পাৰে নগাওঁ জিলাৰ কিছু অংশলৈ এই জাতীয় গছে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। কাৰ্বি আংলং জিলাত ছেগাচোৰোগাভাৱে ইয়াৰ উপস্থিতি পৰিলক্ষিত হৈছে। মেঘালয়ৰ গাৰো পাহাৰ জিলাত এই জাতীয় গছৰ প্ৰাধান্য বেছি। সংৰক্ষিত বনাঞ্চলত স্বাভাৱিকতে হোৱা গছবোৰৰ বাহিৰে অন্যান্য ঠাইত থকা এই জাতীয় গছৰ দুৰ্গতি হৈছে। খাচিয়া আৰু জয়ন্তীয়া পাহাৰ জিলাত ইয়াৰ উৎপত্তি কম।

শাল গছৰ বাকলিৰ বৰণ পাতলীয়াকৈ মুগা বুলি ক'ব পাৰি। বাকলিৰ

উপৰিভাগ মিহি নহয়। দীঘলীয়া দীঘলীয়াকৈ ফাট মেলাৰ উপৰিও এই বাকলিৰ উপৰি ভাগৰপৰা পাতলীয়া ছাল ওলাই আহে। পাত সামান্যভাৱে দীঘলীয়া আৰু খম্‌খমীয়া। ফাগুন-চ'ত মহীয়া আটাইবোৰ পাত সৰে। নতুন পাত বসন্তৰ আগমনৰ লগে লগে ধৰে আৰু ফুলৰ থোকাবোৰেও তেতিয়াই ভুমুকি মাৰে। ফলবোৰত একো একোখন পাখি হয়।

শাল গছৰ কাঠ অতি মূল্যৱান। গৃহ-নিৰ্মাণ, দলং সজা আদি কামত অদ্বিতীয়। ৰেলৱে শ্লিপাৰ তৈয়াৰ কৰা কামত ইয়াৰ লগত আনজাতীয় গছৰ কাঠে ফেৰ মাৰিব নোৱাৰে।

গৰ্জন, দিপ্‌টেৰোকৰ্পচ্‌ টাৰ্বিনেটাছ পৰিয়াল— দিপ্‌টেৰোকাৰ্পেছি গৰ্জন (অসমীয়া আৰু বঙালী) Gorjan Species–Dipterocarpus turbinatus Family–Dipterocarpaceae

প্ৰকাণ্ড আকাৰৰ গছ। হলং গছৰ পৰিৱৰ্তে কাছাৰ জিলাৰ বনাঞ্চলবিলাকত এইবিধ মূল্যবান গছ দেখিবলৈ পোৱা যায়। গছডাল পোলোঙা আৰু ওখ হয়। গা-গছৰ বৰণ মদৰুৱা। এই জাতীয় গছৰপৰা যি কাঠ উৎপাদন হয় সেই কাঠৰ পৰাও হলং গছৰ কাঠৰ দৰে প্লাইউদ তৈয়াৰ কৰিব পৰা যায়।

হোলোং, ডিপ্‌টেৰোকাৰপাচ্‌ পৰিয়াল— ডিপটেৰোকাৰপেছি (Hollong tree) Species–Dipterocarpus macrocarpus Family–ipterocarpeceae

হেলোং গছ প্ৰকাণ্ড আকাৰৰ চিৰ-সেউজীয়া গছ। উজনি অসমৰ ফালে যিবিলাক চিৰসেউজীয়া বনাঞ্চল আছে সেইবিলাক হাবি- বননিতে এই জাতীয় গছৰ উৎপত্তি হয়। যিবিলাক ঠাইত এই জাতীয় গছ হয় সেইবিলাক ঠাইত বহুত দূৰলৈকে বিয়পি পৰাকৈ ইয়াৰ পুলি হয় আৰু সেই পুলিবোৰ ডাঙৰ হৈ বিৰাট আকাৰৰ হোলোং হাবিৰ সৃষ্টি কৰে। নাহৰ, মেকাই, হলখ, আজাৰ আদি বিভিন্ন জাতীয় গছ হলং গছৰ সহযোগী গছ হিছাপে একেলগে উৎপন্ন হয়।

হলং গছৰ গা-গছডাল পোলোঙা হয়। ঠাল-ঠেঙুলিবিলাক বহুত ওপৰতহে হয়গৈ। গা-গছৰ বৰণ মদৰুৱা। বাকলিৰ উপৰিভাগ সাধাৰণতে নিমজ হয়। পাতবিলাক ধপলা-ধপল। আকৃতিত দীঘলীয়া আৰু সামান্যভাৱে বহল হয়। উপৰফাল অলপ মিহি আৰু তলৰ পিঠি সিৰা-উপসিৰাবিলাকৰ সৈতে অলপ খহটা হয়। কুমলীয়া কুঁহিৰ আগত পাতলীয়া নোম বা শুং ওলায়। ফুলবোৰ সিমান দেখনিয়াৰ নহয়। ফলবোৰত পাখি থাকে।

হোলোং গছৰ কাঠ অতি মূল্যবান। ইয়াৰপৰা ৰেলৰে শ্লিপাৰ তৈয়াৰ কৰা হয়। তদুপৰি এইবিধ কাঠৰ প্লাইউদ হয়। চাহৰ বাকচ নির্মাণ কৰাৰ উপৰিও ব্লক বোর্ড, প্লাইবোর্ড আদি তৈয়াৰ কৰাত এইজাতীয় কাঠ প্রচুৰ পৰিমাণে ব্যৱহাৰ কৰা হয়।

সৰুপুনি, লেমনা মাইনৰ পৰিয়াল—লেম্‌নেছি সৰুপুনি (অসমীয়া) খুদিপানা (বঙালী) ডাক উইদ (ইংৰাজী)
(Soru Puni, Duck weed) Species–Lemna minor Family–Lamnaceae

এই নিচেই সৰু আকাৰৰ পানীৰ উপৰিভাগত ওপঙি থকা উদ্ভিদ। সোঁত বিহীন পানীৰ ওপৰত এখন হালধীয়া বৰণৰ দলিচা সদৃশ বিৰাজ কৰা দেখা যায়। ঘৰচীয়া পাতি-হাঁহ আৰু ৰাজহাঁহৰ উত্তম আহাৰ। পুখুৰী, বিল আদিৰ পানীত দেখা যায়।

সোঁৱালু, লিট্‌চিয়া পলিয়েন্থা পৰিয়াল—লৰেচি মুগা-চং-আৰং (কাৰ্বি) তাপিত পিৰাউ আছিং (মিচিং)
Sowolu Species–Litsaea polyantha Family–Lauraceae

এবিধ মজলীয়া আকাৰৰ চিৰসেউজীয়া বনৰীয়া গছ। মুগা পলুৱে ইয়াৰ পাত খায়। সেইবাবে মুগা পোহা মানুহে এইবিধ গছ বাৰীত নিজে নিজে উৎপত্তি হ'লে কাটি নেপেলাই ডাঙৰ হ'বলৈ দিয়ে। উদ্যোগী মানুহে বাৰীত ইয়াৰ পুলি লগাই দি মুগাৰ পলু পোহাৰ বাবে ব্যৱস্থা কৰি লয়। অসম চৰকাৰৰ ৰেচম বিভাগে ৰেচমৰ পামবোৰত এই জাতীয় গছৰ পুলি শাৰী শাৰীকৈ লগাই দিয়ে। চাপৰতে ঠাল-ঠেঙুলি সৰহকৈ উৎপন্ন হৈ মুগা পলুৱে খাব পৰা পাতৰ সংখ্যা সৰহকৈ উৎপাদন কৰিবৰ বাবে ৰেচম বিভাগৰ ফার্মবিলাকত লগোৱা এই জাতৰ গছবোৰৰ ঘাই গছডাল মাজভাগতে সমানকৈ কৰতেৰে কাটি দিয়া হয়।

পাতবোৰৰ আকৃতি আগৰফালে গোল হয়। পাতৰ ওপৰৰ পিঠি মিহি আৰু তলৰ লুটি খহটা হয়।

গন্ধ সৰৈ, চিনামমম্ চেচিনোদেফ্‌নি চিঃ গ্লৌচেচেঞ্চ পৰিয়াল—লৰেছি ছুৰি আৰং, কৰণ আৰং, অক্-হি-চিচ্-চিং (কাৰ্বি) দিয়েং পিন্‌ৰেই (খাচিয়া) বল গম-ছাল্ (আছিক)
(Gondh Soroi) Species–Cinnamomum cecinodaphne Syn. C. glaucesens Family–Lauraceae

বনাঞ্চলবিলাকৰ মধ্যস্তৰৰ উপৰিভাগলৈ বিস্তৃতি লাভ কৰিব পৰা এবিধ সুকাঠী বনৰীয়া গছ। গা-গছৰ বাকলিখনে মুগা বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিখনৰ উপৰিভাগে গা- গছৰ হেজে হেজে ওপৰৰপৰা তললৈ ফাটি-ছিটি থকা

প্ৰবৃত্তি প্ৰদৰ্শন কৰা দেখা যায়। দা এখনেৰে বাকলিখন ঘাপ মাৰি কাটিলে ভিতৰৰ ফালে থকা মুগা বৰণৰ অংশখিনি দৃষ্টিগোচৰ হয়।

পাতবোৰে দীঘল-চানেকীয়া ৰূপ ধাৰণ কৰে। পাতৰ আগভাগ জোঙা হয়। পাতৰ উপৰিভাগ মিহি আৰু উজ্জ্বল ৰূপ প্ৰদৰ্শন কৰে। গছ্ একোজোপাৰ বিভিন্ন ডালে একে সময়তে ভিন্ ভিন্ আকাৰৰ পাত বহন কৰি থকাৰ লক্ষণ প্ৰদৰ্শন কৰে।

এইবিধ গছ্‌ৰপৰা উৎপন্ন হোৱা কাঠ সুগন্ধী হয়। এই কাঠ চকি, মেজ আদি তৈয়াৰ কৰা কামত লগাব পাৰি।

চন্দন, চাণ্টালম্ এল্‌বাম্ পৰিয়াল—চাণ্টালেছি
(Sandal wood tree) Species–Santalum album Family–Santalaceae

এবিধ সুগন্ধি কাঠ ধাৰণ কৰা অতি মূল্যৱান গছ্। আকাৰত এইবিধ গছ মজলীয়া হয়। অসমত এইবিধ গছ্ স্বাভাৱিকতে উৎপত্তি হোৱা দেখিবলৈ পোৱা নাযায়। অতীজতে বনবিভাগে ইয়াৰ সঁচ আনি অসমৰ বনাঞ্চলত লগাবলৈ চেষ্টা কৰা হৈছিল বুলি জনা যায় যদিও এই বিষয়ত কৃতকাৰ্যতা লাভ কৰাৰ পোনপটীয়া প্ৰমাণ নাই।

চন্দন কাঠক হিন্দুসকলে পবিত্ৰ জ্ঞান কৰে। ইয়াৰপৰা ধূপ তৈয়াৰ কৰা হয়। চন্দন কাঠ ধৰ্মপ্ৰাণ লোকে কপালত ফোট আৰু ৰেখা লগায়। হোম যজ্ঞত চন্দন কাঠ দিয়াৰ প্ৰথা আছে। আনকি সম্ভৱ-স্থলত চিতা দাহ কৰিবলৈ চন্দন কাঠ ব্যৱহাৰ কৰা হয়।

অগৰু, সঁচীগছ, একুইলেৰিয়া আগালোছা পৰিয়াল—থাইমেলিয়েছি অগৰু, আগৰ (বঙালী), চাপ্, চাম্পুং (কাৰ্বি)
Agaru, Sachi Gash Species–Aquilaria agalocha Family–Thymeleaceae

এবিধ ডাঙৰ আকাৰৰ চিৰ-সেউজীয়া বনৰীয়া গছ্। গা-গছ্‌ৰ বাকলিয়ে পাতল-চানেকীয়াকৈ ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। ঠাল-ঠেঙুলিবোৰে ওপৰৰ ফালে আৰোহণ কৰিবলৈ চেষ্টা কৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। উজনি অসম আৰু পাৰ্বত্য জিলাকেইখনৰ অন্তৰ্গত থকা গভীৰ অৰণ্য ভূমি কিছুমানে এইবিধ গছ্‌ৰ বাবে অনুকূল পৰিবেশৰ যোগান ধৰা দেখা যায়। উত্তৰ পাৰৰ বনাঞ্চলবিলাকতো ইয়াৰ উৎপত্তি ঠাই বুজি পৰিলক্ষিত হয়। সুগন্ধি আগৰ কাঠ সংগ্ৰহৰ বাবে এইবিধ গছ জধে-মধে কাটিবলৈ ধৰাত অসমৰ বনভূমিবিলাকত ইয়াৰ সংখ্যা নিম্নতম স্তৰলৈ নামি অহা দেখা গৈছে। বনবিভাগে বাগান নিৰ্মাণ কৰি ইয়াৰ সংখ্যা বঢ়াবলৈ চেষ্টা কৰা অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে।

ফাংগাছ্ বা কাঠফুলা জাতীয় উদ্ভিদ এবিধৰ দ্বাৰা এইবিধ গছ আক্ৰান্ত হ'লে

গছজোপাৰ একোটা অংশ ভিতৰে ভিতৰে পচি সুগন্ধি আগৰ কাঠৰ সৃষ্টি কৰে। এইদৰে আক্ৰান্ত হোৱা গছ অৱশেষত মৰি যায়। এনে গছৰ পচি যোৱা অংশবোৰ সংগ্ৰহ কৰি সুগন্ধি আগৰ প্ৰস্তুত কৰিবৰ বাবে কেঁচা সামগ্ৰী গোটোৱা হয়। বনবিভাগে অগৰু গছ উৎপন্ন হোৱা এলেকাবিলাক একত্ৰ কৰি আগৰ মহল সৃষ্টি কৰিছিল। ফলশ্ৰুতিত বনাঞ্চলবিলাকত অগৰু গছৰ সংখ্যা আশাতীতভাৱে কমি অহাৰ উপক্ৰম হ'ল।

সুগন্ধি অগৰু তেল প্ৰস্তুত কৰিবৰ বাবে পচিবলৈ ধৰা কাঠবিলাক টুকুৰা-টুকুৰ কৰি শ্ৰেণীবদ্ধ কৰা হয়। ক'লা বৰণ ধাৰণ কৰা আগৰ কাঠৰ মূল্য অত্যন্ত বেছি। যিবিলাক সৰু সৰু টুকুৰাত ক'লা পৰা কাঠৰ পৰিমাণ বেছি থাকে সেইবিলাক টুকুৰাক একেলগ কৰি প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। ঠিক সেইদৰে দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ টুকুৰাবিলাক শ্ৰেণীবদ্ধ কৰা হয়। বাকীবিলাক সৰু সৰু টুকুৰা চৰুত সিজাই ৰস বাহিৰ কৰা হয় আৰু তাৰপৰা সুগন্ধি তেল প্ৰস্তুত কৰা হয়।

আৰৱৰ সদাগৰবিলাকে অতি আগ্ৰহেৰে আগৰ কাঠৰ টুকুৰাবোৰ অতিৰিক্ত দামত ক্ৰয় কৰে। তাৰ চহকী মানুহবিলাকে এই সুগন্ধি কাঠবিলাক অতি মূল্যবান পণ্য সামগ্ৰী বুলি গণ্য কৰে। আগৰ কাঠৰ টুকুৰাবোৰ কিনি কিনি ল'বৰ বাবে সদাগৰবিলাকে বম্বেৰ ফাইভ ষ্টাৰ হোটেলবিলাকত বহি লয়হি।

নগাভে, চিমা বেলিচিয়াই টথিয়েছি আতাক পান (ৰাভা) চেক্‌নান্‌-আৰং, চিংগান-আৰং (কাৰ্বি) ৰাঙ্গি-ৰাতা (কাছাৰ) ঘগৰা (অসমীয়া) মাক্ৰি শাল (অসমীয়া) গোগৰা (মেচ) মান্ খিং, মান্ থিয়াং (কুকি) দিয়েং উগান (খাচিয়া) বনাক (কাছাৰ) মান খিং থিং (ত্ৰিপুৰা)

(Noga Bhe) Species–Schima wallichii Family–totheaceae

এবিধ ওখ-ডাঙৰ আকাৰৰ বনৰীয়া গছ। উজনি অসমৰ প্ৰায় সকলোবিলাক বনভূমিত কম-বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। মেঘালয়, খাচিয়া পাহাৰ জিলাতো ইয়াক দেখিবলৈ পোৱা যায়। অৱশ্যে খাচিয়া পাহাৰ জিলাত উৎপত্তি হোৱা গছবিলাকে অলপ ডাঙৰ আকাৰৰ পাত ধাৰণ কৰে।

পুৰঠ নোহোৱা গছবোৰৰ বাকলিয়ে অলপ মিহি চানেকীয়া ৰূপ প্ৰদৰ্শন কৰে আৰু বৰণত মদৰুৱা হয়। বুঢ়া বয়সীয়া গছৰ বাকলি ক'লা-চানেকীয়ালৈ ৰূপান্তৰ হয় আৰু বৰণত গভীৰ মুগা বা ক'লা-চানেকীয়া হোৱা দেখা যায়।

পাতবোৰে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ ওপৰ লুটি মিহি কোনো প্ৰকাৰ নোম নথকা আৰু উজ্জ্বল হয়। পাতৰ ঘাই সিৰডালৰ কিনাৰে

কিনাৰে চুটি চুটি কোমল নোমৰ আৱিৰ্ভাৱ হোৱা দেখা যায়। ইয়াৰ দুয়োকাষে বিকশিত হোৱা শাখাসিৰবিলাক পুনৰ বিভক্ত হৈ দুডলীয় হোৱা প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

বগা বৰণ ফুলবোৰ সুগন্ধি হয়। ফলবোৰে শুকান আকৃতি ধাৰণ কৰে। ইয়াৰ কাঠ নানা কামত ব্যৱহাৰ কৰিব পাৰি।

আতলাচ, (দুবিধ) এনোনা ৰেতিকোলেটা এনোনা স্কোৱামোছা পৰিয়াল—এনোনেছি আতাফল (বঙালী) আতলাচ কঠাল (অসমীয়া)
(Atlas Custard Apple) Species–Anona raticulata Anona squamosa Family–Anonaceae

এবিধ সৰু আকাৰৰ গছ। ওখই তিনি চাৰি মিটাৰতকৈ বেছি নহয়। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিৰ বৰণ মদৰুৱা হয়। পাতৰ আকাৰ দীঘলীয়া আৰু দুয়োটা মূৰ লাহে লাহে চাপ খাই গৈ সূক্ষ্মকৌণিকভাৱে আগডোখৰত শেষ হয়গৈ। পাতৰ ওপৰিভাগৰ বৰণ সেউজীয়া আৰু তলৰ লুটি অলপ শেঁতা-চানেকীয়া হয়।

আতলাচ কঠালৰ দুই-এজোপা গছ আমাৰ মানুহে বাৰীত লগাই ৰাখে। ফুলৰ বৰণ বগা-চানেকীয়া হয়। ফলবোৰৰ ওপৰিভাগ খহুলা-খহুৰি হয়। ফলৰ বৰণ সেউজীয়া হয় যদিও ইয়াৰ ওপৰি ভাগত অলপ বগা বৰণৰ আভাস থাকে। এই ফলৰ ভিতৰত কঁঠালৰ নিচিনা ফুটা থকা গুটি লাগে। এই ফুটাবোৰৰ কোমল অংশ কঁঠালৰ দৰে খাবলৈ ভাল লাগে।

চিয়াঁ নাহৰ, কেয়িয়া আচামিকা পৰিয়াল—গুটিফেৰি
(Chiya Nahor) Species–Kayea assamica Family–Guttiferae

নাহৰ গছৰ পাতৰ নিচিনা অলপ দীঘল-চানেকীয়া পাত ধাৰণ কৰা এবিধ বিতোপন বনৰীয়া গছ। উত্তৰ পাৰে থকা লক্ষীমপুৰ জিলাৰ বনাঞ্চলবিলাকত এইবিধ চিৰ-সেউজীয়া গছৰ আৱিৰ্ভাৱ পৰিলক্ষিত হয়। বাকলিৰ বৰণ মুগা-চানেকীয়া হয় আৰু নিকৰিৰ নিচিনাকৈ বাকলিৰ উপৰি ভাগত ফটা-ছিটা চিন্ উৎপত্তি হোৱা দেখা যায়। পাতবোৰৰ ওপৰৰ লুটি মিহি আৰু উজ্জ্বল হয় আৰু তলৰ লুটিয়ে অলপ খহটা ৰূপ পৰিধান কৰে। ফুলৰ পাহিবিলাকে বগা বৰণ ধাৰণ কৰে। ফুল থোপা-থোপে ফুলে। ফুলৰ আৱৰণখন নাহৰৰ দৰে টান হয়।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ ঘৰ আদি নিৰ্মাণ কৰা কামত লগোৱা হয়।

এবিধ ডাঙৰ আকাৰৰ লতা জাতীয় উদ্ভিদ। বাকলিৰ বৰণ মুগা বা ৰঙচুৱা হয়।

ধোবালতা, কম্ব্ৰেটম্ ডেকান্দ্ৰম্ পৰিয়াল—কম্ব্ৰেটেছি আৰকেং আৰং (কাৰ্বি) থেৰ চালি (খাচিয়া) ডুগী-চিং, ডু-গ্ৰাক্ (গাৰো)

(Dhubalata) Species–Combretum decandrum Family–Combretacea

বাকলিৰ উপৰিভাগৰপৰা পাতল পাতল চেঁকুৰা ফাটি ওলায়। পাতবিলাক দীঘলীয়া আৰু কণীৰ আকাৰৰ। পাতৰ গঠন বিপৰীতমুখী। ফুলৰ বৰণ কলপতীয়াকৈ বগা। গুটিবিলাক হালধীয়া।

মেকাহি, ফিবি পেনিকুলেটা পৰিয়াল—লৰেছি মেকাহি (অসমীয়া)

Mekahi Species–Phoebe paniculata Family–Lauraceae

মেকাহি এবিধ অলপ ডাঙৰ আকাৰৰ বনৰীয়া গছ। গা-গছৰ বাকলিৰ উপৰিভাগৰ বৰণ ক'লা-চানেকীয়াকৈ ছাই-বৰণীয়া হোৱা দেখা যায়। বাকলিৰ উপৰিভাগে ছিৰাছিৰকৈ ফাটি-ছিটি থকাৰ স্বৰূপ প্ৰদৰ্শন কৰে। বাকলিখন দা বা কুঠাৰেৰে ঘাপ মাৰি বখলিয়াই দিলে যি মণ্ডহাল অংশ চকুত ধৰা পৰে সেই অংশই মাখন বৰণীয়া কোমল ৰূপত আত্ম প্ৰকাশ কৰা দেখা যায়। খন্তেক পাছতে এই মাখন বৰণীয়া বাকলিৰ ভিতৰৰ মণ্ডহাল আঁহবোৰে লাহে লাহে ৰং সলনি কৰি মুগা ৰূপ ধাৰণ কৰে।

মেকাহি গছৰ পাতবোৰ বহল-চানেকীয়াকৈ দীঘল-পহীয়া হয়। গুৰিৰফালে অলপ বহল আকৃতি ধাৰণ কৰা পাতৰ আগভাগ ক্ৰমে ঠেক হৈ শেষান্তৰত জোঙা হয়। আকাৰত সৰু সৰু ফুলবোৰৰ পাহিয়ে মুগা বৰণ ধৰে। মেকাহি গছৰপৰা উৎপন্ন হোৱা কাঠৰ মানদণ্ড সিমান উন্নত পৰ্যায়ৰ নহ'লেও নানা কামত আৱশ্যকতা অনুযায়ী লগাব পাৰি।

মেজাংকৰি, লিট্চিয়া চাইট্ৰেটা টেট্ৰান্থেৰা পলিয়েন্থা পৰিয়াল—লৰেছি মাক্-খা-টাই (টাই-আহোম)

Mejankari Species–Litsaea citrata Sy. Tetranthera polyantha Family–Lauraceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। উজনি অসমৰ বনাঞ্চলবিলাকত ঠাই অনুযায়ী এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি গছডালক লঠঙা কৰি পেলায়। বাকলিখন দা বা কটাৰিৰে ঘাপ মাৰি কাটি চালে ভিতৰখন হালধীয়া দেখি। পিছে এইদৰে কটাৰ কিছু সময়ৰ পিছত বাকলিৰ ভিতৰত থকা আঁহবোৰে লাহে লাহে ৰং সলনি কৰি মুগা বৰণলৈ পৰিৱৰ্তন হয়।

পাতৰ আকাৰ দীঘলীয়া হয়। গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে জোঙা

হয়। পাতৰ মাজৰ সিৰৰ দুয়োকাষে বিকাশ লাভ কৰি থকা অংশ দুটাৰ আকাৰ আৰু আকৃতি একে হোৱা দেখা যায়।

এইবিধ গছৰ পাতবোৰ মেজাঙ্কৰি নামেৰে জনাজাত মুগাৰ পলুৱে ভক্ষণ কৰে।

দীঘলতি, লিট্‌চিয়া চেলিছিফলিয়া পৰিয়াল—লৰেছি ইংইং আৰং (কাৰ্‌বি) মাক্-ফিট্-ফুন (তাই-আহোম)
Dighloti Species–Litsaea Salicifolia Family–Lauraceae

অলপ দীঘলীয়া আৰু সামান্য বহল বিধৰ সেউজীয়া পাত ধাৰণ কৰা এবিধ বনৰীয়া গছ। গছজোপা আকাৰত মজলীয়া হ'ল। অৰণ্য ভূমি কিছুমানৰ মধ্যস্তৰত কেতিয়াবা ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কেতিয়াবা গছ-মুগা পোহা চোমনিৰ মাজত কিম্বা চোমনিডৰাৰ দাঁতি-কাষৰীয়া ঠাইত এইবিধ বনৰীয়া গছৰ উৎপত্তি হ'লে মুগাৰখীয়াই সেই গছৰ গুৰি ভাগ চাঁচি-চুৰুকি কাটি নেপেলোৱাকৈ গছডাল ৰাখি দিয়ে। চোমগছবিলাকে বহন কৰা পাতৰ অভাৱ-অনাটন হ'লে মুগাৰখীয়াই এইবিধ গছতো মুগাৰ কণী ধাৰণ কৰা খৰিকাৰ মুঠা ওলোমাই দিয়ে। পলু জগিলে এই বিধ গছৰ পাতবোৰেও অভাৱ দূৰ কৰে।

এইবিধ উদ্ভিদৰ প্ৰধান গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ বৰণ মদৰুৱা হয়। বহাগৰ বিহুৰ দিনা পথৰুৱা ভূমিৰ দ-ঠাই কিম্বা পুখুৰী বা খালত গোটখাই থকা পানীবোৰ লাহনিৰে গৰুৰ গাত ছটিয়াই ধুওৱাৰ পাছত মাখিয়তীৰ দৰে এইবিধ গছৰ পাতধৰা ঠাৰিৰে গৰুক কোবাই মাখি খেদাৰ নিয়ম পালন কৰা হয়। তাৰ পাছত গৰুৰ গালৈ লাও, বেঙেনাৰ টুকুৰাবোৰ দলিয়াই দি দি "লাও খা বেঙেনা খা, দিনে দিনে বাঢ়ি যা। মাৰ সৰু বাপেৰ সৰু, তই হবি বৰ গৰু" বুলি উচ্চস্বৰে উচ্চাৰণ কৰি গোধনৰ মঙ্গল কামনা কৰা হয়।

মেধ, মেকাইলচ্ ভিলোছা পৰিয়াল—লৰেছি মেধ (অসমীয়া)
Medh Species–Machilus villosa

চোম গছৰ নিচিনা আৰু চোমৰ পাতৰ দৰে সৰু সৰু আকাৰৰ পাত ধাৰণ কৰা এবিধ আওকাঠী বনৰীয়া গছ। গছৰ আকাৰ মজলীয়া হয় আৰু বনাঞ্চলৰ মধ্যস্তৰত ইয়াৰ বিকাশ সাধন হোৱা দেখিবলৈ পোৱা যায়।

ঘাই শিপাডাল দীঘল-চানেকীয়াকৈ মাটিৰ তলত প্ৰৱেশ কৰে আৰু এই মূল শিপাৰপৰা সৰু সৰু আকাৰৰ শাখাশিপাৰ আঁহবোৰে বিকাশ লাভ কৰে। এই শিপাবোৰে মাটিৰ তলৰপৰা ৰসায়নিক পদাৰ্থ আহৰণ কৰি গছজোপাক আহাৰ যোগায়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ উন্নত পৰ্যায়ৰ নোহোৱা গতিকে বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি। অৱশ্যে আৱশ্যক অনুযায়ী অস্থায়ী কামত ইয়াক ব্যৱহাৰ কৰিব পাৰি।

গধূলি গোপাল, মিৰাবিলিচ জালাপা পৰিয়াল—নিক্টেজিনেছি
Four-o-clock plant Species–Mirabilis jalapa Family–Nyctaginaceae

গধূলি-গোপাল সৰু আকাৰৰ বনজাতীয় উদ্ভিদ। য'তে ত'তে হোৱা দেখিবলৈ পোৱা যায়। যি ঠাইত এই জাতীয় বনৰ উৎপত্তি সেই ঠাইত ভালেখিনি দূৰলৈ ইহঁতে সমূহীয়াভাৱে একচেতীয়াকৈ দখল কৰি লৈ লয়। ইয়াৰ গা-গছডাল সেউজীয়া আৰু লেহুকা। গাঁঠিয়ে গাঁঠিয়ে দুখিলা দুখিলাকৈ বিপৰীতমুখী পাত ওলায়। যতেই পাত ওলায় তাৰ ওপৰতে পাতৰ সেজে সেজে দুটা নতুন ডাল ওলায়। আন কথাত ক'ব পাৰি কোনো ডালৰ আগত ফেৰেঙনি হৈ দুভাগ হ'বলগীয়া হ'লে তাৰ তলৰফালে দুখন বিপৰীতমুখী পাতৰ সৃষ্টি হয়। এই গাঁঠিবিলাকৰ ওচৰত সেউজীয়া ডালৰ যি অংশ পৰে সেই অংশত সাধাৰণতে সেউজীয়া হ'লেও ডাল মেলাৰ সময়ত আৰু পাছত তাত ৰঙচীয়া বৰণৰ সামান্য আভাস ফুটি উঠা দেখা যায়।

পাতবোৰ আগৰফালে জোঙা হৈ যোৱা আৰু গুৰিৰ ফালে অলপ থোপোৰা হয়। পাতৰ ঠাৰিডাল দীঘল হয়। ফুলৰ বৰণ সাধাৰণতে গুলপীয়া বা হালধীয়া হয়। ফুল গধূলি পৰত ফুলি ৰাতিৰ ভিতৰতে সৰি শেষ হৈ যায়।

জুটুলি, আলটাঙ্গিয়া এক্সেল্চা পৰিয়াল—চিমাৰুবিয়েছি জিক্ৰি (কাৰ্বি) য়াগৰ আছিং (মিচিং)
(Jutuli) Species–Altangia excelsa Family–Simrubiaceae

অতি ওখ হোৱা আৰু ডাঙৰ বিধ হাবিত উৎপন্ন হোৱা গছ। সাধাৰণতে এইবিধৰ গছ উজনি অসমৰ চিৰ-সেউজীয়া বনাঞ্চল, শিৱসাগৰ আৰু দৰং জিলাত থকা হাবি-বননিবিলাকত স্বাভাৱিকতে হোৱা দেখিবলৈ পোৱা যায়। গছৰ আকাৰ অনুযায়ী গা-গছৰ বাকলিখন সিমান ডাঠ বিধৰ নহয়। এই বাকলিখন বৰণত ছাই-বৰণীয়া বা মদৰুৱা হয়। গা-গছৰ বাকলি চটা চটে ফাটি ওলাই পৰাৰ নিচিনা হয়। পাতবিলাক দীঘলীয়া আৰু আকাৰত এটা কণীৰ নিচিনা বুলি ক'ব পাৰি। পাতৰ কিনাৰবোৰ কৰত এখন মুখত থকা দাঁতৰ নিচিনাকৈ খাঁজ কটা। ফুলবিলাক থোপা-থোপে হয়। পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প বেলেগে বেলেগে একেজোপা গছতে হোৱা দেখা যায়। ফলবিলাক গোটা আৰু টান হয়।

নতুনকৈ ওলাই অহা পাতবোৰ ৰঙা হয়।

এইবিধ গছৰপৰা শ্ৰেষ্ঠ মানদণ্ডৰ কাঠ পোৱা যায়। এই কাঠ ফালি ছিৰা ছিৰি কৰিলে তাৰপৰা উত্তম বিধৰ তক্তা আৰু বাটাম পাব পাৰি। এই তক্তা আৰু বাটাম ঘৰ সজাৰ কামত লগাব পাৰি।

তগৰ, টেবাৰ নিমণ্টানা কৰনেৰিয়া পৰিয়াল—এপোচায়ানেছি তগৰ, নন্দিবৃক্ষ (সংস্কৃত) তগৰ (অসমীয়া) তগৰ (বঙালী) চান্দ্ৰি, তগৰ, ৰাগুৰ, সামেলা (হিন্দী) ক্ৰেপ জেচ্‌মিন, ৰোজবেৰী (ইংৰাজী)

(Togor, Roseberry) Species–Tabernaemontana coronaria Family–Apocyanaceae

সৰু আকাৰৰ জোপোহা গছ। মানুহে বাৰীত বা ফুলনিত এইবিধ ফুল জাতীয় গছৰ দুই-এটা পুলি লগাই ৰাখে। ডাল এটা গুজি থ'লে তাৰ পৰা পোখা মেলি এজোপা গছত পৰিণত হয়। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ ওপৰত থকা বাকলিৰ বৰণ ক'লাকৈ মদৰুৱা হয়। বছৰৰ সকলো সময়তে গছজোপাত পাত থাকে। পাতবোৰ অলপ ডাঠ-চানেকীয়া হয় আৰু বৰণত গভীৰ সেউজীয়া, মিহি আৰু চকচকীয়াকৈ উজ্জ্বল হয়। ফুলৰ পাহিবোৰ বগা আৰু সেই ফুলৰপৰা সুগন্ধ বাহিৰ হয়। কেতিয়াবা কেতিয়াবা গোটেইজোপা গছৰ ডালবোৰ অসংখ্য সুগন্ধি ফুলেৰে উপচি পৰে। তেতিয়া গছজোপা দেখিবলৈ মনোৰম হোৱাৰ উপৰিও ফুলৰ সুগন্ধই চাৰিওফালৰ ঠাইবোৰ আমোলমোলাই যায়।

বসন্ত কালত ফুল উৰ্ভৈনদী হয়। সেইফুল থকা সৰু-সুৰা ডাল গছৰপৰা ছিঙি আনি ফুলদানিত সজাই ৰাখিলে দেখিবলৈ মনোৰম হোৱাৰ উপৰিও গোটেইটো কোঠা সুগন্ধময়ী হৈ পৰে।

কৰবী, নেৰিয়াম অ'দৰাম পৰিয়াল—এপ'চায়েনেছি কৰবী (অসমীয়া) কৰবী, কবী (বঙালী) কানেৰ, চানদি (হিন্দী) ইন্দিয়ান অ'লিয়েন্দাৰ (ইংৰাজী)

(Oleander) Species–Nerium odorum

সৰু আকাৰৰ জোপোহা গছ। ডালবোৰ দীঘল দীঘল হৈ গুৰিৰপৰা ওলাই ওলাই আহে। সকলো সময়তে সেউজীয়া বৰণৰ পাতেৰে গছজোপা উপচি থাকে। পাতৰ আকাৰ দীঘলীয়া আৰু আগলৈ জোঙা হয়। হাতেৰে চুই চালে পাতৰ উপৰিভাগ মিহি যেন অনুভৱ হয়। ফুল থোপা-থোপে ধৰে। এই ফুলৰ বৰণ সাধাৰণতে গুলপীয়া হোৱা দেখা যায় যদিও গছ অনুযায়ী ৰঙা ফুল হোৱাও

কেতিয়াবা দেখিবলৈ পোৱা যায়। যেতিয়া গোটেইজোপা গছৰ ঠাল-ঠেঙুলিবোৰ ফুলৰ ভৰত উপচি পৰে তেতিয়া গছজোপা দেখিবলৈ মনোমোহা হৈ পৰে। চুপহি সেউজীয়া আহি-পাহিবিলাক লগ লাগি ফুলৰ গুৰি অংশই এটা চুঙাৰ ৰূপ ধাৰণ কৰে।

এইবিধ ফুলৰ দুই-এজোপা আমাৰ মানুহে ফুলনিবাৰী বা পদুলি-মুখত লগাই ৰাখে। বসন্ত কালত ফুল ফুলে। বছৰৰ অন্যান্য সময়ত সাধাৰণতে ফুল ফুলা দেখিবলৈ পোৱা নাযায়।

হালধীয়া কৰবী, পৰিয়াল—এপোচায়েনেছি কৰবী ফুল (অসমীয়া) কালকা ফুল (বঙালী) Yellow oleander Species–Thevetia nerifolia Syn. Thevetia peruviana Family–Apocyanaceae

নিচেই চাপৰ আকাৰৰ জোপোহা গছ। ঠাল-ঠেঙুলিবোৰ গুৰি ভাগৰপৰা ওলাই ওলাই আহি চাৰিওফালে বিয়পি থাকে। বছৰৰ সকলো সময়তে পাত থাকে। এই পাত দীঘলীয়া হয় আৰু সৰু আকাৰৰ ঠালবোৰত একাদিক্ৰমে তলৰপৰা ওপৰলৈ সজোৱা থাকে। ডাল এটা গোজ মাৰি ৰাখিলে শিপা মেলি তাৰ পৰা নতুন গছৰ উৎপত্তি হয়।

ফুল থোপা-থোপে ফুলে। বৰণত হালধীয়া। পাহিৰ গুৰিভাগ চুঙাৰ নিচিনা হয়। যেতিয়া গছজোপাৰ ডালবোৰ হালধীয়া বৰণৰ ফুলেৰে উপচি পৰে তেতিয়া গছজোপাই অপৰূপ সৌন্দৰ্য ধাৰণ কৰে। ফুল নুফুলাকৈ থকা সময়খিনিত এবিধ জোপোহা গছ আকৰ্ষণীয় বুলি ক'ব নোৱাৰি। আমাৰ মানুহে ফুলনিবাৰীত এইবিধ ফুলৰ দুই-চাৰিটা পুলি লগাই ৰাখে।

তুলসী, অ'চিমাম চেংটম পৰিয়াল—লেবিয়েটি চেক্ৰেদ বেছিল (ইংৰাজী) তুলসী ফাং (ৰাভা) Sacred Basil Species–Ocimum sanctum Family–Labiateae Sacred Basil

তুলসী গছৰ আয়ুস দুবছৰ। প্ৰথম বছৰত গছজোপা পূৰঠ হয়, ফুল ফুলে আৰু গুটিও ধৰে। দ্বিতীয় বছৰত আকৌ প্ৰচুৰ পৰিমাণে ফুল ফুলে। সেই ফুল পূৰঠ হ'লে যিবোৰ গুটি হয় সেইবোৰ গুটি মাটিত পৰি পৰি তাৰপৰা অসংখ্য পুলি ওলায়। তাৰ পাচত লাহেকৈ গছজোপা মৰি যায়।

গা-গছ আৰু শিপাবোৰ টান হয়। ঠাল-ঠেঙুলিবোৰৰ সেউজীয়া বৰণত বেঙুনীয়া ভাব ফুটি উঠে। পাতবোৰ দীঘল-চানেকীয়া আৰু পাতৰ দাঁতিবোৰ খাঁজ কটা ধৰণৰ। ফুলৰ বৰণ বেঙুনীয়া আৰু ৰঙচুৱা হয়।

এইবিধ উদ্ভিদক হিন্দুসকলে পবিত্ৰ জ্ঞান কৰে। ঘৰৰ চোতালৰ আগত এজোপা তুলসী এটা ভেটিত আলফুলকৈ লগাই দি তাত গধূলি গধূলি চাকি জ্বলায়। তুলসী পাতৰ মালা দৰাই মূৰত পিন্ধে আৰু ডালৰপৰা কাটি কাটি তৈয়াৰ কৰা মালা বৈষ্ণৱসকলে পিন্ধে।

বৃন্দাবন, কলিয়ছ্ ব্লুমেই পৰিয়াল—লেবিয়েটি
Species–Coleus blumei Family–Labiateae

কোমল ধৰণৰ ঠাৰি ধাৰণ কৰা কেবাবিধো বিতোপন পাতৰ ফুলজাতীয় উদ্ভিদ। জাত অনুযায়ী এই বনগছবিলাকে বিভিন্ন আকৃতি আৰু বৰণৰ পাত পৰিধান কৰে। কোনো কোনো বিধৰ পাতে দীঘলীয়া কোনো কোনো বিধে আঙুলিপহীয়া আৰু আন কিছুমানে ঘূৰণীয়া ধৰণৰ পাত ধাৰণ কৰে। সকলো ক্ষেত্ৰতে এই পাতবিলাক ডাঠ আৰু লেতু-সেঁতু হোৱা দেখা যায়।

ঠাৰিবিলাকে চাৰিকোণীয়া আকৃতি প্ৰদৰ্শন কৰে। কোমল ঠাৰিৰ উপৰিভাগ সেউজ-বুলীয়া অথবা ৰঙচুৱা হয়। সাধাৰণতে ঠাৰিবিলাকৰ বৰণ জাত অনুযায়ী বিকশিত হোৱা পাতবোৰৰ বৰণৰ লগত মিলি থকা দেখা যায়। এই জাতীয় ফুলগছবিলাক আমাৰ মানুহে ফুলনি বাৰীত লগাই ৰাখে। ৰ'দ পালে পাতবোৰৰ বৰণ উজ্জ্বল হয়। মাটিৰ গাম্‌লাতো ইয়াৰে দুই-এবিধ বাহ্‌কবনীয়া গছৰ পুলি লগাই ৰখা হয়। মাজে মাজে ৰ'দত দিলে পাতবোৰে উজ্জ্বল ৰূপ প্ৰদৰ্শন কৰে। ঠাল ভাঙি মাটিত লগাই দিলেই নতুন গছৰ উৎপত্তি হয়। ফুল থোপা-থোপে ফুলে। এই ফুলবোৰ আকৰ্ষণীয় হোৱা দেখা নাযায়।

ৰবৰ গছ, হেভিয়া ব্ৰাজিলেন চিছ্ পৰিয়াল—ইউফৰবিয়েছি
(Rubber plant) Species–Hevea brasilensis Family : Euphorbiaceae

এবিধ ডাঙৰ আকাৰৰ গছ। বছৰৰ সকলো সময়তে গছজোপাত যথেষ্ট পৰিমাণৰ পাত থাকে আৰু এই পাতবোৰ কোনো সময়তে একেলগে সৰি গছজোপা লঠঙা নহয়। গছজোপাৰ বহুতখিনি ওপৰলৈকে পোলোঙা হৈ তাৰ পাচত ডাল-পাত মেলে। গা-গছৰ বাকলি ছাই-বৰণীয়া। পাতৰ আকাৰ তিনিপতীয়াভাৱে যৌগিক। পাত দীঘলীয়া আৰু গভীৰভাৱে সেউজীয়া হয়। পাতৰ কিনাৰত কোনো প্ৰকাৰৰ খাঁজ কটাৰ চিন থকা দেখা নাযায়। ফুলবোৰ লমা-লমে ফুলে। ফলবোৰৰ ভিতৰত যি গুটি থাকে সেই গুটি ফুটুকা ফুটুকি হয়।

এই জাতীয় ৰবৰ গছক আমাৰ দেশৰ থলুৱা গছ বুলি ক'ব নোৱাৰি। পূৰ্বতে ব্ৰাজিলৰ

গছ। পাছত বাগৰি বাগৰি আহি আমাৰ অসম পালেহি। ইয়াৰ পাহাৰী অঞ্চলবিলাকত ভূমি সংৰক্ষণ বিভাগে এই জাতীয় গছৰ ঠায়ে ঠায়ে বাগান নিৰ্মাণ কৰিছে।

বঙালী এৰা, জেপ্ৰফা কুৰকা পৰিয়াল— ইউফৰবিয়েছি
Bengali Era Species–Jatropha curcaily–Euphorbiaceae

এবিধ কোমল গা-গছ আৰু ঠাৰি ধাৰণ কৰা সৰু আকাৰৰ বনৰীয়া উদ্ভিদ। বহুত মানুহে ঠাৰিবোৰ বাৰীৰ কাষত শাৰী শাৰীকৈ ৰোপণ কৰি জেওৰাৰ দৰে ব্যৱহাৰ কৰে। ইয়াৰ ঠাৰি বা পাত ভাগিলে অথবা কাটিলে গাখীৰৰ দৰে ৰসাল পদাৰ্থ ওলায়। ঠাৰিডাল দাঁত চাফা কৰিবৰ বাবে দাঁতোনৰ দৰে ব্যৱহাৰ কৰিব পাৰি।

লাল ভোট এৰা জেট্ৰোফা গছিপিফলিয়া পৰিয়াল—ইউফৰবিয়েছি লাল ভেৰেন্দা (বঙালী)
Lal Bhut Era, Species–Jatropha gossypifolia Family–Euphorbiaceae

সৰু আকাৰৰ জোপোহা গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাক কোমল। পাতৰ বৰণ চক্‌লেটৰ নিচিনা ৰঙা হয়। ঠিক সেইদৰে বাকলিৰ উপৰিভাগৰ ছালখনো ৰঙচুৱা হয়। যি ঠাইত এইবিধৰ গছ থাকে সেই ঠাইতে এই বিধৰ গছ পুলিবোৰে আহল বহলকৈ থাকিবলৈ লয়। ঠাইডোখৰ দূৰৰপৰা ৰঙা হৈ জিলিকি থাকে। পাতবিলাক পাঁচ আঙুলীয়া। অৰ্থাৎ প্ৰত্যেকখিলা পাতৰপৰা পাঁচটা পাঁচটা চকু আগবাঢ়ি যোৱাৰ নিচিনাকৈ থাকে।

এইবিধ গছ পূৰ্বতে আমাৰ দেশৰ থলুৱা গছ নাছিল। আচলতে এইবিধ দক্ষিণ আমেৰিকাত থকা ব্ৰাজিলৰপৰা আহি আমাৰ দেশত থান-থিত লোৱা জাতৰ গছ। পাতবিলাক দেখিবলৈ ৰংচঙীয়া হোৱাৰ বাবেই কোনোবা মানুহে এইবিধ গছৰ সঁচ আনি আমাৰ ইয়াত লগালেহি। ফলত ইয়াৰ সংখ্যা এতিয়ালৈকে বহুতো বাঢ়িল।

শিমলু আলু, মেনিহট্‌ ইউটিলিছিমা মেনিহট গ্ৰেচ্‌কুলাণ্টা পৰিয়াল—ইউফৰ্বিয়েছি
(Tapioca) Species–Manihot utilissima Syn. Mesculenta Family–Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ বহু আঙুলীয়া পাত ধাৰণ কৰা উদ্ভিদ। কোনো কোনো মানুহে আলুৰ শিপা ৰোপণ কৰি ইয়াক ডৰা ডৰাকৈ বাৰীত লগায়। কোনোৱে আকৌ বাৰীৰ ঢাপত শিপাৰ আলু ৰোপণ কৰি ইয়াৰ খেতি কৰে। গছজোপাৰ শিপাই ধাৰণ কৰা আলু তৰকাৰি হিছাপে খাব পাৰি।

ইয়াৰ আৰু এটা জাত আছে। সেই জাতৰ গছৰ পাতবোৰে হালধীয়া আৰু

সেউজীয়া বৰণৰ আলংকাৰিক ৰূপ ধাৰণ কৰে। আলংকাৰিক ফুলগছ হিছাপে ইয়াক ফুলনি বাৰী আৰু ওৱালৰ কাষত লগোৱা হয়।

ফুলাম শিমলু আলু, মেনিহট ইউটিলিচিমা ডেকৰা পৰিয়াল—ইউফৰবিয়েছি
Decorated Tapioca Species–Manihot utilissima decora Family–Euphorbiaceae

শিমলু আলু ফৈদৰ আন এবিধ ফুলাম আকৃতিৰ আঙুলীয়া পাত ধাৰণ কৰা আলংকাৰিক উদ্ভিদ। সাধাৰণতে বাৰীৰ কাষত গাইগুটীয়াভাৱে বা শাৰী শাৰীকৈ লগোৱা হয়।

পাতাবাহাৰ, কডিয়াম ভেৰিগেটম পৰিয়াল—ইউফৰবিয়েছি
(Croton) Species–Codiam varigatum Family–Euphorbiaceae

বিভিন্ন বৰণ, আকাৰ আৰু আকৃতি প্ৰদৰ্শন কৰা গাইগুটীয়া জাতৰ আকৰ্ষণীয় গছ কেইবিধমান আমাৰ মানুহে বাৰীত, পদূলি-মুখত আৰু বঙলাৰ চৌহদত ৰোপণ কৰি ৰখা দেখিবলৈ পোৱা যায়। এইবিলাক জোপোহা গোষ্ঠীৰ গছৰ পাতবোৰ ফুলৰ দৰে আকৰ্ষণীয় হোৱাৰ বাবে সিহঁতক থাউকতে পাতাবাহাৰ নামেৰে অভিহিত কৰা হয়।

কোনো কোনো জাতৰ পাতে ধপলা-ধপল, কোনো বিধে দীঘলীয়া, কোনো বিধে চামুচীয়া আকৃতি প্ৰদৰ্শন কৰে। এইবিলাক ফুলজাতীয় গছৰ ৰংচঙীয়া পাতবোৰে বাৰীখন নিলগৰপৰা জিলিকাই ৰাখে। বহুত মানুহে এইবিলাক বিতোপন পাত ধাৰণ কৰা উদ্ভিদ বাৰীৰ কাষৰ ঢাপত আৰু প্ৰমোদ্যানৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই ৰাখে।

শিমলু, বম্বেক্স চিইবা বিকল্প—চালমালিয়া মালাবাৰিকা পৰিয়াল—মালভেছি সালমালি (সংস্কৃত) শিমল, শিমূল (হিন্দী, বঙালী), চিমলু, শিমলু (অসমীয়া) চিংগি আচিং (মিচিং) ফাৰ্কং আৰং (কাৰ্বি) বনজু ফাং, পনজু ফাং (কছাৰী) দিয়েং খিম্ফাদ (খাচিয়া) চিম্লা (মেচ) বল্চু (গাৰো)
Simul cotton Species–Bombax ceiba Syn. Salmalia malabarica Family–Malvaceae

এবিধ প্ৰকাণ্ড আকাৰৰ পৰ্ণপাতী গছ। গা-গছৰ গুৰিভাগত ঠেকাৰ নিচিনা চেপেটা শিপাৰ উৎপত্তি হয়। পুলি আৰু অপৈণত গছৰ কাণ্ডত চেপেটাকৈ গুৰি ডাঠ কাটাৰ উৎপত্তি হয়। ডাল চক্ৰাকাৰ। বাকলি মদৰুৱা। পৈণত গছৰ বাকলিত লম্বভাৱে কাটি কাটি ৰখাৰ নিচিনা দাগ থাকে। বাকলিৰ ভিতৰৰ ভাগ ৰঙচুৱাকৈ বগা হয়, কুহিলাৰ নিচিনা সোপোকা

অংশৰ ভিতৰৰফালে থকা তৰপে সেউজীবুলীয়া ৰং পৰিধান কৰে।

পাত আঙুলি আকাৰৰ। উমৈহতীয়া পত্ৰবৃন্ত ১৫-২০ চেণ্টিমিটাৰ দীঘল। পত্ৰিকাৰ সংখ্যা ৫-৭, দীঘল ১৩-১৮ চেণ্টিমিটাৰ আৰু পুতল ৮-১৩ চেঃমিঃ, বল্লমাকাৰ, অধো-বল্লমাকাৰ, অথবা অধো-ডিম্বাকাৰ, কুশাগ্ৰী, সৰল-প্ৰান্তী, কাগজৰ দৰে পাতলীয়া, চৰ্মিল, লোমবিহীন। গা-গুটীয়া পত্ৰবৃন্তৰ দৈৰ্ঘ্য প্ৰায় ৩ চেণ্টিমিটাৰ, উপ-পত্ৰ সূক্ষ্মাকাৰ, আশুপাতী। ফুলৰ ব্যাস প্ৰায় ১০-১৩ চেঃমিঃ, মণ্ডহাল, ঠালৰ অগ্ৰভাগ ধাৰণ কৰা চুটি পত্ৰবৃন্তই এপাহ বা একাধিক ফুল ধাৰণ কৰে। বৃত্তি মণ্ডল, মণ্ডহাল, গৰ্তাকাৰ, ভিতৰ পিঠি বগা, বাহিৰৰফালে সেউজীয়া, আশুপাতী। পাহি সাধাৰণতে ৰঙচুৰা, কোনো কোনো ক্ষেত্ৰত কমলা-ৰঙীয়া আৰু কাচিৎ কেতিয়াবা বগা। পুংকেশৰ চুটি।

গুটিবোৰ সৰু সৰু। তুলাৰ মাজত সোমাই থাকে। ফুলবোৰ পূৰ্ঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলবোৰক শিমলু-কলা নামেৰে অভিহিত কৰা হয়। দীঘলীয়া দীঘলীয়া শিমলু-কলাবোৰে জাহাজী কলৰ নিচিনা একোটা দীঘল কলাৰ ৰূপ প্ৰদৰ্শন কৰে। কলাৰ বাকলিবোৰে দীঘলে দীঘলে ফাট মেলি যাব পৰাৰ আকৃতি ধাৰণ কৰে। ফলৰ ভিতৰত যি তুলাৰ উৎপত্তি হয় সেই তুলাৰ মাজে মাজে একো একোটা জালুকৰ সমান অসংখ্য গুটিৰ উৎপত্তি হয়। কলাবোৰ পূৰ্ঠ হৈ পকিলে দীঘল দীঘলে ফাট মেলে আৰু তেতিয়া গুটিত লাগি থকা তুলাবোৰ গুটিৰে সৈতে উৰিবলৈ আৰম্ভ কৰি মাটিত সিঁচৰতি হৈ পৰে। বৰষুণৰ উমান পালে এই গুটিবোৰ গজি ঠায়ে ঠায়ে অসংখ্য শিমলু পুলিৰ উৎপত্তি হয়।

মানুহে ফুলাৰ আগতে শিমলুকলাবোৰ গছৰপৰা ছিঙি আনি ফালি ফালি ৰ'দত শুকাবলৈ দিয়ে আৰু তাৰ পৰা শিমলু তুলা সংগ্ৰহ কৰি কৰি লয়। তুচক্, গাৰু আদি তৈয়াৰ কৰা কামত এই তুলা ব্যৱহাৰ কৰা হয়। বনবিভাগে তুলা-মহল (Simul floss-mahal) হিছাপে এই তুলাবোৰ গছত লাগি থকা অৱস্থাতে বিক্ৰী কৰে।

শিমলু গছৰ কাঠ শাল, গমাৰি, বনচোম, শলখ আদি কাঠৰ দৰে টান কিম্বা মিহি নোহোৱাৰ বাবে স্থায়ী নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি। আনহাতে পেকিং বাকচ্ বনোৱা, দিয়াচলাইৰ কাঠি আদি তৈয়াৰ কৰা কামত ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য। তদুপৰি ওপৰত উল্লেখ কৰি অহাৰ দৰে তুলাৰ যোগান ধৰা কামত এইবিধ গছে অৰিহণা যোগায়।

অৰ্থনৈতিক মূল্য অতি বেছি হোৱাৰ বাবে বনবিভাগে ব্যাপক আঁচনি প্ৰস্তুত

কৰি এইবিধ মূল্যবান গছৰ বাগান নিৰ্মাণ কৰিছে।

বাগান নিৰ্মাণ কৰিবৰ বাবে পোন প্ৰথমতে পালেঙত গুটি পচাই পুলি গজিবলৈ দিয়া হয়। পুলিবোৰ এবছৰীয়া হ'লে পালেঙৰপৰা উঠাই নি বাগান নিৰ্মাণ কৰিবৰ বাবে নিৰ্বাচন কৰা ঠাইত ছ-ফুটমান অন্তৰে অন্তৰে শাৰী শাৰীকৈ লগাই দিয়া হয়। এইদৰে গোটেইটো পুলি ৰোপণ কৰা পদ্ধতিক Entire planting ৰ আখ্যা দিয়া হয়। শিপাৰ মূলৰ এটা অংশ আৰু মাটিৰ ওপৰলৈ উঠি অহা পুলিৰ সামান্য অংশৰে সৈতে টুকুৰাবোৰ কাটি কাটি আনি বৰষুণীয়া বতৰত শাৰী শাৰীকৈ লগাই দিও সহজ পদ্ধতিত বৃহৎ বাগানৰ সৃষ্টি কৰিব পাৰি। এই নিয়মক মুঢ়া লগোৱা পদ্ধতি (stump planting) বুলি কোৱা হয়। সামাজিক বননিকৰণ শাখাই আলিবাটৰ কাষে কাষে কেবাবছৰীয়া ওখ পুলি ৰুই (Tall Planting) কৃতকাৰ্যতা লাভ কৰিছে।

ধুম বইল, বম্বাক্স ইন্‌চিগ্‌নি পৰিয়াল—মালভেছি
ধুম বইল (কাছাৰ) টেৰা (মণিপুৰ) পাঙ্ (মিজো)
আম্‌ফাং থিং (কুকি)
Dhumboil Species–Bombax insigne
Family–Malvaceae

এবিধ মধ্যমীয়া অথবা অলপ ডাঙৰ আকাৰৰ পৰ্ণপাতী গছ। সাধাৰণতে অসম উপত্যকাত এইবিধ গছ দেখা নাযায়। কাছাৰ জিলাত ঠাই অনুযায়ী দেখা যায়।

বাকলিৰ বৰণ পূৰঠ গছৰ ক্ষেত্ৰত ক'লা-চানেকীয়াকৈ মুগা হোৱা দেখা যায়। কম বয়সীয়া গছে সেউজীবুলীয়া ৰঙৰ বাকলি পিন্ধে। বাকলি আঁহযুক্ত, উপৰিভাগৰপৰা জিল্‌জিলীয়া চেঁকুৰাবোৰ ওলাই ওলাই তলৰফালে ওলমি থাকে।

পত্ৰবৃন্তৰ দৈৰ্ঘ্য প্ৰায় ১৫-২০ চেণ্টিমিটাৰ। পত্ৰিকাৰ সংখ্যা ৭-৯। দীঘলে দীঘলে ১০-১৫ চেঃমিঃ আৰু পুতল হিছাপে ৩-৭ চেঃমিঃ। অধো-বল্লমাকাৰ, অধো-ডিম্বাকাৰ, হ্ৰস্বাকাৰে কুশাগ্ৰী, লোমবিহীন।

পাৰ্শ্বসিৰ ১৫-১৮ যোৰা, শাখাসিৰ জলাকাৰ, ফুল সাধাৰণতে ৰঙা, গাইগুটীয়া, পত্ৰহীন ঠাল-ঠেঙুলিবোৰ ফুলেৰে ভৰি থাকে। বৃতিমণ্ডলৰ চুপহি লতিকাযুক্ত। দলমণ্ডলৰ পাহিৰ দৈৰ্ঘ্য প্ৰায় ১৩-১৫ চেঃমিঃ প্ৰস্থ ৩-৪ চেঃমিঃ বাহিৰৰফালে পাক খাই থাকে। পুংকেশৰ আৰু গৰ্ভকেশৰৰ আকৃতি শিমলু গছৰ লগত প্ৰায় মিলে।

শিমলু গছৰপৰা উৎপাদন হোৱা কাঠতকৈ ধুম বইল গছৰ কাম অলপ ভাল বুলি কোৱা হয়।

এবিধ বিতোপন ফুল ধাৰণ কৰা মজলীয়া আকাৰৰ পাহাৰী গছ। পৰ্বতীয়া

ৰোচডদেন্দ্রন, পৰিয়াল—এৰিকেচি
(Rhododendron) Species–Rhododendron arboreum Family–Ericaceae

ঠাইত উৎপন্ন হোৱা গছ হোৱাৰ বাবে এই গোষ্ঠীৰ কোনো এবিধ গছো আধুনিক যুগৰ অসমত দেখিবলৈ পোৱা নাযায়। মেঘালয়ৰ শ্বিলং পাহাৰে কেইবিধমান ৰোডদেন্দ্রন জাতীয় গছ্ ধাৰণ কৰে।

সদ্যহতে উল্লেখ কৰা বিধ ৰোডদেন্দ্রনৰ বাকলি মদৰুৱা বা মুগা-চানেকীয়া হোৱা দেখা যায়। বাকলি কম-বেছি পৰিমাণে কোমল-চানেকীয়াকৈ সোপোকা হয়। বাকলিৰপৰা পাতলীয়া পাতলীয়া নিকৰি ওলাই ওলাই আহে। ভিতৰৰ বৰণ ৰঙচুৱা· হয়। পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰি আগৰফালে জোঙা হৈ যোৱাৰ লক্ষণ প্রদর্শন কৰে।

ঠানিৰ অগ্রভাগত পাতবোৰ ঘন ঘনকৈ একে ঠাইতে উৎপত্তি হয়। এইবিধ ৰোডদেন্দ্রনৰ গছে ধাৰণ কৰা ফুলবোৰৰ বৰণ ৰঙচুৱা হয়। ফুল ফুলাৰ সময়ত গছজোপাই বিতোপন ৰূপ প্রদর্শন কৰে।

সৰু গুমলি, সৰু ধনুবন্ধা শন, চাঞ্চিভিযেৰিয়া চিলিন্দ্রিকা পৰিয়াল—লিলিয়েছি গৰু গুমনি বা সৰু ধনুবন্ধা শন (অসমীয়া)
(Indian Bow string Hemp) Species–Sansevisera ruxborghiana Family–Liliaceae Mother-in-law's tongue

সৰু আকাৰৰ চতুর্থ বিধ শন জাতীয় উদ্ভিদৰ পাতবোৰ দেখাত চাল-কুঁৱৰীৰ নিচিনা হয়। অৱশ্যে চাল-কুৱৰীতকৈ ইয়াৰ পাতবোৰ ভালেখিনি দীঘল হয়। এই পাতৰ উপৰিভাগে সেউজীয়া বৰণ পৰিধান কৰে। পাতৰ গুৰিভাগ সামান্যভাৱে চেপেটা আৰু কল-পটুৱাৰ নিচিনা দ-চানেকীয়া হয়। মাজভাগৰপৰা পাতৰ ওপৰৰফালে থকা অংশই গোটা ৰূপ ধাৰণ কৰি আগৰফালে ক্রমে সৰু হৈ গৈ অগ্রভাগত জোঙা আকৃতি ধাৰণ কৰে।

গুৰিত বিকশিত হোৱা শিপাৰ আলুৰপৰা দীঘলীয়া আৰু মঙহাল পাতবোৰৰ আৱির্ভাৱ হয়। আলুৰ টেপুৰপৰা নতুন নতুন পোখাৰ উৎপত্তি হয়। মাটিৰ বাচন বা অন্যান্য ধাতু নির্মিত পাত্রত আলফুলকৈ সজাই ৰাখিলে এইবিধ উদ্ভিদেও আকর্ষণীয় ৰূপ ধাৰণ কৰিব পাৰে।

ইয়াৰ আগৰ শিতানত বর্ণনা কৰা বিধ শনৰ সমগোষ্ঠীৰ আন এবিধ দীঘল পতীয়া উদ্ভিদক বিচিত্র গছ হিছাপে বহুতো মানুহে ফুলনি বাৰী বা উদ্যানত লগাই ৰখা অৱস্থাত দেখিবলৈ পোৱা যায়। ইয়াৰ মঙহাল পাতবিলাকে গভীৰ সেউজ-

ধনু বন্ধা শন, চানচিভিয়েৰিয়া ট্ৰাইফেচিয়েটা পৰিয়াল— লিলিয়েচি
(Bow Sotring Hemp) Mother-in-law's tongue Species–Sansevieria trifasciata mother-in-law's tongue : Snake Plant Bowstning Hemp Family–Liliaceae

বুলীয়া ৰূপ ধাৰণ কৰে। ক'লা-চানেকীয়া পাতৰ উপৰিভাগে অলপ চিলা-পখৰা ৰূপ প্ৰদৰ্শন কৰে। তদুপৰি ইয়াৰ ডাঠ পাতবোৰ আগৰ বিধৰ পাততকৈ দীঘল আৰু সামান্যভাৱে পাতলচানেকীয়া হয়। গা-গছৰ কোনো চিনচাব নাথাকে।

এইবিধ উদ্ভিদৰ গুৰিতো আলুৰ টেঁপুৰে বিকাশ লাভ কৰি থাকে। টেঁপুবিলাক দীঘলীয়াকৈ মণ্ডহাল হয়। এই শিপা গুচ্ছৰপৰা নতুন নতুন পুলিৰ পোখা মেলে। এই পুলিবোৰ ক্ৰমে ডাঙৰ হ'লে বন গছবিলাকে একোডোখৰ আহল বহল ঠাই অধিকাৰ কৰি পেলায়।

চাফ-চিকুণ কৰি পৰিপাটিকৈ সজাই ৰাখিলে এইবিধ উদ্ভিদেও বাৰীৰ শোভা বৰ্দ্ধন কৰাত সহায় কৰে।

চাহ গছ, কেমেলিয়া থেইফেৰা বিকল্পে থিয়া চাইনেন্‌চিছ পৰিয়াল—টাৰ্ণষ্ট্ৰোমিয়েছি
(Tea Bush) Species–Comellia theifera Sy. Thea chinensis Family–Ternstroemiaceae

গুৰিভাগৰপৰা চৌপাশে ডাল মেলি জোপোহা ৰূপ ধাৰণ কৰা এবিধ চিৰ-সেউজীয়া কৃষিজাত উদ্ভিদ। অসমৰ চাহ বাগিচাবিলাকত এইবিধ উদ্ভিদৰ খেতি প্ৰচুৰ পৰিমাণে কৰা হয়। এটি কলি দুটা পাতৰ বিকাশ সাধন হ'বৰ বাবে গছবোৰ কলম দি দি চাপৰ কৰি ৰখা হয়। সঁচৰ গুটি উৎপাদন কৰিবৰ বাবে গুটিবাৰীৰ গছবোৰক কলম নিদিয়াকৈ বাঢ়িবলৈ দিয়া হয়। তেতিয়া একোজোপা জোপোহা গছৰ উচ্চতা প্ৰায় ৫-৬ মিটাৰ হোৱা দেখা যায়।

মাটিৰ তলত বিকশিত হোৱা শিপাৰ ঠাল-ঠেঙুলিবিলাকে গছডালক মাটিত মজবুতকৈ খামোচ মাৰি ধৰি ৰাখে। অলপ ডাঠ-চানেকীয়া পাতবোৰৰ উপৰিভাগ স্পৰ্শ কৰিলে মিহি মিহি লাগে। ফুলবোৰৰ বৰণ বগা হয়।

কেমেলিয়া, কেমেলিয়া ড্ৰুপিফেৰা টাৰ্নষ্ট্ৰোমিয়েছি
(Camalia) Species–Camellia drupifera Family–Ternstroemiaceae

গোলাপ ফুলৰ নিচিনা বিতোপন ফুল ধাৰণ কৰা এবিধ আলঙ্কাৰিক (Ornamental) গছ। আকৃতিত এইবিধ উদ্ভিদে চাহ গছৰ স্বৰূপ ধাৰণ কৰে। অৱশ্যে কলম দি দি পৰিপাটিকৈ ৰখাৰ বাবে চাহ গছবিলাক চাপৰ আৰু জোপোহা

হয়। কেমেলিয়া গছৰ কলম দিয়াৰ আৱশ্যকতা নাই। বৰঞ্চ সময়ত ফুল ধৰি আকৰ্ষণীয় হ'বৰ বাবে ইয়াক স্বাভাৱিক গতিত বাঢ়িবলৈ দিয়া হয়। চাপৰ হৈ থকা অৱস্থাতে গছডালে ধুনীয়া ধুনীয়া ফুল ধৰিবলৈ আৰম্ভ কৰে। এবিধ ফুলৰ ৰং গুলপীয়া আৰু আন বিধৰ তেজৰঙা হয়। দুয়ো বৰণৰ ফুলেই দেখিবলৈ ভাল হয়।

শ্বিলঙৰ পৰ্বতীয়া ঠাইত এইবিধ গছে বিকাশ লাভ কৰে। তাৰ মানুহে ঘৰৰ চৌহদত ইয়াৰ দুই-এজোপা গছ ৰুই দিয়া দেখা যায়। ৰাজহুৱা উদ্যানবিলাকতো এইবিধ ফুল ধৰা গছে স্থান পাইছে। গা-গছ আৰু ঠাল-ঠেঙুলিবোৰ ছাই-বৰণীয়া হয়। ডাঠ ধৰণৰ মিহি মিহি পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰি আগৰফালে চিয়াঁ হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

আজিকালি অসমৰ দুই-চাৰিজন উদ্যোগী মানুহেও ভৈয়ামত এইবিধ গছৰ পুলি ৰুই কৃতকাৰ্যতা লাভ কৰা দেখিবলৈ পোৱা গৈছে।

জুপুৰি চপা, মেগনোলিয়া গ্ৰেন্দিফ্লোৰা পৰিয়াল—মেগনোলিয়েছি
Magnolia Species–Magnolia grandiflora Family–Magnoliaceae

কঁঠাল পাতৰ নিচিনা পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ উদ্ভিদ। এইবিধ গছে বগা পদুম ফুলৰ নিচিনা ডাঙৰ আকাৰৰ আকৃতিৰ বিতোপন ফুল ধাৰণ কৰে। এইবিধ গছ অসমৰ ভৈয়ামীয়া ঠাইবিলাকত দেখিবলৈ পোৱা নাযায়। মেঘালয়ৰ খাচিয়া পাহাৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। তাৰ মানুহে ইয়াক ঘৰৰ চৌহদত কিম্বা ৰাজহুৱা উদ্যানবিলাকত লগাই ৰাখে।

গা-গছ আৰু ডালবোৰৰ বাকলিৰ উপৰিভাৱে ক'লা-চানেকীয়া ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতবিলাকে কঁঠাল গছৰ পাতৰ নিচিনা ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে।

আজিকালি অসমৰ কোনো কোনো উৎসাহী ব্যক্তিয়ে এইবিধ বিতোপন ফুলধৰা গছৰ পুলি বাহিৰৰপৰা আমদানি কৰি আনি ঘৰৰ চৌহদ বা উদ্যানত দুই-এজোপা লগাই ৰখাৰ ব্যৱস্থা কৰিছে।

বৰ কচু, প্ৰজাতি এলোকেচিয়া মেক্ৰোৰাইজা পৰিয়াল—এৰেছি হস্তীকৰ্ণী (সংস্কৃত) বৰ কচু (অসমীয়া) বৰ মানকচু (বঙালী) বৰা মানকান্দা (হিন্দী) (ইংৰাজী)
(Bor Kachu) Species– locacia macrorhiza Family–Araceae Giant

এবিধ বছেৰেকীয়া বা দ্বিবাৰ্ষিক আয়ুসৰ বিৰাট আকাৰৰ পত্ৰবাহী কচু গোষ্ঠীৰ উদ্ভিদ। ভালদৰে তেল-টেঙা দি ৰান্ধিব কোমল আৰু কুমলীয়া ঠুৰি পাত তৰকাৰি বনাই খাব পাৰি।

উজনি অসমৰ শিৱসাগৰ,

যোৰহাট, গোলাঘাট আৰু কাৰ্বিআংলং জিলাৰ উপৰি নামনি অসমৰ অন্যান্য বহুতো জীপাল ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

মানকচু, প্ৰজাতি—এলোকেছিয়া ইন্দিকা পৰিয়াল—এৰেছি মানকচু (অসমীয়া) মানকচু (বঙালী) মানকান্দা (হিন্দী) (ইংৰাজী)

(Man Kachu) Species– Alocasia indica Family–Araceae Giant Taro

এবিধ ডাঙৰ আকাৰৰ কচু জাতীয় উদ্ভিদ। ইয়াৰ বাকলি গুচোৱা ঠাৰি, কুমলীয়া পাতৰ তৰকাৰি প্ৰস্তুত কৰি খাব পাৰি।

পদ্ম কচু, প্ৰজাতি—কলোকেছিয়া এছকুলেণ্টা বিকল্পে কলোকেছিয়া এণ্টিকোৰম পৰিয়াল—এৰেছি পদ্ম কচু (অসমীয়া)

(Padma Kachu–Avariety of Arum) Species–Colocasia esculenta Syn Colocasia antiquorum Family–Araceae

এবিধ ৰঙচুৰা বৰণৰ ঠাৰি আৰু ঠিক একে বৰণৰ আকৰ্ষণীয় পাত বহন কৰা কচু জাতীয় উদ্ভিদ। ইয়াৰ সুকোমল ঠাৰি বাকলি গুচাই টুকুৰা-টুকুৰকৈ কাটি তৰকাৰি বনাই খাব পাৰি। লগত কুমলীয়া কুঁহিপাত কাটি মিহলাই দিলে ভাল হয়। বহুতো মানুহে এইবিধ কচুৰ খেতি ডৰা ডৰাকৈ কৰি সেই কচুৰ ঠাৰিবোৰ বজাৰত বিক্ৰী কৰে।

আলংকাৰিক উদ্ভিদ হিছাপে ফুলনিবাৰীৰ কাষত অথবা দেৱালৰ কিনাৰত বহুতে লগাই ৰাখে।

সেন্দুৰী কচু বা ৰঙাকচু, কেলেডিযাম বাইকলৰ পৰিয়াল—এৰেছি সেন্দুৰী কচু, ৰঙা কচু, চিতা কচু (অসমীয়া) লাল তাৰো, ৰক্ত কচু (বঙালী) লাল তাৰো (হিন্দী)

(Senduri Kachu, Ronga Kachu) Species–Caladium bicolor Family–Araceae

এবিধ বিতোপন ৰঙৰ পাত ধাৰণ কৰা কচু জাতীয় বছেৰেকীয়া আনতৰ সৰু আকাৰৰ উদ্ভিদ। পাতবোৰে গভীৰ ৰঙা আৰু ফুটুকা-ফুটুকি আলঙ্কাৰিক দাগ বহন কৰে। বসন্ত কালত শিপাৰপৰা পোখা ওলাই গছৰ পাতবোৰে ৰমক-জমককৈ আকৰ্ষণীয় ৰূপ ধাৰণ কৰে। বছৰটোৰ অৱশিষ্ট সময়ত গছজোপা মৰি গ'লে অন্তৰ্দ্ধান হয়। বহুতো মানুহে আলংকাৰিক উদ্ভিদ হিছাপে ফুলনিবাৰীৰ দাঁতি-কাষৰীয়া ঠাইত লগাই ৰাখে। কিছুমানে একাধিক ফুটফুটীয়া বৰণ ধাৰণ কৰে। ঠায়ে ঠায়ে বনৰীয়া অৱস্থাতো দেখিবলৈ পোৱা যায়।

নগা কচু, গাৰো কচু, খাচিয়া কচু ইত্যাদি বেলেগ বেলেগ স্থানীয় নামেৰে

নগা কচু, কলোকেছিয়া এণ্টিকোৰম বিকল্পে কলোকেছিয়া এস্কোলেণ্টা পৰিয়াল— এৰেছি (Noga Kachu/Elephant's Ear) Species–Colocasia esculenta–Variety antiquorum Syn–Colocasia antiquorum Family–Araceae

এইবিধ কচুক চিহ্নিত কৰা হয়। শিপাই ধাৰণ কৰা কচুৰ আলুৱে ডাঙৰ দীঘল আকৃতি প্ৰদৰ্শন কৰে। এই কচুৰ আলু দাইল আদিৰ লগত ৰান্ধি খাদ্যৰ লগত খোৱা হয়। কচুৰ মূৰভাগ কাটি আৰু টেপু লগাই বছেৰকীয়া খেতি কৰা হয়। কিছুমান কচুৰ কেবাটাও গজালি মেলা মুখ হয়। তেতিয়া তেনে কচুৱে তিনিমুখীয়া বা পাঁচমুখীয়া কচুৰ নাম পায়।

এন্থোৰিয়ম, ফ্লেমিংগো ফুল, প্ৰজাতি—এন্থোৰিয়ম এনড্ৰিয়েনম পৰিয়াল—এৰেছি (Anthurium, Flamingo–Flower) Species–Anthurium andreanum Family–Araceae

জনপ্ৰিয় ভাষাত ফ্লেমিংগো ফ্লাৱাৰ নামেৰে পৰিচিত এবিধ বিতোপন ফুলধাৰী আলংকাৰিক উদ্ভিদক এন্থোৰিয়ম নামেৰে জনা যায়। ইয়াৰ উৎপত্তি স্থান হ'ল আমেৰিয়াৰ কলম্বিয়া ৰাজ্য। ফুলপ্ৰেমী মানুহে গামলাত ৰোপণ কৰি এইবিধ আলংকাৰিক উদ্ভিদ আলফুলকৈ লগাই ৰাখে আৰু বাসগৃহৰ বাৰাণ্ডা, বৈঠকখানা আদিত সজাই-পৰাই ৰখা দেখা যায়।

ৰঙচুৰা বৰণৰ ফুলপাহে আচলতে ফুলৰ চুপহিক প্ৰতিনিধিত্ব কৰে। পাতৰ আকৃতি দীঘলীয়াভাৱে আগজোঙা হয়। এক প্ৰকাৰৰ কচু পাতৰ নিচিনা। বছৰৰ সকলো ঋতুতে ৰঙচুৰা চুপহিৰ উৎপত্তি হয় যদিও বসন্ত কালত গছজোপা অধিক ৰমক-জমক হৈ পৰে।

গুৰিৰপৰা ওলাই অহা পুলিৰ পোখা ৰোপণ কৰি বংশবৃদ্ধিৰ উপায় নিশ্চিত কৰিব পাৰি।

বগা কচু, কলা ধাৰী কচু, স্পেথিফাইলম ৱালিছিয়াই পৰিয়াল—এৰেছি White sail Species–Spathiphyllum Wallisii Family–Araceae

এবিধ শুধবগা বৰণৰ পুষ্পপুঞ্জৰ আবৰণ ধাৰণ কৰা আকৰ্ষণীয় আলংকাৰিক উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান আমেৰিকা মহাদেশৰ কলম্বিয়া। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো ঠাইতে ইয়াক বহুতে পুষ্পপ্ৰেমী মানুহে পালেঙৰ আকাৰে শাৰী-শাৰীকৈ ৰোপণ কৰি ফুলনিবাৰীত লগাই থোৱা অৱস্থাত দেখিবলৈ পোৱা যায়। কোনো কোনো চৌখিন মানুহে গামলাত

লগাই অন্যান্য জাতৰ ফুলজাতীয় আলংকাৰিক উদ্ভিদৰ সৈতে পৰিপাটিকৈ বৈঠকখানাত থকা অৱস্থাতো দেখিবলৈ পোৱা যায়।

বসন্ত কালত ফুল ধৰে।

২য় খণ্ড ১ম ভাগ



এগলাউমা Aglaonem pseudo–bracteatum

এগ্লাওমা, এগলাওনিম চিওদো-ব্ৰেকটিয়েটাম পৰিয়াল—এৰাছি
Aglaoma Species–Aglaonem pseudo–bracteatum Family–Araceae

হালধি পাতৰ আকৃতিৰ বিচিত্ৰ পাত ধাৰণ কৰা এবিধ বিজাতীয় উদ্ভিদ। শিপাৰ মূলৰপৰা বিকশিত হোৱা মণ্ডহাল ঠাৰিবোৰ কোমল-চানেকীয়াকৈ উত্তৰ হয়। ঠাৰিৰ গুৰিত সামান্যভাৱে বৌখাৰ উৎপত্তি হয় আৰু এই বৌখা ধাৰণ কৰা ঠাৰিডালৰ অগ্ৰভাগত দীঘলীয়া দীঘলীয়া পাতৰ আবিৰ্ভাৱ হয়। এই পাতৰ বৰণ সিমান উজ্জ্বল হোৱা দেখা নাযায়। বিচিত্ৰতাৰ প্ৰতিনিধিত্ব কৰাৰ বাবে বহুতো উদ্ভিদপ্ৰেমী লোকে ইয়াৰ পুলি মাটিৰ চৰু বা গামলাত পৰিপাটিকৈ সজাই-পৰাই ৰাখে।

ডাম্ব কেইন, ডিফেনবেছিয়া এমিনা পৰিয়াল—এৰাছি ডাম্ব কেইন (সাৰ্বজনীন নাম) প্ৰকাৰ
(Dumb Cane) Species–Dieffenbacia amoena Family–Araceae

কোমল ঠাৰি ধাৰণ কৰা এবিধ আলঙ্কাৰিক বনগছ। ইয়াৰ উৎপত্তিস্থান ব্ৰাজিল বুলি জনা যায়। ফুট্‌ফুটীয়া পাতৰিলাকৰে সৈতে বনগছজোপাই আকৰ্ষণীয় ৰূপ প্ৰদৰ্শন কৰাৰ বাবে ফুলনিবাৰী বা উদ্ভিদ উদ্যানবিলাকত ইয়াৰ দুই-চাৰিজোপা গছ আলফুলকৈ লগাই ৰখা হয়। মাটিৰ গামলা বা অন্যান্য উপকৰণেৰে নিৰ্মিত পাত্ৰত ৰোপণ কৰি ঘৰৰ সন্মুখৰ বাৰাণ্ডা বা চোতালতো সজাই-পৰাই ৰখা হয়।

মাটিৰ তলত দীঘল দীঘল মঙহাল মূলৰ উৎপত্তি হয়। মূলৰপৰা বিকশিত হোৱা আহল-বহল পাতবোৰে আকাশমুখী ৰূপ ধাৰণ কৰে। সেউজ-বুলীয়া ঠাৰিয়ে বহন কৰা পাতবোৰত বগা বগা বিশৃঙ্খল দাগৰ উৎপত্তি হয়।

ডাম্ব কেইন, (প্ৰকাৰ) ডিফেনবেছিয়া পিক্‌টা পৰিয়াল—এৰাছি ডাম্ব কেইন (প্ৰকাৰ)
Dumb Cane (Variety) Species–Dieffenbacia picta Family–Araceae

আগৰ শিতানত এবিধ ডিফেন্‌বেছিয়াৰ বৰ্ণনা আগবঢ়োৱা হৈছে। এই স্তম্ভত উল্লেখ কৰা বিধ ডিফেনবেছিয়াৰ পাতবোৰে বগা-চানেকীয়া ৰূপ ধাৰণ কৰে আৰু এই পাতবোৰত ফুট্‌ফুটীয়া দাগৰ উৎপত্তি হয়। এইবিধ উদ্ভিদৰ উৎপত্তিস্থান অসম নহয়।

মাটিৰ বাচন বা অন্যান্য উপকৰণেৰে তৈয়াৰী পাত্ৰত সজাই-পৰাই ৰাখিলে আকৰ্ষণীয় ৰূপ প্ৰদৰ্শন কৰে।

বচ্, এক'ৰাছ কালামচ পৰিয়াল—এৰাছি, ভদ্ৰ-সংস্কৃত, বাস (বঙালী) দুধিয়া বিছ (হিন্দী) এক্ট'লাইট প্লেন্ট (ইংৰাজী) মংকচ হোড (ইং)
Boch Species–Acoras calamus Family–Araceae

দীঘল দীঘল আৰু চেপেটা আকৃতিৰ অলপ মঙহাল পাত ধাৰণ কৰা এবিধ উগ্ৰগন্ধি বনগছ। বকৰাণি কিম্বা অন্য কোনো কোনো দ-চানেকীয়া ঠাইত এইবিধ উদ্ভিদে বিকাশ লাভ কৰি থকা দেখা যায়। মাটিৰ তলত আদাৰ নিচিনা মঙহাল টেপু ধাৰণ কৰে। এই টেপুৰপৰা নতুন নতুন পোখাৰ উদ্ভৱ হয় আৰু কালক্ৰমত একেডোখৰ ঠাইতে এই জাতীয় বহুতো উদ্ভিদ সৰহীয়াকৈ দেখিবলৈ পোৱা যায়।

বৌখাৰ আকাৰে শিপা গুচ্ছৰপৰা পাতবোৰে কম-বেছি পৰিমাণে একে সমতলত লম্বভাৱে বিকাশ লাভ কৰে। অলপ ডাঠ-চানেকীয়া পাতবোৰত কোনো ধৰণৰ সিৰ বা উপ-সিৰৰ উৎপত্তি হোৱা দেখা নাযায়। পাত আৰু শিপাৰ আলু উগ্ৰ-গন্ধি হয়।

ইয়াৰ শিপাৰ আলু বা টেপু ঔষধ প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াৰ পৰা এক প্ৰকাৰৰ গোন্ধযুক্ত ৰস বাহিৰ কৰি মদৰ গোন্ধ আকৰ্ষণীয় কৰা হয় বুলি জনা যায়।

সৰু আকাৰৰ গছ। গছজোপাৰ বাকলি ছাই-বৰণীয়া। বাকলিখনত দাৰে ঘাপ মাৰিলে দেখিবলৈ পোৱা যায় যে ভিতৰখন অলপ ৰঙচুৱা আৰু পাতলীয়া বিধৰ আঁহেৰে পৰিপূৰ্ণ। পাতৰ গঠন যৌগিক। সৰু সৰু শাখাপাতবোৰ জখলাখপীয়া।

কৰ্দৈ, এভেৰিয়া কাৰাম্বুলা পৰিয়াল—অক্‌জেলিদেছি কামাৰাঙ্গা (বঙালী) আমলেঙ্গা (আছিক) দিয়েং-চহ্‌-ট্ৰেং (খাচিয়া) খাদ্দই (বড়ো) কামলেঙা কিবদে (ৰাভা) তৰতে (কাৰ্বি)
(Kordoi) Species–Averrhoa carambola Family–oxalidaceae

ফুলবোৰ তেনেই সৰু। থোপা-থোপ লাগে। দূৰৰপৰা লক্ষ্য কৰিলে বৰণত ৰঙচুৰা দেখি যদিও তাৰ মাজে মাজে বগা আৰু বেঙুনীয়া বৰণ মিহলি হৈ থাকে।

প্ৰায় মানুহে এইবিধ গছৰ দুই-এজোপা বাৰীত লগাই ৰাখে। ইয়াৰপৰা যি ফলৰ উৎপাদন হয় সেই ফলবিলাকত দীঘলে দীঘলে সিৰ থাকে। ভিতৰখন মঙহাল। পকিলে খাই ভাল লাগে। তাৰে ভিতৰত এবিধ কৰ্দৈ খাবলৈ মিঠা হয়। কিন্তু আন বিধ টেঙা। কৰ্দৈ ৰস খালে বেমাৰত ৰোগীৰ উপকাৰ হয় বুলি জনা যায়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ ৰঙচুৰা হয়। তাক ফালি-ছিৰি বাটাম আদি তৈয়াৰ কৰিব পাৰিলে সৰু-সুৰা কামত লগোৱাৰ উপযুক্ত হয়।

টেঙেচি টেঙা বা চাঙেৰী, অক্‌জেলিচ কৰ্ণিকুলেটা পৰিয়াল—অকজালিদেচি টেঙেচি টেঙা (অসমীয়া) চাম্প্ৰেং (কাৰ্বি) মৈথা (বড়ো) (ইংৰাজী)
Wood sorrel Species–Oxalis corniculata Family–Oxalidaceae Wood Sorrel

টেঙেচি টেঙা এবিধ বনজাতীয় সৰু আকাৰৰ বনৰীয়া বন। অন্যান্য জাতীয় শাক পাচলিৰ লগত মিহলাই ইয়াক তৰকাৰি হিছাপে খাবলৈ ভাল লাগে। সাধাৰণতে ঘৰৰ পিৰালি, শাকনিবাৰী আদিৰ উৰ্বৰা মাটিত, এইবিধ বনশাক উৎপত্তি পৰিলক্ষিত হয়। পাতৰ আকৃতিৰে আঙুলি সদৃশ ফেৰা মেলা ৰূপ ধাৰণ কৰে।

পাতবোৰ ভাঙি-ছিঙি মুখত দিলে টেঙা টেঙা লাগে। ফুলৰ বৰণ ৰঙচুৰা হয়। একেলগে সৰহীয়াকৈ উৎপত্তি হ'লে দেখিবলৈ ভাল লাগে।

বৰ টেঙেচি টেঙা, অক্‌জেলিচ্‌ এচিটোজেলা পৰিয়াল—অক্‌জালিদেচি বৰ টেঙেচি টেঙা (অসমীয়া) চাম্প্ৰেং (কাৰ্বি) মৈথা (বড়ো) (ইংৰাজী)
Larger wood sorrel Species–Oxalis acetogella Family–Oxalidaceae Larger wood sorrel

ইতিপূৰ্বে স্থানান্তৰত উল্লেখ কৰা বিধ টেঙেচি টেঙা সদ্যহতে বৰ্ণনা কৰিবলৈ লোৱা বিধ টেঙেচি টেঙাৰ মাজত বিশেষ পাৰ্থক্য থকা দেখিবলৈ পোৱা নাযায়। প্ৰভেদ ইমানেই যে এই দ্বিতীয়বিধ বনগছ আকাৰত অলপ ডাঙৰ হয়। আঙুলি সদৃশ পাতবোৰৰ বৰণ সেউজীয়া হয়। তাৰ মাজতে দুই-এজোপা বনৰ পাতে অলপ ৰঙচুৰা বৰণ ধাৰণ কৰে।

অন্যান্য শাক পাচলিৰ লগত মিহলাই এইবিধ টেঙেচি টেঙাকো তৰকাৰি বনাই খাব পাৰি। ফুলৰ বৰণ ৰঙচুৱা হয়। শাকনিৰ মাজত সৰহীয়াকৈ উৎপন্ন হোৱা বনৰ ফুলে আকৰ্ষণীয়ভাৱে আলংকাৰিক প্ৰদৰ্শন কৰে।

ভেলেউ, ভেলৌ, টেট্ৰামেলেছ নোদিফ্লোৰা পৰিয়াল—দেটিছ্‌কেছি পাৰাগাং পাক আৰু (কাৰবি) দিয়েং টাৰো (খাচিয়া) বং লেপ (কছাৰী) তলা (কাছাৰ) বল বক্ (আছিক) চামচলা (বঙালী) বলুম (বড়ো) ভেলেউ, ভেলৌ (অসমীয়া)
(Bhelow) Species–Tetrameles nudiflora Family–Datiscaceae

এবিধ প্ৰকাণ্ড, আকাৰৰ বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত সৰি গ'লে ই লণ্ডঠা ৰূপ ধাৰণ কৰে। গছজোপাৰ গুৰিত চেপেটা আকৃতিৰ বাকলি থকা ঠেকাৰ আৱিৰ্ভাৱ হয়। ডালবোৰে বহুত ওপৰত বিকাশ লাভ কৰা দেখা যায়। বাকলিৰ উপৰিভাগ কম-বেছি পৰিমাণে মিহি হয়। বৰণত বাকলিয়ে অলপ বগা-চানেকীয়া ৰূপ প্ৰদৰ্শন কৰে। বাকলিৰ উপৰিভাগত পথালি পথালি দাগৰ বিকাশ সাধন হয়। বাকলিৰ উপৰিভাগৰ পাতলীয়া পাতলীয়া ছাল ওলাই আহে।

পাতৰ আকৃতি দীঘল-চানেকীয়া হয়। পাতৰ দাঁতিত চেগাচোৰোগাকৈ খাঁজ কটা দাগৰ উদ্ভৱ হয়। প্ৰত্যেকখিলা পাতৰ দুয়োকাষে ৩ ডালৰপৰা ৫ ডাল পৰ্যন্ত শাখা সিৰ উৎপত্তি হয়।

একেজোপা গছে বেলেগে বেলেগে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। সৰু সৰু ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। ফলবোৰ মঙহাল হয়।

এইবিধ গছৰ কাঠ কোমল-চানেকীয়া হয়। চাহৰ বাকচ আদি তৈয়াৰ কৰিবলৈ এই কাঠ ব্যৱহাৰ কৰিব পাৰি। পকী-ঘৰত ঢলাই কৰিবলৈ ইয়াৰ তক্তাৰ চাং বনোৱা হয়।

মাটি কঁঠাল, আনাৰস, এনানাচ্ চেটিভা পৰিয়াল—কম্ব্ৰেটেছি
(Pine Apple) Species–Ananas Sativa Family–Combretaceae

এবিধ দীঘল দীঘল বিধৰ মঙহাল পাত ধাৰণ কৰা কেতেকী ফুল গছৰ নিচিনা উদ্ভিদ। খোৱাৰ উপযোগী মঙহাল ফল ধৰাৰ বাবে এইবিধ শস্য মানুহে বাৰীত লগায় আৰু কোনো কোনো উদ্যোগী কৃষকে ব্যৱসায়িক ভিত্তিত বাগান আকাৰে ডৰা ডৰাকৈ একোডোখৰ ঠাইত লগাই দিয়ে। মাটিৰ তলত আলু-কচুৰ নিচিনা যি মঙহাল শিপাৰ উৎপত্তি হয় সেই টেঁপুৰ উপৰিভাগৰ গুৰিত দীঘল দীঘল মঙহাল পাতবোৰে বিকাশ লাভ কৰি থাকে। কোনো কোনো বিধ মাটি কঁঠালৰ পাতৰ দাঁতিত কাঁইটৰ

উৎপত্তি হয়। আন কেইবিধমানৰ পাতত কোনো কাঁইট নাথাকে। মূল ঠাৰিৰ উপৰিভাগত যি কুঁহিপাত মেলে সেই কুঁহিপাতৰ গুৰিত ফলৰ উৎপত্তি হয়। ফলৰ উপৰিভাগ খহুলা-খহুলি হয় আৰু এই ফলৰ ওপৰত নতুন পুলিৰ পোখা মেলে। এই পুলি মাটিত গুজি দিলে নতুন গছৰ উৎপত্তি হয়।

মাটি-কঁঠালৰ ফলক এবিধ উচ্চ খাপৰ খাদ্যৰ উপযোগী ফল বুলি গণ্য কৰা হয়। ইয়াৰপৰা জাম, জেলি, চৰ্বত আদি তৈয়াৰ কৰি বটলত সংৰক্ষণ কৰি ৰখা হয়। চকল চকলকৈ কাটি টিনত সংৰক্ষণ কৰি ৰখা মাটি কঁঠালৰ সোৱাদ সকলো ঋতুতে ল'ব পাৰি।

কেন্দু, ডায়োস্পাইৰছ, এম্ব্ৰিয়পটেৰিছ বিকল্পে ডাঁয়োস্পাইৰছ পেৰেগ্ৰিনা পৰিয়াল— এবিনেচি কেন্দু (অসমীয়া) কেন্দু আৰং (কাৰ্বি)
(Kendu) Species–Diospyras embriopoteris Syn Diospyrus peregrina

এই জোপা মজলীয়া আকাৰৰ দেখিবলৈ শুৱনি গছ। ইয়াৰ গা-গছডাল সিমান ওখ নহয়। ডালবোৰৰ চাৰিওফালে ফেৰ মেলি থাকিলে গছজোপাৰ আকাৰ থোপোকাকৈ ফেৰেঙনি মেলা ধৰণৰ হৈ পৰে। পাতবোৰ দীঘল আৰু ঠেক বিধৰ। পাতৰ উপৰিভাগত সেউজীয়া বৰণ মিহিভাৱে উজ্জ্বল হৈ জিলিকি থাকে। একেজোপা গছতে পু-পুষ্প আৰু স্ত্ৰী-পুষ্প ফুলে। স্ত্ৰী-পুষ্পবিলাক পুং-পুষ্পতকৈ আকাৰত অলপ ডাঙৰ হয়। এইবিধ গছৰপৰা যি ফলৰ উৎপন্ন হয় সেইফলৰ ওপৰৰ বাকলি সাধাৰণতে ইটাগুৰিয়া বৰণৰ হয়। পকিলে ফলবোৰৰ বৰণ হালধীয়ালৈ পৰিৱৰ্তন হয়। গুটিকেইটা কোমল আমল সাহৰ ভিতৰত সোমাই সোমাই থাকে।

কেন্দুগছৰ গুটিৰ ওপৰত থকা, কোমল সাহখিনি মাছ ধৰা জালত ৰং দিয়া কামত ব্যৱহাৰ কৰে। এই গছৰ বাকলি আৰু গুটি ঔষধত ব্যৱহাৰ কৰা হয়। কাঠ সিমান ভাল নহ'লেও সৰু-সুৰা কামত লগাব পৰা যায়।

কলিয়ৰি, ডায়োচ্পাইৰছ ভেৰাইগেটা পৰিয়াল এবেনেচি কলিয়ৰি, কইলথি (অসমীয়া), কাডেং-জং-আৰং, কাডিং ইয়ং, কলটি-আৰং (কাৰ্বি) বল্‌গিছেম্ (গাৰো)
(Koliori) Species–Diospyros variegata Family–Ebenaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। হাবি-বননিৰ মাজত অন্যান্য গছৰ লগত সালমিহলি হৈ থকা দেখিবলৈ পোৱা যায়। গা-গছৰ বাকলিৰ বৰণ ক'লা-চানেকীয়া হয়। খলা-বমা উপৰিভাগৰ বাকলিখন চিটা চিটা হৈ ফাটি থকা দেখা যায়। পাতৰ আকাৰ দীঘলীয়া আৰু দুয়োমূৰ চাপ খোৱা। ফুলৰ বৰণ অলপ হালধীয়া হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ উত্তম বিধৰ বুলি ক'ব নোৱাৰি।

কেতেকী ফুল, প্ৰজাতি—পাণ্ডামছ অ'দৰোটিচিমছ বিকল্প—নাম পাণ্ডামছ টেক্টৰিয়ছ পৰিয়াল—পাণ্ডানেছি কেতেকী ফুল (অসমীয়া) কেতাকী, তোকাকা (সংস্কৃত) কেব্ৰা, কেতুকী (বঙালী) কেওৰা (হিন্দী) (ইংৰাজী)
(Keteki Phool) Species–Pandamus odorotissimus Syn. Pandamus tectorius Family–Pandanaceae Thatch Screw Pine

তৰোৱালৰ নিচিনা দীঘলীয়া আকাৰৰ পাত ধাৰণ কৰা এবিধ দ্বিবাৰ্ষিক আনতৰ জোপোহা উদ্ভিদ। পাতৰ দুয়োকাষত চুটি চুটি কাঁইটৰ উৎপত্তি হয়। চ'ত-বহাগ মাহত বসন্ত ঋতু আহি পালে এইবিধ উদ্ভিদে দীঘলীয়া আকাৰৰ বাকলিৰে আবৰা সুগন্ধি ফুল ধাৰণ কৰে। সেয়েহে ৰঙালী বিহুত হুঁচৰিৰ দলে কেতেকী ফুলৰ গুণ বখানি এইদৰে হুঁচৰি গীত গায়। যেনে—

দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী,
কেতেকী মলে মলাই ঐ গোবিন্দই ৰাম।

গছ টেঁকীয়া, এলচ'ফিলা ক্ৰাইনিটা পৰিয়াল—অলিয়েনড্ৰেছি
(Tree Fern) Species–Alsophila crinita Family–Oleandraceae

এবিধ ওখ বিধৰ গা-গছ ধাৰণ কৰা টেঁকীয়া জাতীয় উদ্ভিদ। নিলগৰপৰা চালে গছজোপাৰ তামোল বা খেজুৰ গছৰ নিচিনা দেখি। কাৰণ গছজোপাৰ আগভাগে টেঁকীয়াৰ নিচিনা ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। বাকলিৰ উপৰিভাগ আঁহযুক্ত আৰু ফপৰীয়া হয়। ভিতৰৰ অংশয়ো আঁহযুক্ত ৰূপ প্ৰদৰ্শন কৰে।

সাধাৰণতে দ-চানেকীয়া চেঁচুকীয়া ঠাইত এইবিধ বিচিত্ৰ উদ্ভিদৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। গছজোপাৰ উচ্চতা প্ৰায় ২-৩ মিটাৰ পৰ্যন্ত হোৱা দেখা যায়।

জৰি গছ, ফাইকাছ বেঞ্জামিনা পৰিয়াল—মোৰেছি
Jori Goch Species–Ficus benjamina Family–Moraceae

আঁহত গছৰ পাতৰ নিচিনা পাত ধাৰণ কৰা এবিধ দীঘলীয়া আকাৰৰ গছ। অন্যান্য জাতীয় গছৰ ফেৰেঙনি, পকী-বেৰা, অট্টালিকা, পুৰণি ইটা কিম্বা খেজুৰ জাতীয় গছত গুটি পৰি প্ৰথমতে এইবিধ গছৰ পুলি গছে। কালক্ৰমত মূল গছজোপাৰ মৃত্যু ঘটে আৰু লগে লগে দীঘল শিপাবোৰে মাটি স্পৰ্শ কৰে। তেতিয়া গছজোপাই স্বাধীন জীৱন যাপন কৰিবলৈ আৰম্ভ কৰে। পকী-বেৰা আদিত বিকশিত হোৱা পুলিবোৰেও একে ধৰণৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰি একোজোপা বৃহৎ বৃক্ষত পৰিণত হয়।

জৰি গছৰ পাতবিলাক অলপ দীঘলীয়া হয়। ঠিক সেইদৰে ইয়াৰ ঠাল-ঠেঙুলিবোৰেও দীঘলীয়া ৰূপ ধাৰণ কৰি মাটিলৈ ওলমি ওলমি আহে। পুং-পুষ্পবিলাক আকাৰত সৰু সৰু হয়।

লতা ডিমৰু, ফাইকাছ স্কেন্দেন্স্ পৰিয়াল—মোৰেছি লতা ডিমৰু (অসমীয়া)
Lota Dimoru Species–Ficus scandens Family–Moraceae

লেহুকা বিধৰ ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ জোপোহা গছ। গাঁঠিবিলাকত শিপাৰ উৎপত্তি হয়। গছজোপাৰ ডালবোৰে অন্যান্য জাতীয় গছৰ ওপৰলৈ বগাই যোৱা চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতবোৰে দীঘল-চানেকীয়া ৰূপ ধাৰণ কৰে। এই পাতৰ উপৰিভাগ খহটা হয় আৰু পাতৰ দাঁতিত কোনো ধৰণৰ খাঁজ কটা দাগ নাথাকে। প্ৰত্যেক খিলা পাতৰ দুয়োফালে উপসিৰবিলাকে বিকাশ লাভ কৰে। পাতৰ তলৰ পিঠিত এই উপসিৰবিলাক স্পষ্টভাৱে দেখিবলৈ পোৱা যায়।

একেজোপা গছে বেলেগে বেলেগে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণু স্ত্ৰী-পুষ্পলৈ গৈ গৰ্ভকোষত সংস্থাপিত হ'লে ফলৰ উৎপাদন হয়। এই সৰু সৰু ফলবোৰ মঙহাল হয়।

লতা ডিমৰু, (২য় বিধ) কনোচিফলিচ চোৱাভিৱলেন্স্ পৰিয়াল—মোৰেছি গাবাং লতা, লতা ডিমৰু (অসমীয়া) আঁগিগ্, ৰিউবে (কাৰবি) ডুদি ব্লক (আছিক)
Lota Dimoru (2nd Variety) Species–Conocephalus suaveolens Family–Moraceae

লতাৰ নিচিনাকৈ বগাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ ডিমৰু গোষ্ঠীৰ উদ্ভিদ। বাকলিয়ে মুগা-বৰণীয়া ৰং ধাৰণ কৰে আৰু এই বাকলিৰ ওপৰত বগা বৰণৰ ফুটফুটীয়া দাগ থাকে। বাকলিৰ ভিতৰৰ অংশ ৰঙচুৱা হয়। অলপ সময়ৰ পাছতে এই ৰঙৰ পৰিৱৰ্তন হৈ মুগা বৰণলৈ ৰূপান্তৰ হয়। বাকলিৰ ভিতৰৰফালে থকা পলসখিনি মাখন বৰণীয়া হোৱা দেখা যায়।

পাতৰ আকৃতি দীঘলীয়া হয়। এই পাতৰ গুৰিৰফালে থকা অংশ ঘূৰণীয়াভাৱে বহল আৰু আগৰ অংশ ক্ৰমে চিয়া হয়। পাতৰ মাজভাগত থকা মূল সিৰডালৰ দুয়োকাষে শাখাসিৰবিলাক বিকশিত হয়।

ফুলবিলাক অলপ সুগন্ধি হয়। একেজোপা গছে বেলেগে বেলেগে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰা দেখা যায়। সৰু সৰু ফলবোৰৰ ভিতৰখন মঙহাল হয়।

এই জাতীয় ডিমৰুৰ কুঁহিপাতবিলাক ছিঙি আনি কোনো কোনো জনজাতীয় মানুহে তৰকাৰি হিছাপে ব্যৱহাৰ কৰা দেখা যায়।

যজ্ঞ ডিমৰু, ফাইকচ গ্লোমেৰটা বিকল্পে—ৰেছিম'ছা পৰিয়াল—মোৰেছি ইংলে আৰং (কাৰবি) বল মেটাপ, বল খান্‌থাপ্ (আছিক) ডুমৰু-জলা (মেচ) দিয়েং কা জাপো (খাচিয়া) বুৰফাং পান (ৰাভা) ডুম্‌ৰু (বড়ো) যজ্ঞ ডিমৰু (অসমীয়া) যজ্ঞ ডিমৰ (বঙালী) গুলৰ (হিন্দী) Clister Fig (ইংৰাজী) Jogya Dimoru Species–Ficus glumerota Syn. Ficus raconosa Family–Moraceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। বনাঞ্চলবিলাকৰ কোনো কোনো এলেকাত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। লমা-লমে গা-গছত এটা গুটি ধাৰণ কৰা ফল (Achene) ধৰে। ফলবোৰ পকিলে ৰঙা ৰঙা হয়। বাকলিৰ বৰণ মদৰুৱা কিম্বা ছাইৰ নিচিনা হয়। বাকলিৰ ওপৰত সামান্যভাৱে ফাটি-ছিটি থকাৰ দাগ থাকে। দা বা কুঠাৰেৰে ঘাপ মাৰি কাটি বাকলিখন বখলিয়াই দিলে ভিতৰৰ বৰণ অলপ হালধীয়াকৈ মুগা হোৱা দেখা যায়।

ভিন্ ভিন্ আকৃতি ধাৰণ কৰা পাতবিলাকে গাইগুটীয়াভাৱে দীঘলীয়া, ভোটোকা আদি ৰূপত বিকশিত হোৱাটো পৰিলক্ষিত হয়। পাতৰ দাঁতি অঞ্চলত কোনো ধৰণৰ বেঁকা-বেঁকি চিন্ দেখিবলৈ পোৱা নাযায়।

একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পই বেলেগে বেলেগে বিকাশ লাভ কৰে।

সাধাৰণ কামত ব্যৱহাৰ কৰাৰ বাহিৰে এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

টেঙা বড়, ফাইকাছ জেনিকুলেটা পৰিয়াল—মোৰেছি Tenga Bor Species–Ficus geniculata Family–Moraceae

এবিধ ডাঙৰ আকাৰৰ বড়-গছ জাতীয় উদ্ভিদ। বাকলিৰ উপৰিভাগে মুগা বৰণীয়া ৰং পৰিধান কৰে। বাকলিৰ ওপৰত কটাকটি দাগ থাকে আৰু ডালবিলাকত ফুট-ফুটীয়া চিনৰ উৎপত্তি হয়। বাকলিখন দা বা কুঠাৰেৰে ঘাপ মাৰি কাটি ঘা লগাই দিলে ভিতৰত থকা মঙহাল অংশৰ বৰণ অলপ মুগা-চানেকীয়া যেন দেখা যায়। তাত সূক্ষ্ম আঁকাৰৰ আঁহ পৰিলক্ষিত হয়। পাতবোৰে দীঘলীয়া, গোটোঙা কিম্বা কণীৰ নিচিনা আকৃতি প্ৰদৰ্শন কৰে। পাতৰ উপৰিভাগ কোমল-চানেকীয়া হয়। অলপীয়াকৈ ধনুভিৰীয়া আকৃতিত উঠা-নমাৰ আভাস থকাৰ বাহিৰে পাতৰ কাষত কোনো ধৰণৰ কাৰুকাৰ্যই বিকাশ লাভ কৰি থকা দেখা নাযায়।

পাতৰ সিৰ আৰু উপ-সিৰৰ ৰেখাবোৰ সামান্যভাৱে বিকশিত হয়। একেজোপা গছে বেলেগে বেলেগে পুং-পুষ্প আৰু স্ত্রী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণু স্ত্রী-পুষ্পৰ গৰ্ভকোষত সংস্থাপিত হ'লে পুষ্পাধাৰ ফল সদৃশ মঙহাল গুটিলৈ পৰিৱৰ্তিত হয়।

পাতবোৰ হাতেৰে ভাঙি মুখত দিলে টেঙা টেঙা লাগে। কোনো কোনো মানুহে টেঙা আঞ্জা কৰোঁতে এই পাত ব্যৱহাৰ কৰে।

জৰিবড়, ফাইকাছ গিব্বোছা পৰিয়াল—মোৰেছি লতি ডিমৰু, জৰি-বড় (অসমীয়া) দিয়েং-চহ্-লা-খাইন (খাচিয়া) ৰাত্ কে (মিচিং) ক্ৰাপ-ৰাখেত (আছিক)
Jori Bor Species–Ficus gibbosa Family–Moraceae

এবিধ মজলীয়া আকাৰৰ বড় গছ জাতীয় উদ্ভিদ। সাধাৰণতে এইবিধ বড় গছ স্বাধীনচিতীয়াভাৱে মাটিৰ ওপৰত উৎপত্তি হয়। কোনো কোনো জোপা গছে পোন প্ৰথম অৱস্থাত আন গছত আশ্ৰয় লৈ জীৱন যাত্ৰা আৰম্ভ কৰে। জীৱন সংগ্ৰামত আশ্ৰয় প্ৰদান কৰা গছজোপাৰ মৃত্যু হ'লে এইবিধ গছৰ পুলিটোৱে স্বতন্ত্ৰ জীৱন আৰম্ভ কৰে। বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ ওপৰত খহুলা-খহুলি গ্ৰন্থিয়ে বিকাশ লাভ কৰা দেখা যায়।

পাতৰ আকৃতি অলপ দীঘল-চানেকীয়া হয়। পাতৰ মধ্যস্থানত থকা সিৰডালে পাতখিলাক সমানে দুভাগ নকৰি একাংশ সৰু আৰু আন অংশ সামান্যভাৱে ডাঙৰ কৰি ৰাখে। এই পাতৰ ওপৰৰ লুটি মিহি আৰু তলৰ লুটি তুলনামূলকভাৱে খহটা হয়। পাতৰ দাঁতিত খাঁজ কটাৰ কোনো চিন্‌চাব্ নাথাকে।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্রী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণুৰ প্ৰভাৱত স্ত্রী-পুষ্পৰ গৰ্ভকোষ উদ্ভাসিত হ'লে ফলৰ বিকাশ সাধন হয়।

লতাজৰি, ফাইকাছ্ ৰোডদেন্দ্ৰিফলিয়া পৰিয়াল—মোৰেছি লতা জৰি (অসমীয়া)
Lota Jori Species– Ficus rhododendrifolia Family–Moraceae

মজলীয়া আকাৰৰ জৰি জাতীয় বনৰীয়া গছ। উজনি অসম আৰু কাছাৰ জিলাত থকা বনাঞ্চলবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। সাধাৰণতে মাটিত পুলি গজি এইবিধ গছৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। অন্যান্য গছৰ ডালৰ ফেৰেঙনিত গুটি পৰিও ইয়াৰ পুলিয়ে বিকাশ লাভ কৰে। আশ্ৰয় প্ৰদান কৰা গছজোপা মৰি গ'লে ই স্বাধীন জীৱন আৰম্ভ কৰিবলৈ লয়। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে।

পাণৰ নিচিনা পাতবোৰ অলপ দীঘল-চানেকীয়া হয়। পাতৰ আগভাগ জোঙা আৰু গুৰিভাগে ঘূৰণীয়াকৈ ঠাৰিডালৰ কাষ চপাৰ আকৃতি ধাৰণ কৰে। পাতৰ ওপৰত বিকশিত হোৱা সিৰবিলাক পাতলীয়া হয়।

একেজোপা গছতে পুং আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰি থাকে। স্ত্ৰী-পুষ্পৰ পুষ্পাধাৰে গোটা আকৃতি ধাৰণ কৰে।

চিলুবড়, ফাইকাছ ৰেটুছা পৰিয়াল—মোৰেছি ছিৰি (কাৰ্বি) ফ্ৰাপ্‌ছি (আছিক) চিলুবড় (অসমীয়া)
Chilu Bor Species–Ficus retusa Syn.–F. benjamina Family–Moraceae

সাধাৰণতে দ--চানেকীয়া ঠাই কিম্বা ভেৰণিৰ মাজত উৎপত্তি হোৱা ওখ-চানেকীয়া ঠাইত এইবিধ বড় গছৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। গাইগুটীয়াভাৱে দুই-চাৰিজোপা গছে পৰদেহী উদ্ভিদৰ (Epiphytes) চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। তেনে ক্ষেত্ৰত অসংখ্য বায়বীয় লতাই বিকাশ লাভ কৰি মকৰা জালৰ দৰে শিপাৰে মেৰুটা-মেৰুটি আকৃতি ধাৰণ কৰে। আশ্ৰয় প্ৰদান কৰা গছডাল মৰি গ'লে শিপাখিনিয়ে চকুত লগা বিচিত্ৰ ৰূপ প্ৰদৰ্শন কৰে। গছজোপাৰ বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাগত ফুট-ফুটীয়া দাগৰ উৎপত্তি হয়। বাকলিৰ ভিতৰ অংশ কুহিলাৰ ডিলাৰ দৰে সোপোকা হয়। বৰণত পাতলীয়াকৈ মুগা-চানেকীয়া হয়।

পাতবিলাকে অলপ দীঘলীয়াকৈ গোল আকৃতি ধাৰণ কৰে। একেজোপা গছতে বেলেগে বেলেগে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পৰ উদ্ভৱ হয়। পুং-পুষ্পৰ ৰেণু স্ত্ৰী-পুষ্পৰ গৰ্ভকোষত সংস্থাপিত হ'লে মণ্ডহাল ফললৈ ৰূপান্তৰ হয়।

গেড গোবড়, ফাইকাছ আলটিছিমা পৰিয়াল—মোৰেছি গেদ গোবৰ (অসমীয়া)
Gad Gubor Species–Ficus altissima Family–Moraceae

এবিধ প্ৰকাণ্ড আকাৰৰ মেলাহিকৈ ডাল-পাত ধৰা বনৰীয়া গছ। কামৰূপ, কোক্ৰাঝাৰ আৰু ধুবুৰী জিলাৰ বনাঞ্চলবিলাকৰ ঠায়ে ঠায়ে এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰে। বাকলিৰ ভিতৰত মুগা বৰণীয়া ফুট্‌ফুটীয়া দাগৰ উৎপত্তি হয়। গছ-জোপাৰ ডালবোৰৰপৰা কোছা-কোছে বায়বীয়া শিপা ওলাই আহি আহি আলাসতে ওলমি থকা দেখা যায়। কিছুমান শিপাই মাটিৰফালে বাঢ়ি বাঢ়ি গৈ গছজোপাৰ তলত থকা মাটিত খামোচ মাৰি ধৰেগৈ।

পাতবোৰে বহল ধৰণৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ দাঁতিত কোনো

ধৰণৰ খাঁজ কটা দাগে বিকাশ লাভ কৰা দেখা নাযায়। পাতখিলাৰ গুৰি ভাগে তিনি ফেৰেঙনি মেলা সিৰ প্ৰদৰ্শন কৰে। মধ্যভাগত থকা সিৰডালৰপৰা পাতৰ দুয়োফালে বৈ পৰা উপসিৰৰ সংখ্যা ৫-৬ যোৰামান হয়।

একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণু স্ত্ৰী-পুষ্পৰ গৰ্ভকোষত প্ৰবেশ কৰিলে পুষ্পাধাৰ বিকশিত হৈ ফলত পৰিণত হয়।

পাখৰি বড়, ফাইকাছ্ ৰামফিয়াই পৰিয়াল— মোৰেছি ছিৰি পিপ্‌লি (কাৰবি) ফ্ৰাপ্ ৰাকছেং (আছিক) পাখৰি বড় (অসমীয়া) পাকুৰ (বঙালী) পাকাৰ, পিপাল, গাজনা (হিন্দী)
Pakhori Bor Species–Ficus rumphii Family–Moraceae

এবিধ ডাঙৰ আকাৰৰ বড়-গছ গোষ্ঠীৰ গছ। বাকলিৰ উপৰিভাগ ছাই-বৰণীয়া হয় আৰু এই বাকলিয়ে নিমজ বা মিহি ৰূপ পৰিধান কৰা দেখা যায়। বুঢ়া গছৰ বাকলিৰপৰা নিকৰি এৰাই এৰাই আহে। দা বা কুঠাৰেৰ বাকলিৰ উপৰিভাগত ঘা লগাই দিলে ভিতৰখন অলপ ৰঙা-চানেকীয়াকৈ বগা হোৱা দেখিবলৈ পোৱা যায়। মাজে মাজে তেজ ৰঙা আঁচৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়।

পাতবিলাকে বহল-চানেকীয়াকৈ দীঘল আকৃতি ধাৰণ কৰে। পাতৰ ওপৰৰ পিঠিৰ তলৰ পিঠিতকৈ বেছি উজ্জ্বল হয় আৰু তাত ফুট্‌ফুটীয়া দাগৰ আভাস দৃষ্টি গোচৰ হয়। একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ কাৰ্মৰূপ জিলা বৰাক উপত্যকাৰ কাছাৰ জিলাৰ অন্তৰ্গত থকা বনভূমিত এইবিধ বড় গছৰ উৎপত্তি পৰিলক্ষিত হয়।

আঠা বড়, ফাইকাছ ইলাচ্‌টিকা পৰিয়াল— মোৰেছি দেৰাক্ আৰং (কাৰ্বি) দিয়েং জুৰি (খাচিয়া) ফ্ৰাপ্‌ৰমখেট্ (আছিক) আঠা বট (বঙালী) আটাহ বড় (হিন্দী) (ইংৰাজী)
Atha Bor Species–Ficus elastica Family–Moraceae Assam Rubber Tree

এবিধ প্ৰকাণ্ড আকাৰৰ গছ। এইবিধ গছে অন্যান্য জাতীয় গছৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱন যাত্ৰা আৰম্ভ কৰা দেখা যায়। ডালবোৰত অসংখ্য বায়বীয়া শিপাই বিকাশ লাভ কৰে। গছজোপাৰ গুৰি অংশৰপৰা চেপেটা আকৃতিৰ বাকলি থকা কাঠ বাহিৰৰফালে চটা চটাকৈ ওলাই অহা দেখা যায়। (Buttressed) বাকলিত ঘা লগাই দিলে গম আঠাৰ নিচিনা লিকটা পদাৰ্থ ওলায়। এসময়ত ৰবৰ তৈয়াৰ কৰিবৰ বাবে এই পদাৰ্থ ব্যৱহাৰ কৰা হৈছিল। ৰবৰ উৎপাদনকাৰী লাগতিয়াল গছ হিছাপে ১৮৭৪ চনত কামৰূপ জিলাৰ কুল্‌ছি আৰু

শোণিতপুৰ জিলাৰ (তেতিয়াৰ দৰং) চাৰিদুৱাৰ কেন্দ্ৰত এইবিধ গছ ব্যৱসায়িক ভিত্তিত লগাবৰ বাবে বাগান সৃষ্টি কৰিবলৈ আৰম্ভ কৰা হৈছিল। ব্যয় বাহুল্য হোৱাৰ বাবে পাছত এই আঁচনি বন্ধ কৰি দিয়া হ'ল।

আজিকালি স্বাভাৱিকভাৱে উৎপত্তি হোৱা এইবিধ গছ মাজ বয়সীয়া আৰু পুলি অৱস্থাত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে এইবিধ গছৰে কেইটামান দেখনিয়াৰ উদ্ভিদৰ (Hybrid) সঁচ উদ্ভিদ ব্যৱসায়ীবিলাকৰপৰা ক্ৰয় কৰি আনি চৌখিন লোকসকলৰ কোনো কোনোৱে মাটিৰ পাত্ৰত আলফুলকৈ ৰাখে। তেনেবিলাক গছে থকা ঘৰৰ ভিতৰত কিম্বা উদ্ভিদ পালনৰ বাবে নিৰ্মাণ কৰা পোহৰ-তাপ নিয়ন্ত্ৰিত সংগ্ৰহালয়ত (conservatory) আপুৰুগীয়া উদ্ভিদৰ স্থান অধিকাৰ কৰে। এইদৰে আলফুলকৈ প্ৰতিপালন কৰি ৰখা ফাইকাছ গোষ্ঠীৰ পুলিবোৰৰ ভিতৰত তলত নাম উল্লেখ কৰা চাৰিবিধে বিশেষ স্থান অধিকাৰ কৰা দেখা যায়।

১। ফাইকাছ্ ইলাচ্টিকা (সেউজীয়া) Ficus elastica (Green)

২। ফাইকাছ্ ইলাচ্টিকা (ৰঙা) Ficus elastica (Red)

৩। ফাইকাছ্ ইলাচটিকা (ক'লা) Ficus elastica (Black)

৪। ফাইকাছ ইলাচ্টিকা (ৰঙীন) Ficus elastica (Decora tricolor)

ওপৰত উল্লেখ কৰা আটাইকেইবিধ আঠাবড় গছৰ পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতবিলাক ডাঠ হয় আৰু এই পাতত উৎপত্তি হোৱা সিৰ উপ-সিৰবিলাক স্পষ্টভাৱে জিলিকি থকা অৱস্থাত দেখিবলৈ পোৱা যায়। এই শিতানত বৰ্ণনা কৰা বনৰীয়া বিধ আঠাবৰৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পই ধাৰণ কৰা ৰেণুৰ স্পৰ্শত স্ত্ৰী-পুষ্পই পূৰ্ণতা লাভ কৰে আৰু ফলৰ আকাৰে আত্ম-প্ৰকাশ কৰিবলৈ সক্ষম হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগোৱা দেখা নাযায়।

কঁঠাল পতীয়া বড়, ফাইকাছ অবটিউছিফলিয়া পৰিয়াল— মাৰেছি কঠলুৱা জৰি, কঠাল পতীয়া বড় (অসমীয়া) দিয়েং-চুৰি-চহ (খাচিয়া)

(Kothal Patia Bor) Species–Ficus obotusifolia Family–Moraceae

এবিধ ডাঙৰ আকাৰৰ বড় গছ। হাবিৰ মাজত গুটি পৰি ইয়াৰ উৎপত্তি হয়। কেতিয়াবা আন জাতীয় গছৰ ফেৰেঙনিত ই জীৱন যাত্ৰা আৰম্ভ কৰে। কালক্ৰমত আশ্ৰয় প্ৰদান কৰা গছডালৰ মৃত্যু ঘটিলে ই স্বাধীনচিতীয়া

জীৱন আৰম্ভ কৰিবলৈ লয়।

বাকলিৰ বৰণ মদৰুৱা হয়। কেতিয়াবা ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। দা বা কুঠাৰেৰে বাকলিত কাটি ঘা লগাই দিলে ভিতৰখন ৰঙচুৱা দেখি। পাতবোৰে কম-বেছি পৰিমাণে কঁঠাল গছৰ পাতৰ আকৃতি ধাৰণ কৰে।

· একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে।

কতীয়া ডিমৰু, ফাইকাছ নেমৰেলিছ পৰিয়াল—মোৰেছি কতীয়া ডিমৰু বা ডিমৰু (অসমীয়া) দিয়েং চোৰমে ব্লাং (খাচিয়া) থেবো (কাৰ্বি) ফিছা ডুমৰু (বড়ো) (Kotiya Dimoru) Species–Ficus nemoralis Family–Moraceae

এবিধ সৰু আকাৰৰ বা মজলীয়া বিধৰ বিতোপন গছ। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাৰে কম-বেছি পৰিমাণৰ নিমজ ৰূপ ধাৰণ কৰে। পাতৰ আকাৰ মজলীয়া হয়। একোখিলা পাতে দীঘলে প্ৰায় ৬ চেণ্টিমিটাৰ আৰু পথালিয়ে ৩ চেণ্টিমিটাৰমান হোৱা দেখা যায়। আকৃতিত একোখিলা পাত দীঘলীয়া হয় আৰু গুৰিফালে বহল, আগৰফালে ক্ৰমে ঠেক হৈ যোৱা দেখা যায়।

প্ৰত্যেক খিলা পাতে ৭ যোৰাৰপৰা ১২ যোৰা পৰ্যন্ত উপসিৰ ধাৰণ কৰে। একেডাল ঠাৰিয়ে এথোপা এথোপা ফুল ধাৰণ কৰে। তদুপৰি একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰে। ফলৰ উপৰিভাগত দীঘল-চানেকীয়া দাগ থাকে। এইফলৰ গুৰিভাগতকৈ আগভাগ মোটা হয়।

এইবিধ ডিমৰুৰ ফল মানুহে খায়। গৰু-ছাগলীয়ে ইয়াৰ পাতবোৰ খাবলৈ ভাল পায়।

ধোপাবড়, ফাইকাছ মাইছোৰেন্সিছ্ পৰিয়াল—মোৰেছি ৰট্‌কাং আছিং (মিচিং) বল ফ্ৰা (আছিক) লাইদাপ (কছাৰী) Dhupabor Species–Ficus mysorensis Family–Meraceace

এবিধ ডাঙৰ আকাৰৰ বড় গছ। আন জাতীয় গছক আশ্ৰয় কৰি প্ৰথমতে এইবিধ গছেও উৎপত্তি লাভ কৰা দেখা যায়। পাছত স্বাধীনচিতীয়া জীৱন যাপন কৰে। গা-গছ আৰু ডালবিলাকৰ বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে। এই বাকলিত পথালি পথালিকৈ কাটি ৰখাৰ নিচিনা ফটা আঁচৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়। দা বা কুঠাৰেৰে ঘাপ মাৰি ঘা লগাই দিলে বাকলিৰ ভিতৰভাগ মাখন বৰণীয়া দেখিবলৈ পোৱা যায়।

একো একোডাল ঠাৰিয়ে পাঁচ খিলাৰপৰা আৰম্ভ কৰি ১০-১২ খিলা পৰ্যন্ত পাত ধাৰণ কৰি থকা দেখিবলৈ পোৱা যায়।

একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। ফলবোৰ পকিলে হালধীয়া ৰং ধৰে।

খাৰি-পাতি ডিমৰু, পৰিয়াল—মোৰেছি থেবু আৰং (কাৰবি) বল ছাপ্ (আছিক) দিয়েং ৰপ্ থাং (খাচিয়া) খাৰি পাতি ডিমৰু (অসমীয়া) (Kharipati Dimoru) Species–Ficus nervosa Family–Moraceae

এবিধ প্ৰকাণ্ড আকাৰৰ বনৰীয়া গছ। ডাল-পাতবিলাকে চৌপাশে ফেৰেঙনি মেলি থকাৰ বাবে গছজোপাই ছত্ৰাকাৰ প্ৰদৰ্শন কৰে। গা-গছৰ গুৰি ভাগত ঠেকাৰ নিচিনা চেপেটা কাঠৰ উৎপত্তি হয়। বাকলি মদৰুৱা, মুগা কিম্বা বগা-চানেকীয়া বৰণ প্ৰদৰ্শন কৰে। বাকলিৰ ভিতৰত ফুট্‌ফুটীয়া দাগৰ উৎপত্তি হয়।

পাতৰ আকৃতি দীঘলীয়া হয়। গুৰিৰফালে অলপ বহল আৰু আগৰ ফালে ক্ৰমে ঠেক হৈ যোৱাৰ আকৃতি ধাৰণ কৰে। পাত একোখিলাৰ এক অৰ্দ্ধাংশ দ্বিতীয় অৰ্দ্ধাংশতকৈ অলপ বহল হয়। পাতৰ তলৰ পিঠিত কোমল কোমল আৰু নিচেই চুটি বিধৰ নোমে বিকাশ লাভ কৰি থকা দেখা যায়। ওপৰৰ পিঠি মিহি আৰু পিছল হয়।

একেজোপা গছে পুং আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। খৰালিমহীয়া ফুল ধৰে আৰু গৰমৰ দিনত ফলৰ উৎপত্তি হয়।

মন ডিমৰু, ফাইকাছ্ ফিস্তোল'ছা পৰিয়াল—মোৰেছি মন ডিমৰু (অসমীয়া) Man Dimoru Species–Ficus fistulosa Family–Moraceae

এবিধ সৰু আকাৰৰ ডিমৰু জাতীয় গছ। ঠাল-ঠেঙুলিবিলাকে ফেৰেঙনি মেলি জোপোহা আকৃতি ধাৰণ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বাকলিয়ে মুগা-চানেকীয়া বৰণ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ কম-বেছি পৰিমাণে নিমজ হোৱা দেখা যায়। ভিতৰৰ মঙহাল আৰু আঁহযুক্ত অংশই শেঁতা বৰণীয়া ৰূপ প্ৰদৰ্শন কৰে।

পাতৰ আকাৰ ডাঙৰ হয়। গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে সৰু বা ঠেক হৈ যোৱা দেখা যায়। স্পৰ্শ কৰি চালে পাতৰ উপৰিভাগ কোমল-চানেকীয়া খহটা হোৱা পৰিলক্ষিত হয়। দাঁতিত কোনো খাঁজ কটা দাগ নাথাকে। তলৰ লুটিত ক্ষুদ্ৰ ক্ষুদ্ৰ ফুটাৰ আবিৰ্ভাব হয়। ঠাৰিডাল অলপ দীঘল হয় আৰু পাতৰ গুৰিৰ ফালে থকা অংশ দুয়োফালৰ ধনুভিৰীয়াকৈ ঘোৰ খাই পাতৰ ঠাৰিত লগ লাগে।

পুং-পুষ্পৰ সংখ্যা তুলনামূলকভাৱে কম হয়। স্ত্ৰী-পুষ্পৰ গৰ্ভকেশৰত পুষ্পৰ ৰেণু সংস্থাপিত হ'লে পুষ্পাধাৰত ফল ধৰে। ফলৰ আকাৰ সৰু সৰু হয়। ইয়াক এঁৰা ডিমৰু বুলিও কোৱা হয়।

মৌ ডিমৰু, ফাইকাছ অ'বিকুলেটা ফাইকাছ্ ৰাক্সবাৰগিয়াই পৰিয়াল—মোৰেছি মৌ ডিমৰু মন-ডিমৰু, আওঠা-ডিমৰু (অসমীয়া) থে বল (আছিক) কুকৰাল-টাকুক্-আছিং (মিচিং) লঠেৰি-আৰং (কাৰ্বি) দিয়েং-চহ্-লাম্পিন্ (খাচিয়া)

(Moudimoru) Species–Ficus aubiculata Syn. Ficus roxaburghii Family–Moraceae

এবিধ মজলীয়া আকাৰৰ ডিমৰু গছ। ডালবিলাক গছজোপাৰ চৌপাশে ফেৰ মেলি থকা গোটেই গছডালে এক ৰকমৰ ছত্ৰাকাৰ ৰূপ ধাৰণ কৰে। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ উপৰিভাগ খহুলা-খহুলি হোৱা দেখা যায়। বাকলিৰ ভিতৰভাগ ৰঙচুৱা হয় আৰু তাত বগা বৰণৰ দীঘল দীঘল ৰেখা কিছুমান লম্বভাৱে বিকশিত হৈ থাকে।

পাতবোৰে দীঘল আকৃতি ধাৰণ কৰে। দীঘলীয়া পাতৰ গুৰিভাগে গোল আকৃতি প্ৰদৰ্শন কৰে আৰু মাজভাগত বহল ৰূপ ধাৰণ কৰি আগৰফালে ক্ৰমে সৰু হৈ হৈ যায়। পাতৰ দাঁতিত কেতিয়াবা সৰু সৰু খাঁজ কটা দাগৰ উৎপত্তি হয় আৰু কোনো ক্ষেত্ৰত দাঁতিভাগ সমান হৈয়ে থাকি যায়।

একেজোপা গছে বেলেগে বেলেগে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণু স্ত্ৰী-পুষ্পৰ গৰ্ভকোষত সংস্থাপিত হ'লে কোমল কোমল ফল ধৰে। এই ফল খাব পাৰি।

নুনি, মোৰাছ ইন্দিকা পৰিয়াল—মোৰেছি কিছ্ কুৰি (কামৰূপ) বম্ ফাং ৰাখেপ (মেচ) চহ্ লং-দেইখুৰ (খাচিয়া) নুনি (অসমীয়া)

Common Mulberry Silk worm Mubery Species–Morus Indica. Family–Moraceae

দীঘল দীঘল ঠাৰি ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে মদৰুৱা ৰং প্ৰদৰ্শন কৰে। দা বা কটাৰিয়ে কাটি বাকলিত ঘা লগাই দিলে বাকলিৰ ভিতৰখন বগা-চানেকীয়া দেখিবলৈ পোৱা যায়। কটা ঠাইৰপৰা গাখীৰৰ নিচিনা পদাৰ্থ ওলাই আহে।

পাতৰ আকাৰ আঙুলিপহীয়াকৈ দীঘল-চানেকীয়া হয়। পাতবোৰৰ স্থাপন ৰীতি জখলা-খলপীয়া হোৱা দেখা যায়।

খৰালি কালত গছজোপাৰ আটাইবোৰ পাত সৰি যায়। নতুন কুঁহিপাত ধৰিবলৈ আৰম্ভ কৰাৰ লগে লগে ফুল ফুলিবলৈ আৰম্ভ কৰে। পুং-পুষ্প ধৰা ঠাৰিবোৰতকৈ স্ত্ৰী-পুষ্প ধাৰণ কৰা ঠাৰিবিলাক দীঘল হয়। ফলৰ আকৃতি পাণৰ

পিপলিৰ নিচিনাকৈ দীঘলীয়া দীঘলীয়া আৰু মঙহাল হয়। পকিলে এই ফলবোৰ ক'লা হয়। মুখত দিলে মিঠা মিঠা লাগে।

বোলা, মোৰাছ্ লেভিগেটা পৰিয়াল—মোৰেছি আনুম্ আছিং (মিচিং) ৰওলা (মেচ) পংৰাই বাফাং (কছাৰী) দিয়েং বাইলিয়েট্ (খাচিয়া) ৰক্ ছেং (আছিক) ৰেপ ছিং (ৰাভা) গাংগাৰ টাইছিবি (বড়ো) বোলা (অসমীয়া) বোলা (বঙালী) বোলা (হিন্দী)

(Bola) Species–Morus laevigata Family–Moraceae

এবিধ প্ৰকাণ্ড আকাৰৰ সুকাঠী বনৰীয়া গছ। উত্তৰ পাৰে থকা ভৈৰবকুণ্ড, চাৰিদুৱাৰ, বালিপাৰা আদি সংৰক্ষিত বনভূমিবিলাকত এই বিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। উজনি অসমৰ অন্যান্য বনাঞ্চলতো কম-বেছি পৰিমাণে এইবিধ গছ দেখিবলৈ পোৱা যায়।

বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰা দেখা যায়। গছজোপা বুঢ়া হ'লে এই বৰণৰ সাল-সলনি ঘটে আৰু তেতিয়া গছজোপাৰ বাকলিবোৰ চকলা-চকলে এৰাই পৰাৰ উপক্ৰম হোৱা দৃষ্টিগোচৰ হয়। কাটি দিলে ঘা লগা ঠাইৰপৰা গাখীৰৰ নিচিনা ৰস ওলায়। ভিতৰত থকা কোমল অংশই বগা-চানেকীয়া ৰূপ ধাৰণ কৰে আৰু ইয়াৰ মাজত মুগা ৰঙৰ দাগ কিছুমানে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়।

পাতবোৰে কম-বেছি পৰিমাণে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে চিয়াঁ হৈ যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি দৃষ্টিগোচৰ হয়। হাতেৰে স্পৰ্শ কৰিলে পাতৰ উপৰিভাগ খহটা খহটা লাগে আৰু এই পাতবোৰৰ দাঁতিত কৰতৰ দাঁতৰ নিচিনা খাঁজ কটা দাগৰ উৎপত্তি হয়।

পাতৰ মধ্যভাগত থকা মুখ্য সিৰ বা ঠাৰি ডালৰপৰা কেবাডালো উপ-সিৰ উৎপত্তি হয়। পাতৰ গুৰিৰপৰা ওলাই অহা সিৰকেইডাল তিনি ফেৰেঙনীয়া হৈ বিকশিত হয়। পাতৰ গুৰি অংশই গাইগুটীয়া পাত অনুযায়ী কেতিয়াবা গোল, কেতিয়াবা সমান আকাৰে কটা আৰু আন কেতিয়াবা কেঁচীয়াকৈ কাটি ৰখাৰ নিচিনা আকৃতি ধাৰণ কৰি থকা দেখিবলৈ পোৱা যায়। পাতৰ ঠাৰিবোৰে দীঘল ৰূপ প্ৰদৰ্শন কৰে।

একেজোপা গছে বেলেগ বেলেগ ঠানিত পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। পুং-পুষ্পৰ ৰেণুৱে স্ত্ৰী-পুষ্পৰ গৰ্ভকোষ সাৰুৱা কৰিলে ফলৰ উৎপত্তি হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ অতি মূল্যবান। অসমত উৎপন্ন হোৱা নানা বিধ কাঠৰ ভিতৰত চেগুনৰ পাছতে বোলাক স্থান দিব পাৰি। চকি মেজ আদি

লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰাৰপৰা গৃহ-নিৰ্মাণলৈকে সকলো ধৰণৰ কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

সজমীনত মাটি তৈয়াৰ কৰি তাত পোনপটীয়াকৈ গুটি পচাই এইবিধ মূল্যবান গছৰ বাগান নিৰ্মাণ কৰিব পাৰি।

২য় খণ্ড ১ম ভাগ

Common Chillies

জলকীয়া, ভজলুক, Capsicum annum, Family – Solanaceae

জলকীয়া, ভজলুক কেপ্সিকাম এনাম পৰিয়াল— চলানেছি মৰিচ বা লাল মৰিছ (বঙালী, হিন্দী) জলকীয়া (অসমীয়া) চিলিজ (ইংৰাজী) ভজলুক (নামনি অসম) ভোজন ঠেলা (উজনি অসম) বিৰিক (কাৰ্বি) ঝালুক (ৰাভা) ফানন্থু (বড়ো)

(Jolokia, Chillies) Species– Salanum annum Family–Solanaceae

সৰু বিধৰ অলপীয়াকৈ জোপোহা আকাৰৰ বাৰীত লগোৱা লাগতিয়াল গছ। আমাৰ মানুহে আৱশ্যক অনুযায়ী এই বিধৰ শস্য বাৰীত লগায়। ইয়াৰ কেইবাটাও জাত আছে। কিছুমানৰ ফল আকাৰত অলপ ডাঙৰ কিছুমানৰ মজলীয়া আৰু আন কিছুমানৰ নিচেই সৰু হয়। ডাঙৰবিলাকক ভোট জলকীয়া বুলি আমাৰ মানুহে কয়। নিচেই সৰু জাতক কণ জলকীয়া বা ধান জলকীয়া বুলি কোৱা হয়।

আটাইতকৈ ডাঙৰ জাতৰ জলকীয়াক সাধাৰণতে কেপচিকাম বুলি কোৱা হয়। এই জাতৰ জলকীয়াৰ জাল নাথাকে আৰু সেই কাৰণে ইয়াক ভাজি কৰি অন্যান্য প্ৰকাৰে বনাই খাবলৈ ভাল লাগে। জলকীয়াৰ আচাৰ কৰিও মানুহে খায়। তৰকাৰিত আৱশ্যক অনুযায়ী দিয়া হয়।

দেখাত লাচকচিৰ নিচিনা এবিধ বছেৰেকীয়া ক্ষুদ্ৰ বন গছ। চেঁচুকীয়া ঠাই বা

কপাল-ফুটা, চোলানম্ বাৰবিছেতম্ পৰিয়াল— চোলানেছি। কপাল ফুটা (অসমীয়া) (Kopal Phuta) Species–Solanum barbesetum Family–Solanaceae

শাকনিবাৰীৰ আওহতীয়া জেগাত আপুনি উৎপত্তি হোৱা এই বিধ ক্ষুদ্ৰ উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। গছজোপা লেহুকা হয় আৰু ডাল-পাতবোৰৰ ওপৰত এক প্ৰকাৰৰ ক্ষুদ্ৰ ক্ষুদ্ৰ নোমৰ বিকাশ সাধন হয়। সৰু বিলাহীৰ নিচিনা সৰু আকাৰৰ ঘূৰণীয়া ফল একোটা পূৰঠ হোৱাৰ পাছতো ফুলৰ পাহিৰ পাতলীয়া আৱৰণৰ জোলোঙা একোটাই আবৰি ৰাখে। পাহিৰ আৱৰণখনৰ আগৰফালে থকা বিন্ধাটোত মুখেৰে ফুৱাই বতাহ ভৰোৱাৰ পাছত কপালত জোৰেৰে মাৰি দিলে ফট্‌কা ফুটাৰ নিচিনা এটা শব্দ হয়। গাঁৱৰ ল'ৰা-ছোৱালী কিছুমানে এইদৰে শব্দ কৰাই আমোদ পায়। ইয়াৰপৰাই এইবিধ বন গছে কপাল ফুটা নাম পাইছে। ফল পকিলে সুৱদি সুৱদি লাগে।

আলুগুটি, ছলানম টিউবাৰেছম পৰিয়াল—ছলানেছি, আলুগুটি (অসমীয়া) বানথে (ৰাভা) ফুৰুয় (কাৰ্বি) আলু (বড়ো) আবাজা (আছিক) (Potato) Species–Solanum tuberesum Family–Solanaceae

আলুগুটিৰ গছ বছৰি বছৰি উৎপন্ন হোৱা এবিধ মাটিত বগুৱা-বাই যোৱা লতা জাতীয় উদ্ভিদ। লতাডাল অলপ চুকীয়া-চুকি হয় আৰু বাকলিৰ বৰণ সাধাৰণতে সেউজীয়া। পাতৰ বৰণো ঠিক তেনেদৰে সেউজীয়া বা কলপতীয়া হয়। নিচেই তলৰ ফালে থকা ঠাৰিডালত যি পাত থাকে তাৰ পৰা মাটিৰ ওপৰ ভাগেদি নতুন শিপা ওলাই আহে। এই শিপা মাটিয়েদি বগাই যায় আৰু আগৰফালে আলুগুটি ধৰে। সৰহীয়াকৈ আলুগুটি ধৰিবৰ বাবে এই গুৰিত ওলোৱা শিপাবোৰ ফচ্‌ফচীয়া মাটিৰে ঢাকি দিয়া হয়। তেতিয়া আলুৰ সংখ্যা বাঢ়ে আৰু আকাৰতো ডাঙৰ হয়। নতুনকৈ ওলাই অহা অতিৰিক্ত ঠাল-ঠেঙুলিবিলাকৰ ওপৰত ফচ্‌ফচীয়া মাটি জাপি দি সৰহ পৰিমাণৰ আলু উৎপন্ন কৰিবলৈ খেতিয়কসকলে চেষ্টা কৰে। আলু গছৰ ফুলবোৰৰ বৰণ নীলা আৰু বগা হয়।

খাচিয়া খেতিয়কসকলে শ্বিলঙৰ ওচৰৰ পৰ্বতীয়া ঠাইত প্ৰচুৰ পৰিমাণে আলু খেতি কৰে। অসমৰ মানুহে নদীৰ পাৰৰ বালি অঁহীয়া পলসুৱা মাটিত ইয়াৰ খেতি কৰে। কোনো কোনো মানুহে বাৰীৰ শাকনিত কিছু আলু লগাই নিজৰ অভাৱখিনি দূৰ কৰে। বিহাৰ আৰু নাইনিতালৰ ফালৰপৰা বহু পৰিমাণৰ আলু অসমলৈ প্ৰতি বছৰে আমদানি হৈ আছে।

পেটুনিয়া, পিটুনিয়া হাইব্রিদ্রেন পৰিয়াল—চলানেছি
পেটুনিয়া (অসমীয়া—আন্তৰ্জাতিক)
(Petunia) Species–Petunia hybriden
Family–Solanaceae

প্ৰতি বছৰে জাৰকালি উদ্ভাসিত হৈ ফুল ফুলাৰ পাছত আটাইবোৰ গছ মৰি-হাজি নাইকিয়া হোৱা এবিধ পৰদেশী ধাতুজাত ফুল। নাৰ্ছাৰিবিলাকৰ পৰা গুটি মঙ্গাই আনি কিম্বা স্থানীয়ভাৱে গুটি ব্যৱসায়ীৰপৰা ক্ৰয় কৰি পালেঙত পচোৱা হয়। পুলিবোৰে ঠন ধৰি অলপ টনকিয়াল হ'লে ঘূৰণীয়া বা দীঘলীয়া ভেটিত শাৰী শাৰীকৈ ৰোপণ কৰিলে সময়ত একেলগে সৰহীয়াকৈ ফুলৰ পয়োভৰ হয়।

বনগছজোপাৰ ঘাইগছ আৰু লেহুকা ঠানিবিলাকে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ আকৃতি অলপ দীঘলীয়া হয়। ফুলৰ বৰণ সাধাৰণতে বগা হয়। চুঙাপুহীয়া ফুলৰ অগ্ৰভাগে কলমৌ ফুলৰ নিচিনা আকৃতি ধাৰণ কৰে।

ফুলনিবাৰী বা উদ্যান-উপবনৰ দাঁতি-কাষৰীয়া ঠাইত ভেটি তৈয়াৰ কৰি শাৰী শাৰীকৈ পুলি ৰোপণ কৰিলে সুফল পোৱা যায়।

বেঙেনা, চোলানম মেলেংগনা পৰিয়াল—চোলানেছি
বেগুন (বঙালী) হে-বাইগুন (খাচিয়া) বেঙেনা (অসমীয়া) বাণ্ঠে (ৰাভা) হেপি (কাৰ্বি) ফানথাৰ-ফাণ্ঠু (বড়ো)
(Brinjal or Egg Plant) Species–Solanum melangona Family–Solanaceae

এবিধ জোপোহা আকাৰৰ সৰু-ফুটীয়া গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাক মোটা আৰু গোটা হয়। বাকলিৰ বৰণ সেউজীয়া। বাকলিৰ ওপৰত মুগা বৰণৰ চকুৰে ভালদৰে মনিব নোৱৰাবিধৰ খহুৰ নিচিনা দাগ থাকে। নিচেই চুটি চুটি আৰু পাতলীয়াকৈ বগা ধৰণৰ শুং বা নোমৰ প্ৰলেপ এটাই বাকলিৰ ওপৰ ভাগ সামান্যভাৱে ঢাকি ঢাকি ৰাখে। ফলত সেউজীয়া বৰণৰ বাকলিখনৰ ওপৰত কোনোবাই বগা ধূলি ছটিয়াই ৰখা যেন দেখি।

ঠালৰ আগভাগবিলাকত যিবিলাক সেউজীয়া পাত ধৰে সেই পাতবিলাক ঠালৰ ওলোটা ওলোটাফালে জখলা পহীয়াকৈ সজোৱা থাকে। পাতৰ ঠাৰিৰ গুৰিৰ উপৰিভাগৰ পৰা নতুন ঠালৰ কুঁহি ওলাই আহে। পাতৰ আকাৰ থোপোকা হ'লেও ভালেখিনি দীঘলীয়া হয়। দাঁতিভাগ ঢৌৰ নিচিনাকৈ উঠা-নমা কৰি আগৰফালে ক্ৰমে জোঙা হৈ যায় আৰু নিচেই আগভাগত সূক্ষ্মকৌণিকভাৱে শেষ হয়গৈ।

কুঁহিপাতৰ আগভাগবিলাকত ফুল ফুলে। ফুলৰ বৰণ বেঙুনীয়া হয়। চুপহি

ডাঠ আৰু মঙহাল। ফুলৰপৰা যি ফল ধৰে সেই ফল মঙহাল। গুটি ভিতৰত হয়। জাত অনুযায়ী বাকলিখনৰ বৰণ বেলেগ বেলেগ হয়। কিছুমান সেউজীয়া কিছুমান বেঙুনীয়া আৰু আন কিছুমান বগা হয়। আকাৰ জাত অনুযায়ী বেলেগ বেলেগ হয়। জাৰকালি ফল বেছি ধৰে। নৈৰ পাৰৰ পলসুৱা মাটিত খেতিয়কসকলে আহল-বহলকৈ ইয়াৰ খেতি কৰে। উত্তম বিধৰ তৰকাৰি হয়।

লাচকচি, ছোলানম্ নাইগ্রম্ পৰিয়াল—চলানেছি পকমৌ, লাচকচি (অসমীয়া) ককমানছি (বঙালী) টেঁপাৰি, মাকই (হিন্দী) Black night-shade (ইংৰাজী) Lachkochi Species–Solanum nigrum Family–Solanaceae

এবিধ সৰু আকাৰৰ বনৰীয়া গছ। য'তে ত'তে ইয়াক দেখিবলৈ পোৱা যায়। মানুহৰ শাক পাচলিৰ বাৰীত ঠায়ে ঠায়ে ইয়াক আপোনা-আপুনি গজা দেখিবলৈ পোৱা যায়। গা-গছ আৰু ডালবোৰ কোমল হয় আৰু তাৰ ওপৰত থকা বাকলিৰ বৰণ সেউজীয়া হয়। গছজোপাৰ গুৰিভাগ বুঢ়া হ'লে অলপ মুগা বৰণ ধাৰণ কৰে। শিপাবোৰ একোছা চুলিৰ দৰে মাটিৰ তললৈ সোমাই যায়। পাতৰ গুৰিভাগত থোপা-থোপে ফুল ধৰে। এই ফুলৰ পৰা যি ফল উৎপন্ন হয় সেই ফলবোৰ আকাৰত ভেকুৰি একোটাতকৈ ডাঙৰ হোৱা দেখা নাযায়। ফলবোৰ কেঁচাতে সেউজীয়া হৈ থাকে। পকিলে তাৰে এবিধৰ বৰণ ক'লা আৰু আনবিধৰ ৰঙা হয়। এই ফুল মুখত দিলে অলপ মিঠা মিঠা লাগে।

গছ বিলাহী, চাইফোমেন্দ্রা বেটাছিয়া পৰিয়াল—ছলানেছি গছ বিলাহী (অসমীয়া) (Tree Tomato) Species–Cyphomendra

হাতী ভেকুৰিৰ নিচিনা এবিধ ওখ বিধৰ চুটি-চাপৰ গছ। মেঘালয়ৰ পৰ্বতীয়া ঠাইত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। তাৰ মানুহে এই জাতৰ দুই-চাৰিজোপা গছ বাৰীত লগাই ৰাখে আৰু সময়ত তাৰ ফলবোৰ ছিঙি আনি তৰকাৰি বনাই খায়হি।

গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকে ধোঁৱাবৰণীয়া ৰং ধাৰণ কৰে। পাতবোৰ আকৃতিত দীঘলীয়া আৰু স্পৰ্শত অলপ খহটা হয়। পাতে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে আৰু আগৰফালে ক্রমে জোঙা হৈ যায়। পাতৰ তলৰ লুটিতকৈ ওপৰৰ লুটি অধিক সেউজীয়া হয়। ফুলৰ বৰণ বেঙুনীয়া হয়। ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেইফলৰ আকৃতি একোটা পোৱাল বেঙেনাৰ নিচিনা হয়।

এইবিধ গছৰ উৎপত্তি স্থান পূৰ্বতে দক্ষিণ আমেৰিকাত আছিল বুলি জনা যায়।

আজিকালি মেঘালয়ৰ পৰ্বতীয়া ঠাইত ই সহজে বিকশিত হৈছে। অসমৰ ভৈয়ামীয়া ঠাইবিলাকে ইয়াৰ বাবে অনুকূল পৰিশেষৰ সৃষ্টি কৰা দেখা নাযায়।

কেপ্‌চিকম, লংকা প্ৰজাতি—কেপ্‌চিকাম ফ্ৰুটিচেঞ্চ পৰিয়াল—চলানেছি

(Capsicum) Species–Capsicum fruticens Family–Solanaceae

এবিধ জলকীয়া গোষ্ঠীৰ উদ্ভিদ। ফলবিলাক আকাৰত গোটা-চানেকীয়া। তৰকাৰি তৈয়াৰ কৰি খাব পাৰি। আমাৰ অসমত এইবিধ জলকীয়া জাতীয় উদ্ভিদৰ উৎপত্তি কম। ভাটিৰফালৰ পৰা আমদানি কৰি অনা ফল বজাৰৰ পৰা কিনি আনি খোৱা হয়।

বিলাহী বেঙেনা, লাইকোচপাৰচিকাম এস্কোলেন্টাম। পৰিয়াল—চোলানেছি। বিলাতী বাণ্ঠু (ৰাভা) ফানঠাও বেলাতী, টেংনা বাংনা (বড়ো)

Tomato Species–Lycopersicum esculentum Family–Solanaceae

বিলাহী বেঙেনা আমাৰ সকলো মানুহে চিনি পায়। এইবিধ সৰু আকাৰৰ আৰু ডাল-পাতবিলাক অলপ লেতুপেতু ধৰণৰ বনজাতীয় উদ্ভিদ। তৰকাৰি আকাৰে খাব পৰা বিধৰ ফল উৎপাদনকাৰী উদ্ভিদ হোৱাৰ বাবে আমাৰ মানুহে শাকনিবাৰীত ইয়াৰ দুই-চাৰিটা পুলি লগাই দিয়ে। গছডালৰ বৰণ সেউজীয়া। পাতবোৰ আঙুলিপহীয়া। পাতৰ ঠাৰিডালৰ ফালৰপৰা পাতৰ লটিকাবোৰ বাহিৰ হৈ ওলায়। ফুলৰ বৰণ পাতল হালধীয়া। ফলবিলাক পকিলে ৰঙা বা হালধীয়া হয়। কেঁচাতে সেউজীয়া হৈ থাকে।

বিভিন্ন আকৃতি আৰু আকাৰৰ ফল উৎপাদন কৰিব পৰা ভালেমান কেইবিধ উপজাতিৰ বিলাহী বেঙেনা দেখিবলৈ পোৱা যায়। আটাইতকৈ ডাঙৰ ফল ধৰা বিধক বৰ বিলাহী মজলীয়া ফল ধৰা বিধক মাজু বিলাহী আৰু নিচেই সৰু সৰু আকাৰৰ ফল ধৰা বিধ বিলাহীক সৰু বিলাহীৰ আখ্যা দিয়া হয়। সৰু বিধ বিলাহীত বিশেষ যতন নালাগে। গুটি পৰি শাকনিবাৰীত নিজে নিজে হয়। বাকী কেইবিধক প্ৰতিপাল কৰিব লাগে। খেতিয়কসকলে বালি-চৰত ডৰাই ডৰাই কৰে। বিলাহীৰ চালাডো ভাল হয়। টমেটো চচ্ সকলোৰে উপভোগ্য।

ভেকুৰি, ছোলানাম ইণ্ডিকাম পৰিয়াল—ছোলানেছি। লোবো হাপি, হেচো (কাৰ্বি) চহ্‌-মংকেন্‌-স্নিং চহ্‌-ভাং (খাচিয়া)

Bhekuri Species–Solanum indicum Family–Solanaceae

এবিধ সৰু আকাৰৰ জোপোহা বন। গা-গছ আৰু ডাল-পাতবোৰ হাকোটাৰ নিচিনা

কাঁইটেৰে ভৰা। বাকলিখন অলপ নিমজ। বৰণত সেউজীয়াকৈ মুগা। তাৰ পৰাও কাঁইট ওলায়। নতুনকৈ ওলাই অহা ঠাল-ঠেঙুলিবিলাক বগা বৰণীয়া আৰু পাতল-চানেকীয়া কোমল শুঙেৰে ভৰি থাকে। এই শুংবোৰ ইমান পাতলীয়া যে ওপৰে ওপৰে লক্ষ্য কৰিলে সেইবোৰক শুং বুলি ধৰিব নোৱাৰি।

পাতবিলাক বেঙেনা পাতৰ দৰে অলপমান থোপোকা, দীঘল পহীয়া আৰু চুটি বিধৰ লটিকাৰে টৌ কটা। পাতৰ তলৰ লুটিতো কাঁইট থাকে। ফুলৰ বৰণ বেঙুনীয়া। এইফুল পূৰঠ হোৱাৰ পাছত গছজোপাত থোকা-থোকে ফল ধৰে। ফলবোৰ কেঁচা অৱস্থাত সেউজীয়া হৈ থাকে আৰু পকিলে হালধীয়া বৰণ ধাৰণ কৰে। কেঁচা ফল মানুহে পাতত দি (কলপাতত টোপোলা কৰি বান্ধি আঙঠাত ভৰাই সিজিবলৈ দি) নিমখ-জলকীয়া মিহলাই ভাতৰ লগত এক প্ৰকাৰ চাট্‌নি খোৱাৰ দৰে খায়। তিতা হ'লেও খাই ভালেই লাগে। পেটৰ কাৰণে ভাল। সৰহীয়াকৈ খাব নোৱাৰি।

হাতী ভেকুৰি, চোলানাম টৰভম্ পৰিয়াল—চোলানেছি আহেছু-আৰং (কাৰ্বি) দিয়েং-চহ্-নাং (খাচিয়া) খেম্-খাটাই-হাপ্‌হাং (কছাৰী) ভিট্-তিতা, হাতী ভেকুৰী (অসমীয়া) কণ্ঠাই ৰাজা (মেচ)

(Hati Bhekuri) Species–Solanum torvum Family–Solanaceae

এবিধ ডাঙৰ বিধৰ ভেকুৰি জাতীয় বনৰীয়া গছ। মাজে সময়ে অকলশৰীয়াভাৱে আৰু কেতিয়াবা কেতিয়াবা কেইবাজোপাও এইবিধৰ গছ দ-চানেকীয়া হাবিত দেখিবলৈ পোৱা যায়। পাতবিলাক ভেকুৰি জাতীয় গছৰ পাতৰ নিচিনা হ'লেও আকাৰত ভালেখিনি ডাঙৰ হয়। গা-গছৰ ডাল টান আৰু মোটা হ'লেও তাৰ উপৰি ভাগত পাতলীয়াকৈ কোমল বিধৰ শুং থাকে।

ফুলৰ বৰণ বগা হয় আৰু এই ফুল পূৰঠ হ'লে যি ফল ধৰে সেই ফল আকাৰত ঘূৰণীয়া হয়। প্ৰত্যেকটো ফলৰ গুৰিভাগ ডাঠ আৰু মঙহাল। চুপহিখনৰ ভিতৰৰ কালে ঠাৰিৰ আগভাগৰ সহায়ত সহজে এৰাই যাব নোৱৰাকৈ লাগি থাকে। পকিলে হালধীয়া হ'লেও কেঁচাতে এই ফলবোৰৰ বৰণ সেউজীয়া হৈ থাকে। বেঙেনাৰ দৰে ভিতৰত গুটি ধৰে। জাৰকালি ফল ধৰে। সেইফল খোৱাৰ উপযুক্ত নহয়।

সৰিয়হ, ক'লা সৰিয়হ, ব্ৰাচিকা নাইগ্ৰা বগা সৰিয়হ বাচিকা আলবা পৰিয়াল—ক্ৰোচিফেৰি হানজাং (কাৰ্বি) বেচৰ, বেহৰ (ৰাভা)

(Mustard) Species– Brassica nigra Brassica alba Family–Cruciferae

নিচেই সৰু সৰু আকাৰৰ ঘূৰণীয়া গুটি ধাৰণ কৰা লাই শাক গোষ্ঠীৰ এবিধ বছেৰেকীয়া খেতিৰ উপযোগী উদ্ভিদ।

ইয়াৰ দুটা জাত আছে। এটা জাতক ক'লা সৰিয়হ আৰু আনটো জাতক বগা সৰিয়হ নামেৰে অভিহিত কৰা হয়। ক'লা সৰিয়হৰ গুটি পেৰি মিঠাতেল উলিওৱা হয় আৰু এই মিঠাতেল তৰকাৰি, ভাজি আদি তৈয়াৰ কৰা কামত মাধ্যম হিছাপে ব্যৱহাৰ কৰা হয়। সেইবাবে অৰ্থনৈতিক আৰু ব্যৱহাৰিক দৃষ্টিকোণৰ ফালৰ পৰা এইবিধ বছেৰেকীয়া ফচলৰ মূল্য অত্যন্ত বেছি। বগা সৰিয়হ মছলা হিছাপে আচাৰ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

সৰিয়হৰ ফুলবোৰ হালধীয়া হয়। সেইবাবে খৰালি মহীয়া সৰিয়হৰ খেতি কৰা পথাৰবোৰ আকৰ্ষণীয়ভাৱে বিতোপন হৈ পৰে।

ওলকবি, পৰিয়াল—ক্ৰুচিফেৰি
Knolkhol Species–Brassica caulorapa Syn Uleracea Caulorapa Family–Cruciferae

তৰকাৰি হিছাপে ব্যৱহাৰ কৰিব পৰা খাদ্যোপযোগী ফচলবিলাকৰ ভিতৰত ওলকবিক অন্যতম বুলি গণ্য কৰিব পাৰি। এইবিধ বছেৰেকীয়া উদ্ভিদে খাদ্য সামগ্ৰীৰ যোগান ধৰাত প্ৰচুৰ অৰিহণা যোগায়। গা-গছডালৰ গুৰি অংশ আৰু শিপাৰ উপৰিভাগে সুকোমল অংশ হিছাপে প্ৰচুৰ খাদ্য সামগ্ৰী ধাৰণ কৰে। ওলকবিৰ তৰকাৰি বনাই খোৱা হয়। সেইবাবে অৰ্থনৈতিক আৰু ব্যৱহাৰিক দৃষ্টিকোণৰ ফালৰ পৰা এই বিধ খেতি কৰা উপযোগী ফচলৰ যথেষ্ট মূল্য আছে।

ওলকবিৰ পাতৰ ঠাৰিবোৰ মঙহাল হয়। কবিটোৰ ওপৰিভাগৰ পৰা এই পাতবোৰ ওলাই আহে। ঠাৰিৰ আগভাগে বহুমুখী আকাৰ-আকৃতিৰ কোমল-আমল পাতবোৰ ধাৰণ কৰে। কুমলীয়া পাতবোৰো তৰকাৰি বনাবৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

মেৰলাই, ব্ৰাছিকা ৰোগছা পৰিয়াল—ক্ৰোচিফেৰি
Merlai Species–Brassica rugosa Family–Cruciferae

এবিধ ডাঙৰ আকাৰৰ লাই শাক জাতীয় উদ্ভিদ। এইবিধ লাই শাকৰ পাতবোৰে প্ৰকাণ্ড প্ৰকাণ্ড ৰূপ ধাৰণ কৰে। ঠিক সেইদৰে ইয়াৰ পাতৰ ঠাৰিবোৰো প্ৰকাণ্ড আৰু মঙহাল হয়। শাকনিবাৰীত মাটি তৈয়াৰ কৰি এইবিধ শাকৰ গুটি সিঁচি দিলে অসংখ্যা পুলিৰ উৎপত্তি হয়। আকাৰত এইবিধ লাই শাকৰ গছ ডাঙৰ হোৱাৰ বাবে কোনো কোনো খেতিয়কে পুলিবোৰ উঠাই নি কবি পুলিৰ দৰে শাৰী শাৰীকৈ ৰুই দিয়ে। এই লাই সময়ত ডাঙৰ হ'লে পাতবোৰ ঠাৰিৰে সৈতে খিলা খিলাকৈ ভাঙি নি তৰকাৰী বনাই খাব পাৰি। কেইজোপামান লাই শাকৰ পাতবোৰ এইদৰে ছিঙি ছিঙি আনি বহুত দিনলৈ ঘৰৰ ঘৰুৱাহিয়ে খাব পাৰে। অন্য শাক পাচলিৰ অভাৱত

এই লাই শাক কেইজোপাই তাও মাৰে।

ফুলবিলাকে শেঁতা ধৰণৰ হালধীয়া বৰণ ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে দীঘল-চানেকীয়া ছেই ধৰে। ছেইৰ ভিতৰত সৰিয়হৰ নিচিনা গুটি ধৰে।

মূলা, ৰাফানছ চেটাইভাছ পৰিয়াল—ক্ৰুছিফেৰি
Raddish Species–Raphanus sativus
Family–Cruciferae

শস্যক্ষেত্ৰ কিম্বা শাকনিবাৰীত প্ৰতিবছৰে লগোৱা এবিধ শাক জাতীয় ঘৰচীয়া উদ্ভিদ। দীঘল-চানেকীয়াকৈ কোমল ধৰণৰ পাতবোৰ আকৃতিত লাই শাকৰ পাতৰ নিচিনা হয়। মূলশিপাডাল মঙহাল হৈ দীঘলীয়াভাৱে প্ৰকাণ্ড ৰূপ ধাৰণ কৰে। শিপাৰ পৰা উৎপন্ন হোৱা এই দীঘলীয়া টেপুটোকে মূলা বুলি কোৱা হয়। মূলাৰ বৰণ সাধাৰণতে ৰঙচুৱা হয়। কিছুমান জাতৰ মূলাই বগা ৰূপ ধাৰণ কৰে। এই মূলাৰে নানা বিধৰ তৰকাৰি বনাই খাব পাৰি। কেঁচাই কেঁচাইও খাব পাৰি।

গছজোপা পূৰঠ হ'লে ফুলধৰা ঠাৰিৰ আগত থোপা-থোপে ফুলৰ উৎপত্তি হয়। ফুলৰ পাহিবোৰে অলপ মাখন বৰণ ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে দীঘলীয়া ছেই ধৰে। ছেইৰ ভিতৰত সৰু সৰু গুটিৰ উৎপত্তি হয়।

সাৰুৱা মাটিত কিম্বা পলসুৱা ঠাইত ডৰা ডৰাকৈ মাটি চহাই মূলাৰ গুটি সিঁচি দিব পাৰি।

সৰুলাই, ব্ৰাছিকা টোৰিয়া পৰিয়াল—ক্ৰাচিফেৰি
Soru Lai Species–Brassica toria Family–Cruciferae

এই বিধ লাই শাক আকাৰত অন্যান্য জাতৰ লাই শাকৰ তুলনাত সৰু হয়। শাকনিবাৰীৰ কোনো এঠাইত মাটি চহ কৰি ইয়াৰ গুটিবোৰ সিঁচি দিয়া হয়। অলপ-অচৰপ পানী মাজে সময়ে ছটিয়াই দিলে গুটিবোৰ গজি পুলি ওলাবলৈ আৰম্ভ কৰে আৰু অতি কম দিনৰ ভিতৰতে পুলিবোৰ লহপহকৈ বাঢ়ি এডৰা লাই শাকৰ উৎপত্তি হয়। কুমলীয়া অৱস্থাতে শাকনিৰ পৰা শিপাৰে সৈতে কিছুমান পুলি উঠাই আনি ঠাৰিয়ে সৈতে পাতবোৰ ভাজি খাবলৈ ভাল লাগে। প্ৰথম অৱস্থাত গজা পুলিৰ ভাজিখন খাবলৈ বেছ উপাদেয় হয়। পাছত এৰণীয়া পুলিবোৰৰ ভাজিখন খাবলৈ তিতিকি তিতিকি লাগে।

থোপা-থোপে ফুলা ফুলবোৰৰ পাহিয়ে হালধীয়া ৰং প্ৰদৰ্শন কৰে। ফুলবোৰ পূৰঠ হ'লে সৰিয়হৰ নিচিনা সৰু সৰু ছেই ধৰে। এই ছেইৰ ভিতৰত সৰু সৰু গুটিৰ উৎপত্তি হয়।

বন্ধাকবি, ব্ৰাছিকা বুলকেটা অলিৰাছিয়া বুলকেটা পৰিয়াল—ক্ৰুছিফেৰি পা-কাট্-আ (টাই-আহোম)
(Cabbage) Species–Brassica bullcata Syn. Oleracea bullcata Family–Cruciferae

আঞ্জা তৈয়াৰ কৰি খাব পৰা এবিধ শাক জাতীয় ঘৰচীয়া উদ্ভিদ। ইয়াৰ গুৰিডোখৰ মোটা-চানেকীয়া হয়। মূলশিপা আৰু শাখাশিপাৰ আঁহবিলাকে গছডালক মাটিত খামোচ মাৰি ধৰি ৰাখে। গুৰিৰ বাকলিৰ উপৰিভাগ সেউজীয়া হয়। বাকলিৰ ভিতৰৰফালে থকা আঁহযুক্ত আবৰণে কোমল-চানেকীয়া ডিলাডাল আবৰি থাকে। গা-গছৰ পৰা যিবোৰ পাতৰ উৎপত্তি হয় সেইবোৰ পাত ঘন ঘন আকাৰে মেৰ খাই একোটা ঘূৰণীয়া বলৰ আকৃতি ধৰে। বন্ধাকবিটোৰ ভিতৰৰফালে থকা কুমলীয়া পাতে উৎকৃষ্ট আঞ্জাৰ সমল যোগায়। গছজোপা পূৰঠ হ'লে মূল ঠাৰিৰ আগত ফুলৰ দীঘল দীঘল ঠাৰি ধৰে। লাইশাকৰ দৰে সেই ঠাৰিৰ আগত পুষ্পগুচ্ছৰ উৎপত্তি হয়। ফুলৰ বৰণ হালধীয়া-চানেকীয়া হয়। ফুল পূৰঠ হ'লে দীঘলীয়া ছেই ধৰে। তাৰ ভিতৰত সৰু সৰু গুটিৰ উৎপত্তি হয়।

সাধাৰণতে নাৰ্ছাৰি কিম্বা গুটি ব্যৱসায়ী দোকানৰ পৰা গুটি আনি ভাদ-আহিন মাহত কাঠৰ বাকচ কিম্বা পালেঙত পচোৱা হয়। পুলি দুপতীয়া হ'লে খুলি খান্দি খান্দি তৈয়াৰ কৰা শাকনিবাৰীত শাৰী শাৰীকৈ লগোৱা হয়। নৈৰ পাৰৰ পলসুৱা মাটিত কিম্বা অন্যান্য ঠাইৰ সাৰুৱা মাটিত কোনো কোনো কৃষকে বহু পৰিমাণৰ বন্ধাকবি একেলগে লগাই লাভবান হয়।

কেণ্ডিটাফ্‌ট, আইবেৰিচ চেমিপাৰ্ভিৰেণ্ছ্ ক্ৰুচিফেৰি
(Candituft) Species–Iberis semipervirens Cruciferae

এবিধ ঋতুজাত বছেৰেকীয়া ফুল জাতীয় উদ্ভিদ। ইয়াৰ গুটি নাৰ্ছাৰি বা অন্যান্য গুটি ব্যৱসায়ীৰ পৰা ক্ৰয় কৰি আনিলে। থোপা-থোপে বগা বৰণৰ আকৰ্ষণীয় ফুল ফুলে। অন্যান্য জাতৰ বছেৰেকীয়া ফুলৰ দৰে এইফুল ফুল জাতীয় উদ্ভিদ মানুহে ফুলনিবাৰী বা উদ্যানত শাৰী পাতি পাতি লগাই দিয়ে। সৰহীয়াকৈ লগোৱা ফুলগছবোৰে থোপা-থোপে ফুল ধৰিলে অনুপম সৌন্দৰ্য্য সৃষ্টি হয়।

ডেণ্ড্ৰবিয়াম, ফেল্‌কনেৰি
Species–Dendrobium felconeri Family– Orchidaceae

এবিধ পাতলীয়া বিধৰ ডেন্ড্ৰাবিয়াম অৰ্কিড। ঠাৰিডাল লতাৰ নিচিনাকৈ পাতলীয়া হোৱাৰ বাবে এইবিধ অৰ্কিৰ্ড ধাৰণ কৰা গছ-জোপাৰ ডালৰপৰা ওলমি থকা দেখা যায়। এইদৰে ওলমি থকা

জোপাটোক ওপৰে ওপৰে লক্ষ্য কৰিলে এজোপা ঘাঁহ জাতীয় উদ্ভিদৰ নিচিনা লাগে। ঠাৰি ডালৰ ওপৰত জোৰা জোৰাই একো একোটা ওখহা বিধৰ আমলখি গুটিয়া গাঁঠি থকাৰ বাবে গছ-জোপাই এক প্ৰাকৃতিক বিস্ময়ৰ জলন্ত উদাহৰণ চকুৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হয়। পাতবিলাক তেনেই সৰু আৰু ঠেক হয়। পাত নথকা ঠাৰি গাঁঠিবোৰত গাইগুটীয়াভাৱে এটিয়াকৈ অনুজ্জ্বল বিধৰ বগা বৰণৰ ফুল ধৰে। ফুলৰ পাহিৰ ভিতৰলৈ যিটো অংশ কেঁচীয়াভাৱে সোমাই এক প্ৰকাৰৰ গহ্বৰৰ আকাৰ ধাৰণ কৰে সেই গহ্বৰৰ মুখ আৰু ভিতৰ ভাগৰ বৰণ চকলেট্ বা পাৰ্প্ৰ্‌ল হয়। ইয়াৰ দুয়ো কাষে দুটা কমলা বৰণীয়া ফুট থাকে। সন্মুখৰফালে বহল চানেকীয়া আৰু বগা বৰণৰ পাৰি এডাল থাকে।

এইবিধৰ অৰ্কিড ফুল কোনো কোনো উদ্যোগী মানুহে ওলোমা টুকুৰীত প্ৰতিপাল কৰি ঘৰত সন্মুখভাগত থকা বাৰাণ্ডাত সজায়হি।

ডেন্দ্ৰবিয়াম, ফিম্ব্ৰিয়েটাম
Species–Dendrobium fimbriatum Family –Orchidaceae

ডেন্দ্ৰেবিয়াম ফৈদৰ হালধীয়া বৰণীয়া ফুল ধাৰণ কৰা যিমানবিলাক অৰ্কিড আছে সেই আটাইবিলাকৰ ভিতৰত ডেন্দ্ৰোবিয়াম্ ফিম্ব্ৰিয়াটাম্ নামৰ অৰ্কিৰ্ডৰ ফুলবিলাকেই আটাইতকৈ দেখনিয়াৰ বুলি গণ্য কৰিব পাৰি। একেজোপা অৰ্কিড ধাৰণ কৰা গছৰ ডালবোৰত যদি বহুতো সংখ্যক এই জাতৰ অৰ্কিডে থান-থিত লয় তেতিয়া পুষ্প ধৰিবৰ সময়ত গোটেইজোপা ধাৰক গছ অতিশয় মোহনীয় হৈ পৰে। ওলোমাই ৰাখিব পৰা বাঁহ-কাঠৰ টুকুৰি কিম্বা মাটিৰ বাচনত লগোৱা অৰ্কিডেও অভূতপূৰ্বভাৱে পুষ্প ধাৰণ কৰি দৰ্শনৰ মনোৰঞ্জন কৰিব পাৰে।

গছজোপাৰ ঠাৰিডালৰ গুৰিডোখৰ ডাঙৰ আৰু আগৰফালে ক্ৰমে সৰু হৈ যোৱা হয়। গছডাল হাউলি নোযোৱাকৈ থিয় হৈ থাকে আৰু একেটা জোপাৰ মুঢ়াৰপৰা কেইবাডালো গা-গছ ওলাই ওলাই আহে। পাতবিলাক দীঘলীয়া আৰু আগৰফালে জোঙা হয়। এই পাতবিলাক গা-গছৰ ডালৰ গুৰিভাগৰ পৰা ওলাই নাহে। মাজভাগমানৰ পৰা পাতবিলাক ওলায়।

ফুলবিলাকৰ বৰণ উজ্জ্বল হালধীয়া হয়। ফুলপাহৰ ওঁঠৰ বৰণ তিৰবিৰীয়াকৈ ৰঙা হোৱাৰ উপৰিও তাৰ কিনাৰে কিনাৰে সজোৱা এটা পাৰি থাকে। এইবিধ অৰ্কিড মেঘালয়ৰ পৰ্বতীয়া ঠাইবিলাকৰ বাহিৰেও অসমৰ ভৈয়াম অঞ্চলৰ গছ-গছনিবিলাকৰ কিছুমানক আশ্ৰয় কৰি বাস কৰা দেখিবলৈ পোৱা যায়।

চিম্বিদিয়াম, জাইগানটিয়াম
Cymbidum gigantium
Family–Epidendreceae

এইবিধ চিম্বিদিয়াম ফৈদৰ অৰ্কিড ফুল নেপাল, ভুটান আৰু মেঘালয়ৰ খাচিয়া পাহাৰত পোৱা যায়। ধুনীয়া আৰু বিচিত্ৰ আকাৰৰ অৰ্কিড ফুল ধাৰণ কৰিব পৰা বাবে এইবিধ অৰ্কিডকো অৰ্কিডপ্ৰেমীসকলে বৰ আদৰ কৰে।

ইয়াৰ গুৰিত ডাঙৰ আকাৰৰ যিটো কৃত্ৰিম শিপা-আলু হয় সেই আলুটোকে কেন্দ্ৰ কৰি চাৰিওফালে দীঘল দীঘল পাতবোৰ ফেৰমেলি মেলি ওলাই আছে। পাতবিলাক যথেষ্ট দীঘল হয় আৰু প্ৰত্যেক খিলা পাতকে একো একোখন তৰোৱাল যেন দেখি। পাতৰ উপৰিভাগৰ বৰণ উজ্জ্বল কলপতীয়া হয়। বসন্ত কাল যেতিয়া আঁহি পাইহি তেতিয়া ফুল ধৰিবলৈ লোৱা একো একোডাল দীঘল-চানেকীয়া ঠাৰি দাঁতি-কাষৰত থকা পাতৰ গাঁঠিৰ ওপৰভাগৰ পৰা ওলাই আহে। প্ৰত্যেকডাল ফুলৰ ঠাৰিত এটা বা দুটাতকৈ বেছি ফুল ফুলা দেখা নাযায়। প্ৰত্যেক পাহ ফুল অৱশ্যে আকাৰত ডাঙৰ হয়, ফুলৰ বৰণ বগা আৰু এই ফুল সুগন্ধি হয়।

লিপ্ বা ওঁঠৰ ওপৰভাগ দীঘলীয়া হয় আৰু এইভাগৰ বৰণ উজ্জ্বল হালধীয়া হয়। এইবিধ অৰ্কিডৰ ফুলি থকা ফুলবোৰ মৰহি নোযোৱাকৈ প্ৰায় তিনি সপ্তাহ সময় সজীৱ হৈ গছতে লাগি লাগি থাকে।

ফেয়াচ, ৱালিচিয়াই
Species–Phaius wallichii

এইবিধ এবিধ মৃত্তিকাবাসী অৰ্কিড। আন ভাষাত ক'বলৈ হ'লে এইবিধ অৰ্কিড মাটিত ক'ৰবাৰপৰা কেনেবাকৈ গুটি পৰি উৎপত্তি হয় আৰু মাটিৰপৰা আৱশ্যকীয় খাদ্য সামগ্ৰী আহৰণ কৰি জীৱন ধাৰণ কৰে। ইয়াৰ মূঢ়া বা কৃত্ৰিম শিপা-আলুবিলাক বৰ বেছি ওখ নহয়। পাতবোৰ অলপ ডাঠ আৰু দীঘলীয়া হয়। ফুলৰ ঠাৰিবোৰ বহন কৰি থকা ঠাৰিডাল ভালেখিনি দীঘল হয় আৰু এই ঠাৰিডালৰ চাৰিওফালে ওলোটা-ওভতাকৈ ফুলবোৰ ধৰি থাকে। ফুলৰ ভিতৰফালে মুগা বৰণৰ হয় আৰু বাহিৰফালৰ বৰণ বগা দেখা যায়। আগফাললৈ থকা লটিকাৰ মুখখনৰ বৰণ ৰঙাকৈ বেঙুনীয়া হয়। দাঁতিৰ ভাগ ক্ৰমে বগা আৰু তাৰ পাছত হালধীয়া হোৱা দেখা যায়।

অসমত থকা পৰ্বতীয়া ঠাইৰ নামনি ভাগত যিবোৰ খলা-বমা ঠাই আছে তেনেবোৰ চেঁচুকীয়া ঠাইতে এইবিধ অৰ্কিড দেখিবলৈ পোৱা যায়।

ৰিংক'ষ্টাইলিচ ৰেটুচা
Species–Rhyncostylis retusa
Family–Vandeae

এইবিধ অৰ্কিড ফুলৰ থোকবোৰৰ লগত এৰিদিচ্ মাল্টিফ্লৰাম্ জাতীয় অৰ্কিডৰ ফুলৰ থোকৰ লগত ভালেখিনি সামঞ্জস্য

থকা দেখিবলৈ পোৱা যায়। ইয়াৰ গা-গছৰ ঠাৰিডাল বেছ মোটা আৰু ডাঠ হয়। পাতবিলাকৰ আকাৰ আৰু চেহেৰা এনেকুৱা ধৰণৰ হয় যে সেইবোৰ কাটি পেলোৱা গছৰ শুকাই যাবলৈ আৰম্ভ কৰা পাত যেন অনুমান হয়। তদুপৰি পাতৰ আগডোখৰ অলপ কেঁচীয়াকৈ এখন দা বা কটাৰিয়ে ছেও দি কাটি পেলোৱা দেখা যায়। পাতৰ তলৰ লুটি অলপ শেঁতা পৰাৰ নিচিনা লাগে আৰু ওপৰৰ লুটিত বহুতো হালধীয়া বৰণৰ দীঘল দীঘল ৰেখা থকা যেন লাগে।

জুন-জুলাই মাহত এইবিধ অৰ্কিডৰ ফুল ফুলিবলৈ ধৰে। এইবিধ অৰ্কিডৰ গছ ধাৰণ কৰা গছজোপাৰ যেতিয়া বহুত ফুল একে সময়তে ফুলে তেতিয়া গছজোপা দেখিবলৈ অতিশয় মনোমোহা হৈ পৰে।

মেঘালয়ৰ খাছিয়া পাহাৰ জিলাত এইবিধ অৰ্কিডৰ উৎপন্ন হোৱা দেখা যায়।

ডেন্দ্ৰবিয়াম পাইৰাৰ্দিয়াই
Species–Dendrobium pierardii

অৰ্কিড ফুলৰ যিমানবিলাক বিভিন্ন প্ৰজাতিৰ উদ্ভিদ অসম আৰু অসমৰ ওচৰ-চুবুৰীয়া ৰাজ্যকেইখনত আছে সেইবিলাকৰ ভিতৰত ডেন্দ্ৰোবিয়াম্ পাইৰাৰদিয়াই নামৰ অৰ্কিড বিশেষকৈ বেছি সহজে য'তে ত'তে উপযুক্ত গছৰডালত দেখিবলৈ পোৱা যায়। তদুপৰি ডেন্দ্ৰোবিয়াম "জীন" বা "জীনছ"ৰ অন্তৰ্গত লিষ্টিভুক্ত কৰা অৰ্কিডবিলাকৰ ভিতৰত এইবিধ অৰ্কিডককে বেছি পৰিমাণে ভৈয়ামৰ হাবি-বননিবিলাকৰ গছৰ ডালত ওলমি থকা দেখা যায়।

আজাৰ গছৰ ডালবিলাক এইবিধ অৰ্কিডে বেছি পছন্দ কৰে। সেই কাৰণে চ'ত বহাগ মহীয়া যেতিয়া আজাৰ গছে পাত সলাই নতুন কুঁহিপাত মেলিবলৈ ধৰে ঠিক সেইখিনি সময়তে এই জাতৰ অৰ্কিডবিলাকেও গছৰ ডালত অকস্মাতে ভুমুকি মাৰিবলৈ আৰম্ভ কৰে। সৰহ পৰিমাণৰ অৰ্কিড গছ একেজোপা গছতে কিম্বা ওচৰা-উচৰিকৈ থকা গছবিলাকত থাকি ফুলিবলৈ আৰম্ভ কৰিলে দেখিবলৈ বৰ ভাল লাগে।

একেজোপা অৰ্কিডৰ দীঘলীয়া ঠালৰ ছালত বহুতো ফুল একেলগে ফুলে। বৰণত ফুল আৰু বেঙুনীয়াৰ সানমিহলি বুলি কোৱা হয়।

চিম্বিদিয়াম জাইগানটিয়াম
Cymbidium gigantium
Family–Epidendereae

চিম্বিয়াম ফৈদৰ অৰ্কিডবিলাকৰ চিম্বিদিয়াম জাইগাণ্টিয়াম্ নামৰ অৰ্কিডবিধৰ নিজস্ব বৈশিষ্ট্য আছে। এইবিধ অৰ্কিডৰ গুৰিভাগত থকা চিউদো ষ্টেম্ বা কৃত্ৰিম গা-গছডাল বৰ মজবুত হয়। গা-গছৰ ঠাৰিডাল পাতৰ গুৰিভাগত থকা তৰোৱালৰ খাপৰ নিচিনা আৱৰণখনে

ঢাকি ৰাখে। দীঘলীয়া আকাৰৰ পাতবিলাককো এখন এখন তৰোৱালৰ নিচিনাই দেখা যায়। ফুল ধৰা ঠাৰিডাল পাত একোখনৰ সমানেই দীঘল হ'ব। ফুলবিলাক আকাৰত মজলীয়া আৰু সেৰেঙা সেৰেঙকৈ থকা বিধৰ। ফুলৰ বৰণ হালধীয়া হয় আৰু সেই হালধীয়া ৰঙৰ ফুলপাহ মুগা বৰণৰ থিয় হৈ থকা বিধৰ ৰেখা কিছুমান থকা দেখা যায়। লিপ্ বা ওঁঠটো তলমুৱা হৈ থাকে আৰু ইয়াৰ কিনাৰৰফালে হালধীয়া বৰণৰ দাগ থাকে। তাৰ কিনাৰৰফালে ৰঙা বৰণৰ ৰেখা থকা দেখা যায়। চুপহিৰ বাহিৰফালে সেউজীয়া বৰণৰ সামান্য আভাস থাকে।

যিবিলাক পৰ্বতৰ উচ্চতা বৰ বেছি নহয় তেনেকুৱা ঠাইত থকা গছ-গছনিবিলাকতে এই জাতীয় অৰ্কিড থকা দেখিবলৈ পোৱা যায়। গছৰ ধোন্দ, দুটা ডালৰ মাজত গঠন হোৱা কেৰেপনি বা গা-গছডালৰ অন্যান্য ঠাইত পচা সামগ্ৰী গোট খাই থাকিলে এইবিধ অৰ্কিডে তাতে আপোনা-আপুনি গুটি পৰি গজি লহপহকৈ বাঢ়িবলৈ ধৰে।

চিম্বিদিয়াম ডেভনিয়ানাম
Species–Cymbidium devonianum
Family–Epidendereae

অৰ্কিড জাতীয় উদ্ভিদ। এইবিধ অৰ্কিড দেখিবলৈ ইমান ধুনীয়া হয় যে গছজোপা পুষ্পিতা নোহোৱাকৈয়ে মাটিৰ পাত্ৰ বা ওলোমাই ৰাখিব পৰা টুকুৰিত সজাই ৰাখিব পাৰি। কৃত্ৰিম শিপা-আলুৰ ঠাৰিডাল তেনেই চুটি ধৰণৰ। দীঘল আকাৰৰ দুটা বা তিনিটা পাত এই ঠাৰি ডালৰ গুৰিভাগৰপৰা ওলাই আহে। পাতখিলাৰ ওপৰ অংশ অলপ বহল হয় আৰু গুৰিৰফালে লাহে লাহে ঠেক্ হৈ হৈ গৈ গুৰিভাগত লোৰ থকা ঠাৰিডালৰ আকাৰ লয়গৈ।

ফুলৰ থোকাবোৰ এডাল দীঘল নলাত একাদিক্ৰমে সজোৱা থাকে। এইদৰে ফুলি থকা ফুলৰ থোকা একোটাৰ দৈৰ্ঘ্য গছজোপাৰ একো একো খিলা পাতৰে সৈতে প্ৰায় সমান হোৱা দেখা যায়। এইবিধৰ অৰ্কিড সজাই ৰখা পাত্ৰটোৰ চাৰিওফালৰপৰা থোকা থাকে। ফুলি থকা অৰ্কিড ফুলবোৰ ওলমি ওলমি থাকিলে দেখি বৰ ভাল লাগে। ঠাৰিডালত ফুলবিলাক ঘন ঘন কৈ হয়। ফুলৰ বৰণ ক্ৰোনো ক্ষেত্ৰত মুগা আৰু কোনো ক্ষেত্ৰত ৰঙচুৱা হয়। চুপহি আৰু পাহিবোৰত ফুটুকা-ফুটুকি দাগ থাকে। বগা বৰণীয়া লিপ্ বা ওঁঠত ক'লা বৰণৰ ৰেখা থাকে আৰু গুতিডোখৰ ৰঙচুৱা হয়। মেই-জুন মাহত ফুলে। মেঘালয়ত খাচিয়া পাহাৰ জিলাত পোৱা যায়।

(ব্লু ভেন্দা), ভেন্দা টেৰেচ
(Blue Vanda), Vanda teres

ব্লু-ভেন্দা অতি মনোমোহা অৰ্কিড। সেইবাবে অৰ্কিড প্ৰিয় মানুহবিলাকে এইবিধ অৰ্কিডক বৰ আদৰ কৰে আৰু তাৰ সঁচ বিচাৰি বিচাৰি আনি ঘৰত ৰাখেহি। বৈজ্ঞানিকৰ ভাষাত এইবিধ অৰ্কিডক ভেন্দা টেৰেছ বুলি কোৱা হয়। এইবিধ অৰ্কিডৰ নিচিনাকৈ নীলা বৰণীয়া ফুল ধৰা অৰ্কিড সহজে পোৱা টান। আমাৰ দেশত নাই বুলিয়েই ক'ব পাৰি।

এইবিধ অৰ্কিডৰ গা-গছৰ ঠাৰিডাল ওখই ১ ফুটৰপৰা ২ ফুটৰ ভিতৰত সাধাৰণতে দেখিবলৈ পোৱা যায়। ঠাৰিডাল বেছ মজবুত হয় আৰু ইয়াৰ দুয়ো কাষৰ পৰা দুশাৰী পাত ওলাই অহা দেখা যায়। পাতৰ বৰণ গভীৰ সেউজীয়া। প্ৰত্যেকখিলা পাতৰ আগভাগ সামান্যভাৱে দ্বিখণ্ডিত হৈ থকা যেন দেখি। যিডাল ঠাৰিৰ আগভাগত ফুল ধৰে সেই ঠাৰিডাল পাতবোৰতকৈ বহুতখিনি দীঘল হৈ থাকে। একো একোডাল ঠাৰিত কেইবা পাহো নীলা ৰঙৰ ফুল ফুলে। তাৰে ভিতৰত কোনো কোনো ফুলৰ পাহিৰ বৰণ গভীৰ নীলা আৰু কোনো কোনো ফুলৰ ক্ষেত্ৰত ৰং অলপ পাতলীয়া হোৱা দেখা যায়।

এইবিধ অৰ্কিড ভৈয়াম অঞ্চলত সাধাৰণতে দেখিবলৈ পোৱা নাযায়। সাধাৰণতে ঠাণ্ডা হাওৱাৰ পৰিবেশতহে ইয়াক পোৱা যায়।

সুগন্ধি কপৌ ফুল, এৰিদিচ অদৰেটম অৰ্কিডেচি
(Kopou Phul orchid) Species–Aerides odoratum Family–Orchidaceae

এবিধ অসমীয়া ভাষাত কপৌফুল নামেৰে পৰিচিত সুগন্ধি অৰ্কিড। বহাগ-জেঠ মাহত এইবিধ অৰ্কিড গছৰ ডালত ৰমক-জমক হৈ ফুলি বিতোপন ৰূপ ধাৰণ কৰে। অসমৰ গাঁৱে-ভুঞে বাসকৰা গাভৰুসকলে বিহু নাচিবলৈ যাওঁতে অথবা আপোন মানুহ কিম্বা অন্যান্য ওচৰ-চুবুৰীয়াৰ ঘৰলৈ সৌজন্যমূলক ভ্ৰমণৰ বাবে যোৱা হয় তেতিয়া এইবিধ অৰ্কিডৰ ফুল — মূৰত গুজি ল'বলৈ বৰ ভাল পায়।

ফুলাম কপৌফুল, জাতীয় অৰ্কিড এৰিদিছ মলটিফ্লোৰম পৰিয়াল—অৰ্কিডেচি
(Kopow Phul Orchid – varity) Species–Aerides multiflorum Family–Orchidacee

বহাগৰ ৰঙালী বিহুত বিহুনাচ কৰাৰ সময়ত আৰু অন্যান্য মিতিৰ-কুটুম বন্ধু-বান্ধৱীৰ ঘৰলৈ যাওঁতে গাঁৱৰ গাভৰু-বোৱাৰীৰ মূৰত গুজা বিতোপন ফুলৰ থোপা পিন্ধিব পৰা ফুল ধৰা আন এবিধ কপৌফুল নামৰ অৰ্কিড।

এলোমিনিয় প্লেন্ট, পাইলিয়া কেদিয়েৰি আৰটিকেচি
Aluminium Plant Species–Pilea cadieri
Family–Urticaceae

গ্ৰীক ভাষাৰ পাইলিয়া শব্দৰ পৰা এইবিধ উদ্ভিদৰ বৈজ্ঞানিক নামৰ উৎপত্তি হৈছে। পূৰ্বতে এই বিধ আলংকাৰিক উদ্ভিদ ভিয়েটনামত পোৱা গৈছিল। আজিকালি অসমৰ প্ৰায় সকলো ঠাইৰ মানুহে ইয়াক গামলাত আলফুলকৈ লগাই আদৰ কৰে।

এক প্ৰকাৰ কণীৰ আকাৰ তাকাৰিক। পাতধাৰী সৰু আকাৰৰ উদ্ভিদডালে মনোমোহা ৰূপ ধাৰণ কৰে। মাজে সময়ে ঠাল-ঠেঙুলি ছিঙি প্ৰতিপাল কৰি ৰাখিলেহে গছ বনডালে আলংকাৰিক ৰূপ ধাৰণ কৰে।

নগাহাবি, চেটাৰিয়া পামিফলিয়া পানিকম প্লিকেটম পৰিয়াল— গ্ৰামিনি
Noga Habi Species–Setaria palmifolia Synonym– Panicum plicatum Family–Gramineae

বন-জঙঘলৰ মাজত বনৰীয়াভাৱে উৎপত্তি হোৱা এবিধ ঘাঁহজাতীয় উদ্ভিদ। কোনো কোনো পৰ্বতীয়া জনজাতীয় লোকে ইয়াক ঘৰচোৱা কামত ব্যৱহাৰ কৰে।

কানা বা সৰ্বজয়া কানা ইন্দিকা কেনেছি
Cana Species–Cana indica Family– Canaceae

শাৰী শাৰীকে ফুলনিবাৰী অথবা বেৰা আদিৰ কাষত লগোৱা এবিধ আকৰ্ষণীয় ফুল ধৰা আলংকাৰিক উদ্ভিদ। অসমৰ কোনো কোনো মানুহে ইয়াক পাৰিজাত ফুল বুলিও কয়। জাত অনুযায়ী গছবোৰে বেলেগ বেলেগ ৰবণ আৰু গঠনৰ ফুল ধাৰণ কৰে।

কলহী গছ, নেপেনথিচ খাচিয়ানা পৰিয়াল— নেপেনথেপি
Pitcher plant Species–Nepenthes khasiana Family–Nepentheceae

এই বিধ বিচিত্ৰ উদ্ভিদ সাধাৰণতে অসমৰ ভৈয়াম অঞ্চলত স্বাভাৱিক পৰিবেশত দেখিবলৈ পোৱা নাযায়। ইয়াৰ ফুলবোৰে কলহ বা টেকেলিৰ আকৃতি ধাৰণ কৰে। ওলোটাই ৰখা ধৰণৰ কলহৰ মুখখন সাধাৰণ এখন ঢাকনিৰ নিচিনা আৱৰণে ঢাকি ৰাখে। কলহৰ ভিতৰত এক প্ৰকাৰৰ ৰসাল পদাৰ্থ থাকে। এই পদাৰ্থত কীট-পতংগ পৰিলে তাৰ মৃত্যু হয়।

গছজোপাই সেই ৰসাল পদাৰ্থ শুহি খাই জীৱন ধাৰণ কৰে। গাৰো পাহাৰৰ বাঘমৰা অঞ্চলত ইয়াক কোনো ঠাইত দেখিবলৈ পোৱা যায়।

দীঘলতি বা দীগলতি, লিট্‌চিয়া চেলিছিফলিয়া পৰিয়াল—লৰেছি
(Digloti) Species–Litsea salicifolia Family–Lauraceae

এবিধ সৰু বা মজলীয়া আকাৰৰ গছৰ ওপৰলৈ বগাই যাব পৰা লতা-চানেকীয়া উদ্ভিদ। অলপ ডাঠবিধৰ পাতবোৰ সামান্যভাৱে বহল আৰু আগৰ গুৰিৰ অংশ ঘূৰণীয়া হয়।

আমাৰ অসমীয়া মানুহে বহাগৰ গৰু বিহুৰ দিনা গধূলি পৰত পদূলি-মুখত জাগ দিবৰ বাবে ধান খেৰ, তুঁহগুৰি আদি গোটাই জাগ দিওঁতে দীঘলতি গছৰ পাত আৰু ঠাৰি জুঁইত দিয়ে আৰু এই জুইৰপৰা ওলোৱা ধোঁৱাই বছৰটোলৈ ম'হ-ডাঁহৰ উপদ্ৰৱৰপৰা ৰক্ষা হয় বুলি ধাৰণা কৰে।

জেকাৰান্দা, জেকাৰান্দা মাইমোচিফলিয়া পৰিয়াল—বিগ্‌নোনিয়েচি
(Jacaranda) Species–Jacaranda mimosaefolia Family–Bignoniaceae

সৰু সৰু আকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা এবিধ আকৰ্ষণীয় ফুল ফুলা বিজাতীয় গছ। অতীজতে এইবিধ উদ্ভিদ আমেৰিকাৰ গ্ৰীষ্মমণ্ডলে গৰকা ঠাইৰ থলুৱা গছ আছিল। ১৯শ শতিকাৰ শেষৰ ভাগত ইয়াৰ সঁচ আনি ভাৰতত লগোৱাৰ কথা জনা যায়। বৰ্তমানে অসমতো ঠাই বুজি এইবিধ বিতোপন গছ দেখিবলৈ পোৱা যায়। মেঘালয়ৰ বৰপানী হ্ৰদৰ পাৰত আৰু গুৱাহাটী-শ্বিলং ৰাষ্ট্ৰীয় পথৰ কাষত এইবিধ গছ শাৰী শাৰীকৈ লগাই ৰখা অৱস্থাত দেখিবলৈ পোৱা যায়।

গছজোপাই মজলীয়া আকাৰ ধাৰণ কৰে আৰু পাতৰ আকৃতি ছিৰিলি ছিৰিলি হয়। নীলা বৰণৰ ফুল থোপা-থোপে ফুলে। বছৰত কেবাবাৰো ফুল ফুলে যদিও বৰ্ষাকালত ফুলৰ পয়োভৰ হয়। তেতিয়া পাতবোৰ সৰি যায় আৰু গোটেই গছজোপা ফুলেৰে উপচি পৰি বিতোপন ৰূপ ধাৰণ কৰে।

টুটিয়া লফা, ফাগাপাইৰম এস্কোলেন্টাম বিকল্পে পলিগনম ফাগোপাইৰম পৰিয়াল—পলিগনেছি চুটিয়া লফা (অসমীয়া) কুটু (হিন্দী) বাক হোৱেট (ইংৰাজী)
(Duck Wheat) Species–Fagopyrum esculentum Syn–Polygonum fagopyrum Family–Polygonaceae

এবিধ গছত বগোৱা লতাজাতীয় উদ্ভিদ। কুঁহিপাতবিলাক ভাজি কৰি ভাতৰ লগত খোৱা হয়। মাহ জাতীয় ফলবোৰ পিঠাৰ দৰে গুৰি কৰি পানী মিহলাই খালে

পেটৰ অসুখ নিৰাময় হয়। কোনো কোনো মানুহে গাখীৰ মিহলাই পিঠাগুৰি কৰিও খায়।

উজনি অসমৰ হাবি-বননিবোৰত বনৰীয়াকৈ এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

বাঘ আঁছোৰা পলিগনম পাৰফলিয়েটম্ প্ৰজাত পৰিয়াল—পলিগনেছি বাঘ আঁছোৰা (অসমীয়া) (Bagh Achura) Species–Polygonum perfoliatum Family–Polygonaceae

এবিধ বছেৰেকীয়া আয়ুসৰ বৰশি সদৃশ কাঁইট ধাৰণ কৰা আৰোহী লতা। ইয়াৰ কুঁহিপাতবোৰ বহুতো গাঁৱলীয়া মানুহে তৰকাৰি বনাই খায়।

অসম, নগাভূমি আৰু মেঘালয়ত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

গনিয়ৰি, প্ৰজাতি—প্ৰেম্না কৰিম্ ব'ছা, বিকল্পে প্ৰেমনা লেটিফলিয়া আৰু প্ৰেম্না ভাইবাৰনইদিছ পৰিয়াল—ভাৰবিনেছি গণিয়লি, গেন্দেৰি, গেইনলি (অসমীয়া) অগ্নিমাণ্ঠা (সংস্কৃত) ভাদ্ৰুক, গহৰা (বঙালী) চুটা বাখাৰ, বাসোটা, অগ্নিম (হিন্দী) (Goniori) Species–Premaa Corjmbosa Syn–Premna latifolia and also premna viburnoides Family–Verbenaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। কাঠৰ বৰণ হালধীয়া, মান মজলীয়া ঘৰৰ খুঁটা লগোৱা সাধাৰণ ধৰণৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি।

অসমৰ বনাঞ্চলবোৰত ঠায়ে ঠায়ে পোৱা যায়।

পিছলা, কেডিয়া কেলিছিনা পৰিয়াল—মালভাছি পিছলা, বন কপাহি (অসমীয়া) পোলা (বঙালী) সুকিয়াল, পুলি, পুলা, বাৰাংগা (হিন্দী) (Pichola) Species–Kydia calycina Family–Malvaceae

এবিধ সৰু আকাৰৰ চিৰ সেউজীয়া উদ্ভিদ। আলংকাৰিক বৃক্ষৰূপে কেতিয়াবা ৰাস্তা-পদুলিৰ কাষে কাষে দ্বিভাজিত মধ্য স্থানত ৰোপণ কৰা হয়। গাৰ বিষ মাৰিবৰ বাবে পাত গৰম কৰি সেক লোৱা হয়।

অসমৰ বিভিন্ন বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

সুগন্ধি ভোলা, প্ৰজাতি—পেভনিয়া অদৰাটা পৰিয়াল—মালভাছি সুগন্ধি ভোলা (অসমীয়া) ভোলা (বঙালী) সুগন্ধা বালা (হিন্দী) (Sugandhi Bhola) Species–Pavonia odorata Family–Malvaceae

এবিধ কঠিন ঠাৰি ধাৰণ কৰা চুটি-চাপৰ উদ্ভিদ। গাৰ বিষ-কুপ মাৰিবৰ বাবে ইয়াৰ পাতবোৰ গৰম কৰি সেক লোৱা হয়। অসমৰ প্ৰায় সকলো হাবি-বননিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

গোলাপী জবা, হিবিচ্‌কচ্ চিৰিয়েকচ্ পৰিয়াল—মালভেচি
গোলাপী জবা (অসমীয়া)
(Golapi Joba) Species–Hibiscus syriacus
Family–Malvaceae Rose of sharon (ইং)

গোলাপ ফুলৰ নিচিনা কেবা-তৰপীয়া বিতোপন পুষ্প ধাৰণ কৰা আন এবিধ জবাফুল। আকৰ্ষণীয় ফুল ধাৰণ কৰাৰ বাবে এইবিধ উদ্ভিদৰ দুই এজোপা আমাৰ মানুহে বাৰীত কিম্বা ৰাজহুৱা উদ্যানত লগাই ৰাখে। মূল গছ্ আৰু শাখা-প্ৰশাখাবিলাকে পোনপটীয়াভাৱে ওপৰমুৱাকৈ বাঢ়ি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। গাঁঠিয়ে গাঁঠিয়ে বিকাশ লাভ কৰা পাতবোৰে আঙুলি-পহীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে।

ফুলৰ বৰণ গুলপীয়া হয়। কোনো কোনো প্ৰকাৰৰ গছে ৰঙচুৱা বৰণ ধাৰণ কৰা দেখা যায়।

আহৈ, ভাইটেক্স পেডাঙ্কুলাৰিছ পৰিয়াল—ভাৰবিনেছি
ইং-হেট্-লুংহিন্ (কাৰ্বি) আচই (গাৰো) আসত্ (বঙ্গালী)
আহৈ (অসমীয়া) আচাই (বড়ো)
Family–Verbenaceae (Ahoi) Species–Vitex peduncularis

অলপ ডাঙৰ আকাৰৰ গছ্। বাকলিৰ ৰং ছাই-বৰণীয়া। বাকলিখন ডাঠ হয় আৰু খহটা বাকলিৰ উপৰি ভাগৰপৰা পাতল পাতল ছাল ওলাই আহে। পাতবিলাক সাধাৰণতে তিনিপতীয়া হয় আৰু ঠাৰিডালৰ আগভাগৰ এই তিনিখিলা শাখাপাত ওলাই আহে। পাতৰ আকাৰ আগৰফালে দীঘলীয়াকৈ জোঙা আৰু গুৰিফালে ঘূৰণীয়া হয়। ফুলৰ বৰণ হালধীয়াকৈ শেঁতা। আহৈ গছৰে আৰু এটা জাত আছে আৰু সেই জাতৰ গছ্ক ভাইটেক্স ৰাক্সবাৰ্‌গিয়ানা বুলি অভিহিত কৰা হয়।

এই দুয়োবিধ গছ্ৰ পাত ব্লেক ৱাটাৰ ফিভাৰ বা জহনী বেমাৰৰ ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। অসমৰ গোৱালপাৰা, কামৰূপ আৰু নগাঁও জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকত এই দুবিধ গছ্ পোৱা যায়। জহনী বেমাৰৰ বাবে ইয়াৰ পাত অব্যৰ্থ মহৌষধ।

পচতীয়া, ভাইটেক্স নিগনডু পৰিয়াল—ভাৰবিনেছি
নিমুন্দা (বঙালী)
(Pachatia) Species–Vitex negundo
Family–Verbenaceae

এবিধ ডাঙৰ আকাৰৰ জোপোহা-গছ্। পাত আৰু ঠাল ঠেঙুলিবিলাক হাতেৰে ভাঙিবলগীয়া হ'লে তাৰপৰা এক প্ৰকাৰৰ গোন্ধ বাহিৰ হয়। এই গোন্ধৰ সৈতে অন্য কোনো বস্তু বা উদ্ভিদৰ গোন্ধৰ মিল থকা দেখা নাযায়। বাকলিখন আন গছ্ৰ বাকলিৰ তুলনাত তেনেই পাতল। উপৰিভাগৰ বৰণ ছাইৰ নিচিনা মদৰুৱা। দা বা কটাৰিৰে বাকলিখনত ঘাপ মাৰি দিলে ভিতৰখন অলপ

হালধীয়া দেখি। পাতবিলাক যৌগিক আৰু আকাৰত দীঘলীয়া। প্ৰত্যেকডাল শাখাপাতৰ ঠাৰিৰপৰা তিনিপতীয়াৰপৰা আৰম্ভ কৰি পাঁচপতীয়া পাত ওলায়।

ফুলৰ থোপা ভমকাফুলীয়া বা চাৰিওফালে মুকলিমূৰীয়াকৈ খোল খোৱা বিধৰ হয়। ফুলৰ বৰণ নীলা।

এই জাতীয় জেপোহা গছ য'তে ত'তে হোৱা দেখিবলৈ পোৱা যায়। ইয়াৰ পাতবোৰ ছিঙি আনি পানীত সিজোৱা হয়। তাৰপাছত তাক গৰম পানীৰ ভিতৰৰপৰা উঠাই আনি পাতলীয়া কাপোৰ দুখনমানৰ জাপৰ ভিতৰত ভালদৰে মেৰিয়াই গাৰ বিষত সেক দিয়া কামত ব্যৱহাৰ কৰা হয়।

বাকলি, ঠাল, পাত আৰু ফুলৰপৰা এক প্ৰকাৰৰ অকটা গোন্ধ ওলোৱা এবিধ মাটিত বগোৱা বাই বাই যোৱা জোপোহা গছ। যি ঠাইত এই জাতীয় জোপোহা গছৰ উৎপত্তি হয় তেনে ঠাইত অন্য গছ-লতাই গা কৰিব নোৱাৰে। গা-গছ আৰু ডালবোৰত খহুৰ নিচিনা দাগ হয় আৰু গোটেই জোপা গছ ৰঙীন ফুলেৰে ভৰপূৰ হৈ থাকে। ফুলবোৰৰ বৰণ সৰহভাগ ক্ষেত্ৰতে কমলা ৰঙৰ হয়। কোনো কোনো গছৰ ফুল ৰঙচুৱা আৰু কেতিয়াবা বগা হয়। মাইকী মানুহে কাণৰ লতিকাত পিন্ধা কেৰুৰ নিচিনা দেখনিয়াৰ হ'লেও অকটা গোন্ধৰ বাবে এইবিধ ফুলক কেৱে আদৰ নকৰে।

গুফুল, গোন্ধোৱা ফুল, পৰিয়াল—ভাৰবিনেছি লাণ্টানা কেমেৰা অথবা লাণ্টানা একিওলিয়েটা গুফুল (অসমীয়া) বনফুল (বঙালী) টানটানি (হিন্দী) (Goophool) Or (Goondhua Phool) Syn–Lantana aculeata Species–Lantana camara Family–Verbenaceae

এইবিধ লতা-চানেকীয়া জোপোহা গছক জাৰ্মানী লতাৰ আখ্যা দিলেও আচলতে ইয়াৰ আদিম স্থান আমেৰিকা আছিল বুলিহে জনা যায়। কোনোবা উদ্যোগী ব্যক্তিয়ে আনি আমাৰ ইয়াত লগালেহি। এতিয়া পিছে গোজেই গজালি হৈ গোটেইবোৰ ঠাইত জিনি পৰিল। যি ঠাইত এইবিধ গছে খুঁটি পুতি লয় সেই ঠাইৰপৰা ইয়াক উঠাই দিয়াটো এলা-পেচা কাম নহয়। কোনো কোনোৱে ইয়াক গোন্ধোৱা বন বা গোন্ধোৱা লতা বুলিও ক'ব খোজে।

গহৰা, প্ৰেমনা বেংগলেন্সিছ পৰিয়াল- ভাৰবিনেছি আৰহিকেলক্ আৰং (কাৰ্বি) নান্‌জি আছিং (মিচিং) লাহো-আছিং (আবৰ) বল গপ্‌পো (গাৰো) দিয়েং লিহ (খাচিয়া) থৌহিলি (বড়ো) (Gohora) Species-Premxa bengalensis Family–Verbanaceae

গহৰা এবিধ মজলীয়া আকাৰৰ গছ। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বৰণ অলপ বগাৰ

নিচিনা হোৱাৰ কাৰণে আৰু ঠিক সেই পাতবিলাকৰ বৰণো অলপ খেলা হোৱাৰ বাবে এইবিধ গছ হাবিৰ মাজত থকা অন্যান্য গছৰ ভিতৰত সহজে চিনি উলিয়াব পৰা যায়। ইয়াৰ গা-গছডাল পোলোঙা নহৈ ঠায়ে ঠায়ে বাহিৰলৈ ওলোৱা আৰু ঠায়ে ঠায়ে ভিতৰৰফালে সোমাই যোৱা বিধৰ হয়। উপৰিভাগৰ পাতলীয়া পাতলীয়া বিধ ছাল ভাঙি-ছিঙি ওলাই অহাৰ নিচিনা হৈ থাকে। পাতবোৰ আকাৰত অলপ দীঘল, মাজৰ ডোখৰ বহল আৰু দুয়োটা মূৰ চাপ খোৱা বিধৰ হয়।

ফুল থোপা-থোপে হয়। থোপাৰ আগৰফাল বহল আৰু গুৰিফাল ঠেক হয়। পাহিবিলাকৰ বৰণ কলপতীয়াকৈ বগা বা সামান্য ধৰণৰ হালধীয়া হয়।

এই জাতীয় গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠক উত্তম বিধৰ কাঠ বুলি গণ্য কৰিব পৰা নাযায়। অৱশ্যে বাঁহ-কাঠেৰে বনোৱা সাধাৰণ ঘৰত খুঁটা আৰু চটি কৰি লগালে এই কাঠ যথেষ্ট দিন টিকিব বুলি আশা কৰিব পাৰি।

নেফাফু, ক্লেৰোডেন্দনৰ ক'লব্ৰ'কিয়েনম্ পৰিয়াল—ভাৰবিনেছি নেফাফু (অসমীয়া)
Nefafu Species– Clerodendron colebrokiarum
Family–Verbenaceae

ধপাত তিতাৰ নিচিনা এবিধ সৰু আকাৰৰ জোপোহা। পাতবোৰে ধপলা-ধপল আকৃতি ধাৰণ কৰে। গা-গছ আৰু ডাল-ডোলৰ বাকলিৰ ৰং ছাই-বৰণীয়া হয়। পাতৰ গুৰিৰ অংশ বহল আৰু আগৰ অংশ অলপ জোঙা আকৃতি প্ৰদৰ্শন কৰে। পাতৰ দাঁতিভাগ সমান।

এইবিধ উদ্ভিদৰ পাত ঔষধ হিছাপে ব্যৱহাৰ কৰা হয়। কুমলীয়া পাত আৰু কুহিপাত সিজাই খালে হাৰ্ট বেমাৰ নিৰাময় হয় বুলি আয়ুবেৰ্দিক চিকিৎসকে উপদেশ দিয়ে।

ৰঙা ধপাত তিতা Red clerodendron

Clerodentron squamatum, Family–Verbenaceae

এই জাতীয় ধপাত তিতা ফুল আৰু ইয়াৰ আগতে বৰ্ণনা কৰা বিধৰ মাজত

ৰঙা ধপাত, তিতা ক্লেৰিওডেন্দ্ৰন স্কোৱামাটম্
পৰিয়াল—ভাৰবিনেছি
(Roṇga Dhopat tita) Species–Clerodendron squamatum
Family–Verbenaceae

বিশেষ পাৰ্থক্য আছে যেন নালাগে। কিন্তু এই জাতীয় গছৰ ফুলবোৰ আগভাৰীকৈ উৎপন্ন হোৱাৰ উপৰিও বৰণত চকুত লগাকৈ ৰঙা হয়। এই ফুলে মেই-জুন মাহৰপৰা আৰম্ভ কৰি চেপ্টেম্বৰ-অক্টোবৰ মাহলৈ এই গোটেই সময়ত কম-বেছি পৰিমাণে গছজোপাৰ শোভা বৰ্দ্ধন কৰি জিলিকি থাকে। যদিও এইবিধ ধপাত তিতা জাতীয় উদ্ভিদ হাবি-বননিৰ কাষে-পাজৰে আপোনা-আপুনি হোৱা দেখা যায় তথাপি ইয়াৰে দুই-চাৰিটা পুলি হাবিৰপৰা উঠাই আনি কোনো কোনো মানুহে আথে-বেথে ফুলনিবাৰী বা ঘৰৰ কাষৰ ঠাইত লগাই ৰাখে। জোপোহাডালৰ আগভাগৰপৰা ওলাই অহা ৰঙা ফুলৰ থোপাবোৰে তেতিয়া বাৰীখন জিলিকাই ৰাখে।

ৰঙা ধপাত তিতাৰ গছ আনবিলাক তেনে জাতীয় গছতকৈ অলপ বেছি ওখ হয়। পাতবোৰ ধপলা-ধপল। মাজডোখৰ বহল আৰু আগৰফাল ক্ৰমে জোঙা হৈ যোৱাবিধৰ। পাতৰ ওপৰৰ পিঠি তলৰ পিঠিৰ তুলনাত অধিক সেউজীয়া হয়। তলপিঠি খহটা আৰু তাৰ উপৰিভাগত ঠায়ে ঠায়ে দুই-এটা মাটি মাহ একোটাৰ সমান গুটিৰ উৎপত্তি হয়।

ধপাত তিতা, ক্লেৰিওডেন্দ্ৰন' ইনফচোনেটম।
পৰিয়াল—ভাৰবিনেচি ফ্লাৰিক্ আৰং, বিক্‌বিক্ (কাৰ্বি) দিয়েং-জাৰেম্-চিন্‌ৰং খাচিয়া চাম্ মাখি (গাৰো) মখ্‌না (মেচ্)
(Dhopat Tita) Species–Clerodendron infortunatum Family–Verbenaceae

এবিধ চুটি-চাপৰ জোপোহা গছ। যি ঠাইত এই জাতৰ গছৰ উৎপত্তি হয় সেই ঠাইত ইহঁতে ডৰা ডৰাকৈ হৈ গোটেইডোখৰ ঠাই জিনি থাকে। পাতবোৰ ভাঙি দিলে তাৰপৰা এক প্ৰকাৰৰ গোন্ধ বাহিৰ হয়। এইবিধ জোপোহা গছৰ গুৰি আৰু ডালবোৰ টান ধৰণৰ হয়। বাকলিৰ বৰণ মদৰুৱা আৰু বাকলিৰ উপৰিভাগত খহুৰ নিচিনা ঠায়ে ঠায়ে দাগ থাকে। চ'ত-বহাগ মাহত যেতিয়া গছবিলাকত বগা বৰণীয়াকৈ মটিয়া ৰঙৰ ফুলবোৰে জোপাবোৰৰ ওপৰখন ঢাক খুৱাই খুৱাই ফুলিবলৈ ধৰে তেতিয়া গোটেই পৰিবেশ ৰমক-জমক হৈ পৰে। বছৰৰ বাকীছোৱা সময়ত এই জাতীয় জোপোহাই মানুহৰ মন আকৰ্ষণ কৰিব নোৱাৰে।

সংক্ষেপতে ক'বলৈ গ'লে ইয়াৰ পাতবোৰ ধপলা-ধপল বুলি ক'ব লাগিব। হাতেৰে চুলে পাতৰ উপৰিভাগ খহটা খহটা যেন লাগে। পাতবোৰ গা-গছৰ

উপৰিভাগৰপৰা আৰু ডালবোৰৰ আগৰপৰা ওলাই আহে। গুৰিৰফাল ঘূৰণীয়া, মাজৰ অংশ বহল আৰু আগৰফালে জোঙা হয়। পাতৰ ঠাৰি দীঘল।

ফুলৰ বৰণ মটিয়াকৈ বগা। পৰিবেশনত আগভাৰী তাত অলপ ৰঙচুৰা চিটিকনিৰ আভাস থাকে। এইবিধ জোপোহা উদ্ভিদক ঔষধ জাতীয় গছ বুলি জনা যায়। এই গছৰ শিপাৰপৰা উলিওৱা উপাদান দেশী মদ তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

পানী শিঙৰি, ত্ৰাপা বাই-স্পাইনোছা পৰিয়াল—অনাগ্ৰেছি শিঙ্গাৰা, পানীফল (বঙালী) বাটাৰ চেষ্ট্ নট্ (ইংৰাজী) Water chest-nut (Pani Singori) Species–Trapa bispinosa Family-Onagraceae Water chest-nut. (ইং)

পানীত ওপঙি ওপঙি উৎপত্তি হোৱা এবিধ জলবাসী উদ্ভিদ। বিল, পুখুৰী আদিৰ স্ৰোতহীন জলাধাৰ কিছুমানে এইবিধ বিচিত্ৰ উদ্ভিদৰ বাবে অনুকূল পৰিবেশৰ যোগান ধৰা দেখিবলৈ পোৱা যায়। কিছুমান জলাধাৰত গোট খাই থকা পানীৰ উপৰিভাগ এইবিধ উদ্ভিদে ঢাকি ৰখা দেখা যায়। পানীৰ ওপৰলৈ উঠি অহা পাতবোৰ পানীৰ উপৰিভাগৰ লগত সমানভাৱে মিলি থাকে।

ফুলৰ বৰণ বগা চানেকীয়া হয়। ফলবোৰে চুকীয়া-চুকি ৰূপ প্ৰদৰ্শন কৰে। ফলৰ উপৰিভাগৰ বৰণ ৰঙচুৰা বা সেউজ-বুলীয়া হয়। অলপ টান বিধৰ বাকলিখন বখলিয়াই দিলে ভিতৰত থকা বাদামৰ নিচিনা শাহখিনি গোটাভাৱে ওলাই পৰে। বৰণত বগা হয় আৰু চোবাই খাবলৈ তেলেতীয়া লাগে।

বল কেকটাছ, একিনোকেক্‌টাছ গ্ৰোছনিয়াই পৰিয়াল—কেক্‌টেছি (Ball cactus) Species–Echinocactus grusonii Family–Cactaceae Ball cactus (ইং)

এবিধ ঘূৰণীয়া আকাৰৰ প্ৰকাণ্ড কেকটাছ্। উদ্ভিদ জোপাৰ দুয়োমূৰ চাপ খাই বৰ বিলাহী একোটাৰ নিচিনা আকৃতি ধাৰণ কৰা দেখা যায়। গোটা বলটোৰ নিচিনা উদ্ভিদডালৰ বাকলিয়ে সেউজীয়া ৰূপ ধাৰণ কৰে। তদুপৰি এই বাকলিৰ উপৰিভাগ সমান নহৈ কৰ্দৈসিৰীয়া আকৃতি ধাৰণ কৰে। চেপেটা আকৃতি প্ৰদৰ্শন কৰা মণ্ডহাল সিৰবিলাকৰ ওপৰত শাৰী শাৰীকৈ দীঘল দীঘল কাঁইটৰ কোছা উদ্ভৱ হয়। উদ্ভিদ বিজ্ঞানৰ তত্ত্ব অনুসাৰে এই কাঁইটৰ কোছাবোৰক পাতৰ ৰূপান্তৰ বুলি গণ্য কৰিব পাৰি। তদুপৰি এই কাঁইটবোৰক আত্মৰক্ষাৰ সঁজুলি (Detensive mechanism) বুলি কোৱা হয়।

কেকটাচডালৰ গুৰিত বিকশিত হোৱা শিপাত নতুন নতুন পোখাৰ উৎপত্তি

হয় আৰু কালক্ৰমত এই পোখাবোৰে স্বাধীন জীৱন-যাপন কৰিবলৈ আৰম্ভ কৰে।

এইবিধ কেকটাছৰ পুলি গামলাত লগাই ৰাখিলে দেখিবলৈ ভাল লাগে।

নাগফেণী, অপাংচিয়া টাটা পৰিয়াল—কেক্টেছি
(Nag Pheni) Species–Opuntia tata Family–Cactaceae

কেক্টাছ গোষ্ঠীৰ আন এবিধ বিচিত্ৰ উদ্ভিদ। গঠন-প্ৰণালীত আগৰ শিতানত বৰ্ণনা কৰি অহা কেক্টাছৰ লগত ইয়াক একে দেখি। ইয়াৰ ঠানিত বিকশত হোৱা ফনাবোৰে কোমল আকৃতি ধাৰণ কৰে। ফনাৰ উপৰিভাগত দীঘল দীঘল কাঁইটৰ পৰিবৰ্তে সূক্ষ্ম আকাৰৰ শুঙৰ উৎপত্তি হয়। সতৰ্কতা অৱলম্বন নকৰাকৈ কেক্টাছ হাতেৰে স্পৰ্শ কৰিলে হাতৰ তলুৱাত শুংবোৰ সোমাই অপকাৰ কৰাৰ গভীৰ আশঙ্কা থাকে। সেইবাবে অতি সাঁৱধানেৰে ইয়াক মাটিৰ মলাত আলফুলকৈ লগাই ৰখা হয়। ইয়াৰে আন দুই-এবিধ ক্ষুদ্ৰ আকাৰৰ বিচিত্ৰ কেক্টাছ কৰ্ষণ কৰিবৰ বাবে শীত-তাপ নিয়ন্ত্ৰিত ঘৰ সাজি ল'ব লগা হয়। গ্ৰীণ হাউচ বা সেউজীয়া লতা আদিয়ে আগুৰি ৰখা ঘৰৰ ব্যৱস্থায়ে এনে ধৰণৰ কেক্টাছ প্ৰতিপালন কৰি ৰখা বিষয়তে ভালেখিনি অৰিহণা যোগায়।

খ্ৰীষ্টমাছ কেকটাছ (Christmas cactus)
Zygocactatus truncatus
Family–Cactaceae

খ্ৰীষ্টমাছ কেকটাছ জাইগোকেক্টাছ ট্ৰাঙ্কেটাছ পৰিয়াল—কেক্টেছি
(Christmas Cactus) Species–Zygocactus truncatus Family–Cactaceae

এবিধ কেক্টাছ গোষ্ঠীৰ ক্ষুদ্ৰাকাৰ বিদেশী উদ্ভিদ। চেপেটা চেপেটা মঙহাল ঠাৰিবিলাকেই পাতৰ কামো কৰে। এই ঠাৰিবোৰে কেঁচিৰে চুকীয়া-চুকিকৈ কাটি বনোৱা কৃত্ৰিম ফুলৰ আকৃতি প্ৰদৰ্শন কৰে। তদুপৰি ঠাৰিডালৰ আগভাগত নতুন নতুন পোখাৰ

উৎপত্তি হয়। সাধাৰণতে মাটিৰ চৰু কিম্বা অন্য কোনো বাচনত সাৰুৱা মাটি ভৰাই এইবিধ কেক্‌টাছ আলফুলকৈ লগোৱা হয়। সময়ে সময়ে অলপ-অচৰপ পানী দি থাকিব লাগে। বৰ বেছি পৰিমাণে কিম্বা সময়ে-অসময়ে পানী দি থাকিলে খাৰ ধৰি পুলিবোৰ মৰি যোৱাৰ আশঙ্কা থাকে।

ভালেমান কেইটা পুলি বা ঠানি ঘূৰণীয়া আকাৰে একেটা পাত্ৰতে লগাই ৰাখিলে সুফল পাব পাৰি। একে সময়তে বহু পৰিমাণৰ ফুল ফুলিলে জোপাটোৱে বিতোপন মূৰ্তি ধাৰণ কৰে। ফুল থকা কেক্‌টাছখিনি ৰখা পাত্ৰটো ইচ্ছানুযায়ী ৰচিৰে ওলোমাই কিম্বা ওখ আসনত আলফুলকৈ বহুৱাই বৈঠকখানাত ৰাখিব পাৰি।

ৰাতি ফুলা বৰ কেকটাছ, চিৰিয়চ্ গ্ৰেন্দিফ্লৰচ্ কেক্‌টেছি
(Large night-blooming cactus) Species—Cereus grandiflorus Cactaceae large night-blooming cactus (ইং)

গছ-গছনিৰ ওপৰলৈ বগাই যোৱা এবিধ ডাঙৰ আকাৰৰ মঙহাল কেক্‌টাছ। লতাৰ নিচিনাকৈ বগাই যোৱা উদ্ভিদডালৰ ঠাৰিবোৰে কম-বেছি পৰিমাণে তিনিসিৰীয়া আকৃতি প্ৰদৰ্শন কৰে। ঠাৰিডালৰ মাজে মাজে শিপাৰ উৎপত্তি হয় আৰু এই শিপাই আশ্ৰয় প্ৰদান কৰা গছৰ বাকলিত খামোচ মাৰি ধৰি ধৰি লতাডালক গছজোপাৰ ওপৰলৈ বগাই যোৱাত সহায় কৰে। মাজে মাজে তিনিসিৰীয়া লতাডাল সূক্ষ্ম ঠাৰিলৈ ৰূপান্তৰ হৈ গাঁঠিৰ নিচিনা আকৃতি ধাৰণ কৰে। এই গাঁঠিবোৰৰপৰা শাখাঠাৰিৰ উৎপত্তি হয়। সৰহীয়াকৈ শাখাঠাৰি ধৰা কেক্‌টাচ্‌ডালে কোনো কোনো আশ্ৰয় প্ৰদান কৰা গছক সম্পূৰ্ণকৈ আৱৰি ৰখা দেখিবলৈ পোৱা যায়।

বছৰৰ কোনো কোনো সময়ত এইবিধ কেক্‌টাছে বিৰাট আকাৰৰ পদুমৰ নিচিনা ফুল ধাৰণ কৰে। ফুলৰ বৰণ বগা হয় আৰু এই ফুল ৰাতিৰ ভিতৰতে ফুলি পাছ নিশা মৰহি যায়। ফুলবোৰ সুগন্ধ হয়।

নাগফণা, অপাংচিয়া মনোকান্থা পৰিয়াল—কেক্‌টেছি
Nagphona, Prickly Pear Species—Opuntia monocantha Family—Cactaceae Prickly Pear (ইং)

মঙহালকৈ ডাঠবিধৰ চেপেটা চেপেটা ঠানি ধাৰণ কৰা এবিধ বনৰীয়া কেক্‌টাছ গোষ্ঠীৰ উদ্ভিদ। একো একো ডোখৰ ঠাইত সৰহ পৰিমাণৰ কেক্‌টাছে সমূহীয়াভাৱে বিকাশ লাভ কৰি থকা অৱস্থাত ঠাই বুজি দেখিবলৈ পোৱা যায়। মঙহাল ঠানিবোৰে একে সমতলত ফেৰেঙনি মেলি

থকাকৈ যোৰা দি ৰখা আকৃতি ধৰে। প্ৰতিটো অংশই একোটা ফেঁটীসাপৰ ফণাৰ প্ৰতিৰূপ প্ৰদৰ্শন কৰে। ফণাবিলাকত পাতলীয়া আৰু দীঘল বিধৰ অসংখ্য কাঁটাৰ উৎপত্তি হয়।

কোনো কোনো মানুহে এইবিধ কেক্‌টাছ্ বাৰীৰ কাষৰ ঢাপত শাৰী শাৰীকৈ লগাই দিয়ে। এনে ধৰণেৰে লগাই দিয়া এই কেক্‌টাছ্‌বিলাকে জীয়াই থকা উদ্ভিদেৰে নিৰ্মাণ কৰা চিৰস্থায়ী জেওৰাৰ কাম কৰে। গৰু-ছাগলীয়ে সহজে পাৰ হৈ আহিব নোৱাৰে। তদুপৰি চোৰ-ডকাইতৰ বাবেও এই উদ্ভিদবোৰে এক প্ৰকাৰ অভেদ্য প্ৰাচীৰৰ সৃষ্টি কৰে বুলি ক'ব পাৰি।

বছৰৰ এটা সময়ত কিম্বা কেবা বছৰৰ ব্যৱধানত ইয়াৰ ফুল দৃষ্টিগোচৰ হয়। ফুলৰ বৰণ ৰঙচুৱা হয়। গুৰি শকত চুঙাপহীয়া ফুলবোৰ একে সময়তে সৰহীয়াকৈ ফুলিলে কেক্‌টাছডালে বিতোপন ৰূপ ধাৰণ কৰে।

ৰাতিৰ ৰাণী

Lesser Night-blooming cactus (Phyllocactus latifrons)

ৰাতিৰ ৰাণী, ফাইলোকেক্‌টাছ্ লেটিফ্ৰন্স পৰিয়াল—কেক্‌টেছি
(Lesser night-blooming cactus) Species—Phyllocactus latifrons Family—Cactaceae Lesser night-blooming cactus (ইং)

দীঘলীয়া আকৃতিৰ চেপেটা চেপেটা পাতৰ নিচিনা মঙহাল ঠাৰি ধাৰণ কৰি থকা এবিধ কেক্‌টাছ্ গোষ্ঠীৰ বিচিত্ৰ উদ্ভিদ। ঠাল একোটা গছৰপৰা ছিঙি আনি মাটিত গুজি দিলেই তাৰ গুৰি ভাগৰপৰা শিপা মেলি নতুন নতুন গছৰ উৎপত্তি হয়। গা-গছৰ গুৰিভাগে ছাই-বৰণীয়া গোটা আকৃতি ধাৰণ কৰে। এই গুৰিভাগৰপৰা ওলাই ওলাই অহা শাখা-ডালবোৰৰ বাকলিৰ বৰণ সেউজীয়া হয়। শাখাডালবোৰৰ আকৃতিও কম-বেছি পৰিমাণে ঘূৰণীয়াকৈ গোটা হয়। দীঘলীয়া ঠাৰিৰ আগৰ অংশই ক্ৰমে চেপেটা হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। চেপেটা আগভাগৰ দুয়োকাষে পাখি সদৃশ চেপেটা পাতৰ বিকাশ সাধন হৈ

শেষান্তৰত একো একোখিলা পূৰ্ণাঙ্গ দীঘলীয়া পাতৰ ৰূপ ধাৰণ কৰে।

পাতৰ নিচিনা চেপেটা ঠাৰিবোৰৰপৰা ফুল ধৰা কুঁহি পোখাৰ আকাৰে ওলাই আহে। এই পোখা ক্ৰমে ডাঙৰ হৈ একোপাহ পদুম ফুলৰ নিচিনা পূৰ্ণাঙ্গ ফুলে বিকাশ লাভ কৰে। সাধাৰণতে এই এবিধ কেক্‌টাছ ৰাতি ফুলে। জোনাক নিশা ডাঙৰ ডাঙৰ ফুলবোৰ ফুলিলে গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। পাছ নিশা ফুলবোৰ মৰহী যায়।

বৰ সিজু, পেকাইচেৰচ মাৰ্জিনেটচ কেক্‌টেছি Organ Cactus Species–Pachyceros marginatus Cactaceae Organ cactus (ইং)

দেখাত সিজুৰ নিচিনা আৰু সিজুতকৈ ভালেখিনি মোটা আকাৰৰ মঙহাল উদ্ভিদ। মোটা ঠাৰিৰ গছডালে মাটিৰ ওপৰত লম্বভাৱে ওপৰমুখী হোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। ঠাৰিৰ উপৰিভাগ কৰ্দেসিৰীয়াকৈ বহু তৰপীয়া হোৱা দেখা যায়। সিৰে সিৰে থোপাৰ নিচিনাকৈ সৰু সৰু কাইটৰ উৎপত্তি হয়। ঠাৰিবোৰৰ উপৰিভাগত নতুন ঠাৰিৰ বিকাশ হয়। কোনো কোনো ক্ষেত্ৰত একাধিক শাখাঠাৰিৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়। এইবিধ কেক্‌টাছ বাৰীৰ কাষত শাৰী শাৰীকে লগাই দি জেওৰাৰ নিচিনাকৈ ব্যৱহাৰ কৰিব পাৰি।

বছৰত এবাৰ আৰু কেতিয়াবা কেবা বছৰৰ মূৰত ৰঙচুৱা অথবা গুলপীয়া বৰণৰ বিতোপন ফুল ফুলে। ফুল ধৰিলে গছবোৰে বিতোপন ৰূপ ধাৰণ কৰে।

জাতামান্‌ছি, প্ৰজাতি—নাৰদছটাছিয়া জাতামানছি জাতামানছি (অসমীয়া), জাতামানছি (সংস্কৃত) জতানিনছি (বঙালী) জাতা মানছি, বাহাছাৰ (হিন্দী) পৰিয়াল—ভেলেৰিয়ানাছি (Jatamansi) Species—Nardsotachya jatamansi Family—Valerianaceae Jatamansi, Spikenard **(ইংৰাজী)**

এবিধ বছেৰেকীয়া অথবা দ্বিবাৰ্ষিক আয়ুসৰ বনৰীয়া উদ্ভিদ। ইয়াৰ শিপাৰপৰা ঔষধ তৈয়াৰ কৰি কোনো কোনো ৰোগ নিৰাময় কৰা কামত ব্যৱহাৰ কৰা হয়।

অসম উপত্যকাত থকা বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

ভেহ, চেলিক্স টেট্ৰাস্পাৰ্মা পৰিয়াল—ছেলিকেছি পানীবিজল, ভেহ (অসমীয়া) পানী জাগ (বঙালী) বাইসি (হিন্দী) (Willow) Species—Salix tetrasperma Family—Salicaceae Willow (ইংৰাজী)

দ-চানেকীয়া ঠাইত উৎপন্ন হোৱা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ইয়াৰ ছিৰিলি পাতবোৰে পাতল চানেকীয়া ঠাল-ঠেঙুলিবোৰক তলৰফালে দোঁ খুৱাই ওলমাই ওলমাই ৰাখে। বিল

আদি সোঁতহীন জলাশয়ৰ কাষত থকা ভেৰভেৰীয়া দলনিৰ পাৰত কিম্বা সোঁত বৈ থকা নদী-নলাৰ পাৰৰ চেঁচুকীয়া ঠাইত এইবিধ গছে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। অলপ বাম-চানেকীয়া ঠাইত বিকাশ লাভ কৰি থকা গেজেপ মৰা হাবি-জঙ্গলৰ মাজতো এটা জাতৰ ভেহ গছৰ আবিৰ্ভাৱ পৰিলক্ষিত হয়।

মাটিৰ তললৈ বিস্তৃতি লাভ কৰি থকা শিপাই গছজোপাক অলৰ-অচৰকৈ ধৰি ৰাখে। দীঘলে দীঘলে অলপীয়াকৈ ফাট মেলা গা-গছ আৰু ডাল-ডোলবোৰৰ উপৰিভাগে ক'লা বিধৰ ছাঁই বৰণীয়া ৰূপ ধাৰণ কৰে। ফুলবোৰৰ আকাৰ সৰু হয়। কোনো কোনো উদ্ভিদ প্ৰিয় বিলাসী লোকে এইবিধৰ দুই-এজোপা গছ বাৰীত বা বঙলা চৌহদত আলফুলকৈ লগাই ৰাখে, লেহুকাডালত বিকশিত হোৱা পাতৰ ভৰত তললৈ ওলমি ওলমি থকাৰ প্ৰবৃতি প্ৰদৰ্শন কৰা গছজোপাই প্ৰাকৃতিক বৈচিত্ৰ্যৰ নিদৰ্শন ৰূপে নিলগৰপৰা জিলিকি থকাৰ আচৰণ দেখুৱায়।

ছালি লতা, হেদেৰা হেলিক্স এৰেলিয়েছি পৰিয়াল—
ছালিলতা (অসমীয়া)
(Chali Lota) Species—Hedera helix
Family—Araliaceae

গছৰ বাকলি, শিল-পাথৰ আৰু পকী বেৰা বা দেৱালৰ ওপৰত চেপেটাকৈ লিপিত খাই লাগি থকাৰ চাৰিত্ৰিক প্ৰবৃতি প্ৰদৰ্শন কৰা এবিধ চিৰ-সেউজীয়া লতা গোষ্ঠীৰ উদ্ভিদ। বহুতো মানুহে পকী দেৱাল বা বাঁহৰ গাঁধেৰে তৈয়াৰ কৰা বেৰাত এইবিধ উদ্ভিদক বগাবলৈ লগাই দি বিতোপন পৰিবেশৰ সৃষ্টি কৰে। মূল ঠাৰিডালৰপৰা অসংখ্য শাখাঠাৰিৰ উৎপত্তি হয়। সৰু সৰু শিপাৰ সহায়ত এই শাখাঠাৰিবিলাকে বেৰাখনত কামোৰ মাৰি মাৰি ধৰি এক প্ৰকাৰ পাতেৰে বনোৱা দলিচাৰ সৃষ্টি কৰে।

ঠাৰিৰপৰা জখলা খলপীয়াকৈ বিকশিত হোৱা ডিম্বাকৃতিৰ সেউজ-বুলীয়া পাতবোৰৰ দাঁতিত কোনো ধৰণৰ খাঁজ কটা দাগ নাথাকে। ফুলৰ বৰণ হালধীয়া-চানেকীয়াকৈ সেউজীয়া হয়। অলপ হালধীয়া বৰণৰ ফলবিলাক গোল গোল হয়।

বৰুণ, ক্ৰেটিভা ৰাক্সবাৰগিয়াই পৰিয়াল—কেপ্পৰিডেছি
চিবে দত্কে (মিচিং) জং-ছিয়া (আছিক)
(Barun-Variety) Species–Crataeva
Raxburghii Family–Capparidaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। কোনো কোনো জোপা গছৰ উচ্চতা ৩০ মিটাৰ পৰ্যন্ত হোৱা দেখা যায়। ঠালবিলাকৰ আগভাগ সাধাৰণতে ওপৰমুৱা হৈ থাকে। এই ঠালবোৰে চুকীয়া-চুকি আকৃতি ধাৰণ কৰে আৰু তাত খহুলা-খহুলি চিন থাকে। বাকলিয়ে মুগা বৰণ প্ৰদৰ্শন আৰু বাকলিৰ উপৰিভাগত সেউজীয়া বৰণৰ সামান্য আভাস পৰিলক্ষিত

হয়। বাকলিৰ ভিতৰভাগ বগা-চানেকীয়া হয় আৰু তাত দীঘল দীঘল মুগা বৰণীয়া আঁচৰ উৎপত্তি হয়।

পাতবোৰে আঙুলি পহীয়াকৈ তিনিপতীয়া ৰূপ ধাৰণ কৰে। শাখা পাতকেইখিলা দীঘলীয়া ধৰণৰ ডিম্বাকৃতি আকৃতি প্ৰদৰ্শন কৰে। পাতৰ মাজভাগত থকা সিৰডালৰ দুয়োকাষে ৭ ডালৰপৰা ৯ ডাল পৰ্যন্ত উপ-সিৰৰ উদ্ভৱ হয়।

ফুলৰ বৰণ বগা হয় আৰু লাহে লাহে বগা বৰণ অলপ হালধীয়ালৈ ৰূপান্তৰ হয়। ফলৰ আকৃতি কম-বেছি পৰিমাণে ঘূৰণীয়া হয়। ফলৰ উপৰিভাগত ফুটফুটীয়া দাগৰ উৎপত্তি হয়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ পুতলা আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰিব পাৰি। কুণ্ডৰ শালত দি চকি-মেজৰ খোৰা তৈয়াৰ কৰা হয়।

বৰুণ প্ৰকাৰ, ক্ৰেটিভা লোফোস্পাৰ্মা পৰিয়াল- কাপ্পাৰিডেছি
(Barun–Variety) Species—Crataeva lophosperma. Family—Capparidaceae

এবিধ সৰু কিম্বা মজলীয়া আকাৰৰ বনৰীয়া গছ। সাধাৰণতে সোঁতহীন অথবা সামান্য গতিত পানী বাগৰি যোৱা নলা-ঝৰণা আদিৰ কাষত উৎপন্ন হোৱা জেলুকীয়া ঠাইবোৰে এইবিধ গছৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰা দেখিবলৈ পোৱা যায়। বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে আৰু এই বাকলিৰ উপৰিভাগ মিহি-চানেকীয়া হয়। ঠাল-ঠেঙুলিবিলাকৰ বাকলিত ফুট্‌ফুটীয়া দাগৰ উৎপত্তি হয়। বাকলিখন কাটিলে ভিতৰৰফালে থকা অংশ শেঁতা হৈ থকাৰ নিচিনা লাগে।

পাতবোৰে দীঘল ধৰণৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে আৰু আগৰফালে ক্ৰমে চিয়া হৈ যায়। পাত এখন ভাঙি মুখত দিলে তিতিকি তিতিকি লাগে। পাতৰ ওপৰৰ ফালে থকা লুটি অলপ মিহি হয় আৰু তলৰ লুটিয়ে খহটা ৰূপ ধাৰণ কৰে। মাজৰ সিৰডাল অলপ মোটা হয় আৰু ইয়াৰ দুয়োকাষে শাখা সিৰবিলাকৰ উৎপত্তি হয়।

থোপা-থোপে বগা বৰণীয়া ফুল ফুলে। ফল আৰু গুটিৰ আকৃতি অলপ দীঘলীয়া হয়।

উজনি অসমৰ কোনো কোনো ঠাইত এইবিধ গছ দেখিবলৈ পোৱা যায়। ইয়াৰ কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ইয়াক বৰুণ গছৰে আন এটা জাত বুলি গণ্য কৰা হয়। সাধাৰণতে কিছুমান এলেকাৰ বাহিৰে অন্যান্য ঠাইত ইয়াক দেখিবলৈ

বৰুণ, (প্ৰকাৰ) ক্ৰেটিভা ৰেলিগ্লোছা ক্ৰেটিভা ৰাক্সবাৰগিয়াই পৰিয়াল—কেপেৰিডেছি
(Borun) Species—Crataeva religlosa
Syn—C.ruxburghuii Family—Capparidaceae

পোৱা নাযায়। উত্তৰ কাছাৰ পাৰ্বত্য জিলাখনৰ অন্তৰ্গত থকা লাংটিং সংৰক্ষিত বনাঞ্চল আৰু ডাউটুহাজা ষ্টেচনৰ ওচৰে-পাজৰে থকা কোনো কোনো ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। নগাঁও জিলাৰ লামডিং সংৰক্ষিত বনাঞ্চলতো ঠাই বুজি ইয়াক দেখিবলৈ পোৱা যায়।

বাকলিৰ ৰং ছাই-বৰণীয়া হয়। এই বাকলিৰ কোনো কোনো অংশত পথালি পথালিকৈ কোঁচ খোৱা ৰেখাৰ উৎপত্তি হয় কিম্বা বাকলিৰ উপৰিভাগে মিহি আকৃতি প্ৰদৰ্শন কৰে। বাকলিৰ ভিতৰৰফালে থকা মণ্ডহাল অংশত ফুটফুটীয়া দাগৰ উৎপত্তি হয়। পাতে দীঘল পহীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে আৰু আগৰফালে ক্ৰমে চিঁয়া হৈ যায়। শাখাপাতৰ নিম্নভাগ কৌণিকভাৱে কাটি ৰখা যেন দেখি।

বগা বগা ফুল ফুলে আৰু এই বগা ৰঙৰ সলনি হৈ ক্ৰমে অলপ হালধীয়ালৈ ৰূপান্তৰ হয়। ফলবোৰৰ আকৃতি দীঘলীয়া হয়। ভিতৰত চেপেটা চেপেটা গুটি থাকে।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কোনো নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি।

বিজি-লিজি, ইম্পেচেন্স ৱালেৰাণা ৱালচামিনেছি পৰিয়াল
(Busy-Lizzy) Species-Impatiens wallerana
Family-Balsaminaceae

বিতোপন ফুল আৰু পাত ধাৰণ কৰা এবিধ বিজাতীয় উদ্ভিদ। ঠানিবিলাক ডেম ডেউকাৰ নিচিনা কোমল হয়। এই ঠাৰিবিলাকৰ উপৰিভাগে ৰঙচুৱা বা চক্‌লেট বৰণীয়া ৰং পৰিধান কৰে। কোমল-চানেকীয়া পাতবোৰেও ৰঙচীয়া বৰণ প্ৰদৰ্শন কৰে।

উদ্ভিদ-প্ৰেমী কোনো কোনো লোকে এইবিধ উদ্ভিদ মাটিৰ গামলা বা অন্যান্য পাত্ৰত আলফুলকৈ লগাই ৰাখে। সাৰুৱা মাটিত দীঘলীয়াকৈ ভেটি তৈয়াৰ কৰিও লগাব পাৰি। প্ৰত্যেক পাহ ফুলে চক্ৰাকাৰে চাৰি পাহকৈ পাহি চক্ৰাকাৰে ধাৰণ কৰে পাহিৰ বৰণ গুলপীয়া বা ৰঙচীয়া হয়। কোনো কোনো জোপা গছে কজলা চানেকীয়া ফুল বহন কৰা দেখিবলৈ পোৱা যায়।

এবিধ বিতোপন পুষ্প ধৰা বিদেশী বন। আমাৰ মানুহে ইয়াৰ গুটিৰ নাৰ্চাৰীৰপৰা

ডেমডেউকা, ইম্পেচেঞ্চ্ বাল্চামিনা বাল্চামিনেচি (Balsam) Species–Impatiens balsamina Balsaminaceae

কিনি বা মঙ্গাই আনি পালেঙত পচায়। পুলি অলপ ঠন ধৰা হৈ দুপতীয়া হ'লে উঘালি নি শাৰী শাৰীকৈ উদ্যান বা চৌহদত বনাই ৰখা ভেটিত লগায়। পুলিবোৰ ক্ৰমে ডাঙৰ হ'লে লমা-লমে ফুল ফুলে। জাৰকালি ফুলা এই ফুলৰ গছবোৰে ফুলনিবাৰীখন সুশোভিত কৰি ৰাখে। বনৰীয়া হিছাপেও দেখিবলৈ পোৱা যায়।

বালচাম্ ধাতুগত বছেৰেকীয়া ফুল। বছৰি বছৰি উৎপত্তি হৈ বছৰি বছৰি মৰে। ওখই প্ৰায় ১/৩ মিটাৰৰ ওচৰা-উচৰি হোৱা দেখা যায়। মূল গছ আৰু ডালবোৰ কোমল আৰু লেহুকা হয়। ফুলৰ গছ অনুযায়ী গাইগুটীয়াভাৱে বিভিন্ন গছে বিভিন্ন ৰঙৰ বিতোপন ফুল ধৰে। কিছুমানে ৰঙা, কিছুমানে বগা আৰু আন কিছুমান গছৰ ফুল গুলপীয়া হয়। সামূহিকভাৱে আটাইবোৰ গছে ধাৰণ কৰা ফুলবোৰ একেলগে দেখিবলৈ ভাল লাগে। আমাৰ অসমৰ চেঁচুকীয়া ঠাইবোৰত আপুনি উৎপত্তি হোৱা বিধ বালচামক আমি ডেম্ডেউকা বুলি কওঁ। ই ধৰা ফুলৰ আকৃতি একে হ'লেও আকৰ্ষণীয় নহয়।

চেগুণ, টেক্টনা গ্ৰেণ্ডিছ পৰিয়াল—ভাৰবিনেছি সেগুণ (বঙালী) টিক্ (ইংৰাজী) চিগুণ পান (ৰাভা) চেগুণ (বড়ো) (Teak, Segun) Species—Tectona grandis Family—Verbenaceae

এবিধ ডাঙৰ আকাৰৰ সুকাঠী গছ। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি গ'লে গছজোপা লঠঙা হৈ পৰে। গা-গছ আৰু ডালৰ বাকলিৰ বৰণ পাতলীয়াকৈ মুগা হয়। গা-গছৰ বাকলিৰ উপৰিভাগ পাতলীয়া পাতলীয়াকৈ এৰাই আহে। পাতবোৰ ধপলা-ধপল হয়। চকলাপতীয়া পাতবোৰৰ কিনাৰত কোনো খাঁজ কটাৰ চিন নাথাকে। বসন্ত কালত গছজোপাই নতুন পাত ধৰিবলৈ আৰম্ভ কৰে আৰু জুলাই-আগষ্ট মাহমানত গছজোপাত ফুলৰ পয়োভৰ হয়। ফুলৰ বৰণ বগা হ'লেও থোকবোৰ দেখনিয়াৰভাৱে আকৰ্ষণীয় নহয়।

খৰালিৰ সময়ত ফুল ধৰে। গুটিৰ ওপৰত পাতলীয়া বাকলিৰ আবৰণ থাকে। গুটি ফুটি পুলি ওলাবলৈ সময় লাগে। সেইবাবে বন বিভাগৰ কৰ্মচাৰীবিলাকে পাত পত্ৰৰ ঢাকন দি দি মাটিত কেইদিনমানলৈ পুতি থৈহে গুটিবোৰৰপৰা সমানে সমানে একে সময়তে পোখা উলিওৱাৰ ব্যৱস্থা কৰে।

চেগুণ গছৰপৰা অতি মূল্যবান কাঠ উৎপাদন হয়। সেই কাঠ দীৰ্ঘস্থায়ী আৰু

দেখাত ধুনীয়া হোৱাৰ উপৰিও সকলো কামতে লগাবৰ বাবে সমান উপযোগী হয়।

ব্ৰাহ্মী শাক, প্ৰজাতি—হাৰপেচ্‌টিছ মণিয়েৰিয়া বিকল্পে-বাক'পা মণিয়েৰি পৰিয়াল—স্ক্ৰফুলিৰিয়েছি। ব্ৰাহ্মী শাক (অসমীয়া) পানী নিম (অসমীয়া) ব্ৰহ্মচাৰিণী (সংস্কৃত) নিৰাব্ৰাহ্মী (সংস্কৃত) ব্ৰাহ্মী, ব্ৰাহ্মী শাক (বঙালী) ব্ৰাহ্মী, সাদা চাম্‌নি (হিন্দী)
(Brahmi) Species—Herpestis monnieria Syn—Bacopa monnieri Family—Scrophuliriaceae

জিপাল ভূমিত উৎপন্ন হোৱা এবিধ মাটিত বগোৱা বন জাতীয় উদ্ভিদ। শাক হিছাপে ৰান্ধি এইবিধ উদ্ভিদ মানুহে ভক্ষণ কৰে। ঔষধ হিছাপেও খোৱা হয়। বহুতো গৃহস্থই বাৰীত ৰোপণ কৰি ৰাখে। তৰকাৰি বজাৰতো কেতিয়াবা কিনিবলৈ পোৱা যায়।

বনপচলা, পিকাচমা জাভানিকা পৰিয়াল—চিমাৰুবেছি পুতি চাল আছিং (মিচিং) নিম্‌তিতা (উত্তৰ লক্ষীপুৰ) চেং লক্‌চো (কাৰবি) বৰ জাগ্ৰেং (আছিক) তেজু (নেপালি)
(Bon Pachala) Variety Species–Picrasma javanica Family–Simarubaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। বাকলিৰ বৰণ ক'লা-চানেকীয়া বা মদৰুৱা হয়। বাকলিৰ উপৰিভাগ কম-বেছি পৰিমাণে মিহি হোৱা দেখা যায়। বাকলিৰ ওপৰৰ তৰপ জালৰ নিচিনা দেখা যায় আৰু ইয়াৰ ভিতৰৰ ফালে থকা মঙহাল অংশই বগা বৰণ প্ৰদৰ্শন কৰে। বাকলি এডোখৰ কাটি মুখত দিলে তিতিকি তিতিকি লাগে।

পাত ধাৰণ কৰা মূল ঠাৰিডালত দীঘলীয়া আকৃতিৰ শাখাপাতবিলাক বিকশিত হয়। পাতৰ আগভাগ ভোটা-চানেকীয়া হয় আৰু পাতৰ দাঁতিভাগত কোনো প্ৰকাৰৰ খাঁজ কটা দাগ নাথাকে।

ফুলৰ বৰণ বগা হয়। একেজোপা গছে উভয়লিঙ্গী পুষ্প, পুংলিঙ্গী পুষ্প আৰু স্ত্ৰী-লিঙ্গী পুষ্প বেলেগে বেলেগে ধাৰণ কৰা দেখা যায়। ফুলবোৰে থোপাৰ আকাৰে বিকাশ লাভ কৰে।

এই গছৰপৰা উৎপাদন হোৱা কাঠৰ মানদণ্ড উচ্চ খাপৰ নোহোৱাৰ বাবে বিশেষ নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি। কাৰবি আৰু আবৰ জনজাতীয় লোকে ইয়াৰ বাকলি জ্বৰৰ ঔষধ হিছাপে ব্যৱহাৰ কৰে।

দ্ৰষ্টব্য ঃ বন পচলা নামৰ আন এবিধ গছৰ বৰ্ণনা স্থানান্তৰত দিয়া হৈছে।

এবিধ ডাঙৰ আকাৰৰ আৰু ওখবিধৰ বিতোপন বনৰীয়া গছ। বাকলিৰ

সৰগ ফুলা, আইলেণ্ঠচ এক্সেলচা চিমাৰুবেছি সৰগ ফুলা (অসমীয়া)

(Sarag Phula) Species—Ailanthus exelasa Simarubaceae

উপৰিভাগে ছাই-বৰণীয়া ৰং ধাৰণ কৰে।

গছজোপাই কম-বেছি পৰিমাণে পোলোঙা আকৃতি প্ৰদৰ্শন কৰে। মাজভাগ মানৰপৰা ঠাল-ঠেঙুলিবিলাক বিকশিত হয়। ওপৰৰফালে ডালবোৰে চৌপাশে ফেৰেঙনি মেলাৰ ফলত গছজোপাই এক ৰকম ছত্ৰাকাৰ ৰূপ ধাৰণ কৰা দেখা যায়।

পাতবিলাকে বিপৰীতমুখী হৈ মূল ঠাৰিডালত বিকাশ লাভ কৰে। দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰা পাতৰ মাজত থকা ঠাৰিডালৰ এক অংশ আন অংশৰ আকাৰত সৰু হয়। সৰু অংশৰফালে পাতখিলাই ধনুভিৰীয়াকৈ বেঁকা হৈ থকা দেখা যায়। পাতৰ দাঁতিভাগ গাইগুটীয়াভাৱে কেতিয়াবা সমান আৰু কোনো কোনো পাতৰ ক্ষেত্ৰত সামান্যভাৱে খাঁজ কটা হয়।

ৰৰপাত, আইলাণ্ঠছ্ গ্ৰান্দিছ্ পৰিয়াল—চিমাৰুবেছি ৰৰপাত, সৰগফুলা (অসমীয়া) বৰকেচেৰু (লক্ষীপুৰ) কৰঙা (শোণিতপুৰ) চিলেং আছিং (মিচিং) দিয়েং চাও (খাচিয়া)

(Borpat) Species—Ailanthus grandis Family—Simarubaceae

এবিধ পোলোঙা আকৃতিৰ কাণ্ড ধাৰণ কৰা প্ৰকাণ্ড গছ। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বৰণ মদৰূৱা হয়। বাকলি কম-বেছি পৰিমাণে মিহি হয় আৰু ইয়াৰ ওপৰত পথালি পথালিকৈ কোঁচ খাই থকা ৰেখাৰ উৎপত্তি হোৱা দেখা যায়। বাকলিৰ ভিতৰভাগে অলপ হালধীয়া বৰণ ধাৰণ কৰে। ইয়াত ফুটফুটীয়া দাগ থাকে আৰু তাৰ ভিতৰত অলপ ৰঙচুৱা ধৰণৰ পথালি পথালি দাগ দেখিবলৈ পোৱা যায়।

পাতৰ স্থাপন পদ্ধতি বিপৰীতমুখী হয়। ঠিক সেইদৰে শাখাপাতবিলাকো ঠাৰিত মুখামুখীভাৱে সংলগ্ন হৈ থাকে। পাতবিলাকে বেঁকাভাৱে অলপ দীঘল আৰু আগৰফালে জোঙা আকৃতি ধাৰণ কৰে। ফুলৰ আকাৰ সৰু সৰু হোৱাৰ বাবে সহজে চকুত ধৰা নপৰে। ফলবিলাকে এক প্ৰকাৰ পাখি ধাৰণ কৰে।

এইবিধ গছৰপৰা যি কাঠৰ উৎপত্তি হয় সেই কাঠৰ বৰণ বগা চানেকীয়া হয়। চাহৰ বাকচ বনোৱা আৰু অন্যান্য পেকিং বাকচ তৈয়াৰ কৰা কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

অন্যান্য জাতীয় গছৰ আশ্ৰয় লৈ জীৱন নিৰ্বাহ কৰা এবিধ পৰদেহী (Para-

ৰঘুমলা, (প্ৰকাৰ) লৰেন্থছ পেন্টাপিটেলছ হেলিক্সেন্থেৰা পাৰাছাইটিকা পৰিয়াল—লৰেন্থাছি চংকছ বেবু (বড়ো) Loranthas (Kind) Species—Loranthus pentapetalus, Syn—Helixanthera parasitica Family—Loranthaceae Loranthas variety (ইং)

site) উদ্ভিদ। জোপোহা আকৃতি ধাৰণ কৰি এইবিধ সৰু আকাৰৰ উদ্ভিদে আন জাতীয় গছৰ ডালত অকস্মাতে আবিৰ্ভাৱ হয়। আশ্ৰয় প্ৰদান কৰা গছজোপাৰ বাকলিৰ ভিতৰলৈ শিপা মেলি সেই গছজোপাৰপৰাই খাদ্য সামগ্ৰী আহৰণ কৰে। এইবিধ উদ্ভিদে আক্ৰমণ কৰা একোজোপা গছৰ ডালবোৰ কেতিয়াবা ই আংশিকভাৱে ঢাকি পেলায়।

ঠাৰিবিলাকে ছাই-বৰণীয়া ৰং পৰিধান কৰে। ঘন ঘনকৈ উৎপত্তি হৈ পাতবোৰে ঠাল-ঠেঙুলিবিলাক আবৰি ৰাখে। পাতৰ আকৃতি অলপ দীঘলীয়া হয়। কোনো কোনো খিলা পাতে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। ঠাৰিত পাতবোৰৰ স্থাপন ৰীতি কেতিয়াবা জখলা-খলপীয়া আৰু কেতিয়াবা বিপৰীতমুখী হয়।

ফুলৰ বৰণ উজ্জ্বল ৰঙা হয়। মঙহাল সৰু আকাৰৰ ফলবোৰে জামুকৰ নিচিনা আকৃতি ধাৰণ কৰে।

ৰঘুমলা, (প্ৰকাৰ) (Roghumola) পৰিয়াল—লোৰেনথেছি মেক্ৰোচ'লন কচিন চাইনেনচিচ, অথবা ল'ৰাণথচ্ এম্পোলাচিয়াছ, চংকছ বেবু (বড়ো) Species—Loranthes ampulaceus Macrocholan cochinchinensis Family—Loranthaceae Loranthas (ইং)

ৰঘুমলা জাতীয় উদ্ভিদবিলাকে স্বাধীনভাৱে মাটিৰ ওপৰত হ'ব নোৱাৰে। অন্যান্য গছৰ ওপৰত সুবিধাজনক ঠাইত এইবিলাক পৰমুখাপেক্ষী গছৰ গুটি কেনেবাকৈ পৰিলে তাতে এইবিধ গছৰ গুটি গজি পুলি হয়। সদ্যহতে বৰ্ণনা কৰা ৰঘুমলা গছৰ উৎপত্তি হ'বলৈ কেইবিধমান নিৰ্দিষ্ট জাতীয় অতিথিপৰায়ণ গছৰ আৱশ্যক। সেই কেইবিধ গছৰ ভিতৰত কঁঠাল, চোম, শাল মৰলিয়া আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। এইকেইবিধ গছৰ অনুগ্ৰহত এই স্তম্ভত উল্লেখ কৰা বিধ ৰঘুমলাই সহজে গা কৰি সেইকেইবিধ গছৰ কোনোবা এটা ডালত শিপাৰে খোপনি পুতি লহপহকৈ উঠি আহিব পাৰে।

ৰঘুমলা বা লৰান্থাচ নামৰ পাৰাচাইট গোষ্ঠীৰ অৰ্থাৎ পৰ মুখাপেক্ষী গছজোপাৰ লেহুকাডালৰ বাকলিখন পাতলীয়াকৈ মুগা হয়। দীঘলীয়া পাতবোৰ ঠালত বিপৰীতমুখীভাগে সজোৱা থাকে। ফুলবোৰ থোপা বান্ধি থাকে। অন্য গছৰ ওপৰত অকস্মাতে হোৱা ৰঘুমলা গছ দূৰৰপৰা জিলিকি থকা দেখা যায়।

পথৰুৱা বিহলঙনি, প্ৰজাতি—পলিগোনম হাইড্ৰোপাইপাৰ পৰিয়াল—পলিগনেছি পথৰুৱা বিহলঙনি, বিহাগনি (অসমীয়া) পাকুৰ মূল, পানী মৰিচ, ভুই লংকা (বঙালী) মাচুটি (হিন্দী)
(Pathorua Bihlongoni) Species—Polygonum hydropiper Family—Polygonaceae Smart wood, Water pepper (ইংৰাজী)

এবিধ পানী-যুঁৰলিত উৎপত্তি হোৱা বন জাতীয় উদ্ভিদ। গছজোপাৰ সকলো অংশত পুৰণিৰ বদগুণ থকা পদাৰ্থ থকাৰ বাবে ইয়াক কোনো কামত লগাব নোৱাৰি।

অসমৰ সকলো দ-চানেকীয়া ঠাইত ইয়াক বৰ্ষাকালত দেখিবলৈ পোৱা যায়।

মধুসোলেং, পলিগনম চাইনেঞ্চি পৰিয়াল—পলিগনেছি, মধুসোলেং (অসমীয়া)
(Modhu Suleng) Species—Polygonum chinense Family—Polygonaceae

এবিধ মাটিত জোপোহা আকাৰত উৎপন্ন হোৱা বৰ্ষীয় উদ্ভিদ। অলপ দীঘলীয়া আকাৰৰ পাতবোৰ ঠাল-ঠেঙুলিবোৰত জোপোহাৰ দৰে বিকশিত ঠাইডোখৰ পাতেৰে উপচাই পেলায়। পাত ধৰা ঠালৰ আগবোৰত বগা বৰণীয়া পুষ্পগুচ্ছৰ উৎপত্তি হয়। কুঁহিপাতবোৰ ছিঙি আনি তৰকাৰি বনাই খাব পাৰি। দাইলৰ লগত মিহলি কৰি বনালে তৰকাৰিখন উপাদেয় হৈ পৰে। বহুতো মানুহে এইবিধ লাগতিয়াল উদ্ভিদ শাৰী শাৰীকৈ অথবা গাইগুটীয়াভাৱে বছৰি বছৰি বাৰীত লগায়।

মিৰ টেঙা, বাৰছেৰা ছিৰেটা পৰিয়াল—বাৰ্ছিৰেছি কিছিয়ান্ থৰ আৰং, কিছেজোংথৰ আৰং (কাৰবি) দিয়েং-চহ-মিৰ (খাচিয়া) তিৰ্ক্ৰিং (আছিক) হেংলা (কছাৰী)
(Mir tenga) Species—Bursera serrata Family—Burseraceae

এবিধ মজলীয়া আকাৰৰ গছ। বাকলি ছাই-বৰণীয়া হয়। এই বাকলিৰ উপৰিভাগত ফটা-ছিটা দাগৰ আৱিৰ্ভাৱ হয়। দা বা কুঠাৰেৰে বাকলিখনত ঘৈয়াই ঘা লগাই দিলে ভিতৰৰ মঙহাল পদাৰ্থখিনিৰ বৰণ ৰঙচুৱা দেখি। কিন্তু অলপ সময়ৰ পাছতে এই ৰঙচুৱা বৰণৰ পৰিবৰ্তন ঘটে আৰু বাকলিৰ বৰণে মুগা ৰং ধাৰণ কৰে।

পাতবোৰৰ আকৃতি দীঘল-চানেকীয়া হয়। ঠাৰিৰ চৌপাশে পাতৰ স্থাপন পদ্ধতি জখলা খলপীয়া হোৱা দেখা যায়। এই মূল পাতবোৰৰপৰা ওলোৱা প্ৰত্যেকডাল ঠাৰিয়ে ১০/১২ খিলামান শাখা-পাত ধাৰণ কৰে। আকাৰত ফুলবোৰ তেনেই সৰু সৰু হয়।

এইবিধ গছ সাধাৰণতে নামনি অসম আৰু কাছাৰ জিলাৰ অন্তৰ্গত থকা

বনাঞ্চলবিলাকত দেখিবলৈ পোৱা যায়। নগাঁও জিলাতো কম-বেছি পৰিমাণে ইয়াৰ অৱস্থিতি পৰিলক্ষিত হয়। ইয়াৰ ফলবিলাক খোৱাৰ উপযোগী বুলি বিবেচনা কৰা হয়।

কাঠৰ মানদণ্ড উন্নত পৰ্যায়ৰ নহয় যদিও অস্থায়ী ধৰণৰ কামত খটুৱাব পাৰি।

ধূনা, কেনেৰিয়ম্ বেঙ্গোলেন্সি পৰিয়াল—বাৰ্ছিৰেছি কুম্কেৰ আছিং (মিচিং) হিজুং আৰং (কাৰবি) বল্ ছামফল (আছিক) ছাত্ৰাই ফাং (কছাৰী)
(Dhuna) Species—Canarium bengalense
Family—Burseraceae

এবিধ বৰ ডাঙৰ আকাৰৰ বনৰীয়া গছ। অসমৰ গভীৰ অৰণ্য ভূমি কিছুমানত ঠাই বুজি এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। গা-গছৰ গুৰিভাগৰপৰা গম আঠাৰ নিচিনা এবিধ তৰল পদাৰ্থ বাহিৰ হয়। বহুদিন ধৰি ওলাই ওলাই থকা এই তৰল পদাৰ্থবোৰ গোট খাই গছজোপাৰ গুৰিত একোটা দ'মৰ সৃষ্টি হয়। হাবিতলীয়া মানুহে এইবিলাক বুটলি আনে।

বনবিভাগে আগতে মহল আকাৰে নিবিদা আহ্বান কৰি এই ধূনাবিলাক বিক্ৰী কৰাৰ নিয়ম অনুসৰণ কৰিছিল। আজিকালি বিভাগীয়ভাৱে ধূনাবোৰ সংগ্ৰহ কৰি বিক্ৰী কৰা ব্যৱস্থা হৈছে। ঘৰৰ বায়ু শোধন কৰিবলৈ ধূনা জ্বলোৱা হয়। পূজা-পাতলত হিন্দুসকলে ধূনা জ্বলায়।

গছজোপাই ছাই-বৰণীয়া বাকলি ধাৰণ কৰে। বাকলিৰপৰা তৰপে তৰপে নিকৰি ওলায়। পাতৰ আকৃতি দীঘল-চানেকীয়া হয়।

এইবিধ গছৰ কাঠ বিভিন্ন কামত ব্যৱহাৰ কৰিব পৰা যায়।

ঠৌটমলা, গেৰুগা পিনেটা পৰিয়াল—বাৰ্চিৰেছি থৌথোৱা, ঠৌটমলা, বোহিমলা, ঠৌটমেলা (অসমীয়া) কেচ্কেচি (দৰং, শোণিতপুৰ) পানী-অমৰা (শিৱসাগৰ) বোহিমলা, বান্থাই ফাং বইম পমা (কছাৰী) চিকন আছিং (আবৰ) থিং বট্ (কুকি) চিংগাম বল (গাৰো) এলো, কায়েলো (কাছাৰ), তেজহি আৰং (কাৰ্বি) বন্কুং আছিং (মিচিং) ডাবডাবি (নেপালি) দিয়েং খিয়েং (খাচিয়া)
(Thutmola) Species—Garuga pinnata Family—Burseraceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। বাকলিৰ ৰং মটীয়া অথবা মুগা বৰণীয়া হয়। বাকলিৰ উপৰিভাগ খহটা আৰু তাত বখল খাই খাই ওলাই অহা চেঁকুৰাৰ উৎপত্তি হয়। বাকলিৰ ভিতৰৰ মণ্ডহাল অংশ ৰঙচুৱা, সামান্যভাৱে গোন্ধযুক্ত আৰু তাৰ মাজে মাজে অলপ বগা বৰণীয়া আঁচুৰ উৎপত্তি হয়। কুঁহিপাত আৰু পুষ্পপুঞ্জৰ কোমলাংশ চুটি চুটি লোমযুক্ত।

পাতবোৰ দীঘল দীঘল। যৌগিক পাত্ৰৰপৰা উৎপত্তি হোৱা পত্ৰিকাবোৰৰ আকাৰ আৰু আঁকৃতিত ভিন্ ভিন্ ৰূপ প্ৰতিফলিত হোৱা দেখা যায়। প্ৰত্যেক খিলা মূলপাতে ১১ খিলাৰপৰা ১৯ খিলা পৰ্যন্ত শাখাপত্ৰিকা ধাৰণ কৰে। পত্ৰিকাৰ স্বৰূপ কেতিয়াবা ডিম্বাকৃতি, কেতিয়াবা দীৰ্ঘাকাৰ আৰু কোনো কোনো ক্ষেত্ৰত বল্লমাকাৰ হোৱা দেখা যায়। অগ্ৰভাগ কম-বেছি কৌণিক, নেজাল আৰু দীঘলীয়াকৈ শীৰ্ষ বিন্দুত মিলিত। পাতৰ সীমান্ত সামান্যভাৱে দন্তযুক্ত, কম-বেছি পৰিমাণে চৰ্মিল, তলৰফালে সামান্যভাৱে লোমমুক্ত, কেতিয়াবা পাতৰ উপৰিভাগত খহুলা-খহুলি গ্ৰন্থিৰ উৎপত্তি হোৱা দেখা যায়। পাৰ্শ্ব সিৰৰ সংখ্যা পাতৰ প্ৰত্যেক অৰ্দ্ধাংশত ১৮ ডালমানকৈ উদ্ভৱ হয়। সিৰবোৰে পথালি পথালিকৈ সৰল ৰেখাৰ আকৃতি ধাৰণ কৰে। গুৰিৰ অংশ কৌণিক। পত্ৰিকা দণ্ড হ্ৰস্ব। ফুলৰ ৰং সেউজ-বুলীয়াকৈ হালধীয়া হয়। পুষ্পপুঞ্জৰ শীৰ্ষভাগ বা মূধচ ছত্ৰাকাৰভাৱে মেলাহি, ফুলবিলাক পুষ্প-পুঞ্জধাৰী দণ্ডডালৰ চৌপাশে একাদিক্ৰমে সজোৱা থাকে। পুষ্পদণ্ডৰ গুৰিৰ অংশত কেতিয়াবা একোখিলাকৈ পাত থাকে, কেতিয়াবা নাথাকে। বেটুপাত দীঘলীয়া, কালক্ৰমত সৰি পৰে। পুষ্পধাৰী ঠাৰিবোৰ দীঘল আৰু সামান্যভাৱে নোমাল। পুংকেশৰৰ চুপহিবোৰ ঘণ্টাকৃতি হয়। খণ্ডসমূহ ত্ৰিকোণীয়া, ডিম্বাকৃতি অথবা প্ৰান্তস্পৰ্শী। পাহি-৫, হালধীয়া, দীঘলীয়া অথবা ডিম্বৰ আকাৰে দীৰ্ঘকায়। চুপহি আৰু পাহি উৎপত্তিৰ ক্ৰম পৰিপূৰক। বাহিৰৰফালে থকা পিঠি সামান্যভাৱে লোমযুক্ত। সূত্ৰ, অণ্ডাশয় আৰু মুণ্ডদণ্ড সামান্যভাৱে নোমাল। পুংমুণ্ডই মুণ্ডাকাৰ ৰূপ ধাৰণ কৰে। অষ্ঠি ফল অনিয়মিতভাৱে ঘূৰণীয়া।

অসমৰ প্ৰায় সকলো ঠাইতে এইবিধ লাগতিয়াল গছ পোৱা যায়। অন্তঃকাষ্ঠ ৰঙচুৱাকৈ মুগা হয়। বাকলিবোৰ চামৰা কাৰখানাত ব্যৱহাৰ্য উপাদানৰূপে কামত লগাব পাৰি। পাতবিলাক গৰু-ছাগলীৰ খাদ্য। সৰু সৰু ঠালবোৰ খণ্ড খণ্ডকৈ কাটি নতুন গছৰ সৃষ্টি কৰিব পাৰি। মধ্যমীয়া পৰ্যায়ৰ কাঠ নানা কামত লগাব পাৰি। ৰেলপথৰ শায়ীকাঠ ৰূপেও ব্যৱহাৰ্য।

পুলি কাঁইট, কচিনচাইনেন্‌চিছ কুড্ৰেনিয়া অথবা কুড্ৰেনিয়া জাভানেনচিছ পৰিয়াল—ৰুবিয়েছি পুলি কাঁইট (অসমীয়া)

(Puli-Kait) Species—Cudrania cochinchinensis Syn—Cudrenia javanensis Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ জোপোহা গছ। বাটৰ কাষৰ হাবি-বননি আৰু পথৰুৱা ঘাঁহনিৰ মাজত এইবিধ উদ্ভিদ প্ৰায়েই দেখিবলৈ পোৱা যায়। ঠাৰিবোৰত এক প্ৰকাৰ চুটি চুটি

কাঁইট উৎপন্ন হয়।

গৰু-ছাগলীয়ে পাত ছিঙি খোৱাৰ বাবে ইয়াক কোনো কামত লগোৱা নহয়।

এপিকেক, চেপিলিচ ইপিকেকোৱানহা ৰুবিয়েছি এপিকেক (অসমীয়া) Epicac Species—Cephaelis ipecacuanha Rubiaceae

এবিধ বনৌষধ প্ৰস্তুত কৰিব পৰা ৰসায়নিক পদাৰ্থ ধাৰণ কৰা এবিধ বি-জাতীয় ক্ষুদ্ৰ আকাৰৰ উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান ব্ৰাজিলৰ অন্তৰ্গত থকা সেমেকা বনাঞ্চলবিলাক বুলি জনা যায়। ১৮৬৬ চনত ইয়াৰ সঁচ আনি পোন প্ৰথমতে ভাৰতত লগোৱা হৈছিল। কলিকতাৰ ৰয়েল বোটানিকেল গাৰ্ডেনৰ তৎকালীন অধীক্ষক ড° এন্‌দাৰচন চাহাবে কিউ গাৰ্ডেনৰপৰা ইয়াৰ সঁচ আনি লগাইছিল। তাৰে কিছুসংখ্যক পুলি নি পশ্চিমবঙ্গৰ দাৰ্জিলিং, মেঘালয়ৰ নংপো, তামিল নাডুৰ নীলগিৰি পাহাৰ আৰু ছিক্কিমৰ ৰংগীত থকা টিনকণাৰ বাগানত লগোৱা হ'ল। পৰীক্ষণমূলকভাৱে অসমৰ বনবিভাগে এতিয়া নগাঁও জিলাৰ আমচৈত ইয়াৰ পালেং বনাই ব্যৱসায়িক ভিত্তিত খেতি কৰিব পৰাৰ চেষ্টা চলাইছে।

ইয়াৰ পাতিবিলাক অলপ ডাঙৰ হয়। শিপা কোছা-কোছে ধৰে। ফলবোৰৰ আকৃতি গোল-চানেকীয়া হয়।

শিপাৰপৰা যি ঔষধ তৈয়াৰ কৰা হয় সেই ঔষধ গ্ৰহণী বেমাৰত ব্যৱহাৰ কৰা হয়। সেইবাবে ইপিকেকৰ অৰ্থনৈতিক মূল্য অতি বেছি বুলি ক'ব লাগিব।

তিতা শোকোতা, চেচালিয়া এম্বিগোৱা পৰিয়াল—ৰুবিয়েছি তিতা শোকোতা (অসমীয়া) (Tita Sukuta) Species—Chasalia ambigua Family—Rubiaceae

এবিধ চাপৰ আকৃতিৰ জোপোহা গছ। অসমৰ বিভিন্ন ঠাইত থকা হাবি-বননিবোৰত এইবিধ বনৰীয়া উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। নতুনকৈ ওলোৱা ঠাল-ঠেঙুলিবোৰ লেহুকা আৰু কোমল বা মঙহাল হ'লেও পূৰঠ ডালবোৰে কঠিন ৰূপ ধাৰণ কৰে। পাতলীয়া বাকলিৰ উপৰিভাগ বৰণত মুগা-চানেকীয়া আৰু স্পৰ্শত মিহি হয়। বাকলিৰ ভিতৰখন বগা হয়। সামান্যভাৱে হ'লেও পাতবোৰৰ আকৃতিত গাইগুটীয়াভাৱে ভিন্ন ৰূপৰ আভাস পৰিলক্ষিত হয়।

ফুলৰ বৰণ বগা হয়। প্ৰত্যেক পাহ ফুলৰ আগভাগ ৰঙচুৱা হয়। মূল পুষ্পঠাৰিৰ আগভাগত বিকাশ লাভ কৰা পুষ্প-পুঞ্জই চক্ৰাকাৰ ৰূপ ধাৰণ কৰে।

আধুনিক অসমৰ প্ৰায় আটাইকেইখন জিলাতে এইবিধ গছৰ উৎপত্তি কম-বেছি পৰিমাণে পৰিলক্ষিত হয়।

চিনকনা, চিনকনা—অফিচিনেলিচ্ পৰিয়াল— ৰুবিয়েছি চিনকনা (অসমীয়া) (Cinchona) Species—Cinchona officinalis Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ ঔষধ জাতীয় বিদেশী উদ্ভিদ। পূৰ্বতে অবিভক্ত অসমৰ খাচিয়া-জয়ন্তীয়া আৰু গাৰো-পাহাৰ জিলাত এইবিধ মূল্যবান গছৰ খেতি বাগান আকাৰে কৰিবলৈ লোৱা হৈছিল। শ্বিলঙৰ ওচৰৰ নংখলাও বনভূমি আৰু তুৰাৰ গাতে গা লাগি থকা তুৰা পাহাৰৰ অলপ হেলনীয়া ঠাইত এইবিধ গছৰ ৰোপণ কাৰ্য প্ৰণালীবদ্ধভাৱে কৰিবলৈ লোৱা হৈছিল। পাছত চিনকনাৰ চাহিদা আশানুৰূপ নোহোৱাত ইয়াৰ ৰোপণ কাৰ্য বন্ধ কৰি দিব লগা হ'ল। সেইবোৰ ঠাইত এতিয়াও ইয়াৰ চিন-মোকাম দেখিবলৈ পোৱা যায়।

পাতবোৰে দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ সিৰাৰ উপৰিভাগত ক্ষুদ্ৰাকাৰ ছিদ্ৰ কিছুমানৰ উৎপত্তি হয়। ফুলৰ বৰণ ৰঙচুৱা হয়। ফুল থোপা-থোপে ফুলে।

কেতকুৰা, ভেংগেৰিয়া স্পাইনোচা মেইনা লেকভিয়াৰা পৰিয়াল—ৰুবিয়েছি থিছ্ কিয়ং (আছিক) চহ মন (খাচিয়া) কেতকুৰা (অসমীয়া) ময়েন কাণ্টা (বঙালী) (Ketkura) Species—Vangeria spinosa Syn–Meyna laxithera Family—Rubiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। গা-গছ আৰু ডাল-ডোলৰ বাকলিখন ক'লা চানেকীয়াকৈ মদৰুৱা হয়। বাকলিৰ উপৰিভাগত ঠায়ে ঠায়ে কটাৰ নিচিনা দাগৰ উৎপত্তি হয়। দা এখনেৰে বাকলিখনত কোব মাৰি ঘা লগাই দিলে দেখিবলৈ পোৱা যাব যে বাকলিৰ ভিতৰৰ পদাৰ্থবোৰে অলপ হালধীয়া বৰণ ধাৰণ কৰে। গোটেই জোপা গছতে দীঘল-চানেকীয়া কাঁইটৰ বিকাশ সাধন হয়। অলপ ডাঠ ধৰণৰ মিহি-চানেকীয়া পাতবোৰ আগৰফালে জোঙা আৰু গুৰিৰ অংশ দুয়োফালৰপৰা ঘূৰণীয়াকৈ ভাঁজ খাই ঠাৰিত লগ লগা ধৰণৰ হয়। এই পাতবোৰে ঠাৰিত যোৱা পাতি পাতি বিপৰীতমুখী ৰূপ প্ৰদৰ্শন কৰে। ফুলৰ পাহিবোৰে পাতলীয়াকৈ সেউজীয়া ৰং ধৰে।

ফলৰ আকৃতি একো একোটা বৰ-বিলাহীৰ নিচিনা হয়। ভিতৰত ফুটা থাকে আৰু সেই ফুটাবোৰৰ ভিতৰত অলপ ডাঙৰ আকাৰৰ ক'লা ক'লা একোটা গুটি ধৰে। সেউজীয়া ফলবোৰ পকিলে ৰঙচুৱা হয়। খালে মিঠা মিঠা লাগে। জোটা জোটাকৈ মালা গাঁঠি ৰ'দত শুকুৱাই ৰাখিলে এমেটাৰ নিচিনা লেকেটুৱা হয়। তেতিয়া খাবলৈ বেয়া নালাগে।

পানী-কদম, হাইমেনেদিকটিয়ন এক্সেলচম পৰিয়াল—ৰুবিয়েছি
(Pani-kodam) Species-Hymenedictyon excelsum Family–Rubiaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। কাঠৰ মান সিমান উন্নত পৰ্যায়ৰ নহয় যদিও ঘৰৰ খুঁটা আদি লগোৱা কামত ব্যৱহাৰ কৰিব পাৰি। উজনি আৰু নামনি অসমৰ সংৰক্ষিত বনাঞ্চলবিলাকৰ মধ্য স্তৰৰ বৃক্ষৰূপে এইবিধ গছৰ সেৰেঙা-সেৰেঙ কৈ উৎপত্তি পৰিলক্ষিত হয়।

হালধি চপা, বা হাল্ডু ওডিনা কৰদিফলিয়া পৰিয়াল—ৰুবিয়েছি হালধি চপা, হলদু (অসমীয়া)
Halodhi Sopa or Haldu Species—Odina cordifolia Family—Rubiaceae

এবিধ ওখ ডাঙৰ আকাৰৰ সুকাঠী বনৰীয়া গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰিলে গোটেইজোপা গছে লঠঙা ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগ অলপ গেৰুৱা হয়। গছজোপা গুৰিভাগৰপৰা ওলাই অহা চেপেটা আকাৰৰ শিপাবোৰ মাটিৰ ওপৰলৈ চটাৰ আকাৰে ওলাই অহা দেখা যায়। মুকলি ঠাইত উৎপন্ন হোৱা গছৰ শাখা-প্ৰশাখাবোৰে মেলাহি আকাৰ ধাৰণ কৰে। গা-গছৰ বাকলিত দীঘল পহীয়াকৈ ফটা-ছিটা দাগৰ উৎপত্তি হয়। বাকলিৰ ভিতৰৰফালে থকা মঙহাল অংশই ৰঙচুৱা বৰণ পৰিধান কৰে। তাত দীঘল দীঘল আঁচৰ উৎপত্তি হয়।

অলপ গোটা আকাৰৰ ফুলবোৰৰ বৰণ হালধীয়া হয়। এইবিধ গছৰপৰা উৎপন্ন হোৱা মূল্যবান কাঠৰ বৰণ হালধীয়া-চানেকীয়া হয়। এই কাঠ চকি-মেজ আদি সৰঞ্জাম তৈয়াৰ কৰা কামত লগাব পাৰি।

কফি, কফিয়া এৰেবিকা কফিয়া ৰোবাষ্টা পৰিয়াল—ৰুবিয়েছি কফি (অসমীয়া)
(Coffee) Species—(1) Coffea arabica (2) Coffea robusta Family—Rubiaceae Coffee (ইং)

ওপৰত নাম উল্লেখ কৰা জোপোহা আকৃতিৰ গছ দুবিধক বুজাবলৈ কফি শব্দ ব্যৱহাৰ কৰা হয়। পূৰ্বতে এই কফিগছ অসমত থলুৱাভাৱে উৎপন্ন হোৱা দেখিবলৈ পোৱা নগৈছিল। অসমৰ পাৰ্বত্য জিলা দুখনত (কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ) ঠাই বুজি ভূমি সংৰক্ষণ এই দুয়োবিধ গছৰ বাগান নিৰ্মাণ কৰিছে। দুয়োবিধ গছে থোপা-থোপে ফল ধৰে। সেই ফলবোৰ পকিলে গছৰপৰা ছিঙি আনি ৰ'দত শুকুৱাই বাকলিবোৰ গুচাই ভিতৰত থকা গুটিবোৰ বাহিৰ কৰা হয়। এই গুটিবোৰ মেচিনত ভাঙি কফি পাউদাৰ তৈয়াৰ কৰা হয়। সেইবাবে অৰ্থনৈতিক দৃষ্টিকোণৰপৰা এই দুবিধ গছৰ মূল্য অত্যন্ত বেছি।

গছজোপাই গুৰিৰেপৰা চাহ গছৰ দৰে ঠাল-ঠেঙুলি মেলি জোপোহা আকৃতি ধাৰণ কৰে। ঘাই গছ আৰু ডালবোৰে ছাঁই-বৰণীয়া ৰং প্ৰদৰ্শন কৰে। পাতবোৰৰ মাজভাগ বহল আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৰা আকৃতি ধৰে। থোপা-থোপে ফুল ফুলে। সেই ফুলবোৰ পূৰঠ হ'লে লম্বা-লমে ফল ধৰে।

কাকৈচিৰা, ট্ৰাইকেলিচিয়া চিংগুলাৰিছ পৰিয়াল—
ৰুবিয়েছি খুকৰো, গাৰো খুকৰো, কাকৈচিৰা (অসমীয়া) বল খুংখাং, বল জাকিংচক (গাৰো) পন্ডন্জে বেফাং, কেহুৰাই আৰং (কাৰ্বি)
(Kakoichira) Species—Tricalysia singularis Family—Rubiaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অৱস্থিত প্ৰায়কেইখন জিলাৰ বনভূমিবিলাকত কম-বেছি পৰিমাণে দেখা যায়। বৰাক উপত্যকা, উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাৰ অন্তৰ্গত থকা বনাঞ্চলবিলাকেও এইবিধ গছ ধাৰণ কৰে। কাঠৰ বৰণ বগা। কেঁচা ঘৰৰ খুঁটা আদি লগোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ ৰং ছাই-বৰণীয়া হয়। গা-গছত এক প্ৰকাৰৰ খহুলা-খহুলি দাগৰ উৎপত্তি হয় আৰু তাৰপৰা একপ্ৰকাৰ এঠা ওলায়। বাকলি নিমজ। পূৰঠ গছৰ বাকলিখন টুকুৰা-টুকুৰকৈ ফালি তাৰপৰা চেঁকুৰাবোৰ ওলমি ওলমি থাকে। বাকলিৰ ভিতৰৰ কোমল অংশ অনুজ্জ্বলভাৱে শেঁতা আৰু কোনো কোনো ক্ষেত্ৰত সেউজ-বুলীয়াকৈ মুগা হয়। বাকলিখন কটাৰ কিছু সময়ৰ পাছত ক'লা ৰঙলৈ পৰিৱৰ্তন হয়। পাতবোৰ স্থাপন ৰীতি বিপৰীতমুখীভাৱে সমকৌণিক। পাতবোৰৰ আয়তাকাৰ, উপ-বৃত্তাকাৰ প্ৰান্তৰেখা সৰল, অগ্ৰাংশ নেজালভাৱে সূক্ষ্মকৌণিক, নিমজ ওপৰৰ পিঠি উজ্জ্বল, তলৰ লুটি অলপ শেঁতা। শাখাসিৰবোৰ সূক্ষ্মকাৰ।

ফুল চাৰিপহীয়া চাৰিপহীয়া, সেউজ-বুলীয়াভাৱে বগা। উপ-বৃন্তহীন, উভয়লিংগী। বৃত্তিদন্ত পুষ্পবিকাশৰ পাছতো বৃদ্ধিপ্ৰাপ্ত হয়। দলমণ্ডল সেউজ-বুলীয়া, দীৱটাকাৰ। লতিকা কুশাকাৰ, আয়তাকাৰ, কণ্ঠ দীৰ্ঘকোণী। পুংকেশৰ দলমণ্ডলৰ মুখত স্থাপিত অণ্ডকোষ দুকুঠলীয়া। ফল মণ্ডহাল, ছেৰি সদৃশ। বীজ চেপেটা।

কদম বা ৰঘু, এন্থোছিফালছ কদম্বা পৰিয়াল—
ৰুবিয়েছি কদম, ৰঘু (অসমীয়া)
(Kadam or Raghu) Species—Anthocephalus cadamba, Family—Rubiaceae

এবিধ বিৰাট আকাৰৰ চিৰ-সেউজীয়া গছ। গা-গছডাল কম-বেছি পৰিমাণে পোলোঙা হয় আৰু ডালবিলাকে সৰহ ক্ষেত্ৰত সমভূমিৰ

লগত প্ৰায় সমান্তৰালভাৱে চক্ৰাকাৰ ৰূপ ধাৰণ কৰে। ধপলা-ধপল পাতবোৰ গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে চিয়া হৈ যোৱা দেখা যায়। পাতৰ উপৰিভাগ অলপ খহটা-চানেকীয়া হয়। ওপৰ পিঠি অলপ মিহি আৰু তলৰ পিঠি খহটা হয়। ফুলবোৰে তৰুৱা কদম ফুলৰ নিচিনা ঘূৰণীয়া আকাৰ ধাৰণ কৰে। চুপহিৰ আৱৰণ ৫ খণ্ডত বিভক্ত হৈ থাকে, পাহিবোৰে চুঙাৰ নিচিনা ৰূপ ধাৰণ কৰি আগৰফালে ক্ৰমে বহল হৈ যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

এইবিধ গছৰপৰা উৎপাদন হোৱা কোমল চানেকীয়া আৰু বগা বৰণীয়া হোৱা দেখা যায়। ইয়াৰ তক্তাৰে বস্তু চালান দিয়া বাকচ তৈয়াৰ কৰা যায়। দিয়াচলাই বাকচ নিৰ্মাণ কৰা কামতে ইয়াক ব্যৱহাৰ কৰা হয়।

কঠনা ফুল, কফিয়া বেঙ্গলেঞ্চিছ পৰিয়াল— ৰুবিয়েছি আখাজি, দেৱামালি, কঠনা ফুল (অসমীয়া) মিৰথেলো (কাৰ্বি) ফুল দৌদাই (বড়ো) ব্ৰুক্-খাউ-পে (টাই-আহোম) (Kothna Phul) Species—Coffea bengalensis Family—Rubiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। সাধাৰণতে গছবোৰৰ উচ্চতা প্ৰায় এক মিটাৰমান হোৱা দেখা যায়। মূল গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে। নামনি অসমৰ শালনি হাবিবোৰত এইবিধ গছে সৰ্বনিম্ন স্তৰত বিকাশ লাভ কৰা দেখা যায়। কোনো কোনো ঠাইত ওচৰা-উচৰিকৈ বহুতো গছৰ উৎপত্তি পৰিলক্ষিত হয়।

পাতৰ আকৃতি দীঘল-চানেকীয়া আৰু আগজোঙা হয়। পাতৰ উপৰিভাগ মিহি হয়। চ'ত-বহাগমহীয়া গোটেইবোৰ পাত একে সময়তে সৰি গ'লে গছবোৰ লঠঙা হৈ পৰে। খৰালিমহীয়া বগা বগা বৰণৰ ফুল ফুলে। তেতিয়া গছজোপাই বিতোপন ৰূপ ধাৰণ কৰে। একেডোখৰ ঠাইতে সৰহীয়াকৈ উৎপন্ন হোৱা গছবোৰে একে সময়তে ফুল ধাৰণ কৰিলে শালনিবাৰীৰ তলখন আকৰ্ষণীয় হৈ পৰে।

কোনো কোনো মানুহে এই জাতৰ দুই-এজোপা গছ ফুলনিবাৰীত লগাই ৰাখে।

ভেদাই লতা, পাদুৰী লতা, পাদ্ৰীলেবা পিদেৰিয়া ফিটিদা পৰিয়াল—ৰুবিয়েছি মুকুণ্ড লতা (কাছাৰ) মাদত্ থি, পাছুম (গাৰো) দৌখি-বন্দুং (মেচ) চাম-খি-ফু (কছাৰী) ৰেই-নাম-ব্ৰাং (কুকি) মৈই-ইন-টু, মৈই-চহ-মাচেম্ (খাচিয়া) ভেদাই লতা, পাদুৰী লতা, পাদ্ৰী লেৱা (অসমীয়া) (Bhedai lota) (Paduri lota, Padurilewa) Species—Paederia faetida Family—Rubiaceae

এডাল তঁাৰৰ সমান ক্ষুদ্ৰ আকাৰৰ এবিধ বৃক্ষাৰোহী গুল্ম। গছৰ ওপৰলৈ আৰোহণ কৰোঁতে ঘড়ীৰ কাঁটাৰ বিপৰীতমুখী পথ অনুসৰণ কৰে।

পাতবিলাক পত্ৰবৃন্তত বিপৰীতমুখী, দৈৰ্ঘ্য প্ৰায় ৬ চেণ্টিমিটাৰ আৰু প্ৰস্থ কম-বেছি পৰিমাণে ২ চেণ্টিমিটাৰ। বৃত্তাকাৰ-ডিম্বাকাৰ, বল্লমাকাৰ, চুটিকৈ সূক্ষ্মকৌণিক, সৰলপ্ৰান্ত, পাতলীয়া, লোমবিহীন।

পাতৰ প্ৰতি অৰ্দ্ধাংশই ৫-৭ ডাল শাখাসিৰ ধাৰণ কৰে। শাখাসিৰ কক্ষ কৌণিক। কেতিয়াবা চুলিযুক্ত। আধাৰ গোল অথবা উপ-হৃদয়াকাৰ। পত্ৰবৃন্ত প্ৰায় তিনি চেণ্টিমিটাৰ দীঘল।

ফুল মটীয়াভাৱে গুলপীয়া। ফুলৰ মুখ বেঙুনীয়া। কক্ষৰ পাৰ্শ্বভাগ আৰু অন্তিম বিন্দুৰে বহন কৰা ফুলৰ পাহিবোৰে সামগ্ৰিকভাৱে নিয়তাক্ষ যৌগিক মঞ্জৰীৰ ৰূপ লয়। নিয়তাক্ষ বৃন্ত বিপৰীতমুখী। বেটুপত্ৰৰ দাঁত সূক্ষ্ম, সাধাৰণতে তিনিকোণীয়া। দলমণ্ডল বেহি-সদৃশ। নলিৰ অন্তৰভাগ লোমযুক্ত। ফল বৃত্তাকাৰ, ৰঙচুৱা, শোটোৰা পৰা, পাইৰিণ পাখিযুক্ত।

আকাল বিহ, আঁচুগছ মৰিন্দা এঙ্গোষ্টিফলিয়া পৰিয়াল—ৰুবিয়েছি আকাল বিহ, আঁচুগছ (অসমীয়া) আওচ (বঙালী) আচ্ আচু, বানহাদি (হিন্দী)
(Akal Bih, Achu Goch) Species—Morinda angustifolia Family—Rubiaceae

এবিধ থাউকাল আকাৰৰ বনৰীয়া গছ। ইয়াক ডাঙৰ আকাৰৰ এবিধ জোপোহা গছৰ আখ্যাও দিব পাৰি। কোনো কোনো ঠাইৰ মানুহে ইয়াক আঁচুগছ নামেৰেও পৰিচয় কৰিব খোজে। বাকলিৰ বৰণ মুগা-চানেকীয়া হয় আৰু বাকলিখনে দীঘল দীঘল ফাট মেলাৰ প্ৰকৃতি প্ৰদৰ্শন কৰে। ঠেক ঠেক পাতবোৰে দীঘলপহীয়া ৰূপ ধাৰণ কৰে। পাতৰ দাঁতিত কোনো প্ৰকাৰৰ খাঁজ কটা চিন নাথাকে। প্ৰত্যেকখিলা পাতৰ মূল সিৰাৰ দুয়োকাষে ১০-১৫ ডালমান শাখাসিৰা উৎপত্তি হয়। উপ-শিৰা আৰু মূল সিৰাৰ কাষে কাষে চুলিৰ নিচিনা আঁহ ওলায়। ফুলবোৰ সুগন্ধি হয়।

মেহগিনি, টুবেছিয়া মেহগিনি পৰিয়াল—মেলিয়েছি মেহগিনি (অসমীয়া)
(Mehagini) Species—Swiatenia mehogani Family—Meliaceae

এবিধ অলপ ডাঙৰ আকাৰৰ বিতোপন গছ। চিৰ সেউজীয়া গছজোপাই সৰু সৰু আকাৰৰ পাত ধাৰণ কৰে। ইয়াক আলঙ্কাৰিক বৃক্ষ হিছাপে আলি-পদূলিৰ কাষে-পাজৰে আৰু উদ্যান-উপবনত লগাই ৰাখিব পাৰি। ইয়াৰ উৎপত্তি স্থান আমেৰিকা বুলি জনা যায়। আজিকালি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত এইবিধ মূল্যবান গছ দেখিবলৈ পোৱা যায়। অসমত ইয়াৰ উৎপত্তি একেবাৰে নাই বুলিও ক'ব পাৰি।

এইবিধ গছে ধাৰণ কৰা কাঠ উত্তম পৰ্যায়ৰ বুলি গণ্য কৰা হয়।

পমা, ছেদ্ৰেলা টুনা পৰিয়াল—মেলিয়েছি বঞ্জি আছিং, পমা আছিং (মিচিং) পমা (কছাৰী) জীয়া পমা আৰু জাতি পমা (অসমীয়া) হাৰবি বেহ আৰং, পমা আৰং (কাৰ্বি) বল ব্ৰেট (গাৰো) দিয়েং টাইপেনি, দিয়েং চাও (খাচিয়া) পমা (বড়ো)
(Poma) Species—Cedrela toona Family—Meliaceae

পমা বা জীয়া পমা এবিধ ডাঙৰ আকাৰৰ শুৰনি গছ। গা-গছৰ বৰণ ক'লা-চানেকীয়াকৈ ছাই-বৰণীয়া। ঠাইয়ে ঠাইয়ে এই বাকলিখনৰ পৰা টুকুৰা-টুকুৰে পাতলীয়া ছাল এৰাই আহি ওলমি থকা দেখা যায়। বাকলিখন দা বা কুঠাৰেৰে কাটি দিলে ভিতৰখন ৰঙচুৱা দেখি। পাতৰ গঠন যৌগিক। শাখাপাতবিলাক বিপৰীতমুখী হয় কিম্বা ওপৰ-তলকৈ ঠাৰিৰপৰা ওলাই আহে। ফুলৰ বৰণ বগা আৰু এই ফুল সুঙি চালে তাৰপৰা অলপীয়া গোন্ধ ওলোৱা গম পোৱা যায়। চুপহিবোৰ সৰু সৰু আৰু আগলৈ জোঙা। পাহি অলপ দীঘলীয়া।

এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠৰ বৰণ ৰঙচুৱা হোৱা দেখা যায়। পমা কাঠৰপৰা নানা বিধৰ সৰঞ্জাম তৈয়াৰ কৰিব পাৰি। দুৱাৰ-খিৰিকি বনোৱা কামত ব্যৱহাৰ কৰিব পৰা যায়।

বগী পমা, চুক্ৰাছিয়া ভেলুটিনা চিক্ৰছিয়া টেবুলাৰিছ পৰিয়াল—মেলিয়েছি বগা পমা (শিৱসাগৰ), লাহৰি পমা (নগাঁও) লাহৰি পমা (গোৱালপাৰা) চিলেং আছিং (মিচিং) হাৰ্বি বেহ্, হাৰিবে, চাই হাদিম্, (কাৰ্বি) বন বিদিম ফাং (কছাৰী) জং মেল (কুকি) হাইথ্না পমা (কাছাৰ) বল ডবেক্ (গাৰো)
(Bogi Poma) Species—Chukrasia velutina Syn. Chickrassia tabularis Family—Meliaceae

এবিধ প্ৰকাশ আকাৰৰ বিতোপন গছ। বাকলি মদৰুৱা বা ছাই-বৰণীয়া। গভীৰভাৱে ফাটমেলা। শাখা-প্ৰশাখা বাতৰন্ধ্ৰীয়। বাকলিৰ ভিতৰৰ অংশ আঁহযুক্ত, গভীৰ ৰঙা বা ৰঙচুৱা, প্ৰায় ১.৫ চেণ্টিমিটাৰ ডাঠ।

যৌগিক পত্ৰক্ৰম ৩০-৫০ চেণ্টিমিটাৰ দীৰ্ঘ, কুমলীয়া পাত শুং-যুক্ত, পত্ৰক-অক্ষ সুগোল, পত্ৰিকা ১০-২৪, সাধাৰণতে সোপানাকাৰ, ডিম্বাকাৰ, উপ-বৃত্তাকাৰ, বল্লমাকাৰ, কুশাগ্ৰী, সৰল প্ৰান্তীয়, পাতল-চানেকীয়া, ক্ৰমে লোমবিহীন। মধ্য সিৰৰ দুয়োকাষে থকা পাৰ্শ্বসিৰ প্ৰায় ১০, ক্ষুদ্ৰ সিৰ জালিৰ নিচিনাকৈ অংকিত, পত্ৰাধাৰ সূক্ষ্মকৌণিকভাৱে বেঁকা আৰু অসমানাকাৰ। পত্ৰিকাবৃন্ত প্ৰায় ১.৫০ চেণ্টিমিটাৰ দীৰ্ঘ যৌগিক মঞ্জৰী শীৰ্ষস্থানীয়।

ফুলৰ বৰণ বগা, দীঘলে দীঘলে ২ চেণ্টিমিটাৰমান। বৃত্তিমণ্ডল ক্ষুদ্ৰাকাৰ, উৰ্দ্ধদন্তী। পাহি শুভ্ৰ, দীৰ্ঘায়তাকাৰ, উৰ্দ্ধমুখ, কলিতে আংশিকভাৱে ওপৰা-উপৰি, পুংমণ্ডধাৰী নলী দীৰ্ঘাকাৰ গোল; গভীৰ ৰঙা, অন্ত্যজ অংশ দন্তাকাৰে ১০ ভাগত বিভক্ত। স্ত্ৰীকেশৰ চুলিৰ নিচিনা নোমেৰে আবৃত। সাধাৰণতে ৩ কোঠা বা ৪ কোঠাত বিভক্ত। ফল পাতলীয়া ছালৰ দ্বাৰা তিনিটা অংশত বিভাজিত। উপ-বৃত্তাকাৰ আকৃতিৰে গঠিত। বহিৰাংশ ৰন্ধ্ৰযুক্ত। বীজ সৰু সৰু।

অসমৰ প্ৰায়বিলাক বনাঞ্চলে বগীপমা ধাৰণ কৰে। উৎপাদিত কাঠ টান আৰু বৰণত ৰঙচুৰা। তক্তা, বাটাম আকাৰে ফালি-ছিৰি নানা কামত লগাব পাৰি।

সৰু মানিমুনি, হাইড্ৰোকটিল ৰিটন্দিফলিয়া পৰিয়াল— অম্বেলিফেৰি মানিমুনি ওন্দই (বড়ো) ফা-অম-নয় (টাই-আহোম) সৰু মানিমুনি (অসমীয়া) চুটা থুলকুৰি (বঙালী) (Soru Manimuni) Species—Hydrocotyle retundifolia Family—Umbelliferae

ইয়াৰ আগৰ শিতানত বৰ্ণনা কৰি মানিমুনিৰ এটা সৰু জাত য'তে ত'তে দেখিবলৈ পোৱা যায়। এইবিধ ক্ষুদ্ৰ আকাৰৰ উদ্ভিদকো সাধাৰণতে চেঁচুকীয়া ঠাইত উৎপত্তি হোৱা দেখা যায়। শাকনিবাৰী, ফুলনি, ঘৰৰ আগৰ চোতাল আদি গৰুখিচ্, টেঙেচি টেঙা আদি ক্ষুদ্ৰাকাৰ উদ্ভিদৰ সৈতে একেবোৰ ঠাইতে উৎপত্তি হোৱা দেখা যায়।

ইয়াৰ পাতবিলাক বৰ মানিমুনি পাততকৈ আকাৰত সৰু হয়। পাতবিলাকে বৰ মানিমুনি পাতৰ দৰে আঙুলিপহীয়া অথবা ফেৰেঙনি মেলা আকৃতি ধাৰণ কৰে। পাতৰ উপৰিভাগ মিহি হয় আৰু তাৰ ওপৰত কোনো নোম বা শুঙৰ বিকাশ সাধন হোৱা দেখা নাযায়। ফুলৰ আকাৰ সৰু সৰু হয়। ফুল পূৰঠ হ'লে সৰু সৰু গুটি ধৰে।

এইবিধ বনৰীয়া উদ্ভিদকো আন শাকৰ লগত তৰকাৰি বনাই খাব পাৰি।

বৰ মানিমুনি, হাইড্ৰোকটিল এচিয়াটিকা পৰিয়াল— অম্বেলিফৰি আম-আই (টাই-আহোম) মানিমুনি গিদিৰ (বড়ো) বৰ মানিমুনি (অসমীয়া) বৰ থুলকুৰি (বঙালী) (Bor Manimuni) Species—Hydrocotyle asiatica Family—Umbelliferae

মাটিত হাউলি হাউলি পৰি থকা এবিধ ক্ষুদ্ৰ আকাৰৰ বন জাতীয় উদ্ভিদ। শাকনিবাৰী, ফুলনিবাৰী আৰু অন্যান্য চেঁচুকীয়া ঠাইবিলাকত এইবিধ উদ্ভিদে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। ঠালবোৰৰ আকাৰ তাঁৰৰ নিচিনা সৰু আৰু বৰণত সেউজ-বুলীয়া হয়। পাতবোৰে টেঙেচি শাকে ধাৰণ

কৰা পাতৰ আকৃতি প্ৰদৰ্শন কৰে। গুৰিৰ অংশ দীঘলতকৈ বেছি বহল হয়। পাতৰ উপৰিভাগ মিহি হয় আৰু এই মিহি পাতৰ ওপৰত কোনো প্ৰকাৰ নোম বা শুঙৰ আৱিৰ্ভাৱ হোৱা পৰিলক্ষিত নহয়।

সৰু সৰু ফুল ফুলে। ফুলৰ বৰণ ৰঙচুৱা হয়। ফুলৰ পাহিবোৰে ঠাৰিত ওপৰা-উপৰিকৈ সজোৱাৰ নিচিনা আকৃতি ধাৰণ কৰে। ফুলবোৰ পূৰ্ঠ হ'লে সৰু সৰু ফলৰ উৎপত্তি হয়।

বৰ মানিমুনিৰ আঞ্জা তৈয়াৰ কৰি খাব পাৰি। সাধাৰণতে অন্যান্য শাকৰ লগত মিহলি কৰি তৰকাৰি বনোৱা হয়।

চফ্, গুৱামুৰি, পিম্পিনেলা এনিচম্ পৰিয়াল-অম্বেলিফেৰি
চফ্, গুৱামুৰি (অসমীয়া)
(Sof or Guwamori) Species—Pimpinella anisum Family-Umbelliferae

ধানৰ নিচিনা সৰু সৰু আকাৰৰ ফল ধৰা এবিধ বছেৰেকীয়া লাগতিয়াল উদ্ভিদ। ধনিয়াৰ নিচিনাকৈ শাকনিবাৰীত গুটিবোৰ সিঁচি দি মানুহে এইবিধ ফচল বাৰীত লগায়। গা-গছডাল কোমল-চানেকীয়াকৈ লেহুকা হয় আৰু পাতবোৰে আঙুলিপহীয়াকৈ যৌগিক গাঠনিত আত্মপ্ৰকাশ কৰে। ঠাল-ঠেঙুলিৰ ঠাৰিৰ আগভাগবোৰত ছাতিৰ আকৃতি ধাৰণ কৰা পুষ্পগুচ্ছই বিকাশ লাভ কৰে। ফুলবোৰ পূৰ্ঠ হ'লে তাৰপৰা যিবিলাক সৰু সৰু আকাৰৰ গুটি ধৰে সেই গুটিবোৰে চফ্, চফ্গুটি অথবা গুৱামুৰি নাম পায়।

চফ্গুটি তামোল-পাণৰ লগত মিহলি কৰি খোৱা হয়। কেৰাহিত নিয়মীয়াকৈ ভাজি ৰাখিলে খাবলৈ ভাল লাগে। ভাজি ৰখা চফগুটিবোৰ অন্যান্য মছলাৰ লগত মিহলি কৰি বটলত ভৰাই ৰাখিলে সময়ত আলহী-অতিথিক আগবঢ়াবলৈ সুবিধা হয়।

মান ধনিয়া, ইৰিঞ্জিয়ম্‌ফিটিদম্ পৰিয়াল—এম্বেলিফেৰি
মান-ধনিয়া, জঙ্গলী মেমেধু (অসমীয়া) পদো মছ্লা (কাছাৰ) খাছিধাৰ (কামৰূপ) কুঙ্গাৰ ধুন্দিয়া (গোৱালপাৰা, বড়ো)
(Man Dhania) Species—Eryngium foetidum Family—Umbelliferae

ধনিয়াৰ নিচিনা গোন্ধ থকা এবিধ বনৰীয়া ক্ষুদ্ৰ আকাৰৰ উদ্ভিদ। শাকনিবাৰী আৰু অন্যান্য মুকলিমূৰীয়া আৰু চেঁচুকীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। কোনো কোনো মানুহে বাৰীতো ইয়াৰ মুঢ়া বা পুলি লগাই ৰাখে। পাতবিলাক কাটি তৰকাৰিত পেলাই দিলে একপ্ৰকাৰ সুগন্ধৰ উৎপত্তি হয়।

মুঢ়াৰ গুৰিভাগৰপৰা পাতৰ ঠাৰিবোৰ ওলাই আহে। পাতৰ আকৃতি দীঘলীয়া

হয়। গুৰি অংশৰ তুলনাত পাতৰ মাজভাগ ক্ৰমে বহল হয় আৰু আগৰ অংশৰে সৈতে লগ লাগি একোখিলা পাতে দীঘলীয়া চামুচ এখনৰ আকৃতি ধাৰণ কৰে। পাতৰ উপৰিভাগ তলৰ পিঠিৰ তুলনাত গভীৰ সেউজীয়া হয়। পাতবোৰৰ দাঁতিত সৰু সৰু খাঁজ কটা দাঁতৰ উৎপত্তি হয়।

মান ধনিয়াই সেউজীয়া ধৰণৰ বগা ফুল ধাৰণ কৰে। ঠাৰিৰপৰা ওলোৱা শাখাঠাৰিৰ আগবোৰত ঘূৰণীয়া আকৃতিৰ ফুল ধৰে। খৰালি গছজোপা মৰি যায়। ফুলৰপৰা সৰিপৰা গুটিবোৰ গজি গজি পৰৱৰ্তী বছৰত নতুন গছৰ উদ্ভৱ হয়।

গাজৰ Carrot

Daucas carota, Family–Umbelliferae

গাজৰ, দাউকাছ কেৰটা পৰিয়াল—অম্বেলিফেৰি গাজৰ (অসমীয়া) গাজৰ (বঙালী) গাজৰ (হিন্দী) (Gajor) Species—Daucas carota Family—Umbelliferae Carrot (ইং)

তৰকাৰি হিছাপে খাব পৰা আলু ধাৰণ কৰা এবিধ বছেৰেকীয়া ফচল। বাম খেতি হিছাপে ইয়াৰ গুটি সিঁচি দি শাকনিবাৰীত লগোৱা হয়। নাৰ্ছৰী বা গুটি ব্যৱসায়ীসকলৰ কবি গুটিৰ দৰে এইবিধ শাক জাতীয় উদ্ভিদৰ গুটি কিনি অনা হয়। শাকনিবাৰীত এডোখৰ মাটি তৈয়াৰ কৰি গাজৰৰ গুটিবোৰ সিঁচি দিয়া হয়। সময়ত এই গুটিবোৰ গজি গজি পুলিৰ উৎপত্তি হয়।

পুলিবিলাকে এক প্ৰকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰে। ঠাৰিৰ গুৰিভাগত মূলাৰ দৰে দীঘলীয়া আলু ধৰে। আলুৰ বৰণ হালধীয়া হয়। বনগছডালৰে সৈতে এই আলুবোৰ উঠাই আনি তৰকাৰি হিছাপে ব্যৱহাৰ কৰা হয়।

চালাদ হিছাপে কেঁচাই কেঁচাই বিলাহী, পিয়াঁজ, মূলা আদিৰ লগত মিহলি কৰি খাব পাৰি।

ধনিয়া, মেমেধু, কৰিয়েন্দ্ৰম ছেটিভম্ পৰিয়াল—অম্বেলিফেৰি ধুনদিয়া (বড়ো) ধনিয়া, মেমেধু (অসমীয়া) ধনি (বঙালী) ধনীয়া (হিন্দী)
(Dhania, Memedhu) Species—Coriandrum sativum Family—Umbelliferae Coriander (ইংৰাজী)

এবিধ সৰু আকাৰৰ বন-জাতীয় সুগন্ধি উদ্ভিদ। প্ৰতিবছৰে উৎপন্ন হৈ প্ৰতিবছৰে মৰি শেষ হৈ যায়। সুগন্ধি পাত আৰু কুমলীয়া আগবিলাক ছিঙি আনি তৰকাৰি বনাই খোৱা হয়। চালাদৰ লগত মিহলি কৰি লৈ কেঁচাই কেঁচায়ো খাব পাৰি। সেইবাবে এইবিধ মছলা জাতীয় উদ্ভিদৰ গুটি বাৰীৰ এঠাইত সিঁচি দি আমাৰ মানুহে শাক-পাচলিৰ লগত ইয়াকো বছেৰেকীয়া বাম খেতিৰ অঙ্গ হিছাপে বাৰীত লগাই ৰাখে।

ঠাৰিবোৰৰ আগত থোপা বান্ধি বান্ধি বিকাশ লাভ কৰা ফুলবোৰে বগা চানেকীয়া বৰণ ধাৰণ কৰে। এই ফুলবোৰ পূৰঠ হ'লে অলপ দীঘলীয়া বিধৰ সৰু সৰু ফল ধৰে। এই ফলবোৰ মছলা হিছাপে খাব পাৰি।

জিৰা, কিউমিমম্ চাইমিমম পৰিয়াল—অম্বেলিফেৰি বগা জিৰা (অসমীয়া) জিৰা (বঙালী) স ফেদ জিৰা (হিন্দী)
(Jira) Species—Cumimum cymimum Family—Umbelliferae Cumin (ইংৰাজী)

এবিধ সৰু আকাৰৰ বন জাতীয় উদ্ভিদ। এইবিধ ক্ষুদ্ৰ আকাৰৰ বনৰপৰা উৎপত্তি হোৱা নিচেই সৰু সৰু গুটিবিলাক মছলা হিছাপে তৰকাৰিত দি খোৱা হয়। এইবিধ মছলাৰ খেতি সাধাৰণতে অসমৰ মানুহে কৰা দেখা নাযায়। ভাটিৰপৰা অহা মছলা দোকানত কিনিবলৈ পোৱা যায়। দোকানৰপৰা এইদৰে কিনি অনা মছলাৰেই আমাব মানুহে কাম চলাই দিয়ে।

সৰ্পগন্ধা, ৰাবলফিয়া চাৰপেণ্টিনা ৰাবলফিয়া কানাচেঞ্চ পৰিয়াল—এপোচায়েনেচি সৰ্পগন্ধা, গুমনি (অসমীয়া) সৰ্পগন্ধা (বঙালী)
(Sarpa Gondha) Species—(1) Rauwolfia serpentina (2) Rauwolfia canascens Family—Apocyanaceae Devil's Pepper (ইংৰাজী)

এবিধ ঔষধ জাতীয় বনৰীয়া উদ্ভিদ। অসমৰ বনাঞ্চল কিছুমানত প্ৰথম বিধ সৰ্পগন্ধা জাতীয় উদ্ভিদৰ উৎপত্তি স্বাভাৱিকভাৱে হোৱা দেখিবলৈ পোৱা যায়। বনগছডালৰ উচ্চতা ১/৩ মিটাৰমান হোৱা দেখা যায়।

ডিম্বাকৃতিৰ সেউজীয়া পাতবোৰ ঠাৰিৰ আগভাগত বিপৰীতমুখী হৈ সংস্থাপিত হয়। থোপা আকাৰে বিকাশ লাভ কৰি থকা ফুলবোৰৰ বৰণ গুলপীয়া হয়। মাটিৰ তলত যি ঘাই শিপাই বিকাশ লাভ কৰে সেই শিপাৰপৰা ঔষধ প্ৰস্তুত কৰা হয়। সেইবাবে এইবিধ বনৌষধিৰ চাহিদা অত্যন্ত বেছি। বনবিভাগে এইবিধ বনগছ মহল আকাৰে বিক্ৰী কৰা নিয়ম অনুসৰণ কৰে। বাগান আকাৰে এইবিধ বনৌষধিৰ খেতি কৰা হয়। থোপা-থোপে ফল ধৰে আৰু এই ফলবোৰ আকৃতিত একো একোটা পকা কোটাহি জামুকৰ নিচিনা হয়।

ৰাবলফিয়া কানাচেঞ্চ নামেৰে পৰিচিত দ্বিতীয় বিধ সৰ্পগন্ধাৰ (বিদেশী) খেতি কৰি লাভবান হোৱাৰ পথ মুকলি কৰিবলৈ বনবিভাগৰ গৱেষণা বিভাগে চেষ্টা চলাইছে।

কৰ্দৈ, এভেৰা কাৰাম্বোলা পৰিয়াল—অক্জালিদেছি কামৰাঙা (বঙালী) আমলেঙ্গা (আছিক) দিয়েং-চহ-ট্ৰেং (খাচিয়া) খাদ্দই (বড়ো) কামলেঙা, কিৰদে (ৰাভা) তৰতে (কাৰবি) মাক্-ফেঙ (টাই-আহোম)

(Kordoi) Species—Averrhoa carambola Family—Oxalidaceae Carambola, Kamaranga (ইংৰাজী)

এবিধ মজলীয়া আকাৰৰ খাদ্যোপযোগী ফল ধৰা গছ। গছজোপাৰ বাকলিৰ ৰং মদৰুৱা হয়। তাৰ মাজে মাজে বগা বৰণীয়া দাগে চকলা-চকলকৈ বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। বাকলিখন পাতলীয়া হয় আৰু এই বাকলিখন দা এখনেৰে ঘাপ মাৰি বখলিয়াই দিলে ভিতৰৰ মঙহাল অংশ ৰঙচুৱা হৈ থকা দেখা যায়। যৌগিক গাঁঠনিৰ পাতবোৰে গাইগুটীয়াভাৱে ডিম্বাকৃতি ধাৰণ কৰে। পাতৰ আগভাগ জোঙা হয়।

প্ৰত্যেকডাল যৌগিক পাতৰ ঠাৰিয়ে চাৰি বা পাঁচ যোৰাকৈ শাখাপাত ধাৰণ কৰে। শেষত বিকাশ লাভ কৰি থকা শাখাপাতখিলা অকলশৰীয়া হয়। ঠাৰিডালৰ গুৰিৰপৰা আগৰফালে প্ৰতিষ্ঠাপিত হৈ থকা পাতকেইখিলাৰ আকাৰ একাদিক্ৰমে আগৰফালে ডাঙৰ হয় আৰু শেষৰ অকলশৰীয়া পাতখিলা আকাৰত সৰ্ববৃহৎ হয়।

থোপা-থোপে ফুলা ফুলবোৰৰ বৰণ ৰঙচুৱা হয় আৰু ফুলৰ মাজভাগত বগা ৰঙৰ আভাস থাকে। ফলৰ আকৃতি শিৰ-কটাকৈ দীঘলীয়া হয়। এই ফলৰ এবিধ মিঠা আৰু গছ অনুযায়ী আনবিধ টেঙা হয়। ইয়াৰে চৰ্বত, আচাৰ আদি তৈয়াৰ কৰা হয়। ঔষধৰ কাম কৰে।

উলুচা, প্ৰজাতি ডেচমদিয়ম ট্ৰাইফ্লোৰম পৰিয়াল—লেগুমিনেছি উলুচা (অসমীয়া) কদালিয়া (বঙালী) কদালিয়া, জংলি মেথি (হিন্দী)
(Ulucha) Species—Desmodium triflorum Family—Leguminaceae

তিনিপতীয়া যৌগিক পাত ধাৰণ কৰা এবিধ মাটিত বগোৱা বনৰীয়া উদ্ভিদ। উলু বৰতা প্ৰভৃতি ঘাঁহ জাতীয় উদ্ভিদৰ মাজত ইয়াক দেখিবলৈ পোৱা যায়।

স্কুৱাছ, ছেচিম্ ইদিউল পৰিয়াল-কিউকাৰবিটেছি কুৰাচ বা এচ্কুৰাচ (অসমীয়া) স্কোয়াস (বঙালী) চায়ত, চোচো বা চহ্ কুৰাচ (খাচিয়া)
(Squash) Species—Sechim edule Family—Cucurbitaceae

মানুহে বাৰীত লগোৱা আৰু তৰকাৰি হিছাপে খোৱাৰ উপযোগী ফল ধাৰণ কৰি থকা এবিধ লতা জাতীয় উদ্ভিদ। শ্বিলঙৰ মানুহে এইবিধ ফচলৰ খেতি কৰি লাভবান হয়। ফলৰপৰা পোখা ওলায় আৰু সেই লতাডাল বগাবলৈ একোখন হেঁদালি বনাই দিয়া হয়। শিপাই ধাৰণ কৰা আলুৰপৰাও পুলি হয়।

লতাডালৰ উপৰিভাগত থকা বাকলিয়ে সেউজ-বুলীয়া ৰং পৰিধান কৰে। গাঁঠিয়ে গাঁঠিয়ে পোখা ওলায়। এই পোখাবোৰে নতুন নতুন ঠাল-ঠেঙুলিৰ সৃষ্টি কৰে। পাতবোৰে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। ফুলৰ বৰণ হালধীয়া চানেকীয়া হয়। ফুলবোৰ পূৰ্ঠ হ'লে মণ্ডহাল ফল ধৰে। সেইফালে কোমোৰাৰ নিচিনা আকৃতি ধাৰণ কৰে। গুৰিভাগ চিঁয়া আৰু আগৰফালে মোটা হয়। এইফালৰপৰা নানা ধৰণে তৰকাৰি বনাই খাব পাৰি।

অসমৰ ভৈয়াম অঞ্চলত ইয়াৰ উৎপত্তি কম হয়। দুই-এজোপা লতা লগালেও বৰ বেছি পৰিমাণৰ ফল নধৰে।

জিকা, লুফা একিউটেঙ্গুলা পৰিয়াল—কিউকাৰবিটেছি জিংগা (বঙালী) টৰি (হিন্দী) থেছি (কাৰবি) জিংগ্ৰা (ৰাভা) জিংখা (বড়ো) মাক-অয়-ৰুঙ (টাই-আহোম) জিকা (অসমীয়া)
(Jika, Ridge Gourd) Species—Luffa acutangula Family—Cucurbitaceae Ridge Gourd (ইংৰাজী)

তৰকাৰিৰ উপযোগী ফল ধৰা এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। লতাডাল কোমল-চানেকীয়া আৰু বাকলিয়ে সেউজ-বুলীয়া বৰণ ধাৰণ কৰে। ঠালবোৰৰ আগত আঁকুহিৰ উৎপত্তি হয় আৰু এই আঁকুহিৰ সহায়ত লতাডালে গছ বা হেদালিৰ ওপৰলৈ বগাই যাব পাৰে।

পাতবোৰে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। গাঁঠিয়ে গাঁঠিয়ে পোখা মেলে আৰু এই পোখাবোৰ ক্ৰমে ডাঙৰ দীঘল হৈ ঠাল-ঠেঙুলিত পৰিণত হয়। হালধীয়া বৰণৰ ফুল ফুলে। সাধাৰণতে আবেলি পৰ লতাডালৰ ফুলবোৰ ফুলিবলৈ আৰম্ভ কৰে আৰু ৰাতিৰ ভিতৰত জঁয় পৰি যায়। ফুলবোৰ পূৰ্ঠ হ'লে যিবিলাক দীঘলীয়া-দীঘলীয়া মঙহাল ফল ধৰে সেই ফলৰ উপৰিভাগত কৰ্দৈৰ নিচিনা সিৰৰ উৎপত্তি হয়।

ফলবোৰ পকিলে হালধীয়া পৰে। ফলৰ ভিতৰত থকা মঙহাল আঁহখিনি জালিলৈ ৰূপান্তৰ হয়। তাৰ ভিতৰত দীঘল-চানেকীয়া গুটি ধৰে। পকিলে এই গুটিবোৰে ক'লা বৰণ প্ৰদৰ্শন কৰে।

টিয়ঁহ, টিহুঁ, কিউকুমিছ ছেটিভাছ পৰিয়াল—কিউকাৰবিটেছি
টিয়ঁহ বা টিহুঁ (অসমীয়া) শচা (বঙালী) খিৰা (হিন্দী)
নাৰিমা, চেঙছ (ৰাভা) থাইবেং (বড়ো)
(Tiyoh, Tihu, Cucumber) Species–Cucumis sativus
Family–Cucurbitaceae Cucumber (ইংৰাজী)

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। ঠাৰিবিলাকে সেউজীয়া বৰণ প্ৰদৰ্শন কৰে। পাতবিলাকে লাও-কোমোৰাৰ পাতৰ আকৃতি ধাৰণ কৰে। অৱশ্যে এইবিধ লতাই লাও-কোমোৰাৰ দৰে ডাঙৰ আকাৰ ধাৰণ নকৰে। ঠিক সেইদৰে পাতৰ আকাৰো সৰু সৰু হয়। আঁকুহিৰ (Tendril) সহায়ত জেওত বগাই বগাই যোৱাৰ চাৰিত্ৰিক আচৰণ প্ৰদৰ্শন কৰে। চাপৰ বিধৰ হেঁদালি তৈয়াৰ কৰি দিও এইবিধ ফচলৰ খেতি কৰিব পাৰি।

ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। নতুন কুঁহিপাতৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে গছজোপাত ফুলৰ বিকাশ সাধন হয়। ফুলবোৰ পূৰ্ঠ হ'লে দীঘল-চানেকীয়া ফল ধৰে। কুমলীয়াতে এই ফল চকলিয়াই খাবলৈ ভাল লাগে। অন্য ফলৰ লগত মিহলাই চালাদ বনাই খোৱা হয়। তৰকাৰি বনায়ো খাব পাৰি। মঙহাল পদাৰ্থৰ মাজভাগত চেপেটা চেপেটা আৰু লাও-গুটিৰ দৰে দীঘলীয়া গুটিৰ উৎপত্তি হয়।

উদ্যোগী কৃষকসকলে সাৰুৱা মাটিত কিম্বা নদীৰ পাৰৰ পলসুৱা ভূমিত সৰহীয়াকৈ এইবিধ ফচল লগাই লাভবান হয়।

তৰমুজ, ছাইট্ৰেলিছ ভলগেৰিছ পৰিয়াল—কিউকাৰবিটেছি
তৰমুজ (বঙালী) তাৰবুজা, খাৰমুজা (হিন্দী) তৰমুছ (ৰাভা)
থইথে বৰহম্ (কাৰবি) তৰমুজ (অসমীয়া)
(Tormuj, Water Melon) Species–Citrullus vulgaris
Family–Cucurbitaceae Water Melon (ইংৰাজী)

তৰমুজ এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। খাদ্যৰ উপযোগী ফল ধৰাৰ বাবে এইবিধ ফচল আমাৰ মানুহে শাকনিবাৰীত লগাই

ৰাখে। উদ্যোগী কৃষকে পলসুৱা মাটিত সৰহীয়াকৈ ইয়াৰ খেতি কৰা দেখা যায়। লতাডালে মাটিৰ ওপৰত বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মাটিৰ ওপৰত খেৰ আদি পাৰি দিলে বগাবলৈ সুবিধা হয়।

পাতবোৰে লাও-কোমোৰা আদি লতাই ধাৰণ কৰা পাতৰ আকৃতি পৰিধান কৰে। অৱশ্যে এই পাতবোৰ আকাৰত তুলনামূলকভাৱে সৰু হয়। ঠিক সেইদৰে লতাডাল আকাৰত সৰু হয়। গাঁঠিয়ে গাঁঠিয়ে নতুন ঠালৰ পোখা মেলে।

ফুলবোৰে হালধীয়া বৰণ ধাৰণ কৰে। ফুল পূৰঠ হ'লে গোল আকৃতিৰ ফল ধৰে। ফলৰ ভিতৰত থকা মঙহাল পদাৰ্থই ৰঙচুয়া বৰণ ধাৰণ কৰে। মাজত গুটি ধৰে। কেঁচাই কেঁচাই এই পকা ফলবিলাক চকলিয়াই বা দীঘলীয়া দীঘলীয়াকৈ কাটি খাব পাৰি। ফলৰ মূৰটোৰপৰা এচকল কাটি তাত চেনি ভৰাই ৰাখিলে মঙহাল পদাৰ্থখিনি পমি গৈ পানীত পৰিণত হয়। এই পানী খাবলৈ সোৱাদ লাগে।

ধুন্দুলি, ট্ৰাইকোছান্থেছ এংগুইনা পৰিয়াল-কিউকাৰবিটেছি মাক-অয়-লাই (টাই-আহোম) নিলাজী (বড়ো) চিচিংগা (বঙালী) ধুন্দুলি (অসমীয়া) (Dhunduli, Snake Gourd) Species–Trichocanthes anguina Family–Cucurbitaceae Snake Gourd (ইংৰাজী)

দীঘল দীঘল আকৃতিৰ শাক জাতীয় ফল ধাৰণ কৰা এবিধ ভোল-জিকাৰ নিচিনা বাৰীত লগোৱা লতা। ফলৰ উপৰিভাগ কোমোৰা, পটল আদিৰ দৰে মিহি হয় আৰু ভিতৰখন কোমল-আমল সোপোকা পদাৰ্থৰে পৰিপূৰ্ণ হৈ থাকে। ফলৰ ভিতৰত জিকা, ভোল, কোমোৰা আদিৰ দৰে চেপেটা চেপেটা আকাৰৰ অসংখ্য গুটিৰ উৎপত্তি হয়। এই গুটিবোৰ বুঢ়া হোৱাৰ আগতে ধুন্দুলিটো চকল চকলকৈ কিম্বা দীঘল পহীয়াকৈ কাটি জুলীয়া তৰকাৰি কিম্বা ভাজি হিছাপে তৈয়াৰ কৰি খাব পাৰি। ফলৰ উপৰিভাগত সেউজীয়া আৰু বগা-চানেকীয়া বৰণৰ দীঘলপহীয়া আঁচৰ বিকাশ সাধন হয়।

কেৰেলা, মমৰদিকা কেৰেন্তিয়া পৰিয়াল-কিউকাৰবিটেছি কেৰেলা, তিতা-কেৰেলা (অসমীয়া) কাৰালা (বঙালী) কাং কালেও (ৰাভা) খৰলা (বড়ো) মাক্-খ্ৰ-খ্ৰাই (টাই-আহোম) (Kerela, Bitter Gourd) Species-Momordica Charantia Family-Cucurbitaceae Bitter Gourd (ইংৰাজী)

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। এইবিধ উদ্ভিদ আমাৰ মানুহে বাৰীত লগায়। নদীকূলীয়া বালি-অহীয়া পলসুৱা ঠাইত কিছুমান মানুহে সৰহীয়াকৈ এইবিধ শস্যৰ খেতি কৰে আৰু ইয়াত লগা ফলবোৰ বিক্ৰী কৰি

লাভবান হয়।

লতাডালৰ বাকলিয়ে সেউজীয়া বৰণ ধাৰণ কৰে। অৱশ্যে বঢ়া ঠালবিলাকে ছাই বৰণীয়া ৰং পৰিধান কৰে। গাঁঠিয়ে গাঁঠিয়ে পাতৰ পোখা ওলায় আৰু শাখাডালৰ উৎপত্তি হয়।

পাতবিলাকে আঙুলিপহীয়া আকৃতি ধাৰণ কৰে। ফুলৰ বৰণ হালধীয়া হয় আৰু এই ফুল পূৰঠ হ'লে দীঘল দীঘল ধৰণৰ মঙহাল ফল ধৰে। ফুলৰ উপৰিভাগ খলা-বমা হয় আৰু এই ফলবোৰে সেউজীয়া বৰণ ধাৰণ কৰে। কেঁচাতে এই ভাজি বনাই খোৱা হয়। ভিতৰখন মঙহাল হয় আৰু তাত দীঘল দীঘল গুটি ধৰে। পকিলে ফল হালধীয়া পৰে আৰু ফলটোৱে ফাট মেলে। পকা ফলৰ ভিতৰভাগ ৰঙচুৱা হয়।

জাতি লাউ, লাগেনাৰিয়া ভল্‌গেৰিছ পৰিয়াল-কিউকাৰবিটেছি
জাতি লাউ বা পানী লাউ (অসমীয়া) লাও বা পানী লাউ (বঙালী) লাউ (বড়ো) বংলা (কাৰবি)
(Jati-lau, Bottle Gourd) Species-Lagenaria vulgaris Family-Cucurbitaceae Bottle Gourd (ইংৰাজী)

এবিধ লতা জাতীয় ঘৰচীয়া উদ্ভিদ। দীঘল দীঘল আকৃতিৰ ডাঙৰ ফল ধাৰণ কৰে। কুমলীয়া অৱস্থাত এই ফলবিলাক তৰকাৰি বনাই খোৱা হয়। সেইবাবে এইবিধ উদ্ভিদ প্ৰায় মানুহে বাৰীত লগাই ৰাখে। লতাডাল বগাবলৈ হেঁদালি বনাই দিয়া হয়। দীঘল দীঘল লাউবোৰ তললৈ ওলমি ওলমি থাকে কিম্বা হেঁদালিৰ ওপৰতে পথালি-পথালিকৈ পৰি থাকে। জাত অনুযায়ী জাতিলাউৰ আকৃতি দীঘলীয়া, থোপোৰা কিন্তু ডিঙি সৰু হয়।

ঠাৰিবিলাক কোমল-চানেকীয়াকৈ মঙহাল হয়। উপৰিভাগে সেউজ-বুলীয়া ৰং পৰিধান কৰে। ঠাৰিত চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। গাঁঠিয়ে গাঁঠিয়ে পোখা মেলি ঠাল-ঠেঙুলি ধৰে।

অলপ ডাঙৰ আকাৰৰ হালধীয়া ফুল ফুলে। এই ফুলবোৰ পূৰঠ হ'লে মঙহাল ফল ধৰে। ডাঙৰ আকৃতিৰ পাত ধৰে। আহল-বহল পাতখিলাৰ গুৰিৰপৰা তিনিডাল তিনিডালকৈ সিৰ আৰু শাখাসিৰৰ উৎপত্তি হয়। পাতবিলাক খহটা হয় আৰু তাৰ উপৰিভাগত চুটি চুটি শুঙৰ আৱিৰ্ভাৱ হয়।

বুঢ়া জাতি লাউৰ খোলাটো পানী ৰখা পাত্ৰ হিছাপে ব্যৱহাৰ কৰিব পাৰি। জনজাতীয় লোকসকলে দেশী মদ খাবৰ বাবে সৰু ফুটীয়া এবিধ লাউৰ খোলা ব্যৱহাৰ কৰে।

দীঘল-চানেকীয়া সুকোমল ফল ধাৰণ কৰা এবিধ লতা জাতীয় ঘৰচীয়া

ছিৰাল, কিউকুমিছ্ মমৰদিকা পৰিয়াল—কিউকাৰবিটেছি চিনাল (ৰাভা) থেই থে ৰামপ্ৰে (কাৰবি) ছিৰাল (অসমীয়া) (Chiral) Water Melon (Var) Species–Cucumis momordica Family–Cucurbitaceae Water Melon Variety (ইংৰাজী)

উদ্ভিদ। ইয়াৰ ফলবোৰ আকাৰত বাঙীতকৈ অলপ ডাঙৰ হয়। ফলৰ উপৰিভাগে সেউজীয়া বৰণ ধাৰণ কৰে আৰু এই সেউজীয়া বৰণৰ ওপৰত চিলাপখৰা দাগৰ আভাস পৰিলক্ষিত হয়। পকিলে ফলৰ উপৰিভাগে হালধীয়া ৰং প্ৰদৰ্শন কৰে। বাকলিখনৰ উপৰিভাগত ফটা-ছিঙা দাগে বিকাশ লাভ কৰাৰ ফলত ভিতৰৰ কোমল অংশ আংশিকভাৱে দৃষ্টিগোচৰ হয়।

মঙহাল পদাৰ্থখিনি দেখনত গুলপীয়া হয়। কেঁচাতে সেউজীয়া হৈ থাকে। পকা ছিঁৰাল দীঘলীয়া দীঘলীয়াকৈ কাটি চেনি মিহলাই খাবলৈ ভাল লাগে। চেনি নিমিহলোৱাকৈ সুদাই সুদায়ো খাব পাৰি। গাখীৰ আৰু চেনি একেলগে মিহলাই খালে জলপানৰ কাম কৰে।

এইবিধ লতায়ো মাটিত বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। খেৰ পাৰি দিলে লতাডাল মাটিৰ ওপৰত বগাবলৈ সুবিধা হয়। পকা ফলবিলাক খেৰৰ ওপৰত থাকিলে গেলি-পচি নোযোৱাকৈ নিৰোগী হৈ থাকে। ফুলৰ বৰণ হালধীয়া হয়।

চাল কোমোৰা, বেনিন্‌কাচা চেৰিফেৰা কিউকাৰবিটেচি চাল-কোম্‌ৰা (কাছাৰ) মেৰাও (ৰাভা) পাৰক বংহম (কাৰবি) খুম্‌ৰা (বড়ো) ফাক-পাক (টাই-আহোম) চাল কোমোৰা (অসমীয়া) (Chal kumura, White gourd) Species–Benincasa cerifera Cucurbitaceae White Gourd (ইংৰাজী)

এবিধ লতা জাতীয় বছেৰেকীয়া আয়ুসৰ উদ্ভিদ। লতাডাল ডাঙৰ আৰু কোমল হয়। উপৰিভাগৰ বৰণ সেউজীয়া। মাজে মাজে গাঁঠি থাকে। পাত ওলাই ওলাই অহা ঠাইবোৰতে এই গাঁঠিবিলাকৰ উৎপত্তি আৰু তাৰ চিন লতাজোপা মৰি নাযায় মানে থাকি যায়। পাতবিলাক আয়তনত ডাঙৰ হয়। পাতৰ তলৰফালে গুৰিত ঠাৰিডাল থাকে। পাতখিলাৰ গুৰিভাগত উৎপত্তি হোৱা ঠাৰিডাল তিনিভাগত ভাগ হৈ এডাল ওপৰলৈ আৰু বাকী দুডাল দুয়ো কাষৰ ফালে যায়। উপ-সিৰাবিলাকৰে সৈতে পাতখিলাৰ গঠন এখিলা পাণৰ আকাৰে সম্পূৰ্ণ হয়। পাতৰ ঠাৰিডাল আৰু উপৰিভাগত সৰু সৰু নোমৰ আভাস থাকে।

ফুলবোৰ হালধীয়া পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প বেলেগ বেলেগ হয়। ফল

আকাৰত ডাঙৰ আৰু দীঘল-চানেকীয়া হয়। মানুহে তৰকাৰি কৰি খায়। কোমোৰা কেইবাবিধৰো আছে। যেনে শিল-কোমোৰা, জহা-কোমোৰা ইত্যাদি। জহা কোমোৰা পাহাৰী ঠাইত বেছিকৈ হয়। ইয়াৰে তৈয়াৰ কৰা তৰকাৰি মিঠা হয় আৰু তৰকাৰি জহা জহা গোন্ধায়। কোমোৰা গছ লতাডাল বগাই যাবলৈ মানুহে বাঁহৰ চাং বনাই দিয়ে। ঘৰৰ চালতো বগাই বগাই যায়।

কোৱাভাতুৰি, মমৰদিকা মনোদেল্‌ফা পৰিয়াল— কিউকাৰবিটেছি মাক্‌-খি-কা (টাই-আহোম) কোৱাভাতুৰি (অসমীয়া)
(Kuwa Bhaturi) Species–Momordica monodelpha Family–Cucurbitaceae

কোৱাভাতুৰি এবিধ হাবিয়ে-বননিয়ে উৎপন্ন হোৱা লতা জাতীয় উদ্ভিদ। গোটা আকৃতিৰ ফল ধৰে। ফলৰ উপৰিভাগৰ বৰণ ৰংচঙীয়া হয়। দেখিবলৈ ভাল লাগে। ভিতৰ অংশ ক'লা-চানেকীয়া হয়। এইবিধ ফল খোৱাৰ উপযুক্ত নহয়। সেইবাবে কোনো এবিধ ধুনীয়া বস্তুত গুণৰ অভাৱ প্ৰতিপন্ন কৰিবলৈ আমাৰ মানুহে "বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰি" বুলি কয়।

হাবিৰ মাজত ইয়াৰ উৎপত্তি হয়। লতাডালে ঠাল-ঠেঙুলি মেলি চাপৰ বিধৰ জোপোহা গছ থকা হাবি-বননিত বগুৱা বাই বাই ওপৰলৈ উঠি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। মজলীয়া আকাৰৰ ৰঙচুৱা ফুলবোৰ আকৰ্ষণীয় হয়। ফুলবোৰ পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলবোৰ গছৰ ওপৰলৈ বগাই যোৱা লতাডালৰপৰা ওলমি ওলমি থাকে। পকিলে ফলবোৰ ৰঙা পৰে আৰু পকা ফলবোৰ পকা কেৰেলাৰ দৰে মেল খাই যায়। তাৰ ভিতৰত থকা গুটিবোৰ মাটিত সৰি পৰিলে পুলি গজি সময়ত নতুন লতাৰ আৱিৰ্ভাৱ হয়।

কোমোৰা, কিউকাৰবিটা পেপো পৰিয়াল— কিউকাৰবিটেছি কোম্‌ৰা (বড়ো) ফাক্‌-পাক (টাই-আহোম)
(Kumura, White Gourd) Species–Cucurbita Pepo Family–Cucurbitaceae

আমাৰ মানুহে বাৰীত লগোৱা এবিধ লতা জাতীয় লাগতিয়াল উদ্ভিদ। সাধাৰণতে খেৰেৰে সজা ঘৰৰ চালত কিম্বা হেঁদালিত এইবিধ লতাক বগাবলৈ সুবিধা কৰি দিয়া হয়। মাটিত খুলি খান্দি আৰু সেই খুলিত গোবৰ-জাবৰ দি গুটি পচোৱা হয়। সময়ত গুটি গজি পুলি ওলায়। কালক্ৰমত সেই পুলিকেইটা ডাঙৰ হৈ হেঁদালি এখনত কিম্বা ঘৰৰ চালৰ উপৰিভাগত বগাই আগুৰি ধৰে। ইয়াৰ একাধিক জাত বা প্ৰকাৰ আছে। পৰ্বতীয়া ঠাইত যিবিধ কোমোৰাৰ উৎপত্তি হয় সেইবিধ কোমোৰা আকাৰত সৰু হয় যদিও তাৰপৰা জহা-

চাউলৰ নিচিনা সুগন্ধ ওলায়। এইবিধ কোমোৰাক সেইবাবে জহা-কোমোৰা নামেৰে অভিহিত কৰা হয়। জহৰা গজা পুলি মাটিৰে সৈতে ভেটি খান্দি উঠাই আনি যথাস্থানত আলফুলকৈ লগাই দি এইবিধ শাক জাতীয় ফচলৰ খেতি কৰিব পাৰি।

কোমোৰাৰ লতাডালে প্ৰথমতে সেউজীয়া বৰণ ধাৰণ কৰে। পূৰঠ ঠাৰিবোৰে ছাই-বৰণীয়া ৰং প্ৰদৰ্শন কৰে। ঠাৰি আৰু পাতৰ ঠাৰিত চুটি চুটি শুঙৰ উৎপত্তি হয়। ডাঙৰ ডাঙৰ পাতবোৰে টুবুকা আকৃতি ধাৰণ কৰে। জালী-কোমোৰা চকল চকলকৈ কাটি তাত ময়দাৰ পিঠা মিহলাই তেলত ভাজিলে উপাদেয় ভাজি হয়। পূৰঠ কোমোৰাৰ তৰকাৰি খাবলৈ ভাল লাগে। গছতে বুঢ়া হোৱা কোমোৰা এবছৰলৈ সাঁচি ৰাখি সময়ে সময়ে তৰকাৰি বনাই খাব পাৰি।

টিলিঙা জবা, প্ৰজাতি-হিবিছকছ ৰ'জা চাইনেন্সিছ পৰিয়াল—মালভেছি জবাফুল (প্ৰকাৰ) টিলিঙা জবা (অসমীয়া) (Tilinga rosa, Bell Hibiscus) Species–Hibiscus rosa-sinensis (Variety) Family–Malvaceae Bell Hibiscus (ইংৰাজী)

ভাৰতীয় অন্যান্য ভাষাত এই প্ৰকাৰ জবা ফুলৰ বেলেগ নাম থকাৰ বিষয়ে জনা নগ'ল। সেইবাবে ইয়াক জবা ফুল বা চাইনা ৰোজৰ এটা প্ৰকাৰ বুলিয়েই চিহ্নিত কৰা দিহা কৰা হ'ল সদ্যহতে।

ভেণ্ডি, হিবিছকাছ এস্কোলেণ্টছ এবেলমস্কচ এস্কোলোণ্টছ পৰিয়াল—মালভেছি মৈথাছিখ্লা (বড়ো) তৰাই (ৰাভা) ভেণ্ডি (অসমীয়া) Bhendi, Lady's finger Species–Hibiscus esculentus Syn–Abelmoscus esculentus Family–Malvaceae Ladies finger (ইং)

তৰকাৰি বনাই খাব পৰাৰ উপযোগী ফল ধাৰণ কৰা এবিধ সৰু আকাৰৰ বনগছ জাতীয় উদ্ভিদ। একোজোপা পূৰঠ গছ ওখই প্ৰায় এক মিটাৰ হ'ব। মূল গছৰ গুৰি অংশ ছাই-বৰণীয়া হয়। নতুন কুঁহি আৰু শাখা-প্ৰশাখাবিলাকৰ বৰণ প্ৰথমতে সেউজ-বুলীয়া হয়। জাত অনুসাৰে বিভিন্ন গছৰ পাতৰ আকৃতিত তাৰতম্য পৰিলক্ষিত হয়। পাতবোৰে পোন প্ৰথম অৱস্থাত চুকীয়া-চুকিকৈ টুবুকা ৰূপ প্ৰদৰ্শন কৰে। পৰৱৰ্তী সময়ত বিকাশ লাভ কৰা পাতবোৰে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। ঠাৰিৰ ওচৰত একেলগ লাগি থকা যাই পাতখিলা পাঁচ ভাগত বিভক্ত হৈ ফেৰেঙনি মেলাৰ প্ৰতিৰূপ ধাৰণ কৰে।

পাতৰ ঠাৰিৰ উপৰিভাগত পুষ্পৰ অঙ্কুৰ গজে। ফুলৰ পাহিবোৰ ৰঙচুৱা হয়। ফলৰ আকৃতি দীঘলীয়া আৰু ইয়াৰ বাকলি দীঘলে দীঘলে ফাট মেলিব পৰাকৈ আঁহ-যুক্ত হয়। ভিতৰত বুটমাহ একোটাৰ সমান এসোপা গুটি ধৰে। এই গুটি পচাই প্ৰতিবছৰে এইবিধ ফচল কৰা হয়।

কুমলীয়া অৱস্থাত ভেণ্ডি ভাজি খাবলৈ ভাল লাগে। তৰকাৰি বনায়ো খাব পাৰি।

লফা-শাক, মালভা ভাৰ্টিকুলেটা পৰিয়াল—মালভেছি
লাফা (বড়ো) ফাক-মুন (টাই-আহোম)
Lofa Sak, Common Melon Species–Malva verticulata Family–Malvaceae Common Melon (ইং)

উপাদেয় আঞ্জা তৈয়াৰ কৰি খোৱাৰ উপযোগী এবিধ শাক জাতীয় ঘৰচীয়া উদ্ভিদ। কুমলীয়া আগ আৰু পাতবিলাক কুটি-বাছি লৈ আঞ্জা তৈয়াৰ কৰা হয়। লফা-শাকৰ খেতি কৰিবৰ বাবে শাকনিবাৰীত এডোখৰ মাটি আছুতীয়াকৈ ৰখা হয়। সেই মাটিডোখৰ কোৰেৰে ভালদৰে চহ কৰি তাত শুকান গোবৰ কিম্বা অন্যান্য ৰসায়নিক সাৰ মিহলাই লফা-শাকৰ গুটি সিচি দিয়া হয়। অলপ পানী পালে গুটিবোৰৰপৰা অঙ্কুৰ গজে আৰু সময়ত এডৰা লফা-শাক লহপহকৈ বাঢ়ি খোৱাৰ উপযুক্ত হয়।

লফা-শাক দুবিধ। এবিধ বগা বা সেউজীয়া আৰু আনবিধ ৰঙচুৱা হয়। মূল গছডালৰ মাজে মাজে পাতৰ আৰু ডালৰ পোখা মেলে। কুমলীয়া ঠাৰিবোৰ পাতসহ খাবৰ বাবে কাটি আনিলে গুৰিভাগত নতুন নতুন পোখাই বিকাশ লাভ কৰে। একে একে জোপা গছে এইদৰে কেবাবাৰো কাটি কাটি আনিব পৰা তৰকাৰিৰ যোগান ধৰে।

পাতৰ আকৃতি আঙুলিপহীয়া আৰু ফুলৰ ৰং বগা-চানেকীয়া হয়। ফুলবোৰ পুৰঠ হ'লে যিবোৰ ছেই ধৰে সেই ছেঁইবোৰৰ ভিতৰত সৰু সৰু গুটিয়ে বিকাশ লাভ কৰে।

টেঙা মৰা, হিবিচকছ চাব্দাৰিফা পৰিয়াল-মালভেছি হলছেকং (কাৰবি) মেষ্টা টেঙা (বড়ো) টেঙামৰা (অসমীয়া) লাল সেন্তা পাট (বঙালী) লাল আম্বাৰি (হিন্দী)
(Tenga Mora, Jalmaican Sorrel Species–Hibiscus sabdariffa Family-Malvaceae Jalmoican sorrel (ইং)

মানুহে বাৰীত লগাই ৰখা এবিধ শাক জাতীয় উদ্ভিদ। একোজোপা পুৰঠ গছৰ উচ্চতা প্ৰায় এক মিটাৰ হয়। শাকনিবাৰীত এচুকত গুটি অলপ ছটিয়াই দি ইয়াক সহজে কৰিব পাৰি। পুৰণা গছৰ গুটি পৰি ই প্ৰায়েই নিজে নিজে উৎপত্তি হয়। সৰহীয়াকৈ তৰকাৰি বনাই খাব পৰাৰ উপযোগী ফচল নোহোৱাৰ বাবে মানুহে ইয়াক বেছি পৰিমাণে বাৰীত লগাই ৰখাৰ ব্যৱস্থা কৰা দেখা নাযায়। অন্য শাকৰ লগত লগাই ইয়াৰ পাত অলপ কুটি পেলাই দিলে টেঙা আঞ্জাৰ সোৱাদ পাব পাৰি। ৰঙা ৰঙা ফলবোৰ ঠিক এইদৰে ব্যৱহাৰ কৰা হয়। জাম-জেলী বনাবৰ বাবেও এই ফল কামত লগাব পাৰি।

চুঙাপহীয়া ফুলবোৰে এক ৰকম জবা ফুলৰ আকৃতি ধৰে। বৰণত ৰঙচুৱা হয়। পাতৰ আকৃতি আঙুলি পহীয়া হয়।

পিছলা লতা, হিবিচকছ্ ফ্ৰেগ্ৰেন্স পৰিয়াল— মালভেছি পিছলা (অসমীয়া) (Pichala Lota) Species–Hibisacus fragrens Family–Malvaceae

লতাৰ নিচিনাকৈ ডাঙৰ ডাঙৰ গছৰ ওপৰলৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ মেলাহি আকৃতিৰ জোপোহা গছ। গছডালৰ পূৰঠ অংশবোৰৰ বৰণ মুগা-চানেকীয়া হয় আৰু এই অংশত দীঘল দীঘল ফাটৰ উৎপত্তি হয়। কুমলীয়া ঠাল-ঠেঙুলি আৰু পাতৰ ঠাৰিবোৰত ফুটুকা-ফুটুকি দাগে বিকাশ লাভ কৰি থকা দেখা যায়। পাতবোৰে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ দাঁতিত সেৰেঙা সেৰেঙাকৈ থকা কৰতীয়া দাঁতে বিকাশ লাভ কৰে। পাতৰ উপ-সিৰাবোৰে হাতৰ আঙুলিৰ দৰে ঠাৰিৰ ওচৰৰপৰা মেল খাই থকাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাত ধাৰণ কৰা ঠাৰিবোৰৰ দীৰ্ঘতা পাতৰ দীৰ্ঘতাতকৈ প্ৰায় দুগুণমান বেছি হোৱা দেখা যায়।

ফুলৰ বৰণ বগা কিম্বা গুলপীয়া হয়। অসমৰ প্ৰায় সকলো ঠাইত থকা বন-জঙ্গলবিলাকে কম-বেছি পৰিমাণে এইবিধ উদ্ভিদ ধাৰণ কৰা পৰিলক্ষিত হয়।

ভোল লুফা, এজিপ্‌টিয়াকা লুফা এজিপ্‌টিয়াকা পৰিয়াল— কিউকাৰবিটেছি ফৌল্লা (বড়ো) মাক-ফংলুঙ (টাই-আহোম) তৰৈ, ভোল (অসমীয়া) পুৰল, তৰৈ (বঙালী) (Bhol, Sponge Gourd) Species–Luffa aegypotirca Family–Cueurbitaceae bath sponge gourd (ইং)

তৰকাৰি বনাই খাব পৰা এবিধ বাৰীত লগোৱা লতা জাতীয় উদ্ভিদ। এইবিধ ফচল কৰিবলৈ বৰ বিশেষ যতন নকৰিলেও হয়। সাধাৰণতে জহৰা গজা পুলিবোৰ ডাঙৰ হৈ হৈ গছৰ ওপৰত কিম্বা অন্যান্য সুবিধাজনক ঠাইত বগাই বগাই গৈ সময়ত হালধীয়া বৰণৰ ফুল ফুলে। সেই ফুলবোৰ পূৰঠ হ'লে জিকাৰ নিচিনা সোপোকা ফল ধৰে। অৱশ্যে জিকাৰ নিচিনাকৈ এই ফলবোৰৰ উপৰিভাগে কৰ্দৈসিৰীয়া ৰূপ প্ৰদৰ্শন নকৰে। লাও-কোমোৰাৰ দৰে ফলৰ উপৰিভাগ সমান হয়। জাত অনুযায়ী এই ফলবোৰে ভিন্ ভিন্ আকাৰ আৰু আকৃতি ধাৰণ কৰা দেখিবলৈ পোৱা যায়। দুই-এজাত ভোল দীঘল আৰু আন দুই-এজাত অলপ থোপোৰা হয়। কোনো কোনো জাত ভোল সেউজীয়া আৰু তাত কজলা বৰণৰ আভাস পৰিলক্ষিত হয়। আন দুই-এবিধ ভোলৰ বৰণ বগা-চানেকীয়া হয়।

কুমলীয়া ভোলৰ তৰকাৰি খাবলৈ ভাল লাগে। বুঢ়া ভোলৰ ভিতৰত আঁহবোৰ টান হয় আৰু তেতিয়া সেই ভোল খোৱাৰ বাবে অনুপযুক্ত হৈ পৰে। বুঢ়া ভোলৰ আঁহৰপৰা উৎপন্ন হোৱা জালি বুৰুজৰ দৰে ব্যৱহাৰ কৰা হয়।

ভাত-কেৰেলা, মমৰদিকা কোচিনচাইনেনচিছ পৰিয়াল—কিউকাৰবিটেছি খাহস্রিখলা (বড়ো) কাক্‌ৰল (বঙালী) মাক্‌-খ্রুম-খাও (টাই-আহোম) ভাত-কেৰেলা (অসমীয়া) চটা কাকৰল (বঙালী) কার্ম কেৰেলা (হিন্দী) (Bhat Kerela) Species–Momordica cochinchinensis Family–Cucerbitaceae

আঞ্জা তৈয়াৰ কৰি খোৱাৰ উপযোগী ফল ধৰা এবিধ লতা জাতীয় উদ্ভিদ। আমাৰ মানুহে বাৰীত দুই-চাৰিজোপা ভাত-কেৰেলাৰ লতা লগাই ৰাখে আৰু সময়ত ফল ধৰিলে ছিঙি আনি খায়হি। লতাডাল প্রতিবছৰে মৰি মৰি যায় আৰু পাছৰ বছৰত আলুৰপৰা পোখা ওলাই নতুন লতাৰ উৎপত্তি হয়।

পাতবিলাকে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। মাটিৰ তলত থকা আলুৰপৰা একাধিক পোখাই বিকাশ লাভ কৰি কেবাজোপা লতাৰ উৎপত্তি হয়। লতা বগাবলৈ হেঁদালি বনাই দিব পাৰি। জেং আদি গুজি দিও সুফল পাব পাৰি। ফুলবিলাকৰ বৰণ বগা হয়। ফুল পূৰঠ হ'লে যি ফলৰ উৎপত্তি হয় সেই ফলৰ আকৃতি দীঘল-চানেকীয়াকৈ গোটা হয়। ফলৰ উপৰিভাগ অলপ দীঘল বিধৰ সোপোকা শলাৰে আবৃত হৈ থাকে। কুমলীয়া অৱস্থাতে ফলবোৰ ছিঙি আনি তৰকাৰি বনাই কিম্বা তেলত ভাজি খাব পাৰি। ফলৰ ভিতৰত থকা কোমল পদাৰ্থৰ মাজত চেপেটা চেপেটা গুটি ধৰে। বুঢ়া হ'লে আৰু পকিলে ফলবোৰ খোৱাৰ অনুপযুক্ত হৈ পৰে।

স্থল পদ্ম, হিবিচ্‌কাচ মিউটাবিলিছ পৰিয়াল—মালভেছি স্থলপদ্ম (অসমীয়া) স্থল পদ্ম (বঙালী) স্থলকমল (হিন্দী) (Sthala Padma, Cotton Rose) Species–Hibiscus mutabilis Family–Malvaceae Cotton rose (ইং) Changeable rose (ইং)

এবিধ মজলীয়া আকাৰৰ বিতোপন ফুল ধৰা জোপোহা গছ। জাৰকালিৰ এটা সময়ত যেতিয়া গছজোপা ডাঙৰ ডাঙৰ ফুলৰ থোপাৰে উপচি পৰে তেতিয়া গোটেই পৰিবেশ ৰমক-জমক হৈ পৰে। জাত অনুযায়ী কিছুমান গছে ধাৰণ কৰা ফুলবোৰে এতৰপীয়া আন আন কিছুমানে বহু তৰপীয়া পাহি ধৰে। ফুলৰ বৰণ জাত অনুসাৰে গুলপীয়া বা বগা হয়। কিছুমান জাতৰ গছে থোপা বন্ধাকৈ ভালেমান ফুল একেলগে ধৰে। আন কিছুমান জাতৰ ফুলবোৰৰ পাহি এতৰপীয়া হোৱা দেখা যায়। ফুলো এটীয়া এটীয়াকৈ ফুলে।

স্থল পদ্ম গছৰ পাতবোৰ ধপলা-ধপল হয়। একোডাল ঠাৰিত মাত্ৰ এখিলাকৈ পাত ধৰে। এই পাতবোৰে জবাফুলৰ পাতৰ নিচিনাকৈ একৰকমৰ ডিম্বাকৃতি ৰূপ প্রদর্শন কৰে। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰা দেখা যায়।

হলিহক, এলথিয়া ৰ'জা, বিকল্পে এলচিয়া ৰ'জিয়া পৰিয়াল—মালভেছি হলিহক (অসমীয়া) (Hollyhock) Species–Althea rosa Syn-Alcea rosea Family–Malvaceae Hollyhock (ইংৰাজী)

এবিধ বিতোপন ফুল ধাৰণ কৰা বিদেশী উদ্ভিদ। নাৰ্চাৰিৰপৰা মঙ্গাই বা কিনি আনি এইবিধ ফুলৰ গুটি প্ৰথমতে পালেঙত কিম্বা কাঠৰ বাকচত পচোৱা হয়। গুটিৰপৰা অঙ্কুৰ গজি পুলি দুপতীয়া হ'লে ফুলনিবাৰী বা উদ্যানৰ দাঁতি-কাষৰীয়া ঠাইত দীঘলীয়াকৈ ভেটি তৈয়াৰ কৰি শাৰী শাৰীকৈ লগাই দিয়া হয়। সাৰুৱা মাটিত পুলিবোৰ লহপহকৈ বাঢ়ি সময়ত প্ৰায় দুই মিটাৰমান ওখ হয়। লগে লগে গাঁঠিবোৰত বিতোপন ফুল ফুলিবলৈ ধৰে। গছ অনুযায়ী বেলেগ বেলেগ গছত বেলেগ বেলেগ বৰণৰ ফুল ধৰে। তেতিয়া সামগ্ৰিকভাৱে আটাইখিনি ফুলৰ গছে বিতোপন ৰূপ ধাৰণ কৰি সুন্দৰ পৰিবেশৰ সৃষ্টি কৰে।

পাতৰ আকৃতি অলপ ঠেক ধৰণৰ ডিম্বাকাৰ হয় আৰু দাঁতিভাগ দণ্ডযুক্ত হয়। ফুলৰ পাহিৰ বৰণ সাধাৰণতে ৰঙা কিম্বা গুলপীয়া হয়। বেটুপাতত বাকলি আৱৰণ থাকে।

এগেৰুৱা, ইউৰেণা ল'বেটা পৰিয়াল—মালভেছি সোণ বৰলুৱা (শিৱসাগৰ) চকামৰা (শোণিতপুৰ) অগ্‌ৰা (কামৰূপ) টংগাম্ (মিচিং) নন্‌থে আৰং (কাৰ্বি) চাম্ থাই (মেচ্) চম্পক্‌পি (মণিপুৰী) (Agarua) Species–Urena lobata Family–Malvaceae

প্ৰায় ডেৰ মিটাৰমান ওখ এবিধ নিম্ন পৰ্যায়ৰ জোপোহা উদ্ভিদ। মূল কাণ্ড, ঠাল-ঠেঙুলিৰ বাকলি আৰু পাতৰ উপৰিভাগত কোমল চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। সাধাৰণতে পাতবোৰে ডিম্বাকাৰ ৰূপ ধাৰণ কৰে যদিও গাইগুটীয়া পাতৰ আকৃতিত ভিন্ন ভিন্ন ৰূপ দেখা যায়। কিছুমান পাত হৃদয়াকাৰ আৰু আন কিছুমান গোলাকাৰ হয়। তদুপৰি প্ৰায় ক্ষেত্ৰতে দৈৰ্ঘ্যতকৈ প্ৰস্থৰ মাত্ৰাহে অধিক হয়। প্ৰত্যেকখিলা পাতৰ ৫ টাৰপৰা ৭ টা পৰ্যন্ত লতিকা থাকে। পাতৰ গুৰি অংশত সিৰ থাকে আৰু সীমাৰেখা দণ্ডযুক্ত অথবা কাঁচিমুখীয়া হয়। ওপৰ লুটিয়ে ঠৰঙা আৰু তলৰ লুটিয়ে কোমল-আমল নোম পৰিধান কৰে। পত্ৰবৃন্ত চুটি।

ফুলৰ বৰণ ৰঙচুৱা। মধ্যভাগত ক'লা-চানেকীয়া দাগৰ উৎপত্তি হয়। পুষ্পক্ৰমৰ বৃন্তই চুটি ঠাৰিৰ ফুল থোপাকাৰে ধাৰণ কৰে। বেটুপাত পৰ্ণপাতী। পাহি ৫ টিয়া। গৰ্ভকোষ ৫ কুঠলীয়া।

অসমৰ প্ৰায় সকলো ঠাইতে এইবিধ উদ্ভিদৰ উৎপত্তি পৰিদৃষ্ট হয়।

কপাহ, গচিপিয়াম্ হাৰ্বাচিয়াম পৰিয়াল— মালভেছি কপাহ (অসমীয়া) কপাস (বঙালী) কপাস, ৰুই (হিন্দী) (Cotton Plant) Species–Gossympium herbaceum Family–Malvaceae Cotton (ইং)

কপাহ এবিধ সৰু আকাৰৰ অতি লাগতিয়াল উদ্ভিদ। এইবিধ গছৰ ফলৰপৰা উৎপত্তি হোৱা কপাহৰপৰা সূতা কাটি নানা প্ৰকাৰৰ কপাহী কাপোৰ কৰিব পাৰি। বজাৰত ইয়াৰ চাহিদা অত্যন্ত বেছি। বাৰীত দুই-চাৰিজোপা গছ লগাই ৰখাৰ বাহিৰে অসমৰ মানুহে ব্যাপক আকাৰে ইয়াৰ খেতি কৰা দেখিবলৈ পোৱা নাযায়। কিন্তু মেঘালয়ৰ গাৰো পাহাৰ জিলা আৰু অসমৰ কাৰ্বি আংলং, উত্তৰ কাছাৰ আদিৰ নিবাসী পৰ্বতীয়া জনজাতীয় মানুহবিলাকে জুম-খেতিৰ ক্ষেত্ৰত সৰহীয়াকৈ কপাহ খেতি কৰে। জাৰকালি কপাহবোৰ ছিঙি আনি হোৰাত ভৰাই ভৈয়ামৰ বজাৰবোৰত বিক্ৰী কৰেহি।

ইয়াৰ কেবাটাও জাত আছে। এটাৰ জাতৰপৰা উৎপন্ন হোৱা কপাহৰ আঁহবোৰ দীঘলপহীয়া হয়। আন জাতৰ গছে চুটি আঁহ ধাৰণ কৰা কপাহ উৎপন্ন কৰে। কপাহবোৰ সূতা কটা কল-কাৰখানালৈ প্ৰেৰণ কৰা হয়। অসমৰ চাৰিদুৱাৰত এনে এটা সূতা কটা কাৰখানা আছে।

কপাহৰ মাজে মাজে উৎপন্ন হোৱা গুটিবোৰ আকাৰত মাটিমাহ একোটাতকৈ অলপহে ডাঙৰ হোৱা দেখা যায়। এই গুটিবোৰৰপৰা নতুন পুলিৰ উৎপাদন কৰিব পাৰি।

ৰক্ত জবা বা ৰঙা জবা, হিবিচকচ ৰোজাচাইলেনচিছ পৰিয়াল—মালভেছি জবা নাৰ (ৰাভা) জবা বিবাৰ (বড়ো) জবা ফুল (অসমীয়া) ৰক্ত জবা (বঙালী) জাচুম (হিন্দী) (Rakta Joba or Ronga Joba) (China Rose) Species–Hibiscus rosasilensis Family–Malvaceae China rose (ইং)

আমাৰ মানুহে যিবিলাক বিতোপন ফুল ধাৰণ কৰা ফুলজাতীয় উদ্ভিদ ফুলনিবাৰী কিম্বা উদ্যানত ৰোপণ কৰে সেইবিলাকৰ ভিতৰত জবা ফুল অন্যতম। গছজোপাই চৌপাশে ঠাল-ঠেঙুলি মেলি জোপোহা ৰূপ ধাৰণ কৰে। গা-গছ আৰু ডাল-ডোলবিলাক ছাই-বৰণীয়া কিম্বা মদৰুৱা হয়। নতুনকৈ পোখা মেলা ডালবোৰত যিবিলাক পাতে বিকাশ লাভ কৰে সেইবিলাক পাতে ডিম্বাকৃতিৰ ৰূপ প্ৰদৰ্শন কৰে। পাতৰ দাঁতিভাগত কৰতৰ ধাৰৰ দৰে জখলা-খলপীয়া দাগৰ উৎপত্তি হয়। তলৰ পিঠিতকৈ ওপৰৰ পিঠিয়ে গভীৰ সেউজীয়া ৰূপ প্ৰদৰ্শন

কৰে। পাত ধাৰণ কৰা ঠাৰিডালে পাতখিলাৰ মধ্যভাগত থকা মূল সিৰত লগ লাগে। উপ-সিৰবোৰ পুনৰ বিভক্ত হৈ আঙুলি পহীয়াকৈ জিলিকি থাকে।

ফুলৰ বৰণ সাধাৰণতে ৰঙা হয় যদিও বগা, গুলপীয়া, হালধীয়া আদি বৰণৰ জবা ফুলৰ অভাৱ নাই। প্ৰত্যেক পাহ ফুলত সাধাৰণতে ৫ টা ৫ টাকৈ চুপহি আৰু একে সংখ্যক পাহিয়ে বিকাশ লাভ কৰে। পুং আৰু গৰ্ভকেশৰ একেটা নলীৰ ভিতৰতে সংলগ্ন হৈ থাকে। তদুপৰি প্ৰত্যেক পাহ ফুলৰ গুৰিত ৫-৬ ফেৰেঙনীয়া সেউজীয়া বেটুৰ উৎপত্তি হয়।

জাত অনুযায়ী বিভিন্ন প্ৰকাৰৰ জবা ফুলৰ গছে বেলেগ বেলেগ আকৃতি আৰু বৰণৰ ফুল ধাৰণ কৰা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে কিছুমান জাতৰ জবা ফুলৰ পাহি বহু তৰপীয়া হয়, কিছুমানে গোলাপ ফুলৰ আকৃতি ধাৰণ কৰে আৰু আন দুই-এবিধৰ পাহিবোৰ জাপ খাই থাকে। ঠিক সেইদৰে জাত অনুযায়ী ফুলৰ বৰণ বেলেগ বেলেগ হোৱা দেখিবলৈ পোৱা যায়। আজিকালি বেলেগ বেলেগ জাতৰ জবা ফুলৰ অঙ্কুৰ সংমিশ্ৰিত কৰি উন্নত জাতৰ আকৰ্ষণীয় ফুল ধৰা জবা ফুলৰ সৃষ্টি কৰা দেখিবলৈ পোৱা যায়।

জবা ফুলৰ ডাল ফুলনিবাৰী বা চৌহদৰ দাঁতি-কাষৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই কলম দি ৰখাৰ ব্যৱস্থা কৰিলে জীৱিত গছৰ জেউৰাৰ (Live hedge) সৃষ্টি কৰা হয়।

হিন্দু সমাজে জবা ফুল দেৱীপূজা আৰু অন্যান্য দেৱ-দেৱতাৰ পূজাত সভক্তিৰে অৰ্পণ কৰে।

বগা জবা ফুল, হিবিচকাচ ৰোজাচাইনেনচিছ (প্ৰকাৰ) পৰিয়াল—মালভেচি জবাপাৰ (ৰাভা) জবা কিবাৰ (বড়ো)
Boga Joba, White China Rose Species–Hibiscus rosasinensis (variety) Family–Malvaceae China Rose (ইং)

আমাৰ প্ৰায়বিলাক মানুহৰ ফুলনিবাৰীত আৰু দেৱাল, জেওৰা আদিৰ কাষত লগাই ৰখা আলংকাৰিক ফুল ধাৰণ কৰা উদ্ভিদৰ ভিতৰত জবা জাতীয় ফুলে এক বিশেষ স্থান লাভ কৰিছে। ইয়াঁতৰ বিভিন্ন আকৃতিৰ ফুলৰ ভিতৰত তাৰে এবিধ বগা বৰণৰ ফুল ধাৰণ কৰে। বহুতো পুষ্পপ্ৰেমী মানুহে ৰক্ত জবা ধাৰণ কৰা আলংকাৰিক ফুল গছৰ লগতে দুই-এজোপা বগা ফুল ধৰা ফুলৰ সঁচ কৰমৰ পৰা বিচাৰি আনি বাৰীত লগোৱা দেখিবলৈ পোৱা

যায়। তাৰ ভিতৰত কোনো কোনো বিধ অলপ ডাঙৰ আকাৰৰ ফুল ধাৰণ কৰে।

লটকন জবা—জবা ফুলৰ ভিতৰত এবিধক আমাৰ ভাষাত লটকন জবা বুলি কোৱা হয়। ইংৰাজী ভাষাত আমেৰিকাৰ মানুহে ইয়াক Sleeping hibiscus বুলি কয়।

টিলিঙা জবা—এইবিধ জবাই ধাৰণ কৰা জবা ফুলৰ ঘণ্টা বা টিলিঙাৰ নিচিনা হোৱাৰ বাবে উৎকৃষ্ট অসমীয়া টিলিঙা জবা বুলি কোৱা হয়।

লটকন জবা, প্ৰজাতি—হিবিছকছ ৰ'জা—চাইনেন্সিছ (প্ৰকাৰ) পৰিয়াল—মালভেছি লটকন জবা ফুল (অসমীয়া) জবা ফুল (বঙালী) শ্লিপিং চাইনা ৰোজ (ইংৰাজী)
Lotkon Joba, Sleeping china rose Species–Hibiscus rosa-sinensis (Variety) Family–Malvaceae Sleeping china rose (ইংৰাজী)

এবিধ মজলীয়া আকাৰৰ জোপোহা উদ্ভিদ। জবা ফুলৰ বহুত প্ৰকাৰ আছে। এই বিভিন্ন প্ৰকাৰৰ জবা ফুল জাতীয় উদ্ভিদবিলাক বিতোপন ফুল ধৰা উদ্ভিদ আৰু হেজ (জেওৰা) হিছাপে ৰোপণ কৰি কামত লগোৱা হয়। প্ৰকাৰ অনুযায়ী ফুলৰ আকৃতি আৰু ডিজাইন বেলেগ বেলেগ হোৱা দেখা যায়। ফুলৰ বৰণতো ভিন্নতা প্ৰতিফলিত হয়। সদ্যহতে বৰ্ণনা আগবঢ়াবলৈ প্ৰয়াস কৰা গছজোপাৰ ফুলবোৰৰ আকৃতি দীঘলীয়া আকাৰে থুৰিয়া-তামোলৰ দৰে দীঘলপহীয়া হয়।

নীলা ফুল, প্ৰজাতি—ইন্দিগোফেৰা টিংক্টৰিয়া বিকল্পে-ই চুমাত্ৰানা পৰিয়াল—লিগুমিনোছি নীলিকা (সংস্কৃত) নীল ফুল (অসমীয়া) নীল (হিন্দী) নীল (বঙালী)
Neela Phul, Indigo Plant Species–Indigofera tictoria Syn-E.sumatrana Family–Leguminosae Indiga Plant (ইংৰাজী)

এবিধ নীল বৰণীয়া আকৰ্ষণীয় ফল ধাৰণ কৰা বনৰীয়া উদ্ভিদ। মজলীয়া আকাৰৰ গছ। এই বিধ উদ্ভিদৰ বাকলিৰপৰা নীল উৎপাদন কৰিবৰ বাবে আগতে এইবিধ গছ বাগান আকাৰে ৰোপণ কৰা হৈছিল। আজিকালি ৰসায়নিক উপায়েৰে পাইকাৰী হাৰত নীল ৰং প্ৰস্তুত কৰাৰ বাবে এই উদ্যোগৰ সমাপ্তি ঘটিল। ইয়াৰ ডাল-পাতবোৰ পচন-সাৰ শস্যক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। গছজোপাৰ বাকলি আৰু পাতত ঔষধীয় গুণ আছে।

বৰ-মেদেলুৱা, ডাল্‌বাৰজিয়া আচামিকা পৰিয়াল— লেগুমিনেছি বৰ মেদেলুৱা (অসমীয়া) মৌ সিতা (অসমীয়া)
(Bor Medelua) Species–Dalbergia assamica Family–Leguminaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। গা-গছৰ সাৰৰ অংশই কঠিন ৰূপ ধাৰণ কৰে যদিও পলসডাল কোমল-চানেকীয়া হয়। এই কাঠ ব্যৱহাৰ কৰি নিম্নমানৰ চকি, মেজ, পালেং আদি তৈয়াৰ কৰিব পাৰি। কম দামৰ পেকিং বাকচ আদি তৈয়াৰ কৰিব পাৰি। সাধাৰণতে ইয়াৰ কাঠ খৰি হিছাপে ব্যৱহাৰ কৰা হয়।

অঞ্জনিয়া, প্ৰজাতি-হাৰ্ডউইকিয়া বাইনাটা পৰিয়াল— লেগুমিনেছি অঞ্জন (সংস্কৃত) অঞ্জনিয়া (অসমীয়া) অঞ্জনা (বঙালী) অঞ্জন (হিন্দী)
(Anjania) Species–Hardwickia binata Family–Leguminaceae

এবিধ ধুনীয়া আকৃতিৰ পৰ্ণপাতী গছ। ডাঙৰ-দীঘল আকাৰৰ গা-গছ থকা গছজোপাই পৰ্যাপ্ত পৰিমাণৰ লাগতিয়াল কাঠ ধাৰণ কৰে। কাঠৰ বৰণ অলপ ক'লা-চানেকীয়া হয় আৰু এই কাঠৰপৰা নানা প্ৰকাৰৰ লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰিব পাৰি। একে পৰ্যায়ৰ Harwickia bipinnata নামৰ আন এজাতি সগোত্ৰীয় গছ একেবোৰ ঠাইতে পোৱা যায়।

মেকুৰী কেন্দু, প্ৰজাতি-ষ্ট্ৰীইচনছ নক্স-ভমিকা পৰিয়াল— লেগুমিনেছি মেকুৰী কেন্দু, মেকুৰী জবা (অসমীয়া) কুচিলা (বঙালী) কুচিনা, কুঞ্জলা (হিন্দী)
Strycine tree (ইংৰাজী) Mekuri Kendu, Snake wood tree Species–Strychrus nux-vomica Family–Leguminaceae Nux-vomica, Snake Wood tree (ইংৰাজী)

এবিধ সৰু অথবা মজলীয়া আকাৰৰ মনোমোহা গছ। ইয়াৰ ফলৰপৰা তৈয়াৰ কৰা ঔষধ পাৰালাইচিছ বেমাৰত আক্ৰান্ত হোৱা ৰোগীক খুওৱা হয়। তেজ হাগনি আৰু পেটৰ অসুখ হ'লেও ইয়াক খুৱালে নিৰাময় হয়।

নগাঁও, কাছাৰ, কামৰূপ আৰু গোৱালপাৰা জিলাৰ বনাঞ্চলবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কমল উৰহি, প্ৰজাতি—কানাভেলিয়া এন্‌চিফৰ্মিছ বিকল্প নাম— কানাভেলিয়া গ্লেদিয়েটা পৰিয়াল—লেগুমিনেছি কমল উৰহি (অসমীয়া) মাখন চিম, বৰ চিম (বঙালী) বৰা চিম, মাখন চিম (হিন্দী)
Kamal Urohi, Sword Bean Species–Canavalia ensiformis Syn-Canavalia gladiata Family-

দীঘল আকাৰৰ তৰোৱাল সদৃশ ছিৰা ধাৰণ কৰা এবিধ উৰহি জাতীয় উদ্ভিদ। লতা

জাতীয় উদ্ভিদজোপা হেঁদালিত বগাই বিকাশ লাভ কৰে। ছিৰাৰ আকৃতিৰ ফলবোৰ ছিঙি আনি ভাজি কৰি অথবা তৰকাৰি বনাই খোৱা হয়। ইয়াৰ কেবাবিধো প্রজাতি আৰু উপপ্রজাতি আছে। Canavalia erythrosperma নামৰ লতাই ধৰা ফুল আৰু চিৰাৰ বৰণ ৰঙচুৱা। আনহাতে Canavalia leucosperma নামৰ আন এবিধৰ ফুল আৰু চিৰাবোৰ বগা হয়।

বগা পলাশ, প্রজাতি-বিউটিয়া পাৰভিফ্লোৰা বিকল্পে-স্পাথোলবাছ ৰাক্সবাইগিয়াই পৰিয়াল-লেগুমিনেছি। বগা পলাশ (অসমীয়া) সাদা পলাশ (বঙালী) সফেদ পলাশ (হিন্দী)
Boga Polash, White Bengal Kino Species-Butea parviflora Syn-Spatholobus ruxburghii Family-Leguminaceae White Bengel kino (ইংৰাজী)

এবিধ পলাশৰ নিচিনা পাত ধাৰণ কৰা গছ জাতীয় উদ্ভিদ। ফুলৰ বৰণ ঘাইকৈ বগা হয়। লক্ষীমপুৰ ডিব্রুগড়, শিৱসাগৰ আদি বিভিন্ন জিলাই বহন কৰা বনাঞ্চলবোৰৰ ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

মাটি কাটোতা, প্রজাতি-বহিনিয়া একিউমিনেটা পৰিয়াল— লেগুমিনেছি মাটি কাটোতা, মাটি কট্রা, জুপুৰি কাঞ্চন বগা কাঞ্চন, (অসমীয়া) শ্বেত কাঞ্চন (বঙালী) সফেদ কাঞ্চন কাঞ্চনাৰ (হিন্দী)
Mati Katuta, Dwarf White Kanchan Species– Bauhinia acuminata Family–Leguminaceae Dwarf white kanchan or bauhinia (ইংৰাজী)

এবিধ বগা বৰণৰ বিতোপন ফুল ধৰা আলংকাৰিক মজলীয়া গছ। বহুতো উদ্ভিদপ্রেমী আৰু পুষ্পপ্রেমী ব্যক্তিয়ে এইবিধ ফুল ধৰা গছ ফুলনিবাৰীত দাঁতি-কাষৰীয়া ঠাইত ৰোপণ কৰে।

মাটি জাম, প্রজাতি—প্রেমনা হাৰবেছিয়া পৰিয়াল— লেগুমিনেছি মাটি জাম (অসমীয়া)
Mati Jam Species–Premna herbacea Family–Leguminaceae

এবিধ সৰু আকাৰৰ গছৰা জাতীয় লতা। এইবিধ উদ্ভিদ বিশেষ কোনো কামত লগাব পৰা তথ্য পোৱা নাযায়।

উজনি আৰু নামনি অসমৰ কোনো কোনো সংৰক্ষিত বনাঞ্চলত ইয়াৰ উৎপত্তি পৰিদৃষ্টি হয়।

বৰ মানিমুনি, চেণ্ট্ৰেলা এচিয়াটিকা বিকল্পে হাইড্ৰোকটিল এচিয়াটিকা পৰিয়াল—আম্বেলিফেৰি বৰ মানিমুনি (অসমীয়া) মাণ্ডকাপাৰ্নি (সংস্কৃত) বৰা থুলকুৰি (বঙালী) ব্ৰাহ্মাডুকি, ব্ৰহ্মান্দি (হিন্দী)

Bor Manimuni Indian Pennywort Species–Centrella asiatica Syn Hydrocotyle asiatica Family–Umbelliferae Indian Pennywort (ইংৰাজী)

এবিধ বছেৰেকীয়া আয়ুসৰ মাটিত বগোৱা সৰু উদ্ভিদ। এইবিধ উদ্ভিদৰ সকলো অংশ ঔষধত ব্যৱহাৰ হয়। চৰকাৰী হিছাপে অন্যান্য শাক-পাচলিৰ লগত মিহলাই খোৱাৰ উপযোগী।

অসমৰ সকলো জীপাল ভূমিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

আজাৰ, জাৰুল, লেগাৰ্চট্ৰমিয়া ফ্লচৰিজাইনা পৰিয়াল—লিথ্ৰেছি আজাকাৰি, বলাচাৰি (গাৰো) চেহাৰ আৰং, ওঝাৰ (কাৰ্বি) আজাৰ আছিং (মিচিং) আওজাৰ (বড়ো) আজ্জ্বি (ৰাভা) আজাৰ (অসমীয়া) জাৰুল (বঙালী)

Ajhar Jarul Species–Legersotromis flosresinae Family–Lythraceae

এবিধ মজলীয়া আকাৰৰ আৰু চাৰিওফালে ঠাল-ঠেঙুলি মেলি বিয়পি পৰা বিধৰ গছ। গা-গছ আৰু ডালৰ বাকলিখন পাতল হয়। বৰণত মদৰুৱা আৰু মিহি হোৱা দেখা যায়। বাকলিখনৰ উপৰিভাগৰপৰা নিকৰি এৰাৰ বাকলিখনৰ ফাটি ফাটি গছজোপাৰপৰা এৰাই আহে। পাতবিলাক আকাৰত দীঘলীয়া, গুৰিফালে বহল আৰু আগৰফালে সৰু হয়, ওপৰ-তল দুয়োফালে খহটা। ফুল থোপা-থোপে ফুলে। ফুলৰ বৰণ বেঙুনীয়া হয়। বাৰিষাৰ সময়ত গছজোপাৰ ওপৰ ভাগ এই বেঙুনীয়া এই বেঙুনীয়া বৰণৰ ফুলেৰে ভৰি পৰে। তেতিয়া গছজোপা ধুনীয়া হৈ পৰে। আলিৰ কাষে কাষে লগাই দিয়া এই জাতীয় গছবোৰ যেতিয়া একে সময়তে ফুলি গোটেইবোৰ গছ ৰমক-জমক হৈ পৰে তেতিয়া সেই দৃশ্য দেখিবলৈ অতি মনোৰম হৈ পৰে।

এই গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠৰ বৰণ ৰঙচুৱা মুগা হয়। ঘৰৰ খুঁটা ভাল হয়। গাড়ী সজা, নাও বনোৱা আদি কামৰ উপযুক্ত।

পাৰুল, তমাল, লেগাৰষ্ট্ৰমিয়া ইণ্ডিকা পৰিয়াল-লিথ্ৰেছি তমাল, পাৰুল (অসমীয়া)

Parul Tomal Species–Lagerstroemia indica Family–Lythraceae

সৰু বা মজলীয়া আকাৰৰ অলপ জোপোহা ধৰণৰ গছ। গা-গছ ডালৰ ৰং ছাই-বৰণীয়া। পাতবোৰ চালে আজাৰ গছৰ পাতৰ সৈতে প্ৰায় একেই দেখি। আকাৰত অৱশ্যে

আজাৰ গছৰ পাততকৈ এইবিধ গছৰ পাতবোৰ ভালেখিনি সৰু হয়। ঠিক সেইদৰে গছজোপাও আকাৰত সৰু। ছাই-বৰণীয়া বাকলিখনৰপৰা পাতল পাতলকৈ সৰু সৰু ছালৰ টুকুৰা ওলাই ওলাই আহে।

এইবিধ গছৰ ফুলবোৰো থোপা-থোপে ফুলে। কিছুমান গছৰ ফুলবোৰৰ বৰণ ৰঙচুৱা হয়, কিছুমানৰ বগা আৰু আন কিছুমানৰ গুলপীয়া হয়। পাতবোৰ সৰি পৰাৰ আগতে ৰঙচুৱা হয়। ফুলবিলাক দেখিবলৈ ধুনীয়া হোৱাৰ বাবে এইবিধ গছৰ দুই-এজোপা মানুহে বাৰীৰ ফুলনিত বা পদূলি-মুখত লগাই দিয়ে। অন্যান্য ৰাজহুৱা অনুষ্ঠানবিলাকৰ চৌহদতো এইবিধ গছৰ পুলি লগাই দিয়া হয়।

চিদা, লেগাৰষ্ট্ৰমিয়া পাৰ্ভিফ্লোৰা পৰিয়াল—লিথ্ৰেছি থেংক্ৰি, থেংক্ৰি আৰং (কাৰ্বি) বল চিদাই (গাৰো) দিয়েং লাং চিং (খাচিয়া) বনজিয়া, আজৰাই (কছাৰী) চিদা (বড়ো) চিদা (অসমীয়া) চিদা (বঙালী) Family–Lythraceae (Sida) Species–Legerstromia perviflora

মজলীয়া আকাৰৰ গছ। আজাৰ গছৰ নিচিনা দেখি। পিছে আজাৰৰ নিচিনা চুটি-চাপৰতে ঠাল-ঠেঙুলি নেমেলে। হাবিৰ মাজত ওপৰলৈ বাঢ়ি গৈ দীঘল আকাৰৰ গছত পৰিণত হয়। বৰ বেছিকৈ ডাল মেলি জোপোহা নহয়। পাতবিলাক কণীৰ নিচিনাকৈ অলপ দীঘলীয়া হয়। বাকলিখনৰ ৰং ছাই-বৰণীয়া বা মুগা হয়। তাৰপৰা দীঘলীয়া দীঘলীয়াকৈ নিকৰি ওলাই গছজোপাতে ওলমি থাকে। দা এখনেৰে কাটি চালে দেখা যায় যে বাকলিৰ ভিতৰত থকা অংশৰ বৰণ ৰঙচুৱা। ফুলৰ বৰণ বগা আৰু ফুল থোপা-থোপে ফুলি থাকে।

এই জাতীয় গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ সাধাৰণতে ছাইৰ দৰে মদৰুৱা বা পাতলীয়াকৈ মুগা হয়। অলপ চনকা হোৱাৰ বাবে কোনো কোনো ঠাইত সৰু সৰুকৈ ফাট মেলে। ঘৰৰ খুঁটা হিছাপে ব্যৱহাৰ কৰিব পাৰি। তদুপৰি নাও বনোৱা আৰু নাঙল-যুৱলি আদি বনোৱা কামত এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ ব্যৱহাৰ কৰা হয়।

খোকন, ৰামডালা, ডুৱাবাঙ্গা চনেৰা টিয়ইদিছ পৰিয়াল—লিথ্ৰেছি থৰা (কামৰূপ) ৰামডালা (কাছাৰ) মুঞ্জিনাবং (কাৰ্বি) দিয়েং-মলই, দিয়েং-বাই দিয়েং পাৰাম (খাচিয়া) কাবো আছিং (মিচিং) কিছাদি (নগা) ৰান্দৰ ৰামডালা (কাছাৰ) কান্দা (মেচ) খোকন (অসমীয়া) ৰান্দৰ কান্দা (বড়ো) (Khukan) Ramdala Species–Duabanga sonneratioides Family–Lytheceae

ডাঙৰ আকাৰৰ আৰু দেখিবলৈ অলপ ধুনীয়া বিধৰ গছ। এইবিধ গছৰ দীঘল দীঘল ডালবোৰ মাটিলৈ ওলমি ওলমি থকা দেখিবলৈ পোৱা যায়। গা-গছৰ বাকলি খহটা আৰু

তাত দীঘল দীঘলকৈ ওপৰৰপৰা তলৰফালে বিয়পাকৈ ফাট মেলি থকা দেখা যায়। ইয়াৰ পাতবিলাক দীঘলীয়া আৰু আকাৰত অলপ ডাঙৰ। পাতবোৰ ঠাৰিডালত জোৰা জোৰাকৈ বিপৰীতমুখী হৈ থাকে। পাতবোৰ দেখনত উজ্জ্বল আৰু সিৰা-উপসিৰাবোৰ জিলিকি থকা বিধৰ। ফুল থোপা-থোপে ফুলে আৰু এই ফুলৰপৰা এক প্ৰকাৰৰ অকটা গোন্ধ বাহিৰ হয়।

এই জাতীয় গছৰপৰা উৎপাদন হোৱা কাঠৰ বৰণ ছাইৰ দৰে পাতলীয়া মুগা হয়। অতিশয় শ্ৰেষ্ঠমানৰ কাঠ নহয় যদিও খোকনৰ কাঠ বহুতো কামত লগাব পাৰি।

লতা পলাশ, প্ৰজাতি—বিউটিয়া চুপাৰবা পৰিয়াল—লেগুমিনেছি লতা পলাশ (অসমীয়া), পলাশ লতা (বঙালী), পলাশ লাতা (হিন্দী)
Lota Polash Climbing Flame of the forests Species–Butea superba Family–Leguminaceae

কঠিন ঠাৰি ধাৰণ কৰা এবিধ লতা সদৃশ উদ্ভিদ। মৰাপাট আদি উপাদানেৰে তৈয়াৰ কৰা কাৰ্পেট আদিত ৰং দিয়াৰ বাবে সামগ্ৰী প্ৰস্তুত কৰিবলৈ ইয়াৰ বাকলি ব্যৱহাৰ কৰা হয়।

অসমৰ কোনো কোনো বনাঞ্চলত এইবিধ উদ্ভিদ ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

বান্দৰ লাখুটি, কেছিয়া নদ'ছা প্ৰজাতি পৰিয়াল—লেগুমিনেছি বান্দৰ লাখুটি, ৰঙা সোণাৰু (অসমীয়া) বান্দৰ লাঠি (বঙালী)
Bandar Lakhuti Joint wood tree Species–Cassia nodosa Family–Leguminaceae Joint wood tree (ইংৰাজী)

এবিধ ৰঙচুৱা বৰণৰ আকৰ্ষণীয় ফুল ধাৰণ কৰা মজলীয়া আকাৰৰ গছ। বহুতো মানুহে এইবিধ গছ আলিবাটৰ কাষে কাষে সৌন্দৰ্য বৃদ্ধিৰ বাবে শাৰী শাৰীকৈ ৰোপণ কৰে।

সমিধ, একেচিয়া চুমা পৰিয়াল—লেগুমিনেছি সমিধ (অসমীয়া) সমিধ (বঙালী)
(Samidh) Species–Acacia suma Family–Leguminaceae

ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ।

এইবিধ গছ বহুতো মানুহে বাৰীত লগাই ৰাখে। ইয়াৰপৰা উৎপন্ন হোৱা খৰি হোম-যজ্ঞত ব্যৱহাৰ কৰা হয়। গা-গছ আৰু ডাল-ডোলৰ বাকলিৰ ৰং ছাই-বৰণীয়া হয়। মূল গছ আৰু ডাল-ডোলবোৰত অলপ দীঘল আকাৰৰ কাঁইটৰ উৎপত্তি হয়।

কণিবিহ, কুচিলা এডেনেন্থিৰা পেভোনিকা পৰিয়াল— লেগুমিনেছি। উপ-পৰিয়াল—মাইমোচিয়ইদি।
(Koni Bih, Kuchila) Species—Adenanthera pavonina Family–Leguminaceae Sub-Family–Mimosaoideae

মজলীয়া আকাৰৰ গছ। খৰালিমহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি যায়। গা-গছৰ বাকলিৰ বৰণ ক'লা-চানেকীয়াকৈ মুগা হয়। গছজোপা বুঢ়া হ'লে বাকলিবোৰ খহটা হয়। দাৰে কাটি চালে বাকলিৰ ভিতৰখন মুগা বৰণীয়াকৈ অলপ বগা দেখি। পাতবোৰ ঠাৰিডালৰপৰা দুপতীয়াকৈ ওলায়। শাখাপাত সাধাৰণতে ৬ জোৰাৰপৰা আৰম্ভ কৰি ১৬ জোৰা পৰ্যন্ত একেডাল ঠাৰিতে সংলগ্ন হৈ থাকে। আকাৰত পাতবিলাক দীঘলীয়া হ'লেও আগলৈ জোঙা হোৱা দেখা নাযায়।

ফুলৰ বৰণ সেউজীয়া আৰু হালধীয়াৰ মাজতে। আকাৰত ফুলবোৰ তেনেই অকণ অকণ। এই ফুলৰপৰা যি ফল উৎপন্ন হয় সেই ফল আকৃতিত একো একোটা চিৰা হৈ থাকে। সেই চিৰাবোৰ চেপেতা আৰু পকোৱা-পকি হয়। তাৰ ভিতৰত ৮ টাৰপৰা ১৫ টা পৰ্যন্ত ৰঙা বৰণীয়া গুটিৰ উৎপন্ন হয়। এই গুটিৰে কোনো কোনো মানুহে মালা গাঠে। সোণাৰিবিলাকে এই গুটি ওজন হিছাপে ব্যৱহাৰ কৰে।

ৰাধা চুড়া, পইনচিয়ানা ৰেজিয়া প্ৰজাতি উপ-পৰিয়াল—চিজালপিনিবইদি পৰিয়াল— লেগুমিনেছি
(Radha Chura) Species–Poinociana regia Sub-Family–Caesalpinitboidae Family–Leguminaceae

এইবিধ বিতোপন ফুল ধৰা গছৰ কোনো কোনোৱে গোলমোহৰ গছ বুলিও কয়। ইয়াৰ ঠাল-ঠেঙুলিবোৰ চাৰিওফালে বিয়পি পৰে। মজলীয়া আকাৰৰ গছ। যেতিয়া ফুলবোৰ ফুলে তেতিয়া গোটেইজোপা গছ নিলগৰপৰা জিলিকি থকাকৈ ধুনীয়া হৈ পৰে। ফুলবিলাকৰ বৰণ কোনো কোনো ক্ষেত্ৰত কমলাৰঙীয়া আৰু কোনো কোনো ক্ষেত্ৰত ৰঙচুৱা হয়।

ধুনীয়া ফুল ফুলাৰ কাৰণে কোনো কোনো মানুহে এইবিধৰ দুই-এজোপা গছ বাৰীত লগাই ৰাখে। ৰাজহুৱা অনুষ্ঠান আদিলৈ ওলোৱা-সোমোৱা কৰা পদূলিৰ দুয়োকাষে আৰু আলিবাটৰ কাষতো এইবিধৰ গছ লগাই পৰিবেশ সুন্দৰ কৰাৰ ব্যৱস্থা কৰা হয়। গছজোপাৰ ঠাল-ঠেঙুলিবোৰ আৰু গা-গছডালৰপৰা কোনো কামত ব্যৱহাৰ কৰাৰ উপযোগী কাঠ উৎপন্ন হয় বুলি ক'ব নোৱাৰি। সেইবিলাকক আৱশ্যক অনুযায়ী অৱশ্যে খৰি হিছাপে ব্যৱহাৰ কৰিব পৰা যায়।

তৰুৱা কদম, একাছিয়া ফাৰ্ণেচিয়ানা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-মাইমোচিৰ্ইদি
(Tarua Kadam) Species—Acacia farnesiana Family—Leguminaceae Sub-Family-Mimosioidae

কাঁইট থকা বিধৰ চুটি-চাপৰ জোপোহা গছ। গা-গছ আৰু ডালবিলাকত একৰকম কাঁইট থাকে। বাকলিখন মুগা বৰণীয়া ক'লা। নতুনকৈ ওলোৱা পোখাবোৰ গছজোপাৰ তলৰফালে ওলমি থকা যেন দেখি। পাতবোৰ নিচেই সৰু সৰু আৰু অলপ দীঘলীয়া আকাৰৰ হয়। ফুলৰ বৰণ হালধীয়া আৰু প্ৰত্যেক পাহি ফুল একো একোটা বাটুলি গুটিৰ দৰে গোটা আৰু ঘূৰণীয়া আকাৰৰ হয়। ফুলপাহৰপৰা এক প্ৰকাৰৰ সুগন্ধ বাহিৰ হয়। ফুলবোৰ পূৰ্ঠ হ'লে যি ফলৰ উৎপন্ন হয় সেই ফল চিৰা চিৰাকৈ লাগে। আকাৰত এই চিৰাবিলাক অলপ গোটা বিধৰ হয়। ধনু এখনৰ দৰে অলপ বেঁকা হয়। কেঁচাতে এই ফল সেউজীয়া হৈ থকা দেখা যায়। পকিবলৈ আৰম্ভ কৰাৰ লগে লগে হালধীয়া পৰে আৰু অৱশেষত ক'লা হয়। চিৰাৰ ভিতৰত যি দুশাৰী ঘূৰণীয়া আকাৰৰ গুটি হয় সেই গুটিবিলাক বৰণত ক'লা আৰু সেইবোৰ এবিধ কোমল-আমল আৰু গুৰৰ নিচিনা ক'লা তেলেতীয়া পদাৰ্থৰ ভিতৰত সোমাই থাকে। এই পদাৰ্থ মুখত দিলে অলপ মিঠা মিঠা লাগে। তৰুৱা কদম গছজোপা দেখিলে এবিধ মৰুভূমিত উৎপন্ন হোৱা গছ যেন লাগে। আচলতে এইবিধ পূৰ্বতে আফ্ৰিকা মহাদেশীয় গছ আছিল। মানুহে ফুল হিছাপে দুই-এজোপা বাৰীত লগাই দিয়ে। গুটি ধৰা সৰু আকাৰৰ চিৰা আৰু শিপাবোৰত যথেষ্ট পৰিমাণে টেনিন নামৰ ৰসায়নিক পদাৰ্থ বিদ্যমান।

চ-গছ, আলবিজিয়া ষ্টিপুলেটা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—মাইমোচাৰ্ইদি।
(Sa-Gash) Species–Albizia stipulata Family–Leguminaceae Sub-Family—Mimosaoideae

এবিধ দীঘল দীঘল পাত ধৰা আৰু শিৰীষ গছৰ নিচিনা মজলীয়া আকাৰৰ বনৰীয়া গছ। এইবিধ গছো ছায়া প্ৰদান কৰিবৰ বাবে চাহ গছৰ মাজে মাজে নিলগা-নিলগিকৈ লগাই দিয়া হয়। শিৰীষ গছৰ দৰে ইয়াৰ শিপাবোৰেও এক প্ৰকাৰৰ নাইট্ৰোজেন ধাৰণকাৰী গ্ৰন্থি উৎপাদন কৰিব পাৰে। ইয়াৰ প্ৰভাৱত চাহ বাগানৰ মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি পায়।

গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ উপৰিভাগত বিকাশ লাভ কৰা বাকলিবোৰৰ বৰণ মদৰুৱা হয়। থোপা-থোপে বগা-চানেকীয়া ফুল ধৰে। এই ফুল পূৰ্ঠ হ'লে তাৰপৰা গুটি ধাৰণ কৰা ছেঁইৰ উৎপত্তি হয়। এইবিধ গছৰ কাঠ খৰিৰ বাবে ব্যৱহাৰ কৰাৰ বাহিৰে অন্য কামত লগাব নোৱাৰি।

শিৰীষ, আলবিজিয়া লেবেক পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-মাইমোচাৱইদি কঠিয়া কৰৈ (অসমীয়া) মৰৈ (কছাৰী) দিয়েং চহ বিন (খাছিয়া)

(Sirish) Species—Albizila lebbek Family—Leguminaceae Sub-Family—Mimosaoides

মজলীয়া আকাৰৰ গছ। এইবিধ গছ চাহ বাগানৰ ভিতৰত চাহ গছৰ মাজে মাজে লগোৱা কামত ব্যৱহাৰ কৰা হয়। প্ৰথমতে এইবিধ গছৰপৰা চাহ গছবিলাকে সামান্য পৰিমাণৰ ছাঁ পায় আৰু প্ৰখৰ ৰ'দৰ প্ৰচণ্ড উত্তাপৰপৰা ৰক্ষা পৰে। দ্বিতীয়তে এইবিধ গছৰ শিপাত এক প্ৰকাৰৰ নাইট্ৰোজেন ধাৰণ কৰিব পৰা কোষ থকাৰ বাবে গছজোপাৰ যোগেদি চাহ গছবিলাকৰ উপকাৰ সাধন হয় বুলি বিবেচনা কৰা হয়।

পাতবিলাক সৰু আৰু শাখাপাতবিলাক জোৰা জোৰাকৈ থাকে। ফুলৰ বৰণ নীলা-বগা।

এইজাতীয় গছৰপৰা যি কাঠ উৎপাদন হয়। সেই কাঠৰ মান উচ্চ বুলি কোৱা নাযায়। পলাশৰ কাঠৰ বৰণ বগা বা ধেলা হয়। ভিতৰলৈ থকা সাহৰ বৰণ ক'লা-মুগা হয়।

কৰৈ, আলবিজিয়া প্ৰচেৰা পৰিয়াল—লেগুমিনেছি। উপ-পৰিয়াল—মাইমোচাৱইদি ৰাৰলং আৰং (কাৰ্বি) কেলভি বা কেৰেওডি (গাৰো) টান্টাৰি আছিং (মিচিং) চাই-নই-ৰম্ৰি (কুকি) দিয়েং ৰি লং, দিয়েং চহ্ ক্ৰাইট্ দিয়েং চাও (খাচিয়া) কৰৈ (অসমীয়া) লাখ্ৰি (বড়ো)

(Koroi) Species—Albizzia procera Family—Leguminaceae Sub-Family—Mimosaoideae

এবিধ প্ৰকাণ্ড আকাৰৰ সৰু ফুটীয়া পাতৰ গছ। সাধাৰণতে পলসুৱা আৰু বালিঅঁহীয়া মাটিত হয়। ঠন ধৰা বিধৰ মাটিতে এইবিধ গছে গা কৰিব পাৰে। সেই বাবে আজিকালি তেনে মাটিত বাগান আকাৰে এইবিধৰ মূল্যবান গছ লগাই দি বনবিভাগে সংখ্যা বৃদ্ধিৰ ব্যৱস্থা হাতত লৈছে। বাকলিখন বৰণত মদৰুৱা আৰু দেখাত ভগা-ছিগা ধৰণৰ হয়। সৰু সৰু চেঁকুৰা কিছুমান বাকলিখন ফাটি ফাটি ওলায় আহে।

পাতৰ ঠাৰিডাল ভালেখিনি দীঘল। ফুলৰ বৰণ হালধীয়া-বগা। ফল চিৰা-চিৰে ধৰে। প্ৰত্যেকটো চিৰাৰ ভিতৰত ৬ টাৰপৰা ১০ টা পৰ্যন্ত চেপেটা চেপেটা গুটি ধৰে।

এই জাতীয় গছৰপৰা কামৰ উপযোগী মূল্যবান কাঠ পাবলৈ আশা কৰিব পাৰি। কাঠৰ সাৰ অংশ মুগাৰপৰা ক'লা-চানেকীয়া হয়। পলসখিনিৰ বৰণ বগা বা ধেলা হয়। এই কাঠৰ সাৰ অংশ নানা ধৰণৰ কামত লগোৱা যায়। পলসুৱা কাঠ কামত লগালে সোনকালে পচি যোৱা আশঙ্কা থাকে।

হিহাৰু, আলবিজিয়া অ'দৰটিছিমা উপ-পৰিয়াল-মাইমোচাৱইদি পৰিয়াল-লেগুমিনেছি হিম্বাৰু, গুবৈ (অসমীয়া) চাম কৰৈ (উত্তৰ কামৰূপ) টুৰুন্ট্ আৰং, নাব্‌লং (কাৰ্বি) খেল্‌ৰি, চিচু (গাৰো) মৰই খৰো (কছাৰী) দিয়েং চাও (খাচিয়া) হেজুই বাং ছিং (নগা)
(Siharu) Species—Albizzia odorotissima Sub-Family—Mimosaoideae Family—Leguminaceae,

ডাঙৰ আকাৰৰ গছ। খৰালিমহীয়া ইয়াৰ পাতবোৰ সৰি সৰি পৰে। বাকলিখন ছাই-বৰণীয়া কিম্বা মদৰুৱা। বাকলিৰ উপৰিভাগ মিহি নহয়। তাত দা বা কুঠাৰেৰে ঘাপ মাৰি দিলে দেখা যায় যে ভিতৰখনৰ বৰণ ৰঙা আৰু তাৰ মাজে মাজে দীঘলীয়া দীঘলীয়া বগা বৰণৰ আঁচ থকা যায়। পাতৰ গঠন যৌগিক। শাখাপাতবোৰ জোৰা জোৰাকৈ সজোৱা থাকে। ফুলবিলাকৰ বৰণ সিমান উজ্জ্বল নহয়। সেই ফুলৰপৰা অলপীয়া সুগন্ধ বাহিৰ হয়। ফল চিৰা-চিৰে ধৰে। তাৰ ভিতৰত থকা চেপেটা মাহৰ আকাৰৰ গুটিবোৰ পকিলে বতাহত উৰি উৰি গৈ ভালেখিনি দূৰতো পৰেগৈ।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ বৰ বেয়া নহয়। পলসৰ পৰিমাণ বেছি হয়। সাহৰপৰা উৎপন্ন হোৱা কাঠ বেছি দিন টিকে।

হাতী বন্ধা লতা, উপপৰিয়াল—পেপিলিওলাটি স্পাথোল'বাচ্ ৰাক্সবাৰগিয়াই কিম্বা বিউটিয়া 'পাৰভিফ্ল'ৰা পাণ লতা, হাতীবন্ধা লতা (কামৰূপ) গাবং লতা (দৰং) শালমামা (বঙালী) জেৰমৈই অথবা থেৰ-লা-ম'হ্ ডাক (খাচিয়া) মাৰি, মাউৰি, মাৰো (গাৰো) চিচিপিয়া ৰিংখং (কাৰ্বি)
(Hati Bondha Lota) Species—Spatholobus roxburghii Syn Butea par viflara Sub-Family—Papilionatae Family—Leguminaceae পৰিয়াল—লেগুমিনেছি।

এবিধ ডাঙৰ লতা। পাতবিলাক ধপলা-ধপল। লতাডাল অলপ মেৰুটা-মেৰুটি আৰু তাত দাৰে ঘাপ এটা লগালে ৰঙা গম আঠাৰ নিচিনা পানী ওলায়। যিডাল ঠাৰিৰপৰা পাত-বিলাক ওলাই আহে সেই ঠাৰিডাল নিচেই কমেও ৩-৪ ইঞ্চিমান দীঘল হ'ব। লতাডালে মাটিত বগুৱা বাই বাই যায়। সুবিধা পালে গছৰ ওপৰৰফালে ঘূৰি-পকি বগাই বগাই গৈ গছৰ আগ পায়গৈ। এইবিধ প্ৰকাণ্ড লতাই এইদৰে বেঢ়ি ধৰা গছে গা কৰিব নোৱাৰে। মেৰিয়াই মেৰিয়াই ধৰা পুলিগছত দাগ পৰিলে সেইবোৰ দাগে গছজোপাৰ ভালেখিনি অপকাৰ কৰে। তেনে গছৰপৰা নিঘুণি কাঠ পাবলৈ আশা কৰিব নোৱাৰি। শাল গছৰ ক্ষেত্ৰত এই কথা আখৰে আখৰে খাটে। সেই কাৰণে এই জাতৰ লতাই গছৰ ওপৰলৈ উঠিলে বনকৰ্মচাৰীসকলে সেইবোৰ লতা কাটি পেলাবলগীয়া হয়।

ডাঙৰ আকাৰৰ চিৰ-সেউজীয়া গছ। বাকলিৰ বৰণ মদৰুৱা আৰু এই মদৰুৱা বাকলিখনৰ ওপৰত পাতলীয়া বিধৰ দাৰে কটাৰ নিচিনা দাগৰ সিৰ থাকে। পাতবিলাক যৌগিক গঠনৰ আৰু একো একোখন পাতত ১০ জোৰাৰপৰা ২০ জোৰা পৰ্যন্ত শাখাপাত থাকে। ফুলৰ বৰণ শেঁতা ধৰণৰ হালধীয়া কিম্বা পাতলীয়া বিধৰ মাখন ৰঙৰ নিচিনা হয়। ফুল পূৰঠ হ'লে তাৰপৰা যিবিলাক ফল হয় সেইবিলাক ফলকে আমাৰ মানুহে তেঁতেলি টেঙ্গা বুলি কয়। এই ফলবোৰ চিৰা চিৰাকৈ উৎপন্ন হয়। কেঁচাই কেঁচাই এচিৰা তেঁতেলি কামোৰ মাৰি দিলে গা সিৰসিৰাই যোৱাকৈ টেঙা লাগে। পকিলে বাকলিখনৰ বাহিৰৰ চেঁকুৰাখনৰপৰা কোমল ভাগ গুটিৰে সৈতে এৰুৱাই আনিব পাৰি। এই অংশৰপৰা তৰকাৰি আৰু চাট্‌নি তৈয়াৰ কৰা হয়।

তেঁতেলি, টামাৰিন্দছ ইন্দিকা উপ-পৰিয়াল—চিজালপিনইদি পৰিয়াল—লেগুমিনেছি তেতেলী—(অসমীয়া) ইম্‌লি (হিন্দী) খেন থিৰি (গাৰো) চেনট্ৰেং (ৰাভা) থিনলান (বড়ো)
(Teteli) Species—Tamarindus indica Sub-Family—–Caesalpinoidae Family—Leguminaceae

এইবিধ গছ আলঙ্কাৰিক হিছাপে বাটৰ কাষত ৰুই দিয়া হয়। বহুতো মানুহে বাৰীত তেঁতেলি গছ নলগায়। ইয়াৰপৰা উৎপন্ন হোৱা কাঠ বিশেষ কামৰ বাবে উপযোগী বুলি গণ্য কৰিব নোৱাৰি।

লেটাগুটি, চিজালপিনিয়া ক্রিষ্টা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—চিজালপিনিৱইদি পূতিকৰঞ্জা (সংস্কৃত) চিং চন আবং (কাৰ্বি) লেটা গুটি (অসমীয়া) কৰঞ্জু (বঙালী) কাথাৰঞ্জু (হিন্দী)
(Letaguti) Species–Caesalpinia crista Family–Leguminaceae Sub-Family–Caesalpinioideae

লেতাগুটি এবিধ টান বিধৰ আৰু কাঁইট থকা জোপোহা গছ। অলপ বগুৱা বাই যাব পাৰে। গছজোপাৰ গুৰি অঞ্চলৰপৰা চাৰিওফালে ফেৰেঙনি মেলি যিবোৰ ঠাল-ঠেঙুলি হয় সেইবোৰতো কাঁইট আছে। এই কাঁইটবিলাকৰ ভিতৰত কিছুমান তেনেই সৰু আকাৰৰ হয়। বাকীবোৰ মজবুত আৰু অলপ দীঘল বিধৰ। পাতবিলাক দীঘল আৰু তাৰ তলৰফালে বৰশিৰ দৰে ঘোৰ থকা বিধৰ কাঁইট থাকে। সৰু সৰু শাখাপাতবিলাক বিপৰীতমুখী। ফুলবিলাক দেখনিয়াৰ বুলি ক'ব নোৱাৰি। যিটো চিৰাৰ ভিতৰত গুটিবিলাক হয় সেই চিৰাটোৰ বাকলিখন চুলিৰ নিচিনা পাতলীয়া কাঁইটেৰে ভৰি থাকে। গুটিবোৰ পকিলে শুকানমুৱা বাকলিৰ চিৰাটোৰে সৈতে থোপা-থোপে গছজোপাৰ ডালত ওলমি থাকে। জনা বেজ জ্ঞানীসকলে তাকে ছিঙি আনি ঔষধত লগায়হি। এইবিধ লতাৰ শিপাবোৰো ঔষধত লাগে বুলি জনা যায়।

মেদেলুৱা হনটেঙা Medelua

Cassia occidentalis, Family-Leguminaceae

মেদেলুৱা, হনটেঙা কেচিয়া অক্সিডেণ্টেলিছ পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-চিজালপিনিৱইদি (Medelua Hontenga) Species—Cassia occidentalis Family—Leguminaceae Sub-Family-Caesalpinioideae

বন মেদেলুৱাতকৈ অলপ ডাঙৰ বিধৰ এবিধ বছেৰেকীয়া বনৰীয়া উদ্ভিদ। একোজোপা পূৰঠ গছৰ উচ্চতা এক মিটাৰৰপৰা ডেৰ মিটাৰমানৰ ভিতৰত হোৱা দেখা যায়। যৌগিক গঠনৰ পাতবিলাকে আগৰফালে ক্ৰমে সৰু আকাৰ ধাৰণ কৰাকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। ঘাই গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে।

থোপা-থোপে ফুলা ফুলবোৰৰ বৰণ গুলপীয়াকৈ শেঁতা হয়। এই ফুলবোৰ পূৰঠ হ'লে উৰহিৰ নিচিনা ছেঁই ধৰে। এই ছেঁইৰ ভিতৰত ছিৰা-ছিৰকৈ ফল ধৰে। এইবিধ বনৰীয়া উদ্ভিদে উৎপাদন কৰা ফলবোৰ মানুহে ভক্ষণ কৰাৰ উপযুক্ত বুলি বিবেচনা কৰা নহয়।

হালধীয়া মেদেলুৱা, কেচিয়া গ্লৌকা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-চিজালপিনিৱইদি Yellow Medelua Species—Cassia glauca Family—Leguminaceae Sub-Family—Caesalpinioideae Yellow flowering bean (ইং)

এবিধ সৰু বা মজলীয়া আকাৰৰ জাৰকালি পাত সৰা গছ। ওখই প্ৰায় ৩.৫ বা ৪ মিটাৰতকৈ বেছি হোৱা দেখিবলৈ পোৱা

নাযায়। পাতবিলাকে সৰু আৰু ডিম্বাকৃতিৰ ৰূপ ধাৰণ কৰে। এই পাত সেউজীয়া আৰু মিহি হয়।

উৰহি, ডলিকছ লেব্‌লেব্‌ পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনাটি কুৰছি (ৰাভা) গৰছি (বড়ো) থু-থেপ (টাই-আহোম)
(Urohi) Species—Dolichos lablab Family—-Leguminaceae Sub-Family—Papilionatae Butter Bean (ইং)

তৰকাৰিৰ উপযোগী ছেঁই ধাৰণ কৰা এবিধ খেতিত লগোৱা লতা জাতীয় উদ্ভিদ। এইবিধ লতাৰ দুই-চাৰিজোপা আমাৰ মানুহে বাৰীৰ এচুকত লগাই ৰাখে। লতাবোৰ বগাবৰ বাবে হেঁদালি একোখন বনাই দিয়ে। কিছুমান লতা গছৰ ওপৰলৈও বগাই যায়।

পাতৰ আকৃতি অলপ দীঘলীয়া হয়। থোপা-থোপে ফুল ধৰে। এই ফুলৰ পাহিবোৰে বেঙুনীয়া ৰং ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেই ফলে ছিৰা বা ছেঁইৰ আকৃতি ধাৰণ কৰে। কুমলীয়া অৱস্থাত এই ছেঁইবিলাক গছৰপৰা ছিঙি আনি ভাজি কৰি ভাতৰ লগত খোৱা হয়। জুলীয়া তৰকাৰি বনায়ো খাব পাৰি। ছেঁইৰ ভিতৰত উৎপত্তি হোৱা দীঘলীয়া আৰু চেপেটা আকৃতিৰ গুটিবিলাক খোৱাৰ উপযোগী বুলি গণ্য কৰা নহয়।

উৰহিৰ বহুতো জাত থকা দেখিবলৈ পোৱা যায়। জাত অনুযায়ী ছেঁইৰ আকৃতি আৰু বৰণ বেলেগ বেলেগ হয়।

বকুল বিহ, প্ৰজাতি—দ্ৰেৰিছ ইলিপটিকা পৰিয়াল—লেগুমিনেছি বকুল বিহ, এটাম ছালি, মাকই চপা (অসমীয়া) জুলিয়া লতা (বঙালী) বাকাল বিপ (হিন্দী)
(Bakul Bih) Species—Derris elliptica Family—-Leguminaceae Derris, Toba (ইংৰাজী)

মজবুত বিধৰ ঠাৰি ধাৰণ কৰা এবিধ আৰোহী লতা। পাউডাৰ কৰি গুৰি কৰা শিপাৰপৰা এক প্ৰকাৰৰ ঔষধ তৈয়াৰ কৰা হয়।

উজনি অসমৰ বন-জঙ্ঘলবোৰত এইবিধ গছ প্ৰায়েই দেখিবলৈ পোৱা যায়।

মক্কা তেঁতেলি, এন্টোৰোলবিয়ম চাই ক্লোকাৰপম এন্টেৰোলবিয়ম্‌ চামান পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-মাইমোছাৰইদি মক্কা থিনপ্লাং (বড়ো) মক্কা তেতেলী (অসমীয়া)
(Mucca Teteli) Species—Enterolobium cyclocarpum Syn-Enterolobium samam Family—Leguminaceae Sub-Family—Mimosaoideae The Rain tree (ইং)

চাৰিওফালে ঠাল-ঠেঙুলি মেলি ছত্ৰাকাৰ আকৃতি ধাৰণ কৰা এবিধ মজলীয়া কিম্বা প্ৰকাণ্ড আকাৰৰ চালে চকুত লগা গছ। সাধাৰণতে

আলিবাটৰ কাষত বিশেষ মানুহে জিৰণি ল'বলগীয়া এইবিধ গছৰ পুলি লগাই দিয়া হয়। পূৰ্বতে এইবিধ দেখনিয়াৰ গছৰ উৎপত্তি স্থান গিয়ানা দেশ বুলি জনা যায়। আমাৰ দেশত এইবিধ গছে মক্কা-তেঁতেলি নাম কেনেকৈ পালে তাক সঠিকভাৱে জনা নাযায়। বৰ্তমানে এই বিতোপন নামটো এইবিধ গছক বুজাবলৈ সাৰ্বজনীনভাৱে ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে।

বাকলিৰ বৰণ ক'লা-চানেকীয়া হয়। পাতৰ আকৃতি অলপ দীঘল ধৰণৰ হোৱা দেখা যায়। মূল পাতৰ ঠাৰিৰপৰা দীঘল দীঘল শাখাঠাৰিৰ উৎপত্তি হয়। শাখাপাতৰ ঠাৰিবোৰৰ সংখ্যা ঠালে প্ৰতি ৫-৬ যোৰা হোৱা দেখা যায়। প্ৰত্যেকডাল শাখাপাতে তিনি যোৰাৰপৰা ছয় যোৰা শাখাপাত ধাৰণ কৰে। পাছবেলা গছজোপাৰ পাতবোৰ দুঁখিলা দুখিলাকৈ জাপ যাবলৈ আৰম্ভ কৰে।

ফুলৰ বৰণ গুলপীয়া বা ৰঙচুৱা হয়। ফুল পূৰ্ঠ হ'লে দীঘল দীঘল ছিৰা ধৰে। ছিৰাৰ ভিতৰত চেপেটা চেপেটা গুটিৰ উৎপন্ন হয়।

এইবিধ গছৰ কাঠ চনকা হয়। বৰণত ক'লা-চানেকীয়া হয়। কোনো স্থায়ী কামত ব্যৱহাৰ কৰা নহয়।

মণিপুৰী উৰহি, পাৰকিয়া ৰক্সবাৰগীয়াই পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—মাইমোচিয়ইদি ইয়ং চাক্ (মণিপুৰী) আৱেলগাপ্ (গাৰো) বাৰি ফাং (কাছাৰ) থেমুক্ আবং (কাৰ্বি) উৎকাম্ পিনছিং (নগা)

(Manipuri Urohi) Species—Parkia ruxburghii

Family—Leguminaceae Sub-Family—Mimosioideae

মজলীয়া আকাৰৰ আৰু চাৰিওফালে ঠাল-ঠেঙুলি মেলা বিধৰ গছ। এইবিধ গছত উৰহিৰ দৰে ছিৰা ছিৰা লগা বিধৰ আৰু উৰহিতকৈ আকাৰত বহুতখিনি ডাঙৰ ফল ধৰে। সেইদৰে লগা ফলৰ ছিৰাবোৰ মানুহে গছৰপৰা ছিঙি আনে আৰু তৰকাৰি কৰি খায়হি। কাছাৰ জিলা, মেঘালয় আৰু উত্তৰ কাছাৰ জিলাৰ অন্তৰ্গত থকা কোনো কোনো হাটত জনজাতীয় লোকবিলাকে এইবিধ উৰহি বিক্ৰী কৰা দেখিবলৈ পোৱা যায়। গছজোপাৰ বাকলিৰ ৰং ছাই-বৰণীয়া হয়। তাৰ মাজে মাজে অলপ বগা বৰণৰ চকৰ থকা দেখা যায়। বাকলিখনত কুঠাৰ বা দাৰে ঘাপ মাৰি দিলে দেখা যায় যে ভিতৰখন মুগা বৰণীয়া ৰঙা হয় আৰু তাৰ মাজত দীঘলপহীয়া বগা দাগ থাকে। পাতৰ গঠন যৌগিক আৰু শাখাপাতবিলাক নিচেই ওচৰা-উচৰিকৈ থাকে। ফুলৰ বৰণ হালধীয়া হয়।

এইবিধ গছৰ কাঠ কোনো কামত লগোৱাৰ বাবে উপযুক্ত বুলি ক'ব নোৱাৰি।

বগা-মেদেলুৱা, টেফ্রোচিয়া কেন্দিদা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনাটি
(Boga Medelua) Species—Tephrosia candida Family—Leguminaceae Sub-Family—Papilionatae

এবিধ সৰু আকাৰৰ নাইট্রোজেন ধাৰক ঘৰচীয়া বন। চাহ বাগিচাবিলাকত নতুনকৈ লগোৱা চাহ পুলিৰ মাজৰ ঠাইত শাৰী শাৰীকৈ এইবিধ গছৰ গুটি পচাই লগাই দিয়া হয়। শিপাত নাইট্রোজেন ধাৰণ কাৰক সৰু সৰু গ্রন্থী থকাৰ বাবে এইবিধ উদ্ভিদে মাটিখিনি ফচ্‌ফচীয়া কৰি উৰ্বৰা কৰাত সহায় কৰে। সেইবাবে নতুনকৈ পুলি ৰোপণ কৰা চাহৰ বাগানবোৰত এইবিধ সৰু আকাৰৰ জোপোহা উদ্ভিদ অপৰিহাৰ্যভাৱে লগাই দিয়া হয়। আজিকালি বনবিভাগেও নতুনকৈ সৃষ্টি কৰিবলৈ লোৱা বৃক্ষবাগানবিলাকত পুলি বা গুটি লগোৱাই লগে লগে এইবিধ উদ্ভিদ মাটি চহাই শাৰী শাৰীকৈ গুটি সিঁচি লগাই দিয়ে।

বগা মেদেলুৱাৰ ঘাই গছ আৰু শাখা-প্রশাখাবিলাকৰ ওপৰৰ বাকলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। খহটা বাকলিৰ উপৰিভাগত বগা-চানেকীয়া ফুটুকী দাগত আভাস পৰিলক্ষিত হয়। যৌগিক পাতৰ শাখাপাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। থোপা-থোপে ধৰা পুষ্পৰ বৰণ বগা হয়। এই পুষ্প পূৰঠ হ'লে দীঘল দীঘল আকৃতিৰ ছেঁইৰ উৎপত্তি হয়।

খেচাৰী মাহ বা ক'লা মাহ, লাঠিৰচ চেটিভাচ পৰিয়াল—লেগুমিনেছি খেছাৰী মাহ (অসমীয়া) খেছাৰী (বড়ো)
(Khesari Pulse) Species—Lathyrus sativus Family—Leguminaceae

বছৰে বছৰে হৈ বছৰে বছৰে মৰি যোৱা বিধৰ সৰু আকাৰৰ উদ্ভিদ। গছডালৰ ভিতৰখন ফোপোলা আৰু বাহিৰৰফালে পাখি থকাৰ নিচিনা। পাতৰ ঠাৰিডালৰ আগডোখৰ টেন্‌ড্রিললৈ ৰূপান্তৰিত হৈছে। কেতিয়াবা কেতিয়াবা টেনড্রিলৰ আগডোখৰ কাঁইটিয়া হয়। ঠাৰিৰ গুৰি অংশৰ দুয়োফালে দুটটাকৈ ওলাই অহা পাতৰ নিচিনা চেপেটা আকাৰৰ বস্তুৱে পাখিৰ ৰূপ লয়। পাতৰ দাঁতি-কাষৰত কোনো প্রকাৰৰ ওখ-চাপৰ চিনৰ আভাস নাথাকে। অন্য ভাষাত পাত মিহি কাষৰীয়া বুলি থাউকতে কৈ থ'ব পাৰি। শাখাপাতৰ সংখ্যা দুখিলা বা চাৰিখিলা। চুপহি চুঙাপহীয়া। পাহিবিলাকৰ বৰণ নীলা বা বগা-চানেকীয়াকৈ নীলা হয়। এচটা এচটা দীঘল চিৰাৰ বাকলিৰ ভিতৰত গুটি সোমাই সোমাই থাকে। গুটিবোৰ আকাৰত অলপ চেপেটা আৰু বৰণত ফুটুকা-ফুটুকি হয়।

খেচাৰী মাহ মানুহে দাইল হিছাপে ব্যৱহাৰ কৰি ভাতৰ লগত খায়।

ৰঙা মদাৰ, ইৰিথ্ৰিনা ষ্ট্ৰিক্টা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনাটি টাগাৎ আছিং (মিচিং) ফাৰছে আৰং (কাৰ্বি) বল মাদাল (গাৰো) দিয়েঙ চং ডাখাৰ (খাচিয়া) মান্দাৰ (বড়ো) মান্দাৰে (ৰাভা)
(Ronga Modar) Species—Erythrina stricta Family—Legumiaceae Sub-Family-Papilionatae Coral tree (ইংৰাজী)

মজলীয়া আকাৰৰ গছ। যেতিয়া ৰঙা বৰণীয়া ফুল ফুলি গোটেইজোপা গছ ভৰি পৰে আৰু এনে ধৰণেৰে ফুল ফুলা গছেৰে একো একোডোখৰ ঠাই বা একোখন হাবি ভৰি থাকে তেতিয়া গোটেইটো পৰিবেশ দেখিবলৈ অতিশয় মনোৰম হৈ পৰে। গছজোপাৰ বাকলিখনৰ বৰণ সেউজীয়া আৰু হালধীয়াৰ মাজতে হয়। চুটি-চাপৰ আৰু চেপেটা ধৰণৰ কাঁইটেৰে বাকলিখনৰ উপৰিভাগ ভৰি থাকে। গছজোপাৰ ওপৰৰ ফালৰ ডালবোৰত যিবোৰ কাঁইট হয় সেইবোৰ কাঁইটৰ আগভাগবোৰ একো একোটা বৰশিৰ দৰে পাক খাই ঘূৰি থকা দেখা যায়। দীঘল ঠাৰিডালৰপৰা খিলা খিলাকৈ পাতবোৰ ওলাই আছে। এই পাতবিলাকৰ আকাৰ একো একোখিলা পাণৰ আকাৰৰ নিচিনা হয়।

ৰঙা ফুলবোৰ মাটিলৈ আপোনা-আপুনি সৰি পৰিলে গছজোপাত ছিৰাছিৰি হৈ গুটিবোৰ লাগে। বতাহত উৰি উৰি শুকান বাকলিৰ ছিৰাবিলাকে গুটিবোৰ বহুত দূৰ পোৱাইগৈ। এইবিধ গছৰ কাঠ বগা আৰু কোমল বিধৰ হয়। তাকে ফালি-ছিৰি তক্তা কৰিব পাৰিলে লাপি-লুপা কামত লগাব পৰা যায়।

মাখিয়তি বা মাখিলতি, ফ্লেমিংগীয়া ষ্ট্ৰবিলিফেৰা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-পেলিলিওনাটি। মাখিয়তী বা মাখিলতী (অসমীয়া) কা-খং (খাচিয়া)
(Makhioti or Makhiloti) Species—Flemingia strobilifera Famiy—Leguminaceae Sub-Family—Papilionatae

নিচেই সৰু আকাৰৰ লেংপেঙীয়া বিধৰ জোপোহা গছ। ইয়াৰ গা-গছডাল আৰু ডালবিলাকৰ বৰণ ক'লা-চানেকীয়া হয়। ডালবিলাক আকাৰত সিৰ থকা। পাতবোৰ এখনিয়াকৈ হয়। পাতৰ আকাৰ অলপ দীঘলীয়া, আগৰফালে সূক্ষ্মকৌণীকভাবে জোঙা আৰু গুৰিৰফালে ঘূৰণীয়া হয়। বৰণত পাতৰ ওপৰৰ লুটি সেউজীয়া ধৰণৰ হয় আৰু তলৰ লুটি অলপ শেঁতা হয়। ফুলৰ বৰণ বেঙুনীয়া।

ৰঙালী বিহুৰ সময়ত এইবিধ গছৰ ডাল-পাতকেইডালমান শুকান ফলসহ অসমীয়া হিন্দু মানুহে সংগ্ৰহ কৰি আনে আৰু বিহুৰ পাছদিনা গৰু গা ধুওৱাৰ পাছত মাখিয়তীৰ ঠাৰিৰে সিহঁতক আলফুল হাতেৰে কোবায়। এনে কৰিলে গোটেই বছৰটোৰ বাবে মানুহ ঘৰৰ পোহনীয়া গৰু-ম'হবোৰ নিৰোগী হয় বুলি অসমীয়া মানুহে বিশ্বাস কৰে।

বাবুল, একেচিয়া দিয়ালবাটা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-মাইমোচিৰইদি
(Babul) Species—Acacia dealbata Family—Leguminaceae Sub-Family—Mimosaoideae

কাঁইট নথকা মজলীয়া বিধৰ তৰুৱা কদম জাতীয় গছ। ওখ আৰু আকাৰ হিছাপে এইবিধ গছ তৰুৱা কদম জাতীয় গছতকৈ বহুতখিনি ডাঙৰ হয়। কোনো কোনোৱে জনপ্ৰিয় ভাষাত এইবিধ গছক মাদ্ৰাৰ্জ থৰ্ণ বুলি কয়। এইবিধ গছৰ বাকলিখনৰ বৰণ মদৰুৱা কিম্বা মুগা-চানেকীয়া ক'লা হয়। মানুহে এইবিধ গছৰ গুটি বাৰীৰ কাষত মাটি তৈয়াৰ কৰি লৈ ঘন ঘনকৈ সিঁচি দিয়ে। ফলত পুলি গজি গছবোৰ ক্ৰমে ডাঙৰ হ'বলৈ আৰম্ভ কৰিলে একপ্ৰকাৰ জীয়া গছৰে এখন ডাঠ জেওৰাৰ সৃষ্টি হয়। জোপোহা গছৰ ডালবোৰ কলম দি দি সমান কৰি দিলে দেখাত অতিশয় বিতোপন হৈ পৰে। অতীজতে এইবিধ গছ আমাৰ অসমত নাছিল। এইবিধ আচলতে পশ্চিমীয়া ৰাজ্যবিলাকত হোৱা গছ। মৰুভূমিৰ দাঁতি-কাষৰীয়া ঠাইৰ বালিঅঁহীয়া মাটিত ই সহজে তন্তিব পৰাৰ কাৰণে এইবিধৰ গছ মৰুভূমিৰ প্ৰসাৰতা ৰোধ কৰিবৰ বাবে কাষে কাষে ৰুই দিয়া হয়।

মজ, আলবিজিয়া লুচিদা পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল—মাইমোচাৰইদি চুন্দি (কাছাৰ) মিছি, লুৱাংখই (মণিপুৰ) লাং-গিট্-আছিং (মিচিং) ইং-হুক-আৰং (কাৰ্বি)
(Moj) Species—Albizia lucida Family—Leguminaceae Sub-Family—Mimosaoideae

মজলীয়া আকাৰৰ গছ। চিৰ-সেউজীয়া যদিও বাৰিষা পাত নাইকিয়া হয়। বাকলিখনৰ উপৰিভাগ মিহি তাত অথালি-পথালিকৈ কটা বিধৰ কিছুমান দাগ থাকে। মাজে মাজে খহৰ নিচিনা সৰু সৰু দাগো থাকে। একেবাৰে ওপৰত থকা নিচেই পাতলীয়া ছালখন কটাৰি এখনেৰে কাটি এৰুৱাই দিলে তাৰ ভিতৰছোৱা সেউজীয়া দেখি। অলপ দকৈ দা এখনেৰে বাকলিত ঘাপ এটা মাৰি দিলে ভিতৰৰ ৰঙা বৰণীয়া বাকলিৰ তৰপটো ওলাই পৰে। যৌগিক গঠনৰ পাত দুপতীয়া কিম্বা কেতিয়াবা তিনিপতীয়া হয়। থোপা-থোপে ফুলা ফুলবোৰৰ বৰণ অলপ মুগা হয়। এই ফুল আকৰ্ষণীয় বুলি ক'ব নোৱাৰি। এই ফুলৰপৰা যিবোৰ ফল উৎপন্ন হয় সেই ফলবোৰে দীঘলীয়া আৰু

চেপেটা বিধৰ চিৰাৰ ৰূপ লয়। চিৰাটোৰ ভিতৰত ছটাৰপৰা আঠটা পৰ্যন্ত ঘূৰণীয়া আৰু চেপেটা বিধৰ গুটি থাকে। চ'তমহীয়া বাউলি বতাহত গুটিৰ চিৰাবোৰ উৰি উৰি গৈ বহুত দূৰত পৰেগৈ আৰু এইদৰে সৰা গুটিৰপৰা বহুতো ঠাই জিনি পৰাকৈ গছজোপাৰ পুলিবোৰ হয়। এই গছৰপৰা উত্তম বিধৰ কাঠ উৎপন্ন হ'ব বুলি আশা কৰিব নোৱাৰি।

বুটমাহ, চিচাৰ্ এৰিয়েটিনম্ পৰিয়াল—লেগুমিনেছি চানা (হিন্দী) বুট কলাই, চানা (বঙালী)

(Boot Mah) Species—Cicer arietinum Family–-Leguminaceae

নিচেই সৰু আকাৰৰ বছেৰেকীয়া বয়সৰ উদ্ভিদ। বুটমাহৰ খেতি আমাৰ অসমত সিমান ব্যাপকভাৱে কৰা নহয়। পিছে নদীৰ পাৰৰ পলসুৱা মাটিত আজিকালি কোনো কোনো মানুহে এইবিধ মাহ জাতীয় খাদ্য সামগ্ৰীৰ খেতি অলপ আহল-বহলকৈ কৰিবলৈ লৈছে। আনহাতে বুটমাহ অসমীয়া হিন্দুসকলৰ বাবে এক অপৰিহাৰ্য খাদ্য-সামগ্ৰী বুলি গণ্য কৰিব লাগিব। কিয়নো যিকোনো ধৰণৰ পূজা-পাতলত শৰাই এখনি আগবঢ়াই দেৱতাৰ নামত উছৰ্গা কৰিবলৈ হ'লে পোন প্ৰথমতে বুটমাহে পূজাৰ উপহাৰ দ্ৰব্য হিছাপে সৰ্বপ্ৰথম স্থান পায়। পিছে আমাৰ কামত লগা সৰহ পৰিমাণৰ বুটমাহ বিহাৰৰ ফালৰপৰা আমদানি হৈ আহে।

এইবিধ মাটিত বগুৱা-বাই যোৱা উদ্ভিদৰ পাতবোৰ সৰু। ফুলৰ বৰণ বেঙুনীয়াকৈ নীলা হয়। এই ফুলৰপৰা যি ফল হয় সেইবোৰৰ চিৰা হয়। বুটমাহৰ চিৰা তেনেই চুটি আৰু সৰু। প্ৰত্যেকটো চিৰাত মাত্ৰ দুটাকেহে গুটি থাকে। বুটমাহৰপৰা দাইল কৰিও খোৱা হয়।

কাউৰী কটা, প্ৰজাতি-মাইমোছা হিমালয়ানা পৰিয়াল—লেগুমিনেছি কাউৰী কটা, কাউৰী কাঁইট (অসমীয়া) মুৰেটা (হিন্দী)

(Kauri Kota) Species—Mimosa himalayana Family—Leguminaceae

নিলাজী বনৰ ফুলৰ নিচিনা গোটা আকৃতি ৰঙীন ফুল ধাৰণ কৰা এবিধ বনৰীয়া বন। ইয়াৰ ঠাল-ঠেঙুলিবোৰে ধাৰণ কৰা কাঁইটবোৰৰ আকৃতি বৰশিৰ নিচিনা হয়।

উজনি অসম আৰু কাছাৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। নগাভূমিতো আছে।

গাৰো মাহ, চয়াবিন, প্ৰজাতি—গ্লাইচিন মাক্স বিকল্পে—গ্লাইচিন চজা অৰ্থাৎ—গ্লাইচিন হিচ্‌পিদা পৰিয়াল—লেগুমিনেছি। চয়াবিন, গাৰো মাহ (অসমীয়া) গাবী কালাই (বঙালী) লবিয়া, ভাটবান, বৰগি (হিন্দী)
(Garo Mah) (Soya Bean) Species—Glycine max. Syn. Glycine soja Also–Glycine hispida Family–Leguminaceae Soya Bean (ইংৰাজী) Black Eyed Bean

এবিধ বছেৰেকীয়া আয়ুসৰ লতা জাতীয় উদ্ভিদ। চিৰাৰ ভিতৰত উৎপন্ন হোৱা মাহ জাতীয় ফচল উৎপাদনৰ বাবে ইয়াৰ খেতি শস্যৰ আকাৰে কৰা হয়। এই গুটিবোৰ তৰকাৰি বনাই খোৱা হয়।

বন ৰহৰ, ডেছমোদিয়াম চেফালেটিছ্ পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনেছি বন ৰহৰ (অসমীয়া) চাম ব্ৰাফাং (গাৰো) কাখাং স্কেই (খাচিয়া) নন-থে, চামব্ৰাফাং (কাৰ্বি)
(Bon Rahar) Species—Desmodium cephalatis Family—Leguminaceae Sub-Family—Papilionaceae

এবিধ সৰু আকাৰৰ জপ্‌জপীয়া গছক কোনো কোনো অসমীয়া মানুহে বনৰীয়া ৰহৰ দাইল বুলি কয়। আচলতে বন-লান্দু শব্দৰ অৰ্থ হ'ল বনৰীয়া ৰহৰ দাইল।

গছজোপা ওখই এক-ডেৰ মিটাৰৰ ভিতৰত হ'ব। গছডালৰ বাকলিৰ বৰণ ক'লা চানেকীয়া হয়। প্ৰত্যেকখিলা মূল পাতত তিনি খিলা তিনি খিলাকৈ শাখাপাতৰ উৎপত্তি হয়। পাতৰ ঠাৰিডাল এক ইঞ্চিমান দীঘল হয় আৰু ঠাৰিৰ গুৰিভাগত নাৱৰ নিচিনা লোৰ গঠন হয়। শাখাপাত তিনি খিলাৰ ভিতৰত যিখিলা পাত ঠাৰিডালৰ আগৰফালে থাকে সেই খিলা পাত আকাৰত বাকী দুখিলা পাততকৈ ডাঙৰ হয়। শাখা পাতকেইখিলা আকাৰত দীঘলপহীয়া আৰু ইয়াৰ দুয়োটা মূৰ সূক্ষ্মকৌণিকভাৱে সৰু হৈ যোৱা বিধৰ হয়। পাতৰ ওপৰৰ পিঠি কলপতীয়া আৰু তলৰ পিঠি অলপ খহটা হয়।

শালনিবাৰীবিলাকত এই জাতীয় জোপোহা গছৰ উৎপত্তি হোৱা দেখা যায়। গৰু-ছাগলীয়ে পাতবোৰ খায়।

মেৰমেৰী লতা, নাককাটি লেৰা, বহিনিয়া ৱেহলিয়াই পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—ছিজাপিনিৱইদি
(Mermeri Lota/Nak-kati Lewa) Species—Bauhinia vahalii Family—Leguminaceae Sub-Family—Caesapinioideae Climbing Bauhinia (ইং)

এইবিধ লতা জাতীয় বনৰীয়া উদ্ভিদক থাউকতে কাঞ্চন লতা বুলি ক'ব পাৰি। কিয়নো ইয়াৰ ধপলা-ধপল পাতবোৰৰ আকৃতি আৰু কাঞ্চন ফুলৰ গছৰ পাতৰ

আকৃতিৰ মাজত লেখতল'বলগীয়া পাৰ্থক্য দেখা নাযায়। নামনি অসমৰ মানুহে ইয়াক নাক কাটি লেৱা বুলি কয়।

লতাডাল আকাৰত প্ৰকাণ্ড হয় আৰু ইয়াৰ ঠাৰিডালৰ গঠন এনে ধৰণৰ হয় যে লতাডালৰ ভিতৰৰফালে থকা আঁহবোৰ পকোৱা-পকি হৈ গোটেই লতাডালে এটা ভগা-ছিগা ধৰণৰ ৰূপ লয়। লতাৰ ডালবোৰৰপৰা ওলাই অহা উপ-ডালবিলাকৰ গঠন কেতিয়াবা একো একোডাল হাকোটাৰ নিচিনা হৈ পৰে।

পাতবিলাকেও আকাৰ আৰু আকৃতিত ভিন ভিন্ ৰূপেৰে আত্ম-প্ৰকাশ কৰে। ফুলৰ বৰণ বগা কিম্বা মাখন বৰণীয়া হয়।

এইবিধ লতাৰপৰা একপ্ৰকাৰ পঘা বা ৰচি তৈয়াৰ কৰা হয়। পাতবিলাক কাঁহী বা থালি হিছাপে ব্যৱহাৰ কৰা হয়।

মৰৈ কেচিয়া, নদছা পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল-চিজালপিনিৱইদি

(Moroi) Species—Cassia nodosa Family—Leguminaceae, Sub-Family—Caesalpinioideae

এবিধ মজলীয়া আকাৰৰ গছ। গুলপীয়া বৰণৰ ধুনীয়া ধুনীয়া ফুল ফুলাৰ বাবে এইবিধ গছকো মানুহে আদৰ কৰি আলি-পদূলিৰ কাষত আৰু ৰাজহুৱা অনুষ্ঠানবিলাকৰ চৌহদত লগাই দিয়ে। বাকলিখনৰ বৰণ মদৰুৱা অথবা ক'লা ধৰণৰ মুগা হয়। পাতৰ গঠন-প্ৰণালী যৌগিক হয় আৰু সৰু আকাৰৰ সূক্ষ্মপাতবিলাক ঠাৰিডালৰ দুয়োফালে বিপৰীতমুখীভাৱে সজোৱা থাকে। এই জাতীয় গছৰ ফুলবোৰ থোপা-থোপে ফুলে আৰু এইদৰে থোপা-থোপে ফুলা গুলপীয়া বৰণৰ ফুলবোৰে গছজোপাক নিলগৰপৰা শুৱনি কৰি ৰাখে।

মচুৰ মাহ, লেন্চ এস্কোলেন্টা পৰিয়াল—লেগুমিনেছি। মুছুৰ (বড়ো)

(Masur Mah) Species—Lens esculenta Family—Leguminaceae

নিচেই সৰু আকাৰৰ এবিধ মাটিত থিয় হৈ গজা বিধৰ উদ্ভিদ। গছডাল লেটু-সেটু আৰু চুটি চুটি নোম থকা। সৰু সৰু পাতবোৰ জোৱা জোৱা হয়। ফুলৰ বৰণ নীলা বা বেঙুনীয়া। গুটিবিলাক চিৰা চিৰাকৈ লাগে। এটা চিৰাৰ বাকলিৰ ভিতৰত মচুৰ মাহৰ গুটিবিলাকৰ উৎপন্ন হয়। এই গুটিবিলাকৰ বৰণ হালধীয়াকৈ ৰঙচুৱা আৰু মাজে মাজে সমানে ভাগ হৈ দুফাল হৈ থকা বিধৰ। ইয়াকে আমি মচুৰ দাইল বুলি কওঁ আৰু তাক চৰুত সিজাই তেল সম্ভাৰ মাৰি তৰকাৰি কৰোঁ আৰু ভাতৰ লগত খাওঁ।

মচুৰ মাহৰ খেতি আমাৰ অসমত কৰা নহয়। বিহাৰৰ ফালৰপৰা এইবিধৰ খাদ্য সামগ্ৰী আমাৰ ইয়ালৈ আমদানি কৰি অনা হয়।

লতা পলাশ, ব্যটিয়া চুপাৰবা পৰিয়াল লেগুমিনেছি। লতা পলাশ বা পলাশ লতা (অসমীয়া) পলাশ লতা (বঙালী) পলাশ লাতা (হিন্দী)

(Lota Palash) Species—Butea superba Family—Leguminaceae Climbing Palash (ইংৰাজী)

এবিধ কঠিন ঠাৰি থকা পলাশ জাতীয় গছত বগোৰা লতা। পাতৰ আকৃতি পলাশ গছৰ পাতৰ নিচিনা হয়। বাকলিৰপৰা কাপোৰত ৰং বোলোৱা ৰস উলিয়াব পাৰি। পোক-পৰুৱাই কামোৰিলে ইয়াৰ পাতৰপৰা উলিওৱা ৰস লগাই দিলে নিৰাময় লাভ কৰিব পাৰি।

গোৱালপাৰা, কোকৰাঝাৰ, কামৰূপ, নগাঁও আদি জিলাৰ বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

উৰছি, প্ৰজাতি—ডেচ্‌মোদিয়াম্ পালচেলাম্ পৰিয়াল-লেগুমিনেছি উৰছি (অসমীয়া) জাতাচালপান (বঙালী) সালপা (হিন্দী) জাতাসালপান (সংস্কৃত)

(Urchi) Species—Desmodium pulchellum Family-Leguminaceae

এবিধ নিচেই সৰুবিধৰ বনৰীয়া উদ্ভিদ। এইবিধ উদ্ভিদৰ পাত বিছনাৰ তলত পেলাই থকা উকহ নাহে বুলি জনা যায়।

অসম আৰু বৰাক উপত্যকাৰ বহুতো বন জঙ্ঘলত ইয়াক দেখিবলৈ পোৱা যায়।

বান্দৰ কেঁকোৱা, (প্ৰকাৰ) প্ৰজাতি—মুকুনা প্ৰোৰিটা বিকল্পে মুকুনা প্ৰোৰিএন্‌ছ পৰিয়াল—লেগুমিনেছি বান্দৰ কেঁকোৱা (অসমীয়া) আলকুছা, আকলছি (বঙালী) আলকুছি (হিন্দী)

(Bandar Kekuwa) Species—Mukuna prurita Syn Mukuna pruriens Family—Leguminaceae Horse eye bean (ইংৰাজী)

এবিধ কঠিন ঠাৰি ধাৰণ কৰা আৰোহি লতা জাতীয় উদ্ভিদ। উৰহিৰ নিচিনা দীঘল আকৃতিৰ চিৰা ধাৰণ কৰে। এই চিৰাবোৰৰ উপৰিভাগ বিষাক্ত শুঙেৰে আবৃত হৈ থাকে। কেনেবাকৈ এই শুং গাৰ ছালত লাগিলে ৰমৰম কৈ পুৰি খজুৱাবলৈ আৰম্ভ কৰে। এই খজুৱতি-পুৰণিৰ দ্বাৰা আক্ৰান্ত হোৱা মানুহজন পৰিত্ৰাণ পাবলৈ কেবাটাও দিনৰ প্ৰয়োজন হয়।

অসমৰ বহুতো বনভূমিত এইবিধ বিষাক্ত উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়।

এবিধ মজবুত ঠাৰি ধাৰণ কৰা আৰোহী লতা। পাউদাৰ কৰি গুৰি কৰা শিপাবোৰ খেতিৰ মাটিত থকা কীট-পতংগ ধ্বংস কৰা কামত ব্যৱহাৰ কৰা হয়।

বকুল বিহ, এটামচালি প্ৰজাতি—ডেৰিছ ইলিপ্‌টিকা পৰিয়াল—লেগুমিনেছি। বকুল বিহ, এটামচালি, মাকৈ চম্পা (অসমীয়া) জুনিয়া লতা (বঙালী) বাকাল বিপ (হিন্দী) (Bokul Bih, Etam Chali) Species—Derris eliptica Family—Leguminaceae Derris, Toba (ইংৰাজী)

ঘুলিত মাছ মৰা ঔষধৰূপে এই পদাৰ্থ ব্যৱহাৰ কৰা হয়। আনহাতে কোনো কোনো মানুহে তামোলৰ সলনি এইবিধ গছৰ বাকলি ছালিৰ দৰে ব্যৱহাৰ কৰে।

উজনি অসমত থকা বনাঞ্চলবোৰত এইবিধ গছৰ উৎপত্তি পৰিদৃষ্ট হয়।

কঠীয়া কৰৈ, প্ৰজাতি-ডেৰিছ ৰ'বাষ্টা পৰিয়াল—লেগুমিনেছি কঠীয়া কৰৈ, মৌ সিতা, হিকুৰা (অসমীয়া) (Kathia Koroi) Species—Derris robusta Family—Leguminaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। বহুতো চাহ বাগিচাৰ পৰিচালক সৰু চাহগছত ছাঁ প্ৰদান আংশিক-ভাৱে কৰিবলৈ এই জাতৰ গছো মাজে মাজে ৰোপণ কৰা দেখা যায়। কাঠৰ মান মধ্যমীয়া। অলপ মুগা বৰণৰ এই কাঠ ঘৰৰ খুঁটা, চকি লগোৱা আৰু সাধাৰণ পৰ্যায়ৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়। পাতবোৰ গৰু-ছাগলীৰ উত্তম খাদ্য।

খুক্‌ৰো, গাৰো খুকৰো, প্ৰজাতি—ট্ৰাইকেলিচিছ চিংগুলাৰিছ পৰিয়াল—লেগুমিনেছি খুকৰো, গাৰো খুকৰো (অসমীয়া) (Khokru Garo Khokro) Species—Tricalysis Syngularis Family—Leguminaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। কাঠৰ মান সিমান উচ্চ পৰ্যায়ক নহ'লে ঘৰৰ খুঁটা লগোৱা আৰু চকি, মেজ আদি তৈয়াৰ কৰা কামত এই কাঠ লগাব পাৰি।

অসম মেঘালয়ৰ সীমান্ত অঞ্চলত অৱস্থিত হাবি-বননিত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

কটাৰি ডবুৱা মাহ, প্ৰজাতি—ফেচিঅ'লছ লুনাটছ পৰিয়াল—লেগুমিনেছি কটাৰী ডবুৱা মাহ (অসমীয়া) বন বৰ্বাটি (বঙালী) লবিয়া (হিন্দী) (Kotari Dobua Mah) Species—Phaseolus lunatus Family—Leguminaceae Lima bean, Sieve bean (ইংৰাজী)

এবিধ বহুবৰ্ষীয়া আয়ুসৰ গছ-গছনিত বগোৱা আৰোহি লতা জাতীয় উদ্ভিদ। ঠাল-ঠেঙুলিবোৰৰ পাবে পাবে থোকা-থোকে উৰহিৰ নিচিনা ফল ধৰা

চিৰাৰ উৎপত্তি হয়। মটৰ মাহৰ নিচিনা এই গুটিবোৰ চোবাই খাবলৈ ভাল লাগে। ভাজি বা তৰকাৰি বনায়ো খাব পাৰি।

বহুতো মানুহে এইবিধ উদ্ভিদ বাৰীত লগাই ৰাখে।

ৰঙা কাঞ্চন, প্ৰজাতি—বহিনিয়া পুৰপুৰিয়া পৰিয়াল—লেগুমিনেছি কুৰিয়াল বা ৰঙা কাঞ্চন (অসমীয়া) ৰক্ত কাঞ্চন, দেব কাঞ্চন (বঙালী) খাইৰবাল, লাল কাঞ্চন (হিন্দী)
(Ronga Kanchan) Species—Bauhinia purpurea Family—Leguminaceae Pink Bauhinia (ইংৰাজী)

এবিধ মজলীয়া আকাৰৰ ৰঙা বৰণৰ ফুল ধাৰণ কৰা কাঞ্চন বা বুৰিয়াল ফৈদৰ উদ্ভিদ। গছজোপাৰ বাকলি কাপোৰত ৰং দিয়া কামত ব্যৱহাৰ কৰা হয়। হাবি-বননিত বনৰীয়া হিছাপে ইয়াক পোৱা যায়। বহুতো মানুহে আলংকাৰিক উদ্ভিদৰূপে ইয়াক বাৰীত লগায়।

বৰ বিয়নী সাবটা, ডেছ্‌মোদিয়াম ক'দেটম্ বিকল্পে ডেছ্‌মোদিয়াম লাবুৰিফলিয়ম্ পৰিয়াল—লেগুমিনেছি বৰ বিয়নী সাবটা (অসমীয়া) ভোটেৰচিৰা (বঙালী)
(Borbioni Sabota) Species—Desmodium caudatum Syn-Desmodium laburifolium Family—Leguminaceae

এবিধ মজলীয়া উচ্চতাৰ পৰ্ণপাতী উদ্ভিদ। অসমৰ প্ৰায় সকলো বনাঞ্চলত কম-বেছি পৰিমাণে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

জৰ লেৱা, ডেছ্‌মছ্ লংগিফ্লোৰছ্ বিকল্পে ইউনোনা লংগিফ্লোৰা পৰিয়াল—লেগুমিনেছি জৰ লেৱা (অসমীয়া)
(Jor lewa) Species–Desmos longiflorus Syn-Unona longiflora Family—Leguminaceae

এবিধ সৰু আকাৰৰ মাটিত বগোৱা উদ্ভিদ। খৰি হিছাপে ব্যৱহাৰ কৰাৰ এইবিধ উদ্ভিদ কোনো বিশেষ কামত লগোৱা দেখা নাযায়।

অসম আৰু বৰাক উপত্যকাৰ কিছুমান ঠাইত ইয়াক দেখিবলৈ পোৱা যায়।

গছ বিয়নী সাবটা, ডেছ্‌মোডিয়ম্ লেবাৰ্নিফল্টিয়াম্ বিকল্পে ডেছ্‌মোডিয়ম্ লেটিফলিয়ম প্ৰজাতি পৰিয়াল—লেগুমিনেছি গছ বিয়নী, সাবটা, বৰ বিয়নী সাবটা ভুতেৰ চিৰা (বঙালী)
(Goch Biyoni Sabota) Species—Desmodium laburnifoltium Syn-Desmodium latifolium Family—Leguminaceae

এবিধ ওখ ধৰণৰ জোপোহা গছ। চাৰিওফালে বিয়পি ডাল-পাত উৎপত্তি হোৱা এবিধ গছ। খৰি হিছাপে সময়ত

কেতিয়াবা ব্যৱহাৰ কৰাৰ বাহিৰে ইয়াক বিশেষ কোনো কামত ব্যৱহাৰ কৰা দেখা নাযায়।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো ঠাইতে ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

বকুৰা বিহ, প্ৰজাতি—মিলেটিয়া পেচিকাৰ্পা পৰিয়াল—লেগুমিনেছি বকুৰা বিহ (অসমীয়া) হলছি (অসমীয়া) (Bakura Bih) Species—Milletia pachycarpa Family—Leguminaceae Fish poison tree (ইংৰাজী)

এবিধ বছেৰেকীয়া বা দ্বিবাৰ্ষিক আয়ুসধাৰী কঠিন ঠাৰিবাহী লতা সদৃশ আৰোহী উদ্ভিদ। অপকাৰী কীট-পতংগ মৰা কামত ইয়াৰ পাতৰ ৰস ব্যৱহাৰ কৰা হয়। বহুতো আইনবিৰোধী মানুহে এইবিধ উদ্ভিদৰ বিহ নদী, বিল আদিৰ ডোবাত ঢালি মাছ নিধন কৰে।

যোৰহাট, গোলাঘাট, নগাঁও, কাৰ্বি আংলং আদি জিলাৰ অন্তৰ্গত অৱস্থিত বনভূমিবোৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

বিলখনি, কেচিয়া টোৰা পৰিয়াল—লেগুমিনেছি বল মেদেলুৱা (অসমীয়া) Bilokhoni Species—Cassia Tora Family—Leguminaceae

এবিধ সৰু আকাৰৰ বছেৰেকীয়াকৈ বিকাশ লাভ কৰা বনৰীয়া উদ্ভিদ। ওখই বনগছজোপা আধা মিটাৰমান হ'ব। লেহুকা বিধৰ মূলগছ আৰু ঠাল-ঠেঙুলিবোৰৰ বৰণ মদৰুৱা হয় যদিও কুঁহিপাতৰ তলত বিকশিত হোৱা ডালৰ কুমলীয়া অংশবোৰে সেউজীয়া ৰূপ ধাৰণ কৰে। সেউজীয়া যৌগিক গাঠনিৰ পাতবোৰে ধনুভিৰীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। তলৰ পিঠিতকৈ পাতবোৰৰ ওপৰৰফালে থকা পিঠি অধিক সেউজীয়া হয়। ডালৰ আগভাগত শেঁতা বৰণীয়া ফুলবোৰ থোপা-থোপে ফুলে।

পুষ্পবোৰ পূৰঠ হ'লে কালক্ৰমত যি ফলৰ উৎপত্তি হয় সেই ফলে উৰহিৰ নিচিনাকৈ ছেই ধৰি বিকাশ লাভ কৰে। গোটা আকাৰৰ ছেইবোৰৰ ভিতৰত মটৰ মাহৰ আকৃতিৰ ফল ধৰে। এই ফল খোৱাৰ উপযুক্ত নহয়।

ৰঙা সোণাৰু, প্ৰজাতি কেছিয়া মাৰ্জিনাটা পৰিয়াল—লেগুমিনেছি ৰঙা সোণাৰু, বিলাতী সোণাৰু (অসমীয়া) লাল সুন্দালি (বঙালী) (Ronga Sonaru) Species—Cassia marginata Family—Leguminaceae Red Indian Laburnum (ইংৰাজী)

ৰঙচুৱা বৰণৰ বিতোপন ফুল ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ গছ। আলিবাটৰ কাষে কাষে অথবা মটৰ গাড়ী অহা-যোৱা কৰা পথৰ ডিভাইদাৰত শাৰী

শাৰীকৈ লগাই দিলে ধুনীয়া ৰূপ ধাৰণ কৰে।

লাতুমণি, এব্ৰাচ্ প্ৰিকেটৰিয়াচ পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনাটি। লাতুমণি বা লাতুৰ মণি (অসমীয়া) (Latumoni) Species—Abrus precatorius Family—Leguminaceae Sub-Family—Papilionaceae

মজলীয়া বিধৰ গছ কিম্বা জোপোহা গছৰ ওপৰলৈ মেৰিয়াই মেৰিয়াই বগাই যাব পৰা বিধৰ এবিধ সৰুফুটীয়া লতা। সাধাৰণতে কোনোবা গছত বগাই থাকিলেও এইবিধ লতাক সহজে চিনি উলিয়াব নোৱাৰি। কিন্তু যেতিয়া ইয়াৰ মটৰ মাহৰ ছিৰাৰ নিচিনা বাকলিৰ ভিতৰত ডাঙৰ হোৱা গুটিবোৰ পকি লতাডালৰ ঠায়ে ঠায়ে ওলমি থাকে তেতিয়াহে সেইবিধৰ লতা সেই ঠাইত আছে বুলি গম পোৱা যায়। গুটিবোৰ টল্‌টল্‌কৈ ৰঙা হৈ সেউজীয়া পাতৰ মাজত লুকাই থাকিলেও সেইবোৰক নিলগৰপৰা জিলিকি থকা অৱস্থাত দেখিবলৈ পোৱা যায়। লতাডালৰ পাতবোৰো আকাৰত তেনেই সৰু আৰু একেডাল মূল পাতৰ ঠাৰিৰপৰা বহুতো শাখাপাত ওলাই আছে। ফুলবিলাকৰ বৰণ ৰঙা কিম্বা ৰঙচুৱা ধৰণৰ বগা হয়। ফুল থোপা-থোপে লাগে। গুটি ধৰা দীঘলীয়া ছিৰাবিলাকত চাৰিটাৰপৰা পাঁচটালৈ বুটমাহ এটাৰ সমান চেপেটা বিধৰ গুটি হয়। ইয়াকে মানুহে লাতুৰমণি গুটি বুলি কয়। গুটিটোৰ সৰহ অংশ টিক টিকৈ ৰঙা হয়। কেতিয়াবা বগাও হয়। সামান্য অংশ অতিপাত ক'লা।

এইবিধ লতাৰ শিপা, পাত আৰু গুটি ঔষধত লাগে বুলি জনা যায়। সোণাৰিবিলাকে ৰতিৰ ওজন জুখিবলৈ লাতুৰমণি গুটি ব্যৱহাৰ কৰে।

বান্দৰ কেঁকোৱা, (প্ৰকাৰ) ডাইচ'লবিয়াম গ্ৰাণ্ডে পৰিয়াল—লেগুমিনেছি উপ-পৰিয়াল—পেপিলিওনেটি। বান্দৰ কেকোৱা (প্ৰকাৰ) অসমীয়া (Bandar Kekua) Species—Dysolobium grande Family—Leguminaceae Sub-Family-Papilionatae

বান্দৰ কেঁকোৱা এবিধ ডাঙৰ আকাৰৰ আৰু মোটা বিধৰ লতা। লতাডালৰ ঠাল-ঠেঙুলিবিলাকত পাতলীয়া বিধৰ শুং থাকে। পাতৰ ঠাৰিডাল দীঘল আৰু প্ৰত্যেক খিলা যৌগিক পাত তিনি পতীয়াকৈ বিভক্ত। পাতৰ উপৰ লুটি সেউজীয়া আৰু নিমজ আৰু তলৰ লুটি তুলনামূলকভাৱে শেঁতা হয়। আগৰফালে জোঙা আৰু গুৰিৰফালে ঘূৰণীয়া হয়।

যিডাল ঠাৰিত গছজোপাই ফুল ধাৰণ কৰে সেইডাল ঠাৰিৰ দৈৰ্ঘ্য প্ৰায় আধা মিটাৰমান হ'ব। ফলবোৰ আকাৰত একো একোটা দীঘল দীঘল ছিৰা হয়। প্ৰত্যেক

চিৰা ৮-১০ টা পৰ্যন্ত গুটি থাকে। চিৰাবিলাকৰ ওপৰভাগত অসংখ্য শুং থাকে। এই শুংবিলাক মানুহৰ গাত লাগিলে খজুৰাবলৈ ধৰে।

ৰঙা পলাশ, প্ৰজাতি—বুটিয়া ফ্ৰন্দ'ছা বিকল্পে বুটিয়া মলোস্পাৰ্মা পৰিয়াল—লেগুমিনেছি। ৰঙা পলাশ (অসমীয়া) লাল পলাশ, ধাক (বঙালী) ধাক, পলাশ (হিন্দী) (Ronga Polash) Species—Butea frondosa Syn- B.molosperma Family—Leguminaceae Flame of the forests (ইংৰাজী)

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতি গছ। জাৰকালি ফুল ফুলাৰ সময়ত ৰঙা বৰণৰ আকৰ্ষণীয় ফুলবোৰ অপূৰ্ব সুন্দৰ ৰূপ ধাৰণ কৰে। এই ফুলবোৰৰপৰা প্ৰস্তুত কৰা ৰং কাপোৰ-কানিত ৰহন দিয়া কামত ব্যৱহাৰ কৰা হয়। ইংৰাজী ভাষাত এইবিধ গছক জঙ্ঘলৰ জুই অৰ্থাৎ Flame of the forests বুলি অভিহিত কৰা হয়। অসমৰ প্ৰায় সকলোবিলাক জিলাতে এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

ঘিলা লতা, এণ্টাডা স্কেনডেন্স পৰিয়াল-লেগুমিনেছি উপ-পৰিয়াল-মাইমোচিয়ইদিছ ঘিলা (অসমীয়া) ঘিলাৰ লত (অসমীয়া-কাছাৰ) টুই, চুৰেবুছু, চুৰী (গাৰো) হাম্‌বি-আৰিকং (কাৰ্বি) (Ghila Lota) Species—Entada scandens Family—Leguminaceae Sub-Family—Mimosioidese

টান বিধৰ গছৰ ওপৰলৈ বগাই যাব পৰা বিধৰ লতা জাতীয় উদ্ভিদ। লতাডালৰ গঠন চুঁকীয়া-চুকি আৰু আঁহবিলাক পাক খোৱা বিধৰ হয়। বাকলিখন ছাই-বৰণীয়াকৈ মুগা কিম্বা ক'লা-চানেকীয়া। বাকলিখনৰ উপৰিভাগ শুকানমুৱা হৈ থাকে। দা এখনেৰে ঘাপ এটা মাৰি যদি ভিতৰৰ জীয়াই থকা কোমল অংশ বাহিৰ কৰি দিয়া যায় তেতিয়া দেখিবলৈ পোৱা যাব যে বাকলিৰ ভিতৰখনৰ বৰণ ৰঙা। পাতৰ গঠন যৌগিক আৰু দুযোৰাৰপৰা আৰম্ভ কৰি চাৰিযোৰালৈ শাখাপাত হয়। ফুলৰ বৰণ শেঁতাকৈ হালধীয়া আৰু এই ফুলৰপৰা এক প্ৰকাৰৰ সুগন্ধ বাহিৰ হয়। এইবিধ লতাৰ ভিতৰত গুটি ধৰা যিবিলাক ছিৰা হয় সেইবিলাক আকাৰত অন্যান্য সকলো জাতীয় এনে ধৰণৰ গছ বা লতাৰ ছিৰাতকৈ ডাঙৰ হয়। সেই কাৰণে ঘিলাৰ গুটি থকা ছিৰাটোক সাধাৰণতে "থাপ" বুলি কোৱা হয়। ঘিলাৰ গুটি মূৰ ধুবৰ বাবে চাবোনৰ সলনি আগতে আমাৰ মানুহে ব্যৱহাৰ কৰিছিল। এইদৰে চাবোনৰ সলনি ব্যৱহাৰ কৰিবৰ বাবে ঘিলা গুটিৰ বাকলি গুচাই ভিতৰৰ শাহখিনি বাটি লোৱা হয়।

অসমৰ প্ৰায় সকলোবিলাক ঠাইতে ঐ টেঙা গছ কম-বেছি পৰিমাণে দেখিবলৈ

ঔ টেঙা, ডেলিনিয়া ইন্দিকা পৰিয়াল—ডেলিনিয়েছি চেল্‌টা (বঙালী) ঠাইগৰ্ (বড়ো) পাম্‌ঠে (ৰাভা) অৰাঁও (তিৱা) মাক্-ছান্ (টাই-আহোম) ঔ-টেঙা (অসমীয়া)
Oue Tenga, Chatta Tenga Species—Dillenia indica Family—Dilleniaceae

পোৱা যায়। ই এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। সাধাৰণতে দ-চানেকীয়া ঠাইবিলাকত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। এনে পৰিবেশত কেতিয়াবা বহুসংখ্যক ঔ টেঙা গছে অন্যান্য জাতীয় গছৰ সহযোগত একেডোখৰ ঠাইতে সৰহীয়াকৈ বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়।

গছজোপাৰ বাকলিখনে মুগা-চানেকীয়া কিম্বা ৰঙচুৱা বৰণ ধাৰণ কৰা দেখা যায়। বাকলিৰ উপৰিভাগৰপৰা পাতলীয়া পাতলীয়া বিধৰ নিকৰি ওলাই অহা দেখা যায়। ইয়াৰ পাতবিলাক দীঘলীয়াকৈ ধপলা-ধপল হয়। পাতৰ উপৰিভাগ অলপ খহটা আৰু এই পাতত বিকাশ লাভ কৰি থকা সিৰ-উপ-সিৰবিলাক দেখা যায়। পাতৰ দাঁতিত কৰতৰ দাঁতৰ নিচিনা খাঁজ কটা দাগ থাকে।

ঔ টেঙাৰ পুষ্পগুচ্ছই একোটা বলৰ নিচিনা গোটা আকৃতি ধাৰণ কৰে। বেটু বা চুপহিবিলাক ডাঠ আৰু মঙহাল হয়। এইবিলাক বখলিয়াই তৰকাৰিত থেতেলিয়াই পেলাই দিলে টেঙা আঞ্জাখন খাবলৈ মজা লাগে। অম্বল কৰিবও পাৰি। পুংকেশৰ আৰু গৰ্ভকেশৰ বিজলীয়া হয়।

বাঁজী ঔ, ডেলিনিয়া স্কাব্রেলা পৰিয়াল ডেলিনিয়েছি বাঁজী ঔ (অসমীয়া)
Baji Owe Species—Dillenia Scabrella Family—Delleniaceae

ঔ গছৰ নিচিনা পাত ধাৰণ কৰা এবিধ আওকাঠী বনৰীয়া গছ। ইয়াৰ আগৰ প্ৰবন্ধত বৰ্ণনা আগবঢ়োৱা “অক্সি” নামৰ বনৰীয়া গছৰ লগত বাঁজী ঔ গছৰ আকৃতি কম-বেছি পৰিমাণে মিলি যোৱা দেখিবলৈ পোৱা যায়। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিৰ উপৰিভাগে মুগা বৰণ ধাৰণ কৰে। তদুপৰি বাকলিখনে মিহি নহৈ খলা-বমা হোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। দা এখনেৰে বাকলিত ঘাপ এটা মাৰি দিলে ভিতৰখন ৰঙচুৱা দেখি। তাত মুগা বৰণীয়া আঁচৰ শাৰী শাৰী সাঁচ কিছুমানে বিকাশ লাভ কৰি থকা দেখিবলৈ পোৱা যায়। বাকলিখনত ঘা লগাই কটাৰ অলপ সময়ৰ পাছতে ৰঙচুৱা আঁচবোৰ লাহে লাহে ক'লা পৰিবলৈ ধৰে। পাতবোৰ ঔ টেঙা গছৰ পাতৰ দৰে মাজভাগ অলপ বহল আৰু দুয়োমুৰ ঠেক হয়। আগৰফালে ক্ৰমে চিঁয়া হৈ যায়। পাতৰ দাঁতিত কৰতৰ নিচিনা দাগৰ উৎপত্তি হয়।

খৰালিমহীয়া গছজোপাৰ আটাইবোৰ পাত একেলগে সৰিলে গছজোপা নঙঠা

হয়। বসন্তৰ লগে লগে নতুন পাত ওলায়। পাতৰ কুঁহিয়ে পাহ মেলাৰ অলপ আগতে ফুল ধৰে। সৰু সৰু ফুলবোৰে ঔ টেঙাৰ ফুলৰ আকৃতি ধাৰণ কৰে। কাৰ্বি আংলং জিলাৰ বনাঞ্চল কিছুমানত আৰু গোলাঘাট, নগাঁৱৰ, সীমামূৰীয়া ঠাইত থকা বনভূমিবিলাকতো ইয়াৰ আৱিৰ্ভাৱ পৰিলক্ষিত হয়।

অক্সি ডেলিনিয়া, পেন্টাগাইনা পৰিয়াল—ডেলিনিয়েছি
অক্সি (বড়ো) অক্সি, বাঁজী ঔ (অসমীয়া)
(Oxi) Species—Delinia pentagyna Family—Dilleniaceae

অক্সি এবিধ মজলীয়া আকাৰৰ আৰু ধপলা-ধপল পাতৰ বনৰীয়া গছ। সাধাৰণতে নামনি অসমৰ শালনি হাবিবিলাকত মধ্যন্তৰৰ উদ্ভিদ হিছাঁপে সেৰেঙা সেৰেঙকৈ ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ঘাঁহ জাতীয় ওখ ওখ উদ্ভিদেৰে পৰিপূৰ্ণ মুকলিমূৰীয়া হাবি-বননিবিলাকেও এইবিধ বৃক্ষৰ বাবে অনুকূল পৰিবেশৰ যোগান ধৰা দেখিবলৈ পোৱা যায়।

ইয়াৰ গা-গছডালক বেছি ওপৰলৈ পোলোঙা হৈ বিকশিত হোৱা দেখা নাযায়। কম উচ্চতাৰপৰা দুই-চাৰিটা ডালৰ উৎপত্তি হোৱাৰ বাবে দীঘল আকাৰৰ কুণ্ডা ছেঁও দিবলৈ পোৱা নাযায়। বাকলিখনে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিখন কোমল আৰু পাতল-চানেকীয়া হয়। বাকলিৰ ভিতৰত থকা পলস আৰু শাহৰ বৰণ বগা-চানেকীয়া হয়। খৰালিমহীয়া গছজোপাৰ পাতবোৰ একে-সময়তে সৰি সৰি পৰিলে শেষান্তৰত গছজোপা লঠঙা হৈ পৰে। ঔ টেঙাৰ নিচিনা সৰু আকাৰৰ ফুলবোৰে বগা-চানেকীয়া বৰণ পৰিধান কৰে।

উন্নত পৰ্যায়ৰ নোহোৱাৰ বাবে ইয়াৰ কাঠ কোনো ধৰণৰ নিৰ্মাণ কাৰ্যত লগাব নোৱাৰি। প্লাইউদ হিছাপে ফালিলে তক্তাখনৰ উপৰিভাগত ক'লা ক'লা দাগৰ চেকা বিৰিঙি ওলায়।

ঔ লতা, ডেলিনা চাৰমেণ্টোছা পৰিয়াল—ডেলিনেছি।
চম্ফট ৰিখাং (কাৰ্বি) ঔ লতা, ঔৱা লতা, পানী লেৰা (অসমীয়া)
(Owe Lota) Species—Delina sermentosa Family—Dellinaceae

এবিধ চিৰ-সেউজীয়া বনৰীয়া লতা জাতীয় উদ্ভিদ। লতাডালে ৰঙচুৱাকৈ মুগা বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিখনে দীঘলীয়া দীঘলীয়াকৈ ফাটি-ছিটি থকাৰ আকৃতি প্ৰদৰ্শন কৰে। ঔ টেঙা গছৰ পাতৰ নিচিনা দীঘল দীঘল পাতবোৰ গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে চিয়া হৈ জোঙা হৈ পৰাৰ আকৃতি ধাৰণ কৰে। পাতৰ উপৰিভাগৰ দুয়ো লুটি খহটা-চানেকীয়া হয়।

মাটিত সৰি পৰাৰ পাছতো পাতবোৰ সেউজীয়া হৈ থকা দেখা যায়।

থোপা-থোপে ধৰা ফুলবোৰৰ বৰণ বগা হয়। লতাডাল দাৰে ঘাপ মাৰি কাটিলে কটা ঠাইৰপৰা পানী ওলায়।



তিতা ফুল Tita Phul

Phlogocanthus thyrsiflorus

তিতাফল এবিধ বনৌষধি উদ্ভিদ। আহিন-কাতিত ফুল ফুলে। ফুলবোৰ তৰকাৰি বনাই খোৱা হয়।

তিতা ফুল, ফ্লোগোকাণ্ঠছ থিৰ্ছিফ্লোৰাছ পৰিয়াল—একানথেছি ৰাম্ভা আৰং (কাৰবি) এলট (আছিক) তিতা-বাহক বা তিতা ফুল (অসমীয়া) চা-লুং-নিং (টাই-আহোম)
(Tita Phul) Species—Phlogocanthus thirsiflorus Family—Acantheceae

অসমৰ বনাঞ্চলবিলাকৰ কোনো কোনো এলেকাত একেলগে সৰহীয়াকৈ উৎপন্ন হোৱা এবিধ দীঘল দীঘল ঠাৰি ধাৰণ কৰা জোপোহা গছ। গছডালৰ ঠাৰিবিলাকে লেহুকা আৰু চনকা আকৃতি ধাৰণ কৰে। কুমলীয়া ঠালবিলাকে কোণীয়া-কোণি আকৃতি প্ৰদৰ্শন কৰে। পাতবিলাকে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। এই পাতৰ এক অৰ্দ্ধাংশ দ্বিতীয় অৰ্দ্ধাংশৰ তুলনাত কেতিয়াবা কেতিয়াবা সামান্যভাৱে ডাঙৰ হোৱা দেখা যায়। পাতৰ ওপৰ পিঠিৰ সেউজীয়া ৰং তলৰ পিঠিৰ ৰঙতকৈ অধিক সেউজীয়া হোৱা দেখা যায়।

ফুল থোপা-থোপে ফুলে। এই ফুলৰ বৰণ ৰঙচুৱা বা গভীৰ ৰঙা হয়। কোমল চানেকীয়া ফলৰ ভিতৰত চেপেটা চেপেটা গুটি ধৰে। তিতা ফুলবোৰ ৰ'দত শুকুৱাই খাৰ বনাই খোৱা হয়। খুদ-চাউলৰ লগত মিহলাই তৈয়াৰ কৰা এই খাৰ তিতিকি তিতিকি হ'লেও খাই ভাল লাগে।

পেতাৰি ছেৱা, প্ৰজাতি—এক্‌টিনোডাফনে এংগোষ্টিফলিয়া বিকল্প—এক্‌টিনোডাফনে অ'ৱভাটা পৰিয়াল-লৰেছি পেটাৰি ছেৱা, পাটি সোন্দা, পাজি সুতা (অসমীয়া) কিনটম (বঙালী) কিনটন (হিন্দী) **(Petari Sewa) Species—Actinodaphne angustifolia Syn-Actinodaphne xobovata Family–Lauraceae**

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। ইয়াৰ মধ্যবিত্ত পৰ্যায়ৰ কাষ্ঠ সাধাৰণ প্ৰকাৰৰ চকি, মেজ আদি লাগতিয়াল সামগ্ৰী তৈয়াৰ কৰা কামত লগোৱা হয়।

উজনি অসমৰ প্ৰায়বিলাক সংৰক্ষিত বনাঞ্চলত ইয়াক দেখিবলৈ পোৱা যায়।

আমলখি, পৰিয়াল—ইউফৰবিয়েছি এডলা (বঙ্গালী) আমলখি (অসমীয়া) আমলহি (বড়ো) অম্বালৰি, আমব্ৰাউ (ৰাভা) (Amlakhi) Species—Emblica Syn-Phyllanthus emblica Family—Euphorbiaceae Myrobalan (English)

মজলীয়া আকাৰৰ গছ। খৰালি সময় আহি পালে গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি নাইকিয়া হয়।

পাতবিলাক সৰু আৰু ছিৰিলি ছিৰিলি। গা-গছৰ বাকলিৰ বৰণ মদৰুৱা হয়। বাকলিখনৰ ওপৰভাগৰপৰা পাতলীয়াকৈ ছাল এৰাই এৰাই যায়। দা বা কুঠাৰেৰে বাকলিখনত ঘাপ মাৰি দিলে দেখিবলৈ পোৱা যাব যে বাকলিৰ ভিতৰভাগ অলপ ৰঙচুৱা আৰু ছালৰ ওচৰৰ ভাগ অলপ কলপতীয়া দেখা যায়। পাতবোৰ আকাৰত নিচেই সৰু। ওপৰ পিঠিতকৈ তলৰ পিঠিৰ বৰণ অলপ শেঁতা হয়।

ফুলৰ বৰণ হালধীয়া। একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প এই দুয়োবিধ ফুল হয়। ফল মঙহাল হয় আৰু বাকলিখন কেঁচা অৱস্থাত সেউজীয়া হৈ থাকে। আমলখিৰ ফল মানুহে খায় আৰু ঔষধত ব্যৱহাৰ কৰে। ভোমোৰা, শিলিখা আৰু আমলখি—এই তিনি বিধ ফলক ত্ৰিফলা নামেৰে জনা যায়। আমলখি গছ কেতিয়াবা মানুহে বাৰীত লগায়। হাবিৰ মাজত বহুতো গছ বনৰীয়া অৱস্থাত ঠাই অনুযায়ী পোৱা যায়। ৰাস্তা-পদূলিৰ কাষত গছ লগাওঁতে কেতিয়াবা এইবিধ গছেও স্থান পায়।

ভেলকৰ, ট্ৰিউইয়া নিউদিফ্ল'ৰা পৰিয়াল—ইউফৰবিয়েছি থেংকিজয় আবং (কাৰ্বি) বল্ দিক্ দাক বল বধৰ (আছিক) দিয়েং-চহ-লিংদত (খাচিয়া) টাইলাডু (বড়ো) (Bhelkar) Species—Treuea Nudiflora Family–Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ গছ। খৰালি-মহীয়াৰ সময়খিনি আহি পালে গোটেই গছজোপাৰ আটাইবোৰ পাত একেটা

সময়তে সৰি সৰি গছজোপা উদং হৈ পৰে। গছজোপাৰ গা-গছৰ বাকলিখন নিলগৰপৰা চালে মিহি যেন দেখি। বাকলিৰ বৰণ অলপ মুগা আৰু তাৰ উপৰিভাগত সামান্য ধৰণৰ দীঘলীয়া দীঘলীয়া আঁচ থাকে। ভিতৰফাল দা এখনেৰে কাটি চালে দেখা যায় যে বৰণত বাকলিৰ ভিতৰৰফালে থকা আঁহবোৰ অলপ ৰঙচুৱা। পাতবিলাকৰ গঠন-প্ৰণালী বিপৰীতমুখী। দীঘলীয়া পাতৰ আগফাল জোঙা আৰু গুৰিৰফালে লাহে লাহে বাহিৰৰপৰা ঠাৰিডালৰ ফাললৈ ঘূৰ খাই আহি লগ লগা বিধৰ। পাতৰ কিনাৰত কোনো ধৰণৰ খাঁজ কটাৰ চিহ্ন নাথাকে। পাতৰ বৰণ কলপতীয়া; উপৰিভাগ মিহি আৰু তলৰ ফাল অলপ খহটাকৈ নিমজ।

ফুল থোপা-থোপে ফুলে। বৰণত এই ফুলবোৰ হালধীয়াকৈ সেউজীয়া হয়। ফলবোৰ টান হয়। বৰণত সেউজীয়া। সোপা-সোপে সৰি গছজোপাৰ তলখন ভৰি থাকে। পানীৰ কাষত থকা গছৰ ফলবোৰ বানপানীয়ে উটুৱাই নি ইয়াৰ দ্বাৰা এইবিধ গছে প্ৰসাৰতা লাভ কৰে।

এইজাতীয় গছৰ কাঠ বগা আৰু কোমল হয়। জুইশলা বনোৱা কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

এলোমিনিয়ম প্লেন্ট, পাইলিয়া কেডিৰি পৰিয়াল—আৰটিকেছি
Aluminium Plant Species—Pilea cadieri Family—Urticaceae

মাটিৰ গামলা অথবা অন্যান্য কোনো পদাৰ্থৰে নিৰ্মিত বাচনত আলংকাৰিক উদ্ভিদৰূপে আলফুলকৈ ৰোপণ কৰা এবিধ বিদেশী গছ। ইয়াৰ উৎপত্তিস্থান আনন আৰু ভিয়েটনাম দেশ বুলি জনা যায়। ভাৰতবৰ্ষলৈ ইয়াৰ সঁচ কেতিয়া অনা হৈছিল তাক সঠিকভাৱে জনা নাযায়। গ্ৰীক ভাষা Pileas শব্দৰপৰা এইবিধ উদ্ভিদৰ বৈজ্ঞানিক নামৰ উৎপত্তি হৈছে বুলি জনা যায়। গ্ৰীক ভাষাত Pileas শব্দই স্ত্ৰীপুষ্পৰ অস্বাভাৱিক গঠনক বুজোৱা হয়।

বছেৰেকীয়া অথবা দ্বি-বাৰ্ষিক আনতৰ আকৰ্ষণীয় উদ্ভিদ হিছাপে ই উদ্ভিদপ্ৰিয় ব্যক্তিসকলৰ সমাদৰ লাভ কৰি আহিছে।

নগা হাবি, নাগিনী পাট, চেতাৰিয়া পামিফলিয়া পানিকম প্লিকেটম পৰিয়াল—গ্ৰামিনি নগা হাবি, নাগিনী পাট (অসমীয়া) বাচপাত্তি (বঙালী) বাহাপাটীয়া (হিন্দী)
Nogahabi, Nagini Pat Species—Setaria palmifolia Syn-Panicum plicatum Family—Gramineae

দীঘল আকাৰৰ আৰু অলপ বহল বিধৰ পাত ধাৰণ কৰা এবিধ ঘাঁহজাতীয় বনৰীয়া বন। বাঁহ-কাঠেৰে নিৰ্মাণ কৰা

ঘৰৰ চালত খেৰ হিছাপে ব্যৱহাৰ কৰা হয়।

অসম আৰু বৰাক উপত্যকাৰ বনভূমিবিলাকত পোৱা যায়।

কানা, সৰ্বজয়া, পাৰিজাত, কানা ইন্দিকা কানা অৰিয়েণ্টেলিছ পৰিয়াল—কানছি সংস্কৃত ঃ দেবাকিলি, সৰ্বজয়া বঙালী-সৰ্বজয়া, হিন্দী-সভিজয়ো, ইংৰাজী-ইন্দিয়ান চট্ Cana Cana, Indian shot : Cana indica Syn Cana orientalis Family—Canaceae

এবিধ সৰু আকাৰ দীঘলপতীয়া আলংকাৰিক উদ্ভিদ। ফুলনিবাৰীত বা উদ্যানৰ কাষত পালেঙৰ আকাৰে শাৰী শাৰীকৈ লগাই ৰাখিলে ফুল ধৰাৰ সময়ত অনুপম সৌন্দৰ্যৰ পোহৰ পৰিদৃষ্ট হয়। ফুলৰ বৰণ আৰু গঠন-প্ৰণালীৰ ৰীতি অনুযায়ী ইয়াক কেবাটাও প্ৰজাতিত ভাগ কৰা হৈছে। তাৰ ভিতৰত তলত উল্লেখ কৰা প্ৰজাতিকেইটাৰ নাম বিশেষভাৱে উল্লেখনীয়।

যেনে ঃ ১। হালধীয়া ফুল ধৰা বিধ C. Flava

২। ৰঙা ফুল ধৰা বিধ C.nepalensis

৩। গোলাপী ফুল ফুলাবিধ C.Speciosa ইত্যাদি ইত্যাদি।

শুকলতি, প্ৰজাতি—পেৰিলা অচিমইডিছ। বিকল্পে পেৰিলা ফ্ৰুটেচেঞ্চ পৰিয়াল—লেবিয়েটি শুকলতি (অসমীয়া) শুকলতি (বঙালী) ভান জিৰা (হিন্দী) (Sukloti) Species—Perilla ocimoides Syn perilla fruitescens Family—Labiatae Perilla, Yegoma (ইংৰাজী)

সুগন্ধি পাত, কুঁহিপাত আৰু পুষ্পকুঞ্জ ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ গছ। তৰকাৰি সুগন্ধি কৰিবৰ বাবে এইবিধ গছে ধাৰণ কৰা ফুল-পাত সংমিশ্ৰণ কৰি দিয়া হয়। তদুপৰি পাতে হজমী শক্তি বঢ়াব পাৰে।

উজনি অসমৰ বনাঞ্চলবোৰত ইয়াক ঠায়ে ঠায়ে প্ৰত্যক্ষ কৰা হয়।

ভীমৰাজ লতা, প্ৰজাতি—ওৱেদেলিয়া কেলেন্দুলাচিয়া পৰিয়াল—কম্পজিটি ঃ এষ্টেৰাছি ভীমৰাজ (অসমীয়া) ভাংগ্ৰা, কেচাৰাজা, ভ্ৰিংগি (বঙালী) ভাংগ্ৰা, ভাওৰা (হিন্দী) Bhimraj Lota climber Species—Wedelia calendulacea Family—Compositae : Asteraceae

আলু সদৃশ গোটা শিপা ধাৰণ কৰা এবিধ অলপ কঠিন বিধৰ ঠাৰি ধাৰণ কৰা আৰোহী লতা। অনিয়মিত সময়ত চুলি পকিলে বা সৰিলে এইবিধ উদ্ভিদ ফলৰ ৰস ঘঁহিব লাগে বুলি বহুতে ভাবে।

উজনি অসমৰ বনাঞ্চলবোৰত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়।

মজলীয়া আকাৰৰ গছ। খৰালিমহীয়া গছজোপাৰ আটাইবোৰ পাত একেলগে

গমাৰি, মেলাইনা আৰবৰিয়া পৰিয়াল ভাৰ্বিনেছি বল্ গিপক্ (গাৰো) ফাং আৰং (কাৰ্বি) গাময়েৰ (কাছাৰ) গামবাৰী (মেচ) দিয়েং লপ্‌হিয়াং (খাচিয়া) গাম্‌বাৰী (বড়ো) গামব্ৰে পাণ (ৰাভা) (Gomari) Species—melina arborea Family—Verbinaceae

সৰি নাইকিয়া হয়। গা-গছৰ বাকলিৰ বৰণ ছাইৰ নিচিনা অথবা মুগা হয়। বাকলিৰ ওপৰত ঠায়ে ঠায়ে খহুৰ নিচিনা চিন থাকে। কোনো কোনো ঠাইৰপৰা বাকলিৰ ছাল পাতলীয়াভাৱে এৰাই আহিলে তেনে ধৰণেৰে বাকলি এৰাই অহা ঠাইবোৰত অলপ দ-চানেকীয়া চিন থাকি আহে। বাকলি কাটিলে ভিতৰখন কলপতীয়াকৈ বগা দেখা যায়।

পাতবিলাক ধপলা-ধপল্। ফুলৰ বৰণ মুগা আৰু হালধীয়া বৰণৰ মাজতে হয়। এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠ অলপ হালধীয়া ধৰণৰ বগা হয়। এই কাঠক অতি উত্তম বিধৰ কাঠ বুলি গণ্য কৰা হয়। চকি, মেজ আদি আৱশ্যকীয় সা-সৰঞ্জাম তৈয়াৰ কৰা হয় আৰু দুৱাৰ-খিৰিকি আদিও বনোৱা হয়।

কলহী গছ, নেপেন্থিছ খাছিয়ানা পৰিয়াল—নেপেন্থেছি। অসমীয়া—কলহী গছ, বঙালী—কল্চী গছ, ইংৰাজী—ডেমন (Kolsi) Pitcher Plant Pitcher Plant—Nepenthes Khasiana Family—Nepenthaceae

এবিধ অলপ কোমল ধৰণৰ ঠানি ধাৰণ কৰা অলপ বগাই যোৱা বিধৰ লতা। ইয়াৰ পাতকেইখিলা অলপ বহল আৰু বহু পৰিমাণে দীঘল-চানেকীয়া হয়। পাতৰ আগভাগত এটা টেকেলিৰ নিচিনা মোনাৰ উৎপত্তি হয়। এই মোনাটোৰ ওপৰৰফালে থকা বহল মুখখনত এখন ঢাকনিৰ নিচিনা আৱৰণ থাকে। মোনাৰ ভিতৰৰ তলিত কিছু পৰিমাণে বিষাক্ত ৰসৰ উৎপত্তি হয়। কোনো পতংগ ইয়াৰ ভিতৰত সোমাই পৰিলে তাৰ মৃত্যু অনিবাৰ্য। গছজোপাই তেতিয়া পতংগৰ ৰস শুহি শুহি খাই জীৱন ধাৰণ কৰে।

ই এটা প্ৰকৃতিৰ অনুপম সৃষ্টি। উদাহৰণ বিৰল। মেঘালয়ৰ কেৱল গাৰো পাহাৰৰ বাঘ মৰা অঞ্চলতহে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

গছ কলমৌ, আইপোমিয়া কৰ্ণিয়া পৰিয়াল—কন্‌ভলভিউলেছি (Gach Kolmow) Species—Ipomaea cornea Family—Convulvulaceae

লেহুকা-লেহুকী ঠানি ধাৰণ কৰা এবিধ কল্মৌ জাতীয় বনৰীয়া উদ্ভিদ। সাধাৰণতে পানীত তল যোৱা দ-চানেকীয়া ঠাইত এইবিধ উদ্ভিদে বিকাশ লাভ কৰে। এবাৰ এঠাইত উৎপত্তি হ'লে ই লাহে লাহে পোখা মেলি একোডোখৰ বিৰাট এলেকাত

ঠাহ খাই পৰাকৈ বিয়পি পৰে। দাৰে হাবিখন এবাৰ জুৰি পেলালেও শিপাৰপৰা পোখাৰ উৎপন্ন হৈ পুনৰ লহপহকৈ বাঢ়ি আহে।

কুমলীয়া ঠানিবিলাকে সেউজীয়া বৰণ ধাৰণ কৰে। লেংলেঙীয়াকৈ বাঢ়ি অহা ঠানিবোৰৰপৰা অলপ নিলগে নিলগে পাতৰ ঠাৰি ধৰে। প্ৰত্যেক ঠাৰিয়ে একোখিলাকৈ দীঘলীয়া পাত ধৰে। পাতৰ গুৰিভাগ বহল আৰু আগৰভাগ ক্ৰমে চিয়া হয়। মূল সিৰাৰপৰা দুয়োকাষে সমান্তৰালভাৱে বিকাশ লাভ কৰা উপ-সিৰাবিলাকে পাতবোৰ তলৰ লুটিত জিলিকি থাকে।

মতা ভোমলতি, চিম্প্লোকচ স্পাইকেটা ষ্টাইৰেচি
ভোম্লতি, ভোমবাতি, ৰথা, কথা, ভোৰামণি, ভৈৰা, ভোমোৰা, মতা ভোম্লতি ইত্যাদি (অসমীয়া)
(Mota Bhumloti) Species—Symplocos spicata Styraceae

এবিধ সৰু আকাৰৰ বনৰীয়া গছ। অসমৰ প্ৰায়বিলাক বনাঞ্চল আৰু অন্যান্য হাবি-বননিত কম-বেছি পৰিমাণে এইবিধ গছ দেখিবলৈ পোৱা যায়। বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰে আৰু বাকলিৰ ঠিক তলৰ তৰপত সামান্য সেউজীয়া বৰণ বিকশিত হোৱাৰ আভাস পৰিলক্ষিত হয়। বাকলিৰ ভিতৰৰফালে থকা কোমল অংশই মাখন-বৰণীয়া বা সামান্যভাৱে মুগা-চানেকীয়া বৰণ প্ৰদৰ্শন কৰে। তাত ফুট ফুটীয়া দাগৰ উৎপত্তি হয়।

পাতবোৰৰ আকৃতিয়ে গাইগুটীয়াভাৱে ভিন্ ভিন্ ৰূপ ধাৰণ কৰা দেখা যায়। কোনো খিলা পাতৰ আকৃতি যাঠিৰ ৰূপ প্ৰদৰ্শন কৰে। আনবিলাকে আকৌ ডিম্বাকৃতি কিম্বা আগৰফালে বহল হোৱাৰ আকৃতি ধাৰণ কৰে।

ফুলৰ পাহিয়ে মাখন-বৰণীয়া কিম্বা অলপ হালধীয়া বৰণ পৰিধান কৰে। একেডাল ঠাৰিয়ে ছত্ৰাকাৰে কেবাপাহো ফুল বহন কৰে। ফুলবোৰ অলপ সুগন্ধি হয়। অলপ দীঘলীয়া আকৃতিৰ মগুহাল ফলবোৰৰ উপৰিভাগ কৰ্দৈসিৰীয়া হয়। কোনো কোনো লোকে এই ফলবোৰৰ মালা গাঁঠি ডিঙিত পিন্ধে।

মিৰ টেঙা, বাবচেৰা চিৰেটা পৰিয়াল—বুৰচিৰেছি
কিছিয়ান্থৰ-আবং, কিছেজাংথৰ (কাৰ্বি), দিয়েং-চহমিৰ (খাচিয়া) তিৰক্ৰিং (গাৰো), হেংলা (কছাৰী)
(Mir-Tenga) Species—Bursera Serrata Family—Bur seraceae

এবিধ মজলীয়া আকাৰৰ গছ। এইবিধ গছৰ বাকলি পাতলীয়া ধৰণৰ ছাই-বৰণীয়া হয়। বাকলিখন চেঁকুৰা চেঁকুৰা হৈ ফাটি ফাটি থাকে। দা বা কটাৰি এখন লৈ বাকলিখন যদি ঘৈয়াই দিয়া হয়

তেতিয়া ভিতৰফাল দেখিবলৈ ৰঙচুৱা হয়। খন্তেক পাছতেই এই ৰঙছোৱা বৰণ পৰিৱৰ্তন হৈ মুগা বৰণীয়া ৰঙা হৈ পৰে। পাতবিলাক অলপ দীঘলপহীয়া আৰু ঠাৰিডালৰপৰা পাতকেইখিলা দুয়োফালৰপৰা ক্ৰমে এখনীয়া এখনীয়াকৈ সজোৱা থাকে। শাখাপাতৰ সংখ্যা পাঁচৰপৰা দহ-এঘাৰখিলা পৰ্যন্ত হয়। পাতবোৰ মিহি কাষৰীয়া আৰু হাঁহ-কণীৰ দৰে দীঘলীয়া, ফুলবোৰ আকাৰত তেনেই সৰু।

এইবিধ গছ নগাঁও, কামৰূপ, গোৱালপাৰা আৰু কাছাৰ জিলাত সাধাৰণতে দেখিবলৈ পোৱা যায়। ইয়াৰ ফল মানুহে খায়। এই গছৰপৰা উৎপন্ন হোৱা কাঠ কিবা-কিবি লাগতিয়াল সৰঞ্জাম তৈয়াৰ কৰা কামতো লগাবি পাৰি।

গ্লক্সিনিয়া, ছিনিঙিগয়া স্পেচিওছা পৰিয়াল—গেচ্‌নেৰিয়েছি গ্লক্সিনিয়া (আন্তৰ্জাতিক) (Gloxinia) Species—Sinningia speciosa Family—Gesneriaceae

এবিধ ডাঠ-চানেকীয়া আৰু কোমল বিধৰ ডিম্বাকৃতি পাত ধাৰণ কৰা বিজাতীয় উদ্ভিদ। মাটিৰ চৰু বা গামলাত সাৰুৱা মাটি ভৰাই ইয়াৰ পুলি লগোৱা হয়। মূল ঠাৰিডালৰ গুৰিত উৎপন্ন হোৱা শিপা-গুচ্ছৰপৰা নতুন পোখাৰ উৎপত্তি হয় আৰু এই পোখা আলফুলকৈ উঠাই নি অন্য গাম্‌লাত লগোৱা হয়।

পাতবিলাকে বগা-চানেকীয়া বৰণ ধাৰণ কৰে। এই পাতৰ উপৰিভাগত চিলাপখৰা দাগৰ আভাস পৰিলক্ষিত হয়। ফুলৰ আকৃতি চুঙাপহীয়া হয়। ৰঙচুৱা আৰু তললৈ ওলমি থকা ফুলবোৰে বিতোপন ৰূপ ধাৰণ কৰে।

ডায়েন্থাছ, ডায়েন্থছ বাৰবেটছ পৰিয়াল—কেৰিওফাইলেছি চুইট উইলিয়ম, ডায়েন্থছ (আন্তৰ্জাতিক নাম) (Dianthus) (Sweet William) Species—Dienthus barbatus Family—Caryophyllaceae

সৰু সৰু আকাৰৰ আন এবিধ ঋতুজাত ফুল জাতীয় বিজাতীয় উদ্ভিদ। নাৰ্ছাৰি বা অন্যান্য গুটি ব্যৱসায়ী দোকানৰপৰা গুটি ক্ৰয় কৰি আনি ইয়াক ফুলনিবাৰী কিম্বা উদ্যানত লগাব পাৰি। দীঘলীয়া বা ঘূৰণীয়া আকাৰৰ ভেটি নিৰ্মাণ কৰি অলপ ঘন ঘনভাৱে সৰহীয়াকৈ পুলিবোৰ ৰোপণ কৰিলে সুফল পাব পাৰি।

সেউজীয়া পাতবোৰে এক প্ৰকাৰৰ আঙুলিপহীয়া আকৃতি ধাৰণ কৰে। বিভিন্ন বৰণৰ ফুল ধৰে আৰু এই ফুলৰ ৰংচঙীয়া পাহিবোৰে ফুলকটা আকৃতি ধাৰণ কৰে।

এবিধ ক্ষুদ্ৰ আকাৰৰ বিতোপন ফুল ধাৰণ কৰা উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান মধ্য আফ্ৰিকাৰ বনভূমিবিলাক বুলি জনা যায়। আজিকালি পৃথিৱীৰ যি কোনো দেশত এই

আফ্রিকান ভায়োলেট্, চেইণ্টপলিয়া আয়োনাথা পৰিয়াল—গেছ্‌নেৰেছি
(African Violet) Species—Saintpaulia ionantha Family—Gesneraceae

জাতীয় ফুল দেখিবলৈ পোৱা যায়। সাধাৰণতে মাটিৰ গামলাত ইয়াৰ পুলি ৰোপণ কৰা হয়। পাতৰপৰা পুলি গছে। শ্বিলঙৰ নিচিনা শীত প্ৰধান ঠাইবিলাকে ইয়াৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰে। ফুলৰ বৰণ গভীৰ নীলা হয়। জাত অনুযায়ী গাইগুটীয়াভাৱে বিভিন্ন গছে ভিন্ ভিন্ বৰণৰ ফুল বহন কৰা দেখিবলৈ পোৱা যায়।

পাতবিলাক টুবুকা-টুবুক হয়। এই পাতৰ উপৰিভাগত চুটি চুটি আৰু কোমল বিধৰ নোমে বিকাশ লাভ কৰে। পাতৰ ঠাৰিয়ে দীঘলীয়া আকৃতি প্ৰদৰ্শন কৰে। এই ঠাৰিবোৰতো চুটি চুটি নোমৰ উদ্ভৱ হয়। অসমৰ ভৈয়াম অঞ্চলতো কোনো কোনো চৌখিন মানুহে এইবিধ ফুল লগায়।

জংলী ভাং, কানাবিছ চেতাইভা পৰিয়াল—কানাবিনেছি
(Wild Bhang) Species—Cannabis sativa Family—Canabinaceae

এবিধ সৰু আকাৰৰ বনৰীয়া গছ। যি ঠাইত এইবিধৰ গছ উৎপন্ন হয় সেই ঠাইখন এই গছে ঢাকি ৰাখে। বছৰি উৎপন্ন হৈ হৈ বছৰি মৰি নাইকিয়া হয়। পাতবোৰ ছিৰিলি ছিৰিলি হোৱাৰ উপৰিও হাতৰ আঙুলিবোৰৰ দৰে দুয়োফালে পাহমেলা হয়। এই পাতৰ দুখিলামান হাতেৰে ছিঙি আনি মোহাৰ মাৰি দিলে তাৰপৰা এক প্ৰকাৰৰ গোন্ধ বাহিৰ হয়। জঙঘলী ভাং গছৰ ফুল আৰু কুমলীয়া পাত ছিঙি আনি ৰ'দত শুকুৱাই লৈ তাৰপৰা গাঞ্জা তৈয়াৰ কৰি চিলিমত ভৰাই খাব পাৰি বুলি বহুতৰ মুখত শুনিবলৈ পোৱা যায়।

আচলতে এই জাতীয় উদ্ভিদৰ ধাৰাবাহিক খেতি কৰি তাৰপৰা ভাং বা গাঞ্জা তৈয়াৰ কৰা হয় কাঠমাণ্ডুৰ ফালৰ কোনো কোনো ঠাইত। ভাঙৰ পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধৰা গছবোৰ বেলেগ বেলেগ হয়। ভাং উৎপাদন কৰিবৰ বাবে স্ত্ৰী-জাতীয় পুষ্প বহন কৰা গছবিলাকক আলফুলকৈ পালন কৰা হয়। এই গছৰপৰাই গাঞ্জাৰ উৎপাদন হয়। সেই গাঞ্জা অন্যান্য ঠাইলৈ ৰপ্তানি কৰা হয়।

ভাঙৰ চিলিমত বহুতো মানুহে হোপা এটা মাৰি আৰাম পায়। শিৱৰাত্ৰীত ভাঙৰ ঘোঁটা খোৱা মানুহৰ কেতিয়াবা বেছিকৈ নিচা ধৰিলে দুৰ্গতি হয়।

এবিধ ফুলজাতীয় বিদেশী উদ্ভিদ। ফুলনিবাৰীৰ সাৰুৱা মাটিত দীঘল আকাৰৰ ভেটি নিৰ্মাণ কৰি এইবিধ ঋতুগত ফুল গছৰ পুলি শাৰী শাৰীকৈ লগাই দিয়া হয়।

এন্টিৰিনাম, এন্টিৰিনাম মেজচ্ পৰিয়াল—স্ক্ৰ'ফুলেৰিয়েছি
(Antirhinum) Species—Antirhinum majos
Family—Scrophulariaceae

সাধাৰণতে শীতকালত ইয়াৰ গুটি পালেঙত বা কাঠেৰে নিৰ্মিত বাকচত পচোৱা হয়। পুলিবোৰ দুপতীয়া হ'লে পালেঙৰপৰা আলফুলকৈ উঠাই নি ফুলৰ ভেটিত লগোৱা হয়। ঘৰৰ চৌহদত পৰিপাটিকৈ ৰখা ঘাঁহনিৰ মান বা পথাৰত এইবিধ ধুনীয়া পুষ্প ধাৰণ কৰা ফুলৰ পুলি শাৰী শাৰীকৈ লগাই দিলে সময়ত গোটেইবোৰ ফুল গছ ধুনীয়া ধুনীয়া ফুলেৰে উপচি পৰে।

এইবিধ ঋতুগত (Season Flower) বছেৰেকীয়া ফুল জাতীয় উদ্ভিদৰ ঠাৰিবোৰে কোমল বিধৰ আৰু অলপ ঠৰঙা ধৰণৰ মূল ঠাৰি আৰু ঠাল-ঠেঙুলি ধাৰণ কৰে। জাত অনুযায়ী গাইগুটীয়া ফুলগছবোৰে ভিন্ ভিন্ বৰণৰ ফুল ধৰে। কিছুমান গছে ৰঙা, কিছুমানে গুলপীয়া, কিছুমানে হালধীয়া আৰু আন কিছুমানে কজলা বৰণৰ ফুল ধাৰণ কৰে।

মেকাহি, ফিবি পেনিকুলেটা পৰিয়াল—ল'ৰেছি
(Mekahi) Species–Phoebe paniculata Family–Lauraceae

মেকাহি গছ আকাৰত ডাঙৰ আৰু ওখ হয়। গা-গছৰ বাকলিৰ বৰণ ক'লা চানেকীয়াকৈ ছাই-বৰণীয়া হয়। বাকলিৰ উপৰিভাগ ফাটি-ছিটি থকা ধৰণৰ হয়। বাকলিখনত যদি দা বা কুঠাৰেৰে কাটি ঘা লগাই দিয়া হয় তেতিয়া দেখিবলৈ পোৱা যাব যে এই বাকলিৰ ভিতৰফালৰ আঁহবিলাকৰ বৰণ মাখনৰ নিচিনা কোমলমতীয়া। কিছুসময়ৰ পাছত অৱশ্যে এই ৰঙৰ সলনি হৈ মুগা-বৰণীয়া হ'বলৈ আৰম্ভ কৰে।

মেকাহি গছৰ পাতবোৰ অলপ দীঘল-চানেকীয়া। আগৰফালে জোঙা আৰু গুৰিৰফালে ঘূৰণীয়া হয়। এইবিধ গছৰ ফুলবিলাক দেখনিয়াৰ বুলি ক'ব নোৱাৰি। তথাপি এই জাতীয় গছৰপৰা ওলোৱা কাঠ মানুহে নানা কামত ব্যৱহাৰ কৰিব পাৰে।

ফ্লক্স, ফ্লক্স পেনিকুলেটা পলিমনিয়েছি পৰিয়াল।
ফ্লক্স (আন্তৰ্জাতিক নাম)
(Phlox) Species—Phlox Paniculata Family—Polemoniaceae

গুটি ব্যৱসায়ী লোকৰ পৰা পোনপটীয়াভাৱে পেকেটত গুটি কিনি আনি কিম্বা নাৰ্ছাৰিৰপৰা মগাই আনি এইবিধ মনোৰম ফুল ধৰা ঋতুজাত পুষ্প থোপাৰ আকাৰে সৰহীয়াকৈ লগোৱা হয়। দীঘলীয়া বা গোল আকাৰৰ ভেটি নিৰ্মাণ কৰি প্ৰায় ছয় ইঞ্চিমান অন্তৰে অন্তৰে শাৰী শাৰীকৈ পুলি লগাই দিলে সময়ত সুফল পাব পাৰি।

বিভিন্ন ফুলৰ গছে বেলেগ বৰণৰ ফুল গাইগুটীয়াভাৱে বহন কৰে। ফুলৰ পাহিবোৰে একৰকমৰ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। একোডাল ঠাৰি কেবাপাহো ফুল ধাৰণ কৰি থোপাৰ আকাৰে বিকশিত হয়। এটা এটা সময়ত আটাইবোৰ ফুলগছে অসংখ্য ফুলৰ পোহাৰ মেলি অনুপম সৌন্দৰ্যৰ সৃষ্টি কৰে।

হাইড্ৰেঞ্জিয়া, হাইড্ৰেঞ্জিয়া হৰটেনিছ পৰিয়াল— চেক্সিফ্ৰেগেছি হাইড্ৰেঞ্জিয়া (আন্তৰ্জাতিক নাম)
(Hydrangea) Species—Hydrangea hortensis
Family—Saxifragaceae

প্ৰতিটো ঠাৰি আগভাগতে থোপাৰ আকাৰে জাক্‌জমকীয়া ফুল ধাৰণ কৰা এবিধ বিদেশী ফুল জাতীয় উদ্ভিদ। সাধাৰণতে শ্বিলঙৰ নিচিনা পৰ্বতীয়া ঠাইত ইয়াৰ উৎপত্তি হোৱা দেখা যায়। তাৰ মানুহ ফুলনিবাৰী, উদ্যান আদিত ইয়াক পালেঙৰ আকাৰত লগাই দিয়ে। গছ অনুযায়ী ফুলৰ থোপাৰ বৰণ বেলেগ হয়। ৰঙা, বগা, গুলপীয়া আদি বৰণৰ ফুলধৰা গছে ফুলনিবাৰীত অপূৰ্ব সুন্দৰ পোহাৰ মেলে। গছৰ উচ্চতা ১ মিটাৰৰ ওচৰা-উচৰি হয়। পাতৰ আকৃতি ডিম্বৰ নিচিনা দাঁতিভাগ দন্তবিহীন অথবা কোনো কোনো ক্ষেত্ৰত কৰতৰ নিচিনা দাঁত থকা।

দুপৰ টেঙা, ব্ৰাইঅ'ফাইলম কেলিচিনাম পৰিয়াল—ক্ৰেচুলেছি
(Dupor Tenga) Species—Bryophyllum Calycinum Family—Crasulaceae

অলপ ডাঠ বিধৰ মঙহাল পাত ধাৰণ কৰা এবিধ বনগছ জাতীয় বনৰীয়া উদ্ভিদ। সেউজীয়া ৰঙৰ পাতবোৰে ডিম্বাকৃতিৰ ৰূপ ধাৰণ কৰি গুৰিৰফালে সামান্যভাৱে চিঁয়া আৰু আগৰফালে চক্ৰাকাৰ আকৃতি প্ৰদৰ্শন কৰে। পাতবোৰৰ দাঁতি-কাষৰীয়া ঠাইত বিকশিত হোৱা সিৰা-উপসিৰাৰ আগত নতুনকৈ ওলাই অহা পুলিৰ পোখা মেলে। পাতবোৰ মাটিত সৰি পৰিলে নতুন নতুন গছৰ আবিৰ্ভাৱ হয়। সেইবাবে এইবিধ উদ্ভিদে পাতৰপৰা পুলিৰ উৎপাদন হৈ বংশবৃদ্ধি কৰিব পৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা দেখা যায়।

মাটিৰ তলত পোত খাই থকা শিপাডালত বহুতো সূক্ষ্ম শিপাই বিকাশ লাভ কৰি উদ্ভিদডালক মাটিত খামোচ মাৰি ধৰি ৰাখে। গছডালৰ গুৰিভাগে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে আৰু কুমলীয়া ঠাল-ঠেঙুলিবোৰৰ বৰণ সেউজীয়া হয়। এপতীয়া এপতীয়াকৈ গাইগুটীয়াভাৱে উৎপত্তি হোৱা পাতবোৰে বনগছডালৰ ঠাল-ঠেঙুলিবোৰ আৱৰি ৰাখে। ইয়াৰ পাতবোৰ ছিঙি মুখত দিলে টেঙা টেঙা লাগে। বহুতো মানুহে এই পাতবোৰ তৰকাৰিত দি খায় বুলি জনা যায়।

শেৱালি, নিকটেনথেছ আৰবৰট্ৰিচ্‌টিছ পৰিয়াল—
অলিয়েছি শেফালিকা (বঙালী) চেপ্পাই পাৰ (ৰাভা)
(Sewali) Species—Nyctanthes arboristristis
Family—Oleaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। মানুহে ইয়াৰে দুই-এজোপা গছ বাৰীত লগাই ৰাখে। সুগন্ধি ফুল ফুলাৰ বাবেই মানুহে এইবিধ গছক আদৰ কৰে। খৰালি কালত গছজোপাৰ পাতবোৰ একেলগে মৰি যায়। বসন্তকাল আহি পালে নতুন পাত মেলি গছজোপা আকৌ সজীৱ হৈ উঠে। গা-গছৰ ৰং মদৰুৱা। ডালবোৰ চাৰিকোণীয়া হয়। নতুনকৈ ওলোৱা ঠাল-ঠেঙুলিবোৰৰ বৰণ সেউজীয়া হয়। পাতবোৰ অলপ দীঘলীয়া আৰু আগৰফালে জোঙা হয়। পাতৰ কাষত মাজে মাজে খাঁজ কটা থাকে।

ফুলৰ বৰণ বগা হয়। পাহিৰ গুৰিভাগ চুঙাৰ নিচিনা হয়। ফুলবোৰ গধূলি বেলিকা ফুলিবলৈ আৰম্ভ কৰে আৰু পাছনিশা এটি এটিকৈ এই ফুলবোৰ সৰি সৰি পৰিবলৈ আৰম্ভ কৰে। ৰাতিপুৱা বেলিকা ফুলেৰে গছজোপাৰ তলখন ভৰি থাকে। ল'ৰা-ছোৱালীবিলাকে সেই তলসৰা ফুলবোৰ বুটলি আনি মালা গাঁঠেহি। পাতৰপৰা বাহিৰ কৰি উলিওৱা ৰসখিনি ঔষধত লাগে।

আহিনা, লিয়া আম্ব্ৰেকুলিফেৰা এম্পেলিডেছি গাছ-গাংমা
(কামৰূপ) ৰাখিবায়িং আছিং (মিচিং) পান্দুচা-বাফাং
(কছাৰী) দিয়েং-চং-উইয়া (খাচিয়া) চপ্‌লিপলি (কাৰ্বি)
গাংমা জাচিন (আছিক) আচ্‌ৰা-জোলা (মেচ)
(Aahina) Species—Leea umbraculifera
Ampelidaceae

এবিধ মজলীয়া আকাৰৰ আওকাঠী বনৰীয়া গছ। গা-গছৰ গুৰি অংশই খুঁহৰ নিচিনা। গোটা আকৃতিৰ কাঠ ধাৰণ কৰে (Fluted)। কোনো কোনো গছৰ ডালৰপৰা বায়ৱীয় শিপা বিকশিত হয়। বাকলিৰ উপৰিভাগ মদৰুৱা হয় আৰু বাকলিৰ ভিতৰৰফালে থকা মঙহাল অংশটোৱে ৰঙচুৱা বৰণ ধাৰণ কৰে।

প্ৰত্যেক খিলা পাতে দুযোৰা বা তিনিযোৰা শাখাপাত ধাৰণ কৰে। পা ত ধাৰণ কৰা ঠাৰিডালৰ একাষে এটা লোৰ উদ্ভৱ হয়। শাখাপাতবোৰে দীঘলীয়া অথবা যাঠিৰ নিচিনা ৰূপ প্ৰদৰ্শন কৰে। দাঁতি ভাগত খাঁজ কটা চিনৰ উৎপত্তি হয়। আগভাগে গাইগুটীয়াভাৱে কেতিয়াবা নেজাল আৰু কেতিয়াবা সূক্ষ্মকৌণিক আকৃতি ধাৰণ কৰে।

ফুলৰ বৰণ বগা-চানেকীয়াকৈ সেউজীয়া হয়। ফলৰ আকৃতি অলপ ঘূৰণীয়াৰ নিচিনা হয়।

স্পিডি জেনি, ওৱানডাৰিংজ ট্ৰেডেচ্ কান্টিয়া ট্ৰেডেচকান্টিয়া ফ্লুমিনেনচিছ পৰিয়াল—কমেলিনাছি (Tradescantia) Species—Tradescantia fluminensis Family—Commelinaceae Speedy Jenny, Wandering Jew

ঠাৰিৰে সৈতে পাত-বিলাকে গভীৰ ৰঙা কিম্বা চকলেটৰ বৰণ প্ৰদৰ্শন কৰা এবিধ বিতোপন আলঙ্কাৰিক উদ্ভিদ। কোমল আৰু ডাঠ-চানেকীয়া পাতবোৰে থোপোকা আকৃতি ধাৰণ কৰে। মাজভাগ বহল হৈ আগৰফালে ক্ৰমে জোঙা হয়। ঠিক সেইদৰে ঠাৰিয়ে ধাৰণ কৰি ৰখা গুৰিভাগৰ আকৃতিও জোঙা-চানেকীয়া হয়।

বহুতো মানুহে এইবিধ উজ্জ্বলভাৱে জিলিকি থকা আলঙ্কাৰিক উদ্ভিদ ফুলনিবাৰী বা উদ্যানৰ কাষৰীয়া ঠাইত শাৰী পাতি লগাই ৰাখে। মাটিৰ পাত্ৰ বা গাম্‌লাত সৰহীয়াকৈ একেলগে লগাই দিলে আকৰ্ষণীয় ৰূপ ধাৰণ কৰে। ওলোমাই ৰখা পাত্ৰত লগাই দি আলফুলকৈ বাৰাণ্ডা কিম্বা অন্যান্য ঠাইত আঁৰি থ'ব পাৰি।

স্বাভাৱিক অৱস্থাত অসমৰ মাটি-পানীয়ে এইবিধ উদ্ভিদ ধাৰণ কৰা দেখা নাযায়। আজিকালি অৱশ্যে দুই-চাৰিটা পুলি ঘৰৰ ওচৰৰ বকৰাণিত বনৰীয়া অৱস্থাতো দেখা যায়। ফুলৰ বৰণ ৰঙচুৱা হয়। এপাহ চেপেটা বিধৰ দুতৰপীয়া বৌখাই ফুলবোৰৰ গুৰিভাগ আবৰি ৰাখে।

নুনি, মোৰাছ ইণ্ডিকা পৰিয়াল—মোৰেছি। অথবা মোৰাছ এচিডোছা। কিছুকুৰি (কামৰূপ) ৰম্‌ফাং ৰাখেপ (মেচ) চহ্‌লং-দেইখুৰ (খাচিয়া) (Mulburry) Species—Morus indica Syn morus acidosa Family—Moraceae

মজলীয়া আকাৰৰ গছ। জাৰকালি পাতবিলাক সৰি সৰি নাইকিয়া হয়। গা-গছৰ বাকলিখন ক'লা হয়। কাটি দিলে ভিতৰখন বগা দেখা যায়। তাৰপৰা এক প্ৰকাৰৰ বগা-বৰণীয়া গাখীৰ ওলাই আহে। পাতৰ আকাৰ দীঘলীয়া আৰু তাৰ দুয়োফালৰপৰা আঙুলিপহীয়াকৈ লতিকা ওলাই অহা দেখা যায়। গছজোপাৰ ঠাল-ঠেঙুলিবোৰ লেংলেঙীয়াকৈ দীঘল-চানেকীয়া হয় আৰু আগভাগবোৰ তললৈ ওলমি অহা যেন লাগে। দীঘলীয়া ঠাৰিডালৰ দুয়োফালৰ পাতবোৰ জখলাপহীয়াকৈ সজোৱা থাকে।

ফুল থোপা-থোপে লাগে। ফলবিলাক পিপ্‌লি পাণৰ ফলৰ দৰে দীঘলীয়া হয়। পকিলে প্ৰথমতে ৰঙা হৈ তাৰ পাছত ক'লা পৰি যায়। পকা ফল মুখত দিলে মিঠা মিঠা লাগে। এইবিধ গছৰ পাতবোৰ পাট পলুক খুওৱা হয় আৰু সেইবাবে কোনো কোনো মানুহে ডৰাই ডৰাই ইয়াৰ খেতি কৰি প্ৰতিপাল কৰি ৰাখে।

তৰা, বগীতৰা, আল্‌পাইনিয়া এলিওঘাছ্‌ পৰিয়াল— জিঞ্জিবাৰেছি
(Tora or, Bogitora) Species—Alpinia allughas Family—Zingiberaceae

তৰা গছ নিচেই সৰু আকাৰৰ এবিধ গছ। সাধাৰণতে দ-চানেকীয়া ঠাইবিলাকত এই জাতীয় গছৰ উৎপত্তি হোৱা দেখা যায়। যি ঠাইত এই জাতীয় গছে প্ৰাধান্য লাভ কৰে সেই ঠাইত বহু দূৰলৈকে জিনি ইয়াৰ উৎপত্তি হয়। গা-গছডালৰ ভিতৰখন বগা আৰু কোমল। তাৰ ওপৰত কল-পতুৰাৰ নিচিনা আৱৰণবিলাকে গা-গছডাল তৰপা-তৰপিকৈ ঢাকি ঢাকি ৰাখে। এইদৰে উৎপন্ন হোৱা পতুৰাৰ ঢাকনিবিলাক আচলতে পাতবোৰৰ গুৰিত থকা ঠাৰিডালৰপৰা উৎপত্তি হয়। পাতৰ আকৃতি কলপাতৰ নিচিনা দীঘলীয়া আৰু বৰণত ওপৰে তলে সেউজীয়া। ওপৰৰ লুটি অৱশ্যে তলৰ লুটিতকৈ বেছি মিহি আৰু উজ্জ্বল হয়।

তৰা গছৰ পাতৰ গুৰি অংশত থকা পতুৰাবিলাকৰপৰা মানুহে ৰচি তৈয়াৰ কৰে। বহাগৰ বিহুৰ সময়ত গৰুক নতুনকৈ পিন্ধাবলৈ যি পঘা তৈয়াৰ কৰা হয় সেই পঘা সাধাৰণতে তৰা গছৰ বাকলিৰপৰা কৰা হয়। ইয়াৰ বাবে গাঁৱৰ ডেকাবিলাকে হাবিলৈ গৈ তৰা গছৰ বাকলি কোছাই কোছাই বান্ধি ঘৰলৈ আনে আৰু সেইবোৰ ৰ'দত শুকুৱাই শুকুৱাই পঘা বতে। তৰা গছৰ পাত আৰু গা-গছৰ কোমল অংশবোৰ হাতীৰ উপাদেয় আহাৰ।

হাড় যোৰা, হাড় যোৰোৱা লতা, ভাইটিছ্‌ কুৱাড্ৰেংগুলাৰিছ্‌ ভাইটিছ্‌ কুৱাড্ৰেংগুলাৰিছ্‌ পৰিয়াল—ভাইটেছি
(Harjura Lota) Species—Vitis quadrangularis Syn : Cissus guadrayularis Family—Vitaceae

এক প্ৰকাৰৰ লতা গোষ্ঠীৰ উদ্ভিদৰ দৰে গছ-গছনিৰ ওপৰলৈ হেলাৰঙে বগাই যাব পৰা এবিধ কেক্‌টাছ্‌ জাতীয় বিচিত্ৰ উদ্ভিদ। গা-গছ আৰু ঠাল-ঠেঙুলিৰ ঠৰুৱাবোৰেই এইবিধ উদ্ভিদৰ পাতক প্ৰতিনিধিত্ব কৰে। ঠৰুৱাবিলাক চাৰিশিৰীয়া হয় আৰু এই ঠৰুৱাবোৰৰ উপৰিভাগে সেউজীয়া বৰণ ধাৰণ কৰে। মাটিৰ তলৰপৰা উদ্ভৱ হোৱা গুৰিৰ শিপাবোৰে লতাডালক মাটিত খামোচ মাৰি ধৰি ৰাখে আৰু মাটি-পানীৰ লগত মিহলি হৈ থকা ৰসায়নিক পদাৰ্থৰপৰা ৰস শুহি আহাৰ সংগ্ৰহ কৰে। ঠৰুৱাত বিকাশ সাধন হোৱা সেউজীয়া বাকলিৰ কোষবোৰে হয়তো বতাহৰপৰা অম্লজান গেছ আহৰণ কৰে।

মূল ঠৰুৱাডালৰপৰা শাখা-প্ৰশাখা ওলাই আহি উদ্ভিদডালে চৌপাশে বিস্তৃতি লাভ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। এই চাৰিত্ৰিক গুণৰ সুবিধা লৈ কোনো কোনো

চৌখিন লোকে এইবিলাক লতা সদৃশ কেক্টাছ্ বগাবলৈ একোখন দীঘলীয়া হেঁদালি কিম্বা চাং বনাই দিয়ে। তেতিয়া লতা সদৃশ কেক্টাছডালে বিচিত্র ৰূপত বিকাশ লাভ কৰিবলৈ সক্ষম হয়।

ওদাল, ষ্টাৰকুলিয়া ভিলোছা পৰিয়াল-ষ্টাৰকুলিয়েচি। ওদাল (অসমীয়া) ওদ্‌লা (বড়ো) চেকং, জিস্তিকং (কাৰ্বি)
(Udal) Species—Sterculia villosa Family—Sterculiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। অসমৰ বিভিন্ন বনাঞ্চল আৰু অন্যান্য হাবি-বননিবিলাকত এইবিধ গছৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। গা-গছ আৰু ডালৰ ওপৰৰ বাকলিৰ বৰণ মটীয়া বা অলপ মুগা-চানেকীয়া হয়। বাকলিখন ডাঠ হয় আৰু এই ডাঠ বাকলিত দীঘল দীঘল আঁহ থাকে। বাকলিখন বখলিয়াই কোনো কোনো মানুহে ৰচি তৈয়াৰ কৰে। এইবিধ গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠ উন্নত বিধৰ হোৱা দেখা নাযায়। ফুলৰ আকাৰ সৰু হয়। পাতবোৰ ধপলা-ধপল হয়।

মাক্রিশাল বা নগাভে, চিমা ৱেলিচিয়াই পৰিয়াল—টাৰ্ণষ্ট্ৰমিয়েছি আতাক পান (ৰাভা)
(Makri Sal or Nagabhe) Species—Schima wallichii Family—Ternstromiaceae

এবিধ অলপ ডাঙৰ আকাৰৰ সুকাঠী বনৰীয়া গছ। গা-গছডালৰ বাকলিৰ বৰণ ক'লা-চানেকীয়াকৈ মদৰুৱা হয় আৰু ডাঠ-চানেকীয়া ছালৰ উপৰিভাগত দীঘল-পহীয়াকৈ ফাট মেলা দেখিবলৈ পোৱা যায়। গাইগুটীয়াভাৱে এপতীয়াকৈ বিকাশ লাভ কৰা পাতবোৰে অলপ দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতবোৰৰ বৰণ গভীৰ সেউজীয়া হয় যদিও তলৰ পিঠিৰ বৰণ অলপ পাতলীয়া হোৱা দেখা যায়। তদুপৰি পাতৰ তলৰ লুটিত উৎকৰ্ষ লাভ কৰা সিৰা-উপসিৰাবিলাক ওপৰৰ পিঠিৰ তুলনা অধিক স্পষ্টভাৱে দেখা যায়।

লাভেন্দাৰ, লেভেন্দুলা ভেৰা লেবিয়েটি
(Lavender) Species—Lavendula vera Labiatae

তৰা গছৰ পাতৰ নিচিনা দীঘল দীঘল পাত ধাৰণ কৰা এবিধ বনৰীয়া উদ্ভিদ। অসমৰ সংৰক্ষিত বনাঞ্চল আৰু অন্যান্য হাবি-বননিবিলাকৰ মাজত ঠাই বুজি ইয়াক দেখিবলৈ পোৱা যায়। **শিপাৰ তলত আদাৰ দৰে টেঁপুৰ উৎপত্তি হয়।** তদুপৰি **আলুৰ মুঢ়াৰপৰা দীঘল দীঘল আকৃতিৰ ফুলৰ উদ্ভৱ হয়। এই ফুলে সৰল গছৰ "কোণ"ৰ আকৃতি ধাৰণ কৰে আৰু এই পুষ্পগুচ্ছৰ ভিতৰত নিৰ্মল পানী সোমাই থাকে। ফুলৰ থোপাটো ঠাৰিতে কাটি ওলোটাকৈ ধৰিলে তাৰপৰা এই পানীবোৰ**

ওলাই আছে। এই পানী সুগন্ধি হয়।

দ্ৰষ্টব্য ঃ লাভেন্দাৰ কটন নামেৰে জনাজাত আন এবিধ সৰু আকাৰৰ নাৰ্জি ফুল স্থানান্তৰত বৰ্ণনা কৰা হৈছে।

ভোমলতি বা গাৰো ভাংৰা, চিম্‌প্লোকচ্ ফেৰুজিনিয়া ষ্টাইৰেচি গাৰো-ভাঙৰা, মতা-ভোমলতি (অসমীয়া) আচ্‌লাক্ (আছিক) চুম-লেগ্ আৰং (কাৰবি)
(Bhumloti or Garobhangra) Species–
–Symplocos ferruginea Styraceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। বছৰৰ কোনো সময়তে এইবিধ গছৰ পাতবোৰ একেলগে সৰি লঠঙা হোৱা দেখিবলৈ পোৱা নাযায়। বাকলিৰ উপৰিভাগে মুগা-চানেকীয়া অথবা গেৰুৱা বৰণ পৰিধান কৰে। বাকলিৰ ভিতৰভাগ মাখন-বৰণীয়া হয় আৰু তাত মুগা-বৰণীয়া ফুটফুটীয়া দাগৰ উৎপত্তি হয়। নতুনকৈ ওলোৱা কুমলীয়া ঠাৰিবিলাকৰ ওপৰত কোমল-আমল নোমৰ আৱিৰ্ভাৱ হয়।

পাতবোৰে অলপ দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। অগ্ৰভাগত সামান্য খাঁজ কটা দাগৰ উৎপত্তি হয়। পাতৰ দাঁতিতো খাঁজ কটাৰ আভাস পৰিলক্ষিত হয়। পাতৰ ওপৰলুটি মিহি হয়। তলৰ লুটিত মুগা-চানেকীয়া চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। মুলসিৰডালে সামান্যভাৱে তললৈ সোমাই যোৱাৰ আকৃতি ধাৰণ কৰে। শাখাসিৰবিলাক তলৰ লুটিত চকুত লগা হয়।

বগা বগা ফুল ফুলে। একোডাল ঠাৰিয়ে ছত্ৰাকাৰ ৰূপত একাধিক ফুল ধাৰণ কৰে। ফলবিলাক কৰ্দৈসিৰীয়া আৰু মঙহাল হয়।

বন ঔ, আঁঠু ভঙা, লিয়া আলাতা এম্পেলিডেছি
(Bon owe or Athubhanga) Species—
leea alata Family—Ampelidaceae

প্ৰায় ডেৰ মিটাৰমান ওখ এবিধ হাবিত উৎপন্ন হোৱা বনৰীয়া গছ। ঠাৰিডাল অলপ টান-চানেকীয়া হয়। ঠাৰিৰ উপৰিভাগত ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰন্থিৰ উৎপত্তি হোৱা দেখা যায়। দীঘল-চানেকীয়া ঠাৰিডালৰ দুয়োকাষে ৫ যোৰাৰপৰা ৯ যোৰা পৰ্যন্ত শাখাপাতৰ উদ্ভৱ হয়। ঠাৰিৰ আগভাগত এখিলা অকলশৰীয়া পাত বিকশিত হৈ থাকে। ঠাৰিয়ে এফলীয়া বাকলিৰ আকৃতি ধাৰণ কৰে আৰু এই ঠাৰিৰ কাষত পাখিৰ নিচিনা পাতলীয়া ছালৰ উৎপত্তি হয়।

পাতৰ আকৃতি দীঘল-চানেকীয়াকৈ আগৰফালে জুঙুনিমুৰা হয়। ৰঙচুৱা বৰণৰ ফুলবোৰ থোপা-থোপে ফুলে। ফলবোৰ কোমল ধৰণে মঙহাল হয়। বৰণত প্ৰথমতে ৰঙা আৰু অৱশেষত নীলা-চানেকীয়া হয়।

টংগল লতি, ইউপেটৰিয়াম কানাবিনাম্ অথবা ইউপেটৰিয়াম অ'ডৰেটাম্ পৰিয়াল—কম্পোজিটি টঙ্গল-লতি, বাঘ ঢকা (অসমীয়া) চাম্ খাব্‌লি (কছাৰী) কালবুন্ (কাৰ্বি)
(Tongol Loti) Species—Eupatorium canabinum syn E. odoratum Family—Compositae

বছেৰেকীয়া বা দুবছৰীয়া বয়সৰ মাটিত হাউলি হাউলি চাৰিওফালে জিনি পৰা বিধৰ জপ্‌জপীয়া জোপোহা গছ। যি ঠাইত এই জাতীয় উদ্ভিদৰ উৎপত্তি হয় সেই ঠাইত ই গোটেইখন ঠাই বিয়পি পৰে। কাঠ উৎপাদনকাৰী ডাঙৰ জাতীয় গছবিলাক সেইডোখৰ ঠাইত থাকিলে সেইবোৰৰপৰা স্বাভাৱিকতে সৰি পৰা গুটিবোৰ মাটি চুৱাকৈ পৰিব নোৱৰা হৈ পৰে। তললৈ পৰি মাটিৰপৰা গজি উঠা পুলিবোৰেও এই জাতীয় জোপোহা গছৰ হেঁচাত পৰি গা কৰিব নোৱৰা হৈ পৰে। এইবিধ জোপোহা গছ কাটি-ছিঙি দিলেও অতি কম সময়তে তাৰ পুলি-পোখা ওলাই বিয়পি পৰে। পুৰি পেলালেও মুঢ়াৰপৰা পোখাবোৰ ওলাই আহি গোটেই ঠাই ভৰি পৰে।

ফুলৰ বৰণ তুলাৰ দৰে বগা হয়।

পানী লতা, ভাইটিছ ৰেপান্দা বিকল্পে চিচাছ ৰিপান্দা এম্পেলিডেছি পানী লতা (অসমীয়া)
(Pani Lota) Species—Vitis repanda Syn Cissus repanda Ampelidaceae

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া লতা। বনভূমিত উৎপন্ন হোৱা ওখ-চাপৰ গছৰ ওপৰলৈ বগুৱা বাই উঠি যোৱা অৱস্থাত ইয়াক দেখিবলৈ পোৱা যায়। এইবিধ লতা দা এখনেৰে ঘাপ মাৰি কাটি দিলে তাৰপৰা সোপা-সোপে নিৰ্মল পানী ওলায়। হাবিত কাম কৰি ঘূৰি ফুৰা মানুহে পিয়াহত এইবিধ লতাৰপৰা ওলোৱা পানী খাই পিয়াহ নিবাৰণ কৰে।

থৈলাঙনি, ইউজেনিয়া বালচামিয়া চাইজিজিয়ম বালচামিয়ম পৰিয়াল—মিৰটেছি থৈলাঙনি (অসমীয়া)
(Thoilangoni) Species—Eugenia balsamea Syn-Syzygium balsameum Family—Myrtaceae

এবিধ মজলীয়া আকাৰৰ জামুক জাতীয় গছ। ইয়াৰ কাঠ ঘৰৰ খুঁটা চটি লগোৱা আদি কামত ব্যৱহাৰ কৰা হয়।

অসমৰ বহুতো ঠাইত ইয়াক পোৱা যায়।

পিছলা, প্ৰকাৰ কেডিয়া কেলিছিনা পৰিয়াল—মাল্‌ভেছি
(Pichala) Species—Kydia calycina Family—Malvaceae

এবিধ মজলীয়া আকাৰৰ সুকাঠী বনৰীয়া গছ। অৱশ্যে দিয়াচলাইৰ

বাকচ আদি তৈয়াৰ কৰা কামৰ বাহিৰে এই কাঠ অন্য কোনো স্থায়ী কামত লগোৱাৰ উপযুক্ত বুলি বিবেচনা কৰা নহয়। বাকলিৰ বৰণ মুগা-চানেকীয়া হয় আৰু এই বাকলিৰ উপৰিভাগে দীঘল দীঘলকৈ ফাট মেলি থকাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ উপৰিভাগত চকলা-চকল বগা দাগৰ আভাস দৃষ্টিগোচৰ হয়। অলপ ডাঙৰ আকাৰৰ পাতবোৰে আঙুলিপহীয়া ৰূপ প্ৰদৰ্শন কৰে।

ফুলৰ পাহিবোৰ বৰণত বগা হয়।

পিছলা, (প্ৰকাৰ) মেলিঅ'স্মা চিম্প্লিচিফলিয়া পৰিয়াল-ছেবিয়েছি। থৌ থৌৱা (শিবসাগৰ) লাৰুবন্ধা (লক্ষীমপুৰ-ডিব্ৰুগড়) পিছলা (দৰং) চানকণাৰু (দৰং) হেঙুনীয়া (নগাঁও) ফ'কো, ধাপাপতীয়া (কামৰূপ) গুৰ্বান্ আছিং (মিছিং) ফাগ্-লান্-জান আৰং (কাৰ্বি) দিয়েং-লিয়েইং-খ্ৰং, দিয়েং লা-পিয়া, দিয়েং-নং-ক্ৰো (খাচিয়া) বন্ খোক লো (কাছাৰ)

(Pichola) (Var) Species-Meliosma simplicifolia Family-Sabiaceae

সৰু আকাৰৰ গছ। বছৰৰ কোনো এটা সময়তে এইবিধ গছৰ আটাই বোৰ পাত একেলগে সৰি গছজোপা লঠঙা হোৱা দেখা নাযায়। আন কথাত ক'বলৈ গ'লে এইবিধ গছক চিৰ-সেউজীয়া গছ বুলি ক'ব লাগিব। বাকলিৰ বৰণ সেউজীয়াকৈ মদৰুৱা। দাৰে কাটি চালে ভিতৰখন গুলপীয়া দেখি। কিছু সময়ৰ পাছতে এই গুলপীয়া ৰং পৰিৱৰ্তন হৈ ৰঙচুৱা হয়। কটা ঠাইডোখৰৰপৰা পানী ওলায়। পাতৰ গঠন সামান্যভাৱে দীঘলীয়া হয়। আগডোখৰ ঘূৰণীয়া। সমান কাষৰীয়া। ফুল থোপা-থোপে লাগে। বৰণত বগা বা সামান্যভাৱে হালধীয়া হয়।

কাঠৰ বৰণ ৰঙচুৱাকৈ মুগা হয়। এই কাঠ বিশেষ কামৰ উপযোগী বুলি ক'ব নোৱাৰি।

বগা বাহক, আধাটোডা ভেচিকা পৰিয়াল—একানথেছি বাসাক বসাকা (বঙালী) বাহক, বগা-বাহক (অসমীয়া) চা-লুঙ্-খাউ (টাই-আহোম)

(Boga Bahok) Species—Adhatoda vasica Family—Acantheceae

আলিবাটৰ কাষত, বাম-চানেকীয়া মুকলি ঠাইত আৰু মানুহৰ বাৰীৰ ঢাপ আদিত এবিধ বগা ফুল ধাৰণ কৰা জোপোহা আকৃতিৰ উদ্ভিদ প্ৰায়েই দেখিবলৈ পোৱা যায়। এইবিধ বনৰীয়া বনগছক বগা বাহক নামেৰে অভিহিত কৰা হয়। কোনো কোনো মানুহে এইবিধ জোপোহা বনগছৰ পুলি বা ডাল সীমামূৰীয়া

ঠাইত শাৰী শাৰীকৈ লগাই দি জেওৰা দিয়াৰ নিচিনাকৈ জীৱন্ত জেওৰা (Live hedge) নির্মাণ কৰি ৰখাৰ ব্যৱস্থা কৰে।

মূল গছৰ গুৰিভাগ আৰু পূৰঠ ঠাল-ঠেঙুলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰিলেও কুমলীয়া ঠাৰিবোৰ প্ৰায়েই সেউজীয়া হৈ থকা অৱস্থাত দেখিবলৈ পোৱা যায়। পাতবোৰে গুৰিৰফালে অলপ বহল আৰু আগৰফালে চিঁয়া হৈ যোৱা আকৃতি প্ৰদৰ্শন কৰে।

ফুলৰ চুঙা সদৃশ পাহিবোৰে জিভা মেলাৰ বিচিত্ৰ ৰূপ ধাৰণ কৰে। ফুলৰ বৰণ বগা হয়। বগা বাহকৰ শিপা আদি ঔষধ তৈয়াৰ কৰা কামত ব্যৱহাৰ কৰা হয়।

ডোড্ৰনিয়া, দোদোনিয়া ভিচক'চা চেপিন্দেছি (Dodonaea) Species—Dodonaea viscosa Sapindaceae

এবিধ সৰু আকাৰৰ বনগছ জাতীয় উদ্ভিদ। অলপ দীঘলীয়া আকৃতিৰ গভীৰ সেউজীয়া পাতবোৰে জখলা খলপীয়াকৈ ঠাৰিবোৰৰপৰা উৎপত্তি হয়। পাতৰ ঠাৰিডাল নিচেই সামান্যভাৱে বিকশিত হয়। ঠাৰিবিলাকে মদৰুৱা বৰণ ধাৰণ কৰে আৰু বাকলিৰ ওপৰত ফুট-ফুটীয়া বগা দাগৰ উৎপত্তি হয়। পাতৰ উপৰিভাগ মিহি আৰু উজ্জ্বল হয়। একেজোপা গছে উভয়লিঙ্গী কিম্বা একলিঙ্গী পুষ্প ধাৰণ কৰে।

ফুলবিলাক আকৃতিত সৰু আৰু বৰণত অনুজ্জ্বল হয়। গুটিবিলাক সৰু সৰু আৰু অলপ মঙহাল হয়। ফুলনিবাৰী বা সীমামূৰীয়া ঠাইত শাৰী শাৰীকৈ লগাই সমানভাৱে কলম দি ৰাখিলে বিতোপন ৰূপ ধাৰণ কৰে।

পেন্‌চি, ভায়োলা ট্ৰাইকলাৰ পৰিয়াল—ভায়োলেছি পেনচি (আন্তৰ্জাতিক) (Garden Pansy) Species—Viola tricolor Family—Violaceae

কজলা বৰণৰ মনোৰম ফুল ধৰা এবিধ ঋতুজাত পৰদেশী বনগছ। নাৰ্ছাৰিৰপৰা কিম্বা গুটি ব্যৱসায়ীৰপৰা পেকেট গুটি ক্ৰয় কৰি আনি এইবিধ ফুল অন্যান্য ফুল জাতীয় উদ্ভিদৰ ফুলনিবাৰী বা উদ্যান উপবনত সৰহীয়াকৈ একেলগে লগোৱা হয়। ঘূৰণীয়া অথবা দীঘলীয়া আকৃতিৰ ভেটি নির্মাণ কৰি ইয়াৰ ঠন ধৰা পুলি পৰিপাটিকৈ লগাই দিলে সুফল পাব পাৰি। অৱশ্যে ভেটিৰ আকৃতি আৰু আকাৰ নিৰ্ণয় কৰা বিষয়ত ব্যক্তিগত ৰুচি-অভিৰুচি আৰু ফুলনি বাগিচাখনৰ আয়তন তথা আকৃতিয়ে প্ৰভাৱ বিস্তাৰ কৰে। সম্ভৱ স্থলত শিল পাথৰেৰে নির্মিত বাগিচাত (Rock garden) থোপাৰ আকাৰে ফুল ধৰিব পৰাকৈ মাজে মাজে ইয়াৰ পুলিবোৰ লগাই দিলে অনুপম সৌন্দর্যৰ সৃষ্টি হয়।

ভাৰবিনাম, ভাৰবিনা লেচিনিয়েটা ভাৰবিনেছি (Verbenum) Species—Verbena laciniata Family-Verbenaceae মাটিৰ ওপৰত বগুৰা বাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ ফুল জাতীয় বিদেশী উদ্ভিদ। প্ৰতিবছৰে বৰ্ষা কালত উৎপত্তি হৈ জাৰৰ দিনত লাহে লাহে অন্তৰ্দ্ধান হয়। ৰঙচুৰা বৰণৰ ফুল ধাৰণ কৰে। আমাৰ চৌখিন মানুহে সাৰুৱা মাটিত দীঘলীয়া দীঘলীয়া কিম্বা অন্য আকৃতিৰ ভেটি কৰি ফুল ঠানিবোৰ লগাই দিয়ে। গাঁঠিয়ে গাঁঠিয়ে শিপা গজি ফুল গছজোপাই মাটিৰ ওপৰত বিকাশ লাভ কৰে। সময়ত গোটেইটো ফুলৰ ভেটি ফুল গছজোপাৰ পাত ধৰা ডালেৰে উপচি পৰে আৰু অসংখ্য ফুলৰ উৎপত্তি হয়। তেতিয়া ফুল গছবোৰ দেখিবলৈ আকৰ্ষণীয় হৈ পৰে।

ৰজনী গন্ধা, পলিয়াণ্টেচ টিউবাৰোজা পৰিয়াল—এগাভেছি (Rajani Gandha, Tuberose) Species—Poliantes tuberosa Family—Agavaceae এবিধ সুগন্ধি ফুল ধাৰণ কৰা বছেৰেকীয়া ফুল জাতীয় উদ্ভিদ। এইবিধ ফুল ধৰা উদ্ভিদ মানুহে ফুলনিবাৰীত কিম্বা চৌহদৰ উদ্যানত ভেটি তৈয়াৰ কৰি সাৰুৱা মাটিত লগাই ৰাখে। মাটিৰ তলত পিয়াঁজৰ নিচিনা লাহি আকৃতিৰ শিপাই বিকাশ লাভ কৰে। খৰালিমহীয়া এই পিয়াঁজৰ থোপাবোৰ শাৰী শাৰীকৈ ৰোপণ কৰা হয়। পিয়াঁজৰপৰা ওলাই অহা পোখাই সুকোমল ঠাৰিৰ আকাৰত বিকশিত হয়। ঠাৰিৰ পাবে পাবে দীঘল-চানেকীয়া পাতবোৰ আকাশমুখী হৈ ওলাই আহে। মূল ঠাৰিৰ আগভাগত বগা বৰণীয়া যিবোৰ ফুল থোপা-থোপে ফুলে সেইবোৰ ফুলৰপৰা ৰাতি সুগন্ধ বিকিৰণ হৈ গোটেই পৰিবেশ আকৰ্ষণীয় কৰি তোলে। এই ফুল ধৰা ঠানিবোৰ কাটি কাটি আনি ফুলদানিত সজাই ৰাখিলে সুগন্ধৰ সুবাসত গোটেই কোঠা মলমলাই যায়।

চুইট উইলিয়াম (Sweet William) Species-Dianthas barbatus Family-Caryophyllaceae কাৰনেচনৰ দৰে চুইট উইলিয়াম কেৰিওফাইলেছি পৰিয়ালৰ আলংকাৰিক উদ্ভিদ। বছেৰেকীয়া বা দুবছৰীয়া আনতৰ এই উদ্ভিদ বিধৰ গুৰিৰপৰা থোপাৰ আকাৰে ঠাল আৰু পাতৰ উৎপত্তি হয়। ইয়াৰ বৈজ্ঞানিক নাম হ'ল ডায়েন্থচ বাৰবাটচ। এইবিধ ফুলৰ উৎপত্তি স্থান হ'ল ইউৰোপ মহাদেশৰ পূব আৰু দক্ষিণৰ অংশত থকা ভূখণ্ড। ১৫৭৩ চনত ইয়াৰ সঁচ প্ৰথমবাৰৰ বাবে বৃটেইনলৈ নিয়া হয়।

গ্ৰীক ভাষা মতে ডায়চ মানে ডিভাইন বা স্বৰ্গ আৰু এন্থচ মানে ফুল। দুয়ো মিলি স্বৰ্গৰ ফুল।

বসন্ত ঋতুত আৰু গ্ৰীষ্মকালত এইবিধ ফুলগছে বিতোপন আলংকাৰিক ফুল ধাৰণ কৰে। ফুলবোৰ অলপ সুগন্ধি হয়। ৰমক-জমককৈ ফুলি থকা ফুলবোৰ বিভিন্ন ৰঙৰ অলংকাৰ পিন্ধে। মাটি ফচ্‌ফচীয়া আৰু উৰ্বৰা হ'ব লাগে। গুটি পচাই পুলিৰ ব্যৱস্থা কৰিব লাগে। ফুলনিৰ কিনাৰত ভেটি তৈয়াৰ কৰি পুলিবোৰ নিয়মীয়া দূৰত ৰোপণ কৰিব লাগে। ৰ'দ-ঘাই ঠাই হ'ব লাগে। পুলিবোৰত নিয়মীয়াভাৱে পানী দিব লাগে।

কাছুই লতা খুতৰা-পতীয়া বন, একালাইফা ইন্দিকা পৰিয়াল—ইউফৰবিয়েচি
(Khutora-potia Bon) Species–Acalypha indica Family—Euphorbiaceae

দেখাত খুতৰা শাকৰ নিচিনা আকৃতি ধাৰণ কৰা এবিধ বনৰীয়া বনগছ। ইয়াৰ মূলগছ আৰু শাখা ঠাৰিবোৰ খুতৰাৰ দৰে কোমল নহৈ অলপ টান হয় আৰু ঠাৰিবোৰৰ উপৰিভাগে সেউজীয়া বৰণ পৰিধান কৰে। পাতবিলাকে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতৰ বৰণ সাধাৰণতে সেউজীয়া হ'লেও বহুতো গছে ধাৰণ কৰা পাতবিলাক হালধীয়া হোৱা দেখা যায়। হালধীয়া বৰণৰ পাতখিলাই ফুট-ফুটীয়া দাগ ধাৰণ কৰে। ঠাই বুজি একেডোখৰ ঠাইতে সিঁচৰতি হৈ বহুসংখ্যক উদ্ভিদৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়।

পাতা বাহাৰ, কডিয়ম ভেৰিগেটম পৰিয়াল—ইউফৰবিয়েচি
(Cadium) Species—Cadiaeum variegatum Family—Euphorbiaceae

পাতৰ গুৰিয়ে গুৰিয়ে অসংখ্য ফুল বহন কৰা ঠাৰিৰ উৎপত্তি হয়। প্ৰত্যেকডাল ঠাৰিয়ে চেলপেটীয়াকৈ ফুলৰ থোপা ধৰে। সেউজীয়া ফুলবোৰ আকাৰত তেনেই সৰু সৰু হয়। এই ফুলবোৰ একোখিলা সেউজবুলীয়া চুপহিৰ আৱৰণে ঢাকি ৰাখে।

ৰংচঙীয়া পাত ধাৰণ কৰা কেইবিধমান পাত জাতীয় ফুল বা বিচিত্ৰ আকৃতিৰ পাত ধাৰণ কৰা জোপোহা গছ। অসমীয়া ভাষাত থাওকতে পাতাবাহাৰ নামেৰে অভিহিত কৰা হয়। ইংৰাজীক এইবিলাক উদ্ভিদক ক্ৰটন (Croton) জেনচত অন্তৰ্ভুক্ত কৰা গছ বুলি বিবেচনা কৰা হয়।

জাত অনুযায়ী গাইগুটীয়াভাৱে কেইবিধমানে দীঘলীয়া, কেইবিধমানে থোপোৰা আৰু আন কেইবিধে ডিম্বাকৃতিৰ পাত ধাৰণ কৰা দেখিবলৈ পোৱা যায়। আমাৰ প্ৰায়বিলাক মানুহৰ ফুলনিবাৰী কিম্বা চৌহদৰ সীমামূৰীয়া ঠাইত এইবিলাক গছ ৰোপণ কৰা হয়। কিছুমানে ফুট-ফুটীয়া আৰু আন কিছুমান জাতৰ গছে ৰংবিৰঙৰ বিতোপন পাত ধাৰণ কৰে। ডাঠ ডাঠ পাতৰ উপৰিভাগ জাত অনুযায়ী মিহি আৰু

জাত অনুযায়ী খহুলা-খহুলি হোৱা দেখা যায়। ডাল ভাঙি আনি মাটিত গুজি থ'লেই নতুন গছৰ উৎপত্তি হয়।

জৰথ, মেলোটাছ ফিলিপাইনেনচিছ্ পৰিয়াল— ইউফৰ্বিয়েচি

(Jarath) Species—Mallotus Phillipinesis Family—Euphorbiaceae

ফুলবিলাকৰ আকাৰ নিচেই সৰু হয় আৰু এই ফুলবোৰে কোনো চকুত লগা ৰূপ ধাৰণ নকৰে। ঠিক সেইদৰে ফলৰ আকৃতিও একেবাৰে নগণ্য হয়।

জৰথ উদ্ভিদ গাইগুটীয়াভাৱে আৰু কেতিয়াবা কেবাজোপা গছৰ সমাৱেশত উৎপত্তি হোৱা দেখা যায়। নিলগৰপৰা লক্ষ্য কৰিলে এইবিধ বনৰীয়া গছক মৰলীয়া গছ যেন দেখি। পিছে মৰলীয়া গছৰ পাতবোৰতকৈ ইয়াৰ পাত আকাৰত অলপ সৰু, বৰণতো মুগা-চানেকীয়া।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিবোৰে গভীৰ ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ আকৃতি চকলাপহীয়াকৈ আগভোটা হয়। ঠালৰ আগভাগবিলাকত জখলাখলপীয়াকৈ সজোৱা পাতবোৰ থোপা বন্ধাৰ দৰে ঘন ঘনকৈ উৎপত্তি হয়। খৰি হিছাপে ইয়াৰ কাঠ ব্যৱহাৰ কৰিব পাৰি। আৱশ্যক অনুযায়ী জেওৰা-হেঙেৰাত লগোৱা খুঁটি কিম্বা অন্যান্য অস্থায়ী কামৰ বাবে এই গছৰ কাঠ ব্যৱহাৰ কৰা হয়।

টোলঠা পকা, প্ৰজাতি-গ্লাইকচ্মিছ পেন্টাফাইলা বিকল্পে-গ্লাইকচমিছ্ কচিনচাইনেঞ্চিছ পৰিয়াল—ৰুটেছি অশ্বথকাটা (সংস্কৃত) টোলঠা পকা (অসমীয়া) হেঙেনা পকা (অসমীয়া) আ ছৌৰা, আছেৰা (বঙালী) বন নিম্বু, বন জামিৰ (হিন্দী) (Tultha Poka) Species—Glycosmis pentaphylla Syn—Glycosmis cochichinensis Family—Rutaceae Tooth Brush Plant (ইংৰাজী)

এবিধ সৰু আকাৰৰ চিৰহৰিৎ জোপোহা গছ। ইয়াৰ ঠাল দাঁত ঘহাঁ বুৰুজ হিছাপে ব্যৱহাৰ কৰা হয়। পকা ফল খোৱাৰ উপযোগী।

উজনি অসমত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

এৰাগছ, ৰিছিনাছ কমিউনিছ পৰিয়াল—ইউফৰবিয়েছি ইং কিয়াং (কাৰ্বি) ভেৰেন্দা (বঙালী) খাৰান্দা (আছিক্) চহ্ ৰাছাম্ (খাচিয়া) ইন্দি বিফাং (বড়ো) টুন-প্ৰং (টাই-আহোম) (Castor oil Plant) Species—Ricinus communis Family—Euphorbiaceae

এবিধ চিৰ-সেউজীয়া জোপোহা গছ। গছজোপাৰ শাহডাল কোমল-চানেকীয়া হয়। আঁহযুক্ত বাকলিৰ উপৰিভাগ সেউজীয়া হয়। ধপলা-ধপল আৰু লেহুকা পাতবোৰে আঙুলিপহীয়া ৰূপ ধাৰণ কৰে। পাতখিলাই

এক ৰকমৰ ফুলবছা আকৃতি প্ৰদৰ্শন কৰে। প্ৰত্যেকটো অংশত শাখাসিৰৰ উৎপত্তি হয়। পাতৰ তলৰ লুটিত সিৰবিলাক পৰিষ্কাৰভাৱে দেখিবলৈ পোৱা যায়। ইয়াৰ দুটা জাত আছে। এটা জাতৰ ঠাৰি আৰু পাতৰ উপৰিভাগত ৰঙচুৱা বৰণৰ আভাস পৰিলক্ষিত হয়।

এৰী, পলু পুহিবৰ বাবে এইবিধ গছ আমাৰ মানুহে বাৰীত লগাই ৰাখে। বনৰীয়াভাৱে বহুতো ঠাইত ইয়াক সৰহীয়াকৈ দেখিবলৈ পোৱা যায় আৰু থোপা-থোপে ফুল ধৰে। ফুলবোৰ পূৰঠ হ'লে যি ফল ধৰে সেই ফলৰ উপৰিভাগ খহুলীয়া হয়। ভিতৰত ক'লা ক'লা গুটি ধৰে। গুটিৰপৰা এক ৰকমৰ তেল বাহিৰ কৰা হয়।

বঙালী এৰা, জেথ্ৰোফা কাৰকাছ পৰিয়াল—ইউফৰবিয়েছি
ভোটোৰা (বঙালী) ৰাদাও শ্ৰং (কছাৰী) থিং নাই বং (কুকি)
দিয়েং চংলা মহ দাখাৰ (খাচিয়া) টুন্-শ্ৰু-খাম (তাই আহোম)
(Bongali Era) Species—Jathropha curcas.
Family—Euphorbiaceae

কোমল-চানেকীয়া ঠাৰি ধাৰণ কৰা এবিধ জোপোহা আকৃতিৰ গছ। ইয়াৰ ঠাৰিৰে মানুহে দাঁত ঘঁহে। ঠাৰিৰপৰা ওলোৱা গাখীৰৰ নিচিনা পনীয়া পদাৰ্থই দাঁত মজবুত কৰি ৰখাত ঔষধৰ কাম কৰে বুলি কোৱা হয়। সেই কাৰণে এই জাতীয় দুই-এজোপা গছ আমাৰ মানুহে বাৰীৰ চুকত কিম্বা সীমামূৰীয়া ঢাপত লগাই ৰাখে। ডাল এটা গোঁজ মাৰি থ'লেই শিপা ধৰে।

বাকলিৰ বৰণ মুগা বা সেউজীয়া হয়। বাকলিত ঘা লাগিলে বা পাত ছিঙিলে বগা বগা ৰস ওলায়। বাকলিৰপৰা পাতলীয়া ছাল এৰাই আহে। কোমল-চানেকীয়া পাতে চুকীয়া-চুকি আকৃতি ধাৰণ কৰে। পাত সৰিলে ঠালত চিন থাকি যায়।

ফুলবোৰে সেউজী ৰঙৰ আভাস থকা হালধীয়া বৰণ পৰিধান কৰে। একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। অলপ দীঘল-চানেকীয়া ফলৰ ভিতৰত ক'লা ৰঙৰ গুটি হয়।

এইবিধ উদ্ভিদৰ উৎপত্তি স্থান উত্তৰ আমেৰিকা বুলি জনা যায়। আমাৰ দেশলৈ কেতিয়া আহিল তাক সঠিকভাৱে জনা নাযায়।

লাল ভোট এৰা, জেথ্ৰোফা গছিপিফলিয়া পৰিয়াল—
ইউফৰবিয়েছি লাল ভেৰেন্দা (বঙালী) লাল ভোট এৰা
(অসমীয়া)
(Lal Bhut Era) Species—Jathropha gossypifolia
Family—Euphorbiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। পাত আৰু ঠাৰিবিলাকে ৰঙচুৱা বৰণ ধাৰণ কৰাৰ বাবে গছজোপা দেখিবলৈ ভাল লাগে। পদূলি-মুখলৈ ওলোৱা-সোমোৱা কৰা বাটৰ কাষত কিম্বা অনুষ্ঠানলৈ যোৱা প্ৰৱেশ

পথৰ দুয়োকাষে শাৰী শাৰীকৈ লগাই দিলে হয়তো দেখিবলৈ ভালেই লাগিব। আজিকালি ইয়াক বনৰীয়া অৱস্থাত আলিবাটৰ কাষত কিম্বা অন্য মুকলিমূৰীয়া ঠাইত একেলগে সৰহীয়াকৈ দেখিবলৈ পোৱা যায়। আচলতে এইবিধ চকুত লগা উদ্ভিদৰ উৎপত্তি স্থান ব্ৰাজিল বুলি জনা যায়। আকৰ্ষণীয় গছ হিচাপে কোনোবাই কেতিয়াবা ইয়াৰ সঁচ আমাৰ দেশলৈ আনি ফুলনিত লগাবলৈ আৰম্ভ কৰিলে। আজিকালি ইয়াক প্ৰায় ঠাইতে স্বাভাৱিক অৱস্থাত দেখিবলৈ পোৱা যায়।

প্ৰত্যেকখিলা পাতে পাঁচটা পাঁচটাকৈ ফেৰেঙনি মেলে। ৰঙচীয়া পাতৰ উপৰিভাগ মিহি আৰু সুকোমল হয়। সৰু সৰু ফুল ধৰে। ফুল পূৰঠ হ'লে ঘূৰণীয়া নিচিনা ফল ধৰে। ফলৰ ভিতৰত ক'লা-চানেকীয়া গুটি হয়।

সোণালী পাতাবাহাৰ, ক্ৰটন গোল্ডচন পৰিয়াল—ইউফৰবিয়েছি
(Golden Croton) Species—Croton goldson Codiaeum variegatum (Var) Family—Euphorbiaceae

ফুটুকা-ফুটুকি দাগ থকা সোণালী বৰণৰ পাত ধাৰণ কৰা এইবিধ পাতাবাহাৰ জাতীয় বিতোপন উদ্ভিদ। অন্যান্য জাতীয় ক্ৰটন বা পাতাবাহাৰৰ দৰে আমাৰ মানুহে শাৰী শাৰীকৈ কিম্বা গাইগুটীয়াভাৱে নিজৰ নিজৰ বাৰীৰ ফুলনিত লগাই ৰাখে। কোনো কোনোৱে বাৰীৰ ঢাপত লগায়। আন কিছুমান মানুহে আকৌ গাইগুটীয়াভাৱে উদ্যান চৌহদত লগাই ৰাখে।

মৰলীয়া, মেকাৰাঙ্গা দেণ্টিকুলেটা পৰিয়াল—ইউফৰবিয়েছি।
জাগোৰা (বঙালী) দুগিং (মিচিং) মাদ্‌লা (মেচ) বল আজাক (আছিক) কাপো (নগা) লাইজিগ্ৰাও (কছাৰী)
(Morolia) Species—Macaranga denticulata Family—Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ চিৰ-সেউজীয়া আওকাঠী গছ। হাবিৰ মাজৰ দ-চানেকীয়া ঠাইবিলাকত একেঠাইতে সৰহীয়াকৈ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে আৰু এই বাকলিৰ উপৰিভাগত ফুট-ফুটীয়া দাগ বিকশিত হয়। পথালি-পথালিকৈ কাটি ৰখাৰ নিচিনা দাগ থাকে। বাকলিৰ ভিতৰখন ৰঙচুৱা হয়।

ধপলা-ধপল পাতবোৰে একপ্ৰকাৰৰ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। গুৰিৰফালে বহলকৈ ঘূৰণীয়া আৰু আগৰফালে চিঁয়া হয়। গাইগুটীয়াভাৱে কোনো কোনো খিলা পাতৰ দাঁতিত সামান্য ধৰণৰ খাঁজ কটা দাঁত থাকে। কিছুমান পাতৰ দাঁতিত কোনো কাৰুকাৰ্য নাথাকে। পাতৰ মূল ঠাৰিৰ দুয়োকাষত ৫-৭ যোৰাকৈ উপ-সিৰৰ উৎপত্তি হয়।

ঠাৰিয়ে ঠাৰিয়ে থোপা বান্ধি ফুল ধৰে। একেডাল ঠাৰিতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰি থাকে। ফলবোৰ মঙহাল হয়।

খৰিৰ বাহিৰে অন্য কোনো কামত ইয়াৰ কাঠ লগাব নোৱাৰি। জেউৰা বা বেৰাৰ খুঁটি লগাব পাৰি। পাতবোৰ ম'হক খুৱাব পাৰি।

পাৰ্থেনিয়ম, পাৰ্থেনিয়ম্ হিষ্টেৰোফৰছ পৰিয়াল—কম্পোজিটি
(Parthenium) Species–Parthenium hysterophorus Family–Compositae

এবিধ চুটি-চাপৰ আকৃতিৰ বনৰীয়া উদ্ভিদ। এইবিধ উদ্ভিদ অতীজতে অসমত দেখিবলৈ পোৱা নগৈছিল। বিশেষজ্ঞসকলে অভিমত প্ৰকাশ কৰে যে এইবিধ বনগছ মধ্য আমেৰিকাত স্থানীয়ভাৱে উৎপত্তি হয়। কিবা প্ৰকাৰে ইয়াৰ সঁচ ভাৰতবৰ্ষলৈ অহাত এই উপ-মহাদেশখনৰ বিভিন্ন অঞ্চলত ইয়াক আজিকালি প্ৰচুৰ পৰিমাণে দেখিবলৈ পোৱা যায়। শেষত অসমতো ই প্ৰৱেশ কৰি বিস্তৃতি লাভ কৰা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত ইয়াক দেখিবলৈ পোৱা যায়।

পাৰ্থেনিয়ম নামৰ উদ্ভিদে মানুহৰ স্বাস্থ্যৰ অপকাৰ কৰে বুলি জনা যায়। ইয়াৰ ফুল আৰু ঠাৰিৰপৰা উদ্ভৱ হোৱা পদাৰ্থই হেনো ছালত খজুৱতিৰ উৎপত্তি কৰে আৰু ঘা লগায়। ছালত আৰতিকেয়াৰ উদ্ভৱ কৰে।

গুৱাহাটী কৃষিবিদ্যালয়ৰ অধ্যাপক ড° পি এন দাস, ড° এইচ এন খনিকৰ আৰু ড° আৰ কে ৰায়ৰ যুটীয়া প্ৰচেষ্টাত হোৱা গৱেষণাৰ ফলশ্ৰুতিয়ে প্ৰমাণ কৰে যে এইবিধ উদ্ভিদ আমাৰ বহুতে ভবাৰ দৰে তেনে বিষাক্ত গুণ নাই।

কেঁহেৰাজ, ভেচ্‌বেছিনা প্ৰছটেটা ইক্লিপ্‌টা এল্‌বা পৰিয়াল—কম্পোজিটি
(Keheraj) Species—Vesbesina prostata Syn. Eclipta alba. Family—Compositeae

মঙহাল আৰু লেহুকা বিধৰ ঠাৰি ধাৰণ কৰা এবিধ ক্ষুদ্ৰ আকাৰৰ বনৰীয়া উদ্ভিদ। শাকনিবাৰী, ফুলনিবাৰী চোতাল আদিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। উদ্যান, উপ-বনবিলাকতো ইয়াৰ আৱিৰ্ভাৱ দৃষ্টিগোচৰ হয়।

ঠাল-ঠেঙুলিবিলাক হাতেৰে ভাঙি দিলে ভঙা ঠাইডোখৰৰপৰা গাখীৰৰ নিচিনা বগা ৰস ওলায়। অতীজতে এই ৰস চিয়াঁহি তৈয়াৰ কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। কেঁহেৰাজৰ ঠাল আৰু আমলখিৰ ছাল বটি তাৰপৰা ওলোৱা ৰসখিনিত চৰুৰ ছাই মিহলি কৰি দিলে যিখিনি পনীয়া পদাৰ্থৰ উৎপত্তি হয় সেইখিনি পদাৰ্থ চিয়াঁহি হিছাপে ব্যৱহাৰ কৰা হৈছিল। স্বাধীনতা আন্দোলনৰ কালছোৱাত বিদেশী

দ্ৰব্য বৰ্জন কৰাৰ অংশ হিছাপে এইদৰে তৈয়াৰ কৰা চিয়াঁহি ব্যৱহাৰ কৰিবলৈ স্কুলৰ ছাত্ৰ-ছাত্ৰীক উদগনি দিয়া হৈছিল।

কেঁহেৰাজৰ পাতবোৰে দীঘল-চানেকীয়া ৰূপ ধাৰণ কৰে। ফুলৰ থোপাবোৰৰ বৰণ বগা-চানেকীয়াকৈ হালধীয়া হোৱা দেখা যায়।

লাল পাতা, ইউফৰবিয়া পাল্‌ছেৰিমা পৰিয়াল— ইউফৰ্বিয়েছি
(Chrismas Flower) Species—Euphorbia pulcherrima Family—Euphorbiaceae

দীঘল দীঘল ধৰণৰ লেহুকা ঠাৰি ধাৰণ কৰা এবিধ আলঙ্কাৰিক জোপোহা উদ্ভিদ। বাৰীৰ সীমামূৰীয়া ঢাপ, ফুলনিবাৰী, উদ্যান আদিত মানুহে লগাই ৰাখে। গছডালৰ গুৰি অংশই ছাই-বৰণীয়া ৰূপ প্ৰদৰ্শন আৰু নতুনকৈ ওলোৱা ঠানিবোৰৰ বাকলি সেউজ-বুলীয়া হয়। পাতবিলাকে দীঘলীয়া আকৃতি ধাৰণ কৰে আৰু কিছুমান পাতৰ দাঁতিত সামান্য ধৰণৰ খাঁজ কটা দাগে বিকাশ লাভ কৰে।

আঘোণ-পুহ মাহত সৰু সৰু ফুল ফুলে আৰু এই ফুলৰ গুৰিত চক্ৰাকাৰে চাৰি-পাঁচ খিলাকৈ পাতৰ নিচিনা চুপহিৰ উদ্ভৱ হয়। এই চুপহিবোৰে গছডাল আকৰ্ষণীয় কৰি তোলে। এটা জাতৰ চুপহিবিলাক ৰঙা হয় আৰু আনটো জাতে হালধীয়া বৰণৰ চুপহি ধাৰণ কৰে। বৰদিনৰ সহায়ত এইবিধ উদ্ভিদ আকৰ্ষণীয়ভাৱে মনোমোহা হোৱাৰ বাবে ইয়াক খ্ৰীষ্টমাছ ফুল বুলিও অভিহিত কৰা হয়।

বিছাবন, প্ৰজাতি—চিতাৰিয়া গ্লৌকা পৰিয়াল—গ্ৰামিনি ঃ পোৱেছি বিছাবন (অসমীয়া) কাক্‌নি, কাউনি (বঙালী) বাজ্‌ৰা, চাম্না, কাক্‌ৰি (হিন্দী)
(Bichaban) Species—Setaria glauca Family—Gramineae : Poaceae Halian Millet (ইংৰাজী)

এবিধ বৰ্ষীয় সৰু ঘাঁহ জাতীয় বনৰীয়া উদ্ভিদ। ঠাৰিৰ মূৰ ভাগত বিকশিত হোৱা পুষ্প গুচ্ছৰ আকাৰ শুং থকা একোটা বিছাৰ নিচিনা হয়।

অসমৰ প্ৰায় জিলাৰ ধাননি পথাৰৰ জীপাল ভূমিত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

ধাপাপতীয়া, থৌ থৌৱা, প্ৰজাতি—মেলিওচ্‌মা চিম্‌প্লিচিফলিয়া পৰিয়াল—চেবিয়েছি ধাপাপতীয়া, ফোকো, পিছলা, লাৰুবন্ধা, থৌ থৌৱা (অসমীয়া)
(Dhapapatia, Thowthowa) Species—Meliosma Simplicifolia Family—Sabiaceae

এবিধ মজলীয়া আকাৰৰ চিৰ-হৰিৎ গছ। কাঠৰ বৰণ ৰঙচুৱা মুগা হয়। মজলীয়াভাৱে কঠিন। চকি, মেজ আদি লাগতিয়াল সামগ্ৰী

তৈয়াৰ কৰাত এই কাঠ ব্যৱহাৰ কৰিব পৰা যায়। নাঙল-যুৱলি, দা, কটাৰি, কোৰ, কুঠাৰ আদিৰ নাল আদি তৈয়াৰ কৰা কামতো এই কাঠ ব্যৱহাৰ কৰা হয়।

অসমৰ প্ৰায় আটাইবিলাক হাবি-বননিত এইবিধ গছৰ উৎপত্তি পৰিদৃষ্ট হয়।

কাঠ হালধি, প্ৰজাতি—বাৰবাৰিছ এৰিচটাটা পৰিয়াল—বাৰবাৰিদেছি কাঠ হালধি (অসমীয়া) ডাৰবিহাৰা, দাৰু হাৰিদ্ৰা (সংস্কৃত) ডাৰ হালুদ, ডাৰ হালদে (বঙালী) ডাৰ হালদি ৰাচাউল (হিন্দী) (Kath Halodhi) Species–Berberis aristata Family–Berberidaceae

এবিধ সৰু আকাৰৰ চিৰ-হৰিৎ জোপোহা উদ্ভিদ। ইয়াৰ শিপা আৰু বাকলি ঔষধ প্ৰস্তুত কৰা কামত ব্যৱহাৰ কৰা হয়।

নামনি অসমৰ বিভিন্ন ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

চিৰতা, আৰটিমিজিয়া ভলগাৰিছ পৰিয়াল—কম্পোজিটি চিৰতা (অসমীয়া) নাগাডানা (বঙালী) ডাউনা, কিৰমালা, নাগাডানা (হিন্দী) সান্তনিকা, কমন মাৰ্গওৱাৰ্ট, চেইলৰ্চ টবাকো (ইংৰাজী) (Chirota) Species—Artemisea vulgaris Family—Compositae

এবিধ সৰু আকাৰৰ মাটিত বগোৱা উদ্ভিদ। শিপা খুন্দি তৈয়াৰ কৰা ৰস ঔষধ হিছাপে পেটৰ অসুখত ব্যৱহাৰ কৰা হয়। এই ৰস খাবলৈ বৰ তিতা হয়। এজমা আদি ৰোগত ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

বাঘ চিৰতা, একজাকম টেট্ৰাগ'নম প্ৰজাতি পৰিয়াল—জেন্‌টিয়ানেছি বাঘ চিৰতা, হাতী চিৰতা, বৰ চিৰতা (অসমীয়া) কুচুৰি (বঙালী) আভা চিৰতা (হিন্দী) বৰা চিৰতা (হিন্দী)
(Bagh Chirota) Species—Exacum tetragonum Family—Gentianaceae

চাৰিসিৰীয়া আকৃতি ঠাৰি ধাৰণ কৰা এবিধ বনৰীয়া বন। গোটেইজোপা উদ্ভিদত তিতা টনিক হিছাপে ব্যৱহাৰ কৰা হয়। জ্বৰ, নৰীয়া হ'লে আৰু পেটৰ বিকাৰ হ'লে ইয়াক ঔষধৰূপে ব্যৱহাৰ কৰা হয়।

কাৰ্বি আংলং আৰু উজনি অসমৰ বনাঞ্চলবিলাকৰ ঠায়ে ঠায়ে ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়।

গোবৰ সুতা, কৰ্দিয়া ডাইকোটামা কৰ্দিয়া মিক্সা পৰিয়াল—বৰাজিনেছি গোবৰ সুতা, ডুমুনী বোৱাল (অসমীয়া) ভোটদ্ৰোমা (হিন্দী) বোহাল, বোহাৰি (বঙালী) (Gubor Sota) Species—Cordia dichotama Syn-Cordia myxa Family—Boraginaceae Khartaum teak, Assyrian Plum, Indian Cherry etc. (ইংৰাজী)

এ বি ধ মজলীয়া বিধৰ পৰ্ণপাতী গছ। ইয়াৰ ফলবোৰ

খোৱাৰ উপযোগী। গাঁৱলীয়া ঔষধতো এই ফল ব্যৱহাৰ কৰা হয়। কাঠৰ বৰণ মুগা-চানেকীয়া। সাধাৰণ বিধৰ চকি, মেজ আদি তৈয়াৰ কৰা কামত এই কাঠ ব্যৱহাৰ কৰা হয়।

উজনি অসমৰ বনাঞ্চলবোৰত এইবিধ পোৱা যায়।

বোৱাল, কৰ্ডিয়া মিক্সা কৰ্ডিয়া ডাইকোটামা পৰিয়াল— বৰাজিনেচি চিউমাং আছিং (মিচিং) দিয়েং-মং (খাচিয়া)
(Boal) Cordia myxa Synonym Species—Cordia dichotama Family—Boraginaceae

এবিধ দীঘলীয়া আকাৰৰ গোলমুখীয়া কিম্বা সামান্যভাগে আগজোঙা ৰূপ প্ৰদৰ্শন কৰা পাতৰ বনৰীয়া গছ। আকাৰত গছজোপাই মজলীয়া ৰূপ ধাৰণ কৰে। বাৰীৰ ঢাপ, মুকলিমূৰীয়া হাবি, পথাৰৰ মাজত থকা সীমামূৰীয়া আলি, ওখবিধৰ টিপ আদিত এইবিধ গছৰ একোটা পুলি বা পূৰ্ণবয়সীয়া উদ্ভিদে ভুমুকি মৰাটো পৰিলক্ষিত হয়। আওকাঠি গছ হোৱাৰ বাবে মানুহে ইয়াৰ পুলি ৰোপণ নকৰে।

গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিৰ বৰণ মদৰুৱা হয়। থোপা-থোপে ধৰা ফুলবোৰৰ বৰণ উজ্জ্বল নোহোৱাৰ বাবে নিলগৰপৰা সহজে চকুত ধৰা নপৰে। ফলবোৰ আকাৰত একো একোটা মটৰ মাহৰ সমান হয় আৰু এই কোমল-আমল ফলবোৰৰ ভিতৰত যি গুটিৰ উৎপত্তি হয় সেই গুটিৰ উপৰিভাগ গম আঠাৰ নিচিনাই পদাৰ্থই ঢাকি ৰাখে। এই আঠা কাগজত লগাব পাৰি। খৰি, খুঁটা, গুজ আদিৰ বাহিৰে অন্য কামত ইয়াৰপৰা উৎপাদন হোৱা কাঠ ব্যৱহাৰ কৰিব নোৱাৰি।

বন-পছলা, মেলিয়োস্মা পিনাটা পৰিয়াল—চেবিয়েছি হেংনুৱা, বন-পছলা, মামই (অসমীয়া) দাৰ্মি আছিং (মিচিং)
(Bon Pachala) Species—Meliosma pinnata Family—Sabiaceae

মজলীয়া আকাৰৰ বনৰীয়া গছ। অসম উপত্যকা আৰু বৰাক উপত্যকাৰ প্ৰায়বিলাক সমতলীয়া ভুমিত কম-বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। সাধাৰণতে একোজোপা গছৰ উচ্চতা প্ৰায় ১০-১২ মিটাৰমান হয় যদিও কোনো কোনো ক্ষেত্ৰত দুই-এজোপা গছে প্ৰায় ২০ মিটাৰ উচ্চতালৈ আৰোহণ কৰা দেখা যায়।

বাকলিৰ বৰণ ছাই-বৰণীয়া বা মটীয়া হয়। ভিতৰৰফালে থকা অংশই গভীৰ সেউজী ৰং পৰিধান কৰে। তাৰ ভিতৰৰফালে থকা তৰপে ৰঙচুৱা বৰণ ধৰে। কাটি দিয়াৰ খন্তেক পাছতে ৰঙা বৰণৰ সামান্য পৰিবৰ্তন হৈ মুগা হ'বলৈ আৰম্ভ কৰে।

যৌগিক পত্ৰৰ মুল ঠাৰিডালে বহন কৰা শাখাপত্ৰিকাবিলাক বিপৰীতমুখী বা

প্ৰায় বিপৰীতমুখী স্থাপন ৰীতি অনুসৰণ কৰি শেষান্তৰত বিযুগ্মসাংখ্যিক হয়। একোডাল ঠাৰিয়ে ১১ খিলাৰপৰা ২৫ খিলা পৰ্যন্ত শাখা পত্ৰিকা ধাৰণ কৰে। পাতৰ আকৃতি দীঘলীয়াভাৱে বল্লমাকাৰ অথবা সূক্ষ্মকৌণিকভাৱে আগৰফালে জোঙা হয়। পাতৰ দাঁতি সামান্যভাৱে দন্তযুক্ত আৰু উপৰিভাগে কম-বেছি পৰিমাণে নিমজ আৰু চৰ্মিল হয়। পাতৰ শাখাসিৰবোৰ সামান্যভাৱে ধেনুভিৰীয়াকৈ ভাঁজখোৱা হয় আৰু এই জালখনে পাতৰ কিনাৰৰ সামান্যভাগ বাদ দি বাকী অংশত বিয়পি পৰে। পুষ্পক্ৰম যৌগিকভাৱে মঞ্জৰীযুক্ত হয়। ফুলৰ পাহিয়ে বগা ৰং ধাৰণ কৰে। ফল মঙহাল আৰু তাৰ ভিতৰত উৎপত্তি হোৱা গুটি কঠিন হয়।

টাং টিঙালি, প্ৰজাতি এফনিয়া ৰুব্ৰা চেপিন্দছ্ এনেন্নাটছ্ পৰিয়াল—চেপিন্দেছি। টাং টিঙালি, বন গাধি, হেকুকেকু (অসমীয়া) লাল কাইপুৰা (বঙালী)
Tang Tingali Species—Aphania rubra Syn-Sapindus anennatus Family—Sapindaceae

এবিধ অলপ ডাঙৰ আকাৰৰ জোপোহা উদ্ভিদ। কাঠৰ মানদণ্ড মজলীয়া। সাধাৰণ পৰ্যায়ৰ চকি, মেজ আদি তৈয়াৰ কৰাৰ বাবে এই কাঠ ব্যৱহাৰ কৰা হয়। পকা ফল খোৱাৰ বাবে উপযোগী।

আমাৰ বনাঞ্চলবোৰত ইয়াক ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়।

পৰামলখি, ফাইলাণ্ঠছ্ এচিদা, ফাইলেণ্ঠছ্ দিষ্টিকছ্ আৰু চিকা এচিদা। পৰামলখি (অসমীয়া) লাভালিফালা (সংস্কৃত) নোমাৰি হাৰিফল (বঙালী)-হৰফাউৰি (হিন্দী) কণ্ট্ৰি গুজবেৰী (ইংৰাজী)
(Por Amlakhi) (Country Gooseberry) Species--Phyllanthus acidus. Syn—P.distichus and also Cicca acida

খাদ্যৰ উপযোগী ফল ধাৰণ কৰা এবিধ বাৰীত লগোৱা সৰু আকাৰৰ গছ। আমাৰ মানুহে এইবিধৰ দুই-এজোপা গছ বাৰীত লগাই ৰাখে আৰু সময় অনুযায়ী সেই গছৰপৰা ফলবোৰ ছিঙি আনি খায়হি। ফলবোৰ আকাৰ-আকৃতিৰ একো একোটা আমলখিৰ নিচিনা হয়। বহুতো ফল থোপা বান্ধি একো একোটা ডালত ভৰি পৰে। খাবলৈ ফলবোৰ অলপ টেঙেচি টেঙেচি লাগে বাকলিখনে অলপ সেউজীয়া ৰূপ ধাৰণ কৰে। ফলৰ ভিতৰত সৰু সৰু গুটিৰ উৎপন্ন হয়।

গোবৰ সুতা, কতৰা, প্ৰজাতি-কৰ্ডিয়া গ্ৰেন্দিছ্ পৰিয়াল—বৰাজিনেছি। গোবৰ সুতা, কতৰা (অসমীয়া) কতৰা, কালাঞ্জা (বঙালী)
(Gubor suta, Kotora) Species–Cordia grandis Family–Boraginaceae

চৌপাশে ডাল-পাত মেলি বিতোপন ৰূপ ধাৰণ কৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ফুলৰ বৰণ বগা বা ৰঙচুৱা হয়। ইয়াৰ কাঠ

কৰতেৰে ফালি তক্তা আৰু বাটামলৈ ৰূপান্তৰ কৰিব পাৰে। সেই কাঠেৰে সাধাৰণ মানদণ্ডৰ চকি, মেজ আদি তৈয়াৰ কৰিব পাৰি।

অসমৰ বনাঞ্চলবোৰত ইয়াক মাজে সময়ে দেখিবলৈ পোৱা যায়।

মতাভেলা, এলিওৰাইটিছ মলোক্কানা পৰিয়াল—ইউফৰ্বিয়েছি
(Mota Bhela) Species—Aleurites moluccana Family—Euphorbiaceae

এবিধ বিৰাট আকাৰৰ চিৰ-সেউজীয়া গছ। এইবিধ গছ পূৰ্বতে অসমত নাছিল। নামনি অসমৰ কোনো কোনো ঠাইত ইয়াক লগোৱা দেখিবলৈ পোৱা যায়। গা-গছ আৰু ডাল-ডোলবিলাকৰ বাকলিৰ উপৰিভাগে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। ডাঙৰ ডাঙৰ আকাৰৰ পাতবোৰে আকৃতিত সামান্য তাৰতম্য পৰিলক্ষিত হয়। সাধাৰণতে এই পাতবোৰে ডিম্বাকৃতিৰ ৰূপ ধাৰণ কৰে। থোপা-থোপে ফুল ধৰে আৰু এই ফুল ধৰা ঠাৰিত যি পুষ্প-পুঞ্জই বিকাশ লাভ কৰে সেই পুষ্প-পুঞ্জই চক্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে। ফলবোৰ মহঙাল হয় আৰু কোনো কোনো মানুহে এই ফল ভক্ষণ কৰে।

টোং এলিওৰাইটিছ, ফৰদিয়াই পৰিয়াল—ইউফৰবিয়েছি
(Tung) Species—Aleurites fordii Family—Euphorbiacea

এবিধ মজলীয়া আকাৰৰ জোপোহা গছ। গছজোপাৰ ঠাল-ঠেঙুলি-বিলাক চাৰিওফালে মেল খাই বিতোপন আকৃতি ধাৰণ কৰে। বাকলিয়ে ধোঁৱা বৰণীয়া ৰং পৰিধান কৰে। পাতৰ আকৃতি দীঘল-চানেকীয়া হয়। গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে সৰু হৈ যোৱা দেখা যায়। তদুপৰি ওপৰ লুটি মিহি হয় আৰু তলৰ লুটি তুলনামূলকভাৱে খৰখৰীয়া হয়।

ফুলৰ বৰণ গুলপীয়া হয় আৰু তাত ৰঙচুৱা বৰণৰ আভাস পৰিলক্ষিত হয়। জাৰকালি গোটেইজোপা গছ ফুলেৰে উপচি পৰিলে দেখিবলৈ অতি আকৰ্ষণীয় হৈ পৰে। ফুলবোৰ পূৰঠ হ'লে থোপা-থোপে গুটি ধৰে।

কক্‌লবা, মুকলেনবেকিয়া প্লেটিক্লেডা পলিগনেচি
(Cockloba) Species—Muchlenbeckia platyclada Polygonaceae

চেপেটা চেপেটা পাত ধাৰণ কৰা এবিধ আলঙ্কাৰিক উদ্ভিদ। স্বাভাৱিক অৱস্থাত অসমত এইবিধ বিচিত্ৰ উদ্ভিদৰ বিকাশ সাধন হোৱা দেখিবলৈ পোৱা নাযায়। গছজোপাৰ ঠাৰিডালে মদৰুৱা বৰণ ধাৰণ কৰে।

এবিধ মজলীয়া বিধৰ চিৰ সেউজীয়া গছ। ইয়াৰ কাঠ খৰি হিছাপে ব্যৱহাৰ

দল পদুলি, প্ৰজাতি—গ্লোচিদিৱন ভেলুটিনম পৰিয়াল—ইউফৰবিয়েছি দল পদুলি (অসমীয়া)
(Dolpoduli) Species—Glocidion velutinum Family—Euphorbiaceae

কৰাৰ বাহিৰে অন্য কোনো কামৰ উপযোগী নহয়। অসমৰ পাহাৰে-ভৈয়ামে থকা প্ৰায় সকলো প্ৰাকৃতিক পৰিবেশত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

পানী চিটিকি প্ৰজাতি—গ্লচিদিয়ন আছামিকম পৰিয়াল—ইউফৰবিয়েছি পানী চিটিকি (অসমীয়া)
(Pani Chitiki) Species—Glocidiun assamicum Family—Euphorbiaceae

এবিধ মজলীয়া আকাৰৰ চিৰহৰিৎ গছ। কাঠৰ মান সিমান উন্নত নোহোৱাত খৰিৰ বাহিৰে অন্য কোনো কামত লগোৱা নহয়।

ক্ল'ৰোফাইটম বা স্পাইদাৰ প্লেন্ট, মকৰা ফুলগছ, ক্ল'ৰোফাইটম কেপেন্সে ভেৰিগেটাম পৰিয়াল—লিলিয়েছি
(Spider Plant) Species—Chlorophytum capense variegatum Family—Liliaceae

এবিধ মোহনীয় আকৃতিৰ দীঘল দীঘল পাত ধাৰণ কৰা সৰু আকাৰৰ জোপোহা উদ্ভিদ। দীঘলীয়া আকাৰৰ পাতবোৰে পত্ৰসিৰৰ পোনে পোনে দীঘলীয়াভাৱে বগা বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ দুয়োকাষৰ দাঁতিৰ অংশ দীঘলীয়াভাৱে সেউজ বুলীয়া হয়। জোপাটোৰ গুৰিভাগৰপৰা দীঘল দীঘল ঠাৰিৰ উৎপত্তি হয়। সেই ঠাৰিত গাঁঠিয়ে গাঁঠিয়ে নতুন নতুন পোখা ওলায়। সেই পোখাবোৰ ওলমি ওলমি থাকিলে উদ্ভিদজোপাই এক প্ৰকাৰৰ অভিনৱ ৰূপ ধাৰণ কৰে।

উদ্ভিদৰ থোপা একোটা কোনো ধৰণৰ মাটিৰ বা অথবা অন্য কোনো পদাৰ্থৰ গামলাত লগাই ৰাখিলে গছজোপাৰ থোপাই অপূৰ্ব সৌন্দৰ্য ধাৰণ কৰে। এই গামলা ড্ৰইং ৰুমৰ চাইড টেবুল আদিত সজাই ৰাখিলে উত্তম পৰিৱেশৰ সৃষ্টি কৰে।

জাৰবেৰা, জাৰবেৰা জামেচনিয়াই প্ৰজাতি পৰিয়াল—কম্পোজিটি
(Gerbera, Barberton daisy) Species—Gerbera jamesonii Family—Compositae

এইবিধ ফুলজাতীয় উদ্ভিদৰ উৎপত্তি স্থান দক্ষিণ আফ্ৰিকাৰ নাটাল, ট্ৰেন্সভাল আদি বিভিন্ন দেশ। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যৰ মানুহে ফুলনিবাৰীৰ দাঁতি-কাষৰীয়া ঠাই আৰু পালেং আদিত লগায় ৰাখে।

ফুলগছজোপাই জোপোহা আকৃতি ধাৰণ কৰে। পাতৰ আকৃতি দীঘলীয়া ধৰণৰ হয়। জোপোহা গছজোপাৰ শিপা গুচ্ছৰপৰা ওলাই অহা দীঘল আকাৰৰ ঠাৰিডালৰ অগ্ৰভাগে ক্ৰাইচেনঠেমমৰ নিচিনা বিতোপন ফুল ধাৰণ কৰে। গছ অনুযায়ী ফুলপাহে ৰঙা, গুলপীয়া, হালধীয়া আদি ৰং ধাৰণ কৰে। গুৰিৰ শিপা গুচ্ছৰপৰা ওলাই অহা পুলিৰ পোখা ৰোপণ কৰি বংশবৃদ্ধি কৰা হয়।

বিগনিয়া মানচনিয়ানা

Begonia mansoniana, Family-Bignoniaceae

বিগনিয়া, বিগনিয়া চেমপাৰফ্লোৰেন্স্ পৰিয়াল—বিগনিয়েছি

(Begonia) Species—Begonia mansonia Family–-Bigoniaceae

কোমল ঠাৰি ধাৰণ কৰা এবিধ বিজাতীয় ফুল। ইয়াৰ উৎপত্তি স্থান দক্ষিণ আমেৰিকাৰ ব্ৰাজিল দেশ বুলি জনা যায়। ১৮২৯ খ্ৰীষ্টীয় বছৰতে ইয়াৰ সঁচ আনি ইংলণ্ডত ৰোপণ কৰা হৈছিল। ফৰাচী দেশৰ বিখ্যাত প্ৰকৃতিবিদ মাইকেল বেগনৰ (M.Michel Begon) নাম অনুসৰি এইবিধ বিচিত্ৰ উদ্ভিদৰ নাম বিগনিয়া ৰখা হয় আৰু বিগনিয়াচি নামৰ এটা পৰিয়ালত অন্তৰ্ভুক্ত কৰা হয়। আজিকালি এইবিধ উদ্ভিদ আমাৰ অসমতো দেখিবলৈ পোৱা যায়। মাটিৰ পাত্ৰ কিম্বা অন্যান্য পদাৰ্থৰ দ্বাৰা নিৰ্মিত বাচন ৰোপণ কৰি আলফুলকৈ প্ৰতিপালন কৰি ৰাখিলে সময়ত গোটেই জোপা বনগছ বিতোপন ফুলেৰে উপচি পৰে। উল্লেখযোগ্য যে বিগনিয়েচি পৰিয়ালৰ একাধিক বিদেশী ফুল আজিকালি অসমত দেখিবলৈ পোৱা যায়।

অলপ ডাঠ-চানেকীয়া আৰু সামান্যভাবে মঙহাল মিহি মিহি পাতবোৰে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। উজ্জ্বল সেউজীয়া পাতবোৰৰ দাঁতিত সৰু সৰু খাঁজৰ

আভাস পৰিলক্ষিত হয়। থোপা-থোপে ধৰা ফুলৰ পাহিবোৰে গাইগুটীয়াকৈ গছ অনুযায়ী ৰঙা, গুলপীয়া কিম্বা বগা বৰণৰ ৰং পৰিধান কৰে। গুটিৰপৰা পুলিৰ উদ্ভৱ হয়। ঠাল কাটি লগাই দিলেও নতুন গছৰ উৎপত্তি হয়।

বনপিঠা, প্ৰজাতি—ক্ৰাইচ'ফাইলিয়াম ৰাক্সবাৰ্গিয়াই ডনেলা ৰাক্সবাৰগিয়াই পৰিয়াল—চেপটেছি
(Bonpitha) Species--Chrysophyleum ruxburghii Syn-Donella ruxburghii Family--Sapothaceae

এবিধ মধ্যবিত্ত আকাৰৰ বনৰীয়া গছ। অসমৰ বনাঞ্চলবিলাকৰ কোনো কোনো ঠাইত এইবিধ চিৰ-সেউজীয়া গছ কেতিয়াবা দেখিবলৈ পোৱা যায়। বনভূমিবিলাকৰ কাষে-পাজৰে ঘৰ-বাৰী পাতি নিগাজীকৈ বা পমুৱা হিছাপে বাস কৰা মানুহৰ বাৰীতো এই জাতৰ দুই-এজোপা গছ থাকে। ইয়াৰ পোলোঙা গা-গছডাল আৰু শাখা-প্ৰশাখাবিলাকৰ বাকলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ আকৃতি থোপোকাকৈ আগজোঙা হয়। ফুলৰপৰা যিবিলাক ফল উৎপত্তি হয় সেইবিলাক ফলৰ আকৃতি কেতকুৰা একোটাৰ নিচিনা হয়। ফল মঙহাল হয় আৰু তাৰ ভিতৰত যিবোৰ ফুটা ধৰে সেই ফুটাবোৰৰ চাৰিওকাষে ফচ্‌ফচীয়া সামগ্ৰীৰ আৱৰণ থাকে। তাৰ ভিতৰত একোটাকৈ মজলীয়া আকাৰৰ গুটি থাকে। ফল পকিলে হালধীয়া হয়। সেই ফল খাবলৈ মিঠা মিঠা লাগে।

পিছলা, মেলিয়োস্মা চিম্পিছিফলিয়া পৰিয়াল—ছেবিয়েছি থৌ থৌৱা (শিৱসাগৰ) লাৰু-বন্ধা (লক্ষীমপুৰ আৰু ডিব্ৰুগড়) চান-কণাৰু (শোণিতপুৰ, দৰং) হেঙুলীয়া (নগাঁও) ফ'কো, ধাপা-পতীয়া (কামৰূপ) গুৱাবান আছিং (মিচিং) ফান-লান-জান আৰং (কাৰবি) দিয়েং-লিয়েইং থ্ৰং (খাচিয়া) বন-থোক লো (কাছাৰ)
(Pichola) Species—Maliosma simplicifolia Family—Sabiaceae

এবিধ সৰু আকাৰৰ চিৰ-সেউজীয়া গছ। বছৰৰ সকলো সময়তে পাত থাকে আৰু কেতিয়াও গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি লঠঙা হোৱা দেখা নাযায়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু তাৰ উপৰিভাগত সেউজীয়া বৰণৰ আভাস পৰিলক্ষিত হয়। দা বা কুঠাৰেৰে বাকলি কাটিলে ভিতৰখন গুলপীয়া দেখি। কটাৰ কিছু সময়ৰ পাছতে গুলপীয়া বৰণৰ পৰিৱৰ্তন ঘটে আৰু তেতিয়া বাকলিৰ ভিতৰভাগে ৰঙচুৱা বৰণ ধাৰণ কৰে। কটা ঠাইৰপৰা অলপ অলপ পানী ওলায়।

পাতৰ আকৃতি সামান্যভাৱে দীঘলীয়া হয়। পাতবোৰৰ কাষত কোনো খাঁজ কটা দাগ নাথাকে। ফুল থোপা-থোপে ফুলে। ফুলৰ বৰণ সামান্যভাৱে হালধীয়া হয়।

কাঠৰ বৰণ সামান্যভাৱে ৰঙচুৰা হয়। এই কাঠ অস্থায়ী কামত লগাব পাৰি।

পিয়ালি সুন্দৰী, নয়ন তৰা, লচ্‌নেৰা ৰ'জিয়া ভিনকা ৰ'জিয়া পৰিয়াল—এপোচায়েনেছি
Madagascar Periwinkle Lochnera rosea Synonym Species—Vinca rosea Family—Apocyanaceae

এবিধ নিচেই সৰু আকাৰৰ চিৰ-সেউজীয়া উদ্ভিদ। কেঁচা ঘৰৰ পিৰালি বা কাথিৰ কাষত ৰুই দিলে সোপা-সোপে ফুল ফুলি ঠাইডোখৰ শুৱনি কৰি ৰাখে। সেই কাৰণে এইবিধ ফুল জাতীয় গছক পিয়ালি সুন্দৰী বা নয়ন তৰা বুলি কোৱা হয়। ইয়াৰ গভীৰ সেউজীয়া পাতবোৰ সামান্যভাৱে দীঘলীয়া হয়। হাঁহৰ কণী এটা দীঘলে দীঘলে কাটি দুফাল কৰি দিলে যি ৰূপ ধাৰণ কৰা দেখা যায় আকাৰত পিয়ালি সুন্দৰীৰ পাতখিলাও ঠিক তেনেকুৱাই হয়। পাতৰ উপৰিভাগ মিহিকৈ উজ্জ্বল আৰু পিছল ধৰণৰ হয়।

ফুলৰ বৰণ দুই প্ৰকাৰৰ। কোনো কোনো বিধ গছত বগা ফুল হয় আৰু আন এবিধৰ ফুলবোৰ ৰঙা হয়। দুয়ো বিধ ফুলেই দেখাত শুৱনি আৰু আকৰ্ষণীয়। সহজতে হোৱা ফুল জাতীয় গছ বুলি মানুহে বৰ বেছিকৈ আদৰ নকৰে। এই জাতীয় উদ্ভিদৰ শিপাৰপৰা এক প্ৰকাৰৰ ঔষধ প্ৰস্তুত কৰিব পৰা যায় বুলি জনা যায়।

সৰ্পগন্ধা, ৰাবলফিয়া চাৰ্পেনটিনা ৰাবলফিয়া কানেছেন্স্ পৰিয়াল—এপোচায়েনেছি জোৱানছু (কাৰবি) কাৰি-কুৰুন্দা (বড়ো) টদং-পেইট্-পাৰাও (খাচিয়া) (Sarpagandha) Species—Rauvolfia serpentina (2) Rauvolfia canescens Family—Apocyanaceae

অসমৰ বনাঞ্চলবিলাকৰ ঠায়ে ঠায়ে উৎপত্তি হোৱা এবিধ ঔষধ জাতীয় ক্ষুদ্ৰাকাৰ উদ্ভিদ। ইয়াৰ দুটা প্ৰজাতি আছে। প্ৰথম প্ৰজাতিৰ বনগছ অসমৰ হাবি-বননিত উৎপত্তি হয়। দ্বিতীয় বিধৰ সঁচ অসমৰ বনবিভাগে বিদেশৰপৰা আনি পৰীক্ষামূলকভাৱে লগোৱাৰ ব্যৱস্থা হাতত লৈছে। ঔষধ জাতীয় উদ্ভিদৰ বাগান নিৰ্মাণ কৰিবলৈ লোৱা আঁচনিত এই দুয়ো বিধ বন গছ লগোৱা হৈছে।

দুয়ো বিধ সৰ্পগন্ধাৰ ঠাৰি আৰু পাতে সেউজীয়া বৰণ পৰিধান কৰে। পাতৰ ওপৰ লুটিয়ে গভীৰ সেউজবুলীয়া ৰং প্ৰদৰ্শন আৰু তলৰ লুটি তুলনামূলকভাৱে শেঁতা হয়। মূল সিৰ দুয়োফালে ৮-১২ যোৰাকৈ শাখা সিৰৰ উৎপত্তি হয়।

ফুলবিলাকে চুঙাপহীয়া আকৃতি ধাৰণ কৰে। পাহিবিলাক বগা আৰু চুঙাৰ বৰণ ৰঙচুৰা হোৱা দেখা যায়। ফুলবোৰে একোডাল ঠাৰি আগভাগত থোপাৰ

আকাৰে বিকাশ লাভ কৰি থাকে। সৰু সৰু আৰু গোল আকৃতিৰ ফলবোৰ মঙহাল হয়। ফল পকিলে প্ৰথমতে ৰঙচুৱা হয় আৰু শেষ পৰ্যায়ত ক'লা বৰণ ধৰে।

সৰ্পগন্ধা শিপা ঔষধত লাগে।

বিগনিয়া, বিগনিয়া টিউবাৰ'জা পৰিয়াল—বিগ'নিয়েছি
Tuberous begonia Species—Begonia tuberosa Family—Begoniaceae

এবিধ আকৰ্ষণীয় ফুল ধাৰণ কৰা লতা জাতীয় বিজাতীয় গছ। কাতি-আঘোণ মাহত থোপা-থোপে ধাৰণ কৰা অসংখ্য ফুলেৰে লতাডাল উপচি পৰে। ফুলবোৰে গুলপীয়া ৰং ধৰে। এই ফুল ছিঙি নাকৰ ওচৰলৈ নিলে নহৰুৰ নিচিনা অকটা গোন্ধ অনুভৱ কৰা যায়। আগতে এইবিধ উদ্ভিদ অসমত দেখিবলৈ পোৱা নগৈছিল। বিতোপন ফুল ধাৰণ কৰাৰ বাবে কোনোবাই বাহিৰৰপৰা ইয়াৰ সঁচ আনি লগাবলৈ আৰম্ভ কৰিলে। আজিকালি বহুতো মানুহৰ বাৰীত এইবিধ উদ্ভিদ দেখিবলৈ পোৱা যায়। শিপাৰপৰা নতুন পুলিৰ পোখা মেলে। সেই পুলি বেলেগ ঠাইত লগাই দিলে নতুন লতাৰ উৎপত্তি হয়। পূৰঠ ঠাল ৰোপণ কৰি ইয়াক লগাব পাৰি।

জেউৰা, পকীবেৰা আৰু জোপোহা গছত বগাই যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। হেঁদালিৰ নিচিনাকৈ চাপৰ চাং বনাই দিলে সুফল পোৱা যায়। বাকলিয়ে ছাই-বৰণীয়া বৰণ ধাৰণ কৰে। ডাঠ-চানেকীয়া পাতবোৰৰ আকৃতি টুবুকা-টুবুক হয়। পাতৰ বৰণ সামান্যভাৱে গেৰুৱা বা শেঁতা হয়।

আঙুলি ফুল, বিগ্নোনিয়া-ভেনুষ্টা বিগনোনিয়েচি
(Golden Shower) Species—Bignonia venusta Bignoniaceae

কমলা ৰঙৰ অসংখ্য বিতোপন পুষ্পৰ থোপাৰে আশ্ৰয় প্ৰদান কৰা ঠাইডোখৰ উপচাই পেলাব পৰা এবিধ লতা জাতীয় উদ্ভিদ। এইবিধ বিচিত্ৰ উদ্ভিদৰ উৎপত্তি স্থান পশ্চিম গোলাৰ্দ্ধৰ ব্ৰাজিল দেশ বুলি জনা যায়। ইয়াৰ সঁচ পোনপ্ৰথমতে ভাৰত-ভূমিলৈ কেতিয়া আহিল সঠিকভাৱে জনা নাযায়। আজি অসমৰ বহুতো মানুহৰ ঘৰত এইবিধ উদ্ভিদ দেখিবলৈ পোৱা যায়।

সাধাৰণতে বছৰটোৰ সৰহখিনি সময় লতাডাল অকাবিকা হৈ থাকে। মাঘ-ফাগুনমহীয়া অসংখ্য ফুলৰ থোপাৰে লতাডাল উপচি পৰে। বাটচ'ৰা, ঘৰৰ চাল, বাঁহৰ বেৰা আদিত বগাবলৈ দিলে সুফল পোৱা যায়। বৰ্ষাকালত ইয়াৰ ঠাল ছিঙি আনি আলফুলকৈ যথাস্থানত ৰোপণ কৰি ৰাখিলে লাহে লাহে পুলিবোৰ ডাঙৰ হয় আৰু কিছুদিনৰ পাছত ঘৰৰ চাল বা বাঁহেৰে তৈয়াৰ কৰা হেঁদালি লতাডালে আগুৰি

ধৰে। ফুল ফুলিলে গোটেইডোখৰ ঠাইয়ে ৰমক-জমক ৰূপ পৰিধান কৰে।

মিৰিকা, টেঙা এলিগনাচ ল্যেটিফলিয়া পৰিয়াল—এলিগনেচি মিৰিকা টেঙা (অসমীয়া) লহৰাৰে (কাছাৰ) বিৰাই আছিং (মিচিং) চলেংগি অৰিকং (কাৰ্বি) চহ্ চাং (খাচিয়া) (Mirika Tenga) Species—Elaeagnus latifolia Family—Elaegnaceae

এবিধ ডাঙৰ আকাৰৰ টান বিধৰ লতা। গা-গছডাল আৰু ঠাল-ঠেঙুলিবিলাকত মাজে সময়ে দুই-চাৰিটা কাঁইট দেখিবলৈ পোৱা যায়। বাকলিখন ক'লা-চানেকীয়াকৈ মুগা হয়, সেই বাকলিৰ উপৰভাগ সিমান মিহি নহয়। বাকলিত ঘাপ এটা মাৰিলে ভিতৰখনৰ বৰণ প্ৰথমতে ৰঙা দেখি। পাছত ক'লা পৰি যায়। ঠাল-ঠেঙুলিৰ বাকলিবোৰত মুগা বৰণীয়া কিছুমান খহু হয়। ফুলবোৰ বৰণত শেঁতা আৰু আকাৰত তেনেই সৰু হয়। ফলবোৰ মঙহাল। জলফাই টেঙা একো একোটাৰ নিচিনা দীঘলীয়া। পাতৰ বৰণ বগা-চানেকীয়াকৈ মুগা হয়। ফলবোৰ পকিলে ৰঙা হয় যদিও তাৰ ওপৰত বগা-চানেকীয়া বৰণৰ আৱৰণ এখন থকা যেন লাগে। ফল খাবলৈ টেঙা হ'লেও একৰকম উপাদেয় বুলি মানুহে মুখ দি ভাল পায়। জনজাতীয় মানুহবিলাকে হাবিৰপৰা বিচাৰি আনি টুকুৰিয়ে টুকুৰিয়ে সাপ্তাহিক বজাৰত বিক্ৰী কৰেহি।

কৰবী, নেৰিয়াম ইন্দিকম পৰিয়াল—এপ'চায়ানেছি কনৌৰ, কনৰ, কণৰু (অসমীয়া) (Korobi) Species—Nerium indicum Family—Apocyanaceae

হালধীয়া ফুল ধাৰণ কৰা এবিধ কৰবী ফুলক কনৌৰ বুলি কোৱা হয়। কোনো কোনোৱে ইয়াক কনোৰ অথবা কনৰু নামেৰেও অভিহিত কৰিব খোজে। গুৰিত চুঙাৰ নিচিনা আকৃতি ধাৰণ কৰা পাহিৰ অগ্ৰভাগ পাঁচপহীয়াকৈ মেল খায়। ফুলৰপৰা এক প্ৰকাৰৰ সুগন্ধ ওলায়। ৰাতিপুৱা তলসৰা ফুলেৰে গছৰ তলখন উপচি পৰা দেখা যায়। ফুল পাত আৰু ডালত ঘা আদি লগালে তাৰপৰা গাখীৰৰ নিচিনা ৰস ওলায়।

পাতৰ আকৃতি ছিৰিলি ছিৰিলিকৈ দীঘলীয়া হয়। ওপৰ লুটি তলৰ লুটিতকৈ অধিক সেউজীয়া হয়। পাতৰ উপৰিভাগত কোনো উপসিৰাই বিকাশ লাভ কৰা দেখিবলৈ পোৱা নাযায়।

কৰবী, নেৰিয়ম অ'লিয়েন্দাৰ পৰিয়াল—এপ'চায়ানেছি (Korbi) Species—Nerium Oleandor Family—Apocyanaceae

গছ অনুযায়ী গাই-গুটীয়াভাৱে বগা, হালধীয়া আৰু ৰঙচুৱা ফুল ধাৰণ কৰা এবিধ জোপোহা আকৃতিৰ ঘৰত লগোৱা গছ। গা-গছ আৰু পূৰঠ ডালবোৰে ছাই-

বৰণীয়া ৰূপ ধাৰণ কৰে। কুমলীয়া ঠাল-ঠেঙুলিবিলাকৰ বাকলিৰ বৰণ সেউজীয়া হয়। অলপ ডাঠ তলুৱা পাতবোৰৰ আকৃতি ছিৰিলি ছিৰিলি দীঘলীয়া হয়। পাতবোৰৰ তলৰ লুটিতকৈ ওপৰৰ লুটি অধিক সেউজীয়া হয়। পাতৰ দাঁতিভাগ মিহি হয়। মূল ঠাৰিডালৰ বাহিৰে পাতৰ তলিচাত কোনো প্ৰকাৰৰ উপসিৰাই বিকাশ লাভ কৰা দেখা নাযায়।

গাইগুটীয়াকৈ বিকাশ লাভ কৰা ফুলৰ আকৃতি চুঙাগঢ়ীয়া হয়। চুপহিৰ ৫ টাকৈ লতিকা থাকে। ৫ টা ৫ টাকৈ উৎপত্তি হোৱা পাহিৰ গুৰিভাগ ওপৰা-উপৰিকৈ লগ লাগি গুৰিত সংলগ্ন হয়। ফলৰ আকৃতি পানী-শিঙৰিৰ ফলৰ নিচিনা হয়। ফলৰ ভিতৰত একোটা চেপেটা বিধৰ গুটি হয়। ফল আৰু গছজোপাৰ ডাল বা পাতত ঘা লগালে গাখীৰৰ নিচিনা আঠা ওলায়। হিন্দুসকলে ইয়াৰ ফুল পূজাত লগায়।

হালধীয়া কৰবী, আলামান্দা হেন্দাৰচনি এপোচায়েনেচি
(Yellow Oleander) Species—Allamanda hendersoni Family—Apocyanaceae

ডাঙৰ ডাঙৰ আকাৰৰ হালধীয়া ফুল ধাৰণ কৰা এবিধ ফুলনিবাৰীত লগোৱা উদ্ভিদ। জোপোহা গছজোপাৰ ঠাল-ঠেঙুলিবোৰে লতাৰ দৰে বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। লতাৰ নিচিনা লেহুকা ঠানিবোৰত ধাৰণ কৰি ৰাখিবৰ বাবে কোনো কোনো মানুহে বাঁহ-কাঠৰ জকা একোটা বনাই দিয়ে কিম্বা ঠেকা-ঠুকলি দি ডালবোৰ ওপৰমুৱা কৰি ৰাখে। যেতিয়া জোপোহা গছজোপাই অসংখ্য হালধীয়া ফুল ধাৰণ কৰি উপচি পৰে তেতিয়া দেখিবলৈ অতি ভাল লাগে। চৌহদৰ মুকলি ঠাই আৰু ৰাজহুৱা উদ্যানবিলাকত প্ৰায়েই এইবিধ ফুল জাতীয় উদ্ভিদ দেখিবলৈ পোৱা যায়।

ফুলৰ চুঙাপহীয়া গুৰি অংশৰপৰা চুপহিৰ পাহিবোৰে চক্ৰাকাৰ ৰূপ ধাৰণ কৰি মেল খাই থাকে। ডাল কিম্বা ফুলবোৰ হাতেৰে ভাঙিলে ভঙা ঠাইৰপৰা অলপ-অচৰপ বগা এঠা ওলাই আছে।

গুলচী, গুলঞ্চ প্লুমেৰিয়া আলবা, পৰিয়াল—এপোচায়েনেছি। প্লুমেৰিয়া একিউটিফলিয়া। মিৰ-কং-লং-আৰং (কাৰ্বি) গুলাইচ, গুলচি (কাছাৰ) গুলচি (অসমীয়া)
(Gulanchi) Plumeria alba Syn Species—Plumeria acutifolia Family—Apocyanaceae

সৰু আকাৰৰ গছ। গা-গছডাল কোমল বিধৰ হয়। বাকলিখনো সোপোকা আৰু কোমল। গুৰি ভাগৰেপৰা গা-গছডাল অলপ বেঁকা-বেঁকি হৈহে ওপৰৰফালে উঠি যায়। কোমল দেহৰ গছ হোৱাৰ

বাবেই পোনপটীয়াকৈ ওপৰলৈ উঠি যোৱাত এইবিধ গছৰ অলপ অসুবিধা হয় যেন লাগে। মঠ-মন্দিৰ, বিগ্ৰহ, থান, আদিৰ চৌহদত আৰু কাষে-পাজৰে থকা হাবি-বননিৰ মাজত এইবিধ গছ অনায়াসে দেখিবলৈ পোৱা যায়। মন্দিৰৰ পূজাৰীয়ে এই ফুল আনি দেৱতাক অৰ্পণ কৰেহি।

পাতবিলাক দীঘলীয়া ডাঠ আৰু একৰকম মঙহাল। ফুল থোকা-থোকে ফুলে। এই ফুলবোৰৰ বৰণ সাধাৰণতে বগা হয়। অলপ ৰঙা বৰণৰ ফুল ধৰা আন এবিধ গুলচি ফুলৰ গছ ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। ৰাতিপুৱা বেলিকা এইবিধ গছৰ তলখন ফুলেৰে উপচি থাকে। ফুল ছিঙিলে বা গছজোপাৰ ঠাল এটা ভাঙিলে তাৰপৰা গাখীৰৰ নিচিনা বগা ৰস বাহিৰ হয়।

আকণৰ ফুল Akon, Crown Plant

Calotropis gigantia, Family—Asclepiodaceae

আকণ, কেলোট্ৰপিছ জাইগান্‌টিয়া পৰিয়াল—এচ্‌ক্লেপিদিয়েছি (Akon, Crown Plant) Species—Calotropis gigantea. Family—Asclepiadiaceae

এবিধ সৰু আকাৰৰ লেহুকা গছ। আলিবাটৰ দাঁতি-কাষৰীয়া ঠাইত কিম্বা মুকলিমুৰীয়া ঠাইত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। ঠাৰি আৰু পাতবোৰে শেঁতা বৰণ প্ৰদৰ্শন কৰে। ঘা লগাই দিলে গছজোপাৰপৰা গাখীৰৰ নিচিনা বগা ৰস ওলায়। পাতবোৰ ডাঠ আৰু কোমল-চানেকীয়া হয়। প্ৰত্যেক খিলা পাত আকৃতিত অলপ দীঘলীয়াকৈ গোলাকাৰ হয়। সিৰা-উপসিৰাবিলাক স্পষ্টভাৱে দেখিবলৈ পোৱা যায়।

পাতৰ দাঁতিবোৰ সমান হয় আৰু তাত কোনো ধৰণৰ খাঁজ কটা দাগে বিকাশ লাভ কৰা দেখা নাযায়।

ফুলৰ বৰণ বগা-চানেকীয়া হয়। তাত বেঙুনীয়া ৰঙৰ আভাস পৰিলক্ষিত হয়। গছজোপাত ঘা লগাই দিলে লেটেক্স নামৰ যি বগা ৰস বাহিৰ হয় সেই ৰস কিবাকিবি ঔষধত ব্যৱহাৰ কৰিব পাৰি বুলি জনা যায়। এই গছৰ পাতকেইখিলামান থেতেলি লৈ কাপোৰত বান্ধি আৰু অলপ সময়ত জুইত সেকি উখহা ঠাইত সেক দিলে আৰাম পোৱা যায়। তদুপৰি ইয়াৰ কেইখিলামান পাত পিহি জুইয়ে পুৰা ঠাইত লগাই দিলে উপকাৰ পোৱা যায় বুলি শুনা যায়।

সৰু আকণ, কেলোট্ৰপিছ প্ৰছেৰা পৰিয়াল-এচক্লেপিদিয়েছি (Soru Akon) Calotropis procera Family-Aselepindaceae

ইয়াৰ আগৰ শিতানত আকণ নামেৰে পৰিচিত এবিধ বিচিত্ৰ উদ্ভিদৰ বৰ্ণনা লিপিবদ্ধ কৰি অহা হৈছে। সেই একেবিধ উদ্ভিদৰে এটা সৰু জাত ঠাই অনুযায়ী কেতিয়াবা অকস্মাতে দেখিবলৈ পোৱা যায়। এইবিধ উদ্ভিদক সৰু আকণ নামেৰে অভিহিত কৰিব পাৰি। এইবিধ আকণৰ গছ যে আকাৰত আগৰ বিধতকৈ সৰু হ'ব উল্লেখিত নামৰ দ্বাৰা এইটো কথা প্ৰতিপন্ন হয়। গছজোপাৰ ঠাৰিবিলাকে মাটিলৈ হাউলি হাউলি যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতবিলাক ডাঠ হয় আৰু আকৃতিত এই পাতবোৰেও দীঘল চানেকীয়াকৈ গোটা ৰূপ ধাৰণ কৰে। ঘা লাগিলে ঠাৰি আৰু পাতৰপৰা গাখীৰৰ নিচিনা ৰস ওলায়।

ফুলবোৰৰ বৰণ বগা-চানেকীয়া হয়। সুঙি চালে এক প্ৰকাৰৰ সুগন্ধ অনুভৱ কৰিব পাৰি। এইবিধ গছৰ পাতবোৰো আৱশ্যক অনুযায়ী ঔষধ হিছাপে ব্যৱহাৰ কৰিব পাৰি বুলি জনা যায়। খৰালিমহীয়া ফুল ধৰে।

ৰঙা গুলচি, প্লুমেৰিয়া ৰুব্ৰা পৰিয়াল—এপ'চায়েনেছি (Red Gulachi, Crimson temple tree) Crinson temple tree Species—Plumeria rubra Family-Apocyanaceae

আগৰ শিতানত বৰ্ণনা কৰি অহা গুলচি ফুল কিম্বা গুলঞ্চৰ আন এটা জাত ঠাই অনুযায়ী দেখিবলৈ পোৱা যায়। এইবিধ গুলচিৰ ফুলবিলাক ৰঙচুৱা হয়। আগৰ বিধৰ দৰে এইবিধ গুলচিৰ ফুলবোৰো অলপ সুগন্ধি হয়। এইবিধ উদ্ভিদৰো উৎপত্তি স্থান মধ্য আমেৰিকা বুলি জনা যায়। ডাল কাটি লগাই দিলেই নতুন গছৰ উৎপত্তি হয়।

বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। গা-গছ আৰু ডাল-ডোলবিলাকৰ

ভিতৰৰফালে উৎপত্তি হোৱা কাঠ কোমল-চানেকীয়া। পাতবোৰৰ আকৃতি দীঘলীয়া হয়। পাতবোৰ ডাঠ হয় এই পাত হাতেৰে ভাঙি দিলে গাখীৰৰ নিচিনা বগা বগা ৰস ওলায়। পাতৰ দুয়োকাষত শাখাসিৰৰ উৎপত্তি হয়। ফুল থোপা-থোপে ফুলে।

বেল, শ্ৰীফল, ইগ্‌ল মাৰ্মেলছ্ পৰিয়াল—ৰুটেছি বেহেল (বড়ো) চহ্-বেল (খাচিয়া) ছিপ্ৰি (ৰাভা) বেলেথি (আছিক)

(Wood Apple) Species—Aegle marmelos Family—Rutaceae

এবিধ মজলীয়া আকাৰৰ গছ। আমাৰ মানুহে দুই-এজোপা গছ বাৰীত লগাই ৰাখে। মঠ-মন্দিৰ, নামঘৰ আদিৰ চৌহদতো এইবিধ গছ লগাই ৰখা হয়। অসমৰ বনাঞ্চলবিলাকৰ কোনো কোনো ঠাইত ইয়াক একেডোখৰ ঠাইতে সৰহীয়াকৈ উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়।

বাকলিয়ে ধোঁৱা-বৰণীয়া ৰূপ ধাৰণ কৰে। গাইগুটীয়াভাৱে কোনো কোনো জোপা গছৰ গা-গছডালে অলপ টেৰা-বেঁকা আকৃতি প্ৰদৰ্শন কৰে। আন কিছুমান গছৰ আকৃতি গোল হয়।

প্ৰত্যেকখিলা মূল পাতে তিনিখিলা তিনিখিলাকৈ শাখা-পত্ৰিকা ধাৰণ কৰে। দুখিলা সৰু আকাৰৰ পাত বিপৰীতমুখী হয়। ঠাৰিৰ আগত অকলশৰীয়াভাৱে থকা শাখাপাত আকাৰত আটাইতকৈ ডাঙৰ হয়।

সৰু সৰু ফুল ধৰে। পূৰ্বঠ ফুলৰপৰা টান বাকলি ধাৰণ কৰা গোটা গোটা ফল হয়। ফলৰ ভিতৰখন কোমল হয় আৰু তাত আঠাযুক্ত গুটি ধৰে। ফল পকিলে খাবলৈ ভাল লাগে। গাখীৰ মিহলাই খাব পাৰি।

হিন্দু ধৰ্মাৱলম্বী লোকে বেলপাত পূজাত লগায়। এই জাতৰ ডাঙৰ বিধ বেলক শ্ৰীফল কোৱা হয়।

বজ্ৰনলি, জেন্থোজাইলম বুদ্ৰঙ্গা পৰিয়াল-ৰুটেছি টিংগাং আৰং (কাৰ্বি) অংৰেত (নগা) চুমেট ছেং (আছিক) দিয়েং কা চিন্‌ৰাং (খাচিয়া) বজ্ৰলবি (বড়ো)

(Bajra Nali) (Variety) Species—Zanthoxylum budrunga Family—Rutaceae

এবিধ মজলীয়া আকাৰৰ আওকাঠী গছ। বাকলিখন কোমল চানেকীয়াকৈ সোপোকা ধৰণৰ হোৱা দেখা যায়। গছজোপাত চেপেটা চেপেটা আকাৰৰ কাঁইটে বিকাশ লাভ কৰি থাকে। ডাল-ডোলৰ সংখ্যা বৰ বেছি হোৱা দেখা নাযায়।

বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰে। বাকলিৰ ওপৰত ছিৰালৰ

নিচিনাকৈ ফাট মেলাৰ আকৃতি দৃষ্টিগোচৰ হয়। অলপ দীঘল চানেকীয়া পাতৰ বিকাশ হয়। শাখা পাতবোৰৰ স্থাপন পদ্ধতি বিপৰীতমুখী হোৱা দেখা যায়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠক উত্তম পৰ্যায়ৰ কাঠ বুলি গণ্য কৰিব নোৱাৰি। অস্থায়ী ঘৰৰ খুঁটা লগোৱা আদি লাপি-লুপা কামত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

বজ্রনলি, (প্ৰকাৰ) জেন্‌থোজাইলম মিৰিওকাণ্থম্ পৰিয়াল—ৰুটেছি স্থানীয় নাম—জনা নাযায়
(Bajra-nali) (Variety) Species—Zanthoxylum myriacanthum Family—Rutaceae

এবিধ ওখ বিধৰ বনৰীয়া গছ। একোজোপা পূৰ্ঠ গছৰ উচ্চতা ২৫ মিটাৰ পৰ্যন্ত হোৱা দেখিবলৈ পোৱা যায়। গোলাই ডেৰ মিটাৰমান হয়। লক্ষীমপুৰ জিলাৰ দুলং সংৰক্ষিত বনাঞ্চলৰ বাহিৰে অন্য কোঁনো ঠাইতে এইবিধ গছ থকা বা নথকাৰ বিষয়ে সঠিকভাৱে জনা নাযায়। ইয়াৰ স্থানীয় নাম জনাৰো কোনো অভিলেখ নাই। আনকি বিশিষ্ট উদ্ভিদবিদ্ ইউ এন কাঞ্জিলাল, পি চি কাঞ্জিলাল, এ দাস আৰু চি পুৰুকায়স্থই সংকলন কৰা ফ্লোৰা অব আচামতো (প্ৰথম খণ্ড দ্বিতীয় ভাগ) ইয়াৰ উল্লেখ পোৱা নাযায়। সেইবাবে নতুন চামৰ উদ্ভিদ বিজ্ঞানীসকলে ইয়াৰ উৱাদিহ বিচাৰি উলিয়াবৰ বাবে থলি এখন এতিয়াও পৰি আছে বুলি ক'ব পাৰি।

বাকলিখনৰ ৰং মদৰুৱা বা ছাই-বৰণীয়া হয়। কোনো কোনো জোপা গছৰ ক্ষেত্ৰত বায়বীয় শিপাৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। বাকলিৰ উপৰিভাগত বজ্রনলি গছৰ বাকলিৰ দৰে গুৰি মোটা আৰু আগৰফালে ক্ৰমে জোঙা হৈ যোৱা বিধৰ কাঁইটৰ উৎপত্তি হয়। তাৰোপৰি পথালি পথালিকৈ বিকশিত হোৱা কিছুমান খহুলা-খহুলি দাগ থাকে। বাকলিৰ ভিতৰৰ মঙহাল সোপোকা অংশ গভীৰভাৱে হালধীয়া হয়। যৌগিক পত্ৰৰ পত্ৰিকাবোৰে যোৰ পক্ষযুক্ত ৰূপ ধাৰণ কৰে। পাত ধাৰণ কৰা ঠাৰিডাল কাঁইটীয়া হয়। পত্ৰিকা বা শাখা পত্ৰবিলাক বিপৰীতমুখী অথবা প্ৰায় বিপৰীতমুখীভাৱে স্থাপিত হোৱা অৱস্থাত দেখা যায়। পাতবোৰৰ মাজভাগ সমান্তৰালভাৱে দীঘলীয়া, ডিম্বাকৃতি আৰু আগৰফালে কৌণিকভাৱে জোঙা হয়। গুৰিৰফালৰ প্ৰত্যেক অৰ্দ্ধাংশ ঘূৰণীয়াকৈ ভাঁজ খোৱাৰ আকৃতি ধাৰণ কৰে। গভীৰ সেউজবুলীয়া পাতৰ উপৰিভাগ মসৃণ হয়। ওপৰৰ পিঠি তলৰ পিঠিতকৈ অধিক উজ্জ্বল হোৱা দেখা যায়। হাতেৰে ভাঙি দিলে পাতৰপৰা এক প্ৰকাৰৰ সুগন্ধি ৰস ওলায়।

পাতৰ শাখাসিৰবিলাকৰ সৰহ সংখ্যা পাতৰ বহল অংশত উৎপত্তি হয় আৰু বাকী কেইডালমান ঠেক অংশই ধাৰণ কৰে। আকৃতিৰ উপসিৰবিলাক ধেনুভিৰীয়াকৈ বেঁকা হয় আৰু মধ্যভাগতে সৰু সৰু শাখাসিৰৰ উৎপত্তি হৈ এক প্ৰকাৰৰ জালিৰ উৎকৰ্ষ সাধন হোৱা পৰিলক্ষিত হয়। পাত ধাৰণ কৰা ঠাৰিবোৰ চুটি চুটি হয়।

পুষ্প বিন্যাসৰ স্বৰূপ ছত্ৰাকাৰ হয়। একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। উৎপাদিত কাঠে অলপ হালধীয়া বৰণ পৰিধান কৰে। কাঠ উন্নত পৰ্যায়ৰ নহ'লেও তক্তা আদি ফালি অস্থায়ী কামত লগাব পাৰি।

বজৰ মালি বা বজ্ৰনলি, (প্ৰকাৰ) জেন্‌থোজাইলাম ৰেট্‌ছা পৰিয়াল—ৰুটেচি বজৰ মণি, বজৰমালি, বজ্ৰমালি (অসমীয়া) অন্‌গাৰ আছিং (মিচিং, মিৰি) হানজৰ, থেং-নাং-আৰং (কাৰ্বি) মালাফাং, থেনথে লাউ ফাং, জিংগিৰ ফাং (কছাৰী) জুৰ্ থম্‌থিং (কুকি) হেচুৰি চিং (নাগা) বলমিচেং, চুমিচেং (গাৰো) দিয়েং চহ্ মিৰিক (খাচিয়া)

Bajranali (Variety) Species—Zanthoxylum retusa Family—Rutaceae

এবিধ মধ্যমীয়া উচ্চতাৰ পৰ্ণপাতী গছ। কেতিয়াবা স্বাভাৱিক পৰিবেশত একোজোপা পূৰঠ গছে ২৫ মিটাৰমান উচ্চতালৈ আৰোহণ কৰা দেখা যায়। তেনে গছৰ গুৰি অংশৰ গোলাই এক মিটাৰ পৰ্যন্ত হয়। গছজোপাৰ কিৰিটিয়ে (Crown) মুকলি ঠাইত ছত্ৰাকাৰ আকৃতি ধাৰণ কৰে। গা-গছ আৰু ডালবোৰৰ গুৰি ভোটা বিধৰ কাঁইটেৰে পৰিপূৰ্ণ হৈ থাকে। গা-গছত বিকশিত হোৱা কাঁইটবোৰৰ অগ্ৰভাগ পোন আৰু ডাল-ডোলত উৎপন্ন হোৱা কাঁইটবিলাকৰ আগভাগে বৰশিৰ দৰে পাক খাই থকাৰ আকৃতি ধাৰণ কৰে। কাঁইটৰ গুৰিৰ অংশ কুহিলাৰ দৰে সোপোকা হয়।

বাকলিৰ মঙহাল অংশ বটলৰ মুখ বন্ধ কৰা ঠিলাৰ দৰে সোপোকা হয়। বাহিৰৰফালে থকা তৰপ হালধীয়া হয় আৰু ভিতৰৰ তৰপে মুগা বৰণ পৰিধান কৰে। মুক্ত অৱস্থাত খন্তেক থকাৰ পাছতে মুগা ৰঙৰ সলনি ঘটি ক'লা-চক্‌লেট বৰণৰ উদ্ভৱ হয়। যৌগিক পত্ৰৰ শাখাপাতবিলাক কেতিয়াবা যুগ্ম আৰু কোনো কোনো ক্ষেত্ৰত অযুগ্মভাৱে সংস্থাপিত হৈ থাকে। ঠাৰি অগ্ৰভাগবোৰত সৰহীয়াকৈ সিহঁতৰ সমাবেশ পৰিলক্ষিত হয়। শাখাপাত ধাৰণ কৰি থকা মুখ্য ঠাৰিডালৰ (Rachis) আকৃতি গোল (Terete) হয় আৰু ইয়াৰ উপৰিভাগ নোমহীন নিমজ (Glabrous) হোৱা পৰিলক্ষিত হয়। মূল ঠাৰিত বিকশিত হোৱা শাখাপাতবোৰ বিপৰীতমুখী হয়। পাতৰ আকৃতি বল্লমাকাৰ।

টোলোঠা পকা, প্ৰজাতি—গ্লাইকচমিছ পেন্টাফাইলা বিকল্পে—গ্লাইকচমিছ কচিনচাইনেন্সিছ পৰিয়াল—ৰুটেছি টোলোঠা পকা (অসমীয়া) হেঙেনা পকা (অসমীয়া) অশ্বস্থ কটা (সংস্কৃত) এম্ব্ৰোৰা, এজোৰা (বঙালী) বন নিম্বু (হিন্দী) কাল জামিন (হিন্দী) (Tulutha Poka)
Species–Glycosmis pentaphylla Syn-Glycosmis cochinchinensis Family–Rutaceae Tooth brush plant (ইংৰাজী)

এবিধ সৰু আকাৰৰ চিৰ হৰিৎ উদ্ভিদ। ঠালবিলাক দাঁত-ঘঁহা বুৰুজ হিছাপে ব্যৱহাৰ কৰিব পাৰি। পকা ফলবোৰ খোৱাৰ উপযোগী।

উজনি অসমৰ জিলাবোৰত ইয়াৰ উৎপত্তি পৰিদৃষ্ট হয়।

মুচাম্বি, চাইট্ৰাছ মেডিকা (প্ৰকাৰ) পৰিয়াল-ৰুটেচি
(Muchambi) Species-Citrus medica (Variety) Family-Rutaceae

নেমু গোষ্ঠীৰ আন এবিধ মূল্যবান ফল ধাৰণ কৰা লাগতিয়াল গছ। গছজোপা নেমু, সুমথিৰা আদি গছৰ দৰে আকাৰত মজলীয়া হয়। কাণ্ড, শাখা, প্ৰশাখা, পাত, ফুল আদিৰ ক্ষেত্ৰতো এই গোষ্ঠীৰ উদ্ভিদবিলাকৰ মাজত গভীৰ সাদৃশ্য নিহিত হৈ আছে।

আমাৰ অসমত ইয়াৰ উৎপত্তি সিমান বেছি হোৱা দেখা নাযায়।

জৰা, জৰা টেঙা, ছাইট্ৰাছ মেডিকা পৰিয়াল-ৰুটেছি
(Jora Tenga) Species–Citrus medica (Var) Family–Rutaceae

কাগ্‌জি নেমুৰ নিচিনা দীঘলীয়া ফল ধাৰণ কৰা এবিধ বাৰীত লগোৱা লাগতিয়াল উদ্ভিদ। টেঙাটোৰ বাকলিখন অলপ ডাঠ আৰু মঙহাল হয়। দীঘলীয়া টেঙাটোৰ ভিতৰত যিবিলাক ফুট থাকে সেই ফুটবিলাক চেপি তাৰপৰা ৰসখিনি উলিয়াই চৰ্বতৰ দৰে নিমখ বা চেনি মিহলি কৰি খাব পাৰি। ৰ'দত টান কাম কৰি গাৰ ঘাম উলিওৱা মানুহে টেঙাটো চকলিয়াই চকলিয়াই কাটি নিমখ-জলকীয়াৰ সৈতে খাই পৰম তৃপ্তি লাভ কৰে।

এইবিধ টেঙা গছৰ মূল, গা-গছ আৰু পুৰঠ ঠাল-ঠেঙুলিবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। চৌপাশে মেলাহিকৈ বিকশিত হোৱা ঠাল-ঠেঙুলিবিলাকৰ প্ৰভাৱত গছডালে জোপোহা আকৃতি প্ৰদৰ্শন কৰে। আগৰফালে ক্ৰমে জোঙা হৈ যোৱা দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ধাৰণ কৰা পাতবোৰ অলপ ডাঠ হয়। বৰণত গভীৰ সেউজবুলীয়া পাতখন হাতেৰে মোহাৰি ভাঙি দিলে স্বাভাৱিক টেঙাৰ গোন্ধ উপলব্ধি কৰিব পাৰি। ফুলবোৰৰ বৰণ বগা হয়।

চোকা টেঙা, চাইট্ৰাছ ডকুমানা পৰিয়াল— ৰুটেছি
(Chuka Tenga) Species—Citrus decumana (var) Family—Rutaceae

ৰবাব টেঙাৰে এটা জাত? ঠিক ৰবাব টেঙাৰ দৰে এইবিধ টেঙাৰো সোপোকা বাদু থাকে। ইয়াৰ বাকলিৰ উপৰিভাগ অলপ ওখোৰা-মোখোৰা হোৱা দেখা যায়। বাকলিৰ ভিতৰত দীঘল দীঘল আকাৰৰ ফুট থাকে আৰু এই ফুটবোৰৰ ভিতৰত বিকশিত হোৱা জিমবিলাক খাবলৈ অতিপাত টেঙা হয়। তথাপি আমাৰ মানুহে টেঙাটো বখলিয়াই এই ফুটবোৰৰ ভিতৰত থকা জিমবোৰ নিমখ-জলকীয়া সানি খাবলৈ ভাল পায়। সাধাৰণতে আঘোণ-পুহ মাহত ফলবোৰ পূৰঠ হয়। পথাৰত ধান দাই থকা দাৱনি আৰু ডাঙৰি বান্ধি বিৰিয়াত কঢ়িয়াই নিয়া খেতিয়কসকলে ৰ'দত একোটা থোমথাম টেঙা নিমখ-জলকীয়া সানি খাবলৈ পালে তৃপ্তি অনুভৱ কৰে।

আমাৰ মানুহে ৰৱাব টেঙাৰ লগতে দুই-এজোপা চোকা টেঙা বাৰীত লগাই ৰাখে।

ৰবাব টেঙা, ছাইট্ৰাছ ডেকুমেনা পৰিয়াল—ৰুটেছি
ছলং (কাৰ্বি) জাম্বুৰা পান (ৰাভা) নাৰেং জুমুৱা (বড়ো) জাম্বৰা (কাছাৰ) ৰবাব টেঙা (অসমীয়া)
(Pomelo or shaddock) Species—Citrus decumana Family—Rutaceae

এবিধ মজলীয়া আকাৰৰ নেমু জাতীয় গছ। ইয়াৰ ফলবিলাক নেমু কিম্বা সুমথিৰা টেঙাৰ ফলতকৈ বহুতখিনি ডাঙৰ হয়। ঠিক সেইদৰে ঘাই গছ আৰু ডালবোৰৰ আকাৰো তুলনামূলকভাৱে ডাঙৰ হয়। বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে। গাইগুটীয়া গছ অনুযায়ী এই বাকলিৰ ওপৰত চকলা-চকলকৈ বগা-চানেকীয়া দাগৰ উৎপত্তি হয়।

পাতৰ আকাৰ দীঘলীয়া হয় আৰু এই সেউজবুলীয়া পাতবোৰ নেমু বা সুমথিৰা টেঙাৰ পাততকৈ ভালেখিনি ডাঙৰ হয়। পাতৰ ওপৰ লুটি অলপ মিহি আৰু তলৰ লুটি খহটা হয়। বগা বগা বৰণৰ ফুলবোৰ থোপা-থোপে ধৰে। এই ফুল অলপ সুগন্ধি হয়। ফুল পূৰঠ হ'লে সৰু সৰু ফল ধৰে। কালক্ৰমত ডাঙৰ হৈ সেই ফলবোৰে একো একোটা বলৰ আকৃতি ধাৰণ কৰে।

বাকলিত জিম থাকে। বাকলিৰ ভিতৰত সোপোকা বাদুৰ উৎপত্তি হয়। বাদুৰ ভিতৰত ডাঙৰ ডাঙৰ ফুটা ধৰে। সাধাৰণতে ফুটাৰ বৰণ বগা-চানেকীয়া হয়। কোনো কোনো জোপা গছে ৰঙচুৱা ফুটা ধৰে। এই ফুটা অলপ টেঙা হয়। খাবলৈ ভালেই লাগে। কাঁহীৰ কাষত লৈও ভাতৰ লগত খাব পাৰি।

মেমাং নাৰেং, চাইট্ৰছ ইন্দিকা পৰিয়াল-ৰুটেছি
মেমাং নাৰেং (গাৰো) পিশাচৰ সুমথিৰা
(Memang Nareng) Species—Citrus indica Family—Rutaceae Orange of the Ghost.

নিচেই সৰু আকাৰৰ ফল ধাৰণ কৰা এবিধ বনৰীয়া সুমথিৰা টেঙা। পশ্চিম গাৰোপাহাৰ জিলাৰ সদৰ তুৰা নগৰৰ ওচৰত নক্ৰেক্ নামৰ এশাৰী পৰ্বতমালা আছে। এই পাহাৰটোৰ স্বাভাৱিক পৰিৱেশতে এই বনৰীয়া সুমথিৰা টেঙা পোৱা যায়। ভাৰতীয় কৃষি গৱেষণা নামৰ অনুষ্ঠানৰ শ্বিলং শাখাৰ গৱেষক পণ্ডিতসকলে ১৯৭০-৮০ দশকত এইবিধ টেঙাৰ সন্ধান নক্ৰেক্ পৰ্বতমালাত বিচাৰি পালে। ইয়াক গাৰো জনজাতীয় লোকসকলে মেমাং নাৰেং অৰ্থাৎ পিশাচৰ সুমথিৰা টেঙা বুলি কয়।

এই জাতৰ সুমথিৰা টেঙাৰ গছ আৰু শিপাবোৰক কোনো বেমাৰে সহজে আক্ৰমণ কৰিব নোৱাৰে। প্ৰজাতি বিশেষৰ দেহত এই অভাৱনীয় গুণ থকাৰ বাবে কলম-কৰ্ষণ পদ্ধতিৰে নতুন জাতৰ ৰোগমুক্ত সুমথিৰা বা নেমুৰ জাত উলিয়াবলৈ সক্ষম হ'ব পাৰিব বুলি কৃষি বিশেষজ্ঞসকলে আশা কৰিছে।

সদ্যহতে নক্ৰেক্ পৰ্বতমালাক পৰ্যাবৰণ ঘোষিত বনভূমিলৈ ৰূপান্তৰ কৰি সেই অঞ্চলৰ সমুদায় উদ্ভিদ সম্পদক সংৰক্ষণৰ পূৰ্ণমৰ্যাদা দিয়া হৈছে।

সুমথিৰা টেঙা, কমলা টেঙা, চাইট্ৰাছ্ আওৰাণ্টিয়ম্
পৰিয়াল—ৰুটেছি গেনেৰু এ (মিচিং) নাৰেং কম্লা (বড়ো) কমলা (বঙালী) নাৰংগি (হিন্দী) থেছু সুমথিৰা(কাৰ্বি) পাং তাম (ৰাভা) টোৰিয়া (তিৱা) মাক্বান্ টুন-মাক্-দাও (টাই-আহোম)
(Orange) Species—Citrus curantium Family—Rutaceae

এবিধ মজলীয়া আকাৰৰ জোপোহা চিৰ-হৰিৎ গছ। শাখা-প্ৰশাখাবিলাকে গভীৰ সেউজ-বুলীয়া পাত ঘন ঘনভাৱে ধাৰণ কৰে। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰং পৰিধান কৰে। পাত আয়তাকাৰ, লোমমুক্ত মসৃণ, ওপৰৰ লুটি তলৰ লুটিতকৈ অধিক সেউজীয়া। সূক্ষ্মীদন্তী, কাঁইট দুৰ্বল। পত্ৰবৃন্ত সামান্যভাৱে পাখিযুক্ত কিম্বা কোনো কোনো ক্ষেত্ৰত একেবাৰেই পাখিবিহীন। ফুলৰ বৰণ বগা আৰু জবাটেঙাৰ ফুলতকৈ আকাৰত সৰু।

ফল দ-আকাৰৰ শোটোৰা থকা গোলাকাৰ। ফলৰ বাকলিৰ ভিতৰত দীঘল দীঘল আকাৰৰ ফুটা থাকে। চক্ৰাকাৰে সজাই থোৱা ফুটাবিলাকে সৰু সৰু কোঁহ ধাৰণ কৰে। এই ফুটাবিলাক পকিলে খাবলৈ মিঠা লাগে। কেঁচাতে টেঙা হয়। কেঁচা

ফলৰ বাকলিৰ উপৰিভাগ সেউজীয়া হয়। পকিলে অলপ হালধীয়া বিধৰ কমলা ৰং ধাৰণ কৰে। ফুটৰ ভিতৰত গুটি থাকে। বহুতো মানুহে বাগান আকাৰে সুমথিৰাৰ খেতি কৰে। উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ জাটিংগাত এবিধ সৰু আকাৰৰ ফল ধৰা বাওনা সুমথিৰা দেখিবলৈ পোৱা যায়। সুমথিৰা এবিধ উত্তম ফল। আজিকালি সুমথিৰাৰ ৰস চৰ্বতৰ আকাৰে বজাৰত কিনিবলৈ পোৱা যায়।

নেমুটেঙা বা গোলনেমু,
(lemon, Gulnemu) Species--Citrus medica Family—Rutaceae

এবিধ গোল আকৃতিৰ ফল ধাৰণ কৰা মজলীয়া আকাৰৰ গছ।

লংফুল-বা লবংগ লভাঙ্গা স্কান্দান্স্ পৰিয়াল-ৰুটেছি
(Long) Species--Lavunga Scandens Family—Rutaceae

লতাৰ নিচিনাকৈ আন জাতীয় গছৰ ওপৰলৈ আৰোহণ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ জোপোহা বিধৰ উদ্ভিদ। গছডালৰ গুৰিভাগত হাঁকোটাৰ নিচিনা কাঁইটৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। বাকলিখন ডাঠ হয় আৰু এই বাকলিৰ উপৰিভাগে ধোঁৱা বৰণীয়া ৰং ধাৰণ কৰে। দা বা কুঠাৰ এখনেৰে বাকলিত ঘা লগাই দিলে বাকলিৰ ভিতৰৰ অংশৰ বৰণ ৰঙচুৱা হোৱা দেখা যায়।

পাতবোৰে অলপ দীঘলীয়া আকৃতি ধাৰণ কৰে। পাতৰ গঠন নীতিয়ে যৌগিক পদ্ধতি অনুসৰণ কৰে। একোখিলা মূল পাতে তিনি খিলা তিনি খিলাকৈ শাখাপাত ধাৰণ কৰে। সেউজ-বুলীয়া পাতবোৰৰ উপৰিভাগ স্পৰ্শ কৰিলে মিহি মিহি লাগে।

ফুল থোপা-থোপে ফুলে। বগা ৰং ধাৰণ কৰা ফুলবোৰ সুগন্ধি হয়।

তেজমৈ, জেন্‌ঠোজাইলম হেমিল্‌টনিয়েনম পৰিয়াল—ৰুটেছি তেজমৈ, তেজমাই বিহ (অসমীয়া) তেজমূৰী বাঘ-আঁচুৰা (অসমীয়া-আঞ্চলিক) ৰিকাম্ কইবি (মিচিং) চাংৰে (নগা) তেচ্-মই (মেচ)
(Tezmoi) Species--Zanthoxylum hamiltonianum Family—Rutaceae

গছ-গছনিৰ ওপৰলৈ বগাই বগাই উঠাৰ প্ৰবৃত্তি ধাৰণ কৰা এবিধ জোপোহা গছ। চিৰ-সেউজীয়া গছডালৰ ঠাল-ঠেঙুলিয়ে বৰশিৰ নিচিনাকৈ ভাঁজখোৱা কাঁইটৰ আৱৰণ পৰিধান কৰে। বুঢ়া গছৰ গুৰি-অংশত আৰু ডাঙৰ ডাঙৰ ডালত উৎপন্ন হোৱা কাঁইটবোৰে কম-বেছি পৰিমাণে চুঙাৰ নিচিনা দীঘল আকৃতি ধাৰণ কৰে। কাঁইটৰ গুৰিৰ বহল অংশ কুহিলাৰ ঠাৰিৰ দৰে সোপোকা হয়। নতুনকৈ ওলোৱা ঠালবোৰত চুটি চুটি নোমৰ উৎপত্তি হয়।

বাকলিৰ উপৰিভাগৰ বৰণ মদৰুৱা বা ছাই-বৰণীয়া হয়। ভিতৰৰ অংশই বাদামী ৰং পৰিধান কৰে। শাখাপাতবিলাক বিপৰীতমুখী আৰু বিযোৰ পক্ষযুক্ত হয়। পত্ৰ-বিন্যাস ধাৰণ কৰা মুল ঠাৰিডালৰ দৈৰ্ঘ্য ১৩ চেণ্টিমিটাৰমানৰপৰা ১৮ চেণ্টিমিটাৰ পৰ্যন্ত হোৱা পৰিলক্ষিত হয়। শাখাপত্ৰিকাবোৰ বহন কৰা ঠাৰিডাল গোল, নিচেই চুটি চুটি নোমযুক্ত অথবা একেবাৰে নিমজ হোৱা দেখা যায়। প্ৰত্যেকডাল ঠাৰিয়ে ৫ খিলা বা ৭ খিলা পাত ধাৰণ কৰে। পত্ৰিকাবোৰ সমান্যভাৱে দীঘলীয়া অথবা কণী একোটাৰ দৰে মাজভাগ বহল হয়। পাতৰ আগৰ অংশ আকস্মিকভাৱে ভিতৰমুৱা হৈ ঠেক হৈ পৰি অথবা সূক্ষ্মকৌণিকভাৱে ক্ৰমে ঠেক হৈ গৈ অৱশেষত জুঙুনিমুৱা হয়। পাতৰ গুৰিৰ অংশ ঘূৰণীয়াকৈ ঠাৰিৰফালে পাক খোৱা আংশিকভাৱে সূক্ষ্মকৌণিক ৰূপত কাষ চপা আৰু কেতিয়াবা সৰল ৰৈখিক আকাৰত মধ্যমুখী হোৱা ৰূপ প্ৰদৰ্শন কৰা পৰিদৃষ্ট হয়। পাতৰ দাঁতিৰ অংশ দন্তশূন্য আৰু ভাঁজহীনভাৱে সমান হোৱা দেখা যায়। উপৰিভাগ কাগজৰ দৰে মিহি আৰু উজ্জ্বল। কোনো কোনো ক্ষেত্ৰত মধ্যসিৰ আৰু উপসিৰৰ কিনাৰে কিনাৰে কোমল-আমল চুটি নোমৰ আভাস থকা দেখা যায়। কেতিয়াবা আকৌ এই পত্ৰসিৰবোৰেও দুই-এটা হাঁকোটা কাঁইট বহন কৰে। এই সিৰবোৰে কোনো কোনো ক্ষেত্ৰত একোটা মাটি মাহৰ দৰে গ্ৰন্থি ধাৰণ কৰে। এই গ্ৰন্থিবোৰে তৈলবীজৰ দৰে এক প্ৰকাৰৰ তেলযুক্ত ৰস বহন কৰে। প্ৰধান সিৰৰপৰা বিস্তৃতি লাভ কৰা উপসিৰৰ ১০-১৫ যোৰা পৰ্যন্ত হোৱা দেখা যায়। উপসিৰবিলাক ভাঁজ খোৱাকৈ মেৰুটা-মেৰুটি হয় কিম্বা গোল চক্ৰৰ আকাৰ ধাৰণ কৰে। পাতৰ ঠাৰিবোৰ চুটি চুটি হয়। পুষ্পক্ৰমৰ ফুলবোৰ লগ লাগি ছত্ৰাকাৰৰ আকৃতি পৰিধান কৰে। বৃতিৰ আকাৰ সৰু সৰু হয়। একোপাহ ফুলত ৪-৫ টামান চুপহি-পত্ৰ থাকে আৰু এই চুপহিবিলাক আংশিকভাৱে ওপৰা-উপৰিকৈ সংস্থাপিত হৈ থকাৰ ৰীতি অনুসৰণ কৰা দেখা যায়। গৰ্ভকোষৰ ঠাৰি দীঘলীয়া হয় আৰু গৰ্ভমুণ্ডৰ আকৃতি গোল হয়। ফলৰ আকৃতি অলপ চেপেটা, গুটিবোৰৰ ওপৰত বাকলিৰ নিচিনা আৱৰণ থাকে। গুটিৰ বৰণ মুগা-চানেকীয়াকৈ ক'লা হয় আৰু এই গুটিৰ উপৰিভাগ মসৃণ হয়।

পাহাৰী ৰবাব টেঙা, চাইট্ৰাচ্ হিচ্‌ট্ৰিক্স পৰিয়াল—ৰুটেছি হাম্‌পুৰ আৰং (কাৰ্বি) চামাৰ বাফাং (কাছাৰ) চাটকৰা (কৰিমগঞ্জ) চহ্ কিনিয়েট, চহ্ কিমফৰ (খাচিয়া) (Hill Pomelo) Species—Citrus hystrix Family—Rutaceae

এবিধ অলপ ডাঙৰ আকাৰৰ গছ। একোজোপা পূৰঠ গছৰ উচ্চতা ১৫-১৬ মিটাৰ পৰ্যন্ত হয় আৰু তেনে গছৰ গোলাই ১ মিটাৰমান

হয়। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ পৰ্বতীয়া ঠাইবোৰত ইয়াক পোৱা যায়। বাকলিৰ ৰং মদৰুৱা বা ক'লা-চানেকীয়া হোৱা দেখা যায়। পাতলীয়া বাকলিখন কঠিন হয়। ভিতৰৰ অংশ শেঁতা-মুগা আৰু তাৰ মাজে মাজে বগা বৰণীয়া থিয় থিয় ৰেখাৰ উৎপত্তি হোৱা পৰিদৃষ্ট হয়। গা-গছত কেতিয়াবা ওখোৰা-মোখোৰা গ্ৰন্থিৰ উৎপত্তি হয়। ডাল-ডোলবিলাকে কেতিয়াবা অলপ চেপেটা আৰু কোনো কোনো ক্ষেত্ৰত চুকীয়া চুকি আকাৰ ধাৰণ কৰে। ওপৰৰফালে ভাঁজ লৈ থকা বিধৰ সৰু সৰু কাঁইট থাকে।

পত্ৰিকাৰ আকাৰ ডিম্বাকৃতিভাৱে দুয়ো মূৰ সমানে ঘূৰণীয়া অথবা গুৰিৰফালে বহল আৰু আগৰফালে ক্ৰমে জোঙা হয়। পত্ৰদণ্ড পত্ৰিকাতকৈ আকাৰত কেতিয়াবা ডাঙৰহে হয়। পত্ৰদণ্ডৰ আকৃতি আগৰফালে বহল দ্বিখণ্ডিতভাৱে গোল আৰু গুৰিৰফালে ক্ৰমে জোঙা পাখিৰ দৰে হয়। অগ্ৰভাগত সামান্যতম ছিদ্ৰৰ উৎপত্তি হোৱা দেখা যায়। পত্ৰিকা-সীমা সমান অথবা সৰু সৰু দন্তযুক্তভাৱে কৰতীয়া, উপৰিভাগ চৰ্মিল, গভীৰ সেউজীয়া, মসৃণ, তৈলযুক্ত ক্ষুদ্ৰাকাৰ গ্ৰন্থিৰ দ্বাৰা চিহ্নিত। পাৰ্শ্বসিৰ ঘন ঘনকৈ স্থাপিত আৰু অনিয়মিত; পত্ৰদণ্ডৰ পাখিৰ তলৰ অংশ ৰঙচুৱা, দীঘলীয়াকৈ দভাৱে অথবা অংকিত ৰেখাৰ ৰূপেৰে চিহ্নিত। ফুল বগা পুষ্পদণ্ডই ধাৰণ কৰা ফুলবোৰে ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে।

ফলবিলাকে ৰবাব টেঙাৰ আকৃতি ধাৰণ কৰা দেখা যায়। উৎপাদিত কাঠৰ বৰণ বাদামী হয়। সাধাৰণ কামত সেই কাঠ লগাব পাৰি।

বিৰা-জৰা টেঙা, ছাইট্ৰাছ মেডিকা (প্ৰকাৰ) পৰিয়াল—ৰুটেছি বাকলি খোৱা টেঙা (অসমীয়া) তুম-হান-থৰ্ (কাৰ্বি) (Bira Jora) Species—Citrus medica (Var) Family—Rutaceae

বিৰা জৰা টেঙাক জৰা টেঙাৰে আন এটা প্ৰকাৰ বুলি অভিহিত কৰিব পাৰি। এইবিধ টেঙা গছে ধাৰণ কৰা ফলবিলাকো কাগ্জি নেমুৰ দৰে দীঘলীয়া বা কলডিলীয়া হয়। টেঙাটো আকাৰত জৰা টেঙাতকৈও ডাঙৰ হয়। তদুপৰি ইয়াৰ বাকলিখন যথেষ্ট ডাঠ আৰু মঙহাল হয়। সেউজীয়া বাকলিখনৰ ভিতৰৰফালে বিকাশ লাভ কৰি থকা ডাঠ বাদুখন অলপ ৰসাল আৰু তেলেতীয়া হয়। এই ডাঠ বাদুখন চোবাই খাবলৈ ভাল লাগে। বাকলি আৰু ডাঠ বাদু কটাৰি বা দাৰে বখলিয়াই দিলে ভিতৰত যিটো ফুট ধৰা ৰসাল টেঙা ওলাই পৰে টেঙাটোক চাই ই আকাৰত তেনেই সৰু হয়। ডাঠ বাকলি আৰু মঙহাল বাদুৰ প্ৰভাৱত টেঙাটোৰ ফুটবোৰে সূক্ষ্ম আকাৰত আত্মপ্ৰকাশ কৰিব লগা হয়। টেঙাৰ ভিতৰত সৰু সৰু গুটি থাকে। পাতবোৰ ডাঠ আৰু সেউজবুলীয়া হয়। ভাঙি দি

তাৰপৰা বিকিৰণ হোৱা টেঙাৰ গন্ধ উপলব্ধি কৰিব পাৰি। আমাৰ মানুহে দুই-এজোপা বিৰা-জৰা টেঙাৰ গছো বাৰীত লগাই ৰাখে।

কলিয়ৰি, দায়োস্পাইৰছ ভেৰিগেটা পৰিয়াল—ইবেনেছি কলিয়ৰি, কইলথি (অসমীয়া) কাদে জং আৰং, কাদিং ইয়ং, কল্তি আৰং (কাৰ্বি) বল গিছেম্ (আছিক)

(Koliori) Species—Diospyros variegata Family—Ebenaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। উজনি অসমত থকা চিৰ-সেউজীয়া বনাঞ্চলবিলাকত এইবিধ গছ মাজে সময়ে দেখিবলৈ পোৱা যায়। বননিৰ মধ্যস্তৰত বিকশিত হোৱা নানা বিধ গছৰ ভিতৰত কলিয়ৰি অন্যতম। বাকলিৰ ৰং ক'লা-চানেকীয়া হয়। তাৰ উপৰি ভাগত ফাট মেলি থকা দাগৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। সেইবাবে বাকলিৰ উপৰিভাগে খলা-বমা আকৃতি ধাৰণ কৰে পাতৰ দুয়ো মূৰ চাপ খোৱা হয় আৰু মাজভাগে অলপ বহল আকৃতি ধাৰণ কৰে। পাতৰ মাজভাগত বিকশিত হোৱা ঠাৰি বা মূল সিৰৰ দুয়ো কাষে শাখাসিৰবিলাকৰ উৎপত্তি হয়।

তিমি, মিত্ৰাগাইনা ৰিটান্দিফলিয়া মিত্ৰাগাইনা ডাইভাৰচিফলিয়া পৰিয়াল—ৰুবিয়েছি ইটোম-পো-আৰং (কাৰ্বি)

(Timi) Species—Mitragyna retundifolia Mitragyna diversifolia Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। বাকলি মটীয়া অথবা ছাই-বৰণীয়া। পাতৰ আকৃতি দীঘলীয়া, মণ্ডলাকাৰ, বৃত্তাকাৰ, বহলভাৱে ডিম্বাকাৰ, উপ-বৃত্তাকাৰ, অগ্ৰাংশ হ্ৰস্বভাৱে নেজালকৈ সূক্ষ্মকৌণিক। লোমবিহীন নিমজ অথবা সামান্যভাৱে চুটি চুটি নোমযুক্ত। পাতৰ প্ৰতি অৰ্দ্ধাংশই ৭-৮ ডাল পাৰ্শ্বসিৰ ধাৰণ কৰে। আধাৰ গোলাকাৰ, হৃদয়াকাৰ, ক্ৰমাগতভাৱে সংকীৰ্ণাকাৰ। পত্ৰবৃন্তৰ দৈৰ্ঘ্য প্ৰায় ২ চেণ্টিমিটাৰ, উপ-পত্ৰ অধোমুখ ডিম্বাকাৰ, দৈৰ্ঘ্য প্ৰায় ১-২ চেণ্টিমিটাৰ।

পুষ্পক্ৰম সেউজবুলীয়াভাৱে বগা, কোনো ক্ষেত্ৰত তিনিপহীয়া পুষ্পেৰে গঠিত নিয়তাক্ষ। পত্ৰ সদৃশ বেটুৰ দ্বাৰা আবৃত অথবা সম্পূৰ্ণভাৱে অনাবৃত। বেটুৰ আকৃতি পত্ৰবৃন্তৰ সমতুল্য। দীৰ্ঘস্থায়ী। উপবেটু নিমজ অথবা অলপ দীৰ্ঘলোমযুক্ত। বৃতি হ্ৰস্ব। বৃতিধাৰী বৃন্ত অস্পষ্ট, প্ৰান্তীয়ভাৱে দীৰ্ঘলোমযুক্ত। দলমণ্ডল ক্ষুদ্ৰাকাৰ, ফল সিৰযুক্ত। বীজ দুয়োমূৰ পাখিযুক্ত।

দীঘল দীঘল আকৃতিৰ ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ দীঘলপতীয়া জোপোহা

খ্ৰীষ্টমাছ্ ফুল বা ৰঙাপতীয়া গছ, ইউফৰবিয়া পলচেৰিয়া পঃপলচেৰিমা

(Rongapotia-gach) Species—Euphorbia Pulcherrima Syn-Poinsettia pulcherima Family—Euphorbiaceae

গছ। চেঁচুকীয়া ঠাইত গোঁজ মাৰি পূৰঠ ডালৰ ঠানি একোটা লগাই দিলেই নতুন গছৰ উৎপত্তি হয়। ঘাই গছ আৰু পূৰঠ ডাল-ডোলবোৰে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। নতুনকৈ ওলোৱা কুমলীয়া ডালবোৰ বহুত দিনলৈ সেউজীয়া হৈয়েই থাকে।

এইবিধ গছৰ ফুল ধৰা ঠাৰিত আন এক প্ৰকাৰৰ আকৰ্ষণীয় পাতে বিকাশ লাভ কৰা দেখা যায়। পাতকেইখিলা বৰণত ৰঙা আৰু গঠন-প্ৰণালীত চক্ৰাকাৰ হোৱা দেখা যায়। আন এক জাতিৰ গছে হালধীয়া বৰণৰ পাত ধৰে। এই ৰঙীন পাতবোৰে পুষ্পাধাৰৰ (Bract) কাম কৰে।

মুছেন্দা বা সোণা-ৰূপা মুছেন্দা, ফিলিপিকা পৰিয়াল-ৰুবিয়েছি

(Mussaenda or Sona-Rupa) Exotic cultivated species Species—Mussenda philipica Family-Rubiaceae

ইয়াৰ আগৰ শিতানত বৰ্ণনা কৰি অহা বনৰীয়া সোণা-ৰূপাৰ আন তিনি বৰণৰ পুষ্প ধাৰণ কৰা ফুল জাতীয় বিদেশী গছ আজিকালি কোনো কোনো ব্যক্তিৰ ফুলনিবাৰীত দেখিবলৈ পোৱা যায়। ফুলৰ ৰং অনুযায়ী তিনি জাতৰ মুছেন্দা গছ দেখিবলৈ পোৱা যায়। প্ৰথম বিধে বগা ফুল, দ্বিতীয় বিধে গুলপীয়া আৰু তৃতীয় বিধে তেজৰঙা বৰণৰ ফুল ধাৰণ কৰে। বৰ্ষাকালত তিনিও বিধ গছ আকৰ্ষণীয় ফুলৰ থোপাৰে উপচি পৰে। তেতিয়া এই গছকেইবিধে বাৰীখন ৰমক্ জমক্‌কৈ সজাই তোলে।

ঘাই গছ আৰু পূৰঠ ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগত ফুট্-ফুটীয়া দাগৰ উৎপত্তি পৰিলক্ষিত হয়। পাতবোৰে একৰকমৰ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। মাজভাগ বহল আৰু দুয়োটা মূৰ ক্ৰমে চিঁয়া হৈ আগৰফালে জোঙা হয়। তলৰ লুটিৰ তুলনাত ওপৰৰ লুটি অধিক সেউজীয়া হয়। পাতৰ ঠাৰিডাল পাতখিলাৰ তলৰ লুটিত চকুত লগাকৈ বিকশিত হয়। ঠিক সেইদৰে উপ-শিৰবোৰে ধেনুভিৰীয়াকৈ সমান্তৰাল ৰূপ প্ৰদৰ্শন কৰে।

আচলতে পাতৰ আকৃতিলৈ ৰূপান্তৰ হোৱা চুপহিবিলাকে ফুলৰ আকৰ্ষণীয় অংশৰূপে বিকাশ লাভ কৰি থাকে। কীট-পতঙ্গবিলাক ইয়াৰ দ্বাৰা আকৰ্ষিত হ'লে গৰ্ভকেশৰত সহজে পুংকেশৰৰ ৰেণু সংস্থাপিত হয়।

মুছেন্দা মুছেন্দা, এৰিথ্ৰোফাইলা পৰিয়াল—ৰুবিয়েছি
Mussenda Species--Mussaenda erythrophylla Family—Rubiaceae

অসমীয়া ভাষাত সোণা-ৰূপা নামেৰে জনাজাত এবিধ বনৰীয়া জোপোহা আৰু কম-বেছি পৰিমাণে লতাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰা এবিধ বিদেশী ফুল জাতীয় আকৰ্ষণীয় উদ্ভিদ। ইয়াৰ উৎপত্তি স্থান আমেৰিকাৰ বিষুব মণ্ডল বুলি জনা যায়। অসমতো আজিকালি কোনো কোনো চৌখিন আৰু পুষ্পপ্ৰিয় লোকৰ চৌহদত বা গামলাত লগোৱা অৱস্থাত দেখিবলৈ পোৱা যায়।

সোণা-ৰূপা, প্ৰজাতি মোছেন্দা গ্লেব্ৰাটা বিকল্পে—মোছেন্দা ফ্ৰন্দোছা পৰিয়াল—ৰুবিয়েছি সোণা-ৰূপা, চৰাই আঠা, চৰাই আঠা, মোছেন্দা (অসমীয়া) শ্ৰীভাতি, নগাবালি (সংস্কৃত) ভোটকেছা (বঙালী) বেৰিণা (হিন্দী)
(Sona Rupa) Species—Mussaena glabrata Syn. Mussaenda frondosa Family—Rubiaceae

ফুলবিলাক তেনেই সৰু সৰু হয়। প্ৰত্যেক পাহ ফুলে পাঁচপাহকৈ চুপহি ধাৰণ কৰে। ইয়াৰ ভিতৰত এপাহ চুপহি আকাৰত ডাঙৰ, কম-বেছি পৰিমাণে গোল আৰু চকলেটৰ দৰে উজ্জ্বল ৰঙা হয়। পাতবোৰে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে।

বিহমনা, প্ৰজাতি গাৰডেনিয়া কেম্পেনোটেটা পৰিয়াল—ৰুবিয়েছি বিহমনা, বিত মৰা ধেৰিয়াখালি (অসমীয়া)
(Bihmona) Species--Gardenia campanutata Family—Rubiaceae

এবিধ সৰু আকাৰৰ জোপোহা গছ। ফুলৰ চুপহিবোৰে পাতৰ আকৃতি ধাৰণ কৰি বগা ৰঙত আত্মপ্ৰকাশ কৰে। হাবিৰ মাজত বগা বৰণৰ চুপহিবোৰ নিলগৰপৰা জিলিকি থাকে।

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। গছজোপাৰ ডালে-পাতে কাঁইটৰ উৎপত্তি হোৱা পৰিলক্ষিত হয়। ইয়াৰ ফলবোৰৰপৰা প্ৰস্তুত কৰা জুলীয়া পদাৰ্থ নদী, বিল আদিৰ ডুবিত ঢালি মাছ মৰা কামত ব্যৱহাৰ কৰা হয়। এনে ঘৃণনীয় কামৰ ফলত কোনো কোনো প্ৰজাতিৰ মাছৰ বংশোচ্ছেদ হোৱাৰ আশংকা প্ৰবল হৈছে। গতিকে এই পদ্ধতিত পানীত বিহ ঢালি মাছ মৰা কাম বে-আইনী বুলি ঘোষণা কৰা একান্ত প্ৰয়োজন।

চক্‌লতি, মুছেন্দাৰাক্চ বাৰ্‌গিয়াই প্ৰজাতি পৰিয়াল-ৰুবিয়েছি চকলতি (অসমীয়া) চৰাই আঠা, চৰাই আঠা (অসমীয়া) ভোটকেছা (বঙালী)
(Chokloti) Species—Mussaenda ruxburghii Family—Rubiaceae

অসমৰ বিভিন্ন অঞ্চলৰ প্ৰাকৃতিক পৰিবেশত এই বিধ দেখিবলৈ পোৱা যায়।

অসমীয়া ভাষাত সোণা-ৰূপা নামেৰে আৰু ইংৰাজীত মুছেন্দা নামেৰে জনাজাত ৰঙীন পাত সদৃশ চুপহি ধাৰণ কৰা আন এবিধ বনৰীয়া উদ্ভিদ।

পানী কদম, ভাত ঘিলা, হাইমেনোডিক্টিয়ন এক্সেলচম্ পৰিয়াল—ৰুবিয়েচি
(Pani Kadam, Bhatghila) Species—Hymenodictyon excelsum Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি লঠঙা হয়। সৰাৰ আগতে পাতবোৰে ৰং সলাই হালধীয়া হৈ পৰে। গা-গছ আৰু ঠাল-ঠেঙুলিবোৰৰ বাকলি মুগা-চানেকীয়া বৰণ ধাৰণ কৰে। কুমলীয়া অৱস্থাত বাকলিবোৰৰ উপৰিভাগ মিহি হয়। পূৰঠ ডাল আৰু গা-গছৰ বাকলি সোপোকা হয়। বাকলিৰ ভিতৰ অংশ বগা আৰু আঁহযুক্ত হয়।

পাতবোৰে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে আৰু আগৰফালে জোঙা হয়। ফুলৰ বৰণ বগা হয়। থোপা-থোপে ফুলবোৰে ছাতি আকৃতি ধাৰণ কৰে। ফলবোৰে পাখিৰ নিচিনা ৰূপ প্ৰদৰ্শন কৰে।

বৰপাত, আইলানথচ্ গ্ৰান্দিচ্ পৰিয়াল—ৰুবিয়েছি হাৰাঙ্গা ফুল (উঃ লক্ষীমপুৰ) বনকেচেৰু (লক্ষীমপুৰ) কৰঙ্গা (দৰং) ৰিং (অসমীয়া) চিলেং আছিং (মিৰি) দিয়াং ইহাও (খাচিয়া)
(Borpat) Species—Ailanthas grandis Family—Rubiaceae

প্ৰকাণ্ড গছ। অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বেলেগ বেলেগ ঠাইৰ মানুহে ওপৰত উল্লেখ কৰাৰ দৰে এইবিধ গছক বেলেগ বেলেগ নামেৰে অভিহিত কৰে। বৰপাত নামটো সৰ্বজনপ্ৰিয় শব্দ হিছাপে অসমীয়া ভাষাত গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াব পাৰি।

গছজোপা দেখিবলৈ ধুনীয়া হোৱাৰ বাবে আজিকালি অলঙ্কাৰৰূপে আলিবাটৰ কাষত ৰোৱা হয়। ইয়াৰ গা-গছডাল পুলুঙা হয়. বাকলি ধোঁৱা বৰণীয়া আৰু মিহি ধৰণৰ হয়। অৱশ্যে অথালি-পথালিকৈ গা-গছত ঠায়ে ঠায়ে দাগ থাকে। যৌগিক পাতৰ মুলপাতৰ ঠাৰিবোৰ এটা এৰি এটাকৈ হয় আৰু ঠিক সেইদৰে শাখাপাতৰ গঠনো জখলাপিঠীয়া হয়। ফুলবোৰ দেখনিয়াৰ নহয়। ফলত একৰকমৰ পাখি সংযোগ থাকে। এই গছৰপৰা উৎপন্ন হোৱা কাঠ পাতল, কোমল আৰু বগা হয়। পেকিং বাকচ বনোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

গোবৰ সিথা, প্ৰজাতি—পাভেটা ইন্দিকা পৰিয়াল—ৰুবিয়েছি গোবৰ সিথা, চামচুকু (অসমীয়া) কুকুৰা চোৰা (বঙালী) পাপাৰি (হিন্দী)
(Gobar-Sitha) Species—Pavetta indica Family—Rubiaceae

ছাতিৰ দৰে চৌপাশে ব্যাপ্তি লাভ কৰি থকা আকৃতি প্ৰদৰ্শন কৰা এবিধ পৰ্ণপাতী মজলীয়া গছ। গাৰ বিষকুপ

মাৰিবৰ বাবে ইয়াৰ পাত পানীত উতলাই সেক ল'ব লাগে।

অসমৰ প্ৰায় সকলো অঞ্চলত হাবি-বননিত ইয়াক পোৱা যায়।

পুলি কাঁইট, ৰান্দিয়া লঙ্গি ফ্লোৰা পৰিয়াল—ৰুবিয়েছি পুলি-কাঁইট, সৰু মইন (অসমীয়া) চুহো (কাৰ্বি) মা-লাঙ্-খ্ৰু (টাই-আহোম)

(Puli Kaint) Species—Randia longiflora Family—Rubiaceae

সৰু আকাৰৰ এবিধ জোপোহা গছ। স্বাভাৱিকতে উৎপন্ন হোৱা এইবিধ বনৰীয়া উদ্ভিদৰ দুই-এজোপা য'তে ত'তে দেখা পাবলৈ আশা কৰিব পাৰি। গা-গছৰ তলভাগৰ অলপ ওপৰৰপৰা ঠাল-ঠেঙুলিবিলাকে বিকাশ লাভ কৰি জোপোহা আকৃতি ধাৰণ কৰাত গছজোপাক সহায় কৰে। ঠাল আৰু পাতৰ গুৰিয়ে গুৰিয়ে ভোটা ধৰণৰ কাঁইটৰ উৎপত্তি হয়। বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিৰ ওপৰত কলপতীয়া বৰণৰ আভাস পৰিলক্ষিত হয়। বাকলিৰ উপৰিভাগত অলপ ওখহা-মোখহা দাগৰ উৎপত্তি হয়। তদুপৰি এই বাকলিৰ উপৰিভাগত দীঘল দীঘল আঁচৰ উৎপত্তি হোৱা দেখা যায়।

ফুলবোৰ আকাৰত সৰু আৰু বৰণত বগা-চানেকীয়া হয়। প্ৰত্যেক থোপা ফুলত তিনি-চাৰিটা ফুলৰ উৎপত্তি হয়। ফুলবিলাক সামান্যভাৱে সুগন্ধি হয়।

বিহমনা, ৰান্দিয়া দুমেটৰম্ পৰিয়াল—ৰুবিয়েছি ৰুথি আৰং (কাৰ্বি) বিছ্ খনিহক্ৰা (মেচ) থিচ্ কেং (আছিক) কটহ্ বিহ (দৰং আৰু শোণিতপুৰ) দিয়েং মাকাছিং খ্লাও (খাচিয়া)

(Bihmona) Species—Randia dumetorum Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া জোপোহা গছ। পাত ওলোৱা ঠাৰিৰ গুৰিত আৰু গা-গছডালত অলপ দীঘল-চানেকীয়া কাঁইটৰ উৎপত্তি হয়। খৰালি কালত গছ-জোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰে। তেতিয়া গছজোপাই পত্ৰ-পুষ্পহীন লঙঠা ৰূপ ধাৰণ কৰে। বাকলিবোৰে মুগা-চানেকীয়া বা মদৰুৱা ৰূপ প্ৰদৰ্শন কৰে। ঠাল-ঠেঙুলিবিলাকৰ আগভাগে আধা ডোখৰতে কাটি পেলোৱাৰ নিচিনা বিচিত্ৰ ৰূপ ধাৰণ কৰা দেখা যায়। সৰু সৰু আকাৰৰ ফুলৰ পাহিবোৰৰ বৰণ পাতলীয়াকৈ হালধীয়া বা কলপতীয়া হয়। চুপহিচুঙা পহীয়া হয়। ফুলবোৰ সুঙি চালে অলপ অলপ মিঠা গোন্ধৰ উমান পোৱা যায়।

মণ্ডহাল ফলবোৰে একপ্ৰকাৰৰ ঘূৰণীয়া আকৃতি ধাৰণ কৰে। মণ্ডহাল পদাৰ্থৰ মাজত গুটিৰ উৎপত্তি হয়। একো একোটা তামোলৰ সমান ঘূৰণীয়া ফলবোৰ

পকিলে হালধীয়া পৰে। এই ফলৰ ৰস চেপি নদী বা নিজৰাৰ ডুবিত পেলাই দিলে তাত থকা মাছবোৰে ধেল-ওপঙা দি কমাবলৈ ধৰে। সেইবাবে মাছ ধৰা কামত কোনো কোনো মানুহে এইবিধ গছৰ ফলবোৰ ব্যৱহাৰ কৰা দেখা যায়।

আকাল বিহ, প্ৰজাতি—মৰিন্দা এংগোষ্টিফলিয়া পৰিয়াল—ৰুবিয়েছি অশোকা (সংস্কৃত) আওচ (বঙালী) দাৰুহাৰিদ্ৰ, আছু, আচু, বানহাৰ্ডি (হিন্দী) আকাল বিহ, আনুছগছ, আছ গছ (অসমীয়া)
(Akalbih) Species—Morinda angustifolia Family—Rubiaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। এইবিধ গছৰ পলস আৰু গছৰ কাঠৰ মাজৰ অংশ কাটি-কুটি পুনৰ খুন্দনা গুৰি কৰি একপ্ৰকাৰৰ কপাহী কাপোৰত লগোৱা ৰং তৈয়াৰ কৰা হৈছিল। আজিকালিৰ বৈজ্ঞানিক যুগত এনে ৰং মানুহে কাপোৰত লগোৱা দেখা নাযায়।

উজনি অসমৰ প্ৰায় সকলো বনাঞ্চলতে এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়।

চেলেং, চেপিয়ম্ বেকেটম্ পৰিয়াল—ইউফৰবিয়েছি চেলেং, লাবা (অসমীয়া) চাম্-চিম্ (গাৰো) টু-অৰ-আৰং (কাৰ্বি) ডুমৰা, চাৰং, ফাং (মেচ) গুৱামুৰি গুপুত্ (বড়ো)
(Seleng) Species—Sapium baccatum Family--Euphorbiaceae

মজলীয়া আকাৰৰ গছ। বছৰৰ কোনো সময়তে গছজোপাৰ গোটেইবোৰ পাত সৰি নাযায়। বাকলিখন ক'লা-চানেকীয়াকৈ মুগা। বাকলিৰ উপৰিভাগত দীঘল দীঘল ধৰণেৰে তলৰপৰা ওপৰলৈকে বিয়পি পৰা বিধৰ দীঘলীয়া দীঘলীয়া লোৰ থাকে। দা বা কুঠাৰৰ সহায়ত যদি বাকলিখনত ঘাপ এটা মৰা যায় তেতিয়া দেখিবলৈ পোৱা যাব যে ভিতৰখনৰ বৰণ মাখনৰ নিচিনাকৈ পাতল বিধৰ হালধীয়া হয়।

পাতৰ বৰণ কমলাৰঙীয়া হয়। পাছত পাতবোৰ বুঢ়া হ'লে সেই ৰঙৰ পৰিবৰ্তন হৈ অৱশেষত হালধীয়া বৰণ ধাৰণ কৰা দেখা যায়। ফুলৰ বৰণ অলপ হালধীয়াৰ নিচিনা বগা হয়। আকাৰত ফুলবোৰ তেনেই সৰু হয়।

এইবিধ গছৰপৰা উত্তম বিধৰ কাঠ উৎপাদন হয় বুলি ক'ব নোৱাৰি। যি কাঠ বাহিৰ হয় সেই কাঠ পেকিং বাকচ তৈয়াৰ কৰা আদি অস্থায়ী কামত ব্যৱহাৰ কৰাৰ বাহিৰে অন্য কোনো কামত লগাব নোৱাৰি। হাইঠা-পৰঘুমাই ইয়াৰ গুটিবোৰ খাবলৈ ভাল পায়।

ৰঙাপতীয়া বা খ্ৰীষ্টমাছ ফুল, ছিজালপিনিয়া পলছেৰিমা পৰিয়াল—ইউফৰবিয়েছি
(Christmas Flower) Species—Caesalpinia pulcherrima Family—Euphorbiaceae

পদুলি-মুখৰ কাষত কিম্বা ফুলনিবাৰীত ৰোপণ কৰা এবিধ মজলীয়া আকাৰৰ ফুল গছ। এটা জাতে ৰঙচুৱা আৰু আনটো জাতে হালধীয়া ফুল ধাৰণ কৰে। ৰাজহুৱা উদ্যান আৰু আধুনিক অট্টালিকা কিম্বা বঙলাৰ চৌহদতে এইবিধ ফুল ধৰা উদ্ভিদ লগাই ৰখা হয়। দীঘলীয়া ঠাৰিৰ আগভাগত আকৰ্ষণীয় ফুলবোৰ সেৰেঙা-সেৰেঙকৈ থোপা-থোপে ধৰে।

গা-গছৰপৰা চৌপাশে বিকশিত হোৱা ঠাল-ঠেঙুলিবোৰৰ প্ৰভাৱত গছজোপাই জোপোহা ৰূপ ধাৰণ কৰে। যৌগিক গাঁঠনিৰ শাখাপাতবোৰৰ আকৃতি দীঘল চানেকীয়াকৈ আগৰফালে জোঙা হয়। গা-গছ আৰু শাখাডালবোৰৰ বাকলি ছাই-বৰণীয়া হয়। ফুলবোৰ পূৰঠ হ'লে দীঘল দীঘল ছেঁইৰ বিকাশ সাধন হয়। ছেঁইৰ ভিতৰত উৰহিৰ দৰে চেপেটা চেপেটা গুটি ধৰে।

লেটেকু, বেকোৰিয়া, চাপিদা পৰিয়াল ইউফৰ্বিয়েছি লট্‌কা (বঙালী) ডাম্‌পিউ আৰং (কাৰ্বি) দিয়ে-চহ্-ৰাম্ (খাচিয়া) মক্‌টক্ (মণিপুৰী) পাংকাই (মিজো) ডজুকা (গাৰো) তজাই (ৰাভা) মাৰলে (কাৰ্বি) লেৰখু (বড়ো)
(Leteku) Species—Baccaurea sapida Family—-Euphorbiaceae,

লেটেকু সৰু আকাৰৰ বনৰীয়া গছ। আমাৰ মানুহে ইয়াৰে দুই-এটা পুলি বাৰীতো কেতিয়াবা লগাই ৰাখে। গা-গছ আৰু ডালৰ ওপৰৰ বাকলিখনৰ বৰণ ক'লা চানেকীয়া মুগা হয় আৰু এই বাকলিত ওপৰৰপৰা তলৰফালে দীঘলে দীঘলে বৈ পৰা বিধৰ কিছুমান ফুটুকা-ফুটুকি দাগ থাকে। তদুপৰি এইবিধ গছৰ বাকলিখন টুকুৰা-টুকুৰ হৈ ফাটি বখল খাই থাকে। বাকলিখন কাটিলে ভিতৰখন হালধীয়া দেখা যায়। কাঠ মাখন বৰণীয়া।

পাতবিলাক দীঘলীয়া আৰু আগৰফালে ক্ৰমশঃ জোঙা হৈ যোৱা। ঠিক সেইদৰে গুৰিৰফালে পাতখিলা চাপ খাই গৈ কৌণিকভাৱে ঠাৰিডালত শেষ হয়হি। ফুল থোপা-থোপে হয় আৰু প্ৰত্যেকটো ফুলতে পুংকেশৰ আৰু গৰ্ভকেশৰৰ ৰেণু থাকে। গছজোপাত থোকা-থোকে ফল ধৰে। ফলৰ বাকলিখনৰ ভিতৰত ঘৰ ঘৰ হিছাপে কেইবাটাও গুটি থাকে আৰু প্ৰত্যেক গুটিৰ ওপৰভাগত থকা মঙহাল পদাৰ্থখিনি খাবলৈ ভাল লাগে।

লতা কৰবী, আলামান্দা গ্ৰেন্দিফ্ল'ৰা পৰিয়াল-ইউফৰবিয়েছি
(Lota Korobi) Species—Alamanda grandiflora Family—Euphobiaceae

ডাঙৰ আকাৰৰ হালধীয়া ফুল ধাৰণ কৰা এবিধ আকৰ্ষণীয় লতা জাতীয় উদ্ভিদ। লতা জাতীয় উদ্ভিদ হ'লেও প্ৰকৃত পক্ষে এইবিধ উদ্ভিদে চৌপাশে মেলাহি খোৱা বিধৰ ঠাল-ঠেঙুলি ধাৰণ কৰে। মূল গছ আৰু শাখা-প্ৰশাখাবোৰ কোমল-চানেকীয়াকৈ লেহুকা হয়। পূৰঠ ডালবোৰে পৰিধান কৰা বাকলিৰ বৰণ মদৰুৱা হয় আৰু কুমলীয় ঠালৰ বাকলিয়ে সেউজীয়া বৰণ ধৰে।

পাতবোৰ আহল-বহল আৰু আগৰফালে জোঙা হয়। থোপা-থোপে ধৰা ফুলবোৰৰ পাহিৰ বৰণ হালধীয়া হয় আৰু সেই ফুলবোৰ ফুলিলে গছজোপা আকৰ্ষণীয় হৈ পৰে।

মহুৱা বা জৰথ বা ৰোহিণী, মেলোটাচ্ ফিলিপাইনেন্‌চিচ্ পৰিয়াল—ইউফৰবিয়েছি আৰলাক্ আৰং (কাৰ্বি) বল্ খিং খাং (গাৰো) দিয়েং চান্দন্ (খাচিয়া) চিন্দুৰ (বড়ো)
(Mohua) Species—Mallotus philippinensis Family—Euphorbiaceae

সৰু আকাৰৰ চিৰ-সেউজীয়া গছ। বছৰৰ কোনো সময়তে একেলগে পাতবোৰ সৰি গছজোপা উদং নহয়। বাকলিৰ বৰণ ক'লা-চানেকীয়াকৈ মুগা হয়। বাকলিখন পাতলীয়া আৰু তাত দীঘল দীঘল আকাৰৰ দাগ থাকে। বাকলি কাটিলে ভিতৰৰ ৰঙা বৰণ চকুত পৰে।

পাতবোৰৰ গঠন-প্ৰণালী বিপৰীতমুখী। পাতৰ আকাৰ সামান্যভাৱে দীঘলীয়া হ'লেও গুৰি আৰু আগভাগ সিমান জোঙা নহয়। পাতৰ কিনাৰবোৰত পাত বুজি সামান্য ধৰণৰ খাঁজ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। পাতৰ ঠায়ে ঠায়ে কিছুমান ক'লা বৰণীয়া খহুৰ নিচিনা গুটি থাকে।

ফুলৰ বৰণ মুগা বৰণীয়াকৈ ৰঙা। থোপা-থোপে ফুলবোৰ ফুলে। গুটিবোৰৰ বৰণ ক'লা ক'লা হয়।

এই জাতীয় গছৰপৰা যি কাঠ উৎপন্ন হয় সেই কাঠ খৰি হিছাপে ব্যৱহাৰ কৰাৰ বাহিৰে অন্য কোনো কামত নালাগে। অৱশ্যে জেউৰা খুঁটি লগোৱাৰ নিচিনা লাপি লুপা কামত লগাব পৰা যায়। পকা পকা ফলবোৰৰপৰা কাপোৰত ৰং দি উপাদান উলিয়াব পাৰি। এই ফল ঔষধতো লাগে।

এবিধ ডাঙৰ আকাৰৰ বনৰীয়া গছ। চৌপাশে ঠাল-ঠেঙুলি মেলি গছজোপাৰ ওপৰভাগে ছত্ৰাকাৰ ৰূপ ধাৰণ কৰে। কোনো কোনো গছৰ গুৰিভাগত দীঘলীয়া

মাছ কৈতা, ভেৰননিয়া আৰবৰিয়া পৰিয়াল— কম্পোজিটি
(Mach Koita) Species—Vernonia arborea Family—Compositeae

দীঘলীয়া চেপেটা আকাৰৰ ঠেকাৰ উৎপত্তি হয়।

বাকলিৰ বৰণ মদৰুৱা হয়। বাকলিৰ ভিতৰৰফালে থকা মঙহাল অংশ অলপ সোপোকা হয়। বাকলিৰ উপৰিভাগত দীঘলীয়া দীঘলীয়া ৰেখা বিকশিত হয়। বাকলিৰ ভিতৰভাগে মাখন বৰণীয়া ৰং ধৰে। কিছুসময়ৰ পাছত ক'লা ধৰণৰ হালধীয়া বৰণলৈ ৰূপান্তৰ হয়। কাঠৰ ৰঙো ঠিক সেইদৰে মাখন বৰণীয়া হয়। শাহ আৰু পলসৰ ভিতৰত ৰঙৰ কোনো ব্যৱধান নাথাকে।

দীঘলীয়া পাতৰ আগভাগে ঘূৰণীয়া আকৃতি ধাৰণ কৰে। পাতৰ দাঁতিভাগ সমান হয় আৰু পাতখিলাৰ কিনাৰ অংশই ঢৌ কটা প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

ফুলৰ বৰণ সামান্যভাৱে নীলা হয়। থোপা-থোপে ফুল ধৰে। ফলৰ উপৰিভাগত সামান্য ধৰণৰ ৰেখাই বিকাশ লাভ কৰে।

ডালিয়া, পৰিয়াল—ক'ম্পোজিটি
(Dahlia) Species—(Dahlia hybrid) A kind of season flower Family—Compositae

বছৰৰ বিভিন্ন ঋতুত বিতোপন ফুল ধাৰণ কৰি ঘৰৰ চৌহদ আকৰ্ষণীয় কৰি ৰাখিব পৰা ফুল জাতীয় বিদেশী উদ্ভিদবিলাকৰ ভিতৰত ডালিয়া নামেৰে জনাজাত ফুলবিধ অতি মনোমোহা। এইবিধ ফুলগছে ধাৰণ কৰা ফুলবোৰ জাত অনুযায়ী ডাঙৰ আৰু জাত অনুযায়ী সৰু হয়। কিছুমানৰ ফুল ডবল আৰু আন কিছুমানৰ ক্ষেত্ৰত এই ফুলত মাত্ৰ এখিলা বা দুখিলাকৈ পাহি দেখিবলৈ পোৱা হয়। কিছুমান হালধীয়া, কিছুমান ৰঙা আৰু আন কিছুমানে গুলপীয়া বৰণ ধাৰণ কৰে।

কচমচ্‌, কচ্‌মচ্‌ বাইপিনেটছ্‌ পৰিয়াল—কম্পজিটি
(Cosmos) Species—Cosmos bipinatus Family—Compositae

কচমচ্‌ এবিধ নাৰ্জি ফুলৰ নিচিনা বিদেশী বিতোপন ফুলধৰা বনজাতীয় গছ। ব্যৱসায়িক ভিত্তিত ফুল ফলৰ গুটি আৰু পুলি উৎপাদন কৰি বিক্ৰী কৰা নাৰ্ছৰীবিলাকৰপৰা এইবিধ ফুলগছৰ সঁচ আনি আমাৰ মানুহে বাৰীত আৰু উদ্যানসমূহত ভেটি বনাই শাৰী শাৰীকৈ লগোৱাৰ ব্যৱস্থা কৰে। আকৃতি-প্ৰকৃতিত গছবোৰে দীঘল ৰূপ ধাৰণ কৰে।

ছিৰিলি ছিৰিলি পাতবোৰৰ গঠন-প্ৰণালী যৌগিক হয়। এপতীয়া পাহিবিলাক ফুলপাহৰ চৌপাশে চক্ৰাকাৰ ৰূপ ধাৰণ কৰি থাকে। ভিন্ ভিন্ গছে ভিন্ ভিন্ ৰং

পৰিধান কৰাৰ বাবে সমূহীয়াভাৱে ফুলগছৰ জোপাবোৰ আকৰ্ষণীয় হৈ পৰে।

কেলেন্দুলা, কেলেন্দুলা অফিচিনেলিছ পৰিয়াল—কম্পোজিটি (Calendula) Species--Calendula officinale Family—Compositae

নাৰ্জি বা নাৰ্জিফুল এবিধ বাৰীত ৰোপণ কৰা ঘৰচীয়া ফুল। আমাৰ মানুহে ইয়াকে গেন্ধাই ফুল নামেৰেও অভিহিত কৰে। সাধাৰণতে এইবিধ ফুলৰ গুটি বা পুলি নাৰ্চ্ছাৰীৰপৰা অনা হয়। এইদৰে নাৰ্চ্ছাৰীৰপৰা সঁচ অনা পুলি বা গুটিৰ জাত উন্নত পৰ্যায়ৰ হয় আৰু তেনে সঁচৰ পুলিয়ে কালক্ৰমত ধাৰণ কৰা ফুলৰ আকাৰ আৰু আকৃতি ভাল হয়। এবিধ ফুলৰ ৰং গভীৰ হালধীয়া আৰু আন এবিধ ধাৰণ কৰা ফুলৰ বৰণ ৰঙচুৱা হয়। ইয়াৰ বাহিৰেও অন্যান্য ৰঙৰ বিতোপন ফল ধাৰণ কৰা নাৰ্জিফুল মাজে সময়ে দেখিবলৈ পোৱা যায়। জহৰা গজা পুলিৰপৰা বিকাশ লাভ কৰা গছে যি ফুল দিয়ে সেই ফুলত সাধাৰণতে কম পাহি ধৰে।

এষ্টাৰ, কেলিষ্টেফচ্ চাইনেন্‌চিচ্ কম্পোজিটি (Aster) Species--Callistephus Chinensis Compositae

বিতোপন পুষ্প ধাৰণ কৰা এবিধ ঋতুজাত বছেৰেকীয়া উদ্ভিদ। স্বাভাৱিক অৱস্থাত এইবিধ উদ্ভিদৰ উৎপত্তি হোৱা অসমত দেখিবলৈ পোৱা নাযায়। নাৰ্চ্ছাৰি বা অন্যান্য গুটি ব্যৱসায়ী লোকৰপৰা ইয়াৰ গুটি ক্ৰয় কৰি আনি প্ৰথমতে পালেঙত বা কাঠৰ বাকচত মাটি ভৰাই পচোৱা হয়। সময়ত গুটিবোৰ গজি পুলিৰ উৎপত্তি হ'লে আৰু সেই পুলিবোৰে ঠন ধৰি অলপ টনকিয়াল হ'লে ফুলনিবাৰীত ভেটি তৈয়াৰ কৰি শাৰী শাৰীকৈ লগাই দিলে সুফল পাব পাৰি।

টঙন-লতি, বাঘ ঢকা, ইউপেটৰিয়ম অ'দোৰেটম্ ইউপেটৰিয়ম কানাবিনম্ পৰিয়াল—কম্পোজিটি কাল্ বুন (কাৰবি) চাম্ খাবলি (কছাৰী) (Tongonloti, or Bagh-dhoka) Species— Eupatorium odoratum Syn Eupatorium canabinum Family—Compositeae

এবিধ জোপোহা আকৃতিৰ চুটি-চাপৰ বনৰীয়া উদ্ভিদ। বাম-চানেকীয়া ঠাইবিলাকত ডৰা ডৰাকৈ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। ঠানিবোৰে ছাই-বৰণীয়া ৰং ধাৰণ কৰে। কোমল-চানেকীয়া পাতবোৰে অলপ দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। ঠালবিলাক তলৰফালে হাউলি হাউলি যায় আৰু ইয়াৰ ফলত গোটেইডোখৰ ঠাই ইয়াৰ হাবিবোৰে গেজেপ মৰাকৈ ঢাকি ৰাখে।

থোপা-থোপে ফুলা ফুলবোৰৰ বৰণ বগা হয় আৰু কপাহৰ নিচিনা পাখি ধাৰণ কৰা ফুলবোৰ বতাহত উৰি উৰি যায়।

জলফাই, পৰিয়াল—ইলিওকাৰ্পেছি জলফাই, বেলফৈ (অসমীয়া) দাওস্থু (বড়ো)
(Jolphai, Olive) Species—Elaeocarpus Serratus Family—Eleocarpaceae

এবিধ মজলীয়া আকাৰৰ চিৰ-সেউজীয়া গছ। গা-গছ আৰু শাখা-প্ৰশাখাবিলাকৰ বাকলিৰ বৰণ মদৰুৱা হয়। পাতবিলাকৰ উপৰিভাগ মিহি আৰু সেউজীয়া হয়। সৰল পাতবোৰৰ ওপৰৰ পিঠি তলৰ পিঠিতকৈ অধিক সেউজীয়া হয়। পাতৰ আকৃতিয়ে অলপ দীঘল-চানেকীয়াকৈ আগৰফালে ক্ৰমে জোঙা ৰূপ ধাৰণ কৰে আৰু দাঁতিভাগে কৰতৰ দাঁতৰ ৰূপ ধাৰণ কৰে।

এইবিধ গছে শৰৎ-হেমন্ত কালত সৰু সৰু ফুলৰ থোপা ধৰে। প্ৰায় ৬ চেণ্টিমিটাৰমান দীঘল ডিম্বাকৃতিৰ ফলবোৰৰ উপৰিভাগ সেউজীয়া হয়। পকিলে এই ফল কোমল হয়। মানুহে এই ফল খায়। খাবলৈ টেঙা লাগে। পকিলে অলপ মিঠা হয়। এই ফলৰপৰা মানুহে ত্বক, টেঙা আঞ্জা, আচাৰ আদি তৈয়াৰ কৰে। ইয়াৰপৰা উৎপন্ন হোৱা কাঠ উন্নত পৰ্যায়ৰ নোহোৱাৰ বাবে কেঁচা ঘৰৰ খুঁটা; খৰি আদিৰ বাহিৰে অন্য কামৰ উপযোগী নহয়।

ৰুদ্ৰাক্ষ, ইলিওকাৰ্পচ্ গ্ৰেনিট্ৰাছ পৰিয়াল—এলিওকাৰ্পেছি সংস্কৃত-ৰুদ্ৰাক্ষ, শিৱপ্ৰিয়া, অসমীয়া-ৰুদ্ৰাক্ষ, বঙালী-ৰুদ্ৰাক্ষ, হিন্দী-ৰুদ্ৰাকী, ইংৰাজী-বিড্‌ট্ৰি
(Bead tree) Species—Elaeocarpus ganitrus Family—Eleocarpaceae

এবিধ মজলীয়া আকাৰৰ চিৰ-হৰিৎ গছ। অসমত এই জাতীয় গছৰ উৎপত্তি হয়, নগাভূমি, অৰুণাচল প্ৰদেশ আদিৰ অৰণ্যভূমিবিলাকত সেৰেঙা-সেৰেঙকৈ ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। ইয়াৰ কঠিন তথা খহটা বাকলি থকা গুটিবোৰৰপৰা তৈয়াৰ কৰি সাধু সন্ন্যাসীসকলে পবিত্ৰ মালা পৰিধান কৰে। এই গুটিৰপৰা ঔষধ তৈয়াৰ কৰা হয়।

হেঙেনা পকা, টোলোঠা পকা, গ্লাইখচ্‌মিচ্ পেণ্টাফাইলা পৰিয়াল—ৰুটেছি হেঙেনা পকা, হেংনা পকা (শিৱসাগৰ) টোলোঠা পকা (নগাঁও) ছাগল-লাডী, চাউল ধোৱা (কামৰূপ) প্লেগ্-ইক্-আৰু (কাৰ্বি) হিউনমুচা, ঠেং-লকচ'-আৰং, জামি বেং বেং আৰং, চিংচই আৰং, ঠেং-পিটুং-মেং, ৰচৰা-আনাৰং (কাৰ্বি) টাচুং চাংনে (ডফলা) দিয়েং-চহ-স্নিং (খাচিয়া) চেৰেবিলিজিৰা (কাছাৰ)
(Hengena poka, Tulutha Poka) Species—Glycosmis pentaphylla Family—Rutaceae

প্ৰায় ৫ মিটাৰ উচ্চতালৈ আৰোহণ কৰা এবিধ সৰু আকাৰৰ চিৰহৰিৎ গছ। বাকলিৰ বৰণ ক'লা-চানেকীয়া হয়। বাকলিৰ ভিতৰৰ অংশ কুহিলাৰ দৰে সোপোকা। যৌগিক পাতৰ পত্ৰিকাবোৰ অযুগ্ম।

পত্ৰদণ্ডৰ দৈৰ্ঘ্য বেলেগ বেলেগ হয়। সাধাৰণতে ৮-১০ চেন্টিমিটাৰমান দীঘল। শাখা পত্ৰিকাবোৰৰ আকাৰ সৰু, সাধাৰণতে জখলা খলপীয়া আৰু কাচিৎ কেতিয়াবা বিপৰীতমুখী। ডিম্বাকৃতি, বিপৰীতমুখীভাৱে ডিম্বাকৃতি অথবা বল্লমাকাৰ। সুক্ষ্মকৌণিত, নেজালভাৱে সূক্ষ্মকৌণিক, সম সীমান্তিক অথবা কৰতীয়াভাৱে বক্ৰ-দান্তিক। কাগজ সদৃশ পাতলীয়া, ওপৰৰফালে গভীৰ সেউজীয়া আৰু তলৰ লুটি শেঁতা। হাতেৰে ভাঙি দিলে এক প্ৰকাৰৰ অকটা গোন্ধ অনুভূত হয়। ফুট-ফুটীয়া গ্ৰন্থিবোৰ জলজলীয়া।

উপসিৰৰ সংখ্যা ৮-১০ সীমান্তৰ আগে আগে সন্মিলিত। ফুলৰ আকাৰ ভিন্ ভিন্।

ফলবোৰ জামুৰ দৰে কোমল।

হালধীপতীয়া, সৰ্পগন্ধী হালধী পতীয়া শন, (অসমীয়া)
(Halodhi Potia snake plant) Species—Sansevieria trifaciata Family—Liliaceae Yellow leaved snake plant (ইংৰাজী)

দীঘল বিধৰ মঙহাল পাত ধাৰণ কৰা এবিধ চকুত লগা ক্ষুদ্ৰাকাৰ উদ্ভিদ। বনগছবোৰে প্ৰায় একমিটাৰমান উচ্চতা প্ৰদৰ্শন কৰা দেখিবলৈ পোৱা যায়। ডাঠ আৰু ঠৰঙা পাতবোৰে আকাশমুখী ৰূপ ধাৰণ কৰে। দীঘলে দীঘলে পাতৰ মধ্যভাগ সেউজবুলীয়া হয় আৰু পাতৰ দুয়োকাষে শীৰ্ষবিন্দু পৰ্যন্ত হালধীয়া বৰণ পৰিধান কৰে। গা-গছ বা ঠাল-ঠেঙুলিৰ বিকাশ সাধন হোৱা দেখা নাযায়।

মাটিৰ তলত উৎপত্তি হোৱা মূল ডালৰপৰা গোটা আকৃতিৰ মঙহাল শাখা-শিপাৰ উদ্ভৱ হয়। এই শাখা শিপাবিলাকৰ অগ্ৰভাগত নতুন নতুন পুলিৰ পোখা মেলে আৰু নতুনকৈ উৎপত্তি হোৱা পোখাবোৰে নতুন পুলিৰ সৃষ্টি কৰে। এইদৰে গছৰ সংখ্যা বাঢ়ি বাঢ়ি গৈ থাকে।

বহুতো চৌখিন মানুহে এইবিধৰ বিচিত্ৰ উদ্ভিদ মাটিৰ চৰু বা গামলাত লগাই ৰাখে। উদ্যান, ফুলনি আদিৰ মাজত বা কিনাৰত পৰিপাটীকৈ সজাই-পৰাই ৰোপণ কৰিলে কিম্বা পাথৰ আদিৰে তৈয়াৰ কৰা বাগিচাত (Rock-Garden) অন্যান্য বিচিত্ৰ ফুল আৰু পাত ধাৰণ কৰা উদ্ভিদৰ লগত দেখনিয়াৰভাৱে লগাই ৰাখিলে মনোৰম পৰিবেশৰ সৃষ্টি হয়।

ৰজনী গন্ধা, পলিয়াস্থৈছ টিউবাৰোজা পৰিয়াল—লিলিয়েছি ৰজনী গন্ধা (অসমীয়া)
(Rajani Gandha) Species—Polianthes tuberosa Family—Liliaceae Tuberose (ইংৰাজী)

সুগন্ধি ফুল ধাৰণ কৰা এবিধ বছেৰেকীয়া আয়ুসৰ ঘৰচীয়া ফুল। মাটিৰ তলত লিলি

জাতীয় ফুল বা পিয়াঁজৰ নিচিনা মূল ধৰে। থোপা বান্ধি বিকাশ লাভ কৰা পিয়াঁজ সদৃশ মূলৰপৰা গাইগুটীয়া মূল-ঠাৰি বা নলাৰ বিকাশ সাধন হয়। এই নলাবোৰ কাষৰপৰা পাবে পাবে পাতৰ বৌখা আৰু ঠাৰিৰ উৎপত্তি হয়। ঠাৰিৰ উপৰিভাগত দীঘলীয়া দীঘলীয়া পাতে বিকাশ লাভ কৰে। নলাৰ উপৰিভাগত দীঘলপহীয়া পুষ্প-কুঞ্জই বিকাশ লাভ কৰে। গাইগুটীয়া ফুলে ধাৰণ কৰা পাহিবোৰে শুধবগা ৰূপত আত্মপ্ৰকাশ কৰে। সন্ধিয়া পৰত এই ফুলৰপৰা বিকিৰণ হোৱা সুগন্ধি-সুবাসে গোটেই পৰিবেশ সুমধুৰ কৰি তোলে। সেইবাবে এইবিধ ফুলক মানুহে হেঁপাহেৰে আদৰ কৰে আৰু ডাঙৰ আকাৰৰ গাম্‌লা বা ফুলদানিত সজাবলৈ ভাল পায়।

পেটুনিয়া, পেটুনিয়া হাইব্ৰিডেন
(Petunia) Species—Petunia hybriden
Family—Solanaceae

পেটুনিয়া নামৰ বছেৰেকীয়া ফুলবোৰৰ পুলি মিহি মিহিকৈ তৈয়াৰ কৰা সাৰুৱা মাটিৰ ভেটিত লগোৱা হয়। ইয়াৰ গুটি বা পুলিবোৰো নাৰ্ছাৰীৰপৰা কিনি বা মঙ্গাই আনি লগায়। গুটিৰপৰা গজা এই ফুল পুলিবোৰৰ গঠন-প্ৰণালী লতা-চানেকীয়াকৈ লেহুকা হয়। অৱশ্যে লতা জাতীয় উদ্ভিদৰ দৰে ইহঁতে দীঘল দীঘল হৈ নিলগলৈ বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন নকৰে।

সেউজবুলীয়া পাতবোৰে ত্ৰিকোণীকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পেটুনিয়াৰ বহুতো জাত আছে। জাত অনুযায়ী ইহঁতে বেলেগ বেলেগ বৰণৰ ফুল ধাৰণ কৰে।

ধতুৰা, ডাটুৰা ষ্ট্ৰামোনিয়াম পৰিয়াল—চোলানেছি ধতুৰা
(অসমীয়া) ধুতুৰা (ৰাভা)
(Dhatura) Species—Datura stramonium
Family—Solanaceae

য'তে ত'তে উৎপন্ন হোৱা এবিধ সৰু আকাৰৰ বনৰীয়া জোপোহা গছ। গা-গছ আৰু ডাল-পাতৰ বৰণ সাধাৰণতে সেউজীয়া হয়। পাতৰ তলৰফাল আৰু সৰু-সুৰা ডালবিলাকত বেঙুনীয়া ৰঙৰ আভাস থকা দেখা যায়। পাতৰ উপৰিভাগ নিমজ হয় আৰু তলৰফালে ওলোৱা সিৰা-উপসিৰাবিলাকৰ দাঁতিয়ে দাঁতিয়ে সহজে চিনিব নোৱৰা বিধৰ পাতলীয়া চুলি বা শুং থাকে।

ফুলৰ বৰণ অলপ বগা- চানেকীয়া হ'লেও তাৰ ওপৰত বেঙুনীয়া বৰণৰ আভাস থাকে। চুপহি সেউজীয়া আৰু চুঙাৰ নিচিনা। আগভাগত খাঁজ কটা থাকে আৰু এই খাঁজ কটা আগভাগৰপৰা পাহিৰ গুৰিভাগ চুঙা এটাৰ দৰে ওলাই আছে। ফুলৰ আকাৰ কলমৌ ফুলৰ নিচিনা।

ধতুৰা ফুল শিৱ পূজাত লাগে। ফলবোৰ ঘূৰণীয়া ঘূৰণীয়া হয় আৰু ফলৰ উপৰিভাগ চুটি চুটি কাঁটাৰে সজোৱাৰ নিচিনাকৈ খহুলি খহুলি হৈ থাকে। ধতুৰা গুটি শুকুৱাই তাৰ গুৰিভাগৰ লগত মিহলাই খালে বেছিকৈ নিচা ধৰে। তেনে ধৰণেৰে ধতুৰা গুটি খোৱাটো স্বাস্থ্যৰ পক্ষে অনিষ্টকাৰী।

বগা ধতুৰা, দতুৰা আলবা পৰিয়াল ছোলানেছি।
মাবং-হু (টাই-আহোম)
(Boga Dhatura) Species—Datura alba
Family—Solanaceae

সাধাৰণতে যিবিধ ধতুৰা য'তে ত'তে দেখিবলৈ পোৱা যায় সেইবিধ জোপোহা গছৰ উচ্চতা প্ৰায় এক দেৰ মিটাৰমান হ'ব। পাহাৰৰ হেলনীয়া ঠাইত আৰু মুকলিমূৰীয়া ঠাইৰ কাষে-পাজৰে আন এবিধ অলপ ডাঙৰ আকাৰৰ আকৰ্ষণীয় ফুল ধাৰণ কৰা ধতুৰা বা ধতুৰা ফুলৰ আৱিৰ্ভাৱ পৰিলক্ষিত হয়। এইবিধ ধতুৰা গছ আকাৰত ডাঙৰ হয় আৰু প্ৰায় সৰহ ক্ষেত্ৰত ইয়াক সৰহীয়াকৈ একেডোখৰ ঠাইতে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। বছৰৰ একো একোটা সময়ত ইয়াৰ ফুলবোৰ থোপা-থোপে ফুলি গছজোপাৰ ঠাল-ঠেঙুলিবোৰৰপৰা ওলমি ওলমি থাকে। তেতিয়া এই গছবোৰে মনোমোহা ৰূপ প্ৰদৰ্শন কৰে। ফুল ধৰা আলঙ্কাৰিক উদ্ভিদ হিছাপে বহুতো চৌখিন মানুহে ঘৰৰ চৌহদত ইয়াক শাৰী পাতি পাতি সৰহীয়াকৈ লগাই দিয়ে।

ফুলবোৰ পূৰঠ হ'লে এইবিধ ধতুৰায়ো শুং থকা ধৰণৰ অলপ ডাঙৰ বিধৰ ফল ধৰে।

আপেশ্বৰীৰ বিকুল, দতুৰা চুৱাভিয়োলেন্স পৰিয়াল—চ'লানেছি
(Angels trumpet) Species—Datura suaveolens Family—Solanaceae

এবিধ বগা বৰণীয়া তুলনামূলক-ভাৱে ডাঙৰ আকাৰৰ ফুল ধাৰণ কৰা উদ্ভিদ। এইবিধ ফুল জাতীয় উদ্ভিদৰ উৎপত্তি স্থান মেক্সিকো। আজিকালি ভাৰতবৰ্ষৰ প্ৰায় সকলো অঞ্চলতে ইয়াক কম-বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। মেঘালয় ৰাজ্যৰ শ্বিলঙৰ আশে-পাশে থকা দ-চানেকীয়া ঠাইবোৰত আৰু ৰাস্তা-পদূলিৰ কিনাৰত বিৰাজ কৰা পৰিবেশবিলাকত এইবিধ বিতোপন ফুল ধাৰণ কৰা উদ্ভিদ প্ৰায়েই দেখিবলৈ পোৱা যায়।

বাৰীৰ কাষত ঢাপত লগাই থ'লে ফাগুন-চ'তমহীয়া বগা ফুলৰে গোটেই পৰিবেশ ৰমক-জমক হৈ পৰে। অন্যান্য জাতৰ ধতুৰা ফুলৰ দৰে এইবিধ ফুল শিৱৰাত্ৰীৰ সময়ত শিৱ-পূজাত ভগৱানৰ উদ্দেশ্যে অৰ্পণ কৰা হয়।

কপাল ফুটা, ছোলানম্ বাৰ্হিছেটম্ পৰিয়াল— ছোলানেছি ফাক্-টুম্-তক, নেন্ (টাই-আহোম) (Kopal Phuta) Species—Solanum barhisetum Family—Solanaceae এবিধ সৰু আকাৰৰ বছেৰেকীয়া বনগছ। লাচ্‌কচিৰ দৰে শাকনিবাৰী, ফুলনিবাৰী আদিত আপোনা-আপুনি আৱিৰ্ভাৱ হয়। বনগছডাল লেহুকা হয় আৰু ইয়াৰ পাতবোৰে ফেৰেঙনি মেলা ৰূপ ধাৰণ কৰে। পাতখিলাৰ মাজত থকা মূল সিৰ আৰু ইয়াৰ দুয়োকাষে উৎপত্তি হোৱা উপসিৰবিলাক কাঁইটীয়া হয় আৰু পাতৰ দুয়ো লুটি কোমল-আমল নোমৰ আৱৰণে ঢাকি ৰাখে। অলপ দীঘল-চানেকীয়া পাতৰ ঠাৰিডালতো চুটি চুটি কাঁইটৰ উৎপত্তি হয়।

ফুলৰ আকাৰ মজলীয়া হয়। এই ফুল পূৰঠ হ'লে প্ৰত্যেক পাহ ফুলৰ ঠাই একোটা অলপ দীঘলীয়া বিধৰ কোমল ফলে অধিকাৰ কৰে। ফলটো চুপহিৰ দীঘলীয়া আৱৰণখনে সম্পূৰ্ণকৈ আগুৰি ৰাখে। সংলগ্ন হৈ থকা চুপহিটোৰ আগভাগত খোল খাই থকা মুখখনত ফুঁ দি বতাহ সুমুৱাই দিয়াৰ পাছত জোৰেৰে কপালত মাৰি দিলে এটা 'ফট্' শব্দ উদিগৰণ কৰি ফুটি যায়। ল'ৰা-ছোৱালীয়ে এইদৰে কপালত মাৰি শব্দ কৰাবলৈ পালে আনন্দ পায়।

লাচক্‌চি, ছোলানম্ নাইগ্ৰম পৰিয়াল— ছোলানেছি ফাক্-টিঙ্-টেউ (টাই-আহোম) (Lachkochi) Species—Solanum nigrum Family—Solanaceae এবিধ ক্ষুদ্ৰ আকাৰৰ লেহুকা উদ্ভিদ। শাকনিবাৰী, ফুলনিবাৰী আদিত ই আপোনা-আপুনি উৎপত্তি হয়। গছজোপা লেহুকা হয় আৰু ইয়াৰ ঠাল-ঠেঙুলিবিলাকে সেউজীয়া বৰণ ধাৰণ কৰে। গছ পূৰঠ হ'লে ঘাইগছৰ গুৰিভাগে ছাই-বৰণীয়া বা মুগা ৰূপ প্ৰদৰ্শন কৰে।

লেতু-সেতু পাতবোৰে সেউজীয়া ৰং প্ৰদৰ্শন কৰে। শস্যক্ষেত্ৰত, বিশেষকৈ শাকনিবাৰীত উৎপত্তি হৈ এইবিধ উদ্ভিদে গৃহস্থৰ কাম বঢ়ায়। অন্যান্য জাতীয় বনৰীয়া ঘাঁহ-বনবিলাক উঘালি পেলাই পাচলি বাৰীখন নিয়ৰাই দিওঁতে গিৰিহঁত-গিৰিহঁতনীয়ে এইবিধ বনৰীয়া বনগছৰ পুলিও উঘালি পেলাব লগা হয়।

ফুল থোপা-থোপে ধৰে আৰু এই ফুলৰ আকাৰ তেনেই সৰু হয়। ফুলবোৰ পূৰঠ হ'লে ভেকুৰি একোটাৰ সমান কিম্বা ভেকুৰিতকৈ অলপ সৰু ফল থোকা-থোকে ধৰে। কেঁচাতে ফলবোৰৰ বৰণ সেউজীয়া হয় আৰু ভিতৰত থকা কোমল পদাৰ্থৰ মাজত সৰু সৰু গুটিৰ উৎপত্তি হয়। ইয়াৰ দুটা জাত আছে। এটা জাতৰ ফলবোৰ পকিলে ক'লা হয় আৰু আনটো জাতৰ ফলবোৰ পকিলে ৰঙা পৰে। দুয়ো জাতৰ পকা ফল মুখত দিলে মিঠা মিঠা লাগে।

হাচ্‌নাহানা, চেষ্ট্ৰম্ নক্টৰনম পৰিয়াল—চোলানেচি (Hasnahana) Species—Centrum nocturnum Family—Solareceae The lady of the night

এবিধ মাটিত বগুৱা বাই যোৱা প্ৰকৃতিৰ লতা-চানেকীয়া বন জাতীয় উদ্ভিদ। ইয়াৰ পাতবিলাকে দীঘল চানেকীয়া আকৃতি ধাৰণ কৰে। সুগন্ধি ফুল ফুলে। সেউজীয়া আভাস থকা হালধীয়া চুঙা পহীয়া ফুলবোৰ থোপা-থোপে ফুলে। ফুলৰ সুবাসে ৰাতি মলমলাই যায়। এইবিধ সুগন্ধি ফুলৰ গছ মানুহে ফুলনিবাৰীত লগায়।

বৰপাতা ধপাত, নাইকোটিয়ানা টবাকম্ পৰিয়াল—ছোলানেছি। টুন্-জা (টাই-আহোম) (Borpata Dhapat) Species—Nicotiana tobacum Family—Solanaceae

এইবিধ ধপাত জাতীয় উদ্ভিদক বৰপাতা ধপাত বুলিও কোৱা হয়। পাতবিলাক আকাৰত মান ধপাতকৈ ডাঙৰ হোৱাৰ বাবেই ইয়াক বৰপাতা ধপাত নামেৰে অভিহিত কৰা হয়। ডিম্বাকৃতিৰ ধপলা-ধপল পাতবোৰে আগৰফালে জোঙা চানেকীয়া ৰূপ ধাৰণ কৰে। পাতবোৰ অলপ ডাঠ আৰু লেহুকা হয়। এই পাতবোৰে নাইকোটিন্ নামৰ এবিধ পদাৰ্থ ধাৰণ কৰে। বিশিষ্ট গুণ থকা এইবিধ পদাৰ্থ থকাৰ বাবে ইয়াৰ পাতবোৰ চিগাৰেট আদি প্ৰস্তুত কৰা কামত ব্যৱহাৰ কৰা হয়।

অতীজতে আমাৰ মানুহে বৰপাতা ধপাতৰ পাতবোৰ চুঙাত ভৰাই লৈ আৰু লাঠি এডালেৰে খুন্দি খুন্দি বছৰটোৰ বাবে সংৰক্ষণ কৰি ৰাখিছিল। বৰপাতা চাদাৰপৰা তৈয়াৰ কৰা এই মাদক পদাৰ্থক মানুহে "মুখত খোৱা ধপাত"ৰ আখ্যা দিছিল। আজিকালি এনে ধপাত খোৱাৰ ৰীতি প্ৰায় বন্ধ হৈছে। আজিকালিৰ মানুহে খিলিপাণ, মছলা আদি খায়েই মুহুদি কৰে।

মান ধপাতৰ দৰে এইবিধ ধপাত জাতীয় উদ্ভিদেও বগা বগা ফুল ধাৰণ কৰে। ফুল পুৰঠ হৈ পৰিলে যিবোৰ থোপোকা ছেঁই ধৰে সেই ছেইবোৰৰ ভিতৰত অসংখ্য সৰু সৰু গুটি ধৰে। এই গুটিবোৰ পালেঙত পচালে যি পুলি হয় উদ্যোগী কৃষকে সেইবোৰ সাৰুৱা মাটিত শাৰী শাৰীকৈ লগাই দিয়ে।

বিলাহী বেঙেনা, লাইকোপাছিকম এস্কোলেন্টম্ পৰিয়াল—ছোলানেছি বিলাতী বাঁঠ (ৰাভা) ফান্থাও বেলাতী (বড়ো) মাক্-খ্ৰু-খাও-লেঙ (টাই-আহোম) (Tomato) Species—Lycopersicum esculentum Family—Solanaceae

লেতু সেতু ডাল আৰু ঠাল-ঠেঙুলি ধাৰণ কৰা এবিধ বাৰীত লগোৱা উদ্ভিদ। বুঢ়া গছ ডালৰ বাকলি ৰং ধোঁৱা-বৰণীয়া হয়। কুমলীয়া ঠালবোৰে সেউজ-বুলীয়া বৰণ ধাৰণ কৰে। পাতবোৰ আঙুলিপহীয়াকৈ ফেৰেঙণি মেলা হয়। ফুল থোপা-

থোপে ফুলে আৰু ফুলৰ বৰণ হালধীয়া হয়। এই ফুলবোৰ পূৰঠ হ'লে যিবোৰ ফল ধৰে সেইবোৰ ফলৰ ভিতৰখন কোমল-চানেকীয়াকৈ মঙহাল হয় আৰু সেই মঙহাল পদাৰ্থৰ মাজত অসংখ্য সৰু সৰু গুটি ধৰে। বাকলিখন সেউজীয়া আৰু মিহি হয়। পকিলে ফলবোৰ ৰঙা পৰে। জাত অনুযায়ী এই ফলবিলাকৰ আকৃতি আপেলৰ নিচিনাকৈ ঘূৰণীয়া আৰু দুই মূৰ চেপেটা, মিৰিকা টেঙাৰ দৰে দীঘলীয়া আৰু বাটলুগুটি একোটাৰ দৰে সৰুকৈ ঘূৰণীয়া হয়। আমাৰ মানুহে এইবিলাক বিলাহীক বৰ-বিলাহী, মাজু-বিলাহী আৰু সৰু বিলাহী নামেৰে অভিহিত কৰে।

বিলাহী বেঙেনাৰে নানা ধৰণৰ তৰকাৰি বনাব পাৰি। ত্বক বনালে খাবলৈ ভাল ল্যাগে। সৰু বিলাহী খৰিকাত দি আৰু নিমখ-তেল মিহলাই জুটি লগাই খাব পাৰি। ছাট্‌নি বনাই খোৱা হয়। বিলাহী বেঙেনাৰে বনাই বটলত ৰখা 'চচেজ' কিনিবলৈ পোৱা যায়। বিলাহী বেঙেনাৰ একাধিক জাত আছে। যেনে বৰ বিলাহী মাজু বিলাহী, আৰু সৰু বিলাহী ইত্যাদি৷

ধতুৰা ডতুৰা, ফাচ্‌তুৰছা (প্ৰকাৰ) পৰিয়াল—
ছোলানেছি মাক্‌হু (টাই-আহোম)
(Dhatura) Species—Datura fustuosa
Family—Solanaceae

এবিধ জোপোহা আকাৰৰ বছেৰেকীয়া বনৰীয়া উদ্ভিদ। প্ৰতিবছৰে খৰালীমহীয়া উৎপত্তি হৈ বৰ্ষাকালত অন্তৰ্দ্ধান হয়। গছডালে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। পাতৰ আকাৰ বহলপহীয়াকৈ আগৰফালে জোঙা হৈ যোৱাৰ ৰূপ ধাৰণ প্ৰদৰ্শন কৰে। পাতৰ বৰণ সেউজীয়া হ'লেও উপৰিভাগত ৰঙচুৱাকৈ ক'লা বৰণৰ আভাস পৰিলক্ষিত হয়।

ফুলবোৰ আকাৰত ভালেখিনি ডাঙৰ হয় আৰু একোপাহি ফুলে গুৰিত চুঙাৰ আকৃতি ধাৰণ কৰি আগৰফালে মেলাহি হৈ যায়। পাহিত দীঘল দীঘল আঁচৰ নিচিনা সিৰাই বিকাশ লাভ কৰাৰ ফলত ফুলপাহে দীঘলে দীঘলে জাঁপ যাব পৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে।

হিন্দুসকলে এইবিধ ফুল শিৱ-পূজাত অৰ্পণ কৰে। ফুল পুৰঠ হ'লে যিবোৰ ফলৰ উৎপত্তি হয় সেই ফলৰ বাকলিখনত কাঁইটীয়া শলাই বিকাশ লাভ কৰে। ভাঙৰ লগত ধতুৰাৰ ফল মিহলি কৰি খালে মূৰ আচন্ত্ৰাই কৰে।

এবিধ অলপ সৰু আকাৰৰ আৰু পাতলীয়া ধৰণৰ পাত ধাৰণ কৰা ঘৰচীয়া উদ্ভিদ। আমাৰ কিছুমান মানুহে এইবিধ ধপাত জাতীয় গছ শাকনিবাৰীত শাৰী শাৰীকৈ লগাই দিয়ে আৰু সময়মতে পাতবোৰ ছিঙি আনি ৰ'দত শুকুৱায় আৰু

মান ধপাত, নাইকোটিয়ানা ৰাচ্‌টিকা পৰিয়াল— চোলানেছি টুন্‌-জা (টাই-আহোম)
(Man Dhopat) Species—Nicotiana rustica Family—Solanaceae

শুকুৰাৰ পিছত জাপ জাপকৈ বাণ্ডিল কৰি বজাৰত বিক্ৰী কৰে। চিগাৰেট আৰু বিড়ি আদি তৈয়াৰ কৰা কাৰখানাবিলাকে এইবিধ ধপাতৰ পাতবোৰৰপৰা চিগাৰেট-বিড়ি আদি তৈয়াৰ কৰে। অসমত এইবিধ শস্যৰ খেতি ব্যৱসায়িক ভিত্তিত কৰা মানুহ তেনেই কম। অতীজতে মলা ধপাত তৈয়াৰ কৰিবলৈ মান ধপাত ব্যৱহাৰ কৰা হৈছিল।

অৱশ্যে বহিৰাগত কিছুমান সম্প্ৰদায়ৰ উদ্যোগী কৃষকে বালি-চাপৰিৰ উৰ্বৰা ভূমিত এইবিধ ফচলৰ খেতি সৰহীয়াকৈ কৰি আৰ্থিকভাৱে লাভবান হোৱা দেখা যায়।

গছজোপা পূৰঠ হ'লে আগভাগত থোপা-থোপে ফুল ধৰে। এই ফুলৰপৰা চুটি চুটি আকাৰৰ ছেঁই হয় আৰু এই ছেঁইবোৰৰ ভিতৰত নিচেই অকণ অকণ ঘূৰণীয়া গুটিয়ে বিকাশ লাভ কৰে। সাৰুৱা মাটি চহ কৰি আলফুলকৈ গুটিবোৰ সিঁচি দিলে নতুনকৈ গজা পুলিবোৰে পোখা মেলে।

সৰু বিলাহী, কণবিলাহী, প্ৰজাতি—লাইকোপাৰচিকম এচ্‌কুলেটম বিকল্পে—চোলানম লাইকোপাৰ্চিকম্ পৰিয়াল— চোলানাছি বিলাহী বেঙেনা, সৰু বিলাহী (অসমীয়া) বিলাইটি বেগুন (বঙালী) বিলাইটি বাইগুন (হিন্দী) টমেটো (ইংৰাজী)
(Soru Bilahi, Kon Bilahi) Species—Lycopersicum esculentum Syn-Solanum lycopersicum Family—Solanaceae

এবিধ বছেৰেকীয়া আনতৰ বেঙেনা গোষ্ঠীৰ উদ্ভিদ। ইয়াৰ ৰসাল ফল গছৰপৰা ছিঙি আনি মানুহে তৰকাৰি, ভাজি আদি তৈয়াৰ কৰি খায়। চাটনি আৰু চালাদ কৰিও খোৱা হয়। এইবিধ খাদ্য শস্যৰ কেবাটাও জাত আছে। যেনে—বৰ বিলাহী, মাজু বিলাহী, সৰু বিলাহী ইত্যাদি।

কেপচিকম বা লংকা, কেপ্‌চিকম্ গ্ৰোচম পৰিয়াল— চোলানেছি
(Capsicum) Species—Capsicum grossum Family—Solonaceae

এবিধ ডাঙৰ আকাৰৰ ফল ধৰা জলকীয়া জাতীয় উদ্ভিদ। এইবিধ বনগছে ধাৰণ কৰা জলকীয়াবিলাকক আমাৰ মানুহে কেপ্‌চিকম্ বুলি কয়। গছ আৰু পাত আদিৰ আকৃতি অন্যান্য জাতীয় জলকীয়াৰ লগত কম-বেছি পৰিমাণে মিলি যায়। এইবিধ বনগছে ধাৰণ কৰা ফলবিলাক অন্যান্য জাতৰ জলকীয়াৰ দৰে জ্বলা নহয়। সেইবাবে ইয়াক মছলাৰ দৰে ব্যৱহাৰ কৰা নহয়। আন আন শাক, মেগি আদিৰ লগত ভাজিলে উপাদেয় হয়।

শ্বিলঙৰ নিচিনা পাহাৰী ঠাইত ইয়াৰ খেতি ভাল হয়। আজিকালি ঠাই বুজি ভৈয়ামৰ মানুহেও ইয়াৰ খেতি কৰি লাভবান হয়।

ভোঁট জলকীয়া, কেপ্‌চিকম্ ইন্দিকম্ পৰিয়াল—চ'লানেছি ভোট জলকীয়া (অসমীয়া) (Bhut Jolokia) Species—Capsicum indicum (variety) Family—Solanaceae

এবিধ জলকীয়া জাতীয় উদ্ভিদ। সাধাৰণ বিধৰ জলকীয়া গছ আৰু এইবিধ জলকীয়া গছৰ মাজত বিশেষ পাৰ্থক্য থকা দেখিবলৈ পোৱা যায়। পাৰ্থক্য ইমানেই যে এই জাতৰ জলকীয়া গছে ধাৰণ কৰা ফলৰ আকাৰ অলপ ডাঙৰ হোৱা দেখা যায়।

তদুপৰি এইবিধ জলকীয়াৰ চোক বৰ বেছি হোৱাৰ বাবে ইয়াক বহুতো মানুহে ভাতৰ লগত খাবলৈ টান পায়। আচাৰ হিছাপে তৈয়াৰ কৰি খাব পাৰি। আচাৰৰ বটলত অন্যান্য খাদ্যোপযোগী ফল টুকুৰা-টুকুৰ কৰি মিহলি কৰিলে আহাৰৰ লগত খাবলৈ উপাদেয় হয় বুলি বহুতৰ মুখত শুনিবলৈ পোৱা যায়।

আলুগুটি, ছোলানম টিউবাৰোছম পৰিয়াল—ছোলানেছি খান্ থে (ৰাভা) ফুৰুয় (কাৰবি) আঁলু (বড়ো) তাৰাজা (আছিক) মান্‌ক্লা (টাই-আহোম) (Potato) Species—Solanum tuberosum Family—Solanaceae

মাটিৰ তলৰ শিপাত কচু-টেপুৰ নিচিনা গোটা গোটা আলু ধৰা এবিধ শস্য জাতীয় উদ্ভিদ। বছৰি বছৰি উৎপত্তি হৈ ক্ষুদ্ৰাকাৰ বনগছডাল বছৰি বছৰি মৰি যায়। প্ৰতিবছৰে নতুনকৈ লগাই দিয়া আলুৰপৰা পুলি ওলায়। নৈৰ পাৰত থকা পলসুৱা মাটিত শাৰী শাৰীকৈ লোৰ বনাই গজালি মেলা আলু ৰুই দিয়া হয়। শ্বিলঙৰ পাহাৰী হেলনীয়া মাটিত খাপ খেতি কৰা খাচিয়াসকলে আলু খেতি কৰি লাভবান হয়। বিহাৰ আৰু উত্তৰ প্ৰদেশৰপৰাও বছৰি বহু পৰিমাণৰ আলু অসমলৈ আহে।

আলু গছৰ মুল ঠাৰিডালৰপৰা বহুতো ঠাল-ঠেঙুলি ওলায় আৰু এই ঠাল-ঠেঙুলিত উৎপত্তি হোৱা পাতবোৰে গছডাল জোপোহা কৰি পেলায়। ঠালত বিকশিত হোৱা দীঘল-চানেকীয়া পাতবোৰে ফেৰেঙণি মেলা ৰূপ ধাৰণ কৰে। পাতবোৰৰ বৰণ সেউজীয়া হয়। থোপা-থোপে ধৰা ফুলবোৰে বগা বৰণ পৰিধান কৰে। গছডাল মৰি গ'লে কিম্বা মৰিবলৈ আৰম্ভ কৰোঁতে মাটি খান্দি নতুনকৈ লগা আলুগুটিবোৰ সংগ্ৰহ কৰা হয়। প্ৰতিবছৰে বাৰীত এডৰা আলু লগাই ৰাখিব পাৰিলে বছৰটোৰ বাবে তৰকাৰিৰ অভাৱ বহুখিনি পূৰ হয়। সকলোবিধৰ তৰকাৰি আৰু মাছ-মাংসৰ লগত আলু ব্যৱহাৰ কৰিব পাৰি।

অশ্বগন্ধা, প্ৰজাতি—উইথানিয়া চমনিফেৰা পৰিয়াল—চলানেছি অশ্বগন্ধা, লাখনা (অসমীয়া) অশ্বগন্ধা, অশ্বকান্দিকা (বঙালী) অশ্বগন্ধ, পুনিৰ (হিন্দী) (Aswagandha) Species—Withania Somnifera Family—Solanaceae

এবিধ মধ্যমীয়া আকাৰৰ চিৰ-সেউজীয়া গছ। ইয়াৰ ফলবোৰৰপৰা নানা প্ৰকাৰৰ বেমাৰ নিৰাময়ৰ বাবে ঔষধ তৈয়াৰ কৰি বটলত ভৰাই বিক্ৰী কৰা হয়।

উজনি অসমৰ বনাঞ্চলবোৰত এইবিধ লাগতিয়াল উদ্ভিদৰ উৎপত্তি পৰিদৃষ্ট হয়।

ভেকুৰি ছোলানম, ইন্দিকম্ পৰিয়াল—ছোলানেছি লোবো হাপি বা হেচো (কাৰ্বি) চহ্-মংকেন-স্লিং বা চহ ভাং (খাচিয়া) মাক্-ৰুঙ্ (টাই-আহোম) থেছু-কমবং (কাৰবি) (Bhekuri) Species—Solanum indicum Family—Solanaceae

এবিধ ক্ষুদ্ৰ আকাৰৰ জোপোহা বন। ডাল আৰু পাতৰ সিৰবোৰত চুটি চুটি কাঁইটৰ উৎপত্তি হয়। গছডালৰ বাকলিখনে ছাই-বৰণীয়া ৰং ধাৰণ কৰে আৰু তাৰ ওপৰত ক্ষুদ্ৰ ক্ষুদ্ৰ বগা দাগে বিকাশ লাভ কৰি থকা দেখা যায়। নতুনকৈ ওলোৱা ঠাল-ঠেঙুলিবিলাকৰ উপৰিভাগত বগা-চানেকীয়া চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়। পাতবিলাক অলপ ডাঠ, লেহুকা আৰু খহটা হয়। আঙুলিপহীয়া পাতবোৰে ফেৰেঙণি মেলাৰ আকৃতি পৰিধান কৰে। পাতৰ ওপৰ লুটি অলপ সেউজীয়া আৰু তলৰ লুটি শেঁতা বৰণীয়া হয়।

বেঙেনা ফুলৰ আকৃতি ধাৰণ কৰা মজলীয়া আকাৰৰ ফুলৰ পাহিবোৰ ৰঙচুৱাকৈ নীল-বৰণীয়া হয়। ফুল থোপা-থোপে ফুলে। এই ফুলবোৰ সময়ত পুৰঠ হ'লে সৰু সৰু ঘূৰণীয়া ফলৰ উদ্ভৱ হয়। ভেকুৰি খাবলৈ তিতা হয়। তাকে গছৰপৰা ছিঙি আনি আৰু কেঁচাই কেঁচাই নিমখ-জলকীয়া সানি ভাতৰ লগত খালে খাওঁতাজনে খোৱাত বেলেগ জুতি পায়। কলপাতত মেৰিয়াই বান্ধি আঙঠাত ভৰাই সিজিবলৈ দিলে ভেকুৰিবোৰ কোমল হয় আৰু সেইদৰে পাতত দিয়া ভেকুৰি খাই বহুতে আনন্দ লাভ কৰে।

জলকীয়া, ভজলুক, কেপ্‌চিকম এনম পৰিয়াল—ছোলানেছি মৰিচ (বঙালী) ভজলুক (নামনি অসম) বিৰিক (কাৰ্বি) ঝালুক (ৰাভা) ফানৱু (বড়ো) মা-ফিট্ (টাই-আহোম) (Pepper or Chillies) Species—Capsicum annum Family—Solanaceae

জলকীয়া নামেৰে জনাজাত সৰু আকাৰৰ উদ্ভিদৰ লগত আমাৰ পৰিচয় পুৰণিকলীয়া। কাৰণ, প্ৰতিঘৰ মানুহে এই গোষ্ঠীৰ দুই-এটা পুলি বাৰীত লগাই ৰাখে আৰু সময়ত বনগছ জোপাৰপৰা

দুই এটা জলকীয়া ছিঙি আনি ভাতৰ লগত খায়হি। তৰকাৰিত কেঁচা-জলকীয়া দুটা পেলাই দিও খোৱা হয়। তদুপৰি শুকান জলকীয়া আৰু গুৰি জলকীয়া মছলা হিছাপেও ব্যৱহাৰ কৰা হয়। আচাৰ কৰিও খোৱা হয়। কেঁচা ফলৰ ছাট্‌নি তৈয়াৰ কৰোঁতে তাত জলকীয়াৰ উপাদান অপৰিহাৰ্য হয়।

জলকীয়াৰ বহুতো জাত বা প্ৰকাৰ আছে। সামগ্ৰিকভাৱে এই আটাইবিলাক জাতক বৈজ্ঞানিক দৃষ্টিত কেপ্‌চিকম এনম্ কিম্বা কেপচিকম ইন্দিকম্ বুলি নামকৰণ কৰা হয়। জলকীয়াৰ আকাৰ আৰু আকৃতি অনুযায়ী আমাৰ ভাষাত বিভিন্ন জাতৰ জলকীয়াক ভোট-জলকীয়া, কণ-জলকীয়া, জাতি-জলকীয়া আদি নামেৰে পৰিচিত কৰা হয়।

জলকীয়াৰ পাতবোৰে দীঘল-চানেকীয়াকৈ ডিম্বাকৃতি ৰূপ ধাৰণ কৰে।

বেঙেনা, ছোলানম্ মেলোঙ্গেনা পৰিয়াল—ছোলানেছি
বেগুন (বঙালী) চহ-বাইগুণ (খাচিয়া) হেপি (কাৰ্বি) বাথো (ৰাভা) ফান্‌থাউ, ফাথো (বড়ো) টুন্-মাক-খ্ৰু (টাই-আহোম)
Brinjal or egg plant Species—Solanum melongena Family—Solanaceae

তৰকাৰিৰ উপযোগী ফল ধাৰণ কৰা এবিধ বামখেতিৰ সৰু গছ। মূল ঠাৰি আৰু ঠাল-ঠেঙুলিবিলাক ছাই-বৰণীয়া হয়। পাতবোৰে দীঘল-চানেকীয়াকৈ ফেৰেঙনি মেলা আকৃতি প্ৰদৰ্শন কৰে। কুমলীয়া ঠাৰি আৰু পাতৰ উপৰিভাগত কোমল-আমল চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয়।

ঠাৰিবোৰত পাতৰ গঠন ৰীতি বিপৰীতমুখী নহে জখলা খলপীয়া হোৱা দেখা যায়। মূল গছৰ পাতৰ ঠাৰিবোৰ ঠিক ওপৰৰপৰা কেইডালমান শাখাঠাৰিৰ কোঁহ মেলে। কালক্ৰমত বনগছডালে এক প্ৰকাৰৰ জোপোহা আকৃতি ধাৰণ কৰে।

ফুলৰ বৰণ বেঙুনীয়া হয়। ফুলবোৰ সৰু সৰু থোপাৰ আকাৰত বিকশিত হয়। ফুল পূৰঠ হ'লে বেঙেনা ধৰে। জাত অনুযায়ী বেঙেনাৰ আকাৰ আৰু আকৃতি ভিন্ ভিন্ হোৱা দেখা যায়। বৰ বেঙেনা, পোৱাল বেঙেনা, থোপোৰা বেঙেনা, আঙুলীয়া বেঙেনা আদি বহু জাতৰ বেঙেনা দেখিবলৈ পোৱা যায়। বেঙেনাৰে নানা বিধৰ আঞ্জা বনাব পাৰি। সৰু জাতৰ বেঙেনাৰ আচাৰো বনোৱা হয়।

এবিধ ডাঙৰ আকাৰৰ ভেকুৰি জাতীয় বনৰীয়া উদ্ভিদ। একোজোপা হাতী ভেকুৰি গছৰ উচ্চতা তিনি মিটাৰ পৰ্যন্ত হোৱা দেখিবলৈ পোৱা যায়। গা-গছ আৰু ডাল-ডোলবিলাকৰ বাকলিয়ে ধোঁৱা বৰণীয়া ৰূপ ধাৰণ কৰে। কুমলীয়া ঠানিবোৰ

হাতী ভেকুৰি, ছোলানম টৰ্ভম পৰিয়াল—ছোলানেছি আহেছু আৰং (কাৰ্বি) দিয়েং-চহ্-নাং (খাচিয়া) খেম্-খেটাই হাপহাং (কছাৰী) কণ্ঠাই ৰাজা (মেচ) ভিত-তিতা, হাতী-ভেকুৰি (অসমীয়া)

Hati Bhekuri Species—Solanum torvum Family—Solanaceae

সেউজীয়া হয়। গছডালত থকা কাঁইটৰ সংখ্যা সিমান বেছি হোৱা দেখা নাযায়। ঠিক সেইদৰে পাতৰ সিৰবোৰতো কম পৰিমাণৰ কাঁইট থাকে। ফেৰেঙনি মেলা পাতবোৰ অলপ ডাঙৰ হয়। গুৰিৰ ঘূৰণীয়া অংশৰ ঠাৰি দুয়োফালে কেতিয়াবা সমান আৰু কেতিয়াবা কোনো কোনো এফালে অলপ ডাঙৰ আৰু আনফালে সৰু হয়। ফুলৰ বৰণ বগা হয়। এই ফুলৰপৰা যি ফলৰ উৎপত্তি সেই ফল তুলনামূলকভাৱে ডাঙৰ হয়। ঘূৰণীয়া ফলৰ দুয়ো মূৰ সামান্যভাৱে চাপ খাই থাকে। ভিতৰত পদাৰ্থখিনি কোমল হয় আৰু তাত বেঙেনাৰ নিচিনাকৈ গুটিৰ উৎপত্তি হয়।

এইবিধ ভেকুৰিৰ ফল খোৱাৰ উপযোগী বুলি গণ্য কৰা নহয়।

গছ ভেকুৰি, চোলানম্ চাবট্ৰাঙ্কেটম্ লিচিয়াস্থেচ চাবট্ৰাঙ্কেটম্ পৰিয়াল—ছোলানেছি

Gach Bhekuri Species—Solanum subtruncatum Syn-Lycianthes subtruncata Family—Solanaceae

এবিধ ভেকুৰি জাতীয় বনৰীয়া উদ্ভিদ। ওখই প্ৰায় ডেৰ দুই মিটাৰমান হোৱা দেখিবলৈ পোৱা যায়। গছডালৰ ঠাল-ঠেঙুলিবোৰে মাটিৰফালে হাউলি হাউলি যোৱাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পূৰঠ গা-গছ আৰু ঠাল-ঠেঙুলিৰ উপৰিভাগে ছাই-বৰণীয়া ৰূপ প্ৰদৰ্শন কৰা দেখা যায়। পাতবোৰ সাধাৰণ ভেকুৰিৰ পাতৰ দৰে গুৰিৰফালে ভোটোকা আৰু আগৰফালে জোঙা হোৱা দেখা যায়।

ফুল থোপা-থোপে ফুলে আৰু এই ফুলৰ বৰণ বগা হোৱা দেখা যায়। বেঙেনাৰ দৰে ভিতৰত কোমল আৰু সোপোকা পদাৰ্থ ধাৰণ কৰা ফলবোৰে ঘূৰণীয়া আকৃতি ধাৰণ কৰে। আকাৰত একো একোটা ফল বাটলু গুটি একোটাতকৈ অলপ ডাঙৰ হোৱা দেখা যায়।

বন ভেকুৰি, চোলানম্ চিচিম্ব্ৰিফলিয়ম্ পৰিয়াল—ছোলানেছি

(Bon Bhekuri) Species—Solanum sysymbrifolium Family—Solanaceae

এবিধ চাপৰ আকাৰৰ ভেকুৰি জাতীয় বনৰীয়া উদ্ভিদ। আলিবাটৰ কাষত আৰু অন্যান্য মুকলিমূৰীয়া ঠাইত এইবিধ উদ্ভিদৰ উৎপত্তি পৰিলক্ষিত হয়। পাতবোৰে আঙুলিপহীয়াকৈ ফেৰেঙণি মেলা আকৃতি ধাৰণ কৰে। পাতৰ তলৰ লুটিত থকা সিৰ-উপসিৰবিলাকে কাঁইট ধাৰণ কৰে। ফুলৰ বৰণ বগা হয়।

ঠাৰিৰ আগভাগত বিকাশ লাভ কৰা বগা বগা ফুলৰ থোপাবোৰ নিলগৰপৰা দেখিবলৈ পোৱা যায়। ভেকুৰিৰ নিচিনা গোটা গোটা ফলবোৰ আকাৰত মজলীয়া হয়।

কপাহ, গচিপিয়াম হাব্‌বাকাম পৰিয়াল্— মালভেচি হাম্পা ফাং (ৰাভা) (Cotton) Species—Gossypium herbaccum Family—Malvaceae

এবিধ সৰু আকাৰৰ লাগতিয়াল গছ। আমাৰ মানুহে দুই-এজোপা এইবিধ গছ্ বাৰীত ৰোপণ কৰি ৰাখে। মেঘালয়ৰ গাৰো জনজাতীয় লোকসকলে পাহাৰৰ ওপৰৰ হেলনীয়া সাৰুৱা ঠাইত ডৰা ডৰাকৈ এইবিধ ফচল লগাই দি কপাহ উৎপাদন কৰে। এইদৰে উৎপাদন কৰা কপাহৰ পণ্য-সামগ্ৰীবিলাক তেওঁলোকে হোৰাত ভৰাই ভৈয়ামৰ বজাৰবোৰত বিক্ৰী কৰেহি। আজিকালি পৰ্বত-অঞ্চলবিলাকত উন্নত পৰ্যায়ৰ ৰাস্তা-পদূলি নিৰ্মাণ হোৱাত মেঘালয়ৰ গাৰো পাহাৰ জিলাত প্ৰতিষ্ঠা কৰা বজাৰবোৰতো এওঁলোকে বতৰত এই পণ্যসামগ্ৰী বিক্ৰী কৰি লাভবান হয়।

কপাহ গছৰ পাতবোৰে যৌগিক ৰূপত চুকীয়া-চুকি ৰূপ ধাৰণ কৰে। ঠাল-ঠেঙুলিৰ আগভাগত যিবোৰ কৰবী সদৃশ ফুল ধৰে সেই শুধবগা ফুলবোৰ পূৰ্ঠ হ'লে তাৰপৰা শিমলু কলাৰদৰে কৰ্দৈসিৰীয়া ফল ধৰে আৰু তাৰ ভিতৰত বগলী পাখিৰ বৰণৰ কপাহ উৎপন্ন হয়। কপাহ ধুনা মানুহবিলাকে ধুনাৰে ধুনি তাৰপৰা কপাহ উলিয়ায়। নক'লেও হ'ব যে এই কপাহৰপৰা কপাহী সূতা তৈয়াৰ হয়।

পমা, চেদ্ৰেলা টুনা পৰিয়াল—মেলিয়েছি বাঞ্জি আছিং, পমা আছিং (মিচিং) পমা (কাছাৰ) জীয়া-পমা বা জাতি-পমা (অসমীয়া) পমা আৰং, হাব্‌বি বেহ আৰং (কাৰবি) বল ব্ৰেট (আছিক) দিয়েং চাও (খাচিয়া) পমা (বড়ো) (Poma) Species—Cedrela toona Family—Meliaceae

পমা বা জীয়া পমা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ্। গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিখনৰ উপৰিভাগৰপৰা পাতল চানেকীয়া নিকৰি এৰাই থকা দেখিবলৈ পোৱা যায়। বাকলিখন দা বা কুঠাৰেৰে ঘাপ মাৰি কাটিলে ভিতৰৰফালে থকা আঁহযুক্ত মঙহাল পদাৰ্থখিনিয়ে ৰঙচুৱা বৰণ প্ৰদৰ্শন কৰা দেখা যায়।

পাতৰ আকৃতি অলপ দীঘলীয়া আৰু আগৰফালে জোঙা হয়। শাখাপাতবিলাকৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। ফুলবোৰৰ বৰণ বগা-চানেকীয়া হয়। নাকৰ ওচৰলৈ নি এই ফুলবোৰ সুঙি এক প্ৰকাৰৰ গোন্ধৰ আভাস অনুভূত হয়। চুপহি সৰু আৰু পাহিৰ আকৃতি দীঘল-চানেকীয়া হয়।

কাঠৰ বৰণ অলপ ৰঙচুৱা হয়। এই কাঠ নানা কামত ব্যৱহাৰ কৰিব পাৰি। সজমীনত গুটি সিঁচি এইবিধ গছৰ বাগান নিৰ্মাণ কৰা হয়।

জাতিপমা, ছেদ্ৰেলা ফেব্ৰিফিউগা পৰিয়াল—মেলিয়েছি
(Jati Poma) Species—Cedrela febrifuga Family—Meliaceae

পমা জাতৰ আন এবিধ মজলীয়া আকাৰৰ গছ উজনি অসমৰ বনাঞ্চলবিলাকত ঠাই অনুযায়ী দেখিবলৈ পোৱা যায়। এই দ্বিতীয় বিধ পমা গছক আমাৰ ভাষাত জাতিপমা নামেৰে অভিহিত কৰা হয়। এইবিধ গছৰ বাকলিয়েও ছাই-বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ উপৰিভাগত ফটা-ছিটা দাগৰ আভাস পৰিলক্ষিত হয়। পাতবোৰ অলপ দীঘল-চানেকীয়াকৈ আগজোঙা ৰূপ প্ৰদৰ্শন কৰে। শাখাপাতবিলাকৰ স্থাপন ৰীতি বিপৰীতমুখী হোৱা দেখা যায়।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠৰ বৰণ ৰঙচুৱা হয়। এই কাঠ নানা কামত লগাব পাৰি।

মহানিম, আজাদিৰাক্টা ইন্দিকা পৰিয়াল—মেলিয়েছি
(Mohaneem) Species—Azadiracta indica Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। অৱশ্যে কোনো কোনো মানুহে এই জাতৰ দুই এজোপা গছ বাৰীত লগাই ৰাখে। গা-গছ আৰু ডালবোৰৰ বাকলি মদৰুৱা হয়। এই বাকলিৰ উপৰিভাগত ফুট-ফুটীয়া আৰু কেতিয়াবা চকলা-চকল বগা দাগৰ উৎপত্তি হয়। তদুপৰি গা-গছৰ বাকলিত দীঘল-চানেকীয়া ফাট মেলাৰ আভাস পৰিলক্ষিত হয়। শাখাডালত আগবোৰে ধাৰণ কৰা পাতৰ ঠাৰিবোৰ দীঘল দীঘল হয়।

পাতৰ প্ৰত্যেকডাল ঠাৰিয়ে তিনি যোৰাৰপৰা পাঁচ যোৰা পৰ্যন্ত শাখাপাত ধাৰণ কৰে। শাখাপাতবোৰৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। সৰু আকাৰৰ পাতবোৰে অলপ দীঘলীয়া আকৃতি প্ৰদৰ্শন কৰে। পাতৰ প্ৰথম অৰ্দ্ধাংশ দীঘলে-দীঘলে দ্বিতীয় অৰ্দ্ধাংশতকৈ ঠেক হয়। আগভাগে দীঘল চানেকীয়াকৈ নেজালি আকৃতি ধাৰণ কৰে। পাতৰ দুয়ো কাষত কৰতৰ নিচিনা খাঁজ কটা দাগে বিকাশ লাভ কৰে। ফুলৰ বৰণ বগা চানেকীয়া হয়। প্ৰত্যেক পাহ ফুলে পাঁচ খিলা পাঁচ খিলাকৈ চুপহি আৰু পাহি ধাৰণ কৰে। ফুলবোৰ পূৰঠ হ'লে সৰু সৰু মঙহাল ফল ধৰে।

এইবিধ গছৰ পাত আৰু বাকলি ঔষধত ব্যৱহাৰ কৰা হয়। বসন্ত ৰোগত ইয়াৰ পাত গাৰুৰ তলত ৰাখিলে উপকাৰ পোৱা যায়। পাতবোৰ তেলত ভাজি খাবলৈ ভাল লাগে।

ঘোঁৰা নিম, মেলিয়া আজেদেৰাক্ পৰিয়াল—
মেলিয়েছি আবাৰি আছিং (মিচিং) থাই মাদৌ বা থেমদৌ ফাং (কছাৰী) দিয়েং জাহ ৰাছাং (খাচিয়া) নিচ্ টাং (বড়ো)
(Ghura Neem) Species—Melia azadarach Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। সোনকালে ডাঙৰ হৈ ছায়া প্ৰদান কৰিব পৰা গছ হিছাপে এইবিধ গছ আলিবাটৰ কাষত শাৰী শাৰীকৈ লগাই দিব পাৰি। অৱশ্যে অৰ্থনৈতিক দৃষ্টিকোণৰপৰা এইবিধ গছৰ মূল্য কম। কাৰণ খৰিৰ বাহিৰে অন্য কামত ইয়াৰ কাঠ ব্যৱহাৰৰ উপযুক্ত নহয়।

বাকলিৰ বৰণ মদৰুৱা হয়। অলপ দীঘল-চানেকীয়া যৌগিক পাতবোৰ দুপতীয়া বা তিনিপতীয়া হোৱা দেখা যায়। ফুলৰ আকাৰ সৰু হয়। প্ৰত্যেক পাহ ফুলে পাঁচ খিলা পাঁচ খিলা চুপহি আৰু পাহি ধাৰণ কৰে।

কম সময়ৰ ভিতৰত খৰিৰ যোগান ধৰিব লগা হ'লে এইবিধ গছৰ বাগান নিৰ্মাণ কৰিব পৰা যায়। ফলৰ আকাৰ একো একোটা কোটাহি জামতকৈ অলপ ডাঙৰ হয়।

লালি, দাইছোজাইলম্ প্ৰচেৰম্ পৰিয়াল—
মেলিয়েছি গালিং লিবৰ (মিচিং) খ্ৰাং (কাৰ্বি) পাতামাৰি (মেচ) থিং টুপুই (মিজো) থা খাও ফাং (কছাৰী) বল চাখাত (আছিক্)
(Lali) Species—Dysoxylum procerum Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ সুকাঠী বনৰীয়া গছ। কম বয়সীয়া গছৰ বাকলিৰ উপৰিভাগ মিহি হয়। বুঢ়া হ'লে গছজোপাৰ বাকলিবোৰ ছিৰা-ছিৰকৈ ফাটিবলৈ ধৰে আৰু এইদৰে ফাট মেলি এৰাই অহা চেঁকুৰাবোৰ ওলমি থাকে। দা বা কুঠাৰেৰে বাকলিত ঘাপ মাৰি কাটিলে ভিতৰৰফালে থকা আঁহযুক্ত মঙহাল পদাৰ্থই ৰঙচুৱা বৰণ প্ৰদৰ্শন কৰা দেখা যায়। শাখাপাতৰ স্থাপন ৰীতি কেতিয়াবা জখলা-খলপীয়া আৰু কেতিয়াবা বিপৰীতমুখী হয়। ফুলৰ বৰণ গুলপীয়া হয় আৰু এই ফুল নাকৰ ওচৰলৈ নি শুঙিলে এক প্ৰকাৰ সুগন্ধ অনুভৱ কৰিব পাৰি। পাতৰ আকৃতি অলপ দীঘলীয়া আৰু আগজোঙা হয়।

এইবিধ গছৰপৰা উৎপন্ন কাঠে অলপ ৰঙা-চানেকীয়া বৰণ প্ৰদৰ্শন কৰে। এই কাঠৰ কুণ্ডা ছিৰি বাটাম বা তক্তালৈ ৰূপান্তৰ কৰিলে নানা কামত লগাব পাৰি।

গেন্ধেলি, পমা দাইছোজাইলন্ হেমিল্টনিয়াই পৰিয়াল—
মেলিয়েছি ছিতি আছিং (মিচিং) মৌহিদল (কাছাৰ) বল আছিন (আছিক) দিয়েং কিৰবৈই (খাচিয়া)
(Gendheli Poma) Species—Dysoxylon hamiltonii Family—Meliaceae

এবিধ প্ৰকাণ্ড আকাৰৰ বনৰীয়া গছ। বছৰৰ কোনো সময়তে এইবিধ গছৰ আটাইবোৰ পাত একে সময়তে সৰি লঠঙা হোৱা

দেখা নাযায়। গভীৰ অৰণ্যভূমিত থকা অন্যান্য বৃক্ষৰাজিৰ মাজত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। বাকলিয়ে মদৰুৱা ৰং প্ৰদৰ্শন কৰে। এই বাকলিৰ উপৰি ভাগৰপৰা দীঘলীয়া দীঘলীয়াকৈ নিকৰি ওলাই গছজোপাতে লাগি থাকে। দা বা কুঠাৰেৰে বাকলিত ঘাপ মাৰি দিলে সেই ঠাইৰপৰা এক প্ৰকাৰৰ অকটা গোন্ধ ওলায়। বাকলিৰ ভিতৰভাগে অলপ ৰঙচুৱা বৰণ ধাৰণ কৰে।

পাতৰ আকৃতি দীঘল-চানেকীয়া হয়। শাখাপাতবোৰৰ স্থাপন ৰীতি বিপৰীতমুখী হয়। সৰু আকাৰৰ ফুলবোৰ বগা হয় আৰু এই ফুল নাকৰ ওচৰলৈ নিলে এক প্ৰকাৰৰ গোন্ধ অনুভূত হয়।

কাঠৰ বৰণ অলপ ৰঙচুৰা হয়। আৱশ্যক অনুযায়ী নিৰ্মাণকাৰ্যত এই কাঠ ব্যৱহাৰ কৰিব পাৰি।

বৰ বান্দৰডিমা, ডাইচ'জইলেম্ পালেন্চ পৰিয়াল—
মেলিয়েছি বৰ বান্দৰডিমা (অসমীয়া) মাখাইব' (গাৰো)
(Bandar Dima) Species—Dysoxylum pallens
Family—Meliaceae

বিস্তৃতভাৱে প্ৰসাৰিত কিৰিটি পৰিধান কৰা এবিধ মধ্যমাকাৰৰ গছ। দেখাত আৰু পত্ৰৰাজিৰ গাঁঠনিত সাধাৰণ জাতৰ বান্দৰডিমাৰ সমতুল্য। বল্কলৰ উপৰিভাগ গভীৰ-মুগা, মিহি। আভ্যন্তৰিক ৰঙচুৱা আৰু পাতল ধৰণৰ ৰেখাযুক্ত। যৌগিক পত্ৰক্ৰমৰ দৈৰ্ঘ্য প্ৰায় ৩০-৬০ চেণ্টিমিটাৰ, পত্ৰিকা ৬-১০, অভিমুখ, ১০-২৫ চেণ্টিমিটাৰ দীঘল, ৫-১২ চেণ্টিমিটাৰ পুতল। দীৰ্ঘায়তাকাৰ, ডিম্বাকাৰ-দীৰ্ঘায়তাকাৰ, শিৰ্ষস্থান হ্ৰস্বাকাৰে আৰু আকস্মিকভাৱে নেজাল। পাতলীয়াভাৱে নিমজ, কৌণিককাৰে আধাৰিত, লোমমুক্ত।

মধ্যসিৰৰপৰা উৎপত্তি হোৱা পাৰ্শ্বসিৰৰ সংখ্যা ১৫-২০, বক্ৰাকাৰ, খীণাকাৰ, সুস্পষ্ট, ত্ৰৈ-পাৰ্শ্বিক প্ৰশাখাসিৰসমূহ অস্পষ্ট, পত্ৰিকা উপবৃন্ত প্ৰায় ১ চেঃ মিঃ মজবুত।

পুষ্পক্ৰম ৰেছিম, বৃন্ত-বিহীন মঞ্জৰীতুল্য, সামান্য লোমযুক্ত। ফুল সেউজবুলীয়া বগা, সুগন্ধি, বৃতি বাতিৰ দৰে, ৪ টাকৈ আৰু কেতিয়াবা ৫ টাকৈ লতিকাযুক্ত। সূক্ষ্ম লোমশ।

পাহি ৪, বিৰলভাৱে ৫, ডাঠ, প্ৰান্তস্পৰ্শী, বহিঃপৃষ্ঠা লোমমুক্ত। গৰ্ভমুণ্ডধাৰী নলি আৰু আধাৰিত আসন নিমজ আৰু অনিয়মিতভাৱে অনেক দন্তযুক্ত। পুংমুণ্ড পাৰ্শ্বমুখী। গৰ্ভমুণ্ডধাৰী দণ্ড স্তম্ভাকাৰ। বীজকোষ মণ্ডহাল।

উজনি অসমৰ বনাঞ্চলবিলাকে এইবিধ গছ ধাৰণ কৰে। উৎপাদিত কাঠ নিম্ন পৰ্যায়ৰ হোৱা বাবে স্থায়ী নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰিব নোৱাৰি।

বগা বান্দৰ ডিমা, ডাইচোজাইলম্ গ্ৰেন্দে মেলিয়েছি (Boga Bandor Dima) Species—Dysoxylum grande Meliaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। পাতলীয়া বাকলিখনে মদৰুৱা ৰূপ ধাৰণ কৰে। নতুনকৈ বিকশিত হোৱা কুঁহিপাত, ফুলৰ থোপা আৰু পাতৰ উপৰিভাগত চুটি চুটি নোমৰ আৱিৰ্ভাৱ হোৱা দেখা যায়। পাত ধাৰণ কৰা ঠাৰিডাল অলপ চেপেটা আৰু এই ঠাৰিৰ মধ্যভাগত দীঘলে দীঘলে লোৰ এটা উৎপত্তি হয়। মূৰ ঠাৰিডালৰপৰা ওলাই অহা শাখাপাতৰ সংখ্যা ১২ খিলাকৈ থকা দেখা যায় আৰু এই পাতৰ স্থাপন পদ্ধতি জখলা-খলপীয়া হয়। মূলসিৰডালৰ কাষে কাষে চুটি চুটি নোমৰ আৱিৰ্ভাৱ হয় আৰু পাতখিলাৰ উপৰিভাগ মিহি হয়। পাতৰ গুৰি অংশ গোল আৰু অগ্ৰভাগ নেজালী হয়।

প্ৰত্যেক খিলা পাতে ২০-২৫ যোৰা শাখাসিৰ ধাৰণ কৰে। ফুলৰ বৰণ শেঁতা চানেকীয়া হয়। একেডাল ঠাৰিয়ে একাধিক পুষ্প ধাৰণ কৰে। ফল পূৰঠ হ'লে শুকানমুৰা আকৃতি ধাৰণ কৰে।

এইবিধ গছৰ উৎপত্তি কম। কাঠৰ বৰণ ৰঙচুৱা হয়। এই কাঠ লালিৰ কাঠৰ দৰে অস্থায়ী ধৰণৰ কামত লগাব পাৰি।

বান্দৰ ডিমা, (প্ৰকাৰ) দাইছোজাহলম বাইনেক্টিফাৰ্ম পৰিয়াল—মেলিয়েছি গালিং আছিং (মিচিং) শ্ৰাং-কেলক-আৰং (কাৰ্বি) ৰাতা (কাছাৰ) কাক্‌চো কেচাল (কুকি) ডিঙাৰি বা ডিঙি বংহাম (মেচ) বল নাৰাং (আছিক) Bandor Dima (Variety) Species—Dysoxylum binectiferum Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছ। ওখ ওখ গছ ধাৰণ কৰা বনভূমিৰ মধ্যন্তৰত এইবিধ গছৰ উৎপত্তি পৰিলক্ষিত হয়। মজলীয়া আকাৰৰ গোল গোল ফল থোপা-থোপে ধৰে। এই ফলৰ বৰণ ৰঙচুৱা হয়। এই ফলবোৰ দেখিলে গছজোপাক হাবি-বননিৰ মাজত সহজে চিনি উলিয়াব পাৰি।

গা-গছ আৰু ডাল-উপডালৰ বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে। গা-গছত খহুলা-খহুলি দাগ দেখিবলৈ পোৱা যায়। তদুপৰি বাকলিৰ উপৰিভাগত পথালিকৈ কাটি ৰখাৰ নিচিনা সামান্য ফাট মেলে। পাতৰ আকৃতি দীঘলীয়া আৰু আগজোঙা হয়। পাতৰ দাঁতিত সামান্যভাৱে খাঁজ কটা চিনৰ উৎপত্তি পৰিলক্ষিত হয়। ফুলৰ বৰণ শেঁতা-চানেকীয়া হয়।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ উন্নত পৰ্যায়ৰ নহ'লেও অস্থায়ী ধৰণৰ কামত লগাব পাৰি।

বান্দৰ ডিমা, (৪ৰ্থ প্ৰকাৰ) চিচোচেটন্ পেনিকুলেটচ্ পৰিয়াল—মেলিয়েছি বান্দৰ ডিমা (অসমীয়া) ৰাতা (কাছাৰ)
Bandor Dima (4th Variety) Species—Chisocheton paniculatus Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ লালি বা বান্দৰডিমা গোষ্ঠীৰ বনৰীয়া গছ। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বিভিন্ন বনাঞ্চলে ঠাই বুজি কম-বেছি পৰিমাণে এইবিধ গছ ধাৰণ কৰা দেখা যায়। ঠাল-ঠেঙুলিবিলাকে ওপৰ মুৱা হৈ থকাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। কুঁহিপাতৰ ঠাৰি আৰু পুষ্পৰ গুচ্ছ ধাৰণ কৰা ঠৰুৱাডালে অলপ দীঘল-চানেকীয়া নোমৰ আবৰণ পৰিধান কৰে।

যৌগিক পাত ধাৰণ কৰা ঠাৰিডালে দীঘল ৰূপ ধাৰণ কৰে। প্ৰত্যেকডাল মূল ঠাৰিয়ে গাইগুটীয়াভাৱে বিভিন্ন সংখ্যক শাখাপাত বহন কৰে। শাখাপাতবিলাক আকৃতিত সমান্তৰালভাৱে দীঘলীয়া হয় আৰু অগ্ৰভাগে জোঙা হৈ যোৱা প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাতৰ উপৰিভাগ মিহি হয় আৰু পাতৰ দাঁতিত কোনো ধৰণৰ খাঁজ কটা দাগ নাথাকে।

থোপা-থোপে ফুল ধৰে। একেজোপা গছে পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু উভয়লিঙ্গ পুষ্প ধাৰণ কৰে। ফলবোৰে অলপ দীঘল-চানেকীয়া আকৃতি প্ৰদৰ্শন কৰে। কাঠৰ বৰণ অলপ হালধীয়া হয়। খুঁটা আদি লগোৱা কামত ব্যৱহাৰ কৰিব পাৰি।

বৰ আমাৰি, আমাৰা কুকুলেটা পৰিয়াল—মেলিয়েছি বৰ আমাৰি (অসমীয়া-শিৱসাগৰ) চামফল (গাৰো)
Bor Amari Species—Amoora cucullata Family—Meliaceae

এবিধ বিৰল জাতৰ চিৰহৰিৎ গছ। ওখই প্ৰায় ৩০ মিটাৰ আৰু গোলাই ২ মিটাৰমান হয়। বল্কলৰ বৰণ মটীয়া। শিপাৰপৰা অসংখ্য পোখা ওলায়। যৌগিক পত্ৰক্ৰমৰ দৈৰ্ঘ্য ১৫-৩০ চেণ্টিমিটাৰ। শাখাপত্ৰিকা অভিমুখ বা উপ-অভিমুখ, ৩-১৩, ডিম্বাকাৰ-দীৰ্ঘায়তাকাৰ, দুয়ো মূৰ স্থূলাগ্ৰ, উপ-চৰ্মিল, লোমমুক্ত নিমজ, আধাৰ বিষম, শীৰ্ষস্থানৰ পাত কাচিৰ আকৃতি। মধ্যসিৰৰপৰা ওলাই অহা প্ৰধান পাৰ্শ্বসিৰ প্ৰত্যেক অৰ্দ্ধাংশত প্ৰায় ১৬, পত্ৰ বৃন্ত প্ৰায় ১.৫০ চেণ্টিমিটাৰ দীঘল।

পুং-মঞ্জৰী ওলমি থকা,। স্ত্ৰী-মঞ্জৰী হ্ৰস্ব। কম পৰিমাণৰ পুষ্পযুক্ত। ফুলৰ বৰণ হালধীয়া। প্ৰত্যেক পাহ ফুল একোটা আশু-পাতী বৃতিৰ দ্বাৰা পৰিবেষ্টিত। বৃতিমণ্ডল ৩ লতিকা, অণ্ডকোষ ৩ কুঠলীয়া, প্ৰত্যেক কোঠালিয়ে ২ টাকৈ বীজাণু ধাৰণ কৰে। ফল কোমল, মঙহাল প্ৰায় গোলাকৃতি। গুটি ৩, কমলা ৰঙৰ মঙহাল পদাৰ্থধাৰী।

বগা আমাৰি, আম'ৰা ৰোহিতোকা পৰিয়াল—মেলিয়েছি আমাৰি, বগা-আমাৰি (অসমীয়া) হাকৰি-ৰাকৰি (কামৰূপ) বাগু ৰাতা (কাছাৰ) বকেক্ টুৰাং (কাৰ্বি) গকুল (নেপালি) টিক্ৰাজ, টিক্টাৰাজ (বঙালী) দিয়েং ৰাতা (খাচিয়া)
(Boga Amari) Species—Amoora Rohituka Family—Meliaceae

এবিধ মজলীয়া আকাৰৰ চিৰ-হৰিৎ গছ। কিৰিটি বিস্তৃতভাৱে প্ৰসাৰিত। বাকলি মটীয়া মুগা, চকল চকলকৈ বাকলিখন ফাট খাই তলৰফালে ওলমি থকা। খহুলা-খহুলি। ভিতৰৰফালে থকা সোঁপোকা তৰপ ৰঙচুৰা, আঁহযুক্ত, গন্ধযুক্ত। ভিতৰৰ অংশৰপৰা গাখীৰ সদৃশ বগা আঠা ওলায়।

শাখাডালৰ অগ্ৰভাগে বহুসংখ্যক পাত একে ঠাইতে ধাৰণ কৰে। পত্ৰিকা ৯-১৯ অভিমুখ, ১০ চেঃ মিঃ ৪ চেঃ মিঃ ডিম্বাকাৰ, দীৰ্ঘায়তাকাৰ, অধো-ডিম্বাকাৰ, কুশাগ্ৰী, পাৰ্শ্বসিৰ ১২-১৬ খীণাকাৰ, সামান্যভাৱে বক্ৰাকাৰ, উপ-মসৃণ, লোমমুক্ত। আধাৰিত প্ৰান্ত বেঁকা। পত্ৰবৃন্ত ৫ চেণ্টিমিটাৰ দীঘল।

পুষ্প একলিংগী। পুংপুষ্পৰ পুষ্পক্ৰমবিন্যাস ৰীতি মঞ্জৰী, যৌগিক মঞ্জৰী। স্ত্ৰীপুষ্প সৰল হ্ৰস্বাকাৰ। পুষ্প বৃন্তবিহীন, কাচিৎ কেতিয়াবা অতি সামান্যভাৱে বৃন্তধাৰী। ধেলা-বগা। বৃতি-পুষ্পৰ গুৰিৰ অংশত অতি সামান্য। স্ত্ৰীপুষ্পৰ বৃন্ত প্ৰায় .৫ চেণ্টিমিটাৰ দীঘল। পুংপুষ্পৰ বৃন্ত নামমাত্ৰ। বৃতি পঞ্চ চুপহিধাৰী। লতিকা গোল, সামান্যভাৱে চুলি থকা।

পাহি ৩, বহল বৃত্তাকাৰ, মণ্ডলাকাৰ, অৱতল, পুংমুণ্ড ৬, প্ৰায় ২ মিলিমিটাৰ দীঘল, বল্লমাকাৰ। গৰ্ভকোষ ৩ কুঠলীয়া। প্ৰত্যেকটোৰ দুটাকৈ আৰু ওপৰা-উপৰিকৈ সজোৱা ভ্ৰূণ থাকে। ফল মঙহাল, কোমল। প্ৰত্যেক ফলে ৩ টাকৈ বীজ ধাৰণ কৰে। কাঠ মধ্যমীয়াভাৱে কঠিন হ'লেও চনকা আৰু স্থায়ী কাৰ্যত লগোৱাৰ বাবে অনুপযোগী।

বান্দৰ ডিমা, (৫ম প্ৰকাৰ) ডাইচোজাইলম ৰেটিকুলেটম্ পৰিয়াল—মেলিয়েছি
Bandor Dima (5th Variety) Species—Dysoxylum raticulatum Family—Meliaceae

উজনি অসমৰ বনভূমিবিলাকে ঠায়ে ঠায়ে ধাৰণ কৰা আন এবিধ বান্দৰ ডিমা নামৰ মজলীয়া গছ দেখিবলৈ পোৱা যায়। গা-গছডালে অলপ ওপৰলৈ পোলোঙা আকৃতি ধাৰণ কৰে। মদৰুৱা বাকলিৰ উপৰিভাগত খহুলা-খহুলি দাগৰ উৎপত্তি হয়। বাকলিৰ ভিতৰভাগ আঁহযুক্ত হয় আৰু বৰণত শেঁতা-চানেকীয়া হয়। ইয়াৰ মাজে মাজে দীঘল দীঘলকৈ ৰঙচুৰা আঁচ বা ৰেখাই বিকাশ লাভ কৰে।

যৌগিক পাত ধাৰণ কৰা ঠাৰিডাল কম-বেছি পৰিমাণে চেপেটা হয় আৰু বৰণত সামান্যভাৱে সেউজবুলীয়া হোৱা দেখা যায়। মূল ঠাৰিডালে প্ৰায় ১০-১২ যোৰা শাখাপাত বহন কৰে। এই শাখাপাতবিলাক স্থাপন পদ্ধতি কম-বেছি পৰিমাণে জখলা-খলপীয়া হোৱাটো পৰিলক্ষিত হয়। পাতবোৰে দীঘলীয়াকৈ ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতৰ উপৰিভাগ মিহি আৰু অগ্ৰভাগ সামান্যভাৱে নেজাল হয়।

একেডাল ঠালে কেবাপাহো ফুল বহন কৰে। ফলবিলাকে সামান্যভাৱে দীঘলীয়া আকৃতি ধাৰণ কৰে।

আমাৰি, আমোৰা বালিচিয়াই পৰিয়াল—মেলিয়েছি গালিং আছিং (মিছিং) ৰাঙী ৰাতা (কাছাৰ) চাম্‌ফাল্ (আছিক) পাত আমাৰি (মেচ) ৰাং-লা-বেই (খাচিয়া) দিংগাৰি (বড়ো)
(Amari) Species—Amoora wallichii Family—Meliaceae

হাবিত স্বাভাৱিকতে উৎপন্ন হোৱা এবিধ সুকাঠী গছ। আকাৰত গছজোপা মজলীয়া হয়। আজিকালি বনবিভাগে এই জাতীয় গছ বাগান আকাৰে লগাই বনাঞ্চলবিলাকৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। গা-গছৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বাকলিৰ উপৰিভাগত খলা-বমা দাগৰ উৎপত্তি হয়। দা বা কুঠাৰেৰে কোব মাৰি ঘা লগালে বাকলিৰ ভিতৰভাগে প্ৰদৰ্শন কৰা ৰঙচুৱা বৰণ দৃষ্টিগোচৰ হয়। ইয়াৰপৰা গাখীৰৰ নিচিনা বগা আঠা ওলায়। পাতবিলাক অলপ দীঘলীয়া আৰু আগজোঙা হয়। শাখাপাতবোৰে বিপৰীতমুখী ৰূপ প্ৰদৰ্শন কৰে। ফুল থোপা-থোপে ফুলে।

এইবিধ গছৰপৰা উৎপাদন হোৱা কাঠ ৰঙচুৱা হয়। এই কাঠ নানা কামত লগাব পাৰি।

বোলা, মোৰাছ লোভগেটা পৰিয়াল—মোৰেছি বোলা (অসমীয়া) আনুম্ আছিং (মিছিং) আয়ুম আছিং (আবৰ) বওলা (মেচ) পং-ৰাই-বাফাং (কছাৰী) দিয়েং বাইলিয়েট্ (খাছি) ৰক্ চেং (গাৰো) ৰেপছিং (ৰাভা) গাংগাৰ তাইচিব্ (বড়ো)
(Bola) Species—Morus laevigatae Family—Moraceae

প্ৰকাণ্ড আকাৰৰ গছ। গভীৰ অৰণ্যভূমিবিলাকত অন্যান্য জাতীয় গছৰ লগত মিহলি লৈ থকা দেখা যায়। ডেকেৰুৱা গছৰ বাকলিৰ বৰণ অলপ মুগা হয়। বুঢ়া গছৰ ক্ষেত্ৰত সেই বৰণ ক'লাৰ ফালে ঢাল লয় আৰু তাৰপৰা চকলা-চকলে বাকলিৰ উপৰিভাগ এৰাই এৰাই আহে। ভিতৰখনৰ বৰণ বগা-চানেকীয়া হয় আৰু তাৰপৰা এক প্ৰকাৰৰ ৰস ওলাই ওলাই আহে।

পাতবিলাক অলপ দীঘলীয়া হয় আৰু তাৰ আগডোখৰ ক্ষেত্ৰ বুজি ঘূৰণীয়া আৰু ক্ষেত্ৰ বুজি সমানভাৱে কাটি পেলোৱাৰ নিচিনা হয়। ফুল থোপা-থোপে হয়।

· বোলা গছৰপৰা উৎপন্ন হোৱা কাঠ অতি মূল্যবান। যেই কোনো সৰঞ্জাম এই কাঠৰপৰা বনাব পাৰি। কাঠ ধুনীয়াকৈ পলিচ হয়। দৰ্জা খিৰিকি বনোৱা বিষয়তো এইবিধ কাঠ অতি উত্তম বুলি ক'ব পাৰি।

বঁহত, আৰ্টোকাৰ্পছ লেকুছা পৰিয়াল—মোৰেছি ডেৱা ছালি বা বঁহত (অসমীয়া) লিউছিক ছালিয়া (মিছিং) আৰ্মু (আছিক) দিয়েং চহ ৰাম (খাচিয়া)
(Bohot) Species—Artocarpus lakoocha Family—Moraceae

এবিধ অলপ ডাঙৰ আকাৰৰ বনৰীয়া গছ। চাম গছৰ দৰে বঁহতৰ পাতবোৰো জাৰকালি এটা এটাকৈ সৰি এটা সময়ত গছজোপা সম্পূৰ্ণভাৱে উলঙ্গ হৈ পৰে। বাকলিয়ে ক'লা দং-চানেকীয়াকৈ মদৰুৱা বৰণ প্ৰদৰ্শন কৰে। এই বাকলিৰ ঠায়ে ঠায়ে বগা-চানেকীয়া দাগৰ উৎপত্তি হোৱা দেখা যায়। দা বা কুঠাৰেৰে বাকলিত ঘাপ মাৰি কাটিলে ভিতৰখনৰ বৰণ ৰঙচুৱা হোৱা পৰিলক্ষিত হয়। কটা ঠাইডোখৰৰপৰা গাখীৰৰ নিচিনা পনীয়া দ্ৰব্য বিৰিঙি বিৰিঙি ওলায়।

অলপ ডাঙৰ আকাৰৰ পাতবিলাকে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। পাতবিলাক ডাঠ হয় আৰু এই পাতৰ তলৰ লুটিত হাত ফুৰালে খৰখৰীয়া লাগে। ওপৰৰ লুটি অলপ মিহি হয়। ঘাই সিৰ আৰু কাষৰীয়া শাখাসিৰবিলাক তলৰ লুটিত পৰিষ্কাৰভাৱে দেখা যায়।

একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰে। কঁঠালৰ নিচিনা ফল ধৰে। কুমলীয়া ফলৰ ভিতৰখন সোপোকা হয়। বৰণত সেউজীয়া বা হালধীয়া হয়। স্পঞ্জৰ দৰে চিলট আদি মুচা কামত লগাব পাৰি।

ইয়াৰ কাঠ তক্তা বা বাটামৰ আকাৰে নানা কামত লগাব পাৰি।

কঠীয়া ডিমৰু, ফাইকচ ফিচটোলছা পৰিয়াল—মোৰেছি ডুমৃৰু (বড়ো) কঠীয়া ডিমৰু (অসমীয়া)
(Kathia Dimoru) Species—Ficusfistulesa Family—Moraceae

সৰু আকাৰৰ গছ। ডাল-পাতবোৰ গা-গছৰ চাৰিওফালে মেলাহী খাই থাকে। বাকলিখনৰ বৰণ সাধাৰণতে ছাইৰঙীয়াকৈ মুগা হয়। ভিতৰফালে কাটিলে বাকলিৰ ভিতৰভাগৰ বৰণ পাতলীয়া মুগা দেখা যায়। পাতৰ আকাৰ দীঘলীয়া আৰু আগৰফালে জোঙা হোৱা দেখা যায়। গুৰিৰফাল

ঘূৰণীয়া হৈ হৈ পাতৰ ঠাৰিডালৰ কাষত লগ লাগেহি। পাতৰ দাঁতিভাগত খাঁজ কটাৰ কোনো কাৰুকাৰ্য থকা দেখা নাযায়।

ফুলৰ আকাৰ সৰু আৰু দেখনত বিশেষ আকৰ্ষণ নাই। ফলবোৰ আকাৰত তেনেই সৰু।

চাম কঁঠাল, আৰ্টোকাৰ্পছ চাপ্লাছা পৰিয়াল—মোৰেছি ফং আৰং (কাৰ্বি) বল শ্ৰাম (আছিক) চেৰাম্ ফাং (কছাৰী) দিয়েং-চহ্-ৰাম (খাচিয়া) চিৰুম (নগা) (Cham Kothal) Species-Artocarpus chaplasa Family—Moraceae

এবিধ ডাঙৰ আকাৰৰ সুকাঠী গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি পৰিলে গছজোপা লঠঙা হয়। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ বাকলিয়ে ছাই-বৰণীয়া ৰং ধাৰণ কৰে। বাকলিৰ উপৰিভাগত চকলা-চকলে বগা চানেকীয়া দাগৰ উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়।

পাতবিলাকে কঁঠাল পাতৰ দৰে ডিম্বাকৃতিৰ ৰূপ ধাৰণ কৰে। পাতবিলাক ডাঠ হয় আৰু উপৰিভাগ খহটা খহটা লাগে। পাতৰ তলৰ লুটিত সিৰ আৰু উপসিৰবোৰ পৰিষ্কাৰভাৱে দেখা যায়।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। স্ত্ৰী-পুষ্পৰ গৰ্ভকোষত পুং-পুষ্প ৰেণু সংস্থাপিত হ'লে কঁঠালৰ নিচিনা মুচি ধৰে। চাম-কঁঠাল ডাঙৰ হ'লে ফুটা ধৰে। পকিলে খাবলৈ সোৱাদ লাগে।

চাম কাঠৰ কুণ্ডা, তক্তা আৰু বাটামৰ আকাৰত ফালি নানা কামত লগাব পাৰি।

যজ্ঞ ডিমৰু, ফাইকাছ গ্লোমাৰেটা পৰিয়াল—মোৰেছি যজ্ঞ ডিমৰু (অসমীয়া) ইংলে-আৰং (কাৰ্বি) বল-মেটাপ, বল থানথাপ (আছিক) ডুমৰু জলা (মেচ) দিয়েং কা জাপো (খাচিয়া) বুৰফাং পান (ৰাভা) ডুমৰু (বড়ো) (Jagya Dimoru) Species—Ficus glumerata Family—Moraceae

এবিধ মজলীয়া আকাৰৰ ডিমৰু গছ। গা-গছৰ বাকলি মদৰুৱাকৈ মুগা। বাকলিৰ ওপৰভাগ সামান্যভাৱে ফটা-ছিটা হৈ থকা দেখা যায়। বাকলিখন দাৰে ঘাপ মাৰি কাটি চালে দেখা যায় যে ভিতৰখনৰ বৰণ সেউজীয়াকৈ মুগা হয়। কাঠৰ বৰণ অৱশ্যে হালধীয়া হয়। পাতৰ আকাৰ দীঘলীয়া। আগৰফালে ক্ৰমে জোঙা হৈ থাকে। পাতৰ দাঁতি অঞ্চলবিলাকত কোনো বেঁকা-বেঁকি ভাঁজ বা খাঁজ দেখা নাযায়।

একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প থকা দেখা যায়। এই ফুল পুৰঠ

হ'লে একোডাল ঠাৰিত এটা বা দুটাকৈ ফল ধৰে। ফলবোৰ পকিলে সুমথিৰা বৰণীয়াকৈ ৰঙা বোল ধাৰণ কৰে। চ'ত-বহাগ মাহত ফলবোৰ পকে।

লতা ডিমৰু, ফাইকছ স্কেন্দেন্স পৰিয়াল—মোৰেছি লতা ডিমৰু (অসমীয়া)
(Lota Dimoru) Species—Ficus scandens Family—Moraceae (Climbing Rig)

বগোৰা বাই যোৰা ধৰণৰ জোপোহা গছ। গা-গছডালৰ গাঁঠিবিলাকৰপৰাই শিপা ওলায় আৰু এই শিপাবোৰে গছৰ ডালত কামোৰ মাৰি ধৰি ওপৰলৈ উঠি উঠি যায়। এইবিধ গছৰ বাকলিখন ডাঠ হয় আৰু এই বাকলিৰ উপৰিভাগ খহটা হয়। বাকলিৰ ভিতৰখন বগা আৰু তাত দীঘলে দীঘলে ৰঙা বৰণীয়া ৰেখা জিলিকি থাকে। পাতবোৰ ঠাৰিডালৰ ওপৰত এটাৰ পাছত এটাকৈ বিপৰীত ফালৰপৰা ওলাই ওলাই আছে। পাতৰ গুৰিভাগ ঘূৰণীয়া আৰু আগভাগ জোঙা হয়। দাঁতি-কাষৰত কোনো প্ৰকাৰৰ খলপা-খলপি চিন থকা দেখা নাযায়। পাতৰ তলৰ লুটিত সিৰা-উপসিৰাবোৰ জিলিকি থাকে।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প এই দুয়ো প্ৰকাৰৰ ফুল ধাৰণ কৰে। ফলবোৰ পকিলে সেউজীয়াকৈ হালধীয়া হয়। গৰমৰ দিনত ফলবোৰ পকে।

গেদগো বড়, ফাইকাছ এলটিছিমা প্ৰজাতি পৰিয়াল—মোৰেছি গেদগো বড় (অসমীয়া)
(Gadgu Bor) Species—Ficus altissima Family—Moraceae

এবিধ ডাঙৰ আকাৰৰ মেলাহি খোৰা গছ। গছজোপাৰ ডালবিলাকৰ পৰা অসংখ্য শিপা ওলাই আহি ওলমি ওলমি থাকে আৰু কালক্ৰমত এই শিপাবিলাকে তললৈ দীঘল হৈ বাঢ়ি বাঢ়ি মাটিত স্পৰ্শ কৰেগৈ। গা-গছৰ বাকলিৰ বৰণ ক'লাকৈ মদৰুৱা হয়। বাকলি উপৰিভাগ খহটাকৈ ওখ-চাপৰ। কাটি চালে ভিতৰখনৰ বৰণ বগা দেখা যায় আৰু তাত অসংখ্য ফুটুকা-ফুটুকি চিন্ থাকে। পাতবিলাক দীঘল পহীয়াকৈ ঘূৰণীয়া। কিনাৰবোৰ সমান। পাতখিলাৰ মাজত থকা ঠাৰিডালৰ সিৰাৰপৰা দুয়োফালে ৫ ডালৰপৰা ৭ ডাল পৰ্যন্ত উপসিৰা থকা দেখা যায়।

পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প একেজোপা গছতে ফুলে। ফল প্ৰত্যেকডাল ঠাৰিত আগভাগত লাগে। ফলৰ বৰণ হালধীয়া হ'লেও পকিবলৈ আৰম্ভ কৰাৰ সময়ত লাহে লাহে হালধীয়া হ'বলৈ ধৰে।

এবিধ প্ৰকাণ্ড আকাৰৰ জৰি বা ডিমৰু জাতীয় বনৰীয়া গছ। এইবিধ গছেও প্ৰথম অৱস্থাত আন জাতীয় গছৰ ফেৰেঙনি আদিত গজি জীৱন আৰম্ভ কৰে। পাছত প্ৰথমতে আশ্ৰয় দিয়া গছজোপাক মেৰিয়াই মেৰিয়াই ধৰি মাৰি পেলায় আৰু নিজে স্বাধীন

ঢোপা বড়, ফাইকাচ মাইচ'ৰেন্সিছ পৰিয়াল—মোৰেছি বটকা-আছিং (মিচিং) বলফ্রা (আছিক) লাইদাপ্ (কছাৰী) ঢোপা বড় (অসমীয়া)

(Dhupa Bor) Species—Ficus mysorensis Family—Moraceae

জীৱন আৰম্ভ কৰে। গা-গছৰ বাকলিৰ বৰণ মদৰুৱা হয় আৰু এই বাকলিত পথালি পথালিকৈ কাটি থোৱা ধৰণৰ কিছুমান আঁচ থাকে। দাৰে ঘাপ মাৰি কাটি চালে বাকলিৰ ভিতৰখনৰ বৰণ মুগা বা মাখন বৰণীয়া দেখা যায়। একো একো ডাল ঠাৰিও ৬ খিলাৰপৰা আৰম্ভ কৰি ১০ খিলালৈ পাত থাকে। পাতবিলাক আকাৰত দীঘলীয়াকৈ আগজোঙা হয়। দাঁতি-কাষৰত কোনো প্ৰকাৰ খাঁজ দেখিবলৈ পোৱা নাযায়। একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ফুলে। ফলবিলাক আকাৰত ডাঙৰ হয়। পকিলে ৰঙাকৈ হালধীয়া বৰণ ধাৰণ কৰে।

আঠা বড়, ফাইকচ ইলচটিকা পৰিয়াল—মোৰেছি ডেবাক আৰং (কাৰ্বি) দিলং জুৰি (খাচিয়া) বামখেট (গাৰো) আঠা বড় (অসমীয়া)

(Atha Bor) Species—Ficus elastica Family—Moraceae

আঠা বৰ প্ৰকাণ্ড আকাৰৰ গছ। এইবিধ গছৰপৰা যি আঠা বাহিৰ হয় সেই আঠাৰপৰা ৰবৰ তৈয়াৰ কৰা হয়। আজিকালি কৃত্ৰিম পদ্ধতিত ৰবৰ তৈয়াৰী হ'ব ধৰাৰ বাবে এইবিধ গছৰ আঠাৰপৰা ওলোৱা ৰবৰৰ চাহিদা কমি আছিল। ৰবৰৰ চাহিদা থকাৰ বাবে আৰু ভৱিষ্যতৰ চাহিদা পূৰণ কৰাৰ অভিলাসেৰে বনবিভাগে ১৮৭৪ চনতে দৰং জিলাৰ চাৰিদুৱাৰ বনাঞ্চলত ৰবৰ বাগান নিৰ্মাণ কৰিবলৈ লৈছিল। তদুপৰি ঠিক সেইছোৱা সময়তে কামৰূপ জিলাৰ কুল্‌ছিতো এইবিধৰ গছ লগোৱা ব্যৱস্থা হাতত লোৱা হৈছিল।

আঠা বৰ গছৰ ডালবিলাকৰপৰা ওলাই অহা শিপাবোৰ তললৈ নামি নামি আহি মাটিত কামোৰ মাৰি ধৰেগৈ। গা-গছডালতো শিপাৰ নিচিনা চেপেটা আকাৰৰ বাকলিসহ সাৰভাগ ওলাই ওলাই আহে। পাতবিলাক দীঘলীয়া আৰু দুয়োটা আগ ঘূৰণীয়া বিধৰ হয়।

পাখৰি বড়, ফাইকাছ ৰামফিয়াই পৰিয়াল—মোৰেছি চিৰিং পিপলি (কাৰ্বি) ফ্লাপ বাকছেং (খাচি) পাখৰি বড় (অসমীয়া)

(Pakhori Bor) Species—Ficus rumphii Family—Moraceae

এবিধ ডাঙৰ আকাৰৰ বড়গছ ফৈদৰ গছ। খৰালি মহীয়া গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰি নাইকিয়া হয়। গা-গছৰ বাকলিখনৰ বৰণ মদৰুৱা হয়।

বাকলিৰ উপৰিভাগ নিমজ। বুঢ়া গছৰ ক্ষেত্ৰত এই বাকলিখনৰ উপৰিভাগৰপৰা টুকুৰা-টুকুৰে ছাল এৰাই আহে। বাকলিখনত দা এখনেৰে ঘাপ মাৰি বখলিয়াই দিলে ভিতৰখন ৰঙচুৱা দেখি। পাত দীঘল-চানেকীয়া। গুৰিভাগ ঘূৰণীয়া আৰু আগভাগ জোঙা। পাতৰ কাষত খাঁজ কটা ধৰণৰ চিন নাথাকে। ওপৰ পিঠি মিহি আৰু উজ্জ্বল হয়।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। এইবিধ ডিমৰু জাতীয় গছৰ পাত হাতীয়ে খাবলৈ ভাল পায়। গৰু-ম'হেও খায়। লা উৎপাদনকাৰী পোক পালন কৰিবৰ বাবে আগৰ দিনত এইবিধ গছ ব্যৱহাৰ কৰা হৈছিল।

খাৰিপাটি ডিমৰু, ফাইকছ নাৰভেছা পৰিয়াল— মোৰেছি খেকু আৰং (কাৰ্বি) বল চাপ (আছিক) দিয়েং-বপ-ঠাং (খাচিয়া) খাৰিপাটি ডিমৰু (অসমীয়া) (Kharipati Dimoru) Species—Ficus nervosa Family—Moraceae

এবিধ ডাঙৰ আকাৰৰ গছ। ডাল-পাতবিলাক চাৰিওফালে মেল খাই থাকে। গা-গছৰ গুৰি অংশত ঠেকাৰ নিচিনা চটা চটা হৈ শিপা থাকে। বাকলিখন নিমজ। বৰণত মদৰুৱা বা পাতল-চানেকীয়া হালধীয়া হয়। পাত ধাৰণ কৰা দীঘল ঠাৰিডালত ঠাই বুজি তিনি খিলাৰপৰা দহ খিলা পৰ্যন্ত পাত হয়। পাতৰ আকাৰ দীঘলীয়া। গুৰিফালে বহল আৰু আগৰফালে জোঙা হয়। পাতৰ দাঁতি-কাষৰত কোনো খাঁজ নাথাকে। পাতৰ উপৰফাল মিহি আৰু উজ্জ্বল হয়। তলৰ লুটিত ফুটুকা-ফুটুকি দাগৰ আভাস থাকে।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰে। খৰালিমহীয়া ফুল ফুলে আৰু গৰমৰ দিনত গছজোপাই ফল ধৰে।

চিলু বড়, ফাইকছ ৰেটছা পৰিয়াল—মোৰেছি আৰং চিৰি (কাৰ্বি) বল ফ্ৰাপছি, বল খাপছি (আছিক) চিলু বড় (অসমীয়া) (Chilu Bor) Species—Ficus retusa Syn-F beniamina Family—Moraceae

চিলু বৰ এবিধ প্ৰকাণ্ড আকাৰৰ গছ। ডাল-পাতবিলাক চাৰিওফালে মেলাহি খাই থাকে। তেতিয়া গছজোপা এটা প্ৰকাণ্ড ছাটিৰ নিচিনা হৈ পৰে। সাধাৰণতে মাটিত গজা গছ হ'লেও কেতিয়াবা অন্যান্য গছৰ ডালৰ ফেৰেঙণিত ইয়াৰ উৎপত্তি হয়। ইয়াৰ আকাৰ বাঢ়ি গ'লে প্ৰথমতে আশ্ৰয় দিয়া গছজোপাই অৱশেষত মৃত্যুবৰণ কৰিবলগীয়া হয়। গা-গছৰ গুৰিত ঠেকাৰ নিচিনা বাকলি থকা পট্ৰি থাকে। বাকলিৰ উপৰিভাগৰ বৰণ মদৰুৱা; ঠাল-ঠেঙুলিবিলাকৰপৰা অসংখ্য শিপা ওলাই হাৱাতে ওপঙি থাকে। বাকলিখন সোপোকা। কাটি দিলে ভিতৰখন পাতলীয়াকৈ মুগা দেখা যায়।

পাতবিলাক দীঘলে এক ইঞ্চিৰপৰা তিনি ইঞ্চি পৰ্যন্ত হয় আৰু বহলে প্ৰায় আধা ইঞ্চিমানহে হ'ব। পাতৰ গুৰিৰফাল ঘূৰণীয়া আৰু আগৰফাল জোঙা হয়। পাত সমান কাষৰীয়া। পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প একেজোপা গছতে হয়। ফল আকাৰত মজলীয়া।

সাধাৰণতে দ-চানেকীয়া ঠাইবিলাকত এইবিধ গছ উৎপন্ন হোৱা দেখা যায়।

টেঙাবড়, ফাইকছ জেনিকুলেটা পৰিয়াল—মোৰেছি
(Tenga Bor) Species—Ficus geniculata
Family—Moraceae Tenga Bor (অসমীয়া)

এবিধ ডাঙৰ আকাৰৰ বৰগছ ফৈদৰ গছ। গা-গছৰ বৰণ মদৰুৱা। ডালবিলাকৰ বাকলিত সৰু আকাৰৰ খহুলা-খহুলি চিন থাকে। গা-গছৰ বাকলিৰ বৰণ মুগা বা সামান্যভাৱে মদৰুৱা হয়। বাকলিৰ উপৰিভাগ দীঘলে-পথালিয়ে ফটা-ছিটা হৈ থাকে। ভিতৰখন আঁহেৰে ভৰা আৰু বৰণত পাতলীয়াকৈ মুগা হয়। পাতবোৰ দীঘল-চানেকীয়া হয়। গুৰিৰফালে ভোটা আৰু আগৰফালে জোঙা হয়। পাতৰ দাঁতিভাগ নিমজ। পাতৰ সিৰা-উপসিৰাবোৰ চকুৰে মণিব পৰাকৈ জিলিকি থাকে। ফলবোৰে কেঁচা অৱস্থাত সেউজীয়া আৰু পকিলে হালধীয়া বৰণ ধাৰণ কৰে।

কেঁচাপাতবোৰ মুখত দিলে টেঙা টেঙা লাগে। কিছুমান মানুহে তাকে কেতিয়াবা তৰকাৰি বনাই খায়।

কঠীয়া বড়, ফাইকাছ নেমোৰেলিছ পৰিয়াল—মোৰেছি
কঠীয়া বড়, কঠীয়া ডিমৰু, ডিমৰু বড় (অসমীয়া) দিয়েং চোৰমে ব্লাং (খাচিয়া) খেৰ (কাৰ্বি) ফিছা ডুমৰু (বড়ো)
(Kathia Bor) Species—Ficus nemoralis Family–Moraceae

সৰু আকাৰৰ গছ। বাকলি পাতলীয়া আৰু বৰণত মদৰুৱাকৈ মুগা হয়। বাকলিৰ উপৰিভাগ মিহি। পাত আকাৰত দীঘলীয়া, গুৰিৰফালে ঘূৰণীয়া আৰু আগৰফালে জোঙা হয়। পাতৰ কিনাৰবোৰত কোনো প্ৰকাৰ খাঁজ কটাৰ চিন্ দেখা নাযায়। পাতখিলাৰ মাজভাগেদি যিডাল মূল শিৰ দীঘলে দীঘলে থাকে তাৰ দুয়ো কাষৰপৰা উপসিৰাবোৰ মকৰা-জালৰ নিচিনাকৈ জিলিকি থাকে। পাতৰ গুৰিডোখৰ জোঙা হৈ ঠাৰিত শেষ হৈছেগৈ। একেডাল ঠাৰিতে ফুলখিনি থোপা বান্ধি ওলমি থাকে।

একেজোপা গছে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প ধাৰণ কৰা দেখা যায়। এই ফুলৰপৰা যি ফলৰ উৎপত্তি হয় সেই ফল পকিলে ৰঙা হৈ দূৰৰপৰা জিলিকি থাকে। এইবিধ ডিমৰুৰ পাত গৰু-ছাগলীয়ে খাবলৈ ভাল পায়।

জৰি বড়, ফাইকাছ গিবুছা পৰিয়াল—মোৰেছি জৰি ডিমৰু, জৰিবড় (অসমীয়া) দিয়েং-চহ্-পা-থাইন (খাচিয়া) স্তাতকে (মিচিং) ফ্রাপ-ৰাখেক (আছিক্)

(Jori Bor) Species—Ficus gibbosa Family—Moraceae

এবিধ মজলীয়া আকাৰৰ ডিমৰুজাতীয় গছ। সাধাৰণতে মাটিত উৎপত্তি হোৱা বিধৰ গছ হ'লেও কেতিয়াবা কেতিয়াবা দুই-এটা পুলিয়ে আন জাতীয় গছৰ ওপৰত জীৱন আৰম্ভ কৰা দেখিবলৈ পোৱা যায়। বাকলিৰ উপৰিভাগৰ বৰণ ক'লা-চানেকীয়াকৈ মুগা হয়। খহুলা-খহুলি বাকলিখন দাৰে কাটি দিলে ভিতৰৰফাল সেউজীয়া হৈ থকা দেখা যায়। পাতৰ আকাৰ দীঘলীয়া। পাতৰ মাজত থকা সিৰডালৰ দুয়োকাষে যি দুটা অংশ থাকে সেই দুটাৰ ভিতৰৰত এটা আকাৰত অলপ সৰু হয়। পাতৰ ওপৰফাল মিহি আৰু তলৰ লুটি অলপ খহটা হয়। দাঁতিত খাঁজ কটাবিধৰ চিন্ নাথাকে।

পুং-পুষ্প আৰু স্ত্রী-পুষ্প একেজোপা গছতে বেলেগে বেলেগে ধৰে। অসম আৰু মেঘালয়ৰ প্রায়বিলাক ঠাইতে এইবিধ গছ বনৰীয়া অৱস্থাত উৎপন্ন হোৱা দেখিবলৈ পোৱা যায়।

কঁঠালপতীয়া বা কঁঠলুৱা বড়, ফাইকাছ্ অবটিওচিফলিয়া পৰিয়াল—মোৰেছি কঁঠলুৱা-বড় কঁঠালপতীয়া বড় (অসমীয়া) দিয়েং-চুৰিচহ্ (খাচিয়া)

(Kathal Patia Bor) (Or Kotholua Bor) Species—Ficus obtusifolia Family—Moraceae

এবিধ ডাঙৰ আকাৰৰ বৰগছ জাতীয় গছ। হাবিৰ মাজত গুটি পৰি তাৰপৰা পুলিবিধৰ গছ যদিও কেতিয়াবা কেতিয়াবা এই জাতীয় গছৰ পুলিয়েই অন্যান্য জাতীয় গছৰ ফেৰেঙণিত পোন প্রথমতে জীৱন আৰম্ভ কৰে আৰু কালক্রমত ডাঙৰ হৈ হৈ মূল গছজোপাৰ জীৱন বিনাশ কৰি নিজে স্বাধীন জীৱন আৰম্ভ কৰি দিয়ে। গা-গছৰ বাকলিৰ বৰণ মদৰুৱা হয়। বাকলিখন পাতলীয়া আৰু অলপ খহটা হয়। দা বা কুঠাৰৰে বাকলিত ঘাপ মাৰি দিলে তাৰপৰা এক প্রকাৰৰ গাখীৰৰ নিচিনা ৰস বাহিৰ হয়। বাকলিৰ ভিতৰখন অলপ ৰঙচুৱা। পাতবোৰৰ আকৃতি কঁঠাল গছৰ পাতৰ নিচিনা। আকাৰত দীঘলীয়া আৰু আগডোখৰ ঘূৰণীয়া হৈ আগটো ভিতৰলৈ সোমাই গৈ ঠাৰিডালৰ আগত শেষ হয়গৈ।

পুং-পুষ্প আৰু স্ত্রী-পুষ্প একেজোপা গছতে ফুলে।

এবিধ অলপ ডাঙৰ আকাৰৰ চিৰ-সেউজীয়া গছ। এইবিধ মূল্যবান গছৰ লগত যে আমাৰ যাউতিযুগীয়া পৰিচয় আছে সেই কথাৰ পুনৰুল্লেখ নিস্প্রয়োজন। মুকলি

কঁঠাল, আৰ্টোকাপছি ইন্টিগ্ৰিফলিয়া পৰিয়াল—মোৰেছি জাং ফং আৰং (কাৰবি) দিয়েং চহ্ ফান (খাচিয়া) থেব্ৰং (আছিক) খানঠাল (বড়ো) খান্দাল (তিৱা) টুন-মাক-লাঙ (টাই-আহোম) কঁঠাল (অসমীয়া)
(Kothal) Species—Artocarpus integrifolia Family—Moraceae Jack-Fruit tree (ইং)

ঠাইত উৎপন্ন হোৱা গছে চৌপাশে ডাল-পাত মেলি এক ৰকমৰ ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে। গা-গছ আৰু ডালৰ বাকলিয়ে ছাই-বৰণীয়া ৰূপ ধাৰণ কৰে। বুঢ়া গছৰ বাকলিত ফটা-ছিটা দাগৰ উৎপত্তি হয়।

পাতবোৰে ডিম্বাকৃতি ৰূপ প্ৰদৰ্শন কৰে। পাতবোৰ ডাঠ হয় আৰু হাতেৰে স্পৰ্শ কৰিলে ওপৰৰ পিঠি মিহি আৰু তলৰ পিঠি খহটা লাগে। পাতত বিকশিত হোৱা সিৰ, উপসিৰবিলাক তলৰ লুটিত পৰিষ্কাৰভাৱে দৃষ্টিগোচৰ হয়। বছৰৰ প্ৰায় সকলো সময়তে গছজোপাৰপৰা এখিলা-দুখিলাকৈ পকা পাত সৰি থাকে। নতুনকৈ ওলোৱা পাতৰ কুঁহিৰ গুৰিত দীঘল-চানেকীয়া লতিকাই বিকাশ লাভ কৰে।

একেডাল ঠাৰিতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্পৰ উৎপত্তি হয়। এই ফুল পূৰঠ হ'লে কঠালৰ মুচি ধৰে। ডাঙৰ কঁঠালৰ উপৰিভাগ খহুলা-খহুলি হয়। ভিতৰত ফুটা ধৰে। মঙহাল ফুটাবোৰ পকিলে খাবলৈ মিঠা লাগে। কেঁচাই কেঁচায়ো খাব পাৰি। কঁঠাল গুটিৰ তৰকাৰি খাবলৈ ভাল লাগে। কুমলীয়া কঠালৰ তৰকাৰি হয়। আচাৰ বনাই খাব পাৰি।

এইবিধ গছৰপৰা উৎপন্ন হোৱা কাঠ নানা কামত লগাব পাৰি।

আঁহত, ফাইকাছ ৰিলিজিওছা পৰিয়াল—মোৰেছি অশ্বত্থ (সংস্কৃত) ফ্ৰাপ-থি-ব্ৰং (আছিক) আঁহত গছ (অসমীয়া) ফাক্ৰী (বড়ো) ধুপ্ পান (ৰাভা) চিবি (কাৰ্বি) টুন্-ৰঙ্ (টাই-আহোম)
(Ahot) Species—Ficas religiosa Family--Moraceae

এবিধ মজলীয়া আকাৰৰ বিতোপন গছ। জাৰকালি গছজোপাৰ আটাইবোৰ পাত একে সময়তে সৰিলে গছজোপাই লঠঙা ৰূপ ধাৰণ কৰে। গা-গছ আৰু ডালৰ উপৰিভাগে মদৰুৱা ৰূপ প্ৰদৰ্শন কৰে। গা-গছৰ উপৰিভাগে কেতিয়াবা টেঁৱা-বেঁকা আকৃতি ধাৰণ কৰে। প্ৰথম অৱস্থাত এইবিধ গছে পৰদেহী গছৰ (Epiphytes) প্ৰবৃত্তি প্ৰদৰ্শন কৰে। পাছত ধাৰক গছ (Host Plant) জোপাৰ মৃত্যু ঘটাই স্বাধীন জীৱন যাপন কৰে।

পাতৰ আকৃতি পাণ একোখিলাৰ নিচিনা হয়। পাতৰ গুৰিভাগ ঘূৰণীয়া আৰু আগভাগে নেজালী ৰূপ ধাৰণ কৰে। একেজোপা গছতে পুং আৰু স্ত্ৰী-পুষ্পই বিকাশ

লাভ কৰি থাকে। মণ্ডহাল ফলৰ ভিতৰতে পুং বা স্ত্ৰী-পুষ্প বিকশিত হয়।

হিন্দুসকলে এইবিধ গছক শ্ৰদ্ধাৰে পূজা কৰে আৰু ইয়াৰ পাত ধৰ্ম কাৰ্যত লগায়। মঠ-মন্দিৰৰ ওচৰত আৰু আলিবাটৰ কাষত ইয়াক লগোৱা হয়।

বড় গছ, ফাইকাছ্ বেঙ্গোলেন্সিছ পৰিয়াল—মোৰেছি প্ৰৰফাং (তিৱা) বল গনোক (আছিক) টুন্-লুঙ (টাই-আহোম)

(Bor Goch) Species—FIcus bengalensis Family—Moraceae

ডিম্বাকৃতিৰ ডাঙৰ ডাঙৰ পাত ধাৰণ কৰা এবিধ প্ৰকাণ্ড আকাৰৰ বনৰীয়া গছ। পাতৰ উপৰিভাগ মিহি আৰু নিমজ হয়। বাকলিৰ উপৰিভাগে মদৰুৱা বৰণ ধাৰণ কৰে। ডালবোৰে চৌপাশে ফেৰেঙণি মেলি থকাৰ বাবে গছজোপাই ছত্ৰাকাৰ ৰূপ প্ৰদৰ্শন কৰে। ডালবিলাকৰ ওলমি ওলমি অহা বায়বীয় শিপাৰ উৎপত্তি হয়। আল্লাসতে ওলমি থকা শিপাবোৰ ক্ৰমে ডাঙৰ-দীঘল হৈ মাটিত স্পৰ্শ কৰেহি। কালক্ৰমত এই শিপাবোৰ ডাঙৰ হৈ ঠেকাৰ নিচিনাকৈ গছজোপাক ধৰি ৰাখে।

পাতৰ বৰণ সেউজীয়া হয়। পাতৰ উপৰিভাগত সিৰ আৰু উপ-সিৰ স্পষ্টভাৱে জিলিকি থকা দেখা যায়। একেজোপা গছতে পুং আৰু স্ত্ৰী-পুষ্পই বিকাশ লাভ কৰে। ফুলবোৰ পুৰঠ হ'লে যি ফল ধৰে সেই ফলৰ আকৃতি ঘূৰণীয়া হয়। আচলতে এই মণ্ডহাল ফলবোৰক পুষ্প ধাৰণৰ আধাৰ বুলি ক'ব পাৰি। ফাইকাছ গোষ্ঠীৰ সকলোবিলাক প্ৰজাতিৰ ফুলবোৰে এই বিচিত্ৰ প্ৰকৃতি প্ৰদৰ্শন কৰা দেখা যায়।

বড় গছৰ কাঠ বিশেষ কোনো কামত লগোৱা নহয়।

জৰি, ফাইকাচ্ বেঞ্জামিনা পৰিয়াল—মোৰেছি

Species—Ficus beniamina Family—Moraceae

জৰিগছ আৰু আঁহত গছৰ মাজত লেখতল'বলগীয়া পাৰ্থক্য থকা দেখা নাযায়। দুয়োবিধ গছেই পোন প্ৰথম অৱস্থাত পৰ মুখাপেক্ষী গছ হিছাপে আন গছৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱনযাত্ৰা আৰম্ভ কৰে আৰু পাছত স্বাধীনভাৱে জীৱন-ধাৰণ কৰিবলৈ লয়। জৰিগছৰ ডালবোৰ পিছে মাটিৰফালে ওলমি ওলমি যোৱাৰ নিচিনা হয়। ইয়াৰ পাতবোৰো আকাৰত অলপ দীঘলীয়া হয় আৰু আঁহত গছৰ পাতৰ দৰে থোপোকা আৰু খমখমীয়া নহয়। পাতৰ ওপৰ পিঠি অৱশ্যে মিহি আৰু কলপতীয়াকৈ উজ্জ্বল হয়। পাতৰ উপ-সিৰাবিলাক ফট্ফটীয়াকৈ জিলিকি থকা দেখা নাযায়। এই জাতীয় গছৰ ডালবিলাক পাতলীয়া হোৱাৰ উপৰিও নিশকটীয়াভাৱে দীঘল পৰীয়া হয়। ফুলবোৰ আকাৰত সৰু আৰু দেখাতো তেনে ধৰণৰ আকৰ্ষণীয় নহয়।

এইবিধ গছ অতি সহজে হয়। কোনো কোনো মানুহে বাৰীৰ ঢাপত লগাই দিয়ে। মজলীয়া আকাৰৰ ডাল দুটামান গোজ মাৰি ৰাখিছে সময়ত সেইবোৰে গৈ গৈ বৃক্ষত পৰিণত হয়গৈ। কোনো কোনো মানুহে আলিৰ কাষত আঁহৰ গছৰ সলনি জৰি গছ পুলিকে লগাই দিয়ে। প্ৰখৰ ৰ'দত খোজ কাঢ়ি কাঢ়ি বহুত দূৰৰপৰা পথিকে তাৰ তলতে এখন্তেক জিৰণি লৈ শান্তি লভে।

লতাজৰি, ফাইকছ ৰোডোদেন্দ্ৰিফলিয়া পৰিয়াল—মোৰেছি
(Lota Jori) (Climbing Fig) Species—Ficus rododendrofolia Family—Moraceae Climbing Ficus (ইং)

মজলীয়া আকাৰৰ জৰি জাতীয় গছ। সাধাৰণতে মাটিত হয়। কেতিয়াবা কেতিয়াবা দুই-এজোপা এই জাতীয় গছৰ পুলিয়ে অন্য গছৰ ফেৰেঙণিত জীৱনযাত্ৰা আৰম্ভ কৰি অৱশেষত আশ্ৰয় প্ৰদান কৰা গছজোপাৰ জীৱনকে বিনাশ কৰি স্বাধীন জীৱন-যাপন কৰিবলৈ ধৰে। গা-গছ আৰু ঠাল-ঠেঙুলিবিলাকৰ ওপৰত থকা বাকলিৰ উপৰিভাগৰ বৰণ মদৰুৱা হয়। পাতৰ আকাৰ অলপ দীঘলীয়া। গুৰিৰফালে থোপোকা আৰু আগৰফালে জোঙাৰ নিচিনা হয়। পাতৰ দাঁতিবোৰত কোনো প্ৰকাৰ খাঁজ নাথাকে। পাতৰ উপৰিভাগত স্পষ্টভাৱে জিলিকি থকা যিখিনি উপসিৰাৰ উৎপত্তি সেইখিনি উপসিৰাৰ সৰ্বমুঠ সংখ্যা প্ৰত্যেকফালে ১২-১৪ৰ কম নহ'ব।

একেজোপা গছতে পুং-পুষ্প আৰু স্ত্ৰী-পুষ্প এই দুয়ো প্ৰকাৰৰ ফুল উৎপন্ন হয়। ফলবিলাক আকাৰত সৰু হয়।

কুঁজী থেকেৰা, গাৰ্চ্চিনিয়া কিদিয়া পৰিয়াল—গুটিফেৰি
(Kuji Thekera) Species—Garcinia Kydia Family—Guttiferae

বৰ থেকেৰাৰ ফলতকৈ অলপ সৰু আকাৰৰ ফল ধৰা এবিধ মজলীয়া আকাৰৰ বনৰীয়া গছক কুঁজী থেকেৰা বুলি কোৱা হয়। বৰ থেকেৰাৰ দৰে এইবিধ গছকো বনাঞ্চলবিলাকৰ ঠায়ে ঠায়ে উৎপত্তি হোৱা দেখিবলৈ পোৱা যায়। মাটিৰ তলত বিকশিত হোৱা ঘাই শিপা আৰু শাখাশিপাৰ আঁহবিলাকে গছজোপাক মাটিত আশ্ৰয় দি ধৰি ৰাখে। মাটিৰ তলত থকা ৰসায়নিক পদাৰ্থৰ ৰস শিপাই আহৰণ কৰি গছজোপাক আহাৰৰ যোগান ধৰে। শিপাৰ উপৰিভাগত বিকাশ লাভ কৰা গা-গছ আৰু ঠাল-ঠেঙুলিৰ বাকলিয়ে মদৰুৱা ৰং ধৰে। এইবিধ গছত ঘা লগাই দিলেও কটা ঠাইডোখৰৰপৰা গাখীৰৰ নিচিনা বগা আঠা ওলায়।

বৰ থেকেৰা ফলৰদৰে কুজী থেকেৰা গছে ধাৰণ কৰা ফলবোৰ দীঘলপহীয়াকৈ

চকলিয়াই ৰ'দত শুকাবলৈ দিয়া হয়। বহুত দিন সামৰি ৰখা পুৰণা থেকেৰা ঔষধত লাগে। তৰকাৰিত দুচকলমান পেলাই দিও খাব পাৰি। পেট কামোৰণী বেমাৰত চৰ্বত তৈয়াৰ কৰি এগিলাচমান খাই দিলে আৰাম পোৱা যায়।

কাও থেকেৰা, প্ৰজাতি—গাৰচিনিয়া কৌৱা পৰিয়াল—গুটিফেৰি
(Kao Thekera) Species—Garcinia cowa Family-Guttiferae

কুঁজী থেকেৰাৰ ফলবোৰতকৈ অলপ ডাঙৰ আকাৰৰ ফল ধাৰণ কৰা এবিধ থেকেৰা গোষ্ঠীৰ মজলীয়া গছ। বৰ থেকেৰা আৰু কুঁজী থেকেৰা গছৰ দৰে এইবিধ থেকেৰা জাতীয় গছকো বনাঞ্চলবিলাকত ঠাই অনুযায়ী বিকশিত হোৱা দেখিবলৈ পোৱা যায়। এইবিধ থেকেৰা গছে ধাৰণ কৰা ফলবোৰ অলপ দীঘলীয়া হয়। আকাৰত এই ফলবোৰ মুৰৰফালে অলপ ডাঙৰ আৰু আগৰফালে জোঙা হৈ যোৱা একোটা কলডিলৰ নিচিনা হয়। ফলটো খাবলৈ ঠুমঠাম টেঙা লাগে। এইবিধ ফল পকিলে হালধীয়া হয়। পকা কিম্বা কেঁচা ফল দীঘলীয়া দীঘলীয়া কটাৰিৰে কাটি আমাৰ কোনো মানুহে ৰ'দত শুকুৱাই ৰাখে। শুকান থেকেৰা কেইটুকুৰামান আঞ্জাত পেলাই দিলে টেঙা তৰকাৰিৰ সোৱাদ উপভোগ কৰিব পাৰি।

অস্থায়ী কামত লগোৱাৰ বাহিৰে এইবিধ গছৰ কাঠ কোনো স্থায়ী কামত লগাব নোৱাৰি।

আকাশীলতা, স্বৰ্ণলতা, সোণবৰণীয়া লতা, কুছকুটা ৰিফ্লেক্সা পৰিয়াল—কন্‌ভলভিউলেছি আকাশ বেল (বঙালী) অমৰ বেলি (হিন্দী)
(Dodder) Species—Cuscuta reflexa Family–-Convulvulaceae

পাত নথকা আৰু হালধীয়া বৰণৰ এবিধ লতা জাতীয় বছেৰেকীয়া উদ্ভিদ। প্ৰতি বছৰৰ মহীয়া উৎপত্তি হৈ বৰ্ষাকালত অন্তৰ্দ্ধান হয়। সাধাৰণতে মজলীয়া আকাৰৰ জোপোহা গছৰ ওপৰত ইয়াৰ উৎপত্তি পৰিলক্ষিত হয়। যিজোপা গছত এইবিধ লতাৰ বিকাশ সাধন হয়, প্ৰায়ক্ষেত্ৰতে ইয়াৰ হালধীয়া ঠাল-ঠেঙুলিবোৰে সেই গছজোপা আঁৱৰি ধৰে। ইয়াক পৰদেহী উদ্ভিদৰ (Parasite) আখ্যা দিয়া হয়। কাৰণ এই লতাডালৰ লগত মাটিৰ কোনো পোনপটীয়া সম্পৰ্ক নাথাকে। আশ্ৰয় দাতা-গছ (Host Plane) জোপাৰপৰা ওলোৱা আঁহৰ সহায়ত খাদ্য-সামগ্ৰীৰ ৰস আহৰণ কৰি ই জীয়াই থাকে।

পাত নাথাকিলেও এইবিধ উদ্ভিদে পুষ্প ধাৰণ কৰা দেখা যায়। বগা বৰণৰ ফুলবোৰ আকাৰত সৰু সৰু হয়। ফুল পূৰঠ হ'লে ক্ষুদ্ৰ ক্ষুদ্ৰ আকাৰৰ গুটি হয়। বতাহত উৰি উৰি যোৱা গুটিয়ে আন গছত থানথিত লৈ প্ৰতিবছৰে নতুন নতুন গছত ই বিকাশ লাভ কৰে।

কলিয়া লতা, আইপোমিয়া চাইমোছা মেৰেমিয়া অম্বেলেটা পৰিয়াল—কন্‌ভলভিউলেছি বংকি ৰিপোক (মিচিং) টাৰনাইছা (কছাৰী) চিথ্রি বুদু (আছিক)
(Kolia Lota) Species—Ipomaea cymosa Syn. Merremia umbellata Family—Convalvulaceae

অলপ ভিন্ ভিন্ আকৃতিৰ পাত ধাৰণ কৰা এবিধ বনৰীয়া লতা। পাতবোৰে সাধাৰণতে আঙুলিপহীয়াকৈ ফেৰেঙনি মেলাৰ আকৃতি প্ৰদৰ্শন কৰে। তাৰ ভিতৰতে কোনো কোনো খিলা পাতে ডিম্বাকৃতি ৰূপ ধাৰণ কৰে। লতাডালৰ গাঁঠিয়ে গাঁঠিয়ে শিপা ওলায় আৰু এই শিপাৰ সহায়ত ই মাটিত বগাই যোৱাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। এইবিধ লতাৰ ঠাৰিবোৰ আকাৰত তাঁৰৰ দৰে সৰু হয়। হাবিত খৰি লুৰা মানুহে খৰিৰ মুঠা বান্ধিবলৈ এই লতাডাল ব্যৱহাৰ কৰে।

ফুলৰ বৰণ গুলপীয়া হয় আৰু এই ফুলে চুঙাপহীয়া আকৃতি প্ৰদৰ্শন কৰে। কলিয়া লতাৰ পাত ঔষধত লাগে বুলি জনা যায়।

কুঞ্জলতা, কুৱাম'ক্লিট পিনাটা আইপ'মিয়া কুৱাম'কলিট্ পৰিয়াল—কন্‌ভিল্‌ভিওলেছি
(Kunjalata) Species—Quamoclit pinnata Syn- Ipomaea quamoclit Family—Convulvulaceae

সূক্ষ্ম আকাৰৰ ছিৰিলি ছিৰিলি পাত ধাৰণ কৰা এবিধ ফুলনিবাৰী বা ঘৰৰ চৌহদত লগোৱা লতাজাতীয় ঘৰচীয়া উদ্ভিদ। লতাবোৰৰ ঠাৰিবোৰো আকাৰত সৰু সৰু হয়। সৰু সৰু ৰঙচুৱা ফুল ফুলে। টাটী বা চকোৱাত বগাবলৈ সুবিধা কৰি দিলে লতাবোৰে পোখা মেলি গোটেই বেৰাখন সাবটি ধৰে। সেউজীয়া পাতবোৰৰ মাজে মাজে বিকশিত হোৱা ক্ষুদ্ৰ পুষ্পৰ থোপাবোৰে বিকাশ লাভ কৰিলে বেৰাখন চকুত লগাকৈ আকৰ্ষণীয় হৈ পৰে।

কোনো কোনো মানুহে পদুলিমুখৰ নঙলাৰ ওপৰত বনাই দিয়া বাটচ'ৰা, দীঘলীয়া চালি কিম্বা হেঁদালিৰ ওপৰতো এইবিধ লতা বগাবলৈ সুবিধা কৰি দিয়ে। ঠিক সেইদৰে চৌহদৰ সন্মুখৰ গেটৰ ওপৰত পথালিকৈ বনাই দিয়া লোহাৰ জালি আৰু পকা-ঘৰৰ সন্মুখত থকা পৰ্টিকোৰ ওপৰতো এইবিধ লতাক বগাবলৈ ব্যৱস্থা কৰি দিব পাৰি।

পনিয়ল, ফ্লেকৰচিয়া কাটাফ্ৰাক্টা পৰিয়াল—ফ্লেকৰ্টিয়েছি পয়নাল (ৰাভা) দাৰেচিক (আছিক)
(Poniol) Species—Flacourtia cataphracta Family—Flacourtiaceae Darechik

মজলীয়া আকাৰৰ গছ। গা-গছৰ বাকলিৰ বৰণ মদৰুৱা আৰু এই বাকলিখন কাঁইটেৰে পৰিপূৰ্ণ হৈ থাকে। প্ৰত্যেকডাল কাঁইটৰ মূল

ঠাৰিৰপৰা যিডাল কাঁইটৰ ঠাৰি ওলাই আছে সেই ঠাৰিডালৰপৰা চাৰিওফালে কিছুমান কাঁইট ওলাই আছে আৰু এই আটাইবোৰ কাঁইট লগ লাগি একো একোটা কাঁইটব থোকা হৈ পৰে।

পাতবিলাক অলপ দীঘলীয়া বিধৰ। আগৰফালে সূক্ষ্ম কৌণিকভাৱে পাতৰ আগডোখৰ শেষ হয়গৈ। এইবিধ গছৰ যিবোৰ ফল ধৰে সেই ফলবোৰ মঙহাল হয়। বাহিৰৰ ফালৰ বাকলিখন পকিলে ৰঙচুৱা হয়। ফলটো আকাৰত সৰু। একো একোটা বাটলু গুটিৰ সমানেই হ'ব। ফলটো অলপ টান হৈ থাকিলে মানুহে তাক পিটিকি পিটিকি কোমল কৰি লৈহে খাবলৈ ভাল পায়।

কাঠাণ্ডা ফুল, টেবাৰনিমন্তানা কৰনেৰিয়া পৰিয়াল— এপোছায়েনেছি কাঠ-মালতী, কাঠনাই ফুল, আকাজী ফুল, হিন্দুৰ গছ (অসমীয়া) ঠেম্‌দাউদিফাং, চিন্দুৰ বুফাং (কছাৰী) মিৰ্‌নদা আৰং, মিৰ্ হেৰাই (কাৰবি) দিয়ে-জা-চহ (খাচিয়া) বন-খৰছানি (নেপালি)
(Kathanda Phul) Species—Tabernaemontane coronaria Family—Apocyanaceae

এবিধ ধুনীয়া আকৃতিৰ চিৰ-সেউজীয়া জোপোহা গছ। সাধাৰণতে বনৰীয়া অৱস্থাত হাবি-বননিৰ মাজত দেখিবলৈ পোৱা যায়। কোনো কোনো মানুহে দুই-এজোপা গছ ফুলনিবাৰী কিম্বা বাৰীৰ অন্যান্য ঠাইত লগাই ৰাখে। মানুহে বাৰীত লগোৱা বিধ কাঠান্দা ফুল পাহিবোৰ কেবা-তৰপীয়া হয়।

বাকলিয়ে মদৰুৱা বৰণ ধাৰণ কৰে আৰু এই বাকলিৰ উপৰিভাগত ফুট-ফুটীয়া দাগৰ উৎপত্তি হয়। কাটি চালে বাকলিৰ ভিতৰখন অলপ সেউজীয়া দেখি।

পাতবোৰে দীঘলপহীয়াকৈ ডিম্বাকৃতি ৰূপ পৰিধান কৰে। এই পাত অলপ ডাঠ-চানেকীয়া, সেউজীয়া আৰু মিহি হোৱা দেখা যায়। পাতৰ ওপৰ লুটি তলৰ লুটিৰ তুলনাত অধিক সেউজীয়া হয়। মূল সিৰডালৰ দুয়োকাষে ৫-৬ ডাল শাখাসিৰৰ উৎপত্তি হয়।

ফুলৰ বৰণ বগলী-পাখিৰ দৰে বগা হয়। বনৰীয়া জাত গছে চক্ৰাকাৰে গোল আকৃতিৰ ৪-৫ খিলা পাহি ধাৰণ কৰে। ফুল সামান্যভাৱে সুগন্ধি হয়। শুকানমুৱা ফলৰ আকৃতি তিনিসিৰীয়া হয়।

দোৰোণ, লিওকাচ লিনিফলিয়া পৰিয়াল-লেবিয়েটি দেৰোণ ফুল, দোৰোণ বন (অসমীয়া) দ্ৰোণ (সংস্কৃত) গোমা (হিন্দী) চান্দৰা আন্ (কাৰবি) এগ্ৰা-নু (টাই-আহোম)
(Durun) Species—Leucus Linifolia Family--Labiateae

দোৰোণ বন এবিধ সৰু আকাৰৰ বন জাতীয় উদ্ভিদ। য'তে ত'তে দেখিবলৈ পোৱা যায়।

ইয়াকে আমাৰ মানুহে দোৰোণ ফুল কিম্বা দ্ৰোৰো ণবন বুলিও কয়। পাতবিলাক হাতেৰে ভাঙি নাকৰ ওচৰলৈ নিলে এক প্ৰকাৰৰ উগ্ৰ-গন্ধ অনুভৱ কৰা যায়।

লেহুকা লেহুকা পাত ধৰে। পাতৰ আকৃতি দীঘল-চানেকীয়া হয়। বগা বগা বৰণৰ ফুল ধৰে। ফুলৰ পাহিবোৰ হাতেৰে উঠাই আনি চুঙাপহীয়া নলীডাল মুখত দি চুহি দিলে সোৱাদ সোৱাদ লাগে।

দোৰোণ বনৰ কুঁহিপাত আৰু কুমলীয়া আগবোৰ ছিঙি আনি তৰকাৰি বনাই খোৱা হয়। পাতৰ ৰসখিনি ঔষধত ব্যৱহাৰ কৰা হয়।

বক ফুল, প্ৰজাতি—চেচ্‌বেনিয়া গ্ৰেণ্ডিফ্লোৰা, আগটি গ্ৰেণ্ডিফ্লোৰা আৰু ৰোহিনীয়া গ্ৰেণ্ডিফ্লোৰা পৰিয়াল—লেগুমিনেছি বক ফুল (অসমীয়া) বক ফুল (বঙালী) আগস্তি বাকা (সংস্কৃত) বাসনা বুকে, আগস্তয়া, আগস্তা (হিন্দী) (Bok Phool) Species—Sesbania grandiflora Syn. Agati grandiflora and ruhinia grandiflora Family—Leguminaceae

এবিধ মজলীয়া আকাৰৰ বিতোপন বগা ফুল ধাৰণ কৰা গছ। এই জাতীয় উদ্ভিদে ধাৰণ কৰা বগা বৰণৰ ফুলবোৰ আটা, ময়দা বা বুট মাহৰ গুৰিৰ লগত ভাজি কৰি খোৱা হয়।

এইবিধ গছ বহুত মানুহে বাৰীত দুই-এজোপা লগাই ৰাখে।

মিৰিকা টেঙা, এলিয়েপনছ পাইৰিফৰমিছ বিকল্পে—এলিয়েগ্‌নছ লেটিফলিয়া পৰিয়াল—এলিয়েগনেছি মিৰিকা টেঙা, ধোখি গুটি (অসমীয়া) গুয়াৰ (বঙালী) চিৰৈহন (হিন্দী) (Mirika Tenga) Species—Eleagnus pyriformis Syn-Eleagnus latifolia Family—Eleagnaceae Bastard Oleaster (ইংৰাজী)

এবিধ লতা জাতীয় আৰোহী উদ্ভিদ। পাতবোৰে এক প্ৰকাৰৰ ৰূপালী বৰণ প্ৰদৰ্শন কৰা মঙহাল দীঘলীয়া ফলবোৰ খাবলৈ অলপ টেঙা হয়। ইয়াৰপৰা জাম-জেলি আদি খাদ্য সামগ্ৰী তৈয়াৰ কৰিব পাৰি।

সংৰক্ষিত বনাঞ্চলবিলাকত এইবিধ লাগতিয়াল উদ্ভিদ ছেগা-চোৰেংগাকৈ দেখিবলৈ পোৱা যায়।

টেঙা কতৰা, প্ৰজাতি—বহিনিয়া মালাবাৰিকা বিকল্পে পিলিওষ্টিগ্‌মা মালাবাৰিকা পৰিয়াল—লেগুমিনেছি টেঙা কটৰা (অসমীয়া) (Tenga Kotora) Species–Bauhinia malabarica Syn-Piliostigma malabarica Family–Leguminaceae

এবিধ মজলীয়া আকাৰৰ পৰ্ণপাতী গছ। অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত ইয়াক ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। ইয়াৰ ৰঙচুৱা বৰণৰ

ফুলবোৰ অৰণ্যভূমিত নিলগৰপৰা জিলিকি থকা দেখিবলৈ পোৱা যায়।

বিনোৱা লতা, মাইকেনিয়া মাইক্ৰান্থা মাইকেনিয়া স্কেণ্ডেন্স এষ্টেৰেছি—পৰিয়াল বিনোৱা লতা (অসমীয়া) (Mikaria) Species–Mikania micrantha Syn Mikania scandens Family—Asteraceae

এবিধ লতা জাতীয় বিজাতীয় উদ্ভিদ। আগতে এইবিধ লতা অসমত নাছিল। আজিকালি ইয়াক কম-বেছি পৰিমাণে সকলো ঠাইতে দেখিবলৈ পোৱা যায়। বিগত মহাযুদ্ধৰ সময়ত কেনেবাকৈ ইয়াৰ গুটি অসমলৈ আহি থান-থিত ল'লেহি। এইবিধ লতাই অতি দ্ৰুতগতিত বাঢ়িব পৰাৰ চাৰিত্ৰিক প্ৰবৃত্তি প্ৰদৰ্শন কৰে। বন-বিভাগে বৃক্ষবাগানবিলাকত ৰোপণ কৰা গছৰ লহপহকৈ বাঢ়ি অহা পুলি আৰু মাজবয়সীয়া গছবিলাক মেৰিয়াই ধৰি এই গছবোৰৰ স্বাভাৱিক বাঢ়নত বাধাৰ সৃষ্টি কৰে। শিমলু আদি কোনো কোনো বিধ গছৰ পুলিক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। সেইদৰে অন্যান্য শস্যক্ষেত্ৰতো ইয়াৰ উৎপত্তি হ'লে মহা পয়মালৰ সৃষ্টি হয়। কাটি পেলালেও শিপা আৰু গুটিৰপৰা নতুন পুলিৰ উৎপত্তি হৈ অতি কম সময়ৰ ভিতৰতে গছ পুলিবোৰ মেৰিয়াই ধৰে।

লতাডালে সেউজীয়া ৰং ধাৰণ কৰে। গাঁঠিয়ে গাঁঠিয়ে বিপৰীতমুখী পাতৰ আৱিৰ্ভাৱ হয়। পাত দুখিলাৰ ওপৰৰফালে নতুন পোখাৰ উৎপত্তি হয়। ঠাৰিৰ অগ্ৰভাগবিলাকৰ গাঁঠিৰ ওপৰত দীঘল দীঘল আৰু পুষ্প ধাৰণ কৰা ঠাৰিয়ে বিকাশ লাভ কৰে। বগা বৰণীয়া সৰু সৰু ফুল ঠাৰিৰ আগত থোপা-থোপে ধৰে। সেউজ-বুলীয়া আৰু সৰুকৈ পাতলীয়া পাতবোৰে পাণৰ নিচিনা আকৃতি ধাৰণ কৰে। পাতৰ দাঁতিবোৰ খাঁজ কটা আৰু অগ্ৰভাগ নেজাল হয়। পাতৰ গুৰিত থকা দুটা লতিকাৰ সঙ্গমস্থলত ঠাৰি লগ লাগে। ঠাৰিৰ ওচৰৰপৰা মূলসিৰ আৰু দুডাল শাখাসিৰ ওলাই ত্ৰিশূলৰ আকৃতি ধাৰণ কৰে।

পটল, কন্দুৰী, ট্ৰাইকোছান্থেছ ডায়োইকা পৰিয়াল—কিউকাৰ বিটেছি (Potol, Konduri) Species—Tricosanthes dioica Family—Cacurbitaceae

ভোল, জিকা আদি শাক জাতীয় উদ্ভিদে ধাৰণ কৰা পাতৰ নিচিনা পাত ধাৰণ কৰা এবিধ পাচলি খোৱাৰ উপযোগী ফল ধৰা বিদেশী লতা। আজিকালি অসমৰ কোনো কোনো মানুহে নদী-নলাৰ পাৰৰ বালিঅঁহীয়া পলসুৱা মাটিত এইবিধ ফচল কৰিবলৈ আৰম্ভ কৰিছে। দেখাত পটলৰ নিচিনা এইবিধ ফলৰ আকাৰ একোটা তামোলৰ নিচিনা হয়। বাহিৰখন তিয়ঁহৰ দৰে মিহি আৰু ভিতৰখন পটল আদিৰ ভিতৰৰ দৰে কোমল হয়। ভাজি খাবলৈ ভাল। আঞ্জা বনাই জুলীয়া শাক হিছাপেও খাব পাৰি।

ধুম বইল

মালতী

তুলিপ, মুটুৰা ফুল

গোন্ধোৰা ফুল

সাধাৰণ নাৰ্জিফুল

বাগান বিলাস

ক্ৰাইনম লিলি

বৰ টেঙেচি টেঙা

ডালিম



কুঞ্জলতা



কপৌফুল

এজোপা তামোল গছ



কৰ্দৈ

ল্যাভেণ্ডাৰ

আমলখী

শিমলু

জবাফুল ৰক্তজবা

ধান

কচমচ

আজাৰ বা জাৰুল

এচিয়া মহাদেশীয় পপী



সৰগ মোহিনী ফুল

গুলচী, গুলঞ্চ

ডেমডেউকা

গ্লোৰ লিলি বা ব্লড় লিলি

অমিতা

পাণ

চীনা ছাতি মানুহ কটা ফুল

অপৰাজিতা